অসমীয়া সাহিত্যলৈ মহিলা-লেখকৰ দান

২৪৬

ড° হেম বৰা

প্ৰকাশক

শতাব্দী প্ৰকাশন : গোলাঘাট

ASOMIYA SAHITYALAI MAHILA LEKHAKAR DAN (Women Writers' Contribution to Assamese Literature) — a Ph.D. Theses of Gauhati University written by Dr Hem Borah, D.R. College, Golaghat under guidance of Dr. Maheswar Neog, Prof. Emeritus, G.U and Published by Saptabdi Prakashan, Golaghat, Assam

---

First Edition :

Nov. 1994

Price :

Cloth Bind Rs 150.00

Popular Rs 90.00

Cover Design :

Dhananjay Sarmah

Laser Setting at : Classic Associates, Guwahati-781 003

Printed at **ROYAL HALFTONE CO**
209/C, Bidhan Saranee
Calcutta - 700 006

আই
কেতেকী বৰা
আৰু
শাহু-আই
বীণা বৰাৰ
পবিত্ৰ স্মৃতিত।

সূচী

পাতনি

অভিমত

সংকেত পৰিচয়

প্ৰথম অধ্যায় — পৃ. ১ – ১০

ভূমিকা

গ্ৰন্থৰ আৰম্ভণি–১, ভাষাবংশ–২, সাহিত্যৰ ইতিহাস–৩, যুগ বিভাজন–৬, অসমীয়া সাহিত্যত লেখিকাৰ উদ্ভৱ–৬, প্ৰাচীন ভাৰতীয় সাহিত্যত লেখিকা–৬, মধ্যযুগত লেখিকা–৭, আধুনিক ভাৰতীয় সাহিত্যত লেখিকা–৮, মৌখিক সাহিত্যলৈ মহিলাৰ বৰঙণি– ৯

দ্বিতীয় অধ্যায় — পৃ. ১১ – ২৩

নৱ-বৈষ্ণৱ যুগ ঃ পদ্মপ্ৰিয়া

ষোড়শ শতাব্দীৰ অসমীয়া সাহিত্য-সংস্কৃতি–কেইটামান বৈশিষ্ট্য–১১, পদ্মপ্ৰিয়াৰ জীৱন-কাহিনী–১২, পদ্মপ্ৰিয়াৰ গীত ৰচনা–১৮, বৰগীতৰ পৰম্পৰা আৰু পদ্মপ্ৰিয়াৰ গীতৰ বৈশিষ্ট্য–২০, পদ্মপ্ৰিয়াৰ পৰৱৰ্তী কালৰ অন্ধকাৰ ঃ লেখিকাৰ অভাৱ–২২

তৃতীয় অধ্যায় — পৃ. ২৪ – ৪৮

অৰুনোদই যুগ

মিছনেৰী লেখিকাৰ দান–২৪, ইলাইজা হুইটনি ব্ৰাউন–২৬, হেৰিয়েট বি এল কট্ৰাৰ–২৭, চুচান আৰ. বি. ৱাৰ্ড–২৮, শ্ৰীমতী গাৰ্নি (মেৰী এৰু লৰেন্স)–২৯, ম,ৰ,ব–২৯

প্ৰাক্-জোনাকী যুগ

অসমীয়াভাষী লেখিকাৰ আগমন–৩০, ভাৱিণী দেৱী–৩২, বিষ্ণুপ্ৰিয়া দেৱী–৩৩, স্বৰ্ণলতা বৰুৱা–৩৫, পদ্মাৱতী দেৱী ফুকননী–৩৭, অসমীয়া উপন্যাসৰ প্ৰস্তুতি পৰ্ব ঃ সুধৰ্মাৰ উপাখ্যান–৪০, হিতসাধিকা–৪৪, অন্যান্য ৰচনা–৪৫

চতুৰ্থ অধ্যায় — পৃ. ৪৯ – ৯০

ৰমন্যাসিক যুগ

"জোনাকী"ৰ জন্ম–৪৯, জোনাকী যুগৰ লেখিকা–৫২, উত্তৰ-জোনাকী যুগৰ লেখিকা–৫২, ৰমন্যাসিক কবিতালৈ মহিলাৰ দান ঃ তিনিগৰাকী প্ৰধান মহিলা কবি–৫৬, যমুনেশ্বৰী খাটনিয়াৰ–৫৭, ধৰ্মেশ্বৰী দেৱী বৰুৱানী–৬১, নলিনীবালা দেৱী–৬৭

ৰমন্যাসিক যুগৰ মহিলা কবিসকল – ৮৪–৯০

পঞ্চম অধ্যায় — পৃ. ৯১ – ১১৭

ৰমন্যাসিক যুগৰ গদ্য সাহিত্যলৈ মহিলাৰ দান

নিবন্ধ-আলোচনালৈ মহিলাৰ দান–৯১, সাধুকথা, শিশু উপযোগী পুথি ইত্যাদি–৯৪, জীৱনীমূলক ৰচনা–৯৬, অন্যান্য ব্যৱহাৰি-গ্ৰন্থ, পাঠ্য-পুস্তক ইত্যাদি–৯৭, উপন্যাস সাহিত্যলৈ মহিলাৰ দান–৯৭, চুটিগল্পলৈ মহিলাৰ দান–১০৩, অন্যান্য লেখিকা–১১৩, নাট ৰচনাত মহিলা–১১৫, ভ্ৰমণ কাহিনী–১১৬, অনুবাদ–১১৬

যুদ্ধোত্তৰ যুগ : মহিলা কবিসকল

যুদ্ধোত্তৰ অসমীয়া সাহিত্যৰ আৱৰ্তণি–১১৮, যুদ্ধোত্তৰ মহিলা কবিসকল–১১৯, যুদ্ধোত্তৰ ৰমন্যাসিক ধাৰাৰ মহিলা কবিসকল–১১৯, দোমোজাৰ কবিসকল–১২৪, আধুনিক ধাৰাৰ কবিসকল–১২৭, আধুনিক কবিতাৰ প্ৰথম স্তৰ–১২৮, আধুনিক কবিতাৰ দ্বিতীয় স্তৰ–১৩২

সপ্তম অধ্যায় — পৃ. ১৩৮ – ১৪৯

আধুনিক কবিতাৰ তিনিগৰাকী প্ৰধান মহিলা কবি

নীলিমা দত্ত–১৩৮, লক্ষহীৰা দাস–১৪০, নিৰ্মলপ্ৰভা বৰদলৈ–১৪৩

অষ্টম অধ্যায় — পৃ. ১৫০ – ১৭৯

যুদ্ধোত্তৰ গদ্য সাহিত্যলৈ মহিলাৰ দান

জীৱনী-আত্মজীৱনী–১৫০, নিবন্ধ সাহিত্য–১৫২, ভ্ৰমণ সাহিত্য–১৫৮, নাট্য সাহিত্য–১৫৯, চুটিগল্প–১৬০, উপন্যাস–১৬৯

নৱম অধ্যায় — পৃ. ১৮০ – ২২৩

যুদ্ধোত্তৰ গল্প-উপন্যাসৰ বিশিষ্ট লেখিকা কেইগৰাকীমান

চুটিগল্পৰ তিনিগৰাকী বিশিষ্ট লেখিকা–১৮০, স্নেহ দেৱী–১৮০, নীলিমা শৰ্মা–১৮৪, নিৰুপমা বৰগোহাঞি–১৮৮, তিনিগৰাকী প্ৰধান ঔপন্যাসিকা–১৯২, নীলিমা দত্ত–১৯২, নিৰুপমা বৰগোহাঞি–১৯৬, মামনি ৰয়ছম গোস্বামী–২১০

দশম অধ্যায় — পৃ. ২২৪ – ২২৮

শিশু সাহিত্যলৈ মহিলাৰ দান

একাদশ অধ্যায় — পৃ. ২২৯ – ২৪৬

সাম্প্ৰতিক সাহিত্যত মহিলা লেখক

সত্তৰ-আশী দশকৰ কবিতালৈ মহিলাৰ দান–২২৯, সত্তৰ-আশীৰ দশকৰ গদ্য সাহিত্যলৈ মহিলাৰ দান–২৩৫, উপন্যাস–২৩৫, চুটিগল্প–২৪১, অন্যান্য গদ্য সাহিত্য–২৪৫, সাৰাংশ–২৪৫

পৰিশিষ্ট–১ পদ্মপ্ৰিয়াৰ গীত – পৃ. ২৪৭

পৰিশিষ্ট–২ ভাবিনী দেৱী ৰচিত গীত – পৃ. ২৫৩

গ্ৰন্থপঞ্জী – পৃ. ২৫৫–২৬২

নিৰ্ঘণ্ট–১ – পৃ. ২৬৩–২৭৫

নিৰ্ঘণ্ট–২ – পৃ. ২৭৬–২৮৬

পাতনি

অসমীয়া সাহিত্যলৈ মহিলা-লেখকসকলে আগবঢ়োৱা বৰঙণিৰ উপযুক্ত আৰু প্ৰণালীবদ্ধ মূল্যায়ণ নোহোৱাত কেৰোবছৰ আগৰ পৰা গ্ৰন্থ এখন প্ৰণয়ন কৰাৰ কথা ভাবি আহিছিলোঁ। এনে সময়তে ১৯৮৬ চনৰ শেষৰ ফালে এটা বিশেষ কাৰণত গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য অগ্ৰজ-প্ৰতিম ডঃ দেবপ্ৰসাদ বৰুৱাদেৱৰ কাৰ্যালয়ত সাক্ষাৎ কৰোতে প্ৰসঙ্গক্ৰমে মহিলা-বিষয়ৰ গৱেষণা কৰাৰ প্ৰয়োজন উপলব্ধি কৰা হয়। সেই সময়তে উপাচাৰ্যৰ কোঠাত বিশ্ববিদ্যালয়ৰ পৰীক্ষক, নিয়ন্ত্ৰক প্ৰমুখ্যে সাত-আঠজন বিশিষ্ট শিক্ষাবিদৰ প্ৰবেশ ঘটে আৰু বিষয়টোৰ বিশদ আলোচনাৰ অন্তত যোৱেই এনে গৱেষণা আৰম্ভ কৰিবলৈ উৎসাহিত কৰি তোলে। ইয়াতে অনুপ্ৰাণিত হৈ সেইদিনাই বিধিগত গৱেষণাৰ প্ৰস্তুতি আৰম্ভ কৰি মোৰ শিক্ষাগুৰু প্ৰাচ্যবিদ ডঃ মহেশ্বৰ নেওগ চাৰৰ আশীৰ্বাদ বিচাৰি তেখেতৰ উজান শৰণীয়াৰ ঘৰত উপস্থিত হলোঁগৈ। মোৰ উদ্দেশ্য আৰু বিষয় দুয়োটাই সময়োচিত বুলি চাৰে একেষাৰতে মাৰ্গ-দৰ্শনৰ (guidance) দায়িত্ব গ্ৰহণ কৰিলে। আমাৰ সাহিত্য-সংস্কৃতিৰ এগৰাকী বিশ্ব-বিশ্ৰুত পণ্ডিতৰ তলত গৱেষণা কৰিবলৈ পোৱাটো সৌভাগ্যৰ বিষয় হিচাবে লৈ ময়ো নিষ্ঠা সহকাৰে কামত আগবাঢ়িলোঁ। ১৯৮৭ চনৰ জানুৱাৰীত বিষয়টো গুৱাহাটী বিশ্ববিদ্যালয়ত পঞ্জীভূত হ'ল। গৱেষণাৰ মাধ্যম হিচাবে অসমীয়াক গ্ৰহণ কৰা হ'ল। ইয়াৰ কাৰণ, ১৯৭০ চনৰে পৰা আঞ্চলিক ভাষাত গৱেষণা হ'ব লাগে বুলি ময়ে কাকতে-পত্ৰে লেখি আহিছিলোঁ। মোৰ সম্পাদিত "সেউজী" নামৰ আলোচনী এখনত সম্পাদকীয় লেখাৰ লগতে অসম সাহিত্য সভালৈ প্ৰস্তাৱ প্ৰেৰণ কৰিছিলোঁ; আনকি ১৯৭২ চনৰ মাধ্যম আন্দোলনত বিশেষ ভূমিকা গ্ৰহণ কৰাৰ বাবে প্ৰায় কুৰিদিন কাৰাবাসো খাটিছিলোঁ। তদুপৰি, বহুতে অসমীয়া ভাষা গৱেষণাৰ উপযুক্ত নহয় বুলি ভবাৰ বিপৰীতে ভাষাটোৰ প্ৰকাশিকা শক্তিক শক্তিশালী কৰাৰ দায়িত্ব এতাপ নিজেও লোৱা উচিত বুলি ভাবি নেওগচাৰৰ লগত আলোচনাৰ অন্তত অসমীয়া মাধ্যমকে চূড়ান্তৰূপে গ্ৰহণ কৰিলোঁ। চাৰে দিয়া পৰামৰ্শ অনুসৰি ভাষা সৰল কৰিবলৈ যত্ন কৰি কিমান কৃতকাৰ্য হৈছোঁ নাজানো। আনহাতে, তথ্যপাতি আহৰণ কৰোতে যথেষ্ট অসুবিধা পাইছিলোঁ। প্ৰত্যক্ষ আৰু পৰোক্ষ উভয় পদ্ধতিৰে তথ্য আহৰণ কৰা হৈছে। মহিলাই লেখা গ্ৰন্থসমূহ পুথিভঁৰালবোৰতো ভালদৰে সংৰক্ষিত নহয়; বহু লেখিকাই সহযোগ কৰিবলৈকো আগবাঢ়ি নাহে,—ইত্যাদি প্ৰতিকূল অৱস্থাৰ মাজত কষ্ট আৰু অৰ্থ ব্যয়েৰে তথ্য-পাতি সংগ্ৰহ কৰি নিৰপেক্ষ আৰু প্ৰণালীবদ্ধ ইতিহাস এখন প্ৰণয়নত গুৰুত্বাৰোপ কৰি ১৯৯০ চনত ইয়াক সম্পূৰ্ণ কৰি তোলা হ'ল।

এই গ্ৰন্থৰ বাবে ইতিমধ্যে পি.এইচ.ডি ডিগ্ৰী মই লাভ কৰিছোঁ আৰু পৰীক্ষকসক দ্বাৰা উচ্চ প্ৰশংসা লাভ কৰিবলৈকো সমৰ্থ হৈছোঁ। গ্ৰন্থখনক বিশ্ববিদ্যালয়ে প্ৰকাশ ক গুৰুত্ব দিয়া হৈছিল যদিও দীৰ্ঘদিনলৈ অপেক্ষা নকৰি নিজাকৈ প্ৰকাশৰ অনুমতি লৈ অবি ৰূপত গৱেষণা গ্ৰন্থখনক ছপা-ৰূপ দি পাঠক সমাজলৈ আগবঢ়োৱা হ'ল। গ্ৰন্থখনত সক লেখিকাক সামৰিবলৈ যত্ন কৰিছোঁ। তথাপি দুই-চাৰিগৰাকী লেখিকা হয়তো বৈ গৈছে কিন্তু, মোৰ দৃষ্টিলৈ অহা কোনো লেখিকা বা লেখাকে মই বাদ দিয়া নাই এ যোগ্যতানুসৰি সেইবিলাকক গুৰুত্ব দিছোঁ! সমালোচনাত্মক দৃষ্টিভঙ্গি প্ৰতিক্ষেত্ৰতে গ্ৰহ কৰিছোঁ।. ঠাই বিশেষে তুলনাত্মক ব্যৱস্থাও গ্ৰহণ কৰা হৈছে।

গৱেষণাৰ সময়ছোৱাত বিভিন্ন দিশত বহুজনৰ সহযোগিতা লাভ কৰিছোঁ। প্ৰ অৰ্থশত লেখিকাই প্ৰত্যক্ষ সহযোগেৰে মোক ধন্য কৰিছে। সেইসকলৰ প্ৰতি কৃতজ্ঞ হ'লোঁ। বিশেষভাৱে উল্লেখ কৰিবলগীয়া সকলৰ ভিতৰত ড° দেৱপ্ৰসাদ বৰুৱ ড° উপেন্দ্ৰনাথ গোস্বামী, ড° পৰীক্ষিত হাজৰিকা, ড° সুলেখা চক্ৰবৰ্তী, শ্ৰীমতী শচীপ্ৰ দাস, শ্ৰীযুত উপেন্দ্ৰনাথ বৰা (নগাঁও), অধ্যাপক শ্ৰীথানেশ্বৰ হাজৰিকা (বোকাখাত) আ শ্ৰীপূৰ্ণ বৰা অন্যতম। লগতে সহধৰ্মিণী শ্ৰীমতী পুণ্য বৰাৰ সহায়-সহযোগ উল্লেখনীয় ৰৈছে। কালকাৰ সত্ৰ, হেমাৰবড়ী সত্ৰ, বৰপেটাৰ লেখিকা সমাৰোহ সমিতি আ কেৰাখনো কাকত-আলোচনীৰ সহযোগ স্মৰণীয় হৈ ৰৈছে। ইয়াৰ উপৰিও, বিভি ক্ষেত্ৰত সহায় কৰা বহুজনৰ নাম উল্লেখ নকৰাকৈয়ে কৃতজ্ঞতাৰ শৰাই আগবঢ়ো হ'ল।

শেষত গুৱাহাটী বিশ্ববিদ্যালয়ৰ 'প্ৰফেচাৰ এমেৰিটাচ' প্ৰাচ্যবিদ ড° মহেশ্বৰ নেও চাৰৰ প্ৰতি মোৰ শ্ৰদ্ধা আৰু আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। তদুপৰি, আগক opinion আৰু অভিমত একোটি লেখি দিয়াৰ বাবে নেওগচাৰ, ড° মহেন্দ্ৰ বৰাচ আৰু ড° ইন্দিৰা গোস্বামী (মামণি ৰয়ছম) বাইদেউলৈ অশেষ কৃতজ্ঞতা জ্ঞাপ কৰিলোঁ। লগতে মোৰ এই উদ্যোগত আংশিক অৰ্থ সাহায্যৰে অনুপ্ৰাণিত কৰাৰ ব অসম চৰকাৰ তথা মুখ্যমন্ত্ৰী শ্ৰীযুত হিতেশ্বৰ শইকীয়াদেৱলৈ কৃতজ্ঞতা নিবেদন কৰিলোঁ

সদৌ শেষত গ্ৰন্থখনৰ ছপাৰ লগত জড়িত গুৱাহাটীৰ গ্ৰাফিক এছোচিয়েটচ্ ডাঃ হিতেনকৃষ্ণ মহন্ত, শ্ৰীঅঞ্জন শৰ্মা, শিল্পী শ্ৰীধনঞ্জয় শৰ্মা আৰু মুদ্ৰণশিল্পীসকলৰ শু লোৱা হ'ল।

ইতি।

গোলাঘাট
১৬।১০।৯৪

হেম বৰা

আগকথা

ড° মহেশ্বৰ নেওগ

প্ৰফেচাৰ এমেৰিটাচ, গুৱাহাটী বিশ্ববিদ্যালয়

শ্ৰীমান হেম বৰাৰ গৱেষণা গ্ৰন্থ- "অসমীয়া সাহিত্যলৈ মহিলা লেখকৰ দান"- বৰ্তমান সময়ত অসমীয়া সাহিত্যত কৰা এটি উচ্চ-থাপৰ গৱেষণা । এই গৱেষণাৰ বাবে তেওঁ গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা ১৯৯২ চনত ডক্টৰেট ডিগ্ৰী লাভ কৰিছে আৰু তিনিওজন পৰীক্ষকৰ পৰা উচ্চ-প্ৰশংসা লাভ কৰিবলৈ সমৰ্থ হৈছে । গ্ৰন্থখনক সৰ্বসম্মতভাৱে প্ৰকাশ কৰাতো গুৰুত্বাৰোপ কৰা হৈছিল । এতিয়া, বিশ্ববিদ্যালয়ৰ তৰফৰ পৰা প্ৰকাশ কৰালৈ বাট নাচাই তেওঁ নিজেই প্ৰকাশৰ ব্যৱস্থা কৰাটো সময়োচিত হৈছে । যেনেকৈয়ে নহওক, এনে এখন গ্ৰন্থ সোনকালে প্ৰকাশ হৈ ওলাব লাগে ।

অসমীয়া সাহিত্যৰ বুৰঞ্জী অধ্যয়নত এই গ্ৰন্থ অনুপম হ'ব, কাৰণ আমাৰ সাহিত্যৰ বুৰঞ্জীবিলাকত মহিলা লেখকৰ বিস্তৃত অধ্যয়ন বাস্তৱিকতে আগতে নাছিল । শ্ৰীমান হেমৰ এই গ্ৰন্থখনে এটা ডাঙৰ অভাৱ পূৰণ কৰিলে । অসমীয়া সাহিত্যৰ অধ্যয়নৰ পূৰ্ণতা এই গ্ৰন্থ বিশেষ সহায়ক হ'ব । গৱেষক, শিক্ষক-অধ্যাপকৰ লগতে বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ বাবে ই নিশ্চয়কৈ সন্দৰ্ভ পুথিৰ অন্তৰ্গত হোৱা বাঞ্চনীয় ।

শ্ৰীবৰাৰ এই গ্ৰন্থৰ ভূমিকাত - অসমীয়া আৰু ভাৰতীয় সাহিত্যত লেখিকাৰ উদ্ভৱ, প্ৰাচীন যুগ, মধ্যযুগ আৰু মৌখিক সাহিত্য সামৰি সুন্দৰকৈ বিষয় উপস্থাপন কৰা হৈছে । দ্বিতীয় অধ্যায়ত- নব-বৈষ্ণৱ যুগত প্ৰথম অসমীয়া মহিলা-লেখক পদ্মপ্ৰিয়া সম্পৰ্কে অতি মূল্যবান বিশ্লেষণ দাঙি ধৰিছে । তৃতীয় অধ্যায়ত 'অৰুণোদই'ৰ বিদেশিনী মহিলা-লেখকসকলৰ লগতে প্ৰাক্-জোনাকী যুগৰ চাৰিগৰাকী লেখিকাৰ বহুতো নজনা কথা পোহৰলৈ দক্ষতাৰে অনা হৈছে । জোনাকী যুগ আৰু উত্তৰ জোনাকী যুগৰ বহুতো লেখিকাৰ পুৰণি আলোচনী- আসাম বন্ধু, জোনাকী, উষা, বাঁহী, ঘৰ-জেউতি, আৱাহন আদিৰ পৰা উদ্ধাৰ কৰি- গদ্য আৰু কাব্য উভয় বিধৰে উপযুক্ত নিৰ্বাচন ৰচনা কৰিছে । যমুনেশ্বৰী, ধৰ্মেশ্বৰী আৰু নলিনীবালাৰ সাহিত্য-কৃতি বিচাৰত লেখকে কৃতিত্ব দেখুৱাইছে । তেনেদৰে সাধাৰণ লেখিকাসকলকো তেওঁ উপযুক্ত স্থানত বহুৱাব পাৰিছে । সাহিত্যৰ বিভিন্ন বিভাগৰ প্ৰথম গৰাকী লেখিকাক শ্ৰীবৰাই গুৰুত্ব সহকাৰে চিহ্নিত কৰিছে । চতুৰ্থ আৰু পঞ্চম অধ্যায়ত এইখিনি বিস্তৃতভাৱে সামৰি লৈছে । মুঠতে কোনো বিষয়কে তেওঁ স্পৰ্শ নকৰাকৈ এৰা নাই ।

ষষ্ঠ অধ্যায়ৰ পৰা গ্ৰন্থখন সম্পূৰ্ণ মৌলিক। তেওঁ অশেষ কষ্ট আৰু যত্নৰে এই ইতিহাস ৰচনা কৰিছে। কবিতা, গল্প, উপন্যাস, নিবন্ধ, ৰম্য-ৰচনা, জীৱনী, নাটক, শিশু-সাহিত্য আদি সকলো বিষয়তে সৰু-বৰ সকলো লেখিকাৰ বিষয়ে অভিমত দাঙি ধৰা হৈছে। য'তে মহিলাৰ হাত তাতেই শ্ৰীবৰাৰ চকু।

সপ্তম অধ্যায়ত তিনিগৰাকী প্ৰধান আধুনিক কবি আৰু নৱম অধ্যায়ত তিনিগৰাকী গল্প-লেখিকা আৰু উপন্যাসৰ তিনিগৰাকী প্ৰধান লেখিকাৰ বিষয়ে বিস্তৃত মূল্যায়ণ কৰা হৈছে। দশম অধ্যায়ত শিশু সাহিত্যলৈ মহিলাৰ দান আৰু একাদশ অধ্যায়ত সত্তৰ-আশী দশকৰ লেখিকাৰ বিভিন্ন দান আৰু সম্ভাৱনাৰ যথোপযুক্ত বিৱৰণ সন্নিবেশ কৰিছে। মুঠতে, আৰম্ভণিৰ পৰা সামৰণিলৈ লেখকে নিষ্ঠা সহকাৰে স্বাভাৱিকতে বহুল ক্ষেত্ৰ এখনত নিজৰ যোগ্যতা প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছে।

গৱেষণাৰ দৃষ্টিৰেও এটা উল্লেখনীয় আৰু অনুকৰণীয় প্ৰণালী প্ৰয়োগ কৰাত লেখক কৃতকাৰ্য হৈছে। ভাষা সৰলীকৈ ৰাখি নিভাঁজ অসমীয়া গাঁথনি এটা ৰখাৰ প্ৰতি লেখকৰ দৃষ্টি পাতে পাতে অনুভৱ কৰা যায়। শেষত ক'ব পাৰি যে এই গৱেষণা গ্ৰন্থখন অসমীয়া সাহিত্যত এটি বিশিষ্ট সংযোজন।

OPINION

Dr. Mahendra Bora
Ex-Bezbarua Professor of Assamese
Dibrugarh University

The thesis (entitled, "Asamiya Sahityalai Mahila-Lekhakar Dan"— The contributions of Women-writers to Assamese Literature) running into as many as eleven chapters plus two appendices, covers the whole range of Assamese women writers making there contributions to the realm of Assamese literature since the earliest times to the date Since there had been no written literature in Assamese signed by any woman writer, the scholar takes note of Padmapriya's songs as the starting point of the study He has marshalled a wealth of information on her life and works. That takes the whole length of the chapter II which deals with the Pre-Vaisnava era Again, since there is no specimen of any woman writer's attempt in literature, the scholar straightway jumps into a study of the Modern Age in the chapter III, which for all practical purposes, is confined to the study of the Oroonodoi Age Of course he follows the pattern of the conventional histories of Assamese literature In this connexion, his naming of the sub-chapter as the Pre-Jonaki Age carries with it a better connotation

From chapter IV onwards, the scholar betrays no uncertainity whatsoever. In the chapter IV, he makes a detailed study of three principal women poets, viz., Jamuneswari Khatanlar, Dharmeswari Devi Baruani and Nalinibala Devi. These three independent studies stand out as triumph in criticism. Then in, the chapter V, he gives a broad enumeration of the achievements of women writers in different genres of prose literature. To say the least, the study there of is entirely satisfactory.

Chapter VI represents a link chapter, bridging the study of the Romantic Period and the Post-War Period. Obviously certain facts spill over to the next one much in a repetitive manner. It would have been better, if he got it telescoped to the next chapter, all in the way of following the pattern of the chapter IV, that is, a general enumeration of

the poetic work and then a detailed study of three leading poetesses, viz. Nilima Dutta, Lakshahira Das and Nirmal Prova Bordoloi. Nevertheless, the detailed studies are admirable, as resorted to in the chapter VII.

Chapter VII is devoted to a general study of the women writers' contribution in the field of non-fictional prose literature. Chapter IX is exclusively devoted to fictional literature. His detailed studies of Sneha Devi, Nilima Sarma and Nirupama Borgohain as short-story writers are faultless. So, also his studies of Nirupama Borgohain and Mamani Roysam Goswami are admirable.

Chapter X contains a study of children's literature vis-a-vis women wirters It shows that the scholar has left no stone unturned to discover the lost gems. Chapter XI deals with the recent most writings of the women writers.

Taken as a whole, the thesis represents a valuable addendum to the world of definitive study of an aspect of Assamese literature which lay unexplored till now.

The strongest point about the thesis, is the methodology followed by the scholar in undertaking the study of such a vast panorama It has made a splendid combination of table-land scrutiny and sweeping bird's eye-view of the whole terrain

অভিমত

ড° ইন্দিৰা গোস্বামী (মামণি ৰয়ছম গোস্বামী)
অধ্যাপিকা, ভাৰতীয় ভাষা বিভাগ, দিল্লী বিশ্ববিদ্যালয়

"অসমীয়া সাহিত্যলৈ মহিলা-লেখকৰ দান" ডক্টৰ হেম ৰবাদেৱৰ এখন অতি মূল্যবান গ্ৰন্থ। ডক্টৰ ৰবাদেৱে অতি বিস্তাৰিতভাৱে অসমীয়া মহিলা-লেখকৰ সাহিত্যৰাজি অধ্যয়ন কৰি এই গ্ৰন্থ ৰচনা কৰিছে। এনেধৰণৰ অধ্যয়ন অসমীয়া সাহিত্যত সম্ভৱ এতিয়াও হোৱা নাই। ভাৰতীয় সাহিত্যতো বিৰল। এনে এটি বিষয় হাতত লৈ ডক্টৰ ৰবাদেৱ সকলোৰে ধন্যবাদৰ পাত্ৰ হৈছে।

এই গ্ৰন্থত ৰবাদেৱে অসমৰ মহিলা-লেখকসকলৰ বিষয়ে অনেক নতুন তথ্যও সন্নিবিষ্ট কৰিছে। অসমৰ প্ৰথম মহিলা কবি পদ্মপ্ৰিয়াৰ বিষয়েও ৰবাদেৱে বৰ মহত্বপূৰ্ণ তথ্য সংগ্ৰহ কৰিছে। পদ্মপ্ৰিয়াৰ বিষয়ে এতিয়ালৈকে যিমানখিনি আলোচনা হোৱাৰ প্ৰয়োজন আছিল অসমীয়া সাহিত্যত সিমানখিনি এতিয়াও হোৱা নাই। এই লেখিকা গৰাকীৰ জীৱন কাহিনী, বৰগীতৰ পৰম্পৰা আৰু পদ্মপ্ৰিয়াৰ গীতৰ বৈশিষ্ট্য ইত্যাদি বিষয়েও ডক্টৰ ৰবাদেৱে অনেক নতুন কথা সংগ্ৰহ কৰিছে আৰু তেওঁৰ নিজস্ব মতামতো দিছে। এই সকলোবোৰ কথা অসমীয়া সাহিত্যৰ পাঠক, বিশেষকৈ ছাত্ৰ-ছাত্ৰীৰ বাবে মূল্যবান হৈ পৰিব বুলি মোৰ দৃঢ় বিশ্বাস। এই গ্ৰন্থ সন্দৰ্ভ-পুথিৰ তালিকাভুক্ত হোৱা উচিত।

অসমৰ প্ৰথম মহিলা কবি পদ্মপ্ৰিয়াৰ বাহিৰেও, অসমীয়া সাহিত্যত উল্লেখযোগ্য বৰঙণি দি যোৱা বিষ্ণুপ্ৰিয়া দেৱী, তাৰিণী দেৱী, পদ্মাৱতী দেৱী ফুকননী আদি লেখিকাৰ বিষয়েও ডক্টৰ ৰবাদেৱে বহলাই আলোচনা কৰিছে। এই সকল লেখিকাৰ বিষয়ে অসমীয়া সাহিত্যত বিস্তাৰিতভাৱে আলোচনা কৰা হোৱা নাছিল।

এই গ্ৰন্থত থকা ৰমন্যাসিক যুগৰ গদ্য সাহিত্যলৈ মহিলাৰ দান, যুদ্ধোত্তৰ মহিলা কবিসকল, শিশু সাহিত্যলৈ মহিলাৰ দান ইত্যাদি অধ্যায়বোৰৰ মাজেৰে ডক্টৰ ৰবাদেৱৰ গভীৰ অধ্যয়নৰ পৰিচয় পোৱা যায়। মোৰ দৃঢ় বিশ্বাস এই গ্ৰন্থ অসমীয়া সাহিত্যলৈ অমূল্য বৰঙণি হৈ থাকিব।

সংকেত পৰিচয়

অনু	অনুবাদ/অনূদিত
আ	আলোচনী/বাতৰি কাকত
ইতিবৃত্ত	অসমীয়া সাহিত্যৰ ইতিবৃত্ত
উ	উপন্যাস
কা	কাব্য গ্ৰন্থ
গ	গল্প গ্ৰন্থ
গ্ৰ	গ্ৰন্থ
জ	জন্ম চন
জী	জীৱনী
বাঁদ কাঁচলিত	সংবাদ পত্ৰৰ বাঁদ কাঁচলিত অসমীয়া সাহিত্য
ৰূপৰেখা	অসমীয়া সাহিত্যৰ ৰূপৰেখা
সম্পা	সম্পাদনা/সম্পাদক
A.F.D	Assamese, Its Formation and Development
N.L.H.A.L.	New Light on History of Asămiyă Literature

অসমীয়া সাহিত্যলৈ মহিলা লেখকৰ দান

প্ৰথম অধ্যায়

ভূমিকা

১.১. "অসমীয়া সাহিত্যলৈ মহিলা লেখকৰ দান"–শীৰ্ষক গৱেষণা গ্ৰন্থৰ আৰম্ভণিতে অসম, অসমীয়া ভাষা আৰু সাহিত্যৰ সংক্ষিপ্ত জমকথা প্ৰাসঙ্গিক হিচাপে দাঙি ধৰিব খোজা হৈছে। প্ৰথমতে অসমৰ স্থিতি সম্পৰ্কে দু-আষাৰমান সংযোগ কৰা উচিত বুলি অনুভৱ হয়।

ভাৰতবৰ্ষৰ পূৰ্বাঞ্চলৰ অন্যতম ৰাজ্য অসম প্ৰাচীন কালৰে পৰা সমৃদ্ধিশালী এক ঐতিহ্যপূৰ্ণ দেশ। অসম নামটো অৰ্বাচীন। প্ৰাচীন কালত এই দেশখনৰ নাম আছিল কামৰূপ। প্ৰাচীন সংস্কৃত গ্ৰন্থত 'কামৰূপ' আৰু 'প্ৰাগ্‌জ্যোতিষপুৰ'ৰ উল্লেখ একাধিক স্থানত পোৱা যায়। প্ৰাগ্‌জ্যোতিষপুৰ নামেই সৰাতোকৈ প্ৰাচীন আৰু ভাৰতীয় মহাকাব্য দুখনতো এই নামেই উল্লেখ লাভ কৰিছে। প্ৰাগজ্যোতিষপুৰ আৰু কামৰূপ, দুয়োটা নামৰ উল্লেখ "ৰামায়ণ"তকৈ "মহাভাৰত"ত বিস্তৃত ভাবে পোৱা যায়। মহাভাৰতৰ সভা-পৰ্ব আৰু উদ্যোগ-পৰ্ব আদিত প্ৰাগজ্যোতিষক 'ম্লেছ ৰাজ্য' বোলা হৈছে। হৰিবংশ, বিষ্ণু পুৰাণ, ব্ৰহ্মাণ্ড পুৰাণ আদি প্ৰাচীন গ্ৰন্থসমূহত প্ৰাগ্‌জ্যোতিষপুৰ আৰু কামৰূপক পাৰম্পৰিক বিকল্পৰূপে উল্লেখ কৰা দেখা যায়।[১] কালিদাসেও "ৰঘুবংশ"ত দুয়োটা নামকেই ব্যৱহাৰ কৰি গৈছে।[২] পঞ্চম শতিকাৰ গুপ্ত সম্ৰাট সমুদ্ৰগুপ্তৰ 'এলাহাবাদ স্তম্ভলিপি'ত কামৰূপৰ উল্লেখ আছে।[৩] সপ্তম শতাব্দীৰ চীনা পৰিব্ৰাজক হিউয়েন চাঙৰ ভ্ৰমণ টোকাত 'কামলুপ' বুলি কামৰূপৰ উল্লেখে আন এটা সাক্ষ্য দাঙি ধৰে।[৪] মুঠতে মহাকাব্য, পুৰাণ, অৰ্থশাস্ত্ৰ, জ্যোতিষ-শাস্ত্ৰ আদি বিভিন্ন প্ৰাচীন সংস্কৃত গ্ৰন্থৰ পৰা প্ৰায় দশম শতাব্দীৰ 'কালিকা পুৰাণ" আৰু ষোড়শ শতাব্দীৰ "যোগিনীতন্ত্ৰ"লৈকে প্ৰাগজ্যোতিষপুৰ নাইবা কামৰূপ নামেৰেহে অসমৰাজ্যক বুজোৱা হৈছিল। 'ৰামায়ণ-মহাভাৰত-পুৰাণ'ৰ সময়ত এইদেশত অনাৰ্য ৰজাসকলে ৰাজত্ব কৰিছিল যদিও আৰ্য-সভ্যতাৰ আশ্ৰয় লৈ "অসম বা কামৰূপ ভাৰতৰ এখন অগ্ৰগণ্য দেশ হ'ব পাৰিছিল।"[৬] কালিকা-পুৰাণৰ মতে নৰকাসুৰে কামৰূপত আৰ্য-সভ্যতা প্ৰতিষ্ঠা কৰিছিল। "খ্ৰীষ্টীয় প্ৰথম দুই-এটা শতিকাৰ ভিতৰতে কামৰূপত আৰ্য-সংস্কৃতি আৰু ভাৰতীয় আৰ্য-ভাষাৰ বিস্তাৰ হয় বুলি অনুমান কৰিব পাৰি।"[৭] উল্লেখযোগ্য যে খ্ৰীষ্টীয় চতুৰ্থ শতাব্দীৰ পৰা দ্বাদশ শতাব্দীলৈ অসমত বৰ্মন, পাল আদি হিন্দু ৰজাসকলে ৰাজত্ব কৰিছিল।

---

১. Banikanta Kakati, Assamese, Its Formation and Development, 1962 *p*.5

২. কালিদাস, "ৰঘুবংশম্", চতুৰ্থ সৰ্গ, শ্লোক ৮১-৮৩

৩. D.C. Sircar, Select Inscription, *p*. 265, cited by M.M. Sarma, Inscriptions of Ancient Assam, 1978, *p*. 0.15

৪. Dimbeswar Neog, New Light on History of Asamiya Literature, 1962, *p*.3

৫. Suniti Kumar Chatterji, The Place of Assam in the History and Civilization of India, 1970 *p*. 12
"...Kālikā Purāna (earlier than 1000 A.D.). And the Kālikā Purāna and the Yogini Tantra (which latter was probably composed in Assam, as a later work certainly composed or compiled after 1000 A.D...)"

৬. দেৱেন্দ্ৰ নাথ বেজবৰুৱা, "অসমীয়া ভাষা আৰু সাহিত্যৰ বুৰঞ্জী", ১৯৫০, পৃ. ৩০

৭. মহেশ্বৰ নেওগ, "অসমীয়া সাহিত্যৰ ৰূপৰেখা," ৭ম তাঙৰণ, ১৯৮৭, পৃ. ১১

ত্ৰয়োদশ শতাব্দীৰ আৰম্ভণিতে চুকাফাৰ নেতৃত্বত আহোম সাম্ৰাজ্য প্ৰতিষ্ঠা হৈ প্ৰায় ছশ বছৰ কাল শাসন কৰাৰ ফল স্বৰূপে কালক্ৰমত দেশখনৰ নাম অসম হয়।[৮] ১৮২৬ খ্ৰীষ্টাব্দত ইয়াণ্ডাবু সন্ধিৰ চৰ্তানুসৰি অসম ইংৰাজ শাসনৰ অধীনলৈ যোৱাত সমগ্ৰ ভাৰতবৰ্ষৰ সৈতে ৰাজনৈতিক ঐক্য প্ৰতিষ্ঠিত হয় আৰু এখন প্ৰদেশত পৰিণত হৈ পৰে। ১৯৪৭ চনত ইংৰাজ শাসনৰ শৃংখল চিঙি ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰাত অন্যান্য প্ৰদেশৰ দৰেই অসম প্ৰদেশো ভাৰতবৰ্ষৰ এখন অঙ্গৰাজ্যত পৰিণত হয়। সেই সময়ত অসমৰ মানচিত্ৰই উত্তৰ-পূব ভাৰত জুৰি আছিল আৰু আয়তন আছিল ২২৪.৩৭১ বৰ্গ কিলোমিটাৰ। কিন্তু স্বাধীনতা লাভৰ পাছত ৰাজনৈতিক কাৰণত অঙ্গচ্ছেদ ঘটিলত, বৰ্তমানৰ ৭৮,৫২৩ বৰ্গ কিলোমিটাৰলৈ অসমৰ আয়তন হ্ৰাস পায়। ইয়াৰ ভিতৰত দুখন পাহাৰীজিলাৰ ১৫,২২২ বৰ্গ কিলোমিটাৰ, বৰাক উপত্যকাৰ ৬,৯৬২ বৰ্গ কিলোমিটাৰ আৰু ব্ৰহ্মপুত্ৰ উপত্যকাৰ ৫৬,৩৩৯ বৰ্গ কিলোমিটাৰ অঞ্চল অন্তৰ্ভুক্ত হৈ আছে।[৯]

ব্ৰহ্মপুত্ৰ নদৰ দুয়ো পাৰৰ বিস্তৃত সমতল ভূমিত বা ব্ৰহ্মপুত্ৰ উপত্যকাত উদ্ভৱ হোৱা প্ৰধান ভাষাটোৱেই হ'ল অসমীয়া। ভাৰতীয় সংবিধানৰ অষ্টম অনুসূচীত স্বীকৃত ই এটা প্ৰধান ভাৰতীয় ভাষা। আৰ্য ভাষাৰ বিবৰ্তনৰ ফলত সৃষ্টি হোৱা আধুনিক ভাৰতীয় ভাষাৰ ভিতৰত অসমীয়াও অন্যতম।

১.২. ভাৰত ইউৰোপীয় ভাষাবংশৰ[১০] আটাইতকৈ পূবত্থিত ভাষাটোৱেই হ'ল অসমীয়া। বিশ্বৰ সবাতোকৈ বিশাল এই ভাষাবংশৰ ভাৰত-ইৰাণীয় শাখাৰ[১১] অন্যতম উপশাখা ভাৰতীয় আৰ্য ভাষাৰ প্ৰাচীন স্তৰৰ ভাষা বৈদিক-সংস্কৃত আৰু সংস্কৃত। খ্ৰীষ্টপূৰ্ব ষষ্ঠ শতাব্দীৰ পৰা খ্ৰীষ্টীয় দশম শতাব্দী পৰ্যন্ত বিস্তৃত ভাৰতীয় আৰ্য ভাষাৰ বিবৰ্তনৰ দ্বিতীয় স্তৰত একাদিক্ৰমে পালি, প্ৰাকৃত আৰু অপভ্ৰংশ ভাষাৰ ৰূপসমূহ পৰে। উত্তৰ-ভাৰত জুৰি গঢ়ি উঠা প্ৰাকৃত স্তৰৰ বৈয়াকৰণিকৰ স্বীকৃত প্ৰাকৃত কেইটা হ'ল,–মহাৰাষ্ট্ৰী, শৌৰসেনী, পৈশাচী, মাগধী আৰু অৰ্ধ-মাগধী। ষষ্ঠ শতাব্দী আৰু দশম শতাব্দীৰ ভিতৰত এই প্ৰাকৃতসমূহ অপভ্ৰংশ বা অবহট্ঠ স্তৰৰ মাজেদি ক্ৰম-বিবৰ্তনৰ বাটত আগবাঢ়ি আহে। 'মাগধী' প্ৰাকৃতৰ পৰা সৃষ্ট অপভ্ৰংশটোক মাগধী অপভ্ৰংশ[১২] নাইবা প্ৰাচ্য-মাগধী অপভ্ৰংশ[১৩] নামকৰণ হৈছে আৰু ইয়াৰ পৰাই পূবভাৰতৰ আধুনিক আৰ্য ভাষা,–অসমীয়া, বাংলা, উড়ীয়া, মৈথিলী, ভোজপুৰী আদি ভাষাৰ সৃষ্টি হৈছে। খ্ৰীষ্টীয় দশম-দ্বাদশ শতাব্দীৰ ভিতৰত পৰিবৰ্তন প্ৰক্ৰিয়া সম্পূৰ্ণ হোৱাত প্ৰতিটো ভাষাই নিজস্ব গঢ় লাভ কৰিবলৈ সক্ষম হয়। বৰ্তমান কোনো কোনো ভাষাবিদে কামৰূপী নামৰ প্ৰাকৃতৰ পৰা অসমীয়া ভাষাৰ জন্ম বুলি মতামত দাঙি ধৰা দেখা যায়।

---

৮. ১২২৮ খ্ৰীষ্টাব্দত অসমলৈ আহোম সকলৰ আগমন ঘটে। পাছত তেওঁলোকৰ পূৰ্বৰ নাম 'শান' বা টাইভাষাৰ 'শাম (√Chám) শব্দত 'অ' উপসৰ্গ যোগ হৈ পাছত 'অসম' হয়। ড° বাণীকান্ত কাকতিয়ে তেওঁৰ গৱেষণা গ্ৰন্থত (<u>A.E.D.</u>) এনে মত প্ৰকাশ কৰিছে।

৯. Govt of Assam, <u>Statistical Hand-Book, Assam</u>, 1976

১০. বহুত ভাষাবিদে 'ইন্দো-ইউৰোপীয় ভাষা বংশ' বুলিও উল্লেখ কৰে। ইংৰাজীত কোৱা হয় — Indo-European Language Family.

১১. এই পৰিয়ালৰ দহোটা প্ৰধান শাখাৰ ভিতৰত ভাৰত-ইৰাণীয় (Indo-Iranian) অন্যতম। বাকী নটা হ'ল – কেল্টিক্, ইটালিক, জাৰ্মানিক, গ্ৰীক, বাল্টোস্লাভিক, আলবেনিয়ান, আৰ্মেনিক, হিট্টাইট আৰু তুখাৰিয়ান। ভাৰত-ইৰাণীয়ৰ তিনিটা উপশাখা – ইৰাণীয়ান, দৰ্দিক আৰু ভাৰতীয় আৰ্য। শেষৰ প্ৰশাখা দুটাৰ ভাষা ভাৰতবৰ্ষত পোৱা যায়।

১২. বিৰিঞ্চি কুমাৰ বৰুৱা, "অসমীয়া ভাষা আৰু সংস্কৃতি", ১৯৮৫, পৃ. ৯

১৩. B. Kakati, <u>*A.E.D.*</u>, 1962, *p.* 12

১.৩. অসমীয়া ভাষা-সাহিত্যৰ ইতিহাস বিচাৰিলে বহু শতাব্দীৰ আগলৈ উভতি যাব লগাত পৰে। অৱশ্যে, এই প্ৰসঙ্গত চতুৰ্থ শতাব্দীৰ পৰা দ্বাদশ শতাব্দীলৈ অসমত ৰাজত্ব কৰা পুষ্যবৰ্মনবংশ, শালস্তম্ভ আৰু ধৰ্মপাল বংশীয় ৰজাসকলৰ শাসনাৱলীৰ ভাষা বিশ্লেষণ কৰিবলগাত পৰে। বৰ্তমানলৈকে আৱিষ্কৃত প্ৰাচীন শিলালিপিৰ ভিতৰত উমাচল পাহাৰত অৱস্থিত সুৰেন্দ্ৰবৰ্মাৰ শিলালিপিয়েই সৰ্বাধিক প্ৰাচীন।[১৪] এই শিলালিপিৰ সময় ৪৭০-৪৯৪ খ্ৰীষ্টাব্দ নিৰ্ধাৰণ কৰা হৈছে। দ্বিতীয়তে ভূতিবৰ্মাৰ বৰগংগা শিলালিপিখন (৫৫৪ খ্ৰীষ্টাব্দ) উল্লেখ কৰিব পাৰি। এই দুখন শিলালিপি আৰু অন্যান্য শাসনাৱলীৰ ভাষা সংস্কৃত। এই প্ৰশস্তিবিলাকত পোৱা জন-সাধাৰণৰ মাজত প্ৰচলিত নামবাচক শব্দ কিছুমানে অসমীয়া ভাষাৰ জন্মকাল সূচনা কৰে। গাঁৱৰ নাম, নদীৰ নাম, মানুহৰ নাম, গছৰ নাম আদি বুজোৱা শব্দসমূহৰ ভিতৰত "কালিয়া, খনি, সনি, অনি, দক্ষিণপাট, শিঙৰি, পাৰলি, জান, জোল আদি মনকৰিবলগীয়া"।[১৫] তদুপৰি, "সেইবোৰৰ ৰূপ আৰু অৰ্থও বৰ্তমান যুগৰ অসমীয়াৰ সৈতে একে।"[১৬] অন্যহাতে সপ্তম শতাব্দীত অসমলৈ অহা চীনা পৰিব্ৰাজক হিউয়েন চাঙৰ ভ্ৰমণটোকাত কামৰূপৰ ভাষা মধ্যভাৰতৰ ভাষাতকৈ কিছু প্ৰভেদ থকা বুলি উল্লেখ পোৱা গৈছে।[১৭]

অসমীয়া সাহিত্যৰ জন্মত এই শাসনাৱলীৰ ভাষাই বিশেষ সহায় নকৰে যদিও, ভাষাটোৰ জন্ম পত্ৰিকা নিৰ্ণয়ত সহায়ক হৈছে। সাহিত্যৰ জন্মত দশম-দ্বাদশ শতাব্দীৰ ভিতৰত ৰচিত চৰ্যাপদসমূহে বিশেষ ভূমিকা গ্ৰহণ কৰি আহিছে। এই চৰ্যাপদ সমূহ অসমীয়া, বাংলা, উড়ীয়া, মৈথিলী আদি ভাষা সমূহৰ উমৈহতীয়া সম্পদৰূপে বৰ্তমান স্বীকৃত হৈছে। বিংশ-শতাব্দীৰ আৰম্ভণিতে, ১৯১৭ চনত নেপালদেশৰ ৰাজ দৰবাৰৰ গ্ৰন্থাগাৰৰ পৰা বঙ্গীয় পণ্ডিত মহামহোপাধ্যায় হৰপ্ৰসাদ শাস্ত্ৰীয়ে উদ্ধাৰ কৰি আনি এই চৰ্যাপদবিলাক "হাজাৰ বছৰেৰ পুৰাণ বাঙ্গলা ভাষায় বৌদ্ধ গান ও দোহা" নাম দি প্ৰকাশ কৰে। এই দোহা বিলাকত পূৰ-ভাৰতৰ প্ৰধান ভাষাকেইটাই নিজৰ ৰূপ বিচাৰি পোৱাত বিতৰ্কৰ সৃষ্টি হয়। ড° সুনীতি কুমাৰ চট্টোপাধ্যায়ে ইয়াৰ শব্দমালা আৰু ব্যাকৰণ ৰীতি বিশ্লেষণ কৰি বাংলা ভাষাৰ প্ৰাচীন নিদৰ্শন বুলি অভিমত দি গৈছে। অৱশ্যে তেওঁ প্ৰাচীন অসমীয়া আৰু উড়ীয়াৰ সৈতে থকা সাদৃশ্যও লক্ষ্য কৰিছিল।[১৮] ডক্টৰ অসিত কুমাৰ বন্দোপাধ্যায়েও "চৰ্যাৰ্থৰ বিনিশ্চয়" গ্ৰন্থখনক 'সমস্ত পূৰ-ভাৰতেৰ প্ৰথম গ্ৰন্থ' বুলি স্পষ্ট অভিমত দিছে।[১৯] মৈথিলী ভাষাৰ বিশিষ্ট পণ্ডিত ড° সুভদ্ৰ ঝাই চৰ্যাপদৰ ভাষাক মৈথিলীৰ পূৰ্বী-উপভাষা বুলি গণ্য কৰে।[২০] অসমীয়া ভাষাৰ ধ্বনি-তাত্বিক আৰু ৰূপ-তাত্বিক বৈশিষ্ট্য চৰ্যাপদৰ ভাষাত সৰ্বপ্ৰথম দেখা পায় ড° বাণীকান্ত কাকতিয়ে। তেওঁ চৰ্যাপদসমূহ বিশ্লেষণ কৰি সেইবিলাকত অসমীয়া ভাষাৰ স্বৰূপ নিৰ্ণয়

---

১৪ D.C. Sircar and P.D. Chawdhury, Epigraphia Indica, Vol. XXXI, Part II, April, 1955 (Printed 1957) cited by M.M. Sarma, Inscription of Ancient Assam, 1978, *pp* 1-3

১৫. বিৰিঞ্চি কুমাৰ বৰুৱা, "অসমীয়া ভাষা আৰু সংস্কৃতি", পৃ. ১০

১৬. উপেন্দ্ৰ নাথ গোস্বামী, "ভাষাবিজ্ঞান", ১৯৭০ পৃ. ১৭৭

১৭. Watters, Hiun — Ts'ang, Vol. II *p*. 186
"... their speech differed a little from that of Mid-India."

১৮. S.K. Chatterji, Language and literature of Modern India, 1963, *pp* 158-59

১৯. অসিত কুমাৰ বন্দোপাধ্যায়, "বাংলা সাহিত্যেৰ সম্পূৰ্ণ ইতিবৃত্ত", ১৯৬৬ পৃ. ১৯

২০. S. Jha, The Formation of the Maithili Languages, 1958 *p*. 36

কৰে আৰু ৰচনাৰ সময় দশম-দ্বাদশ শতাব্দী স্থিৰ কৰিছে।[২১] বৰ্তমান পণ্ডিত সকলে চৰ্যাপদ আৰু অসমীয়া ভাষাৰ বিশ্লেষণ কৰি কয়, "এই ভাষাটো পূব-ভাৰতৰ কথিত আৰু লিখিত দুয়োটা ৰূপতে প্ৰয়োগ হৈ আহিছিল।"[২২]

"চৰ্যাচৰ্যবিনিশ্চয়"ত উদ্ধৃত মীননাথ কামৰূপৰ লোক নিৰূপিত হোৱাত চৰ্যাপদ জাতীয় ৰচনাত অসমৰ অৱদানৰ অনুমান সহজে কৰিব পৰা হৈছে। তদুপৰি সিদ্ধাচাৰ্যসকলৰ বহুতেই অসমৰ হোৱাৰ সম্ভাৱনা আছে আৰু প্ৰায়বোৰ চৰ্যাৰ ৰচনাৰ স্থান কামৰূপ বুলি বিশ্বাস কৰাৰ স্থল আছে। "সম্ভৱতঃ সহজযান বজ্ৰযান আদিৰ প্ৰধান কেন্দ্ৰ প্ৰাচীন কামৰূপতে এইবোৰ ৰচিত হৈছিল।"[২৩] গতিকে, চৰ্যাপদসমূহ প্ৰত্ন-অসমীয়াৰ (Proto-Assamese) নিদৰ্শন ৰূপে গ্ৰহণ কৰা হৈছে।

চৰ্যাপদৰ পাছতে আৰু দুখন কাব্যই অসমীয়া আৰু বাংলা ভাষাৰ মাজত যুক্তিযুদ্ধৰ অৱতাৰণা কৰি গৈছে। ইয়াৰ এখন হ'ল বড়ু চণ্ডীদাসকৃত "শ্ৰীকৃষ্ণ কীৰ্ত্তন" আৰু আনখন ৰামাই পণ্ডিতৰ "শূন্য পুৰাণ"। ড° সুনীতিকুমাৰ চট্টোপাধ্যায় প্ৰমুখ্যে বাঙালী পণ্ডিত সকলে দুয়োখন গ্ৰন্থকে বাংলা সাহিত্যৰ সম্পদ ৰূপে গ্ৰহণ কৰিছে। আনহাতে, ড° বাণীকান্ত কাকতিয়ে অসমীয়া-বাংলা দুয়োটা ভাষাৰে উমৈহতীয়া সম্পদ বুলি যুক্তিসহ মত দাঙি ধৰিছে।[২৪] ডক্টৰ মহেশ্বৰ নেওগেও 'কামৰূপ-গৌড়ৰ সীমা-মূৰিয়লিৰ বস্তু' হিচাপে ধৰি একে মতকে প্ৰদান কৰিছে।[২৫] তেওঁৰ মতে গ্ৰন্থদুখনৰ ভাষাৰ গঢ় মনকৰ, পীতাম্বৰ আদিৰ লগত প্ৰায় একে। "শ্ৰীকৃষ্ণ কীৰ্ত্তন" আৰু "শূন্য পুৰাণ" দুয়োখন কাব্যৰ ৰচনাকাল পঞ্চদশ শতাব্দী বুলি প্ৰায়বিলাক আলোচকে মানি লৈছে। কিন্তু, ড° চট্টোপাধ্যায়ৰ মতানুসৰি গ্ৰন্থ দুখন চতুৰ্দশ শতিকাৰ ভিতৰৰ ৰচনা। গ্ৰন্থদুখনৰ ৰচনাকাল পঞ্চদশ শতিকা নিশ্চিত হলে কব পৰা যায় যে ইয়াৰ বহুপূৰ্বে পৰিষ্কাৰ অসমীয়া ভাষাত লিখিত সাহিত্যই প্ৰতিষ্ঠা লাভ কৰিছিল। হেম সৰস্বতীয়ে ৰচনা কৰা দুখন কাব্য গ্ৰন্থ –"প্ৰহ্লাদ চৰিত" আৰু "হৰগৌৰী সংবাদ"ৰ দ্বাৰা এই গৌৰৱ ঘোষিত হৈছে। ড° বাণীকান্ত কাকতিয়ে "প্ৰহ্লাদ চৰিত্ৰ"ক প্ৰথম অসমীয়া গ্ৰন্থৰূপে অভিহিত কৰিছে আৰু হেম সৰস্বতীক ত্ৰয়োদশ শতিকাৰ শেষত স্থাপন কৰিছে।[২৬] ড° সত্যেন্দ্ৰনাথ শৰ্মাই হেম সৰস্বতীৰ পৃষ্ঠপোষক কমতাপুৰৰ ৰজা দুলৰ্ভ নাৰায়ণক ত্ৰয়োদশ শতিকাৰ শেষ আৰু চতুৰ্দশ শতিকাৰ আদি ভাগত সংস্থাপিত কৰিছে।[২৭] গ্ৰন্থ দুখনৰ ভণিতাৰ পৰা নিশ্চিতভাবে জনা যায় যে তেওঁ দুলৰ্ভনাৰায়ণৰ পৃষ্ঠপোষকতা লাভ কৰিছিল। কিন্তু দুলৰ্ভনাৰায়ণৰ ৰাজত্বকাল সম্পৰ্কে ঐক্যমত এটা পোৱা নাযায়। প্ৰাক্-শংকৰী যুগৰ আটাইকেউজন কবিৰ ক্ষেত্ৰত কাল নিৰ্ণয়ৰ খেলিমেলি দেখা যায়। হেম সৰস্বতীৰ দৰেই হৰিবৰ বিপ্ৰ, কবিৰত্ন সৰস্বতী আদিৰ সময় নিৰ্ণয় নিৰ্ভৰ কৰিছে দুলৰ্ভ নাৰায়ণৰ ৰাজত্বকালৰ নিশ্চিতকৰণৰ ওপৰত। গুণাভিৰাম বৰুৱা প্ৰমুখ্য কবি কেৰাগবাকী ৰৰেণ্য পণ্ডিতে পৰোক্ষ পদ্ধতি অৱলম্বন কৰি দুলৰ্ভ নাৰায়ণৰ সময় নিৰ্ণয় কৰিবলৈ যত্ন কৰিছে। ৰামচৰণ ঠাকুৰ ৰচিত "গুৰুচৰিত"ৰ উল্লেখ অনুসৰি

---

২১. B. Kakati, A.F.D. *p*. 11

২২. উপেন্দ্ৰ নাথ গোস্বামী, "ভাষা আৰু সাহিত্য", ১৯৮৫, পৃ.. ১০

২৩. মহেশ্বৰ নেওগ, "ৰূপৰেখা", পৃ. ১২

২৪. B. Kakati, A.F.D. *pp*. 11-13

২৫. মহেশ্বৰ নেওগ, "ৰূপৰেখা" পৃ. ৪৪

২৬. B Kakati, A.F.D. *p*. 13

২৭. সত্যেন্দ্ৰ নাথ শৰ্মা, "অসমীয়া সাহিত্যৰ ইতিবৃত্ত", ১৯৭১, পৃ. ৫৫

শঙ্কৰদেৱৰ আজুককাক চণ্ডীবৰ দুলৰ্ভনাৰায়ণৰ সম-সাময়িক হোৱাত 'পুৰুষ' হিচাপে কবি প্ৰতিপুৰুষত নিৰ্দিষ্টকৈ কিছুবছৰ ধৰি সময় নিৰ্ণয় কৰা হৈছে। এই পদ্ধতি আসোঁৱাহ মুক্ত নহয় আৰু ই কেৱল অনুমান সাপেক্ষ।[২৮]

সদ্যহতে ড° মহেশ্বৰ নেওগে দুলৰ্ভনাৰায়ণৰ কাল নিৰ্ণয়ত গুৰুত্বপূৰ্ণ নথি উদ্ধাৰ কৰিছে। এই নথিখন হ'ল দুৰ্লভনাৰায়ণৰ 'শদিয়া-চেপাখোৱা লিপি'। প্ৰত্নতাত্ত্বিক সকলৰ ভিতৰত অতি গুৰুত্বপূৰ্ণ এইলিপিৰ পাঠ উদ্ধাৰ কৰা হৈছে আৰু তাৰপৰা দুৰ্লভ-নাৰায়ণৰ সময় নিৰূপিত হৈছে। ফলিখনৰ সময় ১৩৫০ শক বা ১৪২৮ খ্ৰীষ্টাব্দ। ফলিৰ পৰা পোৱা তথ্যমতে, – "কমতাপুৰৰ প্ৰতাপীৰজা শ্ৰীবস্থনাৰায়ণৰ বাহুবলীপুত্ৰ শ্ৰীধৰ্মনাৰায়ণ। ধৰ্মনাৰায়ণৰ পুত্ৰ গজপতি উপাধিধাৰী ৰজা শ্ৰীদুলৰ্ভ নাৰায়ণ। এইজনা ৰজাই ব্যাকৰণ-স্মৃতিবেদতত্ত্ববেত্তা ব্ৰাহ্মণ হৰিদেৱক চাৰিশ ডুপুটি (পুৰা) মাটি এক শাসনৰূপে প্ৰদান কৰে। হাবুঙ্গ (অৰ্থাৎ লোৱনশিৱি তৈয়ামৰ হাবুং নামৰ) অঞ্চলৰ অধিপতি শ্ৰীবৃহৎপাত্ৰ সমৰসিংহই ১৩৫০ শকৰ ১০ আষাঢ়ত মহাৰাজাৰ হৈ এই দান আগবঢ়ায়।"[২৯] এই শক বা ১৪২৮ খ্ৰীষ্টাব্দক দুলৰ্ভনাৰায়ণৰ ৰাজত্বৰ শীৰ্ষবিন্দু বা মধ্যবিন্দু অনায়াসে ধৰিব পৰা যায় বুলি ড° নেওগে আগবঢ়োৱা মত প্ৰণিধানযোগ্য। "এই তাৰিখৰ আগৰ-পিছৰ সময়তে হৰিবৰ বিপ্ৰ আৰু হেম সৰস্বতী আৰু পিছৰ কালে কবিৰত্ন সৰস্বতীয়ে তেওঁলোকৰ কাব্য ৰচনা কৰিছিল বুলিও আমি ন দি ক'ব পাৰো।"[৩০] গতিকে, এই প্ৰত্নতাত্ত্বিক প্ৰমাণৰ ওপৰত নিৰ্ভৰ কৰি হেম সৰস্বতীৰ কাল পঞ্চদশ শতিকাৰ আৰম্ভণিতহে নিশ্চিত কৰিব পৰা যায়। অৱশ্যে, চতুৰ্দশ শতিকাৰ শেষৰ ফালেও হেম সৰস্বতীৰ কাব্য-চৰ্চাৰ আৰম্ভণি হ'ব পাৰে। আনহাতে, মাধৱকন্দলিৰ পৃষ্ঠপোষক বৰাহীৰজা মহামাণিক্য বা মহামাণিফা বা মহামাণি সম্পৰ্কে বুৰঞ্জীয়ে সঠিক সময় নিৰ্দেশনা দিব নোৱাৰাত হেম সৰস্বতীতকৈ তেওঁ আগৰ নে পাছৰ নিৰ্ণয় কৰা কঠিন হলেও দুয়ো গৰাকীয়ে প্ৰাক-শঙ্কৰীযুগৰ কবি, তাত সন্দেহ নাই। দুয়ো গৰাকীৰ হাতত অসমীয়া সাহিত্যই সু-প্ৰতিষ্ঠিত হৈ উঠিল আৰু ভাৰতীয় প্ৰাদেশীয় সাহিত্যত সৰ্বপ্ৰথম "ৰামায়ণ" হিচাপে কন্দলিৰ ৰামায়ণখনে অসমীয়া সাহিত্যক গৌৰৱৰ মুকুট পিন্ধোৱাটো এক মহত্বপূৰ্ণ ঘটনা।

---

২৮. প্ৰতি পুৰুষত কোনোৱে বিছ, কোনোৱে পঁচিছ ধৰিছে। ডিম্বেশ্বৰ নেওগে পুৰুষত পঞ্চাছ বছৰ ধৰাত পদ্ধতিটো আসোঁৱাহপূৰ্ণ হৈ পৰিছে।

২৯. মহেশ্বৰ নেওগ, 'কাব্যৰ মহান পৃষ্ঠপোষক দুলৰ্ভনাৰায়ণৰ সময়ত প্ৰত্নতাত্ত্বিক প্ৰমাণ', "পূৰৱী", যদু ৰৰপূজাৰী সম্পাদিত অসম সাহিত্য সভাৰ পঞ্চ-পঞ্চাশতম্ (১৯৮৯) ডুমডুমা অধিবেশনৰ স্মৃতিগ্ৰন্থ। পৃ. ক-খ
কলিখনৰ পাঠত দুলৰ্ভ নাৰায়ণৰ পৰিচয় জাপক শাৰীবোৰ হ'ল–
একো$_{২}$ ভূৎ কমতাপুৰে নৰপতি ভূপাল ৰাৰাৰ্চ্চিতঃ।
কন্দৰ্প প্ৰতিপক্ষ – লক্ষ বিজয়ী শ্ৰীবস্থ নাৰায়ণ ঃ।। ২।
তৎপুত্ৰো নিজ-বাহু বীৰ্য বিজিত-ক্ষ্মাপালে-জালো মহান্।
দানে কৰ্ণ-সমো বিবেক-জলধি ঃ শ্ৰীধৰ্মনাৰায়ণ ঃ।। ৩।
তস্যাত্মজো নিখিল-শাস্ত্ৰ গুণ-প্ৰপূৰ্ণো
ভূপাল-জাল-চল-মৌলি-নিবেশিতাঙ্ঘ্ৰি ঃ।
জীয়াচ্চিৰং গজপতি ভূৰি দুৰ্লভ ঃ শ্ৰীৰ্–
নাৰায়ণ ঃ প্ৰণত-লোক-সুখ-প্ৰদো$_{২}$ লৌ।

৩০. উক্ত নিবন্ধ, পৃ. খ.

১.৪. যুগ বিভাজন

অসমীয়া সাহিত্যৰ যুগ বিভাজনৰ ক্ষেত্ৰত কেবাটাও পদ্ধতি পৰিলক্ষিত হৈছে।[৩১] এই বিভাজন সমূহৰ ভিতৰত ড° মহেশ্বৰ নেওগে আগবঢ়োৱা পাচোঁটা মূল যুগ এই গ্ৰন্থৰ চিন্তাৰ মূল কৰি লোৱা হৈছে। এই পাঁচোটা বিভাজন হ'ল,-

১। বৌদ্ধ যুগ, (খ্ৰীঃ ৮০০-১২০০লৈ)।

২। প্ৰাক্-শঙ্কৰীযুগ, (খ্ৰীঃ ১২০০-১৪৪৯লৈ)।

৩। শঙ্কৰদেৱৰ যুগ, (খ্ৰীঃ ১৪৪৯-১৭০০)

৪। শঙ্কৰোত্তৰ যুগ (খ্ৰীঃ ১৭০০-১৮২৬লৈ)।

৫। আধুনিক যুগ, (খ্ৰীঃ ১৮২৬ৰ পৰা বৰ্তমানলৈ)।

আধুনিক যুগত অসমীয়া সাহিত্যত কেবাখনো পত্ৰিকাই যুগমীয়া অৱদান আগবঢ়াই গৈছে। "অৰুণোদই"ৰ পৰা "বামধেনু"লৈকে অসমীয়া সাহিত্যত পত্ৰিকাৰ বৰঙণি অতি গুৰুত্বপূৰ্ণ। আধুনিক যুগৰ ভিতৰত এই পত্ৰিকা সমূহৰ অৱদানলৈ লক্ষ্য ৰাখি কেবাটাও অন্তৰ্বৰ্তী উপযুগ সুবিধাৰ্থে গ্ৰহণ কৰা হৈছে। যেনে - অৰুনোদই যুগ বা অৰুনোদয় যুগ; প্ৰাক্ জোনাকী যুগ; জোনাকী যুগ, উত্তৰ জোনাকী যুগ বা বাঁহী যুগ; আৱাহন যুগ; জয়ন্তী যুগ; ৰামধেনু যুগ; ইত্যাদি। ৰামধেনুৰ পাছৰ সাহিত্যকৰ্ম সমূহক সাম্প্ৰতিক আখ্যা দিয়া হৈছে। তদুপৰি, দ্বিতীয় মহাসমৰক সময় সীমা হিচাপে লৈ যুদ্ধ-পূৰ্ব যুগ; যুদ্ধোত্তৰ যুগ হিচাপেও ঠাইবিশেষে ধৰা হৈছে। গ্ৰন্থৰ সুবিধাৰ্থে এই বিভাজনসমূহ কৰা হৈছে।

১.৫. অসমীয়া সাহিত্যত লেখিকাৰ উত্তৱ

১.৫.০. অসমীয়া সাহিত্যত লেখিকাৰ উত্তৱ বা আগমন সম্পৰ্কে আলোচনাৰ পাতনিতে ভাৰতীয় সাহিত্যত মহিলাৰ আগমনৰ বিষয়ে সংক্ষিপ্তকৈ আলোচনা কৰাৰ প্ৰয়োজন নিশ্চয় আছে। প্ৰাচীন ভাৰতীয় সাহিত্যত লেখিকাৰ আভাস এটা দিবলৈ যত্ন কৰি মধ্যযুগ আৰু আধুনিক যুগৰো কিছু উল্লেখসহ প্ৰাসঙ্গিকতা পূৰণ কৰিব খোজা হৈছে। প্ৰাচীন ভাৰতীয় সাহিত্যত লেখিকা; মধ্যযুগত লেখিকা; আধুনিক ভাৰতীয় সাহিত্যত লেখিকা ইত্যাদি বিভাগত লেখিকাৰ আগমন তথা উত্তৱ আলোচিত কৰিবলৈ লোৱা হৈছে।

১.৫.০১. প্ৰাচীন ভাৰতীয় সাহিত্যত লেখিকা

ভাৰতৰ প্ৰাচীনতম সাহিত্য হ'ল সংস্কৃত। বিশ্বৰ অন্যতম প্ৰাচীন গ্ৰন্থ বেদসমূহ এই প্ৰাচীন বৈদিক-সংস্কৃত ভাষাত ৰচিত হৈ যুগে যুগে বৰ্তি ৰৈছে। বেদৰ পৰৱৰ্তী ব্ৰাহ্মণ, স্মৃতি, পুৰাণ, দৰ্শনেও ভাৰতীয় সাহিত্যৰ প্ৰাচীন গৌৰৱ ঘোষণা কৰি আহিছে।

বৈদিক যুগত নাৰী-পুৰুষৰ সামাজিক মৰ্যাদাৰ কোনো তাৰতম্য ঘটা নাছিল। 'ঋকবেদসংহিতা'ৰ সময়ত পুৰুষৰ দৰেই নাৰীৰো দহবিধ সংস্কাৰ আছিল আৰু যজ্ঞত

৩১.

হেমচন্দ্ৰ গোস্বামী, দেবেন্দ্ৰ নাথ বেজবৰুৱা, বাণীকান্ত কাকতি, ডিম্বেশ্বৰ নেওগ, সত্যেন্দ্ৰ নাথ শৰ্মা আদি সাহিত্য বুৰঞ্জীকাৰ সকলৰ যুগ-নিৰ্ধাৰণত সুকীয়া সুকীয়া পদ্ধতি দেখা যায়।

৩২ 'বৈদিক সাহিত্যত নাৰী' নামৰ নিবন্ধত হিৰণ শইকীয়ে মহিলা কবিৰ সংখ্যা সাতাইছ বুলি পৰাকী

উপবীত ধাৰণ কৰি ব্ৰহ্মচৰ্য পালনৰ জৰিয়তে বেদ অধ্যয়ন কৰিব পাৰিছিল। যাগ-যজ্ঞাদিতো সম-মৰ্যাদা লাভ কৰি পুৰুষৰ সমানাধিকাৰ লাভ কৰিছিল।' বেদসমূহত পুৰুষ ঋষিৰ লগতে প্ৰায় ডেৰকুৰি গৰাকী মহিলা ঋষিৰ নাম পোৱা যায়।[32] এইসকল নাৰী ব্ৰহ্মবাদিনী আছিল আৰু নিয়মানুসাৰে শাস্ত্ৰাদি অধ্যয়ন কৰিহে বিবাহ আদি কৰিছিল। বৈদিক যুগত নাৰীসকলক পিতৃ-মাতৃ, খুড়াক আদি নিকটসম্বন্ধীয় লোকে শিক্ষা দিয়াৰ নীতি প্ৰচলিত হলেও, কেতিয়াবা গুৰু গৃহত বাস কৰি শিক্ষাগ্ৰহণ কৰাৰ উদাহৰণো পোৱা যায়। বৈদিক নাৰীয়ে পুৰুষৰ দৰে জটিল বিষয়তো পাৰদৰ্শিতা দেখুৱাব পাৰিছিল। যাজ্ঞবল্ক ঋষিৰ পত্নী মৈত্ৰেয়ীয়েও দৰ্শনৰ জটিল বিষয়ত দিগদৰ্শন কৰিছিল। উপনিষদ কালৰ ব্ৰহ্মবাদিনী নাৰী গাৰ্গী বাচক্নবীয়ে "বৃহৎআৰণ্যক" উপনিষদত যাজ্ঞবল্ক ঋষিক নিৰুত্তৰ কৰিব পাৰিছিল।[33] তেওঁ দৰ্শন-শাস্ত্ৰ নিপুণা নাৰী আছিল।

ঋক্‌বেদতে সৰ্বপ্ৰথম মহিলা কবিৰ উল্লেখ ঘটিছে। পুৰুষৰ দৰেই মহিলায়ো শ্লোক, স্তোত্ৰ, সূক্ত আদি ৰচনা কৰিছিল। "ঋকবেদ"ৰ অষ্টম মণ্ডলত ইন্দ্ৰদেৱতাক প্ৰাৰ্থনা জনাই ৰচনা কৰা শ্লোকৰ ৰচয়িত্ৰী অত্ৰিৰ কন্যা অপালাৰ নাম এইক্ষেত্ৰত উল্লেখ কৰিব পাৰি।[34] পঞ্চম মণ্ডলৰ এটা সূক্তৰ ৰচয়িত্ৰী বিশ্ববাৰা নামৰ মহিলা। এওঁ অত্ৰি ঋষিৰ শিষ্যা বুলি ধাৰণা হয়। কক্ষিবান ঋষিৰ কন্যা ঘোষাই দশম মণ্ডলৰ ৩৯ আৰু ৪০ সূক্ত দুটা ৰচনা কৰিছিল।[35] সূৰ্য্যা, ৰোমশা আদি ব্ৰহ্মবাদিনী নাৰীয়েও ঋকবেদৰ সূক্ত ৰচনা কৰা বুলি জনা যায়।[36] ঋকবেদৰ এইসকল নাৰীয়েই ভাৰতীয় সাহিত্যৰ প্ৰাতঃস্মৰণীয় লেখিকা।

বেদৰ পৰৱৰ্তী ব্ৰাহ্মণবিলাকত নাৰীৰ মৰ্যাদা যথেষ্ট হ্ৰাস পালে। সবাতকৈ প্ৰাচীনখ্যাত "ঐতৰেয় ব্ৰাহ্মণ"ত নাৰীক অৱহেলা কৰা আৰু উপেক্ষা কৰাৰ উদাহৰণ যথেষ্ট পোৱা যায়। এইখন ব্ৰাহ্মণৰ ৰচনাকাল খ্ৰীঃপূঃ অষ্টম শতাব্দী ধৰা হয়।[37] স্মৃতি-শাস্ত্ৰ বিলাকতো নাৰীক অৱহেলা কৰা হৈছিল। এনেদৰে ক্ৰমশঃ নাৰীৰ প্ৰতি অৱজ্ঞা সূচিত হবলৈ ধৰাত মৰ্যাদা হ্ৰাস পাই কোনোসময়ত নাৰী যেন পণ্য সামগ্ৰীত পৰিণত হৈ পৰিল আৰু বৈদিক ঐতিহ্যৰ পৰাও নাৰীক বঞ্চিতা কৰা হ'ল।

১.৫.০২. মধ্যযুগত লেখিকা

মধ্যযুগত নাৰীৰ ওপৰত নানা নিষেধ থকা সত্ত্বেও কেইগৰাকীমান লেখিকাৰ উদ্ভৱ হৈছিল। এইসকলৰ ভিতৰত শীলা ভট্টাৰিকা এগৰাকী প্ৰতিভাশালিনী কবি আছিল।[38] মিহিৰভোজ নামৰ এজন ৰজাৰ সৈতে এওঁৰ ঘনিষ্ঠ সম্বন্ধ আছিল বুলি জনা যায়। এইগৰাকী

---

৩৩. ভগৱত চৰণ উপাধ্যায়, "ভাৰতীয় ব্যক্তিকোষ", (হিন্দী) পৃ. ৬৯

৩৪. ৰমেশচন্দ্ৰ দত্ত (অনু), "ঋকবেদ সংহিতা", ১৯৭৬, পৃ. ৩৩০ ৰ মতে অষ্টম মণ্ডলৰ ৯১ সূক্তটি অপালা ৰচিত।

৩৫. H.H. Wilson, Rig-Veda Sanhita, Vol. III, 1977, *p* VI. অক্সফৰ্ড বিশ্ববিদ্যালয়ৰ 'বডেন প্ৰফেচাৰ' প্ৰখ্যাত প্ৰাচ্যবিদ উইলচনে ঋক্‌বেদৰ সূক্তাদি সাতখণ্ডত প্ৰস্তুত কৰি ১৯৫৭ চনত প্ৰথম প্ৰকাশ কৰে। ১৯৭৭ চনৰ পুনঃ সংস্কৰণৰ পৰা তথ্যসমূহ লোৱা হৈছে।
– ৰমেশচন্দ্ৰ দত্তৰ "ঋক্‌বেদ সংহিতা"ৰ পৃষ্ঠা ৫০৮-৫১১ৰ ভিতৰত 'ঋষি পৰিচয়' তালিকা (২য় খণ্ড) দ্ৰষ্টব্য।

৩৬. উপেন্দ্ৰচন্দ্ৰ ভট্টাচাৰ্য, "ভাৰতেৰ নাৰী" (বাংলা), ৩১শ সংস্কৰণ, পৃ. ১৬৮

৩৭ সুকুমাৰ সেন, "ভাষাৰ ইতিবৃত্ত" (বাংলা), ১৯৬৫, পৃ. ৮৩

৩৮. Hans Raj Aggarwal, A Short History of Sanskrit Literature, 1939, *p*. 119

গীতিকবিৰ "সুভাষিতাৱলী" সমূহত[৩৯] প্ৰকাশিত আনবিলাক মহিলা কবিতকৈ উচখাপত ধৰা হয়। তেওঁৰ ভাষা সৰল আৰু প্ৰায়বিলাক শ্লোকেই অতি সুন্দৰ।[৪০] আন এগৰাকী প্ৰতিভাশালিনী কবি হ'ল পদ্মাৱতী। অন্যান্য মহিলা কবিৰ ভিতৰত গৌৰী, ইন্দুলেখা, প্ৰিয়ম্বদা আদিৰ নাম উল্লেখযোগ্য। কিন্তু, মদহচন্দ্ৰা, বিকট নিতম্বা, ফল্গুহস্তিনী আদি অদ্ভুত নামবিলাকে পুৰুষ কবি বুলিহে সন্দেহ ঘনীভূত কৰে। অবৈধ বনৰীয়া প্ৰেমক মুখ্য কৰি ৰচনা কৰা যৌনগন্ধী ৰচনাসমূহে এই সন্দেহ গভীৰ কৰি তুলিছে।

মধ্যযুগীয় লেখিকা সকলৰ ৰচনাবোৰ চুটি আৰু অলঙ্কাৰ চাতুৰ্য বিশেষভাৱে ঘটা নাই। কিছুমানত তীব্ৰ ব্যঙ্গভাৱ প্ৰকট হোৱা দেখা যায়। দৈহিক কামনা-বাসনাৰ বিভিন্নমুখী দ্বন্দ্বৰ মাজতে দুই এঠাইত প্ৰকৃতি-প্ৰীতি স্পষ্ট হোৱা পৰিলক্ষিত হৈছে। মধ্যযুগৰ এইবিলাক সাহিত্যৰ ৰচনা-কাল নিৰ্ণয় কৰা টান। পঞ্চদশ শতিকাৰ ভিতৰত এইবিলাক গ্ৰন্থভুক্ত হোৱাত এই কবিসকলক ইয়াৰ আগৰ কবিৰূপে নিশ্চিত কৰা যায়।

১.৫.০৩. আধুনিক ভাৰতীয় সাহিত্যত লেখিকা

আধুনিক ভাৰতীয় সাহিত্যত লেখিকাৰ উদ্ভৱ বিচাৰ কৰাৰ পূৰ্বে ভাৰতীয় সাহিত্যৰ জন্মকাল নিশ্চিত হোৱা উচিত। দশম-দ্বাদশ শতাব্দীৰ পৰা 'চৰ্যাপদ' সমূহৰ নিচিনা, কিছুমান উন্মেষতীয়া প্ৰমাণ আৰ্য ভাষা সমূহৰ মাজত দেখিবলৈ পোৱা যায়। এই সময়ৰ আগতে ভাৰতবৰ্ষৰ কোনো এটা ভাষাতেই নিৰ্ভাজ সাহিত্য-কৃতি পোৱা নাযায়। অৱশ্যে দাক্ষিণাত্যৰ অনাৰ্য পৰিয়ালৰ[৪১] তামিল ভাষাত মহাকবি কম্বনে দ্বাদশ শতাব্দীতে "ৰামায়ণ" ৰচনা কৰিছিল। কম্বনৰ যুগতে অওবৈয়াৰ নামৰ এগৰাকী মহিলা কবিৰ আগমন ঘটিছিল। সম্ভৱতঃ অওবৈয়াৰেই আধুনিক ভাৰতীয় পৰ্যায়ত থকিৰ পৰা প্ৰথম মহিলা কবি। তামিল সাহিত্যৰ গৌৰৱময় 'সঙ্গম-যুগ'তো কেইগৰাকীমান লেখিকা আছিল বুলি জনা যায়। ইন্দো-ইৰাণীয় শাখাৰ দৰ্দিক উপশাখাৰ অন্যতম ভাৰতীয় ভাষা কাশ্মিৰী ভাষাত ত্ৰয়োদশ শতাব্দীতে লালদেদ বা লালমাই নামৰ এগৰাকী শৈব্যা-কবিৰ আবিৰ্ভাৱ ঘটিছিল। আৰ্য শাখাত এই পৰ্যন্ত কোনো মহিলা কবিৰ আবিৰ্ভাৱ ঘটা নাছিল।

উত্তৰ ভাৰতৰ আৰ্য ভাষা সমূহৰ আধুনিক স্তৰৰ হিন্দী সাহিত্যৰ মহিলা কবি মীৰাবায়েই সম্ভৱতঃ প্ৰথম মহিলা কবি। মীৰাবাঈ ভাৰতীয় সঙ্গীতৰ এগৰাকী এক

৩৯. "সুভাষিতাৱলী" – পঞ্চদশ শতিকাত বল্লভদেৱে সংগ্ৰহ কৰা এই কোষগ্ৰন্থত ৩৫০ জন কবিৰ ৪,৬৮৯ টা শ্লোক আছে। আৰু শ্ৰীধৰে সংগ্ৰহ কৰা একে নামৰ কোষগ্ৰন্থখনতো মুঠ ৩৮০ জন কবিৰ ৰচনা আছে। এইখন গ্ৰন্থও পঞ্চদশ শতিকাৰ সংগ্ৰহ। তদুপৰি, কলহনৰ "ৰাজতৰঙ্গিনী"খন শ্ৰীৱৰে সম্পূৰ্ণ কৰা বুলি জনা যায়।

৪০. Hans Raj Aggarwal, A Short History of Sanskrit Literature, Appendix VI, p 301 ত উল্লিখিত শীলা ভট্টাৰিকা ৰচিত শ্লোক এটা হ'ল,–

"দৃষ্টি হং তৰুণী যুৱা ন চপলঃ শ্যামাস্তমোভিৰ্দিশঃ
সন্দেশস্তৰহস্য এৱ বিপিনে সংকেতকাবাসকঃ।
ভূয়ো ভূয়ো ইমে বসন্তমৰুতশ্চেতো নয়ন্ত্যন্যথা
গচ্ছ ক্ষেমসমাগমায় নিপুণং ৰক্ষন্তু তে দেৱতাঃ॥

৪১. ভাৰতত প্ৰচলিত চাৰিটা ভাষা পৰিয়ালৰ তিনিটা অনাৰ্য পৰিয়ালৰ ভিতৰত দক্ষিণ ভাৰতৰ ভাষাসমূহ সামৰা 'দ্ৰাবিড়ীয় ভাষা পৰিয়াল' অন্যতম। তামিল, তেলেগু, কন্নড় বা কানাড়া আৰু মালয়ালম ভাষা এই পৰিয়ালৰ প্ৰধান ভাষা।

অবিস্মৰণীয় প্ৰতিভা আৰু ভজন ৰচয়িত্ৰী। তেওঁৰ ভজনবিলাকৰ অধিকাংশই ৰাজস্থানী ভাষাত ৰচিত। বাকী অংশৰ ৰচনা 'ব্ৰজভাষা' হোৱাত সমগ্ৰ ভাৰতবৰ্ষতে ইয়াৰ আদৰ আৰু জনপ্ৰিয়তা অটুট ৰ'ল। মীৰা তীব্ৰ সংবেদনশীল কবি। গোপীৰ বিৰহ বৰ্ণনা তেওঁৰ ৰচনাৰ অন্যতম মূল বৈশিষ্ট্য।[42]

পূব-ভাৰতৰ মাগধী অপভ্ৰংশৰ পৰা সৃষ্ট অসমীয়া, বাংলা, উড়ীয়া, মৈথিলী আদি ভাষাৰ ভিতৰত সৰ্বপ্ৰথম অসমীয়া সাহিত্যতে মহিলা কবি বা লেখিকাৰ আগমন ঘটিছে। ষোড়শ শতাব্দীৰ শেষ দশকৰ ভিতৰত পদ্মপ্ৰিয়া নামৰ এগৰাকী মহিলা কবিৰ আবিৰ্ভাবে অসমীয়া মহিলালৈ গৌৰৱ কঢ়িয়াই আনিছে। চুবুৰীয়া বাংলা-সাহিত্যত প্ৰথম লেখিকা বা মহিলা কবি গৰাকীৰ নাম চন্দ্ৰাৱতী আৰু তেওঁ সপ্তদশ শতিকাৰ কবি। কৃত্তিবাসৰ "ৰামায়ণ"ৰ অৱলম্বনত ৰামায়ণী কাব্য ৰচনা কৰা আঠজন বাঙালী কবিৰ অন্যতমা চন্দ্ৰাৱতী সেই যুগৰ এগৰাকী বিদুষী মহিলা। অসমীয়া কবি পদ্মপ্ৰিয়াৰ সৈতে বয়ুক্ৰমত মিল থকা এইগৰাকী কবিও চিৰ-কুমাৰী আছিল। "মনসা-মঙ্গল" কাব্যৰ ৰচক বিদ্বান পুৰুষ বংশীদাস চন্দ্ৰাৱতীৰ পিতৃ। চন্দ্ৰাৱতীয়ে চড়া-পাঁচালী ঢঙত সংক্ষিপ্তকৈ ৰাম কাহিনী লেখিছিল।[43]

সপ্তদশ শতাব্দীত মোগল যুগত জেবুন্নিছা নামৰ এগৰাকী প্ৰেমিকা কবিৰ দুঃখজনক কাহিনী মোগল সাম্ৰাজ্যৰ বুৰঞ্জীত লিপিবদ্ধ হৈ আছে। এওঁ আছিল ঔৰংজেবৰ দুহিতা আৰু শাহজাদী খিতাপধাৰী ৰাজকুমাৰী। সেইবাবে, তেওঁৰ দুজন প্ৰেমিকক বাদছাহ ঔৰংজেবে কৌশলেৰে হত্যা কৰোৱাইছিল।[44] এই দুখতে কবিতা ৰচা জেবুন্নিছাই প্ৰধানত ফাৰ্চীভাষাত লেখিছিল যদিও খনুৱা শব্দৰ প্ৰয়োগত ই প্ৰাবন্ধিক উৰ্দুৰ কাষ চাপি গৈছিল।

এইদৰে, বিচাৰ কৰিলে দেখা যায় যে পদ্মপ্ৰিয়াই পূব-ভাৰতৰ প্ৰথম লেখিকাৰ গৌৰৱৰ অধিকাৰী হৈছে। যিটো সময়ত ভাৰতীয় সাহিত্যৰ উপৰিও বিশ্ব সাহিত্যতে লেখিকাৰ সংখ্যা আঙুলিৰ মূৰত লেখিব পৰা,[45] সেই সময়তে অসমীয়া সাহিত্যত পদ্মপ্ৰিয়াৰ আগমন এক গৌৰৱোজ্জ্বল অধ্যায়।

১.৫.০৪. মৌখিক সাহিত্যলৈ মহিলাৰ বৰঙণি

অসমীয়া মৌখিক লোক-সাহিত্যৰ ভিতৰত বিহুনাম, বিয়ানাম, আইনাম, ধাই-নাম আদিৰ মাজত মহিলাৰ ৰচনা বহুখিনি সোমাই আছে বুলি অনুভৱ হয়। এইবোৰ গীতৰ মাজত নাৰীৰ আশা-আকাংক্ষাৰ দৰদী চিত্ৰ পোৱা যায়। অসমীয়া লোক সাহিত্যৰ অন্যতম বিহুগীত বা বিহুনামবোৰত কৃষিজীৱী জনগণৰ সুখ-দুখ, আশা-আকাংক্ষাৰ প্ৰাণময় প্ৰকাশৰ মাজত প্ৰেমিক-প্ৰেমিকাৰ দৰদী অন্তৰৰ পৰিচয় আছে। এইবোৰ গীতত নাৰীমনৰ অনুভূতি প্ৰকাশ হোৱালৈ চাই, নাৰীৰ দ্বাৰা কিছু ৰচিত বুলি অনুভৱ হয়।

---

৪২. গুলাব ৰায়, "হিন্দী সাহিত্যকা সুবোধ ইতিহাস," (হিন্দী), ১৯৬৪, পৃ. ১০৬

৪৩. অজিত কুমাৰ বন্দোপাধ্যায়, "বাংলা সাহিত্যেৰ সম্পূর্ণ ইতিবৃত্ত", ১৯৭৭, পৃ. ২৩০

৪৪. মোগল যুগত 'শাহজাদী' আখ্যা লাভ কৰা ৰাজকুমাৰীয়ে বিবাহ পাশত আৱদ্ধ হ'ব নোৱাৰিছিল। এই ৰীতি ৰক্ষা কৰিবৰ বাবেই ঔৰংজেবে প্ৰেমিক হত্যাৰ আদেশ দিছিল বুলি জনা যায়।

৪৫. ইংৰাজী সাহিত্যৰ সম্ভৱতঃ প্ৰথম লেখিকা এফ্ৰা বেনৰ উদ্ভৱ সপ্তদশ শতিকাতহে। তেওঁৰ সময় ১৬৪০-১৬৮৯ খ্ৰীষ্টাব্দ।

বিয়ানাম আৰু ধাইনাম বা নিচুকণি গীতবোৰত নাৰীমনৰ অনুভূতি, হৃদয়ৰ অভিব্যক্তি সুন্দৰকৈ প্ৰকাশ পাইছে। বিয়ানাম লোক-সাহিত্যৰ এটি আপুৰুগীয়া সম্পদ আৰু এইবোৰ প্ৰাচীন পৰম্পৰাত ৰচিত বুলি ভবাৰ থল আছে। বিয়ানাম স্বাভাৱিকতে নাৰীৰ ৰচনা। "বিয়ানামৰ উৎস হ'ল নাৰী হৃদয়। সেইবাবেই বিয়ানামত নাৰীসুলভ ৰচনাশৈলী আৰু কোমলতা বিদ্যমান।"[৪৬] নাৰী জীৱনৰ বিভিন্ন অৱস্থাৰ চিত্ৰ বিয়ানামত সজীৱ, স্পষ্ট আৰু মধুৰ হৈ উঠিছে। সেইদৰে, ধাইনামত মাতৃ হৃদয়ৰ আকাংক্ষা ঘনীভূত হৈছে আৰু মাতৃ আৰু সন্তানৰ চিৰন্তন সম্পৰ্ক আৰু স্নেহ-বন্ধন ভালদৰে প্ৰকাশ পাইছে। গীতবোৰৰ ৰচনা আই আৰু ধাই উভয়ৰে হোৱাত অসম্ভৱ একো নাই। আইনাম বিলাকো নিশ্চয় মহিলাৰে ৰচনা। এইবিলাকতো নাৰীমনৰ আকুলতা স্পষ্ট ৰূপত প্ৰকাশ পাইছে। এইবিলাকৰ উপৰিও গোৱালপৰীয়া লোকগীত, কামৰূপী লোকগীত আদিত নাৰীমনৰ নানা অভিব্যক্তি প্ৰকাশ পোৱা দেখা যায়। প্ৰধানকৈ গোৱালপৰীয়া হস্তীকন্যাৰ গীত বা মৈষালী গীতত প্ৰিয়জনৰ সঙ্গলাভৰ অদম্য বাসনা গভীৰ ৰূপত প্ৰকাশ পোৱাত এইবোৰ গীতমাত ৰচনাত নাৰী কবিসকলৰ অৱদান নিশ্চয় সন্দেহাতীত। সাধুকথা, ৰূপকথা আদি গদ্যত প্ৰচলিত মৌলিক কাহিনীতো নাৰীৰ অৱদান কিছু পৰিমাণে নিশ্চয় আছে। মুঠতে মৌখিক সাহিত্যৰ সময় নিশ্চিত কৰি কোনো এটা যুগত প্ৰতিষ্ঠা কৰিব নোৱাৰিলেও, দৃঢ়ভাৱে ক'ব পাৰি যে ইয়াৰ এটা গুৰু অংশ মহিলাৰ দ্বাৰা ৰচিত। লিখিত সাহিত্যৰ পটভূমিত এই শ্ৰেণীৰ ৰচনাৰ স্থান অনুমানেৰে নিৰ্ধাৰণ কৰি ল'ব পৰা যায়।

---

৪৬. লীলা গগৈ, "অসমীয়া লোক সাহিত্যৰ ৰূপৰেখা", ১৯৮৮, পৃ. ৬৫

দ্বিতীয় অধ্যায়

নৱ-বৈষ্ণৱ যুগ ঃ পদ্মপ্ৰিয়া

২.১. ষোড়শ শতাব্দী অসমীয়া সাহিত্য-সংস্কৃতিৰ বাবে অতি গৌৰৱোজ্জ্বল সময়। এই শতাব্দীৰ ভিতৰতে অসমত নৱ-বৈষ্ণৱ ধৰ্ম আন্দোলনে শীৰ্ষতম অৱস্থাত আৰোহণ কৰাত সমাজ জীৱনৰ অভূতপূৰ্ব পৰিবৰ্তন সাধিত হয়। পঞ্চদশ শতিকাৰ শেষৰ ফালে শ্ৰীশঙ্কৰদেৱে অসমত নৱ-বৈষ্ণৱ ধৰ্ম-আন্দোলনৰ পাতনি মেলে। কিন্তু ১৪৮১ খ্ৰীষ্টাব্দৰ পৰা জনদিয়েক সঙ্গীৰে সৈতে[1] প্ৰায় বাৰবছৰ কাল উৰিষ্যাৰ শ্ৰীক্ষেত্ৰ (পুৰী) প্ৰমুখ্যে উত্তৰ-ভাৰতৰো কেবাখনো প্ৰধান তীৰ্থস্থান[2] দৰ্শন কৰি উভতি অহাৰ পৰাহে ধৰ্ম আন্দোলনে শক্তিশালী ৰূপ গ্ৰহণ কৰে। সেই সময়ত সমগ্ৰ উত্তৰ ভাৰতত বৈষ্ণৱ আন্দোলনৰ প্ৰবাহ শক্তিশালীভাৱে প্ৰবাহিত হৈছিল আৰু তাৰ দ্বাৰা শ্ৰীশঙ্কৰদেৱ যথেষ্টৰূপে প্ৰভাৱিত হৈছিল। শ্ৰীক্ষেত্ৰৰ সাংস্কৃতিক ঐতিহ্যই তেৱাক গভীৰভাৱে অনুপ্ৰাণিত কৰি তুলিছিল।

পঞ্চদশ শতিকাৰ শেষ দশকত বটদ্ৰৱাত কীৰ্তন ঘৰ (নাম-ঘৰ) প্ৰতিষ্ঠা কৰি শ্ৰীশঙ্কৰদেৱে নৱ-বৈষ্ণৱ ধৰ্মৰ লাইখুটা স্থাপন কৰে। এনেসময়তে তীৰহুতৰ জগদীশ মিশ্ৰই শ্ৰীধৰস্বামীৰ টীকা সম্বলিত 'ভাগৱত পুৰাণ' এখন তেৱাৰ হাতত অৰ্পণ কৰাত বৈষ্ণৱ মতবাদৰ সম্প্ৰসাৰণত সাহিত্যিক পটভূমিৰ দিগ্‌দৰ্শন ঘটে। অসমৰ বৈষ্ণৱ ধৰ্ম "এইখিনি পুৰাণৰ ওপৰতে মুখ্যভাৱে প্ৰতিষ্ঠিত হয়।"[3]

কছাৰীৰ উপদ্ৰৱত অতিষ্ঠ হৈ শ্ৰীশঙ্কৰদেৱে ১৫১৬-১৭ খ্ৰীষ্টাব্দমানত বৰদোৱা ত্যাগ কৰি লুইতৰ উত্তৰ পাৰৰ ধুৱাহাট বা বেলগুৰিলৈ গৈ সত্ৰ-প্ৰতিষ্ঠা কৰে আৰু ধৰ্ম প্ৰচাৰত গুৰুত্বাৰোপ কৰে। এই স্থানতে অতি তাৎপৰ্যপূৰ্ণ ভাৱে ১৫২২ খ্ৰীষ্টাব্দত বিচক্ষণ প্ৰতিভাৰ অধিকাৰী মাধৱদেৱৰ সৈতে মিলন ঘটে আৰু শ্ৰীশঙ্কৰদেৱে তেওঁক শিষ্যৰূপে লাভ কৰে। এই দুই মহান প্ৰতিভাৰ মণি-কাঞ্চন সংযোগত বৈষ্ণৱ সাহিত্যৰ স্বৰ্ণ-সৌধ নিৰ্মিত হয়। বিশেষকৈ, ১৫৪৬ খ্ৰীষ্টাব্দৰ পৰা পাটবাউসীত শ্ৰীশঙ্কৰদেৱে স্থায়ীভাৱে থাকিবলৈ লোৱাৰ পৰৱৰ্তীকালক বৈষ্ণৱসাহিত্যৰ স্বৰ্ণযুগ বুলি ধৰা সমীচিন।

২.২ অসমীয়া সাহিত্য-সংস্কৃতিৰ বাবে ষোড়শ শতাব্দী অতিশয় বৈশিষ্ট্যপূৰ্ণ কাল। সাহিত্যৰ ক্ষেত্ৰত এই শতাব্দীৰ কেইটামান বৈশিষ্ট্য নিৰ্ণয় কৰিব পৰা যায়। যেনে,-

১। নৱ-বৈষ্ণৱ ধৰ্মৰ পূৰ্ণপ্ৰতিষ্ঠালাভ আৰু ইয়াৰ প্ৰচাৰ-প্ৰসাৰৰ বাবে সাহিত্য-সংস্কৃতিক মুখ্য বাহন ৰূপে গ্ৰহণ।

২। সত্ৰীয়া-সমাজৰ আদৰ্শত গীত-পদ-ভাটিমাৰ মুখ্য ব্যৱহাৰ, নৃত্যগীতৰ সত্ৰীয়া ৰীতিৰ প্ৰতিষ্ঠা আৰু বৰগীতৰ দৰে ধ্ৰুপদী ঐতিহ্যৰ গীত ৰচনা।

---

১. মহেশ্বৰ নেওগৰ "শ্ৰীশ্ৰীশঙ্কৰদেৱ" গ্ৰন্থৰ মতে ১৪০৩ শকত (১৪৮১ খ্ৰীষ্টাব্দত) সোতৰজন সঙ্গীৰে সৈতে প্ৰথম তীৰ্থ যাত্ৰা কৰে। বেজবৰুৱাই তেওঁৰ "শ্ৰীশঙ্কৰদেৱ আৰু শ্ৰীমাধৱদেৱ" গ্ৰন্থতো সঙ্গী সোতৰজন ধৰিছে।

২. প্ৰধান তীৰ্থ সমূহৰ ভিতৰত বাৰাণসী (কাশী), প্ৰয়াগ, গয়া, সীতাকুণ্ড, বৰাহকুণ্ড, অযোধ্যা আদি ভ্ৰমণ কৰা বুলি বেজবৰুৱাৰ গ্ৰন্থখনিত পোৱা যায়।

৩. মহেশ্বৰ নেওগ, "শ্ৰীশ্ৰীশঙ্কৰদেৱ", ১৯৮৫, পৃ. ৪৫

৩। সৰ্বপ্ৰথম প্ৰণালীবদ্ধ নাট্যানুষ্ঠান 'ভাওনা'ৰ উদ্ভাৱন। নাটৰচনা আৰু অভিনয় অনুশীলন পৰৱৰ্তী ধৰ্মাচাৰ্যসকলৰ সম্প্ৰসাৰণ।

৪। শঙ্কৰদেৱ-প্ৰতিভাৰ পূৰ্ণ প্ৰকাশ আৰু মাধৱদেৱ-প্ৰতিভাৰ বিকাশ।

৫। অঙ্কীয়া নাটত অসমীয়া গদ্যৰ প্ৰাৰম্ভিক অৱস্থা তথা জন্ম। শতাব্দীৰ শেষ-দশকটোৰ (১৫৯৩-১৫৯৭ খ্ৰীষ্টাব্দ) ভিতৰতে বৈকুণ্ঠনাথ ভট্টাচাৰ্যকৃত "কথাভাগৱত" আৰু "কথাগীতা"ত অসমীয়া গদ্যৰ প্ৰতিষ্ঠা লাভ।

৬। ষোড়শ শতাব্দীৰ শেষাৰ্ধত প্ৰথম অসমীয়া নাৰী-কবি পদ্মপ্ৰিয়াৰ জন্ম আৰু অন্তিম দশকৰ ভিতৰত তেওঁৰ কাব্য জগতত প্ৰবেশ।

এইকেইটা বৈশিষ্ট্যক মুখ্যকবি ক'ব পাৰি যে ষোড়শ শতাব্দীৰ অসমীয়া সাহিত্যৰ স্বৰ্ণসৌধ নিৰ্মাণ কালতে কাব্য-সাহিত্যত পদ্মপ্ৰিয়াৰ প্ৰবেশ এটি তাৎপৰ্যপূৰ্ণ ঘটনা। তদুপৰি এই শতাব্দীৰ ভিতৰতে কেবাগৰাকীও অসমীয়া মহিলাই বিভিন্ন দিশত নিজ প্ৰতিভা প্ৰকাশ কৰি গৈছে। শঙ্কৰদেৱৰ বুঢ়ী আই খেৰশুতী; কাণোৰ ঘোৰা দাসী চন্দৰী; পত্নী কালিন্দী আই; নাতি বোৱাৰী কনকলতা; ৰামৰায় আতাৰ দুহিতা আৰু চিলাৰায় দেৱানৰ পত্নী কমলপ্ৰিয়া; গোপাল আতাৰ মাতৃ বল্লভী আই; গোপাল-পত্নী 'বৰপেটীয়া জী' বৃন্দাৱতী আদি ষোড়শ শতিকাৰ কেইগৰাকীমান মহীয়সী মহিলা।[৪]

২.৩. পদ্মপ্ৰিয়াৰ জীৱন-কাহিনী

পদ্মপ্ৰিয়াৰ জন্ম আৰু মৃত্যু-নিৰ্দেশক কোনো তথ্যৰে সম-সাময়িক প্ৰাপ্ত গ্ৰন্থবিলাকত উল্লেখ নঘটাত জীৱনকাল আৰু সাহিত্য ৰচনাৰ সময় নিৰূপণৰ বাবে পিতৃ-মাতৃৰ পৰিচয় আৰু তেওঁলোকৰ জীৱনৰ সংক্ষেপ বিচাৰ কৰাৰ আৱশ্যকতা আছে। এনে বিশ্লেষণে পদ্মপ্ৰিয়াৰ সময় নিৰ্ধাৰণত বিশেষভাৱে সহায় কৰিব।

পদ্মপ্ৰিয়াৰ পিতৃ ভৱানীপুৰীয়া গোপাল আতা মাধৱদেৱৰ অন্যতম প্ৰধান শিষ্য আৰু কাল-সংহতিৰ (সংহতি) প্ৰৱৰ্তক এগৰাকী সু-প্ৰসিদ্ধ ধৰ্মাচাৰ্য আছিল। 'ভৱানীপুৰীয়া' ৰূপে খ্যাত হ'লেও এই গৰাকী ধৰ্মাচাৰ্যৰ জন্মস্থান উজনি অসমৰ নাজিৰা তথা পুৰণি গড়গাওঁ নগৰৰ সমীপৰ নাচনিঘাট। সেইসময়ত এইঠাইৰ নাম খোখোৱাগ্ৰাম ৰূপে প্ৰখ্যাত আছিল।[৫] এই ঠাইতে গোপালৰ জন্ম হলেও মাক বল্লভীয়ে ইয়াত বসবাস আৰম্ভ কৰাৰ আগতেই গোপালৰ পিতৃ কামেশ্বৰ ভূঞাৰ মৃত্যু হৈছিল। "কথাগুৰুচৰিত"ৰ মতে কামেশ্বৰৰ মৃত্যুৰ পাছত সতীয়া পুত্ৰৰ অত্যাচাৰ সহিব নোৱাৰি বল্লভীয়ে কলিতাদেশ এৰি পোন্ধৰদিনৰ পাছত অসমদেশত উপস্থিত হৈ ধন্যাদলৈৰ ঘৰত থাকি নাজিৰাহাটত পোহাৰ দি জীৱিকাৰ্জন কৰিছিল। তেনে অৱস্থাতে গোপালৰ জন্ম হয় আৰু দিখৌৰ নাচনি ঘাটেই গোপালৰ জন্মভূমি। গোপালৰ এঘাৰ বছৰ পৰ্যন্ত সেই ঠাইতে বাস কৰি থকা অৱস্থাত ৰাজৰোষত পৰাৰ সম্ভাৱনাত ভীতিগ্ৰস্ত হৈ পুত্ৰসহ বল্লভীয়ে সেই স্থান ত্যাগ কৰি ৰাতিয়েই পলাই আহে। এইদৰে পাঁচবছৰ তিনিমাহমান

৪. এই সকল মহিলাৰ কথা "কথাগুৰু চৰিত" প্ৰমুখ্যে অন্যান্য গুৰু চৰিত বিলাকত পোৱা যায়। বল্লভী আৰু বৰপেটীয়াৰ জী বৃন্দাৱতীৰ কথা "শ্ৰীশ্ৰী গোপাল দেৱৰ চৰিত্ৰ" সমূহত পোৱা যায়।

৫. মোহন চন্দ্ৰ মহন্ত আৰু নবীন চন্দ্ৰ বৰদলৈ (সম্পা.), "মহাপুৰুষ শ্ৰীশ্ৰী গোপালদেৱৰ চৰিত্ৰ", ১৯৭৮, পৃ. ৮৬

"খোখোৱা গ্ৰামৰ কোণে নাচনি ঘাটত।
তথাত তৈলন্ত দেৱ গোপাল বেকত।"......। ৩০ ।

বিভিন্ন স্থানত কটাই তেওঁলোক বৰপেটাৰ সুন্দৰীদিয়াৰ হৈতেন্দ্ৰ তালুকদাৰৰ ঘৰত উপস্থিত হয়গৈ।[৬] ইয়াৰ কিছুদিনৰ পাছতহে ভবানীপুৰত স্থায়ীকৈ বসবাস আৰম্ভ কৰে। এই স্থানতে গোপালৰ চাৰিত্ৰিক বৈশিষ্ট্যসমূহ প্ৰকাশ হ'বলৈ ধৰে আৰু অল্পসময়ৰ ভিতৰতে নৰ-নাৰায়ণ ৰজাৰ দৃষ্টি আকৰ্ষণ কৰি কুমাৰসকলৰ চৰ্দাৰ খিতাপ লাভ কৰিবলৈ সমৰ্থ হয়।[৭]

গোপালআতাৰ জন্ম-মৃত্যু সম্পৰ্কে চৰিত পুথিসমূহত স্পষ্ট স্থান- তাৰিখৰ উল্লেখ পোৱা নাযায়। "মহাপুৰুষ শ্ৰীশ্ৰীগোপালদেৱৰ চৰিত্ৰ" নামৰ সংকলনটিত পূৰ্ণানন্দ দ্বিজ, হৰিবল্লভ দ্বিজ আৰু ৰামগোপাল দ্বিজ বিৰচিত চৰিত্ৰ কেইখনৰ মতে গোপাল আতাই সত্তৰ বছৰ বয়সত প্ৰয়াণ কৰিছিল। গোপাল আতাৰ অন্যতম শিষ্য যৌৰাখেচৰ সত্ৰৰ প্ৰতিষ্ঠাতা ৰামচন্দ্ৰ দ্বিজৰ নাতি পূৰ্ণানন্দ ৰচিত পুথিত মৃত্যু সম্পৰ্কে 'গোপালৰ সত্তৰি বৰিষ যেবে ভৈল'[৮] আৰু হৰিবল্লভ দ্বিজ ৰচিত "শ্ৰীশ্ৰীগোপাল দেৱৰ শেষলীলা' পুথিত 'এহিমতে অনুক্ৰমে আসি ভৈলা সত্তৰি বছৰ'[৯] বুলি স্পষ্ট উল্লেখ আছে। তদুপৰি গোপাল দ্বিজ ৰচিত চৰিতখনত 'সত্তৰি বছৰ' উল্লেখৰ লগতে বহাগ মাহৰ মধ্যাহ্ন বেলাত ৰবিবাৰে শুক্লা ষষ্ঠীতিথিত গোপাল আতাৰ প্ৰয়াণ হোৱাৰ স্পষ্ট বিৱৰণ পোৱা যায়।[১০] "কথাগুৰুচৰিত"ৰ মতেও জন্মকাল –'বৈশাখৰ দুপৰ নিশাত বুধবাৰে শুক্লা সপ্তমীত'।[১১] গতিকে গোপাল আতাৰ জন্মকাল ১৪৬৩ শক[১২] বা ১৫৪১ খ্ৰীষ্টাব্দ স্থিৰ কৰিব পাৰি। আনহাতে, সাম্প্ৰতিক গৱেষক সকলে গোপাল আতাৰ মৃত্যু ১৬১১ খ্ৰীষ্টাব্দত হোৱা বুলি নিশ্চিত কৰিছে। সেইবাবে তেওঁৰ জীৱনকাল ১৫৪১-১৬১১ খ্ৰীষ্টাব্দ নিশ্চিত কৰি লব পৰা যায়।

বৈষ্ণবাদৰ্শ গ্ৰহণ কৰাৰ পূৰ্বে গোপাল আতাই শ্ৰীশঙ্কৰদেৱক চাৰিবাৰমান সাক্ষাত লাভ কৰাৰ কথা চৰিত পুথিত উল্লেখ আছে, কিন্তু এবাৰো ধৰ্মগ্ৰহণ কৰিবলৈ যত্ন কৰা নাছিল। ইয়াৰ কাৰণ সম্ভৱতঃ সুৰিতা (সুপিতা) নামৰ এজন চৈতন্যপন্থী সন্ন্যাসীৰ পৰা মতাদৰ্শ গ্ৰহণ কৰিবলৈ মনস্থ কৰাটোৱেই আছিল। পিছে, সুৰিতাই মাধৱদেৱৰ প্ৰসঙ্গত আত্ম-গৰ্ব কৰাত গোপালে তেওঁক এৰি মাধৱদেৱৰ শৰণাপন্ন হয়। নাৰায়ণ ঠাকুৰ নামৰ এজন প্ৰভাৱশালী ব্যক্তিৰ অনুমোদনক্ৰমে মাধৱদেৱে তেওঁক শৰণ প্ৰদান কৰে। সেই সময়ত শঙ্কৰদেৱ পাটবাউসীত আছিল আৰু বেহাৰযাত্ৰাৰ আগতে "ৰাজসূয়" ৰচনা সম্পূৰ্ণ কৰিবলৈ মাধৱদেৱক আদেশ দিয়াত তেওঁ সেই গ্ৰন্থ ৰচনাত ব্যস্ত আছিল। "ৰাজসূয়" কাব্যৰ ৰচনাৰ সময় ১৪৮৯ শক বা ১৫৬৭ খ্ৰীষ্টাব্দ স্থিৰ কৰা হৈছে।[১৩] গোপাল আতাৰ বয়স এই সময়ত প্ৰায় আঠাইছ বছৰ আৰু ইতিমধ্যে তেওঁ দুগৰাকী পত্নী বিবাহ কৰাইছিল। মাধৱদেৱক গুৰু মানি সুন্দৰীদিয়াত বহা পাতি বৈষ্ণৱধৰ্মত শৰণাপন্ন হৈ একেবাৰে থাকিবলৈ লোৱাত মাতৃ কল্যাণীয়ে গোপালক কদৰ্থনা কৰা

৬. উপেন্দ্ৰচন্দ্ৰ লেখাৰু (সম্পা.), "কথাগুৰু চৰিত", ১৯৬৪, পৃ. ৩২০-৩২১
৭. লক্ষীনাথ বেজবৰুৱা, "মহাপুৰুষ শ্ৰীশঙ্কৰদেৱ আৰু শ্ৰীমাধৱদেৱ", ১৯৮৮,পৃ.১৭৫-১৭৬
৮. মোহন চন্দ্ৰ মহন্ত আৰু নবীনচন্দ্ৰ বৰদলৈ (সম্পা.), "মহাপুৰুষ শ্ৰীশ্ৰীগোপালদেৱৰ চৰিত্ৰ", পৃ. ২৬১
৯. উক্ত গ্ৰন্থ, পৃ. ২৬৯
১০. পূৰ্বোক্ত গ্ৰন্থ, পৃ. ৩৫২
১১. উপেন্দ্ৰচন্দ্ৰ লেখাৰু (সম্পা.), "কথাগুৰুচৰিত", পৃ. ৩৯৮
১২ মহেশ্বৰ নেওগ, ৰূপৰেখা, পৃ. ১৫৩
১৩. ১৪৯০ শকৰ ভাদত শঙ্কৰদেৱৰ প্ৰয়াণ ঘটাৰ আগৰ কালছোৱাত শেষ বেহাৰ যাত্ৰা কৰিছিল, গতিকে, "ৰাজসূয়" ৰচনা ইয়াৰ কিছু আগতে ১৪৮৯ শকত সম্পূৰ্ণ কৰা হৈছিল।

আৰু দুখত ম্ৰিয়মান হোৱাৰ বহুত উদাহৰণ চৰিত পুথি বিলাকত আছে। ৰমানন্দ দ্বিজ ৰচিত চৰিতখনত পোৱা যায়, –

'দুই ভাৰ্য্যা কোনে তাৰ কৰিব পোষণ।
পূৰিবেক কোনে মোৰ মিলিলে মৰণ॥'[১৪]

বস্তুাগী আইৰ এই আক্ষেপৰ পৰা স্পষ্ট হৈছে যে মাধৱদেৱত শৰণ লোৱাৰ আগতে দুয়ো গৰাকী পত্নীক বিবাহ কৰাইছিল আৰু আই গৰাকী সম্ভৱতঃ ৰোগগ্ৰস্তা হৈ আছিল। এই সময়ত গোপালৰ কোনো এগৰাকী পত্নীৰে সন্তান হোৱা নাছিল বুলিয়েই ধাৰণা হয়।

গোপাল আতাৰ দুই ভাৰ্যাৰ প্ৰথম গৰাকী ভবানীপুৰৰ পৰ্হীয়া আতা [১৫] মাধৱৰ জীয়াৰী সুভাগী। দ্বিতীয় গৰাকী বৰপেটাৰ তাঁতীকুছিৰ হৰিৰাম কায়স্থৰ (মেড়ল)[১৬] দুহিতা বৃন্দাৱতী। অৰ্জুনচন্দ্ৰ দাসৰ মতে বৃন্দাৱতীহে গোপাল আতাৰ প্ৰথমা ভাৰ্যা।[১৭] কিন্তু, এইমত গোপাল চৰিত বিলাকে সমৰ্থন নকৰে। ৰমানন্দকৃত চৰিত পুথিত বৰআই সুভাগী আৰু সৰুআই বৃন্দাৱতী (বৰপেটীয়াৰ জী) বুলি স্পষ্ট উল্লেখ আছে। এইগ্ৰন্থৰ মতে গোপালে এদিন দুই পত্নীক "মাতি আনি পুছিলন্ত বোলা মোত কথা নিঠা ৰাক। ভকতসেৱা কৰিবেক পাৰা নুহি, কৰিবে কি পাৰাহা আমাক।" তেতিয়া বৰ পত্নীয়ে (বৰ আয়ে) গোপালৰ বাদে আনৰ সেৱা কৰিব পৰা নাযাব বুলি সমিধান দিলে। বৰপেটীয়াৰ জীয়ে (সৰু আই) স্পষ্টকৈ জনালে,–[১৮]

'ভকতসৱক এক ভাগ সেৱিবাক পাৰো
একভাগ সেৱিবো তোমাক॥'.....॥৬১৬

বৰআইৰ প্ৰসঙ্গত ৰমানন্দৰ এই পুথিৰ আন এঠাইত পোৱা মতে গোপাল আতা কালঝাৰৰ্লৈ যাবৰ সময়ত ভবানীপুৰৰ ভাৰ বৰআই আৰু ঠাকুৰৰ (কমললোচন) হাতত অৰ্পণ কৰি গৈছিল।[১৯] গতিকে, বৰ আই কমললোচনৰ মাতৃ সুভাগী। এইখন চৰিত গোপাল আতাৰ প্ৰপৌত্ৰ আৰু কমললোচনৰ পুত্ৰ ৰমানন্দই ৰচনা কৰাৰ বাবে এই তথ্যত সন্দেহ কৰিবলগীয়া নাই।

গোপাল আতাৰ পত্নী প্ৰতিগৰাকীৰ দুটিকৈ সতি-সন্ততিৰ সংখ্যা চাৰিটি। ডাঙৰ গৰাকীৰ পুত্ৰ কমললোচন আৰু কন্যা যোগমায়া। সৰু পত্নী বৃন্দাৱতীৰ পুত্ৰ-কন্যা ক্ৰমে দামোদৰ আৰু পদ্মপ্ৰিয়া। বয়সানুসাৰে প্ৰথম কমললোচন, দ্বিতীয় দামোদৰ, তৃতীয় পদ্মপ্ৰিয়া আৰু চতুৰ্থত যোগমায়া। দামোদৰৰ শৈশৱ কালতে অকাল মৃত্যু হোৱাত বৃন্দাৱতীৰ পক্ষৰ একমাত্ৰ পদ্মপ্ৰিয়াহে জীৱিত হৈ ৰ'ল।

---

১৪. মোহনচন্দ্ৰ মহন্ত আৰু নবীনচন্দ্ৰ বৰদলৈ (সম্পা.), "শ্ৰীশ্ৰীগোপালদেৱৰ চৰিত্ৰ", পৃ. ৪৯
১৫. পৰ্হীয়া শব্দৰ অৰ্থ তাঁতৰ পৰি তৈয়াৰ কৰোঁতা, এতেকে তাঁতী।
১৬. হৰিৰাম কায়স্থক গুৰুচৰিতত মড়ল বোলা হৈছে। তেওঁৰ জীয়াৰী শান্তাক গোপাল আতাই বিয়া কৰাইছিল। সম্ভৱতঃ বৃন্দাৱতী এওঁৰ আন নাম। এই বিবাহ পৰ্যন্ত তেওঁ চৈতন্য-পন্থী আছিল। ("কথাগুৰু চৰিত"ৰ ৩৩৭ পৃষ্ঠা দ্ৰষ্টব্য)।
১৭. অৰ্জুন চন্দ্ৰ দাস, "মহাপুৰুষীয়া ধৰ্মৰ পৰম্পৰা", ১৯৬৬, পৃ. ৩১০
এই গ্ৰন্থতে আতাৰ পত্নী বৃন্দাৱতীৰ পুত্ৰ দামোদৰ আৰু কন্যা পদ্মপ্ৰিয়া আৰু পৰ্হীয়া আতাৰ জীয়াৰী সুভাগী সৰুপত্নী, তেওঁৰ পুত্ৰ-কন্যা কমললোচন আৰু যোগমায়া।
১৮. "শ্ৰীশ্ৰী গোপালদেৱৰ চৰিত্ৰ"ৰ ওৰ ভাগৰ ২ত সন্নিবিষ্ট ৰমানন্দ ৰচিত পুথি, পৃ. ৪১৩
১৯. উক্ত গ্ৰন্থ, পৃ. ৪১৮

পদ্মপ্ৰিয়াৰ জন্ম আৰু মৃত্যুৰ সঠিক সময় নিৰূপণ কৰা কঠিন আৰু এটা আনুমানিক সময় নিৰ্ধাৰণ কৰাৰ বাদে গত্যন্তৰ নাই। গোপালৰ শৰণ কাৰ্যৰ আঁত ধৰি ৰঘপুত্ৰ কমললোচনৰ জন্মৰ সময় ১৫৬৯ খ্ৰীষ্টাব্দ ধৰিব পাৰি। ইয়াৰ এক দেড় বছৰৰ পাছত বৈমাত্ৰেয় ভাতৃ দামোদৰৰ জন্মকাল ১৫৭২ খ্ৰীষ্টাব্দৰ ভিতৰত নিৰ্ণীত হ'ব পাৰে। ইয়াৰ দুবছৰৰ পাছত ধৰিলে পদ্মপ্ৰিয়াৰ জন্মৰ সময় ১৫৭৪ খ্ৰীষ্টাব্দত পৰে। কিন্তু, এই তথ্যও অনুমান সাপেক্ষ হোৱাৰ বাবে আৰু পুথিসমূহত আনুষঙ্গিক কথাবোৰৰ উল্লেখ নথকাত জন্মকালৰ সঠিক নিৰ্দেশনা পাবলৈ নাই। তথাপি, পদ্মপ্ৰিয়াৰ জন্মকাল ১৫৭০ খ্ৰীষ্টাব্দৰ আগলৈ আৰু ১৫৭৫ খ্ৰীষ্টাব্দৰ পাছলৈ নিব নোৱাৰি। গতিকে, ষোড়শ শতাব্দীৰ সত্তৰৰ দশকৰ আগভাগকে পদ্মপ্ৰিয়াৰ জন্মকাল ধৰা হ'ল।

পদ্মপ্ৰিয়াৰ শিক্ষা সম্পৰ্কে নিশ্চিত তথ্য পোৱা নাযায়। ষোড়শ শতাব্দীৰ অসমত শিক্ষালয় প্ৰতিষ্ঠা হোৱা নাছিল। গুৰুগৃহত নাইবা গৃহ-শিক্ষকৰ জৰিয়তে শিক্ষা গ্ৰহণ কৰিব লগা হৈছিল। কিছুমান পুৰুষৰ বাবে টোল সমূহত সংস্কৃত শাস্ত্ৰাদিৰ ব্যৱস্থা কৰা হলেও, স্ত্ৰী-শিক্ষাৰ অনুষ্ঠান সেইসময়ত কল্পনাতীত আছিল। দুই এগৰাকী সৌভাগ্যশালিনী নাৰীয়ে নিজ পৰিয়ালৰ ব্যক্তি অথবা গৃহ-শিক্ষকৰ জৰিয়তে প্ৰাৰম্ভিক শিক্ষা লাভ কৰিছিল। সম্ভৱত এনে শিক্ষা অক্ষৰজ্ঞানতে সীমাবদ্ধ আছিল। পদ্মপ্ৰিয়াৰ ক্ষেত্ৰত অক্ষৰ দান আৰু শিক্ষা পিতৃ গোপালেই কৰা বুলি বিশ্বাস হয়। শঙ্কৰদেৱৰ দিনৰে পৰা নাৰীৰ উন্নতি আৰু শিক্ষাৰ প্ৰতি সজাগ হোৱা দেখা যায়। উদাহৰণ ৰূপে তেখেতৰ কাপোৰ ধোৱা দাসী চন্দৰী আইৰ গীতা-তত্ত্ব ব্যাখ্যা, ৰাধিকা শান্তি, সুমালিনী বুঢ়ী আদি আখ্যান[20] বিলাকৰ পৰা সেইযুগত নাৰীৰ প্ৰতি গঢ়লৈ উঠা নতুন দৃষ্টিভঙ্গীৰ অনুমান কৰি লব পাৰি। শঙ্কৰদেৱৰ সম-সাময়িক অনন্ত কন্দলিৰ ৰচনাত স্ত্ৰী-শিক্ষাৰ প্ৰয়োজনীয়তা উপলব্ধি কৰাৰ প্ৰমাণ আছে। "মহ্যদশম"ত তেওঁ লেখি গৈছে,–

'শ্লোক সংস্কৃত লিখিবাক ভাল জানি
তথাপি কৰিলো পদবন্ধ।
স্ত্ৰী-শূদ্ৰ আদি যত জানোক পৰম তত্ত্ব
শ্ৰৱণত মিলয় আনন্দ॥'

ইয়াত শ্ৰৱণৰ ওপৰত জোৰ দিয়া হলেও, ই শিক্ষা লাভৰ প্ৰাৰম্ভিক পদ্ধতিয়েই। শঙ্কৰী যুগত শ্ৰৱণ-কীৰ্ত্তনেই অন্যতম ব্যৱস্থা ৰূপে পৰিগণিত হৈছে। স্ত্ৰী-শিক্ষাৰ ক্ষেত্ৰত যুগটোৰ কিছু অৱিহণা আছে আৰু শঙ্কৰদেৱৰ মহাপ্ৰয়াণৰ পাছত চাৰিটা সংহতিত বিভক্ত হৈ পৰা ধৰ্মাচাৰ্য সকলৰ ভিতৰত সৰ্বপ্ৰথম কাল-সংহতি বা সংঘাটিৰ আচাৰ্যসকলে প্ৰগতিশীল মনোভাৱৰ কিছু পৰিচয় দিবলৈ সক্ষম হয়। এই সংঘাটিৰ[21] স্ৰষ্টা গোপালদেৱে নিজেও প্ৰগতিশীল মনোভাৱৰ যোগ্য পৰিচয় দি গৈছে। আতাই নিজে দুহিতা পদ্মপ্ৰিয়াক অক্ষৰ-জ্ঞান প্ৰদান কৰাৰ লগতে কাব্য-প্ৰতিভা বিকাশত প্ৰেৰণা যোগাইছিল।

---

২০. এইজাতীয় একাধিক আখ্যান "কথাগুৰু চৰিত"ত পোৱা যায়।

২১. 'সংঘাটি' শব্দ 'সংহতি'ৰ ঠাইত ব্যৱহাৰ কৰা হয়। কমলীয়া ভাষাৰ নামা গ্ৰন্থত 'সংহতি' ব্যৱহাৰ কৰিলেও মূল সংস্কৃত শব্দ 'সংঘটিকা'ৰ পৰা উদ্ভৱ শব্দটি 'সংঘাটি' হে হ'ব লাগে। 'সংঘাটি' মুখে মুখেও চলি অহা শব্দ। ড° মহেশ্বৰ নেওগে "ভক্তি গীত সংকলন" গ্ৰন্থৰ ভূমিকাত 'সংঘাটি' ব্যৱহাৰ কৰিছে। "কথা গুৰু চৰিত"ত শব্দটি 'ঘাটি' হৈছে। যেনে – ব্ৰহ্মঘাটি, নিকাঘাটি, কালঘাটি ইত্যাদি। (পৃ. ৭৮০)।

পদ্মপ্ৰিয়াৰ ঘৰৰ নাম পদ্মপিৰিয়া, চন্দুকে পিৰিয়া আছিল। তেওঁৰ ধীৰ-স্থিৰ, সুশীলা, মাৰ্জিত, সজ বুদ্ধিমতী, সুন্দৰী আৰু সুললিত কণ্ঠৰ অধিকাৰিণী আছিল। হৰিবল্লভ ৰচিত "ৰামকৃষ্ণদেৱৰ চৰিত"[২২] পুথিৰ মতে পদ্মপ্ৰিয়া 'অতি ৰূপৱতী, গুণৱতী যশস্বিনী' আছিল আৰু আইসকলৰ নাম-প্ৰসঙ্গত 'হৰিনাম লগাৰন্ত হুয়া নমস্কায়' বুলি স্পষ্টকৈ কোৱা হৈছে। এই পুথিৰ মতে তেওঁৰ 'কোকিলৰ স্বৰ যেন কণ্ঠ সুললিত' আছিল। পদ্মপ্ৰিয়াৰ মাৰ্জিত আচৰণত মুগ্ধহৈ মাধৱদেৱে প্ৰশংসা কৰিছিল[২৩] আৰু শঙ্কৰদেৱৰ পত্নী আই গোঁসানী, কালিন্দী আয়েও পদ্মপ্ৰিয়াৰ আন্তৰিক ব্যৱহাৰত মোহিতা হৈ স্নেহত আলিঙ্গন কৰি চুম্বন দিছিল।[২৪] পদ্মপ্ৰিয়াৰ এই চাৰিত্ৰিক বৈশিষ্ট্য গঠনত মাক বৃন্দাৱতীৰ নম্ৰতা, ভক্তি পৰায়ণতা, অতিথি-পৰায়ণতা, স্নেহশীলা আদি সজ গুণবিলাকে গভীৰ প্ৰভাৱ পেলাইছিল। বৃন্দাৱতীয়ে পূৰ্বৰে পৰা মাধৱদেৱ প্ৰমুখ্যে গুৰু আৰু ভক্তসকলৰ সেৱা-শুশ্ৰূষা কৰি স্বামীৰ নৈষ্ঠিক সহযোগী হৈ উঠিছিল বুলি চৰিত পুথিবিলাকৰ একাধিক স্থানত উল্লেখ পোৱা যায়।[২৫]

পদ্মপ্ৰিয়াৰ ওপৰত পিতৃ গোপালৰ প্ৰভাৱেই আটাইতকৈ বেছি। বৈষ্ণৱাদৰ্শৰ মাজত ডাঙৰ-দীঘল হোৱা পদ্মপ্ৰিয়াই নিজ ঘৰতে পিতৃৰ ওচৰলৈ অহা ভক্ত-সজ্জনৰ প্ৰতিদিন সাক্ষাত লাভ কৰিছিল। মাধৱদেৱৰ দৰে মহাপুৰুষৰ আশীষ লাভ কৰি ধন্য হৈছিল। "কথাগুৰুচৰিত"ৰ মতে মাধৱদেৱক দেখা কৰিবলৈ তেওঁ 'খলা সৰা কান্তি মচ্চা গুৰুজনৰ দাসীৰ সেৱাকৈ ধুলা" লব লগা হৈছিল।[২৬] দ্বিজ পূৰ্ণানন্দ কৃত "শ্ৰীশ্ৰীগোপালদেৱৰ চৰিত্ৰ"ৰ আখ্যান এটাৰ মতেও 'আই গোঁসানী' কালিন্দী আইক দেখা কৰিবলৈ গৈয়ো পদ্মপ্ৰিয়াই এগৰাকী দাসীক প্ৰণাম কৰিব লগা হৈছিল।[২৭] গোপাল আতাই দুহিতাক এইদৰেই দীক্ষিত কৰি তুলি এক উচ্চ-মানসিকতাত আৰোহণ কৰাইছিল। এনেধৰণৰ দীক্ষাই পদ্মপ্ৰিয়াক সকলোৰে প্ৰতি উদাৰ, সমদৃষ্টি সম্পন্ন আৰু পিতৃ আদৰ্শৰ উপযুক্ত কৰি তুলি প্ৰস্তাৱ পাত্ৰী হোৱাত সহায় কৰিছিল।

পূৰ্ণানন্দ ৰচিত চৰিতখনত[২৮] আৰু এটি বৈশিষ্ট্য প্ৰকাশক ঘটনাৰ বিৱৰণ পোৱা যায়। এবাৰ অষ্টমী তিথিত "জন্মযাত্ৰা" নাটৰ অভিনয়ৰ শেষত গোপাল আতাৰ 'বোকাযাত্ৰা' খেলি কদৰ্য্য লগাত কালঝাৰ সত্ৰৰ কাষেদি বৈ যোৱা পোবোলা (পল্লা) নদীত ধুবলৈ নামি জনৈক ভকতে পদ্মপ্ৰিয়াক উদ্দেশি কলে,–

ভকত সকলে বোলে পদ্মপিৰিয়াক।
তোমাৰ লাগয় তেৱে ভকত হৈবাক॥
শুনি পদ্মপ্ৰিয়া গোপালক কৈলা।
ভকত সকলে যেন বচন বুলিলা॥ ৭১৫

---

২২ এই অপ্ৰকাশিত পুথিখন যোৰহাটৰ মোহন চন্দ্ৰ মহন্তৰ গৃহত সংৰক্ষিত। কেশদা মহন্তয়ো "লেখিকাৰ জীৱনী"ৰ 'বৈষ্ণৱ কবি পদ্মপ্ৰিয়া' শিতানত (পৃ. ৬) এই পুথিৰ উল্লেখ কৰিছে।
২৩ "চৰাতে গুৰুজনে দেখি বোলে গোপাল, এইটি কৰ জাণী ? বোলে বাপ, আমাৰে বেটী দাসী। প্ৰশংসোকৈ বোলে সজ বুদ্ধিখানি।" কেথাগুৰুচৰিত", পৃ. ৫৭১)
২৪ "শ্ৰীশ্ৰীগোপাল দেৱৰ চৰিত" (২য় ভাগ), পৃ. ২২১। এই গ্ৰন্থত সংকলিত যোৰহাটৰ সত্ৰৰ প্ৰতিষ্ঠাতা দ্বিজ ৰামচন্দ্ৰৰ নাতি পূৰ্ণানন্দ ৰচিত পুথিৰ ৮৬৭ নং স্তৱকত এই প্ৰশংসা আছে।
২৫. "শ্ৰীশ্ৰীগোপালদেৱৰ চৰিত্ৰ"ত সন্নিবিষ্ট ৰমানন্দ ৰচিত চৰিতপুথি, পৃ. ৪১১-১৩
২৬. উপেন্দ্ৰচন্দ্ৰ লেখাৰু (সম্পা.), "কথাগুৰু চৰিত", পৃ. ৫১৬-১৭
২৭. পূৰ্বোক্ত গ্ৰন্থত সন্নিবিষ্ট দ্বিজ পূৰ্ণানন্দ কৃত চৰিত, পৃ. ২২০-২১
২৮. পূৰ্বোক্ত গ্ৰন্থত সন্নিবিষ্ট উক্ত চৰিত, পৃ. ১৯৬

পদ্মপ্ৰিয়াই গোপাল আতাক এই কথা জনালত ভকতসকলক মতাই আনি যৰ এটাত আৰম্ভ কৰি ওলগিবলৈ আদেশ কৰিলে ।–

আতা মাধৱক সেৱা কৰিলা পূৰ্বত ।
নৌভৈল তোমাৰ সেৱা ভকত সমস্ত ॥
তাতেসে সবাকো আজি মতায়া আনিলোঁ ।
ওলগিয়ো সবাহাকে নিশ্চয়ে বুলিলোঁ ॥ ৭১৭

সেইসময়ত পদ্মপ্ৰিয়া পূৰ্ণযৌৱনা আৰু অবিবাহিতা আছিল । উল্লিখিত এই ঘটনাৰ মাজত কঁৰবাত কলুষতাৰ চিহ্ন হয়তো দেখা পাইছিল বাবেই গোপালদেৱে এইদৰে সকলোকে বিপুঞ্জয়ী কৰি তোলাৰ প্ৰচেষ্টা চলাইছিল বুলি বিশ্বাস স্থাপন কৰিব পাৰি । পদ্মপ্ৰিয়াই দ্বিধাহীনভাৱে সকলো ভকতকে সেৱা কৰি নিজৰ উচ্চমানসিকতাৰ পৰিচয় দাঙি ধৰিছিল । ইতিপূৰ্বে তেওঁৰ জীৱনত বিবাহ-কেন্দ্ৰিক এটা ঘটনাই সম্ভৱত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰি থৈছিল । গোপাল আতাই পত্নী বৃন্দাৱতীৰ সৈতে আলচ কৰি নিজ শিষ্যবৃন্দৰ ভিতৰত সৰ্বশ্ৰেষ্ঠ বিবেচিত গজলা যদুমণিক পদ্মপ্ৰিয়াৰ বাবে পাত্ৰ নিৰ্বাচন কৰিছিল । যদুমণিৰ কৰ্মজগত-আৰু চিন্তাজগতৰ বিশুদ্ধতা উপলব্ধি কৰি আতাই এই প্ৰস্তাৱ পোনপটীয়াকৈয়ে দিছিল ।–

একদিনা মাতি গোপালে বোলন্ত
শুনিয়োক যদুমণি ।
পদ্মপিৰিয়াক দিলোহো তোমাক
কৰিয়ো বিহা আপুনি ॥ ৬৭৮

কিন্তু, গুৰু-দুহিতাক বিয়া কৰালে একো 'নিসিজিব' বুলি যদুমণিয়ে ভাবিলে ।– 'বোলন্ত এথাত বিষয় কৰিলে মোৰ কোন নিসিজিল', কাৰণ তেওঁ উজনিৰ পৰা ধৰ্মজ্ঞান লভিবৰ বাবেহে কালঝাৰ– ভবানীপুৰত গোপালৰ ওচৰত আছেহি । গতিকে, প্ৰস্তাৱ প্ৰত্যাখ্যান কৰি পদ্মপ্ৰিয়াক 'মাতৃবুলি' সেৱা কৰি নিজ উদ্দেশ্য প্ৰকট কৰি তুলিলে । গোপল আতাৰ ইচ্ছাপূৰ্ণ নহ'ল । তেওঁৰ ইচ্ছা আছিল – "পদ্মপিৰিয়াক/দিয়াসি বাজ্যক/ময়ো যাইবো সেহি থানে ।" ইচ্ছা পূৰ্ণ নোহোৱাত তেওঁ কিছু অসন্তুষ্ট হলেও যদুমণিক বাধ্য কৰাবলৈ যত্ন কৰা নহ'ল । এই ঘটনাৰ লগত পত্নীৰ নিৰ্দেশক্ৰমে শঙ্কৰদেৱে নিজশিষ্য মাধৱদেৱৰ ওচৰত দুহিতা বিষ্ণুপ্ৰিয়াক বিয়া দিয়াৰ প্ৰস্তাৱ দি প্ৰত্যাখ্যিত হোৱাৰ ঘটনাৰ সৈতে মিল লক্ষ্য কৰা যায় ।[২৯] যদুমণি সংক্ৰান্ত কথাখিনিক চৰিতকাৰে ৰহন সানি ৰচনা কৰা বুলি ভবাৰ থল থাকিলেও, বিবাহ প্ৰস্তাৱ প্ৰদান আৰু যদুমণিৰ দ্বাৰা প্ৰত্যাখ্যানত সন্দেহ কৰিব লগীয়া নাই । এই বিয়াৰ প্ৰতি পদ্মপ্ৰিয়াৰ আসক্তি কেনে আছিল জনা নগলেও মানসিক জগতত স্বাভাৱিক ভাৱেই নিশ্চয় কিছু প্ৰভাৱ পেলাইছিল । পদ্মপ্ৰিয়া কৌমাৰ্যব্ৰতী হোৱাৰ ইয়ো এটা কাৰণ হোৱাৰ সম্ভাৱনা নথকা নহয় । পুথিখিনিকত পদ্মপ্ৰিয়াৰ বিবাহ সম্পৰ্কে একো তথ্য পোৱা নাযায় । এটা আখ্যান অনুসৰি "কথিত আছে যে একশৰণ নামধৰ্ম গ্ৰহণ কৰি পিতৃৰ পৰা শৰণ লোৱাৰ পাছত জনৈক শাক্ত ব্যক্তিৰ লগত পদ্মপ্ৰিয়াৰ বিবাহ হৈছিল । কিন্তু সহধৰ্ম আচৰণ কৰিব নোৱাৰি স্বামীগৃহ ত্যাগ কৰি তেওঁ পিতৃগৃহলৈ উভতি

---

২৯. উপেন্দ্ৰচন্দ্ৰ লেখাৰু (সম্পা), "কথাগুৰু চৰিত", পৃ ৮৮-৮৯

আছে।[৩০] এই তথ্য বিশ্বাসযোগ্য নহয়; কাৰণ নৈষ্ঠিক বৈষ্ণৱ-গুৰু গোপাল আতাই নিজৰ কন্যাক শাক্তত বিয়া দি নিশ্চয় ধৰ্ম-সংঘাত সৃষ্টি কৰা নাছিল। তদুপৰি, গোপাল আতাৰ ঘনিষ্ঠ সম্পৰ্কৰ উত্তৰাধিকাৰী কেবাখনো সত্ৰত এনে কাহিনী ঘূণাক্ষৰেও প্ৰচলন নাই।[৩১] অৰ্জুনচন্দ্ৰ দাসৰ মতে– "তেওঁ শিশুকালৰে পৰা পৰমেশ্বৰৰ প্ৰতি বৰ আকৃষ্ট হৈ সৰ্বদায় তেওঁৰ ৰূপ, গুণ মহিমাৰ কথা মুখৰ পৰা নেৰা হ'ল। সেই কাৰণে, তেওঁ বিবাহ বন্ধনৰ পৰা মুক্ত হৈ থাকি গীত-পদ ৰচনা কৰি পৰম শক্তিৰ মাজেৰে জীৱন কটাবলৈ সংকল্প কৰি লৈছিল।"[৩২] হৰিবল্লভ ৰচিত "ৰামকৃষ্ণ দেৱৰ চৰিত"ৰ মতে আতাৰ মৃত্যুৰ বহুদিনৰ পাছত পদ্মপ্ৰিয়াই কালঝাৰ ত্যাগ কৰি 'বাঁৰেমৰা জান'ৰ পাৰত নিজাকৈ সত্ৰ পাতি ভক্ত-সমন্বিতে বাস কৰিছিল। সম্ভৱত বৃদ্ধা-জীৱনো ইয়াতেই অতিবাহিত হয়। পদ্মপ্ৰিয়াৰ মৃত্যু সম্পৰ্কে কোনো তথ্য পোৱা নাযায়। জনা যায় যে, হালধীআটি সত্ৰৰ ভাৰ ভত্তিজাক ৰমানন্দৰ হাতত পৰাৰ পাছত, কোনো এবাৰ আতা গোপালৰ বাৰ্ষিক শ্ৰাদ্ধানুষ্ঠানলৈ পদ্মপ্ৰিয়াক বাঁৰেমৰা জানৰ পৰা দোলাৰে ভত্তিজাকে নিয়াইছিল। সেই সময়ত তেওঁৰ বয়স প্ৰায় তিনিকুৰি হৈছিল আৰু পিছলি পৰি পদ্মপ্ৰিয়াৰ ভৰি ভাগি আছিল। গোপাল আতাৰ মৃত্যুৰ সময়ত (১৬১১ খ্ৰীষ্টাব্দত) পদ্মপ্ৰিয়া প্ৰায় দুকুৰি বছৰীয়া আছিল। গতিকে, ইয়াৰ পাছত যদি পদ্মপ্ৰিয়া অতি কমকৈ কুৰিবছৰ জীয়াই আছিল, তেন্তে তেওঁৰ মৃত্যু সময় ১৬৩০-১৬৪০ খ্ৰীষ্টাব্দৰ ভিতৰত অনুমান কৰি ল'ব পৰা যায়। পদ্মপ্ৰিয়াৰ বিষয়ে ইয়াতকৈ বেছি তথ্য পাবলৈ নাই।

২.৪. পদ্মপ্ৰিয়াৰ গীত ৰচনা

ষোড়শ শতাব্দীৰ শেষভাগত অসমীয়া সাহিত্যত প্ৰবেশ কৰা পদ্মপ্ৰিয়া প্ৰথম অসমীয়া লেখিকা আৰু বৈষ্ণৱ গীতি-কবি। মহাপুৰুষ শঙ্কৰদেৱৰ জন্মৰ পৰা ভট্টদেৱৰ গদ্য ৰচনালৈ (১৪৪৯-১৭০০ খ্ৰীষ্টাব্দলৈ) অসমীয়া সাহিত্যক শঙ্কৰীযুগ আখ্যা দিয়া হৈছে। প্ৰধানকৈ ষোড়শ আৰু সপ্তদশ শতাব্দী দুটাক অসমীয়া সাহিত্যৰ প্ৰথম স্বৰ্ণযুগ ৰূপে অভিহিত কৰিব পাৰি। পদ্মপ্ৰিয়া এই গৌৰৱোজ্জল যুগৰেই দান।

পদ্মপ্ৰিয়া এগৰাকী বৈষ্ণৱ গীতি-কবি। মহাপুৰুষ শঙ্কৰদেৱ-সৃষ্ট বৰগীতৰ আৰ্হিত গোপাল আতা প্ৰমুখ্যে পৰৱৰ্তী ধৰ্মাচাৰ্য তথা সন্ত-মহন্তই বহুতো গীত-পদ ৰচনা কৰি গৈছে। এই সকল গীতিকাৰৰ ভিতৰত পদ্মপ্ৰিয়া একমাত্ৰ মহিলা। গীতৰ সংখ্যা কম হ'লেও, কাল-সংঘটি বা কাল' সংহতিৰ প্ৰখ্যাত গীতিকাৰ সকলৰ ভিতৰত পদ্মপ্ৰিয়াৰ এখন সুকীয়া আসন আছে। ষোড়শ শতাব্দীৰ শেষ দশকৰ পৰা তেওঁ গীত ৰচনা কৰাত মনোনিবেশ কৰে। ১৫৯০ খ্ৰীষ্টাব্দ মানত তেওঁৰ বিবাহ প্ৰস্তাব প্ৰত্যাখাত হোৱাৰ পাছত সম্ভৱত মনত গভীৰ সাঁচ বহিছিল। সৰুৰে পৰা এক আধ্যাত্মিক বাতাবৰণত ডাঙৰ-দীঘল হোৱাত, এই ঘটনাই তেওঁক জগত আৰু জীৱন সম্পৰ্কীয় গভীৰ উপলব্ধিৰ মাজলৈ টানি নিয়া বুলি বিশ্বাস জন্মে। আনহাতে প্ৰিয় শিষ্যৰ দ্বাৰা প্ৰস্তাবটো বা ইচ্ছা প্ৰত্যাখাত হোৱাত গোপাল আতাই যি গভীৰ দুখ পাইছিল, সিয়ো

৩০. কেশদা মহন্ত, 'বৈষ্ণৱ কবি পদ্মপ্ৰিয়া', "লেখিকাৰ জীৱনী", পৃঃ- ৪

৩১. গোপাল আতা প্ৰতিষ্ঠিত মূল সত্ৰ ভৱানীপুৰ আৰু কালঝাৰ, প্ৰপৌত্ৰ ৰমানন্দ প্ৰতিষ্ঠিত হেমাবৰুড়ী আদি সত্ৰত পদ্মপ্ৰিয়াৰ বিবাহ সম্পৰ্কে কোনো লিখিত বা মুখে মুখে প্ৰচলিত তথ্য পাবলৈ নাই। এইকেইখন সত্ৰৰ লৈতে যোগাযোগ কৰি কোনো তথ্য পোৱা নগ'ল।

৩২. অৰ্জুন চন্দ্ৰ দাস, "মহাপুৰুষীয়া ধৰ্মৰ পঞ্চৰত্ন", পৃঃ- ৩১০

পদ্মপ্ৰিয়াৰ মনত গভীৰ ৰেখাপাত কৰিছিল নিশ্চয়। এইবোৰ কাৰণতেই তেওঁ চিৰকুমাৰী হৈ থকাৰ সিদ্ধান্ত লৈছিল। পদ্মপ্ৰিয়াৰ গীতত পোৱা যায়,-

বিষয়ত মন সুদৃঢ় বন্ধন
মায়া মহাপাশ জৰী
পদ্মপিৰিয়াই কহে অভিপ্ৰায়
গোপালৰ পাৱে পৰি ॥

পিতৃদেৱৰ ওচৰত নিজ অভিপ্ৰায় ব্যক্ত কৰাৰ পৰাই পদ্মপ্ৰিয়াই স্ব-ইচ্ছাৰে বিবাহ-বন্ধনৰ বাহিৰত থাকিবলৈ গ্ৰহণ কৰা সংকল্প স্পষ্ট হৈ পৰিছে। এইটো গীতত[৩৩] 'গুৰু পদ নুভুলিবি মন তই' ধ্ৰুং বা ধুৱাৰে আৰম্ভ কৰি পতি-পুত্ৰ-ধন, জীৱন-যৌৱন সকলো অসাৰ আৰু ক্ষন্তেকীয়া বুলি ঘোষিত হৈছে। বিষয় বাসনাত নিজক সুদৃঢ়ভাৱে বান্ধি ৰাখি মায়া মহাপাশত নিবিষ্ট হোৱাৰ বাদে গত্যন্তৰ নাই। এই ধাৰণাত বিশ্বাস ৰাখি, তেনে বন্ধনৰ পৰা মুক্ত হৈ থকাৰ অভিপ্ৰায় গীতাংশত সুন্দৰকৈ প্ৰকাশ পাইছে। গতিকে, পিতৃগুৰু আৰু দীক্ষাগুৰু (ধৰ্মগুৰু) গোপাল আতাৰ পদসেৱা কৰি জীৱন অতিবাহিত কৰাৰ আকাংক্ষা প্ৰকাশ পাইছে। এই গীতে পদ্মপ্ৰিয়াৰ বিবাহ-বন্ধনৰ প্ৰতি অনাসক্তি আৰু চিৰকুমাৰী হৈ থকাৰ প্ৰমাণ দাঙি ধৰিছে।

পদ্মপ্ৰিয়া ৰচিত গীত কেইটামানহে উদ্ধাৰ হৈছে। তেওঁ বোধহয় বৰ বেছি গীত ৰচনাও কৰা নাছিল। বিভিন্ন সত্ৰাদিত প্ৰচলিত তেওঁৰ গীত কেইটাৰ প্ৰাচীন কালতে লিপিবদ্ধ-ৰূপ নথকাত প্ৰাপ্ত গীত কেইটা সম্পূৰ্ণ আসোঁৱাহ শূণ্য কৰিব পৰা নাযায়। তথাপি, চাৰিটা গীত আলোচনাৰ বাবে গ্ৰহণ কৰা হৈছে। এই গীত কেইটা পৰিশিষ্ট (১)ত লিপিবদ্ধ কৰা হৈছে। গীত কেইটাৰ পাঠ নিৰ্ণয় কৰাৰ উৎস হ'ল ড° মহেশ্বৰ নেওগৰ "ভক্তিগীত সংকলন",[৩৪] কালিদাস খাটনিয়াৰে ভবানীপুৰ-কালঝাৰ অঞ্চলৰ পৰা সংগ্ৰহ কৰি ১৯৫৬ চনতে প্ৰকাশ কৰা তিনিটা গীত[৩৫] আৰু হেমাৰবৰী সত্ৰৰ প্ৰাক্তন সত্ৰাধিকাৰ গোলোক চন্দ্ৰ মহন্তই সংগ্ৰহ কৰি ৰখা এটি গীত।[৩৬] এই কেইটা গীতৰ তুলনা কৰি আৰু পাঠ চালি জাৰি চাই চাৰিটা গীত গ্ৰহণ কৰা হৈছে। প্ৰথম তিনিটা গীত ড° নেওগ আৰু খাটনিয়াৰৰ সংগ্ৰহৰ পৰা নিৰ্ধাৰণ কৰা হৈছে আৰু চতুৰ্থটি নেওগ আৰু মহন্তৰ সংগ্ৰহৰ পৰা নিৰ্ধাৰণ কৰা হৈছে। প্ৰাপ্ত গীতকেইটাক পৰিশিষ্ট (১)ত স্থান দিয়া হৈছে। গীত বিলাকৰ মাজত কিছুমান খেলিমেলি দেখা গৈছে। হয়তো বহুকাল মুখে মুখে প্ৰচলিত হৈ অহাত কিছুমান স্তৱক, দুই এটা চৰণ আৰু শব্দচয়নত কিছু অমিল দেখা গৈছে। তদুপৰি, ইটো গীতৰ স্তৱক সিটো গীতত সুমুৱাই নতুন গীত কৰাৰ প্ৰয়াস দেখা গৈছে। মূল পুথি বা লিখিত ৰূপৰ অভাৱত বিশুদ্ধ পাঠ উদ্ধাৰ কৰা সম্ভৱ নহ'ল।

---

৩৩. গীতটিৰ পূৰ্ণপাঠ পৰিশিষ্ট (১)ত দ্ৰষ্টব্য।

৩৪. মহেশ্বৰ নেওগ-(সংগৃহীত, সম্পাঃ), ভক্তি-গীত সংকলন" দ্ৰষ্টব্য। এই পুথিৰ সংকলন আৰু সম্পাদনা ১৯৪৯ চনত হৈছিল।

৩৫. কালিদাস খাটনিয়াৰ সংগৃহীত, 'পদ্মপ্ৰিয়াৰ গীত', "অসম সাহিত্য সভা পত্ৰিকা", ১৫ শ বছৰ, ১ম সংখ্যা, বহাগ, ১৮৭৮ শক, (ইং ১৯৫৬), পৃ- ৭৬

৩৬. নগাঁও জিলাৰ চাপৰি অঞ্চলৰ হেমাৰবৰী কালসংহতিৰ এখন সত্ৰ আৰু এই সত্ৰ গোপাল আতাৰ ওচৰ সম্বন্ধীয়। প্ৰাক্তন স্বৰ্গগত সত্ৰাধিকাৰ জনে সংগ্ৰহ কৰি থোৱা গীতটি বোৱাৰীয়েক শ্ৰীযুতা ভৱানী মহন্তৰ পৰা পোৱা গৈছে।

পদ্মপ্ৰিয়াৰ প্ৰথম গীত 'গুৰুপদ নুভুলিবি মন তই' নিশ্চয় প্ৰথম ৰচনা। ই ষোড়শ শতাব্দীৰ শেষ দশকৰ প্ৰথমকালে ৰচিত। দ্বিতীয় গীত 'জয়জয় ৰাম কৰোঁহো প্ৰণাম গোপালৰ পাৱে পৰি' গোপাল আতাৰ প্ৰয়াণৰ কিছু পিছৰে ৰচনা বুলি সহজেই মানি ল'ব পাৰি। গতিকে, এই গীত সপ্তদশ শতিকাৰ দ্বিতীয়টো দশকৰ প্ৰথম ভাগতে ৰচিত বুলি থিৰ কৰিব পাৰি। বাকী গীত দুটিও সম্ভৱ সপ্তদশ শতাব্দীৰেই ৰচনা আৰু দ্বিতীয়-তৃতীয় দশকৰ ভিতৰত ৰচনাকাল ধৰিব পাৰি।

২.৫. বৰগীতৰ পৰম্পৰা আৰু পদ্মপ্ৰিয়াৰ গীতৰ বৈশিষ্ট্য

অসমীয়া গীতি-সাহিত্যৰ উচ্চাঙ্গ সম্পদ বৰগীত মহাপুৰুষ শঙ্কৰদেৱৰ এটি অপূৰ্ব দান। আধ্যাত্মিক ভাবৰ শক্তিশালী প্ৰকাশক এইবিধ গীতি-কবিতাৰ প্ৰধান বৈশিষ্ট্য হ'ল,– বিষয় বস্তুৰ মহত্ব অনুযায়ী সংযম, ব্ৰজাৱলীভাষা বা ব্ৰজবুলিৰ প্ৰয়োগ আৰু শাস্ত্ৰীয় ৰাগত সুৰ নিবন্ধন। ভক্তিৰস সৃষ্টি কৰি আধ্যাত্মিক উৎকৰ্ষ সাধন বৰগীতৰ অন্যতম লক্ষ্য। শ্ৰীকৃষ্ণৰ বিশ্ব-বিমোহন ৰূপলীলা বৰগীতৰ পবিত্ৰ বিষয়।

শঙ্কৰদেৱ–মাধৱদেৱ বিৰচিত বৰগীতৰ সংখ্যা ৰাবকুৰি বুলি কলেও প্ৰকৃত সংখ্যা তাতকৈ বহুতো বেছি। বৰগীত সমূহত সাধাৰণতে তালৰ উল্লেখ নাই। কিন্তু 'ছন্দৰগীত' বোলা গীত তিনিটাত তালৰ স্পষ্ট উল্লেখ আছে। "প্ৰাচীন কালৰে পৰা এনে কিছুমান ৰীতিত বৰগীত গোৱা চলি আহিছে যে, বিশেষ বিশেষ ৰাগত সদায় বিশেষ বিশেষ তাল পৰিবই, যেনে– আশোৱাৰীত যতি, কল্যাণত খৰমান ইত্যাদি।"[৩৭] বৰগীত সমূহক কেৱল গীতৰ পৰ্যায়তে নাৰাখি চৈধ্য প্ৰসঙ্গৰ পবিত্ৰমাত বিশেষ স্থান প্ৰদান কৰাত সুকীয়া বৈশিষ্ট্য গঢ় লৈ উঠিল। "এনে লাগে, প্ৰসঙ্গৰ মুখ্য অঙ্গভাৱে প্ৰাৰ্থনা সঙ্গীতৰূপে বৰগীত ৰচা হৈছিল আৰু সেইবাবেই সি বৰগীত।"[৩৮]

গুৰুদুজনাৰ দৰেই একে ৰাগ-তালত গাব পৰাকৈ একে ভাৱ ভাষাৰে পৰৱৰ্তীকালত বৈষ্ণৱ সন্ত-মহন্তসকলে গীত ৰচনা কৰি গৈছে। এইবোৰ গীতৰ আৰ্হি বৰগীত হ'লেও অবিসম্বাদিত ভাবে বৰগীত বোলা নহয়। ড° বিৰিঞ্চি কুমাৰ বৰুৱাৰ মতে– "বিষয় বস্তু আৰু বৰ্ণনা পদ্ধতিৰ মিলৰ পৰা বিচাৰ কৰিলে এই দুইবিধ গীতৰ মাজত বিশেষ পাৰ্থক্য লক্ষ্য কৰিব নোৱাৰি।"[৩৯] ড° নেওগে 'গীত সমূহ বৰগীত পৰ্যায়ৰ' বুলি অভিমত দিছে।[৪০]

গুৰুজনাৰ পৰৱৰ্তী গীতিকাৰ সকলৰ ভিতৰত ৰামচৰণ ঠাকুৰ, গোপাল আতা, দৈত্যাৰি ঠাকুৰ, নাৰায়ণ ঠাকুৰ আতা, পুৰুষোত্তম ঠাকুৰ, শ্ৰীৰাম-আতা, পদ্মপ্ৰিয়া, অনিৰুদ্ধদেৱ, বৰ যদুমণি আদি উল্লেখযোগ্য। নিজ নিজ সত্ৰ আৰু পন্থত এইসকল সন্ত-মহন্তৰ দ্বাৰা ৰচিত গীত বিলাক বৰগীতৰ মৰ্যদা দি প্ৰসঙ্গতো ব্যৱহাৰ কৰা হয়। "কিন্তু এইবিলাকৰ বৰগীতত্বৰ সম্পৰ্কে আন সত্ৰ বা পন্থই নিদাৰুণ প্ৰশ্ন কৰে।"[৪১]

---

৩৭. মহেশ্বৰ নেওগ, "শ্ৰীশ্ৰী শঙ্কৰদেৱ", ১৯৮৫, পৃ. ১২৬

৩৮. উক্তগ্ৰন্থ, পৃ. ১২৬

৩৯. বিৰিঞ্চি কুমাৰ বৰুৱা, (সম্পা:) "শ্ৰীৰাম আতা আৰু শ্ৰীৰামানন্দ দেৱৰ গীত", ভূমিকা, পৃ. ১৫

৪০. মহেশ্বৰ নেওগ, "ৰূপৰেখা", পৃ.১৬৪

৪১. মহেশ্বৰ নেওগ, "শ্ৰী শ্ৰী শঙ্কৰদেৱ", পৃ. ১২৬

শঙ্কৰোত্তৰ বৈষ্ণৱ-ধৰ্মত চাৰিটা ধৰ্ম-সম্প্ৰদায়ৰ সৃষ্টি হোৱাত সত্ৰ-সমূহৰ মাজত কিছু ভেদাভেদ পৰিলক্ষিত হ'ল। এই চাৰিটা সম্প্ৰদায়ক চাৰিটা সংহতি বা সংঘটিত ধৰা হয়।[৪২] "এনেকৈ সম্প্ৰদায় শাখাভেদ হ'লেও অসমৰ ধৰ্ম-বৃক্ষবোৰৰ মূল একেটিয়েই – শঙ্কৰদেৱ।"[৪৩] কাল-সংঘটিৰ স্ৰষ্টা ভবানীপুৰীয়া গোপাল আতাই বৰগীত পৰ্যায়ৰ গীত আৰু 'নামঘোষা'ৰ আৰ্হিত ঘোষা ৰচনা কৰিছিল। তেওঁৰ পৰৱৰ্তী এই সংঘটিৰ আচাৰ্য সকলে গীত-ঘোষা ৰচনা কৰাটো এটা পৰম্পৰা হিচাপে লৈছিল আৰু এই প্ৰথা এতিয়াও অব্যাহত আছে।

কাল সংঘটিৰ গীত-ৰচকসকলৰ প্ৰথম পৰ্যায়ত শ্ৰীৰাম আতা, বৰ যদুমণি, অনিৰুদ্ধ আদি গীতিকাৰৰ লগতে গোপাল আতাৰ দুহিতা পদ্মপ্ৰিয়া বিশেষ ভাৱে উল্লেখ-যোগ্য। ষোড়শ শতাব্দীৰ শেষ দশকৰ পৰা পিতৃ-গোপালৰ প্ৰেৰণাত পদ্মপ্ৰিয়াই গীত ৰচনা কৰিছিল। গোপাল আতা নিজেও এগৰাকী ভাল গীতিকাৰ আৰু তেওঁৰ গীতসমূহ বৰগীত বোলাত নিশ্চয় বাধা থাকিব নোৱাৰে। গীত ৰচনাত তেওঁক শঙ্কৰদেৱ আৰু মাধৱদেৱৰ পাছতে স্থান দিব পাৰি।

পদ্মপ্ৰিয়াৰ গীতকেইটাক বৰগীতৰ আখ্যা নিদি ঐতিহ্য বহনকাৰী গীত বোলাই সমীচীন হ'ব। ৰামগিৰি ৰাগত ৰচিত আঠাইকেইটা গীতত তালৰ উল্লেখ বৰগীতৰ দৰেই পাৰলৈ নাই। শঙ্কৰদেৱৰ বৰগীতত পৰমেশ্বৰ বা শ্ৰীকৃষ্ণৰ মহিমা সুন্দৰকৈ প্ৰকাশ ঘটিছে আৰু বৈষ্ণৱ তত্ত্ব ভাৱমাজতে প্ৰকাশ পাইছে। মাধৱদেৱে পৰমেশ্বৰৰ উপৰিও গুৰুজনাক অৱতাৰী পুৰুষৰূপে বন্দনা কৰাৰ দৰেই-গোপাল আতাই শঙ্কৰ-মাধৱ দুয়োকো ইষ্টদেৱতা জ্ঞান কৰি ঈশ্বৰৰ অভেদ্য ৰূপত ধৰিছে। পদ্মপ্ৰিয়াই পিতৃক যোগ দি শঙ্কৰ-মাধৱ-গোপাল অভিন্ন আৰু তিনিওগৰাকী বিষ্ণুৰ অৱতাৰ জ্ঞান কৰিছে। কাল-সংঘটিৰ অন্যান্য সন্ত-মহন্তয়ো তেওঁৰ দৰেই তিনিওজনক অভিন্ন ধাৰণা কৰিছে। শ্ৰীৰামদেৱ, যদুমণিদেৱ, অনিৰুদ্ধদেৱ আদিৰ দৰেই পদ্মপ্ৰিয়াও গুৰুভক্তিত অবিচলিত আছিল। গোপাল আতা নিজপিতৃ হোৱাত স্থান বিশেষে গোপাল শব্দই ভিন্নভাৱ প্ৰকাশ কৰা দেখা যায়। প্ৰথম গীতত পিতা-পুত্ৰীৰ সম্বন্ধই গুৰু-শিষ্যা সম্বন্ধলৈ গতি কৰা পৰিলক্ষিত হৈছে। 'গোপাল' ভগবান শ্ৰীকৃষ্ণৰ আন নাম হ'লেও পদ্মপ্ৰিয়াৰ গীতত ই দ্ব্যৰ্থবোধক হৈ পৰিছে। কিছুমান স্থানত গোপাল-কৃষ্ণ স্বৰূপৰ ইঙ্গিতময়তা আৰু ভক্তিব্যঞ্জনাই অভিভূত কৰি তোলে।

সপ্তদশ শতাব্দীৰ প্ৰথম ভাগত ৰচিত পুৰুষোত্তম ঠাকুৰৰ "নৱঘোষা"ৰ দুই-এটা ঘোষাৰ লৈতে পদ্মপ্ৰিয়াৰ গীতৰ কোনো কোনো ঠাইত মিল দেখা যায়। কোন কাৰ ওচৰত ধৰুৱা স্পষ্ট কৰাত অসুবিধা যথেষ্ট, যিহেতু দুয়ো গৰাকী বয়সত সমনীয়া।

---

৪২ চাৰি সংহতি বা চাৰি সংঘটি হ'ল–

(১) ব্ৰহ্ম-সংঘটি– দামোদৰদেৱৰ পৰা সৃষ্ট পাটবাউসী, দক্ষিণপাট কুৰুৱাবাহী, আউনী-আটি, গড়মূৰ, ভেৰেবোপাৰ, বৈকুণ্ঠপুৰ আদি বামুণীয়া সত্ৰবিলাক।

(২) পুৰুষ-সংঘটি– পুৰুষোত্তম ঠাকুৰৰ পৰা হোৱা বৰ-বাৰজনীয়া আৰু চতুৰ্ভুজৰ পৰা হোৱা সৰু-বাৰজনীয়া সত্ৰবিলাক।

(৩) নিকা সংঘটি–মথুৰাদাস বুঢ়া আতাৰ পৰা হোৱা বৰপেটা, বাঘৰি, বাৰচকলাৰ সুন্দৰীদিয়া, মধুপুৰ, কমলাবাৰী ইত্যাদি।

(৪) কালজাৰ সংহতি বা কাল সংঘটি– গোপাল আতা, তেওঁৰ বাৰজন আচাৰ্য আৰু পুত্ৰ সকলৰ পৰা হোৱা সত্ৰবিলাক।

পুৰুষোত্তম ঠাকুৰ শঙ্কৰদেৱৰ নাতি[৪৪] আৰু তেওঁৰ জীৱনকাল ১৫৬১-১৬১৬ খ্ৰীষ্টাব্দ। গতিকে তেওঁ ইয়াৰ ভিতৰতে বৰগীতৰ আৰ্হিত কিছুমান গীত ৰচনা কৰাৰ লগতে "ন-ঘোষা"[৪৫] ৰচনা কৰিছিল। আনহাতে পদ্মপ্ৰিয়াৰ গীত সমূহো ১৫৯০ খ্ৰীষ্টাব্দৰ পাছৰ ৰচনা। তথাপি ন-ঘোষাৰ প্ৰভাৱ পদ্মপ্ৰিয়াৰ ওপৰত পৰাৰ সম্ভাৱনা দেখা যায়। 'নৱঘোষা'ৰ প্ৰভাৱ পেলাব পৰা ঘোষাটো হ'ল—

শঙ্কৰ স্বৰূপে হৰি নিজ অংশ-অৱতৰি
ভকতি প্ৰদীপ লগাই থৈলা।
মাধৱ স্বৰূপে হৰি তৈল শলা বত্তি দিয়া
অজ্ঞান আন্ধাৰ দূৰ কৈলা॥

পদ্মপ্ৰিয়াৰ গীতত আছে—

শঙ্কৰ স্বৰূপে প্ৰদীপক থৈলা
মাধৱেসে বঢ়াইলন্ত।
তৈল বত্তি দিয়া সম্পূৰ্ণ কৰিয়া
গোপালেসে জ্বলাইলন্ত॥

যেই কি নহওক, পদ্মপ্ৰিয়াৰ গীতত গুৰুবন্দনা আৰু পিতৃ গোপাল-আতাৰ মহাত্ম্য সুন্দৰকৈ প্ৰকাশ পাইছে। তদুপৰি, জীৱন-যৌৱনৰ অসাৰতা, মায়াৰ বন্ধন মহাপাপ ধাৰণা, বিষয়সুখ তথা পতি-পুত্ৰ-ধন খণ্ডেকীয়া আদি বিভিন্ন উপলব্ধিয়ে পদ্মপ্ৰিয়াৰ মানসিকতা আৰু চাৰিত্ৰিক বৈশিষ্ট্য গীতবিলাকৰ মাজত স্পষ্ট কৰি তুলিছে। প্ৰথম গীত-'গুৰুপদ নুভুলিবি মন তইত দেহ বিচাৰৰ গীতৰ অনুৰণন শুনিলেও, ঘাইকৈ মাধৱদেৱৰ 'পাৱে পৰি হৰি কৰোহো কাতৰি' ঘোষাৰ ওচৰতহে বেছি ঋণী। তথাপি, পদ্মপ্ৰিয়াৰ গীতকেইটা যোড়শ শতাব্দীৰ শেষ দশক আৰু সপ্তদশ শতাব্দীৰ আগভাগৰ হোৱাত আৰু মহিলাই ৰচনা কৰাত, তাৎপৰ্য অক্ষুন্ন হৈ ৰৈছে। গীতকেইটা প্ৰথম মহিলা কবিৰ ৰচনা হোৱাত ঐতিহাসিক গুৰুত্বও লক্ষ্যণীয় হৈ উঠিছে। পদ্মপ্ৰিয়াৰ বাহিৰে প্ৰাচীন অসমীয়া সাহিত্যত মহিলা কবিৰ দ্বিতীয় নাম পাবলৈ নাই।[৪৬] গতিকে, অসমীয়া সাহিত্যৰ ইতিহাসত এইগৰাকী মহিলাৰ স্থান আৰু দান অতিশয় গুৰুত্বপূৰ্ণ আৰু কালজয়ী।

২.৬ পদ্মপ্ৰিয়াৰ পৰবৰ্ত্তী-কালৰ অন্ধকাৰঃ লেখিকাৰ অভাৱ

পদ্মপ্ৰিয়াৰ পৰবৰ্তী শঙ্কৰোত্তৰ বা বৈষ্ণৱোত্তৰ কালত (১৭০০-১৮২৬ খ্ৰীষ্টাব্দ) অসমীয়া সাহিত্যত কোনো লেখিকাৰ উল্লেখ পোৱা নাযায়। সম্ভৱতঃ এই সময়ছোৱাৰ জটিল ৰাজনৈতিক ধুমুহা, ধৰ্মযুদ্ধ, সংঘটিৰ যুদ্ধ, শিক্ষা-দীক্ষাৰ প্ৰতি অনুৰাগ-বিহীনতা,

৪৩. মহেশ্বৰ নেওগ, "ভক্তিগীত সংকলন", 'ভূমিকা', পৃ. (২)

৪৪. শঙ্কৰদেৱৰ পুত্ৰ ৰামনন্দ এওঁৰ পিতৃ।

৪৫. পুৰুষোত্তম ঠাকুৰে বৰগীতৰ আৰ্হিত কিছু গীত ৰচনা কৰিছিল আৰু কোনো লোকৰ কাৰ্যত ৰোহ পাতি 'ন-ঘোষা' বা 'নৱঘোষা' নাম দি কিছুমান ঘোষা ৰচনা কৰিছিল। পাছত, নিজৰ ভুল ধৰা পৰাত পুথিখন পুৰি পেলাবলৈ ধৰোতে জনৈক ৰৱভকতে কিছুমান ঘোষা ৰক্ষা কৰিলে। কবিৰ শক্তি, ভক্তি প্ৰৱণতা আদিৰে সমৃদ্ধ 'ন-ঘোষা'ৰ প্ৰচলন এতিয়াও আছে।

৪৬. মহেশ্বৰ নেওগ, "ৰূপৰেখা", পৃ. ১৬৪

ৰাজনৈতিক অস্থিৰতাৰ হেতুকে অৰ্থনৈতিক অৱস্থাৰ শোচনীয়তা ইত্যাদি কাৰণৰ বাবে সাহিত্য-সংস্কৃতিৰ ক্ষেত্ৰত পূৰ্বৰ শতিকা দুটাৰ গৌৰবোজ্জ্বল পৰম্পৰাত কিছু বাধাৰ সৃষ্টি হ'ল। সপ্তদশ শতাব্দীৰ পৰা কোঁচ-ৰজাসকলৰ পৃষ্ঠপোষকতা নিস্তেজ হৈ পৰিলেও উজনিৰ আহোম-ৰজাসকলে কবি-লেখকৰ পৃষ্ঠপোষকতা কৰিছিল। কিন্তু, ৰজাসকলৰ ধৰ্মৰ ভিন্নতাই বৈষ্ণৱ কাব্য পৰম্পৰাত কিছু বিধি-পথালিৰ সৃষ্টি কৰিছিল। অন্যহাতে, ব্যৱহাৰিক সাহিত্যই এই সময়ত বিশেষ পৃষ্ঠপোষকতা লাভ কৰাত কাব্য-চৰ্চাৰ গুৰুত্ব হ্ৰাস পাইছিল। ফলত, আহোম যুগত শাক্ত গীত-কাব্য আৰু বুৰঞ্জী-সাহিত্য উজ্জ্বলি উঠিছিল। কিন্তু, অষ্টাদশ শতিকাৰ শেষৰ ফালৰ পৰা ঘনীভূত ৰাজনৈতিক দুৰ্যোগবোৰৰ সঘন কঁপনিত সুকুমাৰ সাধনাত ব্যাঘাত জন্মিছিল। মায়ামৰীয়া বিদ্ৰোহ, মান-আক্ৰমণ আদিয়ে সমাজ-জীৱন অস্থিৰ কৰি অগ্ৰগতি স্তব্ধ কৰি তুলিছিল। গতিকে, এনে এটা অস্থিৰ অৱস্থাত লেখিকাৰ আবিৰ্ভাৱ নঘটাত আচৰিত হ'ব লগীয়া নাই। অৱশ্যে, সাহিত্য চৰ্চাৰ পৃষ্ঠপোষকতা কৰা কেইগৰাকীমান মহিলাৰ নাম ল'ব পাৰি। এওঁলোকৰ ভিতৰত আহোম-ৰাণী, শিৱসিংহ স্বৰ্গদেৱৰ পত্নী বৰৰজা ফুলেশ্বৰী তথা প্ৰমথেশ্বৰী আৰু অম্বিকাদেৱীৰ নাম প্ৰণিধানযোগ্য।

বৰৰজা ফুলেশ্বৰী কুঁৱৰীয়ে বৈষ্ণৱ মহন্ত—মায়ামৰীয়া মহন্তক ধৰ্মীয় দিশত লাঞ্ছনা কৰাৰ ফলতে এদিন আহোম শাসন প্ৰজা-বিদ্ৰোহৰ সন্মুখীন হ'ল। মায়ামৰীয়া মহন্তসকল কাল-সংহতিৰ হোৱাত বৈষ্ণৱ ধৰ্মক গণধৰ্মত পৰিণত কৰি মৰাণ, মটক আদি জনশক্তিৰ দ্বাৰা শক্তিশালী হৈ আছিল। গতিকে, বিশ্ব-ইতিহাসত স্থান পাবৰ যোগ্য এই গণ-বিদ্ৰোহত ৰাজনৈতিক অস্থিৰতাৰ সৃষ্টি হ'ল। ইফালে গৃহ-কন্দলৰ অশুভ ফলস্বৰূপে একাধিক মানৰ আক্ৰমণত সামাজিক দুৰ্যোগক বুকুত সাৱটি ৰাজনৈতিক অস্থিৰতাই অন্ধকাৰ মাতি আনিলে, যাৰ ফলত অসমে ১৮২৬ খ্ৰীষ্টাব্দত পৰাধীনতাৰ শৃঙ্খল পিন্ধিব লগাত পৰিল। এনে এটা অন্ধকাৰময় যুগত সাহিত্য-সংস্কৃতিৰো গতিৰুদ্ধ হ'ল। মহিলা দূৰৰে কথা, এই সময়ছোৱাত পুৰুষলেখকৰে যথেষ্ট অভাৱ ঘটিল। গতিকে, এই পৰ্যন্ত পদ্মপ্ৰিয়াৰ বাহিৰে দ্বিতীয় এগৰাকী লেখিকাৰ আবিৰ্ভাৱ অসমীয়া সাহিত্যত সম্ভৱ হৈ নুঠিল।

তৃতীয় অধ্যায়

আধুনিক যুগ

৩.১. অৰুনোদই যুগ : মিছনেৰী লেখিকাৰ দান

৩.১.০১ অষ্টাদশ শতাব্দীৰ শেষাৰ্ধৰ পৰা ঊনবিংশ শতাব্দীৰ প্ৰথম ভাগ পৰ্যন্ত অসমৰ বাবে অত্যন্ত দুৰ্যোগপূৰ্ণ আৰু অস্থিৰতাৰ কাল। এই সময়ছোৱাৰ ভিতৰতে আহোম ডা-ডাঙৰীয়া সকলৰ পাৰস্পৰিক অসূয়া-অপ্ৰীতি, ক্ষমতা দখলৰ প্ৰচেষ্টা, কোঁৱৰ বিদ্ৰোহ, ৰজাৰ দুৰ্বলতা, বৈষ্ণৱ নিৰ্যাতন প্ৰভৃতি অশুভ কাৰ্যৰ ফলত অসমৰ আকাশত ক'লা ডাৱৰ ঘনীভূত হৈ পৰে। মায়ামৰীয়া মহন্তক ৰজাঘৰত অপমান কৰাৰ ফল স্বৰূপে ১৭৬৯ খ্ৰীষ্টাব্দত ৰজাঘৰ সৰ্বপ্ৰথম প্ৰজা-বিদ্ৰোহৰ সন্মুখীন হৈ কিছুদিনৰ বাবে ৰাজপাটৰ পৰা অপসাৰিত হ'ব লগাত পৰে। ১৭৮২ খ্ৰীঃ আৰু ১৭৮৬ খ্ৰীঃৰ আন দুটা মায়ামৰীয়া বিদ্ৰোহক ধৰি, মুঠ তিনিটা প্ৰজা-বিদ্ৰোহৰ ফলত অসমত অৰাজক অৱস্থাৰ সৃষ্টি হয় আৰু ইয়াৰ ফলত সমাজ-জীৱনেও বহু ক্ষতি-স্বীকাৰ কৰিব লগাত পৰে। ইয়াৰ উপৰিও চুকে-কোণে থকা সৰু সৰু ৰজাবিলাকেও সুবিধা বুজি বিদ্ৰোহ কৰাত ৰজা গৌৰীনাথ সিংহই বিদ্ৰোহ দমন কৰিব নোৱাৰি ইংৰাজৰ সাহায্য বিচাৰে। ১৭৯২ খ্ৰীঃত কেপ্তেইন ওৱেলচ্‌ৰ নেতৃত্বত অসমলৈ সৰ্বপ্ৰথম ইংৰাজ সেনাৰ আগমণ ঘটে। তেওঁলোকে উজনি-নামনিৰ বিদ্ৰোহ দমন কৰিবলৈ সক্ষম হয়। ইয়াৰ পাছত ১৭৯৫ খ্ৰীঃত কমলেশ্বৰ সিংহৰ দিনত কামৰূপত হৰদত্তৰ নেতৃত্বত দন্দুৱাদ্ৰোহ নামৰ বিদ্ৰোহৰ সূচনা হয়। ১৭৭১ খ্ৰীঃৰ পৰা ১৮২৪ খ্ৰীঃলৈ হোৱা তিনিটা মান আক্ৰমণে অসমত ইংৰাজ শাসন প্ৰতিষ্ঠাৰ বাট মুকলি কৰে। মান আৰু ইংৰাজৰ মাজত ইয়াণ্ডাবু নামৰ ঠাইত সন্ধি হোৱা অনুসৰি ইংৰাজৰ ইষ্ট ইণ্ডিয়া কোম্পানীৰ হাতলৈ অসমৰ শাসনভাৰ কৌশলগত ভাবে ১৮২৬ খ্ৰীঃত হস্তান্তৰিত হয়। এই সন্ধি অনুসৰি পৰাজিত মানৰজাই (ব্ৰহ্মদেশৰ ৰজা) অসমৰ লগতে ইংৰাজক আৰাকান, টেনাচৰিম, কাছাৰ, জয়ন্তীয়া আৰু মণিপুৰ এৰি দিলে। তদুপৰি, ব্ৰহ্মদেশৰ ৰাজধানী আভাত এজন খ্ৰীটিছ্ ৰাজদূত ৰাখি পূবখণ্ডত সম্প্ৰসাৰণবাদ শক্তিশালী কৰি তোলা হ'ল।

অসমত কোম্পানী বা ইংৰাজ শাসন প্ৰতিষ্ঠা হোৱাত সাময়িক ভাবে অসমৰ জনগণে স্বস্তিৰ নিশ্বাস পেলালেও কেইবছৰমানৰ ভিতৰতে গমধৰ কোঁৱৰ, পিয়লি ফুকন আদি[1] অভিজাত শ্ৰেণীৰ কিছুলোকে বিদ্ৰোহ কৰিছিল। কিন্তু, সেই বিদ্ৰোহ ইংৰাজে কৌশলেৰে মধিমূৰ কৰি পেলালে। ইংৰাজ শাসনৰ পোন্ধৰ বছৰমানলৈকে এনে অস্থিৰতা বৰ্তি থকাত অসমত সাহিত্য-সংস্কৃতি চৰ্চাৰ কোনো পৰিবেশ নাছিল। "এই ঘূলফুলৰ সময়ত সাহিত্য-কলাৰ সৃষ্টি একেবাৰেই নোহোৱা হৈছিল বুলি ক'লেও অতিৰঞ্জন কৰা নহ'ব।"[2]

---

১. গমধৰ কোঁৱৰৰ বিদ্ৰোহ ১৮২৮ খ্ৰীষ্টাব্দত আৰু পিয়লি ফুকন, জিউৰাম দুলীয়া বৰুৱা, লেউৰাম ডিহিঙীয়া ডেকা আদিয়ে ১৮৩০ খ্ৰীষ্টাব্দত বিদ্ৰোহ কৰে। বিদ্ৰোহৰ অৱশেষত ইংৰাজে প্ৰথম দুজনক ফাঁচী দিয়ে।

২ মহেশ্বৰ নেওগ, 'পটভূমি : ঊনবিংশ শতিকা', "বিংশ শতাব্দীৰ অসমীয়া সাহিত্য", যোগেন বৰগোহাঞি (সম্পাঃ) ১৯৮৭, পৃ.১

এনে এটা পৰিবেশৰ মাজতে ১৮৩৬ খ্ৰীষ্টাব্দত অসমীয়া-ভাষা পঢ়া-শালিৰ পৰা অপসাৰিত হ'ল। কিন্তু এই বছৰতে অসমত খ্ৰীষ্টধৰ্ম প্ৰচাৰ কৰিবলৈ আমেৰিকান বেপ্তিষ্ট মিছনৰ আগমন ঘটিল[৩] আৰু তেওঁলোকৰ আগমন অসমীয়া ভাষা আৰু সাহিত্যৰ বাবে আশীৰ্বাদ স্বৰূপ হৈ পৰিল। ১৮৪১ খ্ৰীষ্টাব্দত বাৰ্কাৰ নামৰ পাদ্ৰীয়ে পাতনি মেলা 'শিৱসাগৰ মিছন' এটা সময়ত অসমীয়া ভাষা-সাহিত্যৰ স্নায়ুকেন্দ্ৰলৈ পৰিণত হৈ পৰে। নাথান ব্ৰাউন আৰু অলিভাৰ টমাচ কটাৰে সস্ত্ৰীক শিৱসাগৰ মিছনত যোগদান কৰিলে আৰু প্ৰথমতে থলুৱা ভাষাক কটাৰে ধৰ্ম-প্ৰচাৰৰ মাধ্যম কৰি তোলে। শিৱসাগৰতে অসমৰ প্ৰথম ছপাযন্ত্ৰ প্ৰতিষ্ঠা কৰি ধৰ্ম-পুথি মুদ্ৰণ কৰিবলৈ লয়। ১৮৪৬ খ্ৰীষ্টাব্দত এই যন্ত্ৰতে অসমীয়া ভাষাৰ সৰ্বপ্ৰথম সংবাদ-পত্ৰ "অৰুণোদই" ডক্টৰ নাথান ব্ৰাউনৰ দ্বাৰা সম্পাদিত হৈ[৪] মুদ্ৰিত হয় আৰু 'আধুনিক যুগ'ৰ শুভাৰম্ভ ঘটায়। 'অৰুণোদই' প্ৰকাশৰ পৰাই অসমীয়া সাহিত্যৰ আধুনিক যুগৰ সৃষ্টি হৈছে।

মিছনাৰীসকলে অসমত কেবাটাও সুদূৰপ্ৰসাৰী কাৰ্য আৰম্ভ কৰে। এইবিলাকৰ ভিতৰত ধৰ্মপ্ৰচাৰৰ বাবে থলুৱা ভাষা গ্ৰহণ, পঢ়াশালি স্থাপন, স্ত্ৰী-শিক্ষাত গুৰুত্বাৰোপ, ধৰ্মপুথি আদি অসমীয়াত ছপা, শব্দকোষ-ব্যাকৰণ আদি গ্ৰন্থৰ ৰচনা আৰু প্ৰকাশ, বৈজ্ঞানিক ভাৱধাৰাৰ আমদানি আৰু সংবাদ পত্ৰৰ প্ৰকাশ চিৰ স্মৰণীয় হৈ ৰৈছে। আধুনিক যুগ বিকাশত এইবিলাক দান ঐতিহাসিক বুলি স্বীকৃত হৈছে।

১৮৪৬ খ্ৰীষ্টাব্দৰ জানুৱাৰী মাহৰ পৰা প্ৰকাশিত "অৰুণোদই" ধৰ্ম, বিজ্ঞান আৰু সাধাৰণজ্ঞান বিতৰণ কৰা এখন মাহেকীয়া কাকত।[৫] ইয়াত খ্ৰীষ্টিয়ান জগতৰ নানা বাতৰি, নীতি-শিক্ষা, নানা কাহিনী, জীৱনী, পাঁচালি, জ্যোতিষ, বুৰঞ্জী সকলো সামৰি লোৱাত "অৰুণোদই" কেৱল ধৰ্ম প্ৰচাৰৰ মুখপত্ৰ হৈ নাথাকিল, ই পাশ্চাত্য জ্ঞান আৰু চিন্তা-জগতৰ সৈতে অসমীয়া মানুহৰ পৰিচয় ঘটাই এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিলে।

'অৰুণোদই"এ অসমীয়া ভাষা-সাহিত্যৰ আধুনিক প্ৰতিষ্ঠা ঘটাই ভাষালৈ এটা নতুন ঠাচ কঢ়িয়াই আনে আৰু থলুৱা লেখক সৃষ্টিত অৰিহণা যোগায়। "অসমীয়া লেখকক নতুন অসমীয়া ভাষা লিখাত কলম ধৰাই, অসমীয়া শব্দাৱলীত ইংৰাজী সম্ভাৰ আৰু অসমীয়া বাক্যৰীতিত ইংৰাজী প্ৰভাৱ সুমুৱাই অসমীয়া ভাষাক মৃত-সঞ্জীৱনীৰে নতুন জীৱন দিলে,

---

৩. মহেশ্বৰ নেওগ, 'ভূমিকা', "অৰুণোদয়" (পুনঃ সংকলন), ১৯৮৩ পৃ.১৩৪ "ব্ৰাউন আৰু কটাৰ দুয়ো সপৰিয়ালে ১২ নৱেম্বৰ ১৮৩৫ত যাত্ৰা কৰি ২৩ মাৰ্চ ১৮৩৬ত সদিয়া পায়হি।"

৪. ১৮৪৬ খ্ৰীঃৰ জানুৱাৰীৰ "অৰুণোদই"ৰ প্ৰথম সংখ্যাত সম্পাদকৰ নাম নাছিল। তলত অলিভাৰ টমাচ কটাৰক প্ৰকাশক বুলিহে মুদ্ৰিত কৰিছিল। ডিম্বেশ্বৰ নেওগে New Light on History of Asamiya Literature, 1962, গ্ৰন্থৰ ৩৪১ পৃষ্ঠাত, ড° নন্দ তালুকদাৰে "সংবাদ পত্ৰৰ বাট কাটচলিত অসমীয়া সাহিত্য", ১৯৭৫ৰ ৭৫ পৃষ্ঠাত আৰু ড° মহেশ্বৰ নেওগে "অৰুণোদইৰ ধলফাট" গ্ৰন্থৰ ভূমিকাত কটাৰক প্ৰথম সম্পাদক ধৰিছিল। কিন্তু, শেহতীয়াকৈ কৰা গৱেষণাৰ অন্তত অৰুণোদই"ৰ পুনঃ সংকলনৰ ভূমিকাত ড° নেওগে ১৪৩ পৃষ্ঠত লেখিছে, "১৮৪৬ জানুৱাৰীৰ পৰা ব্ৰাউনৰ সম্পাদনাত মাহেকীয়া "অৰুণোদই" বাতৰি কাকত আৰু আলোচনী প্ৰকাশ হবলৈ ধৰে। ১৮৫৪ ডিচেম্বৰলৈকে তেওঁ তাৰ সম্পাদক আছিল।'

৫. "THE ORUNODOI, A monthly paper, devoted to religion, Science and General intelligence is printed and published at the Sibsagar Mission Press by O.T. Cutter, ..." (অৰুণোদই"ৰ ১ম বছৰ, ১ম সংখ্যা, ১৮৪৬)

আধুনিক সাহিত্য সৃষ্টিৰ বাবে অসমীয়া ভাষাৰ পথাৰত প্ৰথম নাঙল চোঁচৰালে আৰু আটাইতকৈ ডাঙৰ, অসমীয়া মানুহক আত্ম-প্ৰত্যয় শিকালে ।[৬]

"অৰুনোদই"ৰ পাতত কেবাজনো খলুৱা লেখকৰ প্ৰকাশ ঘটিলেও খলুৱা লেখিকাৰ উদ্ভৱ হোৱা নাছিল । ইংৰাজীভাষী কেইগৰাকীমান বিদেশিনী মহিলাই এই সময়ত অসমীয়া ভাষাৰ লেখিকা হিচাপে আগবাঢ়ি আহে আৰু এওঁলোককেই আধুনিক অসমীয়া সাহিত্যৰ আগলি- চ'ৰাত বহুৱাব লাগিব । এইসকল মহিলাৰ ভিতৰত ৰেভাৰেণ্ড নাথান ব্ৰাউনৰ পত্নী ইলাইজা হুইট্নি ব্ৰাউন, অলিভাৰ টমাচ কট্টাৰৰ পত্নী হেৰিয়েট বি, এল কট্টাৰ; এ, কে, গাৰ্নিৰ পত্নী মেৰী, এফ, লৰেন্স আৰু "অৰুনোদই"ৰ একমাত্ৰ মহিলা সাংবাদিক চুচান আৰ, ৱাৰ্ড প্ৰধান ।

৩.১.০২ ইলাইজা হুইট্নি ব্ৰাউন

অসমীয়া ভাষা-সাহিত্যৰ প্ৰতিষ্ঠাত সৰ্বাধিক ৰৰঙণি প্ৰদান কৰোতা ৰেভাৰেণ্ড নাথান ব্ৰাউনৰ সুযোগ্যা পত্নী ইলাইজা হুইট্নি ব্ৰাউন যথাৰ্থতে অৰুনোদই কালীন লেখিকাৰ ভিতৰত সৰ্ব-প্ৰধান । অসমীয়া আলোচনা গ্ৰন্থত ইলাইজা নামটোৰ একাধিকৰূপত ব্যৱহাৰ কৰা দেখা যায় ।[৭] ড°মহেশ্বৰ নেওগে উচ্চাৰণলৈ লক্ষ্য ৰাখি ব্যৱহাৰ কৰা ইলাইজাকে ব্যৱহাৰ ইয়াতো কৰা হৈছে । এই নাম ইংৰাজীত Eliza Whitny Brown ৰূপে ব্যৱহৃত হৈছে ।[৮] "অৰুনোদই"ৰ পাতত এইগৰাকী লেখিকাক 'ই, হু,ব' বুলি সংক্ষেপে লেখা হৈছিল । স্বামী নাথান ব্ৰাউনৰ সুযোগ্যা সহধৰ্মিনী এই গৰাকী মহিলা যাইকে শিক্ষাব্ৰতী আছিল । সদিয়াত পঢ়াশালি স্থাপন কৰাৰে পৰা ইলাইজাৰ দক্ষতা সুন্দৰকৈ প্ৰকাশ পাইছে । ব্যক্তিগত জীৱনৰ বিভিন্ন সংঘাতে ম্লান কৰিব নোৱাৰা ধৈৰ্য আৰু সাহসৰ অধিকাৰিনী এই মহিলাই স্বামীৰ সৈতে অসমত ১৮৩৬ চনৰ পৰা ১৮৫৫ চনলৈ বাস কৰিছিল ।[৯]

ইলাইজা ৰচিত গ্ৰন্থ তিনিখন । প্ৰথমখন "গণনাৰ পুথি" বা অংকবিষয়ক পুথি ।[১০] পাঠ্যপুথি স্তৰৰ এই গ্ৰন্থ ১৮৪০ চনত ৰচিত হ'লেও প্ৰথমভাগ সম্ভৱত ১৮৪৫ চনতহে প্ৰকাশ হৈ ওলাইছিল । দ্বিতীয়ভাগ স্বামীৰ সৈতে যুক্তভাৱে ১৮৫৫ চনত প্ৰথম মুদ্ৰিত হৈছিল । ১৮৭৪ চনত তৃতীয় মুদ্ৰণ হওঁতে এই গ্ৰন্থৰ পৃষ্ঠা সংখ্যা ১২০ আছিল । তেওঁৰ আন এখন পাঠ্য-পুথি স্তৰৰ গ্ৰন্থ "ভূগোলৰ বিৱৰণ" শিৱসাগৰৰ বেপ্তিষ্ট মিছন প্ৰেছৰ

---

৬. দেৱেন্দ্ৰ নাথ বেজবৰুৱা, "অসমীয়া ভাষা আৰু সাহিত্যৰ বুৰঞ্জী", ১৯৩৩ পৃ. ৩০৯

৭. ড° সত্যেন্দ্ৰ নাথ শৰ্মাই "অসমীয়া সাহিত্যৰ ইতিবৃত্ত" আৰু নিজৰ অন্যান্য ৰচনাত 'এলিজা ব্ৰাউন' ৰূপত; ড° নন্দ তালুকদাৰে "সংবাদ পত্ৰৰ ব'দ কাঁচলিত অসমীয়া সাহিত্য" গ্ৰন্থত 'এলিজী বেলাড ব্ৰাউন', আৰু কোনোকোনোৱে, 'ইলাইচা' বুলিও উল্লেখ কৰা দেখা যায় ।

৮. ড° মহেশ্বৰ নেওগে "অৰুনোদই"ৰ পুনঃ সংকলনৰ ইংৰাজীত লেখা 'Introduction (পৃ. ৬০)ত Mrs. Eliza Whitny Brown বুলি লিপিবদ্ধ কৰিছে । সম্ভৱতঃ 'অৰুনোদই'ত পোৱা 'ই, হু, ৰ'লৈ লক্ষ্যৰাখি উচ্চাৰণ অনুযায়ী ইলাইজা কৰা হৈছে । "বাইবেল"ৰ আখ্যানতো এই নামটি আছে । ইয়াৰ উচ্চাৰণ 'El-i-E'zer'.

৯. মহেশ্বৰ নেওগ, (সম্পাঃ) "অৰুনোদই" পুনঃ সংকলন, 'ভূমিকা' পৃ. ১৪৪–"আমেৰিকাৰ বোৰ্ডে পঠিওৱা ডেপুটেছন অহা তাঁৰ ছলোমন পেকে অসমত কাম কৰা সুদক্ষ মিছনেৰীসকলৰ স্কুল চলোৱা আদি কাৰ্যসূচী না-পছন্দ কৰাত অভিমত ভূল হৈ ব্ৰাউনে কাম ইস্তাফা দি ১৮৫৫ চনৰ ১৩ ফেব্ৰুৱাৰীত শিৱসাগৰ এৰে ।"

১০. দ্বিজেশ্বৰ নেওগৰ মতে এই পুথিৰ নাম "গণনাৰ অংক" (*N.L.H.A.L.*) *p.* 344)

পৰাই ১৮৫১ চনত প্ৰথম মুদ্ৰিত হৈছিল। পিটাৰ পাৰ্লিৰ বিখ্যাত ভূগোল গ্ৰন্থৰ অনুকৰণত ৰচিত এই গ্ৰন্থৰ পৃষ্ঠা সংখ্যা ১৪২ আছিল।

ইলাইজা ব্ৰাউনৰ বিখ্যাত পুথিখন হ'ল "সাধুৰ পুথি"। এই পুথিৰ প্ৰথম প্ৰকাশ ১৮৫০ চনত হৈছিল। সাহিত্যিক মূল্যবিশিষ্ট এইখনেই অসমীয়া ভাষাত প্ৰকাশিত প্ৰথম সাধুৰ কিতাপ। সম্ভৱত এইখন সাধু কিতাপকেই ডিম্বেশ্বৰ নেওগে ১৮৪০ চনত প্ৰকাশিত বুলি উল্লেখ কৰি থৈছে।[১১] "সাধুৰ পুথি"ত প্ৰকাশিত সাধুবিলাক ইংৰাজীৰ পৰা মুকলিকৈ অনুবাদ কৰা হৈছিল। এইখন গ্ৰন্থত আফ্ৰিকাৰ কোঁৱৰ, ঈশ্বৰৰ বাহ, যুদ্ধৰ নায়ক, ধাৰ্মিক-চহা, ৰাম গতিৰ বিৱৰণ, সককালৰ ধৰ্ম, মাউৰা ছোৱালী আদি সন্নিবিষ্ট হৈছিল। 'ই, হু, ৰ' নামেৰে "অৰুনোদই"ত প্ৰকাশিত ইলাইজাৰ লেখা হ'ল- 'মৃত্যু হোৱা পাদুৰি বাৰ্কৰ চাহাবৰ বিৱৰণ'।[১২] 'ৰাম গতিৰ বিৱৰণ" (অনুবাদ)[১৩] আৰু 'ধৰমী চহৰীয়া এজনৰ বিৱৰণ'।[১৪] এইবোৰ লেখাৰ সাহিত্যিক মূল্য বৰ্তমানৰ দৃষ্টিত বিশেষ নাথাকিলেও সেই যুগৰ মিছনেৰী গদ্যৰূপে চিহ্নিত হৈছে। ডক্টৰ মহেশ্বৰ নেওগৰ ভাষাত, "এওঁ লেখা বাৰ্কৰ চাহাবৰ মৃত্যু বৰ্ণনা, ৰাখৰ গল্পৰ ৰামগতিৰ কথাৰ তাৎ নিমজ আৰু প্ৰাণত লাগি যোৱা বিধৰ।"[১৫] তদুপৰি এই "সাধুৰ পুথি" গ্ৰন্থখনেই ইলাইজা হুইট্‌নি ব্ৰাউনক অসমীয়া শিশু-সাহিত্যত প্ৰাতঃস্মৰণীয় কৰি ৰাখিব।

৩.১.০৩ হেৰিয়েট বি, এল, কট্টাৰ

"অৰুনোদই"ৰ প্ৰথম প্ৰকাশক-মুদ্ৰক অলিভাৰ টমাচ কট্টাৰৰ পত্নী হেৰিয়েট বি, এল, কট্টাৰ স্বামীৰ সৈতে ১৮৩৬ চনত অসমৰ সদিয়াত প্ৰবেশ কৰি ১৮৫৩ চনলৈকে অসমত বসবাস কৰি স্বদেশলৈ উভতি যায়। ইলাইজা ব্ৰাউনৰ দৰেই হেৰিয়েটেও পঢ়াশালিত শিক্ষাদান আৰু স্ত্ৰী-শিক্ষা প্ৰসাৰৰ অভিযানত যোগদান কৰে। এওঁ স্বামীৰ উপযুক্তা পত্নী আৰু অৰুনোদই-কালীন আন এগৰাকী প্ৰধান লেখিকা। হেৰিয়েটৰ মূল্যবান অৱদান হ'ল ইংৰাজী আৰু অসমীয়া ভাষাত ৰচিত শব্দকোষ "ভকেবুলাৰি এণ্ড ফ্ৰেজেছ"। ১৮৪০ চনত ৰচিত এই পুথিৰ পৃষ্ঠা সংখ্যা ২৫২ আৰু ইয়াৰ ছপাকাৰ্য সম্পূৰ্ণ হয় জয়পুৰত প্ৰতিষ্ঠিত 'আমেৰিকান বেপ্তিষ্ট মিছন প্ৰেছ'ত। পুথিখনৰ ব্যৱহাৰিক মূল্য ইয়াৰ বিষয়বস্তুৰ আভাসযুক্ত নামটোৰ পৰাই অনুমান কৰিব পাৰি। গ্ৰন্থখনৰ নাম আৰু প্ৰকাশৰ সময় সম্পৰ্কে আলোচক সকলৰ মাজত মতভেদ পৰিলক্ষিত হৈছে। উল্লিখিত নাম আৰু সময় ড° মহেশ্বৰ নেওগ[১৬] আৰু ড° নন্দ তালুকদাৰে নিজ নিজ গ্ৰন্থত দাঙি ধৰিছে। কিন্তু, ড° সত্যেন্দ্ৰনাথ শৰ্মাই গ্ৰন্থখনৰ নাম "ইংৰাজী অসমীয়া খণ্ডবাক্য-কোষ" আৰু প্ৰকাশ কাল ১৮৪৮ চন নিৰ্ধাৰণ কৰিছে।[১৭] ড° বাণীকান্ত শৰ্মাই এই মততে হয়ভৰ

---

১১. Dembeswar Neog, *N.L.H.A.L.* p 344.

১২. "অৰুনোদই", মে চোঙা, ১৯৯০, পুনঃ সংকলনৰ পৃষ্ঠাসমূহ - আগষ্ট পৃ. ৪৫১-৪৬০, চেপ্তেম্বৰ, পৃ. ৪৭২-৪৭৩ আৰু অক্টোবৰ সংখ্যা পৃ. ৪৭৮-৪৭৯ত প্ৰকাশিত হৈছিল।

১৩. উক্ত পত্ৰিকা, মে চোঙা, ১৯৫০, পুনঃ সংকলনৰ পৃষ্ঠাসমূহ-নবেম্বৰ সংখ্যা, পৃ. ৪৮৭ আৰু ডিচেম্বৰ সংখ্যা, পৃ. ৪৯৬-৪৯৭

১৪. পূৰ্বোক্ত প্ৰত্ৰিকা, ১৯৫১, ফেব্ৰুৱাৰী, পুনঃ সংকলন পৃ. ৫২৯-৫৩০

১৫. মহেশ্বৰ নেওগ, (সম্পাঃ) "অৰুনোদই", পুনঃ সংকলন, 'ভূমিকা', পৃ. ১৫০

১৬. মহেশ্বৰ নেওগ, "অসমীয়া সাহিত্যৰ ৰূপৰেখা", ১৯৮৭, পৃ. ২৩০

১৭. সত্যেন্দ্ৰ নাথ শৰ্মা, "অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত, ১৯৮৬, পৃ. ২৩০, কিন্তু, ড° শৰ্মাই "অসমীয়া সাহিত্যৰ ইতিবৃত্ত"ৰ (৬ষ্ঠ সং) ২৩৭ পৃষ্ঠাত এই গ্ৰন্থৰ প্ৰকাশকাল ১৯৪০ চন বুলি উল্লেখ কৰিছে।

দি গ্ৰন্থখনৰ নাম "ভকেবুলাৰি এণ্ড ফ্ৰেজবুক" বুলি ধৰিছে।[১৮] তেওঁৰ মতে এই গ্ৰন্থখনকে চুচান ৱাৰ্ডে সংশোধন কৰি ১৮৭৭ চনত প্ৰকাশ কৰিছিল। দেৱেন্দ্ৰ নাথ বেজবৰুৱা আৰু ডিম্বেশ্বৰ নেওগে বেলেগ বেলেগ নামত উল্লেখ কৰা[১৯] সম্ভৱতঃ এই একেখনেই গ্ৰন্থ। ড° নন্দ তালুকদাৰৰ মতে "ফ্ৰেজেচ ইন ইংলিচ এণ্ড আচামীজ" আন এখন পুথি আৰু ইয়াক এম, এচ, ডব্লিউ ক্লাৰ্কে সংশোধন কৰি ১৮৭৭ চনত প্ৰকাশ কৰিছিল।[২০] আচলতে এডৱাৰ্ড ডব্লিউ ক্লাৰ্কে সম্পাদনা কৰি এই নামেৰে শ্ৰীমতী কট্টাৰৰ পুথিখন ১৮৭৩ চনত শিৱসাগৰ মিচন প্ৰেছৰ পৰা প্ৰকাশ কৰে আৰু গ্ৰন্থখনৰ পৃষ্ঠা সংখ্যা ৯৮ আছিল।[২১] উল্লিখিত গ্ৰন্থবোৰৰ অভাৱত তথ্যসমূহৰ সপক্ষে-বিপক্ষে মতামত দিয়া সম্ভৱ নহয়। মাইলচ্ ব্ৰনছনে অভিধান প্ৰণয়ন কৰা সময়ত শ্ৰীমতী কট্টাৰৰ গ্ৰন্থখন পাইছিল আৰু এই শব্দকোষখনে তেওঁক যথেষ্ট সহায় কৰিছিল। গতিকে, গ্ৰন্থখনৰ মূল্য সেইকালত যথেষ্ট আছিল বুলি অনুভৱ হয়।

৩.১.০৪ চুচান আৰ, বি, ৱাৰ্ড

ধৰ্ম-বিষয়ক নানা কবিতাৰ অনুবাদক যশস্বী প্ৰতিভাৰ অধিকাৰী উইলিয়াম ৱাৰ্ডৰ পত্নী চুচান আৰ ৱাৰ্ড অসমীয়া সংবাদ পত্ৰৰ ইতিহাসত প্ৰথম মহিলা। "অৰুনোদই" পত্ৰিকাত তেওঁ কেইবছৰমান সম্পাদিকা আছিল বুলি জনা যায়। বেণুধৰ শৰ্মাৰ মতে চুচান ৱাৰ্ডে ১৮৬১–১৮৬৭ কালছোৱাত "অৰুনোদই" সম্পাদনা কৰিছিল।[২২] কিন্তু ড° মহেশ্বৰ নেওগৰ মতে ১৮৬১ৰ পৰা ১৮৬৮ চনলৈ উইলিয়াম ৱাৰ্ডহে সম্পাদক আছিল। সম্ভৱতঃ চুচান ৱাৰ্ডে মাত্ৰ দুটা বছৰ, ১৮৭৩–৭৪ চনহে সম্পাদনা কৰিছিল আৰু এডৱাৰ্ড ক্লাৰ্ক সম্ভৱ তেওঁৰ সহযোগী আছিল। "তেওঁলোক দুইৰো এজনে "অৰুনোদয়"ৰ সম্পাদকৰ কাম কৰিছিল।"[২৩] যিহঁকি নহওক, উইলিয়াম ৱাৰ্ডে সম্ভৱতঃ ১৮৬১ চনত পূৰ্বৰ বৰ্ণবিন্যাস পদ্ধতিৰ সাল-সলনি ঘটাই অৰুনোদইত হেমচন্দ্ৰ বৰুৱাৰ বৰ্ণ-বিন্যাস গ্ৰহণ কৰিছিল। বোধহয় ইয়াৰ প্ৰভাৱতে মিচেচ কট্টাৰৰ "ভকেবুলাৰি এণ্ড ফ্ৰেজেছ" গ্ৰন্থখন সংশোধন কৰি প্ৰকাশ কৰিছিল। এইখন গ্ৰন্থৰ দ্বিতীয়খণ্ড এডৱাৰ্ড ক্লাৰ্কে সংশোধন কৰি ১৮৭৭ চনত "ফ্ৰেজেচ ইন ইংলিছ এণ্ড আচামীজ" নামেৰে প্ৰকাশ কৰিছিল আৰু পৃষ্ঠা সংখ্যা ৯৮ আছিল।[২৪] চুচান ৱাৰ্ডৰ নামত ১৮৬৪ চনত প্ৰথম প্ৰকাশিত পুথিখন "ইংৰাজী অসমীয়া শব্দকোষ" (Anglo-Assamese Vocabulary)। এইখন গ্ৰন্থ আৰু মিচেচ কট্টাৰৰ গ্ৰন্থক দুখন বেলেগ গ্ৰন্থ হিচাপে ডিম্বেশ্বৰ নেওগে উল্লেখ কৰি গৈছে।[২৫] চুচান ৱাৰ্ড সংশোধিত এহেজাৰ শব্দ-গঠন প্ৰণালীযুক্ত "ইংৰাজী অসমীয়া

---

১৮. বাণীকান্ত শৰ্মা, "অসমীয়া ভাষা-সাহিত্যলৈ মিছনেৰী সকলৰ অৱদান", ১৯৮১, পৃঃ ৫৬

১৯. দেৱেন্দ্ৰ নাথ বেজবৰুৱা "অসমীয়া ভাষা আৰু সাহিত্যৰ বুৰঞ্জী", ১৯৩৩ গ্ৰন্থৰ ৩৪৫ পৃষ্ঠাত "ইংৰাজী অসমীয়া খণ্ডবাক্য" গ্ৰন্থক ইংৰাজীত "<u>Phrases in English and Assamese</u>" আৰু প্ৰকাশকাল ১৮৭৭ বুলি উল্লেখ আছে। ডিম্বেশ্বৰ নেওগৰ মতেও প্ৰকাশৰ সময় ১৮৭৭ আৰু গ্ৰন্থৰ নাম "<u>Anglo-Assamese Phrases</u>" ... (<u>N.L.H.A.L.</u>, P. 345)

২০. নন্দ তালুকদাৰ, "সংবাদ পত্ৰৰ বাট কাটচলিত অসমীয়া সাহিত্য", ১৯৭৫, পৃ. ১৫৬

২১. মহেশ্বৰ নেওগ, (সম্পাঃ) "অৰুনোদই" পুনঃ সংকলন; 'ভূমিকা', পৃ. ৯৫১

২২. বেণুধৰ শৰ্মা, "দূৰবীণ" দ্ৰষ্টব্য।

২৩. মহেশ্বৰ নেওগ, (সম্পাঃ) "অৰুনোদই", 'ভূমিকা' পৃ. ৯৫৭

২৪. বাণীকান্ত শৰ্মা, "অসমীয়া ভাষা-সাহিত্যলৈ মিছনেৰী সকলৰ অৱদান", পৃ. ৫৬

২৫. Dimbeswar Neog, <u>N.L.H.AL.</u> *p*. 345

খণ্ডবাক্য" পুথিখন ১৮৭৭ চনত প্ৰকাশ হৈছিল বুলি পোৱা যায়। কিন্তু এই গ্ৰন্থৰ নাম সম্পৰ্কে আলোচক সকলে কিছুমান খেলিমেলিৰ সৃষ্টি কৰা দেখা গৈছে। আনহাতে, তেওঁ ১৮৬৪ চনত বেছিটৌ মিছন প্ৰেছৰ পৰা ১১০ পৃষ্ঠাৰ "Brief Vocabulary in English and Assamese with Radimentory Exercises" (ইংৰাজী আৰু অসমীয়া বাক্যাৱলী) প্ৰকাশ কৰে।[২৬] সম্ভৱতঃ এইখন গ্ৰন্থকে উদ্দেশ্য কৰি নেওগে "এংলো আচামীজ ভকেবুলাৰি" বুলি উল্লেখ কৰিছে। চুচান ৱাৰ্ডৰ আন এখন গ্ৰন্থ হ'ল "এ গ্লিমচেচ অৱ আসাম" (A Glimpses of Assam)।

১৮৭৩ চনত চুচান ৱাৰ্ডৰ স্বামী উইলিয়াম ৱাৰ্ডৰ অসমতে মৃত্যু হয় আৰু ইয়াৰ পাছত প্ৰায় পাঁচবছৰ কাল তেওঁ শিৱসাগৰতে কটাইছিল। চুচান ৱাৰ্ড ১৮৭৮ চনলৈ অসমত আছিল। তেওঁৰ নামত এই সময়ছোৱাত পোৱা তিনিখন গ্ৰন্থ হ'ল- "পাপ ক্ষেমা পোৱা এজনী" (১৮৮৯); "গুৰু আহিল তোমাক মাতিছে" (১৮৮৯) আৰু "খ্ৰীষ্টৰ মিত্ৰ" (১৮৮৯)।[২৭] এই তিনিওখন গ্ৰন্থৰ আকৃতি ক্ষুদ্ৰ আৰু সাহিত্যিক দিশত গুৰুত্বহীন।

৩.১.০৫ শ্ৰীমতী গাৰ্নি (মেৰী, এক, লৰেন্স)

অৰুনোদয় যুগৰ অৱসানৰ সময়ত "কামিনীকান্ত" ৰচনা কৰি প্ৰখ্যাত হোৱা মিছনেৰী বেভাৰেণ্ড এ, কে, গাৰ্নিৰ পত্নী মেৰী এক, লৰেন্স বা শ্ৰীমতী গাৰ্নিয়ে ১৮৫২ চনতে বাংলাভাষাত ৰচিত কেথেৰিণ মুলানৰ "ফুলমণি ও করুণাৰ বিৱৰণ" গ্ৰন্থখন অসমীয়ালৈ অনুবাদ কৰি ১৮৭৭ চনত প্ৰকাশ কৰে। কেথেৰিণ মুলানৰ বাংলাগ্ৰন্থখন 'দি লাষ্ট ডে অফ দি উইক' নামৰ ইংৰাজী আখ্যান এটাৰ অৱলম্বনত ৰচিত হৈছিল।[২৮] "ফুলমণি ও করুণাৰ বিৱৰণ" বাংলা উপন্যাসৰ প্ৰস্তুতি পৰ্বত এখন প্ৰাতঃ স্মৰণীয় গ্ৰন্থ। কিন্তু, শ্ৰীমতী গাৰ্নিৰ "ফুলমণি আৰু করুণাৰ বিৱৰণ" গ্ৰন্থই অসমীয়া উপন্যাস-উদ্যোগ পৰ্বত বিশেষ অৰিহণা যোগাব পৰা নাই। গদ্য গ্ৰন্থ- হিচাপে ই মৰ্যদাপূৰ্ণ আসন এখন গ্ৰহণ কৰিব নোৱাৰিলে। কাৰণ, সেই সময়ত অসমীয়া গদ্যাই হেমচন্দ্ৰ-গুণাভিৰামৰ হাতত সু-প্ৰতিষ্ঠিত হৈ উঠিছিল।

৩.১.০৬ ম.ৰ.ৰ.

"অৰুনোদই"ৰ দ্বাদশ বৰ্ষৰ ষষ্ঠ সংখ্যাত (১৮৫৭) 'সক চিমুএল'[২৯] নামৰ পদ্য এটাৰ লেখকক 'ম, ৰ, ৰ', বুলি সংক্ষেপে লেখা হৈছে। ড° মহেশ্বৰ নেওগৰ মতে এই সংক্ষিপ্ত নামে মেৰী আৰ ৱনছনৰ নামৰ সূচনা কৰে।[৩০] মেৰী মাইলছ ব্ৰনছনৰ দুহিতা। তেওঁ পিতৃ-মাতৃৰ দৰেই শিক্ষাদানৰ বাবে নামচাঙত স্কুল পাতিছিল। জনা যায় যে, মেৰী আৰ ব্ৰনছনৰ অসমতে মৃত্যু হয়। এওঁৰ বিষয়ে ইয়াতকৈ বেছি তথ্য পোৱা নাযায়।

---

২৬. মহেশ্বৰ নেওগ, (সম্পা) "অৰুনোদই" পুনঃ সংকলনৰ 'ভূমিকা', পৃ. ১৫৭

২৭. নন্দ তালুকদাৰ, "সংবাদ পত্ৰৰ বাপ কাঁচনিত অসমীয়া সাহিত্য" পৃ. ৪৭

২৮. অসিত কুমাৰ বন্দোপাধ্যায়, "বাংলা সাহিত্যের সম্পূৰ্ণ ইতিবৃত্ত" পৃ. ৪২৮
" ..... ফুলমণি' প্ৰভৃতি মুলান্সের মৌলিক রচনা নয়। The Last Day of the Week নামে একখানি ইংরাজী আখ্যানের ছায়া অবলম্বনে রচিত। শুধু চরিত্র গুলি বাঙালী।"

২৯. বিৰিঞ্চি কুমাৰ বৰুৱা (সম্পা), "অৰুনোদইৰ ঢলকাচ"ত ড° মহেশ্বৰ নেওগৰ 'ভূমিকা', পৃ. ৫৪

৩০. মহেশ্বৰ নেওগ, (সম্পা) "অৰুনোদই"ৰ ভূমিকা পৃ. ১৫৩

৩.১.০৭ অৰুণোদই যুগৰ অসমীয়া আধুনিক সাহিত্যৰ প্ৰস্তুতি পৰ্ব হিচাপে ধৰিলেহে বোধকৰো যথাৰ্থ মূল্য দিয়া হয়। পাশ্চাত্য সাহিত্যৰ সৈতে পৰিচিত এটা দলে অৰুণোদই-কালীন সাহিত্য ৰচনা কৰিলেও, সমসাময়িক পাশ্চাত্য সাহিত্যৰ মানদণ্ডটোৰ এইবোৰ অতি নিম্ন মানদণ্ডৰ। কিন্তু পাশ্চাত্যৰ পটভূমিত 'অৰুণোদই'ৰ সাহিত্যক বিচাৰ কৰিব নোৱাৰি। অসমীয়া আধুনিক সাহিত্যৰ গঠনৰ পটভূমিত এইযুগৰ ঐতিহাসিক মূল্য অক্ষুন্ন হৈ ৰৈছে। বেপ্টিষ্ট মণ্ডলিৰ পুৰুষ সকলৰ দৰেই মহিলা সকলেও যি ভূমিকা গ্ৰহণ কৰিলে, তাৰ দ্বাৰা অসমৰ সমাজ-সংস্কৃতিও লাভবান হ'ল। মহিলা সকলেও পাঠ্যপুথি, শব্দকোষ আদি ৰচনাৰ জৰিয়তে শিক্ষা-বিস্তাৰত উল্লেখযোগ্য বৰঙণি দি গ'ল। স্ত্ৰী শিক্ষা বিস্তাৰত তেওঁলোকৰ ভূমিকা, শিক্ষালয় স্থাপন আৰু পৰিচালনা স্মৰণীয় আৰু সুদূৰপ্ৰসাৰী কাৰ্য হৈ পৰিছে। আধুনিক শিক্ষাগ্ৰহণৰ বাবে অসমৰ মহিলাক জাগ্ৰত কৰি তোলাত ইলাইজা, হেৰিয়েট আদিয়েই প্ৰথম খোজটো পেলাইছিল। সাহিত্যত থলুৱা লেখিকাৰ উদ্ভৱ ক্ষেত্ৰতো তেওঁলোকৰ বৰঙণি প্ৰেৰণাদায়ক বুলি ক'ব পাৰি। নাৰীৰ অধিকাৰ সাব্যস্ত কৰাতো তেওঁলোকৰ প্ৰভাৱ পৰিলক্ষিত হয়। মুঠতে, এই বিদেশিনী মহিলাসকলেও অসমীলৈ 'আধুনিক জীৱনৰ নৱ-প্ৰভাত' কঢ়িয়াই অনাত সফলভাৱে অংশ গ্ৰহণ কৰি গ'ল।

৩.২. প্ৰাক্-জোনাকী যুগ : অসমীয়া-ভাষী লেখিকাৰ আগমন

"অৰুণোদই" কাকতখনে ১৮৬০ চন মানৰ পৰা ক্ৰমান্বয়ে পূৰ্বৰ প্ৰভাৱ হেৰুৱাবলৈ ধৰে আৰু প্ৰকাশতো যথেষ্ট অনিয়মীয়া হ'বলৈ ধৰে। তথাপি, পত্ৰিকাখন, ছেগা-চোৰোকাকৈ ১৮৮৩ চনলৈকে ওলাই আছিল।[৩১] হেমচন্দ্ৰ-গুণাভিৰামৰ শক্তিশালী পদক্ষেপৰ ফলত সম্ভৱত পত্ৰিকাখন স্তিমিত হ'বলৈ বাধ্য হৈছিল আৰু অসমীয়া সাহিত্যৰ গতিপথো সলনি হৈ পৰিছিল। গদ্য-সাহিত্যই এই সময়তে এটা নতুন ৰূপত অৱতীৰ্ণ হোৱাৰ উপৰিও কাব্য-নাটকতো এটা পৰিবৰ্তন সূচিত হয়।

অসমীয়া ভাষা-সাহিত্যৰ মৰ্যদা প্ৰতিষ্ঠাত ১৮৭৩ চনটো এটা গুৰুত্বপূৰ্ণ বছৰ। এই বছৰতে আনন্দৰাম ঢেকীয়াল ফুকনৰ দিনৰ পৰা চলি অহা অসমীয়া ভাষাৰ প্ৰতিষ্ঠা-সংগ্ৰামে সুফল লাভ কৰি স্কুল-আদালতত চৰকাৰীভাৱে স্বীকৃত হয়। অসমীয়া ভাষা-সাহিত্যৰ বুৰঞ্জীত গতিকে এই চনটো 'এটা স্পষ্ট মাইলৰ খুটি।[৩২]' ইয়াৰ গুৰুত্বৰ প্ৰতি লক্ষ্য ৰাখি পৰবৰ্তীকালৰ "জোনাকী" পত্ৰিকা প্ৰকাশ পৰ্যন্ত ষোল-বছৰীয়া কালটোক (১৮৭৩-১৮৮৮চন) 'হেমচন্দ্ৰ-গুণাভিৰাম যুগ' নাইবা 'প্ৰাক্-জোনাকী যুগ' ৰূপে অভিহিত কৰা হৈছে। এই কালছোৱাতে অসমীয়া সাহিত্যই এক উল্লেখযোগ্য পৰিবৰ্তন লাভ কৰি বৈশিষ্ট্যময় হৈ উঠে। হেমচন্দ্ৰ বৰুৱা আৰু গুণাভিৰাম বৰুৱাৰ নেতৃত্বত ভাষা-সাহিত্যই

---

৩১. অৰুণোদয় পত্ৰিকাৰ প্ৰকাশ বন্ধ সম্পৰ্কে বিভিন্নজনে ভিন ভিন মত প্ৰকাশ কৰিছে।

ডিম্বেশ্বৰ নেওগে ১৮৮২ চন (N.L.H.A.L. p. 341); নন্দ তালুকদাৰে ১৮৮২-৮৩ (বাঁহ-কাঁচনি, পৃ. ৭৬), সত্যেন্দ্ৰনাথ শৰ্মাই ১৮৮২ (ইতিবৃত্ত, পৃ.২১২) আৰু মহেশ্বৰ নেওগে ১৮৮২-৮৩ চন (ৰূপৰেখা ২৪২) পৰ্যন্ত পত্ৰিকাখন চলিছিল বুলি লিখিছে। কিন্তু চুচান ৱাৰ্ডে "A Glumpses of Assam" গ্ৰন্থত অৰুণোদয় ১৮৮০ চনত বন্ধ হৈ পৰে বুলি লিখি থৈছে। ড° নেওগে এই মতকে পৰোক্ষভাৱে মানি লৈ লেখিছে– "সেয়ে বোধহয় নিৰ্ভৰযোগ্য।" ("অৰুণোদই" পুনঃ সংকলনৰ 'ভূমিকা' পৃ. ১৪১)

৩২. মহেশ্বৰ নেওগ, "অসমীয়া সাহিত্যৰ ৰূপৰেখা", ১৯৮৭, পৃ. ২৩৫

প্ৰকৃত আধুনিকতাৰ বাটত অগ্ৰসৰ হয়। ব্যাকৰণ-অভিধানৰ উপৰিও এইছোৱা সময়তে প্ৰবন্ধ-নিবন্ধ, জীৱনী, বুৰঞ্জী, নাটক, উপন্যাস, খণ্ড কবিতা, ভ্ৰমণ বৃত্তান্ত, শিশু-সাহিত্য আদি সাহিত্যৰ বিভিন্ন দিশত লেখক-লেখিকাসকলে বৰঙণি দিবলৈ সক্ষম হয়। প্ৰকৃতপক্ষে এই ষোল বছৰতে আধুনিক অসমীয়া সাহিত্যৰ নৱন্যাসে পাতনি মেলি শেহৰ ফালে 'জোনাকী'ৰ প্ৰকাশৰ সময়ত ষোড়শী হৈ উঠে। তদুপৰি, এই সময়ছোৱাতে গুণাভিৰাম বৰুৱাৰ "আসাম বন্ধু" (১৮৮৫-৮৬) পত্ৰিকাত ইংৰাজী ভাষা-সাহিত্যৰ সৈতে পৰিচয় ঘটা এচাম নতুন লেখকৰ উদ্ভৱ হয়। যাইকে কবিতাৰ যোগেদি "আসাম বন্ধু"ত ৰমন্যাসবাদৰ পটভূমি নিৰ্মিত হয়। "অসমীয়া ৰোমান্টিক কবিতাই "জোনাকী"ত লাভ কৰা ৰূপৰ পূৰ্ণতাৰ আৰম্ভণি ঘটিছে "আসাম বন্ধু"ৰ বুকুত।"[৩৩] "আসাম বন্ধু"ৰ চৈধ্যটি সংখ্যাত প্ৰকাশিত সাতচল্লিছটা বিভিন্ন বিষয়ৰ কবিতাই সৃষ্টিশীল সাহিত্যত মূল্যবান বৰঙণি দি গৈছে। ভোলানাথ দাসৰ 'মেঘ'[৩৪], 'কিয়নো নাজাগে আমাৰ মন'[৩৫] আদি কবিতাত; সত্যনাথ বৰাৰ, 'গোলাপ ফুল'[৩৬] ৰত্নেশ্বৰ মহন্তৰ 'দুলবলিশা',[৩৭] হেমচন্দ্ৰ গোস্বামীৰ 'প্ৰকৃতি'[৩৮] আদি বহুকেইটা কবিতাত ৰমন্যাসবাদৰ দুই এটা লক্ষণ প্ৰকাশ হোৱা দেখা যায়। ড° মহেন্দ্ৰ বৰাই ভোলানাথ দাসৰ 'মেঘ' কবিতাটোক অসমীয়া কাব্য-ইতিহাসত প্ৰকৃতি প্ৰাণময়ভাৱে অভিষিক্ত হোৱাৰ বাবে উল্লেখযোগ্য কবিতা বুলি স্বীকৃতি দিছে। 'প্ৰকৃতিৰ সৌন্দৰ্যত ব্যক্তি সত্তা' আৰোপিত হোৱাত "মেঘ'ত ৰমন্যাসিক কবি-মানসৰ অভিব্যক্তি পোৱা যায়।"[৩৯] অৱশ্যে, ভোলানাথ দাস, কমলাকান্ত ভট্টাচাৰ্য আদি সেই সময়ৰ প্ৰবীন কেইজনক প্ৰাক্-ৰমন্যাসিক কবিৰূপে ধৰাই সমীচীন।

"আসাম বন্ধু",ৰ পাতত আত্মপ্ৰকাশ কৰা নতুন লেখকসকলৰ জনদিয়েকে "জোনাকী" কালত ৰমন্যাসবাদৰ নেতৃত্ব বহন কৰে। এওঁলোকৰ ভিতৰত চন্দ্ৰকুমাৰ, বেজবৰুৱা, হেমচন্দ্ৰ গোস্বামী আৰু সত্যনাথ বৰা বিশেষ প্ৰনিধানযোগ্য।

প্ৰাক্-জোনাকী যুগৰ লেখিকাৰ ভিতৰত চাৰিগৰাকীৰ নাম উল্লেখযোগ্য। এওঁলোকৰ প্ৰথম গৰাকী হ'ল হলিৰাম ঢেকীয়াল ফুকনৰ কন্যা তাৰিণী দেৱী, দ্বিতীয় গৰাকী আনন্দ ৰাম ঢেকীয়াল ফুকনৰ দুহিতা পদ্মাৱতী দেৱী ফুকননী, তৃতীয় গৰাকী গুণাভিৰাম বৰুৱাৰ পত্নী বিষ্ণুপ্ৰিয়া দেৱী আৰু চতুৰ্থ গৰাকী হ'ল গুণাভিৰাম-বিষ্ণুপ্ৰিয়াৰ দুহিতা স্বৰ্ণলতা বৰুৱা (দেৱী)। এই চাৰি গৰাকীৰ বাহিৰে অন্য লেখিকাৰ উল্লেখ ঊনবিংশ শতাব্দীৰ সাহিত্যত পোৱা নাযায়।

---

৩৩ নগেন শইকীয়া, (সম্পাঃ) "আসাম বন্ধু" (একত্ৰ সংকলন), 'ভূমিকা' পৃ. ৩৯

৩৪. "আসাম বন্ধু", ১৮৮৬, ৩য়-৪ৰ্থ সংখ্যা, একত্ৰ সংকলন পৃ. ৫৫৬

৩৫. উক্ত গ্ৰন্থ, ১৮৮৫, ১ ম ভাগ, ৫ম সংখ্যাৰ একত্ৰ সংকলন পৃ. ১৫১

৩৬. "পূৰ্বোক্তগ্ৰন্থ", ১ম ভাগ, ১ম সংখ্যা, ১৮৮৫, পুনঃ সংকলন পৃ.১৫১
"আসাম বন্ধু"ত সত্যনাথ বৰাৰ এইটোৱেই প্ৰথম কবিতা। কবিতাটিত ৰমন্যাসিক লক্ষণ স্পষ্ট। – "যাৰ সৌধ পায় তোমোৰা সদাই
হয় অতি বিয়াকুল
গুণ গুণ কৰি ফুৰে ঘূৰি ঘূৰি
সেয়েহে গোলাপ ফুল।—"

৩৭. পূৰ্বোক্তগ্ৰন্থ, ১ম ভাগ, ৩য় সংখ্যা, ১৮৮৫, পুনঃ সংকলন পৃ. ৮১

৩৮ পূৰ্বোক্তগ্ৰন্থ, ২য় খণ্ড, ১/২ সংখ্যা, ১৮৮৬, পুনঃ সংকলন পৃ. ৪১৪

৩৯ মহেন্দ্ৰ বৰা, (সম্পাঃ) "অসমীয়া কবিতা চয়ন", চতুৰ্থ সংস্কৰণ, ১৯৭৮, 'ভূমিকা', পৃ. ২৪

৩.২০.০১ তাৰিণী দেৱী (১৮২৯-১৮৯২)

তাৰিণী দেৱী হৰিৰাম ঢেকীয়াল ফুকনৰ জীয়াৰী। তেওঁৰ দুগৰাকী ভাৰ্যাৰ প্ৰথম গৰাকী প্ৰসূতি দেৱী আনন্দৰাম ঢেকীয়াল ফুকনৰ মাতৃ আৰু দ্বিতীয় গৰাকী কল্যানী দেৱী (তিলোত্তমা) তাৰিণী দেৱীৰ মাতৃ। প্ৰাপ্ত তথ্যমতে ১৮২৯ চনৰ (১৭৫১ শক) ফাগুন মাহত তাৰিণীৰ জন্ম আৰু সেই চনৰে আহিন মাহলৈ (১৭৫২ শক) আনন্দৰামৰ জন্ম।

হৰিৰাম ঢেকীয়াল ফুকন উনবিংশ শতাব্দীৰ প্ৰথম ভাগৰ এগৰাকী অতি প্ৰভাৱশালী, উচ্চ-শিক্ষিত আৰু অভিজাত ব্যক্তি আছিল। তেওঁ নিজ পুত্ৰ-কন্যাক উচ্চ-শিক্ষিত কৰি তোলাত যথোপযুক্ত ব্যৱস্থা লৈছিল। পুত্ৰ আনন্দৰামে সকলো ক্ষেত্ৰতে পিতৃক চেৰ পেলাবলৈ সক্ষম হৈছিল। আনহাতে তাৰিণী দেৱীয়েও নাৰী শিক্ষানুষ্ঠানৰ অভাৱত পিতৃৰ ঘৰা ঘৰতে শিক্ষালাভ কৰি উপযুক্তা হৈ উঠিছিল। হৰিৰাম ঢেকীয়াল ফুকনে উপযুক্ত শিক্ষিত পাত্ৰৰ সন্ধান কৰি জখলাবন্ধা সত্ৰৰ যুৱক ৰঘুদেৱ গোস্বামীৰ সৈতে তাৰিণীৰ বিবাহ সম্পন্ন কৰে। ৰঘুদেৱ ভোলানাথ সদৃশ ব্যক্তি হোৱাত অচিৰেই স্বামীগৃহৰ সৰ্ব-দায়িত্ব আৰু কতৃত্ব লাভ কৰে। স্বামীগৃহ পিতৃ-গৃহৰ দৰেই সকলো দিশত সমকক্ষ হোৱাত তাৰিণীয়ে এটা সুন্দৰ পৰিবেশ সৃষ্টি কৰিব পাৰিছিল। তেওঁ সত্ৰখনৰ নিৰক্ষৰ সকলক সাক্ষৰ কৰি তুলিছিল। বোৱাৰীসকল সমবিতে সত্ৰৰ নিৰক্ষৰা মহিলাক অক্ষৰ জ্ঞান দি স্ত্ৰী-শিক্ষাৰ পোষকতা কৰি জীৱনাদৰ্শ প্ৰতিষ্ঠা কৰিছিল। নিজ পুত্ৰ-কন্যাসকলক উপযুক্ত সু-শিক্ষাৰে গঢ়ি তুলিছিল আৰু অন্যান্যলোককো উৎসাহিত কৰিছিল। তাৰিণী দেৱী ধৰ্মপ্ৰাণ-মহিলা আছিল আৰু জীৱনৰ শেষছোৱা বিভিন্ন সৎকাৰ্যত অতিবাহিত কৰিছিল। ১৮৯২ চনত এই গৰাকী গুণী মহিলাৰ মৃত্যু হয়।

তাৰিণী দেৱী সত্ৰীয়া পৰিবেশৰ নাৰী হোৱাত সাধাৰণতেই ধৰ্মীয় দিশত চিন্তা-চৰ্চা কৰিছিল আৰু নিজেও ধৰ্মীয় গীত ৰচনা কৰিছিল। তেওঁৰ বহুতো গীত "জখলাবন্ধা সত্ৰ গীত" নামৰ ছপা পুথিত প্ৰকাশ পাইছিল। তেওঁৰ গীতৰ সংখ্যা বহুত বুলি কোৱা হ'লেও প্ৰাপ্ত গীত বেছি নহয়।[৪০] উল্লিখিত গ্ৰন্থখনত দুটি সত্ৰ-গীত আৰু এটি আৰতি গীত তাৰিণী দেৱীৰ নামত পোৱা গৈছে আৰু তিনিওটি ৰচনাই তেওঁক বৈষ্ণৱ পৰম্পৰাৰ কবিৰূপে চিনাকি কৰি দিছে। নামঘৰত বিভিন্ন সময়ত গাবৰ বাবে গীতবোৰ ৰচিত। তাৰিণী দেৱীৰ গীতবোৰত শ্ৰীকৃষ্ণৰ বন্দনা ব্যাপক। শ্ৰীকৃষ্ণৰ 'ললিত বলিত দুয়ো পাদ অৰবিন্দ, মহা মহা পাপী তৰে বুলিয়া গোবিন্দ' আৰু 'মধুৰ মধুৰ ধ্বনি বংশী বজাৱে, গকুলে আনন্দ অধিক বঢ়াৱে' আদি সুমধুৰ ভাব-প্ৰকাশক গীতসমূহে বহুযুগৰ আগতে ৰচিত বৰগীত বিলাক মনত পেলাই দিয়ে। অৱশ্যে, সৰহ ভাগ গীতত লোকগীতৰ প্ৰভাৱ সু-স্পষ্ট। যেনে,

অ' মনিকূট গৃহৰে গৃহৰে
গোবিন্দ বিৰাজে,
অৰুণ লোচন কমলবদন
শশধৰ অধিৰাজে
অ' মণিকূট গৃহৰে
গোবিন্দ বিৰাজে ।----

---

৪০. তাৰিণী দেৱী সম্পৰ্কে পৰিব্ৰাজিকা লীলা দেৱীয়ে লেখা 'তাৰিণীদেৱী'ত পোৱা যায় যে জখলাবন্ধা সত্ৰ গীতৰ অপ্ৰকাশিত ছপা পুথিৰ পাতবিলাকত তেওঁৰ দুটি গীত আৰু এটি আৰতিহে উদ্ধাৰ হৈছে। ("লেখিকাৰ জীৱনী", লীলা বৰঠাকুৰ সম্পাদিত, পৃ. ১৭)। গীত কেইটা ২নং পৰিশিষ্টত সন্নিবিষ্ট হৈছে।

তাৰিণী দেৱীৰ গীতবোৰত শ্ৰীকৃষ্ণৰ ঝুলন যাত্ৰা, জন্মাষ্টমী, মহাৰাস, দৌল যাত্ৰা, নন্দোৎসৱ, বলিচলন আদি বিষয়ক গীত আছে। তাম্ৰমইয়াৰ নাম, আই ঠাকুৰাণীৰ নাম, অন্নপূৰ্ণা পূজাৰ নাম আদি বহুতো অপ্ৰকাশিত প্ৰাৰ্থনা গীত আছে বুলি জানিব পৰা গৈছে। 'তাৰিণী দেৱীয়ে কয় কৃপা কৰা হৰি'ৰ দৰে প্ৰায়বোৰ গীতত ভনিতা পোৱা দেখা যায়। তেওঁৰ গীতবিলাকত ভগৱৎ ভক্তি আৰু আধ্যাত্মিক বিকাশৰ ঐকান্তিক কামনাৰ লগতে উচ্চ চিন্তাধাৰাৰ সংযোগ দেখা যায়। এই গীতসমূহ প্ৰাক্-জোনাকীকালৰ শেষৰ কুৰি বছৰ মানৰ ভিতৰতে খুব সম্ভৱ ৰচনা কৰিছিল।

৩.১.০২ বিষ্ণুপ্ৰিয়া দেৱী (১৮৩৯/৪০-১৮৯২)

প্ৰাক্-জোনাকীকালৰ এগৰাকী উল্লেখযোগ্য লেখিকা বিষ্ণুপ্ৰিয়া দেৱীৰ জন্মৰ সময় সঠিকভাৱে নিৰ্ণয় কৰিব নোৱাৰি। তেওঁৰ পুত্ৰ জ্ঞানদাভিৰাম বৰুৱাই "মোৰ কথা"ত উল্লেখ কৰা মতে মৃত্যুৰ সময়ত (১৮৯২ চনৰ ২৬ মাৰ্চ) বিষ্ণুপ্ৰিয়াৰ বয়স ৫২/৫৩ বছৰ হৈছিল। গতিকে, এই হিচাপৰ পৰা তেওঁৰ জন্মৰ সময় ১৮৩৯/৪০ চনৰ ভিতৰত অনুমান কৰি ল'ব পাৰি।

গুণাভিৰাম বৰুৱাৰ দ্বিতীয় ভাৰ্যা বিষ্ণুপ্ৰিয়া দেৱীৰ পিতৃ হ'ল লম্বোদৰ কটকী। ১৮৫৩ চনত বিষ্ণুপ্ৰিয়াৰ প্ৰথম বিবাহ হৈছিল আনন্দৰাম ঢেকীয়াল ফুকনৰ বাল্যবন্ধু পৰশুৰাম বৰুৱাৰ লগতে। কিন্তু, ১৮৬৩ চনত পৰশুৰামৰ অকাল মৃত্যু হোৱাত তেওঁ কম বয়সতে বিধৱা হয়। আনহাতে ১৮৬৭ চনত গুণাভিৰামৰ প্ৰথমা পত্নী, আনন্দৰাম ঢেকীয়াল ফুকনৰ খুলশালী ব্ৰজসুন্দৰীৰ অকাল বিয়োগ ঘটে। ব্ৰজসুন্দৰীৰ মৃত্যুৰ পাছতে গুণাভিৰামে ব্ৰাহ্মমত গ্ৰহণ কৰে[৪১] আৰু বিধবা-বিবাহ কৰিবলৈ উদ্যত হয়। তেওঁ পূৰ্বৰে পৰা বিধবা-বিবাহ আৰু ব্ৰাহ্ম-ধৰ্মৰ সমৰ্থক আছিল। বঙ্গদেশৰ বিখ্যাত পণ্ডিত ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰৰ যত্নত প্ৰচলিত বিধবা-বিবাহৰ ঘোৰ সমৰ্থক গুণাভিৰাম বৰুৱাই তেওঁৰ প্ৰথম বিবাহৰ বহু পূৰ্বেই এটি চমু নিবন্ধ ৰচনা কৰি "অৰুণোদই"ৰ ১৮৫৪ চনৰ জানুৱাৰী সংখ্যাত প্ৰকাশ কৰি অসম দেশতো তেনে শুভকৰ্ম অনুষ্ঠিত কৰাৰ পোষকতা কৰিছিল।[৪২] তেওঁ একাধিকবাৰ "অৰুণোদই"ৰ পাতত এই বিষয়ে যুক্তি প্ৰদৰ্শন কৰিছিল আৰু বিধবা বিবাহৰ সমৰ্থনত লেখা "ৰামনৱমী" নাটকখনো ইয়াতে প্ৰকাশ পাইছিল। ব্ৰজসুন্দৰীৰ মৃত্যুয়ে গুণাভিৰামক নিজ মতাদৰ্শ প্ৰতিষ্ঠাৰ সুযোগ আনি দিলে। ১৮৭০ চনৰ এপ্ৰিলত বিষ্ণুপ্ৰিয়া দেৱীক বিবাহ কৰাই গুণাভিৰামে অসমত এই 'শুভ কৰ্ম'ৰ উদ্বোধন কৰিলে। উল্লেখযোগ্য যে, ১৮৭২ চনত প্ৰণীত হোৱা 'বিবাহ পঞ্জীয়ণ আইন' অনুসৰি এইচনৰে ডিচেম্বৰত বিয়াৰ দুবছৰৰ পাছত পঞ্জীবদ্ধ কৰা হ'ল আৰু এইখনেই পঞ্জীবদ্ধ বিবাহৰ প্ৰথম দৃষ্টান্ত।[৪৩] গুণাভিৰামৰ বিধবা-বিবাহে অসমত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছিল আৰু ব্ৰাহ্মমতত অনুষ্ঠিত এইখনেই সমাজত নোহোৱা-নোপোজা প্ৰথম বিবাহ আছিল।

---

৪১. গুণাভিৰাম বৰুৱা, "আনন্দৰাম ঢেকীয়াল ফুকনৰ জীৱন-চৰিত", পৃ. ১৭৬

৪২. 'কলিকতাত থকা এজন অচমিয়ালোক' ছদ্মনামত গুণাভিৰামে 'বিধবা-বিবাহ' শীৰ্ষক চুটি নিবন্ধ ৰচনা ১৮৫৩ চনৰ ১২ ডিচেম্বৰত কৰিছিল আৰু ১৮৫৪ চনৰ জানুৱাৰী মাহৰ "অৰুণোদই"ত প্ৰকাশ পাইছিল। বঙ্গদেশৰ মেদিনীপুৰত হোৱা এখন বিধবা-বিবাহৰ তাঁত ধৰি লেখিছিল,-"জগত ঈশ্বৰত প্ৰাৰ্থনা কৰিচোঁ, জেন এই সুনিতি আমাৰ দেশতো চলি এই দেশৰ সহিৰ লোকৰ পাপসকল দুৰ হই।..' "অৰুণোদই", পুনঃ সংকলন, পৃ. ১০৮৯।

৪৩. নগেন শইকীয়া, (সম্পাঃ) "আসাম বন্ধু", একত্ৰ সংকলন, 'ভূমিকা' পৃ. ২১

গুণাভিৰাম-বিষ্ণুপ্ৰিয়াৰ প্ৰথম সন্তান স্বৰ্ণলতা বৰুৱা (দেৱী) অসমীয়া সাহিত্যৰ এগৰাকী লেখিকা। তেওঁলোকৰ চাৰিজন পুত্ৰ হ'ল– জ্ঞানদাভিৰাম বৰুৱা, সত্যাভিৰাম, কমলাভিৰাম আৰু কৰুণাভিৰাম।[৪৪]

বিষ্ণুপ্ৰিয়া দেৱী গুণাভিৰামৰ দৰেই সাহসী আৰু বিদুষী মহিলা। স্ত্ৰী-শিক্ষাৰ প্ৰতি তেওঁৰ গভীৰ ধাউতি থকাৰ বাবেই স্বৰ্ণলতাক কলিকতাৰ বেথুন স্কুলত মাত্ৰ ন বছৰ বয়সতে ভৰ্তি কৰি দিছিল। তদুপৰি, নগাঁৱৰ পৰা কলিকতালৈ সেইকালতে অকলে আহ-যাহ কৰি স্বৰ্ণলতাৰ খা-খবৰ ৰাখিছিল। এই কাৰ্যই তেওঁৰ সাহস আৰু স্ত্ৰী-শিক্ষাৰ প্ৰতি গভীৰ অনুৰাগৰ পৰিচয় দাঙি ধৰে। বিষ্ণুপ্ৰিয়াই নিজ পুত্ৰ-কন্যাৰ শিক্ষাৰ তদাৰক কৰিলেও, গুণাভিৰামো শিক্ষা-দীক্ষাৰ জৰিয়তে অসমৰ সৰ্বতো প্ৰকাৰ উন্নতি কামনা কৰা সকলৰ অগ্ৰণী আছিল। তেখেঁত স্ত্ৰী-শিক্ষাৰ পৃষ্ঠপোষক আছিল বাবে পত্নী বিষ্ণুপ্ৰিয়াক নিজেই অসমীয়া, বাংলা আৰু কিছু পৰিমাণে ইংৰাজীৰ প্ৰয়োজনীয় জ্ঞান দিছিল। লক্ষ্মীনাথ বেজবৰুৱাই তেওঁৰ আত্মজীৱনী "মোৰ জীৱন সোঁৱৰণ"ত এই গৰাকী মহিলাৰ 'মিষ্টভাষিণী' ৰূপৰ কথা শ্ৰদ্ধাৰে স্মৰণ কৰিছে।[৪৫] ১৮৯২ চনত এই গৰাকী মহিলাৰ মৃত্যু হয়। তেওঁৰ স্মৃতি স্মৰণীয় কৰি ৰাখিবৰ বাবে গুণাভিৰাম বৰুৱাই 'বিষ্ণুপ্ৰিয়া দেৱী বঁটা' নামৰ এটি পুৰস্কাৰ কলিকতা বিশ্ব-বিদ্যালয়ত প্ৰবৰ্তন কৰে।[৪৬] এই পুৰস্কাৰ স্নাতক পৰীক্ষাত প্ৰথম হোৱাজনক দিয়াৰ ব্যৱস্থা হয়।

বিষ্ণুপ্ৰিয়া দেৱীৰ গ্ৰন্থ জগতলৈ অৱদান যৎসামান্য। "নীতিকথা" নামৰ সাধুৰ জৰিয়তে নীতিশিক্ষা প্ৰদান কৰা এই মূল্যবান গ্ৰন্থখন ১৮৮৪ চনত ৰচিত।[৪৭] এই গ্ৰন্থ শিশু আৰু চেমনীয়াৰ বাবে উপযুক্ত আৰু শিশু-সাহিত্যৰ প্ৰাৰম্ভিক কালত ৰচিত বাবে ইয়াৰ ঐতিহাসিক মূল্য যথেষ্ট। গ্ৰন্থখনে অৰুনোদই যুগৰ আৰম্ভণিতে (১৮৫০ চন) প্ৰকাশিত ইলাইজা হুইটনি ব্ৰাউনৰ "সাধুৰ পুথি" লৈ মনত পেলাই দিয়ে। এই গ্ৰন্থৰ আদৰ্শতে "নীতিকথা" ৰচিত বুলিব পাৰি। বিষ্ণুপ্ৰিয়া দেৱীয়েও না-না ক্ষেত্ৰৰ পৰা সাধুবিলাক সংগ্ৰহ কৰি নিজৰ ভাষাৰে সজাই-পৰাই আকৰ্ষণীয় কৰি তুলিছে। গ্ৰন্থখনৰ সেইকালৰ গদ্যৰ চানেকি হিচাপেও মূল্য এটি বৈছে।

সমাজসেৱিকা হিচাপেও বিষ্ণুপ্ৰিয়া দেৱীৰ খ্যাতি আছিল। সমসাময়িক সমাজখনত তেওঁৰ প্ৰভাৱ যথেষ্ট আছিল আৰু নাৰী প্ৰগতিৰ তেৰেই থলুৱা-মহিলাৰ ভিতৰত বাটকটীয়া আছিল। স্ত্ৰী-শিক্ষাৰ বিস্তাৰৰ জৰিয়তেহে নাৰী-মুক্তি সম্ভৱ বুলি তেওঁ ভাবিছিল। বিষ্ণুপ্ৰিয়া আদৰ্শ পত্নী আৰু মাতৃৰূপেও স্মৰণীয়।

---

৪৪ কৰুণাভিৰাম বৰুৱা প্ৰথম অসমীয়া শিশু–আলোচনী "ল'ৰাবন্ধু"ৰ সম্পাদক আছিল।

৪৫. লক্ষ্মীনাথ বেজবৰুৱা, "মোৰ জীৱন সোঁৱৰণ" পৃ. ৯৬, ১৫৭

৪৬. নন্দ তালুকদাৰ, "জীৱন স্মৰণ", 'গুণাভিৰাম' অধ্যায়, পৃ. ১৮

৪৭. "নীতিকথা" গ্ৰন্থখনৰ প্ৰথম প্ৰকাশ কাল সম্পৰ্কে একাধিক চনৰ উল্লেখ ভিন্ ভিন্ গ্ৰন্থত ভিন্ ভিন্ ৰূপত পোৱা যায়। নন্দ তালুকদাৰে ১৮৮০ বুলি উল্লেখ কৰিছে। জিতেন্দ্ৰ নাথ বুজৰবৰুৱাই "কামৰূপ ৰত্নমালা"ত পদ্মাৱতী দেৱী ফুকননী সম্পৰ্কে লেখা নিবন্ধত "নীতিকথা"ৰ ৰচনা কাল ১৮৮৩ চন বুলি দেখুৱাইছে। কিন্তু, ডিম্বেশ্বৰ নেওগ প্ৰমুখ্যে সাহিত্য-বুৰঞ্জীকাৰসকলে ১৮৮৪ চনক মানি লৈছে। গতিকে, মূল গ্ৰন্থৰ অভাৱত ইয়াকে মানি লোৱা হৈছে।

৩.২.০৩ স্বৰ্ণলতা বৰুৱা (১৮৭১-১৯৩২)

"আৰ্হি-তিৰোতা" গ্ৰন্থৰ ৰচয়িত্ৰী স্বৰ্ণলতা বৰুৱা (দেৱী) প্ৰাক্-জোনাকী আৰু জোনাকীযুগৰ এগৰাকী বিশিষ্ট গদ্য-লেখিকা। "আসাম বন্ধু" আৰু "জোনাকী" কাকতত লেখা-মেলা কৰাৰ আগতে, কলিকতাৰ বেথুন স্কুলত শিক্ষা গ্ৰহণ কৰি থকা অৱস্থাতে মাত্ৰ তৈধ্য বছৰ বয়সতে তেওঁ "আৰ্হি-তিৰোতা" (১৮৮৪) ৰচনা কৰি সকলোকে চমকিত কৰি তোলে। অৱশ্যে, গুণাভিৰাম বৰুৱাৰ দৰে এজন বিজ্ঞলোকৰ পৰিয়ালত, ইমান কম বয়সতে গ্ৰন্থ ৰচনা কৰাত বোধকৰো আচৰিত হ'বলগীয়া একো নাই।

গুণাভিৰাম-বিষ্ণুপ্ৰিয়াৰ প্ৰথম সন্তান আৰু একমাত্ৰ দুহিতা স্বৰ্ণলতাৰ জন্ম ১৮৭১ চনৰ ফেব্ৰুৱাৰীত। স্বৰ্ণলতাই ১৮৮০ চনৰ পৰা ১৮৮৭ চন পৰ্যন্ত কলিকতাৰ বেথুন স্কুলত শিক্ষা-গ্ৰহণ কৰিছিল। ১৮৮৭ চনত স্বৰ্ণলতাৰ বিবাহ বিলাতৰ এডিন বৰাৰ পৰা সুখ্যাতিৰে 'এম. বি. চি. এম' উপাধি লাভ কৰি অহা এজন বাঙালী সু-চিকিৎসক ডাঃ নন্দ কুমাৰ ৰায়ৰ লগত সম্পন্ন হোৱাত তেওঁৰ শিক্ষা-লাভত ইয়াতেই যতি পৰিল। বিয়াৰ তিনিবছৰমানৰ ভিতৰতে তেওঁ দুগৰাকী কন্যা-সন্তানৰ জননী হয় আৰু ইয়াৰ অলপ দিনৰ পাছতে ১৮৯০ চনত নন্দ কুমাৰৰ অকালতে বিয়োগ ঘটাত দুঃখময় বৈধব্য জীৱন আৰম্ভ হয়। জীয়েকৰ এই দুৰ্যোগত গুণাভিৰাম ভাগি পৰে আৰু সপৰিয়ালে নগাওঁ ত্যাগ কৰি কলিকতাত স্থায়ীভাৱে বাস কৰিবলৈ যায়।[৪৮] তেওঁ স্বৰ্ণলতাক নিজৰ লগলৈ আনি কিছু সকাহ দিয়াৰ যত্ন কৰিছিল যদিও পৰিয়ালটোলৈ উপৰ্যুপৰি দুৰ্যোগ নামি অহাত স্বৰ্ণলতাই সুখৰ মুখ নেদেখিলে। প্ৰথমতে ১৮৯২ চনত মাক বিষ্ণুপ্ৰিয়াৰ মৃত্যু হ'ল আৰু পাছৰ বছৰৰ (১৮৯৩) জুলাইৰ ১২ তাৰিখে ভাতৃ করুণাভিৰামৰ অকাল বিয়োগ ঘটিল। সৰাতোকৈ ডাঙৰ দুৰ্যোগ আহিল ১৮৯৪ চনৰ ২৫ মাৰ্চ দেওবাৰৰ দিনা। সেইদিনা গুণাভিৰাম বৰুৱাৰ জীৱনাৱসান হয়।[৪৯] এইবাৰ ভাতৃদ্বয় কমলাভিৰাম, জ্ঞানদাভিৰাম আৰু নিজ কন্যা দুটিৰে সৈতে স্বৰ্ণলতা প্ৰায় নিৰাশ্ৰয়া হৈ পৰে। এনে অৱস্থাৰ পৰা ৰৰজনাক ৰজনীনাথ বৰে তেওঁক ভাতৃ-কন্যাসহ নিজৰ লগলৈ লৈ যোৱাত বিপৰ্যয় কিছু শাম কাটিছিল। কিন্তু, কেইমাহমানৰ পাছতে ১৮৯৪ চনৰ নবেম্বৰত কমলাভিৰামৰো অকাল বিয়োগ ঘটিল। গুণাভিৰামৰ চাৰিপুত্ৰৰ বাকী ৰ'ল মাত্ৰ জ্ঞানদাভিৰাম। কিছুদিনৰ পাছত, লক্ষ্মীনাথ বেজবৰুৱা আৰু অন্যান্য হিতাকাংক্ষীৰ যত্নত জ্ঞানদাভিৰামক উচ্চ শিক্ষা লাভৰ বাবে বিলাতলৈ পঠোৱা হ'ল। এইসকলৰ যত্নতে ১৮৯৫ চনৰ ১৫ ফেব্ৰুৱাৰীত প্ৰায় পঁচিছ বছৰীয়া স্বৰ্ণলতাক দ্বিতীয় বিবাহ দিয়া হ'ল। পত্নীবন্ধু হোৱা এই বিবাহৰ পাত্ৰ ভিৰোদ চন্দ্ৰ ৰায়চৌধুৰী সেই সময়ত হুগলি কলেজৰ অধ্যক্ষ আৰু এগৰাকী জনাজাত সাহিত্যিক আছিল।[৫০] ৰায়চৌধুৰীয়ে অৱসৰ গ্ৰহণ কৰাৰ পাছত উৰিষ্যাৰ কটক চহৰত স্থায়ীকৈ থাকিবলৈ লয় আৰু "মৃন্ময়ী" নামৰ পত্ৰিকা এখন সম্পাদনা কৰি প্ৰকাশ কৰিছিল। কিন্তু, এনে এটা পৰিবেশৰ মাজত থাকিও স্বৰ্ণলতাই দ্বিতীয় বিবাহৰ পাছত লেখা-মেলা কৰাৰ কোনো নিদৰ্শন নাই। ১৯৩২ চনত স্বৰ্ণলতা দেৱীৰ প্ৰায় বাষঠী বছৰ বয়সত মৃত্যু হয়।

---

৪৮. "চাকৰিৰ পৰা অৱসৰ লোৱাৰ পিছত ১৮৯০ খ্ৰীষ্টাব্দত তেওঁ কলিকতাত স্থায়ীভাৱে বসবাস কৰাৰ ইচ্ছা কৰি ভটিল যায়"- "আসাম বন্ধু"ৰ ভূমিকা, পৃ. ২১

৪৯. নগেন শইকীয়া, (সম্পাঃ), উক্ত গ্ৰন্থ, পৃ. ২১

৫০. লক্ষ্মীনাথ বেজবৰুৱা : "মোৰ জীৱন সোঁৱৰণ" পৃ. ১৬৩-১৬৪

"আৰ্হি-তিৰোতা" স্বৰ্ণলতাৰ একমাত্ৰ গ্ৰন্থৰূপে প্ৰকাশ লাভ কৰা ৰচনা। ১৮৮৪ চনত প্ৰকাশ লাভ কৰা গ্ৰন্থখনে ইয়াৰ প্ৰকাশভঙ্গী আৰু বিষয়বস্তুৰ বাবে কিছু কালৰ পাছৰ ৰচিত গ্ৰন্থ বুলি ভাবিবলৈ কোনো লোকক অৱকাশ দিছে।[৫১] এই গ্ৰন্থত আদৰ্শ তিৰোতা হ'বলৈ প্ৰয়োজন হোৱা গুণাৱলীৰ উত্থাপন কৰি আলোচনাৰ দ্বাৰা যথাৰ্থ দিগ্‌দৰ্শন কৰিবলৈ যত্ন কৰা হৈছে। কম বয়সত ৰচিত হ'লেও গ্ৰন্থখন যুগৰ লগত খাপখোৱা বুলিব পাৰি।

স্বৰ্ণলতাৰ সাহিত্যিক প্ৰতিভা "আসাম বন্ধু"ৰ ১৮৮৫ চনৰ ফাগুন সংখ্যাত প্ৰকাশিত 'কৰমেতি বাই',[৫২] ১৮৮৬ চনৰ চ'ত বহাগ মাহৰ সংখ্যাত প্ৰকাশিত নিবন্ধ 'প্ৰকৃত লাজ কি'[৫৩] আৰু লক্ষ্মীনাথ বেজবৰুৱা সম্পাদিত তৃতীয়ভাগ "জোনাকী"ত প্ৰকাশিত 'যতোধৰ্মস্ততোজয়' শীৰ্ষক লেখাই নিৰ্ণয় কৰিছে। "জোনাকী"ৰ ৩য় ভাগতে প্ৰকাশিত 'মণিকা' নামৰ লেখাটিৰ লেখিকাৰ নাম হেমলতা দেৱী বুলি উল্লেখ হ'লেও, ১৯৩২ চনতে আনন্দচন্দ্ৰ আগৰৱালাই এই ৰচনাৰ লেখিকাৰ নাম স্বৰ্ণলতা বুলিহে লেখি গৈছে।[৫৪] সেই প্ৰবন্ধতে "বিজুলী"ত 'কলম্বচ' আদি কৰি বহুতো লেখা স্বৰ্ণলতাই ৰচনা কৰিছিল বুলি স্পষ্ট কৰি গৈছে। মূল পত্ৰিকাসমূহ সম্পূৰ্ণকৈ নোপোৱাত এই অভিমত সম্পৰ্কে মন্তব্য দিয়া কঠিন। স্বৰ্ণলতা-হেমলতা দেৱী দুয়োটা নামৰ অৰ্থ একে হোৱাত ই জটিল হৈ পৰিছে, আৰু হেমলতাৰ সম্পৰ্কে অন্য তথ্য উদ্ধাৰ নোহোৱাত আগৰৱালাৰ তথ্যকে গ্ৰহণ কৰিব লাগিব।

'কৰমেতি বাই' সাধুজাতীয় আখ্যান পৰ্যায়ৰ ৰচনা। এই আখ্যানত কৰমেতি নামৰ এগৰাকী তপস্বিনীৰ জীৱন-চিত্ৰৰ জৰিয়তে বৈষ্ণৱ ধৰ্মৰ গুণগান কৰা হৈছে। দক্ষিণ ভাৰতৰ জনৈক খণ্ডাল নামৰ ৰজাৰ ব্ৰাহ্মণ প্ৰজা পৰশুৰামৰ কন্যা কৰমেতি বাই বৈষ্ণৱাদৰ্শৰ নাৰী আছিল। উল্লেখযোগ্য যে সেইদেশৰ ৰজা প্ৰজা সকলোৱেই বৈষ্ণৱ-মতাৱলম্বী আছিল। কিন্তু, কমমেতিৰ বিয়া হ'ল এজন নাস্তিকৰ লগত। এই কথা জানিব পাৰি এদিন তাই পিতৃ-গৃহৰ পৰা পলাই গৈ বৃন্দাবনত উপস্থিত হ'লগৈ। পিতৃ পৰশুৰামে বহুতদিন বিচৰাৰ পাছত এদিন বৃন্দাবনৰ ব্ৰহ্মকুণ্ডৰ তীৰৰ অৰণ্যৰ মাজত ধ্যানমগ্না অৱস্থাত কৰমেতিক দেখা পালে। দুহিতাৰ গাৰ পৰা এক পবিত্ৰজ্যোতি উদ্ভাসি উঠা দেখা পাইছিল যদিও ঘৰলৈ ঘূৰাই আনিবলৈ যত্ন কৰি তেওঁ বিফল হ'ল। তেতিয়া, পৰশুৰামে ৰজা খণ্ডলক সকলো বৃত্তান্ত জনালত তেওঁ কৰমেতিৰ ঐশ্বৰিক জ্যোতি দেখা পালে। ৰজা খণ্ডলে বিমুগ্ধ হৈ কৰমেতিৰ ধ্যানমগ্ন স্থানত এটি সুন্দৰ ঘৰ নিৰ্মাণ কৰাই দিলে। কিন্তু, কৰমেতি বায়ে আগৰদৰেই ফলমূল ভক্ষণ কৰি অৰণ্যত তপস্যা কৰি ৰ'ল আৰু বহুকাল জীয়াই থাকি সংসাৰ ত্যাগ কৰিলে। স্বৰ্ণলতাই সহজ-সৰল ভাষাৰে সুন্দৰকৈ আখ্যানটি দাঙি ধৰিছে আৰু ইয়াৰ মাজত তেওঁৰ

---

৫১. লীলা বৰঠাকুৰ (সম্পাঃ), "লেখিকাৰ জীৱনী", পৃ. ৫২ত 'স্বৰ্ণলতা বৰুৱা' নিবন্ধত নিৰ্মালি হাজৰিকাই "আৰ্হি-তিৰোতা"ৰ ৰচনাকাল সম্ভৱতঃ ১৮৮৬-৮৭ৰ পৰা ১৮৯৪ চনৰ ভিতৰত।" বুলি উল্লেখ কৰিছে।

৫২ "আসাম বন্ধু", পুনঃসংকলন, পৃ. ৪১

৫৩ উক্ত গ্ৰন্থ, পৃ. ৫৩৭

৫৪ আনন্দচন্দ্ৰ আগৰৱালা, 'অসমীয়া সাহিত্য সেৱকিনী', "আৱাহন" ৪ৰ্থ বছৰ, ৫ম সংখ্যা, ১৯৩২, পৃ. ৫১৫ দ্ৰষ্টব্য। যতীন্দ্ৰনাথ গোস্বামীয়ে "জাগৰণ আৰু জোনাকী" গ্ৰন্থৰ ৩৩ পৃষ্ঠাত 'জোনাকী'ৰ সূচীত 'মণিকা'ৰ লেখিকা হেমলতা দেৱী বুলি লিপিবদ্ধ কৰিছে।

গদ্য-প্ৰতিভাৰ স্বাক্ষৰ সংৰক্ষিত হৈছে। বেথুন স্কুলত পঢ়ি থকা অৱস্থাতে ই ৰচিত হোৱাত যথেষ্ট তাৎপৰ্যও উপলব্ধি কৰা হয়। সেই স্কুলৰ খ্ৰীষ্টীয় ধৰ্মীয় পৰিবেশত থাকি স্বাভাৱিক ভাবে সেই ধৰ্মৰ প্ৰতি আসক্তি বাঢ়িবহে লাগিছিল। কিন্তু, স্বৰ্ণলতাই বৈষ্ণৱাদৰ্শৰ 'কৰমেতি বাই'ৰ ৰচনাৰ জৰিয়তে নিজা ভাবাদৰ্শৰ প্ৰতিষ্ঠাত ঐকান্তিক যত্নহে কৰিলে। ইয়াৰ পৰাই অনুভৱ কৰিব পৰা যায় যে গুণাভিৰাম বৰুৱাৰ পৰিয়ালৰ শিক্ষা-দীক্ষা আৰু মনোবল কিমান শক্তিশালী আছিল। স্বৰ্ণলতাৰ ওপৰত মাক বিষ্ণুপ্ৰিয়াৰ প্ৰভাৱ সকলোতকৈ বেছি আৰু বৈষ্ণৱাদৰ্শৰ প্ৰতি গভীৰ অনুৰাগ তেওঁৰ পৰাই স্বৰ্ণলতাই লাভ কৰিছিল।

'প্ৰকৃত লাজ কি' নামৰ আখ্যানটি "আৰ্হি-তিৰোতা" জাতীয় ৰচনা। এইটো ৰচনাও ছাত্ৰী অৱস্থাতে লেখা আৰু ১৮৮৬ চনৰ "আসাম বন্ধু"ত প্ৰকাশিত। স্বৰ্ণলতাৰ এই লেখাৰ ওপৰত মাতৃ বিষ্ণুপ্ৰিয়াৰ "নীতি কথা"ৰ আদৰ্শই প্ৰভাৱ বিস্তাৰ কৰিছে আৰু কিছু পৰিমাণে আধুনিক ভাবধাৰা ইয়াত সন্নিবিষ্ট হৈছে। সৰলা আৰু দুৰ্গা নামৰ দুজনী ছোৱালীৰ কথোপ-কথনত ছোৱালীৰ প্ৰকৃত গুণাৱলী–"লাজ, দয়া, নম্ৰতা, ভক্তি, স্নেহ, ও মায়া ইত্যাদি "[৫৫] –বিষয়ে বক্তব্য উত্থাপিত হৈছে। মঙ্গলময় পৰমেশ্বৰৰ ওপৰত বিশ্বাস ৰাখি এই গুণবিলাক আহৰণ কৰিব পাৰিলেহে নাৰী প্ৰকৃত মৰ্যদাৰ গৰাকিনী হ'ব পাৰে। ড°নগেন শইকীয়াই এই আলেখ্যক 'ৰূপক আখ্যান' বুলিছে। "ইবিলাকত একোটি অৱস্থাৰ চিত্ৰন, চৰিত্ৰ-চিত্ৰন, সংলাপ আৰু বিৱৰণৰ মাজত গল্প কোৱাৰ ৰীতিৰ সূচনা ঘটিছে।"[৫৬] "আসাম বন্ধু"ৰ পাতত প্ৰকাশিত এই দুয়োটি আখ্যানমূলক ৰচনাৰ বৈশিষ্ট্য ঘাইকৈ শিক্ষা প্ৰদান আৰু তাৰ দ্বাৰা মানসিক বিকাশ সাধন। তদুপৰি, পত্ৰিকাখনৰ সৃষ্টিশীল ৰচনা সৃষ্টিৰ পদক্ষেপত স্বৰ্ণলতাৰ অৰিহণাৰ মূল্য তেনেই কম নহয়।

স্বৰ্ণলতাৰ আন এটি বিশেষত্ব এয়ে যে তেওঁ "জোনাকী"ৰ প্ৰধান লেখিকা। "জোনাকী"ৰ ৩য় ভাগৰ দ্বিতীয় সংখ্যাত স্বৰ্ণলতা দেৱীৰ 'যতোধৰ্মস্ততোজয়' শীৰ্ষক ৰচনাখন প্ৰকাশিত হৈছিল।[৫৭] বৈধব্য জীৱনৰ আৱৰ্তণিতে লেখা এই ৰচনাত ধৰ্মই সকলোক্ষেত্ৰতে পথ-প্ৰদৰ্শিকা বুলি প্ৰকাশ পাইছিল। এইটি 'কৰমেতিবাই'ৰ নিচিনা বুলি ধৰিব পাৰি। স্বৰ্ণলতাৰ ৰচনাবিলাকত সেই যুগৰ নাৰীৰ মানসিকতা স্পষ্ট-ৰূপত প্ৰকাশ পাইছে আৰু অসমীয়া গদ্য-শৈলীৰ গতি-প্ৰকৃতি নিৰ্ণয়ত এইবোৰ ৰচনাই বিশেষ স্থান দখল কৰিব পাৰে।

৩.২.০৪ পদ্মাৱতী দেৱী ফুকননী (১৮৫৩-১৯২৭)

পদ্মাৱতী দেৱীফুকননী প্ৰাক্ জোনাকীৰ পৰা উত্তৰ জোনাকীৰ ৰামধেনু পৰ্যন্ত এগৰাকী প্ৰধান লেখিকা। প্ৰাক্ জোনাকী যুগৰ লেখিকাৰ ভিতৰতে শ্ৰেষ্ঠতমা হিচাপে এই গৰাকী লেখিকাক ধৰিব পৰা যায়। "আসাম বন্ধু"ৰ প্ৰচলন কালতে পদ্মাৱতীয়ে অসমীয়া সাহিত্যত "সুধৰ্মাৰ উপাখ্যান" নামৰ গ্ৰন্থৰ ৰচনাৰে আত্ম-প্ৰকাশ কৰে। ১৮৮৪ চনত প্ৰকাশ লাভ কৰা এই গ্ৰন্থই অসমীয়া উপন্যাসৰ প্ৰস্তুতি পৰ্বত ঐতিহাসিক মৰ্যদা লাভ কৰিবলৈ সক্ষম হয়। তেওঁৰ দ্বিতীয়গ্ৰন্থ "হিত সাধিকা"ৰ প্ৰকাশ কাল ১৮৮৫ চন।

---

৫৫ "আসাম বন্ধু", পুনঃসংকলন, পৃ. ৫৩৭

৫৬. উক্ত গ্ৰন্থ, 'ভূমিকা', পৃ. ৩৮

৫৭. যতীন্দ্ৰ নাথ গোস্বামী, "আগবল আৰু জোনাক" ১৯৬৯, পৃ. ৩২

তদুপৰি, 'নাৰীৰ মুক্তাৱস্থা" নামৰ নিবন্ধৰে "আসাম বন্ধু"ৰ লেখক সূচীত নিজৰ নাম যোগ দিয়ে আৰু নিবন্ধ-লেখিকা হিচাপেও পৰিচিতা হৈ পৰে। উনবিংশ শতাব্দীত আগবঢ়োৱা এইখিনি অৱদানৰ উপৰিও বিংশ শতাব্দীৰ দ্বিতীয় দশকত লক্ষ্মীনাথ বেজবৰুৱাৰ "বাঁহী"ত প্ৰবন্ধ, কবিতা, আৰু কিছুমান বিয়ানাম প্ৰকাশ কৰিছিল। পদ্মাৱতী দেৱী ফুকননীৰ 'সমাজত তিৰোতাৰ স্থান' নামৰ নিবন্ধ এটা "অসম সাহিত্য সভা পত্ৰিকা"ত ১৯২৭-২৮ চনত প্ৰকাশ পাইছিল।[৫৯] সম্ভৱতঃ এই নিবন্ধই লেখিকা গৰাকীৰ অন্তিম ৰচনা। কাৰণ, ১৯২৭ চনৰ ডিচেম্বৰ মাহত পদ্মাৱতী দেৱী ফুকননীৰ মৃত্যু হৈছিল। এই গৰাকী লেখিকাই "আসাম বন্ধু"ৰ পৰা "বাঁহী"লৈ প্ৰায় অৰ্ধ-শতাব্দীকাল অসমীয়া সাহিত্যৰ সেৱা কৰি গ'ল।

পদ্মাৱতী দেৱী ফুকননী অসমৰ সিংহ-পুৰুষ আনন্দৰাম ঢেকিয়াল ফুকনৰ জীয়াৰী। মাতৃ ৰাজলুক ফুকনৰ ঘৰৰ পশুপতি ফুকনৰ দুহিতা মাহিশ্ৰী দেৱী। ১৮৫৩ চনৰ ৯ জানুৱাৰী (১৭৭৪ শকৰ ২৭ পুহ, অমাৱস্যা তিথি) দেওবাৰে পদ্মাৱতীয়ে বৰপেটাত জন্ম গ্ৰহণ কৰিছিল। আনন্দৰাম ঢেকিয়াল ফুকনে চাকৰিসূত্ৰে সেই সময়ত বৰপেটাত বাস কৰিছিল।[৬০] কিন্তু, অতি দুখ আৰু সন্তাপৰ বিষয় এয়ে যে, পদ্মাৱতীৰ বয়স প্ৰায় ছবছৰহওঁতেই আনন্দৰামৰ ১৮৫৯ চনত অকালতে জীৱন বন্তি নুমাই থাকিল।[৬১]

পদ্মাৱতীৰ জন্ম-পত্ৰিকামতে প্ৰকাশ্য নাম লক্ষ্মী আৰু গুপ্তনাম আছিল ফল্গুপ্ৰভা। কিন্তু, সেই সময়ত কলিকতাৰ পৰা প্ৰকাশিত "মাসিক পত্ৰিকা" নামৰ এখন মাহিলী কাকতত পদ্মাৱতী নামৰ কন্যা এটিৰ কাহিনীয়ে ঢেকীয়াল ফুকনৰ মন চুই যোৱাত দুহিতাৰ নাম পদ্মাৱতী ৰাখিছিল।[৬২] সম্ভৱতঃ জন্ম-পত্ৰিকাৰ নাম দুটা তেওঁৰ মনোমত হোৱা নাছিল।

ফুকননীৰ শিক্ষা জীৱন আৰম্ভ হৈছিল পঞ্চম বৰ্ষত। সেই কালত শিক্ষানুষ্ঠানৰ যথেষ্ট অভাৱ থকাত ঘৰতেই শিক্ষা-ব্যৱস্থা কৰা হৈছিল। আনন্দৰাম ঢেকীয়াল ফুকন এগৰাকী অতি বিদ্বান ব্যক্তি আছিল। তেওঁ স্ত্ৰী-শিক্ষা, স্ত্ৰী-স্বাধীনতা আদিৰ পোষকতা কৰিছিল। "স্ত্ৰী-পুৰুষ উভয়ে মনুষ্য, এতেকে স্ত্ৰীবিলাক অশিক্ষিতা থাকিলে পুৰুষ অৰ্দ্ধাঙ্গী ৰোগাক্ৰান্ত থাকে, এইটি তেওঁৰ মত। স্ত্ৰী-স্বাধীনতাৰ তেওঁ পক্ষপাতী আছিল।"[৬৩] ঢেকিয়াল ফুকনে পত্নী মাহিশ্ৰী দেৱীকো নিজে শিক্ষা প্ৰদান কৰিছিল। মাহিশ্ৰী দেৱীয়ে সুন্দৰকৈ লেখা-পঢ়া শিকিছিল, অঙ্ক জানিছিল আৰু অসমীয়া বঙলা পুস্তক সুন্দৰকৈ বুজি পাইছিল।[৬৪] ঢেকিয়াল ফুকনৰ মৃত্যুৰ পাছত তেৱেঁই পদ্মাৱতীৰ শিক্ষা-দীক্ষা প্ৰদান কৰিছিল আৰু এগৰাকী উপযুক্তা নাৰী হিচাপে গঢ়ি তুলিছিল।

---

৫৯. চন্দ্ৰধৰ বৰুৱা (সম্পাঃ) "অসম সাহিত্য সভা পত্ৰিকা", ২য় বছৰ, ৩য় সংখ্যা, ১৯২৭-২৮ চন। পত্ৰিকাখনে পদ্মাৱতীৰ মৃত্যুৰ পাছতহে প্ৰকাশ লাভ কৰিছিল।

৬০. গুণাভিৰাম বৰুৱা, "আনন্দৰাম ঢেকিয়াল ফুকনৰ জীৱন চৰিত্ৰ", পৃ. ১১৫

৬১. নন্দ তালুকদাৰ, (সম্পাঃ)"আনন্দৰাম ঢেকিয়াল ফুকনৰ ৰচনা সংগ্ৰহ",পৃ. ১৪৮

৬২ গুণাভিৰাম বৰুৱা, "আনন্দৰাম ঢেকিয়াল ফুকনৰ জীৱন চৰিত্ৰ", পৃ. ১১৫

৬৩. হেমচন্দ্ৰ গোস্বামী, (সম্পা.) "অসমীয়া সাহিত্যৰ চানেকি" ৩য় খণ্ডত সন্নিবিষ্ট গুণাভিৰাম ৰচিত 'আনন্দৰাম ঢেকিয়াল ফুকনৰ জীৱন চৰিত' দ্ৰষ্টব্য।

৬৪. জিতেন্দ্ৰ নাথ বুঢ়াবৰুৱাই পদ্মাৱতী সম্পৰ্কে "কামৰূপ ৰত্নমালা"ত (পৃ. ২৪) লেখা আৰু "সুৰ্য্যাৰ উপাখ্যান" সাম্প্ৰতিক সংস্কৰণত সন্নিবিষ্ট নিবন্ধত এই তথ্য আছে।

পদ্মাৱতীৰ বিবাহ ন বছৰ বয়সত ১৮৬২ চনত যোৰহাটৰ শূলপানি বৰুৱাৰ ঘৰৰ শশধৰ বৰুৱাৰ পুত্ৰ নন্দীশ্বৰ ফুকনৰ লগত সম্পন্ন হৈছিল।[৬৫] নন্দীশ্বৰৰ বয়স সেই সময়ত প্ৰায় বিছ বছৰ আছিল আৰু তেওঁ উচ্চশিক্ষিত, আধুনিক মনৰ যুৱক আছিল। পৰবৰ্তীকালত তেওঁ ৰেভিনিউ চিৰস্তাদাৰ হৈছিল আৰু তেজপুৰ, শ্বিলং, শ্ৰীহট্ট আদিত চাকৰি কৰি অৱশেষত নগাঁৱত স্থায়ীভাবে বাস কৰিবলৈ লয়। কিন্তু, বাৰ্‌ল্ল বছৰ বয়সত নন্দীশ্বৰ ফুকনৰ মৃত্যু হয়। স্বামীৰ মৃত্যুৰ অলপদিনৰ পাছতে পদ্মাৱতীয়ে নগাঁও ত্যাগ কৰি গুৱাহাটীৰ ভৰলুমুখৰ পিতৃ গৃহলৈ ঘূৰি যায়। সেই সময়ত ফুকননীৰ বয়স মাত্ৰ বিবাল্লিছ বছৰ হৈছিল। অৱশ্যে, পদ্মাৱতী দেৱী ফুকননী ওঠৰটি সন্তানৰ জননী হৈছিল আৰু স্বামী-বিয়োগৰ সময়ত মাত্ৰ তিনিটি সন্তানহে জীৱিত আছিল বুলি জনা যায়।[৬৬]

ভৰলুমুখৰ পিতৃ-ভেটিতে পদ্মাৱতীৰ শেষ জীৱন অতিবাহিত হয়। সু-গৃহিনীৰ ৰূপত নিজ পৰিয়ালটি পৰিচালনা কৰাৰ উপৰিও সমাজ সেৱাৰ সৈতে তেওঁ জড়িত হৈ পৰিছিল আৰু গুৱাহাটীৰ নাৰী-সমাজক গভীৰভাবে প্ৰভাবিত কৰিবলৈ সক্ষম হৈছিল। ১৯২১ চনত মহাত্মা গান্ধী অসমলৈ আহোতে এইগৰাকী স্বনামধন্যা মহিলাই আত্মীয়া সাক্ষাত লাভ কৰিছিল। দেশভক্ত তৰুণৰাম ফুকনৰ বাইদেৱেক পিৰিজা দেৱীৰ সৈতে ফুকননীয়ে মহাত্মাজীক হিন্দীভাষাৰে অসমৰ নাৰীৰ কথা-সুন্দৰকৈ বুজাব পাৰিছিল। মহাত্মা গান্ধীৰ সৈতে হোৱা সাক্ষাতৰ পৰা স্পষ্ট হৈ পৰিছে যে পদ্মাৱতী দেৱী ফুকননীয়ে ভাৰতবৰ্ষৰ স্বৰাজ আন্দোলনৰ প্ৰতি সমৰ্থন আগবঢ়াইছিল।

পদ্মাৱতী আনন্দৰাম ঢেকিয়াল ফুকনৰ উপযুক্ত দুহিতা। তেওঁ, অমায়িক, সাদৰী আৰু সজ উপদেশদাত্ৰী মহিলা আছিল। পৰনিন্দা, পৰ-চৰ্চা প্ৰভৃতি অসজ চিন্তা আৰু কামৰ পৰা নিজে আঁতৰি আছিল। তেওঁ শিক্ষা-দীক্ষাৰ প্ৰতি গভীৰ অনুৰাগী আছিল। তদুপৰি, "ওখ খাপৰ তিৰোতাৰ গাত থাকিবলগীয়া সকলোখিনি সদগুণেই তেখেতৰ গাত সুন্দৰৰূপে বিকাশ পাইছিল।"[৬৭] সাহিত্য-ৰত্ন চন্দ্ৰধৰ বৰুৱাই পদ্মাৱতীৰ সম্পৰ্কে "অসম সাহিত্য সভাৰ পত্ৰিকা"ত দিয়া টোকাত পোৱা যায়,– "পদ্মাৱতী দেৱী ফুকননী দেখিবলৈ সভা-শুৱনী মানুহ আছিল। তেখেত দেখিবলৈ যেনে শুৱনী, কথা-বাৰ্তা, স্বভাব-চৰিত্ৰ, চলত-ফুৰণতো তেনে গম্ভীৰ আছিল। -------- । বোৱা-কটা, ৰন্ধা-বঢ়া, ঘৰ-চলোৱা, অতিথি সৎকাৰ কৰাকে আদি কৰি আমাৰ দেশৰ ওখ খাপৰ তিৰোতাৰ গাত থাকিবলগীয়া সকলো সৎগুণেই তেখেতৰ গাত প্ৰকাশ পাইছিল। পদ্মাৱতীৰ গাত পুৰণি

---

৬৫ নন্দীশ্বৰৰ আচল উপাধি বৰুৱাহে আছিল। পদ্মাৱতীক বিয়া কৰাইহে ফুকন হ'ল। "গুৱাহাটীৰ ফুকনৰ ঘৰৰ ছোৱালী নিয়া আৰু দিয়া বুলিলেই লেঠা। ফুকনৰ ঘৰ বুলিলেই জাত যায় তেতিয়া। ইংলণ্ডলৈ যোৱাও এটা কাৰণ। ফুকনৰ ঘৰখনত জাত নাই এই হ'ল তেওঁলোকৰ ভাৱ। নন্দীশ্বৰে সেই ঘৰৰে ফুকননীক বিয়া কৰালে। তেওঁৰ ঘৰৰ সকলোৱে তেওঁক আলগ কৰি থলে। তেওঁ বৰুৱা এৰি ফুকন লিখা হ'ল তেতিয়াৰ পৰা।" – "কামৰূপ ৰত্নমালা"ৰ (পৃ. ১৯) উক্ত নিবন্ধত জিতেন্দ্ৰনাথ বুজৰবৰুৱাই এই মত দাঙি ধৰিছে।

৬৬. "লেখিকাৰ জীৱনী"ত প্ৰকাশিত হিমাদ্ৰী দেৱীৰ ' পদ্মাৱতী দেৱী ফুকননী' (পৃ. ৩০) নিবন্ধত এই তথ্য প্ৰকাশ পাইছে। আনন্দচন্দ্ৰ আগৰৱালাৰ মতে চাৰি পুত্ৰ আৰু দুই কন্যাৰ তেওঁ জননী। "(আৱাহন", ৪ৰ্থ বছৰ, ৫ম সংখ্যা, পৃ. ৫১৪)

৬৭. "নীতি পাঠ", ৫ম ভাগত দুৰ্গাধৰ বৰকটকীয়ে এইমত লিখিছিল। উল্লেখযোগ্য যে বৰকটকী পদ্মাৱতীৰ জোঁৱায়েক। কমলিনীক তেওঁ বিয়া কৰাইছিল।

কালৰ তিৰোতাৰ আৰু বৰ্তমান যুগৰ তিৰোতাৰ সকলো সংগুণ একেলগে বিৰাজ কৰিছিল। তেখেতৰ এফালে যেনেকৈ ঈশ্বৰত বিশ্বাস, ধৰ্মতমতি, সকলোলৈকে মৰম-চেনেহ আৰু সকলো কাৰ্যতে পাৰদৰ্শিতা আছিল, সিফালেও তেনেকৈ সংস্কাৰলৈ আগ্ৰহ, উন্নতিলৈ ধাউতি, নতুন কথালৈ কৌতুহল আৰু সকলো কথাতে সময়োচিত সুৰুচি আছিল। --- "[৬৮] দেশভক্ত তৰুণৰাম ফুকনেও পদ্মাৱতী প্ৰসঙ্গত অভিমত দিছিল যে তেওঁ যেনেকৈ শিক্ষিতা, তেনেকৈ ঘৰুৱা বিষয়ত পাৰদৰ্শী আৰু সকলো বিষয়তে তথ্য-নিপুণা মহিলা আছিল।[৬৯] এই গৰাকী মহীয়সী মহিলাৰ চৌসত্তৰ বছৰ বয়সত, ১৯২৭ চনৰ ডিচেম্বৰত ভৰলুমুখৰ গৃহত পৰলোক গমন হয়।

৩.২.০৫ অসমীয়া উপন্যাসৰ প্ৰস্তুতিপৰ্ব : "সুধৰ্ম্মাৰ উপাখ্যান"

অসমীয়া উপন্যাসৰ প্ৰস্তুতি পৰ্বত "সুধৰ্ম্মাৰ উপাখ্যান" এটি মাইলৰ খুটা স্বৰূপ পদ্মাৱতী দেৱী ফুকননীৰ এইখনেই সৰ্বাধিক গুৰুত্বপূৰ্ণ গ্ৰন্থ। ১৮৮৪ চনত প্ৰকাশিত এই গ্ৰন্থই পদ্মাৱতীৰ প্ৰথম ৰচনা আৰু আখ্যান জাতীয় এই গ্ৰন্থক কোনোৱে উপন্যাস, কোনোৱে উপন্যাসিকা আৰু কোনোৱে উপন্যাসৰ প্ৰয়াস বুলিলেও ই ঐতিহাসিকভাবে গুৰুত্বপূৰ্ণ গ্ৰন্থ।

অসমীয়া উপন্যাসৰ প্ৰস্তুতি-পৰ্বৰ প্ৰথম পদক্ষেপ হিচাপে "জাত্ৰিকৰ জাত্ৰা"ক স্মৰণ কৰা হয়। ১৮৪৮ চনৰ "অৰুনোদই"ৰ নবেম্বৰ সংখ্যাৰ ৮৫-৮৬ পৃষ্ঠাত প্ৰকাশ আৰম্ভ হোৱা এই কাহিনী হঠাতে প্ৰকাশ বন্ধ হৈ আকৌ দুবছৰমানৰ পাছত ১৮৫১ চনৰ জানুৱাৰীৰ পৰা পুনৰ ধাৰাবাহিকভাবে প্ৰকাশ লাভ কৰে।[৭০] জন বৰ্নিয়ান প্ৰণীত ইংৰাজী গ্ৰন্থ "পিলগ্ৰিমচ্ প্ৰগ্ৰেছ"ৰ অনুবাদ "জাত্ৰিকৰ জাত্ৰা"ৰ অনুবাদক কোন জনা নাযায়। কিন্তু, ড° মহেশ্বৰ নেওগৰ মতে– "অনুবাদকৰ নাম নথকাত ধাৰণা হয় "অৰুনোদই"ৰ প্ৰথম সম্পাদক দুজনেই (ব্ৰাউন, ডেনফোৰ্থ) ভাঙি উলিয়াইছিল।[৭১] "পিলগ্ৰিমচ্-প্ৰগ্ৰেছ"ক ইংৰাজী সাহিত্যৰ প্ৰথম উপন্যাস আখ্যা দিয়া হয়, কিন্তু অসমীয়া সাহিত্যত ইয়াৰ অনুবাদ গ্ৰন্থখনক প্ৰথম উপন্যাস বুলি ধৰা নহয়। উল্লেখ কৰিব পাৰি যে বাংলা উপন্যাসৰ প্ৰস্তুতি পৰ্বত কেথাৰিণ মুলান্স ৰচিত "ফুলমণি ও করুণা" (১৮৫২) প্ৰথম উপন্যাস জাতীয় ৰচনা হ'লেও প্যাৰীচাঁদ মিত্ৰৰ "আলালের ঘরের দুলাল" নামৰ কাহিনী গ্ৰন্থকহে উপন্যাস মৰ্যদা দিয়া হৈছে। প্ৰকৃততে বাংলা উপন্যাসৰ আৰম্ভণি বঙ্কিমচন্দ্ৰৰ "দুৰ্গেশ নন্দিনী" (১৮৬৫) গ্ৰন্থৰ পৰাহে ধৰা হয়।[৭২] অসমীয়া উপন্যাসৰ প্ৰস্তুতি-পৰ্বও প্ৰায়ে একেই।" "জাত্ৰিকৰ জাত্ৰা"ৰ পৰা "সুধৰ্ম্মাৰ উপাখ্যান"লৈ কেবাখনো গ্ৰন্থৰ উল্লেখ কৰিব লগা হয়। ১৮৭৬ চনত প্ৰকাশিত হেমচন্দ্ৰ বৰুৱাৰ "বাহিৰে ৰং চং ভিতৰে কোৱা ভাতুৰী"

---

৬৮. চন্দ্ৰধৰ বৰুৱা (সম্পাঃ), "অসম সাহিত্য সভা পত্ৰিকা", ২য় বছৰ, ৩য় সংখ্যাত প্ৰকাশিত টোকা আৰু "চন্দ্ৰধৰ বৰুৱা গ্ৰন্থাৱলী"ৰ ৫৪৫ পৃষ্ঠাত সন্নিৱিষ্ট।

৬৯. "কামৰূপ ৰত্নমালা"ৰ ২০ পৃষ্ঠাত দেশভক্ত তৰুণৰাম ফুকনৰ মন্তব্য দ্ৰষ্টব্য। তাত পোৱা মতে– "She was an educated, a well informed and a managing lady of household duties."

৭০. ১৮৫১ চনৰ জানুৱাৰী, ফেব্ৰুৱাৰী, মাৰ্চ, মে, জুলাই, আগষ্ট, ১৮৫২ চনৰ মাৰ্চ, এপ্ৰিল, মে, আৰু ১৮৫৪ চনৰ জানুৱাৰী, মাৰ্চ, এপ্ৰিল, মে, জুন, জুলাই, আগষ্ট, চেপ্তেম্বৰ, আৰু অক্টোবৰত ধাৰাবাহিক ভাবে প্ৰকাশ পাইছিল।

৭১. "অৰুনোদই", পুনঃ সংকলনৰ 'ভূমিকা', পৃ. ১৯

৭২. অসিত কুমাৰ বন্দোপাধ্যায়, "বাংলা সাহিত্যের সম্পূৰ্ণ ইতিবৃত্ত", পৃ. ৫৩৩

উপন্যাস ৰচনাৰ দ্বিতীয় প্ৰচেষ্টা। তৃতীয়তে ৰেভাৰেণ্ড এ, কে, গাৰ্নি ৰচিত "কামিনীকান্ত" (১৮৭৭) আৰু চতুৰ্থত গাৰ্নিৰেই ৰচনা "এল্যোকেশী বেশ্যাৰ কথা" (১৮৭৭) তালিকাবদ্ধ কৰিব পাৰি। পঞ্চম প্ৰচেষ্টা ৰূপে শ্ৰীমতী গাৰ্নিয়ে অনুদিত কৰা "ফুলমণি আৰু কৰুণাৰ বিৱৰণ" (১৮৭৭) গ্ৰন্থখনক ধৰা হয়। এই তালিকাত "সুধৰ্ম্মাৰ উপাখ্যান"ৰ স্থান ষষ্ঠত।

হেমচন্দ্ৰ বৰুৱাৰ "বাহিৰে ৰং চং ভিতৰে কোৱা ভাতুৰী" গ্ৰন্থখনৰ কাহিনীভাগ ইয়াৰ তীব্ৰ ব্যঙ্গ প্ৰকাশৰ বাবে নিবন্ধ জাতীয় হৈ পৰিছে। তথাপি, ইয়াক ব্যঙ্গ-উপন্যাসৰ প্ৰথম প্ৰচেষ্টা বুলিব পাৰি। এই গ্ৰন্থক ডিম্বেশ্বৰ নেওগে 'কেৰিকেচাৰ' বা খুহুতীয়া ৰচনা বুলি ধৰিছে।[৭৩] ড° মহেশ্বৰ নেওগে 'প্ৰবন্ধ আৰু উপন্যাসিকাৰ আৰ্দ্ধৰ মধ্যৱৰ্তী' বুলি মত প্ৰকাশ কৰিছে।[৭৪]

"কামিনীকান্ত" উপন্যাস প্ৰচেষ্টাৰ তৃতীয় খোজ হ'লেও ধৰ্মবিষয়ক 'টেক্ট' বা প্ৰচাৰ পুস্তক হোৱাৰ বাবে গ্ৰন্থখনৰ আকৰ্ষণ কমিল আৰু গ্ৰন্থখনত উপন্যাসৰ সমলো বিশেষ পাবলৈ নাই। "এল্যোকেশী বেশ্যাৰ বিষয়"তো একে মতকেই আগবঢ়াব পৰা যায়। ডিম্বেশ্বৰ নেওগে "কামিনীকান্ত" নাইবা শ্ৰীমতী গাৰ্নিৰ "ফুলমণি আৰু কৰুণাৰ বিৱৰণ"ক উপন্যাস আখ্যা দিয়া নাই।[৭৫] ড°মহেশ্বৰ নেওগে "কামিনীকান্ত"ক উপন্যাসৰ উদ্যোগ-পৰ্বত ধৰি কৈছে, "সবলাৰ চৰিত্ৰায়ন এটি প্ৰকৃত আকৰ্ষক বিন্দু আৰু ইয়ে অসমীয়া উপন্যাসৰ এটি সুখকৰ আৰম্ভণিৰ দৰে হৈছে।[৭৬] "এল্যোকেশী বেশ্যাৰ বিষয়' ই, এম, লেচলিয়ে বাংলা ভাষাত লেখা একে নামৰ গ্ৰন্থৰ অনুবাদ। সেইদৰে "ফুলমণি আৰু কৰুণাৰ বিৱৰণ"ৰ মূলগ্ৰন্থখন বাংলাভাষাত ৰচিত আৰু "কামিনীকান্ত"কো 'সম্ভৱত বঙলাৰে অনুবাদ' বুলি সন্দেহ কৰা হয়।[৭৭] গতিকে, এই আটাইকেউখন গ্ৰন্থই মৌলিক নহয় বাবে অসমীয়া ভাষাৰ উপন্যাস প্ৰচেষ্টা বুলি একেবাৰে ক'ব নোৱাৰি। এই প্ৰসঙ্গতে ক'ব পাৰি যে, বাংলা ভাষাত মৌলিক ভাবে ৰচিত "ফুলমণি ও কৰুণা"ইও এনে আসনত স্থান পোৱা নাই।

অসমীয়া উপন্যাসৰ কিছু পৰিমাণে সফল প্ৰচেষ্টা "সুধৰ্ম্মাৰ উপাখ্যান।" ডিম্বেশ্বৰ নেওগে এই গ্ৰন্থক প্ৰথম অসমীয়া উপন্যাসৰ গৌৰৱ প্ৰদান কৰিছে। তেওঁৰমতে উনবিংশ শতাব্দীৰ নৱৈৰ দশকৰ আগতে ৰচিত এইখনেই একমাত্ৰ অসমীয়া উপন্যাস আৰু ইংৰাজী সাহিত্যৰ জেন অষ্টেনৰ দৰেই এখনি ৰসাল ঘৰুৱা উপন্যাস।[৭৮] ড°মহেশ্বৰ নেওগেও 'সেই সময়ৰ সাহিত্যৰ এটি লেখৰ ঘটনা' বুলি উল্লেখ কৰি লেখিছে,- "চৰিত্ৰ সৃষ্টিৰ জটিলতালৈ নোযোৱাকৈ ফুকননীয়ে তিনি যোৱা স্বামী-স্ত্ৰীৰ বিচ্ছেদ আৰু শেষত পুণৰ্মিলনৰ যি উপাখ্যান যথেষ্ট সৰল ভাবেই বৰ্ণনা কৰিছে, সি উপন্যাসৰ পৰ্যালৈ উঠিব পৰা নাই। তথাপি, "কামিনীকান্ত"ৰ পিছৰে এটি প্ৰচেষ্টাৰূপে ফুকননীৰ ৰচনাৰ এখনি স্থান থাকিব।"[৭৯] ড° সত্যেন্দ্ৰ নাথ শৰ্মাই অনুৰূপ মতকে প্ৰকাশ কৰি লেখিছে, "উপাখ্যানৰ স্তৰৰ পৰা উপন্যাসৰ স্তৰলৈ ইও উঠিব পৰা নাই।"[৮০]

---

৭৩. D. Neog, "N.L.H.A.L." *p.* 373
৭৪. মহেশ্বৰ নেওগ, "অসমীয়া সাহিত্যৰ ৰূপৰেখা", পৃ.২৩৭
৭৫. D. Neog, "N.L.H.A.L." *p.* 387
৭৬. মহেশ্বৰ নেওগ, " ৰূপৰেখা", পৃ. ২৩২
৭৭ সত্যেন্দ্ৰনাথ শৰ্মা, "ইতিবৃত্ত", পৃ. ২৩০
৭৮. D. Neog. "N.L.H.A.L." *p.* 387
৭৯. মহেশ্বৰ নেওগ, " ৰূপৰেখা", পৃ. ২৩৩
৮০. সত্যেন্দ্ৰনাথ শৰ্মা, "ইতিবৃত্ত", পৃ. ২৩০

"সুধৰ্ম্মাৰ উপাখ্যান"ত উপন্যাসৰ লক্ষণৰ সৈতে খাপ নোখোৱা দোষ-ত্রুটি অনেক ওলাব; কিন্তু সূক্ষ্ম বিশ্লেষণ কৰিলে উপন্যাসৰ সমলো ইয়াত যথেষ্ট পোৱা যায়। পণ্ডিতে, অসমীয়া উপন্যাসৰ উদ্যোগ পৰ্বত এই গ্রন্থ এটি মূল্যবান সংযোজন। বাংলা উপন্যাসৰ উদ্যোগ পৰ্বত প্যাৰীচাঁদ মিত্রৰ "আলালেৰ ঘৰেৰ দুলাল"ৰ সমকক্ষ স্থান, অসমীয়া উপন্যাসত "সুধৰ্ম্মাৰ উপাখ্যান"ক দিব পাৰি।[৮১]

"সুধৰ্ম্মাৰ উপাখ্যান" ১৮৮৪ চনত কলিকতাৰ '২১০/কৰ্ণওৱালিস ষ্ট্ৰীটৰ ভিক্টোৰিয়া প্রেছ'ত ভুবনমোহন ঘোষৰ দ্বাৰা মুদ্রিত আৰু প্রকাশিত বুলি প্রথম পৃষ্ঠাত সূচিত হৈছে। প্রথম সংস্কৰণৰ গ্রন্থখনৰ মূল্য চাৰি অনা আৰু গ্রন্থ প্রকাশৰ সময়ত লেখিকা নগাঁৱতে আছিল। ছয়টা পৰিচ্ছেদত বিভক্ত গ্রন্থখনৰ ক্রাউন আকাৰত মাত্র বিৰালিছ পৃষ্ঠাত সম্পূৰ্ণ হৈছিল। কোন জাতীয় গ্রন্থ লেখিকাই ক'তো উল্লেখ কৰা নাই যদিও পাতনিত 'সজ আৰু অসজ মানুহৰ কাৰ্য্যৰ ফল' প্রদৰ্শন কৰাই গ্রন্থখনৰ লক্ষ্য বুলি কোৱা হৈছে।

এইগ্রন্থৰ কাহিনী ভাগত তিনিযোৰা স্বামী-স্ত্রী, সত্যবান-সুধৰ্ম্মা, মাধৱচন্দ্র-লীলাৱতী আৰু মনোহৰ-মনোৰমাৰ উপাখ্যান দাঙি ধৰা হৈছে। কাহিনীমতে, সত্যবানে বন্ধু মাধৱচন্দ্রক লগত লৈ অন্যদেশত বেপাৰ কৰিবলৈ যাবলৈ ওলোৱাৰ বাবে সুধৰ্ম্মাই "সন্তানি নৌহওঁতেই" দেশ-দৰ্শনৰ খাটনি ধৰাত মাধৱচন্দ্রৰ পত্নী লীলাৱতী সহ চাৰিওটি বিদেশলৈ যাত্রা কৰিলে। কিন্তু, বাটত নাও দুৰ্ঘটনা হোৱাত 'ক'ৰ মানুহ ক'লৈ গ'ল একো ঠিক নোহোৱা হ'ল।' সত্যবানে এডোখৰ কাঠত ধৰি এখন গাঁৱত ওলালগৈ। জাজিত লাগি 'ভেল ওপোঙা' দি থকাৰ পৰা সুধৰ্ম্মাক এজন বুঢ়া নাৱৰীয়াই উদ্ধাৰ কৰি কেবাদিনো নৌযাত্রা কৰি গৈ থাকোঁতে বাটত লীলাৱতীক লগ পালে। তাইকো সুধৰ্ম্মাৰ দৰেই উদ্ধাৰ কৰা হৈছিল। পাছত, দুয়োজনীয়ে স্বামীদ্বয়ৰ সম্বেদ পোৱাৰ বাবে অপেক্ষা কৰি থাকোতে জনৈক ধনীলোকে চল কৰি সতীত্ব হৰণ কৰিব খোজাত সেই আশ্ৰয় এৰি দুয়োজনী পলাই গৈ সন্ন্যাসিনী হৈ হাবিৰ ফলমূল ভক্ষণ কৰি ৰ'ল। সেই হাবিতে এজন ব্যাধৰ কু-দৃষ্টিত পৰি উপায়বিহীনা হৈ কন্দা কটা কৰাত এখন শিৱ দেৱালয়ৰ মুনি এজনে উদ্ধাৰ কৰি তিৰোতা মানুহৰ আশ্ৰম এখনত দুয়োজনীকে থকাৰ বন্দোবস্ত কৰি দিলে। সেইদৰে এদিনাখন সুধৰ্ম্মাইতে হাবি কাষৰীয়া নদীত গা-ধুবলৈ গৈ পাৰত কান্দি থকা মনোৰমা নামৰ এগৰাকী নিৰ্যাতিতা নাৰীক লগপাই আশ্ৰমলৈ লৈ আহিল। তাইৰ স্বামী, ভ্ৰষ্টচৰিত্রৰ মনোহৰে চকু বান্ধি বাতি সেই হাবিত তাইক মেলি গৈছিল। ইফালে আকৌ সুধৰ্ম্মাক উদ্ধাৰ কৰা নাৱৰীয়াটোৰ পৰা সবিশেষ জানিব পাৰি সত্যবানে সুধৰ্ম্মাক বিচাৰি ফুৰোতে সৰ্বস্বান্ত হোৱা মনোহৰক লগ পাই সঙ্গী কৰি লৈ একেখন আশ্ৰমতে বাস কৰিবলৈ ধৰিলে। মন কৰিবলগীয়া যে সুধৰ্ম্মাইত থকা আশ্ৰমখনৰ পৰা এই আশ্ৰম বেছি দূৰত নাছিল। এদিন হাবিত দুখতেই গভীৰ ভাবে বাঁহী বজাই থকা সত্যবানক বাঁহীৰ মাতুতে বুজিব পাৰি বিচাৰি গৈ তাক দেখাৰ লগে লগে সুধৰ্ম্মা মূৰ্চ্ছিত হৈ পৰিল। সেই ঘটনাতে সুধৰ্ম্মা-সত্যবানৰ পুনৰ মিলন ঘটিল। সত্যবানক বিচাৰি গৈ মনোহৰেও মুনিকন্যাসকলৰ মাজত মনোৰমাক দেখা পালে আৰু পুণৰ্মিলন ঘটিল। শেষৰ ফালে এদিনাখন নৈত গা-ধুবলৈ যোৱা সুধৰ্ম্মা-লীলাৱতীয়ে মাধৱচন্দ্ৰকো লগ পালে। এইদৰে তিনিও যোৰা দম্পতিৰ মিলন ঘটি স্বদেশলৈ উভতি আহিল। সত্যবানে সৰ্বস্বান্ত মনোহৰক লগত ৰাখি ব্যৱসায় কৰাৰ উপযুক্ত কৰি

৮১. অসিত কুমার বন্দোপাধ্যায়, "বাংলা সাহিত্যের সম্পূর্ণ ইতিবৃত্ত"ৰ ৪২৫-২৬ পৃষ্ঠাত "আলালের ঘরের দুলাল" গ্রন্থৰ মূল্যায়ন পোৱা যায়।

তুলিলে। সত্যবান-সুধৰ্ম্মাই ইয়াৰ পাছত অৰ্থ-সম্পদ, পুত্ৰ-কন্যা আদিৰে পৰিবেষ্টিত হৈ সুখেৰে দিনবোৰ কটাবলৈ ধৰিলে।

কাহিনীভাগৰ সৈতে প্ৰাচীন ভাৰতীয় সাহিত্যৰ উপাখ্যান জাতীয় ৰচনাৰ মিল সহজেই অনুভৱ কৰিব পাৰি। এই গ্ৰন্থ ৰচনাৰ সময়লৈকে পাশ্চাত্য সাহিত্যৰ উপন্যাস সম্পৰ্কীয় জ্ঞান লেখিকাই বিশেষভাৱে আহৰণ কৰা নাছিল। গতিকে, উপন্যাসৰ কলা কৌশল "সুধৰ্ম্মাৰ উপাখ্যান"ত অস্পষ্ট হৈ ৰ'ল। কাহিনীত থকা উপন্যাসৰ সমলখিনি এক ৰহস্যময় অৱস্থালৈ গতি কৰাত ই 'ৰোমান্স' জাতীয় ৰচনাকো চেৰাই গ'ল আৰু উপাখ্যানৰ সৈতেহে সম্পৰ্ক দেখা গ'ল। উনবিংশ শতাব্দীত আশ্ৰম কল্পনা অসম্ভৱ নহ'লেও, হাবিৰ ফলমূল ভক্ষণ কৰি জীৱন যাপন কৰা অতি প্ৰাচীন পদ্ধতিৰ কোনো বাস্তৱতা নাই। তিৰোতাৰ বাবে তেনে নিৰ্জন স্থানত সুকীয়া আশ্ৰম, ফলমূল খাই তিৰোতাই সন্ন্যাসিনী হৈ হাবিত বাস, চকুৰাঙ্কি পত্নীক বাতি হাবিত মেলা, বাঁহীৰ মাতত আকুল হোৱা ইত্যাদি অস্বাভাৱিক কথা-কাণ্ডই মূল কাহিনীটোৰ আবেদন ছিন্ন-ভিন্ন কৰি পেলালে। সকলো ঘটনাই যেন ভাগ্যৰ পৰিহাস। গ্ৰন্থখনৰ ক্ষুদ্ৰ পৰিসৰত সংঘটিত ঘটনাৰ বাহুল্যতাই বাস্তৱবাদী উপন্যাসৰ গণ্ডিৰ বহুত বাহিৰলৈ আঁতৰাই নিলে। অথচ, মূল চৰিত্ৰ সত্যবান সুধৰ্ম্মাৰ কিছু বিকাশ ঘটাই মৰ্মস্পৰ্শী কৰি তুলিব পৰাৰ থল আছিল আৰু ইয়াকে কৰা হ'লে "সুধৰ্ম্মাৰ উপাখ্যান" উপন্যাসৰ শাৰীত উঠিলেহেঁতেন। কাহিনীভাগত যথেষ্ট বাস্তৱ সমল আছিল আৰু ঠাই বিশেষে বাস্তৱমুখী চিত্ৰনো দেখা যায়। ন্যায় আৰু ধৰ্মৰ পথত চলিলে হাজাৰ দুৰ্যোগৰ পাছতো সুখৰ মুখ দেখা যায় বুলি প্ৰতীতি জন্মাবলৈকে কাহিনীৰ যেন অৱতাৰণা। ঈশ্বৰ-বিশ্বাস গ্ৰন্থখনৰ মূল প্ৰতিপাদ্য বিষয়। সামৰণিত লেখিকাই দাঙি ধৰিছে এইদৰে-"মানুহে ইচ্ছা কৰিলে নিজৰ স্বভাৱ নিজে সংশোধন কৰিব পাৰে। য'তে ধৰ্ম ত'তে জয়। এই কথা সত্য।"

"সুধৰ্ম্মাৰ উপাখ্যান"ৰ চৰিত্ৰ চিত্ৰনত জটিলতা নাই। প্ৰায়বোৰ চৰিত্ৰই সহজ সৰল। মুখ্য চৰিত্ৰ সুধৰ্ম্মা সৰল, অনুভূতিপ্ৰৱনা আৰু পতিব্ৰতা নাৰীৰ প্ৰতিনিধি। চৰিত্ৰটোৰ দ্বন্দ্ব ফুটাই তোলাতো লেখিকা সফল নহ'ল। লীলাৱতী ধৈৰ্যশীলা আৰু নাৰীত্বৰ জেউতিৰে উজ্জ্বল। মনোৰমা নিৰ্যাতিতা, সহনশীলা আৰু অন্ধ-পতিব্ৰতা। পুৰুষ চৰিত্ৰৰ ভিতৰত সত্যবান মাধৱচন্দ্ৰ একে পৰ্যায়ৰ, বন্ধুপৰায়ণ, স্নেহশীল, সৎ আৰু পবিত্ৰ মনৰ অধিকাৰী। মনোহৰৰ চৰিত্ৰত কিছু দ্বন্দ্ব থাকিলেও মূল কাহিনীত মনোহৰ-মনোৰমা অনাৱশ্যক। কিন্তু, লেখিকাই দাঙি ধৰা 'স্বভাৱ সংশোধন কৰিব পাৰে,' মতৰ প্ৰমাণ হিচাপে মনোহৰক অমানুহৰ পৰা মানুহ কৰি তোলা হৈছে। যাই চৰিত্ৰৰ যথাৰ্থ চিত্ৰন নঘটাত গ্ৰন্থখনৰ বৈশিষ্ট্য হ্ৰাস পালে।

গ্ৰন্থখনৰ ভাষা অতি সৰল। সেই সময়ৰ ভাষাত প্ৰচলিত কিছুমান বিশেষ জতুৱা ঠাঁচ সংৰক্ষিত হোৱাত পুথিখনে গদ্য হিচাপে বিশেষ গুৰুত্ব আহৰণ কৰিছে। ১৮৯১ চনৰ "জোনাকী"ৰ পুথি আলোচনাত লক্ষ্মীনাথ বেজবৰুৱাই লেখিছিল,- "আমি বহুতদিনৰ পৰা আমাৰ দেশৰ তিৰুতাৰ ভাল ৰচনা পাবলৈ আশা কৰি আছিলোঁ। যদিও বঙ্গদেশৰ দৰে অসমত স্ত্ৰী শিক্ষাৰ সোঁত বৰকৈ বোৱা নাই, তথাপি মাজে সময়ে দুটি এটি ৰচনা দেখিলে মনত বৰ ভাল লাগে। 'সুধৰ্ম্মাৰ উপাখ্যান' পঢ়ি মনত বৰ ৰঙ পালোঁ। এই পুথিৰ ভাষা সহজ সৰল আৰু কোমল হৈছে।[৮২]

---

৮২. লক্ষ্মীনাথ বেজবৰুৱা, (সম্পা:) "জোনাকী", ৩য় ভাগ, ১৮৯১ চন, পৃ. ১৫৪

অসমীয়া উপন্যাসৰ উদ্যোগ-পৰ্বত "সুধৰ্ম্মাৰ উপাখ্যান"ৰ পদক্ষেপ মৌলিক কাহিনী হিচাপে সদায়েই স্মৰণীয় হৈ ৰ'ব। হেমচন্দ্ৰ বৰুৱাই ৰচনা কৰা "বাহিৰে ৰং চং ভিতৰে কোৱা ভাতুৰী"ৰ পাছতে পদ্মাৱতী দেৱীফুকননী ৰচিত "সুধৰ্ম্মাৰ উপাখ্যান" দেশীয় লোকে ৰচনা কৰা মৌলিক কাহিনী গ্ৰন্থ। কলা-কৌশলত বিশুদ্ধ উপন্যাস আখ্যা দিব নোৱাৰিলেও গ্ৰন্থখনৰ মূল্য অটুট হৈ ৰৈছে। ডিম্বেশ্বৰ নেওগে এই গ্ৰন্থক যকৰা উপন্যাসৰ পৰ্যায়ত ধৰি ইংৰাজী সাহিত্যৰ জেন অষ্টেনৰ সৈতে[৮৩] তুলনা কৰাত কিছু আবেগ প্ৰকাশতা থাকিলেও পাঠকৰ বাবে পৰবৰ্তীকালতো "সুধৰ্ম্মাৰ উপাখ্যান" বসাল হৈ ৰ'ব।

৩.২.০৬ "হিত-সাধিকা"

পদ্মাৱতী দেৱীৰ দ্বিতীয় গ্ৰন্থ "হিত-সাধিকা"- ল'ৰা আৰু ছোৱালীৰ হিতাৰ্থে ৰচনা কৰা হৈছে। চৌৰালিছ পৃষ্ঠাৰ ক্ৰাউন আকাৰৰ এই পুথিখনো কলিকতাৰ ভিক্টোৰিয়া প্ৰেছত ভুবনমোহন চৰকাৰৰ দ্বাৰা ১২৯২ বঙ্গাব্দ বা ১৮৮৫ চনত প্ৰথম প্ৰকাশ ঘটিছিল। ৰচনা স্থান নগাঁও আৰু ইয়াৰ বাবে পদ্মাৱতী দেৱী ফুকননীক গুণাভিৰাম বৰুৱা আৰু পদ্মহাস গোস্বামীয়ে অনুপ্ৰাণিত কৰিছিল। এই পুথিখনৰ পৰিকল্পনা লেখিকাই প্ৰকাশৰ বহু বছৰৰ আগৰে পৰাই কৰিছিল বুলি 'ভূমিকা'ৰ পৰা জনা যায়। পুথিখন ৰচনাৰ উদ্দেশ্য সম্পৰ্কত লেখিকাই 'ভূমিকা'ত লেখিছে- "যদিও এই ক্ষুদ্ৰ পুথিখনিএ আমাৰ দেশৰ কৃতবিদ্য লেখকসকলক সন্তোষিত কৰা অসম্ভৱ, তথাপি মই অল্প বুদ্ধিমতী তিৰোতাই কৰা পুথিখনিৰ দ্বাৰাই যদি পাঠাৰ্থী ল'ৰা-ছোৱালীবিলাকৰ অলপো উপকাৰ হয়, তেনেহ'লে মোৰ সকলো পৰিশ্ৰম সফল বোধ কৰিম।"

"হিত-সাধিকা" গ্ৰন্থৰ চৌৰালিছ পৃষ্ঠাৰ ভিতৰত বাৰটা পৰিচ্ছেদ পোৱা যায়। একাদিক্ৰমে সেইবিলাক হ'ল-, আৰম্ভণ; জ্ঞান আৰু অনুষ্ঠান; অহঙ্কাৰ; বিদ্যাধন; হিংসা; দয়া আৰু নম্ৰতা; কৃতজ্ঞতা; পিতৃ-মাতৃৰ প্ৰতি ভক্তি; দেশীয় লোকৰ প্ৰতি ভক্তি; দেশীয় লোকৰ প্ৰতি ব্যৱহাৰ ; ব্যয় আৰু শেষ অধ্যায়ত পৰিশেষ নামৰ পৰিচ্ছেদ সংযোজন কৰিছে। প্ৰতিটো অধ্যায়ক পৰিচ্ছেদ বোলা হৈছে। প্ৰতিটো পৰিচ্ছেদতে ল'ৰা-ছোৱালীক বিষয়-বস্তুৰ সৈতে পৰিচয় ঘটাই নীতি-জ্ঞানৰ শিক্ষা দিবলৈ যত্ন কৰা হৈছে। 'আৰম্ভণ'ত 'হে প্ৰিয় ল'ৰাছোৱালী বিলাক' বুলি সম্বোধন কৰি সকৰে পৰা নানা কথা শিকি বুজি ল'বলৈ সকিয়াই দিছে। ধৰ্মৰ প্ৰতি মতি হ'লেই নৈতিক চৰিত্ৰ গঠিত হয়, এনে ধাৰণাৰে লেখিছে,-" ঈশ্বৰে মানুহক সুখী কৰিবৰ নিমিত্তে শৰীৰ আৰু মনৰ কেতবোৰ নিয়ম কৰি দিছে। সেই নিয়মৰ নামেই ধৰ্ম।"[৮৪] দ্বিতীয় অধ্যায়ত "জ্ঞান আৰু জ্ঞানৰ অনুষ্ঠান মানুহৰ প্ৰধান ভূষণ" বুলি প্ৰদৰ্শন কৰিছে। 'অহঙ্কাৰ' অধ্যায়ত অহঙ্কাৰী লোক সৎ হ'ব নোৱাৰে, বিদ্যা-ধন অধ্যায়ত বিদ্যামূল্য বস্তু আৰু ইয়াৰ সমান পৃথিৱীত আন একো নাই। 'স্বদেশে পূজ্যতে ৰাজা বিদ্বান সৰ্বত্ৰ পূজ্যতে' এই উদ্ধৃতিৰে সুন্দৰকৈ দেখুৱাইছে যে পুৰুষ-তিৰোতা সকলোৰে বাবে বিদ্যাই প্ৰধান সম্পদ। "দেখাচোন, ইংৰাজ দেশৰ মানুহ বিলাকে জাহাজ, ৰেল গাড়ী আদি নানা উপকাৰী বস্তু প্ৰস্তুত কৰি দেশৰ কত উপকাৰ কৰিছে আৰু নিজেও কিমান টকা উপাৰ্জন

৮৩. D. Neog, "N.L.H.A.L." p. 387
"This is an interesting domestic novel like those of Jane Aust en".

৮৪. "হিত-সাধিকা", পৃ. ৭

কৰিছে ।[৮৫] এনে ধৰণৰ বক্তব্যৰ মাজতে লেখিকাৰ মানসিকতা উপলব্ধি কৰা যায় । মাতৃভাষাৰ প্ৰতি অনীহা-দেখুৱাই ইংৰাজৰ অনুকৰণ ভালপোৱা নাছিল । তেওঁৰ মতে ইংৰাজৰ লগত ইংৰাজীৰে, বাঙালীৰ লগত বাঙালীৰে, হিন্দুস্থানীৰ লগত হিন্দুস্থানীৰে কথা পাতিলেও নিজৰ মাজত মাতৃ-ভাষাৰে কথা পাতিব লাগে । উল্লেখযোগ্য যে সেই সময়ৰ উচ্চ-শিক্ষা লাভ কৰাসকলে কথা-বতৰা, চিঠি-পত্ৰ আদি সকলোতে ইংৰাজী ব্যৱহাৰ কৰি নিজক 'বাবু'ৰ পৰ্যায়ত ৰাখিছিল । হিংসা মহাপাপ, ই এক দুৰন্ত ৰিপু । দয়া আৰু নম্ৰতা, পৰোপকাৰ, কৃতজ্ঞতা আদিহে মনুষ্যৰ প্ৰধান গুণ । পৰিশ্ৰমৰ দ্বাৰা উৎপাদন বৃদ্ধি কৰিব লাগে আৰু আয় চাই ব্যয় কৰিব লাগে বুলি বিভিন্ন অধ্যায়ত আলোচনা কৰিছে । 'পৰিশেষ' অধ্যায়ত গ্ৰন্থখনত উল্লিখিত প্ৰসংগবোৰ বুজিবাজি ঈশ্বৰত বিশ্বাস ৰাখি, পাৰ্শলে মন নিদি জ্ঞান আহৰণ কৰাত গুৰুত্বাৰোপ কৰি ল'ৰা-ছোৱালীহঁতক ঈশ্বৰে সুমতি দিয়াৰ কামনাৰে গ্ৰন্থখন সামৰণি মৰা হৈছে ।

"হিত-সাধিকা"ত আলোচ্য বিষয় বস্তু সহজ-সৰল ভাষাৰে দাঙি ধৰাৰ বাবে কিশোৰ-কিশোৰীৰ উপযুক্ত হৈছে আৰু নৈতিক শিক্ষাদানতো গ্ৰন্থখনৰ গুৰুত্ব স্বীকৃত হৈছে । গদ্য-গ্ৰন্থৰূপেও ইয়াৰ মূল্য যথেষ্ট । পাঠ্য-পুথিৰ আৰ্হিৰ এই পুথিও পাঠ্য-পুস্তকৰূপে স্বীকৃতি লাভ কৰা বুলি জনা গৈছে ।[৮৬] পুথিখনে বৰ্ণাশুদ্ধি দোষৰ পৰা হাত সাৰিব পৰা নাছিল ।

৩.২.০৭ অন্যান্য ৰচনা

পদ্মাৱতী দেৱী ফুকননী ৰচিত এলানি নিবন্ধ আৰু ভালেসংখ্যক কবিতা সম-সাময়িক আলোচনী সমূহত সিঁচৰতি হৈ আছে । তেওঁৰ প্ৰবন্ধ ৰচনা আৰম্ভ হৈছিল "আসাম -বন্ধু"ত । বিংশ শতাব্দীৰ প্ৰাৰম্ভিক কালৰ বিখ্যাত অসমীয়া আলোচনী "বাঁহী"তো তেওঁৰ কেবাটাও নিবন্ধ প্ৰকাশ হৈছিল । তদুপৰি, "জোনাকী"তো সুচিন্তিত নিবন্ধ দিছিল বুলি এটি সূত্ৰত প্ৰকাশ ।[৮৭] তেওঁৰ অন্তিম নিবন্ধটি প্ৰকাশ পাইছিল "অসম সাহিত্য সভা পত্ৰিকা"ত ।

"আসাম-বন্ধু"ত ১৮৮৫ চনৰ প্ৰথম ভাগৰ সপ্তম সংখ্যাত (শাওন) তেওঁৰ প্ৰথম নিবন্ধ "নাৰীৰ মুক্তাৱস্থা" প্ৰকাশ পাইছিল । এই নিবন্ধৰ তলত 'প' ৰূপে লেখক সংকেত দিয়া আছে । ড°নগেন শইকীয়াই "আসাম বন্ধু"ৰ পুনঃসংকলনত এই সংকেত 'প-পূৰ্ণকান্ত শৰ্মা' বুলি উল্লেখ কৰিছে ।[৮৮] কিন্তু, ১৮৮৬ চনৰ দ্বিতীয় খণ্ড "আসাম-বন্ধু"ৰ ১/২ সংখ্যাৰ লেখক-লেখিকাৰ তালিকাত[৮৯] পদ্মাৱতীৰ নাম স্পষ্টকৈ উল্লিখিত হোৱাত 'প-পদ্মাৱতী'কহে বুজাইছে বুলি নিশ্চিত হ'ব পাৰি । তদুপৰি, এই নিবন্ধৰ বাদে অন্য লেখাৰ তলত-'প' সংকেত পোৱা নাযায় । আনহাতে নিবন্ধটোৰ এঠাইত আছে,-"কিন্তু এটা কথা জনাওঁ আমাৰ নিচিনা ক বুলিব নজনা অসভ্য তিকতাক মুক্তৱস্থা দি ছুছুং পহু সজোৱাতকৈ বন্দী কৰি ৰখাকে ভাল বুলি মানিছোঁ ।"[৯০] এই আভ্যন্তৰীণ প্ৰমাণৰ পাছত" নাৰীৰ মুক্তাৱস্থা" পদ্মাৱতী দেৱী ফুকননীৰ বুলি নিসন্দেহ হ'ব পাৰি ।

---

৮৫. উক্ত গ্ৰন্থ, পৃ. ২৫

৮৬. আনন্দ চন্দ্ৰ আগৰৱালাৰ, 'অসমীয়া সাহিত্যৰ লেখিকা' ("আৱাহন", ৪ৰ্থ বছৰ, ৫ম সংখ্যা, ১৯৯৩) নিবন্ধত পোৱা যায়– "হিত-সাধিকা ছোৱালীৰ পঢ়া-শালিত কিছুদিন চলিছিল ।"

৮৭. এইমত কবি ৰঘুনাথ চৌধাৰীৰ বুলি "কামৰূপ ৰত্নমালা"ৰ ২০ পৃষ্ঠাত পোৱা যায় ।

৮৮. 'আসাম বন্ধু', পুনঃ সংকলন, 'ভূমিকা', পৃ. ৪১

৮৯. উক্ত গ্ৰন্থ, পৃ. ৫০৪

৯০. পূৰ্বোক্ত গ্ৰন্থ, পৃ. ২২৫

বত্নেশ্বৰ মহন্তই, "আসাম বন্ধু"ত 'স্বাধীনতা নে স্বেচ্ছাচাৰ'[৯১] আৰু "ঘৈণীৰ কৰ্তব্য ও স্ত্ৰী শিক্ষা"[৯২] নামৰ নিবন্ধ দুটা ৰচনা কৰা প্ৰক্ৰিয়া কপেই পদ্মাৱতীয়ে "নাৰীৰ মুক্তাৱস্থা" ৰচনা কৰিছিল। নিবন্ধত লেখিকাৰ পৈণত জ্ঞান আৰু চিন্তা-শক্তিৰ পৰিচয় পোৱা যায়। প্ৰাচীন আৰ্য-ৰমণীসকলৰ মুক্তাৱস্থাৰ আলোচনা কৰি পদ্মাৱতী দেৱী ফুকননীয়ে সম-সাময়িক তিৰোতাৰ সৈতে তুলনা কৰিছে। "পূৰ্বকালৰ তিৰুতাই সাহিত্য, অঙ্কবিদ্যা, জ্যোতিষ বিদ্যা, চিত্ৰবিদ্যা, যুদ্ধ কৰা, ঘোঁৰা চলোৱা, অনেক শিল্প বিদ্যা আদি কৰি নানা গুণে ভূষিতা আছিল। সকলোতে বৰ পাৰ্গত আৰু ধাৰ্মিক আছিল।" কিন্তু, সম-সাময়িক নাৰীৰ ছবি এখন তেওঁ দাঙি ধৰিছিল এইদৰে,"------- আমাৰ বিদ্যা নাই, বুদ্ধি নাই, বিবেচনা নাই, প্ৰকৃত ধৰ্মজ্ঞান নাই, সজ-অসজ নাজানো-- কেৱল ধুন কৰিব জানো, গাত দুঃখ দিব নোখোজো, কাপৰ বৰলৈ বেয়া পাই বিদেশীয় বস্ত্ৰ পিন্ধিছোঁ -----।" ইত্যাদি। অভিভাৱক আৰু চুবুৰীয়াই নাৰীৰ বাবে উপযুক্ত শিক্ষা-ব্যৱস্থা নকৰাৰ বাবেই তিৰোতা-সকল চুকত সোমাই থকা বুলি তেওঁ মত পোষণ কৰি গৈছে। উনবিংশ শতাব্দীৰ নাৰী-মানসিকতা উপলব্ধিত এই নিবন্ধ ঘাই সহায়ক হিচাপে পৰিগণিত হৈছে।

বিংশ শতাব্দীত ৰচিত পদ্মাৱতীৰ নিবন্ধকেইটা হ'ল--

(১) 'বিধবা',- "বাঁহী", চতুৰ্থবছৰ, নবম সংখ্যা, ১৯১৩ চন।

(২) 'ৰুক্মিণীৰ বিবাহ',- "বাঁহী", নৱম বছৰ, প্ৰথম সংখ্যা, ১৯১৮ চন।

(৩) 'ঘৈণী',- "বাঁহী", নৱম বছৰ, সপ্তম সংখ্যা, ১৯১৮ চন।

(৪) 'বুঢ়ী আইৰ হিত কথা'- "অৰুণ", (?)

(৫) 'সমাজত তিৰোতাৰ স্থান'- "অসম সাহিত্য সভা পত্ৰিকা", ১৯২৭-২৮ চন।

ইয়াৰ উপৰিও আনন্দৰাম ঢেকিয়াল ফুকন সম্পৰ্কে জীৱনীমূলক নিবন্ধ এটা ৰচনা কৰি ১৯২৫ চনত নগাঁৱত বহা অসম সাহিত্য সভাৰ অধিবেশনত পাঠ কৰিবৰ কাৰণে প্ৰেৰণ কৰিছিল আৰু ড° সূৰ্য কুমাৰ ভূঞাই ইয়াক পাঠ কৰা বুলি জনা যায়।[৯৩]

পদ্মাৱতীৰ প্ৰায়বোৰ প্ৰবন্ধই স্ত্ৰী-বিষয়ক চিন্তা-চৰ্চাৰ আভাস দাঙি ধৰে। সম-সাময়িক কালত স্ত্ৰী-সমাজৰ অন্ধকাৰ বিনাশ কৰি স্ত্ৰী-স্বাধীনতা, স্ত্ৰী শিক্ষা আদি প্ৰবৰ্তনৰ বাবে উচ্চ-শিক্ষিত সমাজত ধুমুহাৰ সৃষ্টি হৈছিল। অসমীয়া ভাষা-সাহিত্য প্ৰতিষ্ঠাৰ ত্ৰিমূৰ্তি আনন্দৰাম ঢেকিয়াল ফুকন, হেমচন্দ্ৰ বৰুৱা আৰু গুণাভিৰাম বৰুৱাই স্ত্ৰীশিক্ষা, স্ত্ৰী-স্বাধীনতা তথা নাৰী মুক্তিৰ পোষকতা কৰিছিল। 'আসাম বন্ধু'ৰ পাততো বিভিন্ন জনে নাৰী উন্নতিকল্পে চিন্তা-চৰ্চা কৰা দেখা যায়। কিন্তু, সম-সাময়িক "মৌ"ৰ নিচিনা পত্ৰিকাই ইয়াৰ বিৰোধিতাও কৰা

---

৯১ পূৰ্বোক্ত গ্ৰন্থ, পৃ. ১৬১-১৬৪

৯২ পূৰ্বোক্ত গ্ৰন্থ, পৃ. ১৯১-১৯৪

৯৩. 'চন্দ্ৰধৰ বৰুৱা ৰচনাৱলী', পৃ. ৫৪৫
'অসম সাহিত্য সভা পত্ৰিকা", ৩য় বছৰ ৩য় সংখ্যা, ১৯২৬ চন।

৯৪. 'অৰুণোদই'ৰ ১৮৫৩ চনত 'এজন অসমীয়া লোক' হিচাপে সত্যৰত্ন গুণাভিৰাম বৰুৱাই লেখা 'আচাম দেশৰ লোক সকলৰ প্ৰতি নিবেদন পত্ৰ' আৰু তেওঁৰ 'আনন্দৰাম ঢেকিয়াল ফুকনৰ জীৱন চৰিত' আৰু হেমচন্দ্ৰ বৰুৱাৰ 'স্ত্ৰী-শিক্ষা' (১৮৬১) নামৰ নিবন্ধত স্ত্ৰী-শিক্ষাৰ প্ৰতি তেওঁলোকৰ মনোভাৱ প্ৰকাশ পাইছে।

দেখা যায়।[১৫] কিন্তু, পদ্মাৱতী দেৱী ফুকননীৰ দৰে অগ্ৰণী মহিলাই অশেষ যত্ন কৰাৰ ফলত বিংশ শতাব্দীৰ প্ৰথম দশক তিনিটাৰ ভিতৰতে কেবাগৰাকী নাৰীয়ে বিভিন্ন ক্ষেত্ৰত স্ব-প্ৰতিভা প্ৰকাশ কৰিবলৈ সমৰ্থ হয়।

পদ্মাৱতীৰ 'ঘৈণী' নিবন্ধত পত্নীৰ অৱস্থা আৰু যোগ্যতা সম্পৰ্কে সচেতন মনোভাব লক্ষ্যণীয় হৈছে। 'ৰুক্মিণীৰ বিবাহ' আৰু 'সমাজত তিৰোতাৰ স্থান' নিবন্ধত বিষয় বস্তুৰ যথাৰ্থ উপলব্ধি কৰা হয়। শেষৰ নিবন্ধটো তেওঁৰ সৰ্বপ্ৰথম নিবন্ধ 'নাৰীৰ মুক্তাৱস্থাৰ' পৰিপূৰক বুলিব পাৰি আৰু এইটোৱেই তেওঁৰ অন্তিম ৰচনা।[১৬]

দেৱী ফুকননীৰ সবাতোকৈ উল্লেখযোগ্য প্ৰবন্ধ হ'ল 'বিধৱা'। এই ভয়াবহ দুৰাৱস্থাৰ বিষয়ে তেওঁ লেখিছে,– "এই তিনিটি আখৰ বৰ ভয়ংকৰ। এই শব্দটি বৰ কৰ্কশ।" সধৱাকপত মৃত্যু বৰণ কৰাটো পৰম সৌভাগ্যৰ বিষয় বুলি গভীৰভাৱে বিশ্বাস কৰা হৈছিল। প্ৰাচীন পৰম্পৰানুযায়ী স্বামী সেই পৰ্যন্ত নাৰীৰ সৰ্বস্ব। "কত জন্মৰ তপস্যাৰ ফলেৰেহে ভাগ্যৱতীসকলে স্বামীত চিৰ বিদায় লৈ এই সংসাৰৰ মোহমায়া বিসৰ্জন দি স্বামীৰ অপূৰ্ব প্ৰীতি বুকুত বান্ধি লৈ প্ৰভুৰ চৰণত স্বামীৰ মঙ্গল প্ৰাৰ্থনা কৰিবলৈ স্বৰ্গধামলৈ যাব পাৰে।" আনহাতে স্বামী হ'ল সুখ-দুখৰ সাৰথি আৰু "খেমালিত লগৰীয়া, উপদেশত গুৰু, পোষণত পিতৃ। স্নেহত মাতৃ, শুশ্ৰূষাত দাস, শিক্ষাত অধ্যাপক, ৰহস্যত মিত্ৰজন, মিঠাকথাত শিশু সন্তান। স্বামীৰে কাৰ তুলনা হ'ব পাৰে।" স্ত্ৰী ওপজাৰ পৰা মৰালৈকে স্বতন্ত্ৰ নহয় বুলি প্ৰাচীন পৰম্পৰা মানি তিৰোতাক স্বামীৰ বস্তু হ'ব পাৰে বুলি দৰ্শাইছে। "গৃহিণীয়েই গৃহলক্ষ্মী, তেওঁৰ গটুটাৰ দ্বাৰাই গৃহৰ উন্নতি আৰু গৃহিণী এলেহুৱা বা অসাহনীয়া হ'লে গৃহৰ শ্ৰী হত হয়। মোৰ বিশ্বাস যে তিৰুতাৰ পৰা স্বামীৰ সৰ্ব্বসুখ হয়, গৃহস্থৰ মঙ্গল হয়। তেনেহ'লে স্ত্ৰী বস্তু।"

স্ত্ৰী-শিক্ষা সম্পৰ্কেও এই নিবন্ধত সু-চিন্তিত অভিমত প্ৰকাশ পাইছে।– "আমাৰদেশৰ তিৰুতাৰ নিয়মানুসাৰে বিদ্যা শিক্ষা এতিয়ালৈ হোৱাই নাই। আমাৰ বুঢ়া-লোকে কয় তিৰুতাৰ অল্পবিদ্যা ভয়ঙ্কৰী। এই কথা সঁচা বুলি মানিব লাগে। কিয়নো জ্ঞান উৎপত্তি হোৱাকৈ শিক্ষা পালেহে বিশেষ উপকাৰ হয়। আধা খৰচীয়াকৈ উপন্যাস, নাটক, পদপুথি পঢ়াত তিমান জানো নঘটে; বিবেচনাৰো ত্ৰুটী হয়। গতিকে, স্বাধীনতা পালে স্বছন্দে চলাটো টান হয়।" পদ্মাৱতীৰ এনে দৃষ্টি-ভঙ্গীৰ মূলতে পিতৃ-মাতৃৰ উপযুক্ত শিক্ষা। ঢেকিয়াল ফুকন স্ত্ৰীশিক্ষা আৰু স্বাধীনতাৰ প্ৰবক্তা আছিল। নাৰীৰ মঙ্গল সাধনাকে আদৰ্শ আৰু লক্ষ্য হিচাপে গ্ৰহণ কৰি নিবন্ধসমূহত একান্তভাৱে ইয়াৰ প্ৰতিফলন ঘটাইছিল।

পদ্মাৱতী দেৱী ফুকননী এগৰাকী কবিও। তেওঁৰ কবিতা সমূহ উত্তৰ 'জোনাকী কালতহে ৰচিত হৈছিল আৰু আটাইকেইটা কবিতা ১৯১০-১৯২০ চনৰ ভিতৰত লক্ষ্মীনাথ বেজবৰুৱাৰ "বাঁহী"ত প্ৰকাশ পাইছিল। তেওঁৰ কবিতাৰ ওপৰত "জোনাকী"ৰ ৰমন্যাসিক

---

১৫. 'মৌ' কাকতৰ ১৮৮৬ চনৰ ডিচেম্বৰৰ প্ৰথম সংখ্যাৰ প্ৰথম্ পৃষ্ঠাৰ পৰা প্ৰকাশ পোৱা, সম্ভৱতঃ ৰত্নিনাৰায়ণ ৰৰা ৰচিত 'তিৰুতাৰ বল কি ? নিবন্ধত স্ত্ৰী-শিক্ষাৰ প্ৰতি বিৰুদ্ধ-মনোভাৱ প্ৰকাশ পাইছে। তিৰোতাই আনুষ্ঠানিক শিক্ষা লৈলে ঘৰুৱা কামত থকাতো কাকতখনৰ কাম্য আৰু স্ত্ৰী-স্বাধীনতাৰো বিৰোধী।

১৬ আনন্দচন্দ্ৰ আগৰৱালাই 'অসমীয়া সাহিত্যে সেৱকিনী' নিবন্ধত এইটি প্ৰবন্ধক লেখিকাৰ 'শেষ ৰচনা' বুলিছে। "আৱাহন", ৪ৰ্থ বছৰ, ৫ম সংখ্যা, ১৯৩২ দ্ৰষ্টব্য।

লক্ষণৰ প্ৰভাৱ সুস্পষ্ট হোৱা উচিত আছিল যদিও প্ৰাক্-জোনাকীৰ কাব্যাদৰ্শৰ পৰা তেওঁ আঁতৰি আহিব নোৱাৰিলে। সম্ভৱতঃ ঊনবিংশ শতকৰ মানসিকতাৰ পৰা আঁতৰি আহি পাশ্চাত্যধৰ্মী-ৰমন্যাসিক চিন্তা-চৰ্চাক আপোন কৰি ল'ব পৰা নাছিল। "বাঁহী"ৰ ১ম বছৰ, একাদশ সংখ্যাত (১৯১০ চন) প্ৰকাশিত 'প্ৰাৰ্থনা' নামৰ কবিতাই পদ্মাৱতীৰ কাব্যিক বৈশিষ্ট্য প্ৰদৰ্শন কৰিছে –

"কৃপাকৰা দীনবন্ধু তুমিহে করুণাসিন্ধু
আন্ধাৰৰ জ্যোৎস্না তুমি কলাৰ লাখুটি;
তোমাৰ প্ৰসাদ পালে অজ্ঞানীৰ জ্ঞান মিলে
হৃদয়ত ফুলৰ দৰে ওলোৱাহে ফুটি।"

এই কবিতাত 'দীনবন্ধু করুণাসিন্ধু' ভগৱৎ ভক্তিৰ মহিমা প্ৰকাশ কৰি পৰম্পৰাগত ধৰ্মীয় চিন্তা-চৰ্চাৰহে প্ৰকাশ কৰিছে। 'প্ৰকৃতিৰ শোভা' নামৰ "বাঁহী"ৰ ষষ্ঠ বছৰ (১৯১৪), প্ৰথম সংখ্যাত প্ৰকাশিত কবিতাটোতো 'ধন্য ভগৱন্ত ধন্যহে যেমালি/বিশ্ব-ব্ৰহ্মাণ্ডক লৈ আছাহে উমলি' বুলি একে মনোভাৱকে প্ৰকাশ কৰিছে। আনহাতে বৈজ্ঞানিক দৃষ্টি-ভঙ্গী এটায়ো ইয়াৰ মাজত প্ৰকাশ পাইছে।

'দিবাকৰে সাথি আছে মহা উপকাৰ,
নহ'লে কিৰূপে আহা চলিব সংসাৰ।'

এই একে বছৰৰে "বাঁহী" ৫ম সংখ্যাত প্ৰকাশিত 'বসন্ত' কবিতাত প্ৰকৃতিৰ শোভা বৰ্ণিত হৈছে। গছে পাত সলোৱা, বসন্তৰ মলয়া বতাহ, চৰাই মাত, ফুলি উঠা ফুল, বৰষাৰ পৰশত প্ৰকৃতিলৈ ৰসৰ নিজৰা বোৱাই শস্যৰ পৃথিৱী সজাই পৰাই খেতিয়কক অনুপ্ৰাণিত কৰা, মধুমাসত প্ৰিয়জনলৈ মনত পৰা ইত্যাদি বৰ্ণনাৰ মাজত ৰমন্যাসিক কবিতাৰ লক্ষণতকৈ প্ৰাচীন ভাৰতীয় গীতি সাহিত্যৰ লক্ষণহে বেছি প্ৰকট হৈ পৰিছে। ৰমন্যাসিক কবিতাৰ লক্ষণ স্পষ্ট হৈ উঠা একমাত্ৰ কবিতাটি হ'ল 'ফুলবাণী'[১৭] আৰু এইটোৱেই তেওঁৰ প্ৰথম কবিতা। 'জোনাকীযুগ'ৰ কাব্যলক্ষণ কবিতাটোত প্ৰকাশ হোৱা দেখা যায়।

"সুগন্ধিফুলৰ গাঁথি চন্দ্ৰহাৰ হিয়াত পিন্ধিছোঁ সখী,
নৱৰত্ন মালা গাঁথি যতনেৰে থৈছোঁ হাতত ৰাখি।
দহো আঙুলিত ফুলৰ আঙঠি পিন্ধিছোঁ হেপাহত মই
খোপাৰ ওপৰত মালতীৰ খোপা, পৰিছে ভোমোৰাচয়। --"

তেওঁৰ 'জয়মতী- কুঁৱৰী' নামৰ কবিতাতো ৰমন্যাসিক লক্ষণৰ আভাস প্ৰতিভাত হৈছে। পদ্মাৱতীয়ে কিছুমান বিয়ানাম সংগ্ৰহ কৰি মাজে মাজে নিজা ভাষাত পোণাই পোঁজাই "বাঁহী" কাকতত প্ৰকাশ কৰিছিল। বিয়ানাম সংগ্ৰহৰ বোধকৰো এয়ে প্ৰথম প্ৰচেষ্টা।

পদ্মাৱতী দেৱী ফুকননী অসমীয়া সাহিত্যৰ এগৰাকী গুৰুত্বপূৰ্ণ লেখিকা। ঊনবিংশ শতাব্দীৰ আশীৰ দশকৰ পৰা বিংশ শতাব্দীৰ কুৰিৰ দশক পৰ্যন্ত প্ৰায় অৰ্ধ-শতাব্দীকাল তেওঁ সাহিত্য-সেৱা কৰি গ'ল। উপন্যাসৰ প্ৰবৃত্তি পৰ্বত আগবঢ়োৱা দানৰ পৰা লোকগীত সংগ্ৰহলৈকে নানা দিশত তেওঁ দি যোৱা অৱদানে অসমীয়া সাহিত্যত তেওঁক স্মৰণীয় কৰি তুলিছে। "সুধৰ্মাৰ উপাখ্যান"খনেই তেওঁৰ কীৰ্তি অক্ষয় কৰি ৰাখিব।

---

১৭. "বাঁহী", প্ৰথম বছৰ, একাদশ সংখ্যা, ১৯১০ চনত প্ৰকাশিত।

চতুৰ্থ অধ্যায়

ৰমন্যাসিক যুগ

৪.১. ১৮৯৯ চনৰ জানুৱাৰী মাহত কলিকতাত "জোনাকী" কাকতৰ প্ৰথম সংখ্যাটো প্ৰকাশ হোৱাৰ লগে লগে অসমীয়া সাহিত্যত এটা নতুন যুগৰ সূচনা হয়। জোনাকী কাকতক কেন্দ্ৰ কৰি এই সাহিত্য আন্দোলন গঢ়লৈ উঠাৰ বাবে ইয়াৰ নাম 'জোনাকী যুগ' দিয়া হৈছে। আনহাতে, সাহিত্য ৰচনাৰ ভাবাদৰ্শৰ কাৰণৰ পৰা যুগটোক 'ৰমন্যাসিক যুগ' আৰু এই যুগৰ শক্তিশালী নেতৃত্ব প্ৰদান কৰোতা লক্ষ্মীনাথ বেজবৰুৱাৰ অৱদানলৈ লক্ষ্য ৰাখি 'বেজবৰুৱাৰ যুগ' অভিহিত কৰি দ্বিতীয় মহাসমৰৰ আৰম্ভণিৰ সময়লৈ, অৰ্থাৎ ১৯৪০ চন পৰ্যন্ত সম্প্ৰসাৰণ ঘটোৱা হৈছে। এই সমগ্ৰ যুগটোকেই (১৮৮৯-১৯৪০) 'ৰমন্যাসিক যুগ' ৰূপে অভিহিত কৰা হৈছে।

"জোনাকী" কাকতৰ প্ৰকাশৰ মূলতে "অসমীয়া ভাষা উন্নতি সাধিনী সভা" নামৰ অনুষ্ঠান এটা। ১৮৮৮ চনৰ আগষ্ট মাহত (১৮১০ শকৰ ভাদ মাহৰ জন্মাষ্টমী তিথিৰ দিনা) জন্মলাভ কৰা এই অনুষ্ঠান প্ৰকৃততে কলিকতাৰ বিভিন্ন ছাত্ৰ-নিবাসত থাকি মহাবিদ্যালয় সমূহত পঢ়া-শুনা কৰা অসমীয়া ডেকা ছাত্ৰদলৰ দ্বাৰা সংগঠিত। আশীৰ দশকৰ মাজভাগত কলিকতা প্ৰবাসী ছাত্ৰসকলে "টী পাৰ্টি" নামৰ এটা সাধাৰণ চক্ৰ প্ৰতি বুধ আৰু শনিবাৰে যেইকোনো এটা ছাত্ৰাবাসত পাল পাতি অনুষ্ঠিত কৰিবলৈ লয়। এই অনুষ্ঠানটো মূলতঃ ছাত্ৰ সকলৰ মাজত পাৰস্পৰিক যোগাযোগৰ বাবেই সৃষ্টি কৰা হৈছিল আৰু টানে-বিপদে পাৰস্পৰিক সহায় সহযোগিতা আগবঢ়াই আহিছিল। কিন্তু, অনতি পলমে অনুষ্ঠানটোৰ লক্ষ্য সলনি হৈ বুধবৰীয়া পাৰ্টিত ইংৰাজী ভাষা-সাহিত্যৰ আলোচনা আৰু শনিবৰীয়া পাৰ্টিত অসমীয়া ভাষা-সাহিত্যৰ আলোচনাই ঠাই পালে। এই "টী-পাৰ্টি" অনুষ্ঠানটো মূলত "অসমীয়া ছাত্ৰৰ সহিত্য সভা" (Assamese Students' Literary Club বা চমুকৈ A.S.L. Club) নামৰ ১৮৭২ চনত প্ৰতিষ্ঠিত এটা অনুষ্ঠান আছিল। এ, এচ, এল, ক্লাবটো গঙ্গাগোবিন্দ ফুকনৰ প্ৰচেষ্টাত আৰু জগন্নাথ বৰুৱা, মাণিকচন্দ্ৰ বৰুৱা আদিৰ সহযোগত জন্মলাভ কৰি ১৮৮৫ চন মানলৈ অস্তিত্ব ৰক্ষা কৰি আছিল।[1] এই অনুষ্ঠানৰ পূৰ্বতে ১৮৮৫ চনত "অসম দেশ হিতৈষিণী সভা"[2] নামৰ অনুষ্ঠান এটাৰ জন্ম হৈছিল। ইয়াৰ উদ্যোক্তাসকল ছাত্ৰ নাছিল যদিও অসমীয়া ভাষা-সাহিত্যৰ প্ৰতিষ্ঠাত" ব্ৰতী হোৱাৰ মানসেৰেই অনুষ্ঠানটি গঠিত হৈছিল। ইয়াৰ

---

১. 'বেণুধৰ শৰ্মা, "অৰ্ঘাৱলী", পৃ. ১৮
"......... ১৮৭২ চনতে গঙ্গাগোবিন্দ ফুকনে কলিকতাৰ সিখন "অসমীয়া ছাত্ৰৰ সাহিত্য সভা" পাতি থৈ আহিছিল আৰু সিখনৰ সম্পাদক আৰু পুথিভঁৰালী দেৱীচৰণ বৰুৱা ১৮০৬ শকলৈ (১৮৮৫ চন) আছিল আৰু সিখনৰ অৱস্থা তেতিয়া উৰণি গৈছিল, সেইফালে আৰ্হি লৈ তেওঁবিলাকে (কলিকতীয়া ছাত্ৰ সকলে) প্ৰায়ে বুধবাৰে শনিবাৰে ঘূৰ্ণীয়া 'টী পাৰ্টি' বা জলপনীয়া ভোজ একোটি পাতি নাইবা মেল এখনত বহি মাতৃভূমি-মাতৃ-ভাষাৰ সুখ-দুৰ্গতিৰ বিষয়ে আলচ কৰিবলৈ ধৰিলে।"

২ Dimbeswar Neog, N.L.H.A.L. *p*. 391
"....... A notice in the Orunodoi (Vol. XIII) in 1858 shows the existence of one 'Asom Des' Hitaisini Sabha."

মুখ্য উদ্যোক্তা প্ৰিয়লাল বৰুৱা খুব সম্ভৱ মণিৰাম দেৱানৰ অন্যতম সহযোগী আৰু একেটা অপৰাধত অপৰাধী হৈ আন্দামাননৈ (ক'লীয়া পানী) দ্বীপান্তৰ হোৱা দুতিৰাম বৰুৱা চিৰন্তাদাৰৰ বৰপুত্ৰ।[৩]

শনিবৰীয়া 'টী-পার্টি'টোক এখন সৰু-সুৰা সাহিত্যসভাই বুলিব পাৰি। "শনিবৰীয়াখনৰ আলোচ্য বিষয় আছিল অসমীয়া ভাষা। অসমীয়া ভাষাৰ উন্নতি বিধায়ক বিবিধ বিষয়ৰ ৰচনা, কবিতা, প্ৰবন্ধ লেখি ইয়াত পাঠ কৰা হৈছিল। প্ৰকৃতপক্ষে শনিবৰীয়া 'টী-পার্টি'টো এখন সৰু-সুৰা সাহিত্য সভাই আছিল।"[৪] এই অনুষ্ঠানৰ মজিয়াতে অসমীয়া ভাষা-সাহিত্যৰ চৰ্চা শক্তিশালী কৰিবলৈ আৰু সম-সাময়িক বঙ্গ দেশত জাগ্ৰত হোৱা আধুনিক সংস্কৃতিৰ প্ৰবাহ অসমতো বোৱাবলৈ ইচ্ছুক এই যুৱকবৃন্দই জন্মদিলে যুগান্তকাৰী অনুষ্ঠান, "অসমীয়া ভাষাৰ উন্নতি সাধিনী সভা", চমুকৈ "অ, ভা, উ, সা, সভা"। ১৮৮৮ চনত জন্ম লাভ কৰা এই অনুষ্ঠানৰ প্ৰতিষ্ঠাপক সম্পাদক শিৱৰাম বৰদলৈ। নিয়মীয়াকৈ বৈঠক বহি নানান আলোচনা, প্ৰবন্ধ কবিতা আদি ৰচিত আৰু পঠিত হ'বলৈ ধৰিলে। কিন্তু, এইবিলাক ৰচনা প্ৰকাশৰ বাবে কোনো পত্ৰিকাদি নথকাত এখন মুখপত্ৰ প্ৰকাশৰ চিন্তাও অ, ভা, উ, সা, সভাই কৰিব লগাত পৰিল। এই চিন্তাক বাস্তৱত ৰূপায়ণ কৰি এটা নতুন যুগৰ আঁৰিয়া ধৰিবলৈ আগবাঢ়ি আহিল চন্দ্ৰকুমাৰ আগৰৱালা। সভাৰ সভ্যমাত্ৰেই একোটাকৈ লেখা তেওঁ প্ৰকাশৰ কাৰণে গাত লোৱা কাকতখনলৈ দিব লাগিব, অন্যথা পোন্ধৰ টকাকৈ জৰিমনা ভৰিব লাগিব।[৫] এই চুক্তিত উপনীত হৈ চন্দ্ৰকুমাৰৰ সম্পাদনাত "জোনাকী" কাকত প্ৰকাশৰ পৰিকল্পনা প্ৰস্তুত কৰা হ'ল আৰু লক্ষ্মীনাথ বেজবৰুৱা আৰু হেমচন্দ্ৰ গোস্বামীয়ো অন্যতম সহযোগী হিচাপে আগবাঢ়ি আহিল। এই ত্ৰিমূৰ্তিৰ সহযোগত ১৮৮৯ চনৰ জানুৱাৰীৰ মাজভাগত (১৮১০ শকৰ পহিলা মাঘত) "জোনাকী" কাকতৰ জন্ম হ'ল। আৰম্ভ হ'ল অসমীয়া সাহিত্যৰ দ্বিতীয় স্বৰ্ণ-যুগ।[৬] ৰমন্যাসবাদ প্ৰতিষ্ঠাত "জোনাকী"য়ে মাত্ৰ ছটা বছৰতে[৭] সফলতা লাভ কৰিলে। ষষ্ঠভাগ "জোনাকী" নিয়মীয়াকৈ ওলোৱাৰ পাছত কি কাৰণত বন্ধ হৈ পৰিল, এতিয়াও পোহৰলৈ অহা নাই। পুনৰ ১৯০১ চনৰ পৰা গুৱাহাটীত মুদ্ৰিত হৈ সত্যনাথ বৰাৰ সম্পাদনাত প্ৰায় তিনিবছৰ কাল প্ৰকাশ পাইছিল। কিন্তু, "জোনাকী"ৰ প্ৰথম ছবছৰ বা কলিকতীয়া "জোনাকী"ৰ পাততেই ৰমন্যাসবাদৰ উদ্ভৱ হ'ল। "ভাষাৰ নিৰ্ভুল আৰু সম্ভৱপৰ উচ্চতম আধুনিক মান-নিৰ্ণয়ৰ যত্নত সাহিত্যিক শৈলী সমৃদ্ধ হৈ উঠিল।"[৮] এই কাকতৰ সৰহভাগ লেখককে পাশ্চাত্য সাহিত্যই প্ৰভাবিত কৰিছিল আৰু সেই সময়ৰ প্ৰতিষ্ঠিত বাংলা-সাহিত্যৰ বৰণ্য লেখক আৰু বিশিষ্ট গ্ৰন্থসমূহে ভালদৰেই স্পৰ্শ কৰি গৈছিল। প্ৰধানতঃ ইংৰাজী সাহিত্যৰ ৰমন্যাসিক লক্ষণসমূহে "জোনাকী"ত প্ৰকাশ লাভ কৰাত এটা অভূতপূৰ্ব জাগৰণ সৃষ্টি হয়। ইংৰাজী সাহিত্যৰ ভাবধাৰা (content) আৰু গঠনৰ (form) আদৰ্শত গল্প, উপন্যাস,

---

৩. আপুহু হাজাৰ, "বাহাদুৰ গাঁওবুঢ়া", ১৯৬৯, পৃ. ২৩
৪ বেণুধৰ শৰ্মা, "অৰ্ঘ্যাৱলী", পৃ. ১৯
৫ উক্ত গ্ৰন্থ, পৃ. ২১
৬. প্ৰথম স্বৰ্ণযুগ হ'ল- শঙ্কৰদেৱৰ নেতৃত্বৰ বৈষ্ণৱ যুগ।
৭. কলিকতাৰ পৰা প্ৰকাশিত "জোনাকী"ৰ ছবছৰৰ সম্পাদক সকল হ'ল- প্ৰথম বছৰ- চন্দ্ৰকুমাৰ আগৰৱালা, দ্বিতীয় বছৰ- হেমচন্দ্ৰ গোস্বামী, তৃতীয় আৰু চতুৰ্থ বছৰ- লক্ষ্মীনাথ বেজবৰুৱা, পঞ্চম বছৰ- কনকলাল বৰুৱা আৰু ষষ্ঠ বছৰৰ সম্পাদক ৰমাকান্ত বৰকাকতী।
৮. মহেশ্বৰ নেওগ, "ৰূপৰেখা", পৃ. ২৬৭

নাটক, গীতি-কবিতা, নিবন্ধ, ব্যঙ্গৰচনা, সমালোচনা আদিৰ সৃষ্টিৰ দ্বাৰা আধুনিক সাহিত্যৰ গঠন ঘটাই এক গৌৰৱময় স্থানত অভিষিক্ত কৰিলে । এইয়ে নৱ-জাগৰণ ।

৪.২ অসমীয়া-সাহিত্যৰ প্ৰকৃত 'ৰমন্যাসিকযুগ' "জোনাকী"ৰ দ্বাৰাই প্ৰতিষ্ঠিত । "আসাম বন্ধু"ত ৰমন্যাসিক লক্ষণৰ আভাস ইয়াৰ আগতে প্ৰকাশ পাইছিল । তথাপি, "জোনাকী"ৰ প্ৰথম বছৰ প্ৰথম সংখ্যাত (১৮৮৯, জানুৱাৰী) প্ৰকাশিত চন্দ্ৰকুমাৰ আগৰৱালাৰ 'বনকুঁৱৰী' কবিতাইহে ৰমন্যাসিক শিহৰণ জাগ্ৰত কৰিবলৈ সক্ষম হ'ল । গতিকে, চন্দ্ৰকুমাৰ আৰু তেওঁৰ "জোনাকী"কাকত এই গৌৰৱৰ অধিকাৰী হ'ল আৰু ঊনবিংশ শতাব্দীৰ আশীৰ দশকতে অসমীয়া সাহিত্যত ৰমন্যাসবাদে প্ৰতিষ্ঠা লাভ কৰিলে ।

ইংৰাজী সাহিত্যত ৰমন্যাসবাদ অষ্টাদশ শতিকাৰ শেষাৰ্ধ আৰু ঊনবিংশ শতিকাৰ প্ৰথমাৰ্ধ বুলি ধৰা হয় । "অষ্টাদশ শতিকাৰ শেষৰ কাললৈ এদল সাহিত্যিকে জীৱন আৰু জগতক আকৌ এবাৰ নতুন চকুৰে, শিশুৰ আপোন পাহৰা চকুৰে চাবলৈ আৰম্ভ কৰিলে । ঊনবিংশ শতিকাৰ চতুৰ্থ দশকলৈকে এই নতুন জীৱনবোধৰ প্ৰবাহ সম্প্ৰসাৰিত চলি থাকিল । ইংৰাজী সাহিত্যৰ ইতিহাসত এইছোৱা সময়েই ৰমন্যাসিক যুগ বুলি চিহ্নিত" ।[৯]

ৰমন্যাসবাদৰ উপযুক্ত সংজ্ঞা এটা দিয়া সম্ভৱ নহয় । তথাপি, ইয়াৰ কিছু বৈশিষ্ট্য উল্লেখ কৰিব পৰা যায় । বৈচিত্ৰ্য প্ৰকাশেই এই মতবাদৰ মাই বৈশিষ্ট্য । বিভিন্ন অৱস্থাত সাহিত্যিকৰ ৰুচি আৰু বুদ্ধিমত্তাৰ ওপৰত নিৰ্ভৰ কৰি এই বৈচিত্ৰ্য বিভিন্ন ধৰণ-কৰণেৰে মূৰ্ত হৈ উঠিল । ভাব প্ৰৱণ আৰু কল্পনা-চঞ্চলতাৰ মাজেদি নতুন শিল্পানুভূতিৰ প্ৰকাশত এই বৈচিত্ৰ্য উদ্ভাসি উঠিল । কল্পনা প্ৰৱণতাৰ অসামান্য বিকাশত ব্যক্তিসত্তাৰ প্ৰাধান্য স্থাপিত হ'ল । প্ৰকৃতি-প্ৰীতি, অতীতৰ প্ৰতি শ্ৰদ্ধাশীল মনোভাৱ, ভৱিষ্যতৰ বাবেৰঙীয়া কল্পনা, প্ৰাণীৰ প্ৰতি উদাৰ মনোভাৱ, কল্পলোকৰ কল্পনা, মুক্তিচিন্তা, প্ৰেম আৰু সৌন্দৰ্যৰ উপাসনা, জাগতিক সৌন্দৰ্যত বিস্ময়কৰ দৃষ্টিপাত, বিশ্ব-প্ৰকৃতিত প্ৰিয়াৰূপৰ দৰ্শন আৰাধনা, সুদূৰৰ আকৰ্ষণ, অতীন্দ্ৰিয় ধ্যান-ধাৰণা ইত্যাদিৰ মাজেদি ৰহস্য উৎঘাটনৰ প্ৰচেষ্টা আদি ৰমন্যাসিক সাহিত্যিত স্পষ্ট হৈ উঠিল । ড° মহেন্দ্ৰ বৰাই প্ৰধানতঃ ৰমন্যাসিক সাহিত্যৰ চাৰিটা লক্ষণ দাঙি ধৰিছে ।[১০] ই প্ৰথমতে মন্ময়ধৰ্মী, দ্বিতীয়তে 'বিস্ময়ৰ বিচিত্ৰ অভিজ্ঞতা' ইয়াৰ মাজেদি প্ৰকাশিত হৈ 'চিনাকি বস্তুও অচিন অচিন লাগি যায়, ওচৰৰ বস্তুও দূৰ-সুদূৰৰ মায়াৰে মধুৰ হৈ উঠে ।' তৃতীয়তে 'মধ্যযুগৰ প্ৰীতিৰ মনোভাৱ' ৰমন্যাসবাদত প্ৰকট হৈ উঠে । বৰুৱাৰ মতে ইয়েই ৰমন্যাসৰ কেন্দ্ৰীয় ধাৰণা । চতুৰ্থ লক্ষণ প্ৰকৃতিৰ প্ৰতি গভীৰ আকৰ্ষণ । এনে আকৰ্ষণ এহাতে ঐতিহাসিক আৰু আনহাতে দাৰ্শনিক । ৰমন্যাসিক সাহিত্যত ধ্ৰুপদী সাহিত্যৰ প্ৰকৃতি চিত্ৰনৰ দৰে মানবীয় ঘটনাৰ দৃশ্যপট নহৈ এক অভিনৱ দৃষ্টিৰ মাজেদি প্ৰকৃতি প্ৰাণৰ স্পন্দনেৰে মুখৰিত হৈ পৰে । এইকেইটা মাই লক্ষণৰ উপৰিও ৰমন্যাসিক সাহিত্যই ভাষা আৰু শৈলীতো বৈশিষ্ট্য ৰক্ষা কৰে । "বুদ্ধিদীপ্ত উজ্জ্বল ভাষাৰ সলনি কল্পনা-মণ্ডিত ধ্বনিশীল ভাষাই ৰমন্যাসিক কবিৰ কাৰণে আদৰ্শ ভাষা ।"[১১]

---

৯. মহেন্দ্ৰ বৰা, "ৰমন্যাসবাদ", ১৯৮৭, পৃ. ৫

১০. উক্ত গ্ৰন্থ, পৃ. ১৫-১৯

১১. পূৰ্বোক্ত গ্ৰন্থ, পৃ. ১৯

"জোনাকী"যুগৰ সাহিত্য, বাইকৈ কবিতা সমূহ বিশ্লেষণ কৰিলেই উক্ত লক্ষণ সমূহ স্পষ্ট হৈ উঠে। "জোনাকী"ৰ জৰিয়তে অসমীয়া সাহিত্যত এই লক্ষণবোৰ প্ৰকাশ হৈ ১৯৪০ চন পৰ্যন্ত সম্প্ৰসাৰিত হোৱাত সমগ্ৰ ৰমন্যাসিক যুগটোক "জোনাকী যুগ" আৰু 'উত্তৰ জোনাকী যুগ' হিচাপে অথবা সামগ্ৰিকভাৱে 'বেজবৰুৱাৰ যুগ'ৰূপে এটা সাহিত্যিক যুগৰ ভিত্তকৰা কৰা হৈছে।

৪.৩. জোনাকীযুগৰ লেখিকা

"জোনাকী"য়ে আৰম্ভ কৰা ৰমন্যাসিক সাহিত্য আন্দোলনৰ ৰথী-মহাৰথী সকলৰ মাজত মহিলাৰ বিশেষ ভূমিকা নাই। "জোনাকী" যুগত (১৮৮৯-১৯০৩) লেখিকা হিচাপে স্মৰণীয় গৰাকী হ'ল গুণাভিৰাম বৰুৱাৰ দুহিতা স্বৰ্ণলতা বৰুৱা (দেৱী)। লক্ষ্মীনাথ বেজবৰুৱা সম্পাদিত "জোনাকী"ৰ পাততে স্বৰ্ণলতাৰ 'যতোধৰ্মস্ততোজয়' নামৰ প্ৰকাশিত নিবন্ধ প্ৰথম মনত পৰে। তদুপৰি 'মণিকা' নামৰ এটি আখ্যানমূলক ৰচনা প্ৰকাশ পাইছিল। "জোনাকী"ৰ সম-সাময়িক "বিজুলী" কাকতত (১৮৯০-৯২) স্বৰ্ণলতাৰ 'কলঘট' নামৰ লেখা এটা প্ৰকাশ পাইছিল। 'মণিকা' নামৰ লেখাটোৰ লেখিকাৰ নাম হেমলতা দেৱী।[১২] কিন্তু আনন্দচন্দ্ৰ আগৰৱালাৰ ৰচিত নিবন্ধত[১৩] এই ৰচনাৰ লেখিকা স্বৰ্ণলতা ধৰা হৈছে। সেইবাবে, অন্য স্পষ্ট প্ৰমাণ নথকাত আৰু নাম দুয়োটাৰ অৰ্থ একেটাই প্ৰতিপ্ৰাদিত হোৱাত আগৰৱালাৰ মতকে গ্ৰহণ কৰা হ'ল; যিহেতু আনন্দচন্দ্ৰ আগৰৱালা জোনাকীকালীন লেখক। যজ্ঞেশ্বৰী বৰকাকতিয়নী নামৰ লেখিকাৰ 'শাৰীৰিক পৰিশ্ৰম' আৰু 'ফুল' নামৰ দুটা নিবন্ধ 'জোনাকী'ৰ তৃতীয় ভাগত প্ৰকাশ পাইছিল।[১৪] ৰচনা দুখনৰ ছাত্ৰী ৰচনা বুলি উল্লেখ কৰাত কম বয়সীয়া লেখিকা বুলি বিশ্বাস হয়। পৰৱৰ্তী কাকত পত্ৰত এই নামত ৰচনাদি প্ৰকাশ সম্ভৱতঃ হোৱা নাছিল আৰু লেখিকাৰ পৰিচয় জানিব পৰা হোৱা নাই। আনন্দচন্দ্ৰ আগৰৱালাৰ নিবন্ধৰ পৰা জনা যায় যে ডিব্ৰুগড়ৰ বুৰী ফুকননী নামৰ লেখিকাই[১৫] "জোনাকী" আৰু "বিজুলী"ত প্ৰবন্ধ ৰচনা কৰিছিল। বেজবৰুৱাৰ পত্নী প্ৰজ্ঞা সুন্দৰী দেৱীৰ 'স্পেইনত বৃষক্ৰিয়া' নামৰ লেখা এটাও তৃতীয় ভাগ "জোনাকী"ৰ একাদশ দ্বাদশ একত্ৰ সংখ্যাত প্ৰকাশ পাইছিল। ইয়াৰ বাহিৰে মহিলাৰ ৰচনা দৃষ্টিগোচৰ হোৱা নাই। অৱশ্যে "জোনাকী", "বিজুলী" আদি আলোচনীবিলাকৰ লেখাসমূহত লেখক-লেখিকাৰ নাম সকলো ক্ষেত্ৰতে স্পষ্টকৈ উল্লেখ নথকাত, খাটাং সিদ্ধান্তত উপনীত হোৱা সম্ভৱ নহয়।

৪.৪. উত্তৰ-জোনাকীযুগৰ লেখিকা

"জোনাকী" সম্পূৰ্ণকৈ বন্ধহৈ পৰাৰ কেইটামান বছৰৰ ভিতৰতে বিংশ শতাব্দীৰ প্ৰথমটো দশকতে তিনিখন প্ৰধান আলোচনী প্ৰকাশ পোৱাত "জোনাকী"ৰ লক্ষ্য পূৰণত

---

১২. যতীন্দ্ৰনাথ গোস্বামী, "জাগৰণ আৰু জোনাক", ১৯৮৯, পৃ. ৩৩
ইয়াত উল্লিখিত "জোনাকী"ৰ ৩য় ভাগৰ লেখক নিবন্ধ সূচীমতে 'মণিকা'ৰ লেখিকা হেমলতা দেৱী।

১৩. আনন্দ চন্দ্ৰ আগৰৱালা, 'অসমীয়া সাহিত্য-সেৱকিনী', "আৱাহন", চতুৰ্থ বছৰ, পঞ্চম সংখ্যা, ১৯৩২

১৪. 'শাৰীৰিক পৰিশ্ৰম' নিবন্ধ যে সংখ্যাত আৰু 'ফুল' একেবছৰে 'জোনাকী'ৰ নৱম-দশম একত্ৰ সংখ্যাত প্ৰকাশ পাইছিল।

১৫. বুৰী ফুকননী ডিব্ৰুগড়ৰ 'মডেল স্কুল'ৰ এগৰাকী বিশিষ্টা শিক্ষয়িত্ৰী আৰু মহিলা নেত্ৰী আছিল।

বিশেষ সহায়ক হ'ল। প্ৰথম আলোচনী "উষা" (১৯০৭-১৬) পদ্মনাথ গোহাঞিবৰুৱাৰ সম্পাদনাত প্ৰকাশ পাইছিল। দ্বিতীয়খন "বাঁহী" (১৯০৯-১৯৩৩) লক্ষ্মীনাথ বেজবৰুৱাৰ দ্বাৰা সম্পাদিত হৈছিল। তৃতীয়ত প্ৰসন্ন কুমাৰ বৰুৱা আৰু নীলমণি ফুকনৰ "আলোচনী" (১৯১০-১৭) নামৰ পত্ৰিকা। এইতিনিখন প্ৰধান আলোচনীয়েই "আৱাহন" (১৯২৯) আলোচনীৰ প্ৰকাশলৈকে বিশেষ ভূমিকা গ্ৰহণ কৰিছিল। 'উষা-বাঁহী' যুগ বুলি ধৰা এই কালছোৱাত "বাঁহী"য়েই দীৰ্ঘকাল প্ৰকাশ পাইছিল আৰু গুৰুত্বপূৰ্ণ বৰঙণি দিছিল বাবে এইছোৱা সময়ক "বাঁহী-যুগ" বুলিব পাৰি। শতিকাটোৰ তৃতীয় দশকত অম্বিকাগিৰি ৰায়চৌধুৰীৰ "চেতনা" (১৯১৯-২৬) আৰু ছাত্ৰ-সন্মিলনৰ মুখপত্ৰ "মিলন" (১৯২৩) নামৰ পত্ৰিকা দুখনৰ অৱদানো স্মৰণীয়। ১৯২৯ চনত "আৱাহন" প্ৰকাশ হোৱাৰ পৰা দ্বিতীয় মহাসমৰ পৰ্যন্ত (১৯৪০) সময়ছোৱাক 'আৱাহন-যুগ' আখ্যা দিয়া হৈছে। উক্ত জোনাকীযুগত এই দুয়োটা যুগ বা স্তৰক সামৰি লোৱা হৈছে। ঘাইকৈ এই সময়ছোৱাক ৰমন্যাস-বিস্তাৰ যুগ হিচাপে গ্ৰহণ কৰা হৈ আহিছে। এইছোৱা সময়ত কিছু সংখ্যক লেখিকাৰ আগমন অসমীয়া সাহিত্যৰ বাবে আশাপ্ৰদ হৈছিল।

৪.৪.০১ জোনাকী-বিজুলীৰ লেখিকা কেইগৰাকীৰ পাছতে বিংশ শতাব্দীৰ প্ৰথম দশকত পোৱা একমাত্ৰ লেখিকা গৰাকী হ'ল ৰত্নদা কুমাৰী বৰা। এওঁৰ সবিশেষ জানিব পৰা হোৱা নাই যদিও 'বাঞ্ছা' নামৰ কবিতাটিৰ মাজতে কাব্য প্ৰতিভাৰ আভাস পোৱা যায়। এই কবিতা গোহাঞিবৰুৱাৰ 'উষা'ৰ ৩য় ভাগত প্ৰকাশ পাইছিল। কবিতাটোত ৰমন্যাসিক চিন্তা-ভাবনাৰ প্ৰকাশ দেখা গৈছে। প্ৰাণৰ সখীৰ সৈতে মিলন-আকাংক্ষা প্ৰকাশক সম্পূৰ্ণ কবিতাটো হ'ল,-

বাঞ্ছা

কিয় অকস্মাৎ পৰেহি মনত
পাৰ হ'ল যিবা কথা,
অভাগিনী এবে, প্ৰাণৰ সখীয়ে
জানিছো নিদিয়ে দেখা।
মনৰ বেগত নিৰখো আগত
তেওঁৰ লাৱণ্য মুখ,
পাহৰি এবাৰ আছে জানো ঐ
নেজানে দিবহি সুখ।
নেজানে যদিহে লগালো জনৰ
কমাবিৰি আছে তাৰ,
দেখা দি যাবহি নেলাগে লেখিব
কৰিম আপোন আৰ।
অমৃত সাগৰ মথোতে যিমতে
উঠিল গৰল হায়,
বাহুতে মিলন সিমিলোই যেন
চিৰ-বিচ্ছেদ অপায়।[16]

---

১৬. পদ্মনাথ গোঁহাই বৰুৱা, (সম্পাঃ) "উষা", ৩য় ভাগ, ১৯০৯ চন। পৃ. ১৬২-ত প্ৰকাশিত।

কবিতাটোত মিলন কামনা কৰোতে বিচ্ছেদে অপায় অমঙ্গল সৃষ্টি কৰিব পাৰে বুলি সংশয় প্ৰকাশ কৰা হৈছে। অমৃত মন্থনতো গৰলৰ উৎপত্তি হৈছিল বাবেই মিলন আকাংক্ষাত বিচ্ছেদৰ আগমন ঘটিব পাৰে বুলি কবিৰ সংশয় সৃষ্টি হৈছে আৰু নাজানি লগোৱা দোষ-ত্ৰুটিৰ বাবে ক্ষমা প্ৰাৰ্থনা কৰিছে।

৪.৪.০২ বিংশ শতাব্দীৰ দ্বিতীয় দশকৰ ভিতৰত কেইগৰাকীমান বিশিষ্টা লেখিকাৰ আবিৰ্ভাৱ এটি লেখৰ ঘটনা। প্ৰথমটো দশকৰ সামৰণি বৰ্ষত (১৯১০ চন) বাঁহীৰ পাতত 'ফুলবাণী' নামৰ কবিতাৰে কাব্যজগতত প্ৰবেশ কৰা প্ৰাক্ জোনাকীকালৰ বিশিষ্টা লেখিকা পদ্মাৱতী দেৱী ফুকননীৰ নামেই প্ৰথমতে ল'ব লাগিব। কাৰণ, দ্বিতীয় দশকত "বাঁহী"ৰ পাতত তেওঁৰ কাব্যৰ বিস্তৃতি ঘটে। এওঁৰ পাছতে ১৯১৯ চনত 'অৰুণ" কাব্যগ্ৰন্থৰে আগবাঢ়ি আহিল প্ৰতিভাশালিনী কবি যমুনেশ্বৰী খাটনিয়াৰ। "বাঁহী" আদি আলোচনীত দ্বিতীয় দশকৰ ভিতৰতে ধৰ্মেশ্বৰী দেৱী বৰুৱানী আৰু ১৯২৮ চনত "সন্ধিয়াৰ সুৰ" কাব্য-গ্ৰন্থৰে নলিনীবালা দেৱীৰ কাব্য-জীৱন আৰম্ভ হ'ল। তেওঁ ১৯১০ চনত প্ৰায় দহবছৰ বয়সতে 'পিতা' নামৰ কবিতা এটি ৰচনা কৰিছিল। সম্ভৱত, কবিতাটো সেই সময়ৰ পত্ৰ-পত্ৰিকাত প্ৰকাশ হোৱা নাছিল। গতিকে, নলিনীবালা দেৱীক তৃতীয় দশকৰ কবি হিচাপেহে ধৰা সমীচীন হ'ব।

৪.৪.০৩ তৃতীয় দশকত সাহিত্য জগতলৈ মহিলাৰ আগমন অতি গুৰুত্বপূৰ্ণ। কাব্য জগতত ইতিমধ্যে উল্লিখিত তিনিও গৰাকী প্ৰধান মহিলা কবিৰ বাহিৰেও, বিভিন্ন আলোচনী-পত্ৰিকাত বহুতো লেখিকাৰ আবিৰ্ভাৱ আশাপ্ৰদ ঘটনা। কবিতা, গল্প, উপন্যাস, নিবন্ধ আদি বিভিন্ন ক্ষেত্ৰত মহিলাৰ আগমন ঘটি গৌৰবোজ্জ্বল অধ্যায়ৰ আৰম্ভণি কৰিছিল। সংখ্যাৰ ফালৰ পৰা লেখিকাই আঁঢ়েকুৰিবো সীমা চেৰাই যায়। এইদশকতে ৰমন্যাসিক অসমীয়া কবিতাৰ শ্ৰেষ্ঠ মহিলা কবি তিনিও গৰাকীৰ কাব্য প্ৰবাহ প্ৰতিষ্ঠিত হয়। বাকীসকল কবিয়েও সম্ভাৱনাৰ মাজেদি আগবঢ়া দেখা গৈছিল। ছাত্ৰ-সন্মিলনৰ মুখপত্ৰ "মিলন" আৰু মহিলাৰ দ্বাৰা সম্পাদিত প্ৰথম মহিলা আলোচনী "ঘৰ জেউতি" (১৯২৮ চন)য়ে এই ক্ষেত্ৰত প্ৰধান ভূমিকা গ্ৰহণ কৰিছিল। আগৰ দশকটোৰ পৰা ক্ৰমশঃ জাগ্ৰত হৈ অহা মহিলা সকলে এইটো দশকত বিশেষভাৱে আন্দোলনমুখী ভূমিকা গ্ৰহণ কৰি বিভিন্ন ক্ষেত্ৰত নাৰীক সংগঠিত কৰি তোলে। "ঘৰ জেউতি"ৰ পাতত ইয়াৰ প্ৰতিফলন ভালকৈ অনুভৱ হয়। এই আলোচনীৰ সম্পাদিকাদ্বয় কনকলতা চলিহা আৰু কমলালয়া কাকতি কেৱল আলোচনীখনৰে সম্পাদিকা নাছিল, মহিলা সমাজতো দুগৰাকী বিশিষ্টা নেত্ৰী আছিল। "ঘৰ জেউতি" একেৰাহে চাৰিবছৰৰ (১৯২৮-৩১ চন) প্ৰকাশ হৈ বন্ধ হৈ পৰে। উল্লেখযোগ্য যে এইখন প্ৰকাশিত "ঘৰ-জেউতি"ৰ কেবাবছৰৰ আগতে ১৯২৩-২৪ চন মানৰ পৰা গীতি কবি পাৰ্বতীপ্ৰসাদ বৰুৱাৰ সোণাৰীৰ বাসভৱনৰ পৰা হাতেলিখা অৱস্থাত আন এখন "ঘৰ জেউতি"ৰ সম্পাদনা কৰিছিল গীতিকবিৰ ভাতৃ মোক্ষদা প্ৰসাদ বৰুৱাই আৰু এই ক্ষেত্ৰত অনুপ্ৰাণিত কৰিছিল মাক হিমলা বৰুৱাণীয়ে। এইখন "ঘৰ জেউতি"তে পাৰ্বতী প্ৰসাদৰ ভগ্নী সুধা বৰুৱাই কেবাটাও গল্প ৰচনা কৰিছিল। ইয়াৰ পৰাই ধ্বনি-কবি বিনন্দ চন্দ্ৰ বৰুৱাই তেওঁৰ সম্পাদিত "মিলন"ত (১৯২৬-২৭) সুধা বৰুৱাৰ গল্প তুলি দিছিল "চেনেহৰ সুৰ" গল্পটিয়েই সুধা বৰুৱাক গল্প-লেখিকাৰ মৰ্যদা আনি দিয়ে আৰু তেৱেঁই অসমীয়া সাহিত্যৰ প্ৰথম গল্প লেখিকাৰ আসন লাভ কৰিবলৈ সক্ষম হয়।

উপন্যাস ৰচনাতো এই দশকৰ বৰঙণি লেখত লবলগীয়া। স্নেহলতা ভট্টাচাৰ্যই (বৰুৱা) এই তৃতীয় দশকত "বীণা" (১৯২৬) নামৰ সামাজিক উপন্যাস ৰচনা কৰি সকলোকে চমকিত কৰি তোলে। বিভিন্ন নিবন্ধ আৰু কবিতা ৰচনাত লেখিকাৰ সংখ্যা যথেষ্ট আৰু প্ৰায়বিলাকেই "ঘৰজেউতি"ত (ছপা-আলোচনীখনত) অৰিহণা যোগাইছিল। এই সকল লেখিকা হ'ল–কনকলতা চলিহা, কমলালয়া কাকতি, পদ্মাৱতী দেৱী, নলিনীবালা দেৱী, লাৱণ্য প্ৰভা বৰবৰা, কাদম্বিনী বৰুৱা, পুণ্যপ্ৰভা বৰুৱা, শশীপ্ৰভা বৰুৱা, ৰত্নপ্ৰভা বৰুৱা, প্ৰফুল্লবালা বৰুৱা, হেমপ্ৰভা দাস, হিৰণ্য প্ৰভা বৰুৱা, ৰত্ন কুমাৰী ৰাজখোৱা, ধৰ্মেশ্বৰী দেৱী, পুণ্যপ্ৰভা দাস, অশোকা দেৱী, দুৰ্বাসুন্দৰী গগৈ, পূৰ্ণবালা বৰুৱা, দীপেশ্বৰী গোহাঁঞি, কাঞ্চনবালা ভূঞা, প্ৰিয়লতা কাকতি, মনোৰমা দেৱী, ভুবনেশ্বৰী বৰদলৈ, ধনদা দেৱী, চন্দ্ৰপ্ৰভা শইকীয়ানী, কুমুদিনী দেৱী, হৈমৱতী দেৱী, ঘনকান্তি দত্ত, তিলোত্তমা বৰকাকতি, শান্তিপ্ৰভা হাতীবৰুৱা, প্ৰমীলা দেৱী, কিৰণবালা দেৱী, হিমলা বৰুৱানী, গিৰিবালা বৰুৱা, নিৰ্মলাবালা দত্ত, ৰত্নাৱলী দেৱী, বীৰবালা বৰুৱা, অলকা পটগীয়া, প্ৰেমদা বালা চক্ৰবৰ্ত্তী, লাৱণ্যময়ী দেৱী, হেমলতা বৰুৱা, চম্পেশ্বৰী ৰবা, দক্ষেশ্বৰী ব্ৰহ্ম, স্বৰ্ণলতা শইকীয়া আৰু দিব্যলতা বৰুৱা।[১৭]

এই সুদীৰ্ঘ তালিকাৰ উপৰিও ১৮৫১ শকৰ (১৯২৯ চন) অষ্টাদশ বছৰ "বাঁহী"ত বিভিন্ন বৰঙণি আগবঢ়োৱা তেৰগৰাকী মহিলাৰ নাম পোৱা যায় বিতং তালিকাখন হ'ল,[১৮]

কমলাদেৱী	– মহিলা সমিতিৰ কাৰ্যবিৱৰণী,	পৃ. ১৩৭
কমলা ৰাভা	– নাৰী সম্পৰ্কে,	পৃ. ১২০
কিৰণবালা চৌধুৰী,	– স্ত্ৰীশিক্ষা আৰু স্বাধীনতা (প্ৰবন্ধ)	পৃ. ৪২৬
তিলোত্তমা দাস,	– অনুতপ্ত (কবিতা)	পৃ. ৩৩৩
প্ৰফুল্ল বালা দেৱী	– অভিভাষণ, মহিলা সম্মিলন,	পৃ. ১৫
প্ৰভাসুন্দৰী দেৱী	– ডিব্ৰুগড়ত মহিলা সমিতি	পৃ. ২৮৩, ২৯৪
ভুবনেশ্বৰী দেৱী	– কাৰ্য্যবিৱৰণী	পৃ. ১৩৭
ৰত্নকুমাৰী ৰাজখোৱানী	– নাৰী জাগৰণ	পৃ. ২৮১
ৰত্নাৱলী দেৱী	– গীত আৰু স্বৰলিপি,	পৃ. ২৭৭, ৫৭৬
লাৱণ্যময়ী দেৱী	– ঈশ্বৰে দেখিব	পৃ. ৪৯২
স্নেহলতা ভট্টাচাৰ্য	– সাহিত্য আৰু অসমীয়া	পৃ. ৫২০
হীৰাপ্ৰভা গোস্বামী	– অতীত সপোন (কবিতা)	পৃ. ৪৫০
হেমপ্ৰভা দাস	– আদৰ্শ ছোৱালী	পৃ. ৫২৫
	ধনৰ ব্যৱহাৰ	পৃ. ২৬৮
	ধৈৰ্য (কথা)	পৃ. ৩৩

এই তালিকাৰ উপৰিও "মিলন", "চেতনা" আলোচনীৰ পাতত আৰু গ্ৰহকণত বৰঙণি দিবলৈ সক্ষম হোৱা ভালেসংখ্যক মহিলাৰ নাম পোৱা যায়। "বাঁহী" আৰু

---

১৭. আনন্দচন্দ্ৰ আগৰৱালা, 'অসমীয়া সাহিত্য সেৱাকিনী', "আৱাহন", ৪ৰ্থ বছৰ, ৫ম সংখ্যা, ১৯৩২ দ্ৰষ্টব্য।

১৮. "বাঁহী", ১৯ শ বছৰ, ১ম সংখ্যা, ১৯৩০ চনৰ প্ৰবন্ধসূচী দ্ৰষ্টব্য।

"আলোচনী"ৰ পাতত শৰৎকুমাৰীদেৱীয়ে কবিতা আৰু প্ৰবন্ধ ৰচনা কৰিছিল। 'তিৰোতাৰ শিক্ষা আৰু দীক্ষাৰ উপায়', 'মালাৱতী', 'পন্থব্যপথ', 'দুৰ্গা পূজা', 'ঈশ্বৰ আৰু মায়া', 'সকলো তোমাৰ' (পদ্য), 'পদুমীলৈ' (পদ্য), 'ভাল পাওঁ' (পদ্য) আদি প্ৰকাশ পাইছিল।[১৯] ত্ৰিশৰ দশকৰ আগতে লক্ষ্মীনাথ বেজবৰুৱাৰ পত্নী প্ৰজ্ঞাসুন্দৰী দেৱীয়ে "ৰন্ধা-বঢ়া"[২০] আৰু ধনদা কুমাৰী শইকীয়ানীয়ে "ৰান্ধনী" নামৰ ব্যৱহাৰিক গ্ৰন্থ ৰচনা কৰিছিল।

সত্যনাথ বৰাৰ সহধৰ্মিণী ভুৱনেশ্বৰী বৰাই সৰ্বপ্ৰথম বিয়ানামৰ সংকলন এটি সংগ্ৰহ কৰি প্ৰকাশ কৰিছিল। অৱশ্যে, পদ্মাৱতী দেৱী ফুকননীয়ে দ্বিতীয় দশকত "বাঁহী"ৰ পাতত প্ৰথম বিয়ানাম প্ৰকাশ কৰিছিল। শিশুৰ বাবে বিশেষভাবে উপযোগী গ্ৰন্থ ৰচনাত মহাদেৱ শৰ্মাৰ পত্নী কুঞ্জলতা দেৱীয়ে সাফল্য লাভ কৰিছিল। তেওঁৰ উল্লেখযোগ্য দুখন গ্ৰন্থ—"ৰাণী দুৰ্গাৱতী" আৰু "জয়মতী" চতুৰ্থ দশকৰ লেখৰ প্ৰকাশন। প্ৰতিভা দেৱীৰ পাঠ্যপুস্তক স্তৱৰ ৰচনা "অতুল কথামালা"। কমলা সুন্দৰী ৰাভাৰ নিবন্ধ এই দশকত স্মৰণ কৰিব পাৰি। গৌৰীপ্ৰভা চলিহা, ৰাজবালা দাস প্ৰিয়লতা কাকতি, পুন্যপ্ৰভাদাস আদিও তৃতীয় দশকৰে লেখিকা।

৪.৪.০৪ চতুৰ্থ দশকত "আৱাহন" কাকতৰ ভূমিকা অসমীয়া সাহিত্যিত অতিশয় গৌৰৱৰ বিষয়। এই কাকতত কেবাগৰাকী প্ৰতিভাশালী লেখিকাৰ আবিৰ্ভাৱ ঘটে। গল্প ৰচনাত লেখত লবপৰা মহিলাসকল হ'ল; কুসুম কাকতি, চপ্ৰমে নুৰ-জাহান বেগম, দীপাম্বিতা চৌধুৰী, আৰতি দেৱী, অলকা পটঙ্গীয়া, ঊষা দেৱী, সুপ্ৰভা গোস্বামী, দেৱবালা দেৱী, কুঞ্জকুমাৰী মহন্ত, ফুল শইকীয়া ইত্যাদি। চতুৰ্থ দশকৰ উপন্যাস ৰচনাত চন্দ্ৰপ্ৰভা শইকীয়ানী আৰু নাটক ৰচনাত মালম্বিকা দেৱীৰ বাহিৰে অন্য মহিলাৰ নাম পোৱা নাযায়। বিভিন্ন ক্ষেত্ৰত ত্ৰৈলোক্যেশ্বৰী দেৱী বৰুৱানী, হিমলা বৰুৱানী, আজলীতৰা নেওগ, শশীপ্ৰভা দত্ত, নিকুঞ্জলতা চলিহা, অমৃতপ্ৰিয়া দেৱী, অন্নদা দেৱী বৰকটকী, হীৰাৱতী গোহাঞি বৰুৱা, নিশিপ্ৰভা ভূঞা, মনোৰমা ভট্টাচাৰ্য, সৰোজ বালা দত্ত আদি মহিলা সকলৰ নাম উল্লেখযোগ্য। দ্বিতীয় মহাসাগৰৰ আগলৈকে এইসকল লেখিকাৰ বিষয়ে কম-বেছি পৰিমাণে জানিব পাৰিলেও; দুষ্প্ৰাপ্য হৈ পৰা আলোচনী সমূহৰ পাতত আৰু দুই-এগৰাকী লেখিকাৰ আবিৰ্ভাৱ অসম্ভৱ নহয়।

৪.৪.০৫ বিংশ-শতাব্দীৰ এই চাৰিটা দশকত তুলনামূলক ভাবে লেখিকাৰ সংখ্যা আৰু অৱদান আশাপ্ৰদ আছিল। কিন্তু সৰহভাগ লেখিকাৰ প্ৰতিভাৰ স্ফুৰণ ঘটাৰ পূৰ্বে দ্বিতীয় মহাযুদ্ধৰ ৰণভেৰী বাজি উঠাত প্ৰায়বিলাকৰে লেখনি স্তব্ধ হৈ পৰিল। যুদ্ধ উপশম ঘটাৰ পাছত সাহিত্যৰ গতিধাৰা সলনি হৈ পৰাত সৰহভাগেই খোজ মিলাব নোৱাৰি পিছ হুহকি গ'ল। অৱশ্যে, লেখকসকলৰ ক্ষেত্ৰতো এই ঘটনা ঘটিছিল।

৪.৫ ৰমন্যাসিক কবিতালৈ মহিলাৰ দানঃ তিনিগৰাকী প্ৰধান মহিলা-কবি

বিংশ-শতাব্দীৰ ৰমন্যাসিক কবিতাত তিনি গৰাকী মহিলা কবিক প্ৰথম পৰ্যায়ত ধৰি লোৱা হৈছে। শতাব্দীৰ আৰম্ভণিৰ বৰদাকুমাৰী বৰা আৰু পদ্মাৱতী দেৱী ফুকননীৰ পৰৱৰ্তী এই তিনি গৰাকী কবি হ'ল— যমুনেশ্বৰী খাটনিয়াৰ (শইকীয়া), ধৰ্মেশ্বৰী দেৱী

---

১৯ আনন্দচন্দ্ৰ আগৰৱালা, 'অসমীয়া সাহিত্য-সেৱিকা', "আৱাহন", ৪ৰ্থ বছৰ, ৫ম সংখ্যা।

২০ প্ৰজ্ঞাসুন্দৰী দেৱীয়ে বাংলা ভাষাতো ছটা খণ্ডত ৰন্ধা-বঢ়াৰ পুথি এখন লেখা বুলি জনা যায়।

বৰুৱানী আৰু নলিনীবালা দেৱী। এই মহিলাত্ৰয়ীৰ ভিতৰত নলিনীবালা দেৱী নিসন্দেহে শ্ৰেষ্ঠ।

৪.৫.০১ যমুনেশ্বৰী খাটনিয়াৰ (১৮৯৯-১৯২৪ চন)

ৰমন্যাসিক যুগৰ প্ৰথমতে উল্লেখ কৰিবলগা কবি যমুনেশ্বৰী খাটনিয়াৰৰ জন্ম ১৮৯৯ চনত, গোলাঘাট নগৰত। পিতৃ ভদৰাম শইকীয়া। প্ৰখ্যাত নাট্যকাৰ-অভিনেতা সুৰেন্দ্ৰনাথ শইকীয়াৰ বাইদেৱেক যমুনেশ্বৰী শইকীয়া মধ্যবিত্ত পৰিয়ালৰ ছোৱালী। বিংশ-শতাব্দীৰ প্ৰথমাৱস্থাতো অসমত স্ত্ৰী-শিক্ষাৰ সীমাবদ্ধতাই বহুতো প্ৰতিভাশালী মহিলাক শিক্ষাৰ পৰা বঞ্চিত কৰিছিল। কিন্তু, যমুনেশ্বৰীৰ মাতামহ শিক্ষানুৰাগী ব্যক্তি হোৱাত ঘৰতেই যমুনেশ্বৰী আৰু ভনীয়েক ৰামেশ্বৰীৰ শিক্ষাৰ দিহা কৰা হৈছিল। যমুনেশ্বৰীয়ে ঘৰতে মাধ্যমিক-স্তৰ পৰ্যন্ত শিক্ষা লাভ কৰি নিজা ঠাই মুঁদে গাঁৱত 'মুঁদে গাঁও বালিকা বিদ্যালয়' স্থাপন কৰে আৰু প্ৰধান শিক্ষয়িত্ৰী হিচাপে স্ত্ৰী-শিক্ষা বিকাশত-অংশ গ্ৰহণ কৰে। গোলাঘাট নগৰৰ দ্বিতীয় প্ৰাথমিক বিদ্যালয় আৰু স্ত্ৰী-শিক্ষাৰ প্ৰথম অনুষ্ঠান ৰূপে পৰিগণিত এই বিদ্যালয়তে ১৯২০ চনত কবি ভৈৰৱচন্দ্ৰ খাটনিয়াৰৰ সৈতে বিবাহ পাশত আবদ্ধ হোৱালৈকে শিক্ষাদানত ব্ৰতী আছিল। বিবাহ পূৰ্বেই তেওঁৰ একমাত্ৰ কবিতা পুথি "অৰুণ" ১৯১৯ চনত প্ৰকাশিত হয়। এই গ্ৰন্থ প্ৰকাশত যোৰহাট নৰ্মাল স্কুলৰ ঐতিহ্যময় মুখপত্ৰ "প্ৰভাত"ৰ কাৰ্যাধ্যক্ষ (মেনেজাৰ) নৰ্মালৰ ছাত্ৰ ভৈৰৱচন্দ্ৰ খাটনিয়াৰ আৰু স্কুলৰ অধিক্ষক সু-সাহিত্যিক শৰৎচন্দ্ৰ গোস্বামীৰ প্ৰেৰণা আৰু সহযোগিতা মূলধন আছিল। গ্ৰন্থৰ নিবেদনত যমুনেশ্বৰীয়ে ইয়াক কৃতজ্ঞভাৱে স্মৰণ কৰি গৈছে।[২১] সম্ভৱতঃ এইসময়তে কবি প্ৰতিভা দুটিৰ পাৰস্পৰিক বুজা-পৰা গঢ়ি উঠিছিল। খাটনিয়াৰৰ নামত প্ৰকাশ পোৱা গ্ৰন্থখনৰ বিজ্ঞাপন এটাই ইয়াক নিশ্চিত কৰিছে।[২২] এই বুজা পৰাৰ পৰিণতিতে প্ৰচলিত নিয়মানুসাৰে ১৯২০ চনত ভৈৰৱচন্দ্ৰ -যমুনেশ্বৰীৰ বৈবাহিক সম্বন্ধ স্থাপিত হৈছিল।

"অৰুণ" পুথিখন কলিকতাৰ সাম্যপ্ৰেছত সুন্দৰকৈ ছপা কৰি অনা হৈছিল। পুথিখনে সুধীসমাজৰ যথেষ্ট প্ৰশংসা লাভ কৰিছিল। ইয়াৰ ভিতৰত শিক্ষাবিদ-সাহিত্যিক শৰৎচন্দ্ৰ গোস্বামী, "আসাম বিলাসিনী"ৰ সম্পাদক কৃষ্ণকান্ত ভট্টাচাৰ্য, "জোনাকী"ৰ লেখক আৰু ব্ৰীটিছ শাসন কালৰ প্ৰথম অসমীয়া মন্ত্ৰী ঘনশ্যাম বৰুৱাৰ (ৰায় বাহাদুৰ

---

২১. "---- যোৰহাট নৰ্মাল স্কুলৰ চুপাৰিণ্টেণ্ডেণ্ট পূজ্যপাদ শ্ৰীলশ্ৰীযুক্ত শৰৎ চন্দ্ৰ গোস্বামীদেৱে দয়া কৰি ইয়াৰ প্ৰুফ চাই দি লেখিকাৰ পৰম উপকাৰ কৰিছে আৰু তেখেতৰ প্ৰিয় ছাত্ৰ শ্ৰীযুত ভৈৰৱ চন্দ্ৰ খাটনিয়াৰ ভাতৃৰীয়াই সবিশেষ যত্ন কৰি ইয়াক প্ৰকাশ কৰা কাৰ্য্যত লেখিকাৰ শ্ৰম দূৰ কৰিছে।" 'নিবেদন', "অৰুণ", ১৯১৯।

২২. "প্ৰভাত"ত প্ৰকাশিত বিজ্ঞাপন আছিল,-

"বিজ্ঞাপন"

অসমীয়া ভাষাত মহিলা কবিৰ অপূৰ্ব গ্ৰন্থ

"অৰুণ"

শ্ৰীমতী যমুনেশ্বৰী শইকীয়া প্ৰণীত। সাম্যপ্ৰেছত ৰোজ চিয়াঁহীৰে উৎকৃষ্ট ধৰণে ছপাই অনা হৈছে। আমাৰ জ্ঞানবৃদ্ধ আৰু প্ৰবীন সাহিত্যিক সকলৰ উচ্চ প্ৰশংসিত 'অৰুণ'ৰ মূল্য I/ ছয় অনা মাত্ৰ। অগ্ৰিম টিকট পঠালে /পাচ অনা।

কিতাপ পোৱাৰ ঠিকনা-

শ্ৰীযুত ভৈৰৱ চন্দ্ৰ খাটনিয়াৰ,
যোৰহাট, নৰ্মাল স্কুল।"

খ্যাত । অভিমত কেইটি প্ৰণিধানযোগ্য । গোস্বামীৰ মতে "সাহিত্যমোদী মাত্ৰেই তেওঁৰ কবিতাৰ সৰল মধুৰ ভাব, শৃঙ্খলা শব্দৰ সদ্ব্যৱহাৰ লক্ষ্য নকৰি নোৱাৰে । অসমীয়া সাহিত্যত মহিলা কবিৰ এয়ে প্ৰথম গ্ৰন্থ ।"[২৩] ভট্টাচাৰ্যৰ মতেও "ভাষাৰ মধুৰতা আৰু শব্দৰ জোঁটনি সুন্দৰ হৈছে ।"[২৪] গ্ৰন্থখনক তেওঁ বালিকা বিদ্যালয়ৰ বাবে মঞ্জুৰ কৰি ছোৱালীক কিতাপলেখাত উৎসাহিত কৰিব লাগে বুলি স্পষ্ট মত প্ৰদান কৰিছিল । তদুপৰি, ভট্টাচাৰ্যৰ অভিমতৰ পৰা জানিব পাৰি যে ৰচয়িত্ৰী অসমীয়া সাহিত্যানুৰাগীৰ সু-পৰিচিতা আছিল আৰু গ্ৰন্থ প্ৰকাশৰ আগতে "বাঁহী", "আলোচনী", "অৰুণ", "প্ৰভাত" আদিত কবিতা প্ৰকাশ হৈছিল ।[২৫] ঘনশ্যাম বৰুৱাৰ মতেও "ভাব আৰু শব্দ-যোজনা উভয়েই শলাগিব লগীয়া হৈছে ।"[২৬] এই তিনিটা অভিমতৰ পৰা পুথিখনৰ তৎকালীন গুৰুত্ব উপলব্ধি কৰিব পৰা যায় । সম্ভৱতঃ এনেবোৰ অভিমতৰ বাবেই "অৰুণ" কিছুকাল পাঠ্যপুথি ৰূপে বিদ্যালয়ত চলিছিল । ভৈৰৱচন্দ্ৰ খাটনিয়াৰৰ লগত বিবাহ হোৱাৰ পাছতহে পুথিখনে পাঠ্য-পুস্তকৰ স্বীকৃতি লাভ কৰিছিল ।[২৭]

যমুনেশ্বৰীৰ কাব্য-প্ৰতিভা "অৰুণ" পুথিখনতে সীমাবদ্ধ হৈ ৰ'ল । এই গৰাকী

---

২৩. শৰৎচন্দ্ৰ গোস্বামীৰ সম্পূৰ্ণ অভিমতটি হ'ল–"শ্ৰীমতী যমুনেশ্বৰী শইকীয়া অসমীয়া সাহিত্যা- নুৰাগী সকলোৰে পৰিচিত । তেওঁ আজি তেওঁৰ ৰচিত কবিতা কেইটিমানেৰে বাইজৰ সেৱা জনাইছে । আমি সকলোৱে আশা কৰিছোঁ বাইজৰ আশীৰ্বাদত এই নবীনা লেখিকাৰ গৌৰৱ আৰু চৰিব ।"

তেওঁৰ কবিতাৰ বিষয়ে বহলাই কোৱাৰ সকাম নাই । সাহিত্যমোদী মাত্ৰেই তেওঁৰ কবিতাৰ সৰল ভাব, শৃঙ্খলা শব্দৰ সদ্ব্যৱহাৰ লক্ষ্য নকৰি নোৱাৰে ।

অসমীয়া সাহিত্যত মহিলা কবিৰ এয়ে প্ৰথম গ্ৰন্থ । আমাৰ প্ৰাৰ্থনা এই যে–শ্ৰীমতী যমুনেশ্বৰীৰ উদাহৰণত উৎসাহিত হৈ আন শিক্ষিতা মহিলা সকলেও মাতৃ-ভাষাৰ সেৱাত মন দিব । ইতি ।

শ্ৰীশৰৎ চন্দ্ৰ গোস্বামী
যোৰহাট, ২৫-২-১৯

২৪. কৃষ্ণকান্ত ভট্টাচাৰ্য (সম্পাঃ), "আসাম বিলাসিনী", ১৩ কাতি সংখ্যা, ১৯১৯ চন । পুথি সমালোচনাত "অৰুণ"ৰ আলোচনা ভট্টাচাৰ্যই নিজে কৰিছিল ।

২৫. কৃষ্ণকান্ত ভট্টাচাৰ্যৰ সম্পূৰ্ণ সমালোচনাটি হ'ল–"অৰুণ" এই কবিতা পুথিৰ ৰচয়িত্ৰী গোলাঘাটৰ শ্ৰীযমুনেশ্বৰী শইকীয়া । ভাষাৰ মধুৰতা আৰু শব্দৰ জোঁটনি সুন্দৰ হৈছে । ৰচয়িত্ৰী অসমীয়া সাহিত্যানুৰাগীৰ অপৰিচিত নহয় । "বাঁহী" "আলোচনী', 'অৰুণ', 'প্ৰভাত'ৰ গ্ৰাহকসকলে কেইটিমান কবিতা পঢ়ি সোৱাদ পাইছে । শিক্ষা বিভাগৰ কৰ্তৃপক্ষসকলে বালিকা স্কুলৰ নিমিত্তে এই পুথি মঞ্জুৰ কৰা যুক্তত । তেহে আমাৰ এনে ধৰণৰ ছোৱালীয়ে কিতাপ লিখিবলৈ উৎসাহ পায় ।"–"আসাম বিলাসিনী", ১৩ কাতি, ১৯১৯ চন ।

২৬. "জোনাকী'ৰ লেখক, "ভ্ৰমৰঙ্গ" নাটকৰ অন্যতম নাট্যকাৰ ঘনশ্যাম বৰুৱাৰ অভিমত "শ্ৰীমতী যমুনেশ্বৰী শইকীয়াৰ কবিতাৰ এই মালাখাৰি সকলোৱে আদৰ কৰিব বুলি আশা কৰোঁ। ভাব ও শব্দ-যোজনা উভয়েই শলাগিব লগীয়া হৈছে । আশাকৰো, এই পুথিখনিত শিক্ষাবিভাগৰ কৰ্তৃপক্ষ সকলে বালিকা স্কুলৰ নিমিত্তে চকু দিব । লেখিকাই ভৱিষ্যতে কাব্য-ৰসৰ আৰু চিনাকি দিব বুলি আমি আশা কৰিছোঁ । ইতি । শ্ৰী ঘনশ্যাম বৰুৱা, ২০-৩-১৯ ।"

২৭ ভৈৰৱচন্দ্ৰ খাটনিয়াৰ (১৮৮৯-১৯৩১) 'মনিমুনি শাক'ৰ কবিৰূপে পৰিচিত । তেওঁৰ জন্ম মজালী অঞ্চলত । নৰ্মাল স্কুলৰ ছাত্ৰ হৈ থাকোঁতে তেওঁ জনপ্ৰিয় আৰু শক্তিশালী যুৱকৰূপে স্বীকৃত হৈছিল । বিয়াৰ পাছত, "অৰুণ"ক পাঠ্যভুক্ত কৰাত খাটনিয়াৰৰ যত্ন সৰ্বজনবিদিত ।

প্ৰতিভাশালী কবিৰ ১৯২৪ চনত অকাল মৃত্যু হোৱাত কাব্য সাহিত্যৰ যথেষ্ট ক্ষতি হ'ল। ১৯১৫ চনত "আলোচনী"ত কবিতা প্ৰকাশ হোৱাৰ পৰা ১৯১৯ চনলৈ "বাঁহী", "অৰুণ" আদিত প্ৰকাশিত কবিতা কেইটাৰ লগতে অপ্ৰকাশিত কবিতা কেইটামান যোগ দি "অৰুণ" পুথিখন প্ৰকাশিত হয়। তেওঁ "সাবিত্ৰী" আৰু "কিংলিয়েৰ" নামৰ আন দুখন গ্ৰন্থৰো পাণ্ডুলিপি প্ৰস্তুত কৰিছিল।[২৮]

যমুনেশ্বৰী খাটনিয়াৰৰ কবিতাসমূহ সহজ-সৰল আৰু মধুৰ ভাব সমৃদ্ধ। ভগৱানৰ প্ৰতি অসীম বিশ্বাস "অৰুণ"ৰ পাতে পাতে উপলব্ধি কৰা যায়। সাধাৰণ ভাবেই কবিয়ে ভগবানক দীনবন্ধু, পতিত-পাৱন, অনাদি, অনন্ত, নিত্যানন্দ, অন্তৰ্যামী ইত্যাদি বিভিন্ন ৰূপত দেখা পাইছে। ভগৱানেই 'স্থিতি-সৃষ্টি-প্ৰলয়ৰ' কাৰণ বুলিও উপলব্ধি কৰিছে। গন্তব্যপথত তেওঁৰ আদেশতেই কবিয়ে অগ্ৰসৰ হ'বলৈ বিচাৰে। 'কাকুতি', 'সেৱা', প্ৰভৃতি কবিতাত এনে ভাবৰ স্ফুৰণ দেখা যায়। নেদেখাজনক 'তুমি' কবিতাত কবিয়ে এইদৰে বিচাৰি ওলাইছে।

" --------- নাই নাই বুলি তোমাকে বিচাৰোঁ
নুশুনি তোমাৰ গীত॥
নাই যদি তুমি কোনেবা ৰচিলে
কোনেবা ফুলালে ফুল।
কোনেবা কোৱাহোঁ নীল আকাশত
পাতিলে তৰাৰ ফুল॥ -----"

ভগৱৎ-শক্তিৰ অন্তহীন আৰাধনাৰ মাজত ৰহস্য উদ্‌ঘাটন কৰিবলৈ ৰহস্যবাদিক মিষ্টিক কবিয়ে সদায় যত্ন কৰি আহিছে। যমুনেশ্বৰীৰ কবিতাতো ইন্দ্ৰিয়াতীত ৰহস্যৰ সন্ধান আৰু তাৰ অনুভৱ পোৱা যায়।–

যদি নাই তুমি তোমাৰ কাৰণে
কিয়বা আকুল প্ৰাণ,
কিয়বা গোটেই জীৱন উলাহি
উঠিছে তোমাৰ তান। (তুমি)

পৰৱৰ্তী কবি নলিনীবালা দেৱীৰ 'পৰমতৃষ্ণা'ৰ মাজতো এনে ভাব প্ৰকট হৈ উঠা দেখা যায়। তেওঁৰ 'যদি তেওঁ থোৱা নাই/বিয়াকুল জীৱনৰ/শান্তিময় সুখৰ নিজৰা'ৰ নিচিনা অনুভৱ যমুনেশ্বৰীৰ কবিতাতো মূৰ্ত হৈ উঠিছিল। ভাৰতীয় দৰ্শনে সুযোগৰাকী কবিৰ ওপৰতে গভীৰ প্ৰভাব পেলোৱাৰ ইয়েই প্ৰকৃষ্ট উদাহৰণ। 'প্ৰাণ' কবিতাত জীৱনৰূপী দেহৰ লগতে প্ৰাণৰূপী আত্মাৰ ভেদাভেদ যমুনেশ্বৰীয়ে নিশ্চিত কৰিছে। 'পূজা' কবিতাৰ পূজাৰ চিত্ৰন অংকন কৰোতে হেমচন্দ্ৰ গোস্বামীৰ 'পূজা' কবিতাৰ অনুকৰণ উপলব্ধি কৰিব পাৰি। অৱশ্যে যমুনেশ্বৰীৰ 'পূজা'ৰ মাজত ভগৱানৰ শান্তিময় ৰূপ প্ৰকাশ পাইছে।

এনে পূজা সময়ত হৰষিত হই।
জগতৰ শান্তিৰূপ চাই থাকো পই॥

'মোৰ' নামৰ কবিতাত কবিয়ে স্পষ্টকৈ প্ৰকাশ কৰিছে যে প্ৰাণ (প্ৰাণী) সদায় অকলশৰীয়া আৰু জগতত মোৰ বুলিব পৰা কোনো সম্পদেই নাই। তেওঁ লেখিছে,–

অকলশৰীয়া প্ৰাণ-যাবি অকলই,

২৮. পৰিয়ালৰ হাতত এতিয়াও অপ্ৰকাশিত অৱস্থাত আছে।

জগতত মোৰ বোলা নাই একোৱেই ।

এইয়া জীৱনৰ সৰল দৰ্শন । জটিল দাৰ্শনিক তত্ত্ব ইয়াত নাই । দেহ-বিচাৰৰ গীতৰ দৰেই সহজ সৰল ভাবে এই সত্য প্ৰকাশি উঠিছে । যমুনেশ্বৰীৰ 'গোলাপ' কবিতাত গোলাপৰ সৌন্দৰ্য মনোৰম ৰূপত প্ৰকাশ নাপালে । তথাপি, মানুহৰ যৌৱনৰ লগত ইয়াৰ স্বৰূপ প্ৰদৰ্শনত এটা নতুনত্ব দেখা যায় । কিন্তু, সেই সময়ৰ প্ৰখ্যাত কবি ৰঘুনাথ চৌধাৰীৰ 'গোলাপ' কবিতাৰ দৰে অতুল বৈভৱৰূপে বৰ্ণনা কৰাত তেওঁ কৃতকাৰ্য নহ'ল । শেষ চৰণ দুটাত কবিৰ কৰ্তব্য জ্ঞান আৰু মৃত্যুৰ পাছৰ যশ কামনাই বাস্তৱিক ৰূপত ধৰা দিছে ।

যমুনেশ্বৰীৰ শ্ৰেষ্ঠ-কবিতা হিচাপে ধৰিব পৰা কবিতা হ'ল,-'আৱাহন' । ১৯১৬ চনত ছাত্ৰ-সম্মিলনত পঠিত এই কবিতাত জাতীয় উন্নতিৰ বাবে হিন্দু মুছলমান আদি সকলোকে আহ্বান জনোৱাৰ যোগেদি নিজৰ মহানুভৱতা সুন্দৰকৈ প্ৰকাশ কৰাত কবি কৃতকাৰ্য হৈছে । কবিতাটোত অগ্নিকবি কমলাকান্ত ভট্টাচাৰ্যৰ অন্যতম শ্ৰেষ্ঠ কবিতা 'জাতীয় গৌৰৱ'ৰ বেঙণি দেখা যায় । অসমৰ গৌৰৱ ৰক্ষাৰ বাবে তেওঁ আহ্বান জনাইছে ,-

'সকলোৱে আজি একেলগে মিলি
ৰাখা অসমৰ গৌৰৱ মান ।'

'আৱাহন'ৰ দৰেই 'জন্মভূমি' কবিতাতো যমুনেশ্বৰী খাটনিয়াৰৰ স্বদেশৰ প্ৰতি অনুৰাগ উপলব্ধি কৰা যায় ।

সাদৰী জননী মোৰ আই জন্মভূমি,
শ্ৰেষ্ঠ, সৰগত তুমি পূজ্যা পৃথিবীত ।
কন্যা দেৱতাৰ তুমি প্ৰেম শান্তিময়ী,
দেৱী, সতী, লক্ষ্মী তুমি এই জগতত ।

এনে এখন মহান জন্মভূমিত জন্মলোৱাৰ বাবে কবি সুখী আৰু আনন্দিত হৈছে । তেওঁৰ জন্মভূমি উপমাবিহীন, সৰগৰ অমিয়া ধাৰাৰে পৰিপূৰ্ণ আৰু অসীম মহিমাৰে সমুজ্জ্বল । 'সুধাকৰ' কবিতাত শশধৰ বা চন্দ্ৰৰ চিকুণ সৌন্দৰ্য ফুটাই তুলিবলৈ প্ৰয়াস কৰিছে । এই কবিতাটোৱে আনন্দচন্দ্ৰ আগৰৱালাৰ 'জোন' কবিতালৈ মনত পেলাই দিয়াৰ দৰেই যমুনেশ্বৰীৰ 'মালতী' কবিতাত বেজবৰুৱাৰ 'মালতী' কবিতাৰ ক্ষীণ প্ৰতিধ্বনি অনুভৱ হয় । অৱশ্যে যমুনেশ্বৰীৰ কোনো এটা কবিতাই আনৰ অনুকৰণ নহয় ।

শোকৰ কবিতা বা ইলিজী কবিতা ৰচনাতো যমুনেশ্বৰীয়ে হাত দিছিল । 'ভনীটিলৈ' কবিতাটো আবেগপ্ৰধান হৈ প্ৰকাশ পাইছে । এগৰাকী শিক্ষয়িত্ৰীৰ সৈতে ছাত্ৰী এগৰাকীৰ কিমান মৰম হ'ব পাৰে, তাৰেই চিনাকি এই শোকৰ কবিতাটো । সুৱলা শব্দচয়ন আৰু নিমজ ছন্দ-সজ্জাই কবিতাটোৰ সৌন্দৰ্য বৃদ্ধি কৰিছে । অকাল মৃত্যুক প্ৰভুৰ লীলা বুলি শান্ত্বনা লাভৰ চেষ্টা কবিতাটোত বিদ্যমান । মৃত্যু সম্বন্ধে তেওঁৰ ধাৰণা 'মৃত্যু-সন্ধ্যা' কবিতাৰ মাজত ফুটি ওলাইছে ।

মৃত্যুৰ কোলাত মই কৰিলে শয়ন,
দেখিম নতুন কত জ্যোতিৰ্ময় দেশ ।

'সীতা', 'দ্ৰৌপদী', 'মন্দোদৰী', 'জয়মতী' আদি কবিতাত মহীয়সী নাৰীৰ বন্দনা

সহজ সৰল নাৰীত্বৰ মহিমাৰে সমুজ্জ্বল হৈ উঠিছে। 'শ্ৰীশঙ্কৰদেৱ' কবিতা যথাৰ্থৰূপেই বৰ্ণিত হৈছে। 'সুখ', 'নিয়া তাক তুমি যেন উটাই বুৰাই', 'ভিক্ষা' আদি কবিতাৰ সফলতা লক্ষ্য কৰা যায়। 'ভিক্ষা'ত তেওঁ লেখিছে –

> 'পোৱা নাই যিবা আৰু
> যিবা পালো বেয়া,
> ক্ষুদ্ৰ বুলি যি নললোঁ
> তাকে প্ৰভু দিয়া।'

ভগৱৎ-শক্তি বা ভগবানৰ পৰা এইদৰেই তেওঁ ভিক্ষা খুজিছে। প্ৰতিটো জীৱই ভগবানৰ কৰুণাৰ ভিক্ষাৰী। যমুনেশ্বৰীও এই ক্ষেত্ৰত ব্যতিক্ৰম নহয়।

যমুনেশ্বৰী খাটনিয়াৰৰ কবিতাসমূহৰ মাই ছন্দ পৰম্পৰাগত অসমীয়া ছন্দ পদ আৰু দুলড়ী। ছবিছন্দৰ ব্যৱহাৰো দেখা যায়। ছন্দ নিৰ্মাণ আৰু অলংকাৰ প্ৰয়োগত কবিয়ে বৈচিত্ৰ্য প্ৰকাশ কৰিব পৰা নাই। সকলো ক্ষেত্ৰতেই অনাড়ম্বৰ সফলতা বিদ্যমান। সম্ভৱতঃ কবিতাবোৰ ৰচনাৰ সময়ত কবি কম বয়সীয়া হোৱাৰ বাবেই গভীৰতালৈ যাব পৰা নাই। আঠাইবোৰ কবিতাই পোন্ধৰ-বিছ বছৰ বয়সৰ ভিতৰত ৰচিত হোৱাত আৰু ৰমন্যাসিক কাব্য-সাহিত্যৰ সৈতে নিবিড় পৰিচয় নথকাত এনে সৰলতাক স্বাভাৱিক বুলিয়েই ধৰিব লাগিব। যেইকি নহওক, বিংশ-শতাব্দীৰ আৰম্ভণিকালত সাধাৰণ ভাবে শিক্ষিতা এগৰাকী কম বয়সীয়া তৰুণী কবিৰ পৰা ইয়াতকৈ গভীৰ ভাবৰ কবিতা আশা নকৰাই ভাল। এই দৃষ্টি ভঙ্গীৰে বিচাৰ কৰিলে কিছু বৈশিষ্ট্যৰ লগতে যমুনেশ্বৰী খাটনিয়াৰৰ "অৰুণ" কবিতা পুথিখনৰ ঐতিহাসিক গুৰুত্ব অনুমান কৰি লব পাৰি।

৪.৫.০২ ধৰ্মেশ্বৰী দেৱী বৰুৱানী (১৮৯২-১৯৬০)

কাব্য-ভাৰতী ধৰ্মেশ্বৰী দেৱী বৰুৱানী ৰমন্যাসিক অসমীয়া কবিতাৰ এগৰাকী প্ৰতিভাশালিনী কবি। বিংশ শতাব্দীৰ দ্বিতীয় দশকতে কাব্য-সাহিত্যত প্ৰৱেশ কৰিছিল বুলি আনন্দচন্দ্ৰ আগৰৱালাই লেখি গৈছে। তেওঁ লেখিছিল– "শ্ৰীযুতা ধৰ্মেশ্বৰী দেৱীৰ কবিতাবিলাক পঢ়ি বৰ ভাল লাগে। তেখেত বহুদিনীয়া ৰোগ-যন্ত্ৰণাত কাতৰ হৈ থাকিও কবিতা ফুলেৰে বাণীক পূজিবলৈ এৰা নাই। তেখেতৰ 'ফুলৰ শৰাই' ছপা হৈ ওলাইছে। আমাৰ সাহিত্য-ভৰালত এই শৰাই ক্ষুদ্ৰ হ'লেও চিৰকাল জিলিকি থাকিব। তেখেতৰ কবিতা "বাঁহী", "আলোচনী", "ধৰ-জেউতি" আৰু "অৰুণ"ত মাজে মাজে ওলাইছিল।"[২৯] গতিকে, অনুমান কৰি ল'ব পাৰি যে ১৯১৭ চনত "আলোচনী" কাকতখন বন্ধ হোৱাৰ আগতে ধৰ্মেশ্বৰী দেৱী বৰুৱানীয়ে অসমীয়া কাব্য জগতত প্ৰৱেশ কৰিছিল। কিন্তু, পত্ৰিকাখনৰ সকলোবোৰ সংখ্যা পাবলৈ নোহোৱাত কোনটো কবিতা ক'ত ওলাইছিল নিশ্চিত কৰা সম্ভৱ নহয়। প্ৰকাশিত অপ্ৰকাশিত কবিতা কিছুমান সংকলিত কৰি "ফুলৰ শৰাই" (১৯২৯) নামৰ দি প্ৰথম সংকলনটি প্ৰকাশ কৰাৰ লগে লগে অসমীয়া ৰমন্যাসিক কবিতাত তেওঁ এখন নিগাজী আসন লাভ কৰিলে।

ধৰ্মেশ্বৰী দেৱীৰ জন্ম হৈছিল ১৮৯২ চনত গুৱাহাটীৰ পৰুৱটী আশ্ৰমত। পিতৃ যজ্ঞেশ্বৰ দেৱশৰ্মা অসমৰ শেষ ৰজা কন্দৰ্পেশ্বৰ সিংহৰ মোক্তাৰ আছিল। মাতৃৰ নাম ৰত্নপ্ৰিয়া। ঊনবিংশ শতাব্দীৰ অভিজাত পৰিয়াল এটিৰ দুহিতা হোৱাৰ বাবে ধৰ্মেশ্বৰীয়ে ঘৰতে আত্মীয় লোকৰ দ্বাৰা শিক্ষা লাভ কৰিছিল। সেই সময়ত অসমত

২৯. আনন্দচন্দ্ৰ আগৰৱালা, 'অসমীয়া সাহিত্য-সেৱকিনী', "আৱাহন", চতুৰ্থ বছৰ, পঞ্চম সংখ্যা, ১৯৩২ পৃ. ৫৫

স্ত্ৰীশিক্ষাৰ আশানুৰূপ সুবিধা নাছিল। ধৰ্মপ্ৰাণ পিতৃ-মাতৃয়ে দুহিতাৰ ব্যৱহাৰিক জ্ঞানৰ লগতে সাহিত্য-দৰ্শনৰ কিছু জ্ঞান লাভ কৰাৰ ব্যৱস্থা কৰি দিছিল।

সম্ভৱতঃ ১৯০৪ চনত ধৰ্মেশ্বৰী দেৱীৰ গুৱাহাটীৰে দুৰ্গানাথ বৰুৱাৰ সৈতে বিবাহ হয়। বৰুৱা গুৱাহাটীৰ উজান বজাৰৰ এগৰাকী প্ৰসিদ্ধ ব্যৱসায়ী আছিল।[৩০] বিবাহৰ দুবছৰমানৰ পাছত প্ৰায় চৈধ্যবছৰ বয়সত ধৰ্মেশ্বৰী স্বামী গৃহলৈ যায়। কিন্তু, কেইবছৰমানৰ পাছতে বাতৰোগে আক্ৰমণ কৰাত ঐকেছ বছৰ বয়সত পঙ্গু হৈ পৰে। ৰোগাক্ৰান্ত হোৱাৰ পাছত তেওঁৰ কাব্য জীৱন আৰম্ভ হয়।[৩১] স্বামীৰ অকৃত্ৰিম ভাল পোৱা আৰু প্ৰেৰণাই "কাব্য-ভাৰতী বৰুৱানীক দান কৰিছিল তেওঁৰ জীৱনৰ সাহিত্য-সাধনাৰ বীজমন্ত্ৰ।"[৩২] সন্তানহীনা কবি গৰাকীৰ দুঃখময় জীৱনত এধানমান প্ৰশান্তি লভিব পৰাকৈ কবিতা পুথিকেইখন প্ৰকাশ কৰিছিল। তেওঁৰ মতে কবিতাবোৰো আত্মজ সন্তান, যিহেতু কবিতাবোৰো আত্মাৰ পৰাই উদ্ভৱ। "ফুলৰ শৰাই" (১৯২৯ চন) কাব্যগ্ৰন্থৰ পাতনিত ধৰ্মেশ্বৰী দেৱী বৰুৱানীয়ে এইদৰে স্বীকাৰ কৰি গৈছে। দ্বিতীয় কাব্যগ্ৰন্থ "প্ৰাণৰ পৰশ"ত কবিয়ে লেখিছে, "মই ৰোগ যন্ত্ৰনাৰ মাজেৰেও দেৱতুল্য স্বামীদেৱতাৰ স্নেহোচিত আশ্বাস বাক্যত যি অকণমান শান্তি আৰু আনন্দ পাইছিলো তাতেই মই মাহেকীয়া আলোচনী বিলাকত সামান্য হ'লেও দুটি-এটিকৈ কবিতা লিখিবলৈ ধৰিলোঁ। তেতিয়া সকলোখিনি মাহেকীয়া আলোচনীতে মোৰ দুটি-এটি কবিতা প্ৰকাশিত হৈ আছিল।"[৩৩]

প্ৰথম সংকলনটি প্ৰকাশৰ পাছত ১৯২৯-১৯৫২ চনৰ ভিতৰত ৰচিত কবিতাসমূহ সংগ্ৰহ কৰি "প্ৰাণৰ পৰশ" নাম দি দুৰ্গাধৰ বৰুৱাই ১৯৫২ চনত প্ৰকাশ কৰে। এইখন কাব্য-ভাৰতী ধৰ্মেশ্বৰী দেৱী বৰুৱানীৰ দ্বিতীয় কাব্যগ্ৰন্থ। তৃতীয় আৰু চতুৰ্থ কাব্য-গ্ৰন্থ "অশ্ৰুধাৰা" আৰু "জীৱনতৰী" একত্ৰভাৱে কবিৰ মৃত্যুৰ পাছত ১৯৬৩ চনত প্ৰকাশ পায়। ১৯৬০ চনত কবি বৰুৱানীৰ দেহাৱসান ঘটে। শাৰীৰিক ভাৱে পঙ্গু দেৱী বৰুৱানীৰ জীৱন যন্ত্ৰণাৰে পৰিপূৰ্ণ। স্বামীৰ অকৃত্ৰিম স্নেহ আৰু দায়িত্বৰ গভীৰতাৰ বাবে দুখৰ মাজতে সুখৰ ৰেঙণি তেওঁ দেখা পাইছিল। ব্যথাভৰা জীৱনৰ পঞ্জীভূত বেদনাৰ মাজতে স্বামীৰ পৰা অকৃত্ৰিম ভালপোৱা লাভ কৰাটো তেওঁ পৰম সৌভাগ্য বুলি ভাবিছিল।[৩৪] দুখ-যন্ত্ৰণাত জৰ্জৰিত হৈ ধৰ্ম আৰু ঈশ্বৰৰ প্ৰতি গভীৰ বিশ্বাসী হৈ পৰিছিল। সাংসাৰিক জ্বলা-যন্ত্ৰনাৰ পৰা মুক্ত হৈ অপাৰ্থিৱ অৱস্থানলৈ ধাবিত হোৱাৰ আকাংক্ষা ৰমন্যাসিক কবিতাৰ এটি মাই লক্ষণ। ৰঘুনাথ চৌধাৰী, নলিনীবালা দেৱী আদিৰ কবিতাই পাৰ্থিৱৰ পৰা অপাৰ্থিৱ ৰূপ লাভ কৰিবলৈ যাওঁতে প্ৰকৃতিৰ বিনন্দীয়া সৌন্দৰ্য, অতীন্দ্ৰিয় ৰহস্য আদিত আশ্ৰয় লোৱাৰ দৰেই, দেৱী বৰুৱানীয়েও নিৰাকাৰ

---

৩০. 'দাস-তালুকদাৰ এজেন্সী'ৰ প্ৰতিষ্ঠাতা বৰুৱাক সকলোৱে দুৰ্গাবৰুৱা বুলিহে জানিছিল।

৩১. মহেশ্বৰ নেওগ, (সম্পা), "সঞ্চয়ন", ১৯৬৩, পৃ. ৪৩১

৩২ অতুল চন্দ্ৰ হাজৰিকা, 'এৰেষাৰ', "অশ্ৰুধাৰা আৰু জীৱন-তৰী", ১৯৬৩, পৃ. ।৵

৩৩. ধৰ্মেশ্বৰী দেৱী বৰুৱানীয়ে দ্বিতীয় কাব্য গ্ৰন্থ "প্ৰাণৰ পৰশ"ত প্ৰকাশ কৰা বক্তব্যৰ পৰা উদ্ধৃত।

৩৪. অতুল চন্দ্ৰ হাজৰিকা, 'কাব্য-ভাৰতী ধৰ্মেশ্বৰী দেৱী বৰুৱানীৰ সোঁৱৰণত', "অসম সাহিত্য সভা-পত্ৰিকা", ৩৩শ বছৰ, ২য় সংখ্যা, ১৯৬৬ "....... এটি পঙ্গু, অসহায় নাৰী জীৱন, হাত-ভৰি, চকু-কাণ আদি শৰীৰৰ প্ৰতিটো ইন্দ্ৰিয়ই ইটোৰ পাছত সিটোৱে অসহযোগ কৰি কবিক কেনে অগ্নি পৰীক্ষা কৰিবলৈহে বিচাৰিছিল। ---- পৰীক্ষাত নিঃসন্দেহে উত্তীৰ্ণ হৈছিল। -- "

ভগৱানৰ চৰণত গোনপটীয়া ভাবেই আত্মসমৰ্পন কৰিছে। নলিনীবালা দেৱীৰ দৰে জীৱনৰ বিফলতাকলৈ নাইবা দুখ যন্ত্ৰণাত অভিষ্ঠ হৈ পৰা যদুনাথ চৌধাৰীৰ দৰে কবিতাৰ মাজেদি অন্তৰৰ গভীৰ দুখ দেৱীবকৱানীৰ কবিতাত উজাউল হৈ উঠা নাই। শোক-দুখৰ ইংগিত কবিতাবোৰত স্পষ্ট নহয়। তাৰ ঠাইত ভক্তিৰ নিৰ্ভাজ সুৰ তেওঁৰ কাব্যধাৰাত প্ৰকাশি উঠিছে। ডক্টৰ বাণীকান্ত কাকতিৰ মতে– "কবিতাবোৰ সংসাৰৰ যাতনাত নিমাখিত হিয়াৰ অমৃত। যাতনাত উভলি উঠা গৰল বচয়িত্ৰীয়ে অসীম ধৈৰ্য্যৰে নিজেই গ্ৰাস কৰিছে।"[৩৫] 'আবাহনা' নামৰ কবিতাত বকৱানীয়ে লেখিছে–

"শূণ্য হিয়াখনি কৰিম পূৰণ
প্ৰাণ মোৰ প্ৰেমাধাৰ,
অৱগাহি তব প্ৰেমৰ সুঁতিত
যাতনা নিয়াম মাৰ।

"ফুলৰ শৰাই"ৰ কবিতাবিলাক প্ৰথম বয়সৰ ৰচনা। প্ৰতিটো কবিতাতে দুখানুভূতিৰ অনুভৱ হ'লেও, ব্যক্তিগত দুখতকৈ হৃদয় দেৱতাক বিচাৰি নোপোৱাৰ শোক-থুমুনিয়াহ আৰু চকুলোৰ প্ৰাধান্যহে বেছি। পৰমপ্ৰিয়ৰ সন্ধানত ব্যাকুল হৈ কবিয়ে "মিলন প্ৰয়াস" কবিতাত ব্যক্ত কৰিছে,–

'ক'ত মোৰ প্ৰাণ ক'ত মোৰ প্ৰিয়
কতযে বিননি গালোঁ,
ক'তো যে নাপালো প্ৰাণৰ দেৱতা
মাথো হাবাথুৰি খালোঁ।'

কবিৰ দুখৰ অভিব্যক্তি ইয়াৰ মাজত প্ৰকাশ পাইছে। প্ৰিয়জনৰ সন্ধানত কবি ব্যগ্ৰ হৈ পৰাত জীৱনৰ ব্যথা-বেদনাবোৰ অতি তুচ্ছ হৈ পৰিছে আৰু এই সন্ধান মুক্তি লাভৰ উপযুক্ত দ্বাৰৰূপে পৰিগণিত হৈছে। কবিৰ এই অসীম ধৈৰ্যই কবিতাৱলীৰ প্ৰধান বৈশিষ্ট্য।

দ্বিতীয় কাব্য-সংকলন "প্ৰাণৰ পৰশ" (১৯৫২)ৰ পাতনিত দেৱী বকৱানীৰ কবিতা সন্দৰ্ভত সুচিন্তিত আৰু মূল্যবান মতামত এটি ড° মহেশ্বৰ নেওগে দাঙি ধৰিছে– "দেৱী বকৱানীৰ কবিতা তেওঁৰ জীৱনৰ প্ৰকাশতকৈও অনেক থলত আত্ম-গোপনৰ চেষ্টাহে বুলিব লাগে। সংসাৰৰ বিৰুদ্ধ শক্তিৰ সংঘাতত আন কবি সকলে হৰ্ষ-বিষাদৰ মৰ্মন্তুদ বিননি তুলিছে বা মুমূৰ্ষু ভাবৰ কাতৰতা প্ৰকাশ কৰিছে, তাত কবি বকৱানীৰ ঈশ্বৰাৰ্পণ আৰু প্ৰিয়তমৰ স্নেহে আলফুলীকৈ দাঙি ধৰি কাণত আশাৰ বাণী ঢালিছে। ঈশ্বৰ বিশ্বাস আৰু প্ৰেমৰ মহিমাই এনে। ই মানুহৰ অন্তৰক আশাবাদী কৰি ভাগি পৰাৰ পৰা ধৰি ৰাখে। প্ৰকৃতিৰ সুন্দৰ পটবোৰত য'ত দুঃসাহসত কবিয়ে আপোন বিষাদৰ প্ৰতিচ্ছবিহে দেখা পায়, তাত বকৱানীয়ে পবিত্ৰ ধৰ্মভাবেৰে ধোৱা অন্তৰৰ চকুৰে চাই প্ৰাকৃতিক সম্পৰ্কবোৰৰ নিজাপী সৌন্দৰ্য দেখা পাইছে।"[৩৬] প্ৰথম দুখন কাব্য সংকলনৰ সু-উচ্চ ভাবধাৰাৰ মাজত স্ত্ৰী-সুলভ অনুভূতি আৰু ধৰ্মভাবৰ সংযত স্বৰূপ প্ৰকাশ পাইছে। ঈশ্বৰ বিশ্বাস আৰু প্ৰিয়জনৰ স্নেহৰ অকুণ্ঠ প্ৰকাশৰ মাজত কবিয়ে যেন আত্মগোপনৰ প্ৰচেষ্টা চলাইছিল। ড° সত্যেন্দ্ৰ নাথ শৰ্মাৰ মতে, "এই দুখন খণ্ড

৩৫. বাণীকান্ত কাকতি, 'পাতনি', 'ফুলৰ শৰাই' কাব্যগ্ৰন্থৰ ১ম সংস্কৰণ, ১৯২৯
৩৬. মহেশ্বৰ নেওগ, 'পাতনি', "প্ৰাণৰ পৰশ", ১৯৫২

কবিতাৰ খুপিত কবিৰ জাগতিক সৌন্দৰ্যৰ প্ৰতি মোহ আৰু আধ্যাত্মিক দৃষ্টিৰ অভিব্যক্তি লক্ষ্য কৰা যায়। তেওঁ সাংসাৰিক দুঃখ কষ্টক ভগৱানৰে দান বুলি অম্লানভাৱে গ্ৰহণ কৰিছে আৰু ভগৱানৰ ওচৰত সম্পূৰ্ণভাৱে আত্ম সমৰ্পন কৰিছে। ভাৰতীয় চিন্তাধাৰাৰ উত্তৰাধিকাৰী কবিয়ে সৃষ্টিৰ সকলো পদাৰ্থতে স্ৰষ্টাৰ সত্তা আৰু মহিমা দেখা পাইছে। যি এটি বিশ্ব সুৰে সকলোকে মোহিত কৰি ৰাখিছে সেই সুৰৰ উৎস বিচাৰি কবিয়ে আধ্যাত্মিক যাত্ৰাত আগবাঢ়িছে– মিলনৰ আশাত, সুখৰ অন্বেষণত।[৩৭] কিন্তু, বহুতৰ দৰে ঈশ্বৰ স্বৰ্গত বাস কৰে বুলি তেওঁ বিশ্বাস নকৰে। তেওঁ ই'এটা মানৱ কল্পনাহে। ঈশ্বৰ সৰ্বত্ৰ, সক বৰ সকলো বস্তুতে কবিয়ে অস্তিত্ব অনুভৱ কৰে। কাব্যৰ মাজেদি ভগৱৎ-শক্তিৰ ওচৰত আত্ম সমৰ্পণ কৰাৰ অভিলাষ সুন্দৰকৈ প্ৰতিফলিত হৈছে আৰু পৰম মিলনৰ বাবে অপেক্ষা কৰি ৰৈছে।[৩৮]

ধৰ্মেশ্বৰী দেৱী বৰুৱানীৰ কবিতাত যুক্তি তৰ্কৰ জটিলতা অথবা তত্ত্বত গভীৰতা নাই। ভাৰতীয় দৰ্শনৰ সৰল প্ৰকাশ কবিতাবোৰত দেখা যায়।

আছোঁ জগতত মায়া টোপনিত
মায়াৰ শয্যাত শুই।' (মোয়া)

সেইদৰে, 'নীৰৱ দেৱতা' কবিতাত কবিৰ আশা-নিৰাশাৰ আবেগত আকুল প্ৰাৰ্থিৰ-অধিৰ প্ৰাণৰ সন্ধান পোৱা যায়। তথাপি, প্ৰাণৰ নিবেদন নীৰৱেই তেওঁ প্ৰকাশ কৰি যাবলৈ সিদ্ধান্ত লৈছে। হিয়াৰ থাপনাত প্ৰিয়জনক বহুৱাই লৈ প্ৰীতিৰ চকুলোৰে নীৰৱে পূজি যোৱাই কবিৰ ঐকান্তিক কামনা। 'অৰ্ঘ্য' কবিতাত স্বামীৰ প্ৰতি একান্ত ভালপোৱা আৰু বিশ্বাসৰ মাজত জগদীশ্বৰৰ চৰণ কামনা সুন্দৰকৈ ফুটি ওলাইছে।

আহা প্ৰিয় তুমি মোৰ প্ৰাণৰ দেৱতা
অলাগীৰ জীৰ্ণ কুটিৰত,
তোমাৰ পৰম পাশে আছোঁ বাট চাই
দিয়া মোক ঠাই চৰণত।

এই একে ভাৱৰে বিকশিত ৰূপ নিবিড় অনুভূতিৰ মাজত স্পষ্ট হৈ উঠা দেখা যায় 'আৰাধনা' কবিতাত। ইয়াত, স্বামীৰ প্ৰতি থকা গভীৰ ফল্গুধাৰাই, নৈ সাগৰত মিলি যোৱাৰ দৰেই ক্ষুদ্ৰই বিৰাটত মিলি গৈ সিদ্ধি লাভ কৰাৰ দৰে গভীৰ আত্ম-বিশ্বাসত প্ৰবৃত্ত কৰাইছে। তেওঁ ইয়াত লেখিছে,–

তুমি বিনে প্ৰিয় সাধনাৰ ধন
নাই আৰু কেঁও নাই।'

কবিৰ প্ৰিয় সম্পদৰ যেন এক ঐন্দ্ৰজালিক ৰূপ আছে। যুগ-যুগান্তৰৰ পৰা আত্মা-পৰমাত্মাৰ একীভূত অথবা অভিন্ন কৰাৰ প্ৰয়াস আৰু পৰম সত্তাত বিলীন হোৱাৰ ৰহস্যবাদী ধ্যান-ধাৰণা 'কোন তুমি' কবিতাতো সুন্দৰকৈ প্ৰকাশ পাইছে।–

'তুমি মোৰ মধ্যেই তোমাৰ
তোমাতেই কৰা মোক লয়।'

পাৰ্থিৱ-অপাৰ্থিৱৰ যোগ-সূত্ৰ এইদৰেই নিৰ্মাণ কৰি ৰহস্যবাদী সকলে নিজ লক্ষ্যস্থানত উপনীত হোৱাৰ অদম্য কামনা প্ৰকাশ কৰি আহিছে। দেৱী বৰুৱানীও এই ক্ষেত্ৰত

---

৩৭. সত্যেন্দ্ৰনাথ শৰ্মা, "ইতিবৃত্ত", ১৯৭১, পৃ. ২৬৩

৩৮. Birinchi Kumar Borua, History of Assamese Literature, 1st Edition, 1964

ব্যতিক্ৰম নহয়। অৱশ্যে, তেওঁ বিশ্বৰ মাজতে 'সত্যম-শিৱম-সুন্দৰম'ৰ সাৰ্থকতা অনুভৱ কৰি বিশ্বক সাৰৱটি ধৰা বিশ্বময়তাই পৰমপ্ৰিয় বা পৰমেশ্বৰ বুলি সন্দেহাতীত হৈছে। তেওঁৰ 'সন্ন্যাসী আৰু ভিক্ষাৰিণী' কবিতাত এনে ভাৱৰেই বিকাশ ঘটিছে। 'প্ৰভু মোক দিয়া' কবিতাত নিজৰ মনোজগত শুদ্ধ কৰাৰ বাবে 'বিনয় নম্ৰতা দিয়া, সেয়ে গন্ধ অতুল চন্দন' বুলি প্ৰাণৰ কাকুতি নিবেদন কৰিছে। 'প্ৰাৰ্থনা', 'ধনী গৃহস্থ আৰু কণা মগনীয়া', 'পথিক আৰু উন্মাদিনী', 'কবি-প্ৰণাম', 'বৰদৈচিলা' প্ৰভৃতি কবিতাত তেওঁৰ বৈশিষ্ট্য অটুট ৰৈছে।

"অশ্ৰুধাৰা"ত সন্নিবিষ্ট কবিতাবিলাকো আগৰ দুখন কাব্যগ্ৰন্থৰ সমকক্ষ বৈশিষ্ট্যৰেই ৰচিত হৈছে। এই সংকলনতো ক্ষুদ্ৰহিয়াত বিৰাট বিশ্বৰ ছবি উজ্জ্বলি উঠি সাফল্য সকল কৰিব বুলি প্ৰথমটো কবিতা 'মূৰ্ত্ত' দেৱতা'ৰ মাজেদি প্ৰকাশ কৰিছে। 'ব্যথাৰ আৱৰ্ত্ত'ত প্ৰিয় ঈপ্সিতজন যে চিৰসুন্দৰ, দ্বিধাহীন ভাৱে স্পষ্ট হৈছে। আনহাতে, প্ৰিয়জনে তেওঁক উপেক্ষা কৰাৰ আক্ষেপ 'উপেক্ষা' কবিতাত পোৱা যায়। হিয়াৰ শোণিতেৰে আৰু মৰমৰ অগৰু চন্দনে অশ্ৰুসিক্ত কৰি দিব খোজা প্ৰীতি-উপহাৰৰ প্ৰতিদান বিচৰা নাই। প্ৰাণৰ পূজাৰ মনেই পৰম ফুল বুলি 'প্ৰাণৰ পূজা' কবিতাত আৰু 'মহাশূন্য'ত শূন্যৰ ব্যাপকতাৰ মাজত চৈতন্য ভগৱানৰ অবিনাশী জ্যোতিৰ্ময় ৰূপৰ স্বৰূপ দেখা পাইছে। কবিয়ে য'তেই শান্তি ত'তেই স্বৰ্গ, ধূলি-ধূসৰিত পৃথিৱীত শান্তি আৰু নিৰ্মল আনন্দৰ মাজতে স্বৰ্গীয় সুখৰ আকৰ বিচাৰি পোৱা যায়; 'স্বৰ্গকত' কবিতাত এনে মতৰ প্ৰকাশ ঘটাই বাসনাৰ পৰিসমাপ্তি ঘটিলে নিজ হৃদয়তে স্বৰ্গ লাভ হয় বুলি বিশ্বাস কৰিছে। মানৱ সেৱাই স্বৰ্গলাভৰ আন এটা প্ৰকৃষ্ট পথ। এই উপলব্ধি প্ৰকৃততে দেৱী বৰুৱানীৰ মৰ্মস্থলৰ পৰা নিগৰি অহা অন্তৰ্দৃষ্টিৰ ফল। কবি গৰাকীৰ দৰ্শনেন্দ্ৰিয় আৰু শ্ৰৱণেন্দ্ৰিয় সেই সময়ত সম্পূৰ্ণ বিকল হৈ পৰা বুলি জনা যায়। 'আতুৰ ভিখাৰী', 'শিল্পী আৰু সৃষ্টি', 'শান্তি' আদি কবিতাত কবিৰ অনুভূতিৰ তীব্ৰতা উপলব্ধি কৰিব পাৰি। "অশ্ৰুধাৰা" পুথিখনত মাধৱদেৱ, বুদ্ধদেৱ, মহাত্মাগান্ধী আদি বিষয়ক বহুতো 'গৌৰৱণী' কবিতা পোৱা যায়। ইয়াৰ মাজতে 'বিষাদৰ চকুলো' আৰু 'শ্ৰদ্ধাঞ্জলি' দুটা শোকত লৰলগীয়া শোক গাঁথা বা ইলিজী। প্ৰকৃতি বিষয়ক কিছুমান কবিতা ৰচনা কৰি ধৰ্মেশ্বৰী দেৱী বৰুৱানীয়ে নিজৰ প্ৰকৃতিৰ প্ৰতি ধাৰণা প্ৰকাশ কৰি গৈছে। "কৌমুদী', 'ব'হাগীৰ বিদুৰান', 'বিদুৰতী ব'হাগী', 'আকাশী জীয়ৰী', 'মলয়াৰ অভিযান', 'শাওণৰ সুৰ' ইত্যাদি কবিতাত প্ৰকৃতিৰ বিভিন্ন ৰূপ লক্ষ্যণীয় হৈ উঠিছে। 'শাওণৰ সুৰ' কবিতাত 'সদ্যস্নাতা হৈ ৰূপহী শাওনীয়ে ধৰনীক সুজলা-সুফলা-শ্যামলা কৰি প্ৰাণদান দিয়ে বুলি সুন্দৰকৈ শাওণৰ বন্দনা কৰা হৈছে। ঋতুৰ চিত্ৰ হিচাপে অংকন কৰাত এই কবিতাত তেওঁ সফলতা লাভ কৰিছে। ব'হাগ সম্পৰ্কীয় প্ৰকৃতি চিত্ৰণৰ মাজত ৰঘুনাথ চৌধাৰীৰ 'ব'হাগীৰ বিয়া' কবিতাটিৰ কিছু প্ৰতিফলন দেখা যায়। 'বিদুৰতী ব'হাগী' আৰু 'বহাগীৰ বিদুৰান' দুয়োটা কবিতাতে ছন্দৰ সাৱলীলতা, শব্দচয়নৰ মাধুৰ্য আৰু ঋতুৰ চিত্ৰণত স্ব-বৈশিষ্ট্য স্বাক্ষৰ ৰাখিব পাৰিছে। দুলড়ী ছন্দত ৰচিত আটাইকেইটা কবিতাতে প্ৰতিভাৰ স্ফুৰণ ঘটিছে। দেৱী বৰুৱানীৰ কবিতাৰ মাজত জাতীয় ভাৱাপন্ন দুই চাৰিটা কবিতা আছে। ইয়াৰ ভিতৰত 'পূজাৰ আৰতি', 'মিলন সুৰ', 'পূজা-বন্দনা', 'জননী যজ্ঞ', 'আজি জননীৰ পূজাৰ দিন' আদিক বিশেষভাৱে উল্লেখ কৰিব পৰা যায়। অসম আৰু ভাৰত জননী উভয়েই তেওঁৰ লেখনিত ঠাই পাইছে। মাতৃ-জাতি নাৰী সম্পৰ্কে কবিৰ বক্তব্য স্পষ্ট। 'নাৰী' কবিতাত প্ৰগতিৰ পথেদি অগ্ৰসৰ হ'বলৈ আহ্বান জনাই লেখিছে–

'নাৰী তুমি শোভবোৱা সুন্দৰ জগত
নাৰীত্বৰ প্ৰভাৱ বিস্তাৰি,

ধন্য হোৱা, পূর্ণ হোৱা প্রভাময়ী নাৰী
জীৱনৰ জয়স্তু বিচাৰি ।'

"জীৱন-তৰী" ধৰ্মেশ্বৰী দেৱী বৰুৱানীৰ চতুৰ্থ কাব্যগ্ৰন্থ । কিন্তু এই গ্ৰন্থ "অশ্ৰুধাৰা"ৰ লগতে একত্ৰ প্ৰকাশ পোৱাত দুখন গ্ৰন্থখনৰ এটা খণ্ডৰ দৰে হৈ পৰিছে । "জীৱন-তৰী"ৰ কবিতাবিলাক ৰূপকাত্মক । "এই কবিতাবোৰত কবিৰ চিন্তা উৰ্দ্ধমুখী হৈ দূৰ-দূৰণিলৈ ঢাপলি মেলিছে । কবি দুৰ্গাবাই যিখন 'সোণোৱালী দেশ'ৰ সপোন দেখিছিল সেইদৰে কাব্য-ভাৱতী দেৱী বৰুৱানীয়েও এই "জীৱন-তৰী"ত আৰোহণ কৰি ৰূপহী নৈ, ৰূপহী নৈৰ বালি, পুৰী বৰ্ণন, উদ্যান বৰ্ণন, উত্তৰ দুৱাৰ, পূব দুৱাৰ, পশ্চিম দুৱাৰ আদি নানা স্তৰৰ মাজেদি 'সুন্দৰ দেশ'ত উপনীত হ'বলৈ সুন্দৰ প্ৰয়াস কৰিছে ।"[৩১]

ৰূপহী নৈ খনক কবিয়ে ৰহস্যময়তাৰ মাজলৈ নিক্ষেপ কৰিছে । সেই নদীৰ কোবাল ঢৌ আৰু পাৰহীন বিশালতাৰে প্ৰবাহিত গতিত জীৱন তৰী এৰি দি, আকাশেদি উৰি যোৱা পখী এটিক কৰ্ণধাৰ বা পথ-প্ৰদৰ্শকৰূপে গ্ৰহণ কৰিছে । নৈ, তৰী আৰু পখীৰ প্ৰতীকী অৰ্থ আছে । পখী কবিৰ সখী, পথ-প্ৰদৰ্শক, বিপদৰ বন্ধু আৰু উদ্ধাৰ কৰ্তা । নৈখন মায়ামোহেৰে পৰিপূৰ্ণ বিপদ সঙ্কুল সংসাৰখনৰ গতি আৰু তৰী হ'ল মনুষ্য জীৱন । সংসাৰ নৈৰ সোঁতত উটি-ভাহি জীৱন-ডিঙাই এদিন কবিৰ আকাংক্ষিত পুৰীত নিশ্চয় উপস্থিত হ'বগৈ । সেই পুৰীৰ ৰোগ, শোক, জৰা, মৃত্যু একোৰেই ভয় নাই । তাত কেৱল উলাহত অধীৰ কৰি তুলিব পৰা আনন্দৰ অভিযান আছে । 'সুন্দৰৰ প্ৰেমজ্যোতি সদানন্দময়' অৱস্থা এটা সদা বিৰাজমান । সেই স্থান ৰূপহী নৈখনৰ সিপাৰতে অৱস্থিত এখন মনোৰম, তুলনাবিহীন, অপৰূপ সৌন্দৰ্যৰ আকৰ । সেই বিৰাজিত সৌন্দৰ্যক কবিয়েও বৰ্ণণা কৰিব নোৱাৰে । "জীৱন-তৰী"ৰ বিভিন্ন কবিতাত এনেভাৱৰেই বাৰম্বাৰ প্ৰকাশ ঘটিছে । এইঠাই সকলো সম্পদেৰে পৰিপূৰ্ণ; যেন এখন সুন্দৰ নগৰ । উদ্যানৰ পৰা আৰম্ভ কৰি চৌদিশৰ দ্বাৰ বৰ্ণনালৈকে কবিয়ে বৰ্ণনা শক্তিৰ পৰিচয় দিব পাৰিছে ।

কবিৰ বাস্তৱ জীৱন-তৰীৰ চালিকা শক্তি স্বামী দুৰ্গা বৰুৱাৰ মৃত্যু ঘটাত প্ৰকৃততে দেৱীবৰুৱানী কাণ্ডাৰীবিহীন হৈ পৰিছিল । গতিকে, এটা পখীক প্ৰতীকী অৰ্থত কাণ্ডাৰীৰূপে গ্ৰহণ কৰি ৰহস্যময় দেশলৈ যাবলৈ ওলাইছে । কবিৰ এই প্ৰয়াসৰ মাজত কবি যতীন্দ্ৰনাথ দুৱৰাৰ 'পাহৰনি নৈ'ৰ প্ৰভাৱ সুস্পষ্ট । অৱশ্যে কাব্য-দৰ্শন কবিৰ নিজস্ব । সখী আৰু পখীৰ কথোপকথনত সেই ৰহস্যময় দেশৰ স্বৰূপ 'সুন্দৰৰ দেশ' কবিতাত স্পষ্ট হৈ পৰিছে ।

'পৰমানন্দ চিৰ আনন্দ
চিৰ সুন্দৰ ৰজা,
লভিবা তৃপিতি মনে প্ৰাণে অতি
সখী সুন্দৰক ভজা ।'

'সিখনি দেশৰ সীমা', 'প্ৰেমজ্যোতি', 'সখী আৰু পখীৰ প্ৰশ্নোত্তৰ', 'পৰিচয়' প্ৰভৃতি কবিতাত জীৱন-তৰী আৰু আকাংক্ষিত পুৰীৰ স্বৰূপ উদ্‌ঘাটন হৈছে আৰু জাগতিক অৱস্থাৰ পৰা মহাজাগতিক অৱস্থালৈ উত্তৰণৰ আকাংক্ষা প্ৰবল হৈ উঠিছে । অৱশেষত ভগৱানক পখীৰূপে কল্পনা কৰি ভৱসিন্ধু পৰা কৰাৰ ঐকান্তিক প্ৰাৰ্থনা জনাইছে ,–

ধৰা তুমি মোৰ হাত তুমি জগতৰ নাথ
ভৱ সিন্ধু কৰা তুমি পাৰ ।

৩১. অতুল চন্দ্ৰ হাজৰিকা, 'কাব্যভাৰতী ধৰ্মেশ্বৰী দেৱী বৰুৱানীৰ সোঁৱৰণত, "অসম সাহিত্য সভা পত্ৰিকা", ৩৩শ বছৰ ২য় সংখ্যা, ১৯৬৬ পৃ. ৪৫

মোৰ ই জীৱন-তৰী পাৰ কৰা তুমি হৰি
পৰীৰূপে হৈ কৰ্ণধাৰ ॥ ('জীৱনুভূতি')

"জীৱন-তৰী"ৰ কবিতালানিত জীৱন-তত্ত্ব ফঁহিয়াই দেখুৱাইছে। ইয়াত পৰীৰূপী আত্মাৰ অধিকাৰী কবি আৰু পৰী পৰমাত্মা।[৪০]

ধৰ্মেশ্বৰী দেৱী বৰুৱানীৰ চাৰিওখন কবিতা পুথিয়ে এগৰাকী ৰহস্যবাদী কবি হিচাপেই প্ৰতিষ্ঠিত কৰিছে। "ফুলৰ শৰাই"ৰ পাততে এই ৰহস্যবাদৰ আৰম্ভণি। 'তুমিয়েই নেকি' নামৰ দীঘল কবিতাটোত জোন-বেলি, বিজুলী, পুৱা-সন্ধ্যা আদি প্ৰকৃতিৰ নান ৰূপৰ মাজত, মানৰ প্ৰাণৰ বিভিন্ন গুণ– নাৰীৰ স্বামীভক্তি, মাতৃৰ স্নেহ, বীৰৰ শক্তি, যোগীৰ সাধনা, মানুহৰ আশা, কামিনীৰ আভা আদি সকলোতে বিশ্ব-গৰাকীৰ চৈতন্যৰূপ দেখা পাইছে। 'আত্মাৰামৰূপী' এই মহান চৈতন্য তেওঁৰ বাবে শিল্পী, যাদুকৰ, বাজীকৰ, চিত্ৰকৰ আদি ৰূপত উজ্জ্বলি উঠিছে। "সেই সত্য, শিৱজন বিশ্ব-বিয়পাই জেউতি চৰাই 'সকলোতে আছে' এনে ভাব হ'লেহে জীৱে শান্তি পায়। সেই বিৰাটজনক হৃদয় হিয়াৰ মাজত চোৱাটোহে একমাত্ৰ উপায়।"[৪১]

দেৱী বৰুৱানীৰ কাব্যৰ মাই সুৰ ৰহস্যবাদ হ'লেও কবিতাবিলাকৰ গাঁঠনি সৰল আৰু ভাবৰ জটিলতাও কম। সহজ মধুৰ শব্দচয়ন আৰু ত্ৰিপদী ছন্দ-সজ্জাত কবিৰ নিপুণতা লক্ষ্য কৰা যায়। স্বদেশানুৰাগী, জাতীয়তাবাদী সুৰৰ লগতে প্ৰকৃতিৰ প্ৰীতি, মাতৃ-ভাষাৰ প্ৰতি অনুৰাগ, গুণীৰ প্ৰতি শ্ৰদ্ধাশীলতা আদি কবিতাবিলাকত সুন্দৰকৈ ফুটি ওলাইছে। ধৰ্মেশ্বৰী দেৱী বৰুৱানীক ৰমন্যাসিক যুগৰ এগৰাকী বিশিষ্ট মহিলা কবিৰ মৰ্যদাত এইবিলাকেই প্ৰতিষ্ঠিত কৰি তুলিছে।

দেৱী বৰুৱানীক তেওঁৰ কাব্য-কৃতিৰ বাবে ১৯৫৬ চনত অসম সাহিত্য সভাই 'কাব্য-ভাৰতী' উপাধিৰে বিভূষিতা কৰি প্ৰতিভাৰ মূল্যায়ণ কৰি থৈছে। ঐকেহু বছৰ বয়সত ৰোগশয্যাত আশ্ৰয় লোৱা কবি গৰাকীৰ কবিতাই একমাত্ৰ সম্পদ। জীৱন-যৌৱনৰ সকলো স্বপ্ন খানবান হৈ যাওঁতে কেৱল অবলম্বন আছিল স্বামীৰ ঐকান্তিক ভালপোৱা। কিন্তু, এদিন স্বামীক হেৰুৱাই তেওঁ সম্পূৰ্ণভাবে বিক্তা হৈ পৰিল। এনে এক দুঃসহ অৱস্থাত অসম চৰকাৰৰ পৰা এটি সাহিত্যিক পেঞ্চন লাভ কৰিছিল। এনেবোৰ দুখৰ মাজতো অবিচলিত ভাবে ভগৱানৰ ওচৰত আত্মসমৰ্পণ কৰি অন্তিম ক্ষণৰ অপেক্ষা কৰিছিল। ১৯৬০ চনৰ ৯ মাৰ্চত জীৱন-জোৰা দুখ-যন্ত্ৰণাৰ উপশম ঘটাই কবিয়ে পৰলোকলৈ গমন কৰিলে। কিন্তু, সহজ-সৰল কাব্য-প্ৰবাহৰ মাজত নাৰী-অভিব্যক্তিৰ সুন্দৰ প্ৰকাশ ঘটাই ধৰ্মেশ্বৰী দেৱী বৰুৱানী অসমীয়া সাহিত্যত স্মৰণীয় হৈ ৰ'ল।

৪.৫.০৩. নলিনীবালা দেৱী (১৮৯৮-১৯৭৭)

অসমীয়া ৰমন্যাসিক কাব্যৰ অন্যতমা পদ্মশ্ৰী নলিনীবালা দেৱী বিংশ শতাব্দীৰ সৰ্বশ্ৰেষ্ঠা অসমীয়া মহিলা কবি। অতীন্দ্ৰিয়বাদী কবিৰূপে সু-প্ৰতিষ্ঠিতা এই গৰাকী কবিৰ পিতৃ স্বনামধন্য কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈ আৰু মাতৃ হেমন্তকুমাৰী দেৱী। এই পৰিয়ালৰ পূৰ্বপুৰুষ কন্দ্ৰখৰিক কান্যকুব্জৰ (কনৌজ) পৰা আহোম ৰজাই শিৱসাগৰলৈ অনাই ব্ৰহ্মোত্তৰ মাটি-ভেটি দি প্ৰতিষ্ঠা কৰাত, বাবৰ প্ৰধান জ্যোতিষীৰ এখৰ হৈ পৰে। কিন্তু, মানৰ আক্ৰমণৰ সময়ত নলিনীবালাৰ আজোককাক কমলনাথ বৰদলৈ গুৱাহাটীলৈ আহি উত্তৰ গুৱাহাটীত বাস কৰিবলৈ লয়। কমলনাথৰ পুত্ৰ মাধৱচন্দ্ৰ বৰদলৈ অসমৰ এগৰাকী সিংহ পুৰুষ আৰু সেই সময়ৰ ব্ৰীটিছ প্ৰশাসনৰ এগৰাকী উচ্চ-বিষয়া

৪০. উক্ত গ্ৰন্থ, পৃ. ৪৬

৪১. উপেন্দ্ৰ নাথ গোস্বামী, "ভাষা আৰু সাহিত্য", ১৯৮৫, পৃ. ১৮০

আছিল। এওঁবে অন্যতম পুত্র নবীনচন্দ্র বৰদলৈ 'অসমৰ মুকুট বিহীন সম্রাট'ৰূপে খ্যাত আৰু মুক্তি আন্দোলনৰ অন্যতম নায়ক। নবীনচন্দ্ৰৰ প্ৰথমা কন্যা নলিনীবালা দেৱীৰ জন্ম ১৮৯৮ চনৰ ২৩ মাৰ্চত বৰপেটাত। মাধৱচন্দ্ৰ সেই সময়ত বৰপেটাৰ মহকুমাধিপতি আছিল আৰু সেইসূত্ৰে পো-বোৱাৰী সমন্বিতে তেওঁৰ লগত আছিল। কন্যা-দেউতাকে নৱজাতিকাৰ নাম পদ্মিনী ৰাখিছিল যদিও দেউতাকে নাম থলে নলিনী। এই নামেৰেই শিক্ষা-দীক্ষা-সংস্কৃতি ধন্য বিত্তশালী সুখ-স্বাচ্ছন্দ্যৰে পৰিপূৰ্ণ পৰিয়ালটিৰ আদৰ-সাদৰৰ মাজত তেওঁৰ শৈশৱ অতিবাহিত হ'ল। সেইপৰ্যন্ত স্ত্ৰী-শিক্ষাৰ সু-ব্যৱস্থা নথকাত গৃহ-শিক্ষকৰ তত্ত্বাৱধানত নলিনীবালাৰ শিক্ষা জীৱন আৰম্ভ হয়। তেওঁ ঘৰতেই অসমীয়া, বাংলা, সংস্কৃত, ইংৰাজী, ভূগোল, বুৰঞ্জী, অঙ্ক আদি বিষয়তো জ্ঞান লাভ কৰিছিল। গোপালকৃষ্ণ দে নামৰ এগৰাকী প্ৰসিদ্ধ পণ্ডিতৰ তত্ত্বাৱধানত নলিনীবালাই শিক্ষা লাভ কৰাৰ লগতে বিভিন্ন ক্ষেত্ৰত অনুপ্ৰাণিত হৈছিল।[৪২]

নলিনীবালা দেৱীৰ বাল্য-বিবাহ ৰীতি অনুসৰি ১৯০৯ চনত শিৱসাগৰৰ বিখ্যাত চতুৰ্বেদী বংশৰ কৃষ্ণপ্ৰাণ চাংকাকতিৰ পুত্ৰ জীৱেশ্বৰ চাংকাকতিৰ সৈতে সম্পন্ন হয়। কিন্তু, ১৯১৯ চনত নলিনীবালাৰ প্ৰায় এৰৈকুৰি বছৰ বয়সত স্বামীৰ অকাল মৃত্যু হোৱাত বৈধব্যৰ বোজা বহন কৰি পিতৃ গৃহলৈ উভতি আহে।[৪৩] সেই সময়ত তেওঁ চাৰিটি সন্তানৰ জননী হৈছিল আৰু পঞ্চমটি গৰ্ভাৱস্থাত আছিল। আদৰ্শ পিতৃ নবীনচন্দ্ৰ বৰদলৈয়ে স্নেহৰ দুহিতাৰ দুৰ্যোগত গভীৰ বেদনা অনুভৱ কৰিলেও আত্মবল ৰক্ষাৰ বাবে নলিনীৰ হাতত তুলি দিলে এখন "ভগৱদ্‌গীতা"। দেউতাকৰ প্ৰদৰ্শিত পথত তেওঁ অগ্ৰসৰ হৈ লাভ কৰিলে এক 'মহাশ্বেতা'ৰূপ।[৪৪] আৰম্ভ হ'ল আধ্যাত্মিক জীৱন। ১৯২১ চনৰ পৰা নলিনীবালাই সমাজ-সেৱাত মনোনিবেশ কৰিলে। কিন্তু, ১৯২২ চনত তৃতীয় পুত্ৰ ৰামমূৰ্ত্তিৰ মৃত্যুৱে তেওঁক যথেষ্ট হতাশ কৰিলে। তথাপি এনে দুৰ্যোগৰ মাজতে কাব্য-ৰচনাত হাত দিলে আৰু ১৯২৮ চনত নলিনীবালাৰ প্ৰথম কবিতাৰ পুথি "সন্ধিয়াৰ সুৰ" প্ৰকাশ পালে। এইখন গ্ৰন্থই তেওঁক কবি হিচাপে প্ৰতিষ্ঠা আনি দিলে আৰু এগৰাকী আগশাৰীৰ কবিৰূপেও সুপৰিচিতা কৰি তুলিলে। ১৯৩৬ চনত নলিনীবালাৰ ডাঙৰ দুৰ্যোগ আহিল। পিতৃ নবীনচন্দ্ৰ বৰদলৈ আৰু দ্বিতীয় পুত্ৰ পৱিত্ৰপ্ৰাণৰ অকাল

---

৪২. বিংশ-শতাব্দীৰ প্ৰথম দশকত গোপালকৃষ্ণ দে গুৱাহাটীৰ তেতিয়াৰ 'কাৰ্জন হল'ৰ পুথিভঁৰালী আছিল। তেওঁ সংস্কৃতজ্ঞ, সু-সাহিত্যিক আৰু সঙ্গীতজ্ঞ ব্যক্তি আছিল। নলীবালাৰ গৃহ-শিক্ষক কেৱাজনো আছিল।

৪৩. নলিনীবালাৰ স্বামীৰ মৃত্যুৰ পাছত বৈধব্যৰ অসহনীয় বোজা লৈ পিতৃগৃহলৈ উভতি অহাৰ চন তাৰিখ সম্পৰ্কত লেখকসকলে ভিন্নমত গ্ৰহণ কৰা দেখা যায়। ড° মহেশ্বৰ নেওগে "ৰূপৰেখা"ত ১৯১৭ চন ; ড° সত্যেন্দ্ৰনাথ শৰ্মাই "ইতিবৃত্ত"ত ১৯১৬ চন ; "নলিনীবালা দেৱী" গ্ৰন্থত অতুলচন্দ্ৰ হাজৰিকাই ১৯১৭ চনৰ দুৰ্গাপূজাৰ সময়ত, কিন্তু সেই গ্ৰন্থৰ পৰিশিষ্টত ১৯১৯ চনৰ অক্টোবৰ (পৃ. ২৯১) বুলি উল্লেখ হৈছে। আনহাতে নলিনীবালাই আত্মজীৱনী "এৰি অহা দিনবোৰ"ৰ ৬০ পৃষ্ঠাত লেখিছে,–"মই এৰৈকুৰি বছৰ বয়সত বৈধব্যৰ শুভ্ৰবেশ লৈ দেউতাৰ ঘৰ তথা পৰিয়ালৰ মাজত থিয় হলোঁহি, ঘৰত হাহাকাৰৰ ৰোল উঠিল।" নলিনীবালা দেৱী" গ্ৰন্থৰ ২৪৩ পৃষ্ঠাত প্ৰকাশিত তেওঁৰ ৰবজী উষাবালা দেৱীৰ 'স্মৃতি মাধুৰী'ত পোৱা যায়,–"১৯১৯ চনৰ এটা কালনিশাত দেউতাৰ হঠাৎ বিয়োগ হ'ল। বৌটিৰ তেতিয়া বিশ-এৰৈকুৰি বছৰ বয়স হ'ব।" তথ্যসমূহ বিশ্লেষণ কৰি ১৯১৯ চন ধৰা হ'ল।

৪৪. নলিনীবালা দেৱী, "এৰি অহা দিনবোৰ", পৃ ৬১
"---মই মহাশ্বেতা, মই মহাশ্বেতা। পৃথিৱীৰ কোনো কালিমাই মোক স্পৰ্শ কৰিব নোৱাৰে।"--- দেউতাকে তেওঁক 'মহাশ্বেতা' হোৱাৰ কামনা কৰাত এই অভিব্যক্তি প্ৰকাশ পাইছিল।

মৃত্যু হোৱাত তেওঁৰ মুখতে যেন স্বৰ্গ ভাগি পৰিল। এনেবোৰ দুৰ্যোগৰ দ্বাৰা জৰ্জৰিত হোৱাত ১৯৩৮ চনত নলিনীবালাই তীৰ্থ ভ্ৰমণৰ বাবে যাত্ৰা কৰিলে।

নলিনীবালা দেৱী একেবাৰে প্ৰসিদ্ধা সমাজ-সেৱিকাও। গুৱাহাটীৰ পবিত্ৰ ঈদগাহ সভাৰ সভানেত্ৰীৰ পৰা অসম সাহিত্য সভাৰ সভানেত্ৰীলৈকে বহুতো অনুষ্ঠানৰ মুখ্য পদক অলংকৃত কৰিছিল।[45] গৌৰৱৰ বিষয় যে নলিনীবালাই ১৯৫৪ আৰু ১৯৫৫ চনত একেবাৰে দুবাৰ যোৰহাটত অসম সাহিত্য সভাৰ সভানেত্ৰীৰ আসন লাভ কৰিছিল। ১৯৫৭ চনত নৱদ্বীপৰ 'সংস্কৃত সঞ্জীৱনী সভা'ই তেওঁক 'কাব্যভাৰতী' উপাধি প্ৰদান কৰে। এই বছৰতে আকাশবাণীৰ সৰ্ব-ভাৰতীয় কবি সন্মিলনত যোগ দি ৰাষ্ট্ৰীয়-কবিৰ মৰ্যদা লাভ কৰে। ১৯৫৮ চনত সাহিত্যলৈ আগবঢ়োৱা বৰঙণিৰ বাবে ৰাষ্ট্ৰীয় সন্মান "পদ্মশ্ৰী" লাভ কৰে। ১৯৬০ চনত পলাশবাৰীত আৰু ১৯৬৯ চনত বৰপেটাত অসম সাহিত্য সভাৰ কবি-সন্মিলনৰ সভানেত্ৰীৰূপেও তেওঁ অংশ লৈছিল। ১৯৬৪ চনত সৰ্বভাৰতীয় কবি সন্মিলনৰ সভানেত্ৰী নিৰ্বাচিত হৈছিল। তেওঁৰ কাব্য-কৃতিৰ অন্যতম স্বীকৃতিৰূপে ১৯৬৮ চনত "অলকানন্দা" পুথিৰ বাবে 'সাহিত্য অকাডেমী বঁটা' আগ-বঢ়োৱা হ'ল। ১৯৭৫ চনত নাগপুৰত অনুষ্ঠিত 'বিশ্ব-হিন্দী-সন্মিলনে'ও সন্মান প্ৰদান কৰি কবি প্ৰতিভাৰ মূল্যায়ণ কৰে। বিভিন্ন অনুষ্ঠান আদিৰ পৰা অসংখ্য সন্মানৰ অধিকাৰী এই যুগৰ মহান কবি নলিনীবালা দেৱীয়ে ১৯৭৭ চনৰ ২৪ ডিচেম্বৰৰ আগ-ৰাতি (৯ ২০ মিঃত) গুৱাহাটীৰ দক্ষিণ শৰণীয়াৰ 'ৰত্নাচল' বাসভৱনত মৃত্যুক সাৱটি ল'লে।

নলিনীবালা দেৱী 'অতীন্দ্ৰিয়বাদী কবি' হিচাপে প্ৰখ্যাত। অসমীয়া কাব্য-কাননলৈ তেওঁ সাতখন কাব্য-গ্ৰন্থ উপহাৰ দি গৈছে। গ্ৰন্থকেইখন হ'ল–

১। সন্ধিয়াৰ সুৰ, (১৯২৮)
২। সপোনৰ সুৰ, (১৯৪৮)
৩। পৰশমণি, (১৯৫৫)
৪। যুগদেৱতা, (১৯৫৮)
৫। জাগৃতি (১৯৬২)
৬। অলকানন্দা (১৯৬৪)
৭। অন্তিম সুৰ (১৯৭৭)

নলিনীবালা দেৱীয়ে গদ্য-সাহিত্যলৈয়ো উল্লেখযোগ্য বৰঙণি আগবঢ়াই গৈছে। প্ৰবন্ধ, নাটক, জীৱনী আৰু আত্ম-জীৱনী ৰচনাৰে সত্তৰৰ দশক পৰ্যন্ত তেওঁৰ ৰচনাকাল সম্প্ৰসাৰিত হৈছে। যুদ্ধোত্তৰ কালত প্ৰকাশিত হ'লেও পুথিসমূহৰ প্ৰায়বোৰ কবিতা যুদ্ধ-পূৰ্ব ৰচনা আৰু ৰমন্যাসিক ভাবধাৰাৰে পুষ্ট। গতিকে, তেওঁৰ কাব্য-কৃতিক প্ৰকাশৰ সময়-সীমাৰে বিচাৰ নকৰি কাব্য-লক্ষণৰ দ্বাৰাহে বিচাৰ কৰিবলৈ লোৱা হৈছে।

কাব্য-সাহিত্যলৈ দান

নলিনীবালা দেৱীৰ সৰ্বপ্ৰথম প্ৰকাশিত কাব্য-গ্ৰন্থ "সন্ধিয়াৰ সুৰ" (১৯২৮) প্ৰকাশৰ সময়ত তেওঁ প্ৰায় ডেৰকুৰি বছৰ বয়সীয়া প্ৰৌঢ় মহিলা। ইতিমধ্যে তেওঁ বৈধব্য-জীৱনৰ সকৰুণ যন্ত্ৰণা আৰু দুখ সহ্য কৰিব পৰা মানসিক অৱস্থা এটাত উপনীত হৈছিল। পিতৃ

---

৪৫. নলিনীবালা দেৱীয়ে অলংকৃত কৰা অনুষ্ঠান বহুত। ইয়াৰ ভিতৰত গুৱাহাটীৰ ঈদগাহ সমিতিৰ সভানেত্ৰী ১৯৪১, সৰ্বভাৰতীয় শিশুমেলাৰ সভানেত্ৰী ১৯৪৫, প্ৰাদেশিক মহিলা সমিতিৰ নগাঁও অধিবেশনৰ সভানেত্ৰী, ১৯৪৭, শঙ্কৰদেৱ সংঘৰ শৰৎ পূৰ্ণিমাৰ জন্মোৎসৱ, যোৰহাটৰ সভানেত্ৰী, ১৯৫১, গুৱাহাটীত পাৰিজাত কানন প্ৰতিষ্ঠা আৰু নেত্ৰীপদ গ্ৰহণ, ১৯৫২, গোলাঘাটত সদৌ অসম ছাত্ৰ সন্মিলনৰ কৃতিশাখাৰ সভানেত্ৰী, ১৯৫৭ আদিৰ লগতে হিন্দী প্ৰচাৰ সমিতি, আকাশবাণী, লোকসভা, সাহিত্য অকাডেমী, সমাজ কল্যাণৰ বিভাগ আদি নানা অনুষ্ঠানৰ লৈতে জড়িত আছিল।

কৰ্মবীৰ বৰদলৈৰ প্ৰেৰণাত আধ্যাত্মিক জগতত প্ৰৱেশ কৰি হিন্দী সাহিত্যৰ মীৰাবাঈৰ দৰেই পৰমেশ্বৰক সুখ-দুখৰ সহচৰ কৰিব পৰা ক্ষমতাৰ অধিকাৰিণী হ'ব পাৰিছিল ।

নলিনীবালা দেৱীৰ কাব্য-জীৱন আৰম্ভণিৰ এটি পটভূমি আছে । শৈশৱকালত তেওঁ-লোকৰ ঘৰত হোৱা সন্ধিয়াৰ কাব্য-পাঠ আৰু সঙ্গীত-চৰ্চাই তেওঁক অনুপ্ৰাণিত কৰিছিল ।[৪৬] "অজানিতে কোমল মনত কবিতা দেৱী প্ৰৱেশ কৰিলে, মন কাব্যময় হৈ পৰিল ।"[৪৭] দেউতাকৰ মুখত সঘনে উচ্চাৰিত ৰবীন্দ্ৰ-সঙ্গীতৰ দুটি এটি কলি আৰু বৰদলৈৰ ৰচিত কবিতা পুথি এখন বাৰম্বাৰ পঢ়ি নলিনীবালাই সকতেই কাব্য-সাহিত্যৰ অনুশীলন কৰিছিল । ইয়াৰ ফলস্বৰূপে, ১৯০৮ চনত প্ৰায় দহবছৰ বয়সত ৰচনা কৰিলে জীৱনৰ প্ৰথম কবিতা 'পিতা' । কবিতাটোত উপাস্য দেৱতা বা ঈশ্বৰৰ বন্দনাই মুখ্যস্থান লাভ কৰিছিল । শৈশৱকালৰে পৰা তেওঁ ধৰ্মানুৰাগী আছিল বুলি ইয়াৰ পৰাই প্ৰমাণিত হয় । সম-সাময়িক আলোচনী পত্ৰিকাত কবিতাটো খুব সম্ভৱ প্ৰকাশ পোৱা নাছিল । ড° নন্দ তালুকদাৰে এটা নিবন্ধত কবিতাটো প্ৰকাশ হোৱা বুলি লিখিলেও উপযুক্ত প্ৰমাণ নিদিয়াৰ বাবে মানি লোৱা কঠিন ।[৪৮]

---

৪৬. নলিনীবালা দেৱীৰ পিতৃ-গৃহত এগৰাকী বিধৱা পেহীয়েক আছিল । তেওঁক প্ৰায় গধূলি কুৰুৱা নিবাসী মোমায়েক সঙ্গীতাচাৰ্য কীৰ্তিনাথ বৰদলৈয়ে কাব্যপাঠ কৰি শুনাইছিল । কাব্যবোৰ বাংলা কবি নবীনচন্দ্ৰ সেনৰ 'প্ৰভাস', 'কুৰুক্ষেত্ৰ', 'ৰৈৱতক' আদি আছিল । তেওঁ গীত-মাতৰ শিক্ষাও দিছিল । গোপাল কৃষ্ণ দেই 'শকুন্তলা' নাটক পঢ়ুৱাইছিল । এই বিলাকৰ দ্বাৰা শৈশৱতে তেওঁ প্ৰভাৱিত হৈছিল আৰু কাব্যৰ প্ৰতি আকৰ্ষিতা হৈছিল ।

৪৭. নলিনীবালা দেৱী, "এৰি অহা দিনবোৰ", পৃ. ৩১

৪৮. নন্দ তালুকদাৰ, 'অলকানন্দাৰ কবি নলিনীবালা', 'প্ৰহৰী', দ্বিতীয় বছৰ, দ্বিতীয় সংখ্যা, জুন, ১৯৬৯ ।

৪৯. 'পিতা' কবিতাৰ পূৰ্ণ পাঠ,-

হেৰা প্ৰভাতৰ অৰুণ কিৰণ
কত পালা এনে উজ্জ্বল বৰণ
ইমান কোমল মাধুৰী সনা
যি জনে দিলালে এই উজ্জ্বলতা
সিজন আমাৰ পিতা ।
হেৰা সৰু নদী খৰ স্ৰোতস্বিনী
ক'তনো শুনিলা মধুৰ গাহনি
অসীম অনন্ত মাধুৰী সনা
যিজনে শিকালে ই মধুৰ গান
সিজন আমাৰ পিতা ।
হেৰা সৰুফুল ৰূপে অতুলন
কোনেনো কৰিলে ইমান শোভন
তোমাৰ কোমল মধুৰ আভা
যিজনে দিলালে এই শোভা বাণি
সিজন আমাৰ পিতা ।
আমাৰ সি পিতা সি চিৰ স্নেহময়
চৰণত কোটিবাৰ প্ৰণামিছো মই ।

'সখীলৈ উপহাৰ' কবিতাৰ পূৰ্ণ পাঠ,-

আজি শুভদিনে অতি যতনে
প্ৰিয় সখী তোমালৈ,
গাঁথি আনিছিলোঁ গীতি মালাখনি
দিবলৈ আদৰেৰে ।

সৰুকালিৰ পৰা উমলি জামলি
এতিয়া হলোহি ডাঙৰ,
একেটি হৃদয় আছিল দুয়োৰে
এতিয়া ইমান পৰ ।

'পিতা'ৰ পাছত ৰচনা কৰা নলিনীবালাৰ দ্বিতীয় কবিতা 'সখীলৈ উপহাৰ' কবিতাটো কোনো এগৰাকী বান্ধবীৰ বিবাহ উপলক্ষে ৰচিত প্ৰীতি উপহাৰ আছিল। দুয়োটা কবিতাৰ পূৰ্ণ পাঠ উদ্ধাৰ হৈছে।[৪৯] কিন্তু, তৃতীয় কবিতা 'সন্ধ্যা'ৰ পাঠ দৃষ্টিগোচৰ হোৱা নাই। এই দুটা কবিতাও আলোচনী আদিত প্ৰকাশ হোৱা নাছিল আৰু কবিতা হিচাপেও বৈশিষ্ট্যহীন।[৫০] ড° মহেশ্বৰ নেওগৰ মত এটি মাত্ৰ ধৰিব পাৰি।– "--- সোনতে কোনো কাকতৰ লগত সংশ্লিষ্ট নোহোৱাকৈ কবিতা ৰচনা কৰি পুথি আকাৰে প্ৰকাশ কৰিছিল।"[৫১] বিংশ শতাব্দীৰ প্ৰথম দশক কেইটাৰ প্ৰধান আলোচনীকেইখনত যমুনেশ্বৰী খাটনিয়াৰ আৰু ধৰ্মেশ্বৰী দেৱীবৰুৱানীৰ দৰে নলিনীবালাই কাব্য চৰ্চা নকৰাৰ অন্যতম কাৰণ সম্ভৱতঃ কাব্য জীৱনৰ আৰম্ভণিতে আহি পৰা বৈবাহিক বাধা। কম বয়সতে হ'বলগীয়া হোৱা উপৰ্যুপৰি সন্তানৰ জননী আদিৰ বা.ৰ স্বামীগৃহত কাব্য-চৰ্চাৰ উপযুক্ত অৱসৰ বোধকৰো পোৱা নাছিল।

বৈধব্য গ্ৰহণ কৰি পিতৃ-গৃহলৈ অহাৰ প্ৰায় আঢ়ৈ বছৰৰ পাছত পুত্ৰ এজনৰ অকাল বিয়োগত মৰ্মাহত হৈ 'পুতলী' নামৰ এটি শোকৰ কবিতা (ইলিজী) ৰচনা কৰি প্ৰকৃত কাব্য-জগতত প্ৰৱেশ কৰে বুলি ক'ব পৰা যায়। তেতিয়াৰ পৰা পিতৃৰ প্ৰেৰণাত নিয়মীয়াকৈ কবিতা ৰচনা কৰি গ'ল। সংকলন প্ৰকাশৰ বাবে পাণ্ডুলিপি প্ৰস্তুত কৰি প্ৰখ্যাত ৰমন্যাসিক কবি চন্দ্ৰকুমাৰ আগৰৱালা আৰু 'উপন্যাস সম্ৰাট' ৰজনীকান্ত বৰদলৈক চাবলৈ দিয়াত উৎসাহজনক অভিমত লাভ কৰে।[৫২] ১৯২২-১৯২৮ চনৰ ভিতৰত ৰচিত কবিতা সমূহৰ সংকলন "সন্ধিয়াৰ সুৰ" ১৯২৮ চনত প্ৰকাশ পালে। সংকলনত প্ৰকাশিত দুকুৰি কবিতাই নলিনীবালা দেৱীৰ কাব্য-জীৱনলৈ কঢ়িয়াই আনিলে গৌৰৱ আৰু খ্যাতিৰ মঙ্গল-ধ্বনি।

"সন্ধিয়াৰ সুৰ" কাব্য-গ্ৰন্থই অতি সোনকালে অসমীয়া কাব্যত এখনি নিজা আসন গ্ৰহণ কৰিবলৈ সক্ষম হ'ল আৰু ৰমন্যাসিক কবিতাত অতীন্দ্ৰিয়বাদী ধাৰা প্ৰতিষ্ঠা কৰি তুলিলে। অৱশ্যে, তেওঁৰ আগতেও ৰহস্যবাদী চিন্তাধাৰাই অসমীয়া কবিতাত কিছু বিস্তাৰ লাভ কৰিছিল। অম্বিকাগিৰি ৰায়চৌধুৰীৰ ১৯১৫ চনত প্ৰকাশিত "তুমি" কাব্যগ্ৰন্থত ৰহস্যবাদী ভাবে এক গভীৰ ৰূপ লাভ কৰিছিল। মহিলা কবি যমুনেশ্বৰীৰ "অৰুণ"তো ৰহস্যবাদৰ প্ৰকাশ দেখা যায় কিন্তু, নলিনীবালা দেৱীৰ অতীন্দ্ৰিয় ভাৱনাৰ সম-পৰ্যায়ৰ অভিব্যক্তি এইবিলাক কবিতাত প্ৰগাঢ় নহয়। ধৰ্মেশ্বৰী দেৱীবৰুৱানীও এগৰাকী ৰহস্যবাদী বা মিষ্টিক কবি। কিন্তু, দৰ্শনৰ জটিলতা তেওঁৰ কবিতাত পোৱা নাযায়। আনহাতে নলিনীবালাৰ কবিতাক ভাৰতীয় বেদান্ত-দৰ্শনৰ জন্মান্তৰবাদ, কৰ্মফলবাদ আদিয়ে ভাবাক্ৰান্ত কৰি তুলিছে। ড° কালীচৰণ দাসৰ মতে,– "সন্ধিয়াৰ সুৰ'ত কবিৰ কল্পনাৰাজ্যত যি অন্তৰ্দ্বন্দ্ব সৃষ্টি হৈছে তাৰ সংশ্লেষণ আৰু সমাধান স্বৰূপে ভাৰতীয় দৰ্শন আৰু উপনিষদীয় বাণীৰ সৈতে থকা কবিৰ পৰিচয় মন কৰিব

---

৫০. হেমন্তকুমাৰ শৰ্মা (সম্পা.), "নলিনীবালা দেৱী", ১৯৭১ গ্ৰন্থত অতুলচন্দ্ৰ বৰুৱাই 'কাব্যভাৰতী নলিনীবালা দেৱীৰ কবিতাৰ উৎস' নিবন্ধৰ ৬১ পৃষ্ঠাত লেখিছে,–"বিয়াৰ আগতে যিবোৰ কবিতা তেওঁ লিখিছিল সেইবোৰ বৈচিত্ৰ্যবিহীন, সহজনে লিখাৰ দৰে সাধাৰণ ভাবৰ কবিতা, ছন্দ আৰু শব্দৰ প্ৰতি থকা মোহ ---।"

৫১. মহেশ্বৰ নেওগ, "ৰূপৰেখা", পৃ. ২৭৫

৫২ নলিনীবালা দেৱী, "সন্ধিয়াৰ সুৰ", ১৯২৮ 'মুখবন্ধ'ত এই অভিমত আছে।

৫৩. কালীচৰণ দাস, 'নলিনী কাব্যৰ সুৰ', 'নলিনীবালা দেৱী', পৃ. ৯১

৫৪. নলিনীবালা দেৱী, "সন্ধিয়াৰ সুৰ" কাব্যগ্ৰন্থৰ "জন্মভূমি" কবিতা দ্ৰষ্টব্য। পৃ. ৯১

নদীয়া।"৮৩ এইখন কবিতা পুথিত কবিৰ আপোন সুৰ বা বৈশিষ্ট্য সুন্দৰকৈ প্ৰকাশ পোৱাত তেওঁৰ প্ৰতিনিধি কাব্য-গ্ৰন্থ বুলি মানি ল'ব পাৰি। ইয়াতে আধ্যাত্মিক জগতৰ বিকশিত ৰূপৰ উপলব্ধি হয় আৰু অতীন্দ্ৰিয় ভাৱৰ পূৰ্ণতা দেখা যায়। স্বদেশৰ প্ৰতি কবিৰ প্ৰেম "সন্ধিয়াৰ সুৰ" গ্ৰন্থতে আৰম্ভ হৈছে।৮৪

ৰহস্যবাদ বা অতীন্দ্ৰিয়বাদৰ মূল বৈশিষ্ট্য হ'ল এক পৰম সনাতন সত্তাৰ ওপৰত গভীৰ আস্থা আৰু অটল বিশ্বাস। ৰহস্যবাদক বহুতে ধৰ্মজ্ঞান কৰে। "দৰ্শনৰ অভিধানতো ৰহস্যবাদক মুখ্যতঃ এক প্ৰকাৰৰ ধৰ্ম বোলা হৈছে, যি ৰহস্যবাদীক পৰম সত্তাৰ সৈতে প্ৰত্যক্ষ আৰু ঘনিষ্ঠ সান্নিধ্যৰ চৈতন্য প্ৰদান কৰে, আৰু সেই সত্তাৰ সাৰ্বিক সন্নিবেশ, স্বকীয় সত্তাৰ সৈতে অচ্ছেদ্য সংযোগ আৰু সান্নিধ্যৰ নিবিড় চেতনা জগাই তোলে, সেয়ে ৰহস্যবাদী ধৰ্ম।"৮৫ কালক্ৰমত ৰহস্যবাদ ব্যাপক অৰ্থত ব্যৱহাৰ হ'বলৈ ধৰিলে আৰু আবেগানুভূতি ধৰ্মীয় গণ্ডিতে সীমাবদ্ধ নাথাকি মানৱ জীৱনৰ চিন্তাধাৰা, সুকুমাৰ-সাধনা, কৰ্মপদ্ধতি আদি নানা ক্ষেত্ৰলৈ সম্প্ৰসাৰিত হ'ল। মুঠতে, এক চিৰন্তন পৰম সত্তাৰ ওপৰত গভীৰ বিশ্বাস ৰাখি বিশ্ব জগতৰ সকলো সম্পদত এই সত্তাৰ সৰ্বব্যাপ্ত অন্তৰ্বৰ্তিতাৰ উপলব্ধি আৰু নিজ প্ৰজ্ঞা আৰু দৈৱিক-অনুভূতিৰ জৰিয়তে প্ৰত্যক্ষ যোগসূত্ৰ স্থাপন তথা সান্নিধ্যলাভৰ যত্নতে ৰহস্যবাদ বা অতীন্দ্ৰিয়বাদৰ প্ৰধান লক্ষণবোৰ অনুভূত হয়। আধ্যাত্মিক ভাৱক প্ৰাধান্য দি ভাৰতীয় দৰ্শনে আত্মজ্ঞান লাভ আৰু পৰমেশ্বৰ প্ৰাপ্তিৰ আকুলতা প্ৰকাশ কৰিছে আৰু সংসাৰৰ দুখ-দুৰ্গতিৰ অৱসান ঘটাই সংসাৰ বন্ধনৰ পৰা মুক্তি লাভৰ পথ প্ৰশস্ত কৰি তুলিছে। সত্য সুন্দৰৰ আৰাধনাৰ মাজত আধ্যাত্মিক চেতনাৰ প্ৰকাশ ঘটাওতে বিভিন্নজনে ৰহস্যবাদ বা অতীন্দ্ৰিয়বাদক বিভিন্ন দৃষ্টিকোণৰ পৰা চাব পাৰে। কাৰণ, পৰম সত্তাৰ সন্ধানত প্ৰত্যেকেই নিজ নিজ দৃষ্টি-ভঙ্গী প্ৰয়োগ কৰে। "বৈচিত্ৰ্যৰ মাজত ঐক্যৰ সন্ধান, দৈৱী অনুভূতি, প্ৰতীক, প্ৰেম, বিৰহ, আত্মবিলুপ্তি, তৃপ্তি বা আনন্দ আদি ৰহস্যবাদৰ বিশিষ্ট উপাদান।"৮৬

"সন্ধিয়াৰ সুৰে" নলিনীবালাক সাৰ্থক ৰহস্যবাদী দাৰ্শনিক কবিৰূপে প্ৰতিষ্ঠিত কৰিছে। "এৰি অহা দিনবোৰ" নামৰ আত্ম-জীৱনীত তেওঁ লেখিছে, "সন্ধিয়াৰ সুৰ"ৰ প্ৰত্যেকটি কবিতা মোৰ সংঘাতময় জীৱনৰ হৃদয় মথি ওলোৱা বেদনাৰ অৰ্ঘ্য; আশা-ভৰসাহীন নিঃসঙ্গ জীৱনে বিচাৰি ফুৰা সৰ্ব-সন্তাপহাৰীৰ চৰণ আশ্ৰয়লৈ প্ৰাণৰ অন্তৰৰ একান্ত আকূতি। জীৱনৰ শোকে-দুখে আৱৰা নিঃসঙ্গ যাত্ৰা পথত নীৰৱে গোপনে আগবঢ়োৱা পৰম আশ্ৰয়লৈ অপেক্ষা। সংসাৰৰ বহু-ঘাত-প্ৰতিঘাতৰ সান্ত্বনা বিচাৰি অন্তৰৰ পৰম ভৃক্ষাই সন্ধান পালে পৰম পদৰ।" সংকলনটোৰ প্ৰথম কবিতা 'অনাহুত'ৰ মাজত কবিৰ মানসিক জগতৰ সন্ধান পোৱা গ'ল। পৰমপ্ৰিয়ক বিচাৰি তেওঁ ব্যাকুল হৈছে আৰু দুঃখ-যন্ত্ৰণাৰ মাজত সামৰণি পৰা জীৱন মহোৎসৱৰ শূন্য মণ্ডপত তেওঁলৈ মনত পেলাইছে। প্ৰিয়জনৰ প্ৰতি ভিক্ষা পাত্ৰখনি দাঙি ধৰি তনু-মনৰ শীতলতাৰ বাবে অমৃত-স্পৰ্শ কামনা কৰিছে —,

'নিদিবানে শেষবাৰ শোক দুখ সন্তাপ পাহৰা
শান্তিময় চৰণত স্থান।'

প্ৰিয়জন বা পৰমসত্তাই অকলশৰীয়া পথিকক বাট দেখুৱাই নিয়ে আৰু কাতৰ প্ৰাণৰ দুখৰ বোজা নিবাময় কৰি তাপিতৰ প্ৰাণত শান্তি প্ৰদান কৰে। এই পৰমপ্ৰিয়ই

৮৫. 'নলিনী বালাৰ সুৰ' নিবন্ধ, "নলিনীবালাৰ দেৱী", পৃ. ৮৭
৮৬. উপেন্দ্ৰনাথ গোস্বামী, "ভাষা আৰু সাহিত্য", ১৯৬৫ পৃ. ২৫৬

জগতৰ প্ৰতি কেপুৰ মাজত অৱস্থান কৰে বুলি কবিৰ বিশ্বাস। 'মটানে' কবিতাত ই স্পষ্ট হৈ উঠিছে। 'পাহৰা সপোনত মানৱ জীৱনৰ নিগূঢ় ৰহস্যক নিয়তিৰ অনন্ত সোঁতে অতীত গৰ্ভত বিলীন কৰি দিছে। কবিৰ ধাৰণা হ'ল– 'সসীম বিশ্বৰ লীলা, অসীমত মাৰ যায়।'

"সন্ধিয়াৰ সুৰ"ৰ অন্যতম প্ৰধান কবিতা 'শেষ অৰ্ঘ্য'ত কবি পৰাকীৰ জীৱন-বীক্ষা প্ৰকাশ পাইছে। পৰমসত্ত্বাৰ প্ৰতি অধীৰ অপেক্ষা কবি জীৱনৰ গধূলি পৰত উপস্থিত হৈ অপূৰ্ণ সাধনা পূৰ্ণ কৰাৰ অভিয়তে জীৱন-জোৰা দুখ যন্ত্ৰণাৰ অমানিশা দূৰ কৰাৰ আকাংক্ষা প্ৰকাশ পাইছে। কিন্তু, পূজাৰ বাবে তেওঁ গোটাই ৰখা অৰ্ঘ্য– 'চন্দন শুকাই গ'ল, শুকাল মালতী কৰবিতে; ধূপ গছিও পুৰি গ'ল, আনকি বন্তিৰ শলাতালি পৰ্যন্ত পুৰি গ'ল। কবিৰ শূন্য আৰু হিয়া ভৰা তপত শোণিত'ৰ বাহে মৰণ পথৰ যাত্ৰীৰ ওচৰত একো নাই। 'শেষ অৰ্ঘ্য'ৰ অভিয়তে শ্মশানবেদীত চিৰ-বাঞ্ছিত পৰম সত্ত্বাক লাভ কৰাৰ কামনা কৰি চিতাগ্নিক হোমাগ্নি ৰূপে ধৰি 'পূৰ্ণ'ৰ সৈতে মিলন কামনা কৰিছে। 'সিদিনা সাৰ্থক হ'ব পূৰ্ণ অৰ্ঘ্য পূৰ্ণ ই জীৱন'। এই পূৰ্ণই পৰম সত্তা, যি অৰূপ-অনন্ত ৰূপে মৃত্যুলোক আলোকিত কৰি তুলিব বুলি কবিয়ে গভীৰ ভাবে বিশ্বাস কৰে। এই কবিতাত অপূৰ্ণই পূৰ্ণত বা ক্ষুদ্ৰই বিৰাটত অথবা আত্মাই পৰমাত্মাত মিলিত হোৱাৰ অতীন্দ্ৰিয় কামনাৰ স্পষ্টতাত কবিৰ দৃষ্টি-ভঙ্গীৰ পূৰ্ণবিকাশ ঘটিছে। সংকলনটোৰ সৰ্বশ্ৰেষ্ঠ কবিতা 'পৰম তৃষ্ণা'তো এই অতীন্দ্ৰিয় ভাবৰ পূৰ্ণ প্ৰকাশ ঘটিছে। ভাৰতীয় দৰ্শন আৰু উপনিষদীয় বাণীয়ে কবিক উদ্বুদ্ধ কৰি ৰখাৰ প্ৰমাণ পোৱা যায় আৰু এই কবিতাৰ মাজেদি জন্মান্তৰবাদ আৰু কৰ্মফলবাদৰ সাৰ্থক কাব্যিক ৰূপায়ণ ঘটিছে। মানুহৰ তৃষ্ণা সদায় অতৃপ্ত। পাৰ্থিৱ সম্পদে মানুহৰ পৰিতৃপ্তি সাধন কৰিব নোৱাৰে। বিশ্বগ্ৰাসী অতৃপ্তি এটাই জীৱনৰ সমস্ত ভোগ উপভোগক মূল্যহীন কৰি তোলে। মানুহৰ কামনা বাসনা অনন্ত, ভোগৰ মাজত ই সীমাবদ্ধ নহয়। নিয়তি চক্ৰত ঘূৰি ফুৰা মানৱ জীৱনে প্ৰকৃততে কিহৰ সন্ধানত ব্যাকুল হয় স্পষ্টকৈ নাজানে–

নোৱাৰো ফুটাই ক'ব
মুখৰ কথাৰে
প্ৰাণে ভাব বিচাৰি নাপায়।'

কবিয়ে সুদূৰৰ পৰা কোনোবাই আহ্বান জনোৱাৰ উপলব্ধিৰ মাজত, ৰহস্যময়তাৰ অন্তৰালত 'আত্মাৰ চিৰশান্তি, পৰশমণিৰ প্ৰেম সুধা' আছে বুলি বিশ্বাস কৰি সকলো দুখ-যন্ত্ৰণা অতিক্ৰমণৰ দ্বাৰা ঈপ্সিত সম্পদ লাভৰ আশা ৰাখিছে। মানুহৰ দুচকুৰ অসীম সৌন্দৰ্য তৃষ্ণা আৰু বুকুৰ অনন্ত হাবিয়াস (তৃষ্ণা) ক্ষন্তেকীয়া জীৱন আৰু পৃথিৱীৰ পৰিসীমাতে আবদ্ধ হৈ নাথাকি 'চিৰসুন্দৰৰ ৰূপ তৃষ্ণাত পৰিণত হৈ পৰম পদ লাভৰ আশালে উত্তীৰ্ণ হৈ পৰে।–

'মানুহৰ দুচকুৰ
অসীম সৌন্দৰ্য তৃষ্ণা
সুখ আশা হেপাহ বুকুৰ
নহয় ই ধৰতৰ
ক্ষন্তেকীয়া জীৱনৰ
সুখ আশা পৰম পদৰ
ৰূপ তৃষ্ণা চিৰ সুন্দৰৰ।'

মানুহৰ দেহ-পিঞ্জৰাত আবদ্ধ হৈ থকা 'অশান্ত পখীটি' অসীমৰ অচিনাকি ৰাটেদি

অনন্তত বিলীন হৈ যোৱাৰ উগ্ৰ কামনাই পূৰ্ণব্ৰহ্মক লাভ কৰিবলৈ কৱিক ব্যগ্ৰ কৰি তুলিছে ।–

'গাঁথিছোঁ অনন্ত মালা
লক্ষ্য জীৱনৰ,
আধাকৰাকৈ এৰা
শত কৰমৰ ।'

জীৱনৰ লক্ষ্য পূৰণৰ এই অনন্ত বাসনাত কৰ্মফল বাদৰ দ্যোতনা স্পষ্টৰূপত প্ৰকাশ পাইছে । পূৰ্বজন্মত আধাকৰাকৈ এৰা 'শত কৰমৰ' সম্পূৰ্ণ কৰি তোলাৰ বাবে ইহ জন্মত পোৱা সুযোগৰ সদ্ব্যৱহাৰ কৰিবলৈ কবি সাজু হৈ আছে । পৃথিবীলৈ জীৱাত্মাৰ বাৰম্বাৰ অহা-যোৱা কৰাৰ ৰহস্যৰ মূলতেও এই অপূৰ্ণ হৈ ৰোৱা শত কৰ্ম । পূৰ্ব-জন্ম, পৰজন্ম আৰু ইহজন্মৰ ফলশ্ৰুতিত এদিন প্ৰকৃত শান্তিৰস্থানত আত্মা উপনীত হৈ পৰমাত্মাক লাভ কৰিব বুলি কবিয়ে বিশ্বাস কৰে । জন্মান্তৰবাদৰ এই পথেদিয়েই কৰ্মফলবাদৰ পূৰ্ণতাপ্ৰাপ্তি ঘটিব । মানৱ জীৱন অৱসান প্ৰকৃততে চিতাগ্নিত ঘটে; সেইবাবে চিতাগ্নিক হোমাগ্নি ৰূপে গ্ৰহণ কৰা ৰহস্যবাদী সকলে মৃত্যুক ভয় নকৰি পৰমপদ লাভৰ যোগসূত্ৰ বুলি ধাৰণা কৰে । 'সমাধি' কবিতাত আত্মা-পৰমাত্মাৰ স্বৰূপ, সম্বন্ধ আৰু উদ্দেশ্য প্ৰকাশ পাইছে এইদৰে–

'তুমি জ্যোতি মই ৰেণু
হে অৰূপ : ৰূপৰ আলয়
অনুৰূপ অনাদি
তোমাতেই লীন হম গৈ ।'

পাৰ্থিৱ জীৱনৰ ওপৰত নলিনীবালাৰ আশাহীন অভিব্যক্তি প্ৰতিটো কবিতাত ফুটি ওলাইছে বুলিব পাৰি । নিৰাশাৰ মেটমৰা বোজা বান্ধি পৰ-পাৰত উপস্থিত হ'বগৈ লাগিব । মাটিৰ দেহাই মৃত্যুক সাৱটি ল'লে 'চেনেহৰ বুকুৰ কণ্ঠহে'ই সুন্দৰী শৰীৰটি শ্মশানৰ চিতাজুইত পুৰি ভস্মীভূত কৰি পেলাব । তেতিয়া আৰু পৃথিৱীত চিনচাব একো নাথাকে, আনকি নামটোও এদিন পাহৰি যাব । এইয়া যেন যতীন্দ্ৰনাথ দুৱৰাৰ দৰে নৈৰাশ্যবাদত নলিনীবালাৰ আত্মসমৰ্পণ । 'মৰণ ভেলা' উটুৱাই তেওঁ দুৱৰাৰ দৰেই 'নাও মেলি আতৰি' যাবলৈ ওলাইছে–,

'এইবাৰ তই নেচাৰি উলটি
মায়া মুগুধ
উটাবি মৰণ-ভেলা ---' (পৰ পাৰত)

'মৌন নিবেদন'ত 'বাজিব অনন্তকাল জীৰ্ণ বীণা মোৰ, পৰশিব চৰণ তোমাৰ' বুলি আৰু 'মিলতিথি'ত সাধনা অব্যৰ্থ বুলি আকুল প্ৰাণেৰে পৰম-মিলনলৈ বাট চাই আছে । 'সত্য পথিক'ত 'সত্য যে তুমি শাশ্বত তুমি' গতিকে 'কিহৰ মৃত্যু কিহৰ ভয় ' ভাব প্ৰকাশ পাইছে ।

"শান্তিয়াৰ সুৰ'ত নলিনীবালা দেৱীৰ কাব্য-দৰ্শন সুন্দৰকৈ প্ৰকাশ পাইছে । "জীৱনৰ পৰম দৰ্শন আৰু সুকুমাৰ কলা-কাব্যৰ মাজত কোনো পাৰ্থক্য নাই ।"[৫৯] বেদান্ত

---

৫৭. নলিনীবালা দেৱী, "শান্তি পথ", ১৯৭১ পৃ. ১৩৮

৫৮. উপনিষদৰ বাণী– "অসতো মা সদ্গময়ঃ তমসো মা জ্যোতিৰ্গময়ঃ
মৃত্যু মা অমৃতোৰ্গময়ঃ । ইত্যাদি ।

৫৯. নীলিমা দত্ত, 'কবি নলিনীবালা দেৱীৰ কবিতাৰ দাৰ্শনিকতা আৰু সৌন্দৰ্য', "প্ৰবন্ধ পল্লৱ", (নুলীৰাম শৰ্মা সম্পা), ১৯৮৭ পৃ. ১০২

দৰ্শনৰ জন্মান্তৰবাদত আশ্ৰয় গ্ৰহণ কৰি কবিয়ে অতীন্দ্ৰিয় পৰিবেশত পৰমসত্তাই পৰিদৃশ্যমান জগতক নিয়ন্ত্ৰণ কৰে বুলি নিশ্চিত হৈছে। দুখানুভূতিৰ মাজতে উপনিষদৰ প্ৰদৰ্শিত পথ গ্ৰহণ কৰি অমৃতৰ সন্ধানত কবি ব্যস্ত হৈছে।[৫৯] "জৰা-মৃত্যু-বাৰ্দ্ধক্যৰ দুখত অভিভূত গৌতমে বোধি-জ্ঞান আৰু প্ৰজ্ঞাৰ অধিকাৰী হোৱাৰ দৰে, কবি নলিনী দেৱীয়েও জীৱনৰ দুখক ৰূপান্তৰ কৰিলে— আধ্যাত্মিক অতীন্দ্ৰিয় ভাৱেৰে কাব্যিক সৃষ্টিলে, অন্তৰৰ 'পৰম-তৃষ্ণা'লৈ, ভূমাৰ অনিৰ্বচনীয় আনন্দ লাভিলে।"[৬০]

নলিনীবালা দেৱীৰ অতীন্দ্ৰিয় ভাৱৰ বিকাশ সাতোখন কবিতা পুথিতে দেখা যায়। "সন্ধিয়াৰ সুৰ"ৰেই এইবিলাক পৰিপূৰক বুলিব পাৰি। কিন্তু, কবিৰ আধ্যাত্মিক ভাৱ আৰু দৰ্শনৰ প্ৰভাৱ "সপোনৰ সুৰ" (১৯৪৮) আৰু "পৰশমণি" (১৯৫৫) নামৰ গ্ৰন্থ দুখনত বেছি গভীৰ আৰু বেছি স্পষ্ট। "সপোনৰ সুৰ"ত পৰম সত্তাক লাভ কৰাৰ আকাংক্ষাই হৃদয়লৈ চিৰশান্তি কঢ়িয়াই আনিছে। 'ভিক্ষাৰী' কবিতাত পোৱা যায়—

'হিয়া জুৰি নিজৰি পৰিছে শান্তিৰ নিজৰা
সৰগৰ মন্দাকিনী ধাৰ।'

ইয়াৰ মাজত "সন্ধিয়াৰ সুৰ"ৰ অনন্ত আকুলতা আৰু হাহাকাৰ প্ৰকাশ পোৱা নাই। "সপোনৰ সুৰ"ৰ মাজত ৰহস্যবাদী ধাৰণা স্পষ্ট। ৰুৰুৰাৰ পৰা বিণি বিণি ভাহি অহা মুৰুলী ধ্বনিয়ে উৰাউল অৱস্থাৰ সৃষ্টি কৰি "যুগবেণু" কবিতাত শ্ৰীকৃষ্ণৰ বৃন্দাবনত বজোৱা মুৰুলীৰ বিশ্বসুৰত পৰিণত হৈছে। 'নাটঘৰ' কবিতাত অসীমৰ ৰূপতৃষ্ণা সন্নিবিষ্ট হৈছে। জীৱন যাত্ৰাত লাভ কৰা গভীৰ দুখৰ উপলব্ধি আৰু অপ্ৰাসঙ্গিক জীৱন-গীতিৰ বিফলতাই কবিক আপোন-পৰ বিশ্লেষণ কৰাইছে। 'কতজনে কত ৰূপে জীৱনৰ ভাও দি দি' কবিৰ হৃদয়ত সাঁচ বহুৱাই জীৱনৰ নাটঘৰ শূন্য কৰি আঁতৰি গ'ল। আপোনসকলেও,— স্বামী, পিতৃ, পুত্ৰ আদিয়েও জীৱনৰ নাটঘৰত নিজ ভাও সম্পূৰ্ণ কৰি আঁতৰি যোৱাত কবিয়ে গভীৰ চিন্তাৰে কৈছে—

'কোন কাৰ জগতৰ   কোন কাৰ ঘৰমৰ
চকুৰ চিনাকি দুদিনৰ,
সসীমৰ ৰূপতৃষা   অসীমত বুৰ যাৰ
খহি গ'লে জৰী ঘৰমৰ।'

দুদিনীয়া সংসাৰত সকলোৱেই ক্ষণস্থায়ী, নাটঘৰৰ ভাৱৰীয়াৰ দৰেই। সমুদ্ৰৰ বালিত সজা বালিঘৰৰ দৰেই অস্থায়ী মৰম প্ৰীতি, বন্ধন ইত্যাদি। গতিকে, জীৱন-গীতিৰ মূলতে নাটঘৰৰ বিফলতা। কেৱল সসীমে অসীমত মিলি যোৱাৰ প্ৰক্ৰিয়াহে আচল ব্যৱস্থা বুলি কবিয়ে প্ৰদৰ্শন কৰিছে।

"সপোনৰ সুৰ"ত মুঠ বাৰযটা কবিতা সন্নিবিষ্ট হৈছে। প্ৰায়বোৰ কবিতাৰ মুখ্যতে অতীন্দ্ৰিয় সুৰ। ইয়াৰ কিছুমানত স্বদেশ প্ৰেমৰ জোঁৱাৰ ঘনীভূত হৈ ৰৈছে। প্ৰথম সংস্কৰণত 'গীতিকা" নামৰ খণ্ড এটাও সংযুক্ত আছিল। কবিয়ে নিজ বক্তব্যত প্ৰকাশ কৰিছে যে বাস্তৱ আৰু স্বপ্ন দুয়োটা মিলিহে জীৱনৰ গতিপথ নিৰ্ণয় কৰে। বাস্তৱৰ কঠোৰতাৰ মাজতে সপোনৰাজ্যৰ সুধা পান কৰিবলৈ মানুহ লালায়িত হৈ জড়তাৰ আৱৰণ ভেদি উন্মুক্ত কল্পনাৰ ডাৱা চিন্তাৰ অসীম সমুদ্ৰত মন-ডিঙা উটুৱাই দিয়ে। এইয়ে মনুষ্য চিত্তৰ চিৰন্তন ধৰ্ম। ইয়াতেই আত্মাৰ অনাবিল মুক্তিৰ আস্বাদ লাভ কৰি প্ৰাণৰ সুৰ শুনিবলৈ পোৱা যায়। এইদৰে বাস্তৱ-বিস্মৃত স্বপ্ন ৰাজ্যত তৰঙ্গিত

---

৬০. কালীচৰণ দাস, 'নলিনী কাব্যৰ সুৰ', "নলিনীবালা দেৱী", পৃ. ৯৩

হৈ প্ৰাণৰ নিভৃত কোণত প্ৰস্ফুটিত হোৱা অসংলগ্ন অনুভূতিয়েই "সপোনৰ সুৰ"ত ব্যক্তিত হৈছে। ড° কালীচৰণ দাসৰ মতেও 'কবিৰ কাব্যিক চিন্তাৰ দ্বিতীয় পৰ্যায় আৰম্ভ হয় "সপোনৰ সুৰ" ৰচনাৰ লগে লগে।' "সপোনৰ সুৰ"ৰ উপৰিও "পৰশমণি", "যুগদেৱতা", "জাগৃতি" আৰু "অলকানন্দা"কো শ্ৰু দাসে দ্বিতীয় পৰ্যায়ত ধৰিছে।[৬০] সংকলন কেইটাৰ বিষয়বস্তু বহুবৰ্ণী আৰু ব্যাপক পৰিসৰৰ হ'লেও ৰহস্যবাদী ধ্যান-ধাৰণাৰ পৰা মুক্ত নহয়। "পৰশমণি"ত অতীন্দ্ৰিয় ভাবনাই প্ৰাধান্য বিস্তাৰ কৰিছে।

"পৰশমণি" (১৯৫৫) সংক্ৰান্তত কবিৰ বক্তব্য অনুসৰি মানৱ জীৱন বিশ্বৰ ৰহস্যময় প্ৰহেলিকা আৰু জীৱন-প্ৰবাহ ভেদ কৰি অশান্ত মানুহৰ আত্মাই অনন্ত যাত্ৰা পথেদি শান্তি পথৰ সন্ধান কৰে। পাতনিত কোৱা হৈছে,– "সত্য উপলব্ধি বা অনুভূতিৰ বস্তু। জীৱনৰ এনে মধুমুহূৰ্তত লাভ কৰা এটি পৰম সত্যৰ সন্ধান মোৰ 'পৰশমণি'– যি পৰশমণিৰ পৰশত জীৱনে উপলব্ধি কৰিলে, 'মানুহে তপস্যা নিবিচাৰে, তপস্যাই মানুহক বিচাৰি ফুৰে।' ---- মানৱ আত্মাই জগতৰ তপস্যা শক্তিক বিকাশৰ বাট দেখুৱাইছে। দৰ্শন, বিজ্ঞান, অণু-পৰমাণু অলৌকিক মহাশক্তিৰ সন্ধান অজ্ঞানৰ অন্তৰালৰ যৱনিকা ভেদি, বিশ্বৰ পোহৰত উদ্‌ঘাটন কৰিছে সত্যৰ পৰম প্ৰকাশ।" এই সংকলনৰ সৰহভাগ কবিতাতে অতীন্দ্ৰিয়ৱাদী সুৰ প্ৰকট হৈছে। ইয়াৰ ভিতৰত 'পূজা', 'উপাচাৰ', 'নৱচেতনা', 'দেৱদাসী', 'উৎসৰ্গা', 'পৰশমণি', 'ৰূপান্তৰ', 'তপস্যাশিখা', 'ৰূপৰ পৰশ', 'প্ৰতিদান', 'মৰুফুল' ইত্যাদি কবিতাত 'পৰাণে বিচাৰি ফুৰে অসীমৰ পাৰ' বুলি অতীন্দ্ৰিয় ভাবত ব্যগ্ৰ হৈ পৰিছে। 'পৰশমণি'ৰ স্বৰূপত বিশ্ব চৰাচৰৰ প্ৰাণ চিৰ সুন্দৰৰ উজ্জ্বলভাৱে উজ্জ্বল হৈছে আৰু তাৰ স্পৰ্শত মানৱে পৃথিৱীতে স্বৰ্গসুখ লাভ কৰিব পাৰে। প্ৰজ্ঞাৰ দ্বাৰা প্ৰবুদ্ধ হৈ জীৱন উপলব্ধিৰ মাজত নতুন চেতনাৰ উন্মেষ ঘটাব পাৰে। পৰম সত্তাক পাবৰ বাবে তীৰ্থই তীৰ্থই ঘূৰি ফুৰাৰ আৱশ্যকতা নাই বুলি কবিয়ে বাস্তৱ অভিজ্ঞতাৰ পৰাই উপলব্ধি কৰিছিল। 'পৰশমণি' কবিতাটোত তেওঁ তীৰ্থ-যাত্ৰীক সম্বোধন কৰি নিজ অন্তৰলৈ দৃষ্টি ৰাখি 'ধৰাৰ ধূলিত জাগে প্ৰেমৰ সপোন' চাবলৈ আহ্বান জনাইছে। এনে উপলব্ধিৰ জৰিয়তে কবি, শিল্পী, তপস্বী, সাধকক অৰূপ ৰূপৰ সন্ধান পোৱাৰ পথ নিৰ্দেশ কৰিছে। অন্তৰৰ কামনা-বাসনা, আশা-আকাংক্ষা আদি নিয়ন্ত্ৰিত কৰি, অহং ভাবৰ বিনাশ ঘটাইহে এই প্ৰাপ্তি লাভ কৰিব পৰা যায়। নিজৰ জীৱন-প্ৰদীপৰ শিখা জ্বলাই হোমানলৰ দৰে উৰ্ধমুখী হ'ব পাৰিলেহে পৰমজনক হৃদয়ত পাব পাৰি। অন্যথা হ'ব লাগিব 'গোন্ধ-হৰিণাৰ কস্তুৰীবাস বিচাৰি নেপাই ব্যাকুল হতাশ।" এই 'নৱচেতনা'ত সমৃদ্ধ হৈ সত্যান্বেষী সুন্দৰৰ পূজাৰীক 'শুচি, শান্ত তনু মনে, মানসৰ পুষ্পবনে প্ৰেমৰ প্ৰদীপ জ্বালি বাঞ্ছিতৰ কৰা অন্বেষণ' বুলি 'পৰশমণি'ত সোঁৱৰাই দিছে। ইয়াকে কৰিব পাৰিলে তুমি আৰু মইৰ পাৰ্থক্য নাইকিয়া হৈ জগতেই তুমি-ময় হৈ পৰে। 'মৰুফুল' কবিতাত যুগৰ পথিকে মৰুভূমিতো ফুলৰ সন্ধান পাব পাৰে।–

'বিচাৰি বিচাৰি ফুৰে যুগৰ পথিকে
চিৰ তৃষাতুৰ প্ৰাণে
মৰুভূত ফুলা মৰুফুল।

মৰুফুল আৰু মৰুভূমিৰ প্ৰতীকী অৰ্থ বিভিন্ন হ'লেও সাধাৰণতে সংসাৰখনক মৰুভূমি হিচাপে ৰহস্যবাদী কবিয়ে ধৰি লৈছে। তথাপি, এই সংসাৰ যাত্ৰাত জীৱনৰ অৰ্থ মৰুফুলৰ দৰেই উপলব্ধি কৰিব পৰা যায়। 'ৰূপান্তৰ' কবিতাত পৰম সত্তাৰ চিৰ চঞ্চল পদধ্বনিত 'কোন অতনুৰ পৰশ প্ৰভাত দেহৰ বান্ধোন সৰি পৰে, অৰূপ ৰূপৰ মোহন পুৰত অমিয়া জীৱনে ৰূপ ধৰে' বুলি কোৱা হৈছে। চিৰ সুন্দৰৰ ৰূপত পৰম

সত্তাই পুৱতিৰ অৰুণ, নীলিম আকাশ, অসীম দিগন্ত আদি মড় ৰুতুৰ বিভিন্ন ৰূপত প্ৰকাশি উঠে।

নলিনীবালা দেৱীৰ চতুৰ্থ সংকলন "যুগদেৱতা"ত (১৯৫৮) ভাৰতীয় মহাজীৱনৰ স্মৰণ কৰা হৈছে। শ্ৰীকৃষ্ণ, ব্যাস, বুদ্ধ, শঙ্কৰদেৱ, বাপুজী আদি মহান সকলক লৈ লেখা কিছুসংখ্যক কবিতাৰ লগতে 'সৰগ কতনো আছে', 'যুগবাণী', 'ভাৰতবৰ্ষ জাগৃতি', 'মহামানৱ', 'জয়যাত্ৰা' আদি কবিতাৰ মাজত ৰাষ্ট্ৰীয় ভাৱনা আৰু স্বদেশ-প্ৰীতি স্পষ্ট হৈ উঠিছে। মাজে মাজে ৰহস্যময়তাই ভুমুকি মাৰিলেও পূৰ্বোক্ত সংকলন কেইটাৰ দৰে অতীন্দ্ৰিয়বাদী সুৰৰ প্ৰাধান্য এই সংকলনত নাই।

অতীন্দ্ৰিয়বাদী কবিতা আৰু গীতৰ সংকলন "অলকানন্দা"ৰ (১৯৬৪) এখন বিশিষ্ট আসন আছে। ইয়াত নলিনীবালাৰ এশ চৈধ্যটা গীত প্ৰথম খণ্ডটিত প্ৰকাশ পাইছে। দ্বিতীয় খণ্ডত পঞ্চাছটা কবিতা সংকলিত হৈছে। গীতিকাৰ হিচাপে এই সংকলনে এক মৰ্যদাৰ আসনত কৱি গৰাকীক প্ৰতিষ্ঠা কৰিলে। তেওঁৰ গীত আৰু কবিতাৰ মাজত আধ্যাত্মিক দৃষ্টি-ভঙ্গীৰ কোনো পাৰ্থক্য নাই। অৰূপ ৰূপৰ উপলব্ধি আৰু তাৰ সুন্দৰ-সংযত প্ৰকাশ গীত বিলাকত ঘটিছে। প্ৰথমটো গীততেই নিৰুপম সৌন্দৰ্যৰ স্বৰূপ প্ৰদৰ্শিত হৈছে।–

পৰশি তোমাৰ চৰণ ধূলি
প্ৰাণৰ শতদল উঠিল ফুলি
প্ৰেমৰ মহান মন্ত্ৰ ধ্বনিত
মোৰ সঙ্গীত অনুপম
সুন্দৰ নিৰুপম।'

সুৰৰ মাজত পৰম সত্তাৰ উপলব্ধি কৰোতে 'নিবিড় তোমাৰ সু-গভীৰ আহ্বান' শুনিবলৈ পাইছে। দুঃখময় জীৱনৰ আশাৰ সপোন ৰচনা কৰি ভুৰুকা হোৱাৰ উপলব্ধি নলিনীবালাৰ গীতত আছে। 'সৌ দূৰণিৰ নেদেখা পাৰলৈ' সোণালী ভুৰখন উটুৱাই দি 'যাত্ৰা লক্ষ্য তোৰ দূৰণিৰ মায়াপুৰ' বুলি ৰহস্যময়তাত প্ৰৱেশ কৰিছে। নীৰৱ নিশাৰ সুৰৰ কঁপনি এটাই কঁপি কঁপি উচুপি উচুপি এজাৰ পৃথিৱীত ৰজনীগন্ধাৰ আকুলতা প্ৰকাশ কৰে। তেওঁ দেখা পায়,–

'হিয়া সাগৰত দ্বলে কলৰোল
অলকানন্দা সুৰ,
দূৰ দূৰণিৰ তাহি আছে সুৰবোৰ
বহুদূৰ বহুদূৰ।'

এনেবোৰ সুৰত উতলা হৈ তেওঁ কিয় গীত গায় তাক উৰাউল চিত্তে প্ৰকাশ কৰিছে আৰু তাৰ মাজত ৰহস্য ঘনীভূত হৈ পৰিছে।

'কিয় গাওঁ মালা লৰা শেৱালিৰ
বন্তি জ্বলাওঁ হিয়া দীপালীৰ
কিয় জ্বালো নিতে গন্ধ অগৰু
সুৰভি সমীৰে ভৰা
জানা জানো ?'

এনেদৰেই তেওঁ গীতৰ মাজত অতীন্দ্ৰিয় অনুভূতি প্ৰকাশ পাইছে। কবিতা

কিলাকৰ দৰেই গীতবোৰৰ মাজতো কবিৰ স্বদেশ প্ৰেমৰ গভীৰ উপলব্ধি পোৱা যায়। তদুপৰি, ঠায়ে ঠায়ে ক্ষোভ, আক্ষেপ, বিৰহ-কাতৰতা আদিও স্পষ্ট হৈ উঠিছে।

"অলকানন্দা"ৰ কবিতাৱলীত অতীন্দ্ৰিয় ভাৱ, স্বদেশ-প্ৰেম, প্ৰকৃতি-বন্দনা আৰু জীৱন-স্বৰূপমূলক ভাবধাৰা উজ্জ্বল হৈ উঠিছে। দুঃখবাদ আৰু পৰমসত্তাৰ ওচৰত আত্ম সমৰ্পণ কৰাৰ তীব্ৰ আকাংক্ষা এই সংকলনতো উদ্দীপ্ত হৈ পৰিছে। 'মৃত্যুৰ পাছত গতিপথৰ সন্ধান' কৰা "অলকানন্দা"ৰ আন এটা দৰ্শনীয় দিশ হৈছে,- "পৃথিৱীখনৰ বিবিধ বস্তুৰ তুলনাৰ দ্বাৰা আত্মা আৰু ব্ৰহ্ম, কবি আৰু পৰমজনৰ অভিন্নতা দৰ্শন।"[৬১] 'বিশ্বসুৰ" কবিতাত প্ৰকৃতিৰ মোহনীয় বিচিত্ৰ সৌন্দৰ্য বুটলি অভিন্ন হৈ কবিৰ বিশ্ব বিয়পা সত্তাই অনন্তকালৰ চিন্তাত মগ্ন হৈছে আৰু 'অনন্ত সৌৰৰ সতে চিৰ সুৰ সংযোগ' ঘটাই জীৱন বেণুত দিব্য সুৰ ধ্বনিত কৰাৰ দ্বাৰা অভিন্ন সম্পৰ্ক প্ৰত্যক্ষ কৰি তুলিছে। 'দৃষ্টি' কবিতাত অৰূপৰ ৰূপৰশ্মিয়ে কবিৰ তনুমন আলোকিত কৰি জীৰ্ণ প্ৰাণত জীৱনৰ উন্মেষ আনি জড় চিত্তক বিকশিত কৰিছে। 'সুৰ কবি' কবিতাৰ মাজত ৰহস্যই কবিৰ সৃষ্টিত গোপনদ্বাৰ উন্মোচন কৰাই 'সৃজনৰ অপূৰ্ব চেতনা'ৰে নতুন সুৰৰ মূৰ্ছনা সৃষ্টি কৰি যায়। তেনে সুৰৰ ৰাগীত কবি মুগ্ধ হৈ পৰে। 'সপোনৰ পাৰে পাৰে' কবিতাত তেওঁ লেখিছে,-

> 'মোৰ গীত মই কাৰো বাবে ৰচা নাই,
> মোৰ সুৰ মই কাৰো বাবে গোৱা নাই
> মোৰ জীৱনৰ স্বপ্ন-বিভোৰ
> ছন্দ সাৰটি লৈ
> পাতো নিজে কথা গাঁও নিতে গীত
> পুলক মুগুধ হৈ।'

'এটি দীপলীয়া বাতি' কবিতাত পৃথিৱীৰ নাটঘৰৰ অভিনৱ অভিনেতা বুলি নিজৰ চিনাকি দাঙি ধৰিছে আৰু আত্মবিভোৰ হৈ বিশ্ব ফুলনিত অনন্তকাল ফুলি থকা জীৱন-কুসুম জ্ঞান কৰিছে। তদুপৰি, 'ধৰণী জীৱন চিৰ সূৰ্য্য পৰিক্ৰমা' আৰু ইয়াৰ গতিপথ অবিৰাম বুলি 'বিবৰ্তন'ত স্পষ্ট কৰি দি সবিতাৰ প্ৰেম-অনুৰাগত কুমাৰী ধৰণীৰ ব্যাকুলতা প্ৰকাশ কৰিছে।। মানুহ বিধাতাৰ অপূৰ্ব সৃষ্টি। এই মানুহৰ প্ৰাণত অপৰূপ ৰূপলেখা নিজ প্ৰজ্ঞাৰ অমৃত স্পৰ্শত সৌন্দৰ্যৰ উৎস বিচাৰি অতীন্দ্ৰিয় জগতলৈ ধাবিত হয়। -

> 'সুন্দৰ পিপাসী মানুহৰ প্ৰাণ
> অপৰূপ অসীম সন্ধানী,' (সন্ধানী মানব)

"অলকানন্দা" কাব্য পুথিৰ বহুতো কবিতাত ৰহস্যবাদী চিন্তাধাৰাৰ গভীৰ প্ৰকাশ ঘটিছে। 'তৃষাত মানুহৰ জীৱন-তৃষা চিৰন্তন আৰু নতুনৰ সন্ধান কৰি গুপ্তমাণিক লাভৰ বিশ্ৰামবিহীন প্ৰচেষ্টা চলাইছে। 'মণিকূট'ত তমসা বিদীৰ্ণ কৰি অমিত বিক্ৰমেৰে লক্ষ্যত উপনীত হৈ নিয়তিক জয় কৰাৰ আহ্বান জনাইছে। এই পুথিৰ অতীন্দ্ৰিয়তাত 'সবিতাৰ ৰশ্মি লাগি, ক্ষুদ্ৰতম বীজ অঙ্কুৰৰ, যেনিৰ গজালি হ'ব মহা তৰুবৰ'ৰ দৰে আশাৰ সঞ্চাৰ ঘটিছে। "সন্ধিয়াৰ সুৰ'ৰ বিকলতা ইয়াত নাই আৰু দুঃখ-বেদনাত কবি ইয়াত ব্যাকুল নহয়। "অলকানন্দা"ত কবিৰ প্ৰজ্ঞাই মাটিৰ পৃথিৱীৰ সতে জীৱনৰ ঘনিষ্ঠতা প্ৰকাশ কৰি মহা জীৱনৰ পথত অগ্ৰসৰ হৈছে। কবিৰ ব্যক্তিগত 'তৃষা'ই সকলো মানুহৰ চিৰন্তন তৃষালৈ উন্নীত হৈ 'মানুহ সৃষ্টিত ধনিকৰ' এনে এটা অৱস্থাত

---

৬১. উপেন্দ্ৰনাথ গোস্বামী, "ভাষা আৰু সাহিত্য", পৃ. ২৫৩

অৱতীৰ্ণ হৈছে। এনে দৰ্শনীয় বৈশিষ্ট্যৰ লগতে দেশপ্ৰেম, ৰাষ্ট্ৰীয় ভাৱনা আদিয়েও "অলকানন্দা" পুথিখনৰ গুৰুত্ব বৃদ্ধি কৰিছে। ১৯৬৮ চনত নলিনীবালা দেৱীয়ে এই গ্ৰন্থৰ বাবেই 'সাহিত্য অকাডেমী' পুৰস্কাৰ লাভ কৰিবলৈ সমৰ্থ হৈছিল। নলিনীবালা দেৱীয়েই অকাডেমী পুৰস্কাৰ লাভ কৰা অসমৰ প্ৰথম মহিলা সাহিত্যিক।

"জাগৃতি" (১৯৬২) আৰু "অন্তিম সুৰ" (১৯৭৭)ৰ মাজতো অতীন্দ্ৰিয়বাদেই মুখ্য হৈ উঠিছে। "অন্তিম সুৰ"ত প্ৰকাশিত কবিতা কেইটাৰ মাজত সত্য-শিৱ-সুন্দৰৰ ধ্যানত গভীৰ উপলব্ধি আৰু ৰহস্যবাদী চিন্তাৰ প্ৰকাশ ঘটিছে। এই ক্ষুদ্ৰ পুথিখনেই শেষ পৰ্যায়ৰ ৰচনা আৰু অন্তিম প্ৰকাশিত পুথি। চুটি চুটি কবিতাবিলাকৰো প্ৰধান বৈশিষ্ট্য অতীন্দ্ৰিয়বাদী চিন্তাই। 'সত্যম্ শিৱম্ সুন্দৰম্' কবিতাত পৰমেশ্বৰ বা পৰম সত্তাই বিশ্বব্যাপী অণু-পৰমাণুৰ মাজত মহাজীৱনৰ নানা ৰূপ, নানা ধ্যান প্ৰকট কৰি চিৰ অন্তৰ্যামী ৰূপত অমৃত পথৰ সন্ধান দিছে।–

'স্তিমিত আত্মাত
তোমাৰ প্ৰেমৰ স্পৰ্শে
প্ৰতিভাত পৰম জ্ঞানৰ।
বিশ্ব বিয়াকুল তযু
এটি পৰমাণু মাগি
পৰ্শমণি মহাজীৱনৰ।"

'কবি স্বপ্ন' কবিতাত মন্দাকিনীৰ জোৱাৰত মাটিৰ তীৰ্থত 'নন্দন মধুবন'ৰ অমৃত স্পৰ্শ লাভ কৰিছে। 'সময় নাই'ৰ জৰিয়তে জীৱন পথত যাত্ৰীৰ সময় নিঃশেষ হৈ অহাৰ সূচনা দাঙি ধৰিছে। কাল পছোৱাই বাটকৰাক মহাযাত্ৰাৰ পথলৈ লৈ যাব। অন্তিমত মাটিৰ মৰম এৰি শান্তিৰ আবাস বিচাৰি যাত্ৰা আৰম্ভ হ'ব। শেষত, কবিৰ অন্তিম কামনা হ'ল– বিশ্ব ত্ৰিভুবনৰ এটি সুৰ হৈ, অপূৰ্ব সত্য হৈ দিব্য পৰশন লাভ।–

'নতুন সত্তাত উজ্জ্বলিত জীৱনৰ দিব্য পৰশন।
মৃত্যুহীন ৰূপকৰ সুৰ গুঞ্জৰণ।'

নলিনীবালা দেৱীৰ অতীন্দ্ৰিয়বাদী কাব্য প্ৰবাহৰ সৰ্বোৎকৃষ্ট উদাহৰণ "সন্ধিয়াৰ সুৰ"। অসমীয়া কাব্য-সাহিত্যৰ বিংশ শতাব্দীৰ দহখন শ্ৰেষ্ঠ কাব্যগ্ৰন্থৰ এখন ৰূপে পৰিগণিত হ'ব পৰা এই গ্ৰন্থক অকাডেমী পুৰস্কাৰ প্ৰাপ্ত "অলকানন্দা"তকৈয়ো উচ্চাসন দিয়া হয়। ড° মহেশ্বৰ নেওগে এই বিষয়ত কৈছে–"সন্ধিয়াৰ সুৰ"তে এই সকলোৰে শ্ৰেষ্ঠ প্ৰকাশ ঘটিছে। 'সপোনৰ সুৰ' (১৯৪৩), 'পৰশমণি' (১৯৫৪) আৰু 'যুগদেৱতা'ত (১৯৫৮) সিবোৰৰ পুনৰাবৃত্তি বা প্ৰসাৰণ মাত্ৰ ঘটিছে কিন্তু ক্ৰমবিকাশৰ কালে কবি আগবঢ়া নাই; বৰং পুনঃকথন, ৰবীন্দ্ৰ কাব্যৰ প্ৰভাৱ আদি আন উপকৰণ লক্ষণহে সিবোৰত সোমাই পৰিছে। 'সন্ধিয়াৰ সুৰ'েই তেওঁৰ প্ৰকৃত ভাৰতীয় কবি প্ৰাণৰ স্বাক্ষৰ।"৬২

নলিনীবালা দেৱীৰ কবিতাত স্বদেশ-প্ৰীতি আন এটি উল্লেখযোগ্য দিশ। "সন্ধিয়াৰ সুৰ"ৰ 'জন্মভূমি' কবিতা স্বদেশ প্ৰেমৰ প্ৰকৃষ্ট উদাহৰণ। কবিৰ দৃষ্টিত জন্মভূমিৰ স্বৰূপ হ'ল–

'তুমি মোৰ মনভৰ
পুণ্য মুকুতিৰ ভূমি

৬২. মহেশ্বৰ নেওগ, "ৰূপৰেখা", পৃ. ২৭৬

তুমি মোৰ তীৰ্থৰ প্ৰভাস ।'

যুগে যুগে স্বৰ্গাদপি গৰীয়সী জননী জন্মভূমিয়ে স্বদেশ প্ৰেমিকৰ প্ৰাণত আলোড়ন সৃষ্টি কৰি আহিছে। সেইবাবে, নলিনীবালাৰ দৃষ্টিতো জন্মভূমি সকলো স্থানতকৈ আপোন। গতিকে ইয়াতে জনম লভি ইয়াতেই মৃত্যুবৰণ কৰাটো তেওঁৰ কাম্য। জন্মান্তৰবাদত বিশ্বাসী কবিয়ে জনমে জনমে চেনেহী জন্মভূমিক লাভ কৰাৰ অকূকণ্ড বাসনা প্ৰকাশ কৰিছে। নিচলা হ'লেও, দুখীয়া হ'লেও জন্মভূমিয়েই প্ৰকৃত তীৰ্থ।

'দুখীয়াৰ ভঙা পঁজা
একোখনি তীৰ্থ তাত
একোখনি পুণ্যৰ আশ্ৰম,
মৰিলে পুনৰ আহি
দুখীয়া দেশতে মোৰ
লওঁ যেন পুনৰ জনম।'

"সপোনৰ সুৰ", "যুগদেৱতা", "জাগৃতি", "অলকানন্দা" এই আটাইকেউখন কবিতা গ্ৰন্থতে স্বদেশ প্ৰেমৰ জোঁৱাৰ আছে। গ্ৰন্থবিলাকত প্ৰকাশিত স্বদেশ-প্ৰীতিমূলক কবিতাৰ সংখ্যাও যথেষ্ট। "সপোনৰ সুৰ"ৰ 'মুক্তিদূত', 'ভাৰতী', 'যুগদীপা', 'তুমি যদি অসমীয়া' ইত্যাদিত স্বদেশ প্ৰেমৰ চানেকি আছে। কবিৰ জাতীয়তাবাদ যে অন্ধ বা উগ্ৰজাতীয়তাবাদ নহয় 'তুমি অসমীয়া, তুমি যদি অসমীয়া' কবিতাত ফুটি ওলাইছে। অসমীৰ ক্ষীৰ পান কৰি ডাঙৰ-দীঘল হোৱা লুইত পাৰৰ অসম-সন্তান– 'হিন্দু-মুছলমান বড়ো-কছাৰী-পাহাৰী' সকলোৱেই যুগ-বিজয়ী ৰক্ত-বীজ ৰূপে 'অমৰণ অভগন' বুলি কবিৰ বক্তব্য এই কবিতাত প্ৰকাশ পাইছে।

"যুগদেৱতা" কাব্য গ্ৰন্থৰ আৰম্ভণি কবিতা 'ভাৰতবৰ্ষ'ত স্বদেশৰ মহিমা মণ্ডিত ৰূপত কবিয়ে মৃত্যুহীন অনন্ত অম্লান ধ্ৰুবজ্যোতি উজ্জ্বল হৈ উঠা দেখা পাইছে। 'জাগৃতি', 'মহামানৱ', 'মানৱ', 'যুগবাণী', 'জয়যাত্ৰা', 'বাপুৰ সপোন', 'পৃথিৱী কি পালি দান' ইত্যাদি কবিতাত ভাৰতৰ জাগৰণ স্পষ্ট হৈছে। শ্ৰীকৃষ্ণ, বেদব্যাস, বুদ্ধদেৱ, শঙ্কৰদেৱ, প্ৰভৃতি মহান সকলৰ গৌৰৱাত ৰচিত কবিতাসমূহত অতীত ভাৰতৰ ঐতিহ্য আৰু শৌৰ্য-বীৰ্যৰ যোমহল আছে। কবিৰ পিতৃ নবীনচন্দ্ৰ বৰদলৈ, দেশভক্ত তৰুণৰাম ফুকন, লোকপ্ৰিয় গোপীনাথ বৰদলৈ আদি অসমৰ বৰেণ্য-ব্যক্তিৰ বন্দনাতো স্বদেশ-প্ৰীতিৰ স্বৰূপ প্ৰকাশিত হৈছে। এনেবোৰ ৰাষ্ট্ৰীয় ভাৱনাৰে সমৃদ্ধ "যুগদেৱতা" ঐতিহ্য মণ্ডিত জীৱন চানেকিৰে পৰিপূৰ্ণ এখনি বিশেষ কাব্যগ্ৰন্থ।

"পৰশমণি" কাব্য-গ্ৰন্থতো ভাৰতবৰ্ষ তথা অসমৰ বিভিন্ন বিষয় বস্তু গ্ৰহণ কৰি ৰচনা কৰা কবিতাই ঠাই পাইছে। 'শঙ্কৰ-মাধৱ', 'লক্ষ্মীনাথ' 'ভোগালী বিহু', 'মহানদৰ আত্ম কাহিনী', 'কৰুণ বিদায়', 'জ্যোতি নাই', 'বাণীকান্ত' ইত্যাদি অসম বিষয়ক, 'সিদ্ধাৰ্থ', 'স্বাধীনতা', 'ধৰাৰ দেৱতা', 'ঋষি', 'নৱোদয়', ভাৰত-বন্ধু জৱাহৰ', ইত্যাদি ভাৰত বিষয়ক বিভিন্ন কবিতা উল্লেখনীয় হৈ উঠিছে। 'নাৰী' আনি এটি বিশেষ কবিতা। কবিৰ স্বদেশপ্ৰেম আৰু ৰাষ্ট্ৰীয় ভাৱনা 'পৰশমণি'ৰ মাজত জিলিকি উঠিছে। কিন্তু, অতীন্দ্ৰিয়বাদী ধ্যান ধাৰণা "সন্ধিয়াৰ সুৰ"ৰ সমকক্ষ হৈ নুঠিল।

'বিজয়িনী ভাৰতৰ নাই পৰাজয়' এনে এটা ভাৰত উদ্বুদ্ধ হৈ চীন-ভাৰত যুদ্ধৰ (১৯৬২) সময়ত ৰচনা কৰা এখনি সৰু কবিতা পুথি "জাগৃতি" (১৯৬২), সমসাময়িক ভাৰতীয় মানুহৰ প্ৰাণত জাতীয় ভাৱ আৰু স্বদেশপ্ৰেম জগাই তোলাৰ উদ্দেশ্যেৰে

প্ৰকাশিত। অতীত গৌৰৱ, ঐতিহ্য আৰু বৰ্তমানৰ দুৰাৱস্থা এই তিনিদিশত সতৰ্ক হৈ ইয়াত জাতীয় ভাবৰ উন্মেষণী ঘটাবলৈ সক্ষম হৈছে। সেইদৰে "অলকানন্দা" পুথিৰ গীত আৰু কবিতাসমূহত স্বদেশ ভাবনা উজ্জ্বল হৈ 'আমাৰ ওপজা ঠাই এইখনি মৰ্ত্ত্য স্বৰ্গভূমি' বুলি জননী ভাৰতবৰ্ষৰ তথা অসমৰ বৈশিষ্ট্য সুন্দৰকৈ দাঙি ধৰিছে।–

'মণি মুকুতাৰে সজোৱা অখণ্ড মাতৃৰূপ
ইখনি সোণৰ দেশ যুগমীয়া ভূমি
আমাৰ ওপজা ঠাই এইখনি মৰ্ত্ত্য স্বৰ্গভূমি।'

"অন্তিম সুৰ"ৰ মাজতো স্বদেশ প্ৰেমৰ প্ৰকাশ দেখা যায়। এই সকল পুথিখনতো জনমভূমিৰ নতুন ৰূপৰ বাবে 'সুৰে সুৰে সপোন' আঁকাৰ কামনা আছে।

নলিনীবালা দেৱীৰ কবিতাত নাৰী বিষয়ক বহুতো কবিতা অথবা উল্লেখ পোৱা যায়। "অলকানন্দা"ত– "মই ভাৰতৰ নাৰী", "নাৰী তুমি সৃষ্টি-স্থিতি, প্ৰলয় কাৰিণী"; "পৰশমণি"ৰ 'নাৰী', "যুগদেৱতা"ৰ 'জয়মতী' ইত্যাদি কবিতাত নাৰীৰ বিভিন্ন বৈশিষ্ট্য প্ৰকাশ পাইছে। ভাৰতীয় নাৰীৰ ঐতিহ্য বন্দনা আৰু স্বৰূপ প্ৰকাশ পাইছে এইদৰে–

গাৰ্গী, সূৰ্যা, ঘোষা, বিশ্ববাৰা, লোপামুদ্ৰা হই
সজালো মালৰ সজ্জা
ভাৰতৰ প্ৰজ্ঞা কাননৰ --- ('মই ভাৰতীয় নাৰী')

তুমি ৰূপ প্ৰসবিনী
সুধা পাত্ৰ ওপচাই
বিশ্বক পিউৱা সঞ্জীৱনী।
তোমাৰ কল্যাণ স্পৰ্শে
ফুলি উঠে সংসাৰ ফুলনি। ('নাৰী তুমি সৃষ্টি-স্থিতি-প্ৰলয় কাৰিণী')

'নাৰী' নামৰ বিশেষ কবিতাটিত বিভিন্ন ৰূপত নাৰীৰ চিত্ৰ অঙ্কিত হৈছে। নাৰী বিভিন্ন শক্তিৰ প্ৰতিমূৰ্তি। নাৰীক লৈ কবিয়ে কাব্য, শিল্পীয়ে চিত্ৰ, ভাস্কৰে মূৰ্তি তৈয়াৰ কৰি নানা ৰূপত নাৰী বন্দনা কৰে। নাৰীয়ে সঙ্গীতত প্ৰাণ প্ৰতিষ্ঠা কৰি শিল্পীৰ সুৰত মূৰ্চ্ছনা জগাই তুলিব পাৰে। নাৰীয়ে এহাতে নন্দনৰ দেৱ পাৰিজাত ফুলাব পাৰে আৰু আনহাতে ধ্বংসাত্মক ৰূপ গ্ৰহণ কৰি বিভীষিকাও সৃষ্টি কৰে। নাৰীয়ে দেৱতাক অসুৰ নাইবা অসুৰক দেৱতা কৰি তুলিব পাৰে। নাৰী যুগে যুগে বন্দিতা বুলি কবিৰ ধাৰণা।

নলিনীবালাৰ কাব্যত আৰু এটি বৈশিষ্ট্য চকুত পৰে। ৰঘুনাথ চৌধাৰীৰ দৰে প্ৰকৃতি-কবি নহ'লেও, প্ৰকৃতি-প্ৰীতিক এটা অন্যতম বৈশিষ্ট্য ৰূপে ধৰা হয়। তেওঁৰ কবিতা আৰু গীত উভয়তে এই অনুৰাগ দেখা যায়। "অলকানন্দা"ৰ কবিতা গীতত এই বৈশিষ্ট্য ফুটি ওলাইছে। গীত সমূহত নীলা আকাশ, সমীৰ, কাঞ্চন, ফুল, তৰা, জোনাক, সেউজী বনভূমি, ঝিলৰ ৰাঙলী পদুম, শিশাৰ বতাহ, কেতেকী, কৃষ্ণচূড়া, পলাশ, ইত্যাদি প্ৰকৃতিৰ সম্পদৰ চিত্ৰণ আৰু উল্লেখন আছে। কবিতাৰ ভিতৰত 'শিশাৰ সভা', 'এপাহি ফুল', 'কাঞ্চন', 'জোনাকী', 'ফুকুন', 'নীলাচল', 'বিহু অপেচৰী' ইত্যাদিত প্ৰকৃতিৰ বিভিন্ন-ৰূপ প্ৰকাশ পাইছে। ৰহস্যবাদী চিন্তাধাৰাৰ স্পষ্ট আৰু ৰমণীয় কবি তোলাত প্ৰকৃতিৰ বৰ্ণনা কিমানৰ মধ্যেই ভকৰ দেখা যায়। গতিকে, প্ৰকৃতি-প্ৰীতি

নলিনী কাব্যৰ আনুষঙ্গিক দিশ হিচাপে গণ্য কৰিব পাৰি।

নলিনীকাব্যত বেদান্ত দৰ্শন আৰু উপনিষদৰ প্ৰভাৱত আধ্যাত্মিক ভাবৰ প্ৰকাশ ঘটাত জন্মান্তৰবাদ, কৰ্মফলবাদ আদিয়ে মুখ্যস্থান লাভ কৰিছে। প্ৰাচীন কাব্য ৰীতিৰ সৈতে অৰ্বাচীন প্ৰবাহ নলিনীবালাৰ ৰচনাত ঘনীভূত হোৱা পৰিলক্ষিত হয়। তেওঁৰ কাব্যত ৰবীন্দ্ৰনাথৰ প্ৰভাৱ স্পষ্ট। তদুপৰি "জোনাকী" পৰম্পৰাৰ কেবাজনো কবিৰ ক্ষীণ প্ৰভাৱ আৰু হিন্দী ছায়াবাদী কবিতাৰ বেঙুণি দেখা যায়। অসমীয়া কবিৰ ভিতৰত "বীণ ৰ'বাগী"ৰ কবি চন্দ্ৰকুমাৰ আগৰৱালা, প্ৰকৃতি কবি ৰঘুনাথ চৌধাৰী, নৈৰাজ্যবাদী কবি যতীন্দ্ৰনাথ দুৱৰা, ঐতিহ্যবাদী কবি কমলাকান্ত ভট্টাচাৰ্য, জাতীয়তা বাদী কবি লক্ষ্মীনাথ বেজবৰুৱা আৰু অম্বিকাগিৰি ৰায়চৌধুৰীৰ ক্ষীণ প্ৰভাৱ বিশ্লেষণ কৰিলে ধৰা পৰিব। হিন্দী ছায়াবাদী কবি সূৰ্যকান্ত ত্ৰিপাঠী 'নিৰালা' আৰু প্ৰখ্যাত ৰহস্যবাদী কবি মহাদেৱী বৰ্মাৰ সৈতেও বিজনি দিব পৰা যায়। কিন্তু, এই সকলৰ পাৰস্পৰিক প্ৰভাৱ প্ৰত্যক্ষ নহয়। মহাদেৱী বৰ্মাৰ সৈতে বহুক্ষেত্ৰত নলিনীবালাৰ তুলনা কৰিব পৰা যায়। ৰহস্যবাদী ধাৰণাই দুয়োৰে মাজত এই স্বৰূপ নিৰ্ণয় কৰিছে। কোনো কোনোৱে ভজন লেখিকা মীৰাবাঈৰ লগতো নলিনীবালাৰ তুলনা কৰে। দুয়োগৰাকী কবিৰ মূলত দুঃখভাৱ একে হ'লেও পৰম প্ৰাপ্তিৰ ধাৰণাত পাৰ্থক্য আছে।

নলিনীবালা দেৱীৰ ওৰপত ৰবীন্দ্ৰনাথ ঠাকুৰৰ প্ৰভাৱ যথেষ্ট হোৱাৰ কাৰণ কেবাটাও। প্ৰথমতে সৰুকালৰে পৰা নলিনীবালা বাংলা কাব্যৰ সৈতে পৰিচিতা, দ্বিতীয়তে পিতৃ কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈৰ ৰবীন্দ্ৰ-প্ৰীতি আৰু ইয়াৰ ফলতে তেওঁক ৰবীন্দ্ৰকাব্যৰ ওচৰ চপাই নিছিল। তৃতীয়তো ৰবীন্দ্ৰ-কাব্যত ৰহস্যবাদৰ স্থান সু-উচ্চ হোৱাত, তথা ভাৰতীয় দৰ্শনৰ তেওঁ এগৰাকী প্ৰবক্তা আছিল আৰু চতুৰ্থত সম-সাময়িক ভাৰতীয় কাব্য-সাহিত্যত ৰবীন্দ্ৰনাথেই সম্ৰাটৰ আসনত অভিষিক্ত আছিল বাবে অন্যান্য কবিৰ দৰেই নলিনীবালাও প্ৰভাৱিত হৈছিল।

ৰবীন্দ্ৰনাথৰ "গীতাঞ্জলী"ৰ প্ৰভাৱেই নলিনীবালা দেৱীৰ ওপৰত প্ৰত্যক্ষ হৈছে। "সন্ধিয়াৰ সুৰ" কাব্য-গ্ৰন্থত এই প্ৰভাৱ প্ৰধানকৈ লক্ষ্যণীয় হৈছে। 'কোন তুমি' কবিতাত পোৱা যায়–

'নিজম নিশাত সুপ্ত ত্ৰিভুবন,
এন্ধাৰ ভৰা নগৰ উপবন,
কোন ছলেৰে চকুৰ নিদ্ৰা হৰি
থোৱা তুমি ক'তনো গুপুত কৰি,
ধৰা কিনো স্বৰগ বীণাৰ গান
মধু মুৰুলীৰ মৌ বৰষা তান,
আকুল বিশ্ব আকুল মন প্ৰাণ।'

সম্পূৰ্ণভাবে ৰবীন্দ্ৰ–কবিতাৰ ই অক্ষম অনুকৰণ নহ'লেও সুৰকটিত ৰবীন্দ্ৰনাথৰ প্ৰভাৱ শব্দচয়ন আৰু গঠনতো স্পষ্ট হৈ উঠিছে।–

"বিশ্ব যখন নিদ্ৰা মগন
গগন অন্ধকাৰ
কে দেয় আমাৰ বীণাৰ তাঁৰে
এমন ঝঙ্কাৰ।" ("গীতাঞ্জলী", গীত-৬০)

'সমাধি' কবিতাৰ কেইটামান স্তৱকত ৰবীন্দ্ৰনাথৰ অনুৰাগ শুনা যায়। "কোনো কালে তুমি যই কোনো ৰূপে হোৱা নাই ভিন/হিয়াৰ উল্লাস মোৰ হ'ব মোজে তোমাতে বিলীন"– ইয়াত প্ৰকাশিত আকাংক্ষাৰ সৈতে ৰবীন্দ্ৰনাথৰ সমানুভূতি হ'ল–

'তোমাৰ আমাৰ মিলন হ'লে সকল যাব খুলে
বিশ্ব সাগৰ ঢেউ খেলিয়ে উঠবে তখন দুলে ।'

'সমাধি' কবিতাৰ আন এটা স্তৱকতো ৰবীন্দ্ৰ দৃষ্টিভঙ্গীৰ সমকক্ষ ভাবে পৰমাত্মাত বিলীন হৈ যোৱাৰ আকাংক্ষাৰ প্ৰকাশ ঘটিছে ।

'তুমি জ্যোতি মই ৰেণু
ওঁ অৰূপ ! ৰূপৰ আলয়,
অণুৰূপে অনাদিত
তোমাতেই লীন হয় সৈ ।'

'অনুভূতি' কবিতাতো 'গীতাঞ্জলী'ৰ 'কোথায় সোণাৰ নেপূৰ বাজে/বুঝি আমাৰ হিয়াৰ মাঝে'ৰ প্ৰতিধ্বনি শুনিবলৈ পোৱা যায় । -

বাজিছে কাণত আজি
অজানিত মুৰুলীৰ সুৰ
... ...
সুধা সম পৰশ তোমাৰ
পাওঁতেই হিয়াৰ মাজত ।'

ৰবীন্দ্ৰনাথৰ মতে পৰমসত্তাৰ বাদে ব্যৰ্থ জীৱনত আন কোনো গৰ্ব নাই । 'নামাও নামাও আমায় তোমাৰ চৰণ তলে' বুলি তেওঁ কাতৰ প্ৰাৰ্থনা কৰাৰ দৰেই নলিনীবালা দেৱীয়েও পৰমাত্মাৰ 'শান্তিময় চৰণত স্থান' বিচাৰি ব্যাকুল হৈছে । "অলকানন্দা"ৰ গীত এটাত আছে-

'নিবিড় কৰা তোমাৰ পৰশ/ গভীৰ মধুৰ ছন্দেৰে
---- ----- ---- ---- ---- ----- ---- ----
দীপ্ত কৰা তৃপ্ত কৰা/অমজ্যোতি আলোকেৰে ।'

ৰবীন্দ্ৰনাথৰ 'নিৰ্মল কৰো, উজ্জ্বল কৰো, সুন্দৰ কৰোহে' সমপৰ্যায়ৰ প্ৰকাশ বুলি ইয়াক ধৰিব পাৰি । "অলকানন্দা"ৰ বহুতো গীত আৰু কবিতাত সীমাৰ মাজত অসীমৰ উপলব্ধি আছে । ইয়াক ৰবীন্দ্ৰনাথৰ 'সীমাৰ মাঝে অসীম তুমি বাজাও আপন সুৰ'ৰ লগত তুলনা কৰিব পৰা যায় । পৰমাত্মাৰ সন্ধানত বাউল "সন্ধিয়াৰ সুৰ"ৰ আত্মাই কিন্তু "অলকানন্দা"ত 'ধূলিৰ পৰশ মাগে অশান্ত আত্মাই' বুলিহে প্ৰকাশ লাভ কৰিছে । নলিনীবালাৰ কবিতাত এইদৰেই ৰবীন্দ্ৰনাথৰ প্ৰভাৱ পৰিলক্ষিত হয় । কিন্তু, ভাৰতীয় বেদান্ত দৰ্শনৰ প্ৰভাৱত ৰহস্যবাদী কবিসকলৰ পৰম-প্ৰাপ্তিৰ প্ৰচেষ্টা মূলতঃ একে হোৱাত কাব্য গঠনত পাৰস্পৰিক মিল অসম্ভৱ নহয় । হয়তো, এই কাৰণেই হিন্দী কবি 'নিৰলা', সুভদ্ৰা কুমাৰী চৌহান, মহাদেৱী বৰ্মা আদিৰ সৈতেও নলিনীবালাৰ কিছু মিল দেখা যায় ।

অতীন্দ্ৰিয়বাদী সকল মূলত একে লক্ষ্য পথৰ যাত্ৰী । উপনিষদত কোৱাৰ দৰে আত্মা আৰু প্ৰাণী উভয়েই পাৰস্পৰিক ভাবে প্ৰিয় । আত্মা হ'ল দীপ্তিময় শাশ্বত আত্মনিহিত অৱস্থা । আত্মাই অমৃত, ব্ৰহ্ম সকলো ।[৬৩] এই জীৱাত্মা পৰমাত্মাৰ মিলনতেই

৬৩. "বৃহদাৰণ্যক উপনিষদ"ত যাজ্ঞৱল্ক্য ঋষিয়ে মৈত্ৰেয়ীক কৈছে,-
"অয়মাত্মা সৰ্বেষাং ভূতানাং মধু । অস্যাত্মনঃ সৰ্বাণি ভূতানি মধু ।
যশ্চায়মস্মিন্নাত্মনি তেজোময়ো মৃতময়ঃ পুৰুষোয়মেৱ স যোয়মাত্মা
ইদমমৃতম । ইদং ব্ৰহ্ম । ইদং সৰ্বম ।"

কামনা-বাসনাৰ অন্ত পৰিব আৰু ঈপ্সিত সম্পদ আহৰিত হ'ব। নলিনীবালাৰ আকাংক্ষাও ইয়াৰ ব্যতিক্ৰম নহয়। "আধ্যাত্মিক বেদনাৰ কাৰুণ্যই নলিনী দেৱীৰ কবিতাক নিয়ৰত সিক্ত ফুলৰ দৰে স্নিগ্ধ আৰু ৰমনীয় কৰিছে। ভাৰতীয় দৰ্শনে, বিশেষকৈ বেদান্তৰ জন্মান্তৰবাদ, কৰ্মফলবাদ আৰু ভক্তিবাদে নলিনীবালাৰ কবিতাক ভাব-পুষ্ট কৰিছে। বুদ্ধদেৱ আৰু মহাত্মাজীৰ সাম্য-মৈত্ৰী আৰু কৰুণাই দৃষ্টি-ভঙ্গী বোলাইছে আৰু ৰবীন্দ্ৰ নাথৰ কাব্যিক ৰূপ-সৌন্দৰ্য আৰু ৰহস্যবাদৰ সুৱে তেওঁৰ কবিতাক ভাব ব্যঞ্জক, ৰহস্যঘন আৰু মধুৰকোমল কৰাত সহায় কৰিছে।"[৬৪]

নলিনীবালা দেৱী কাব্যিক বিশেষত্ব হ'ল, অতীন্দ্ৰিয়তাৰ মাজেদি পৰম সৌন্দৰ্য লাভৰ চৰম আকাংক্ষা, অসীম-অৰূপৰ প্ৰতি উন্মনাভাৱ, আধ্যাত্মিক বিচ্ছেদৰ তীব্ৰ বেদনাবোধ, মাটিৰ পৃথিবীৰ আকৰ্ষণ আৰু ইয়াৰ বৈভৱত হৃদয়-উল্লাস, চিৰ সুন্দৰৰ অস্তিত্বত শিহৰণ লাভ আদিৰ মাজত মুক্তি লাভৰ বাসনা। ইয়াৰ লগতে স্বদেশৰ প্ৰীতি, স্বজাতিৰ উন্নতি আৰু কল্যাণৰ গভীৰ উপলব্ধি, প্ৰতিভাৰ সমাদৰ আদিও তেওঁৰ কাব্যৰ অন্যান্য বৈশিষ্ট্য। তেওঁৰ কবিতাৰ শব্দচয়নৰ মাধুৰ্য, ভাব-ব্যঞ্জনা, ছন্দৰ সাৱলীলতা প্ৰায়বোৰ কবিতাতে বিদ্যমান। "ইয়াৰ মাজতে এক গভীৰ ছায়াবাদৰ দ্যোতনা। এয়েই নলিনী কাব্যৰ প্ৰধান সুৰ।"[৬৫] এই দ্যোতনা হ'ল,–

'পাইছো সকলো যেন
নাই পোৱা তেও
কিবা এটি নাই নাই।
নোৱাৰো ফুটাই কব
মুখৰ কথাৰে
প্ৰাণে ভাব বিচাৰি নাপায়।' ('পৰমতৃষ্ণা')

কবিৰ ঘাই লক্ষ্য মুক্তি। 'শেষ অৰ্ঘ্য' কবিতাত ই বাঙ্ময় হৈ উঠি জীৱনত নহ'লেও মৃত্যুলোকত অৰূপ অনন্তই আলোকিত কৰি তোলাৰ আশা সহকাৰে তেওঁ কৈছে।

'ৰচিম হোমৰ বেদী
চিৰ শেষ শ্মশান চিতাত,
নিবেদিত অৰ্ঘ্য মোৰ
পূৰ্ণ হব হে পূৰ্ণ ঃ তোমাত'। ('শেষ অৰ্ঘ্য')

৪.৬. ৰমন্যাসিক যুগৰ অন্যান্য মহিলা কবি সকল

ইতিপূৰ্বে আলোচিত মহিলা কবি সকলৰ উপৰিও ৰমন্যাসিক কাব্য জগতলৈ আৰু কিছু সংখ্যক কবিৰ অৱিহণা উল্লেখ কৰিব পাৰি। এই সকল কবিৰ সংখ্যা কুৰিৰ ওপৰত হ'লেও দহ-বাৰ গৰাকীমানহে লেখত ল'ব লগীয়া। তেওঁলোকৰ আলোচনা দাঙি ধৰা হ'ল।

৪.৬.০১ হিমলা বৰুৱানী, (১৮৭৭-১৯৪৮)

ৰমন্যাসিক যুগৰ এগৰাকী কবি হিচাপে হিমলা বৰুৱানীৰ নাম লোৱা হয়। ১৮৭৭ চনত যোৰহাটৰ শকাধুৰাত জন্মগ্ৰহণ কৰা হিমলা বৰুৱানীৰ পিতৃ বিখ্যাত চাহ

৬৪. সত্যেন্দ্ৰনাথ শৰ্মা, "অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত", পৃ. ৩৫৯-৬০
৬৫. মহেশ্বৰ নেওগ, "ৰূপৰেখা", পৃ. ২৭৬

খেতিয়ক তহচিলদাৰ বিষ্ণুৰাম বৰুৱা আৰু মাতৃ হ'ল চন্দ্ৰাৱতী বৰুৱানী। চাহ খেতিয়ক শিৱপ্ৰসাদ বৰুৱা হিমলাৰ ভাতৃ। পকামুৰাত জন্ম গ্ৰহণ কৰিলেও ঠেঙ্গাল মৌ-জাৰ জালুকনিবাৰীৰ ঐতিহ্যময় বৰুৱাৰ হাউলীত[৬৬] ভাতৃৰ শীতল হৈ জুনাই নামৰ পণ্ডিতৰ পৰা শিক্ষা লাভ কৰি সাক্ষৰ হৈ উঠিছিল। উল্লেখযোগ্য যে, ১৮৭৩ চনৰে পৰা অসমৰ পঢ়াশালিত অসমীয়া ভাষা প্ৰবৰ্তন হ'লেও, চুকে-কোণে বহুতজনে ঘৰি বঙলাতে পাঠদান হৈ আছিল। সেই পণ্ডিতৰ আগীৰ সনকত বৰুৱানীয়েও বঙলাত শিক্ষা গ্ৰহণ কৰিছিল আৰু সাহিত্যৰ প্ৰতি অনুৰাগী হৈ উঠিছিল। ১৮৯৮ চনত "জোনাকী"ৰ লেখক,– শিৱসাগৰৰ যুৱক ৰাধিকাপ্ৰসাদ বৰুৱাৰ সৈতে হিমলাৰ বিবাহ হোৱাত তেওঁ শিক্ষা-সংস্কৃতিৰ বহুভাণ্ডাৰত প্ৰবেশ কৰে বুলিব পাৰি। ৰাধিকা প্ৰসাদৰ পৰিয়াল ধন-সম্পত্তি আৰু সাহিত্য-সংস্কৃতি সকলো দিশতে লেখৰ আছিল। ৰাধিকাৰ আজো-ককাক জাদুৰাম ডেকাবৰুৱা অসমৰ প্ৰথম অভিধান প্ৰণেতা আছিল। ৰাধিকাপ্ৰসাদো গুণী ব্যক্তি হোৱাত হিমলা বৰুৱানীয়ে প্ৰথমে শিৱসাগৰত আৰু পাছত সোণাৰীৰ বাসস্থানতো সাহিত্য-সংস্কৃতিৰ চৰ্চাত মনোনিবেশ কৰিব পাৰিছিল।

বৰুৱানীৰ পুত্ৰ-কন্যাসকলৰ ভিতৰত কেবাগৰাকীও জাকত-জিলিকা আছিল। অকালতে নাও দুৰ্ঘটনাত মৃত্যুবৰণ কৰা ভগৱতীপ্ৰসাদ বৰুৱা তেওঁৰ বৰপুত্ৰ, বিখ্যাত গীতি-কবি পাৰ্বতীপ্ৰসাদ বৰুৱা মাজু পুত্ৰ আৰু মোক্ষদাপ্ৰসাদ বৰুৱা বৰুৱানীৰ সৰু পুত্ৰ। মোক্ষদাপ্ৰসাদে সোণাৰীৰ গৃহৰ পৰা হাতেলিখা আলোচনী "ঘৰ-জেউতি" উলিয়াইছিল। বৰুৱানী আৰু তেওঁৰ প্ৰতিভাশালী দুহিতা সুধা বৰুৱাৰ প্ৰথম লেখা ইয়াতেই প্ৰথম ওলাইছিল।

হিমলা বৰুৱানীৰ একমাত্ৰ কবিতাৰ পুথি "বিননি" ১৯৩৩ চনত প্ৰথম প্ৰকাশ ঘটে। পুথিখনৰ অন্তৰালত ১৯৩৩ চনত বৰপুত্ৰ ভগৱতীপ্ৰসাদৰ পত্নী-পুত্ৰ সমন্বিতে নাও দুৰ্ঘটনাত সলিল সমাধি ঘটাৰ শোকাবহ ঘটনাটো আছিল। ইয়াৰ আগতে ১৯২৫ চনত ৰাধিকা প্ৰসাদৰো মৃত্যু হৈছিল। এইবোৰ ঘটনাৰ বেদনাই "বিননি"ৰ জন্ম দিয়ে। গভীৰ বেদনাবোধ আৰু ভগৱানৰ প্ৰতি অভিমান প্ৰকাশ পোৱা কবিতাসমূহত ৰহস্যবাদৰ সুৰ শুনিবলৈ পোৱা যায়। বিভিন্ন কবিতাত পৰমেশ্বৰকে মূল বুলি দেখুৱা হৈছে। –

'তোমাৰ ধন তুমি নিলা মোৰ একো নাই।
তোমাৰ পাৰত পশি দিলোঁ দিবা চৰণত ঠাই।'

'প্ৰাৰ্থনা' নামৰ কবিতাত হিমলা বৰুৱানীৰ ভাবাবেগ নিয়ন্ত্ৰিত হৈ ভগৱৎ ভক্তিত একীভূত হৈ পৰিছে। ভগবানৰ ওচৰত আত্ম-সমৰ্পণ কৰাৰ কামনা প্ৰকাশ পাইছে এই কবিতাত। –

'কিনো মায়াৰ বান্ধেৰে বান্ধিছা
বিষয় বাসনা জৰী
কাকুতি কৰিছোঁ হে মোৰ দেৱতা
দিয়াহি মুকলি কৰি।'

বিষয়-বাসনাত লিপ্ত মনত ভগৱৎজ্ঞান বিকশিত হ'লে জগত পৰ হৈ নাথাকে। 'বহল চকু মেলি দেখিবলৈ পালোঁ গোটেইখন ব্ৰহ্মাণ্ড মোৰ'ৰ দৰে গভীৰ অনুভৱ হয়।

৬৬. শিৱপ্ৰসাদ বৰুৱাই এই ঘৰৰ পৰাই নীলমণি ফুকনৰ সম্পাদনাত "বাতৰি" নামৰ কাকতখন প্ৰকাশ কৰিছিল।

আকৌ 'পুৱাৰ সূৰুযত দেখিবলৈ পাবি তোৰ মইনাৰ মিচিকি হাঁহি'ৰ মাজত চিৰন্তন মাতৃ মূৰ্তি প্ৰকাশ পাইছে। এনে ধৰণৰ আবেদনেই বৰুৱানীৰ কবিতাৰ মুখ্য সম্পদ হৈছে। স্বামীৰৰ নীলমণি ফুকনে লেখিছিল,- "বিননি"ৰ পাতে পাতে চিৰন্তন মাতৃ প্ৰেমৰ লগতে ভগৱান আৰু সৃষ্টিৰ প্ৰতি গভীৰ উপলব্ধিৰ প্ৰকাশ ঘটিছে আৰু ভগৱৎ চৰণেই জীৱনৰ চৰম প্ৰাৰ্থনা ৰূপে লৈ ভগৱানৰ ওচৰত আত্ম সমৰ্পন কৰিছে।"৬৭ হিমলা বৰুৱানী গান্ধীবাদৰ অনুৰক্তা আছিল। তেওঁৰ 'মহাত্মা' নামৰ কবিতাই ইয়াৰ সাক্ষ্যদান কৰে। ১৯৪৮ চনৰ ৭ জুনত এই গৰাকী মহিলা কবিৰ মৃত্যু হয়।

৪.৬.০২ নিকুঞ্জলতা চলিহা (আনুমানিক জন্ম ১৮৭৭-১৯৪৮)

অসমৰ প্ৰথম স্বাধীনতা আন্দোলনৰ প্ৰথম ছহীদ মণিৰাম দেৱানৰ জী-নাতিনী লক্ষিতা বৰুৱা নিকুঞ্জলতাৰ মাতৃ আৰু পিতৃ নামতিয়াল বংশৰ দামোদৰ বৰুৱা। শিৱসাগৰৰ বিখ্যাত চলিহা বংশৰ কালীপ্ৰসাদ চলিহাৰ সৈতে নিকুঞ্জলতাৰ বিবাহ হোৱাত এটা ডাঙৰ পৰিয়ালৰ বোৱাৰী হৈ সকলো দিশতে চকু ৰাখিব লগীয়াত পৰিছিল। তথাপি, বৰ বোৱাৰী কনকলতা চলিহা আৰু বৰ জী কমলালয়া কাকতিৰ উদগনি দিয়াত বিংশ শতিকাৰ তৃতীয় দশকত প্ৰকাশিত অসমৰ প্ৰথম মহিলা আলোচনী "ঘৰজেউতি" প্ৰকাশ পাইছিল। "স্তুতিমালা" নামৰ সাতচল্লিছটা গীত-মাত সম্বলিত পুথিখন সম্ভৱতঃ তেওঁৰ আদ্য-শ্ৰাদ্ধত মাজু পুত্ৰ যাদৱপ্ৰসাদ চলিহাই প্ৰকাশ কৰিছিল। ১৯৬৭ চনত দ্বিতীয় সংস্কৰণ প্ৰকাশ হয়। গ্ৰন্থখন নিকুঞ্জলতাৰ নামত প্ৰকাশিত হ'লেও আটাইবোৰ তেওঁৰে ৰচনা বুলি ভাবিব নোৱাৰি। এই গৰাকী লেখিকাক বৈষ্ণব/ৰমন্যাসিক কবি বোলাতকৈ এগৰাকী ভক্তা বোলাই সমীচীন হ'ব। -

> 'হৃদি মধ্যে আন নামাগোহো নাম কেৱল তোমাৰ নাম।
> ৰখিবো বাহুনী মুক্তিকো নালাগে এইহে যশৰ কাম ।।'

"স্তুতিমালা"ৰ সৰহভাগেই অ'ৰ-ত'ৰ সংগ্ৰহ হ'লেও উল্লিখিত ধৰণৰ ৰচনাখিনি তেওঁৰ নিজা ৰচনা। একালৰ অসমৰ মুখ্যমন্ত্ৰী প্ৰয়াত বিমলা প্ৰসাদ চলিহাৰ মাতৃ নিকুঞ্জলতা চলিহাৰ ১৯৪৮ চনৰ ৯ এপ্ৰিলত মৃত্যু হয়।

৪.৬.০৩ সৰোজবালা দত্ত (১৮৮৫-১৯৭৩)

ডিব্ৰুগড়ত ১৮৮৫ চনত জন্ম গ্ৰহণ কৰা সৰোজবালা দত্তৰ পিতৃ চন্দ্ৰধৰ ৰাজখোৱা আৰু মাতৃ কনকেশ্বৰী। প্ৰখ্যাত সাহিত্যিক বেণুধৰ ৰাজখোৱা সৰোজবালাৰ খুড়াক আছিল। ৰমন্যাসিক কবি শৈলধৰ ৰাজখোৱা এওঁৰ ভাতৃ। ডিব্ৰুগড় বালিকা বিদ্যালয়ত বঙলা ভাষাত কেইশ্ৰেণীমান পঢ়াৰ পাছতে কমবয়সতে নীলাম্বৰ দত্তৰ সৈতে বিবাহ হয়। এই গৰাকী ব্যক্তি প্ৰথমতে ডাক-তাঁৰ বিভাগৰ কৰ্মচাৰী আছিল যদিও পাছলৈ ব্যৱসায়ী হিচাপে ডিব্ৰুগড়ত এগৰাকী বিখ্যাত লোক হৈ উঠে। সৰোজবালা এগৰাকী সু-গৃহিনী আৰু মাতৃ। পুত্ৰ-জীয়াৰীৰ ভিতৰত ন্যায়াধীশ শৰৎকুমাৰ দত্ত আৰু ভ্ৰমন-কাহিনী লেখিকা জানবালা বৰুৱা অন্যতম। মাজু জীয়াৰী ৰাজবালাৰ বিবাহৰ ছমাহমান পাছতে মৃত্যু ঘটাত, মনৰ দুখতে মাতৃ সৰোজবালাই কবিতাৰ আশ্ৰয় লয়। ১৯৩৩ চনত প্ৰকাশিত হ'ল একমাত্ৰ কবিতাৰ পুথি- "প্ৰলয় কাহিনী"। ইয়াৰ কবিতা সমূহত সন্তানৰ বিয়োগত মাতৃ হৃদয়ৰ অশান্ত শোকৰ উচ্ছ্বাস আৰু মৰ্মান্তিক দুখ প্ৰকাশ পাইছিল বাবে গ্ৰন্থৰ পাতনিত উপন্যাস সম্ৰাট ৰজনীকান্ত বৰদলৈয়ে পঢ়ুৱৈৰ সমাদৰ

৬৭. "বিননি"ত সন্নিবিষ্ট অভিমত।

নভিব বুলি মতপোষণ কৰিছিল। সৰোজবালাব "শান্তিৰ সন্তান" এখনি প্ৰকাশিত ভ্ৰমণ কাহিনী। এই গৰাকী ধাৰ্মিক মহিলাৰ ১৯৭৩ চনৰ ১৭ মে'ত ৮৮ বছৰ বয়সত মৃত্যু হয়।

৪.৬.০৪ হীৰাৱতী গোহাঞিবৰুৱানী, (১৮৯০-১৯৬৭)

ৰমন্যাসিক যুগৰ প্ৰসিদ্ধ সাহিত্যিক পদ্মনাথ গোহাঞিবৰুৱাৰ দ্বিতীয়া স্ত্ৰী হীৰাৱতীৰ জন্ম ১৮৯০ চনত তেজপুৰৰ কলিবাৰীত। প্ৰখ্যাতব্যক্তি লক্ষীকান্ত দাস হীৰাৱতীৰ পিতৃ আৰু মাতৃ হ'ল কেশৱতী দাস। ঘৰতে গৃহশিক্ষকৰ জৰিয়তে বৰ্ণ পৰিচয় প্ৰদান কৰাই প্ৰাথমিক স্তৰৰ শিক্ষা সম্পূৰ্ণ কৰা হৈছিল। উচ্চ শিক্ষাৰ প্ৰতি থকা অনুৰাগৰ বাবে জীৱন জুৰি আক্ষেপ কৰি গৈছে। 'অনুতাপ' কবিতাত তেওঁৰ এই মনোভাব সুন্দৰকৈ ফুটি ওলাইছে। ১৯৩৭ চনৰ আগে-পাছে ৰচনা কৰা কবিতাৰ সংগ্ৰহ হ'ল "ফুলকলি"। এই গ্ৰন্থত 'বিহুৰ উলাহ', 'সৌৰভ', 'কুলি', 'শেৱালি', 'অগ্নি পৰীক্ষা' আদি উল্লেখ কৰিব পাৰি। হীৰাৱতীৰ কবিতা অতি সৰল যদিও ৰহস্যবাদী সুৰ এটা অনুভূত হৈছে। 'কুলি' তেওঁৰ শ্ৰেষ্ঠ কবিতা।

৪.৬.০৫. ধৰ্ম্মলতা বৰুৱা, (১৮৯৫-১৯৮১)

ডিব্ৰুগড়ৰ আমোলাপট্টিত ১৮৯৫ চনত জন্ম গ্ৰহণ কৰা ধৰ্মলতাৰ পিতৃ মাণিকচন্দ্ৰ দত্ত আৰু মাতৃ তিলোত্তমা দত্ত। ধৰ্মলতাই ছাত্ৰ বৃত্তি পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হৈও সুবিধাৰ অভাৱত উচ্চ শিক্ষা ল'ব নোৱাৰিলে। পোন্ধৰ বছৰমান বয়সত মাজুলীৰ কমলাবাৰীৰ শিক্ষক ৰামকৃষ্ণ বৰুৱাৰ সৈতে বিবাহ হয়। বিবাহৰ তিনিবছৰমানৰ পাছতে শিক্ষয়িত্ৰীৰ পদ গ্ৰহণ কৰি প্ৰায় কুৰিবছৰ কাল শিক্ষা দান কৰে। পাছত, লক্ষীমপুৰৰ নাওবৈছাত কিছুদিন কটাই লক্ষীমপুৰ চহৰৰ নকাৰি গাঁৱত স্থায়ীকৈ বাস কৰিবলৈ লয় আৰু ১৯৮১ চনত তাতেই মৃত্যু হয়। ধৰ্মলতা বৰুৱা এগৰাকী প্ৰসিদ্ধ সমাজ সেৱিকাও আছিল। কমলাবাৰীত থকা কালৰে পৰা তেওঁ খুটুটীয়া কবিতা ৰচনা কৰিছিল। সমাজ-সংস্কাৰ তেওঁৰ কবিতাৰ লক্ষ্য।

> 'সমাজৰ মাজত মাখন নাই
> কেৱল কাৰশলা বন,
> বিবেকক লৈ চিকুনাই পেলাৱক
> পোহৰ হওক সমাজখন।' ইত্যাদি।

৪.৬.০৬. ডাঃ তিলোত্তমা ৰায়চৌধুৰী (১৯০৮-)

স্বাধীনতা আন্দোলনৰ অক্লান্ত-কৰ্মী হৰেকৃষ্ণ দাস আৰু বিদুষী মহিলা হেমপ্ৰভা দাসৰ দুহিতা তিলোত্তমা দাসৰ ১৯০৮ চনত গুৱাহাটীত জন্ম। ১৯৩৩ চনত কলিকতা মেডিকেল কলেজৰ পৰা এম, বি, পাছ কৰি দেউতাকৰ আদেশত চিকিৎসা সেৱাত মন দিয়ে। ১৯৩৮ চনত ডাঃ প্ৰভাতচন্দ্ৰ ৰায়চৌধুৰীৰ লগত বিবাহ হয়। তিলোত্তমাই মাতৃৰ আৰ্শতে ছাত্ৰী অৱস্থাৰ পৰাই আলোচনীত নানা লেখা প্ৰকাশ কৰিছিল। ১৯৩০ চনৰ "বাঁহী"ত প্ৰকাশিত 'অনুতপ্ত' নামৰ কবিতাই তেওঁৰ কাব্য প্ৰতিভাৰ ইংগিত বহন কৰিছে। পৰৱৰ্তীকালত তেওঁ কাব্য-ৰচনা কৰাৰ নিদৰ্শন হাতত পৰা নাই।

৪.৬.০৭. পুণ্যপ্ৰভা দাস, বি. এ.

ডিব্ৰুগড়ৰ পুণ্যপ্ৰভা দাস ত্ৰিছৰ দশকত এগৰাকী বিশেষ সমাজ সেৱিকাৰূপে আত্ম

প্ৰকাশ কৰিছিল আৰু নাৰী প্ৰগতিৰ বাবে এই গৰাকী বিদুষী মহিলাই নিজ জীৱনো আদৰ্শস্বৰূপ হৈছিল। ১৯২৮-২৯ চনৰ "মিলন"ত কেবাটাও দুটি নিবন্ধ ৰচনা কৰা পুণ্যপ্ৰভাৰ 'বিৰক্তাৰ' কবিতা সম্পৰ্কীয় এটা প্ৰধান আলোচনা। "বাঁহী"ৰ পাততো তেওঁৰ একাধিক লেখা প্ৰকাশ পাইছিল। তেওঁ এগৰাকী গীতিকাৰো। কীৰ্তিনাথ বৰদলৈৰ দ্বাৰা সুৰাৰোপিত হৈ কেবাটাও গীত প্ৰচাৰ হৈছিল। ১৯৩১ চনৰ "বাঁহী"ত (২৩শ বছৰ, ৪ৰ্থ সংখ্যা) প্ৰকাশিত গীত এটি নমুনা হিচাপে দাঙি ধৰা হ'ল।

গীত

শান্ত শীতল কৰুণাৰ কণা বিতৰা প্ৰভু প্ৰাণে
দিয়া শকতি প্ৰেম ভকতি মোৰ এই জীৱনে।
প্ৰাণত জগোৱা নৱ-চেতনা
সঞ্চাৰো শকতি নাশি মোহ কালিমা,
আলোকিত কৰা পথ জ্ঞান আলোক দানে
পবিত্ৰ কৰোৱা হৃদি ভকতি চন্দনে।

এই গীতটিৰ মাজতে পুণ্যপ্ৰভা দাসৰ প্ৰতিভাৰ পৰিচয় পাব পাৰি। ভক্তি প্ৰৱনতা এওঁৰ গীত সমূহৰ মাই লক্ষণ।

৪.৬.০৮. বাসেশ্বৰী খাটনিয়াৰ (১৯০২-১৯৮২)

গোলাঘাটৰ ধনশিৰি পাৰত ১৯০২ চনত বাসেশ্বৰীৰ জন্ম হয়। পিতৃ ভদবাম শইকীয়া আৰু মাতৃ গৌৰী শইকীয়া। "অৰুণ"ৰ কবি যমুনেশ্বৰী খাটনিয়াৰৰ ভনীয়েক বাসেশ্বৰী এগৰাকী শিক্ষয়িত্ৰী, সমাজ-সেৱিকা আৰু আদৰ্শ মাতৃ। "মানিমুণি শাক"ৰ কবি ভৈৰৱচন্দ্ৰ খাটনিয়াৰে যমুনেশ্বৰীক প্ৰথমতে বিবাহ কৰে যদিও কেইবছৰমানৰ পাছতে যমুনেশ্বৰীৰ মৃত্যু হোৱাত ভনীয়েক বাসেশ্বৰীক বিবাহ কৰায়। বাসেশ্বৰীয়ে বায়েকৰ আৰ্হিতে কেইটামান কবিতা আৰু নিবন্ধ ৰচনা কৰিছিল। তেওঁ এগৰাকী অনুবাদিকা আৰু হিন্দী প্ৰচাৰিকা আছিল। ১৯৮২ চনত এই গৰাকী সমাজ-সেৱিকাৰ মৃত্যু হয়।

৪.৬.০৯. হেমপ্ৰভা হাজৰিকা (১৯০৪-)

নগাঁৱৰ বিশ্বৰ ধনকান্ত বৰকাকতিৰ কন্যা হেমপ্ৰভাৰ জন্ম হয় ১৯০৪ চনত। মাতৃ লাৱণ্যময়ী বৰকাকতি। "সেৱালি" কবি ৰত্নকান্ত বৰকাকতি হেমপ্ৰভাৰ ডাঙৰ ককায়েক আছিল। হেমপ্ৰভা হাজৰিকাই কেবাটাও নিবন্ধ আৰু ব্যঙ্গ ৰচনা লেখিছে। "ঘৰজেউতি" আলোচনীত ১৯২৮-৩১ চনৰ ভিতৰত তিনি চাৰিটামান কবিতা ৰচনা কৰা বুলি জনা যায়।

৪.৬.১০. শচীপ্ৰভা দত্ত (১৯১১-১৯৮৬)

শিৱসাগৰৰ পুকানপুখুৰীৰ পাৰৰ নাট্যকাৰ দুৰ্গাপ্ৰসাদ মজিন্দাৰ বৰুৱাৰ জ্যেষ্ঠ কন্যা শচীপ্ৰভাৰ জন্ম ১৯১১ চনত। মাতৃৰ নাম পূৰ্ণকান্তি। শচীপ্ৰভাৰ স্বামী নাৰায়ণচন্দ্ৰ দত্ত এগৰাকী আৱকাৰী বিষয়া আছিল। দত্তৰ ঘৰ যোৰহাটত। শচীপ্ৰভাই "ঘৰজেউতি" আলোচনীৰ পৰাই অসমীয়া সাহিত্যলৈ দুই এটি উপহাৰ দি আহিছে। কবিতা আৰু গদ্য তেওঁৰ লেখাত পোৱা যায়। ১৯৩৩ চনৰ চতুৰ্থবছৰ নৱম সংখ্যা "আৱাহন"ত

প্ৰকাশিত 'সপোন কুঁৱৰী' নামৰ কবিতাটি তেওঁৰ বিবাহ পূৰ্ব ৰচনা হ'লেও কাব্যিক মাধুৰ্য বহন কৰিছে। এই কবিতাত সপোনত কোনোবাই আহি কিবা অমিয়া গীত শুনি যোৱা বুলি তেওঁ অনুভৱ কৰিছিল।

"কিনো কই গ'লা নুবুজিলোঁ মই
জানিবা অমিয়া গান,
হিয়াৰ মাজত বাজিব লাগিছে
মোহন মুৰুলী তান।'

শশীপ্ৰভা দত্তৰ 'গোহাঞি বৰুৱালৈ শ্ৰদ্ধাঞ্জলি', 'কনকলতা' আদি কবিতাই প্ৰতিভাৰ মাধুৰ্য বহন কৰিছে। এই গৰাকী কবিৰ ১৯৮৬ চনত যোৰহাটত মৃত্যু হয়।

৪.৬.১১ লক্ষেশ্বৰী ভূঞা (১৯০৩-১৯৮০)

লক্ষীমপুৰ জিলাৰ গড়েহাগী গাঁৱত ১৯০৩ চনত জন্মগ্ৰহণ কৰা লক্ষেশ্বৰী ভূঞাৰ স্বামী ড° সূৰ্যকুমাৰ ভূঞা। ত্ৰিছৰ দশকৰ পৰা কবিতা ৰচনালৈ মনমেলা কবি গৰাকীৰ 'জয়মতী', 'নাৰী আৰু জান' নামৰ কবিতা দুটি প্ৰখ্যাত। দ্বিতীয়টো কবিতাত নাৰীক ব্ৰহ্মাণ্ডৰ জ্ঞানৰ গৰাকিনী কবি গাৰ্গী, লীলাৱতী আদিৰ সমকক্ষ কৰাৰ কামনাৰ মাজত সুকোমল হৃদয়ৰ গৰাকিনী ভাব প্ৰকট হৈছে।

সৃষ্টি পাতনিতে যিটি ভাবৰ বিকাশ
স্নেহ আৰু কৰুণা সম্ভাৰ,
আজিলৈকে নাৰী তুমি তাৰে অধিকাৰী
তুমি প্ৰেম দয়া অৱতাৰ।'

৪.৬.১২. চন্দ্ৰপ্ৰভা ভূঞা (হাজৰিকা) (১৯০৬-১৯৮১)

চন্দ্ৰপ্ৰভা হাজৰিকাৰ ১৯০৬ চনত যোৰহাটত জন্ম। পিতৃ হ'ল- "জোনাকী" কাকতৰ একালৰ প্ৰকাশক মীনধৰ হাজৰিকা। স্বামী ডিব্ৰুগড়ৰ মাকুমৰ প্ৰিয়নাথ ভূঞা। কন্যায়েক ৰাধানাথ হাজৰিকাৰ প্ৰেৰণাত তেওঁ "বাঁহী" আৰু "আসাম হিতৈষী"ত কবিতা ৰচনা কৰিছিল। পৰবৰ্তীকালত সাংসাৰিক দুৰ্যোগৰ বাবে তেওঁৰ লেখনিয়ে বিকাশ লাভ নকৰিলে। ১৯৮১ চনত চন্দ্ৰপ্ৰভা ভূঞাৰ মৃত্যু হয়।

৪.৬.১৩. মনোৰমা ভট্টাচাৰ্য (১৯১৪—)

কামৰূপ জিলাৰ কুলবিল সত্ৰত ১৯১৪ চনত মনোৰমা দেৱী ভট্টাচাৰ্যৰ জন্ম হয়। পিতৃ পদ্মচন্দ্ৰ গোস্বামী আৰু মাতৃ উজ্জ্বলসুন্দৰী দেৱী। "ঘৰজেউতি" আৰু "আৱাহন"ৰ পাতত মনোৰমাই কেবাটাও কবিতা ৰচনা কৰা বুলি জনা যায়। ১৯৩৬ চন মানত দীননাথ শৰ্মা সম্পাদিত "আৱাহন"ত প্ৰকাশিত 'নাই' কবিতাত পোৱা যায়-

যতনেৰে গঁথা মালা মৰহি শুকাল
জীৱনত আশা একো নাই
অন্তিম জীৱনৰ শেষ দিনাটো
যেগাঁয়েৰে আত্মা বাট চাই।

৪.৬.১৪. কুলেশ্বৰী দত্ত (১৯২০—)

শিৱসাগৰৰ মিছিঙীয়াল গাঁৱৰ কনাৰাম শইকীয়াৰ দুহিতা কুলেশ্বৰী দত্তৰ জন্মস্থান

দিচাংমুখ। ১৯২০ চনত জন্ম গ্ৰহণ কৰা ফুলেশ্বৰী মাতৃৰ নাম আইকণ শইকীয়া। ১৯৪৪ চনত মহেন্দ্ৰপ্ৰসাদ দত্তৰ সৈতে বিবাহ পাশত আবদ্ধ হৈ শিৱসাগৰত শিক্ষয়িত্ৰী জীৱন আৰম্ভ কৰে। ফুলেশ্বৰীয়ে ন বছৰ বয়সতে বিদ্যালয়ৰ মুখপত্ৰ 'দেৱীত 'স্বৰাজ সন্তান' নামৰ কবিতাৰে সাহিত্যত প্ৰবেশ কৰি ত্ৰিছৰ দশকত "আৱাহন"ত ফুল শইকীয়া নামেৰে গল্প ৰচনা কৰিছিল। তেওঁ "বাঁহী", "আৱাহন", "জয়ন্তী", "অৰুণ" আদি আলোচনীৰ পাতত বহুতো কবিতা ৰচনা কৰিছিল যদিও কবিতা-সংগ্ৰহ নাই। ফুলেশ্বৰী দত্ত এগৰাকী সমাজ সেৱিকাও।

৪.৬.১৫. নিশিপ্ৰভা ভূঞা (১৯২৬–)

গোলাঘাটৰ নোগোৰাত ১৯২৬ চনত নিশিপ্ৰভাৰ জন্ম। পিতৃৰ নাম হীৰেশ্বৰ দাস আৰু মাতৃ চাৰুপ্ৰভা দাস। ১৯৩৯ চন মানৰ পৰা দুই এটি কবিতা লেখিবলৈ লোৱা নিশিপ্ৰভাৰ যোৰহাটৰ বঙাল পুখুৰীলৈ বিয়া হোৱাৰ পাছত লেখা-মেলা অতি সেৰেঙা হৈ পৰে। "আৱাহন", "দৈনিক অসমীয়া" আদিত তেওঁৰ কবিতা প্ৰকাশ পাইছিল। সংকলন নাই।

৪.৬.১৬. এইসকলৰ উপৰিও দুষ্প্ৰাপ্য হৈ পৰা আলোচনী-কাকতৰ পাতত বহুতো মহিলা কবিৰ লেখা সম্ভৱত আছিল। আনন্দচন্দ্ৰ আগৰৱালাই উল্লেখ কৰা লেখিকা সকলৰ সৰহসংখ্যকৰ লেখা পাবলৈ নাই। বিছৰ দশকত উল্লেখ কৰিব পৰা দুগৰাকীৰ ভিতৰত হীৰাপ্ৰভা গোস্বামীৰ 'অতীত সপোন' ("বাঁহী", ১৮শ বছৰ, ১৯২৯) আৰু সুপ্ৰভা গোস্বামীৰ "উষা" ("প্ৰভাত" ১৯২৬-২৭) নামৰ কবিতা দুটিত দুয়োৰে সম্ভাৱনা প্ৰকাশ পাইছিল। প্ৰথম গৰাকী পাছৰ কালত সম্পূৰ্ণ নীৰৱ হৈ ৰ'ল আৰু সুপ্ৰভা গোস্বামীয়ে গল্প জগতত প্ৰবেশ কৰিলে। ত্ৰিছৰ দশকৰ গদ্য সাহিত্যত সম্ভাৱনা দেখুৱা কেইগৰাকীমান লেখিকাই কবিতা ৰচনাতো হাত দিছিল। তেওঁলোকৰ ভিতৰত– আজলীতৰা নেওগ, চন্দ্ৰপ্ৰভা বৰুৱা, উষা ভট্টাচাৰ্য, চন্দ্ৰপ্ৰভা শইকীয়ানী, সৌজন্যময়ী ভট্টাচাৰ্য, হেমপ্ৰভা হাজৰিকা আদিক লেখত ল'ব পৰা যায়।

কবিতাৰ বাহিৰেও, যুদ্ধ-পূৰ্ব সাহিত্যত বিয়ানাম, আইনাম, আদি লোক-গীতৰ সংগ্ৰহ আৰু সংৰক্ষণত কেইগৰাকীমান মহিলাৰ নাম উল্লেখ কৰা প্ৰয়োজন। বিয়ানামৰ প্ৰথম সংগ্ৰাহিকা পদ্মাৱতী দেৱীফুকননীৰ পাছত সত্যনাথ বৰাৰ পত্নী ভুবনেশ্বৰী বৰাই "বিয়ানাম" নাৰ পুথিখন ত্ৰিছৰ দশকতে প্ৰকাশ কৰিছিল। ইয়াৰ পাছত অন্নদা দেৱী বৰকটকীৰ (১৮৮১-১৯৬৮) গ্ৰন্থ "নামাঞ্জলী", "বিয়ানাম", "আইনাম", "আসন পতা নাম"; হেমলতা বৰুৱাৰ (১৮৯৬-১৯৮১) "নামতী শৰাইখন"; হীৰাপ্ৰভা বৰুৱাৰ (১৮৯৮-) "নাম-মন্দাকিনী", "নাম-সুধা", আদি; গজময়ী দেৱীৰ (১৯০৩-) "নামমালা" আৰু "ভাগৱতীৰ নাম"; হেমপ্ৰভা গোস্বামীৰ (১৯২৬-) "বিয়ানাম"; উমেশ্বৰী গোস্বামীৰ (১৯১৬-) "নামমালা", চন্দ্ৰাৱতী দেৱী কটকীৰ (১৮৯৭-১৯৭৪) "গুণমালা", "ভক্তমালা", আদি সংগ্ৰহ উল্লেখযোগ্য!

বিয়ানাম, আইনাম, স্তুতিনাম আদি সংগ্ৰহবিলাকত বহুতো নাম প্ৰতি গৰাকীয়েই সংগ্ৰহ কৰা গ্ৰন্থবিলাকত উল্লিখিত হৈছে। উদাহৰণ স্বৰূপে অন্নদা দেৱীবৰকটকীৰ গ্ৰন্থবিলাকত নিকুঞ্জলতা চলিহাৰ "স্তুতিমালা"ৰ কেইটামান গীত পোৱা যায়। এইবিলাক গ্ৰন্থত মহিলা সকলৰ মৌলিকতা নাই আৰু প্ৰতিভাও নিৰ্ণয় কৰা নাযায়। মাথোন লোক সাহিত্য সংৰক্ষণৰ প্ৰচেষ্টাৰূপেই এই বিলাকক উল্লেখ কৰা হৈছে।

পঞ্চম অধ্যায়

ৰমন্যাসিক যুগৰ গদ্য-সাহিত্যলৈ মহিলাৰ দান

৫.১. ৰমন্যাসিক যুগত কাব্য-সাহিত্যই পূর্ণবিকাশ লাভ কৰাৰ দৰেই অসমীয়া গদ্য-সাহিত্যও বিকশিত হৈ পৰে। আধুনিক যুগ আৰম্ভ হোৱাৰ পৰা ১৯৪০ চনৰ ভিতৰত নিবন্ধ-আলোচনা আৰু কাহিনী সাহিত্যই (Fiction) প্রতিষ্ঠা লাভ কৰিবলৈ সক্ষম হয়। এই সময়ছোৱাৰ গদ্য-সাহিত্যত মহিলাৰ বৰঙণিও নিচেই কম নহয়। চতুর্থ অধ্যায়ৰ আৰম্ভণিতে ১৯৩০ চনলৈ সামৰি লেখিকাসকলৰ সংক্ষিপ্ত উল্লেখ কৰা হৈছে। "বাঁহী", "আলোচনী", "মিলন", "ঘৰজেউতি" আৰু "আৱাহন"ৰ জৰিয়তে এই সময়ছোৱাত আত্মপ্রকাশ কৰা লেখিকাসকলৰ সৰহভাগৰ লেখনিত পৰিপক্কতা বিচাৰি পোৱা নাযায়। নিবন্ধবিলাকত মাত্র নাৰীৰ উন্নতি, নাৰীৰ অৱস্থা আদি প্রকাশতে লেখিকাসকল আবদ্ধ হৈ থকা দেখা যায়। মহিলা ৰচিত সাহিত্যিক নিবন্ধ অতি তাকৰীয়া। যেইকি নহওক, ৰমন্যাসিক যুগৰ, যাইকৈ উত্তৰ-জোনাকীৰ যুগৰ পৰা দ্বিতীয় মহা-সমৰৰ আগলৈকে, অসমীয়া সাহিত্যলৈ মহিলাৰ দান পর্যায়ক্রমে এই অধ্যায়ত আলোচনা কৰিবলৈ লোৱা হৈছে।

৫.২. নিবন্ধ-আলোচনালৈ মহিলাৰ দান

উত্তৰ-জোনাকীত্তৰৰ আলোচনী বিলাকত মহিলাৰ লেখা যথেষ্ট সেৰেঙা। কবিতা ৰচনাত কেইগৰাকীমান মহিলাৰ কৃতিত্বহে চকুত পৰে। "চেতনা" আৰু "বাঁহী"ত মহিলাৰ দুই-চাৰিটা লেখা দ্বিতীয় দশকমানৰ পৰা ওলাবলৈ ধৰে, কিন্তু তৃতীয় দশকত কমলালয়া কাকতি আৰু কনকলতা চলিহাৰ সম্পাদিত "ঘৰজেউতি" (১৯২৮ চন) প্রকাশ হ'বলৈ ধৰাত মহিলাসকলৰ মাজত এটি জাগৰণ সৃষ্টি হয়। তদুপৰি, সম-সাময়িক ছাত্র সম্মিলনৰ মুখপত্র "মিলন"তো দুই এগৰাকী লেখিকাৰ আবির্ভাব ঘটিছিল। ১৯২৯ চনত "আৱাহন" আলোচনী প্রকাশৰ লগে লগে অসমীয়া সাহিত্যত এটা নতুন সোঁত প্রবাহিত হ'বলৈ ধৰে।

"বাঁহী"ৰ পাতত কমলাসুন্দৰী বাভাৰ নামত নাৰী সম্পর্কে লেখা[1] একাধিক নিবন্ধ পোৱা যায়। এওঁৰ বিষয়ে সবিশেষ জানিব পৰা হোৱা নাই। কাৰোবাৰ ছদ্মনাম বুলি ধৰাও টান; কাৰণ আনন্দচন্দ্র আগৰৱালাই এওঁক লেখিকাৰ তালিকাত স্থান দি গৈছে। গল্পকাৰ নগেন্দ্রনাৰায়ণ চৌধুৰীৰ পত্নী (!) কিৰণবালা চৌধুৰীৰ 'স্ত্রী-শিক্ষা আৰু স্বাধীনতা'[2] এই সময়ৰ এটা লেখত ল'বলগীয়া নিবন্ধ। বেণুধৰ ৰাজখোৱাৰ পত্নী বসুকুমাৰী ৰাজখোৱানী ডিব্রুগড়ৰ এগৰাকী প্রধান মহিলা নেত্রী আছিল আৰু "বাঁহী"ত 'নাৰী জাগৰণ' নামৰ নিবন্ধ এটা ৰচনা কৰিছিল।[3] দ্বিতীয় দশকতে ঔপন্যাসিকা হিচাপে পৰিচিতা হৈ পৰা স্নেহলতা ভট্টাচার্যৰ 'সাহিত্য আৰু অসমীয়া'[4] সম্ভৱতঃ মহিলাই ৰচনা কৰা সর্ব-প্রথম সাহিত্যিক নিবন্ধ। লাৱণ্যময়ী দেৱীৰ 'ঈশ্বৰে দেখিব'

---

১. নবীনাথ বেজবৰুৱা (সম্পা), বাঁহী", ১৮ শ বছৰ, ১৯২৯, পৃ. ১২০

২. উক্ত পত্রিকা, পৃ. ৪২৬

৩. পূর্বোক্ত পত্রিকা, পৃ. ২৬১

৪. পূর্বোক্ত পত্রিকা, পৃ. ৫২০

নামৰ কথাচিত্ৰ, কমলা দেৱী, প্ৰজাসুন্দৰী দেৱী, ভুৱনেশ্বৰী দেৱী আদিৰ মহিলা সম্পৰ্কে লেখা আৰু সভা-সমিতিৰ কাৰ্য-বিৱৰণীবোৰ সংবাদধৰ্মী– লেখা বুলি ধৰিব পাৰি। "ঘৰজেউতি"ৰ লেখিকাসকলৰ সৰহভাগৰ লেখা আৰু পৰিচয় দুষ্প্ৰাপ্য হৈ পৰিছে। এই সূত্ৰৰ কেইগৰাকীমান নিবন্ধ লেখিকাৰ পৰিচয় দাঙি ধৰা হ'ল।

৫.২.০১. হেমপ্ৰভা দাস (১৮৮৬-১৯৪৫)

ডিব্ৰুগড়ৰ-বিখ্যাত ভূঞা পৰিয়ালৰ মানবেন্দ্ৰ ভূঞাৰ দুহিতা হেমপ্ৰভাৰ জন্ম ১৮৮৬ চনৰ ১০ এপ্ৰিলত। মাতৃৰ নাম দেৱীপ্ৰভা ভূঞা। পিতৃ-মাতৃ উভয়েই স্ত্ৰী-শিক্ষাৰ প্ৰতি আগ্ৰহী হোৱাৰ বাবে ঊনবিংশ শতাব্দীৰ শেষ দশকত ১৮৯৯ চনত বায়েক দুৰ্গাপ্ৰভা আৰু হেমপ্ৰভাক মাইনৰ স্কুলৰ শিক্ষা সম্পূৰ্ণ কৰাৰ পাছত কলিকতাৰ বেথুন কলেজৰ (স্কুল) সপ্তম শ্ৰেণীত ভৰ্তি কৰোৱা হয়। দুয়োগৰাকী বাই-ভনীয়ে এণ্ট্ৰেন্স পাছ কৰাত হেমপ্ৰভাই এফ.এ. শ্ৰেণীত ভৰ্তি হয়। উত্তীৰ্ণ হোৱাৰ পাছত বি. এত নাম ভৰ্তি কৰিছিল যদিও পিতৃ বিয়োগত পঢ়া এৰি অসমলৈ উভতি আহে আৰু ১৯০৬ চনত ডাঃ হৰেকৃষ্ণ দাসৰ লৈতে বিবাহ পাশত আবদ্ধ হয়। ১৯১৩ চনত ডিব্ৰুগড় মডেল স্কুলৰ শিক্ষয়িত্ৰীৰ পদ গ্ৰহণ কৰি ১৯৩৭ চনত অৱসৰ গ্ৰহণ কৰে। ১৯৪৫ চনত হেমপ্ৰভা দাসৰ মৃত্যু হয়। তেওঁ এগৰাকী প্ৰখ্যাত সমাজ সেৱিকাও। "আসাম বান্ধৱ", "বাঁহী" আদি পত্ৰিকাত হেমপ্ৰভাৰ বহুতো নিবন্ধ প্ৰকাশ পাইছিল। "বাঁহী"ৰ সপ্তদশ, অষ্টাদশ বছৰত ওলোৱা প্ৰবন্ধৰ ভিতৰত 'আদৰ্শ ছোৱালী', 'ধনৰ ব্যৱহাৰ', 'ধৈৰ্য্য' আদি উল্লেখ কৰিব পাৰি। এইবিলাক লেখাৰ কিছুমান সংকলন কৰি "জ্ঞানমালা" নামৰ এখন পুথি ১৯৩০ চনৰ ভিতৰতে প্ৰকাশ হৈ পাঠ্য-পুস্তকৰ মৰ্যদা লাভ কৰিছিল।[৫] "সজকথা" নামৰ আন এখন পুথি আনুমানিক ১৯৩৪/৩৫ চনত প্ৰকাশ হৈছিল আৰু প্ৰকাশক আছিল ডাঃ হৰেকৃষ্ণ দাস। এইখনো পঞ্চম-ষষ্ঠ শ্ৰেণীৰ পাঠ্য-ভুক্ত হৈছিল।[৬] হেমপ্ৰভা দাস এগৰাকী অনুবাদিকাও। তেওঁ "শেক্সপীয়েৰৰ গল্প" নাম দি কবি-নাট্যকাৰজনৰ তেৰটা কাহিনী অসমীয়াত প্ৰকাশ কৰিছিল। গ্ৰন্থখনৰ প্ৰকাশকালৰ উল্লেখ নাই। হেমপ্ৰভা দাস এগৰাকী সাংবাদিকো। তেওঁ অম্বিকাগিৰি ৰায়চৌধুৰী, ডাঃ হৰেকৃষ্ণ দাস আদিয়ে প্ৰকাশ কৰা "আসাম-বান্ধৱ" পত্ৰিকাত লেখাৰ লগতে সম্পাদনাত সহযোগ কৰি আৰ্হি-কাকত শুৱৰোৱা পৰ্যন্ত সহায় কৰে। এই গৰাকী মহীয়সী নাৰী মহাত্মা গান্ধীৰ দ্বাৰাও প্ৰশংসিতা হৈছিল। ডাঃ হৰেকৃষ্ণ দাস স্বৰাজ আন্দোলনৰ এগৰাকী নেতা আছিল বাবে গান্ধীজীৰ লগত হেমপ্ৰভাৰ পৰিচয় ঘনিষ্ঠ হৈছিল।

৫.২.০২. ৰাজবালা দাস (১৮৯৩-১৯৮৫)

অসমৰ স্ত্ৰী-শিক্ষাৰ পথিকৃৎ মহিলা ৰাজবালা দাসৰ জন্ম ১৮৯৩ চনৰ ৮ মাৰ্চত ডিব্ৰুগড়ত। পিতৃ ৰমাকান্ত বৰুৱা আৰু মাতৃৰ নাম কমলা বৰুৱা। সেইয়েক দেৱীপ্ৰভা ভূঞাৰ (হেমপ্ৰভা দাসৰ মাতৃ) প্ৰেৰণাত কলিকতাৰ বেথুন কলেজৰ পৰা এণ্ট্ৰেন্স পৰীক্ষাত ১৯১৪ চনত উত্তীৰ্ণ হয় আৰু ১৯২০ চনত স্নাতক পৰীক্ষাত কৃতকাৰ্য হয়। এই সময়তে ডাঃ জ্যোতিষচন্দ্ৰ দাসৰ লৈতে বিবাহ পাশত আবদ্ধ হয়। পাছত প্ৰাইভেটকৈ অসমীয়া বিষয়ত এম. এ. পাছ কৰে। ৰাজবালা দাস শিক্ষাদান, সমাজকৰ্ম, নাৰী-আন্দোলন, স্বদেশী আন্দোলন আদিত সংশ্লিষ্ট হৈ এগৰাকী বিশিষ্টা মহিলা হৈ উঠে। ১৯২৬ চনতে "স্ত্ৰী-শিক্ষাৰ বাবে কেইআষাৰমান" নামৰ পুথিৰে লেখিকা জীৱনৰ আৰম্ভণি

৫. আনন্দচন্দ্ৰ আগৰৱালা, অসমীয়া সাহিত্য সেৱাকিনী, "আৱাহন", ৪ৰ্থ বছৰ, ৫ম সংখ্যা।

৬. নীলা বৰঠাকুৰ (সম্পা.) "লেখিকাৰ জীৱনী", পৃ. ৯৯

কৰে। এই সময়তে "সাহিত্য পাঠ" নামৰ এখন পাঠ্য-পুস্তক প্ৰস্তুত কৰি তাৰ গদ্যাংশ নিজেই ৰচনা কৰে। সাময়িক পত্ৰিকাদিত দুই-চাৰিটা নিবন্ধ ৰচনা কৰা ৰাজবালা দাসৰ পৰৱৰ্তী কালৰ অন্যতম কৃতি হ'ল "ৰামায়ণ কথা" (১৯৬৯) আৰু "মহাভাৰত কথা" (১৯৭০)। নলদময়ন্তী, শ্ৰীবৎস চিন্তা, সাবিত্ৰী সত্যবান, হৰিশ্চন্দ্ৰ উপাখ্যান আদিক লৈ লেখা "পৌৰাণিক আদৰ্শ কাহিনী" এখনি আখ্যানমূলক গ্ৰন্থ। "গীতাবচন" (১৯৬৭) আৰু আত্ম-জীৱনী "তিনিকুৰি দহ বছৰৰ স্মৃতি" (১৯৭১) আন দুখন লেখত লবলগীয়া গ্ৰন্থ। এই গ্ৰন্থখনিত সম্বলিত তথ্যসমূহৰ মূল্য যথেষ্ট। ভাষা দুৰ্বল হ'লেও এই গ্ৰন্থই সাহিত্যৰ আত্ম-জীৱনী বিভাগত এখনি স্থান লব পাৰিছে। ৰাজবালা দাসৰ প্ৰধান সাফল্য হ'ল ১৯৩৯ চনতে অসমৰ প্ৰথম ছোৱালীৰ মহাবিদ্যালয় গুৱাহাটীৰ 'সন্দিকৈ ছোৱালী মহাবিদ্যালয়' প্ৰতিষ্ঠা। এই গৰাকী শিক্ষাপ্ৰাণা মহিলাৰ ১৯৮৫ চনৰ ২৩ এপ্ৰিলত মৃত্যু হয়।

৫.২.০৩. কমলালয়া কাকতি (১৮৯৪-১৯৪৬)

শিৱসাগৰৰ কালীপ্ৰসাদ চলিহা আৰু নিকুঞ্জলতা চলিহাৰ দুহিতা কমলালয়াৰ জন্ম ১৮৯৪ চনত। চৈধ্যবছৰ বয়সত ডিব্ৰুগড়ত হাকিম পদাধিকাৰী কমলচন্দ্ৰ কাকতিৰ সৈতে বৈবাহিক সম্বন্ধ স্থাপন হয়। ১৯০৯ চনত সন্তানৰ জননী হোৱাৰ পাছতে স্বামীৰ দ্বিতীয় বিবাহৰ প্ৰতিবাদত পিতৃ গৃহলৈ উভতি আহে।[৭] ককায়েক তাৰাপ্ৰসাদ চলিহাৰ প্ৰেৰণাত নবৌয়েক কনকলতা চলিহাৰ লগলাগি ১৯২৮ চনৰ পৰা প্ৰথম অসমীয়া মহিলা আলোচনী "ঘৰজেউতি" শিৱসাগৰৰ পৰা প্ৰকাশ কৰে আৰু নাৰী আন্দোলনৰ অংশীদাৰ হয়। স্ত্ৰী-শিক্ষা, নাৰীৰ আত্ম-নিৰ্ভৰশীলতা, নৈতিক চৰিত্ৰ গঠন, যৌতুক প্ৰথা নিবাৰণ আদি নাৰীৰ সমস্যা বিলাক খৰচি মাৰি "ঘৰজেউতি"ত তেওঁ নিবন্ধ লেখিছিল। এই গৰাকী সমাজ সেৱিকা, লেখিকা আৰু সাংবাদিকৰ দুখৰ জীৱন ১৯৪৬ চনৰ ২৪ জুনত গুৱাহাটীত ওৰ পৰে।

৫.২.০৪. কনকলতা চলিহা (১৯০৩-১৯৩৫)

"ঘৰজেউতি"ৰ অন্যতম সম্পাদিকা কনকলতা চলিহাৰ জন্ম ধুবুৰীত ১৯০৩ চনত। পিতৃ উত্তৰ গুৱাহাটীৰ সঙ্গীতাচাৰ্য লক্ষ্মীৰাম বৰুৱা আৰু মাতৃ জাহ্নৱী দেৱী। গড়কাপ্তানী বিভাগৰ চাকৰিয়াল লক্ষ্মীৰাম বৰুৱাৰ ১৯১৪ চনত অকাল মৃত্যু হোৱাত পৰিয়ালটিলৈ দুৰ্যোগ নামি আহিল। কিন্তু, ১৯২০ চনত শিৱসাগৰৰ স্বনামধন্য কালীপ্ৰসাদ চলিহাৰ বৰপুত্ৰ তাৰাপ্ৰসাদ চলিহাৰ লগত কনকলতাৰ বিবাহ হয়। পৰিয়ালৰ বৰ বোৱাৰীৰ দায়িত্ব গ্ৰহণ কৰাৰ উপৰিও বৰ ননদ কমলালয়া কাকতিৰ লগ লাগি "ঘৰজেউতি" সম্পাদনা কৰে। কনকলতাই 'সাময়িক জগত', 'ভিতৰ চোতাল' আদি বিভিন্ন শিতানত নিয়মীয়াকৈ লেখাৰ বাহিৰেও 'বিজ্ঞান সাধিকা মাডাম কুৰী', 'বিপ্লৱ-আন্দোলনত চীনা মহিলা', 'স্বদেশী দিয়াচলাইৰ কাৰখানা', 'মাৰভইচ ই'পচৰ কেমিলি ওৱেলকেয়াৰ' আদি উচ্চ বিষয়ৰ সংবাদ-ধৰ্মী নিবন্ধ ৰচনা কৰিছিল। সাহিত্য-সংগঠন কনকলতাৰ এটি সফল পদক্ষেপ। ১৯৩৫ চনৰ ১২ জানুৱাৰীত এওঁৰ অকাল মৃত্যু হয়।

৫.২.০৫. উষা ভট্টাচাৰ্য, (১৯১৬-১৯৮১)

অগ্নিকবি কমলাকান্ত ভট্টাচাৰ্যৰ দ্বিতীয় কন্যা উষা ভট্টাচাৰ্যৰ ১৯১৬ চনৰ ২৬ ডিচেম্বৰত জন্ম হৈছিল। মাতৃ সুমিত্ৰা দেৱী আৰু বাইদেউ হ'ল বিখ্যাত ঔপন্যাসিকা

---

৭. "লেখিকাৰ জীৱনী"ত জীৱদা কুমাৰী বৰুৱাৰ 'কমলালয়া কাকতি', পৃ. ১৩০ দ্ৰষ্টব্য।

স্নেহলতা ভট্টাচাৰ্য। শৈশৱ কাল কলিকতাত অতিবাহিত হোৱাত তেওঁ অসমীয়াৰ লগতেই বাংলা ভাষাও আয়ত্ত কৰিছিল। গুৱাহাটীৰ কটন কলেজৰ পৰা স্নাতকসহ বি, এ পাছ কৰাৰ পাছত ১৯৩৭ চনত উষা ভট্টাচাৰ্যই কলিকতা বিশ্ব-বিদ্যালয়ৰ পৰা দৰ্শনত প্ৰথম শ্ৰেণীসহ এম, এ, পাছ কৰে। শ্বিলঙৰ লেডী কীন কলেজত লগে লগে যোগদান কৰি ১৯৪৪ চনত অধ্যক্ষ হয় আৰু ১৯৭৭ চনত তেওঁ অৱসৰ গ্ৰহণ কৰে। ডক্টৰ সৰ্বপল্লী ৰাধাকৃষ্ণন প্ৰমুখ্যে দেশৰ আগশাৰীৰ পণ্ডিত-দাৰ্শনিকৰ সান্নিধ্য লাভ কৰি উষা ভট্টাচাৰ্য এগৰাকী সুদক্ষা মহিলা হৈ উঠে। ১৯৮১ চনৰ আঠ চেপ্তেম্বৰত শ্বিলঙৰ নিজ বাসভৱনত মৃত্যুমুখত পৰে। উল্লেখযোগ্য যে উষা অবিবাহিতা আছিল। ছাত্ৰী-জীৱনৰ পৰা সাহিত্য ৰচনাত মনোনিবেশ কৰিবলৈ দেউতাক আৰু বাইদেৱেকে তেওঁক উদগনি দিছিল। ত্ৰিছৰ দশকত "বাঁহী" আৰু "আৱাহন"ত কেবাটাও সাৰগৰ্ভ নিবন্ধ ৰচনা কৰিছিল। তেওঁৰ 'মহৰ্ষি কমলাকান্ত আৰু বৌদ্ধধৰ্ম' এটা তাৎপৰ্যপূৰ্ণ প্ৰবন্ধ।[৮] 'অৰ্ঘ্য' নামৰ কবিতা আৰু 'শেষ পৰিচয়' নামৰ গল্পৰ লেখিকা উষা ভট্টাচাৰ্যৰ (দেৱী) লেখা সমূহৰ সংকলন প্ৰকাশ হোৱা নাই।

৫.২.০৬. নিবন্ধাদি ৰচনাত আৰু কেইগৰাকীমান লেখিকাৰ নাম ল'ব পাৰি। অমৃতপ্ৰিয়া দেৱীৰ (১৮৮৩-১৯৫৫) "সাদিনীয়া অসমীয়া"ত প্ৰকাশিত 'গৰুবিহু আৰু ভাৰতীয় সংস্কৃতি', '১৮৯৭ চনৰ ভূঁইকপ' দুটি উল্লেখযোগ্য ৰচনা। অন্নদা দেৱী বৰকটকীৰ (১৮৮১-১৯৬৮) "বাঁহী"ত (২০শ বছৰ, ২য় সংখ্যা, ১৯৩৩) প্ৰকাশিত 'নাৰীৰ বৰ্তমান কৰ্তব্য'; "বাঁহী"ৰ ১৯শ বছৰ তৃতীয় সংখ্যাত বসন্তলতা হাজৰিকাৰ 'সতীৰ আত্ম-নিৰ্ভৰতা'; "মিলন"ৰ ৭ম ভাগ, ৪ৰ্থ সংখ্যাত (১৯২৯) স্বৰ্ণলতা শইকীয়াৰ 'অসমীয়া শিল্প'; পুণ্যপ্ৰভা দাসৰ 'বিশ্বভাৱ', "ভাৰতীয় আদৰ্শৰ পৰিবৰ্তন' আদি; ১৯৩১ চনৰ "বাঁহী"ত আজলী তৰা নেওগৰ 'নাৰী জাগৰণ আৰু সমাজ সংস্কাৰ' আদি নিবন্ধ .পোৱা যায়। এই সকল লেখিকাই নিজ নিজ লেখা অব্যাহত ৰখা হ'লে অসমীয়া সাহিত্যৰ নিশ্চয় প্ৰচুৰ উন্নতি হ'লহেতেন।

৫.৩. সাধুকথা, শিশু উপযোগী পুথি, ইত্যাদি

প্ৰাক্-জোনাকী কালৰে পৰা সাধুকথা-ৰূপকথাৰ সংগ্ৰহ, পুনৰ্লিখন প্ৰচেষ্টা চলি আহিছে আৰু জোনাকীকালত লক্ষ্মীনাথ বেজবৰুৱাই ইয়াক পৰিপূৰ্ণ কৰি তোলে। লেখিকাসমূহৰ মাজতো সাধু সংগ্ৰহ আৰু প্ৰকাশৰ প্ৰৱণতা এটা দেখা যায়। উত্তৰ-জোনাকী কালৰ লেখিকাসকলেও সাধুকথাৰ পুথি প্ৰণয়নৰ প্ৰতি অনুৰাগ আৰু শিশু-উপযোগী পুথি ৰচনাৰ প্ৰতি স্পৃহা প্ৰকাশ কৰা দেখা যায়। শিশু পুথি ৰচনাৰ প্ৰাতঃস্মৰণীয় লেখিকা অৰুনোদই যুগৰ ইলাইজা হুইটনি ব্ৰাউন; প্ৰাক্-জোনাকী কালত বিষ্ণুপ্ৰিয়া দেৱী আৰু উত্তৰ-জোনাকী কালত উল্লেখ কৰিব পৰা লেখিকা হ'ল,– ত্ৰৈলোক্যেশ্বৰী দেৱীবৰুৱানী, অন্নদা দেৱীবৰকটকী, ৰাজবালা দাস, সুপ্ৰভা গোস্বামী, আজলীতৰা নেওগ ইত্যাদি। আনন্দচন্দ্ৰ আগৰৱালাৰ পত্নী অৰুন্ধতী আগৰৱালাই ৰঘুনাথ চৌধাৰী সম্পাদিত "মইনা"ত সাধুকথা এটি লেখিছিল বুলি জানিব পৰা গৈছে।

৫.৩.০১. ত্ৰৈলোক্যেশ্বৰী দেৱী বৰুৱানী (১৮৭৫-১৯৫৪)

গোৱালপাৰা চহৰত ১৮৭৫ চনত জন্মগ্ৰহণ কৰা ত্ৰৈলোক্যেশ্বৰীৰ পিতৃ পূৰ্ণানন্দ শৰ্মা বৰুৱাই চাকৰি সূত্ৰে সেই সময়ত তাত বাস কৰিছিল। মাতৃৰ নাম মুক্তাৱলী আছিল। ঘৰতে শিক্ষা লাভ কৰাৰ পাছত ১৮৮৮ চনত যোৰহাটৰ জগন্নাথ বৰুৱা বি, এৰ লগত

৮. এই নিবন্ধ "আৱাহন"ৰ ৮ম বছৰ ৭ম সংখ্যা, ১৯৩৭ আৰু 'অৰ্ঘ্য' কবিতাটি সেই বছৰৰে ৪ৰ্থ সংখ্যাত প্ৰকাশ পাইছিল।

বিবাহ হয়। প্ৰথমা পত্নীৰ মৃত্যুৰ পাছত বৰুৱাৰ সাতত্ৰিছ বছৰ বয়সত এই দ্বিতীয় বিবাহ সম্পন্ন হয়। ১৯০৭ চনত জগন্নাথ বৰুৱাৰ মৃত্যু হয়। উল্লেখযোগ্য যে ত্ৰৈলোক্যেশ্বৰীৰ কোনো সতি-সন্ততি হোৱা নাছিল। তেওঁ উচ্চমনা, শিক্ষানুৰাগী আৰু প্ৰগতিশীলা নাৰী আছিল। বিয়াৰ পাছৰে পৰা বহুমূত্ৰ ৰোগত ভুগিছিল যদিও ১৯৫৪ চনতহে ত্ৰৈলোক্যেশ্বৰীৰ মৃত্যু হয়। বৰুৱানী এগৰাকী সু-লেখিকা আছিল। সৰু ল'ৰা-ছোৱালীৰ উপযোগীকৈ তেওঁ বসাল ভাষাৰে সাধুবোৰ বৰ্ণনা কৰি লিখিছে মনকৰে, সম্ভৱতঃ ১৯৩৪ চনত প্ৰথম পুথি "সাধুকথা" প্ৰকাশ কৰে। দ্বিতীয় পুথি "সন্নিয়াৰ সাধু" ১৯৩৭ চনত প্ৰকাশ পাইছিল। "সাধুকথা"ত সোতৰটা সাধু- বান্দৰী, চাউল পুৰীয়া, দুই ভাই, দুখীৰাম, গঙ্গা-যমুনা, কুমাৰৰ ল'ৰা, ভুতুংগহু, চাৰিচোৰ, বাহুনী, বৈদ্য, টেটোন আদিৰ মাজত একোটা নীতিকথা তথা আদৰ্শ প্ৰকাশ পাইছে। দ্বিতীয় পুথি "সন্নিয়াৰ সাধু"তো এনেধৰণৰ সজ আদৰ্শপূৰ্ণ একুৰি সাধুৰ মাজত ধৰ্মৰ জয় আৰু অধৰ্মৰ পৰাজয় দেখুৱা হৈছে। দুয়োখন পুথিয়েই সুধীসমাজৰ আদৰ লাভ কৰিছিল। লক্ষ্মীনাথ বেজবৰুৱা, জ্ঞানদাভিৰাম বৰুৱা, কৃষ্ণকান্ত সন্দিকৈ আদি গুণী-জ্ঞানীসকলেও বৰুৱানীৰ পুথি দুখনক প্ৰশংসা কৰি গৈছে।

৫.৩.০২. অন্নদা দেৱী বৰকটকী (১৮৮১-১৯৬৮)

যোৰহাটৰ বালি গাঁৱত ১৮৮১ চনত জন্ম লাভ কৰা অন্নদা দেৱীৰ পিতৃ যজ্ঞেৰাম পণ্ডিত আৰু মাতৃ ডিম্বেশ্বৰী দেৱী। পিতৃ-মাতৃৰ আদৰ্শত ধৰ্মপ্ৰাণা মহিলা ৰূপে সমাজত প্ৰভাৱ পেলাবলৈ তেওঁ সক্ষম হয়। এগৰাকী নামতী হিচাপেও খ্যাতি যথেষ্ট। যোৰহাটৰে প্ৰখ্যাত দেশকৰ্মী গঙ্গাধৰ বৰকটকীৰ পত্নী অন্নদা দেৱী বৰকটকী সমাজ-সেৱিকা ৰূপেও আগশাৰীৰ। বিভিন্ন লোকগীত সংগ্ৰহ কৰি প্ৰকাশ কৰাৰ উপৰিও তেওঁ "সাধুকথা"ৰ পুথি এখন প্ৰণয়ন কৰি গৈছে। সাধাৰণ সাধু-শ্ৰেণীৰ উপযোগী এই পুথি শিশু-পাঠ্য ৰূপেও গণ্য কৰিব পৰা যায়।

৫.৩.০৩. আজলীতৰা নেওগ (১৯১৩-১৯৪৯)

প্ৰখ্যাত সাহিত্যিক সমালোচক ডিম্বেশ্বৰ নেওগৰ পত্নী আজলীতৰা নেওগৰ পিতৃ আন এগৰাকী প্ৰখ্যাত সাহিত্যিক ডিব্ৰুগড়ৰ বেণুধৰ ৰাজখোৱা। মাক বসুকুমাৰী ৰাজখোৱানী "ঘৰজেউতি"ৰ এগৰাকী লেখিকা আৰু নাৰী প্ৰগতিৰ প্ৰবক্তা, নেত্ৰী আৰু সমাজ সেৱিকা। এই বিখ্যাত পৰিয়ালটোতে ১৯১৩ চনত আজলীতৰাৰ জন্ম আৰু ১৯৩০ চনত শিৱসাগৰৰ কমাৰকুঁৱীয়াৰ প্ৰখ্যাত সাহিত্যিক ডিম্বেশ্বৰ নেওগৰ লগত বিবাহ হয়। সৰুৰে পৰা সাহিত্য চৰ্চা আৰু মাতৃৰ আদৰ্শতে নাৰী আন্দোলনত এওঁ অংশ গ্ৰহণ কৰিছিল। "বাঁহী", "ঘৰজেউতি", "আৱাহন", "ভ্ৰমৰ", "অসমীয়া" আদি পত্ৰ-পত্ৰিকাত কবিতা, নিবন্ধ আদি ৰচনা কৰিছিল। শিশু-সাহিত্য ৰচনা কৰিবলৈ কম সময়তে আজলী তৰাই এখন নিগাজী আসন লাভ কৰিবলৈ সমৰ্থ হয়। ১৯৩১ চনত প্ৰথম গ্ৰন্থ "আলিবাবা আৰু দুকুৰি ডকাইত" প্ৰকাশ পায়। দ্বিতীয় পুথি "সিন্দবাদৰ সাতোটি জলযাত্ৰা" ১৯৩৩-৩৪ চনত আৰু তৃতীয় পুথি "আলাউদ্দিন আৰু এটা আচৰিত চাকি" ১৯৩৯ চনত প্ৰথম প্ৰকাশ হয়।[১] জীৱনীৰ জৰিয়তেও শিশুৰ মানসিক জগত সমৃদ্ধ কৰাৰ মানসেৰে তেওঁ ১৯৩৬ চনত "আনন্দৰাম ঢেকিয়াল ফুকন" নামৰ জীৱনীখন ৰচনা কৰে। আজলীতৰা নেওগৰ লেখনিসমূহ সু-লিখিত আৰু সুখ-পাঠ্য হোৱাৰে সেই সময়ৰ

১. আজলী তৰা নেওগৰ উল্লিখিত পুথি তিনিওখন ১৯৬৪-৬৫ চনত "আৰবীয় উপন্যাস প্ৰযোজনা" নামেৰে শিশুৰ 'ফুলনী-প্ৰকাশে' পুনৰ মুদ্ৰণ কৰে।

সুধী-সমাজে প্ৰশংসা কৰিছিল। তেওঁ কেইটামান গীতো ৰচনা কৰিছিল আৰু নিজেই সু-গায়িকা হিচাপে এইবিলাক গাইছিল। মহিলা-নাট্যাভিনয় প্ৰযোজনা-পৰিচালনা কৰি আজলীতৰাই কৃতিত্বৰ পৰিচয় দিছিল। সকলো দিশতে সুনিপুণা এই মহিলাৰ ১৯৪৯ চনত অকাল মৃত্যু ঘটিল।

৫.৩.০৪. সুপ্ৰভা গোস্বামী (১৯১৭–)

"আৱাহন" কাকতত গল্পলেখিকা হিচাপে প্ৰতিষ্ঠিতা সুপ্ৰভা গোস্বামীৰ "ৰামায়ণ-মহাভাৰতৰ কথা" ১৯৩৯ চনত প্ৰকাশিত হয়। মাত্ৰ ৪১ পৃষ্ঠাৰ এই পুথিখন 'অসম জনশিক্ষা অভিযান'ৰ সপক্ষে ৰচিত হৈছিল। পুথিখন ন-শিকাৰু আৰু শিশুৰ উপযোগী হৈ উঠিছিল।

এই প্ৰসঙ্গত এইকেইগৰাকী লেখিকাৰ লগতে ৰাজবালা দাসৰ নাম লব পৰা যায়। কিন্তু, তেওঁৰ গ্ৰন্থকেইখন উত্তৰ-স্বাধীনতাৰ কালতহে ৰচিত হৈছে।

৫.৪. জীৱনীমূলক ৰচনা

উল্লিখিত কালছোৱাত জীৱনী আৰু জীৱনীমূলক ৰচনাত লেখিকাসকলে বিশেষ পাৰদৰ্শিতা দেখুৱাব পৰা নাই। তেওঁলোকে নাৰীৰ উন্নতি আৰু এই বিষয়ক আন্দোলনত দৃষ্টি নিক্ষেপ কৰাত ভাৰতীয় মহীয়সী নাৰীৰ জীৱনৰ প্ৰতিহে আকৰ্ষিতা হোৱা দেখা যায়। এই প্ৰসঙ্গত কেইটামান মূল্যবান লেখা চকুত পৰে। ত্ৰিছৰ দশকৰ আৰম্ভণিতে মহাদেৱ শৰ্মাৰ পত্নী কুঞ্জলতা দেৱীয়ে "ৰাণী-দুৰ্গাৱতী" নামৰ এখন পুথি প্ৰণয়ন কৰে। স্বামীৰ সহযোগিতাত "জয়মতী"ৰ জীৱনীমূলক পুথি এখন ৰচনা এই সময়তে সম্পূৰ্ণ কৰি তোলে। "দুয়োখন পুথিৰ ভাষা সুন্দৰ হৈছে। আমাৰ মহিলা সমাজত সেই দুখন পুথিয়ে যথোচিত আদৰ পাব বুলি আশা কৰিব পাৰি।"[১০] "জয়মতী" গ্ৰন্থখন সম্পৰ্কে "বাঁহী"ৰ মত হ'ল– "স্বামী-স্ত্ৰী দুইবো যুটীয়া চেষ্টাত এই কিতাপখন সুৱলা গদ্যত ৰচিত।"[১১] ৰায়বাহাদুৰ লক্ষ্মীনাথ বেজবৰুৱাৰ দুহিতা, ডিব্ৰুগড়ৰ ৰোহিনী কুমাৰ বৰুৱাৰ পত্নী আৰু 'মনোমতী' বোলছবিৰ অভিনেত্ৰী ৰত্নাৱলী বৰুৱাই ১৯৩০ চনৰ "বাঁহী"ত "ৰাজা ৰামমোহন ৰায়" নামৰ চমুজীৱনী প্ৰকাশ কৰে।[১২] এই জীৱনী ডিব্ৰুগড়ত অনুষ্ঠিত ৰামমোহন ৰায় স্মৃতি সভাত পঠিত হৈছিল। ৰত্নাৱলী "ঘৰজেউতি"ৰো লেখিকা আছিল। তেওঁ বেজবৰুৱাৰ গানৰ স্বৰলিপি প্ৰকাশ কৰিছিল। ১৯৩১ চনৰ "বাঁহী"ত লক্ষ্মীপ্ৰিয়া দাসৰ 'স্বামী বিবেকানন্দ'[১৩], লীলাদেৱী, এম, এৰ 'পৰম হংস শ্ৰীৰাম কৃষ্ণ', 'দেৱী সাৰদামণি' (১৯৩৭) আদি প্ৰকাশ পাইছিল।[১৪] আজলীতৰা নেওগৰ "আনন্দৰাম ঢেকিয়াল ফুকন" আৰু "গুণাভিৰাম বৰুৱা"– দুখন যোগ্যতা সম্পন্ন চমু জীৱন-কথা। শেষৰখনে অসম সাহিত্য সভাৰ পুৰস্কাৰো লাভ কৰিছিল। ১৯৪০ চন পৰ্যন্ত আজলীতৰা নেওগকে জীৱনী ৰচনাত শ্ৰেষ্ঠাসন দিব পৰা যায়। তথ্য-পাতিৰ নিৰ্ভুলতা আৰু ভাষাৰ বাবেও গ্ৰন্থ দুখনি মূল্যবান।

---

১০. আনন্দচন্দ্ৰ আগৰৱালা, 'অসমীয়া সাহিত্য সেৱিকা', "আৱাহন", ৪ৰ্থ বছৰ, ৫ম সংখ্যা, পৃ. ৫৫৫

১১. "বাঁহী", ২০ শ বছৰ, ৭ম সংখ্যা, ১৯৩১, পুথি সমালোচনা, পৃ. ৩২৯

১২. "বাঁহী", ১৯ শ বছৰ, ৩য় সংখ্যা, ১৯৩০, পৃ. ২৫১–২৫৩

১৩. "বাঁহী" ২০ শ বছৰ, ৬ষ্ঠ সংখ্যা, ১৯৩১, পৃ. ২৫১–২৫৩ আৰু ৭ম সংখ্যা, পৃ. ৩০০–৩০৪ ত প্ৰকাশিত হৈছিল।

১৪. "আৱাহন", ৮ম বছৰ, ৫ম আৰু ৬ষ্ঠ সংখ্যাৰ ক্ৰমে পৃ. ৫০৪, পৃ. ৬৮২ ত ৰচনা দুটি ক্ৰমান্বয়ে প্ৰকাশ পাইছিল।

৫.৫. অন্যান্য ব্যৱহাৰিক-গ্ৰন্থ, পাঠ্য-পুস্তক জাতীয় ৰচনা ইত্যাদি

ৰমন্যাসিক যুগৰ সময়ছোৱাত নাৰীৰ দ্বাৰা প্ৰণীত গ্ৰন্থৰ ভিতৰত আটাইকে ৰন্ধন বিষয়ক কেইখনমান উল্লেখযোগ্য পুথি পোৱা যায়। এই বিষয়ত স্বৰ্ণদাকুমাৰী শইকীয়াৰ নাম প্ৰথমতেই লব লাগিব। ১৮৯৬ চনত ডুমডুমাৰ বিচাখুলী চাহ বাগিছাত জন্মলাভ কৰা শইকীয়ানীৰ পিতৃ-মাতৃ ক্ৰমে মানিক দত্ত আৰু তিলোত্তমা দত্ত। ষোল বছৰ বয়সত ডিব্ৰুগড়ৰ উচ্চমাধ্যমিক স্কুলৰ শিক্ষক লক্ষীমপুৰৰ ৰোহিতাশ্ব শইকীয়াৰ লগত বিবাহ হয়। স্বামীৰ প্ৰেৰণাত গ্ৰন্থ অধ্যয়ন কৰি লেখা-মেলাত লগা শইকীয়ানী "ঘৰজেউতি"ৰো লেখিকা। ১৯২৪ চনৰ পৰা লেখা-মেলা কৰা স্বৰ্ণদা শইকীয়াৰ "ৰান্ধনী বা ৰন্ধন প্ৰণালী" পুথিখনে ১৯২৯ চনত সাহিত্য সভাৰ পুৰস্কাৰ লাভ কৰিলত, ১৯৩০ চনত প্ৰকাশ হৈ ওলাল। পুথিখনত দুশৰো অধিক বিধৰ ৰন্ধন প্ৰণালীৰ ভিতৰত অসমীয়া আৰু সৰ্ব-ভাৰতীয় খাদ্য প্ৰণালী কিছুমানেও ঠাই পাইছে। ১৯৭৭ চনত এই গৰাকী লেখিকাৰ মৃত্যু হয়। ত্ৰিছৰ দশকতে বেজবৰুৱা-পত্নী প্ৰজ্ঞাসুন্দৰী দেৱীৰ দ্বাৰা ৰচিত "ৰন্ধাবঢ়া" পুথিখনে জনপ্ৰিয়তা অৰ্জন কৰিছিল। তেওঁ আমিষ আৰু নিৰামিষ আহাৰৰ বিষয়ে বাংলা ভাষাত ছয়খণ্ডত গ্ৰন্থ এখন ৰচনা কৰা বুলি জনা যায়। হেমলতা বৰুৱা (কাকতি) (১৮৯৬-১৯৮১) ৰচিত "গৃহিনীৰ সাৰথি" আন এখন ৰন্ধন বিষয়ক পুথি। এই পুথিত কাঁহুদি-খাৰলিৰ পৰা কোৰ্মা-কোপ্তালৈকে বিৱৰণ পোৱা যায়। তদুপৰি, বিয়া-বাৰুৰ কিছু নিয়ম-কাৰণো গ্ৰন্থখনত পোৱা যায়। গল্পকাৰ শৰৎচন্দ্ৰ গোস্বামীৰ কন্যা প্ৰতিভা দেৱীয়ে (১৯১১-১৯৩২) মাক ভুবনেশ্বৰী গোস্বামীৰ লগ হৈ ১৯২৬ চনত ৰচনা কৰা "খোৱা-বোৱা" গ্ৰন্থখনো এই বিষয়ৰ এখনি প্ৰসিদ্ধ গ্ৰন্থ।

পাঠ্য-পুস্তক জাতীয় ৰচনাৰ ভিতৰত যমুনেশ্বৰী খাটনিয়াৰৰ "অৰুণ", হেমপ্ৰভা দাসৰ "জ্ঞানমালা"[১৫], ৰাজবালা দাসৰ "সাহিত্য-পাঠ" ৪ৰ্থ ভাগ, এই সময়ছোৱাত মহিলাই ৰচনা কৰা পাঠ্য-পুস্তক।

৫.৬. উপন্যাস সাহিত্যলৈ মহিলাৰ দান

অসমীয়া উপন্যাসৰ জন্মলগ্নত পদ্মাৱতী দেৱীফুকননীৰ দান আৰু বৈশিষ্ট্য তৃতীয় অধ্যায়ত আলোচনা কৰা হৈছে। তেওঁৰ পাছত ১৯৪০ চনৰ ভিতৰত অসমীয়া উপন্যাসত মাত্ৰ দুগৰাকী মহিলাৰ নাম পোৱা যায়। তেওঁলোক হ'ল স্নেহলতা ভট্টাচাৰ্য (দেৱী) আৰু চন্দ্ৰপ্ৰভা শইকীয়ানী।

৫.৬.০১. স্নেহলতা ভট্টাচাৰ্য (দেৱী) (১৯০৪-১৯৭১)

বিংশ শতাব্দীৰ সৰ্বপ্ৰথম মহিলা-ঔপন্যাসিক স্নেহলতা ভট্টাচাৰ্যৰ প্ৰথম উপন্যাস "বীণা" ১৯২৬ চনত প্ৰকাশিত হোৱাৰ লগে লগে ৰমন্যাসিক যুগত মহিলাই উপন্যাস সাহিত্যতো প্ৰথম পদক্ষেপ দিলে। এই গৌৰৱৰ অধিকাৰিনী স্নেহলতাৰ পিতৃ বিখ্যাত অগ্নিকবি কমলাকান্ত ভট্টাচাৰ্য। মাতৃ সুমিত্ৰা দেৱী। ১৯০৪ চনত তেজপুৰত জন্ম গ্ৰহণ কৰা স্নেহলতা সকলে পৰাই বিদুষী আছিল। তেওঁ শৈশৱ কাল ধুবুৰীত কটাৰ লগীয়া হোৱাত পঢ়াশুনাত যথেষ্ট অসুবিধা পাইছিল আৰু বঙলা ভাষাত পঢ়া-শুনা কৰিব লগা হৈছিল। কলেজীয়া শিক্ষা গ্ৰহণৰ সময়তে তেওঁ গুৱাহাটীত শিক্ষকতাও কৰিছিল। সেই সময়তে পত্ৰ-পত্ৰিকাত দুই এটা নিবন্ধ ৰচনা কৰে। এনে সময়তে তেজপুৰৰ শৰৎচন্দ্ৰ বৰুৱা নামৰ এজন যুৱকৰ সৈতে পৰিচয় হয়। চৈখোৱাঘাটত ব্যৱসায় কৰা শৰৎচন্দ্ৰ বৰুৱাৰ সহযোগিতাত স্নেহলতাই বেনাৰস হিন্দু বিশ্ব-বিদ্যালয়ৰ পৰা আই.এ. পাছ

১৫. আনন্দচন্দ্ৰ আগৰৱালা, 'অসমীয়া সাহিত্যৰ লেখিকা' নিবন্ধত উল্লিখিত হৈছে।

কৰে। ইয়াৰ পাছতে, শৰৎ বৰুৱাৰ সৈতে বিবাহ হয় আৰু গুৱাহাটীৰ উজান বজাৰত বাস কৰিবলৈ লয়। স্নেহলতাৰ ব্যক্তিগত জীৱন বৰ সুখকৰ নহয়। নানা দুখ-যাতনাই তাৰাক্ৰান্ত কৰি তোলাত পাছৰ জীৱনত সাহিত্য-চৰ্চাৰ পৰা আতৰি আছিল। ১৯৭১ চনৰ ২৪ এপ্ৰিলত স্নেহলতা দেৱীৰ জীৱন-বন্তি নিৰ্বাপিত হয়।

স্নেহলতাই পিতৃ কমলাকান্ত ভট্টাচাৰ্যৰ দ্বাৰা অনুপ্ৰাণিত হৈ সাহিত্য-জগতত প্ৰবেশ কৰে। তদুপৰি, মৈমনসিংহত পঢ়ি থকা সময়ত লগৰীয়া বাঙালী ছোৱালী এজনীয়ে অসমীয়া উপন্যাস-গল্পৰ কথা জানিব বিচৰাত, সেইবিলাকৰ অভাৱ উপলব্ধি কৰি তেওঁ মাতৃভাষাত উপন্যাস লেখিবলৈ সংকল্প গ্ৰহণ কৰে। এই সংকল্পৰে পৰিণতিত ৰচিত হ'ল "বীণা" (১৯২৬) আৰু "বেমেজালি" (১৯৩৪)। "আমাৰ বিহু" আৰু "সাঁথৰ" নামৰ আন দুখন চুটি উপন্যাস ৰচনা কৰিছিল বুলি জনা যায়।[১৬] "সাঁথৰ" উপন্যাসত বৰ্ণিত কবি গুৰু ৰবীন্দ্ৰনাথৰ শান্তি নিকেতনৰ বৰ্ণনাই শেহতীয়া উপন্যাস বুলি নিশ্চিত কৰে।

"বীণা" ঃ স্নেহলতা ভট্টাচাৰ্যৰ প্ৰথম উপন্যাস "বীণা" ১৯২৬ চনত প্ৰথম প্ৰকাশ হয়। হিন্দু সমাজৰ উচ্চ-বৰ্ণৰ মাজৰ বাল-বিধবা সমস্যাক কেন্দ্ৰ কৰি এই উপন্যাস ৰচিত হৈছে। সামাজিক উপন্যাস হিচাপে সাৰ্থকতাৰ দাবী কৰিব পৰা এই উপন্যাসৰ নায়িকা বীণা এগৰাকী সম্ভ্ৰান্ত বংশীয় বাল-বিধবা। দেউতাক নগেন বৰুৱা দূৰদৃষ্টি সম্পন্ন উদাৰ মনৰ মানুহ আছিল। চিৰকাল পৰৰ অনুগ্ৰহ প্ৰাৰ্থিনী নকৰি আত্ম-নিৰ্ভৰশীলা কৰি তোলাৰ মানসেৰে তেওঁ জীয়েকক কলিকতাৰ ব্ৰাহ্মসমাজৰ বালিকা বিদ্যালয়ত পঢ়িবলৈ পঠালে। তাতে সখীয়েক বা বান্ধবী অমিয়াৰ ককায়েক বিলাত ফেৰত প্ৰকাশৰ সৈতে পৰিচয় ঘটে। প্ৰকাশ নৈষ্ঠিক গোসাঁইৰ ল'ৰা যদিও, দেউতাকৰ মতৰ বিৰুদ্ধে গৈ মনে-মনে বিলাতলৈ যোৱাত ত্যাজ্যপুত্ৰ হ'ব লগাত পৰিছিল। আনহাতে বিলাতৰ পৰা ঘূৰি আহি উচ্চ-বৰ্ণ সমাজখনত প্ৰকাশ্যে স্থান নোপোৱাত কলিকতাতে বৈ গ'ল। ভনীয়েক অমিয়াৰ জৰিয়তে বীণাৰ লগত ঘনিষ্ঠ হৈ উঠিল আৰু পাৰস্পৰিক ভাবে আকৰ্ষণ অনুভৱ কৰিলে। প্ৰকাশক পাবলৈ হৃদয় ব্যাকুল হৈ উঠিলেও বীণাই নিজৰ বৈধব্য আৰু সমাজৰ অনুশাসন পাহৰি যোৱা নাছিল। ব্ৰাহ্ম-স্কুলৰ শিক্ষায়ো তাইৰ কুমলীয়া মনৰ কু-সংস্কাৰবোৰ নিঃশেষ কৰিব পৰা নাছিল। ফলত, বীণা দ্বিধাগ্ৰস্ত হৈ সমাজৰ নিষেধাজ্ঞা আৰু হৃদয়ৰ আকাংক্ষাৰ উভয় সংকটত জ্বলা-কলা হৈ গভীৰ অন্তৰ্দ্বন্দ্বত উপনীত হ'ল। অৱশেষত হৃদয়ৰ আহ্বান বিবেকৰ দ্বাৰা সমৰ্থিত হৈ নায়ক-নায়িকা প্ৰকাশ-বীণাৰ মিলন ঘটিছে।

পশ্চাৎ-অৱলোকন পদ্ধতিৰে (flash-back) কাহিনী উপস্থাপনত লেখিকাই কৃতকাৰ্যতাৰে অতীত কাহিনীক বৰ্তমানলৈ টানি আনিছে আৰু নাটকীয় পৰিস্থিতি সৃষ্টিত দক্ষতা প্ৰদৰ্শন কৰিছে। বৰ্ণ-হিন্দুৰ বাল-বিধবা সমস্যা সমাধান কৰোঁতে ব্ৰাহ্মমতানুযায়ী কাহিনীভাগ গঠিত হৈছে। উল্লেখযোগ্য যে এই উপন্যাস স্নেহলতাৰ গাভৰু বয়সৰ ৰচনা আৰু সেই সময়ত পিতৃ কমলাকান্ত ভট্টাচাৰ্যৰ পৰিয়ালটি ব্ৰাহ্মমতৰ সমৰ্থক আছিল। চহৰীয়া মধ্যবিত্ত সমাজত সেইকালত বিধবা-বিবাহে আলোড়ন সৃষ্টি কৰিছিল। "বীণা" উপন্যাসৰ বাবে এনে এখন সমাজকে গ্ৰহণ কৰা হৈছে। ঘৰুৱা জীৱনৰ চিত্ৰবোৰ বাস্তৱসন্মত ৰূপত সজীৱ ৰূপত বৰ্ণিত হৈছে যদিও এই ঘটনাসমূহৰ যোগসূত্ৰ ৰক্ষা কৰাত লেখিকাই উজুটি খাইছে। মাজে মাজে ভাষাতো আউল লগা দেখা যায়। ঘটনাৰ আকস্মিক পৰিবৰ্তন, পাৰস্পৰিক সম্পৰ্কহীনতা আদিয়ে কাহিনীৰ গতি আৰু প্ৰকৃতিত ঠায়ে ঠায়ে ব্যাঘাত ঘটালেও মানসিক দ্বন্দ্ব ফুটাই তোলাত তেওঁ কৃতকাৰ্য হৈছে।

১৬. "লেখিকাৰ জীৱনী" দ্ৰষ্টব্য। পৃ. ২৪২

চৰিত্ৰ-চিত্ৰণত জটিলতা নাই। নায়িকা বীণাৰ চৰিত্ৰই প্ৰাধান্য বিস্তাৰ কৰিলেও চৰিত্ৰটো সবল। বীণাৰ জৰিয়তে সমাজৰ পৰম্পৰাগত অনুশাসন এটা বস্তুৰ মাজেদি ভঙ্গ কৰি নাৰী প্ৰগতিৰ নতুন আহ্বান প্ৰতিষ্ঠা কৰা হৈছে। সামাজিক ৰীতি আৰু হৃদয়ৰ দ্বন্দ্বত, হৃদয়েই জয়ী হৈছে। কাহিনীৰ এই সংঘাত ব্যক্তিনিষ্ঠতাকে বেছি সমাজনিষ্ঠ হোৱাত আৰু ইয়াৰ পৰিণতিত নব-দিগন্ত উদ্ভাসি উঠাত কাহিনীয়েই নহয়, চৰিত্ৰবোৰো সবল হৈ পৰিল। বীণাৰ স্বাভাৱিক দুৰ্বলতাও পৰিস্থিতিত পৰি শেষ হৈ গৈছে। বীণা বাল-বিধৱাৰ বৈবাহিক হক প্ৰতিষ্ঠাৰ এটি অৱলম্বন ৰূপেহে পৰিগণিত হৈছে। উপন্যাসখনৰ আনটো নাৰী চৰিত্ৰ অমিয়াৰ মধ্যস্থকাৰিনী ভূমিকাত মানবীয়তা আৰু যুগ-সচেতনতা প্ৰকাশ পাইছে। তাইৰ ভাতৃ-স্নেহো এটা উল্লেখনীয় দিশ। নায়ক প্ৰকাশ কিছুক্ষেত্ৰত সবল হ'লেও তাৰ উপযুক্ত চিত্ৰণ উপন্যাসখনত নঘটিল। "মুঠতে, কিছু পৰিমাণে উদ্দেশ্যধৰ্মী হ'লেও আৰু কাহিনী ৰচনাত যথেষ্ট দুৰ্বলতা থাকিলেও, সম-সাময়িক আন সামাজিক উপন্যাসৰ তুলনাত এই উপন্যাস আদৰণীয়।"[১৭]

"বীণা" উপন্যাসৰ মূল ঘটনা বিন্যাসৰ লগতে স্ত্ৰী-শিক্ষাৰ অৱস্থা, নৈতিকতাৰ নামত কু-সংস্কাৰাচ্ছন্ন সমাজ, পমুৱা মুছলমানে থলুৱালোকৰ ওপৰত কৰা অত্যাচাৰ আদি প্ৰাসঙ্গিক ভাৱেই বৰ্ণিত হৈছে। গ্ৰাম্য-সমাজৰ শিক্ষা, স্বাস্থ্য ৰক্ষা জ্ঞানৰ অভাৱ, কানিৰ ব্যৱহাৰ, ক'লাজ্বৰৰ দৰে মহামাৰীত মৃত্যু, আধুনিক চিকিৎসাৰ অভাৱ আদি লেখিকাই সুন্দৰকৈ দাঙি ধৰি সমাজ-সচেতন মনৰ পৰিচয় দিছে। এইদৰে, সম-সাময়িক যুগৰ ছাপ "বীণা" উপন্যাসত উপলব্ধি কৰা যায়। মহাত্মা গান্ধীৰ অসহযোগ আন্দোলনৰো (১৯২১) পৰশ এটিও উপন্যাসখনত লাগি ৰৈছে। মুঠতে, বিংশ শতাব্দীৰ প্ৰথম ভাগৰ অসমীয়া সমাজৰ এখনি চিত্ৰ হিচাপে এই গ্ৰন্থৰ তাৎপৰ্য ৰক্ষিত হৈছে। প্ৰথম দহখন সামাজিক উপন্যাসৰ এখন হিচাপে "বীণা"ৰ ঐতিহাসিক গুৰুত্ব কম নহয়। তদুপৰি, মহিলা ৰচিত এইখনেই প্ৰথম সফল উপন্যাস।

বেমেজালি : স্নেহলতা ভট্টাচাৰ্যৰ (বেজবৰুৱা) দ্বিতীয় উপন্যাস "বেমেজালি"ৰ প্ৰথম প্ৰকাশ কাল সম্পৰ্কে দুটা মত দেখা যায়। গ্ৰন্থখনৰ ১৯৭৫ চনত প্ৰকাশিত দ্বিতীয় সংস্কৰণৰ উল্লেখ মতে "বেমেজালি"ৰ প্ৰথম প্ৰকাশ হৈছিল ১৮৪৯ শক বা ১৯২৮ চনৰ প্ৰথম ভাগত। কিন্তু ড° সত্যেন্দ্ৰনাথ শৰ্মাই "অসমীয়া উপন্যাসৰ ভূমিকা"ত প্ৰথম প্ৰকাশ ১৯৩৪ চন বুলিহে উল্লেখ কৰিছে। ড° শৰ্মাৰ মতক নিসন্দেহে গ্ৰহণ কৰিব যিদৰে পৰা নাযায়, সেই একেদৰেই বৰ্জনো কৰিব পৰা নাযায়। আনন্দচন্দ্ৰ আগৰৱালাই 'অসমীয়া সাহিত্য সেৱকিনী' প্ৰবন্ধত এইখন গ্ৰন্থ উল্লেখ নকৰাৰ্লে চাই ত্ৰিছৰ পাছৰ ৰচনা যেনহে লাগে। অন্যহাতে, প্ৰথম সংস্কৰণৰ গ্ৰন্থখন দুষ্প্ৰাপ্য হোৱাত সঠিক সময় নিৰ্ধাৰণ কৰা কঠিন।

"বেমেজালি" প্ৰথমখনৰ দৰেই সামাজিক উপন্যাস হ'লেও, সকলো দিশতে প্ৰথমখনতকৈ দুৰ্বল। কাহিনীৰ খেলিমেলি, চৰিত্ৰ-চিত্ৰণৰ দুৰ্বলতা, ভাষাৰ ভুল ব্যৱহাৰ আদিৰ পৰা "বীণা"তকৈ আগৰ ৰচনা যেনহে লাগে।

"বেমেজালি"ৰ কাহিনী যৌগিক ধৰণৰ। ইয়াৰ মুখ্য সম্পদ হ'ল নায়ক অমৰৰ প্ৰেম। উপ-কাহিনী হিচাপে বাতিয়া সোণপাহীৰ কাহিনীটোৰ সঙ্গতি দেখা যায়। কিন্তু উপন্যাসৰ আৰম্ভণিতে আঙঠি এটাক কেন্দ্ৰ কৰি সৃষ্টি হোৱা কাণ্ড-কাৰখানাই মূল কাহিনীত বেমেজালিহে সৃষ্টি কৰিছে। যোগসূত্ৰ দুৰ্বল হ'লেও কাহিনীত তিনিটা স্তৰ

---

১৭. সত্যেন্দ্ৰনাথ শৰ্মা, "অসমীয়া উপন্যাসৰ ভূমিকা", ১৯৬৫, পৃ. ১৪০

পৰিলক্ষিত হয়। প্ৰথম স্তৰত ৰকৰা উকীলৰ চৌবিছ পঁচিছ বছৰীয়া ল কলেজৰ ছাত্ৰ, পশ্চিমীয়া উপন্যাসৰ ভক্ত অমৰৰ প্ৰেমত পৰাৰ অশান্ত আকাংক্ষা প্ৰকাশ পাইছে। সৰস্বতী পূজা উপলক্ষে অনুষ্ঠিত নাট্যাভিনয় চাবলৈ অহা সুন্দৰী গাভৰু এগৰাকীৰ প্ৰতি অহেতুক প্ৰেমাকাংক্ষা আৰু তাকে লৈ কল্পনা প্ৰবল অমৰৰ মনত তীব্ৰানুভূতিৰ জাগৰণ হৈছে আৰু তাক প্ৰবল কৰি তুলিছে হেৰাই পোৱা আঙঠি এটাই। এই পৰ্যন্ত অমৰৰ উন্নাউল মনৰ চিত্ৰন দেখা যায়। আঙঠিৰ পমখেদি আহি বুঢ়ী এজনী আৰু ৰকৰা উকীলৰ মাজৰ ঘটনাৰ অবিশ্বাস্য যুক্তিহীন হাস্যাস্পদ অৱস্থাই কাহিনী আৰু নায়ক উভয়কে দুৰ্বল কৰিছে। তেনে গ্ৰাম্যতাত বুঢ়ীজনী অস্বাভাবিক নহ'লেও, উকীল ৰকৰাৰ কাৰ্যই হাস্যকৰ ৰূপহে প্ৰকট কৰি তুলিলে। এই ঘটনাৰ অসংযত গতিত অমৰৰ মাকে লোৱা ভূমিকাই কিছু গতি নিয়ন্ত্ৰণ কৰাত সাফল্য লাভ কৰিছে। কাহিনীৰ দ্বিতীয় স্তৰ আৰম্ভ হৈছে অমৰৰ বিবাহিতা ভনীয়েক সেউতীৰ মুখৰ পৰা তাৰ বাবে চাই থোৱা হাজৰিকা উকীলৰ জীয়েক কলেজীয়া গাভৰু মাধুৰীৰ সম্বেদ পোৱাৰ লগে লগে। অমৰৰ মাক আৰু মাধুৰীৰ মাক দুয়ো গৰাকী সখী হোৱাৰ সূত্ৰেই এই সম্বন্ধৰ পৰিকল্পনা কৰি ৰখা হৈছে। অমৰে প্ৰথমে কাল্পনিক প্ৰণয়ৰ অভিঘাতত বিয়া নকৰায় বুলি কলেও মাধুৰীক দেখা পাই পাবলৈ ব্যগ্ৰ হৈ উঠিছে আৰু সংশ্ৰব কৰিবলৈ প্ৰয়াস কৰিছে। ইয়াৰ সুবিধা বিচাৰি মাধুৰীৰ ককায়েক বিলাতৰ পৰা অহাত খবৰ কৰিবলৈ অমৰ গৈছিল আৰু মধুময়ৰ দ্বাৰা মাধুৰীৰ লগত কথা-বতৰা পতাৰ সুযোগ আহিছিল যদিও নিজৰ দুৰ্বলতাৰ বাবে সেই সুযোগ গ্ৰহণ নকৰি গুচি আহিল। আকৌ অমৰহঁতৰ ঘৰত পতা ভোজ এটালৈ মাধুৰীক নানি বিবাহ পূৰ্বে গাভৰু ছোৱালীক শহুৰেকৰ ঘৰলৈ অনা অযুগুত ভাবি মাকে দুৰণিৰ মোমায়েকৰ ঘৰলৈ পঠাই দিলে। অমৰে এইবাৰো মাধুৰীৰ লগত সংশ্ৰব কৰাৰ সুবিধা নোপোৱাত মৰ্মাহত আৰু ক্ষুব্ধ হৈ মাধুৰী দেখাত ক'লা বুলি বিয়াত অসম্মতি জনালে। কাহিনীৰ তৃতীয় স্তৰত সম্ভৱতঃ মনৰ দুখতে ঘৰৰ পুৰণি লগুৱা বাতিয়াৰ লৈতে গাঁৱলৈ গৈছে। সেই গাঁৱৰ ধুনীয়া গাভৰু বাঙলীক দেখি অমৰ মুগ্ধ হৈ পৰিল। বাঙলীও সমানেই মুগ্ধ হৈ পৰিলেও তাইক সোণপাহীৰ পুত্ৰ পুতায়ে ভাল পাই আছিল। অমৰ-বাঙলীৰ মনোভাব বুজি পুতাই ক্ষুব্ধ হৈ উঠিছে আৰু ঘটনাই গাঁৱত মেল-চপোৱা অৱস্থালৈ গতি কৰিছে। এই পৰ্যায়তে বাতিয়া সোণপাহীৰ সম্বন্ধ, বঙাই-সোণপাহী ইত্যাদি উপকথা ঘটনাৱলীও ইয়াতে সংযুক্ত হৈছে। মেলত বাতিয়াই কৌশলেৰে অমৰক ৰক্ষা কৰিছে আৰু বাঙলীয়ে নগৰীয়া ডেকাৰ লগত যোৱাতকৈ ব্ৰহ্মজান নদীত জাপ দি মৰিব বুলি স্পষ্ট কৰি দিয়াত মেলৰ গতি সলনি হৈ পৰিল। বাতিয়া-অমৰ ইয়াৰ পাছত ব্ৰহ্মপুত্ৰইদি জাহাজত গৃহাভিমুখী হ'ল। তেজপুৰত সেই জাহাজত উঠিল মধুময়, লগত মাধুৰী। মাধুৰীয়ে জাহাজত বাতিয়াক দেখা পাই অমৰকো বিচাৰি উলিয়ালে। মধুময়হঁতৰ কেবিনলৈ অমৰ আহিল। মধুময়ে তাক আহ্বান জনালে। কিন্তু, সি পূৰ্ণ সুযোগ গ্ৰহণ কৰিব নোৱাৰিলে। মাধুৰীৰ ওচৰত তাৰ লাজ লাগিল। চাহ পৰিবেশনৰ সময়ত মধুময়ে সিহঁতক সহজ কৰাৰ যত্ন কৰি মানসিক সংযোগ আনি দিলে। অমৰ-মাধুৰীৰ সম্বন্ধ-স্থাপনৰ ইঙ্গিতময়তাৰ মাজত উপন্যাসখনৰ সামৰণি পৰিছে। অমৰৰ প্ৰণয়াসক্তিৰ এইয়ে পৰিণতি।

কিছুমান অনৰ্থক উপ-ঘটনা সংযোগ নকৰাকৈ সংযত ভাবে মূল কথাখিনি দাঙি ধৰা হ'লে এইখন উপন্যাসতো লেখিকা সাৰ্থক হ'লহেঁতেন। আঙঠিৰ ঘটনাখিনি অৰ্থবহ কৰিব নোৱাৰাত অতিৰঞ্জন অৱস্থা এটাৰ সৃষ্টি কৰাৰ লগেই সোণপাহীৰ গীতনীয়া বৰ্ণনাই মূল কাহিনীলৈ বিসঙ্গতিহে আনিলে। বাতিয়াৰ চৰিত্ৰ স্ফুটনৰ বাবে অতি সংক্ষিপ্তকৈ এইখিনি দাঙি ধৰা হ'লে সাৰ্থক হ'লহেঁতেন। সামৰণি অৰ্থবহ হোৱাৰ বাবে

নিখুঁত অৱস্থা এটা উপন্যাসখনত বিচাৰি পোৱা নাযায়। তদুপৰি শব্দচয়ন আৰু বাক্যৰীতিৰ দুৰ্বলতা, অস্পষ্টতা আৰু দুৰ্বোধ্যতাই উপন্যাসখনৰ সৌন্দৰ্য নাশৰ কৰিলে। তেনে ধৰণৰ দুটামান উদাহৰণ দাঙি ধৰিব পাৰি। – "....... অমৰৰ বাণ্ডলী ছিঙি বতাহত উৰুৱাবৰ বাবে জপৰীয়া মাধুৰী। মাধুৰীয়ে তেওঁক নিজিকিলে কেলেই? স্পন্দন অমৰৰ বুকুত ন নচালে কিয়? যৌৱনে তেওঁৰ দুৱাৰত খিখল ক'লা পৰ্দা ভৰিলে, এই আত্মাৰ ঘৰত মাধুৰীলৈ সম্মান নাই, অতৰ মূল্য মাধুৰীক বেচি তেওঁৰ আকুলতাৰ নিৰ্বান কৰাৰ দিন যে নাতৰিল।" আকৌ– "মাধুৰীলৈ চাই অমৰে চকু নৈ নৈ পেলালে– অভিমানী নৈয়ে তেতিয়া জাহাজ চকাৰ আক্ৰোহত তৰণে তৰণে বাখৰি পাৰত কোবাই পৰিছে।" ইত্যাদি। অনুভূতিৰ চিত্ৰন অথবা আবেগময় অৱস্থাৰ বৰ্ণনা কৰিবলৈ গৈ এইদৰেই তেওঁ অকৃতকাৰ্য হৈ পৰিছে।

চৰিত্ৰ চিত্ৰনতো বিশেষৰ চকুত নপৰে। নায়ক অমৰে পশ্চিমীয়া উপন্যাস পঢ়ি প্ৰেমত পৰিবলৈ যি আবেগ প্ৰবনতাৰ আশ্ৰয় লৈছে, তাত অস্বাভাৱিকতা বিদ্যমান। যেইকোনো ছোৱালীৰ লগত সংশ্ৰৱ কৰাই যেন তাৰ প্ৰেমৰ স্বৰূপ। আণ্ডঠিৰ ঘটনাত দেউতাকে তাক ত্যাজ্যপুত্ৰ কৰাৰ ভাবুকি দিওঁতেও সি প্ৰতিবাদ নকৰা, মাধুৰীৰ সংশ্ৰৱ বিচাৰি সফল নহৈ ক'লা বুলি নিন্দা কৰা আৰু গাঁৱৰ ছোৱালী বাণ্ডলীৰ প্ৰেমত অস্থিৰ হৈ উঠা ঘটনাৰ মাজত ক'তো তাৰ সবলতা প্ৰকাশ পোৱা নাই। তাৰ মনৰ অস্থিৰতা আৰু অনিশ্চয়তাৰ বাবে শেষ ত্বৰতো তাৰ মাধুৰীৰ ওচৰ চপাৰ সাহস হোৱা নাই। মাধুৰী চৰিত্ৰৰ বিকাশ নহ'ল যদিও অমৰতকৈ স্পষ্ট বুলিব পাৰি। অমৰৰ মাক কিছু স্পষ্ট। মধুময়ক যথাযথ বুলিব পৰা যায়। বকৰা উকীলৰ চৰিত্ৰত আভিজাত্যৰ ওফন্দা গৌৰৱতকৈ একো নাই। উকীল হ'লেও যুক্তিৰ মৰ্যদা তেওঁ দিব পৰা নাই। বাতিয়াৰ চৰিত্ৰত কিছু পৰিমাণে বাস্তৱনিষ্ঠতা প্ৰকাশ পাইছে।সোণপাহী উপন্যাসত অপ্ৰয়োজনীয় হ'লেও চৰিত্ৰৰ উজ্বলতা দেখা যায়। মৌজাদাৰ শোষণৰ প্ৰতীক আৰু অসৎ মনোবৃত্তিৰ পৰিচায়ক। মূল কাহিনীত এই চৰিত্ৰৰ প্ৰয়োজন নাছিল বুলিব পাৰি।

"বেমেজালি"ত কিছুমান সামাজিক বৈশিষ্ট্য "বীণা"ৰদৰেই দৃষ্টিগোচৰ হৈছে। বিংশ শতাব্দীৰ পৰিবৰ্তিত সমাজ আৰু যুৱ-মানসিকতাৰ পৰিচয় ইয়াৰ মাজত পোৱা যায়। অসমত থিয়েটাৰ, পূজা-পাৰ্বন, বৃত্তিমূলক শিক্ষা, আইনৰ প্ৰসাৰ, স্ত্ৰী-শিক্ষাৰ প্ৰসাৰ, ব্ৰাহ্মমতৰ বিধবা বিবাহ, প্ৰেম-প্ৰীতিৰ প্ৰতি সমৰ্থন, গ্ৰাম্যজীৱনৰ বৰ্ণনা, মেল-দোৱানৰ দ্বাৰা অপৰাধ বিচাৰ, মৌজাদাৰ আদিৰ অত্যাচাৰ, উৎপীড়ন, শোষণ, উকীল, হাকিম, বিচাৰালয় আদিৰ স্বৰূপ, অন্ধবিশ্বাস আদি উপন্যাসখনত পোৱা যায়। গতিকে, বিংশ শতাব্দীৰ আগছোৱাৰ এখন চিত্ৰ হিচাপে ইয়াৰ মূল্য এটি আছে।

৫.৬.০২. চন্দ্ৰপ্ৰভা শইকীয়ানী (১৯০১-১৯৭২)

বিংশ শতাব্দীৰ দ্বিতীয় গৰাকী ঔপন্যাসিকা হ'ল চন্দ্ৰপ্ৰভা শইকীয়ানী। ১৯৩৭ চনত "পিতৃ-ভিঠা" নামৰ উপন্যাস ৰচনাৰে সাহিত্যত সু-পৰিচিতা হৈ উঠা এই গৰাকী লেখিকাৰ জন্ম হৈছিল ১৯০১ চনত। কামৰূপ জিলাৰ দৈ-সিঙৰী গাঁও তেওঁৰ জন্মস্থান। পিতৃৰ নাম ৰতিৰাম শইকীয়া আৰু মাতৃৰ নাম গঙ্গাপ্ৰিয়া শইকীয়া। ১৯১১ চনত প্ৰাথমিক শিক্ষা শেষ কৰি ছোৱালী স্কুলৰ অভাৱত প্ৰথমতে বৈঠালমাৰিৰ ল'ৰাৰ এম, ভি, স্কুলত ভনীয়েক ৰজনীপ্ৰভাৰ সৈতে ভৰ্তি হয়। ইয়াৰ পাছত নগাঁৱৰৰ মিছন স্কুলত পঢ়িবলৈ বৃত্তি লাভ কৰি দুয়ো বাই-ভনী নগাঁও পায়হি। শিক্ষা লাভ কৰি চন্দ্ৰ প্ৰভাই অকয়া নামৰ ঠাইত স্কুল স্থাপনত সহায় কৰিছিল আৰু ইয়াৰ পাছত "তেজপুৰৰ এখন এম, ভি, স্কুলত প্ৰধান শিক্ষয়িত্ৰী পদত অধিষ্ঠিতা হয়। তেজপুৰতে সেই সময়ৰ বিশিষ্ট

সাহিত্যিক দণ্ডিনাথ কলিতাৰ লৈতে গান্ধৰ্ব প্ৰথাত বিবাহ হয়।[১৮] কিন্তু, বিয়াখন অসবৰ্ণ হোৱাত, সমাজৰ সেই সময়ৰ কৰ্ণধাৰ সকলে স্বীকৃতি নিদিয়াত কলিতাই চন্দ্ৰপ্ৰভাক এৰি আন এগৰাকীক বিয়া কৰাবলৈ ওলোৱাত চন্দ্ৰপ্ৰভাই পুত্ৰ সন্তানটি বুকুত সাৱটি স্বামীগৃহ ত্যাগ কৰি পিতৃ-ভেটি পালেহি। তেতিয়াৰে পৰা তেওঁ নানা দুৰ্যোগৰ মাজত সাহস, সত্যনিষ্ঠা আৰু নিৰ্ভীক মনোবৃত্তিৰ বাবে এগৰাকী সংগ্ৰামী মহিলা হিচাপে আত্ম-প্ৰতিষ্ঠা লাভ কৰিলে। নাৰী-প্ৰগতিৰ লগতে আন কিছুমান সমাজ-সংস্কাৰতো তেওঁ আগভাগ লৈছিল। ১৯২১চনত মহাত্মা গান্ধীৰ লৈতে তেজপুৰত সাক্ষাত লাভ কৰাৰে পৰা তেওঁ স্বৰাজ আন্দোলনত অংশ গ্ৰহণ কৰি একাধিকবাৰ কাৰাবাস খাটিব লগাত পৰে। দেশে স্বাধীনতা লাভ কৰাৰ পাছত শইকীয়ানীয়ে সমাজ-সেৱাক জীৱনৰ ব্ৰত ৰূপে গ্ৰহণ কৰে। তেওঁৰ জীৱন-জোৰা বৈপ্লৱিক কৰ্মধাৰা আৰু সমাজ সেৱাৰ স্বীকৃতি ৰূপে ১৯৭২ চনত ভাৰত চৰকাৰৰ পৰা 'পদ্মশ্ৰী' উপাধি লাভ কৰে। ইয়াৰ অলপ দিনৰ পাছতে, ১৯৭২ চনত ১৬ মাৰ্চত চন্দ্ৰপ্ৰভা শইকীয়ানীৰ মৃত্যু হয়।

'আৱাহন যুগ'ৰ লেখিকা হিচাপে চন্দ্ৰপ্ৰভা শইকীয়ানীৰ অসমীয়া সাহিত্যত এখন বিশেষ স্থান আছে। "আৱাহন"ৰ পাতত গল্প-লেখিকা হিচাপে প্ৰখ্যাত হোৱা শইকীয়ানীয়ে "চেতনা", "বাঁহী", আৰু "ঘৰজেউতি"ত ১৯৩০ চনৰ আগতে নিবন্ধ ৰচনা কৰিছিল। "তেখেতে যেনে সুন্দৰ সাৰুৱা ৰচনা লিখিব পাৰে, তেনে তেজী ৰসাল বক্তৃতাও দিব পাৰে। "চেতনা", "বাঁহী" আদি কাকতত ওলোৱা তেখেতৰ প্ৰবন্ধবিলাক পঢ়ি বৰ ভাল লাগে।"[১৯]

চতুৰ্থ দশকৰ আৰম্ভণিতে প্ৰকাশ পোৱা 'আকুল পথিক' নামৰ "আৱাহন"ত প্ৰকাশ পোৱা দীঘল গল্পটিক ড° সত্যেন্দ্ৰনাথ শৰ্মাই এখনি উপন্যাসিকা বুলি মত প্ৰকাশ কৰিছে।[২০] ইয়াৰ কাহিনীভাগ আৰু অন্যান্য উপাদান উপন্যাসৰ সমপৰ্যায়ৰ। চন্দ্ৰপ্ৰভা শইকীয়ানীৰ সাহিত্যিক কৃতিত্বৰ পৰিচায়ক হ'ল তেওঁৰ ১৯৩৭ চনত প্ৰকাশিত "পিতৃ-ভিঠা" উপন্যাসখন। এই সামাজিক উপন্যাসখনত লেখিকাৰ ব্যক্তিগত জীৱনৰ প্ৰভাব ঠায়ে ঠায়ে স্পষ্ট হৈ পৰা দেখা যায়। "পিতৃ-ভিঠা"ৰ সংক্ষিপ্ত কাহিনীটো হ'ল— নায়িকা মাধৱী সন্দৰ চমুৱাৰ একমাত্ৰ সন্তান। বদান্যতাৰ ফলত চমুৱাই সৰ্বস্ব হেৰুৱাই ঋণগ্ৰস্থ হোৱাত সাতাম পুৰুষীয়া ভেটিটো পৰ্যন্ত সকলো সা-সম্পত্তি উত্তমৰ্ণ নামৰ এজনৰ কবললৈ গ'ল। সন্দৰ চমুৱাৰ এনে এটা দুঃখজনক অৱস্থাত মৃত্যু হোৱাৰ পাছত নিজ বংশৰ মান-মৰ্যদা পুনঃ প্ৰতিষ্ঠাৰ বাবে মাধৱীয়ে যত্ন কৰিলে। উত্তমৰ্ণৰ পুত্ৰ মাধৱৰ লৈতে তাইৰ আশৈশৱ প্ৰীতি থকাৰ বাবে পিতৃ-ভেটি ৰক্ষা কৰাত তাৰ সাহায্য বিচাৰিলে। কিন্তু, মাধৱে এই বিষয়ত যথেষ্ট নিস্পৃহতাৰে পঢ়াশুনা শেষ কৰি নিজ আৰ্জনেৰে ঋণমুক্ত কৰাৰ আশ্বাস দি গা এৰা দিলে। মাধৱীয়ে তাৰ আশ্বাস বৃথা বুলি বুজিছিল আৰু ঋণমুক্তিত শেষ পৰ্যন্ত মাধৱৰ সহাঁৰি নোপোৱাত তাই হতাশ হৈ পৰিছিল। এনেতে অপ্ৰত্যাশিত ভাবে মাধৱীহঁতৰে একালৰ মহৰী দামোদৰে তাইক ঋণমুক্ত কৰিবলৈ আগবাঢ়ি অহাত তাই প্ৰেমাস্পদ মাধৱক ত্যাগ কৰি দামোদৰক বিয়া কৰালে। বিয়াৰ সংবাদ পাই মাধৱে হস্তক্ষেপ কৰিবলৈ আহিছিল যদিও মাধৱী দামোদৰৰ প্ৰতিহে কৃতজ্ঞ হৈ ৰ'ল। দুখ আৰু অনুশোচনাত দগ্ধ হৈ মাধৱে এদিন

১৮. "লেখিকাৰ জীৱনী" গ্ৰন্থত প্ৰকাশিত কণু বৰুৱাৰ 'চন্দ্ৰপ্ৰভা শইকীয়ানী' দ্ৰষ্টব্য, পৃ. ১৭৮

১৯. আনন্দচন্দ্ৰ আগৰৱালা, 'অসমীয়া সাহিত্য সেৱকিনী', "আৱাহন", ৪ৰ্থ বছৰ, ৫ম সংখ্যা, ১৯৩২।

২০. সত্যেন্দ্ৰনাথ শৰ্মা, "অসমীয়া উপন্যাসৰ ভূমিকা", পৃ. ১৪১

বিলাতলৈ যাত্ৰা কৰিলে। যাবৰ সময়ত মাধৱীৰ বিপদ-আপদত সংবাদ পালেই সি সহায় কৰাৰ প্ৰতিশ্ৰুতি দি নিজৰ প্ৰেমৰ সততা প্ৰদৰ্শন কৰি গ'ল। কেৱা বছৰো পাৰ হৈ গ'ল। বিলাতত মাধৱে তাইক পাহৰিবৰ কাৰণে 'পক-ম-কাৰ'ৰ সেৱাত লাগি হাওফাওত যক্ষ্মাৰ বীজাণু বহন কৰিলে। তাৰ পিতৃ-মাতৃ দুখতেই শয্যাগত হ'ল। মাধৱ ঘূৰি নহাত মাধৱীয়ে মাহাত্মা গান্ধীৰ পছাৰে অনশন আৰম্ভ কৰি বিলাতলৈ খবৰ পঠালে। খবৰ পাই উদ্ভ্ৰান্তৰ দৰে সি আহি ঘৰ পালেহি। মাধৱীয়ে নিজৰ অনশন ভঙ্গ কৰি যক্ষ্মা-পীড়িত মাধৱক পৰিচৰ্যা কৰিও মৃত্যুৰ পৰা ৰক্ষা কৰিব নোৱাৰিলে। মাধৱৰ মৃত্যুৰ পাছত অতিশয় দুৰ্বলা মাধৱীয়েও এদিন সিপুৰীলৈ যাত্ৰা কৰিলে।

কাহিনীত জটিলতা নাই যদিও দুই এটা অপ্ৰয়োজনীয় আৰু যুক্তিহীন অন্তৰ্ভুক্তিয়ে সৌন্দৰ্য লাঘৱ কৰি পেলাইছে। শেষৰ ফালে কাহিনী অ-স্বাভাৱিক হৈ পৰিছে। ত্যাগ কৰিলেও প্ৰেমাস্পদৰ প্ৰতি মনত গভীৰ দুখ থাকি যোৱাত কোনো অস্বাভাৱিকতা নাথাকিলেও, পৰ-দাৰ হৈ যোৱাৰ পাছত অনশন কৰি ঘূৰাই অনাৰ কাৰ্যত যুক্তিতকৈ কল্পনা প্ৰৱণতাৰ টুলুঙা অৱস্থা এটাহে সূচীত কৰে। দ্বিতীয়ত মাত্ৰ কুৰি টকা দৰমহা পোৱা দামোদৰে সম্পত্তি উদ্ধাৰৰ বাবে লাখ টকা পোৱাৰ উপযুক্ত ব্যাখ্যা নাই। মাধৱীয়ে কেৱল ঋণমুক্তিৰ বাবে দামোদৰক বিয়া কৰোৱাতো যুক্তিযুক্ততা দেখা নাযায়। এনে ধৰণৰ কথা-কাণ্ডই "পিতৃ-ভিঠা"ৰ কাহিনীভাগ দুৰ্বল কৰি পেলালে।

চৰিত্ৰ চিত্ৰনতো লেখিকা সফল হ'ব নোৱাৰিলে। নায়িকা মাধৱী মৰ্যদা-সচেতন হ'লেও, প্ৰেম-প্ৰীতিৰ বেলিকা নৈতিক হৈ নাই। দামোদৰক বিয়া কৰোৱা কাৰ্যৰ যি কাৰণ, সি প্ৰেমৰ বাস্তৱোনতকৈ উচ্চত নহয়। বিয়াৰ পাছত মাধৱৰ অৱস্থা জানি অনশন কৰা, তাক ৰক্ষা কৰিব নোৱাৰি নিজেও মৃত্যুবৰণ কৰা আদি কাৰ্যই তাইক দুৰ্বল কৰি পেলালে। দামোদৰৰ প্ৰতিও তাই সততা ৰক্ষা কৰিব পৰা নাই। আনহাতে, দামোদৰ স্বাৰ্থান্বেষী হ'লেও, পাছৰ ফালে সহানুভূতিশীল মানৱ গুণত সমৃদ্ধ হৈ পৰিছে। নায়ক মাধৱ অতি দুৰ্বল। মাধৱীৰ বিয়াৰ পাছত তাৰ পৰিৱৰ্তন অতি গতানুগতিক। ফলত চৰিত্ৰটো বৈশিষ্ট্যহীন হৈ ৰ'ল। নিৰ্বিকাৰ হৈ থকাই যেন তাৰ চৰিত্ৰ-লক্ষণ। বাকী চৰিত্ৰবোৰৰো স্পষ্ট চিত্ৰন ঘটা নাই। মুঠতে ঘটনাৰ অতিৰঞ্জন আৰু চৰিত্ৰসমূহৰ দুৰ্বল চিত্ৰনে "পিতৃ-ভিঠা"ক উপযুক্ত মৰ্যদা দিব নোৱাৰিলে। তথাপি, চতুৰ্থ দশকৰ ভিতৰতে ৰচিত উপন্যাস হিচাপে ইয়াৰ এটি ঐতিহাসিক মূল্য অস্বীকাৰ কৰিব নোৱাৰি।

চন্দ্ৰপ্ৰভা শইকীয়ানীৰ প্ৰকাশিত কবিতা কেইটামানৰ ভিতৰত ১৯৩৭ চনৰ "আৱাহন"ত (৮ম বছৰ, ১০ম সংখ্যা) প্ৰকাশিত 'সপোন' উল্লেখযোগ্য। তেওঁ "সঁফুৰা" নামৰ আন এখন গ্ৰন্থ আৰু তিনিখন পাঠ্যপুস্তক ৰচনা কৰা বুলি জনা যায়।[২১] "অভিযাত্ৰী" নামৰ মহিলা সমিতিৰ আলোচনী এখন সম্পাদনাও কৰিছিল। বিভিন্ন কাৰ্যাৱলীৰ জৰিয়তে চন্দ্ৰপ্ৰভা শইকীয়ানী বিংশ শতাব্দীৰ এগৰাকী বিশিষ্টা মহিলাৰূপে প্ৰতিভাত হৈ উঠিছে।

৫.৭. চুটিগল্পলৈ মহিলাৰ দান

অসমীয়া সাহিত্যত চুটি-গল্প জোনাকী যুগৰ সৃষ্টি। পাশ্চাত্য সাহিত্যৰ প্ৰভাৱত সৃষ্ট অসমীয়া চুটি-গল্পৰ জন্মদাতা লক্ষ্মীনাথ বেজবৰুৱা। "কিন্তু, তেওঁ চুটি-গল্পক জন্ম দিয়াতে নৈবে তাৰ নিবিড় কলা-কৌশলৰ আদৰ্শলৈকো সীমাবদ্ধ ঠাইত হ'লেও আমাক লৈ গ'ল।"[২২] বেজবৰুৱাৰ "বাঁহী" কাকত চুটি-গল্প ৰচনাৰ উৎস ভূমি হোৱাত অসমীয়া গল্পৰ বিকাশ

২১. "লেখিকাৰ জীৱনী", পৃ. ১৮২
২২. মহেন্দ্ৰ বৰা, "কাব্যৰেখা" পৃ. ৩১৮

কিছু পৰিমাণে দ্ৰুততৰ হৈ পৰিল। তেওঁৰ পাছতে শৰৎচন্দ্ৰ গোস্বামী, লক্ষীনাথ ফুকন, নকুলচন্দ্ৰ ভূঞা, দণ্ডিনাথ কলিতা আদি এটি গল্পকাৰৰ সকদলে "বাঁহী", "আলোচনী", "মিলন" আদিত আত্মপ্ৰকাশ কৰে। প্ৰকৃততে অসমীয়া গল্পই প্ৰতিষ্ঠা লাভ কৰিলে চতুৰ্থ দশকৰ "আৱাহন" আৰু "জয়ন্তী"ৰ পাততহে। অৱশ্যে এই সময়ত মাধৱ চন্দ্ৰ বেজবৰুৱাৰ সম্পাদিত "বাঁহী"ৰ ভূমিকাও লেখত লবলগীয়া। "এই সময়তে পৰিসৰ, কৌশল, কলাকাৰ আদিৰ ফালৰ পৰা চুটি-গল্প বিস্তাৰিত হৈ পৰে আৰু অসমীয়া সাহিত্য জগতত গল্পই বিশিষ্ট আৰু সবাতো জনপ্ৰিয় স্থান অধিকাৰ কৰিবলৈ সক্ষম হয়।"[২৩]

অসমীয়া চুটি গল্পৰ বিস্তৃত আৰু প্ৰামাণ্য গ্ৰন্থ স্বৰূপ, ত্ৰৈলোক্যনাথ গোস্বামী প্ৰণীত "আধুনিক অসমীয়া গল্প সাহিত্য" প্ৰমুখ্যে গল্প-সাহিত্যৰ আলোচনা বিলাকত ১৯৪০ চনৰ ভিতৰত কেৱল এগৰাকী গল্প লেখিকাৰ নামহে উল্লিখিত হৈছে। "আৱাহন"ৰ গৌৰৱময় গল্প-প্ৰকাশকালৰ এইগৰাকী লেখিকা হ'ল সুপ্ৰভা গোস্বামী। কিন্তু, প্ৰাপ্ত তথ্যমতে তেওঁৰ আগতে অসমীয়া গল্প-সাহিত্যত প্ৰবেশ কৰা মহিলা গৰাকী হ'ল সুধা বৰুৱা। "বাঁহী-আলোচনী- মিলন" স্তৰৰ এমুঠি গল্পকাৰৰ ভিতৰত সুধা বৰুৱাই একমাত্ৰ মহিলা গল্পকাৰ। পাছৰ "আৱাহন" স্তৰত সুপ্ৰভা গোস্বামীৰ আগে-পাছে যোগ দিব পৰা নাম কেইটা হ'ল- কুসুম কাকতী, চন্দ্ৰমে নুৰজাহান বেগম, দীপাম্বিতা চৌধুৰী, আৰতি দেৱী, অলকা পটঙ্গীয়া, উষা দেৱী, দেৱবালা দেৱী, কুঞ্জকুমাৰী মহন্ত, ফুল শইকীয়া আদি। এইসকল মহিলাক "আৱাহন"ৰ গৌৰৱকালত গল্প সাহিত্যত ভুমুকি মাৰি দুই এটা গল্প ৰচনাৰ পাছতে সাহিত্য জগতৰ পৰা বিদায় লোৱা দেখা যায়।

৫.৭.০১. সুধা বৰুৱা (১৯০৮)

অসমীয়া গল্প-সাহিত্যত সম্ভৱতঃ সুধা বৰুৱাই প্ৰথম গল্প লেখিকা। "মিলন"ৰ পাতত (১৯২৬-২৭ চন) সুধা বৰুৱাৰ প্ৰথম গল্পটি প্ৰকাশ হোৱাৰ আগৰ "বাঁহী" "আলোচনী" আদি পত্ৰিকাত গল্পলেখিকাৰ সন্ধেদ পোৱা নাযায়। গতিকে, ত্ৰিছৰ দশকৰ আগতে গল্পত প্ৰবেশ কৰা এওঁৱেই একমাত্ৰ মহিলা।

সুধা বৰুৱাই ১৯০৮ চনত শিৱসাগৰত জন্ম গ্ৰহণ কৰে। অসমীয়া ভাষাৰ প্ৰথম অভিধান-প্ৰণেতা জাদুৰাম ডেকাবৰুৱাৰ আজো-নাতি ৰাধিকাপ্ৰসাদ বৰুৱা সুধা বৰুৱাৰ পিতৃ আৰু মাতৃ "বিননি" খ্যাত মহিলা কবি হিমলা বৰুৱানী। এটা সাহিত্য চৰ্চাৰ পৰম্পৰা যুক্ত পৰিয়ালৰ এই লেখিকাৰ দুজন বিখ্যাত ককাইদেৱেক হ'ল ভগৱতী প্ৰসাদ বৰুৱা আৰু পাৰ্বতীপ্ৰসাদ বৰুৱা। উচ্চ শিক্ষা লাভ কৰা স্নাতক মহিলা সুধা বৰুৱাৰ স্বামী নগীৰৱ বিদ্যাকান্ত বৰুৱা। পাছত যোৰহাটৰ স্থায়ী বাসিন্দা হয়।

সুধা বৰুৱাই ভায়েক মোক্ষদাপ্ৰসাদ বৰুৱাৰ সৈতে মাক হিমলা বৰুৱানীৰ প্ৰেৰণাত সোণাৰীৰ ঘৰৰ পৰা "ঘৰজেউতি" নামৰ এখন হাতে লেখা আলোচনী ১৯২৩/২৪ চনৰ পৰা কেইবছৰমান উলিয়াইছিল।[২৪] এইখন "ঘৰ জেউতি"তে তেওঁৰ প্ৰথম গল্প প্ৰকাশ পাইছিল। এই গল্পটিকে বিনন্দচন্দ্ৰ বৰুৱাই সংগ্ৰহ কৰি নি তেওঁৰ সম্পাদনাত প্ৰকাশিত "মিলন"ত (১৯২৬/২৭ চন) প্ৰকাশ কৰিছিল।[২৫] ইয়াৰ আগৰ ১৯২৩-২৬ চনৰ

---

২৩. উক্ত গ্ৰন্থ, পৃ. ৩১৮

২৪. সুধা বৰুৱাৰ হাতত "ঘৰ জেউতি"ৰ ৬/৭ খন হাতেলিখা আলোচনী আছে। যোৰহাটৰ ঘৰত সৌখিনি আমি দেখি আহিছোঁ।

২৫. বিনন্দচন্দ্ৰ বৰুৱাদেৱৰ মুখত ইয়াৰ বিৱৰণ শুনামতে ১৯২৭ চনৰ আৰম্ভণিত এই সংখ্যা মিলন প্ৰকাশ পাইছিল। ১৯২৭-২৮ চনত বৰুৱাই কলিকতাত উচ্চ শিক্ষা লাভ কৰিবলৈ গৈছিল।

"মিলন"ৰ সম্পাদক আছিল ডিম্বেশ্বৰ নেওগ। আনহাতে, ১৯২৮-২৯ চনৰ সপ্তম ভাগ "মিলন"ৰ সম্পাদক আছিল অতুলচন্দ্ৰ হাজৰিকা। গতিকে, ইয়াৰ মাজৰ ষষ্ঠ ভাগ "মিলন" (১৯২৬-২৭) বিনন্দচন্দ্ৰ বৰুৱাই সম্পাদনা কৰাটো খাটাং।[২৬] ১৯২৬ চনৰ পৰা ১৯২৯ চনৰ ভিতৰত সুধা বৰুৱাৰ কেবাটাও গল্প "মিলন"ত প্ৰকাশ হৈছিল। ১৯২৯-৩০ চনৰ "আৱাহন"তো তেওঁৰ গল্প প্ৰকাশ হৈছিল বুলি জানিব পৰা গৈছে। বেণুধৰ শৰ্মাৰ মতে, "এই হাতে লেখা" ঘৰ-জেউতি"তেই সুধাৰ গল্প লেখা প্ৰতিভাৰ প্ৰথম প্ৰকাশ। ----- তাৰ পাছত সময়ৰ লগে লগে এটি দুটিকৈ বাচকবনীয়া গল্প গোটাদিয়েক ১৯২৬ চন মানত "মিলন" আৰু ১৯২৯-৩০ চনত "আৱাহন"ত প্ৰকাশ পাইছিল।"[২৭] এনে ধৰণৰ মতামত বিলাকেও ১৯২৬ চনৰ "মিলন"ত সুধা বৰুৱাৰ প্ৰথম গল্পটি ছপা হোৱাৰ সমৰ্থন কৰে। কিন্তু, ষষ্ঠভাগ "মিলন" হাতত নপৰাৰ বাবে প্ৰথম গল্পটো কি আছিল নিশ্চিত কৰিব পৰা নগ'ল।

সুধা বৰুৱাৰ সেই সময়তে প্ৰকাশিত ছয়টা গল্পৰ সংকলন "জীৱনৰ প্ৰথম পূজা" ১৯৮৪ চনত প্ৰথম গ্ৰন্থাকাৰে প্ৰকাশ পাইছে। গ্ৰন্থখনৰ আকাৰ, ব্যৱহাৰ কৰা আখৰ আৰু ভিতৰৰ চিত্ৰসমূহ চাই শিশু-গ্ৰন্থ যেনহে অনুভৱ হয়। এই গ্ৰন্থত লেখিকাৰ লগতে পাতনি লেখক বেণুধৰ শৰ্মা আৰু বিনন্দচন্দ্ৰ বৰুৱায়ো লেখা সমূহক গল্প বুলিয়েই অভিহিত কৰিছে। কিন্তু, গল্পৰ কলা-কৌশল, বিষয়-চৰিত্ৰাদিৰ আলোচনা কৰিলে সুধা বৰুৱাৰ সৰহভাগ লেখাক গল্প বুলিব নোৱাৰি। অৱশ্যে "মিলন"ত (১৯২৯) প্ৰকাশিত "চেনেহৰ সুৰ"[২৮] তেওঁৰ প্ৰথম সাৰ্থক গল্প। সম্ভৱতঃ ইয়াৰ আগতে ৰচিত গল্প দুটা হ'ল– 'জীৱনৰ প্ৰথম পূজাত' আৰু 'জলকুঁৱৰী'। এই দুটাক গল্প বোলাতকৈ ক্ৰমে কথাচিত্ৰ আৰু সাধুকথা বোলাহে যুক্তিযুক্ত হয়। প্ৰথমটোত সখীয়তী চৰাই, বকুলফুল, চৰাই পোৱালি, সৰু জুৰি, গোলাপ ফুল, মালতী ফুল ইত্যাদিয়ে কথা কোৱা, পাৰস্পৰিক ভাব আদান-প্ৰদান কৰা আদি কথাই ৰূপকথাৰ দেশলৈ লৈ যায়। ৰজাৰ জীয়েক মলয়াই পুৱাতে খোপাত গোলাপ ফুলক আদৰ-সাদৰ কৰি পিন্ধে, কিন্তু মৰহি গ'লে সেই গোলাপকে গধূলি দলিয়াই পেলায়। এনেভাবকে মুখ্য কৰি ৰচিত 'জীৱনৰ প্ৰথম পূজাত' যিখন চিত্ৰ প্ৰকাশ পাইছে, ই কথা কবিতাৰ সম-পৰ্যায়ৰ। কলা-কৌশলৰ বিচাৰত ই গল্প নহয়। সেইদৰেই দ্বিতীয় ৰচনা 'জলকুঁৱৰী'ও এটা ৰূপক আখ্যান অথবা সাধুকথা। অবিশ্বাস্য কাহিনী আৰু জলকুঁৱৰীয়ে ৰাণী কৰিবলৈ মানুহ নিয়া ঘটনাক সামৰণিত সপোনৰ দৰে চিত্ৰন কৰিলেও, আৰম্ভণিত তেনে অনুভৱ নহয়। অৱশ্যে এনেধৰণৰ লেখাত দুই এটা গল্পৰ লক্ষণ প্ৰকাশ পোৱাত, কলা-কৌশলৰ বিচাৰ নকৰাকৈয়ে এইবোৰ লেখাক গল্পৰ মৰ্যাদাৰেই আলোচনী বিলাকে প্ৰকাশ কৰিছিল। 'চেনেৰ সুৰ' কিন্তু এই সমালোচনাৰ উৰ্ধত আৰু বাস্তৱিকতে ই এটা গল্প। ইয়াৰ কাহিনীভাগ আৰু চৰিত্ৰ-চিত্ৰনত বাস্তৱবাদী দৃষ্টি-ভঙ্গীৰ প্ৰতিফলন ঘটিছে। নায়ক হামিদ দৰ্জিৰ চাৰিত্ৰিক বৈশিষ্ট্য গল্পটোত স্পষ্ট হৈ উঠিছে। আকস্মিক আৰম্ভণিয়ে গল্পটোৰ সৌন্দৰ্য বৃদ্ধি কৰিছে। হামিদে বহুভদিনীয়া পুৰণা বাঁহীটো লৈ নৈ পাৰৰ নিৰ্জনতাত আপোন মনে বজায়। সেই নৈত বৰশী বাবলৈ অহা পঁচিছ ছাবিছ-বছৰীয়া শিক্ষক আৰু সেই ঠাইত দীঘলীয়াকৈ ফুৰিবলৈ অহা কোনোবা ডেকাই হামিদৰ বাঁহীত

২৬. মহেশ্বৰ নেওগ, (সম্পা) "সঞ্চয়ন", পৃ. ১৭৮ ত কবি-জীৱনী সূত্ৰমতে বিনন্দ বৰুৱাই ১৯২৬-২৭ চনত মিলন সম্পাদনা কৰিছিল।

২৭. "জীৱনৰ প্ৰথম পূজা" গ্ৰন্থত বেণুধৰ শৰ্মাৰ মতামত, পৃ. ০৫

২৮. অতুলচন্দ্ৰ হাজৰিকা, (সম্পা)–"মিলন", ৭ম ভাগ, ৫ম সংখ্যা, পৃ. ২৩০

মুক্ত হৈ পৰে। ৰকণীত্তকৈ প্ৰতিদিনে হামিদৰ বাঁহী শুনিবলৈ অহা কোনোবা ডেকাৰ ইচ্ছা হ'ল। এদিন তেওঁ হামিদৰ তেনেদৰে বাঁহী বজোৱাৰ ৰহস্য জানিবলৈ বিচৰাত হামিদ দৰ্জিয়ে 'এটা সাধুকথাকে কওঁ শুনক' বুলি মূল কাহিনী আৰম্ভ কৰিলে। নাও দুৰ্ঘটনা এটাত পতিত কোনোবা এটা হিন্দু পৰিয়ালৰ শুৰনী নামৰ সৰু ছোৱালী এজনী নৈত এডাল কাঠত ধৰি ওপঙি আহি থাকোতে এজন মুছলমান দৰ্জিয়ে উদ্ধাৰ কৰি নিজ ঘৰলৈ লৈ যায়। ছোৱালীজনীৰ কোনো শুংসূত্ৰ নোলোৱাত বা কোনো লোকে বিচাৰি নহাত দৰ্জিৰ ঘৰতে ডাঙৰ-দীঘল হ'বলৈ ধৰিলে। তাইক সকলোৱে জান বুলি মাতিবলৈ ল'লে। বুঢ়া দৰ্জিৰে পুত্ৰ আহমদে জানক মৰম কৰাত দুয়োৰে বিয়া পাতি দিয়া হ'ল। জানে হিন্দুৰ আচাৰ-ব্যৱহাৰ পাহৰি যোৱা নাছিল আৰু পূজা-পাৰ্বন, গান-বাজনা ইত্যাদিৰ প্ৰতিও যথেষ্ট ৰাপ আছিল। এটি পুত্ৰ-সন্তান হোৱাৰ পাছত আহমদৰ মৃত্যু হয়। ইমানলৈকে কোৱাৰ পাছত হামিদে নিজৰ পৰিচয় দিবলৈ গৈ, পূৰ্বতে ক'ত আছিল, সেই গাঁৱৰ সমনীয়াবোৰে তাক কেনে ব্যৱহাৰ কৰিছিল আৰু সি কেনেকৈ বাঁহী বজাবলৈ শিকিলে; সেইবিলাক আদ্যোপান্ত বিৱৰি ক'লে। বাঁহীৰ মাত শুনিলে হামিদৰ মাকো অস্থিৰ হৈ পৰে। তাৰ কৰাণ সোধাত আতাকে কোৱা শুৰনীৰ সাধুটো কোৱাত, ৰংপুৰ গাঁওখনলৈ লৈ যোৱাৰ খাটনি ধৰিলে। এদিন হামিদ, মাক আৰু আতাক গৰু গাড়ীত উঠি ৰংপুৰলৈ যাত্ৰা কৰিলে। ৰংপুৰ মাকে দুৰ্ঘটনাৰ আগতে এৰি যোৱা নিজৰ গাঁও। অসুখীয়া মাকে পুৰণি ঘৰবাৰী বিচাৰি লৈ ককায়েক ইন্দ্ৰই বজোৱা পুৰণি বাঁহীটো উলিয়াই অলপ বজাই অতীত ৰোমন্থন কৰিলে। তাৰ পাছত, হামিদৰ মাক অৰ্থাৎ শুৰনীৰ মৃত্যু হ'ল। হামিদে জন্ম ঠাই যোৰহাটৰ ওচৰৰ গাঁওখনলৈ ঘূৰি নাগৈ মাকৰ গাঁওখনকে তীৰ্থ হিচাপে গ্ৰহণ কৰি স্থায়ী ভাবে বাস কৰিবলৈ ল'লে। মাকলৈ মনত পৰিলেই সি এইদৰে বাঁহীটো বজাই পুলকিত হয়। হামিদৰ মতে, "মই বাঁহীটো বজালে এতিয়াও মোৰ আই ওচৰতে বহি আছে যেন লাগে।" হামিদৰ দুখৰ কাহিনীত যুৱক শিক্ষকজনৰো চকুলো ওলাল। কাহিনীকোৱা শেষ হ'লত দুয়ো ঘাৰলৈ খোজ ল'লে। এইদৰেই জননীৰ স্নেহ-সিক্ত 'চেনেহৰ সুৰ' গল্পটি শেষ হৈছে। তেওঁৰ এই গল্পত বৰ্তমানৰ উন্নত কলা-কৌশল যুক্ত গল্পৰ দৰে পৰিমাৰ্জিত কাহিনী এটা পোৱা নগলেও, যুগৰ পটভূমিত কাহিনীভাগৰ মূল্য অটুট হৈ ৰৈছে। ৰূপক-ধৰ্মিতা কিছু থাকিলেও কাহিনীটো অবান্তৰ নহয়। ঘটনা প্ৰধান হ'লেও হামিদ, শুৰনী আৰু আতাকৰ চাৰিত্ৰিক ইঙ্গিত অৰ্থবহ হৈছে। যুৱকজনৰ সহানুভূতিশীলতা মনত ৰৈ যোৱা বিধৰ। সৰু-সুৰা দোষ-ত্ৰুটি কিছু গল্পটোত আছে। ত্ৰুটিৰ ভিতৰত বুঢ়ী হলত নিজ জন্মস্থানৰ প্ৰতি ব্যগ্ৰ হোৱা শুৰনী নিজ গাঁৱৰ নাম-ঠিকনা জানিও দুৰ্ঘটনাৰ পাছত যোৱাৰ ইচ্ছা প্ৰকাশ নকৰাটো নিশ্চয় স্বাভাৱিক নহয়। উপস্থাপনতো কিছু পৰিমাণে বিজুতি চকুত পৰে। তথাপি, 'চেনেহৰ সুৰ' তৃতীয় দশকত মহিলা ৰচিত এটি লেখত লবলগীয়া গল্প।

'ভোমোৰা', 'ৰতনৰ ঠেহ' আৰু 'শেহ সমল'– এই তিনিটা গল্পত তিনিটা সৰু ল'ৰাৰ বৈশিষ্ট্য ফুটাই তোলাৰ যত্ন দেখা যায়। সাধুকথাৰ ঠাঁচত ৰচিত 'ভোমোৰা' গল্পত ৰজাৰ আইদেউৰ নিচিনা বাইদেউ এজনীৰ কল্পনা কৰি নিজে কলমাণি ৰাজকোঁৱৰ হোৱাৰ কামনা ভোমোৰাৰ দৰে দুখীয়া মালিনীৰ ল'ৰাৰ বাবে অস্বাভাৱিক নহয়। কিন্তু, নিজৰ বায়েকজনী মাকে ঈশ্বৰৰ কাষত থকা বুলি কোৱাত, বায়েকক বিচাৰি ক'ৰবালৈ গুচি যোৱা ভোমোৰাক বিচাৰি পোৱা নগল। "অভিমানিনী ভোমোৰাই আইদেওৰ ওপৰত অভিমান কৰিয়েই গুচি গ'ল।" গল্পটো ৰূপক-ধৰ্মী।

'ৰতনৰ ঠেহ' গল্পত কৰাকে লগত নিনিয়াৰ বাবে ৰতন নামৰ ল'ৰাটোৱে ঘৰ এৰি চাৰ্কাছ দল এটাৰ লগত গুচি গৈছে। গল্পটোত কৰাৰ চৰিত্ৰটোৰ বৰ্ণনা সৰল হোৱাত শিশুৰ উপযোগী হৈছে। 'শেহ সম্বল' গল্পত ঘাটেঁইৰ চৰিত্ৰটিৰ বিশেষত্ব দেখা যায়। ঘাটেঁৰ একমাত্ৰ সম্বল স্বৰূপ বিৰাই নামৰ ল'ৰাটো তেওঁৰ তত্তাৱধায়ক। কিন্তু সি মৰমৰ বিনিময়ত ৰবদেউতাকক অকণো শ্ৰদ্ধা নকৰি নানা অপকৰ্ম কৰি ফুৰে। এদিন বিৰায়ে ঘৰৰ পৰা পলাই গৈ ক'ৰবাত চুৰি কৰাৰ অপৰাধত হাজোত পালেগৈ। আনহাতে, তাৰে দুখ-চিন্তাত আক্ৰান্ত হৈ তমোময় জ্বৰত বুঢ়া ঘাটেঁৰ মৃত্যু হ'ল। তাৰ বেমাৰৰ সময়ত কিন্তু সম্বন্ধত একো নোহোৱা চুবুৰীয়া জোনাকী নামৰ একনী ছোৱালীৰ আদৰ-চেনেহ পাই সি তৃপ্তি পালে। মৃত্যুৰ সময়ত বুঢ়াৰ আত্মীয় স্বজন, সা-সম্পত্তি একো নাছিল, মাথোন ওলাল বুকুত বান্ধি লৈ ফুৰা বিৰাইৰ ক'লা চোলা এটা। কিন্তু, গামোছা ৰবলৈ প্ৰেৰণা দি অহা ঘাটে ৰবদেউতাকৰ গাত জোনাকীয়ে নিজে বোৱা গামোছা এখন দিলেগৈ। ইয়াৰ মাজত, ঘাটেঁৰ প্ৰতি তেজৰ সম্বন্ধহীন হ'লেও জোনাকীৰ মৰম-শ্ৰদ্ধা প্ৰকাশ পাইছে। মানসিক সম্বন্ধও যে কেতিয়াবা তেজৰ সম্বন্ধতকৈ গভীৰ, তাক এইটো গল্পই প্ৰকাশ কৰিছে। জোনাকীৰ চৰিত্ৰ গল্পটোৰ প্ৰকৃত সৌন্দৰ্য। সম-সাময়িক সমাজৰ এখন চিত্ৰ স্বৰূপ গল্পটোৰ সামৰণি সুন্দৰ।

সুধা বৰুৱাৰ আন এটা ৰচনা 'টোকাৰীৰ প্ৰাণ' গল্পটি প্ৰকাশ হৈছিল— "আৱাহন"ৰ চতুৰ্থ বছৰৰ (১৯৩২ চন) চতুৰ্থ সংখ্যাত।গল্পটোত টোকাৰী বজাই ভিক্ষা কৰি ফুৰা এজন অন্ধ ভিকহুৰ মাতৃহীনা দুহিতা মালতীক সাৱটি কষ্টৰ জীৱন আগবাঢ়ে। যৈণীয়েকৰ মুখত ছোৱালীজনী ধুনীয়া বুলি শুনিলেও, হাজাৰ প্ৰাৰ্থনা কৰিলেও, দিঠকত তাইক দেখাৰ সৌভাগ্য ভগবানে নিদিলে। মালতীৰ মাকৰ মৃত্যুত সি কান্দি-কাটি অস্থিৰ হৈ পৰিল। এনে অৱস্থাতে আন এটা ভিকহু আহি সিহঁতৰ লগ ল'লে আৰু কণমাণি মালতীক ভাগিনী কৰি তিনিও একে লগে খুজি-মাগি খাই দিন কটাবলৈ ধৰিলে। মালতী ডাঙৰ হ'লত, তাইক গ্ৰহণ কৰিবলৈ কোনো ৰাজকোঁৱৰ নোলালেও কোঁৱৰ নামৰ ভিকহুৰ ল'ৰা এটাৰ লগতে তাইৰ বিয়া হ'ল। বুঢ়াই মালতীও ভিকহুত পৰা বুলি জানি দুখতে 'মালতীও গ'ল টোকাৰীও গ'ল' বুলি টোকাৰী বজাবলৈ এৰি দিলে। গল্পটোত নিজৰ প্ৰাণস্বৰূপ মালতীক কেন্দ্ৰ কৰি বুঢ়াৰ নানা কল্পনাই ৰঙীণ সপোনৰ জন্ম দিলেও, ভিকহুৰ ছোৱালী ভিকহুতে পৰে এনে এটা নিষ্ঠুৰ বাস্তৱকে গল্পটোৰ বক্তব্য কৰা হৈছে। সাধু-ধৰ্মী নানা বৰ্ণনা থাকিলেও পিতৃ-মাতৃৰ সন্তানৰ প্ৰতি ধাৰণা আৰু আশা প্ৰকাশ পাইছে। মানবীয় আবেদন গল্পটোৰ অন্যতম আকৰ্ষণ।

সুধা বৰুৱাৰ গল্পই সহজ-সৰল ভাষা, কাহিনী আৰু প্ৰকাশ-ভঙ্গীৰ মাজেদি প্ৰকাশ লাভ কৰিছে। মানবীয় আবেদন পুষ্ট সাধাৰণ চৰিত্ৰই লেখিকাক আকৰ্ষণ বেছিকৈ কৰে। গাঁৱলীয়া জীৱনৰ ছবি অংকণত পাৰদৰ্শিতা দেখা যায়। প্ৰতিটো গল্পতে এক কাব্যিক ৰমন্যাসিক ভাৱৰ প্ৰকাশ দেখা যায়। কিন্তু, ইয়াৰ ৰূপকধৰ্মী প্ৰকাশে মৰ্যদা অৱনমিত কৰিছে। নিভাঁজ অসমীয়া গদ্যৰ চানেকি ৰূপে সুধা বৰুৱাৰ গল্পৰ উল্লেখযোগ্য আসন এখন আছে।

৫.৭.০২. চশ্‌মে নুৰজাহান বেগম (১৯০৫-১৯৭৩)

ডিব্ৰুগড় নগৰৰ নতুন আমোলাপট্টিত ১৯০৫ চনত জন্ম গ্ৰহণ কৰা চশ্‌মে নুৰজাহান বেগমৰ পিতৃ হ'ল হাজী আকবৰ আলী। মাতৃ উম্মে-কুলচুম জানমাজিনীৰ কবি মফিজুদ্দিন আহমদ হাজৰিকাৰ মাজু বাইদেকেক আছিল। সেইকালৰ পৰ্দা প্ৰথাই বিদ্যা আৰ্জনত বিধি-পথালি দিয়াত নুৰজাহানৰ শিক্ষা অষ্টম শ্ৰেণীতে সামৰণি পৰিল।

মাতৃ-পক্ষৰ প্ৰেৰণাত তেওঁ সাহিত্য-সেৱাত মনোনিবেশ কৰে। ১৯২১ চনত ডিব্ৰুগড়ৰে বিৱাজউদ্দিন আহমদৰ লগত বিবাহ হয়, কিন্তু ১৯২৯ চনত বৈধব্য বৰণ কৰিব লগাত পৰে। পাঁচোটি সন্তানৰ জননী নুৰজাহানে তিনিচুকীয়াত প্ৰাথমিক স্তৰৰ শিক্ষয়িত্ৰী পদ লাভ কৰি সংসাৰ যুদ্ধত অৱতীৰ্ণ হ'ল। ১৯৩০ চনত মহিলা সমিতি গঠন কৰাৰ পৰা পৰৱৰ্তী সময়ছোৱাত তেওঁ তিনিচুকীয়াৰ বিভিন্ন সামাজিক কামত জড়িত হৈছিল। ১৯৭৩ চনত নুৰজাহান বেগমৰ মৃত্যু হয়।

ছাত্ৰী অৱস্থাতে "জোনাকী"ৰ লেখিকা কুন্তী ফুকন, "বাঁহী", "আৱাহন"ৰ লেখিকা হেমপ্ৰভা দাস, স্বৰ্ণলতা দত্ত প্ৰভৃতিৰ দ্বাৰা অনুপ্ৰাণিত হৈছিল। তিনিচুকীয়াত নুৰজাহানে "মলয়া" নামৰ এখন আলোচনী প্ৰকাশ কৰে আৰু ইয়াৰ যোগে নাৰীসকলে সাহিত্য-চৰ্চাৰ প্ৰেৰণা লাভ কৰে। প্ৰণীতা দেৱীৰ দৰে পৰৱৰ্তীকালৰ লেখিকা সৃষ্টিত এইখনেই আছিল উৎসভূমি।[২৯]

চম্‌মে নুৰজাহান বেগম প্ৰথমাৱস্থাত কাব্য ক্ষেত্ৰতহে প্ৰবেশ কৰিছিল। ডিব্ৰুগড়ৰ পৰা প্ৰকাশিত "প্ৰচাৰক" নামৰ আলোচনীত 'সতী মহিমা', 'আৱাহন', 'সুখ-দুখ' আদি আৰু গুৱাহাটীৰ পৰা প্ৰকাশিত "সাধনা"ত 'স্তুতি', 'মহত্ব', 'প্ৰাৰ্থনা' আদি কবিতা প্ৰকাশ পাইছিল। কিন্তু, নুৰজাহান বেগমৰ কৃতিত্ব গল্পতহে। "আৱাহন" কাকতত চতুৰ্থ দশকৰ ভিতৰত 'ভাগ্যৰ পৰিবৰ্তন', 'মলিনা', 'স্নেহৰ টান' আদি গল্প প্ৰকাশ কৰি তেওঁ এই কৃতিত্ব প্ৰদৰ্শন কৰে গৈছে।

'ভাগ্যৰ পৰিবৰ্তন' "আৱাহন"ৰ চতুৰ্থ বছৰ (১৯৩২), দ্বিতীয় সংখ্যাত প্ৰকাশ পাই-ছিল। সম্ভৱতঃ এইটোৱেই তেওঁৰ প্ৰথম গল্প। সততাৰ জয় ঘোষণা কৰা গল্পটিৰ কাহিনী হ'ল– অমৃত আৰু বসন্ত দুটি ককাই-ভাই। অমৃতৰ খুড়াকৰ ল'ৰা বসন্তৰ পিতৃ-মাতৃ সকতে মৃত্যু হোৱাত ৰবদেউতাক জগত বৰুৱাৰ তত্ত্বাবধানত একেটা পৰিয়ালতে বাস কৰিবলৈ ধৰিলে। জগত বৰুৱাই দুয়োটাকে বাহিৰত পঢ়াই শুনাই উপযুক্ত কৰিবলৈ যত্ন কৰিলে। কিন্তু, এদিন জগত বৰুৱাৰ মৃত্যু হোৱাত পৰিয়ালটোলৈ আৰ্থিক অনাটন আহিল। অমৃতৰ মাকে ইয়াৰ অন্তৰায়ৰূপে বসন্ত আৰু তাৰ মাকক গণ্য কৰিবলৈ ধৰিলে আৰু অমৃতক নানা কথা লগাবলৈ ধৰিলে। এদিন এটা সৰু ঘটনাৰ আলমত অমৃতৰ মাকে বসন্তহঁতক ঘৰৰ পৰা ওলাই যাবলৈ আদেশ দিলে। অমৃতে উপায় নেদেখি চৌহদতে থকা ঘৰ এটাত দুয়োকো থাকিবলৈ কৈ বসন্ত উপাৰ্জন সক্ষম নোহোৱা পৰ্যন্ত সিয়েই খা-খৰছ যোগাবলৈ গাত ল'লে। এনে সময়তে নাটকীয়ভাৱে ঘৰৰ কাম কৰা পুৰণা বৃদ্ধ লগুৱা এটাই পুৰণা বাকচ এটা বসন্তৰ হাতত দিলেহি। বাকচটোত জগত বৰুৱাই সকলো বৃত্তান্ত খৰচি মাৰি অমৃতলৈ লেখা এখন চিঠি আৰু অন্যান্য কাগজপত্ৰ আছিল। এইবোৰৰ মতে বাসকৰা ঘৰটোৰ বাদে সকলো সম্পত্তি বসন্তৰ দেউতাকৰহে। কাকতপত্ৰৰ মাজত বসন্তই দেউতাকৰ উইল এখনো পালে। অমৃতৰ মাকৰ মুখ বন্ধ হৈ পৰিল। ভাগ্যৰ পৰিবৰ্তন ঘটিল। বসন্তৰ মাকে কিন্তু অমৃত-বসন্তৰ পাৰ্থক্য নাৰাখি তেওঁলোকক আঁতৰি যাবলৈ নিদিলে আৰু ভাতৃত্ব বন্ধন অধিক কৰিবলৈ যত্ন কৰিলে। সৰলভাৱে এই কাহিনীকে লেখিকাই সজাই তুলিছে। কলা-কৌশলৰ চাতুৰ্য ইয়াত নাই। অমৃতৰ মাকৰ বাদে সকলো চৰিত্ৰই সততা ৰক্ষা কৰিছে। গল্পটোৰ শেষৰ ফালে বসন্তৰ মাকৰ চৰিত্ৰ সুন্দৰ হৈ উঠিছে। তেওঁৰ আন দুটা গল্পতো ভাষাৰ সৰলতা আৰু পোনপটীয়া কথন-পদ্ধতি লক্ষ্য কৰা যায়।

---

২৯. "লেখিকাৰ জীৱনী", পৃ. ২০

নুৰজাহান বেগমে "দীপশিখা" নামৰ এখন পাঠ্যপুথি, "নাৰীৰ বীৰত্ব" নামৰ এখন নাটক আৰু "সতী বহিয়া" নামৰ এখন জীৱনী ৰচনা কৰিছিল যদিও, খুব সম্ভৱ এইবিলাক প্ৰকাশ হোৱা নাছিল। তদুপৰি, অসমীয়া মুছলমান মহিলাৰ ভিতৰত সম্ভৱতঃ তেৱেঁই আছিল সৰ্বপ্ৰথম লেখিকা।

৫.৭.০৩. অলকা পটঙ্গীয়া (১৯০৭-১৯৮৩)

"আৱাহন"ৰ পাতত অলকা পটঙ্গীয়া নামেৰে সু-পৰিচিতা গল্প লেখিকা গৰাকীৰ আচল নাম চন্দ্ৰবালা। ১৯০৭ চনত তেজপুৰত জন্ম গ্ৰহণ কৰা চন্দ্ৰবালাৰ পিতৃ সোণাৰাম পটঙ্গীয়া আৰু মাতৃ হ'ল মাহিন্দী। ১৯২৮-৩১ চনৰ ভিতৰতে চন্দ্ৰবালাই "ঘৰ-জেউতি"ত আত্মপ্ৰকাশ কৰোতে এগৰাকী ছাত্ৰী আছিল। অনাময়ে, স্বাস্থ্যজনিত কাৰণত তেওঁ কলিকতাত উচ্চ শিক্ষা ল'বলৈ যাব নোৱাৰিলে। নৰ্গাঁও মিছন স্কুলৰ পৰা প্ৰশিক্ষণ লৈ চন্দ্ৰবালাই এম, ভি, স্কুলৰ শিক্ষয়িত্ৰী হয়। পিতৃ-পৰিয়ালত নানা দুৰ্যোগ ঘটি পাঁচ বছৰৰ ভিতৰত সাতজন লোকৰ মৃত্যু[৩০] হোৱাৰ লগতে ১৯২০ চনৰ পৰা কলাজ্বৰত আক্ৰান্ত হৈ পৰা চন্দ্ৰবালা পটঙ্গীয়াৰ বিবাহ ১৯৩৬ চনতহে সম্পন্ন হয়। তেজপুৰৰ কাৰিকৰী প্ৰশিক্ষণ কেন্দ্ৰৰ প্ৰশিক্ষক নগাঁৱৰ শিৱকান্ত বৰুৱা তেওঁৰ স্বামী। এওঁলোক নিঃসন্তান। তেজপুৰৰ এগৰাকী পৰিচিতা সমাজকৰ্মী চন্দ্ৰবালা বৰুৱা ওৰফে অলকা পটঙ্গীয়াৰ ১৯৮৩ চনত মৃত্যু হয়।

অলকা পটঙ্গীয়াই "ঘৰ জেউতি"ৰ পাতত প্ৰথম আত্ম প্ৰকাশ কৰিছিল। এই আলোচনীৰ দ্বিতীয় বছৰ ৬ষ্ঠ সংখ্যাত (১৯২৯) 'আত্মনিৰ্ভৰশীলতা" নামৰ নিবন্ধই তেওঁৰ প্ৰথম লেখা। সেই বছৰতে নৱম সংখ্যাত প্ৰকাশিত 'কমলা' গল্পটিয়েই তেওঁৰ প্ৰথম গল্প। "আৱাহন"ত অলকা পটঙ্গীয়াৰ প্ৰায়বোৰ গল্প প্ৰকাশ পাইছিল। "আৱাহন"ৰ চতুৰ্থ বছৰ (১৯৩৩), সপ্তম সংখ্যাত প্ৰকাশিত 'বান্দীৰ জীয়েক' সম্ভৱত পটঙ্গীয়াৰ শ্ৰেষ্ঠ গল্প। পঞ্চম বছৰ, চতুৰ্থ সংখ্যাত (১৯৩৪) প্ৰকাশিত 'মায়া নে মতিভ্ৰম' আৰু একে বছৰৰে পঞ্চম সংখ্যাত প্ৰকাশিত "ভোটৰ উপদ্ৰৱ' আন দুটা লেখত লৱলগীয়া গল্প। ইয়াৰ বাহিৰেও একাধিক কবিতা-নিবন্ধ সম-সাময়িক পত্ৰিকাবোৰত প্ৰকাশ হৈছিল। কিন্তু, গ্ৰন্থাকাৰে লেখাসমূহ প্ৰকাশ নোহোৱাত আৰু আলোচনীবোৰ দুষ্প্ৰাপ্য হৈ পৰাত উপযুক্তভাবে আলোচনা কৰা কঠিন।

'বান্দীৰ জীয়েক' অলকা পটঙ্গীয়াৰ প্ৰতিনিধিমূলক গল্প। আত্মভাষণ পদ্ধতিত ৰচিত গল্পটোৰ কাহিনীমতে একেলগৰে ল'ৰা অজিত আৰু নবেন। অজিতে মেডিকেল পাছ কৰি চাকৰিত সোমাল। বিয়া-বাৰু কৰাই চহৰৰ এচুকত সি বাস কৰি থকা ঘৰত এদিন হঠাতে এজনী ছোৱালীৰ সৈতে বাল্যবন্ধু নবেন আহি উপস্থিত হ'লহি। নবেন প্ৰথমতে ঘৰৰ পৰা আহি গুৱাহাটীত নানা সৰুসুৰা কাম,- যাহ বেচাৰ পৰা চকিদাৰীলৈকে একোতে হেলা নকৰি জীৱন নিৰ্বাহ কৰি থাকোতে পদ্মিনী নামৰ পকীঘৰৰ বান্দী এজনী সৈতে পৰিচয় হয়। এই সূত্ৰতে এদিন সেই পকীঘৰৰ মালিক শেঠজীৰ ঘৰত বাহুনি কামত সোমাল। পদ্মিনীৰ দুজনী ছোৱালী হাঁহিনী আৰু খেমালি। গৃহিণীয়ে দুয়োজনীকে অহৰহ বুলি নিন্দা কৰে আৰু সকলো ক্ষেত্ৰতে গালি পাৰি থাকে। এদিন জীয়েক আতাই পদ্মিনীৰ সৰু জীয়েকক মৰম কৰাত গৃহিণীয়ে 'সৌতা বান্দী এচবাৰি' দলিয়াই দিয়াত খেমালি কান্দি-কাটি অস্থিৰ হৈ ঠেকেত্তা লাগিল। দুখত দুখী হৈ নবেনে তাইক সহায় কৰিবলৈ আগবাঢ়ি গ'ল। প্ৰথমতে

---

৩০. "লেখিকাৰ জীৱনী", পৃ. ২০৯

পখিলীয়ে তাক সন্দেহৰ চকুৰে চালেও সি ৰকাই-ভনীৰ সম্বন্ধ সৃষ্টি কৰিলে। নবেনে জানিলে যে কণ বিহু টকা দি শেঠজীৰ ৰবপুতেকে পখিলীক দদায়েকৰ পৰা দুবছৰৰ বাবে বান্দী কৰি আনি তাইৰ সৰ্বনাশ কৰি ছোৱালীজনীৰ জন্ম দিলে। যেমালি আহত হোৱাত পখিলীৰ সৈতে তাইক অজিতৰ ওচৰলৈ লৈ আহিল আৰু তাইক সি অজিতৰ হাতত গটালে। এদিন যেমালি অজিতইতৰ একমাত্ৰ সন্তানৰূপে পৰিগণিত হ'ল। পশ্চাৎ অবলোকন পদ্ধতিত উপস্থাপন কৰা কাহিনীটোত লেখিকাই কৌশলগত কৃতকাৰ্যতা লাভ কৰিব পৰা নাই। বান্দীৰ প্ৰতি গৃহস্থৰ ব্যৱহাৰ, মনোভাৱ, অৱহেলা আদি প্ৰকট হৈ উঠা কাহিনীটো 'ডাঙৰ মানুহৰ ঘৰৰ ভিতৰৰ ফোপোলা কাহিনী' ৰূপে দাঙি ধৰা হৈছে। পখিলীৰ প্ৰতি দদায়েকৰ দায়িত্বহীনতা, অৰ্থাভাৱত এইদৰে বিক্ৰী হোৱা গৃহভৃত্য, তাইৰ ওচৰত মালিকৰ (শেঠৰ ৰবপুত্ৰ) কামনা চৰিতাৰ্থ, জন্ম হোৱা সন্তানৰ অস্বীকাৰ, গৃহিনীৰ অৱহেলা আৰু অত্যাচাৰ আৰু শ্ৰেণী চৰিত্ৰৰ প্ৰকাশ গল্পটোৰ লক্ষ্যণীয় বিষয়। পখিলী নিৰ্যাতিতা এনে ভৃত্যা-নাৰীৰ প্ৰতিনিধি চৰিত্ৰ। নবেন সৎ, পৰোপকাৰী আৰু সবল চৰিত্ৰৰ অধিকাৰী যুৱক। সিয়েই গল্পৰ মুখ্য চৰিত্ৰ। দদায়েকৰ দায়িত্বহীনতাৰ বিপৰীতে, নবেনৰ দায়িত্ব গ্ৰহণৰ মানসিকতাই গল্পৰ সৌন্দৰ্য বৃদ্ধি কৰিছে। গৃহস্থিনীৰ চৰিত্ৰত আভিজাত্যৰ নিষ্ঠুৰতা আৰু সাধাৰণৰ প্ৰতি কু-মনোবৃত্তি স্পষ্ট হৈ উঠিছে। চৰিত্ৰ চিত্ৰনত লেখিকা সম্পূৰ্ণ সফল নহ'লেও 'বান্দীৰ জীয়েক' সেইকালৰ এটা লেখত ধৰিব পৰা গল্প। অলকা পটঙীয়াৰ বাকী দুটা গল্প এইটো গল্পৰ সমকক্ষ নহ'ল। যুদ্ধৰ পাছত অনুশীলনৰ অভাৱত চন্দ্ৰবালা বৰুৱা বা অলকা পটঙীয়াই কৃতিত্ব দেখুৱাব নোৱাৰিলে। মুঠতে, তেওঁৰ সাহিত্য-প্ৰতিভা বিকশিত নহ'ল।

৫.৭.০৪. পদ্মকুমাৰী বৰগোঁহাই (১৯১৩-১৯৮৭)

পুৰন্দৰ সিংহৰ বংশৰ ৰাজকুমাৰ সিদ্ধেশ্বৰ গোঁহাইৰ দুহিতা পদ্মকুমাৰীৰ জন্ম স্থান শ্বিলং। ১৯১৩ চনৰ ২৪ জানুৱাৰীত জন্ম লভা পদ্মকুমাৰীৰ মাতৃ হ'ল সুভদ্ৰা ৰাজকুমাৰী। স্বামী ডিব্ৰুগড়ৰৰ অধিবক্তা যোগেশচন্দ্ৰ বৰগোঁহাই। সৰুকালৰে পৰা শিক্ষা-সংস্কৃতিত আগবঢ়া পদ্মকুমাৰী বৰগোঁহাই এগৰাকী মহিলা ৰাজনীতিকো। অসম মন্ত্ৰীসভাত তেওঁ বহুদিন মন্ত্ৰীও আছিল। সমাজ সেৱিকা পদ্মকুমাৰীয়ে প্ৰথমতে সাহিত্য জগতত্তহে প্ৰবেশ কৰিছিল। ১৯৩৪ চনত তেওঁৰ গল্প-পুথি "মাধুৰী" প্ৰকাশ হৈছিল। গ্ৰন্থখন দুষ্প্ৰাপ্য হোৱাত তেওঁৰ গল্পৰ মূল্যায়ণ সম্ভৱ নহ'ল। তেওঁৰ অন্যান্য ৰচনা হ'ল, "হিন্দুনাৰী" (১৯৫২) নামৰ উপন্যাস, "কণজুনৰ সপোন" শিশুগ্ৰন্থ আৰু "ঘৰৰ লখিমী" নামৰ কবিতা পুথি। পদ্মকুমাৰী বৰগোঁহায়ে ১৯৮৭ চনৰ ২৫ এপ্ৰিলত ডিব্ৰুগড়ত মৃত্যুবৰণ কৰে।

৫.৭.০৫. সুপ্ৰভা গোস্বামী (১৯১৭—)

সুপ্ৰভা গোস্বামী বিশিষ্ট গল্পলেখক শৰৎচন্দ্ৰ গোস্বামীৰ কন্যা। পিতৃৰ কৰ্মথলী যোৰহাটত ১৯১৭ চনত তেওঁ জন্ম লাভ কৰে। ১৯৩৩ চনত কলিকতা বিশ্ব-বিদ্যালয়ৰ পৰা প্ৰথম বিভাগত প্ৰবেশিকা পৰীক্ষাত উত্তীৰ্ণ হয়,। দহবছৰমান বয়সতে 'উষা' নামৰ কবিতা এটিৰে সাহিত্য জগতত প্ৰবেশ কৰিছিল যদিও, সুপ্ৰভা গোস্বামীয়ে গল্প লেখিকা হিচাপে "আৱাহন"ৰ পাতত প্ৰতিষ্ঠিত হৈ পৰে। ইংৰাজী গল্পৰ অনুবাদিকা সুপ্ৰভা গোস্বামীৰ মৌলিক গল্প 'লুইতৰ মোহ'ৰ জৰিয়তে সুধীজনৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সমৰ্থ হয়। এইটো গল্পই তেওঁক চতুৰ্থ দশকতে গল্প-লেখিকাৰ মৰ্যদা আনি দিয়ে। তেওঁৰ ১৯৩৪/৩৫ চনৰ পৰা আশীৰ দশকলৈ বিভিন্ন সময়ত ৰচনা কৰা তেইছটা গল্পৰ সংকলন

"লুইতৰ মোহ" ১৯৮৯ চনত প্ৰথম প্ৰকাশ ঘটিছিল। ১৯৩৭ চনত প্ৰকাশ পোৱা "অবিহংগা" বাৰটা বিখ্যাত ইংৰাজী গল্পৰ অনুদিত গ্ৰন্থ।[৩১] এই গ্ৰন্থৰ পৃষ্ঠা ১০৮ আৰু দাম আছিল এটকা। তেওঁৰ ১৯৩৯ প্ৰকাশিত "কণিকা", এওঁৰাবচনৰ তিনিটা সাধুৰ অনুবাদ গ্ৰন্থ। লেখিকাৰ মতে তেওঁৰ গল্পসমূহ "----- আৱাহন, বাঁহী, জয়ন্তী, সুৰভি, ৰবঁদেছিলা, উকনি আদি আলোচনীত, কেবাখনো সংকলনত আৰু বহুবেকীয়া সংখ্যাত প্ৰকাশ হৈছে।"[৩২]

"আৱাহন"ত প্ৰকাশিত 'লুইতৰ মোহ' এটা আবেগ প্ৰধান গল্প। আত্মভাষণ মূলক গল্পত এগৰাকী নাৰীয়ে কৈশোৰৰ পৰা লুইতৰ প্ৰতি অনুভৱ কৰা আকৰ্ষণে তীব্ৰৰূপ ধাৰণ কৰিছে। নায়িকাই কৈছে, "এদিন গধূলি লাহে লাহে আগবাঢ়ি গলোঁ। মোৰ মনত হ'ল মই যেন অভিসাৰিকা। মনোহৰৰ উদ্দেশ্যে ঘৰৰ বাহিৰলৈ আহিছোঁ। কোন তেওঁ? কাৰ উদ্দেশ্যে? লৌহিত্যৰ শান্তনু কুল-নন্দনৰ! মুহূৰ্তৰ কাৰণে মই থমকি ৰ'লোঁ। ---"এই গল্প ৰচনা কৰাৰ সময়ত লেখিকাৰ বয়স বেছি নাছিল। চাকৰি সূত্ৰে দেউতাক তেজপুৰত থাকোতে তেওঁ লুইতৰ যি ৰূপ দেখা পাইছিল, তাৰেই বৰ্ণনা ইয়াত প্ৰকাশ পাইছে।

এদিন নায়িকাৰ বিয়া হৈ গ'ল। নাৱত উঠি লুইতৰ পাৰৰ স্বামী গৃহলৈ গ'ল। নৈ পৰীয়া মানুহৰ সৈতে ঘনিষ্ঠ সম্পৰ্ক থকা ব্ৰহ্মপুত্ৰৰ ৰূপদৰ্শনৰ বাবে স্বামীৰ সৈতে প্ৰায়ে গধূলি পৰত পাৰত উপস্থিত হৈছিল গৈ। পাছত তেওঁ অকলেই যাবলৈ ল'লে। সেইবাবে স্বামী আৰু ঘৰৰ মানুহৰ মাজত নায়িকাৰ মনোমালিন্য ঘটাত স্বামীয়ে নাৱত তুলি তেওঁক পিতৃ-গৃহত থবলৈ লৈ গ'ল। নাওখন ব্ৰহ্মপুত্ৰৰ মাজ পাওতে নায়িকাই পানীত জাপ দিলে। নায়িকাক উদ্ধাৰ কৰা হ'ল যদিও মানসিক ৰোগী বুলি ধাৰণা হ'ল। কিন্তু, নায়িকাই নিজকে বলীয়া বুলি নাভাবে, তেওঁৰ ধাৰণা অন্য। গল্পৰ আৰম্ভণি আৰু সামৰণিত নায়িকাই নিজকে বলীয়া নহয় বুলি প্ৰতিষ্ঠা কৰিবলৈ বিচাৰিলে। এই গল্পৰ বৰ্ণনা সুন্দৰ আৰু লুইতৰ জীৱন্ত ৰূপ ইয়াত প্ৰতিভাত হৈ পৰিছে। বাৰিষাৰ উন্মাদিনী লুইত খৰালি নিস্তেজ নিষ্প্ৰাণ জলপ্ৰবাহত পৰিণত হয়। লুইতৰ মোহনীয়া ৰূপৰ প্ৰতি নায়িকাৰ তীব্ৰ আকৰ্ষণৰ মানসিক কাৰণ গল্পত উল্লিখিত হোৱা নাই। তথাপি, সুপ্ৰভা দেৱীৰ প্ৰতিনিধিমূলক গল্প হিচাপে ই লেখত লবলগীয়া। 'এজোপা-খকৰা বেঙেনাৰ গছ' ষাঠিৰ দশকত ৰচিত আৰু লেখিকাৰ নিজৰে প্ৰিয় গল্প। 'ৰূপৰেখা' নামেৰেও এই গল্প প্ৰকাশ পাইছিল। গোহালী-মুখৰ এজোপা খকৰা বেঙেনা গছে শাক-পাচলীৰ নাটনিৰ দিনত বিপদৰ বন্ধু হৈ গিৰিহঁতক সহায় কৰে। আচলতে এইটো লেখাক গল্প নুবুলি ৰচনা বোলাই উচিত। 'অভিৰূপনন্দা' এটা আখ্যানহে, গল্প বুলিব নোৱাৰি। 'সংসাৰ' গল্পত পত্নীৰ আৰু মাতৃত্বৰ চৰম সুখ সন্ধানী নাৰী সত্যৱতীয়ে আশা হেৰুৱাই নিঃসঙ্গৰূপ লাভ কৰাৰ, দুখাত্মক চিত্ৰণ ঘটিছে। 'তিনিজোপা নাৰীকল' নামৰ গল্পত এখন সৰুনগৰ মহানগৰলৈ পৰিণত হোৱাৰ ছবিখন দাঙি ধৰিবলৈ যাওঁতে পৰিবেশ চিত্ৰণত কেৱল জোৰ দিয়াত গল্পৰ সৌন্দৰ্য হ্ৰাস পাইছে। সেইদৰে 'এডাল মমবাতিৰ আত্মকাহিনী'ও এটা ৰূপকাত্মক ৰচনাহে। 'ধনকুবেৰ' গল্পৰ নায়ক অনন্তৰাম দত্ত এহাতে ধনকুবেৰ আৰু আনহাতে বিপদ-আপদৰ আশ্ৰয়স্থল। সি সুদলৈ ধন ধাৰ দি দুখীয়াক সহায় কৰে। সুদ বাঢ়ি গৈ থাকে, মুঠতে সি এটা সুদখোৰ মহাজন। আদৰৰ ৰবনাতি দুলালে ধনকুবেৰৰ ধন সৰকাই বিদেশ পালেগৈ।

৩১. এই পুথিত Best Short Stories of the World ৰ পৰা গল্পসমূহ অনুবাদ কৰা হৈছে।
৩২. "লুইতৰ মোহ" গল্প-সংকলনৰ 'লেখিকাৰ নিবেদন' দ্ৰষ্টব্য।

পাছত টকা পইছাৰ অভাৱত আত্মহত্যা কৰা বুলি চিঠি লেখি সি নিখোজ হ'ল। খবৰ পাই খৰত তাৰ শ্ৰাদ্ধৰ আয়োজন চলিল। কিন্তু শ্ৰাদ্ধৰ দিনা দুলাল আহি সৌ-শৰীৰে উপস্থিত হ'ল। আনহাতে ভূত-লজ্জা বুলি ভয়তে ধনকুবেৰে পেৰাটো এটা পুখুৰীত পেলাই দিছিল। ধনকুবেৰে ধাৰণা কৰিছিল যে পেৰাটো অমঙ্গলীয়া। দিন পাৰ হৈ গ'ল। পাগলাদিয়া নদীৰ পাৰৰ গাঁওখন বৰ ভুঁইকঁপত উপান্ত হ'ল। ধনকুবেৰৰ পুতেক-নাতিয়েকে চহৰত ঘৰ কৰিলে। "কিন্তু, এতিয়াও সেই গাঁৱত, ধনকুবেৰৰ ঘৰৰ ওচৰৰ পুখুৰীটোৰ পাৰত এটা খুটাত এডাল লোহাৰ শিকলি লগাই থোৱা দেখা যায়। মানুহে কয় পানীৰ তলত পেৰাটো এতিয়াও আছে, আৰু সেইটো দেওলগা।" গল্পটোকে উপন্যাসিকাৰ উপাদান ইয়াত বেছি। কিন্তু, বৰ্ণনাৰ গুণত বাস্তৱবাদী কথাবিলাকো ৰূপকাত্মক হৈ উঠিছে। 'মহেন্‌জদাড়ো' গল্পত লেখিকাৰ কল্পনা শক্তিৰ স্বৰূপ উপলব্ধি কৰিব পৰা যায়। মাটি খান্দোতে পোৱা পাঁচহাজাৰ বছৰৰ এটা জৰ্কাৰ মাজত পুৰণিকলীয়া ৰহস্য উদ্‌ঘাটন কৰাৰ প্ৰচেষ্টা দেখা যায়। 'তনুজা' গল্পত প্ৰসৱ যন্ত্ৰণাত চট্‌ফটাই থকা মাতৃৰ সদ্যজাত শিশুৰ মুখ চাই সকলো পাহৰি যোৱা অৱস্থাৰ বৰ্ণনা সুন্দৰ। একমাত্ৰ ছোৱালী সবিতাক কমবয়সতে উপযুক্ত পাত্ৰত সমৰ্পন কৰিও মাতৃ হৃদয় ঘৰ উদং হোৱাত নিৰানন্দ অৱস্থাত উপনীত হৈছে। সম্পূৰ্ণভাবে সুখী জীয়েকৰ আসন্ন মাতৃত্বই নায়িকাক বিতত্ত কৰিছে। কাৰণ, "যদি তাইৰো ছোৱালী হয়, তায়ো হয়তো মোৰেই নিচিনা মনৰ কষ্টত ভুগিব লাগিব।" একমাত্ৰ ছোৱালীক উলিয়াই দিয়াৰ মাতৃ-হৃদয়ৰ দুখ গল্পটোৰ মূল সম্পদ। কলা-কৌশলৰ ফালৰ পৰা গল্পটো দুৰ্বল। 'ছোৱালী যেতিয়া ডাঙৰ হয়' একে জাতীয় গল্প। সুমিত্ৰাৰ মনোবেদনা গল্পৰ মূল সম্পদ। জীয়েকক সময়মতে সু-পাত্ৰত অৰ্পন কৰিও মনৰ পৰা শঙ্কা আঁতৰা নাই। সিহঁতৰ আগমনলৈ অধীৰ অপেক্ষা কৰি ৰওঁতে এদিন অহাৰ খবৰ আহিল। আহিব লগীয়া দিনটোত পুৱাৰে পৰা সুমিত্ৰাই নানা আয়োজনত লাগিল। কিন্তু, বিশেষ কাৰণত জী-জোঁৱাই নাহিল আৰু দেৰীকৈ অহাৰহে খবৰ আহিল। সুমিত্ৰাৰ মন মৰি গ'ল। কিন্তু, "এটা সহিব নোৱাৰা, বৰ্ণাব নোৱাৰা বেদনাৰ মাজতো, আন এটা সুগভীৰ সুখ আৰু শান্তিৰ ভাবে মনত একেলগে উকি মাৰিব ধৰিলে।" মাতৃ-হৃদয়ৰ চিত্ৰন হিচাপে গল্পটোৰ বিশেষত্ব দেখা যায়। আনহাতে 'ল'ৰা যেতিয়া ডাঙৰ হয়' গল্পত মাতৃ কাত্যায়নীৰ ল'ৰা ডাঙৰ হোৱাত মানসিক সংঘাত প্ৰতিফলিত হৈছে। "----- ল'ৰা বঢ়াৰ লগে লগে মনৰ চিন্তা আৰু অশান্তিও বাঢ়ি যাব ধৰিলে। তেওঁতো ভবা নাছিল এনে হ'ব বুলি।" এনেভাবৰ বিকাশত বাস্তৱতা পৰিলক্ষিত হৈছে। 'একনী ছোৱালী আৰু এটা মেকুৰী পোৱালী', 'আন্দোলন', 'ধূসৰ ছবি', 'এজোপা শেৱালী ফুল', 'অপৰাধ বোধ', 'ৰূপহী বিল', 'গুৰুজী' আদি শেহতীয়া গল্পবিলাকতো কলা-কৌশলৰ কৃতিত্ব প্ৰকাশ পোৱা নাই। সুখপাঠ্য ৰচনা হ'লেও গল্পৰ উপাদান কিছুমানত পাৰলৈ নাই। সম-সাময়িক মহিলা গল্প-লেখিকাৰ সৈতে সুপ্ৰভা গোস্বামীৰ তুলনা নকৰাকৈ তেওঁক আৱাহন যুগৰ বিশিষ্ট গল্প-লেখিকাৰ মৰ্যদা দিব পাৰি। সেই সময়ৰ গল্পকেইটা আলচ কৰি ত্ৰৈলোক্যনাথ গোস্বামীয়ে দেখা পাইছে "সৰল আৰু পোনপটীয়া বাক্-ভঙ্গীৰ প্ৰতি তেওঁৰ আকৰ্ষণ।"[৩৩] সুপ্ৰভা গোস্বামীৰ গল্পৰ সৰলতাই প্ৰধান বৈশিষ্ট্য।

৫.৭.০৬. ফুল শইকীয়া (১৯২০—)

ফুলেশ্বৰী দত্তই বিবাহ-পূৰ্বে প্ৰধানকৈ "আৱাহন"ৰ পাতত চতুৰ্থ দশকৰ ভিতৰত একাধিক গল্প ৰচনা কৰিছিল। ফুল শইকীয়াৰ নামত ৰচিত 'অনয়-দুখী' ১৯৩৭ চনৰ

---

৩৩. ত্ৰৈলোক্যনাথ গোস্বামী, "আধুনিক গল্প সাহিত্য", পৃ. ১৫৭

'আৱাহন'ত (৮ম বছৰ, ১২শ সংখ্যা) আৰু 'মাতৃত্বৰ পৰিণাম' ১৯৪০ চনৰ "আৱাহন"ত (১১শ বছৰ, ৮ম সংখ্যা) প্ৰকাশ পোৱা দুটা প্ৰধান গল্প। এই দুটা গল্পৰ মাজতে ফুল শইকীয়াৰ প্ৰতিভাৰ স্ফুৰণ ঘটা অনুভৱ হয়।

'জনম-দুখী' গল্পত অজিত আৰু কমলাৰ গোপন প্ৰণয় আৰু তাৰ পৰিণতি দেখুৱা হৈছে। প্ৰণয়ৰ পৰিণাম স্বৰূপে কমলা গৰ্ভৱতী হোৱাৰ পাছত অজিতে এজনী ধনীৰ দুলালীক বিয়া কৰাই সলনি হৈ পৰিল। কমলাৰ দুৰাৱস্থাৰ কথা জানিব পাৰি ককায়েক নৃপেনে অজিতক বিচাৰি গৈ বিয়া কৰাবলৈ জোৰ দিলে। কিন্তু, অজিতে কিছুমান টকাহে যাচিলে। এদিন নৃপেনে কমলা আৰু অজিত দুয়োটাকে গুলিয়াই হত্যা কৰিলে। ইত্যাদি ৰহস্যৰ মাজেদি গল্পটো শেষ কৰা হৈছে। কিছুমান অবিশ্বাস্য কথাৰ সংযোগ কৰাত এই গল্পৰ কাহিনী দুৰ্বল হৈ ৰ'ল। আঙ্গিকৰ দিশতো গল্পটোৰ সাৰ্থকতা অনুভৱ নহয়। বাস্তৱতাতকৈ ভাবাবেগৰ প্ৰাধান্যহে গল্পটোত দেখা যায়। 'মাতৃত্বৰ পৰিণাম' আত্মভাষণ-মূলক গল্প। ইয়াত লুইতৰ বানপানীৰ চিত্ৰ সুন্দৰকৈ বৰ্ণিত হৈছে। বানপানীয়ে গল্পৰ বক্তা মাণিকৰ ঘৰ-দুৱাৰ ভাঙি উটুৱাই নিয়াত সি নিঃসম্বল হৈ পৰিল। সি অতি দৰিদ্ৰ আৰু জাৰজ হোৱাৰ বাবে উপহাসৰ পাত্ৰ হৈ এইদৰে জীয়াই থাকিব লগা হৈছিল। বানপানীত আবদ্ধ হৈ পৰা মাণিকক উদ্ধাৰ কৰিলে এখন নাৱত অকলে অহা এগৰাকী নাৰীয়ে। পানীৰ পৰা তাক উদ্ধাৰ কৰি সেই নাৰীয়ে মৃত্যুবৰণ কৰিলে অথবা আত্মহত্যা কৰিলে। মৃত্যুৰ সময়ত সকলো বিৱৰি এখন চিঠি লিখি গ'ল। চিঠিমতে সেই নাৰীয়েই হ'ল মাণিকৰ মাতৃ আৰু পিতৃ হ'ল সেইঠাইৰ মৌজাদাৰ চন্দ্ৰকান্ত। বিবাহ পূৰ্বেই মাণিকৰ জন্ম হয় আৰু তাৰপাছত সকলো গোপন কৰি মানুহজনীৰ এজন উকীলৰ লগত বিয়া হৈ যায়। এই মূল ঘটনাটো জোৰকৈ তৈয়াৰী আৰু কিছুমান অবিশ্বাস্য কথাৰ সংযোগ। চাৰিত্ৰিক বৈশিষ্ট্য ফুটাই তুলিব পৰাকৈ মাণিক বা মাকৰ চৰিত্ৰত মানসিক দ্বন্দ্ব স্পষ্ট নহ'ল। এই গল্পৰ বৈশিষ্ট্য হ'ল নাটকীয় ঠাচৰ গদ্য। সুখপাঠ্য ৰচনা বুলি ইয়াক গণ্য কৰিলেও গল্পৰ তুলাচনীৰে ইয়াৰ যোগ্যতা নিৰ্ণয় কৰা টান।

ফুলেশ্বৰী দত্ত এগৰাকী কবি আৰু নিবন্ধ লেখিকাও। "বাঁহী", "জয়ন্তী", "অৰুণ", "প্ৰভাত", "সাদিনীয়া নৱযুগ" আদিত বিভিন্ন ধৰণৰ লেখা প্ৰকাশ হ'লেও, সেইবোৰে বিশেষ বৈশিষ্ট্য ৰক্ষা কৰিব পৰা নাই।

৫.৭.০৭ অন্যান্য লেখিকা

"আৱাহন"ৰ পাতত চতুৰ্থ দশকত আবিৰ্ভাৱ হোৱা আৰু কেইগৰাকীমান লেখিকাৰ নাম উল্লেখ কৰিব পাৰি। প্ৰথমতে কুসুমকুমাৰী কাকতীৰ নাম লব পাৰি। ১৯৩২ চনত প্ৰকাশিত 'সু-সন্তান' এটা প্ৰচাৰধৰ্মী গল্প হলেও যুগৰ ছবি হিচাপে মূল্য এটি দেখা যায়। বিদেশী বস্ত্ৰ বৰ্জনক মুখ্য কৰি ধনীৰ দুলালী ইলাই সূতা কাটিবলৈ শিকা, বন্দৰ শিক্ষা আৰু কলেজীয়া ছাত্ৰ ককায়েকক খাদী পিন্ধিবলৈ সন্মত কৰা চিত্ৰৰ লগতে দুয়ো স্বদেশ-কৰ্মীৰূপে জেলৰ হোৱা ঘটনাই স্থান পাইছে। এই প্ৰসঙ্গত মাক-দেউতাকৰ প্ৰবোধ বাক্যখিনি যথাৰ্থতে যুগৰ প্ৰতিফলন। মাকক দেউতাকে কৈছে, "সিহঁতে জেল খটা নালাগে, যদি দেশৰ কাৰণে প্ৰাণো বিসৰ্জন দিয়ে, তেনেহলে তাক মই হাঁহি মুখে সহ্য কৰিম। আমিহে অতদিনে দেশসেৱাৰ মোল নুবুজিলোঁ। তুমি"যে তেনে পুত্ৰ কন্যা গৰ্ভত ধাৰণ কৰিছা, তাৰ কাৰণে তুমি আজি গৌৰৱ অনুভৱ কৰা উচিত।"

"আৱাহন"ৰ চতুৰ্থ বছৰত (১৯৩২) দীপান্বিতা চৌধুৰীৰ[৩৪] নামত গল্পৰ প্ৰকাশ দেখা যায়। তেওঁৰ একাধিক প্ৰকাশিত গল্পৰ ভিতৰত 'চিৰকুমাৰীত' (আৱাহন, ৮ম বছৰ, ৪ৰ্থ সংখ্যা, ১৯৩৭) এখন দীঘলীয়া চিঠিৰে জনৈকা নাইনী বাইদেৱে গোলাপলৈ বিয়াবাকৰ সম্পৰ্কত কৰা কল্পনাৰ কথা প্ৰকাশ কৰিছে। কলিকতাত কলেজত পঢ়া সময়তে বিয়া বাকৰ চিন্তা কৰিছিল, কিন্তু, নহ'ল। এতিয়া নায়িকা শিক্ষয়িত্ৰী আৰু বয়সো বাঢ়িল। হয়তো নিজৰ সুচলতা নাইবা অভিভাৱকৰ দোষৰ বাবেই বিয়া নহ'ল। গোলাপে নাইনীলৈ অহা এটা বিয়াৰ প্ৰস্তাৱত জোৰ দিছিল। নাইনী তাৰ বেলযাত্ৰা এটাত লগ পাই পাতি লোৱা বাইদেউহে। লেখিকাই উৎকণ্ঠা ৰক্ষা কৰাত কৃতকাৰ্য হৈছে আৰু সাধাৰণ ভাৱে গল্পৰ সাৰ্থকতাও অনুভৱ কৰা যায়। ইয়াৰ আগতে "আৱাহন"ৰ চতুৰ্থ বছৰ, ৩য় সংখ্যাত প্ৰকাশিত 'আকাংক্ষা' নামৰ আত্মকথা আখ্যা দিয়া লেখাটোও গল্পৰ প্ৰয়াসেই। তেওঁৰ 'মৰম আৰু মৰণ' (১৯৩৩) গল্পটো মোপাঁছাৰ ছাঁলৈ লেখা।

আৰতি দেৱীয়ে "আৱাহন"ৰ চতুৰ্থ বছৰ, ৬ষ্ঠ সংখ্যাত (১৯৩৩) 'ব্যৰ্থজীৱন' নামৰ এটা গল্প প্ৰকাশ কৰা দেখা যায়। এই গল্পত এগৰাকী আদহীয়া তিৰোতাই মৃত্যু যন্ত্ৰণাত চট্‌ফটাই থাকোতে পুতেকৰ আগত নিজৰ জীৱন-ৰহস্য দাঙি ধৰিছে। ধনীৰ দুলালী-গৰাকীৰ এজন শিক্ষিত ব্যৱসায়ীৰ লগত বিয়া হৈ চাৰিবছৰমান স্নেহধন্য হোৱাৰ পাছত, আন এজনী সুন্দৰীৰ ৰূপত মতলীয়া হৈ স্বামীয়ে তাইৰ ওপৰত অত্যাচাৰ চলাবলৈ ধৰিলে। আনহাতে স্বামী মাধৱে ব্যৱসায় পৰি অহাত টকা-পইছা লগামতে দিব নোৱাৰাত সুন্দৰীৰ দ্বাৰা অৱহেলিত হৈ মৃত্যু মুখত পৰিল। পোন্ধৰ বছৰ মানৰ পাছত মাকৰো মৃত্যু হ'ল। তাৰপাছত, ভেবেলা নামৰ এজনৰ যত্নত পঢ়ি শুনি হাকিম হৈ সুন্দৰী উৎপলাক বিবাহ কৰাই সংসাৰ পাতিলেও মনৰ পৰা মাকৰ দুখ নাতবিল। গল্পটোত কলা-কৌশল অথবা এটা নিটোল কাহিনী পোৱা নাযায়। চতুৰ্থ দশকৰ গল্পৰ বাদে আন বৈশিষ্ট্য চকুত নপৰে।

উষা দেৱীয়ে[৩৫] লেখা 'শেষ পৰিচয়' গল্পটোও আঙ্গিকৰ ফালৰ পৰা লেখত লব লগীয়া নহ'লেও কেন্দ্ৰীয় চৰিত্ৰ লখিমীৰ জীৱন ৰহস্য, তাইৰ প্ৰতি বিজনৰ অনুৰাগ, প্ৰশান্তৰ লগত তাইৰ বিবাহ, বস্তি ককাইৰ গোপনীয়তা প্ৰকাশৰ ফলত তাই শত্ৰুৰ ৰকত্ৰৰ তোলনীয়া জীয়েক বুলি ওলাই পৰিল। তদুপৰি, বিজনৰ ভনীয়েক বুলিও অৱশেষত প্ৰতিষ্ঠিত হ'ল। এই ৰহস্যময় গল্পটোৰ প্ৰকাশকাল ১৯৩৭ আৰু ৮ম বছৰ ৬ষ্ঠ সংখ্যা "আৱাহনত" ই প্ৰকাশ পাইছিল।

অষ্টম বছৰ ৬ষ্ঠ সংখ্যা "আৱাহন"ত দেৱবালা দেৱীৰ 'ভাগ্যচক্ৰ' নামৰ গল্প প্ৰকাশ পাইছিল। গল্পটোৰ আঙ্গিকৰ দুৰ্বলতা আৰু কেঁচা হাতৰ স্পৰ্শত দুৰ্বল হৈ পৰিছে। বেঙ্কাৰ বিনয় চৌধুৰীৰ সুন্দৰী দুহিতা অলকাক বিভিন্নজনে বিয়া কৰাবলৈ বিচৰাৰ মূল কাৰণ ধন। 'বেঙ্ক ফেইল' হোৱাত চৌধুৰীয়ে বন্ধুকেৰে গুলিয়াই আত্মহত্যা কৰাত অলকাৰ বিপৰ্যয় ঘটিল। অৰ্থাভাৱত তাই কোনো এজন বেৰিষ্টাৰৰ ঘৰত 'গৰ্ভনেছ' হৈ এদিন তেওঁৰ বিবাহ প্ৰস্তাৱৰ সন্মুখীন হ'ল। তেতিয়া তাইৰ জ্ঞান হোৱাত আগৰ পৰা অৱজ্ঞা কৰি অহা তপনক বিয়া কৰোৱাৰ সিদ্ধান্ত ললে। মানুহৰ 'ভাগ্যচক্ৰ' এইদৰেই

৩৪. "আৱাহন"ৰ ৪ৰ্থ বছৰ, ১১ শ সংখ্যাত প্ৰকাশিত কুমাৰী দীপান্বিতা চৌধুৰীৰ 'জন গ্ৰানলীক হুইটিয়াৰ' জীৱনীৰ পাদলেখাত 'লিখক' বোলাত পুৰুষ লেখক কোনোবা হ'ব পাৰে বুলি সন্দেহ ওপজে।

৩৫. কমলাকান্ত ভট্টাচাৰ্যৰ দুহিতা স্নেহলতা আৰু উষাই 'দেৱী আৰু ভট্টাচাৰ্য' দুয়োটা উপাধি ব্যৱহাৰ কৰা দেখা যায়।

পৰিবৰ্তিত হ'ব পাৰে বুলি এই গল্পই শিকনি এটা দাঙি ধৰিছে। এইবছৰ "আৱাহন"ৰে অষ্টম সংখ্যাত কুঞ্জকুমাৰী মহন্তৰ "ভাগ্যৰ লিখন' গল্প হিচাপে উল্লেখযোগ্য নহয়। সাধু-কথাৰ ছাপ এটাৰ মাজত ভাগ্যৰ ক্ষেত্ৰত প্ৰতিষ্ঠিত বিশ্বাসহে প্ৰকাশ কৰি দেখুৱাইছে। "আৱাহন"ৰ আন এগৰাকী লেখিকা নিৰ্মলা দেৱীৰ 'আপোন পৰ' (১৯৩৮) প্ৰকাশ হোৱা তেওঁৰ গল্পৰ ভিতৰত শ্ৰেষ্ঠ। 'নামকৰণ', 'দেৱতাৰ আশীৰ্বাদ' আদি গল্পও লেখত ধৰিব পৰা বিধৰ।

যুদ্ধ-পূৰ্ব অসমীয়া গল্পত এইসকল লেখিকাৰ বাহিৰেও দুষ্প্ৰাপ্য আলোচনী পত্ৰিকাত দুই এগৰাকী লেখিকাৰ দুই চাৰিটা গল্প থকাত অসম্ভৱ একো নাই। লেখিকা সকলৰ নিজা সংকলন নথকাত আৰু এই বিষয়ক গ্ৰন্থ-নিবন্ধ ৰচোতা সকলেও বিস্তৃত উল্লেখ নকৰাত ইয়াতকৈ অধিক তথ্য উদঘাটিত কৰিব পৰা নগ'ল। অৱশ্যে, গোহৰীলে নহা তথ্য থাকিলেও অতি সামান্য হ'ব বুলিহে ধাৰণা হয়।

৫.৮. নাট ৰচনাত মহিলা

অসমীয়া ৰমন্যাসিক যুগটো কাব্য সাহিত্যৰ দৰেই নাট্য-সাহিত্যতো এটি গৌৰবোজ্জ্বল যুগ। কাব্যৰ পাছতে ৰমন্যাসিক ভাবধাৰাত নাটক বিলাক পুষ্ট। ১৯২০-৪০ চনৰ সময়ছোৱা অসমীয়া ৰমন্যাসিক নাটকৰ স্বৰ্ণযুগ। এই যুগৰ সামৰণিৰ ফালে এগৰাকী মহিলা নাট্যকাৰৰ আগমন ঘটিছে আৰু যুদ্ধ-পূৰ্ব নাট্য-সাহিত্যত তেৱেঁই একমাত্ৰ মহিলা নাট্যকাৰ। ড° হৰিশ্চন্দ্ৰ ভট্টাচাৰ্যৰ "অসমীয়া নাট্য সাহিত্যৰ জিলিঙনি"তো মালবিকা দেৱীয়েই 'প্ৰথম মহিলা নাট ৰচয়িতা' বুলি স্বীকৃত হৈছে।

মালবিকা দেৱী (১৯২৪-১৯৭৭)

"আদিকবি" নাটকৰ জৰিয়তে অসমীয়া সাহিত্যত প্ৰবেশ কৰা মালবিকা দেৱীয়ে ১৯২৪ চনত যোৰহাটত জন্মগ্ৰহণ কৰে। পিতৃ স্বনামধন্য ড° কচিনাৰায়ণ শৰ্মা আৰু মাতৃ হ'ল স্বৰ্ণময়ী দেৱী। ১৯৪০ চনত গোলাঘাটৰ বেৰকান্ত গোস্বামীৰ লগত বিবাহ হয়। ১৯৪৭ চনত স্বামীৰ বিয়োগ ঘটাত জীৱন সংগ্ৰামত অৱতীৰ্ণ হয়। তেওঁৰ শিক্ষা কলেজ পৰ্যন্ত প্ৰসাৰিত আছিল আৰু শিক্ষয়িত্ৰীৰ পদ গ্ৰহণ কৰিছিল। গোলাঘাট, যোৰহাট, সদিয়া আদি ঠাইত শিক্ষয়িত্ৰী কাৰ্যত ব্ৰতী হৈ নিজৰ দুজনী কন্যাৰ লগতে পিতৃহীন ভাতৃদ্বয়ক মানুহ কৰাৰ দায়িত্বও গ্ৰহণ কৰে। ১৯৭৭ চনত এই গৰাকী সংগ্ৰামী মহিলাৰ ডিব্ৰুগড়ত মৃত্যু হয়।

মালবিকা দেৱীয়ে নাটক, কবিতা, গীত, নিবন্ধ আদি নানা ক্ষেত্ৰত হাত দিছিল। কবিতাদি ১৯৫০ চনৰ পাছতহে লেখিবলৈ লৈছিল। ১৯৬২ চনৰ চীনা যুদ্ধৰ সময়ত ৰচিত দেশপ্ৰেমমূলক গীতৰ পুথি "জাগৃহি" উল্লেখ কৰিব পাৰিলেও, তেওঁৰ খ্যাতি নাট ৰচনাতহে। বিবাহ-পূৰ্বে সম্ভৱত পিতৃৰ প্ৰভাৱতে তেওঁ সাহিত্যত প্ৰবেশ কৰিছিল। মালবিকা দেৱীৰ নাটক দুখন– "আদিকবি" (১৯৩৮) আৰু "চম্পাৱতী" (১৯৩৮)। তিনি অষ্টীয়া "আদি কবি" তেওঁৰ প্ৰথম নাটক আৰু চাৰিজুৱাৰ মাধ্যমিক বিদ্যালয়ত পঢ়ি থাকোতে ৰচিত বুলি জনা যায়। কম বয়সত ৰচিত হ'লেও নাটকখনত তেওঁৰ প্ৰতিভাৰ অনুমান কৰিব পৰা যায়। পৌৰাণিক আখ্যানত মৌলিক দুই এটা ঘটনা সংমিশ্ৰিত কৰি নাটকখন গঢ়ি তুলিছে। মৌলিক আখ্যানমতে দস্যু ৰত্নাকৰে ৰাম শব্দ উচ্চাৰণ কৰিব নোৱাৰি মৰা মৰাকৈ উচ্চাৰণ কৰোতে এটা সময়ত 'ৰাম' শব্দত পৰিণত হয় আৰু শেষত ৰাম নামত মতলীয়া হৈ পৰে। ইয়াৰ পাছত, সৰস্বতীৰ উপদেশত তপস্যা কৰি থাকোতে তেওঁৰ গাত উই হাফলুৰ সৃষ্টি হয় আৰু অৱশেষত তেৱেঁই

বাল্মীকি ৰূপে খ্যাতি লাভ কৰে। প্ৰথম দুটা অংকত লৌকিক ঘটনাক স্থান দিয়া হৈছে। তৃতীয় অংকত "ৰামায়ণ"ৰ আদি-কাণ্ডৰ পৰা ঘটনা গ্ৰহণ কৰা হৈছে। ব্যাধে ক্ৰৌঞ্চ পক্ষীক কাঁড়বিদ্ধ কৰাৰ পৰা বাল্মীকিৰ মুখত 'মা নিষাদ' শ্লোকৰ উচ্চাৰণ ঘটাই আদিকবিৰ জন্ম দেখুওৱা হৈছে। মায়া ৰত্নাকৰ, মায়া সুভগা আদিৰ অৱতাৰণা কৰা হৈছে। শেষ দৃশ্যত কবিতা, সংগীত, ছন্দ, মূৰ্চ্ছনা আদি প্ৰতীক চৰিত্ৰৰ সমাবেশ ঘটা দেখা যায়। "নাটখনি প্ৰতীকধৰ্মী পৌৰাণিক নাটৰূপে প্ৰতিপন্ন কৰিব লাগিব।"[৩৬]

মালবিকা দেৱীৰ আন এখন নাটক "চম্পাৱতী" (১৯৩৮) লৌকিক কাহিনীৰ ওপৰত প্ৰতিষ্ঠিত। নাটকখন বৰ্তমান দুষ্প্ৰাপ্য হৈ পৰিছে। তেওঁ শেষ বয়সত ৰচনা কৰা "শিশু গান্ধী"[৩৭] ৰেডিঅ' নাটক হিচাপে কৃতকাৰ্য হৈছিল। "গাৰ্বলৈ" নামৰ আন এখন নাট ৰচনা কৰা বুলি জানিব পৰা গৈছে।[৩৮] মালবিকা দেৱীৰ আটাইকেউখন নাটৰ ভিতৰত "আদি কবি"কেই উচ্চাসন দিব পাৰি। কিন্তু, পুৰুষ নাট্যকাৰ সকলৰ অৱদানৰ সৈতে এই নাটককো তুলনা কৰিব নোৱাৰি। মুঠতে, চতুৰ্থ দশকত ৰচিত আৰু আধুনিক অসমীয়া নাট্য-বুৰঞ্জীত সৰ্বপ্ৰথম মহিলাৰ ৰচনা ৰূপে ইয়াৰ ঐতিহাসিক মূল্য ৰৈছে।

মালবিকা দেৱীৰ আগতে নাট-ৰচয়িত্ৰী নোলালেও অভিনয় অনুষ্ঠিত কৰাত মহিলাই আগভাগ লোৱা দেখা যায়। আজলীতৰা নেওগ প্ৰমুখ্যে উদ্যোগী মহিলাই অভিনয় কৰাৰ উদাহৰণ নথকা নহয়; কিন্তু নাট ৰচনাত মালবিকা দেৱীয়েই প্ৰাতঃস্মৰণীয় হৈ ৰৈছে।

৫.৯. ভ্ৰমণ কাহিনী

ভ্ৰমণ কাহিনী ৰচনাতো চতুৰ্থ দশকৰ পৰা মহিলাই অংশ গ্ৰহণ কৰা দেখা যায়। ডিব্ৰুগড়ৰ সৰোজবালা দত্তৰ (১৮৮৫-১৯৭৩) "শান্তিৰ সন্ধান" এখনি উল্লেখ কৰিব পৰা ভ্ৰমণ কাহিনী। চতুৰ্থদশকৰ ভিতৰত ৰচিত এই গ্ৰন্থত ভাৰতবৰ্ষৰ বহুতো প্ৰসিদ্ধ তীৰ্থস্থান ভ্ৰমণৰ বৃত্তান্তই স্থান পাইছে। সম্ভৱতঃ অসমীয়া মহিলা ৰচিত এইখনেই পূৰ্ণাঙ্গ ভ্ৰমণ-কাহিনী। ১৯৪০ চনৰ আগে আগে দীপালী কাকতিৰ 'বৰোদাত এভুমুকি' নামৰ ভ্ৰমণ নিবন্ধ এটা প্ৰকাশ হোৱা পৰিলক্ষিত হৈছে। এনেধৰণৰ চমু ভ্ৰমণ টোকা দুটা এটাৰ বাদে মহিলা ৰচিত পূৰ্ণাঙ্গ ভ্ৰমণ-কাহিনী আলোচিত সময়ৰ ভিতৰত পোৱা নাযায়।

৫.১০. অনুবাদ

সকলোবোৰ প্ৰধান ভাষাৰ সাহিত্যৰ দৰেই অসমীয়া ভাষাতো আন ভাষাৰ পৰা বাচকবনীয়া গ্ৰন্থৰ অনুবাদ কৰাৰ প্ৰচেষ্টা দেখা যায়। ৰমন্যাসিক সাহিত্যতো অনুবাদৰ প্ৰতি অনুৰাগ যথেষ্ট ৰূপত দেখা গৈছে। 'অৰুণোদই যুগ'ৰ মহিলা অনুবাদিকাৰ পাছত স্মৰণ কৰিব পৰা অনুবাদিকা হ'ল প্ৰতিভা দেৱী (১৯১১-১৯৩২)। গল্পকাৰ শৰৎচন্দ্ৰ গোস্বামীৰ কন্যা প্ৰতিভা দেৱীয়ে ১৯১১ চনৰ ৭ এপ্ৰিলত নলবাৰীত জন্ম গ্ৰহণ কৰে। মাতৃৰ নাম ভুবনেশ্বৰী গোস্বামী। ঘৰতে শিক্ষা লাভ কৰা প্ৰতিভাই ১৯২২-২৩ চন মানত যোৰহাট নৰ্মাল স্কুলৰ মুখপত্ৰ "প্ৰভাত"ত 'তুমি' নামৰ কবিতা এটিৰে আত্ম প্ৰকাশ কৰিছিল। ১৯২১ চনত উমাকান্ত গোস্বামীৰ লগত বিবাহ হয় আৰু ১৯৩২ চনত একৈছ বছৰ বয়সত প্ৰতিভা দেৱীৰ অকাল মৃত্যু হয়। প্ৰতিভা দেৱী বিংশ শতাব্দীৰ প্ৰথম

---

৩৬. হৰিশ্চন্দ্ৰ ভট্টাচাৰ্য, "অসমীয়া নাট্য-সাহিত্যৰ জিলিঙনি", পৃ. ৪৬৫

৩৭. ড° মুকুন্দমাধৱ শৰ্মাই বাহিৰেজৰ মালবিকা দেৱীৰ বিষয়ে যোগান ধৰা তথ্য মতে।

৩৮. "লেখিকাৰ জীৱনী"ত প্ৰকাশিত সূত্ৰ মতে। পৃ. ২৭৯

সক্ষম অনুবাদিকা। ১৯২৬ চনতে প্ৰথম প্ৰকাশ লাভ কৰা "কেকো ডাঙৰীয়া", ষোড়শ শতিকাৰ স্পেনীয় উপন্যাস কাৰ্ভেন্টিচৰ "ডন কুইক্সোট" নামৰ গ্ৰন্থৰ অনুবাদ। শৰৎচন্দ্ৰ গোস্বামীৰ "অতুল কথামালা" চিৰিজৰ অন্তৰ্ভুক্ত কৰা এই গ্ৰন্থৰ মাজত অনুবাদিকাৰ শক্তিৰ পৰিচয় পোৱা যায়। "বজা-বহা" নামৰ পুথি এখনতো প্ৰতিভা দেৱীৰ নাম জড়িত হৈছে। প্ৰতিভা দেৱীৰ ভনীয়েক সুপ্ৰভা গোস্বামীৰ নামো অনুবাদিকা হিচাপে প্ৰখ্যাত। ইংৰাজীৰ পৰা অনুবাদ কৰা বাৰটা গল্পৰ "অবিহণা" আৰু এণ্ডাৰচনৰ সাধুৰ অনুবাদ "কণিকা" চতুৰ্থ দশকৰ উল্লেখযোগ্য অনুবাদ গ্ৰন্থ।

চতুৰ্থ দশকৰ ভিতৰতে বিভিন্ন বিষয়ৰ অনুবাদত হাতদিয়া মহিলাৰ ভিতৰত দেৱবালা দেৱীয়ে 'ভল্গাৰ বুকুত' গল্পটি "অন দি ভলগা" নামৰ প্ৰসিদ্ধ পুথিৰ পৰা অনুবাদ কৰি ১৯৪০ চনৰ "আৱাহন"ত প্ৰকাশ কৰে। এই বছৰতে লতিকা বৰুৱাই থিয়ফিল গালিভৰ অনুকৰণত ৰচনা কৰা গল্প 'ৰাজকুমাৰীৰ চৰণ' আৰু একেবছৰৰ "আৱাহন"তে ইংৰাজী গল্পৰ সহায়ত ৰচনা কৰা নিৰুপমা দেৱীৰ 'বিধবাৰ চকুলো' পোনপটীয়া অনুবাদ নহয়। দুয়োটাকে মৰ্মানুবাদ বোলাহে সমীচীন হ'ব। ৰাসেশ্বৰী খাটনিয়াৰৰ এই দশকতে হিন্দীৰ পৰা জৱাহৰলাল নেহেৰুৱে জীয়েক ইন্দিৰালৈ লেখা চিঠিৰ অনুবাদ "সংসাৰ পুথি" উল্লেখ কৰা দৰকাৰ। আজলী তৰা নেওগৰ "আলাউদ্দিন আৰু আচৰিত চাকি" গ্ৰন্থখনো 'সৰল ভাঙনি' বুলি আৱাহনৰ সমালোচনাত পোৱা যায়।[৩১] এইবিলাকৰ বাহিৰে মহিলাই কৰা অনুবাদ গ্ৰন্থ অথবা নিবন্ধৰ সন্ধেদ পোৱা নগ'ল।

ৰমন্যাসিক সময়ছোৱাত সাহিত্যৰ সকলো দিশতে মহিলাৰ আগমনি ঘটা উপৰক্ত আলোচনাত দেখা গ'ল। কিন্তু, তেওঁলোকৰ অধিকাংশ লেখাৰে মানদণ্ড নিম্নগামী। কবিতাত কেইগৰাকীমান প্ৰথম শাৰীৰ মহিলা কবিৰ বাহিৰে বাকীবিলাক ক্ষেত্ৰত পুৰুষৰ সমানে কেৰ মাৰিব পৰা লেখিকা পাবলৈ নাই। তেওঁলোকৰ যাই দোষ হ'ল অনুশীলনৰ অভাৱ। উচ্চশিক্ষিতা লেখিকাৰ সংখ্যা যথেষ্ট হৈয়ো লেখাৰ মানদণ্ড উন্নত কৰিব নোৱাৰাৰ মূলতে অধ্যয়নহীনতা আৰু বাস্তৱ অভিজ্ঞতাৰ অভাৱ বুলি নিশ্চিত হ'ব পৰা যায়। চতুৰ্থ দশকত অসমত লেখাৰ পৰিবেশ আলোচনীবিলাকে আনি দিছিল। কিন্তু, লেখিকাসকলে ইয়াক উপযুক্ত ভাৱে গ্ৰহণ কৰা দেখা নগ'ল। তদুপৰি, সাংসাৰিক হোৱাৰ পাছত পৈণত বয়সত লেখামেলা কৰা মহিলা নাই বুলিব পাৰি। ফলত, তেওঁলোকৰ অৱদান এটা স্তৰতে আবদ্ধ হৈ ৰ'ল।

---

৩১. 'আৱাহন', ১১ শ বছৰ, ৮ম সংখ্যা, শাওণ, ১৯৪০। গ্ৰন্থ সমালোচনা দ্ৰষ্টব্য।

ষষ্ঠ অধ্যায়

যুদ্ধোত্তৰ যুগ : মহিলা-কবিসকল

৬.১. যুদ্ধোত্তৰ অসমীয়া সাহিত্যৰ আৰম্ভণি

বিংশ শতাব্দীৰ চতুৰ্থ দশকৰ মাজৰ পৰা পঞ্চম দশকৰ মাজ ভাগলৈ (১৯৩৩-১৯৪৪) সমগ্ৰ বিশ্বৰ বাবে এক সংকটময় কাল। হিটলাৰৰ বিশ্বজয়ৰ সপোনে দ্বিতীয় মহাযুদ্ধৰ এই সময়ছোৱাক ভয়ানক কৰি তোলে আৰু বিশ্বৰ প্ৰধান শক্তিসমূহ দুটা শিবিৰত বিভক্ত কৰে। ভাৰতবৰ্ষৰ ইংৰাজ প্ৰশাসনে মিত্ৰ গোষ্ঠীত যোগ দিয়াত বিপৰীত গোষ্ঠীভুক্ত এচিয়াৰ অন্যতম শক্তি জাপানৰ মুখামুখি হোৱাত ভাৰতবৰ্ষৰ পূৰ্বাঞ্চল অসম এখন ৰণক্ষেত্ৰত পৰিণত হৈ পৰে। যাইকৈ ১৯৩৯ চনৰ পৰা ১৯৪৪ চনলৈ অসমৰ কাৰণে অতি দুৰ্যোগপূৰ্ণ কাল। এই সময়ছোৱাৰ ভয় আৰু আশঙ্কাৰ মাজতে অসমৰ অৰ্থনৈতিক বুনিয়াদ ভাগি পৰে আৰু নৈতিকতাবোধৰ অৱনতি ঘটাত দুৰ্নীতি-দুষ্কাৰ্যই খোপনি পুতি লয়। প্ৰবল খাদ্যাভাৱ আৰু বয়বস্তুৰ মহাৰ্ঘতাই ভয়াবহ পৰিস্থিতিৰ সৃষ্টি কৰে; বস্তুৰ মূল্য দ্ৰুতবৃদ্ধিত জনসাধাৰণৰ ক্ৰয়-ক্ষমতা হ্ৰাস পাবলৈ ধৰাত অসমৰ মধ্যবিত্ত শ্ৰেণীটোত পৰা-খহনীয়া আৰম্ভ হয়। সমাজ জীৱনত নানা ধৰণৰ অপঘাত হোৱাত সমাজ অস্থিৰ হৈ পৰে। সাহিত্য-সংস্কৃতিৰ চৰ্চা প্ৰায় বন্ধ হৈ পৰে। "মণিপুৰত যেতিয়া জাপানী বোমা ফুটিল, অসমীয়া সাহিত্য আৰু সাহিত্যিকে তেতিয়া যঃ পলায়তি স জীৱতি কৰিলে। ------সংস্কৃতিৰ যেন অপঘাত মৃত্যু ঘটি সি ৰহিত হ'ল। স্কুল, কলেজ, সাংস্কৃতিক অনুষ্ঠানবোৰ হ'ল সৈন্যাবাস। শিক্ষা-সংস্কৃতিতকৈ ডাঙৰ বস্তু হ'ল টকা আৰু প্ৰতিৰক্ষা বিভাগৰ ঠিকা। এই সকলোবোৰে নৈতিক মূল্যবোধ ধ্বংসোন্মুখ কৰি তুলিলে। ইয়াৰ মাজত সাহিত্যৰ নাম লোৱাটো হ'ল যেন ভীৰু আৰু অকৰ্মণ্যৰ কাম। ----- --- -- অসমীয়া সাহিত্যৰ মণিকূটত তেতিয়া প্ৰসঙ্গ হ'ল বন্ধ।"[১] বিয়াল্লিছৰ প্ৰচণ্ড স্বাধীনতা আন্দোলনেও শিল্পী-সাহিত্যিকৰ জড়তা ভাঙিব নোৱাৰিলে। অন্যহাতে যুদ্ধ-পূৰ্ব ৰমন্যাসিক সকল বস্তুবাদৰ সম্প্ৰসাৰণৰ ওচৰত যেন নিমাত হৈ পৰিল। এই অৱস্থাৰ অৱসান ঘটাবলৈ গুৱাহাটীৰ 'আমাৰ ঘৰ' নামৰ জনদিয়েক যুৱকৰ ভাড়াঘৰ এটিত[২] পৰিকল্পনা চলিল। ইতিমধ্যে সকলোবোৰ অসমীয়া আলোচনী বন্ধহৈ পৰাৰ অভাৱ গুচাবলৈ ভবানন্দ দত্ত, চক্ৰেশ্বৰ ভট্টাচাৰ্য, কমলনাৰায়ণ দেৱ আদিৰ প্ৰচেষ্টাত ১৯৪৩ চনৰ শেহৰফালে "জয়ন্তী"ৰ প্ৰকাশ ঘটিল। সম্পাদনা কৰিলে কমল নাৰায়ণ দেৱ আৰু চক্ৰেশ্বৰ ভট্টাচাৰ্যই। "জয়ন্তী"য়ে প্ৰগতিশীল পত্ৰিকাৰূপে আত্ম প্ৰকাশ কৰি নতুন সাহিত্যৰ তত্ত্ব কঢ়িয়াই আনি নতুন প্ৰতিশ্ৰুতি দাঙি ধৰিলে। "এইখিনিতে পুৰণি আৰু নতুনৰ বিচ্ছেদ ঘটিল, আৰু নিজৰ মান ৰাখি পুৰণি নীৰব হৈ পৰিল।"[৩] জীৱনৰ মূল্যবোধৰ পৰিবৰ্তন সাধিত হোৱাত ৰমন্যাসবাদৰ মূল লক্ষণ আৰু আধ্যাত্মিক প্ৰভাৱ স্তিমিত হৈ পৰিল আৰু ইয়াৰ ঠাইত বস্তুবাদী চিন্তা-চৰ্চাই প্ৰতিষ্ঠা লাভ কৰিলে। "জয়ন্তী"য়ে প্ৰধানতঃ কবিতা আৰু নিবন্ধৰ ক্ষেত্ৰত

---

১. মহেশ্বৰ নেওগ, "ৰূপৰেখা", পৃ. ৩২০

২. মহেশচন্দ্ৰ গোস্বামী, 'ভবানন্দক সুঁৱৰি', "ভবানন্দ দত্ত, জীৱন আৰু প্ৰতিভা" গ্ৰন্থৰ পৃষ্ঠা ৬-৮ দ্ৰষ্টব্য।

৩. মহেশ্বৰ নেওগ্ "ৰূপৰেখা" পৃ. ৩২১

পৰিবৰ্তন সূচিত কৰিলে আৰু প্ৰগতিবাদ তথা মাৰ্ক্সবাদক সাহিত্যৰ মাজেদি পৰিস্ফুট কৰি তুলিলে। আধুনিক কবিতাৰ প্ৰতিষ্ঠাত "জয়ন্তী"য়ে কালজয়ী অৱদান আগবঢ়ালে। ভবানন্দ দত্ত (নোচিকেতা), অমূল্য বৰুৱা, হেমবৰুৱা, নৱকান্ত বৰুৱা, কেশৱ মহন্ত আদি নতুন কবিসকলে জয়ন্তীৰ কাব্যাদৰ্শ প্ৰতিষ্ঠাত আগভাগ ললে। কিন্তু, "জয়ন্তী"ৰ পাতত মহিলা কবিৰ আগমন দেখা নগ'ল। আনহাতে, সাহিত্যৰ অন্যান্যদিশত, বিশেষকৈ উপন্যাসত বীনা বৰুৱা ছদ্মনামত ড°বিৰিঞ্চি কুমাৰ বৰুৱাই "জীৱনৰ বাটত", (১৯৪৫) আৰু চৈয়দ আব্দুল মালিকে চুটিগল্পত ("পৰশমণি", ১৯৪৬) শক্তিশালী বৰঙণিৰে স্বাধীনতা লাভৰ (১৯৪৭) পূৰ্বে সাহিত্যৰ ধাৰা পৰিবৰ্তনত অৱিহণা যোগালে।

৬.২. যুদ্ধোত্তৰ মহিলা কবিসকল

"জয়ন্তী"ৰ কাব্যাদৰ্শৰ মাজতে প্ৰবীন ৰমন্যাসিক কবিসকলে যুদ্ধোত্তৰ কালতো সেৰেঙাকৈ হলেও নিজ কাব্যাদৰ্শৰে ৰমন্যাসিক কবিতা ৰচনা কৰি গ'ল। অতুলচন্দ্ৰ হাজৰিকা, আনন্দচন্দ্ৰ বৰুৱা, বিনন্দচন্দ্ৰ বৰুৱা, নলিনীবালা দেৱী, ধৰ্মেশ্বৰী দেৱী বৰুৱানী আদিয়ে যুদ্ধোত্তৰ কালতহে মূল্যবান বৰঙণি দিবলৈ সক্ষম হ'ল। কিন্তু, নতুন চাম কবিয়ে আধুনিক শৈলীৰ অনুশীলন আৰম্ভ কৰিলে। অৱশ্যে মহিলা সকলক ততাতৈয়াকৈ "জয়ন্তী"ৰ কাব্যাদৰ্শই স্পৰ্শ কৰিব নোৱাৰিলে। "ৰামধেনু"ৰ পাতত আধুনিক কাব্যৰ অনুশীলন কৰা দুই-চাৰি গৰাকী মহিলা কবিৰ আৱিৰ্ভাৱ হ'ল। গতিকে, যুদ্ধোত্তৰ মহিলা কবিসকলক প্ৰধানকৈ দুটা ধাৰাত আলোচনা কৰা আৱশ্যক। তদুপৰি, দুই ধাৰাৰ উমৈহতীয়া দল এটাও পৰিলক্ষিত হয়। প্ৰধান ধাৰা দুটা হ'ল, যুদ্ধপূৰ্ব কালৰে পৰা প্ৰচলিত হৈ অহা 'ৰমন্যাসিক ধাৰা' আৰু দ্বিতীয়টো হ'ল "জয়ন্তী" প্ৰতিষ্ঠিত 'আধুনিক ধাৰা'।

৬.৩. যুদ্ধোত্তৰ ৰমন্যাসিক ধাৰাৰ মহিলা কবিসকল

যুদ্ধোত্তৰ ৰমন্যাসিক ধাৰাৰ মহিলা কবিসকলৰ ভিতৰত সাৰদাবালা দাস, শৰৎকুমাৰী বৰদলৈ, দিব্যপ্ৰভা ভৰালী, ফাতেমা খাতুন, সৰোজকুমাৰী, পদ্মপতি, কৃষ্ণপ্ৰিয়া হাজৰিকা, অমিয়া চক্ৰৱৰ্তী, সাবিত্ৰী বৰগোহাঞি, বিমল ৰাজখোৱা, হেমপ্ৰভা শইকীয়া, সত্যপ্ৰভা দাস, বাণী পাঠক, অম্বিকা দেৱী গোস্বামী, পুষ্পলতা দত্ত, হেমপ্ৰভা বৰা, হিৰন্ময়ী দেৱী, দেৱিকা শইকীয়া, আৰতি শইকীয়া, অন্নদা শইকীয়া, চাকিলা খাতুন, তৰুলতা দাস আদি অনেকৰ নাম উল্লেখ কৰিব পৰা যায়।

৬.৩.০১. সাৰদাবালা দাস (১৮৯৯-১৯৯০)

গোৱালপাৰাত ১৮৯৯ চনত জন্ম গ্ৰহণ কৰা সাৰদাবালা দাস ৰবপেটাৰ মাধৱচন্দ্ৰ দাসৰ পত্নী। বাঙালী মাধ্যমত ষষ্ঠশ্ৰেণীলৈ পঢ়া সাৰদাবালাই যুদ্ধোত্তৰ কালতহে অসমীয়াত কবিতা ৰচনা কৰিবলৈ লয়। বৰ্তমানলৈকে প্ৰকাশিত তেওঁৰ তিনিখন কবিতাৰ পুথি "কবিতাৰ হাৰ" (১৯৬৯), "কালিজাৰ সুৰ" (১৯৮১) আৰু "কাকলি" (১৯৭৮)। সহজ-সৰল ভাৱ আৰু ভাষাৰ এই কবিতা সমূহত ভগৱৎ প্ৰেমৰ পৰা স্বদেশ-প্ৰেমলৈকে নানা বিষয় সামৰি ললেও ব্যক্তিগত সুখ দুখৰ প্ৰকাশ নিচেই সামান্য। মানৱ-জীৱনক এটা দীঘলীয়া সপোন বুলি ধৰি তেওঁ আপোন-পৰৰ পাৰ্থক্য বিহীনতা প্ৰকাশ কৰিছে। মানৱ সেৱা, দেশসেৱা, কালৰ গতি, কমনা, ধৈৰ্য আদিৰ মাজত মানৱতাক মুখ্য কৰি প্ৰগতিবাদী মনৰ পৰিচয় দাঙি ধৰাত তেওঁ কৃতকাৰ্য হৈছে। শোষিত-বঞ্চিত সকলৰ প্ৰতি সাৰদাবালাৰ অনুৰাগ প্ৰবল। ৰহস্যৱাদৰ মাজত শাঁতুৰি-নাদুৰি তেওঁক অতীন্দ্ৰিয়

জগতলৈ ধাবমান হোৱা দেখা যায়। ভগৱন্মুখী হৈ ৰামনামৰ মহিমাৰ মাজত তেওঁ জীৱন-ছবি এৰি দিছে।

৬.৩.০২. সৰোজ কুমাৰী পদ্মপতি (১৯১৭-১৯৮৩)

নগাঁৱৰ বসন্তকুমাৰ ভূঞাৰ দুহিতা সৰোজ কুমাৰীৰ জন্ম ১৯১৭ চনত। ১৯৩৫ চনত তেজপুৰৰ কামাখ্যাকুমাৰ পদ্মপতিৰ সৈতে বিবাহ পাশত আবদ্ধ সৰোজকুমাৰী হিন্দীত বিশাৰদ পৰ্যন্ত শিক্ষালাভ কৰা মহিলা। শেহতীয়াকৈ লেখা-মেলা কৰা এই গৰাকী কবিৰ দুখন পুথি প্ৰকাশ পাইছে। প্ৰথম পুথি "নিৰ্ঝৰিনী" আৰু দ্বিতীয়খন "কবিতা-সৰোজ" (১৯৮০)। তেওঁৰ কবিতাত ভক্তিভাব, দেশপ্ৰেম আৰু ৰহস্যবাদী চিন্তাৰ প্ৰকাশ ঘটিছে। কিন্তু, তেওঁৰ ৰহস্যবাদ নলিনীবালা বা ধৰ্মেশ্বৰী দেৱীৰ দৰে গভীৰ নহয়। তথাপি, "কবিতা-সৰোজ"ৰ কবিতাসমূহত আকাংক্ষিত চিৰ সুন্দৰৰ স্বৰূপ প্ৰকাশ পাইছে আৰু অসীম-অনন্তৰ পৰা অণু-পৰমাণু পৰ্যন্ত সৰ্বত্ৰ জুৰি তেওঁ চিৰ-সুন্দৰৰ মনোহৰ ৰূপ উপলব্ধি কৰিব পাৰিছে। "নিৰ্ঝৰিনী"ৰ কবিতাসমূহ পঞ্চম দশকৰ পৰা ৰচিত আৰু এইবোৰ আলেখ্যমূলক ৰচনা। ঠায়ে ঠায়ে দেহবিচাৰৰ গীতৰ প্ৰভাৱ পৰিলক্ষিত হৈছে। নাৰীবাদী ৰচনাও এওঁৰ কবিতাত আছে। 'নাৰীৰ প্ৰেম' কবিতাই ইয়াৰ স্বৰূপ দাঙি ধৰিছে। পদ্মপতিয়ে ৰচনা কৰা একাধিক গীত অনাৰ্তাৰ যোগেও প্ৰচাৰিত হৈছে। তেওঁৰ কবিতাবিলাক সাধাৰণতে সুখপাঠ্য।

৬.৩.০৩. ঊষা গগৈ (১৯০৯-১৯৮৬)

প্ৰখ্যাত ঔপন্যাসিক কবি গণেশচন্দ্ৰ গগৈৰ ভগ্নী ঊষা গগৈৰ জন্ম ১৯০৯ চনত যোৰহাটত। ওঠৰ বছৰ বয়সত ডাঃ কমল গগৈৰ সৈতে বিবাহ হয়। স্ত্ৰীশিক্ষাৰ সুবিধাৰ অভাৱত আনুষ্ঠানিক শিক্ষা কম হলেও, এটা আঢ্যৱন্ত পৰিয়ালৰ দুহিতা হোৱাত মাজে সময়ে কবিতা ৰচনা কৰিছিল। তেওঁৰ একমাত্ৰ কবিতাৰ পুথি "হিয়াৰ হেমহাৰ" (১৯৭৯)। তেত্ৰিছটা কবিতাৰ সংকলিত ৰূপটিৰ সৌৰৱণী কবিতাকেইটা জাকত জিলিকা। সম-সাময়িক ঘটনাৱলীৰ বিবৰণ আৰু দেশপ্ৰেম তেওঁৰ কাব্য-সুৰ হিচাপে ধৰিব পৰা যায়। ব্যক্তিগত সুখ-দুখৰ প্ৰভাৱ কবিতাবোৰত নাই বুলিব পাৰি।

৬.৩.০৪. দিব্যপ্ৰভা ভৰালী (১৯২২-)

ইংৰাজী ১৯২২ চনৰ মাৰ্চমাহত (দৌল-পূৰ্ণিমাত) জন্মগ্ৰহণ কৰা দিব্যপ্ৰভাৰ পিতৃ যোৰহাটৰ প্ৰসিদ্ধ ভাষাবিদ দেবানন্দ ভৰালী। মাতৃৰ নাম কাঞ্চনলতা। সৰুৰে পৰা তীক্ষ্ণধী আৰু অনুভূতিপ্ৰৱন দিব্যপ্ৰভাই দেউতাকৰ উৎসাহিত এযাৰ বছৰমান বয়সৰ পৰাই লেখাৰ অনুশীলন আৰম্ভ কৰে। উচ্চ-শিক্ষিতা দিব্যপ্ৰভাই কুৰিবছৰ মান বয়সৰ পৰা ইংৰাজীত বহুতো নিবন্ধ ৰচনা কৰিছিল আৰু "আসাম ট্ৰিবিউন" আদি কাকতত সেইবোৰ প্ৰকাশ পাইছিল। বাঙালীতো তেওঁ দুই-এটা নিবন্ধ-কবিতা ৰচনা কৰিছিল। অসমীয়া ভাষাত দিব্যপ্ৰভাৰ পৰিচয় কবি হিচাপেই। ১৯৪৫ চনৰ পৰা ৰচনা কৰা কবিতাৰ পুথি "অৰ্পণা" ১৯৪৭ চনত প্ৰকাশ পায়। দ্বিতীয় কবিতা-পুথি "মানক" ১৯৫৪ চনত আৰু তৃতীয় পুথি "ভাৰততীৰ্থ" ১৯৭৮ চনত প্ৰকাশ লাভ কৰে। তদুপৰি, "কবিতা মঞ্জুৰী" প্ৰমুখ্যে কেবাখনো পুথি অপ্ৰকাশিত অৱস্থাত থকাৰ কথা জনা যায়।

'অৰ্পণা'ই দিব্যপ্ৰভাৰ শ্ৰেষ্ঠ কবিতা পুথি। তেওঁৰ কাব্য-প্ৰতিভা এই পুথিতে প্ৰস্ফুটিত হৈছে। "আকৰ্ষণীয় ৰুব্যোচিত ভাৱ-চিন্তা আৰু মনোগ্ৰাহী প্ৰকাশ-ভঙ্গীৰে দিব্যপ্ৰভা ভৰালীৰ

"অর্পণা" কাব্য সাহিত্যলৈ এক উল্লেখযোগ্য অৱদান।[8] দিব্যপ্ৰভা ৰহস্যবাদী কবি হলেও স্বদেশৰ মাটিৰ প্ৰভাৱ তেওঁৰ কবিতাত প্ৰগাঢ়। তেওঁৰ প্ৰকৃতি-বিষয়ক কবিতাত পাশ্চাত্যৰ প্ৰভাৱ দেখা যায়। এইখন পুথিৰ আঠেকুৰি কবিতাৰ মাজত স্পষ্ট তেওঁৰ প্ৰণয় গাথাই স্বকীয় বৈশিষ্ট্য আৰু অভিজ্ঞতাৰ প্ৰকাশ ঘটাইছে। চিৰকুমাৰী কবি গৰাকীৰ জীৱন আৰু চিন্তাৰ আভাস এইকাব্য-পুথিত উপলব্ধি কৰা যায়। কবিৰ প্ৰকৃতি-প্ৰেম, মানৱ জীৱনৰ সুখ-দুখ, আশা-নিৰাশা, উত্থান-পতন আৰু ভগৱৎ চিন্তা বিশেষভাৱে উল্লেখযোগ্য হৈ উঠিছে। প্ৰকৃতি বিষয়ক কবিতা সমূহৰ সাৱলীলতা স্পষ্টকৈ 'বাৰিষা' কবিতাত দেখা যায়।–

'আকৌ আহিল বাৰিষা মেঘৰ প্ৰথম আহাৰ চল
আকাশ ভঙা আকুলধাৰা বয় আজি অবিৰল।
ৰতাহে আনিলে সুবাস বৈ
দূৰ বাৰিধিৰ বাতৰি লৈ
ধৰণী চৌৱাই ঢালিলে পুনৰ কোমল শ্যামল প্ৰীতি
কত বিৰহীৰ প্ৰাণত বাজিল ব্যথাৰ ব্যাকুল গীতি।'

দিব্যপ্ৰভাৰ ৰহস্যময়তা 'ৰবীদেচিলা' প্ৰমুখে কেবাটিও কবিতাত শুনা যায়। 'অসীম পথত শুনি ধ্বনি ৰিণি ৰিণি জননীৰ সুধাসম মাতৰ লহৰী' বুলি এই কবিতাত মনোভাৱ স্পষ্টকৈ প্ৰকাশ কৰিছে। 'হেটুলুকা' জাতীয় চৰাই কবিতাত ৰঘুনাথ চৌধাৰীৰ প্ৰভাৱ স্পষ্ট। চৰাইৰ মৌসনা মাতৰ মাজতে চৌধাৰীৰ দৰেই দিব্যপ্ৰভাৱো হৃদয়ৰ ব্যৰ্থতাৰ কৰুণ বিননি শুনা যায়। 'মধু জাগৰণ', 'প্ৰবোধ', 'অজ্ঞেয়' আদিৰ মাজত ৰহস্যময়তা আৰু ভগৱৎ প্ৰেমৰ আকুলতা প্ৰকাশ পাইছে। জীৱনৰ সুখ-দুখ, ব্যথা-বেদনাৰ অনল শিখা নিৰ্বাপিত কৰি প্ৰেম মন্দাকিনী ভগৱানেই প্ৰবাহিত কৰে বুলি আস্থা প্ৰকাশ কৰিছে। 'অতৃপ্তি' আদি কবিতাত নলিনীবালা দেৱীৰ প্ৰতিধ্বনি শুনা যায়।–

শেষ হ'ল হৃদয়ৰ
অতৃপ্ত বাসনা যত
অপূৰণ ৰ'ল শত আশা।

'অতৃপ্তি', 'ব্যৱধান' আদি কবিতাৰ মাজেদি ব্যক্তি প্ৰেমৰ স্বৰূপ কবিৰ হৃদয় বিলত বিকাশ পোৱা সুকোমল আশা শতদল বুলি নিশ্চিত কৰা হৈছে। তেওঁৰ আশা নিৰাশাৰ চাকনৈয়াত বিনাশ হোৱা নাই বুলি 'ব্যৱধান'ত প্ৰকাশ পালেও তেওঁৰ প্ৰেম অপূৰ্ণ হৈ ৰৈছে। অৱশেষত এই পাৰ্থিৱ প্ৰেমৰ ভগৱৎ প্ৰেমলৈ উত্তৰণ ঘটিছে।

দিব্যপ্ৰভাৰ দ্বিতীয় পুথি "মালঞ্চ"ত আধ্যাত্মিক উপলব্ধিয়ে গভীৰ ৰূপ লৈছে। ইয়াৰ কিছুমান কবিতাই ৰবীন্দ্ৰ-কাব্যলৈ মনত পেলাই দিয়ে। ৰবীন্দ্ৰনাথৰ "আমি চঞ্চল হে, আমি পিয়াসী; দূৰ সুদূৰেৰ পিয়াসী"ৰ দৰেই দিব্যপ্ৰভাই লেখিছে, "মই দূৰ অসীম পিয়াসী, অমৃতৰ অভিলাষী"। "মালঞ্চ" পুথিখনৰ একত্ৰিছটা গীতি কবিতাৰ প্ৰায়বোৰতে "গীতাঞ্জলি"ৰ প্ৰতিধ্বনি অনুভৱ হয়। দিব্যপ্ৰভাৰ কাব্যৰ লক্ষ্য এই পুথিৰ দহ নম্বৰ কবিতাত দেখা যায়–

'তোমাৰ প্ৰাণৰ অমল সুষমা ঢালি
জীৱনৰ মোৰ গুচুৱা সকলো কালি
বঞ্চিত শত বাসনাৰ ব্যথা দলি
নিৰ্মল কৰা, উজ্জ্বল কৰা হিয়া,
হে অৰুণ জ্যোতি!
দিয়া মোক আৰু দিয়া।'

8. প্ৰফুল্ল কটকী, "সাহিত্য-বিচাৰ", ১৯৮৭, পৃ. ৮৮

দিব্যপ্ৰভা ভৰালীৰ তৃতীয় কাব্য-পুথি "ভাৰত-তীৰ্থ" (১৯৭৮) ভাৰতবৰ্ষৰ শৌৰ্য-বীৰ্য আৰু ঐতিহ্যৰ মহান চানেকি। ইয়াৰ সোতৰটা কবিতাত ভাৰত মাতৃৰ বন্দনা ভিন ভিন বিষয়ৰ কবিতাত প্ৰকাশ পাইছে। 'ভাৰত আত্মাৰ বাণী', 'হে বীৰ পূৰ্ণ কৰা', 'স্বাধীনতাৰ অভিযান', 'মোগল বিজেতা বীৰ লৰাইছাটৰ', আদি কবিতাত স্বদেশ প্ৰেমৰ সুন্দৰ চানেকি আছে। 'আচাৰ্য শঙ্কৰ', 'বুদ্ধ পূৰ্ণিমা', 'বিশ্ব কবি ৰবীন্দ্ৰনাথ', 'মহাত্মাৰ মহাপ্ৰয়াণত', 'জাগা নাৰী মহীয়সী', আদি কবিতাত তেওঁৰ প্ৰতিভা সুন্দৰকৈ প্ৰকাশ পাইছে।

ভৰালীৰ কবিতাসমূহৰ ভাব, ভাষা, ছন্দই কাব্যিক বসময় প্ৰকাশৰ মাজত অন্তৰ্হিত হৈ তিনিওখন কাব্য পুথিক সুখ-পাঠ্য কৰি তুলিছে। যুদ্ধোত্তৰ কালৰ ৰমন্যাসিক ধাৰাৰ মহিলা কবিৰ ভিতৰত দিব্যপ্ৰভাকে শ্ৰেষ্ঠাসন দিব লাগিব।

৬.৩.০৫ ফাতেমা খাতুন (১৯২২-)

১৯২২ চনত নগাঁৱৰ কামপুৰত ফাতেমা খাতুনৰ জন্ম হয়। পিতৃৰ নাম হবিবুৰ ৰহমান। বৰ্তমান যোৰহাটৰ বাসিন্দা ফাতেমা খাতুনৰ গাভৰু কালতে প্ৰকাশ লাভ কৰা কবিতা পুথি দুখন হ'ল, "অগ্নিৰেখা" আৰু "ৰূপৰেখা"। তেওঁৰ কবিতাসমূহ ৰমন্যাসিক ভাবধাৰাৰে পুষ্ট। 'মাটিৰ কোনো জাত নাই' কবিতাটি বিচাৰ কৰিলেই তেওঁৰ কাব্যৰ সুৰ উপলব্ধি হয়। মানুহৰ নাতিদীৰ্ঘ জীৱনটোক গৰ্ব, অহংকাৰ, অন্যায়, অত্যাচাৰ, ন্যস্ত স্বাৰ্থ, ষড়যন্ত্ৰ আদি নানা অসূয়া-অপ্ৰীতিয়ে পথভ্ৰষ্ট কৰি তোলে। জাত-ধৰ্ম, ধনী-দৰিদ্ৰ আদি বিভেদভাবে সমাজৰ গতি স্থবিৰ কৰি তোলে আৰু 'সমন্বয়-সংহতি ঐক্য'ৰ কথা আৰু কামৰ মাজত কোনো মিল পৰিলক্ষিত নহয়। মানুহ পশুঁহে পৰি সুবিধাৰ বাবে দুৰ্বলৰ ওপৰত অত্যাচাৰ কৰে। বহুজাতি, বহুধৰ্মৰ মানুহবোৰৰ কবৰৰ ধূলি আৰু চিতাৰ ধোঁৱা মহাশূন্যৰ বায়ুমণ্ডলত একীভূত হৈ পৰে। তেওঁ কৈছে–

'পোৰা ছাইবোৰ মাটিতেই মিলে
মাটিৰ ধৰ্ম্ম মাটিক সাবটি লোৱা
সেই ধৰ্ম্মকে মাটিয়ে পালন কৰে
মাটিৰ কোনো জাত নাই।'

সম্প্ৰীতি কামনা আৰু মৌলিক ভাবে মানুহৰ পাৰ্থক্য অস্বীকাৰ কৰি যোৱা দৃষ্টিভঙ্গী ফাতেমা খাতুনৰ কবিতাৰ মুখ্য সম্পদ। তেওঁৰ কবিতাৰ ভাব সবল, কিন্তু কাব্যিক লক্ষণত কিছু পৰিমাণে দুৰ্বল।

৬.৩.০৬. শৰৎকুমাৰী বৰদলৈ (১৯১৪-)

"চল্লিছৰ দশকত কবিতা ৰচনা কৰা শৰৎকুমাৰী বৰদলৈৰ কাব্য পুথি নাই। ১৯১৪ চনত নাজিৰাত জন্ম কবিগৰাকীৰ পিতৃ কৃষ্ণানন্দ হাতীকাকতি আৰু মাতৃৰ নাম নৰ্মদা। যোৰহাটৰ শৰৎচন্দ্ৰ বৰদলৈৰ লৈতে বিবাহ হোৱাৰ পাছতহে কবিতা ৰচনাত মন দিয়ে। কিন্তু, কাব্যিক সফলতা তেওঁ লাভ কৰিব নোৱাৰিলে। তথাপি, জন্মভূমিৰ প্ৰতি তেওঁৰ প্ৰেম আৰু দৃষ্টি-ভঙ্গী লক্ষ্যনীয়। 'আইতোক কিহেৰে পূজিম' কবিতাত তেওঁ কৈছে,

'অশ্ৰুজলেৰে ধুৱাই দিম
চৰণ যুগল
দিয়েই ফুলি উঠক
তোৰ পূজাৰ হৈ শ্বেতোৎপল।'

৬.৩.০৭. কৃষ্ণপ্ৰিয়া হাজৰিকা (১৯২১-)

যোৰহাটৰ ন্যায়াধীশ ৰাধানাথ হাজৰিকাৰ পত্নী কৃষ্ণপ্ৰিয়া হাজৰিকাৰ জন্ম ১৯২১ চনত যোৰহাটতে। পিতৃ মহেন্দ্ৰনাথ দত্ত। কৃষ্ণপ্ৰিয়াৰ প্ৰকাশিত কবিতা পুথি "জীৱনজ্যোতি" (১৯৭৪)। এই পুথিত শাশ্বত মহীয়সী নাৰীৰ বিৰহ ছন্দত প্ৰকাশ কৰিছে সৰল ভাবে। ইয়াৰ মাজতে 'কি বুলি চিনাকি দিম' কবিতাত অতীত আৰু বৰ্তমানৰ তুলনা লক্ষ্যনীয় হৈছে। "দেখিছিলোঁ যিখনি ছবি, তাহানি কালত, আজিও জিলিকি আছে স্মৃতিৰ পটত" বুলি বৰ্তমানৰ ৰীতি-নীতি, ধৰম-কৰমহীন ছবিখনৰ লগত তুলনা কৰিলেও জীৱনৰ মূল্যবোধৰ এই পৰিবৰ্তনৰ উপযুক্ত কাৰণ প্ৰদৰ্শনত কবি ব্যৰ্থ হৈছে।

৬.৩.০৮. কমলিনী বৰবৰা (১৯২৪-)

গুৱাহাটীৰ উজান বজাৰত ১৯২৪ চনত জন্মগ্ৰহণ কৰা কমলিনী বৰবৰাৰ স্বামী যোৰহাটৰ বজালীমেদামৰ নগেন বৰবৰা। বৃত্তিত শিক্ষয়িত্ৰী বৰবৰাই গল্প, উপন্যাস, ৰসৰচনা আদি সাহিত্যৰ বিভিন্ন দিশত অবিহণা যোগাই আহিছে। তেওঁ মূলত এগৰাকী গীতি কবি। "সুন্দৰৰ ৰূপ" (১৯৮৪) কবিতা পুথিত শতাধিক কবিতা প্ৰকাশ পালেও গীতবিলাকৰ সম-মৰ্যদাৰ নহয়। অৱশ্যে শব্দ-চয়নৰ সাৱলীলতাৰ বাবে 'মালতীৰ সপোন', 'ব্যৰ্থ অৰ্ঘ', 'মৃত্যুবান' আদি কবিতা সুখপাঠ্য হৈছে আৰু তেওঁৰ প্ৰতিভা প্ৰতিফলিত কৰিছে। বিষয়-বস্তুৰ বৈচিত্ৰ্যত মেটমৰা কমলিনীৰ কবিতাই শঙ্কৰদেৱৰ পৰা গায়ক মুকেশ, চিত্ৰনিৰ্মাতা ব্ৰজেন বৰুৱা আদিলৈকে সামৰি লৈছে। আনহাতে কমলিনী বৰবৰা এগৰাকী জনাজাত গীতিকাৰ। গীত ৰচনাৰ মাজতে তেওঁৰ প্ৰতিভা প্ৰকাশি উঠিছে। গীতৰ মাজেদি অপৰূপ সৌন্দৰ্যৰ ৰমন্যাসিক চিত্ৰায়নত যোগ্যতা প্ৰতিপন্ন হৈছে। যেনে–

'মনৰ গোপন কথা মনতেই ব'ল গাঁথা
সমীৰণে পৰশেৰে
কাৰ বাৰু মাতিছে।
অপূৰ্ণ জীৱন মোৰ ভাগৰি পৰিছে,
ছাঁ আৰু পোহৰৰ মৰীচিকা খেদি খেদি
বিশ্ব বীণাৰ সুৰ বিচাৰি ফুৰিছে। --'

এনে ধৰণৰ অতীন্দ্ৰিয় ভাবেই কমলিনী বৰবৰাৰ প্ৰায়বোৰ গীতত নিমগ্ন হৈ ৰৈছে। কবিতাসমূহতো তেনে ৰহস্যময়তা দেখা যায়। যতীন্দ্ৰনাথ দুৱৰাৰ সুৰতে জীৱনৰ চালিকা শক্তি নাৰীয়াক তেওঁ কৈছে–

চা সৌৱা বেলি লহিয়ালে
বৰৈনৰ কোবাল সোঁতত
নাওখনি ধীৰে বাই যাবি
খিমিক্ খামাকৈকে ভুলা
সিপাৰৰ মেলা চাবলৈ।' ইত্যাদি।

৬.৩.০৯. অমিয়া চক্ৰবৰ্তী (১৯২৭-)

উপন্যাসিকা আৰু নাট্যকাৰ হিচাপে পৰিচিতা তেজপুৰৰ অমিয়া চক্ৰবৰ্তীৰ জন্ম শিৱসাগৰত। জন্ম চন ১৯২৭। তেওঁৰ কবিতাৰ পুথিখনৰ নাম "ঝংকাৰ" (১৯৭০)। ৰমন্যাসিক কবি গৰাকীয়ে এই পুথিত পাকৰ্দিতা প্ৰদৰ্শন কৰিব পৰা নাই। 'বিজ্ঞনীন',

'মুক্তি', 'প্ৰতিমা মোৰ পাষাণ নহয়', 'তৃষ্ণা', 'পৃথিৱী জানো বন্ধ্যা হ'ল', 'ক্ষুধা' আদি কবিতাৰ লগতে বেজবৰুৱা প্ৰমুখ্যে নৱন্যাসৰ কৌইজনমানৰ গৌৰৱণিত লেখা কবিতাকেইটা উল্লেখ কৰিব পাৰি । গ্ৰন্থৰ শেষৰফালে সংযোজিত গীতকেইটা যথাযথ বুলিব পাৰি ।

৬.৩.১০. অৰ্পণা বণিক্য (১৯৩৩-)

অসমৰ পদ্য বুৰঞ্জী ৰচোতা দুৰ্গাবাম হাজৰিকাৰ পৰিনাতিনী অৰ্পণা দাস বণিক্যৰ ১৯৩৩ চনত দেৰগাঁৱত জন্ম হৈছিল । সৰুৰে পৰা সাহিত্য চৰ্চা কৰি অহা অৰ্পণাই বিবাহ-সূত্ৰে গুৱাহাটীৰ বাসিন্দা হৈ প্ৰথমতে অনাতাঁৰত কবিতা পাঠ কৰে । বিভিন্ন পত্ৰিকাৰ পাততে কবিতা প্ৰকাশ হোৱাৰ পাছত, ১৯৫৯ চনত "কবিতা-কুঁহি" আৰু ১৯৬১ চনত অতিক্ষুদ্ৰ "ছয়ঋতু" কবিতা পুথিখন প্ৰকাশ পায় । বণিক্যৰ কবিতাবোৰ সৰল আৰু সাধাৰণ ।

৬.৩.১১. এইসকল মহিলা-কবিৰ লগতে আৰু বহুতো নাম যোগ দিব পৰা যায় । শিৱসাগৰত ১৯২২ চনত জন্মলাভ কৰা বিমলী গোস্বামীৰ একমাত্ৰ কবিতা পুথি "ঋতুসংহাৰ" কালিদাসৰ গ্ৰন্থৰ ছাঁ লৈ ৰচিত । তেওঁৰ চুটি চুটি অন্যান্য কবিতাত ভগৱৎ ভক্তিৰ প্ৰকাশ দেখা যায় । গীতি-কবি পাৰুল শৰ্মাৰ ১৯২৮ চনত নাজিৰাত জন্ম হৈছিল । চল্লিছৰ দশকৰ পৰা কবিতা ৰচিলেও একমাত্ৰ পুথি "স্মৃতিলিপি" ১৯৮০ চনতহে প্ৰকাশ হয় । হেমপ্ৰভা শইকীয়াৰ (১৯২৮) কবিতা পুথি সংখ্যাত তিনিখন । "শুকুলা পাহিৰ সুবাস সিঁচি", "কণজুন নূপুৰৰ ধ্বনি" আৰু "ইন্দ্ৰমালতী" (১৯৮২) । হেমপ্ৰভা তেজপুৰৰ সাহিত্যিক দণ্ডিনাথ কলিতাৰ দুহিতা । ডিব্ৰুগড়ৰৰ চিৰিং চাপৰিত জন্ম গ্ৰহণ কৰা আন এগৰাকী সাহিত্যিকৰ দুহিতা নিৰু গোস্বামীৰ (১৯২৮) পিতৃ লক্ষেশ্বৰ শৰ্মা আৰু মাতৃ কুঞ্জলতা দেৱী । তেওঁৰ স্বামী গুৱাহাটীৰ প্ৰফুল্লদত্ত গোস্বামী । কাকতে পত্ৰে তেওঁ এলানি কবিতা ৰচনা কৰিলেও কাব্য-সংকলন প্ৰকাশ হোৱা নাই । শ্বিলঙত জন্ম গ্ৰহণ কৰা অনুৰাধা দাস (১৯২৮) বৰপেটাৰ বোৱাৰী । ৰমন্যাসিক কবিতাৰ সংখ্যা যথেষ্ট হ'লেও কবিতাৰ সংকলন প্ৰকাশ হোৱা নাই । 'শেষ উপহাৰ' আদি কবিতাত তেওঁ নতুন কাব্য ৰীতিলৈ অহাৰ প্ৰচেষ্টা দেখা যায় । এই ধাৰালৈ আহিবলৈ যত্ন কৰা জখলাবন্ধাৰ সাবিত্ৰী বৰগোহাঞিৰ (১৯২৮) কবিতাৰ "সময়ৰ পাণ্ডুলিপি" ১৯৮৪ চনত প্ৰকাশ পাইছে । বিমল ৰাজখোৱাৰ (১৯২৯-) জন্ম লক্ষীমপুৰৰ ন-কাৰিত । স্বামী প্ৰেমধৰ ৰাজখোৱা । "জয়ন্তী", "পছোৱা", "ৰামধেনু" আদিত প্ৰকাশিত কবিতা পুথিৰ নাম "পৰিমল" । যোৰহাটৰ সোনাৰী গাঁৱৰ পূৰ্ণানন্দ বৰদলৈৰ জীয়াৰী বাণী পাঠক (১৯৩০-১৯৭৬) দৰ্শনৰ অধ্যাপিকা আছিল । তেওঁৰ কবিতা পুথি দুখন হ'ল "পূৰবী" আৰু "সুৰভি" । বাণী পাঠক খাইকৈ গীতি কবি । হিৰণ্যময়ী দেৱীৰ (১৯৩০) কবিতা পুথি "যাত্ৰী" আশীৰ দশকৰ আৰম্ভণিত প্ৰকাশ হৈছে । দুই এটা কবিতাত অসম আন্দোলনৰ পৰশ বৈ গৈছে । জয়মালা মহন্ত (১৯২৯), সত্যপ্ৰভা দাস (১৯৩০), জেউতি মহন্ত (১৯৩০), কুসুম ভাগৱতী (১৯৩১), ৰেণু শৰ্মা (১৯৩৪), তৰুলতা দত্ত, পুষ্পলতা দত্ত, অম্বিকা দেৱী গোস্বামী আদি বহুতেই এই ধাৰাত কবিতা ৰচনাত হাত দিছিল । অসমৰ চুকে-কোণে প্ৰকাশিত বিভিন্ন ক্ষুদ্ৰ পত্ৰিকাত এইসকলৰ বাহিৰেও আৰু ভালেমান মহিলা কবি নিশ্চয় ওলাব । অৱশ্যে, নিম্নতম মানদণ্ড ৰক্ষা কৰিব পৰা লেখিকা সম্ভৱতঃ বেছি নহ'ব ।

৬.৪. লোমোজাৰ কবিসকল

ৰমন্যাসিক আৰু সাম্প্ৰতিক ভাৱধাৰাৰ মাজত অৱস্থান কৰা মহিলা কবিৰ দল এটা দেখা যায় । তেওঁলোকৰ কবিতাই স্পন্দিত ছন্দৰূপ লাভ কৰি আধুনিকতাৰ ওচৰ

চাপি আছিলেও ৰমন্যাসিক ভাব-চিন্তাৰ আৱৰ্তৰ পৰা মুক্ত হ'ব পৰা নাই। গতিকে, এনেধৰণৰ কেইগৰাকীমান কবিক দোমোজাৰ কবি ৰূপে চিনাক্ত কৰা হৈছে। আৰতি শইকীয়া, অন্নদা শইকীয়া, হিৰন্ময়ী দেৱী, শুচিব্ৰতা ৰায়চৌধুৰী, আলিমুননিছা পিয়াৰ, চাকিনা খাতুন, হেমলতা বৰা, ড° দেৱিকা শইকীয়া, ভকলতা দাস, হেমলতা দত্ত আদি মহিলা কবিক এই শিতানত ধৰা হৈছে।

৬.৪.০১. আৰতি শইকীয়া (১৯২৬–)

যোৰহাটৰ কুলধৰ চলিহাৰ জীয়াৰী আৰতি শইকীয়াৰ জন্ম ১৯২৬ চনত। উচ্চ-শিক্ষিতা এই গৰাকী মহিলা গোলাঘাটৰ খগেন্দ্ৰনাথ শইকীয়াৰ স্ত্ৰী। শিক্ষাব্ৰতী আৰতি শইকীয়াই ছাত্ৰী অৱস্থাৰ পৰা কবিতাদি লেখিলেও প্ৰথম কবিতাৰ সংকলন "ৰূপ আৰু ৰেখা" ১৯৮৮ চনতহে প্ৰকাশিত হৈছে। ৰমন্যাসিক চিন্তা-চৰ্চাৰ পৰা আধুনিক ভুবনে উত্তীৰ্ণ হোৱাৰ প্ৰচেষ্টা এই পুথিত পোৱা যায়। পুথিখনত বিছটা অসমীয়া কবিতাৰ লগতে বাৰটা ইংৰাজী কবিতাও সংকলিত হৈছে। অৱশ্যে তেওঁৰ কাব্যপ্ৰতিভা অসমীয়া কবিতা মুঠিতে সীমাবদ্ধ। 'অচ্যুত কন্যা', 'শিলভঙ্গাৰ গান', 'শিশুৰ ক্ৰন্দন', 'সীমাবদ্ধ', 'জীৱন শিল্পী' আদি কবিতাত আধুনিক ৰূপ আৰু প্ৰগতিবাদী ধাৰণা স্পষ্ট হৈ উঠিছে।

৬.৪.০২. অন্নদা শইকীয়া (১৯৩১-)

বৃত্তিত অধ্যাপিকা অন্নদা শইকীয়া বোকাখাতৰ সাহিত্যিক চিদানন্দ শইকীয়াৰ পত্নী। ১৯৩১ চনত চাৰিগুত জন্ম গ্ৰহণ কৰা কবি গৰাকীৰ পিতৃ যোগানন্দ লেখাৰু। সাহিত্যৰ কেবাটাও বিভাগত লেখামেলা কৰিলেও অন্নদা শইকীয়া মূলতঃ কবিহে। "এমুঠি কবিতা" (১৯৮০) নামৰ সংকলনৰ কবিতা সমূহে তেওঁক আধুনিকতাৰ ওচৰ চপাই আনিছে। কিন্তু, সাম্প্ৰতিক কাব্য-শৈলীত কৃতকাৰ্য হ'ব পৰা নাই। 'পুৱতি নিশাৰ আহ্বান', 'লেখিকা', 'ৰবটোকোলা', 'এটি হাঁহি', 'জীৱন' আদি কবিতাত নতুন কবিতাৰ লক্ষণ কিছু দেখা যায়। 'সন্দেহৰ ভুল', 'ৰংপুৰ', শৰবী-প্ৰতিভা', 'সুন্দৰৰ ৰূপ', 'স্মৃতি' আদি কবিতাই ৰমন্যাসবাদৰ প্ৰতিনিধিত্ব কৰিছে। 'মোৰ গান', এটা উল্লেখযোগ্য গীতি-কবিতা। অন্নদা শইকীয়াৰ দুই এটা কবিতাত প্ৰগতিবাদৰ স্পৰ্শ অনুভৱ হয়।

৬.৪.০৩. হিৰণ্ময়ী দেৱী (১৯৩৩-)

নগাঁৱত ১৯৩৩ চনত জন্ম লাভ কৰা হিৰণ্ময়ী দেৱীৰ পিতৃ হ'ল তিলক শৰ্মা। আধুনিক কাব্য শৈলীত কবিতা ৰচনা কৰাৰ প্ৰচেষ্টাযুক্ত কবিতাৰ সংকলন "মাটিৰ চাকিৰ শিখা"ত প্ৰায় চাৰিকুৰি কবিতা প্ৰকাশ পাইছে। কবিতা বিলাক প্ৰধানকৈ ৰমন্যাসিক ভাব বিশিষ্ট আৰু বিষয়বস্তুও তদ্ৰূপ। 'ৰবযুগ' আদি কবিতা নতুন শৈলীৰ ওচৰ চপাত হিৰণ্ময়ীক দোমোজাৰ শিতানত ধৰা হৈছে। সংখ্যাত কবিতা যথেষ্ট যদিও সাৰ্থক কবিতাৰ সংখ্যা অতি নগন্য। হিৰণ্ময়ী দেৱী এগৰাকী গীতিকবিও।

৬.৪.০৪. আলিমুননিছা পিয়াৰ (১৯৩৫)

অসমীয়া সাহিত্যত বিভিন্ন লেখাৰ দ্বাৰা প্ৰতিষ্ঠিতা, উচ্চ-শিক্ষিতা আলিমুননিছাৰ জন্ম ১৯৩৫ চনত গুৱাহাটীত। স্বামী বিশিষ্ট ঔপন্যাসিক মহম্মদ পিয়াৰ। তেওঁৰ প্ৰথম কাব্য সংকলন "চেতনা" (১৯৭৯)। "বাঁহবেনু" আদি সম-সাময়িক পত্ৰিকাদিত প্ৰকাশিত কবিতা সমূহত আধুনিক কবিতাৰ অনুশীলনী দেখা যায়। পিয়াৰ খাঁইকে ৰমন্যাসিক কবিহে। শব্দচয়ন আৰু প্ৰকাশভঙ্গীত তেওঁৰ বৈশিষ্ট্য দেখা যায়।

৬.৪.০৫. শুচিব্রতা বায়চৌধুৰী (১৯২৯—)

অম্বিকাগিৰি বায়চৌধুৰীৰ দুহিতা শুচিব্রতাৰ ১৯২৯ চনত গুৱাহাটীত জন্ম। শুচিব্ৰতা বায়চৌধুৰীৰ প্ৰকাশিত কবিতা পুথি "তুমি আৰু মই" (১৯৫০)। প্ৰধানকৈ ৰমন্যাসিক আবেদন পুষ্ট এই কবিতাসমূহত দেউতাকৰ প্ৰভাৱ স্পষ্ট। পঞ্চাছৰ পৰবৰ্তী কবিতা বিলাকত নতুন কবিতাৰ প্ৰয়াস দেখা যায়। মননশীল পৰ্যায়ত ধৰিব পৰা এই গৰাকী কবি অবিবাহিতা আৰু বৃত্তিত অসমৰ প্ৰথম অ-সামৰিক সেৱাৰ উচ্চ-পদস্থ মহিলা বিষয়া।

৬.৪.০৬. চাকিনা খাতুন (১৯৩৫—)

বৰপেটা জিলাৰ বায়পুৰ গাঁৱত ১৯৩৫ চনত জন্ম লাভ কৰা চাকিনা খাতুনৰ পিতৃ ম্বাবাজ আলি চৰকাৰ। বৃত্তিত শিক্ষয়িত্ৰী চাকিনা খাতুনৰ প্ৰকাশিত কবিতা পুথি "শিল্পীৰ সপোন" (১৯৭৬)। এই পুথিত ভগৱৎ ভক্তিৰ ৰহস্যময়তা প্ৰকাশ লাভ কৰিছিল। আলোচনী আদিত প্ৰকাশিত কবিতা সমূহ নতুন শৈলীৰ ওচৰ চাপি অহা দেখা যায়।

৬.৪.০৭. দেৱিকা শইকীয়া (১৯৩৬—)

ড° দেৱিকা শইকীয়া বৃত্তিত অধ্যাপিকা। ১৯৩৬ চনত তিতাবৰত জন্ম লাভ কৰা দেৱিকাৰ কাৰ্যক্ষেত্ৰ খিলং। ছাত্ৰীয়া কালতে "স্মৃতি অৰ্ঘ্য" নামৰ এখনি পুথিৰ দ্বাৰা সাহিত্যজগতত প্ৰবেশ কৰে। তেওঁৰ প্ৰধান কাব্য সংকলন "সুন্দৰৰ সৌন্দৰ্য বিচাৰি" (১৯৮৫)। ওঠৰটা বাচকবনীয়া কবিতাৰ সংকলনটিত স্বদেশ প্ৰেম, মানৱ-প্ৰীতি, দৰিদ্ৰৰ প্ৰতি সহানুভূতি, প্ৰতিভাৰ প্ৰশস্তি, জীৱনৰ ৰূপ দৰ্শন আদি সুন্দৰকৈ প্ৰতিভাত হৈছে। সাম্প্ৰতিক কবিতাৰ গঠন-শৈলীত যত্নৱতী লেখিকাই ৰমন্যাসিক কাব্য ধাৰাৰ পৰা আঁতৰি আহিব পৰা নাই। কবিতাবোৰ সুখপাঠ্য আৰু ৰসোত্তীৰ্ণ হৈছে। 'নৱ যুগমীয়া কবি ইতিহাস ৰচিব ধুনীয়া' কবিতাটোত কবি গৰাকীৰ কবিতাৰ লক্ষণ প্ৰকাশ পাইছে। 'অমৃতৰ সন্ধানত', 'আশাৰ পোহৰ', 'মাতৃৰ আশা', 'অনুভৱ', 'জীৱন সত্য' আদি কবিতাত তেওঁৰ প্ৰতিভাৰ স্বাক্ষৰ আছে।

৬.৪.০৮. তৰুলতা দাস (১৯৩৭ —)

১৯৩৭ চনত শোণিতপুৰ জিলাৰ প্ৰতাপগড় চাহবাগিছাত জন্ম গ্ৰহণ কৰা তৰুলতাৰ পিতৃ চণ্ডিচৰণ তালুকদাৰ। ১৯৫১ চনত বৰপেটাৰ বোৱাৰী হৈ আহি সাংসাৰিক জীৱনৰ ব্যস্ততাৰ মাজতে ৰচনা কৰা কবিতাৰ সংকলন খনৰ নাম "হৃদয়ৰ সুৰ" (১৯৭৫)। তৰুলতা ৰমন্যাসিক ভাবধাৰাৰ কবি। নাৰীৰ বিভিন্ন অৱস্থাৰ সনাতন ৰূপ প্ৰদৰ্শন কৰি 'এটা টকাৰ দুটা ফাল' ৰূপে নাৰী-পুৰুষৰ অভেদ্যতা প্ৰকাশ কৰাত তেওঁ কৃতকাৰ্য হৈছে। স্বৰ্গীয় প্ৰেমৰ মাজত জীয়াই থকাৰ বাসনা তৰুলতাৰ ৰচনাত স্পষ্ট। আধুনিক কবিতালৈ উত্তৰণ ঘটা নাই যদিও, এই ক্ষেত্ৰত তেওঁৰ প্ৰচেষ্টা লক্ষ্যনীয়।

৬.৪.০৯. আলোচিত কবিসকলৰ উপৰিও দোমোজাৰ কবিৰূপে আৰু বহুতৰে নাম উল্লেখ কৰিব পাৰি। হেমলতা বৰাৰ (১৯২৯) "কবিতাৰ মালাখাৰি" (১৯৭৭); হেমলতা দত্তৰ (১৯৩৭) "তৰা বহা ৰাতিৰ আকাশ" (১৯৮৫); নীৰদা মহন্তৰ "প্ৰাণ গংগাৰ ঢৌ" (১৯৮৪) আৰু গীতা হাতীকাকতিৰ "কেকটাছৰ গীত" লেখত ল'ব পৰা সংকলন। হাতী কাকতিৰ আন দুখন ৰমন্যাসিক গীতৰ পুথি হ'ল,—"তিনিকুৰি গীত" আৰু "গীত মোৰ চিত"। পূৰ্ণিমা শৰ্মা (১৯৪৪) আৰু দিপীকা বৰুৱাই (১৯৪৬) যৌথভাবে প্ৰকাশ কৰা "সঙ্গম" (১৯৮৬) কবিতা পুথিয়ে দুয়ো গৰাকীক ৰমন্যাসিকতাৰ ফালেহে টানি নৈ

গ'ল । অৰুণা বৰদলৈ (১৯১৯), হেম নলিনী গোস্বামী (১৯৩৫), স্বৰ্ণ গোস্বামী (১৯৩৭), মনোৰমা দাস (১৯২২), বীনাপাণি দাস (১৯৩৫) নীলিমা বৰঠাকুৰ (১৯৪৪), কমলা ভৰালী (১৯৪৪) আদি অনেকৰ নাম ল'ব পাৰি ।

এইসকল মহিলা কবিয়ে কবিতাদি ৰচনাক সাধনা পৰ্যায়ত ধৰা নাই । অনুশীলনৰ অভাৱত স্বাভাৱিক কাব্য প্ৰতিভাৰ বিকাশ ঘটোৱাতো সফল হ'ব নোৱাৰিলে । তেওঁলোকৰ প্ৰতিভা ইয়াতেই সীমাবদ্ধ আৰু স্থবিৰ হৈ ৰ'ল ।

৬.৫. আধুনিক ধাৰাৰ কবিসকল

দ্বিতীয় মহাযুদ্ধৰ পাছত অসমীয়া সাহিত্যত প্ৰতিষ্ঠিত হোৱা কবিতাক ইংৰাজীৰ 'মডাৰ্ণ পয়েট্ৰিৰ অনুসৰণত 'আধুনিক কবিতা' আখ্যা দিয়া হৈছে । এইবিধ কবিতা ৰমন্যাসিক কবিতাৰ বিপৰীত হেতুকে আধুনিক নাম দিলেও, ই বৰ আপেক্ষিক । নতুন কবিতা বুলিবৰলেও টান । কাৰণ, নতুনো এদিন পুৰণি হৈ পৰে । গতিকে, সাম্প্ৰতিক কবিতাক আধুনিক বুলিয়েই বুজোৱা হৈছে । বাংলা সাহিত্যৰ প্ৰসিদ্ধ কবি বুদ্ধদেৱ বসুয়ে কৰৰ দৰে আধুনিক কবিতা এনে এটা পদাৰ্থ নহয় যে যাক সহজেই কিবা এটাৰ দ্বাৰা সম্পূৰ্ণভাৱে চিনাক্ত কৰি পেলাব পাৰি । এই কবিতা বিদ্ৰোহৰ, প্ৰতিবাদৰ, সংশয়ৰ, ক্লান্তিৰ, সন্ধানৰ আৰু ইয়াৰ মাজত প্ৰকাশ পাইছে বিস্ময়ৰ জাগৰণ, জীৱনৰ আনন্দ, বিশ্ব-বিধানৰ প্ৰতি আস্থাবান চিত্তবৃত্তি । আশা-নিৰাশাৰ অন্তৰ্মুখিতা বা বহিৰ্মুখিতা, সামাজিক জীৱনৰ সংগ্ৰাম আৰু আত্মিক জীৱনৰ তৃষ্ণা, এই সকলোবোৰ ভিন্ ভিন্ কবিৰ মাজতে কেৱল পোৱা যাব পাৰে একেজন কবিৰ ৰচনাতো ।[৫] কিন্তু, ইমানতে আধুনিক কবিতাৰ সংজ্ঞা নিৰূপিত হোৱা নাই । বাংলা কাব্যৰ গৱেষিকা ড° দীপ্তি ত্ৰিপাঠীয়ে তেওঁৰ গৱেষণা গ্ৰন্থ "আধুনিক বাংলা কাব্য পৰিচয়"ত আধুনিক কবিতাৰ কিছু লক্ষণ নিৰ্ধাৰণ কৰিছে ।[৬] তেওঁৰ মতে এইবিধ কবিতাৰ সৃষ্টিত যিবিলাক ঘটনাই পটভূমি নিৰ্মাণ কৰিছে; তাৰ কেইটামান অন্যতম লক্ষণ উল্লেখ কৰা আৱশ্যক । নগৰকেন্দ্ৰিক যান্ত্ৰিক সভ্যতাৰ অভিঘাত; বৰ্তমান জীৱনৰ ক্লান্তি আৰু নৈৰাশ্যবোধ, আত্মবিৰোধ, অনিকেত (rootless) মনোভাৱ; বিশ্ব-সংস্কৃতি আৰু ঐতিহ্যৰ পৰা সচেতনভাৱে সম্পদ আহৰণ; ফ্ৰয়েড আদি মনোবিজ্ঞানীৰ প্ৰভাৱ; ফ্ৰেজাৰ আদি নৃ-তাত্ত্বিকৰ প্ৰভাৱ; আইনষ্টাইন প্ৰমুখ্যে পদাৰ্থ-বিজ্ঞানীৰ প্ৰভাৱ; মননধৰ্মিতা; প্ৰেম, সৌন্দৰ্য, কল্যাণ, ধৰ্ম প্ৰভৃতিৰ প্ৰতিষ্ঠিত মূল্যবোধত সংশয়; অনিশ্চয়তা আদি, দেহজ কামনা-বাসনা আৰু তৎপ্ৰসূত অনুভূতিক স্বীকাৰ কৰি প্ৰেমৰ শৰীৰী ৰূপৰ প্ৰত্যক্ষীকৰণ; ভগৱান আৰু প্ৰচলিত প্ৰথাগত নীতি ধৰ্মৰ প্ৰতি অবিশ্বাস আদি লক্ষণবোৰ আধুনিক কবিতাত বিদ্যমান । এইবোৰ লক্ষণ অসমীয়া আধুনিক কবিতাৰ ক্ষেত্ৰতো প্ৰযোজ্য । ইয়াৰ লগত যোগ দিব পাৰি যে ই দ্বিতীয় মহাযুদ্ধৰ পৰৱৰ্তী আৰু যুদ্ধ-পূৰ্ব ৰমন্যাসিক যুগৰ প্ৰতিষ্ঠিত ঐতিহ্যৰ বিৰোধী । বিষয়বস্তু নিৰ্বাচন, গ্ৰহণ আৰু শৈলীৰ নতুনত্ব সন্ধান কৰি কথন ৰীতি আৰু কাব্যৰীতিৰ সংমিশ্ৰন ঘটাই নতুন ধৰণৰ প্ৰতীক, চিত্ৰকল্প আদিৰ সংযোগত সংযমশীল ভাষাৰ প্ৰয়োগ বিশেষভাৱে উল্লেখযোগ্য ।

"জয়ন্তী"ত প্ৰকাশ লাভ কৰা আধুনিক অসমীয়া কবিতাতো এইবোৰ লক্ষণ কম বেছি পৰিমাণে প্ৰকাশ পালে । অমূল্য বৰুৱাৰ কবিতাত সৰ্বপ্ৰথম এই বলিষ্ঠ পদক্ষেপ আৰম্ভ হ'ল । "প্ৰখৰ সমাজচেতনা আৰু তীক্ষ্ণ সমালোচনা জয়ন্তীযুগৰ কবিতাৰ

---

৫. বুদ্ধদেৱ বসু, "আধুনিক বাংলা কবিতা", 'ভূমিকা', পৃ. ১০

৬. দীপ্তি ত্ৰিপাঠী, "আধুনিক বাংলা কাব্য পৰিচয়", ১৯৫৯, পৃ. ১৩-১৪

বৈশিষ্ট্য।"[৭] "জয়ন্তী"ৰ পৰৱৰ্তী "পছোৱা" আৰু "ৰামধেনু"ত হেম বৰুৱা আৰু নৱকান্ত বৰুৱাই নতুন পৰীক্ষা-নিৰীক্ষাৰ দ্বাৰা আধুনিক কবিতাৰ পদক্ষেপ দৃঢ় কৰি তুলিলে আৰু পঞ্চাছৰ ভিতৰতে ইয়াৰ প্ৰতিষ্ঠা সম্পূৰ্ণ হৈ উঠিল। গতিকে, "জয়ন্তী"ৰ পৰা "ৰামধেনু-মনিদীপ"লৈ (১৯৪৩-১৯৭০) সম্প্ৰসাৰিত কবিতাক এটা স্তৰ– আধুনিক কবিতাৰ প্ৰথম স্তৰ ৰূপে গ্ৰহণ কৰা হৈছে। দ্বিতীয় স্তৰত সত্তৰ আশী দশকদুটাৰ সাম্প্ৰতিক কবিতাক সামৰা হৈছে।

৬.৫.০১. আধুনিক কবিতাৰ প্ৰথম স্তৰ

আধুনিক কবিতাৰ প্ৰথম স্তৰৰ চল্লিছৰ দশকত যোগ্যতা সম্পন্ন মহিলা কবি নাই। পঞ্চাছৰ দশকত ৰমন্যাসিক কবিতাৰে আত্ম প্ৰকাশ কৰি নব্য-ৰমন্যাসিক আধুনিক কবিতালৈ উন্নীত হোৱা তিনি গৰাকী প্ৰধান মহিলা কবি হ'ল ড° নীলিমা দত্ত, ড° নলিনীবালা দাস আৰু ড° নিৰ্মল প্ৰভা বৰদলৈ। তদুপৰি, প্ৰবীনা শইকীয়া, মায়াশ্ৰী বৰকটকী, মামনি গোস্বামী, উমা বৰুৱা আদিৰ নাম ল'ব পাৰি। শুচিব্ৰতা ৰায়চৌধুৰী আৰু আলিমুননিছা পিয়াৰে এই দশকত ৰচনা কৰা কবিতাসমূহ সম্পূৰ্ণ ৰমন্যাসিক আৰু পাছলৈ আধুনিক কৌশলৰ প্ৰতি কিছু সচেতনতা দেখুৱাৰ বাবে দুয়ো গৰাকীক দোমোজাৰ কবিৰূপে আলোচনা কৰা হৈছে। পিয়াৰৰ 'নীৰৱ দহন', 'প্ৰশ্ন', 'নতুন সাঁথৰ' আদি কবিতা, শুচিব্ৰতৰ "তুমি আৰু মই"ৰ পাছৰ 'আহ্বান' আদি কবিতাই ইয়াৰ স্বাক্ষৰ বহন কৰিছে।

মায়াশ্ৰী বৰকটকী "ৰামধেনু"ৰ সম্ভাৱনাময়ী মহিলা কবি আছিল। কিন্তু, অতি সোনকালে কাব্য জগতৰ পৰা মেলানি মগাত সেই প্ৰতিভাৰ স্ফুৰণ নঘটিল। তেওঁ কেবাটাও মৰ্মস্পৰ্শী কবিতা ৰচনা কৰিছে। ১৯৫৮ চনৰ "ৰামধেনু"ত প্ৰকাশিত 'এৰাতি' কবিতাত ৰমন্যাসিক অনুভূতিৰ তীব্ৰতা প্ৰকাশ পালেও নব্য-ৰমন্যাসিক স্তৰলৈ গতি কৰিছে। খেজুৰ গছেৰে আবৰা যাত্ৰা পথেদি ওৰেদিন বাট বুলি পথুলিপৰত ক্লান্ত হৈ বিশ্ৰাম লোৱা অৱস্থাত এখন কটি, অলপ আঙুৰ, এপিয়লা সুৰা, খেজুৰৰ ছাঁ আৰু কঁপি কঁপি বৈ যোৱা নিজৰাৰ ৰমন্যাসিক পৰিবেশত কবিয়ে দেখা পাইছে তুলসীতলৰ প্ৰদীপৰ কঁপনি।

> 'প্ৰাণ কঁপে, জীৱনৰ ক'ৰবাত খেজুৰৰ ছাঁ কঁপে
> তুলসীতলত জ্বলা প্ৰদীপৰ জ্যোতি কঁপে চকুৰমণিত ---'

এইযাত্ৰাত যেন মৰুভূমিৰ পথত আৰু পথৰ কাষৰ চৰাইখানাত এৰাতি বিশ্ৰামলৈ বেলি ওলোৱাৰ লগে লগে আহি থকা বাটেদি পুনৰ সীমাহীন যাত্ৰা আৰম্ভ কৰিব। 'ক্ষণ বসন্ত' নামৰ কবিতাত বসন্ত আৰু যৌৱন ক্ষন্তেকীয়া বুলি সোঁৱৰাই দিছে। 'দ্বিধা' কবিতাত জীৱনৰ পোৱা-নোপোৱাৰ হিচাপ-নিকাচ, জনা নজনাৰ অহেতুক বিলাসৰ কথা জানিবলৈ কবি ব্যগ্ৰ নহ'লেও তেওঁৰ মন শৰতৰ শুকুলা মেঘৰ দৰেই উদাস। নিজক যেন বিচাৰি পায়–"মই মাথো বিক্ত এক, ক্লান্ত প্ৰাণ শূণ্য উদাস।" এনে পৰিশ্ৰান্ত পথিকৰ বিমৰ্ষতাই কবিক ভাৱাক্ৰান্ত কৰি তুলিছে। বৰকটকীৰ কবিতা ইয়াতেই স্থবিৰ হৈ ৰ'ল।

উমা বৰুৱা, মামনি গোস্বামী আদিয়ে দুই-এটা কবিতাৰ পাছতে গদ্য-সাহিত্যলৈ ঐকান্তিক ভাৱে আঁতৰি যোৱাত কাব্য-প্ৰাৱহ স্তব্ধ উঠি পৰিল। আনহাতে, গদ্য-সাহিত্যত প্ৰতিষ্ঠিত প্ৰবীনা শইকীয়াই সেবেঙাকৈ হ'লেও যথেষ্ট পৰিমাণে ষাঠিৰ দশকত কবিতা আগবঢ়াইছে। কাব্য-সংকলন নাই যদিও আলোচনীৰ পাতত সিঁচৰতি

৭. মহেন্দ্ৰ বৰা, "নতুন কবিতা", জয়ন্তৰশ্মিকা, পৃ. ৯

হৈ থকা প্ৰথমাৱস্থাৰ কবিতা গুচ্ছৰ পৰা 'বৰ্ষাস্নাত' কবিতাক মনত পেলাব পাৰি। এই কবিতাত ধূসৰ পৃথিৱীৰ ছায়াময় সন্ধিয়াৰ গোপন গভীৰ জ্বালাত হৃদয় অতিষ্ঠ হৈ পৰে আৰু বৰ্ষামুখৰ দুভাগ ৰাতিত জড়তা আৰু ক্লান্তিত যেন চেতনালুপ্ত হয়।

প্ৰাচীন হাতৰ দুটা ভাস্কৰ্যৰ দৰে
ঘণীভূত নিৰ্লিপ্তত
আমাৰ চেতনালুপ্ত'।

তথাপি, জীৱন বুভুক্ষাৰ শেষ নাই। কবিতাটোৰ মননধৰ্মিতা আৰু শব্দচয়নৰ আকৰ্ষণ আছে। 'মৃত্যুঞ্জয়'–ব্যঞ্জণাপূৰ্ণ এটি প্ৰতীক ধৰ্মী কবিতা হ'লেও ৰহস্যময় কল্পনাৰ পৰিচয় আছে। 'তেওঁ'ৰ প্ৰতীকৰ মাজত জৈৱিক বাসনাগ্ৰস্ত ৰহস্য আছে।

'তেওঁৰ বুকুৰ স্পন্দনে কলে মোক, এতিয়াও
সাৰে আছে এতিয়াও, আদিমতম একক পুৰুষ।'

আদিমতম এই পুৰুষ 'আদমৰূপী প্ৰেমাস্পদ যেন লাগে; যাৰ প্ৰেমৰ আস্বাদৰ মাজত মৃত্যুঞ্জয় চেতনা অনুভৱ হয়। 'এটি দুটি আশাৰ চুম্বন', 'এয়া এক অনন্য বিষাদ', 'বিভ্ৰম' আদি একে পৰ্য্যায়ৰ কবিতা। কবিয়ে জীৱনৰ বৈপৰীত্যত ঐক্যতান শুনিবলৈ পায়। এয়ে তেওঁৰ আশাবাদী মনৰ স্বৰূপ। অন্তত মানৱৰ বুকুত মনীষাৰ কল্পিত বিষাদৰ অনন্যতাই আত্মিক প্ৰত্যয় আৰু সত্তাক যেন বিদ্ৰুপ কৰে। গেৰুৱা বসন পৰিহিতা সন্ন্যাসিনী নাৰী অথবা সীতাৰ দৰে নাৰীৰ অনন্য বিষাদৰ দৰেই 'আমাৰ সংগ্ৰৱ, স্নেহ, গভীৰ বন্ধুত্ব' আদিতো যেন পুৰাতন অনন্য বিষাদৰ সন্দেহ কৰা হৈছে।'বিভ্ৰম' কবিতাত জীৱন কৰ্ষণে আনি দিয়া গোপন প্ৰদাহ ঈৰ্ষা জৰ্জৰিত কোনো নাৰীৰ হৃদয়ৰ গোপন গুহাত আবিষ্কাৰ কৰিছে। প্ৰবীনা শইকীয়াৰ 'শিলৰ পিয়লা', 'দাৰিদ্ৰ', 'অৰুণিমা সভাপণ্ডিতৰ', 'মই এটি শব্দ হব খোজো' ইত্যাদি কবিতাৰ জৰিয়তে কাব্য-প্ৰবাহ প্ৰস্ফুটিত হৈছে। শব্দ চয়নত পাছৰফালে তেওঁ কঠিনতা আহি পৰাত দুই এঠাইত দুৰ্বোধ্য প্ৰতীক অথবা চিত্ৰকল্পই পাঠকক অসুবিধাত নেপেলোৱাকৈ নেৰে। কবিতাবোৰত প্ৰবীনা শইকীয়াৰ ব্যক্তি সচেতনতা লক্ষ্য কৰা যায়।

ষাঠিৰ আশে-পাশে আৰু ষাঠিৰ দশকত কাব্য জগতত প্ৰবেশ কৰা কবিৰ ভিতৰত অঞ্জলি বৰুৱা (১৯৩৫); চিত্ৰলতা ফুকন (১৯৩৬); তোষপ্ৰভা কলিতা (১৯৩৮); সান্ত্বনা বৰুৱা (১৯৩৫); লিলি ৰাজবংশী (১৯৩৯); হিমাদ্ৰী দেৱী (১৯৪০); ৰেণু মহন্ত আদিক উ ল্লেখ কৰিব পাৰি।

অঞ্জলি বৰুৱাৰ কবিতা পুথি "এটি উৰিযোৱা প্ৰজাপতিলৈ"ত প্ৰকাশিত কবিতাবিলাক ৰমন্যাসিক আবেষ্টনীত আবদ্ধ। প্ৰথম কবিতা 'সূৰ্য্যলৈ এটি প্ৰাৰ্থনা'ই সংকলনটোৰ ৰমন্যাসিক লক্ষণৰ স্বৰূপ দাঙি ধৰে। নৱদিগন্ত সন্ধানৰ বাবে আকাশৰ নীল ৰহস্যৰ বিশালতাত পৃথিৱীৰ ৰুদ্ধদ্বাৰ খুলি এক 'সোণালী বাসনা'ৰ জৰিয়তে পূৰ্ণতাৰ কামনা কৰিছে। 'নিমন্ত্ৰণ'ত মৰমী পৃথিৱীৰ মায়াভৰা নিৰ্জনতাৰ মাজত কোনো বন্ধুৰ আমন্ত্ৰণত প্ৰাচীন প্ৰতীকী ব্যঞ্জনাৰ দ্বাৰা আশাবাদ উজ্জ্বল হৈ উঠে।–

'ভগ্নস্তূপ দেৱালৰ ফাঁকে ফাঁকে গজা
কোনো আঁহত পুলিৰ
এটি সেউজ স্বাক্ষৰ– বৈ থক।'

'প্ৰতিশ্ৰুতি' কবিতাত বৰ্ণনা শক্তিৰ পৰিচয় দেখা গলেও ৰমন্যাসৰ নিৰ্যাসত ই যেন স্তব্ধ হৈ পৰিছে। আবেলিৰ হালধীয়া পোহৰত কোনোবা মালাকাৰে মালা গাঁথাৰ

সংবাদ এই কবিতাই দিছে। 'বেলিফুলৰ সপোনত 'মহুৱাৰ বন ভাঙি হৰিণা' পলালে জনতাৰ অৰণ্যত বেলিফুল নুফুলে। পোহৰ হেৰুৱাই পেলোৱা জোনাকী পৰুৱাৰ দৰে সাধাৰণ হৈ পৰে। নৱপ্ৰভাতৰ কামনাৰে মথুৰাবাসীয়ে কংসবধ কৰিবলৈ দৈৱকীনন্দনৰ প্ৰতীক্ষা কৰাৰ দৰে 'নৱজাতক' কবিতাত কৰা প্ৰতীক্ষা প্ৰশংসনীয় হৈছে। 'অন্তৰাগ'ত নিৰাশাৰ চিত্ৰ আছে। সময়ৰ মৰুবাজালত বন্দী হৈ জীৱনৰ ৰঙীন ফ্ৰেমত আবদ্ধ কৰিক প্ৰভাতৰ হাঁহিয়ে আমনি নকৰে বুলি এই কবিতাই স্পষ্ট কৰি দিছে। অঞ্জলি বৰুৱাৰ কবিতা মূলতে আশাবাদী। যান্ত্ৰিক যুগৰ কঠিনতাই স্পৰ্শ নকৰা কবিতাবিলাকৰ বিন্যাস সৰল। প্ৰতীক, চিত্ৰকল্প আদিৰ সৰলতাই কাব্যিক লাৱণ্য হ্ৰাস কৰা নাই। কবি কিছু পৰিমাণে ৰহস্যবাদী। অঞ্জলি বৰুৱা প্ৰকৃততে গীতি-কবি। তেওঁৰ "অগ্নিস্নান" আৰু "অনেক ঋতুৰ ছবি" দুখন প্ৰকাশিত গীতৰ পুথিতো কাব্যিক লাৱণ্য অটুট হৈ ৰৈছে।

চিত্ৰলতা ফুকন গদ্য লেখিকা হিচাপেহে কিছু খ্যাতিৰ অধিকাৰিণী। কবিতাৰ ক্ষেত্ৰত বিশেষ উল্লেখনীয় নহয়। নব্য-ৰমন্যাসিক ধাৰাত ধৰিব পৰা তেওঁৰ কবিতাত প্ৰগতিবাদী স্বৰ পৰিলক্ষিত হৈছে। তেওঁৰ "হৃদয় বিচাৰি হৃদয়" কবিতা পুথিত তিনিটা দশকৰ কবিতা সংকলিত হৈছে। প্ৰায়বোৰ কবিতাত কবিৰ স্পৰ্শকাতৰ মনৰ সন্ধেদ পোৱা যায়। পৰিবৰ্তনকামী কবিয়ে তৰোৱালৰ তীক্ষ্ণ, নিৰ্মম ক্ৰীড়নত তুমৰলি হৈ হৃদয়ত খৰিকাজাই ফুলাই 'মোৰ মাজত মই' কবিতাত স্বৰ্ণ মুহূৰ্ত লাভৰ বাবে যত্ন কৰিছে। 'অনন্যা'ত বঞ্চিতা নাৰীক 'নিটোল সুগন্ধি শস্যৰ দৰেই ক্ষমতা ভৰা জননী' আখ্যা দিছে। 'হৃদয় এটুকুৰা লোহাৰ দৰে' কবিতাত সৰল গছৰ শিপাই মাটিৰ সৈতে স্থিতি লোৱাৰ দৰে হৃদয়ে তেজী ঘোঁৰাৰ তীব্ৰতাৰ দৰে হিৰন্ময়ী গীতৰ স্থিতি বিচাৰিছে। অৱশ্যে, বহুক্ষেত্ৰত দ্বিধাগ্ৰস্ততাই তেওঁক অস্থিৰ কৰি তোলে। তথাপি, আদিম বন্যতাৰ মাজত ফেহুজালিৰ গীত 'কাৰবাৰে' কবিতাত শুনিবলৈ পোৱাৰ মাজত তেওঁৰ আশাবাদী মনৰ সন্ধান আছে। চিত্ৰলতা ফুকনৰ কবিতাত শব্দচয়নৰ সংযমহীনতা আৰু বক্তব্যৰ অস্পষ্টতাই বহুক্ষেত্ৰত তীব্ৰ হৈ উঠা দেখা যায়।

সান্ত্বনা বৰুৱাৰ কবিতা বেছি নহয়। তেওঁৰ প্ৰায়বোৰ কবিতাই মননধৰ্মী হোৱাত সুখপাঠ্য ৰূপ লাভ কৰিছে। বেণু মহন্তৰ কবিতা সৰল গন্ধী আৰু ৰমন্যাস ধৰ্মী। তেওঁৰ কাব্য পুথি "হেৰুৱা প্ৰাণৰ সুৰ"ৰ কবিতাবিলাকত এই লক্ষণ বিদ্যমান। 'হেমন্তৰ এটি ক্ষণ' কবিতাত পোৱা অনিশ্চয়তাই তেওঁক ভাৱাক্ৰান্ত কৰি তুলিছে। দুখ ভাৱ তেওঁৰ কবিতাৰ মুখ্য সম্পদ।

জ্যোতিপ্ৰভা কলিতা এইসকল মহিলা কবিৰ ভিতৰত আকত জিলিকা। তেওঁ সমাজ সচেতন কবি। ৰমন্যাসিক কবিতাৰ পৰা সাম্প্ৰতিক সুৰলৈ তেওঁৰ উত্তৰণ মন কৰিবলগীয়া বিষয়। তেওঁৰ প্ৰথম কবিতা পুথি "বিশ্বৰূপা", (১৯৭৫) ৰমন্যাসিক কবিতাৰ সংকলন। দ্বিতীয় পুথি "অভিজ্ঞানলিপি'ত (১৯৮০) নতুন কবিতাসমূহ সংকলিত হৈছে।" বিশ্বৰূপা"ত প্ৰাচীন নাৰীৰ মহিমা স্পষ্ট হৈ উঠিছে। নাৰীক চিৰন্তনী অপৰূপা আৰু আদ্যাশক্তি বুলি অভিহিত কৰা হৈছে। শ্ৰীশঙ্কৰদেৱৰ দৰে বন্দনা কবিতাও এই পুথিত পোৱা যায়। ৰমন্যাসিক কবিতা হিচাপে শৃঙ্খলা ছন্দ আৰু নিমজ ভাষাই "বিশ্বৰূপা"ক পাঠযোগ্য কৰি তুলিছে। ড° হীৰেণ গোঁহাইৰ মতে "ৰবীন্দ্ৰনাথৰ পৰা নলিনীবালা, দেৱকান্তলৈকে অসমীয়া ৰোমান্টিক কাব্যত প্ৰবল কেউটাধাৰাৰে সোঁত এওঁৰ কবিতাত মিলিছে। ব্যক্তিগত আবেগ অনুভূতি, খোলা মনেৰে প্ৰকাশ কৰিবলৈ শ্ৰীযুতা কলিতাই কোনো চেষ্টা নকৰিলে।"[৮] জ্যোতিপ্ৰভাৰ দ্বিতীয় কাব্য পুথি 'অভিজ্ঞানলিপি'তো ৰমন্যাসিক

৮. হীৰেন গোঁহাই, 'চিনাকি', "বিশ্বৰূপা" (১৯৭৫) কাব্যগ্ৰন্থ দ্ৰষ্টব্য।

ভাবধাৰাৰ প্ৰকাশ যথেষ্ট ৰূপত দেখা যায়। 'সীতা', 'উৰ্মিলা-সংবাদ' 'দ্ৰৌপদী' আদি কবিতা পূৰ্বসূৰী। 'ইউৰিডিচ্ আৰু অৰফিয়াছ্', 'কৰ্ণ-বিষাদ যোগ', 'একলব্য' আদিত নতুনত্ব প্ৰদানৰ প্ৰচেষ্টা প্ৰশংসনীয়। আনহাতে, 'গুৱাহাটী-৭৮'ৰ নিচিনা কবিতাত সম-সাময়িক চিত্ৰ দক্ষতাৰে অংকণ কৰিছে। 'কবিতাৰ বাতি', 'উককাৰ চিঠি', 'বিশ্বাসৰ শৱযাত্ৰা', 'তীখা আৰু ফুল', 'দিনৰ পাছত দিন', 'শীতকালীন', 'বাগ মালকোষ' আদি কবিতাত তেওঁৰ প্ৰতিভা প্ৰকাশ পাইছে। কলিতাৰ কবিতাত মহাজীৱনৰ সপোন দেখাৰ জন্ম-অধিকাৰ সাব্যস্ত কৰিলেও আজি যুগৰ কঠিন পৰিবেশত প্ৰেম শৱযাত্ৰাৰ দৰেই নিস্তৰঙ্গ, মৃত্যুমগ্ন ক্লান্তিত আচ্ছন্ন। এনে কিছুমান মননধৰ্মী দুৰূহতাই তোষপ্ৰভা কলিতাৰ কবিতাক আচ্ছন্ন কৰিছে। 'তীখা আৰু ফুল' আদি কবিতাত সমাজ সচেতনতা প্ৰকাশ পাইছে। শেহতীয়া কবিতাবোৰত কবিক সমাজৰ প্ৰতি দায়বদ্ধ হোৱা দেখা গৈছে।

লিলি ৰাজবংশী আন এগৰাকী লেখত লবলগীয়া কবি। তেওঁৰ কাব্যশৈলী যথেষ্ট সৰল। তেওঁৰ প্ৰথম উল্লেখযোগ্য কবিতা 'ভিক্ষাৰী'। সত্তৰৰ দশকত প্ৰকাশিত তেওঁৰ পুথিখন হ'ল "ৰূপকন্যা"। সমাজৰ প্ৰতি দায়বদ্ধ হলেও, ৰমন্যাসিক লক্ষণ তেওঁৰ প্ৰতিটো কবিতাত অনুভৱ কৰা যায়। কিন্তু, অধিকাংশ কবিতাৰ প্ৰতিপাদ্য বিষয় নতুন কবিতাৰ কাষ চাপি অহা বুলিব পাৰি। 'গতিৰ ধ্বনি' কবিতাত বগুৰা ঘোঁৰাৰ প্ৰতীকেৰে তেজোদ্দীপ্ত আকাংক্ষা প্ৰকাশ কৰিছে। 'শুভদিনৰ হিৰন্ময় মুহূৰ্ত'ৰ বাবে তেওঁ সদা অপেক্ষাৰতা। 'এই যে অনৰ্গল কটিয়াই ফুৰিছোঁ' কবিতাত 'চনকা হাড়ৰ বুকু, যেন ভাগো ভাগো ' অৱস্থা এটাৰ মাজত বাসন্তী আকাশখনো ভাতে আছে বুলি কবিয়ে অনুভৱ কৰে। 'মোৰ আঁজলিৰে' নামৰ শেহতীয়া কবিতাত ৰহস্যময়তাৰ সচ্চিদানন্দ ৰূপত ক্ষুদ্ৰায়তন চেতনাক মহীৰূহ কৰাৰ প্ৰচেষ্টা পৰিলক্ষিত হৈছে। আন এটা কবিতা 'শাৰদী কবিতা মোৰ'ত ঋতুৰ পৰশত বন্ধ্যা মনলৈ আনন্দৰ শিহৰণ আনে। অন্যহাতে কজলাবুলীয়া যন্ত্ৰণাত শৰতে উচুপি উঠা কবিয়ে দেখা পাইছে। এনে ধৰণৰ দ্ব্যৰ্থবোধক ভাবোচ্ছাসে লিলি ৰাজবংশীৰ কবিতালৈ অস্পষ্টতা মাতি অনা দেখা যায়। তথাপি, তেওঁৰ কবিতাৰ সৰল প্ৰকাশভঙ্গী আৰু কোমল শব্দচয়নত কাব্যিক সুষমা আছে।

হিমাদ্ৰী দেৱীৰ প্ৰকাশিত কাব্য গ্ৰন্থ "এখন প্ৰেমৰ চিঠিঃ আকাশলৈ" (১৯৮৬)। গ্ৰন্থখনত গীত আৰু কবিতাৰ দুটা খণ্ড আছে। ষাঠিৰ দশকৰ আৰম্ভণিৰ আগতে কাব্যজগতত প্ৰবেশ কৰা কবি গৰাকীক ৰমন্যাসিক কল্পনা-প্ৰৱণতাই 'সোণালী স্বপ্নৰ গোলাপী নিচাত মগ্ন কৰি তুলিছিল। বৰ্তমান তেওঁক আধুনিক কাব্যৰীতিলৈ উত্তৰণ ঘটা দেখা গৈছে। 'হুৰ্ হুৰ্ বটা চৰাই' কবিতাত তেওঁৰ সমাজ সচেতনতা প্ৰকাশ পাইছে।–

'আধিৰ ধানে চলে কি নচলে বছৰ
আঘোনৰ সোণালী শস্যই
হাঁহি হাঁহি কৰে পৰিহাস
ব্যৰ্থ শ্ৰম
লগে লগে মহাজনৰ ক্ৰুদ্ধ গৰ্জ্জন।'

'উৰ্ম্মিলা, 'নাৰী, 'ধৰ্মঘট', 'ক্ৰুশবিদ্ধ বুদ্ধ', 'বনৰীয়া ফুল' আদি হিমাদ্ৰী দেৱীৰ মনত লগা কবিতা। নাৰী আৰু পুতলাৰ মাজত পাৰ্থক্য তেওঁৰ দৃষ্টিত নাই। 'নাৰী কবিতাৰ লাস্যময়ী নাৰীৰ পুতলা মূৰ্তি এটা প্ৰতীক–

'মোৰ ঘো কেচৰ দুৱাৰ খোলা।
বন্ধ দুৱাৰ খুলি
মজিয়ালৈ নামিছে পুতলা।'

হিয়াত্ৰী দেৱীৰ সৰু সৰু কবিতাবোৰ তুলনামূলক ভাবে উন্নত। 'বাৰিষৰ', 'নিজান সুৰ', 'আহত হৃদয়', 'মোৰ কবিতা' আদিলৈ আঙুলিয়াই দিব পাৰি।

প্ৰতিমা ডেকাৰ (১৯৩৮-) সৰু কবিতাৰ পুথি "সোণালী দুখ"ত (১৯৭৬) ঊনৈছটা কবিতা প্ৰকাশ পাইছে। পোনপটীয়া আৰু সৰল উপস্থাপন ৰীতিৰ কবিতাবিলাকৰ পৰা 'সোণালী দুখ', 'ডেকৰ নৈ', 'দৃষ্টি', 'কজাৰ', 'আই' আদি কবিতা উল্লেখ কৰিব পাৰি। কমলা বৰুৱাৰ (১৯৩৮-) "বহ্য বহ্য ফুল" সংকলনৰ কবিতা বিলাক নিতান্ত সৰল আৰু যুগৰ মানদণ্ড ৰক্ষা কৰিব পৰা নাই।

আধুনিক কবিতাৰ প্ৰথম স্তৰত এইসকল মহিলা কবিৰ বাহিৰে অন্য উল্লেখযোগ্য কবিৰ সন্ধান পোৱা নগ'ল। এই স্তৰৰ তিনিগৰাকী প্ৰধান কবি সাম্প্ৰতিক দশকৰো বিশিষ্ট কবি। ড° নীলিমা দত্ত, ড° নিৰ্মলপ্ৰভা বৰদলৈ আৰু ড° লক্ষহীৰা দাস এই তিনি গৰাকী কবিক পৰবৰ্তী অধ্যায়ত আলোচনাৰ বাবে ৰখা হৈছে।

৬.৫.০২ আধুনিক কবিতাৰ দ্বিতীয় স্তৰ

আধুনিক কবিতাৰ দ্বিতীয় স্তৰত সত্তৰ আৰু আশীৰ দশক দুটা ধৰিলেও প্ৰকৃততে ইয়াক পাক-ভাৰত যুদ্ধৰ (১৯৬৫) সময়ৰে পৰা ধৰিব পৰা যায়। এই সময়ৰ পৰিবৰ্তিত পৰিস্থিতিয়ে ৰামধেনুকালীন কাব্যাদৰ্শতকৈ "জয়ন্তী"ৰ প্ৰগতিবাদী ধাৰাৰ প্ৰতিহে কবিসকলৰ দৃষ্টি আকৰ্ষণ কৰে। ইয়াৰ প্ৰধান কাৰণ হ'ল দেশে-বিদেশে মাৰ্ক্সবাদী চিন্তা-চৰ্চাৰ প্ৰতি যুৱ-মানসৰ প্ৰবল আকৰ্ষণ আৰু গণমুক্তিৰ আকাংক্ষা। মানুহৰ স্বাধিকাৰ প্ৰতিষ্ঠাৰ সংগ্ৰাম আৰু সামাজিক দায়বদ্ধতাই কবি-সাহিত্যিকৰ মানসত ঠাই পালে। ফলত এটা পৰিবৰ্তন আহি পৰিল।

এই স্তৰত ধৰিব পৰা মহিলা কবিসকল পুৰুষসকলৰ দৰে সম্পূৰ্ণ প্ৰগতিবাদী নহয়। "ৰামধেনু"ৰ বুদ্ধিনিষ্ঠ কবিতাও তেওঁলোকৰ বাবে আদৰ্শ হৈয়ে ৰ'ল। গতিকে, চল্লিছৰ পাছত গ্ৰহণ কৰা কবিসকলক এই স্তৰত ধৰা হৈছে। ইতিমধ্যে কেইগৰাকীমান কবিয়ে কাব্য জগতত খিতাপি লৰলৈ সক্ষম হৈছে। উল্লেখ কৰিব পৰা কবিসকল হ'ল– ড° কুঞ্জ মেধি, শশীপ্ৰভা দাস, ড° লীলাৱতী বৰা শইকীয়া, গায়ত্ৰী কোঁৱৰ, ড° কৰবী ডেকা হাজৰিকা, গায়ত্ৰী সেন, মাধুৰী কলিতা চৌধুৰী, লক্ষ্মীপ্ৰিয়া বৰদলৈ, কণুমী ঠাকুৰ, সুমতি ডেকা, বিউটি মহন্ত, এলি আহমেদ, যমুনা বৰগোঁহাই, লোকেশ্বৰী সন্দিকৈ, বিন্দুপ্ৰভা হাজৰিকা, মীৰা ঠাকুৰ, মনোৰমা বৰুৱা বৰঠাকুৰ, দিব্য মহন্ত ফুকন, চন্দ্ৰিকা দত্ত কোঁৱৰ, সবিতা কোঁৱৰ আদি। এইসকল কবিৰ বহুতে ষাঠিৰ দশকতে আত্মপ্ৰকাশ কৰিলেও পাছৰ দশক দুটাতহে তেওঁলোক পৰিচিত হৈ উঠিছে।

ড° কুঞ্জ মেধি (১৯৪১-) কবি হিচাপে বুদ্ধিনিষ্ঠ ধাৰাতহে স্পষ্ট হৈ উঠিছে। "অন্য এক উপত্যকা" (১৯৮৬) তেওঁৰ কাব্য সংকলন। 'নিৰ্জনৰ সোণালী আৰ্বত" নামৰ এটা যৌথ সংকলনতো কেইটামান কবিতা প্ৰকাশ পাইছে। কিন্তু "অন্য এক উপত্যকা"তে তেওঁৰ কাব্যপ্ৰতিভা প্ৰকাশ পাইছে। মেধিৰ প্ৰায়বোৰ কবিতাই আত্মমুখী আৰু ব্যক্তিগত বেদনাবোধৰ তীব্ৰভাবে পৰিপূৰ্ণ। তেওঁৰ মনোজগতত সকবৰ অনেক কোলাহল আছে আৰু সেইবোৰ বৰ্ণহীন দিনৰ বলয়ত নিষিদ্ধ প্ৰত্যাশাৰূপে অব্যক্ত হৈ ৰৈছে।

নব্য-ৰমন্যাসিক কবিয়ে 'অপেক্ষা', 'এয়া ফাগুন', 'শীত', 'বন্দৰ' আদি কবিতাত ৰমন্যাসবাদৰহে জয়যাত্ৰা সুনিশ্চিত কৰিছে। ভাববাদৰ পৰা সমাজবাদলৈ তেওঁৰ উত্তৰণ ঘটা নাই। মননশীল দুৰুহতাৰ মাজত 'প্ৰখৰ ৰৌদ্ৰছায়াৰ বিস্তৃত পথৰ দাঁতিৰ পলাতকা

মৌচুমীৰ উৰন্ত মেঘমালাৰ পথখীয়া হাঁত কৰিয়ে যাবাখুৰি খাই ফুৰিছে। গভীৰ বেদনাবোধে কবিৰ শার্ণকাতৰ মনৰ সন্ধান দিয়ে–

বন্তা জুই জ্বলে–
যেন বুকুৰ ভিতৰ ছানি পুৰি নিব খোজে
মোৰ সতেজ কলিজা।' (এয়া ফাগুন')

আকৌ 'বন্দৰ' কবিতাত পোৱা যায়–

'ঠিক যেন কোনো এক মধ্যাহ্ন সুকৰে
ডেই পুৰি নিয়া
মোৰ এই বুকুৰ পাজৰ, উকা উকা
বিষন্ন। বিধুৰ।

'অশ্রুম্লান' কবিতাত 'মোৰ দুখ মোৰ অশ্রু' 'বেদনাৰ বৃন্দাবন' বুলি সৰল চিত্ৰৰ মাজত মনোজগতৰ সন্ধান দাঙি ধৰিছে। কিন্তু, তেওঁ যেন 'হেকওৱাৰ প্ৰাচুৰ্যৰে মই ভাস্কৰ সম্রাজ্ঞী' বুলি 'অক্ষয় ভৈৰৱ' কবিতাত নিশ্চিত কৰি দিছে। 'কিবা যেন নাই', 'উৰি যায় সূৰ্যমুখী মন', 'স্বগতোক্তি', 'প্ৰতীক্ষাতঃ চিৰসুন্দৰৰ' আদি অনেক কবিতাৰ স্বৰূপ যেন 'নতুন বটলত পুৰণি মদ'। যেইকি নহওক, 'অপেক্ষা'ৰ দৰে কবিতাত প্ৰকাশিত দুঃখভাবেই কুঞ্জমেধিৰ কবিতাৰ মূল সুৰ। সৰল চিত্ৰকল্পই ভাবৰ দুৰূহতাক লাঘৱ কৰি তোলাত কিছুমান কবিতা সুখপাঠ্য হৈছে।

শশীপ্ৰভা দাস (১৯৪৭-) সম সাময়িক কাব্য-সাহিত্যত পৰিচিত নাম। আলোচনী প্ৰত্ৰিকাত তেওঁৰ লেখাসমূহ সিঁচৰতি হৈ আছে। তেওঁৰ কাব্য সংকলনৰ নাম "হৃদয়ৰ গান" (১৯৮৫)। সাম্প্ৰতিক কবিতাৰ জটিলতাৰ মাজলৈ নোযোৱাকৈ সৰল ভাব আৰু শব্দৰ বিন্যাস ঘটাই কবিয়ে কেইটামান ভাল কবিতাৰ উপহাৰ দিবলৈ সক্ষম হৈছে। নাৰী হৃদয়ৰ কোমল অনুভূতিৰ সৈতে সম-সাময়িক চিন্তাত বাস্তৱ অভিজ্ঞতাৰ মিশ্ৰন ঘটি "হৃদয়ৰ গান"ৰ প্ৰায়বোৰ কবিতাই সফলতাৰ দাবী কৰিছে। ৰমন্যাসিক সুবাস আৰু গীতি-ধৰ্মিতাৰ বাবে শশী দাসৰ কবিতাত মাজে মাজে ৰহস্যময়তাৰ সৃষ্টি হোৱা দেখা যায়। অৱশ্যে, তেওঁ ৰহস্যবাদী কবি নহয়। তেওঁৰ উৎকৃষ্ট কবিতাৰ অন্যতম 'হৃদয়ৰ গান' পূৰ্ব পুৰুষৰ সমাধি-ভূমিত বিক্ষুৰিত হৈ পৰে। ধুমুহাত ঘৰ-দুৱাৰ, গছ-গছনি ভাগি পৰা চিত্ৰত হৃদয় খান-বান হৈ পৰে। তথাপি তেওঁ ভাবে,–

হৃদয়তে আছে
অমল গোলাপৰ প্ৰেম
আৰু আকাশৰ দৰে
এক উজ্বল জীৱন। (হৃদয়ৰ গান)

বক্তব্যত অস্পষ্টতা থাকিলেও সময় 'শীৰ্ণ নদী হৈ থমকি ৰয়' আৰু হৃদয়ৰ মাজত হাহাকাৰৰ জুই জ্বলি উঠে। অনাগত দিনৰ স্বপ্নৰ উত্তাউল কৰি তুলিলেও, নিৰ্জনতাৰ শব্দই চৰাইৰ কিৰিলিৰ দৰে উৎফুল্লতা বঢ়ালেও সংগ্ৰামত অৱতীৰ্ণ বপুৱা যৌৱাৰ পদশব্দই কবিক সচকিত কৰি তোলে 'প্ৰহৰে প্ৰহৰে' কবিতাত। 'চৰাইৰ কণ্ঠত', 'আৰ্তনাদ', আদি কবিতাত যন্ত্ৰণাকাতৰ মনৰ আভাস পাব পাৰি। নিশাৰ নিস্তব্ধতাৰ গভীৰ বিষাদত বুকুয়েদি পছবোৰ, পাহাৰবোৰ, নদীবোৰ পাৰ হৈ যোৱা অস্থিৰতা এটাই কবিৰ সৈতে অবিৰাম যুঁজত অৱতীৰ্ণ হৈছে। তেওঁৰ এই আত্মমুখিতা প্ৰায়বোৰ

কবিতাতে বিদ্যমান। কবিৰ বাবে শব্দবোৰ মহামূল্য সম্পদ। কিন্তু, হৃদয় নিভৃতত শব্দবোৰে অপ্ৰকাশ্য ৰূপত আস্ফালন সৃষ্টি কৰে বুলি 'শব্দবোৰ' কবিতাত প্ৰকাশ পাইছে। 'বুকুৰ মাজত' শশী দাসৰ এটা সুন্দৰ কবিতা। 'গভীৰ অৰণ্যৰ অন্ধকাৰ' কবিতাটোৰ অজানা অতীতৰ প্ৰতীক। তেওঁৰ ইচ্ছা প্ৰকাশ পাইছে এইদৰে–

দৌৰি দৌৰি পাৰ হৈ যায়
অৰণ্যখন,
বুকুৰ মাজত ঘনে ঘনে
উমান পাওঁ
দূৰণিত এৰি থৈ অহা
সেউজী পথাৰখন।

নিসঙ্গ অনুভৱ কবিসকলৰ এটা বিশেষ লক্ষণ। জনতাৰ মাজৰপৰা নিৰ্জনতাৰ মাজলৈ কবিৰ মাত্ৰা যুগ সাপেক্ষ নহয়। এইয়া কবিৰ পলায়নবাদী ৰমন্যাসিকতাৰ বাদে একো নহয়। 'নতুন প্ৰত্যয়'ত সংগ্ৰামী বন্ধুক কৈছে,–

চোৰাচোন
বুকুৰ মাজত কেনেকৈ জ্বলি আছে
অগণিৰ শিখা।

'এমুঠি কবিতা'ত প্ৰকাশিত চিত্ৰকল্পবিলাক উল্লেখযোগ্য। তেওঁৰ চিত্ৰকল্পবোৰত হীৰেন ভট্টাচাৰ্য আৰু নিৰ্মলপ্ৰভাৰ প্ৰতিধ্বনি শুনিবলৈ পোৱা যায়। শশী দাসৰ চিনাকি গাঁৱৰ চিনাকি মাটিৰ গন্ধত পূৰ্ব পুৰুষৰ স্মৃতি সাৰ্থকভাবে 'পোৰা কলিজাটো ক'ত থম' কবিতাত ৰূপায়িত হৈছে। মনত স্পৰ্শ কৰি যোৱা এটা চিত্ৰকল্পৰে কবিতাটোৰ আৰম্ভণি হৈছে–

ৰহঢলা পথাৰত
ভৰ দুপৰৰ সূৰ্যটো
থৰ হৈ ৰয়
যেন খঙাল ককাদেউতাৰ
পকা অওঠা চকু ....

শশী দাসৰ কবিতাত নিজস্ব সুখ-দুখৰ মাজতে দূৰদৰ্শী চিন্তাধাৰাই প্ৰবেশ কৰি সমাজ সচেতন মনৰ ইঙ্গিত দাঙি ধৰে। 'অস্তিত্বৰ বাবে', 'নৱযুগৰ যাত্ৰী', 'আৰোহী', আদিয়ে ইয়াৰ সাক্ষ্য বহন কৰিছে। এটা অস্পষ্ট দুঃখভাব তেওঁৰ কবিতাৰ অন্তৰ্নিহিত সম্পদ হলেও, কবি হিচাপে তেওঁ আশাবাদী।

লীলাৱতী বৰা শইকীয়া (১৯৪৮-) এই সময়ছোৱাৰ এগৰাকী পৰিচিত মহিলা কবি। তেওঁৰ প্ৰকাশিত সংকলন "সোণালী পৃথিৱী" (১৯৮৭)। ষাঠিৰ দশকৰ পৰা কাব্যত প্ৰৱেশ কৰা কবি গৰাকীয়ে আশানুৰূপ অগ্ৰগতি লাভ কৰিব পৰা নাই। অৱশ্যে, আত্মমুখিতাতে আবদ্ধ নাথাকি তেওঁ সমাজ-উত্তৰণৰ পথলৈ অগ্ৰসৰ হৈছে। 'তেজাল হাঁহি' নামৰ কেইটামান কবিতাই তেওঁৰ বৰ্ণনা শক্তিৰ পৰিচয় দাঙি ধৰে।

'গাওঁবোৰ টলবলাই আছে
কোঁৱাৰি ফাটি ওলোৱা কোনোবা বিহুৱাৰ
তেজৰ ধাৰত দৌৰি যোৱা ঘোঁৰাবোৰৰ
চকুত থৰ হৈ আছে বেলিটো ——'

কবি আশাবাদী। বিহু মতলীয়া গীতৰ চিত্ৰাঙ্কণ কৰোতে কবিয়ে 'আইতৰ বুকুত গোট মাৰি থকা আদিম দুখৰ শিলা' আবিষ্কাৰ কৰিছে। 'নতুন সূৰ্যত নিপীড়িত জনেখ আত্মাৰ হাহাকাৰত শৰীৰত তেজৰ কণিকা উভলি উঠি নতুন সূৰ্যৰ আগমন ঘটায়। 'প্ৰত্যাশা'ত জোনৰ পোহৰ, ফুলৰ সুবাস, কুলিৰ কুজন আদি সকলো নিঃশেষ হৈ ভগা কলহৰ টুকুৰা আৰু এণ্ডাৰৰ মাজত অৰ্থাৎ মৃত্যুৰ উপলব্ধিত বুকুৰ টিপ-টিপনিত পৰিণত হৈছে। তথাপি 'ৰাতি পুৱাৰলৈ গজিবনে বাৰু ছিগি পৰা মোৰ দুখনি হাত'ৰ আশাবাদ কবিতাটোত ফুটি ওলাইছে। এই আশাবাদ 'বীণাখন আপোনা-আপুনি বাজিবলৈ দিয়া' কবিতাতো সম্ভাৱিত হৈছে। তেওঁৰ 'এনেকৈয়ে জীয়াই আছোঁ', কবিতাত 'বাসনাৰ সোণালী পখিলা' স্তব্ধ হৈ যোৱাৰ আশঙ্কা প্ৰকাশ পাইছে। 'প্ৰতীক্ষা', 'আত্ৰয়', আদি কবিতাত ভাগকৰা হৃদয়ৰ অশান্ত অৱস্থা অস্পষ্ট প্ৰতীকৰ দ্বাৰা সূচিত হৈছে। নীলাৱতী শইকীয়াৰ শব্দ চয়ন কোমল আৰু সেইদৰে চিত্ৰ নিৰ্মাণ আদিও সৰল। তেওঁৰ দুখভাবৰ এটা স্বকীয় আবেদন আছে। প্ৰেমৰ উপলব্ধি আন এটা লক্ষ্যণীয় বিষয়। তেওঁৰ প্ৰেম বুকুৰ ভিতৰত হেৰাই যোৱা এটা পখিলা। এই শ্ৰেণীৰ কবিতাৰ ৰমন্যাসিক ভাবৰ বিকাশ দেখা যায়। তেওঁৰ মতে প্ৰেমৰ স্বৰূপ 'হৃদয় ভাঙি হৃদয় জুৰায়' (প্ৰেম এনেকুৱাই)। কবিৰ বিভিন্ন অনুভতিৰ চিত্ৰন থকা কবিতাৰ ভিতৰত 'ৰঙা পতাকাখন', 'তেওঁ আকৌ উভতি আহিব', 'তৃষ্ণা', 'নিৰৰ্থক', 'শৈশৱ', 'বহাগ', 'শীত' ইত্যাদিলৈ আঙুলিয়াব পাৰি। নীলাৱতী শইকীয়াৰ কবিতাত অস্পষ্ট প্ৰতীক আৰু পৰস্পৰ বিৰোধীভাবে সঘনে অহাযোৱা কৰাত দুৰ্বলতা পৰিলক্ষিত হয়।

গায়ত্ৰী কৌৰৱ (১৯৪৭-) সম্ভাৱনাময়ী কবি হিচাপে সত্তৰৰ দশকত প্ৰবেশ কৰি অতি কম ৰচনাৰ মাজতে সীমাবদ্ধ হৈ ৰ'ল। অন্তৰতম ভাবৰ দ্যোতনাই গায়ত্ৰীৰ কবিতাত সুন্দৰভাবে প্ৰকাশ পাইছিল। ৰমন্যাসিক চিন্তাৰ দুদোল্যমান অৱস্থা এটা তেওঁৰ কবিতাত দেখা যায়। 'শূন্যতাত মোৰ মৃত্যুৰ তাঁৰ', 'মোৰ পৃথিৱীত কেৱল তেওঁ', 'এজনী গাভৰু আহিছিল', 'বিষণ্ণ বহাগ', 'নামচিকৰ কবিতা' আদিৰ মাজত তেওঁৰ আত্মমুখিতা লক্ষ্য কৰিব পাৰি। উদাস আৰু বিষণ্ণতাৰ ভাব প্ৰায়বোৰ কবিতাৰ মাজত প্ৰকাশ পাইছে।

গায়ত্ৰী সেন (১৯৪৭) আন এগৰাকী মহিলা কবি; যাৰ কবিতাবোৰ পত্ৰ-পত্ৰিকাত সিঁচৰতি হৈ আছে। সামাজিক দায়বদ্ধতা তেওঁৰ কবিতাত উজ্জ্বল। লক্ষ লক্ষ মানুহৰ অনাহাৰ, অনিদ্ৰা আৰু নিৰ্যাতনৰ মাজত দিন অতিবাহিত হৈছে আৰু তেওঁলোকৰ মুক্তিৰ বাবে বুকুৰ কমাৰ শালত অস্ত্ৰ গঢ়ি লব পাৰিলেহে উত্তৰ পুৰুষৰ বাবে পথ মুকলি হব। 'মানুহ ক'ত পায় মানুহ' কবিতাত এনে ধাৰণাৰে প্ৰকৃত মানুহৰ সন্ধানত কবি ব্যগ্ৰ হৈছে। 'সোণালী-শইচৰ মাজলৈ' কবিতাত বোৱতী মাটিৰ একাঠুৱা বোকাৰ আহ্বানত নতুন শইচৰ প্ৰতিশ্ৰুতি দেখা পাইছে। 'হাত দিলেই পোৱেনে জুইৰ মাজত' এটা সুন্দৰ সমাজ সচেতন কবিতা। 'মোৰ শেষ কবিতা', 'শব্দ আৰু শব্দ' আদিত তেওঁৰ মানসিকতাৰ প্ৰমাণ পোৱা যায়। চিত্ৰকল্প নিৰ্মাণত গায়ত্ৰীসেন বহুতভাৱে সফল হৈছে। 'মগুহৰ সাঁকোডাল যেন হিতিৰপৰা ওলমি পৰা লেতু-সেতু স্তন', এনেধৰণৰ চিত্ৰকল্পই তেওঁৰ কবিতাক প্ৰাণস্পৰ্শী কৰি তুলিছে।

কৰবী ডেকা হাজৰিকা (১৯৫০)ৰ কাব্য গ্ৰন্থ "সুবাসিত যি যন্ত্ৰণা" (১৯৮০)। এই সংকলনত প্ৰকাশিত চুটি চুটি কবিতাবিলাকৰ মাজত কবিৰ মননধৰ্মিতা সুন্দৰকৈ প্ৰকাশ পাইছে। আত্মকেন্দ্ৰিক চিন্তা-চৰ্চাই কবিক অন্তৰ্মুখী কৰি তোলাৰ প্ৰমাণ কবিতাবোৰত আছে। তীব্ৰ সংবেদনশীলতাৰ মাজত যন্ত্ৰণাৰ প্ৰকাশ ঘটিছে আৰু

পৰিচিত জগতৰ মাজত চিৰ অপৰিচিত ৰূপৰ আবিষ্কাৰ কৰি নব্য-ৰমন্যাসবাদী ধ্যান-ধাৰণাত উপস্থিত হৈছে। 'তুমি'ৰ ৰহস্যময়তাই তেওঁক প্ৰেমৰ কবিৰূপে দাঙি ধৰিছে। কিন্তু তেওঁৰ বাবে প্ৰেম 'মৃগনাভি' কবিতাত কোৱাৰ দৰে হৃদয়ৰ 'ঝিকিপাৰন ভাঙি খৈ যোৱা একোটা হৰিণা'। এই প্ৰেম প্ৰহৰে প্ৰহৰে বাঢ়ি অহা চন্দ্ৰকলা (অথবা প্ৰেম যদি) আৰু 'তোমাৰ চকুত চকু থলে জোনটোও বৈ যায়'ৰ নিচিনা এক অনুভূতি ('আগ্ৰহ')। 'মৌচুমী মনত প্ৰেমাস্পদৰ স্বৰূপ প্ৰকাশ পাইছে। কবিৰ 'তুমি' দুৰ্বোধ্যতাৰ মাজত আলোড়িত আৰু ৰহস্যময়তাৰ প্ৰতি ধাবিত। 'সুখ-অসুখ ইত্যাদি' কবিতাত যি তেওঁক এধানি দুখ দিব পাৰে, কবি তেওঁৰ ওচৰত কৃতজ্ঞ। কবিৰ দুখ কেতিয়াবা অকাৰণ। আনহাতে নিজকে পৃথিবীৰ পৰা বিচ্ছিন্ন বুলি ভবাটোও এটা দুখৰ কাৰণ হব পাৰে ('বিলাসৰ এটা ৰূপ')। কিন্তু, ই যন্ত্ৰনাময় হলেও সুখদায়ক। তেওঁ অতনু সন্ধানত গ্ৰহ-গ্ৰহান্তৰত ভ্ৰমণ কৰি নানা অৱস্থাত উপস্থিত হোৱাৰ 'চিনাকি প্ৰান্তৰ'ত যি ঘোষণা কৰিছে, সিয়েই কবিক ৰমন্যাসিক ৰহস্যবাদত উপনীত কৰিছে। কৰবী ডেকাৰ কবিতাত এনে ভাবৰ লগতে স্বদেশানুৰাগ আদি দেখা গলেও সামাজিক দায়বদ্ধতাই কবিক স্পৰ্শ কৰাগৈ নাই। তেওঁৰ চিত্ৰকল্পবোৰ সৰল আৰু শব্দ চয়ন কোমল। 'মোৰ দুখেই মোৰ ঐশ্বৰ্য' বুলি স্পষ্ট কৰি দিয়া কবিক সহানুভূতি প্ৰৱণতাই যেন উটুৱাই লৈ গৈছে। চুটি কবিতাবোৰত নিৰ্মলপ্ৰভা বৰদলৈ আৰু হীৰেন ভট্টাচাৰ্যৰ কাব্যৰ ঠাঁচ অনুভৱ হয়।

মাধুৰী কলিতা চৌধুৰী (১৯৫০-) বাস্তৱবাদী কবি। কবিতাৰ সংখ্যা বেছি নহলেও, প্ৰতিভাৰ সন্তেদ তাৰ মাজতে পোৱা যায়। 'প্ৰাণান্তিক'ৰ দৰে কবিতাই তেওঁৰ সমাজ সচেতনতাৰ প্ৰকাশ ঘটাইছে। পূজাৰ উজ্জলতাৰ মাজতে শীত অহাত শতছিন্ন কাপোৰ আৰু ক্ষুধাৰ উপলব্ধি ঘটোৱা হৈছে। 'মৃত্যু', কবিতাৰ অনন্ত অন্ধকাৰত অমৃত শান্তিময় ৰূপৰ সন্দেহৰ মাজত ৰমন্যাসিকতা প্ৰকাশ পাইছে। 'অস্বীকৃত' কবিতাত একলব্যৰ পাষাণ বলিদান স্মৰণত এক উদাসীন শূণ্যতাৰ উপলব্ধি হয়। 'অক্ৰুত' কবিতাত জনগণৰ আশা সময়ৰ মকৰাজালত বন্দী হৈ বিবৰ্ণ হোৱাৰ অনুভৱ দেখা যায়। 'স্বগতঃ' কবিতাত সুদিনৰ আগমণ ঘটাৰ পৰা এজাক নতুন বতাহৰ সন্তেদ লাভ কৰিছে। ইয়াৰ মাজতে তেওঁৰ কাব্যৰ আকাংক্ষিত সম্পদৰ ইঙ্গিত আছে।

লক্ষ্মীপ্ৰিয়া বৰদলৈৰ (১৯৪৯-) কবিতা অতি কম হলেও সমাজ সচেতন কবি হিচাপে লক্ষ্যণীয়। 'মোৰ আৰ্তনাদ', 'ভাস্কৰ মই কবিতাৰ', 'ঈশ্বৰৰ ফাঁচী', 'যান্ত্ৰিক' 'মোৰ দলিলী কৱজ' আদি কবিতা উল্লেখ কৰিব পাৰি। **স্বৰ্ণ ঢেকীয়াল ফুকনৰ** (১৯৪০-) 'ৰোমন্থন'ত স্বদেশৰ ঐতিহ্যময় ছবি ম্লান হৈ পৰাত গভীৰ দুখ প্ৰকাশি উঠিছে। **লোকেশ্বৰী সন্দিকৈৰ** (১৯৪৩-) 'অনুভৱ', 'জাগৰণ' আদিলৈ মনত পেলাব পাৰি। **বিভূতি মহন্তৰ** (১৯৪৩-) 'কৰুণ বিননি' কবিতাত অনাচাৰ, অত্যাচাৰ, ব্যভিচাৰ আদিৰপৰা সংকীৰ্ণ অৱস্থাত তেওঁ ক্ষুব্ধ হৈছে। **ৰূপমী ঠাকুৰৰ** (১৯৪৮-) 'মহামন্ত্ৰ', 'মোৰ ভাব আৰু স্বপ্ন', 'অসময় আকাশত এজাক চৰাই' আদিৰ জৰিয়তে সৰল প্ৰতীকী ব্যঞ্জনা অনুভূত কৰিব পাৰিছে। 'শীত', 'পেটৰ জুয়ে হৃদয় পোৰে আমাৰ' স্বল্পবক্ষী কবিতা হলেও কবিৰ মানসিকতা সুন্দৰকৈ প্ৰকাশ পাইছে।

এলি আহমেদ (১৯৪৩-) এগৰাকী গীতি কবি। গীত ৰচনাত তেওঁৰ সাৰ্থকতা "দোকমোকালিৰ গীত" পুথিত প্ৰকাশ পাইছে। 'চকুলোৰ বং যদি ৰঙা হ'লহেতেন', 'প্ৰতিশ্ৰুতি', 'আবহ-সঙ্গীত' প্ৰভৃতি কবিতাত তেওঁৰ প্ৰতিভা প্ৰকাশ পাইছে। তেওঁৰ কবিতা সৰল আৰু গীতি-ধৰ্মী।

সুমতি ডেকাৰ (১৯৫৫-) কবিতা পুথি "অচিন পখীৰ কাকলি" (১৯৮৫)। ৰমন্যাসিক ধ্যান-ধাৰণাৰে সমৃদ্ধ কবিতাবোৰত অনুভূতিৰ তীব্ৰতা প্ৰকাশ পোৱা দেখা যায়। 'তথাপি', 'প্ৰতিশ্ৰুতি', 'বোকাৰ পদুম', 'অনাধিকাৰ' আদি কবিতা বিলাকত তেওঁৰ সবল মনৰ চিনাকি পোৱা যায়।

মনোৰমা বৰগোঁহাই (১৯৫০-) এগৰাকী জনপ্ৰিয় গীতিকাৰ। "নদী যাথো বয়" তেওঁৰ প্ৰতিনিধিমূলক গীতৰ পুথি। কবিতাৰ সংকলন ছপুৱা পৰা নাই। 'ব্যৱধান', 'এপলক অজান পুলক', 'অন্তৰতম', 'অন্তৰ্লীন' আদিত গীতি-ধৰ্মিতা প্ৰকাশ পাইছে।

মনোৰমা বৰুৱা বৰঠাকুৰৰ (১৯৫০-) কেইটামান কবিতাত প্ৰগতিশীল ভাব প্ৰকাশ হোৱা দেখা যায়। 'ভাব যোৱাৰ পথ' কবিতাত শোষকৰ কবলৰপৰা উন্মুক্ত হোৱাৰ প্ৰচেষ্টা আছে। 'সময়ৰ প্ৰতি', 'আহ্বান', 'কবিলৈ' আদি কবিতাত সমাজ সচেতনতা প্ৰকাশ পাইছে। যমুনা বৰগোঁহাই (১৯৪২-), বিন্দুপ্ৰভা হাজৰিকা (১৯৪২-), মীৰা ঠাকুৰ (১৯৪৬), কথিতা হাতী বৰুৱা (১৯৪৪-), নিৰঞ্জনা ভূঞা, (১৯৪৭), সবিতা কৌৰৰ(১৯৫০-), চন্দ্ৰিকা দত্ত কৌৰৰ (১৯৫০-)আদি কবিসকলেও এই সময়-ছোৱাত কিছু ৰৰঙণি আগবঢ়াইছে। মহিলা কবি হিচাপে উল্লেখ কৰিলেও, এইসকল কবিৰ সৰহভাগেই সাহিত্যৰ ইতিহাসত স্থান পোৱাৰ যোগ্যতাৰ্জন কৰিব পৰা নাই। তদুপৰি, প্ৰায়বিলাক কবিয়েই স্থবিৰতাৰ ফালে আগবাঢ়ি যোৱাত ভাবিকালৰ আশাও ক্ষীণ হৈ পৰিছে।

সপ্তম অধ্যায়

আধুনিক কবিতাৰ তিনিগৰাকী প্ৰধান মহিলা-কবি

৭.১. "ৰামধেনু" কালৰ পৰা বৰ্তমানলৈকে আপাশুধীয়াভাবে কবিতা ৰচনা কৰি অহা তিনিগৰাকী মহিলা-কবি যুদ্ধ পৰবৰ্তী অসমীয়া কবিতাৰ অন্যতম ৰূপে পৰিগণিত হৈছে। তেওঁলোক হ'ল ড° নীলিমা দত্ত, ড° লক্ষহীৰা দাস আৰু ড° নিৰ্মলপ্ৰভা বৰদলৈ। তিনিও গৰাকী কবি কেৱল উচ্চ শিক্ষিতাই নহয়; প্ৰত্যেকেই বিশ্ববিদ্যালয়ৰ একো গৰাকী প্ৰখ্যাত অধ্যাপিকাও। দৰ্শন, শিক্ষা আৰু সাহিত্যৰ সৈতে সম্পৰ্ক থকাত এই ক্ষেত্ৰত তেওঁলোক অনন্যা হৈ পৰিছে আৰু "ৰামধেনু" কালৰে পৰা পুৰুষ কবিসকলৰ খোজত খোজ মিলাই কবিতাৰ নব্য-ৰমন্যাসিক দলটোত সহজে স্থান লাভ কৰিছে।

৭.২. নীলিমা দত্ত (১৯২৫)

সাম্প্ৰতিক কালৰ এগৰাকী বিখ্যাত দাৰ্শনিক মহিলা আৰু অধ্যাপিকা (অৱসৰ প্ৰাপ্ত) নীলিমা দত্তৰ ১৯২৫ চনত শিলঘাটত জন্ম হৈছিল। "জয়ন্তী"ৰ ত্ৰিমূৰ্তিৰ অন্যতম, দাৰ্শনিক পণ্ডিত ভবানন্দ দত্তৰ সহধৰ্মিনী। চল্লিছৰ দশকতে সাহিত্য জগতত প্ৰবেশ কৰিলেও উত্তৰ ৰামধেনু কালতহে তেওঁ সু-প্ৰতিষ্ঠিত হৈছে। নীলিমা দত্তই কবিতাৰ উপৰিও উপন্যাস আৰু নিবন্ধ ৰচনাত কৃতিত্ব প্ৰদৰ্শন কৰিছে। কেবাখনো দাৰ্শনিক গ্ৰন্থৰ ৰচয়িত্ৰী হিচাপেও তেওঁৰ খ্যাতি আছে।

নীলিমা দত্তৰ প্ৰকাশিত কবিতাৰ পুথি চাৰিখন। প্ৰথমখন 'শেষনাই' (১৯৬৭); দ্বিতীয় "অন্ধকূপ" (১৯৭০); তৃতীয় "প্ৰভাকৰ" (১৯৭৭) আৰু চতুৰ্থখন "সুৰৰ ছবি আৰু প্ৰাণৰ সুৰ" (১৯৮৮)।

প্ৰথমখন কবিতাৰ পুথি "শেষ নাই"ৰ কবিতা বিলাকত বিদগ্ধ কল্পনাৰ প্ৰবেশ ঘটা নাই আৰু সহজ সৰল ভাব প্ৰকাশৰ বাবে আধুনিক কবিতাৰ দুৰুহতাৰ পৰাও বহুত দূৰত। প্ৰায়বোৰ কবিতাই আত্মমুখী হলেও যুগ-যন্ত্ৰণাৰ আভাস পোৱা যায়। অত্যন্ত সৰল হলেও শিশু সম্পৰ্কীয় কবিতা কেইটাই সংকলনটোৰ শোভা বৃদ্ধি কৰিছে আৰু কবিৰ স্বকীয় মনৰ পৰিচয় দাঙি ধৰিবলৈকো সক্ষম হৈছে। 'অসমী আইৰ কাকুতি' নামৰ কবিতাটোৱে দত্তৰ কাব্যৰ প্ৰধান সুৰ বহন কৰিছে। মৰমৰ পোনাটিক সাৰ পাই থাকিবলৈ আহবান জনাই কৈছে,-

> এতিয়া নীৰৱ নিশা
> চৌদিশে গভীৰ অন্ধকাৰ
> শতস্মৃতিৰ বেদনা গলি
> মোৰ চকুত অশ্ৰু পাৰাবাৰ।
> ইপাৰ সিপাৰ ক'ত যে হেৰাল
> কিজানিবা তন্দ্ৰালস সকলো চকু মুদে।'

কবিৰ দুখানুভূতিৰ সম্যক পৰিচয় ইয়াত পোৱা যায়। 'ভীতি' কবিতাত মোৰ তমসাই প্ৰাণৰ আকাশ আৱৰি ধৰাত মাতৃৰ পৰশ বিচৰা শিশুৰ দৰে তেওঁ হাহাকাৰ কৰি উঠিছে। কোনোবা মৃতাত্মাৰ উদ্দেশ্যে ৰচিত 'মৃত্যুঞ্জয়' কবিতাৰ কবি কল্পনাৰ সুন্দৰ প্ৰকাশ আৰু তীব্ৰ হৃদয়ানুভূতিৰ স্বৰূপ প্ৰকাশ পাইছে-

'তুমি আছা পৃথিবীৰ বললিত
শ্যামলী লোভাৰ সতে
ফুলনিৰ পুষ্পৰেণুৰ সুবাসে সুবাসে ।'

মানুহৰ স্বপ্ন ব্যৰ্থ হৈ নিয়তিৰ পৰিহাসত পৰিণত হলেও মানুহে স্বপ্ন অহৰহ দেখিয়েই আছিছে। এই সোণালী স্বপ্নৰ শেষ নাই। 'প্ৰবাহ' কবিতাত যুগ-যুগান্তৰী প্ৰবাহৰ মাজত আত্মাৰ অৱস্থিতি আৰু ইয়াৰ দুৰ্বাৰ গতিয়ে লোহৰ আৰু আত্মাৰৰ সংঘৰ্ষ সৃষ্টি কৰি আবৰ্জনা নিঃশেষিত কৰিব বুলি এক প্ৰত্যয় প্ৰকাশ পাইছে। ইয়ে কবিক আশাবাদী কৰি তুলিছে। এই সংকলনত ৰবীন্দ্ৰনাথ, জৱাহৰলাল, চেক্সপিয়েৰ, ৰঘুনাথ চৌধাৰী, নলিনীবালা দেৱী আদিৰ প্ৰতি শ্ৰদ্ধাঞ্জলি সূচক কবিতাত 'মুক্ত ভাৰতৰ বন্দনা' ই প্ৰাণ পাই উঠিছে। নীলিমা দত্তৰ এইবিলাক কবিতাত উপমা বৈচিত্ৰ্য নথকাৰ দৰেই চিত্ৰকল্প বা প্ৰতীকৰ নতুনত্ব নাই। কবিতাবোৰ ৰমন্যাসবাদৰ ওচৰ সম্বন্ধীয় হৈ উঠাত আধুনিক বৈশিষ্ট্য কমি গৈছে। ভাবৰ তন্ময়তা, সুকোমল অনুভূতি, হৃদয় মাধুৰ্য আদিৰ মাজত দাৰ্শনিক চিন্তাৰ প্ৰতিফলন ঘটিছে। 'শেষ নাই' কবিতাটিত এই সকলোবোৰ স্পষ্ট হৈছে আৰু আকাশ, পৃথিবী, তৰা, লোহৰ আৰু অমাৱস্যাৰ অন্ধকাৰত জীৱনৰ অসীম যাত্ৰাৰ কথা ভাবি হাহাকাৰ কৰি উঠিছে।–

শেষ ক'ত শেষ ক'ত গিৰি মৰু এই পথ
এই ভাৰ বহনৰ দুৰ্গম যাত্ৰাৰ ।

"অন্ধকূপ" আৰু "প্ৰভাকৰ" এই দুয়োখন কাব্য-সংকলনতে "শেষনাই" পুথিত প্ৰকাশিত ভাৱৰাশিৰ প্ৰাধান্য বিস্তাৰিত হৈছে। ৰহস্যময় ভাবৰ দ্যোতনা 'প্ৰতিবিম্ব' কবিতাত অতি স্পষ্ট ।

'ক'ত আছে সেই সুৰ ক'ত লয়
প্ৰাণময় আনন্দৰ ধ্বনি
অৰূপ ৰতন তুমি নাই
ক'ত জানো আছা যে লুকাই,.........'

ইয়াত প্ৰকাশিত 'তুমি' প্ৰতীকে পাৰ্থিৱ অপাৰ্থিৱ দুয়োটা স্তৰতে বিস্তাৰ লাভ কৰি তোমাৰ ৰূপৰ মায়া অপৰূপ বুলি নিশ্চিত কৰিছে। এই 'তুমি' কেতিয়াবা প্ৰেমাস্পদৰ আসনত আৰু কেতিয়াবা বিৰাট ৰূপত নিবিষ্ট হৈ পৰম সত্তাত পৰিণত হয়। এনে দোমোজা ভাব নীলিমা দত্তৰ কবিতাবোৰত স্পষ্ট। ৰমন্যাসিক চিন্তা আৰু দাৰ্শনিক প্ৰবাহেৰে ভাৱাক্ৰান্ত কবিতাবোৰত অৱশ্যে প্ৰাচীনকলীয়া বদ্ধ আৱাসৰ নিৰ্জনতা বিনাশ কৰাৰ কামনা আছে। সূৰ্যই পৃথিবীৰ পিতা। শতাব্দীৰ কালিমা ভৰা বিকলাঙ্গ দলৰ দুঃসহ জীৱনভাৰ ধ্বংস কৰি ন্যায়দণ্ড তুলি লবলৈ 'পিতা' কবিতাত তেওঁ আহ্বান জনাইছে–

'হে সূৰ্য, হে পিতা
তুমি নামি আহা, শূন্য আসন পূৰাই
ন্যায় দণ্ড হাতত লোৱাহি
আকৌ এবাৰ ।'

'আয়নাৰ খিৰিকি', 'অস্ফুট প্ৰাৰ্থনা', 'অৰূপ' আদি অসংখ্য কবিতাৰ ভাবৰ অস্পষ্টতাৰ মাজতে ৰমন্যাসিকতা প্ৰকাশ পাইছে। 'অৰূপত' পিপাসুৰ নেদেখা হানৰ 'সুন্দৰৰ মত অনুভূতি'য়েই অৰূপ বুলি ৰহস্যৰ মাজলৈ উবা মাৰিছে। 'আলোকযাত্ৰী'ত দেশ-মহাদেশ অতিক্ৰম কৰি আকাশৰ বহু ওপৰৰ 'সময়ৰ দুৱাৰমুখলৈ', ঘোৰাৰ চেৰা

আছে । 'যুগান্তৰ' কবিতাত জন্মান্তৰৰ বিশ্বাসী বুলি কবিক প্ৰতিপন্ন কৰিছে । আনহাতে, 'নিস্তব্ধ জালুকবাৰী,' 'যৌৱন', 'নাৰ্চাৰী স্কুল', 'বৰ্ষাৰ ছবি', 'বৰ্ষাৰ সুৰ', 'এটা লাইব্ৰেৰী', 'কিশোৰী' আদি কবিতাত আধুনিকতাৰ পৰিচয় পোৱা যায় । 'শীতৰ ৰাতি', 'আহ্বান', 'সংকল্প', 'অৱসৰ', 'সন্ধ্যাৰ নিৰ্যাস' আদি এমুঠিমান কবিতাই নীলিমা দত্তক সাম্প্ৰতিক কবিৰ মৰ্যদা দিছে ।

"সুৰৰ ছবি আৰু প্ৰাণৰ সুৰ" সংকলনটিত শেহতীয়া কবিতা এমুঠিৰ লগতে প্ৰকাশিত পুথি কেইখনৰ পৰা কেইটামান কবিতা পুনঃ সংকলিত কৰিছে । এইটো কবিৰ প্ৰতিনিধিমূলক সংকলন বুলিব পৰা যায় আৰু ইয়াত প্ৰায় আঢ়ৈ কুৰি কবিতা সংকলিত হৈছে । প্ৰথমটো কবিতা 'বোধন'ত ৰহস্যময়তা থাকিলেও মহাপ্ৰভাতৰ আকাংক্ষাত উজাগৰে বৈ থকা অনাহাৰী শত-সহস্ৰ কষ্ট-ক্লিষ্ট জনগণৰ বোধন মন্ত্ৰই উজাসি তোলাত কাব্যিক ব্যঞ্জনা অনুভূত হৈছে আৰু কবিতাটো সাৰ্থক হৈ পৰিছে । 'আন্ধাৰৰপৰা পোহৰলৈ'ত আশাবাদৰ উন্মেষ আছে । 'অভাৱ' চুটি কবিতা হলেও দুৰ্যোৰ অভাৱত মানুহে হৃদয় বিক্ৰী কৰিব লগা অৱস্থাৰ সূচনা কৰিছে । 'ক্ষুধা', 'সময়', 'উৎকণ্ঠা', 'শ্ৰমৰ দান', 'শীতৰ নদী', আদি কবি চুটি চুটি কবিতা বিলাকত কাব্য শিল্পৰ পৰিস্ফুটন ঘটিছে । 'শিলৰ চহৰ' নামৰ কবিতাত নগৰীয়া পৰিবেশৰ ছবি অঙ্কণ কৰিবলৈ তেওঁ যত্ন কৰা দেখা যায় । এই জীৱনত যেন উশাহ লবলৈও প্ৰাণৰ অৱসৰ নাই । 'মাটিৰ পিপা' কবিতাত নিজৰ স্থিতি হেৰুৱাই আকাংক্ষিত সম্পদৰ পৰা বঞ্চিত হোৱাৰ গভীৰ দুখ আছে । 'জীৱন তৰা' নামৰ সৰু কবিতাটিত মানুহৰ স্থান মাটিত বুলি স্পষ্ট কৰি দিছে । 'গৰা-খহনীয়া' এটা সুন্দৰ প্ৰতীকধৰ্মী কবিতা । বুঢ়া লুইত আৰু হৃদয়ৰ গৰাখহনীয়া শব্দৰ মিতব্যয়িতাৰ মাজতে প্ৰকাশ কৰিবলৈ সমৰ্থ হৈছে । 'ক্ষুধা', 'শ্ৰমৰ দান', 'কৰমণ্ডল', 'এটি হুমুনিয়াহ', 'প্ৰসূতি', আদি কবিতাৰ মাজত কৃষক-শ্ৰমিকৰ বুকুৰ সংবাদ আৰু চিত্ৰ অংকণত কবিক প্ৰবৃত্ত হোৱা দেখা যায় । এই সংকলনৰ প্ৰায়বোৰ কবিতাই প্ৰগতিবাদৰ পোষকতা কৰিছে । পঞ্চাছৰ দশকৰ ৰমন্যাসিক দাৰ্শনিক মতবাদত আশ্ৰয় লৈছিল যদিও তাৰ মাজতে 'স্বাগতম'ৰ দৰে কবিতাত মানৱতাবাদী ভাব প্ৰকাশ পাইছিল । মানুহৰ মহাবিশ্বাস স্থাপন কৰি শান্তিৰ পৃথিৱী ৰচনা কৰাৰ কামনা সেই কবিতাত স্পষ্ট হৈ পৰিছিল । বিশেষ মতবাদ এই কবিতাত তেওঁ প্ৰতিষ্ঠা নকৰিলেও মহাচীন, মহাৰুচ আৰু মহাভাৰতৰ জনগণৰ ঐক্য স্থাপনত গুৰুত্ব প্ৰদান কৰিছে ।

নীলিমা দত্তৰ শব্দ চয়নত কঠিনতা নাই । কিন্তু, ভাবৰ বৈচিত্ৰ্যই মাজে মাজে শব্দ চয়নত আউল লগোৱা দেখা যায় । কৃত্ৰিম গাঁঠনি একোটাই ঠায়ে ঠায়ে কাব্যিক সৌন্দৰ্যত ব্যাঘাত জন্মাইছে । উপমাদিৰ বৈচিত্ৰ্য নাই । চিত্ৰকল্পৰ অভিনৱত্বও বিচাৰি পোৱা নাযায় । চিত্ৰকল্প সৰল আৰু প্ৰতীক অনায়াসলব্ধ । দাৰ্শনিক অভিব্যক্তি কবিতাবোৰত যথেষ্ট পৰিলক্ষিত হয় । নীলিমা দত্তক শ্ৰেষ্ঠাসন দিব নোৱাৰিলেও, সম-সাময়িক কবিতাৰ এগৰাকী প্ৰধান কবি হিচাপে ধৰিবই লাগিব ।

৭.৩. লক্ষহীৰা দাস (১৯৩৩-)

অসমীয়া সাহিত্যৰ এগৰাকী প্ৰসিদ্ধ গীতিকবি লক্ষহীৰা দাসৰ জন্ম ১৯৩৩ চনত । পিতৃ ললিত চন্দ্ৰ বৈশ্যসাউদ । চতুৰ্থ শ্ৰেণীৰ পৰা কবিতা লেখাত হাত আছিল আৰু পঞ্চাছৰ দশকত তেওঁ কাব্য জগতত প্ৰৱেশ কৰে । সাহিত্যৰ বিভিন্ন বিভাগত প্ৰায় ডেৰকুৰিখন গ্ৰন্থৰ উপহাৰ দিয়া লক্ষহীৰা দাস শিক্ষাবিভাগৰ এগৰাকী প্ৰসিদ্ধ অধ্যাপিকা আৰু পাঠ্য পুথিৰ ৰচয়িত্ৰী ।

লক্ষহীৰা দাস প্ৰধানত কবি। ১৯৫২ চনত "প্ৰথমা" নামৰ গীতি কবিতাৰ পুথি এখনেৰে তেওঁ পৰিচিতা হৈ পৰে। "সুৰসেতু" (১৯৫৬), "গীতাৰ্ঘ্য" (১৯৫৬), "মযূৰপংখী" (১৯৬৮), "অন্তৰ্গত নদী" (১৯৭৯); "অ মোৰ চিকুণী দেশ" (১৯৮২) আৰু "লক্ষহীৰাৰ গীত"(১৯৮৯) নামৰ প্ৰকাশিত গীতৰ সংকলনত তেওঁৰ গীতি-প্ৰতিভাৰ পৰিচয় পোৱা যায়। লক্ষহীৰা নিজে এগৰাকী বিশিষ্ট গায়িকাও। তেওঁৰ গীতসমূহত সাম্প্ৰতিক ধ্যান-ধাৰণা অনুপস্থিত। ৰহস্যময় ভাৱানুভূতিৰ তীব্ৰ প্ৰকাশ তেওঁৰ গীতৰ বৈশিষ্ট্য। দূৰৰ বাঁহীৰ সুৰৰ পৰশত মনৰ পখীৰ গুণ গুণনি শূন্য কৰিব প্ৰেমে পাৰ্থিৱৰ পৰা অপাৰ্থিৱ অৱস্থানে গতি কৰা দেখা যায়। কেতিয়াবা মনৰ পখীয়ে নাইবা কেতিয়াবা বনৰ পখীয়ে ক'ৰবাৰপৰা আহি তেওঁক উজাউল কৰি তোলে। তেওঁ কৈছে,–

'প্ৰহৰে প্ৰহৰে সেই গীতে মোৰ
চকুৰ তন্দ্ৰা হৰে
কিবা নাই নাই এনে এটি ভাবে
হৃদয় আবৰি ধৰে
উঠি মাৰ যায় মনৰ মাজত
কত মান অভিমান। ("অন্তৰ্গত নদী")

লক্ষহীৰা দাসৰ গীত সমূহৰ এইটোৱেই থাই সুৰ। 'কিবা নাই'– এই উদাস সুৰত হাহাকাৰ কৰি অকাৰণতে তেওঁৰ অশ্ৰুধাৰা বৈ যায় বুলি ধাৰণা। এনে ঔদাস্য-ভাৱৰ মাজতে আশাবাদত মাজে মাজে কৱিক নিমগ্ন হৈ পৰা দেখা যায়। শ্যামল মাটিৰ তোপত উমত তেওঁ মন গতিশীল কৰি "হেজাৰ জনৰ প্ৰসাৰিত হাতে সুদিন আদৰি আনিব' বুলি গভীৰ আশা পোষণ কৰিছে। লক্ষহীৰা দাসৰ আটাইকেইখন গীতৰ পুথি ৰমন্যাসবাদী চিন্তাধাৰাৰে সমৃদ্ধ। আধুনিক লক্ষণ নাই বুলিব পাৰি।

লক্ষহীৰা দাসৰ প্ৰথমাৱস্থাৰ উল্লেখযোগ্য কবিতা 'শিল্পীৰ সপোন' এটা ৰমন্যাসবাদী কবিতা। ১৯৫০ চনত "ৰামধেনু"ত[১] প্ৰকাশিত কবিতাটো ঠাঁচ হ'ল–

'শিল্পী মই
স্ৰষ্টা মই
মই চিৰ শাশ্বত পূজাৰীৰূপৰ
কল্পনাৰ
সাধনাৰ
শত মিনাৰৰ।'

কবিতাটোৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ কাব্যিক ঠাঁচ স্পষ্ট। নলিনীবালা দেৱীৰ দৰেই অৰূপ ৰূপৰ স্পন্দন জাগ্ৰত হৈ 'সোণৰ পৰশে মোৰ সপোন বুৰায়' বুলি সুন্দৰৰ সমাগম ঘটাইছে।

লক্ষহীৰা দাসৰ প্ৰথম কবিতা সংকলন "প্ৰাণ-গঙ্গা"ত (১৯৫৭) প্ৰথমাৱস্থাৰ কবিতা-সমূহ সংকলিত হৈছে আৰু ইয়াৰ একুৰি ছয়টা কবিতাত গীতি-ব্যঞ্জনাৰ প্ৰবলতাহে দেখা যায়। 'প্ৰাণগঙ্গা' শীৰ্ষক কবিতাত চঞ্চল উৰ্মিমালাই প্ৰাণৰ গঙ্গা উতলা কৰি তুলিছে। কবিতাটোত প্ৰকাশিত ৰহস্যময়তাৰ ৰূপ হ'ল–

'মোৰ গঙ্গাৰ জোৱাৰ উতলা
বুকুৰ অৰ্ঘ তুমি
জীৱনৰ যত মুখৰতা তাতো ধ্বনিত তোমাৰে বাণী।'

---

১. মহেশ্বৰ নেওগ (সম্পা.), "ৰামধেনু", ৩য় বছৰ, ৮ম সংখ্যা, ১৯৫০ চন।

এই সংকলনৰ আটাইবোৰ কবিতাৰ ৰহস্যবাদী চিন্তাধাৰা প্ৰবল হোৱাত কবিক এইপৰ্যন্ত আধুনিক পৰ্য্যায়লৈ আনিব নোৱাৰি। 'উপাসনা', 'দৃষ্টিপাত', 'কপসেতু', 'সুৰ-ধ্বনি', 'নিকক্তৰ' আদি কবিতাই তেওঁক গীতি-কবিৰ মৰ্যদা দিছে। এইবোৰ কবিতাত ভগৱৎ ভক্তি, ঈশ শক্তিৰ প্ৰেমময় প্ৰাণময় ৰূপ, জন্ম-জন্মান্তৰৰ যুগমীয়া স্বপ্নলীলা আদি ৰহস্যময় অৱস্থাৰ সূচনা কৰিছে। 'সুৰধ্বনি' কবিতাত নিসঙ্গতাৰ বিষাদ ৰাগিনীৰ ব্যাকুলতা আৰু 'তিমিৰ যাত্ৰী'ত নিয়তিৰ হাত ধৰি ৰহস্যময় জীৱন যাত্ৰা প্ৰকাশ পাইছে। এইবিলাক কবিতাৰ মাজতে 'সূচনা'ৰ দৰে কবিতাই তেওঁক আধুনিকতাৰ মাজলৈ অনাৰ প্ৰয়াস কৰিছে। মহানগৰীৰ সৰ্ব-সাধাৰণৰ সপক্ষে তেওঁ মাত মাতিছে এইদৰে-

'সিহঁতক মানুহৰ অধিকাৰ বিক্ৰ কৰি দিছে
এই নিৰ্মম সমাজে'

আশাবাদী কবি লাহে লাহে সমাজ সচেতন হৈ উঠিছে। 'অনাগত' নামৰ কবিতাত তেওঁৰ সামাজিক দায়বদ্ধতা প্ৰকাশ পাইছে আৰু নিজৰ অৱস্থান সম্পৰ্কে কবিক সচেতন হোৱাও দেখা গৈছে।

"এইবাৰ মোৰ পাল
কদ্ধ বন্দী কক্ষ মেলি
আনিম আহ্বানি সূৰ্য দীপ ...."

"ভাস্বৰ লগ্ন" আৰু তাৰ পৰবৰ্তী সংকলনৰ কবিতাবিলাক "প্ৰাণগঙ্গা"ৰ দৰে নহয়। কবিতাবোৰ গীতি-ধৰ্মী হলেও সাৱলীলতাৰ পৰিমাণ কম। "ভাস্বৰ লগ্ন" (১৯৭৪) প্ৰায় আঠেকুৰি কবিতাৰ সংকলন। 'নক্ষত্ৰৰ' সোণালী শিৱত, খণ্ডিত জীৱন ছবি' অঙ্কণত 'মায়াবী নদীৰ হৰিৎ সোঁতৰ অজস্ৰ হাত'ৰ স্পৰ্শ অনুভৱ "ভাস্বৰ লগ্ন" কবিতাটিত দাঙি ধৰা হৈছে। এই সংকলনত কবিতাবোৰ কোনো নিৰ্দিষ্ট সুৰ বা ভাবনাত স্পষ্ট নহয়। ভিন্নসুৰীয়া কবিতা ইয়াত আছে। কিছুমান কবিতাত অনুভূতিৰ তীব্ৰতাই উদ্বাউল কৰি তুলিছে। দুখত ভাৰাক্ৰান্ত হৃদয়ৰ নিসঙ্গতাও হাহাকাৰ কৰি উঠা দেখা যায়। দুখেই যেন তেওঁৰ প্ৰধান অনুভূতি। কিন্তু, তেওঁ নৈৰাশ্যবাদী নহয়। দুখৰ পৰা সুখলৈ, আন্ধাৰৰ পৰা পোহৰলৈ যোৱাৰ প্ৰচেষ্টাৰ মাজত কবিৰ আশাবাদ সঞ্চাৰিত হৈছে। মাটিৰ প্ৰতি কবিক দায়বদ্ধ আৰু স্নেহসিক্ত অনুভৱ হয়। 'প্ৰতীক্ষা' আদি কবিতাত মাটিৰ স্পৰ্শ আৰু নতুন মুকুলৰ প্ৰতীক্ষা অনুভৱ হয়। 'আই'ৰ দৰে কবিতাত স্বদেশৰ প্ৰতি দায়বদ্ধ হৈছে আৰু জীৱন স্পন্দন অনুভৱ কৰিছে। "ভাস্বৰ লগ্ন"ত এমুঠিমান সমাজ সচেতন কবিতাও আছে। 'অনাগত', 'আমাৰ বুকুত হাত থৈ' ইত্যাদি কবিতাত নিষ্পেষিত জনতাৰ যন্ত্ৰনা আৰু হাজাৰজনৰ মুষ্টিবদ্ধ ঐক্য-কামনা প্ৰকাশ পাইছে। প্ৰগতিবাদী কবিসকলৰ দৰে শক্তিশালী আহ্বানলৈ ই পৰিণত হোৱা নাই। প্ৰতীকৰ অস্পষ্টতাই 'আমাৰ বুকুত হাত থৈ' কবিতাটোক দুৰ্বল কৰাৰ দৰেই বহুত কবিতা অস্পষ্টতাৰ মাজলৈ ঠেলি পঠাইছে। নদী, অৰণ্য, ফুল, উৰ্মিমালা আদি সহজ প্ৰতীক গ্ৰহণ কৰিলেও যথোপযুক্ত ব্যৱহাৰ নোহোৱাই এই অস্পষ্টতাৰ কাৰণ। 'কাঁইটৰ ফুল', 'আবৃত নগ্ন সময়', 'বাতিৰ দুৱাৰ' আদি কবিতাত যেন কবিক কিবা এটা যন্ত্ৰণাৰ (অগ্নিফুল অথবা জুই) বিষাক্ত বীজানুৱে কুটি কুটি খায়। মাজনিশাৰ উষ্ণ বায়ুত জুইফুল এটা প্ৰতীক। সি যেন আকাংক্ষিত এডৰা মাটিৰ বাবে তীব্ৰ যন্ত্ৰণাবোধ। 'প্ৰবাহ', নৈ-হৈ বৈ আছে', 'উপত্যকা', 'শামুক', বাঁহী' আদি অনেক কবিতাত কবিৰ আত্মমুখিতা স্পষ্ট হৈ উঠিছে। চুটি কবিতাবোৰ সংযত আৰু অৰ্থবহ। হীৰেন ভট্টাচাৰ্যৰ কাব্যিক ঠাঁচ এইবোৰত পোৱা যায়।

"অৱগাহন মুহূৰ্ত" (১৯৭৮) নামৰ শেহতীয়া সংকলনটোত দুকুৰিতো অধিক কবিতা সংকলিত হৈছে। এইবোৰ কবিতাও নব্য-ৰমন্যাসিক পৰ্যায়ৰ। 'অৱগাহনৰ মুহূৰ্ত' নামৰ কবিতাত ঘাতকৰ হাতৰ স্পৰ্শ, নিৰ্দয়তাত আহ-যাহ, জনৰ ভৱাখোল, পৰিস্থিতিৰ নিৰ্মমতা, ঈৰ্ষাৰ দংশন আদিৰ মাজত 'ধৰ্ষিতা ধৰাৰ বিমৰ্ষ ছবি' দেখা পাইছে। 'সমকালত সম-সাময়িক দুৰাৱস্থা আৰু লালসাত ধৰ্ষিতা ভূ-লুণ্ঠিতা হোৱাৰ অসুস্থ বাতাবৰণ সৃষ্টি হৈছে। তথাপি ভয়ঙ্কৰ ক্ৰুৰ বিক্ৰমৰ মাজত দুহাত প্ৰসাৰিত কৰি আখে-বেখে 'হিৰণ্য শস্যৰ ভাৰ' তুলি লোৱাৰ আশা 'শস্য'ৰ দৰে কবিতাত প্ৰকাশ পাইছে। 'এইদুখবোৰ', 'গৃহস্থালি', 'খুনী' আদিত দুখৰ নিজস্ব ধাৰণা আছে। 'সমস্ত সুদিন' বে-হিচাবৰ দৰে খৰছ কৰাৰ আক্ষেপ 'চেঙ্গিজৰ ঘোঁৰা' কবিতাত প্ৰকাশ পাইছে। 'সন্ধ্যাৰাগ', 'ৰাগমালা', 'নিজস্ব' 'সন্দীপন' আদি কবিতাত চিত্ৰকল্প নিৰ্মাণৰ প্ৰচেষ্টা দেখা যায়। 'প্ৰসহন', "ঈশ্বৰৰ মুখ', 'প্ৰথম পখীৰ পুৱা', দুখৰ নেতুৱে', 'তেজীমলা' আদি বিভিন্ন অনুভূতি জ্ঞাপক কবিতা। 'অনুভৱ' এটা ভাল কবিতা আৰু ইয়াত জন্মভূমিৰ শীতল মাটিৰ কেঁচা গোন্ধে জীৱনলৈ আংশিক পূৰ্ণতা আনি দিয়ে বুলি কবিৰ ধাৰণা।

লক্ষহীৰা দাস অনুভূতি প্ৰৱনা কবি। ৰমন্যাসিক জগতৰ পৰা ক্ৰমশঃ নব্য-ৰমন্যাসিক আধুনিক সুৰলৈ তেওঁৰ উত্তৰণ ঘটিছে। তেওঁৰ কবিতাবোৰত সবল চিত্ৰকল্প, প্ৰতীক, বৈচিত্ৰ্যময় অনুভূতি, ৰহস্যময়তাত উৎফুল্লতা আৰু তৎসম শব্দৰ প্ৰয়োগৰ বেছি হ'লেও ভাবৰ কোমলতা লক্ষ্যণীয়। মাজে মাজে বিপৰীতমুখী ভাবৰ টনা-আঁজোৰা অনুভৱ কৰা যায়। মননধৰ্মী দুৰূহতাত তেওঁৰ কবিতা ভাবাক্ৰান্ত নহয়। আত্মমুখী আৰু সমাজমুখী দুয়োটা চিন্তাই সমান্তৰাল গতিত আগবঢ়াৰ বাবে লক্ষহীৰা দাসৰ কবিতাক শ্ৰেণীভূৰ্ক্ত কৰা টান।

৭.৮. নিৰ্মল প্ৰভা বৰদলৈ (১৯৩৩ –)

সাম্প্ৰতিক অসমীয়া কবিতাৰ শ্ৰেষ্ঠ মহিলা কবিৰ খিতাপ আৰোপ কৰিব পৰা ড° নিৰ্মলপ্ৰভা বৰদলৈৰ ১৯৩৩ চনত শিৱসাগৰত জন্ম হয়। পিতৃ ধৰ্মেশ্বৰ শৰ্মা বৰদলৈ। বিশ্ববিদ্যালয়ৰ অধ্যাপিকা ড° বৰদলৈ কবি, গীতিকাৰ আৰু নিবন্ধকাৰ। কাব্য-সাহিত্যলৈ তেওঁ পাঁচখন কাব্যপুথি আগবঢ়াইছে। প্ৰথম কাব্য পুথি "বন ফৰিঙৰ ৰং" (১৯৬৭); দ্বিতীয় "দিনৰ পাছত দিন" (১৯৭৭), তৃতীয় "সমীপেষু" (১৯৭৭), চতুৰ্থ "অন্তৰঙ্গ" (১৯৭৮) আৰু পঞ্চম কাব্য পুথি হ'ল "সুদীৰ্ঘ দিন আৰু ঋতু" (১৯৮২)। ইয়াৰ ভিতৰত "দিনৰ পাছত দিন" কাব্যগ্ৰন্থ অসম সাহিত্য সভাৰ শ্ৰেষ্ঠগ্ৰন্থৰ পুৰস্কাৰ লাভ কৰিবলৈ সক্ষম হয়। "সুদীৰ্ঘ দিন আৰু ঋতু"ৰ বাবে ১৯৮৩ চনত নিৰ্মলপ্ৰভা বৰদলৈয়ে সাহিত্য অকাডেমী পুৰস্কাৰ লাভ কৰে। এই বঁটা লাভ কৰা তেওঁৱেই একমাত্ৰ আধুনিক মহিলা কবি।

নিৰ্মলপ্ৰভা বৰদলৈ গীতিকাৰ হিচাপেও প্ৰখ্যাত। "সূৰ্যমুখী", "সোণবৰণী আই", "সুৰীয়া মাত" আদি গীতৰ পুথিৰ উপৰিও ড° দিলীপ কুমাৰ দত্তই সংকলন কৰা "নিৰ্মল প্ৰভাৰ গীত আৰু নাৰীৰ জীৱন নদী"ত (১৯৮৫) জনপ্ৰিয় গীত সমূহ অন্তৰ্ভূক্ত হৈছে।

নিৰ্মলপ্ৰভা বৰদলৈয়ে পঞ্চাছৰ দশকতে কবি হিচাপে আত্মপ্ৰকাশ কৰিলেও প্ৰতিষ্ঠা লাভ হয় পাছৰ দুটা দশকতহে। সককালৰ পৰা কবিতা ৰচনা কৰা কবি গৰাকীয়ে ১৯৫০ চনৰ "ৰামধেনু"ত[২] প্ৰকাশিত "বাৰ্নাডশ্ব" নামৰ কবিতাটিৰে প্ৰথম নজৰলৈ আহে।

---

২ মহেন্দ্ৰ নেওগ (সম্পাঃ), "ৰামধেনু", ৩য় বছৰ, ৮ম সংখ্যা, ১৯৫০ চন।

ৰমন্যাসিক স্তৱৰ প্ৰশস্তিমূলক দীঘলীয়া এই কবিতাৰ প্ৰকাশভংগী হ'ল–

'শতেক প্ৰণাম হে
মণিষী মহান
শিল্পী তুমি শতিকাৰ, প্ৰতিভা অম্লান
যুগৰ-মানৱ তুমি, তোমাক প্ৰণাম ।'

পঞ্চাছৰ দশকৰ শেষৰ ফালে ৰচিত আন এটা সবল কবিতা 'সাধাৰণ ছোৱালী'ত নাৰীৰ ছবি এখন প্ৰকাশ পাইছে। "ৰামধেনু"ৰ (১৯৫৮) পাতত প্ৰকাশিত এইটো কবিতাত 'তুলসী তলৰ এটি মাটিৰ চাকিত' বিশ্বাস স্থাপন কৰা সাধাৰণ ছোৱালী এজনীৰ চিত্ৰাঙ্কণ কৰিছে। পঞ্চাছ আৰু ষাঠিৰ দশকৰ এনেধৰণৰ কবিতাৰ সংকলন "বন হৰিণৰ ৰং"। এই গ্ৰন্থৰ কবিতাবিলাক অনুশীলন পৰ্যায়ৰ আৰু অনুভূতিৰ প্ৰখৰতা, সংবেদনশীলতা আদি অনুপস্থিত। নিৰ্মলপ্ৰভা বৰদলৈৰ প্ৰথম কীৰ্তি বুলি নিসন্দেহ হ'ব পৰা গ্ৰন্থখন হ'ল "দিনৰ পাছত দিন।" এই গ্ৰন্থৰ আৰম্ভণিতে ড° ভবেন বৰুৱাই আগবঢ়োৱা বিশ্লেষণত পোৱা যায়,–"অৱশ্যে নিৰ্মলপ্ৰভা বৰদলৈয়ে পঞ্চাছৰ দশকৰ মাজভাগৰ পৰাই আধুনিক কবিতা লিখি আহিছে যদিও আৰু আজিৰ পৰা প্ৰায় চৌদ্ধ পোন্ধৰ বছৰৰ আগতেই যদিও আধুনিক ভাৰতীয় কবিতাৰ সংকলন আদিতো তেখেতৰ কবিতাৰ 'অনুবাদ' প্ৰকাশ হৈছিল–তথাপি তেখেতৰ সাম্প্ৰতিক কালৰ কবিতা কিছুমানকহে চল্লিচৰ দশকত আৰম্ভ হৈ চলি অহা আধুনিক অসমীয়া কবিতাৰ ধাৰাটোত এটা বিশেষ গুৰুত্ব দিব পাৰি।"[৩]

"দিনৰ পাছত দিন"ৰ কবিতাবোৰ ১৯৬৮-৭৫ৰ ভিতৰত ৰচিত আৰু প্ৰায়বোৰেই চুটি চুটি। প্ৰথমটো কবিতা 'অব্যক্ত'ত দিন অতিক্ৰমণৰ সম্ভাৱনা ক্ষীণ হৈ জান-জুৰি শুকাই যোৱা নিমাও মাও জয়াল সন্ধিয়াক দুখ আৰু আশঙ্কাৰ ভীতিয়ে বিহ্বল কৰি তুলিছে। 'অন্ধকাৰ' আৰু 'বাতিৰ বাঁহী'তো এনে ভাবৰ তীব্ৰতা দেখা যায়। কৰ্মব্যস্ত দিনৰ শেষত ৰচিত শুকান হাড়ৰ বাঁহীত হেৰাই যোৱা সৌষ্ঠৱৰ নিৰস কৰুণতাই কবিক ব্যতিব্যস্ত কৰি তোলে। 'দুখৰ পাহাৰ'ত বুকুৰ নাহী শিৰডালত পোতখাই পৰা নৈ এখনৰ দৰে দুখবোৰ 'সোণালী ফিচাৰ মাছ'ত দুৰ্যোগত পৰিণত হৈছে। 'এজোপা গছ'ত শিপাৰ নোৱাৰা গছৰ অসমৰ্থতা; 'কৰুণ প্ৰহৰ'ত ল'ৰালি আৰু যৌৱন অতিক্ৰান্ত হোৱাত, জীৱনৰ সেউজীয়া পুখুৰীত শেলুৱৈ ধৰাৰ মাজত বৰ্তমানৰ দুখৰ প্ৰকাশ পাইছে। কবিৰ নিৰাশাৰ প্ৰতীক 'শুকান হাড়'ত গভীৰ ৰাতিৰ শ্মশানৰ বিননি 'সাৰেং চৰাইৰ মাতৰ দৰে' শঙ্কাজনক। 'কৰুণতম' কবিতাত 'মই মোক মোৰ সন্তানৰ কাৰণে ক'ত থৈ যাম'ৰ দৰে তীব্ৰ আশঙ্কা প্ৰকাশ পাইছে। জীৱনৰ সৌষ্ঠৱ বিচাৰি ফুৰোতে 'গোটেই গা ছিৰলি ছিৰলি' হৈ পৰাৰ দুৰাৱস্থা এটা 'পথৰুৱা গীত'ত প্ৰকাশ পাইছে। 'শব্দত' নামৰ কবিতাত বন্দুক আৰু চৰাইক প্ৰতীক হিচাপে গ্ৰহণ কৰি এটা নতুন পুৱাৰ জন্মৰ অৱস্থান নিৰ্ণয় কৰিব খুজিছে। তেওঁৰ মতে বন্দুকৰ শব্দত ৰাতি নুপুৱায়, পুৱায় চৰাইৰ মাতত।–

'পুৱায়–
সেই চৰাইটোৰ মাতত
যি কুটি খায়
ৰাতিৰ আন্ধাৰবোৰ
লাহে লাহে।' (শব্দত)

---

৩. ভবেন বৰুৱা, 'নিৰ্মলপ্ৰভা বৰদলৈৰ নতুন কবিতা', "দিনৰ পাছত দিন" কাব্যগ্ৰন্থত সন্নিবিষ্ট। ১ম সংস্কৰণ, পৃ. ১২

এই কবিতাত কবিৰ নান্দনিক লক্ষ্য স্পষ্ট হৈ পৰিছে। তদুপৰি 'বন্দুক' প্ৰতীকৰ সশস্ত্ৰ সংগ্ৰামক তেওঁ 'চৰাই' প্ৰতীকৰ শান্তি কামনাৰ ওচৰত গুৰুত্বহীন বুলি দেখুৱাইছে। তেওঁ শান্তিৰ বাণীৰ (চৰাইটোৰ মাত) দ্বাৰা ৰাতিৰ অন্ধকাৰবোৰ নিঃশেষ হৈ যাব বুলি বিশ্বাস কৰে।

নিৰ্মলপ্ৰভা বৰদলৈৰ ৰচনাৰ বহুতো ঋতুবিষয়ক কবিতা এই সংকলনটো অন্তৰ্ভুক্ত হৈছে। 'বহাগ', 'বিহু', 'চ'ত', 'ফুলৰ নাম', 'অন্য হেমন্ত' আদিৰ ভিতৰত 'চ'ত' কবিতাৰ প্ৰণয়ন উচ্চত। "ছোৱালীজনী" প্ৰতীকত কাব্যিক ব্যঞ্জনা পৰিস্ফুট হৈছে। 'হৰিণাটো' কবিতাত হেমন্ত ঋতুৰ ছবি ফুটি ওলাইছে। "দিনৰ পাছত দিন" সংকলনৰ অন্যতম শ্ৰেষ্ঠ কবিতা 'মৰ্মান্তিক' চিত্ৰ ধৰ্মিতাৰ বাবে যিদৰে চকুত লগা, সেইদৰে অৰ্থবহতাৰ বাবেও লক্ষ্যণীয়। ব্যক্তিগত প্ৰতীকৰ সংযোজনাও এইখোৰত স্পষ্ট। অস্পষ্ট আৰু ৰহস্যময়তাত আবদ্ধ 'তেওঁ' প্ৰতীকৰ সৌষ্ঠৱ প্ৰকাশ পাইছে। তেওঁ যাওঁতেই পাচে পাচে গ'লগৈ,–

> আঘোণৰ সোণ বৰণীয়া বাঁহ
> ওচৰৰ চুবুৰীটো বাঁহ বননিৰ
> কেঁচা আলিটো
> আৰু গান গোৱা চৰাইজাক।' (মৰ্মান্তিক)

প্ৰায়বোৰ কবিতাত প্ৰকাশ কৰাৰ দৰে কবিয়ে ইয়াতো আশঙ্কা প্ৰকাশ কৰি কৈছে,– 'কোনে জানে তেওঁ আৰু এই জন্মত উভতি আহিবনে নাহে।' তেওঁৰ যোৱা পথ পথাৰৰ বঁকিয়া। মূৰত জাপি আৰু কান্ধত ডাঙৰিৰ জিবিক্-জাবাক্ মাতত নিহিতাৰ্থত কৃষিজীৱীজনৰ ছবি মনলৈ আহে। সেইবাবে এই প্ৰতীকক সামগ্ৰিক আকাংক্ষাৰ প্ৰতীক ৰূপে ধৰিব পাৰি।

নিৰ্মলপ্ৰভাৰ কবিতাত প্ৰেমৰ অভিব্যক্তি দেখা যায়। 'এটা ৰাতিৰ', 'আয়না', 'জোনাকী প্ৰহৰ', 'মৌনতা' আদি কবিতাত ইংগিতময় প্ৰেমৰ স্বৰূপ উপলব্ধি কৰা যায়। এইবিধ কবিতাৰ পৰাই তেওঁৰ কাব্য মানসৰ প্ৰতিনিধিত্ব হয় আৰু তেওঁৰ ক্ৰিয়াশীল কৃতিত্বৰ মাজত গুণগত প্ৰকাশ দেখা যায়। "দিনৰ পাছত দিন" কাব্য-সংকলনেই তেওঁক কাব্য-সাহিত্যত সু-প্ৰতিষ্ঠিত কৰিছে।

"সমীপেষু" (১৯৭৭) নিৰ্মলপ্ৰভা বৰদলৈৰ তৃতীয় কাব্যগ্ৰন্থ। "দিনৰ পাছত দিন" কাব্যগ্ৰন্থৰ দৰেই ইয়াৰ কবিতাসমূহো দুখাত্মক অনুভূতি, বিষণ্ণতা, বিষাদ, আশঙ্কা আদিৰ দ্বাৰা ভাবাক্ৰান্ত। কবি যথাইকে আত্মমুখী। নিঃসীম শূন্যতাত সোমাই গৈ তেওঁ অনুভৱ কৰে,–

> 'ৰতাহত ইফাল সিফাল কৰি
> কেৰ্ কেৰাই আছে।
> বাঁহৰ কাঠীৰ দেহ। ('ক'লাজামুৰ নাম')

'এনেকুৱা দুই এটা কবিতাই নীলমণি ফুকনৰ 'গোলাপী জামুৰ লগ' আৰু 'আৰু সেই গোলাপী আভাৰ কাৰুণ্যৰ পৰিপূৰ্ণতা' কবিতাৰ বতাহ চাটিলে মনত পেলায়। ফুকনৰ কবিতাৰ গঠন-কৌশল, শব্দ নিৰ্বাচনৰ মিতব্যয়িতা আৰু বিষয়-বস্তুৰ প্ৰকাশ ৰীতিৰ দ্বাৰা নিৰ্মল প্ৰভাক বহুক্ষেত্ৰত প্ৰভাবিত হোৱা দেখা যায়।

এই সংকলনৰ 'বিষাদ' কবিতাৰ স্পন্দিত গদ্যৰ শাৰীবিলাকত সকলো বস্তুৰেই সেৰেকা স্বাদত আহৰণ, যৌৱন, বন্ধু আনকি 'তোমাৰ ইতঃস্তত প্ৰেম' অন্তৰ্ভুক্ত হৈছে। বহুক্ষেত্ৰৰ উপবাসী জীৱনৰ চিত্ৰাঙ্কণ এই কবিতাৰ প্ৰধান লক্ষ্য। 'আন্তৰ্জাতিক' কবিতাত

'দুখৰ মাটি কটুৰ', 'কেৱল বিষাদত কলিজা গৰকা তিক্ততা, 'উত্তলাশিপাত ৰিখা আৰু ধন্দুৰ থিতিহীন শূন্যতাৰ শ্বাসৰুদ্ধ অৱস্থা, 'অস্তিত্বত কেতিয়াবা নিজকে, ভৰোৱাল আদি বিভিন্ন স্বৰূপ কল্পনা, 'এতিয়াও নিসঙ্গতা, অস্থিৰতা আদিৰ মাজত অস্তিত্বৰ খোপনি শক্তিশালী কৰা আদি নানা ধৰণৰ প্ৰকাশ দেখা যায়। 'সংকেত' কবিতাৰ বলিকটা দাখন আৰু গজলীয়া ল'ৰাটোৰ পোন হাতখনে হীৰেন ভট্টাচাৰ্যৰ খেতিয়কৰ ল'ৰাৰ পোন হাতখনলৈ মনত পেলাই দিয়ে। সংকটময় দিনৰ আভাসযুক্ত কবিতাৰ ভিতৰত 'ওতঃপ্ৰোত'ত অস্ত্ৰ আৰু অস্ত্ৰৰ সম্বন্ধ প্ৰদৰ্শিত হৈছে। 'সমীপেষু, সুনীল গঙ্গোপাধ্যায়' কবিতাত অসহায় সংকটময় অৱস্থাৰ সূচনা প্ৰকাশ পাইছে। জীৱনৰ যুঁজত কবি যে, অপৰাজিতা তাক স্পষ্ট কৰিছে 'অপৰাজিতা' কবিতাত।

'হে মোৰ স্ৰোতস্বিনী দুখ
মোৰ শীৰ্ণ শিৰৰ অৰণ্যেৰে
প্ৰবাহিত হৈ থাকা
মই ভাগৰা নাই।'

"অন্তৰঙ্গ" (১৯৭৮) নিৰ্মল প্ৰভাৰ এখন নিচেই সৰু কাব্য গ্ৰন্থ। গীতিধৰ্মী অনুভূতি প্ৰবাহৰ মাজত মাত্ৰ বত্ৰিছ পৃষ্ঠাত প্ৰকাশ পোৱা কবিতা কেইটাই তেওঁক প্ৰেমৰ কবি ৰূপে- প্ৰতিষ্ঠিত কৰিছে। প্ৰেমৰ বাবে বৰণীয়া অনুভৱ-উপলব্ধিৰ স্পন্দিত আবেগে মুহূৰ্তবোৰ অন্তৰঙ্গ কৰি তুলিছে। এই প্ৰেম ৰহস্যময়ী আধ্যাত্মিক অৱস্থাৰ অনুগামী নহয়। এই প্ৰেম পাৰ্থিৱ অনুভূতিসিক্ত, মাটিৰ মানুহৰ দেহাগৰকা প্ৰেম। স্পন্দিত গদ্যত কবিয়ে দিয়া প্ৰেমৰ সংজ্ঞা হ'ল–

'কিজানি তেতিয়াই সোমাই পৰে বিশাল নীলা আকাশখন ফুলৰ পাহিটোত।
খহি পৰে অন্ধকাৰ ভবিৰ তলুৱালৈ। গভীলৈ গৰ্বৰে যায় বিদ্যুত। ছাই
হয় জংঘা-স্তন শৰীৰৰ সকখেৰী ঘৰ।' ('সংজ্ঞাঃ প্ৰেমৰ')

'শৰীৰৰ সক খেৰীঘৰ' এটা সুন্দৰ চিত্ৰকল্প আৰু প্ৰতীকী অৰ্থ ব্যঞ্জিত হোৱাত অভিনৱ ৰূপ লাভ কৰিছে। তদুপৰি তলুৱালৈ অন্ধকাৰ, গভীলৈ প্ৰবাহিত বিদ্যুত, ফুলৰ পাহিত সোমাই পৰা নীলা আকাশ আদিৰ প্ৰতীক প্ৰৱণতাই স্পন্দন ঘনীভূত কৰিছে। ইয়াত প্ৰকাশিত অনুভূতিৰ তীব্ৰতা হৃদয়স্পৰ্শী আৰু নিৰ্মলপ্ৰভা বৰদলৈৰ ই এটা কাব্যিক বৈশিষ্ট্যও। 'খাজুৰাহো' কবিতাৰ মিথুনলগ্নৰ মূৰ্তি দুটাই কবিৰ মানসত অনুৰণন তোলে।

'সকলো নিঃশেষ কৰি দিয়াৰ প্ৰান্তিৰে
সকলো শেষ কৰি লোৱাৰ
বৈদেহী বেদনাৰে
ভাষা মুক হৈ যোৱাৰ
মুখৰতাৰে,'

এই নিঃশেষণ আৰু প্ৰাপ্তিৰ মাজত নৰ-নাৰীৰ প্ৰেমৰ সাৰ্থকতা মৌনমুক অৱস্থাতো মুখৰিত হৈ অনুভৱৰ তীব্ৰতা আনি দিয়ে। সেইদৰে 'তান্ত্ৰিক' নামৰ কবিতাত দেহৰ মাজেদি দেহাতীত সৌন্দৰ্যৰ অন্বেষণ আছে। ঋতুৰ ক্ষেত্ৰত আকৌ বসন্ততকৈ কবিয়ে শৰতক বেছি প্ৰেমময় বুলি ধাৰণা কৰিছে।

'শৰীৰত শৰতৰ ঋতু। ইমান শৰত শৰীৰত। দেখা পোৱাৰ গভীৰ
স্বচ্ছতা। বুকুময়। সোণালী ফুলৰ ঘ্ৰাণ চক্ চক্ পুৱাৰ হাতত। শৰত
প্ৰেমময়। বসন্ততকৈও। ('শৰত')

'বসন্তৰ এদিন', 'বাৰিষা কদম' ইত্যাদি কবিতাও নৰ-নাৰীৰ কামনা বাসনাই ৰঞ্জিত কৰি তুলিছে। "অন্তৰঙ্গ" কাব্য পুথিত গদ্যৰ কুশল প্ৰয়োগত প্ৰেমৰ গভীৰ উপলব্ধি আৰু দেহজ প্ৰেমৰ কুণ্ঠাবিহীন চানেকি প্ৰকাশ পাইছে। আধুনিক কবিতাৰ প্ৰেম যথাৰ্থভাৱেই মাটিৰ মানুহৰ দেহা গৰকা প্ৰেম। "অন্তৰঙ্গ"ত ইয়াৰ সাৰ্থকতা লেখা লৈছে।

নিৰ্মলপ্ৰভা বৰদলৈৰ সাহিত্য একাডেমীৰ পুৰস্কাৰধন্য কাব্য গ্ৰন্থ "সুদীৰ্ঘ দিন আৰু ঋতু"ৰ (১৯৮২) শতাধিক গীত আৰু কবিতাৰ মাজত তেওঁৰ মানসিকতাৰ সুন্দৰ প্ৰতিনিধিত্ব হৈছে। একাধিক খণ্ডত বিভক্ত পুথিখনৰ 'বাটচ'ৰা' খণ্ডত প্ৰকাশিত নটা কবিতাৰ ভিতৰত শিৰোনামা শীৰ্ষক কবিতাটোত সপোন দেশৰ পৰা বাস্তৱলৈ উত্তৰণৰ আভাস দাঙি ধৰিছে। দোখোৰ-মোখোৰ অৱস্থা এটাত তেওঁ 'ভল যাওঁ উপলব্ধা' অনুভূতিৰে দিঠকৰ অন্তিম ৰূপ এটা যেন দেখা পাইছে। সেইদৰে ক্ষুদ্ৰ কবিতা 'সমুদ্ৰ শঙ্খ'ত প্ৰবাহিত নদীৰ সৈতে বাঁহীৰ সুৰক একীভূত কৰি পৰিব্যাপ্ত সমুদ্ৰত বজ্ৰৰ তৰঙ্গৰ উপলব্ধি আছে। 'অভিষেক', 'বক মন্ত্ৰৰ দৰে', 'শিলে কথা কওক' আদি কবিতাত কল্যাণকামী আশাবাদৰ উদ্ৰেক হৈছে.। 'সৰ্বস্বত মৃত্যুৰ কৰ্ষটি শিলত জীৱন খোদিত কৰাৰ অভীপ্সা প্ৰকাশ কৰাৰ দৰেই 'মৰ্মবেদনা'ত জন্মতে মানুহ মুক্ত হ'লেও কৰুণতা, দীনতা আৰু অৱহেলাৰ বাবে পৰিস্থিতিৰ শোচনীয়তা অঙ্কণ কৰিছে। কবিতা কেইটাৰ সত্য উদঘাটনৰ প্ৰচেষ্টাৰ মাজত প্ৰতিবাদৰ তীব্ৰতা দেখা নাযায়।

'সুদীৰ্ঘ দিনৰ কবিতা' খণ্ডত জীৱনৰ ভগা দলঙত এচেৰেঙা ৰঙা ৰ'দৰ বাবে উন্মুখ হৈ নিৰাশাৰ মাজতে আশাবাদী মনৰ সঞ্চাৰ ঘটাইছে। কিন্তু, কোঙা হাত-ভৰিৰে আন্ধাৰ নিশাৰ শেতেলীত এটা এটাকৈ আশাবোৰ (তৰাবোৰ) মাৰ যোৱাত কেৱল বোবা হৃদয় অৱশিষ্ট হয়গৈ বুলি 'এটা এটাকৈ' কবিতাত স্পষ্ট হৈ উঠিছে। 'নিজান বাঁহীৰ সুৰ'তো অন্ধকাৰৰ মাজত এৰাবাৰীৰ 'ঢেপাইতিতা' গছৰ দৰে নিজকে এলাগীৰ কল্পনা কৰিছে। 'চকুপাতি বুকুপাতি' অন্ধকাৰৰ অহা যোৱা চাই হাজাৰ বছৰ প্ৰতীক্ষা কল্পনা কৰাৰ অৰ্থহীনতা প্ৰকাশ পাইছে ব্যৰ্থ প্ৰহৰ'ত। এইবোৰ কবিতাৰ মাজত কবিয়ে আত্মমুখিতাৰ পৰা সমাজমুখী হোৱাৰ যত্ন কৰাও দেখা গৈছে। ভোকাতুৰৰ বাবে কেৱল এগৰাহ ভাতৰহে প্ৰয়োজন, তাক 'অন্তৰালত', 'প্ৰতিবাদ' আদি কবিতাত প্ৰকাশ কৰিছে। কিন্তু 'অন্ধকাৰৰ আগ্নেয় গৰ্ভত" 'নিৰন্ধ এন্ধাৰ'বাদে তেওঁ একো দেখা নোপোৱাত সমাজমুখিতাত আন্তৰিকতাৰ অভাৱ বৈ গ'ল। তেওঁ ব্যাপকভাৱে ব্যৱহাৰ কৰা 'আন্ধাৰ' এটা নিজস্ব প্ৰতীক। 'সুদীৰ্ঘ দিন ৰাতি ধৰি' নামৰ এটা মুখ্য কবিতাত 'অন্ধকাৰ জৰাজীৰ্ণ কোঠাত বহি কেৱল পয়চাৰী' কৰা আৰু খাব শুব নোৱাৰা এটাৰ অস্থিৰতাত বিপন্ন হোৱা দেখা যায়। তথাপি, তাৰ মাজতে প্ৰত্যাশাই 'কিবা এটা হ'ব'ৰ দৰে ক্ষীণ আশা অকণ কঢ়িয়াই আনে। 'কাৰমুখ চাই' কবিতাত দিন ৰাতি কটোৱাৰ অৱলম্বন বিচাৰি নোপোৱাৰ বিষাদৰ সৈতে 'নিৰুত্তৰ'ত প্ৰকাশিত 'ছিৰাছিৰ কৰোঁ নখেৰে বুকুৰ সোণালী ৰঙৰ ফুল'ৰ প্ৰচণ্ড ক্ৰোধ মিলি গৈ স্ব-সংগ্ৰামত নিহিত হোৱাৰ গভীৰ বেদনা বোধ জগাই তুলিছে। নিৰ্মলপ্ৰভাৰ বেদনাবোধ এনেদৰেই প্ৰকাশ হোৱা দেখা যায়। তেওঁ দুখৰ মাজতে আশাক প্ৰোথিত কৰা 'অপৰাজেয়' কবিতাত কাইলৈ মৰিলেও আজি বাচি থকাৰ আকাংক্ষা আছে। আন্ধাৰৰ আৱৰণ ফালি নৱ প্ৰভাতৰ আগমনী 'শুভবাৰ্তা' কবিতাত স্পষ্ট হৈ কবিক আশাবাদী ৰূপে নিশ্চিত কৰিছে। নিৰ্মলপ্ৰভাৰ কবিতাত দুখৰ মাজতে বিশ্ববীক্ষা ফুটি ওলাইছে। দিচাং, ৰাইন,, মিচিচিপি, টেমচ্ যতেই নহওক অসহায়জনৰ হুমুনিয়াহৰ সৈতে কবিৰ সম্বন্ধ স্থাপিত হয়। এনে সমাজমুখিতা তেওঁৰ আনবোৰ কবিতাত স্পষ্ট নহয়। 'আন্তৰ্জাতিক', 'অক্ৰমচাৰ গান',

'আই' আদিত বিৰ-বীৰাৰ প্ৰতিফলন দেখা যায়। কবিৰ এই সংকলনতো কেতিয়াবা ৰহস্যময়ী হোৱা দেখা যায়। 'তুমি'ৰ ৰহস্যময় ৰূপৰ 'কেঁচা হালধীয়া আগ্ৰহ'ৰ মাজত শৈশৱ জলমলাই উঠে। 'তুমি' আৰু 'মই'ৰ পৰিচয় 'কুঁহুলীয়া ৰ'দ, আবেগৰ সৰা, হালধীয়া পখিলা, নদীৰ সুগন্ধ, চৰাইৰ কুকলি, জোনৰ পোহৰ, ফুলৰ সুমিষ্টতা'ৰ মাজত নিহিত আছে। এনে ৰমন্যাসিক ধাৰণা বৰদলৈৰ কবিতাত সাধাৰণতে পোৱা যায়। এনেবোৰ কবিতাই তেওঁক গীতি কবিৰ পৰিচয়হে দান্তি ধৰে। তেওঁৰ স্বদেশ প্ৰীতি সূচিত 'শ্ৰীময়ী আই', 'অখণ্ডতা' আদিতো ৰমন্যাসিক ভাবোচ্ছ্বাসৰ প্ৰাধান্য লক্ষণীয়। এই কাব্যগ্ৰন্থৰ 'আৰু ৰঙু' নামৰ খণ্ডটিত উন্মাদনাময় অৱস্থাৰ ৰতুৰ পয়োভৰ ঘটোৱা হৈছে। 'সুদীৰ্ঘ দিনৰ গান' খণ্ডত দহোটা গীত আছে আৰু ব'দে পোৱা মকত সেউজী কুঁহিপাত কামনাৰে শূন্যপাত্ৰ পূৰণ কৰাৰ আকাংক্ষা আছে।

পঞ্চাছৰ দশকৰ পৰা কবিতা ৰচনা কৰি সাম্প্ৰতিক কালত শ্ৰেষ্ঠ মহিলা কবিৰ আসন লʼবলৈ সমৰ্থ নিৰ্মলপ্ৰভাৰ সত্তৰৰ দশকৰ কবিতা সমূহৰ ভিতৰতে প্ৰতিভাৰ পৰিচয় ঘটিছে। ড° সত্যেন্দ্ৰনাথ শৰ্মাই কৈছে– "কাব্যিক অনুভূতিক অতি সংক্ষেপে অথচ সংবেদনশীল ভাবে, মঞ্জুল ভাষা আৰু চিত্ৰধৰ্মী বৰ্ণনাত প্ৰকাশ কৰিব পৰা প্ৰতিভা বৰদলৈৰ সত্তৰ দশকৰ কবিতাত পৰিস্ফুট হৈছে। -----হেৰুৱা দিনলৈ উভতি যোৱাৰ প্ৰৱণতা, মনত লগা কল্পচিত্ৰ, নৈসৰ্গিক প্ৰকৃতিৰ লগত আত্মিক বন্ধন আৰু ব্যক্তিগত আশা নিৰাশাৰ অনুপম চিত্ৰ কিছুমান কবিতাত অন্তস্পৰ্শী ভাবে প্ৰকাশ পাইছে।"[8]

নিৰ্মলপ্ৰভা বৰদলৈক নব্য-ৰমন্যাসিক ধাৰাত ধৰিলেহে সমীচীন হয়। এটা নিজস্ব কাব্যশৈলীৰ অধিকাৰিনী হৈ কেবাগৰাকী নতুন কবিক তেওঁ প্ৰভাবিত কৰিবলৈ সক্ষম হৈছে। চিত্ৰকল্প নিৰ্মাণত বৰদলৈৰ দক্ষতা লক্ষ্যণীয়। কম শব্দৰ মাজত নিৰ্মিত হোৱা চিত্ৰকল্পবোৰত তীব্ৰ অনুভূতি প্ৰকাশ পালেও বহুত কবিতাক দুৰ্বোধ্যতা কম হোৱাত সহজভাবেই হৃদয়ঙ্গম কৰিব পাৰি। প্ৰতিটো কবিতাতে সবল চিত্ৰকল্পৰ সমাবেশলৈ লক্ষ্য ৰাখি নিৰ্মলপ্ৰভা বৰদলৈক চিত্ৰকল্পবাদী কবিৰ আখ্যা দিব পৰা যায়। তেওঁৰ কবিতাৰ আন কেইটামান বৈশিষ্ট্য হ'ল–গীতি-ধৰ্মিতা, অনুভূতি প্ৰৱণতা আৰু নিজস্ব স্বল্পভাষী ৰীতি। প্ৰথম দুটা বৈশিষ্ট্যই তেওঁক নব্য-ৰমন্যাসিক কবি তুলিছে। ব্যক্তিগত অনুভূতি প্ৰকাশক আত্মমুখী কবিতাসমূহৰ মাজত নিৰ্মলপ্ৰভাৰ কাব্যিক প্ৰতিভাৰ শ্ৰেষ্ঠতম প্ৰকাশ ঘটিছে।

গীতসমূহৰ মাজতো নিৰ্মলপ্ৰভা বৰদলৈৰ প্ৰতিভা উজ্জ্বল হৈ পৰিছে। গীতৰ পুথি কেইখন হ'ল,– "সোণৰৰণী আই" (১৯৮০), "সুৰীয়া মাত" (১৯৮২) আৰু "সূৰ্যমুখী" (১৯৮৫)। ইয়াৰ উপৰিও ড° দিলীপ কুমাৰ দত্তৰ "নিৰ্মল প্ৰভাৰ গীত আৰু নাৰীৰ জীৱন নদী" (১৯৮৫) গ্ৰন্থত বাচকবনীয়া গীতসমূহ সংকলিত হৈছে। বৰদলৈয়ে 'গীত কেনেকৈ লিখোঁ' নামৰ নিবন্ধ এটাত[৫] গীতৰ সংখ্যা পোন্ধৰশবো অধিক বুলি লেখিছে। বিভিন্ন বিষয়ত ৰচিত গীতসমূহ প্ৰধানকৈ চাৰিটা বিভাজনত ভাগ কৰিব পাৰি।– ১। নাৰীৰ অনুভূতি প্ৰকাশক বা নাৰীবাদী গীত ২। ব্যক্তিগত প্ৰেমমূলক গীত, ৩। প্ৰকৃতি বিষয়ক গীত আৰু ৪। স্বদেশ প্ৰীতি আৰু ঐতিহ্যবাহী গীত। অৱশ্যে, আটাইবোৰ গীততে নাৰী হৃদয়ৰ স্পৰ্শকাতৰ সূক্ষ্মানুভূতিৰ হেন্দোলনি অনুভৱ কৰা যায়। দুখানুভূতি তেওঁৰ গীতাৱলীৰ ঐশ্বৰ্য। নাৰীবাদী গীতসমূহত ইয়াৰ প্ৰাধ্যান্য পৰিলক্ষিত

---

৪. সত্যেন্দ্ৰ নাথ শৰ্মা, "অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত", পৃ. ৪৪৮

৫. যোগেশ দাস (সম্পাঃ), "অভিযাত্ৰিক", ১ম বছৰ, ৭ম সংখ্যা, আগষ্ট ১৯৮৯ত প্ৰকাশিত।

হয় । এনেবোৰ গীতৰ আৰ্হি হিচাপে 'সোণৰ খাৰু নালাগে মোক', 'আই মই শুনিছো', 'কথাৰে গীতেৰে', 'নাৰীৰ প্ৰবৃত্তি', 'নাৰী জাগৰণৰ গীত' আদি উল্লেখ কৰিব পাৰি। ব্যক্তিগত প্ৰেমমূলক গীতৰ মাজৰ পৰা 'মোক এটি সুৰ কৰি তোলা', 'তুমি আহিছিলা যেন', 'নয়নে নয়নে', 'হে অনুপম, হে প্ৰিয়তম', 'মনৰ মৰম যদি 'তোমালৈ কিমান মৰম' আদি বুটলি লব পাৰি। প্ৰকৃতি বিষয়ক তেওঁৰ নানা গীতৰ প্ৰথম শাৰীৰ গীত কেইটামান হ'ল,–'বৰ্ষাৰ ঋতু ভাল পাওঁ মই', 'মই এই মাটিৰে', 'কুঁৱাৰ দৈ', 'মেঘ উৰিল', 'শৰতকালক ভাল পাওঁ মই', 'কমুৱাৰ ফুল ফুলিছে', 'ফুলৰ এই বেলাতে', 'নিবিড় বনে যে মাতিছে' ইত্যাদি।

এইবোৰ গীতত ঋতু, মাহ, জোনাক, নিয়ৰ, নিবিড় বন, কুঁৱলী, ফুল, মেঘ, নদী, দেশৰ মাটি, গাওঁ আদি সুন্দৰকৈ প্ৰতিফলিত হৈছে। স্বদেশপ্ৰেমৰ গীতৰ উদাহৰণস্বৰূপে 'বুকুৰ আপোন আই', 'সোণ বৰণী আই তোমাৰ', 'শ্যাম বৰণীয়া', 'আই তোৰে মুখ চাই', 'ভাৰত আমাৰ মাতৃৰ মাতৃ', 'জয় আই অসম' ইত্যাদিলৈ আঙুলিয়াব পাৰি। ঐতিহ্যবাহী গীতৰ ভিতৰত 'সখী, কিয় শ্যাম কানু', 'সখি কেনেকৈ বুজাওঁ', 'এতিয়া গভীৰ নিশা', 'অ' বাধা, বাধা মোৰ', 'নাচিতৰ সাহ', 'নবীন, তৰুণ, গোপীনাথ জয়তু' আদি লেখত ধৰিব পাৰি। নিৰ্মলপ্ৰভাৰ গীতৰ মাজত বনগীত পৰ্যায়ৰ এশ্ৰেণী জনপ্ৰিয় গীত আছে। 'আগ কাণ্ডৰ বা ছাটি', 'চ'তত ফুলে কপৌফুল', 'চকুলে চালো মই', 'চ'তৰ চাপৰিত', 'মোহনীয়াকে বিহু আহিল ফুলিব মাতত' আদি অসংখ্য বনগীত ধৰ্মী গীত পোৱা যায়। সম্ভৱতঃ 'দূৰৈলৈ নাযাবি নাৱৰীয়া, গড়া খহনীয়াই পাৰ' নামৰ বনগীতেই তেওঁৰ প্ৰথম ৰচিত গীত। তেতিয়াৰ পৰা নানা প্ৰতিকূল পৰিস্থিতিৰ মাজতো তেওঁ গীত ৰচি গ'ল। গীতিকাৰৰ ভাষাত, "—— দায়িত্ববোৰ অকলে কঢ়িওৱাৰ কষ্ট, বি বৰুৱা কলেজৰ দুবেলাৰ কাম, গুৱাহাটীত নিজে প্ৰতিষ্ঠিত হোৱাৰ অহৰহ সংগ্ৰাম, ভয়ঙ্কৰ প্ৰতিকূল অৱস্থাত মোৰ গান লেখা সত্তাটো কেনেকৈনো বাচি থাকিল। এই ক্ষেত্ৰত মই শ্ৰদ্ধেয়, গুণী সুৰকাৰ সকলক ভক্তিৰে স্মৰণ কৰি কৃতজ্ঞতা জনাবই লাগিব। সুৰকাৰ সকলে তাগিদা দি দি গান নেলেখোৱা হলে পোন্ধৰ শতকৈও অধিক গান লেখা ক'ত হ'লহেতেন।"[৬]

নিৰ্মলপ্ৰভা বৰদলৈ সাম্প্ৰতিক গীতিকাৰ সকলৰ অন্যতম আৰু শ্ৰেষ্ঠ মহিলা গীতিকাৰ। অনুভূতি প্ৰৱণতাই গীতবোৰক যথাৰ্থতে ৰমন্যাসিক কৰি ৰাখিছে। সুৰ জগতত সাতুৰি-নাদুৰি অহা শব্দবিলাকৰ সুৰুদী বিন্যাসে তেওঁৰ গীতক প্ৰাণৱন্ত আৰু মৰ্মস্পৰ্শী কৰি তুলিছে। কবিতাৰ দৰেই প্ৰতীক আৰু সবল চিত্ৰকল্পবোৰে গীতবোৰতো কাব্যিক মৰ্যদা প্ৰদান কৰিছে। মুঠতে, নিৰ্মলপ্ৰভা বৰদলৈৰ এই অতুলনীয় অৱদান কবিতাৰ দৰেই বৈশিষ্ট্য প্ৰকাশক হৈ উঠিছে।

---

৬. উক্ত গ্ৰন্থ।

অষ্টম অধ্যায়

যুদ্ধোত্তৰ গদ্য-সাহিত্যলৈ মহিলাৰ দান

৮. যুদ্ধোত্তৰ গদ্য-সাহিত্যৰ আৰম্ভণি দশক তথা চল্লিছৰ দশকত লেখিকাৰ সংখ্যা অতি নগণ্য। এই সময়ছোৱাত কেৱাগৰাকী পুৰুষে নানা ক্ষেত্ৰত বিশিষ্ট বৰঙণি আগবঢ়াবলৈ সক্ষম হয়। নিবন্ধত ড° বাণীকান্ত কাকতি, ড° বিৰিঞ্চিকুমাৰ বৰুৱা, হেম বৰুৱা আদি, উপন্যাসত ড° বিৰিঞ্চি কুমাৰ বৰুৱা, গল্পত চৈয়দ আব্দুল মালিক, জীৱনবৃত্তত বেণুধৰ শৰ্মা, ড° মহেশ্বৰ নেওগ আদিৰ নাম প্ৰথম শাৰীত লোৱা যায়। "জয়ন্তী"ৰ নতুন লেখক গোষ্ঠীৰ গদ্য-ভঙ্গী আৰু "পছোৱা"ৰ (১৯৪৮-৪৯) নতুন গদ্যৰ প্ৰতিষ্ঠাৰ উদ্যোগ এইটো দশকৰ বলিষ্ঠ পদক্ষেপ।

যুদ্ধোত্তৰ গদ্যৰ প্ৰথম পৰ্যায়ত নলিনীবালা দেৱী, মেহিৰুণ্ণা বেগম, লীলা দেৱী আদিয়েই প্ৰধান। নলিনীবালা দেৱীয়েই এই দশকৰ কথা সাহিত্যৰ প্ৰধান লেখিকা। পাছৰটো দশকত "ৰামধেনু"ত কেৱাগৰাকী মহিলাৰ আগমন ঘটিলত গদ্য-সাহিত্যতো মহিলাৰ ভূমিকা শক্তিশালী হৈ উঠিল। তেওঁলোকেও গল্প, উপন্যাস, জীৱনবৃত্ত, নিবন্ধ, নাটক আদি প্ৰায়বোৰ দিশতে অৰিহণা যোগাবলৈ সক্ষম হ'ল।

৮.১. জীৱনী আত্মজীৱনী

যুদ্ধোত্তৰ জীৱনী সাহিত্য ৰচয়িতা হিচাপে নলিনীবালা দেৱীৰ নামেই প্ৰথমতে লব লাগিব। তেওঁৰ পিতৃ কৰ্মবীৰ নবীন চন্দ্ৰ বৰদলৈৰ জীৱন আধাৰিত এখনি বৃহৎ কলেবৰৰ জীৱনী গ্ৰন্থ "স্মৃতি-তীৰ্থ" (১৯৪৮) ৰচনা কৰি এখনি সুকীয়া আসন লবলৈ সক্ষম হয়। স্মৰণীয় এই গ্ৰন্থত কৰ্মবীৰ বৰদলৈৰ জীৱনৰ খতিয়ানৰ লগতে সম-সাময়িক ভাৰতবৰ্ষৰ স্বাধীনতা আন্দোলনৰ এখনি বৃত্তচিত্ৰ দাঙি ধৰা হৈছে। জীৱনীখনৰ 'নিবেদন'ত লেখিকাই দাঙি ধৰা বক্তব্যৰ পৰা জনা যায় যে কোনো দেশবাসীয়ে কৰ্মবীৰৰ জীৱন কাহিনী ৰচনা নকৰাত তেওঁ এই কাম হাতত ললে। "......তেখেতৰ মৃত্যুৰ সময়ত ওলোৱা বাতৰি কাকতৰ পৰা আৰু তেখেতৰ নিজৰ ডায়েৰী আৰু বয়োবৃদ্ধ আত্মীয়-স্বজনৰ পৰা কিছুমান সংগ্ৰহ মোৰ হাতত গোটাইছিলোঁ। ..... মই জানো, অসমৰ জাতীয় জাগৰণৰ গুৰুতৰ বিষয়বোৰৰ সম্পূৰ্ণ বিৱৰণ দিবলৈ মই সমৰ্থ নহওঁ, কিন্তু পিতৃদেৱতাৰ জীৱনৰ লগত বিজড়িত পৰিস্থিতি বিলাকৰ চমু এটি আভাস দিবলৈহে মই চেষ্টা কৰিছোঁ।" তিনিশ পঁচিছ পৃষ্ঠাৰ এই গ্ৰন্থত বৰদলৈৰ জীৱন চিত্ৰিত কৰাত লেখিকাই চেষ্টাৰ ত্ৰুটি কৰা নাই। বহুতো মূল্যবান তথ্য সমৃদ্ধ হৈ বিশেষকৈ, ১৯২০–১৯৩৬ চনলৈ অসমৰ স্বাধীনতা আন্দোলনৰ এখন প্ৰামান্য চিত্ৰ ৰূপে এই গ্ৰন্থই খ্যাতি অক্ষুন্ন ৰাখিছে। নলিনীবালাৰ গদ্য সবল আৰু ত্ৰুটিহীন নহলেও মাজে মাজে কাব্যিক হৈ উঠাত অনবদ্য মৰ্যদা প্ৰকাশ কৰিছে।

নলিনীবালা দেৱীৰ দ্বিতীয় জীৱনীগ্ৰন্থ "বিশ্বদীপা"ত (১৯৬১) প্ৰাচ্য আৰু পাশ্চাত্যৰ পঁচিছ গৰাকী নাৰীৰ চমু জীৱন চিত্ৰ অংকিত কৰিছে। ইয়াত 'ঋক্‌বেদ'ৰ মহিলা ঋষি বাক, ঘোষা, সূৰ্যা, ব্ৰহ্মবাদিনী গাৰ্গী, যমী, খনা, মৈত্ৰেয়ী; কবি মীৰাবাঈ, ভিক্ষুনী সংঘমিত্ৰা; সতী জয়মতী; ৰাণী দুৰ্গাৱতী, লক্ষ্মীবাঈ; কনকলতা, জোৱান অৱ আৰ্ক; সৰোজিনী নাইডু আদিৰ পৰা হেলেন কেলাৰ পৰ্যন্ত যত্ন সহকাৰে নিৰ্বাচন কৰিছে। সাৱলীলভাৱে কম কথাত প্ৰত্যেক গৰাকী মহীয়সী নাৰীৰ বৈশিষ্ট্য দাঙি ধৰাত তেওঁ

কৃতকাৰ্য হৈছে। "চৰ্দাৰ বল্লভভাই পেটেল"ৰ (১৯৬৬) চমু জীৱনীখন গতানুগতিক পদ্ধতিৰে ৰচিত জীৱন চিত্ৰ আৰু চেমনীয়া সকলৰ বাবে এই গ্ৰন্থ বিশেষ উপযোগী হৈছে।

নলিনীবালা দেৱীৰ পাছতে ড° নীলিমা দত্তৰ "মহৎ লোকৰ ল'ৰালিকাল" (১৯৫৬) এখনি স্মৰণীয় জীৱনীমালা। ড° লক্ষহীৰা দাসৰ "আদৰ্শ নাৰী" (১৯৫৫), আলিমুননিছা পিয়াৰৰ "হজৰত মহম্মদ" (১৯৬০) আৰু "পোহৰৰ পথ" (১৯৬৩), ড° পাৰুকুমি বৰুৱাৰ স্বামী হিতেন্দ্ৰ বৰুৱাৰ সহযোগত ৰচিত "বিজ্ঞান আৰু বৈজ্ঞানিক" (১৯৬০) আদি পঞ্চাছৰ দশকৰ ভিতৰত ৰচিত জীৱনী গ্ৰন্থ।

ষাঠিৰ দশকত ৰচিত জীৱনীৰ ভিতৰত সাৰ্থকতা লাভ কৰা খনচেৰেক জীৱনী আছে। প্ৰণীতা দেৱীৰ "আচাৰ্য বিনোৱা ভাৱে" আৰু মহাত্মা গান্ধীৰ আত্মজীৱনী "মোৰ জীৱন কথা" (১৯৬৯)ৰ মুকলি অনুবাদ; আৰতি ঠাকুৰৰ উৰাজাহাজ আবিষ্কাৰক "ৰাইট ভাতৃদ্বয়" (১৯৬৭), আৰতি হাজৰিকাৰ "ৰায়চৌধুৰীৰ জীৱন সংগ্ৰাম" (১৯৬৮); হেমলতা বৰাৰ "দালাই লামা" (১৯৬৮), মফিদা আহমদৰ "বিশ্বদীপ বাপুজী" আৰু "ভাৰতৰ নেহেৰু" আদি প্ৰথম পৰ্যায়তে নাম ল'ব পৰা গ্ৰন্থ। জী-মণি চৌধুৰীৰ "স্বামী বিবেকানন্দ" (১৯৮৭); জীৰদা বুজৰবৰুৱাৰ "মাদাৰ টেৰেচা", কনকলতা নেওগৰ "মীৰাবেন" আদি চমু হলেও মূল্যবান। যদিও বিশেষ বৈশিষ্ট্য প্ৰকাশ এইবিলাকত হোৱা নাই; তথাপি নিশকটীয়া জীৱনী সাহিত্যৰ সংখ্যা বৃদ্ধি আৰু পাঠকৰ চাহিদা পূৰণত এইবিলাক জীৱনী গ্ৰন্থই অৰিহণা যোগাইছে।

আত্মজীৱনীৰ ক্ষেত্ৰত মহিলাৰ বৰঙণি কম হলেও নলিনীবালা দেৱীৰ "এৰি অহা দিনবোৰ" (১৯৭৬) আৰু ৰাজবালা দাসৰ "তিনিকুৰি দহবছৰৰ স্মৃতি" (১৯৭১) দুখন মনোগ্ৰাহী গ্ৰন্থ। দুয়োখন আত্মজীৱনীতে সমসাময়িক ঘটনা প্ৰবাহৰ উল্লেখ পোৱা যায়। "এৰি অহা দিনবোৰ"ত এটা বৰ্ণাঢ্য পৰিয়ালৰ চিত্ৰাঙ্কণ কৰি সম-সাময়িক অৰ্থনৈতিক, সামাজিক আদি বিভিন্ন দিশ সামৰি লোৱাত লেখিকাৰ কৃতকাৰ্যতা দেখা যায়। তদুপৰি ১৯১৫ চনৰ অসম এচচিয়েচন, ১৯২১ চনৰ অসহযোগ আন্দোলনত অসমৰ ভূমিকা আৰু 'ভাৰত ত্যাগ' আন্দোলনৰ ক্ৰিয়া-প্ৰতিক্ৰিয়া দাঙি ধৰাত গ্ৰন্থখনৰ গুৰুত্ব বাঢ়িছে। গুৱাহাটীক কেন্দ্ৰ কৰি অসমৰ যাতায়তৰ ব্যৱস্থা, খাদ্যদ্ৰব্যৰ সুলভতা, সামাজিক চাল-চলন, মিলাপ্ৰীতি, বিয়া-সবাহ, সভা-সমিতি, পৰিবেশ, তীৰ্থভ্ৰমণ ইত্যাদি বিষয়সমূহ অন্তৰ্ভুক্ত কৰাত ভাবিকালৰ বাবে মূল্যবান হৈছে। গ্ৰন্থত আবেগময়ী ভাষাৰে বিভিন্ন চিত্ৰৰ কাব্যিক বৰ্ণনা লক্ষ্যণীয় হৈ পৰিছে। এইখন আত্মজীৱনীত নাৰীৰ সেই সময়ৰ সামাজিক অৱস্থাৰ কথা চুটি চুটি বাক্যৰ জৰিয়তে প্ৰাণৱন্ত হৈ উঠিছে। কিন্তু কথন-ভঙ্গী আৰু শব্দ প্ৰয়োগত লেখিকাক সতৰ্ক যেন নালাগে। সম্পূৰ্ণ দোষমুক্ত নহলেও, "এৰি অহা দিনবোৰ" আত্মজীৱনীৰ শিতানত এটি মূল্যবান সংযোজন। নলিনী দেৱীৰ জীৱনৰ সংঘাতময় ঘটনাৱলীৰ সৈতে তেওঁৰ জীৱন দৰ্শন উপলব্ধি কৰাত এই গ্ৰন্থ উপযুক্ত হৈছে। "নলিনী দেৱীৰ জীৱন-দৰ্শন আৰু কাব্যধাৰা অনুসৰণ কৰিবলৈ তেওঁৰ স্মৃতিলেখা প্ৰধান সম্বল।"[১]

ৰাজবালা দাসৰ "তিনিকুৰি দহবছৰৰ স্মৃতি"ও সম-সাময়িক যুগ-দৰ্পন। কিন্তু, নলিনীবালাৰ দৰে আকৰ্ষণীয় ভাষা আৰু প্ৰকাশভঙ্গীৰে ঘটনাসমূহ দাঙি ধৰাত ৰাজবালা দাস কৃতকাৰ্য হোৱা নাই। লেখিকা শিক্ষা জগতৰ এগৰাকী বিশিষ্ট মহিলা হোৱাত স্ত্ৰী-শিক্ষাৰ প্ৰসাৰৰ প্ৰচেষ্টাই গ্ৰন্থখনৰ গুৰুত্ব বঢ়াইছে। সমাজত নাৰীৰ স্থান,

১. সত্যেন্দ্ৰ নাথ শৰ্মা, "অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত," পৃ. ৪৮৯

বাধা-বিপত্তি, অৰ্থনৈতিক-সামাজিক অৱস্থাৰ বিভিন্ন চিত্ৰ আদিৰ মাজত অসমীয়া সমাজৰ প্ৰতিচ্ছবি স্পষ্ট হৈ উঠিছে। তথ্যৰ কাৰণেও এই গ্ৰন্থও মূল্যবান সংযোজন। প্ৰকাশ-ভঙ্গীত প্ৰাঞ্জলতা নথকাত আৰু গদ্য-ভঙ্গী সৰস নোহোৱাত গ্ৰন্থখন উচ্চমানৰ নহ'ল।

৮.২. নিবন্ধ সাহিত্য

আলোচিত কালছোৱাত নিবন্ধ সাহিত্যলৈ মহিলাৰ অৱিহণা যথেষ্ট। বিভিন্ন প্ৰকাৰৰ বিষয়বস্তুৰ নিবন্ধবিলাক যাইকৈ আলোচনী আদিত প্ৰকাশিত হৈছে আৰু ইয়াৰে কিছুমান সংবাদধৰ্মী লেখা। প্ৰকাশিত নিবন্ধসমূহ চাৰিটা শিতানত ধৰিব পাৰি। যেনে– ১। সাহিত্য-সংস্কৃতি বিষয়ক প্ৰবন্ধ, ২। ব্যক্তিনিষ্ঠ ৰচনা বা ৰম্য-ৰচনাদি, ৩। নাৰী বিষয়ক লেখা আৰু ৪। অন্যান্য বিভিন্ন বিষয়ৰ নিবন্ধ। লেখিকাসকলৰ প্ৰায়বিলাককে বিভিন্ন বিষয়ত বিচৰণ কৰা দেখা যায় আৰু দুই-চাৰি গৰাকীৰ বাদে অধিকাংশৰে লেখা মানবিশিষ্ট বা বৈশিষ্ট্যময় হৈ উঠা দেখা নাযায়।

নিবন্ধ লেখিকা হিচাপে নলিনীবালা দেৱীয়েই প্ৰথম লেখতলবলগীয়া মহিলা। তিনিটা দশকৰ ভিতৰত (১৯৪০-৭০) ৰচিত ওঠৰটা বিভিন্ন বিষয়ৰ নিবন্ধ সংকলন "শান্তি পথ" (১৯৭১) লেখিকাৰ অন্যতম নিবন্ধ গ্ৰন্থ। উল্লিখিত চাৰিওটা বিষয়ৰ নিবন্ধৰ মাজত সাহিত্যৰ উৎস; সাহিত্যৰ বিকাশ; সমাজ জীৱনত সাহিত্যৰ প্ৰভাৱ; কাব্য মানস আদি সাহিত্য আলোচনা বিষয়ক নিবন্ধ। ভাৰতীয় সাধনাত সুকুমাৰ কলা; বিজ্ঞান- কলা-সংস্কৃতিৰ সমন্বয়; আবহমান কলা-সংস্কৃতিৰ সমন্বয়; সমাজ জীৱনত সংস্কৃতিৰ প্ৰভাৱ আদি কলা-সংস্কৃতিৰ বিষয়ত লেখত লব পৰা নিবন্ধ। নাৰী বিষয়ক নিবন্ধৰ লগতে অন্যান্য বিষয়তো "শান্তি পথ"ত কেইটামান নিবন্ধ আছে। দৰ্শনত শঙ্কৰদেৱ; ভাৰতৰ অমৰদান; আনন্দৰ সন্ধানত; পৰম পৰীক্ষা আদিত দাৰ্শনিক বিষয়বস্তু প্ৰকাশৰ লগতে তৰুণ ভাৰতলৈ উপনিষদৰ উপদেশ, সত্য পথৰ সন্ধান আদি শিক্ষামূলক নিবন্ধ আছে। এই গ্ৰন্থক দৰ্শনৰ মুকলি আলোচনাও বুলিব পাৰি। নলিনীবালাৰ দাৰ্শনিক দৃষ্টি-ভঙ্গী এইবোৰতো প্ৰতিফলিত হৈছে। সাধাৰণ দোষ-ক্ৰটি বাদ দিলে "শান্তিপথ" নিঃসন্দেহে অনুপম আৰু একক গ্ৰন্থ, বিশেষকৈ জটিল আৰু নিগূঢ় উপনিষদৰ তত্ত্ব-জিজ্ঞাসাক সৰ্ব-সাধাৰণৰ সহজগম্য আৰু সহজবোধ্য ৰূপ দিয়াত আৰু প্ৰবাহশীল গদ্যশৈলী সৃষ্টিত অসমীয়া সাহিত্যৰ বুৰঞ্জীত এই গ্ৰন্থখনিয়ে এখন সুকীয়া আসন দাবী কৰিব পাৰে।"[২] এই অভিমতত কিছু অতিৰঞ্জনা থাকিলেও দৰ্শনৰ তত্ত্ব সৰলভাবে প্ৰকাশ কৰাত "শান্তিপথে" সুকীয়া আসন নিশ্চয় লাভ কৰিছে।

পঞ্চাছৰ দশকৰ শেষ পৰ্যন্ত সাহিত্য-সংস্কৃতিৰ নিবন্ধ লেখিকাৰ সংখ্যা অতি কম। আলোচনীৰ পাতত তেনে দুটি এটি নিবন্ধ প্ৰকাশিত হৈছিল। ১৯৫৩ চনৰ (১০ম বছৰ ৬ষ্ঠ সংখ্যা) অলকা চৌধুৰীৰ "ইউৰোপ আৰু মধ্যপ্ৰাচ্যত ভাৰতীয় সভ্যতাৰ প্ৰভাৱ"; "জয়ন্তী"ৰ পাততে (১০ম বছৰ, ৯ম সংখ্যা) চন্দ্ৰপ্ৰভা চৌধুৰীৰ "জয়ন্তী"ত "অসমীয়া নাটকৰ বৈশিষ্ট্য", ১৯৫৬ চনৰ "ৰামধেনু"ত (৯ম বছৰ, ৮ম সংখ্যা) প্ৰকাশিত উলুপী বৰাৰ "সাহিত্যত উপমা" আদি নিবন্ধত সাৰ্থকতা পৰিলক্ষিত হয়। পুষ্পলতা দাস, ৰেণুকা দেৱী, ললিতা ফুকন, অণিমা চৌধুৰী, চন্দ্ৰপ্ৰভা শইকীয়ানী, অৰুণা মুখাৰ্জী, হেমলতা বৰা আদি বহুতকে নিবন্ধ লেখিকা হিচাপে পোৱা যায়। কিন্তু কোনো এগৰাকীয়েই গুৰুত্বপূৰ্ণ [illegible] দিবলৈ সমৰ্থ নহ'ল। এইসকলৰ পৰৱৰ্তী লেখিকাৰ ভিতৰত কটন কলেজৰ অধ্যাপিকা ভুবনেশ্বৰী বৈশ্যৰ "কেকুৰা যুগৰ অসমীয়া সাহিত্য" (১৯৬৩) লেখত

---

২ নবীন শৰ্মা, "শান্তিপথ" নিবন্ধ, "নলিনী বালা দেৱী", পৃ. ১৭৮

নবলগীয়া গ্ৰন্থ। সুনীতি দেৱীৰ "বিশ্ব সাহিত্যৰ মণি-মুকুতা" (১৯৬১) আন এখন মনত ৰাখিবলগীয়া সংকলন। কেশদা মহন্ত (১৯৩৩) আলোচ্যকালৰ এগৰাকী বিশিষ্ট প্ৰবন্ধ লেখিকা। বৃত্তিত অধ্যাপিকা হোৱাত পাঠদানৰ লগতে জড়িত বিষয়বস্তুত তেওঁ প্ৰায় সীমাবদ্ধ যদিও নিবন্ধসমূহত অধ্যয়নশীলতাৰ পৰিচয় আছে। "অসমীয়া ৰামায়ণী সাহিত্য" নিঃসন্দেহে এখনি সুন্দৰ গ্ৰন্থ। "বিচিত্ৰ ৰামায়ণী কথা" আৰু "ৰামায়ণৰ কথাবস্তুৰ আতিগুৰি" আন দুখন প্ৰশংসনীয় গ্ৰন্থ। "বৈষ্ণৱানন্দ লহৰি" নামৰ উদ্ভিদবাম দেৱ কৃত সংস্কৃত গ্ৰন্থৰ যোৰাসহ অনুবাদ কৰি যোগ্যতা প্ৰদৰ্শন কৰিছে। মাঠিৰ দশকৰ মাজভাগৰ পৰা নিবন্ধ ৰচনাত মনপুতি লগাত কেশদা মহন্তই সাফল্য লাভ কৰিছে। তেওঁৰ 'ৰাসলীলাৰ ঐতিহাসিক পটভূমি' 'মেঘদূতৰ ভৌগোলিক অধ্যয়ন' আদি উচ্চ মানদণ্ডৰ নিবন্ধ। ক্ষীৰদা বুজৰবৰুৱাই (১৯৩৩-) "মণিমালা" (১৯৮৪) নামৰ প্ৰবন্ধ সংকলন এটা প্ৰকাশ কৰিছে। 'ধৰ্মেশ্বৰী দেৱী বৰুৱানীৰ কাব্য প্ৰতিভা', 'অসমীয়া সাহিত্যলৈ পদ্মনাথ গোহাঞি বৰুৱাৰ অৱদান' শীৰ্ষক সাহিত্য বিষয়ক নিবন্ধ দুটাৰ লগতে শিশুৰ চৰিত্ৰ গঠন, গ্ৰাম-উন্নয়নত মহিলা, অসমৰ কুটিৰ শিল্প, মহাত্মা গান্ধী, মাদাৰ টেৰেছা আদি বিষয়ে ঠাই পোৱা এই সংকলনটি দোষমুক্ত নোহোৱাত সাধাৰণ স্তৰতে ৰ'ল।

সাম্প্ৰতিক নিবন্ধ সাহিত্যত এগৰাকী বিশিষ্টা লেখিকা হ'ল ড° নিৰ্মলপ্ৰভা বৰদলৈ। বিশ্ববিদ্যালয়ৰ অধ্যাপনাত জড়িত আৰু গৱেষিকা এই গৰাকী মহিলাই কবিতাৰ দৰে নিবন্ধ সাহিত্যতো এখন প্ৰধান আসন লাভ কৰিছে। সাহিত্য-সংস্কৃতি বিষয়ত ড° বৰদলৈৰ অৰিহণা হ'ল,—"কবিতাৰ কথা" (১৯৮১), "অসমৰ লোক কবিতা", (১৯৮৭); "কবিতা দেশী বিদেশী" (১৯৮৭),"নতুন কবিতা আৰু প্ৰকৃতি" (১৯৮৮), 'অসমৰ লোকসংস্কৃতি (১৯৭২), 'সাহিত্য আৰু সংস্কৃতি' (১৯৮৭)" আৰু "দেৱী" (১৯৮৬)।

নিৰ্মলপ্ৰভা বৰদলৈয়ে "কবিতাৰ কথা"ত অসমীয়া কবিতাৰ বিৱৰ্তনৰ ধাৰা; কবিতাত প্ৰকৃতি; ৰোমাণ্টিক কবিতা; বেজবৰুৱা, পাৰ্বতীপ্ৰসাদ, চন্দ্ৰকুমাৰ বায়চৌধুৰী, যতীন দুৱৰা, ৰঘুকান্ত বৰকাকতি আদিৰ কবিতাৰ আলোচনা; আধুনিক কবিতা; পাৰস্য দেশৰ কবিতা; কবিতাত বহিঃপ্ৰভাৱ আদিৰ লগতে অসম সাহিত্য সভাৰ কবি সন্মিলনত তেওঁ প্ৰদান কৰা ভাষণটিও সন্নিবিষ্ট হৈছে। বিষয়বস্তু সংক্ষিপ্ত কৰি কম পৰিসৰত আলোচনা আগবঢ়োৱাত প্ৰবন্ধবোৰ যথোপযুক্ত হৈ নুঠিল। গতানুগতিক পদ্ধতিৰে ৰচনা কৰা এই শ্ৰেণী নিবন্ধ শিক্ষকে শ্ৰেণীত দিয়া টোকাৰ সম পৰ্যায়ৰ। সাহিত্যশ্ৰী বা পাণ্ডিত্যৰ স্পৰ্শ এইবোৰত পাবলৈ নাই। কবিতা সম্পৰ্কীয় নিবন্ধ কেইটাৰ প্ৰকৃতিৰ আলচত কিছু নতুনত্ব আছে। 'পাৰস্যদেশৰ কবিতা' আদিক সংবাদধৰ্মী লেখা বোলাই সমীচীন। "অসমৰ লোক কবিতা"ত লোক সাহিত্যৰ এঘাৰটা নিবন্ধ আছে। লোক গীতৰ মাজত পোৱা বিভিন্ন বিষয়সমূহ শ্ৰেণীভুক্ত কৰি নতুনত্ব প্ৰদান কৰিছে। লোক কবিতাৰ সুৰ আৰু সৌন্দৰ্য বিচাৰ কৰাত গ্ৰন্থখনৰ কৃতকাৰ্যতা পৰিলক্ষিত হয়। "আধুনিক কবিতা" নামৰ সৰু গ্ৰন্থখনত কবিতাৰ বিষয়ে সাধাৰণ চিন্তা, ভাল কবিতাৰ সংজ্ঞাৰ লগতে আধুনিক কবিতা আৰু ইয়াৰ বিভিন্ন বৈশিষ্ট্য, প্ৰতীক, চিত্ৰকল্প, ছন্দ আৰু ভাষা সম্পৰ্কে প্ৰচলিত সূত্ৰাদিৰ লগতে নিজস্ব চিন্তাৰ সংযোগ ঘটোৱাত উপাদেয় হৈছে। এই গ্ৰন্থখনো শিক্ষাৰ্থীৰ বাবেই যাইকে ৰচিত আৰু সাধাৰণ পাঠকেও কবিতা সম্পৰ্কে জানিব পাৰিব। "কবিতা দেশী বিদেশী" গ্ৰন্থত ঋকবেদৰ কবিতাৰ পৰা কালিদাস, জীৱনানন্দ দাস, মহাদেৱী বৰ্মালৈ ভাৰতীয় কবিতা; উত্তৰ-পূৱ ভাৰতৰ বিভিন্ন জনজাতীয় ভাষাৰ কবিতাৰ পৰিচয়; বাংলা কবিতাৰপৰা জাৰ্মানী, ৰুছিয়া, ৰাছিয়া, আমেৰিকা, থাইলেণ্ড, পেলেষ্টাইন, আফ্ৰিকা আদিৰ কবিতাৰ সংক্ষিপ্ত পৰিচয় সহ মুঠ তেইছটা অধ্যায়

সামৰিছে। লেখাবোৰ চুটি হোৱাৰ বাবে যথাৰ্থভাৱে তথ্যযুক্ত নহ'ল। বিষয় বস্তুৰ নিৰ্বাচন সুন্দৰ হলেও নিবন্ধসমূহ আলেখ্য পৰ্যায়ত বৈ যোৱাত লেখিকাই বিশেষ সাফল্য দাবী কৰিব এই গ্ৰন্থতো নোৱাৰিলে। "সাহিত্য আৰু সংস্কৃতি"ত চৈধটা প্ৰবন্ধৰ ভিতৰত সাহিত্য সম্বন্ধীয় নিবন্ধই সৰহ। 'অসমীয়া চুটি গল্পৰ বিষয়ে দু-আষাৰ', 'ৰজনীকান্ত বৰদলৈৰ উপন্যাসৰ আদৰ্শ,' অসমীয়া শিশু সাহিত্য', 'অসমীয়া নিচুকণি গীত' আদি সংক্ষিপ্ত হলেও বিষয়বস্তুৰ পৰিচয় দিয়াত কৃতকাৰ্য হৈছে। 'ভাৰতীয় ভাষা আৰু সাহিত্যৰ সংহতি', 'অসমৰ সংস্কৃতি আৰু মহিলা', 'চন্দ্ৰাৱলী মুনিশাৰ তাৎপৰ্য' আদি লেখত লবলগীয়া। "নতুন কবিতা আৰু প্ৰকৃতি" গ্ৰন্থত প্ৰকৃতিৰ সৈতে কবিতাৰ সম্পৰ্ক, প্ৰকৃতিচিত্ৰন, নতুন কবিতাত প্ৰকৃতি আদি সামৰি লৈ নতুন কবিতাৰ কাব্যিক সৌন্দৰ্য বিচাৰত নতুনত্ব দেখা যায়। উল্লেখযোগ্য যে ড° বৰদলৈৰ গৱেষণাৰ বিষয় বস্তুৰ সৈতে এই গ্ৰন্থৰ সম্পৰ্ক আছে।৩

নিৰ্মলপ্ৰভা বৰদলৈৰ আন এটি বৈশিষ্ট্য হ'ল সংস্কৃতিমূলক গ্ৰন্থ প্ৰণয়ন। "অসমৰ লোক সংস্কৃতি" এই বিষয়ৰ এখনি প্ৰধান গ্ৰন্থ। প্ৰাঞ্জল ভাষাৰে অসমৰ সংস্কৃতিৰ আলোচনাত কৃতকাৰ্য হৈছে। অসমৰ জনজীৱনৰ আচাৰ-বিচাৰ, ৰীতি-নীতি সুন্দৰকৈ প্ৰতিফলিত হৈছে। লোক সংস্কৃতিত নাৰীৰ জীৱনৰ বিভিন্ন অৱস্থাৰ দৰে বিভক্ত কৰাত নতুনত্ব দেখা যায়। জন্ম, কন্যাকাল, বিয়া, পথাৰ, ভড়াল, ঢেকীশাল, বিশ্বাস, খেল-ধেমালি, ভূত-প্ৰেত, বেজ-বেজালি, পূজাপাতল, আশীৰ্বাদ, গালি-গালাজ, শাও-পশনি, শপত, পাপ আৰু প্ৰায়শ্চিত্ত, মৃত্যু আদিৰ লগতে লোকমানস, লোকনৃত্য আদি তথ্যযুক্ত হৈছে। বিহুৰ বিভিন্ন স্বৰূপ অক তাৎপৰ্যও বিশ্লেষণ কৰিছে। গ্ৰন্থখনৰ প্ৰধান বৈশিষ্ট্য হ'ল লেখিকাৰ সূক্ষ্ম পৰ্যবেক্ষণ আৰু ইয়াৰ বাবেই গ্ৰন্থখন অনন্য হৈ পৰিছে। কিন্তু, ড° বিৰিঞ্চি কুমাৰ বৰুৱাৰ "অসমৰ লোক সংস্কৃতি" (১৯৬১) গ্ৰন্থৰ পৰ্যায়লৈ এইখন গ্ৰন্থ উঠিব পৰা নাই।

নিৰ্মলপ্ৰভা বৰদলৈৰ আন এখন বিখ্যাত গ্ৰন্থ "দেৱী"। এই গ্ৰন্থৰবাবে তেওঁ 'সৰস্বতী' পুৰস্কাৰ লাভ কৰিছে। গ্ৰন্থখন দীৰ্ঘদিনীয়া গৱেষণাৰ ফল বুলি কোৱা হৈছে। দেৱীৰ বিভিন্ন ৰূপৰ আলোচনাৰ বাবে গ্ৰন্থখন উপাদেয় হৈছে। প্ৰধানকৈ অসমৰ জনজাতীয় পৰম্পৰাত দেৱীৰ স্থান উদ্ঘাটন কৰাৰ বাবে এই গ্ৰন্থৰ সুকীয়া বৈশিষ্ট্য ৰৈছে। বৃহৎ কলেবৰৰ গ্ৰন্থখনত সৰ্ব-ভাৰতীয় পৰ্যায়ৰ আদ্যা, বসুন্ধৰা, দুৰ্গা, কালী, চণ্ডী, ত্ৰিপুৰাসুন্দৰী, তাৰা, শ্ৰীদেৱী, সৰস্বতী, অন্নপূৰ্ণা, কাত্যায়নী, চামুণ্ডা, শীতলা, মনসা আদি ৰূপৰ পৰিচয় দাঙি ধৰাত পাঠকৰ সুবিধা হৈছে। অসমৰ শিতানত কামাখ্যা, ভুবনেশ্বৰী, মঙ্গলচণ্ডী, দীৰ্ঘেশ্বৰী, কেঁচাই খাতী, কাকগোসানী, প্ৰসূতি আই, অপেশ্বৰী, বুঢ়ীগোসানী, মহাভৈৰবী আদিয়ে স্থান পাইছে। এইবিলাকৰ লগতে ডিমাছা, ডিৱা, কাৰ্বি, গাৰো, সোণোৱাল আদিৰ দেৱীৰ আলোচনা কৰাত গ্ৰন্থখন মূল্যবান হৈ উঠিছে। কিন্তু, লেখাবিলাক সংক্ষিপ্ত আৰু তথ্যসমূহ যথেষ্ট নোহোৱাত গ্ৰন্থখনৰ কিছুমান অধ্যায় দুৰ্বল হৈ ৰ'ল। কিছুমান দিশত গ্ৰন্থখন পাৰম্ভিক স্তৰতে আছে। বিশেষকৈ অসমৰ জনজাতীয়, অজনজাতীয় দেৱী পৰম্পৰাত আলোচনা পূৰ্ণাঙ্গ হৈ নুঠিল। তথাপিও "দেৱী" গ্ৰন্থ এই বিষয়ত একক। নিৰ্মলপ্ৰভা বৰদলৈক "অসমৰ লোক-সংস্কৃতি" আৰু "দেৱী"য়ে গদ্য সাহিত্যত এখন আসন দিবলৈ সমৰ্থ হৈছে।

ড° লক্ষহীৰা দাসেও (১৯৩৩-) নিবন্ধ-সাহিত্যত মনোযোগ দিছে। কাকতে পত্ৰে দুই এটা নিবন্ধ ৰচনা কৰাৰ উপৰিও "কবিতাৰ ৰূপ কথা" (১৯৮২) নামৰ এখনি গ্ৰন্থ

৩. নিৰ্মলপ্ৰভা বৰদলৈৰ গৱেষণা গ্ৰন্থ হ'ল–The Treatment of Nature in Poetry, 1962.

প্ৰকাশ কৰিছে। এই গ্ৰন্থত আধুনিক কবিতাৰ দুৰ্বোধ্যতা আৰু জটিলতাৰ সমস্যা, কবিতাত সামাজিক দায়বদ্ধতা, আধুনিক কবিতাৰ বৈশিষ্ট্য আদি অত্যন্ত গুৰুত্বপূৰ্ণ বিষয়ৰ সমাবেশ ঘটাইছে। কবিৰ চিন্তা-চৰ্চাৰ চানেকি স্বৰূপ এই গ্ৰন্থত বিষয়বস্তু খবচি যাবি আলোচিত হোৱা নাই। আধুনিক কবিতাৰ লক্ষণ নিৰ্ণয় কৰোতে বাংলা কবিতাৰ গৱেষিকা ড° দীপ্তি ত্ৰিপাঠীৰ আশ্ৰয় লোৱা দেখা গৈছে, কিন্তু তাক স্বীকাৰ কৰা হোৱা নাই। কেবাগৰাকী লেখিকাৰ ৰচনাত এই দোষটো দেখা যায়। দাসৰ গ্ৰন্থখনৰ পাছফালে অসমীয়া গীত-কবিতাৰ তালিকা এখন সাজি থোৱা হৈছে যদিও তালিকাখন তথ্যৰ ফালৰপৰা নিৰ্ভৰযোগ্য নহ'ল।

নীলিমা বৰঠাকুৰে (১৯৪৪-) 'বিয়া নামত ফুল', 'ফুল আৰু নাৰী', আমাৰ সাহিত্যত ফকৰা যোজনা' আদি নিবন্ধ ৰচনা কৰিছে। শশীপ্ৰভা দাসৰ (১৯৪৭) বিভিন্ন বিষয়ৰ প্ৰবন্ধৰ ভিতৰত 'নাটকত নাৰী চৰিত্ৰ', 'হেমবৰুৱাৰ ভ্ৰমণ সাহিত্য' 'অসমীয়া মহিলা ঔপন্যাসিকৰ ভূমিকা', 'শিশু-সাহিত্য', 'নতুন কবিৰ সামাজিক দায়বদ্ধতা', 'জাতীয় চেতনাৰ বাটকটীয়া অম্বিকাগিৰি', 'বিহুগীতত অষ্টিক জীৱনৰ চিত্ৰ' আদি ভালেমান সাহিত্য আৰু সংস্কৃতি বিষয়ৰ নিবন্ধ আগশাৰীত থবিৰ পাৰি। শশী দাসৰ প্ৰবন্ধবোৰ সংকলিত হোৱা নাই। মিনতি হাজৰিকাৰ প্ৰবন্ধৰ সংখ্যা কম হলেও 'ৰূপ কোঁৱৰৰ শোণিত কুঁৱৰী'ৰ বিশ্লেষণ, চন্দ্ৰলেখা দাসৰ 'জ্যোতিপ্ৰসাদৰ নাটক', উষাৰাণী বৰুৱাৰ 'সুন্দৰৰ সেৱক আৰু বিপ্লৱী জ্যোতিপ্ৰসাদ' আদি সমালোচনাত্মক নিবন্ধ। বিউটি মহন্তৰ 'অসমীয়া লোক গীতত আইনাম' আন এটা লেখত লব পৰা বিধৰ প্ৰবন্ধ।

ড° কবৰী ডেকা হাজৰিকা (১৯৫০-) নতুন চাম নিবন্ধ লেখিকাৰ অন্যতম। তেওঁৰ "মাধৱদেৱ : সাহিত্য-কলা আৰু দৰ্শন" আৰু "অসমীয়া সাহিত্যৰ ৰূপৰস" (১৯৮৫) দুখন মানবিশিষ্ট গ্ৰন্থ। প্ৰথমখনত মাধৱদেৱৰ সাহিত্য-কৃতি আৰু ইয়াৰ তাৎপৰ্য বিচাৰৰ লগে লগে ভক্তিমূলক দাৰ্শনিকতাৰো বিশ্লেষণ কৰিছে। গৱেষণা আধাৰিত[৪] এই গ্ৰন্থই মাধবদেৱৰ ওপৰত এটি সুন্দৰ আলোকপাত কৰিছে। "অসমীয়া সাহিত্যৰ ৰূপৰস"ত প্ৰকাশিত সাহিত্যিক নিবন্ধসমূহৰ ভিতৰত মাধব কন্দলি, সুন্দৰাকাণ্ড ৰামায়ণ, কীৰ্তন ঘোষা, নামঘোষা, কংস বধ নাট আদি বিষয়ৰ নিবন্ধ কেইটা চমু হলেও লেখত লবলগীয়া। সেইদৰে বেজবৰুৱা, গোহাঞিবৰুৱা হিতেশ্বৰ বৰবৰুৱা, চন্দ্ৰকুমাৰ, যতীন দুৱৰা, নলিনীবালা, দেৱকান্ত বৰুৱা, জ্যোতিপ্ৰসাদ, পাৰ্বতী প্ৰসাদ আদিৰ শ্ৰেষ্ঠ ৰচনাসমূহৰ তাৎপৰ্য বিচাৰ কৰা হৈছে। গতানুগতিক পদ্ধতিৰে সম্ভৱত শিক্ষাৰ্থীৰ চাহিদালৈ লক্ষ্য ৰাখি ৰচনা কৰাৰ বাবে প্ৰবন্ধ সমূহৰ পৰিসৰ সীমাবদ্ধ হৈ প'ল। 'কথাগুৰু'চৰিতত পুৰণি অসমৰ ছবি', 'বৈষ্ণৱ আদৰ্শ আৰু চুফীবাদৰ মিশ্ৰন—'চাহাপৰী উপাখ্যান'ৰ বিশ্লেষণবিলাক উচ্চ-পৰ্যায়লৈ গতি কৰিব পৰা নাই। কবৰী হাজৰিকাৰ ভাষা সৰল হোৱাৰ বাবে সাধাৰণ পাঠকৰ বাবে প্ৰবন্ধসমূহ মনোগ্ৰাহী হৈ উঠিছে। বিশ্ব-বিদ্যালয়ৰ অধ্যাপিকা গৰাকীৰ প্ৰায়বোৰ নিবন্ধই টোকা পৰ্যায়ৰ গণ্ডি অতিক্ৰম কৰিব নোৱাৰিলে।

সাহিত্য-সংস্কৃতি বিষয়ক নিবন্ধ ৰচনা কৰা বহুতো লেখিকাৰ নাম পোৱা যায়। পত্ৰিকাসমূহত তেওঁলোকৰ লেখা সমূহ সিঁচৰতি হৈ আছে, কিন্তু লেখাসমূহে বিশেষ আকৰ্ষণ নকৰে আৰু মানদণ্ড উন্নত নহয়। বিষয় বস্তুৰ বিভিন্নতাৰ বাদে আন লক্ষ্যণীয় দিশ নাই বুলিব পাৰি।

---

৪. কবৰী হাজৰিকাৰ গৱেষণা গ্ৰন্থ হ'ল— Madhavadeva: Life, Mind and Art

ব্যক্তিনিষ্ঠ ৰচনা বা ৰম্যৰচনাত তাকৰীয়া হলেও কেইগৰাকীমান চকুত পৰে। কমলিনী বৰবৰাই (১৯২৪) 'শটীকেৰে বৰ দুখ লাগে', চাকিনা খাতুনে (১৯৩৫) 'বেৰৰো কাণ আছে' শীৰ্ষক ৰম্য ৰচনাত কৃতকাৰ্যতা লাভ কৰিছে। কনকলতা নেওগে (১৯৪০) সৰুবৰ লঘুৰস পৰা ৰচনা কৰা 'স্বামী-স্ত্ৰী', 'নাৰী-পুৰুষ', 'বিয়া', 'চাহ', 'নতুন অভিজ্ঞতা' আদি ৰম্য ৰচনাৰ জৰিয়তে পৰিচিতা হৈ উঠিছে। নীলিমা বৰঠাকুৰৰ 'মন আৰু মন', 'আমাৰ চাউল কথা', 'কেলেকেলাই কেন বাজে' আদি, কমলা ভৰালীৰ (১৯৪৪) 'পাৰোৱা'; কমলা দেৱী গোস্বামীৰ (১৯৪৮) 'বিবাহ বায়ন', 'টেঙা' আদি লঘু ৰচনাৰ মাজত লেখিকাকেইগৰাকীৰ চোকা আৰু ৰসানুভূতিৰ অনুমান কৰিব পৰা যায়।

ৰম্য ৰচনাৰ সংকলন "ঈশ্বৰলৈ অভিযোগ"ত (১৯৮৭) জীৱনমাধুৰী নেওগ বৰাৰ নাৰীমনৰ অভিব্যক্তি প্ৰকাশ পাইছে। উল্লিখিত লঘু ৰচনাবিলাকতকৈ কিছু উন্নত এই সংকলনটো হিচাপত ধৰিব পৰা বিধৰ। 'ৰূপে কি কৰে', 'আমি ছোৱালীবোৰ', 'নাৰী-তোমাৰ কিমান ৰূপ', 'এই পক্ষপাতিতা কিয় ?' 'লেখিকাৰ সমস্যা' আদি ৰচনাত ব্যঙ্গসূচক ভাব প্ৰকাশ পাইছে। 'হেৰিয়াৰ ঘৰত হেৰি', 'খেনোক দেখি বাঙে বাঢ়ে', 'ৰ'দালি এ ৰ'দ দে', 'সত্যমেৱ জয়তে' আদি কেইখনমান মনত লগা ৰচনা। 'ঈশ্বৰলৈ অভিযোগ' নামৰ মূল ৰচনাখনত ঈশ্বৰক ব্যঙ্গ কৰা হৈছে। ঈশ্বৰৰ নামত মানুহৰ ব্যভিচাৰৰ চিত্ৰৰূপে ইয়াৰ তাৎপৰ্য আছে। এইবোৰ ৰচনাই জীৱনমাধুৰী নেওগ বৰাক ব্যঙ্গ লেখক ৰূপে প্ৰতিষ্ঠিত কৰিছে।

নাৰী বিষয়ক বিভিন্ন চিন্তাচৰ্চা কৰা প্ৰবন্ধ লেখিকাৰ সংখ্যাই সৰ্বাধিক। নবীন-প্ৰবীণ প্ৰায়বিলাক লেখিকাই যুদ্ধোত্তৰ কালছোৱাত এনেধৰণৰ লেখা মেলা কৰি অহা দেখা যায়। চন্দ্ৰপ্ৰভা শইকীয়ানী, পুষ্পলতা দাস, ঊষা বৰঠাকুৰ, অমলপ্ৰভা দাস মফিদা আহমদ, ঊষা ভট্টাচাৰ্য, ইন্দিৰা মিৰি, বৌচন আৰা খাতুন, ৰাজবালা দাস, জৰ্জিনা দত্ত, সমীৰণ দাস আদিয়ে নাৰীৰ মুক্তি আৰু প্ৰগতিৰ বাবে লোৱা ভূমিকাৰ উপৰিও বহুতো নিবন্ধ ৰচনা কৰি আন্দোলন শক্তিশালী কৰি তুলিছে। গান্ধীবাদ, ভূদান আদি বিষয়বোৰেও দুই এটা নিবন্ধত ঠাই পাইছে। নাৰীৰ কল্যাণ সাম্প্ৰতিক লেখিকাসকলৰো চিন্তাৰ এটা ঘাই বিষয়। লীলা দেৱীৰ 'আমেৰিকাৰ নাৰী জীৱন' (১৯৫০), লক্ষহীৰা দাসৰ 'অতীত ভাৰতত নাৰীৰ স্থান' (১৯৫৬); সমীৰণ দাসৰ 'ভাৰতীয় নাৰী প্ৰগতিৰ খতিয়ান' (১৯৫৬) আদি প্ৰবন্ধই পঞ্চাছৰ দশকৰ চিন্তা-চৰ্চাৰ আভাস দাঙি ধৰে। প্ৰণীতা দেৱী, হেমলতা বৰা, নিৰ্মলপ্ৰভা বৰদলৈ, নীলিমা দত্ত, তৰুলতা দাস, সাবিত্ৰী বৰগোঁহাই, চাকিনা খাতুন, বেণুপ্ৰভা শইকীয়া, দিব্যপ্ৰভা ভৰালী, নীলিমা বৰঠাকুৰ, জ্যোতি বৰুৱা চলিহা, কনকলতা নেওগ, শাৰদা দেৱী, হেমলতা দত্ত, মনোৰমা দাস, জেউতি বৰুৱা, অঞ্জলি ডেকা, শশী দাস, দৰ্পনা বৰা, পদুমী গাজলু অনেক মহিলাই আলোচনী আদিত লেখা-মেলা কৰি আহিছে। আলোচনী বিলাকত ন-ন লেখিকাৰ সাম্প্ৰতিক কালত উদিত হলেও, তেওঁলোকৰ লেখা এতিয়াও হিচাপত ধৰিব পৰাকৈ বৈশিষ্ট্যময় হোৱা নাই। নাৰী বিষয়ক চিন্তা-চৰ্চাৰ পূৰ্ণাঙ্গ গ্ৰন্থৰ অভাৱ যথেষ্ট। ড° মিনতি শৰ্মাৰ প্ৰকাশিত তেনে এখন গ্ৰন্থ হ'ল "নাৰীৰ কথা" (১৯৮৫)। 'বৈদিক যুগত নাৰীৰ শিক্ষা', 'সমাজত নাৰীৰ স্থান', 'নাৰীৰ সামাজিক গতিধাৰাত বৈষম্য' আদি কেইটামান প্ৰশংসনীয় বিষয়ত লেখিকাই দক্ষতা প্ৰদৰ্শন কৰিছে। তদুপৰি নাৰী সমাজৰ উন্নয়ন, শিক্ষা, কৰ্ম-সংস্থাৰ, অৰ্থনীতি আৰু সমাজ সংগঠনত ভূমিকা, মাতৃ-কল্যাণ, শিশু কল্যাণ, শিশুৰ প্ৰতি পিতৃ-মাতৃৰ কৰ্তব্য আৰু দায়িত্বৰ লগতে আন্তঃৰাষ্ট্ৰীয় নাৰী জগতৰ সম্বন্ধে গ্ৰন্থখনত দিয়াত নাৰী-চৰ্চাৰ বিশেষ গ্ৰন্থৰূপে পৰিগণিত হৈছে। তথ্যৰ ফালৰপৰা গ্ৰন্থখন উন্নত। মনোৰমা দাসৰ "নাৰী মনৰ পখেলি" (১৯৮৮) আন এখন নাৰী প্ৰগতিক মুখ্য কৰি ৰচনা কৰা গ্ৰন্থ।

বিভিন্ন বিষয়বস্তুক লৈ নিবন্ধ ৰচনা কৰা সকলৰ ভিতৰত প্ৰণীতা দেৱীক প্ৰথমতেই উল্লেখ কৰিব লাগিব। অনুবাদমূলক হলেও তেওঁৰ 'পতি-পত্নীৰ ধৰ্ম' আৰু অন্যান্য প্ৰবন্ধ-পাতিৰ মূল্য অস্বীকাৰ কৰিব নোৱাৰি। নীলিমা দত্তৰ "শিশু আৰু পৰিবেশ" (১৯৫৭) আৰু লক্ষহীৰা দাসৰ "শিক্ষা-মনোবিজ্ঞান" (১৯৬০) পাঠ্যপুথি জাতীয় হলেও মনোবিজ্ঞান আধাৰিত। দত্তৰ "শিশুৰ বিকাশ" আৰু "ভাৰতীয় দৰ্শন" আন দুখন চকুত লগা গ্ৰন্থ। অনু বৰুৱাৰ "দিল্লীৰ ভূৰবীয়া ছবি" (১৯৬৬), হেমপ্ৰভা হাজৰিকাৰ "মহাপুৰুষ", লক্ষেশ্বৰী হাজৰিকাৰ "নাৰীৰ অধিকাৰ", হীৰা দেৱীৰ "দেশৰ কথা", কুঞ্জলতা চহৰীয়াৰ "অমৰ নাৰী", সমীৰণ দাসৰ "সৰ্বোদয় আৰু ভূদান", ড° বেণু দেৱীৰ "অসমৰ শিক্ষা ব্যৱস্থা" আদি উল্লেখযোগ্য।

অনু বৰুৱাৰ "দিল্লীৰ ভূৰবীয়া ছবি" তুলনামূলকভাৱে উপাদেয় ৰচনা। দিল্লীত লগ পোৱা ঠেলাৱালা, টাঙাৱালাৰ পৰা ৰাষ্ট্ৰপতিলৈকে স্মৃতিচাৰণ কৰাৰ মাজত এখন সমাজৰ ছবি ফুটি ওলাইছে আৰু আলেখ্য-নিবন্ধবোৰ আকৰ্ষণীয় হৈ পৰিছে। হেমলতা ৰবাৰ "সেউজীয়া পাহাৰৰ মাজে মাজে" (১৯৬২) পাহাৰীয়া জীৱনক লৈ লেখা এখনি মনোৰম গ্ৰন্থ। "সেউজীয়া পাহাৰৰ কাহিনী", "বিচিত্ৰ মিজোৰাম", "মহাচীনৰ বিজয় স্বপ্ন", "অৰুণাচলৰ মহিলা" আদি সংবাদ ধৰ্মী গ্ৰন্থসমূহে হেমলতা ৰবাক (১৯২৯-) বৈশিষ্ট্যময়ী লেখিকা কৰি তুলিছে।

নিৰুপমা হাগ্‌জেৰ (১৯২৪-) অসমীয়া নিবন্ধ সাহিত্যত পৰিচিতা পাহাৰী লেখিকা। জনজাতীয় জীৱনক ক্ষেত্ৰ কৰি ডিমাছা আৰু অসমীয়া ভাষাত তেওঁ ভালেমান নিবন্ধ লেখিছে। ডিমাছা কৃষ্টি-সংস্কৃতিৰ ওপৰত লেখা "ডিমাছা" (১৯৭৮) তেওঁৰ প্ৰধান অসমীয়া গ্ৰন্থ। তদুপৰি 'ডিমাছা সংস্কৃতিলৈ এভুমুকি', 'ডিমাছাসকলৰ ধৰ্ম আৰু বিশ্বাস', 'অসমৰ জনজাতীয় নাৰী' আদিৰ মাজত নিৰুপমা হাগজেৰৰ কৃতিত্ব প্ৰকাশ পাইছে। সুনীতি সোনোৱালৰ 'বড়ো লোক সাহিত্য : এটি সমীক্ষা' এটা সুলিখিত নিবন্ধ।

নিৰুপমা বৰুৱাৰ (১৯২৯-১৯৮৫) 'বনবীয়া ফুল', 'বসুগৰ্ভা', 'আইদেউ-বাইদেউ', আদি। বেণুপ্ৰভা শইকীয়াৰ (১৯২৯) নাৰীমুক্তিৰ পৰা মাণিমুণি শাকলৈ লেখা নিবন্ধমালা, অৰ্পনা বণিক্যৰ "ছয় ঋতু" আৰু "ভক্তিদীপা" গ্ৰন্থ; শাৰদা দেৱীৰ এঘাৰখন গ্ৰন্থৰ ভিতৰত "প্ৰতিভাময়ী", "প্ৰগতিশীলা", "তীৰ্থ পথিক" আদি, জেউতি বৰুৱাৰ 'আমেৰিকাৰ শিক্ষা ব্যৱস্থা', 'মহান লেনিনৰ সোঁৱৰণত', 'অসমত স্বামী বিবেকানন্দ', 'জোনবাইৰ দেশ' আদি নিবন্ধ বিউটি মহন্তৰ শঙ্কৰদেৱ, মাধৱদেৱ, নেহেৰু আদিৰ বিষয়ে লেখাসমূহ আৰু বিন্দুপ্ৰভা হাজৰিকাৰ ধৰ্মমূলক ৰচনা লেখত ধৰিব পৰা যায়। দিব্যপ্ৰভা ভৰালী আৰু ড° যোগমায়া শইকীয়াৰ ইংৰাজী নিবন্ধ কেইটাৰ তুলনাত অসমীয়া নিবন্ধ কেইটা নিষ্প্ৰভ আৰু মানদণ্ড নিম্নগামী। জ্যোতি বৰুৱা চলিহাৰ "মন আৰু সংসাৰ"ত সৰল ভাষাত সাংসাৰিক জীৱনৰ প্ৰতি নাৰী-অনুভূতি প্ৰকাশ পাইছে। দৰ্পনা ৰবাৰ 'স্বাধীনতা আন্দোলনত অসমীয়া ছাত্ৰৰ ভূমিকা', 'ভাৰতীয় সংবিধানে নাৰীক কিমান নিৰাপত্তা দিব পাৰিছে' আদি নিবন্ধ ৰচনা কৰি প্ৰশংসনীয় ভূমিকা গ্ৰহণ কৰিছে যদিও এইবোৰত সাহিত্যিক মূল্য অতি কম। মালতী বৰুৱা, শশী প্ৰভা দাস, লিলি মজিন্দাৰ বৰুৱা, আৰতি দাস বৈৰাগী, শীলা বৰঠাকুৰ, উলুপী বৰুৱা, ভাৰতী দেৱী, বীণা ৰবা প্ৰভৃতি লেখিকাৰ দুই চাৰিটা প্ৰবন্ধ কাকত-পত্ৰত প্ৰকাশ হৈছে। কিন্তু, বৰ্তমান যুগৰ পৰিবেশত প্ৰায়বোৰ নিবন্ধৰ মানদণ্ড ৰক্ষা নপৰিল।

৮.৩. ভ্ৰমণ সাহিত্য

অসমীয়া সাহিত্য ভ্ৰমণ কাহিনীৰ ক্ষেত্ৰত অতি পিছপৰা। চল্লিছৰ দশকত ড° বিৰিঞ্চিকুমাৰ বৰুৱাৰ চুইজাৰলেণ্ড ভ্ৰমণৰ (১৯৪৫) পৰা হিচাপত ধৰিলে এই পৰ্যন্ত ভেৰকুৰিমানহে গ্ৰন্থহে পোৱা যাব। এনেবিধ নিবন্ধ সাহিত্যলৈ লেখিকাসকলে দিয়া বৰঙণি লেখত লবলগীয়া। সৰোজবালা দত্তই (১৯৮৫-১৯৭৩) ৰচনা কৰা "শান্তিৰ সন্ধান" চতুৰ্থ দশকত ৰচিত হৈছিল আৰু এইখনেই মহিলা ৰচিত প্ৰথম ভ্ৰমণ গ্ৰন্থ। জ্ঞানবালা বৰুৱাৰ "আকাশী পথেদি বিদেশলৈ" এখনি সুখপাঠ্য ভ্ৰমণ কাহিনী। ড° কমলা ৰায়ৰ "কৰাচী-বৃটেনীৰ শ্যামলী উপকূল" আন এটি মনোৰম ভ্ৰমণ কাহিনী। ভ্ৰমণ সাহিত্যত এগৰাকী প্ৰধান লেখিকা হ'ল নিৰুপমা কটকী (১৯২১–)। তেওঁৰ তিনিখন ভ্ৰমণ কাহিনী ভাৰত তীৰ্থ ক্ষেত্ৰৰ বৰ্ণনা বুলিব পাৰি। "দেৱভূমি শ্ৰীনাথৰ পৰা কন্যাকুমাৰী" (১৯৬২), "সাগৰ তীৰ্থ আৰু পূৰ্ণকুম্ভ" (১৯৭৭) আৰু "বৈষ্ণোদেৱী" (১৯৮৬) প্ৰকাশ হৈছে। তিনিওখন গ্ৰন্থৰ সৰল প্ৰকাশভঙ্গীৰ বাবে জনপ্ৰিয় হৈ উঠিছে। সুব্ৰতা বৰুৱাৰ "হিমতীৰ্থ বদ্ৰীনাথ" (১৯৬২) একে পৰ্যায়ৰে গ্ৰন্থ। অনু বৰুৱাৰ "সাগৰ দেখিলোঁ" (১৯৬৮) তুলনামূলকভাৱে এখন সুন্দৰ ভ্ৰমণ সাহিত্য। হেমলতা বৰাৰ একাধিক ভ্ৰমণ কাহিনীৰ ভিতৰত "আকাশী পথেদি দূৰ বিদেশলৈ" আৰু "আন্দামান নিকোবৰ দ্বীপপুঞ্জৰ মাজে মাজে" দুখন সুখপাঠ্য ৰচনা। হেমলতা দত্ত (১৯৩৭–) "অলকানন্দাৰ পৰা সাগৰ তীৰ্থলৈ" (১৯৭৮); কুসুম উজিৰৰ "গঙ্গা-যমুনাৰ উৎস বিচাৰি"; লাৱণ্যময়ী দেৱীৰ "ভাৰত তীৰ্থৰ বাটে বাটে"; আদিত তীৰ্থ ভ্ৰমণ মুখ্য হোৱাত ভ্ৰমণৰ সোৱাদ প্ৰতিষ্ঠিত নহ'ল। সাহিত্যিক মূল্য আৰোপ কৰিব পৰা গুণাৱলী এইবিলাক গ্ৰন্থত কম হোৱাৰ বাবে আকৰ্ষক শক্তিও কমি গ'ল। নিৰুপমা ফুকনৰ "ইউৰোপ ভ্ৰমণৰ মধু সৌৰভ" সাম্প্ৰতিক কালৰ এখন প্ৰধান ভ্ৰমণ বৃত্তান্ত। অৰুণিমা ভৰালীৰ "স্মৃতিলেখা"কো এই পৰ্যায়তে ধৰিব পাৰি। কাকতে-পত্ৰই প্ৰকাশিত চুটি ভ্ৰমণ নিবন্ধৰ ভিতৰত গীতা উপাধ্যায়ৰ 'হেৰেণীয়েৰৰ জন্মস্থান দেখিলোঁ', 'ইংলণ্ড ভ্ৰমণ কাহিনী', 'পেৰিচ ভ্ৰমণ কাহিনী' আদিলৈ দৃষ্টি নিক্ষেপ কৰিব পৰা যায়।

৮.৪. নাট্য সাহিত্য

সাহিত্যৰ আনবিলাক বিভাগৰ দৰেই নাট্য-সাহিত্যতো মহিলাই অংশ গ্ৰহণ কৰিছে। যুদ্ধোত্তৰ নাট্য সাহিত্যত চল্লিছৰ দশকত ৰচিত শুচিব্ৰতা ৰায়চৌধুৰীৰ (১৯৩১-) "কোনবাটে" ছটা দৃশ্যৰ এটা আদৰ্শাত্মক কাহিনীৰ সামাজিক নাটক। মানুহৰ অধিকাৰ সাব্যস্ত কৰিবলৈ অংকিত এই নাট-চিত্ৰখন সম্পূৰ্ণ সফলতাৰ দাবী কৰিব পৰা নহলেও উলাই কৰিব পৰা বিধৰ নহয়। তেওঁৰ শেহতীয়া নাটক "বিপদৰ সীমা" জে. বি. প্ৰিষ্টলিৰ নাটকৰ অনুবাদ। গোৱালপাৰা নিবাসী ৰাজলক্ষ্মী দাসৰ "মিনতি" (১৯৫৩) পঞ্চাছৰ দশকত ৰচিত এখন লেখৰ নাটক। হিৰন্ময়ী দেৱী বিশাৰদৰ (১৯৩০) "ননীচোৰ" (১৯৫৫); ব্ৰজবালা দেৱীৰ "সপোন" (১৯৫৮) আৰু নিৰুপমা ফুকনে হিন্দীৰ পৰা অনুবাদ কৰা "আহুতি" (১৯৫৬); "কামনা" (১৯৫৭), "চন্দ্ৰগুপ্ত" আদি লেখত ধৰিব পৰা ৰচনা। সৌজন্যময়ী ভট্টাচাৰ্যৰ (১৯২৩-) "বিহুকুঁৱৰী" (১৯৫০), "কণজুন নেপুৰ বাজে" (১৯৫৭) "মেতিয়কৰ জীৱন" (১৯৬০) আদিৰ লগতে "পৰিবৰ্তন", "অপৰাজেয়", "খনিকৰ" আদি সৰু সৰু নাটিকাবিলাক শিশুৰ বাবে উপযোগী। সুপ্ৰভা দত্তই (১৯০৬-১৯৭৯) ৰচনা কৰা এলানি নাটকৰ ভিতৰত বিৱাল্লিছৰ পটভূমিত ৰচিত "এমুঠি মানুহ, এখন দেশ" আৰু "মালাৱতী" নামৰ সামাজিক নাট প্ৰধান। নিৰুপমা বৰুৱাৰ (১৯২৯-১৯৮৫) "সৌৰসভাৰ সভাপতি", "সজাৰ পখী", "মহিলা নিবাস" আদি লেখত লব পৰা একাঙ্কিকা।

নলিনীবালা দেৱীৰ নাট কেইখন ইয়াতে উল্লেখ কৰিব লাগিব, যিহেতু তেওঁৰ নাট কেইখন ১৯৫৮-১৯৬৮ৰ ভিতৰতহে ৰচিত হয়। তেওঁৰ প্ৰধান নাটিকা হ'ল–"শেষ পূজা" (১৯৫৮), "প্ৰহ্লাদ" (১৯৫৮) আৰু "মীৰাবাঈ" (১৯৬৮)। "শেষ পূজা"ত ৰবীন্দ্ৰনাথ ঠাকুৰৰ "নটীৰ পূজা" নাটকৰ প্ৰভাৱ সু-স্পষ্ট। "পৰিজাত অভিষেক" নাটখনেই নলিনীবালাৰ প্ৰথম নাট্যৰচনা বুলি জনা যায়। বাৰখনমান নাট এতিয়াও অপ্ৰকাশিত বুলি জনা গৈছে আৰু তাৰ তালিকা এখন "নলিনীবালা দেৱী" গ্ৰন্থত সন্নিবিষ্ট হৈছে।[৬]

অমিয়া চক্ৰৱৰ্তী (১৯২৭-) ষাঠিৰ দশকৰ প্ৰসিদ্ধ মহিলা নাট্যকাৰ। তেওঁ কেবাখনো মঞ্চ-সফল নাটক ৰচনা কৰিছে। প্ৰকাশিত নাটক কেইখন হ'ল– "জুৰুৰ" (১৯৬১), "দোষকাৰ" (১৯৬৩)", প্ৰতিধ্বনি" (১৯৬৭) আৰু "অভিলাষ" (১৯৭২)। চক্ৰৱৰ্তীৰ নাটক কেইখন সাধাৰণভাৱে ৰচিত গতানুগতিক শ্ৰেণীৰ সামাজিক নাটক। নাটকীয় কলা-কৌশলৰ ফালৰপৰা দোষমুক্ত নহলেও আন মহিলা নাট্যকাৰতকৈ তেওঁৰ কৃতকাৰ্যতা অধিক। কেণুপ্ৰভা শইকীয়াৰ (১৯২৯-) সমাজ সংস্কাৰমূলক একাংকধৰ্মী নাটবিলাকৰ ভিতৰত 'ক'লাবজাৰ', 'অভিযাত্ৰী', 'অভিযান', 'তুফান যাত্ৰা', 'গৃহিণী', 'অস্পৃশ্যতা', 'নিৰুপায়' আদি কৃতকাৰ্য হৈছে। উদ্দেশ্যধৰ্মী হোৱাৰ বাবে নাট্য সৌন্দৰ্য কিছু পৰিমাণে ম্লান পৰিছে। অৰ্পণা বণিক্যৰ "মৰম মৰীচিকা", "সেতু", আৰু "চাকনৈয়া" সফল অনাতাঁৰ নাটিকা। সেইদৰে বীণাপাণি দাস (১৯৩৫-) আন এগৰাকী অনাতাঁৰ নাট-ৰচয়িত্ৰী। তেওঁৰ কুৰিখনমান অনাতাঁৰ নাটকৰ ভিতৰত "এইপথ", "আধুনিকা", "ফুল আৰু দুবৰি" আদি মঞ্চসফল হৈছে। "প্ৰায়শ্চিত্ত" আৰু "বিৰিণা পাতৰ আঙঠি" (১৯৮৯) প্ৰকাশিত দুখন মঞ্চসফল পূৰ্ণাঙ্গ নাটক। নাট্য-কৌশলত বিশেষভাৱে উন্নত নহলেও দাসক নাট্য-বুৰঞ্জীত স্থান দিব পাৰি। "বিৰিণা পাতৰ আঙঠি"য়েই তেওঁৰ শ্ৰেষ্ঠ নাটক। কাহিনী ভাগ সাধাৰণ সাংসাৰিক প্ৰেম-প্ৰীতিমূলক, কিন্তু সংঘাতৰ গভীৰতা নাই। কোমল অনুভূতি প্ৰৱণতাৰে মিলনান্ত হৈ উঠা নাটকখনত চৰিত্ৰ চিত্ৰণৰ বৈশিষ্ট্য প্ৰকাশ নাপালে। তৰুলতা দাস (১৯৩৭-) একাংক নাট ৰচয়িত্ৰী হিচাপেই দক্ষ। তেওঁৰ প্ৰকাশিত "মঞ্চদীপ" (১৯৮৭) চাৰিখন একাংকৰ সংকলন। সামাজিক চিত্ৰ একোখন ফুটাই তোলাত লেখিকা কৃতকাৰ্য হৈছে। প্ৰতিযোগিতাত পুৰস্কৃত 'ফুলকলি' আৰু 'চেতনা' নামৰ একাংক দুখন শিশুৰ উপযোগী। 'ৰেখাঙ্ক'ত দুখীয়া মানুহৰ ৰূপৱতী, গুণৱতী ছোৱালীৰ বিয়াত অথন্তৰ, অন্যহাতে ধনীৰ চৰিত্ৰহীনা ছোৱালীৰো বিবাহ হৈ যোৱাৰ সামৰ্থ্য প্ৰকাশ পাইছে। শ্ৰেণী চৰিত্ৰৰ ইঙ্গিত নাটখনত আছে। 'সূৰ্যোদয়' অসম আন্দোলনৰ আৰম্ভণিতে সামৰিক বাহিনীয়ে চলোৱা নাৰী ধৰ্ষণক কেন্দ্ৰ কৰি ৰচিত একাঙ্কিকা। কিন্তু, আঙ্গিকৰ দুৰ্বলতাৰ বাবে নাটখন প্ৰথম শাৰীলৈ নাহিল। স্বৰ্ণ গোস্বামীৰ (১৯৩৭-) "অভিমানিনী" (১৯৫৯), "মৰমৰ উৎস" (১৯৬১) আৰু "সেই মৃত্যু অপৰাজেয়" (১৯৬৩) একাংক হিচাপে সফলতাৰ দাবী কৰিব পাৰিছে। আন লেখিকাৰ ভিতৰত দিব্যজ্যোতি গোহাঁই গগৈৰ 'উত্তৰা'; নীলিমা বৰঠাকুৰৰ 'জেতুকা পাত', 'মুক্তামালা', 'মাছ নহয় জিজি'; যমুনা বৰগোহাইৰ (১৯৪২-) 'আজি মোৰ মন', 'প্ৰভাতী পখীৰ গীত', 'ৰক্তজবা', 'পষ্টমৰ্টেম'; নলিনী ডেকাৰ 'মলয়া', নীৰু বৰুৱাৰ 'সমাজ সেৱিকা' এখন সুন্দৰ ব্যঙ্গ-নাটিকা। এইবিলাক নাটক আৰু নাট্য ৰচয়িত্ৰীৰ বাহিৰেও আলোচনীসমূহত প্ৰকাশিত নাট্যাদি দুই চাৰিখন নিশ্চয় ওলাব। কিন্তু নাট্য বুৰঞ্জীত বিশিষ্ট আসন লব পৰা মহিলা নাট্যকাৰ আৰু নাটকৰ অভাৱ এই আলোচনাৰ পৰা সুস্পষ্ট হৈ উঠিল।

---

৬. হেমন্ত কুমাৰ শৰ্মা, (সম্পা.), "নলীনীবালা দেৱী", পৰিশিষ্ট, পৃ. ২৮৯

৮.৫. চুটিগল্প

যুদ্ধোত্তৰ যুগত অসমীয়া গল্প-সাহিত্যই উন্নত-অৱনত আৰোহণ কৰিছে। "ৰামধেনু", "আৱাহন", "জয়ন্তী" আদি আলোচনী কাকতক কেন্দ্ৰ কৰি এচাম নতুন গল্পকাৰ সৃষ্টি হ'ল। তাইকে "ৰামধেনু"ৰ পাততে সৃষ্টি হোৱা নতুন গল্পকাৰসকলে নতুন মূল্যবোধ প্ৰতিষ্ঠা কৰাত সফল হ'ল। "যুক্ত পৰিবেশৰ মাজত জীৱনৰ নতুন মূল্যবোধৰ আদৰ্শ চকুৰ আগত ৰাখি কেইজনমান নতুন গল্পলেখকে কাপ হাতত ললে। গল্পৰ প্ৰকাশ ৰীতি আৰু বস্তু নিৰ্বাচনৰ ক্ষেত্ৰত লেখকসকলে সাহসৰ পৰিচয় দিবলৈ চেষ্টা কৰিলে।"[৭]

· শক্তিশালী পুৰুষ গল্পকাৰৰ দল এটা সৃষ্টি কৰাতে 'ৰামধেনু' আবদ্ধ নাথাকি কেইগৰাকীমান শক্তিশালী লেখিকাকো জন্ম দিলে। স্নেহ দেৱী, নিৰুপমা বৰগোহাঞি, নীলিমা শৰ্মা, মামণি ৰয়ছম গোস্বামী, অণিমা দত্ত অন্যতম। কিন্তু, ইয়াৰ আগতে কেবাগৰাকীও সম্ভাৱনাময়ী লেখিকাৰ উদ্ভৱ হৈছিল। দ্বিতীয় মহাযুদ্ধৰ পাছৰপৰা ভাৰতে স্বাধীনতা লাভ কৰাৰ সময়ৰ ভিতৰত ৰচিত মহিলাৰ একমাত্ৰ গল্প-পুথি "জীৱনৰ চাৰিসুঁতি"ৰ (১৯৪৭) ৰচয়িত্ৰী সৌজন্যময়ী ভট্টচাৰ্য (১৯২৩-)। এইখন পুথিয়ে সুধীজনৰ সমাদৰৰ লগতে সমালোচকৰো প্ৰশংসা আৰ্জন কৰিছিল। পৰৱৰ্তী আন দুটা গল্প সংকলন "মৌ-জোন" (১৯৫০) আৰু 'মনৰ টৌ'তো (১৯৬২) লেখিকাগৰাকীৰ কৃতিত্ব পৰিলক্ষিত হৈছে। "মৌ-জোন"ৰ নটা শিশু গল্পই সৌজন্যময়ীৰ বৈশিষ্ট্য ৰক্ষা কৰিছে। তেওঁৰ গল্পসমূহ অনাড়ম্বৰ, ঘৰুৱাভাষা, সাধাৰণ পৰিবেশ সৃষ্টি আৰু আমোদজনক চৰিত্ৰাঙ্কণৰ বাবে সুখপাঠ্য হৈছে। স্বাধীনতা পৰৱৰ্তী গল্প লেখিকাৰ ভিতৰত সম্ভৱত মেহিণা বেগমেই প্ৰথম। তেওঁৰ 'মহল' নামৰ প্ৰথম গল্পটো "ৰামধেনু"ত ১৯৫০ চনত প্ৰকাশ পাইছিল।[৮] গল্পত সন্ধ্যা বৰুৱা নামৰ এজনী ডাক্তৰণী গাভৰুৰ বিয়াত অনাসক্তিৰ কাৰণ সকলোৰে অজ্ঞাত। বাৰ বছৰমানৰ পাছত গল্পৰ বক্তাই চিকিৎসালয়ত মৃত্যু হোৱা এজন বিশেষলোকৰ বাবে সন্ধ্যা বৰুৱাই খুব কন্দাৰ কথা কৈছে। এই মুছলমান মানুহজনে সন্ধ্যাৰ নামত গল্প লেখিছিল আৰু অৱশেষত সকলো সা-সম্পত্তি তাইৰ নামত ইচ্ছাপত্ৰ কৰি থৈ গৈছিল। অৱশেষত এই সা-সম্পত্তিৰে চিকিৎসালয়খন নিৰ্মাণ কৰি নাম দিয়া হ'ল চিৰাজ মহল। গতিকে, গল্পটোত প্ৰত্যক্ষ কৰি নিদিলেও সন্ধ্যা আৰু চিৰাজৰ প্ৰণয় গোপন হৈ নাথাকিল। দুয়োৰে মিলন বাধাগ্ৰস্ত হোৱাৰ কাৰণ উল্লেখ নহ'ল আৰু গল্প লেখিকাৰ বক্তব্যও অনুপস্থিত। তথাপি, গল্পটোৰ মূল্য অস্বীকাৰ কৰিব নোৱাৰি। অলকা চৌধুৰীৰ গল্প ১৯৫২ চনৰ "জয়ন্তী"ত প্ৰকাশ পাইছিল।[৯] কাহিনীপ্ৰধান গল্পটোৰ নাম 'বালি-চাহী আৰু কেঁচা তেজ'। বিপ্লবী চৰিত্ৰ উৎপল চৌধুৰীয়ে কুশল কোঁৱৰ, কনকলতা আদিৰ আত্ম বলিদানৰ সময়তে অসমৰ পৰা পলাই গৈ কলিকতাত উবেদুৰ ৰহমান নাম লৈ এখন বাতৰি কাকতত কাম কৰিবলৈ ধৰিলে। তেওঁ এবছৰৰ আগতে নিজৰ ভনীয়েক এজনীক হেৰুৱাইছিল। এবাৰ এজনী মজদুৰ গাভৰুৰ প্ৰতি আকৰ্ষিত হলেও সংকোচৰ বাবে একো ক'ব নোৱাৰিলে। ঘটনাক্ৰমে এই বনুৱা গাভৰুজনী পিছলি পৰোতে অসমীয়া কথা কোৱাত সি তাইক মেডিকেল কলেজলৈ চিকিৎসাৰ বাবে লৈ গ'ল। চৰ্দাৰে ক'ৰবাৰ পৰা কিনি অনা পদ্মী নামৰ এই গাভৰুজনী মিলিটাৰীৰ দ্বাৰা ধৰ্ষিতা হৈছিল। তাই মৃত সন্তান প্ৰসৱ কৰিলে। উৎপলে পাছত পদ্মীক নিজৰ লগলৈ নিলে আৰু ককাই-ভনীৰ সম্পৰ্ক

---

৭. ত্ৰৈলোক্যনাথ গোস্বামী, "আধুনিক গল্প সাহিত্য", পৃ. ১৫৭-১৫৮

৮. মহেন্দ্ৰ বৰা (সম্পা.), "ৰামধেনু", ৩য় বছৰ, বহাগি বিহু সংখ্যা, ১৮৭২ শক (১৯৫০ চন)

৯. পুৰন্দৰ বৰা (সম্পা.), "জয়ন্তী", ১০ম বছৰ, ৩য় সংখ্যা, ১৯৫২ চন।

স্থাপিত কৰি এঞ্জিনাথন তাইক নাৰ্চৰ প্ৰশিক্ষণ লবলৈ পঠালে। প্ৰতি দেওবাৰে তাই উৎপলৰ ওচৰলৈ আহে। তাৰ প্ৰতি তাইৰ দুৰ্বলতাও প্ৰকাশ নোহোৱাকৈ সাৱধানিল। এনেতে পুলিচে বিপ্লৱী উৎপল বুলি জানি তাক গ্ৰেপ্তাৰ কৰাত তাৰ ডিঙিত পদুমীয়ে মালা পিন্ধাই দিলে আৰু জনতাই ইন্‌কিলাব জিন্দাবাদ ধ্বনিৰে তাৰ প্ৰতি বৈপ্লৱিক অভিনন্দন যাচিলে। উপন্যাসিকাধৰ্মী এই গল্পত উৎপল আৰু পদুমীৰ চাৰিত্ৰিক বৈশিষ্ট্য প্ৰকাশ পাইছে। "জয়ন্তী"ৰ (১৯৫৩) পাততে প্ৰকাশিত ৰত্না বৰুৱাৰ 'শতাব্দীৰ শিহৰণ' আন এটা মহিলা ৰচিত গল্প। কলিকতাৰ পটভূমিত বিপ্লৱী সৌমেন আৰু সুন্দৰী উষাৰ প্ৰেম কাহিনী বক্তাই প্ৰকাশ কৰিছে। বক্তাৰো উষাৰ প্ৰতি প্ৰেমৰ অভাৱ থকা নাছিল। কিন্তু, উষাৰ অসুখৰ বাবে হঠাতে মৃত্যু হোৱাত এৰি থোৱা এখন চিঠিৰ পৰা জনা গ'ল যে উষায়ো বক্তা বৰুৱাক ভাল পাইছিল। আত্মত্যাগ মূলক এই গল্পৰ মাজত সাম্যবাদী মনোভাব প্ৰকাশ পাইছে। অৰ্থনৈতিক অভাৱ, ওপৰৱালাৰ হৃদয়হীনতা, দুৰ্বলতা আদিয়ে মূল কাহিনী খেলিমেলি কৰাত আবেদন হ্ৰাস পালে।

১৯৫২ চনৰ "ৰামধেনু"ত "টিনপাত" নামৰ গল্পৰে এই জগতত প্ৰৱেশ কৰা কমলিনী বৰবৰাই (১৯২৫-) "পলাশৰ পাপৰি" নামৰ গল্প সংকলন প্ৰকাশ কৰিছে। 'পূজাৰ চোলা', 'মৃত্যু' আদি "ৰামধেনু"ত প্ৰকাশিত গল্পৰ লগতে 'পলাশৰ পাপৰি', 'মৰু তৃষ্ণা', 'কস্তুৰীমৃগ', 'ফুলমতী', 'মাটিৰ চাকি' আদি গল্প সুখপাঠ্য হৈছে। সহজ সৰল ভাষাত বিভিন্ন চৰিত্ৰৰ বৈশিষ্ট্য ৰক্ষা কৰাত সফল হৈছে।

প্ৰীতি বৰুৱা (ভট্টাচাৰ্য) (১৯৩৩-) "ৰামধেনু"ৰ এগৰাকী প্ৰসিদ্ধ গল্প লেখিকা। তেওঁৰ গল্প সংকলন "নিৰৰ্থক"ৰ (১৯৬২) গল্প সমূহে বৈশিষ্ট্য দাঙি ধৰিছে। তেওঁৰ 'স্বৰ্গচ্যুতি', 'পুৰতি নিশাৰ সপোন' আদি ১৯৫৩ চনৰ "ৰামধেনু"ত প্ৰকাশিত। প্ৰথমটো গল্পত দেশ-বিভাজনৰ অভাৱনীয় দুৰৱস্থাৰ মাজত পূৰ্ববঙ্গৰ এজন ভগনীয়া যুৱকৰ আত্মপ্ৰতিষ্ঠাৰ সংগ্ৰামৰ চিত্ৰ অংকণ কৰা হৈছে। পত্ৰমূলক এই গল্পত লেখিকাৰ সাৰ্থকতা অনুমান কৰিব পাৰি। 'পুৰতি নিশাৰ সপোন'ত মিছা সাক্ষীৰ বাবে কাৰাবাস খটা ফজু নামৰ বয়সস্থ চাহবনুৱাৰ দুখময় কাহিনী বৰ্ণিত হৈছে। অন্য এজন ফজুৰ ঠাইত তাক ভুলতে মোকলাই দি বাটৰ পৰা ধৰি নি পুনৰ মাৰপিট কৰাৰ পৰিহাসময় কাহিনীৰ মাজত নিৰ্দ্দোষ লোকক কাৰাগাৰত কৰা অত্যাচাৰৰ স্বৰূপ দাঙি ধৰিছে। এই গল্পত প্ৰকাশিত প্ৰতিবাদী কণ্ঠ প্ৰায়বোৰ গল্পতে প্ৰতিফলিত হৈছে। প্ৰগতিবাদী সুৰ প্ৰীতি বৰুৱাৰ গল্পৰ বৈশিষ্ট্য।

আলিমুননিছা পিয়াৰ (১৯৩৫-) গল্প সাহিত্যত পৰিচিতা মহিলা। "মাজনিশা তৰাই উচুপে" (১৯৫৮) তেওঁৰ প্ৰকাশিত গল্প সংকলন। 'কুহিলা' (১৯৫৬) গল্পৰ মেৰীৰ দুৰ্ভগীয়া কৰুণ জীৱন কাহিনী উপন্যাসিকাধৰ্মী। চৰিত্ৰটোৱে সাধাৰণতে আকৰ্ষণ কৰে। কিন্তু, পাছৰফালে নৈতিকতাক বিসৰ্জন দিয়াত সৌন্দৰ্য হ্ৰাস পালে। 'বৰ্ণমালা'ত ফুলমতী আৰু মথাইৰ জীৱনৰ পাঠশালাত শিক্ষা গ্ৰহণ, 'সি আৰু তেওঁ', গল্পত ধনী-দুখীয়াৰ মানসিকতা, 'মৰহা পাপৰি আৰু হেৰুৱা সুবাস'ত অৰ্থনৈতিক দুৰৱস্থা, 'তৃপ্তি'ত পাৰিবাৰিক সুখ শান্তিৰ সন্ধান, 'মাজনিশা তৰাই উচুপে'ত এগৰাকী চিত্ৰাভিনেত্ৰীৰ মানসিক অৱস্থা প্ৰতিফলিত হৈছে। সম-সাময়িক সমাজৰ চিত্ৰাংকণত আলিমুননিছা পিয়াৰে যোগ্যতা প্ৰদৰ্শন কৰিছে। দৈনন্দিন জীৱনৰ সৈতে জড়িত চৰিত্ৰসমূহ আকৰ্ষণীয়। 'ভ্ৰান্তি' এটা উপযুক্ত প্ৰতিনিধিমূলক গল্প আৰু লেখিকাৰ দৃষ্টিভঙ্গী বুজাত ই সহায়ক।

প্ৰণীতা দেৱী (১৯২২-) এগৰাকী ঔপন্যাসিকা হলেও তিনিখন চুটি গল্পৰ পুথিও প্ৰকাশ কৰিছে। পঞ্চাছৰ দশকৰ পৰা গল্প ৰচনা কৰা এই লেখিকা গৰাকীৰ প্ৰথম চুটি গল্পৰ পুথি "জয়হিন্দ" (১৯৬০), দ্বিতীয় "মৌচুম যেতিয়া নামে" (১৯৬৮) আৰু "অগ্নিকোণ" (১৯৬৯) তৃতীয় গল্প-গ্ৰন্থ। তেওঁৰ গল্পবোৰ চিত্ৰধৰ্মী। 'বিজয়াৰ মৰম', 'ফুলমণি' আদিৰ কৰুণ সুৰ আৰু 'অন্ত মিলিল'ৰ নিচিনা দুই এটা গল্পৰ ব্যঙ্গ-ভাবে সহজেই আকৰ্ষণ কৰে। তেওঁৰ বৰ্ণনাভঙ্গী সবল, ভাষাও কোমল। আঙ্গিকৰ দুৰ্বলতাই গল্পবোৰৰ সৌন্দৰ্য হ্ৰাস কৰিছে যদিও সংস্কাৰকামী মনোভাব প্ৰণীতা দেৱীৰ গল্পৰ মুখ্য সম্পদ। গল্পবোৰৰ অনাড়ম্বৰ ভাষা আৰু চিত্ৰধৰ্মিতাই গাঁও নগৰ উভয় পৰিবেশৰ কাহিনীক অনুভূতি প্ৰবন কৰি তুলিছে। স্বামীৰ সৈতে যুক্তভাবে প্ৰকাশিত "মধুপৰ্ক" (১৯৬৩) সংকলনতো 'মাটিৰ মৰম', 'নিৰলা দাৱনী', 'সমাধান বিচাৰি' আদি গল্পত তেওঁৰ বৈশিষ্ট্য অক্ষুণ্ণ আছে।

শুচিব্ৰতা ৰায়চৌধুৰী (১৯৩১-) আন এগৰাকী গল্পকাৰ। পঞ্চাছৰ দশকৰ আৰম্ভণিৰ পৰা গল্প ৰচনাত হাত দিয়া লেখিকাই পাছৰফালে লেখনি সামৰা বুলিয়েই ধৰিব পাৰি। ১৯৫৫ চনত প্ৰকাশিত 'বিদ্ৰুপ', 'তাগিদ' আদি গল্প কলা-কৌশলত সম্পূৰ্ণ নিখুঁত নহলেও প্ৰগতিকামী মনোভাব সুন্দৰকৈ প্ৰকাশ হৈছিল। শুচিব্ৰতা ৰায়চৌধুৰীৰ একমাত্ৰ গল্প সংকলন "সপ্তপৰ্ণা"ৰ (১৯৬১) গল্প সাতোটাৰ মাজতে প্ৰতিভাৰ পৰিচয় পোৱা যায়। ঘটনাৰ সবলতা আৰু চিত্ৰধৰ্মিতাই গল্পবোৰৰ আকৰ্ষণ বঢ়ালেও চৰিত্ৰাঙ্কণৰ অস্পষ্টতা আৰু দুৰ্বল কলা-কৌশলৰ বাবে "সপ্তপৰ্ণা" বহু পৰিমাণে অনুজ্জ্বল হৈ ৰ'ল।

কণু বৰুৱা (১৯৩১-) আলোচিত কালৰ এগৰাকী প্ৰসিদ্ধ গল্প লেখিকা। তেওঁৰ "শকুন্তলাৰ ডায়েৰী" (১৯৬০) আৰু "শৰ্বৰীৰ স্বপ্ন" (১৯৬৫) নামৰ সংকলন দুটাতে পঞ্চাছ আৰু ষাঠিৰ আগভাগৰ গল্পবোৰ প্ৰকাশ পাইছে। "শকুন্তলাৰ ডায়েৰী"ৰ সাতোটা গল্পৰ মাজত তেওঁৰ সামৰ্থ্য আৰু সম্ভাৱনাৰ পৰিচয় আছে। অনাড়ম্বৰ কথন পদ্ধতিৰে উৎকণ্ঠা অটুট ৰাখিছে যদিও কথা-বস্তুৰ বৈশিষ্ট্য চকুত নপৰে। মনস্তাত্ত্বিকতাৰ অভাৱ হলেও নাৰীৰ হৃদয় বৃত্তি প্ৰকাশত আৰু চৰিত্ৰাঙ্কণত তেওঁৰ দক্ষতা আছে। যৌনগন্ধী কাহিনীত আবদ্ধ নাথাকি বিভিন্ন বিষয়ত আলোকপাত কৰাত দৃষ্টিভঙ্গীৰ পৰিচয় ফুটি ওলাইছে। 'বকুল বাইদেউ' পঞ্চাছৰ দশকৰ এটা সুন্দৰ গল্প। "শৰ্বৰীৰ স্বপ্ন"ৰ গল্পবোৰ পঞ্চাছৰ দশকৰে ৰচনা। ইয়াত প্ৰকাশিত "বা-মাৰলী" গল্পটোৱেই লেখিকাৰ প্ৰথম গল্প বুলি জনা যায়। পাৰিবাৰিক জীৱনৰ বিসঙ্গতি এই গল্পটোৰ মূলবস্তু। 'অৱশেষত', 'মহীয়সী', 'দৃষ্টি', 'শুভবিবাহ' আদিত নাৰীমনৰ পৰিচয় পোৱা যায়। সংকলন দুটাৰ গল্পতকৈয়ো আলোচনীৰ পাতত থকা গল্পকেইটাহে সাৰ্থক হৈছে। 'অবগুণ্ঠন', 'সংগোপনে', 'এজোপা গছৰ ছাঁত', 'বৰ্ত্তিলৈ ক্ষমা প্ৰাৰ্থনাৰে' আদি কণু বৰুৱাৰ প্ৰতিনিধিমূলক গল্প। মধ্যবিত্ত জীৱনৰ চিত্ৰাঙ্কণত তেওঁ নিজকে সংবেদনশীল লেখিকাৰূপে প্ৰতিষ্ঠা কৰিব পাৰিছে।

অনু বৰুৱাৰ গল্প পুথি "আৰ্হিঘৰ" (১৯৬১) বাইছটা গল্প আৰু চিত্ৰ জাতীয় ৰচনা। লেখিকাই নিজে 'মনোহৰ' 'ন-বোৱাৰী' আদিক গল্পৰ শিতানত ধৰা নাই। ইয়াৰ উপৰিও 'মই আৰু মোৰ পৰিয়াল', 'মইনা' আদি ব্যক্তিনিষ্ঠ নিবন্ধৰ শাৰীৰ ৰচনাহে। 'অজনু বেদনা', 'অশান্ত বেদনা', 'আলহী', 'উকা পৃথিৱী', 'অপৰিচিতা', 'এক বিনিদ্ৰ ৰজনী' আদি গল্পৰ শাৰীত উঠিছে। চৰিত্ৰ বিশ্লেষণত তেওঁ কৃতকাৰ্য হৈছে যদিও দ্বন্দ্ব ফুটাই তোলাত সফল হোৱা নাই। কলা-কৌশলৰ দুৰ্বলতা আৰু যুক্তিহীন বিষয়বস্তুৰ সৈতে অন্ধবিশ্বাসী মনোভাবে অনু বৰুৱাৰ গল্পৰ সৌন্দৰ্য লাঘৱ কৰিছে।

লক্ষহীৰা দাসেও (১৯৩৩-) পঞ্চাছৰ দশকত কেইটামান গল্প ৰচনা কৰি সুধী সমাজৰ প্ৰশংসা লাভ কৰিছিল। "তাপসী" তেওঁৰ একমাত্ৰ গল্পৰ পুথি। পাছলৈ গল্প ৰচনাৰ পৰা আঁতৰি আহি কাব্য জগতত তেওঁক মনপুতি লগা দেখা গ'ল।

পঞ্চাছৰ দশকত দুই এটা গল্প ৰচনা কৰা লেখিকাৰ ভিতৰত ইকবাল কৌৰ ('কাশী আৰু জ্যোৎস্না' ১৯৫১); বিণি বৰুৱা ('অতৃপ্ত তৃপ্তি' ১৯৫৬); চপলা দাস ('অবাঞ্চিত' ১৯৫১); তৃপ্তি গোস্বামী ('অপ্ৰত্যাশিত' ১৯৫১), নিৰুপমা ফুকনৰ ('মধু মালতীৰ চিঠি') নাম লব পাৰি।

"ৰামধেনু"ৰ পাতত পঞ্চাছৰ দশকত প্ৰবেশ কৰি পাছৰ দশক কেইটাত প্ৰতিষ্ঠা লাভ কৰি শীৰ্ষ স্থানলৈ অহা তিনি গৰাকী প্ৰধান গল্প লেখিকা হ'ল, স্নেহ দেৱী, নীলিমা শৰ্মা আৰু নিৰুপমা বৰগোহাঞি। আন কেইগৰাকীমান প্ৰসিদ্ধ গল্প-লেখিকা হ'ল,-মামণি ৰয়ছম গোস্বামী; অণিমা দত্ত, বাসন্তী বৰুৱা, আৰতি দাস বৈৰাগী, প্ৰবীণা শইকীয়া, ডলী তালুকদাৰ, চিত্ৰলতা ফুকন, মিনতি হাজৰিকা, ফুল বৰা আৰু দীপালি ডেকা। বৰ্তমান সময়ত এইসকল লেখিকাৰ দানেৰে অসমীয়া গল্প-সাহিত্য সমৃদ্ধ হৈছে।

প্ৰবীণা শইকীয়াৰ "চিত্ৰ তুৰগ" (১৯৭৯) নামৰ সংকলনত বাৰটা গল্পই স্থান পাইছে। পঞ্চাছৰ দশকৰ শেষৰপৰা ষাঠি দশকৰ আগভাগত ৰচিত এইকেইটা গল্পই লেখিকাক প্ৰতিনিধিত্ব কৰিব পৰা বিধৰ। সংকলনটোৰ শ্ৰেষ্ঠ গল্প 'চিত্ৰতুৰগ'ত অৰুণিমা নামৰ এগৰাকী নাৰীৰ চাৰিত্ৰিক বৈশিষ্ট্য, বিমল নামৰ প্ৰবীন শিল্পীৰ প্ৰতি গোপন অনুৰাগ, তাইৰ প্ৰেমৰ স্বৰূপ আদিৰ মাজত মনস্তাত্বিক দিশ উজ্জল হৈ উঠিছে। মানবীয় গুণৰ প্ৰকাশ গল্পটোৰ বৈশিষ্ট্য। 'ৰামৰাজ্য'ত নাৰী শিক্ষিতা হলেও বিয়াৰ পাছত পাকঘৰ কেন্দ্ৰিক হব লগা অৱস্থাৰ বৰ্ণনা আৰু 'পলাশ'ত মধ্যবিত্ত সমাজত মহিলাৰ অৱস্থা পৰিস্ফুট হৈ উঠিছে। 'কোটকোৰা কাঁইট' গল্পত সাধাৰণ গৃহিণী নাৰীৰ জগতখনৰ চিত্ৰ, স্বামীৰ অন্য নাৰীৰ প্ৰতি অনুৰাগ অহেতুক ধাৰণা কৰি সৃষ্টি হোৱা মনোমালিন্যই প্ৰাধান্য বিস্তাৰ কৰিছে। গল্পটো নাৰী চৰিত্ৰৰ প্ৰতিনিধিমূলক হৈছে। 'এসময়ত এখন দেশত' জানকীৰ চৰিত্ৰায়ন; 'অভিষেক'ত শ্ৰীমতী চলিহাৰ চাৰিত্ৰিক প্ৰকাশ; 'ৰথ'ত বিগত যৌৱনা জীয়াৰীক দেখি দেখি পূৰ্বতে কৰা ভুলৰ অনুতাপ আদিৰ দ্বাৰা লেখিকাই নিজৰ সংবেদনশীলতা প্ৰকাশ কৰিছে। 'এটা পাৰ চৰাই'ত নাৰীৰ মানসিকতা প্ৰকাশ পাইছে আৰু প্ৰতীকী অৰ্থও বিদ্যমান। 'অতিথি', 'পালতৰা নাও', 'ৰাজকন্যা', 'সাৰথি', 'চৌৰেৱতি, 'কবৰ কাসেৰি সাৰ' ইত্যাদি গল্পত সাৰ্থকতা লাভ কৰিছে। প্ৰবীনা শইকীয়াৰ গল্পসমূহ অনুভূতি প্ৰৱন, সহানভূতিশীল আৰু দুখ-বাহক। নাৰী চৰিত্ৰ চিত্ৰনত তেওঁ সফলতা লাভ কৰিছে।

ডলী তালুকদাৰৰ প্ৰকাশিত পুথি "মধুলেখা" (১৯৬৩) পোন্ধৰটা গল্পৰ সংকলন। পঞ্চাছৰ দশকৰ পৰা ৰচনা কৰা গল্প সমূহতো নাৰী চৰিত্ৰৰে প্ৰাধান্য দেখা যায়। গল্পবোৰ সুখপাঠ্য। ব্যক্তিগত চিন্তা আৰু ভাবপ্ৰবণতাৰ মাজত দৈনন্দিন জীৱনযাত্ৰাৰ ছবি ফুটি ওলাইছে। কথনভঙ্গীৰ সাৱলীলতা আৰু ভাষাৰ নিমজৰূপ তালুকদাৰৰ গল্পৰ বৈশিষ্ট্য। চৰিত্ৰ চিত্ৰনতো তেওঁ দৃষ্টি ৰাখিছে আৰু প্ৰতিটো চৰিত্ৰৰ প্ৰতি সমব্যথা অনুভৱ কৰিব পৰা হৈছে। ছোৱালীবিলাকৰ বিয়াৰ আগৰ আৰু পাছৰ মানসিক অৱস্থা, ভাব-কল্পনা, পৰিবেশৰ সৈতে খাপ খাবলৈ কৰা প্ৰচেষ্টা আদি একাধিক গল্পত পোৱা যায়। তেওঁৰ শেহতীয়া গল্প,-'অৰূপ পোহৰ বন্দুত আন্ধাৰ', 'স্বাক্ষৰ', 'কালস্ৰোত' 'মনালিচাৰ হাঁহি', 'নিষ্প্ৰদীপ' আদি গল্পৰ মাজত লেখিকাৰ দৃষ্টি-ভঙ্গী প্ৰকাশ পাইছে।

বাসন্তী বৰুৱা এগৰাকী সাৰ্থক গল্প-লেখিকা। "ঘৰচিৰিকাৰ কান্দন" (১৯৮০) প্ৰকাশিত গল্প-সংকলন। এই গ্ৰন্থৰ ষোলটা গল্পৰ চৈধ্যটাই ষাঠিদশকৰ ৰচনা। সম-সাময়িক কাকত পত্ৰত প্ৰথমে প্ৰকাশ পোৱা এই গল্পসমূহে লেখিকাক প্ৰতিষ্ঠিত কৰি তুলিছে। 'ঘৰ চিৰিকাৰ কান্দন' এটা প্ৰধান গল্প। হৰতাল, বন্ধ আদিয়ে সাধাৰণ মানুহক ক্ষতিগ্ৰস্ত কৰাৰ এখন নিকৰুণ ছবি ইয়াত ফুটি ওলাইছে। এজন সাধাৰণ তামোল পান দোকানী নাৰায়ণক কেন্দ্ৰ কৰি ৰচনা কৰা গল্পটোৰ আবেদন সুন্দৰ। নাৰায়ণৰ উৎকট, নিকৰুণ দাৰিদ্ৰৰ ৰূপ প্ৰকাশ পাইছে যৈণীয়েকৰ 'চিৰাৰ দৰে চেপেটা হৈ যোৱা শুকান স্তনত শিশুৱে একো বিচাৰি নোপোৱা অৱস্থাত। বাসন্তী বৰুৱাৰ এই গল্প অসমীয়া গল্পৰ ভিতৰতে এটা উল্লেখযোগ্য গল্প। 'মানুহ' গল্পত এজন দোকানীৰ দৃষ্টিত মানুহৰ ৰূপ; 'হৃদয়ৰ দামত অতিথি পৰায়ণ লোক এজনৰ প্ৰতি দাৰিদ্ৰৰ উপহাস, 'বেৰ' গল্পত জাত-পাতৰ সমস্যা, 'ঋণ' গল্পৰ দাৰিদ্ৰৰ মাজত দুৰ্ভাগ্যৰ চিত্ৰ প্ৰকাশ কৰাত লেখিকা কৃতকাৰ্য হৈছে। 'অন্যৰূপা'ত শিক্ষয়িত্ৰী শৈলবালাৰ দুইপুত্ৰ আৰু বোৱাৰীৰ পৰা পোৱা ব্যৱহাৰ অতি মৰ্মন্তুদ হৈছে। 'আবৰ্ত্তন', 'ভগ্নী' আদিৰ মাজত নাৰী-মানসিকতাৰ পৰিচয় আছে। 'ত্ৰিকোণী'ত মহ এজনীক কেন্দ্ৰ কৰি নাৰীৰ মনত জাগি উঠা ঈৰ্ষাৰ অস্বাভাৱিক ৰূপ প্ৰকট হৈ পৰিছে। 'সম্ৰাট'ত অৱসৰ প্ৰাপ্ত এগৰাকী পিতৃৰ মানসিক চিত্ৰন সুন্দৰ হৈছে। 'বিষণ্ণ দিৱস' 'সুচিত্ৰাৰ সপোন', 'বন্ধু-বতাহ', 'মন ফাগুণৰ ৰং' 'নতুন সোণালী পুৰা', 'মালিনী চৌধুৰী' আদি বাসন্তী বৰুৱাৰ প্ৰসিদ্ধ গল্প। এই গৰাকী লেখিকাই চাৰিত্ৰিক বৈশিষ্ট্য প্ৰকাশত সতৰ্কতাৰে আগবাঢ়ি গৈছে। কিন্তু, কলা-কৌশলৰ প্ৰতি বিশেষ নজৰ ৰখা যেন নালাগে। বাসন্তী বৰুৱাৰ সামাজিক দায়বদ্ধতা আৰু প্ৰগতিবাদী প্ৰকাশ লক্ষ্যণীয়। নিম্নবিত্ত চৰিত্ৰ চিত্ৰন আৰু নাৰী মনৰ অভিব্যক্তি প্ৰকাশত দক্ষতা দেখা যায়।

অণিমা দত্ত (১৯৩৮-) ষাঠিৰ দশকত প্ৰতিষ্ঠা লাভ কৰা আন এগৰাকী সুদক্ষ গল্প-লেখিকা। পঞ্চাছৰ দশকত "অসমবাণী" কাকতত নিয়মীয়াকৈ গল্প ৰচনা কৰি খ্যাতি অৰ্জন কৰা অণিমা ভৰালীৰ (দত্ত) একমাত্ৰ গল্প সংকলন খনৰ নাম, "বেলি ফুলৰ সপোন" (১৯৬৩)। এই গ্ৰন্থত মাত্ৰ বাৰটা গল্পইহে স্থান পাইছে। এই সংকলনৰ এটা প্ৰধান গল্প 'বেলিফুলৰ সপোন'ত এজনী ইংৰাজ ছোৱালী অসমীয়া পৰিয়াল এটাত লালিত-পালিত হৈছে আৰু তাইৰ মনৰ কথাই গল্পটোৰ মূল বিষয়। 'আক্ষেপ'ত ভদ্ৰবামক যৈণীয়েকে ভাও লবলৈ নিদিলে, কিন্তু সেই ভাও লৈ অন্য এজনে খ্যাতি অৰ্জাত ঈৰ্ষান্বিত হৈ 'অহা বছৰলৈ তুমি ভাও নললে মই ভাওনা চাবলৈ নাযাওঁ' বুলি আক্ষেপ কৰিছে। এই মনোভাবৰ মাজত নাৰীৰ মনস্তাত্ত্বিক দিশ উন্মোচিত হৈছে। 'অনিৰ্ব্বন্ধ' নামৰ গল্পত ললিতা নামৰ এগৰাকী নাৰীৰ কৰুণ ছবি অঙ্কিত হৈছে। নাৰীৰ প্ৰতি অৱহেলা, অবিচাৰ আদিয়ে গল্পত ঠাই পাইছে। ললিতা আনৰ ঘৰত আশ্ৰিতা আৰু নিম্নবংশীয় ললিতাক সেই ঘৰৰে উচ্চবংশীয় মৃণালে ভাল পাই বিয়া কৰাবলৈ ওলোৱাতে গল্পৰ সংঘাত প্ৰকাশ পাইছে। নাৰীৰ অধিকাৰৰ পক্ষপাতী লেখিকাই নায়িকাক অৱহেলিত নাৰীৰ প্ৰতীক ৰূপেহে অংকণ কৰিছে। নিঃসন্দেহে এইটো এটা ভাল গল্প। 'অৱশ্যম্ভাৱী' গল্পতো নাৰী মনৰ আকাংক্ষা চম্পাকলি নামৰ এজনী ছোৱালীৰ চৰিত্ৰাঙ্কণত প্ৰকাশ কৰিছে। সাধাৰণ ছোৱালীজনীয়ে গাঁৱৰ চিকিৎসালয়ৰ ডাক্তৰ বাজীৱক মনে মনে ভাল পাইছিল। তাইৰ প্ৰতি ডাক্তৰৰ ব্যৱহাৰক প্ৰেমৰ প্ৰকাশ বুলি ধৰি লৈছিল। কিন্তু এদিন বিবাহ স্থিৰ হোৱা তাৰ প্ৰেমিকাৰ ফটোখন দেখি 'আপুনি মোৰ লগত তেনেহলে কিয় যেমালি কৰিলে ইমানদিনে' বুলি ক্ষোভ প্ৰকাশ কৰি তাই হতাশ

হৈ পৰিছে। একপক্ষীয় প্ৰেম বা এনেধৰণৰ গোপন কামনা অৰ্থহীন ৰূপেই গল্পটো চিত্ৰিত হৈছে। নাৰীমনৰ অভিব্যক্তি প্ৰকাশক আৰু আশাভঙ্গৰ কাহিনী 'অন্ত আকাশ' গল্পটোত প্ৰকাশ পাইছে। নায়িকা বনজা আৰু কবি ড° পলাশৰ মাজত চিঠিৰ আদান-প্ৰদান চলাৰ বহুত দিনৰ পাছত পলাশ বিবাহিত বুলি জানিব পাৰি এইদৰে আশাভঙ্গ হৈছে। গল্পটো সুখপাঠ্য। 'মোৰ তীৰ্থত পিতৃ মাতৃহীনা মোমায়েকৰ ঘৰত আশ্ৰিতা কৰবীক সৌন্দৰ্যৰ বাবেই বিলাতত চাকৰি কৰা যুৱকে আদৰি লৈছে। সংঘাত নাথাকিলেও ইয়াৰ তৃপ্তিদায়ক পৰিণতিৰ আকৰ্ষণ আছে। অণিমা দত্তৰ শ্ৰেষ্ঠ গল্পৰ অন্যতম 'অকস্তুদ'ত চাৰিবছৰীয়া মধুমিতা নামৰ দুৰ্ঘটনাত মৃত্যুবৰণ কৰা ছোৱালী এজনীক জীৱত ৰাখি কাহিনী আৰু চৰিত্ৰৰ বৈশিষ্ট্য প্ৰকাশ পাইছে। মুখ্য চৰিত্ৰ অশোকৰ মানসিক চিত্ৰনৰ মাজত এক দুখাত্মক অন্তৰ্দ্বন্দ্ব দেখা যায়। 'এনেকৈয়ে জীৱনৰ দিনবোৰ' এটা পাৰিবাৰিক গল্প। এই শেহতীয়া গল্পটোত পুত্ৰ-কন্যা-স্বামীৰে পৰিপূৰ্ণ সংসাৰৰ প্ৰতি দায়িত্ব আৰু কৰ্তব্য বোমন্থনত এগৰাকী গৃহিণী নাৰীৰ মানসিকতা প্ৰকাশ পাইছে। এদিন এই নাৰীবো মৃত্যু হব আৰু সেইদিনা বিদেশত থকা পুত্ৰই বিদেশিনী পত্নীৰ আগত দুখ প্ৰকাশ কৰিয়েই ক্ষান্ত থাকিব বুলি আগতীয়াকৈ কল্পনা কৰি লৈছে। গল্পটোত জীৱনৰ অসাৰতা উপলব্ধিৰ মাজত গভীৰ দুখ উপলব্ধি কৰা যায়। 'আকাশ লীনা' গল্পত লীনা চৰিত্ৰৰ সবলতা, পৰিস্থিতিৰ সৈতে যুদ্ধ কৰাৰ সাহস, দুশ্চৰিত্ৰৰ ওচৰত আত্ম সমৰ্পণ নকৰাৰ মনোবল বৈশিষ্ট্যময় হৈ উঠিছে। 'সূৰ্য-সম্ভৱা', 'সীমাৰ সিপাৰে', 'অৱগাহন' আদি গল্পতো বৈশিষ্ট্য প্ৰকাশ পাইছে। অণিমা দত্তৰ গল্প বিলাক চৰিত্ৰ প্ৰধান হোৱাত আকৰ্ষণ বৃদ্ধি পাইছে আৰু স্পষ্ট হৈ উঠিছে। ভাষাৰ সাৱলীলতা আৰু কলা কৌশলৰ সবলতা লক্ষ্যণীয় হৈ উঠিছে। গল্প ৰচনাত অণিমা দত্ত কৃতকাৰ্য হৈছে।

মামণি ৰয়চম গোস্বামী (১৯৪১-) গল্প আৰু উপন্যাস ৰচনাৰে অসমীয়া সাহিত্যত প্ৰসিদ্ধি লাভ কৰা এগৰাকী প্ৰধান লেখিকা। প্ৰথমাৱস্থাত তেওঁ গল্প লেখিকা হিচাপেই আত্ম প্ৰকাশ কৰে। "চিনাকি মৰম" (১৯৬২) "কইনা" আৰু "হৃদয় এক নদীৰ নাম" (১৯৯০) তেওঁৰ প্ৰকাশিত গল্প-গ্ৰন্থ। মামণি ৰয়চমৰ গল্পত বিভিন্ন ধৰণৰ চৰিত্ৰ সৃষ্টি, কাহিনী কথন আৰু বিশ্লেষণত কৃতিত্ব দেখা যায়। সমালোচক ত্ৰৈলোক্যনাথ গোস্বামীয়ে কৈছে,–"মামণি গোস্বামীৰ অভিজ্ঞতাৰ ক্ষেত্ৰ বহল। জীৱনৰ বিভিন্ন স্তৰৰ নৰ-নাৰীৰ চাৰিত্ৰিক বিশ্লেষণৰ চেষ্টা তেওঁৰ গল্পত দেখিবলৈ পোৱা যায়।"[১০] চৰিত্ৰৰ বৈশিষ্ট্য ফুটাবলৈ যাওঁতে তেওঁ হঠাতে গল্পৰ কাহিনীৰ সীমা অতিক্ৰম কৰি ঔপন্যাসিকাৰ স্তৰলৈ গতি কৰা দেখা যায়। 'বছিৰুদ্দিনৰ চকু', 'নাওঠ চহৰ', 'হৃদয়' আদি এই পৰ্যায়ত পৰে। মামণি গোস্বামীৰ 'কইনা', 'বীজাণু', 'চিনাকি মৰম', 'অনীতা আৰু ইকবাৰ বেৰ', 'বিনিকি বিনিকি দেখিছোঁ যমুনা', 'আভা গাৰ্ডেনাৰৰ চকুপানী' ইত্যাদি গল্পত চৰিত্ৰ চিত্ৰন আৰু কলা কৌশলত কৃতকাৰ্যতা পৰিলক্ষিত হৈছে। ধনীৰ দুলালী অনীতাই দুখীয়া পৰিয়ালৰ বাসবৰ প্ৰতি অনুৰক্তা হৈ বিয়া কৰালে আৰু পৰিয়ালটোত খাপ খাব নোৱাৰি অসন্তুষ্ট হৈ পৰিছে 'অনীতা আৰু ইকবাৰ বেৰ' গল্পত। বাজু নামৰ বনকৰা ল'ৰা এটাক অপবাদ দি খেদি পঠালে। কিন্তু, হেৰুৱা বুলি কোৱা টকা কুৰিটাৰ ঠাইত বাজুৱে দৰ্মহাৰ পইচাৰ পৰা কুৰিটকা অনীতাৰ গাৰুৰ তলত থৈ বিদায় ললে। এই ঘটনাই তাইক গভীৰ আঘাত কৰিলে আৰু বাজুৰ ওচৰত তাই বেয়াকৈ হাৰি গ'ল। এই বেদনাবোধেই গল্পটোৰ মূল আবেদন। অৱশ্যে গল্পৰ বক্তব্য প্ৰকাশ পাইছে কেইটামান

---

১০. ত্ৰৈলোক্য নাথ গোস্বামী, 'অসমীয়া চুটি গল্পৰ বিকাশ", "প্ৰকাশ", ১০ ম বছৰ, ১ম সংখ্যা, ১৯৮৪

কামকৰা ল'ৰাৰ কথোপ-কথনত। "গলিৰ মানুহ বেয়া হোৱাৰ এটা সীমা থাকে; কিন্তু দালানৰ ওপৰৰ মানুহ বেয়া হলে পশুতকৈও অধম হৈ পৰে।" 'আভা গাৰ্ডেনাৰৰ চকুপানী' গল্প এজনী সুন্দৰী বাৰবণিতাক কেন্দ্ৰ কৰি ৰচিত। ঠগ-প্ৰবঞ্চনা, হ্লাব, সুৰা আৰু নাৰী কেন্দ্ৰিক গল্পটো সাৰ্থক আবেদন যুক্ত হৈ পৰিছে। 'ৰিণিকি ৰিণিকি দেখিছোঁ যমুনাত কিশোৰীৰ হৃদয়ৰ প্ৰেমৰ প্ৰথম উন্মেষৰ ছবি অংকিত হৈছে আৰু চঞ্চল প্ৰাণত বন্দিনী প্ৰাণক উন্মুক্ত কৰাৰ বাসনা প্ৰকাশ হৈছে। 'বৈৰাগী ভোমোৰাত' বৃন্দাবনলৈ চল কৰি নিয়া এজনী বাল বিধৱাক কলিকতা চহৰত জগদীশ নামৰ এজন অসমীয়া যুৱকে উদ্ধাৰ কৰি অসমলৈ ঘূৰাই পঠোৱাৰ কাহিনী উপন্যাসিকা ধৰ্মী। গল্পটোত জগদীশক জয়ন্তী নামৰ এই বাল বিধৱাই অনুপ্ৰাণিত কৰি দেশপ্ৰেমিক কৰি তোলাৰ ইঙ্গিত অৰ্থবহ। 'মাইচান পুৰৰ হৰ গৌৰীত চৌধুৰী আৰু পত্নীৰ ত্যাগ আৰু জনহিতকৰ কামৰ বৰ্ণনা– আৰু আদৰ্শৰ পতনমুখী স্বৰূপ এটাৰ ইংগিত বহন কৰিছে। চৰিত্ৰৰ খুঁতি-নাতি দাঙি ধৰি আকৰ্ষণীয় কৰি তোলাৰ যত্ন ৰয়ছম গোস্বামীৰ প্ৰায়বোৰ গল্পতে পোৱা যায়। এইটোৱেই তেওঁৰ গল্পবোৰৰ প্ৰধান বৈশিষ্ট্য। ভাষাৰ ক্ষেত্ৰত ওজস্বী শব্দ চয়ন আৰু বহুবৰ্ণী প্ৰকাশ- ভঙ্গীয়ে সৰস কথকতা আনি দিছে। কিন্তু, তেওঁৰ ৰচনাত ঠায়ে ঠায়ে ভাষাৰ অশুদ্ধতাই মূল আকৰ্ষণৰ সৌন্দৰ্য লাঘব কৰা দেখা যায়।

আৰতি দাস বৈৰাগী গল্প লেখিকা হিচাপে সু-পৰিচিতা : "নদীৰ নাম তৃষ্ণা" (১৯৬৬) আৰু "ৰত্না বাসন্তী প্ৰিয়া" (১৯৬৭) গল্প সংকলন দুটাৰ বাহিৰেও ভালেমান গল্প আলোচনীৰ পাতত সিঁচৰতি হৈ আছে। আৰতি বৈৰাগীৰ গল্পত নাৰী মনৰ বিভিন্ন অভিব্যক্তি প্ৰকাশ পোৱা দেখা যায়। 'দেৱী', 'এৰাতি, ফুল শয্যাৰ ৰাতি', 'চম্পাকলিৰ মন', 'ৰত্নাবাসন্তী প্ৰিয়া' আদি গল্পত এনে অভিব্যক্তি উপযুক্তভাবে প্ৰকাশ পাইছে। পুৰুষ চৰিত্ৰৰ ওপৰতো তেওঁৰ আলোকপাত লক্ষ্যণীয়। 'মেঘে ঢকা তৰা'ত নাটকত কামকৰা সকলো ছোৱালী একে বুলি ভৰা প্ৰেছ-ফটোগ্ৰাফাৰজনৰ সুবিধা গ্ৰহণকাৰী চৰিত্ৰৰ দৰে একাধিক চৰিত্ৰৰ ৰূপায়ন হৈছে। 'দেৱী'ত মধ্যবিত্ত মানসিকতাত এজনী ৰূপহী গাভৰুৱে আদহীয়ালোকক বিয়া কৰাই অসন্তুষ্ট হৈ গোপন অভিসাৰত লিপ্ত হৈছে। কিন্তু দেৱতুল্য গিৰিয়েকৰ মৃত্যুতহে দেৱতাজ্ঞান কৰি নিজ কৰ্মৰ বাবে অনুতপ্ত হোৱাৰ কাহিনী পোৱা যায়।·'এৰাতি, ফুলশয্যাৰ ৰাতি'ত এজনী ঘৰে ঘৰে বস্ত্ৰ বিক্ৰী কৰি জীৱন নিৰ্বাহ কৰা গাভৰুৱে প্ৰেমিকৰ দ্বাৰা প্ৰতাৰিতা হৈ প্ৰতিদ্বন্দ্বীক হত্যা কৰিব খুজি অসফল হৈছে আৰু মানৱতাই জয়লাভ কৰাত মহীয়সী নাৰীলৈ পৰিণত হৈছে। 'ললিত চৌধুৰী'ত এগৰাকী বেদনা কাতৰ অভিনেত্ৰীৰ মনোজগতৰ সন্ধান পোৱা যায় আৰু ই এটা ভাল গল্প। 'সুৱাগমণি' ৰসাল বৰ্ণনা শক্তিৰ পৰিচায়ক আৰু শ্বেত কুষ্ঠৰ কবলত পৰা এগৰাকী গাভৰুৰ মন আৰু হৃদয়ৰ সংবাদ, যৌৱনৰ কামনা-বাসনাৰ আহ্বানৰ কঠোৰ চিত্ৰন। নাৰী মনৰ সংবাদ আৰু সংবেদন গল্পটোত ফুটি ওলাইছে। 'ৰাজকন্যা' 'চম্পাকলিৰ মন', 'ৰত্না-বাসন্তী-প্ৰিয়া' আদি গল্পত নাৰীৰ চাৰিত্ৰিক বৈশিষ্ট্য প্ৰকাশ পাইছে। শেষৰ গল্পটোত ভোক নিবাৰণৰ বাবে মাকৰ দৰেই দেহ ব্যৱসায় কৰা ৰত্না, প্ৰেমত পৰি দৰিদ্ৰ শিল্পীক বিয়া কৰাই শিল্পীৰ দীৰ্ঘদিনীয়া বেমাৰত দেহ বিক্ৰি কৰি আকাল মৃত্যুক সাৱটি লোৱা বাসন্তী আৰু এই পথত বন্তিৰ ছোৱালী প্ৰিয়াৰ উজলি যোৱা জীৱন আৰু চাৰিত্ৰিক সংঘাত প্ৰকাশ পাইছে। 'নদীৰ নাম তৃষ্ণা', 'পৰমাৰ কথা', 'অনুভৱ', 'বৈদেহী' আদি গল্পৰ মাজত লেখিকাই স্ব-প্ৰতিভাৰ নিদৰ্শন দেখুৱাব পাৰিছে। বৈৰাগীৰ ভাষা অনাড়ম্বৰ হলেও আকৰ্ষণীয়। নাৰীমনৰ বিভিন্ন দিশত আলোক পাতেই তেওঁৰ গল্পৰ বৈশিষ্ট্য।

চিত্ৰলতা ফুকনৰ (১৯৩৬-) গল্পৰ সংখ্যা বৰ বেছি নহলেও প্ৰগতিশীল লেখিকা হিচাপে তেওঁ পৰিচিতা। গাৰ্হস্থীয়া জীৱনৰ চিত্ৰ দাঙি ধৰাত তেওঁক সফলতা লাভ কৰা দেখা যায়। উদাহৰণ স্বৰূপে 'অৰবিন্দ চলিহাহঁতৰ নেমু নদীয়াল ভ্ৰমণৰ অভিজ্ঞতা' শীৰ্ষক গল্পটোকে লব পাৰি। ৰচনাত বৈচিত্ৰ নাথাকিলেও চহৰীয়া মানুহৰ বিলাস, মানসিকতাৰ লগতে গাৰঁৰ জৰাজীৰ্ণ চেহেৰাৰ বৰ্ণনা আৰু গ্ৰামীণ সৰলতা সুন্দৰকৈ ফুটি ওলাইছে। 'পাগলা দিয়াৰ ভূত', 'বিস্ময়', 'এৰাতিৰ ইতিহাস' ইত্যাদি উল্লেখযোগ্য গল্পৰ ভিতৰত পৰে।

মিনতি হাজৰিকাও ষাঠিদশকৰে এগৰাকী গল্প লেখিকা। নিৰ্বাচিত গল্পৰ সংকলন "মমতাৰ বাতৰি"ত (১৯৬৭) প্ৰকাশিত গল্পকেইটাত তেওঁৰ গল্প-প্ৰতিভাৰ পৰিচয় আছে। 'এই উপলব্ধি, জীৱনৰ', 'ইন্টাৰ ভিউ', 'দুৱাৰখন মই খুলি দিলোঁ' আদি লেখিকাৰ প্ৰতিভাৰ পৰিচয় জ্ঞাপক গল্প। চহৰীয়া মধ্যবিত্ত জীৱনৰ চিত্ৰ তেওঁৰ গল্পত অঙ্কিত হৈছে।

দীপালি ডেকাৰ (বৰা) আন এগৰাকী সফল গল্প-লেখিকা। পঞ্চাছৰ দশকৰ পৰা গল্প-জগতত প্ৰবেশ কৰা এই গৰাকী লেখিকাই ষাঠিৰ দশকটোত গল্পত এটা সুন্দৰ খোপনি পোতা দেখা গ'ল। তেওঁৰ গল্পবোৰত বৰ মানুহৰ গোপন স্বৰূপ, আধুনিক শিক্ষাৰ নৈতিকতাহীন চৰিত্ৰ, ডা-ডাঙৰীয়াৰ ৰাজভক্তি, তথাকথিত শক্তি প্ৰদৰ্শন আদিয়ে স্থান পাইছে। 'প্ৰেম আৰু পৰিচয়', গল্পত বৰ মানুহৰ স্বৰূপ উদঙাই দিয়া হৈছে। 'দূৰৰ পাহাৰ'ত খেতিয়ক ল'ৰাক পৰিয়ালে কষ্ট কৰি ডাক্তৰী পঢ়াই উপযুক্ত কৰাৰ পাছত দিল্লীৰ গাভৰু বিয়া কৰাই দৰিদ্ৰ পৰিয়ালৈলে পিঠি দি আমেৰিকা গমন আৰু তাৰফলত ভাতৃয়ে বিপথে ধন ঘটি পৰিয়াল পোষণ কৰিব লগা দুৰাৱস্থাৰ মাজত আধুনিক শিক্ষাৰ অন্তঃসাৰশূণ্যতা আৰু আধুনিকতাৰ নামত সমাজ-সংঘাতৰ কৰুণ ৰূপ এটা প্ৰদৰ্শিত হৈছে। 'ৰাণীৰ পেম'ত প্ৰেমৰ গভীৰতা ৰাণীৰ চৰিত্ৰত প্ৰকাশ পাইছে। 'সেতা জবা', 'হাইৰ মগুহ', 'কালস্ৰোত', 'চিকাৰ' আদি দীপালি ডেকাৰ লেখত লব লগীয়া গল্প।

ফুল বৰাৰ (১৯৩৯-) গল্প সংখ্যা যথেষ্ট। পঞ্চাছৰ দশকতে আবিৰ্ভাৱ ঘটা লেখিকাৰ 'বিকল্প', 'সুন্দৰ কেতেকী' আদি প্ৰথমাৱস্থাৰ গল্প। তেওঁৰ প্ৰকাশিত গল্প সংকলন "সৰাফুলৰ সুৰভি" আৰু "প্ৰেম যুগে যুগে"। ফুল বৰাৰ গল্প কোমল-ভাষা আৰু সৰল-চৰিত্ৰাঙ্কনৰ চানেকি স্বৰূপ। নাৰীৰ জীৱন আৰু অনুভূতিৰ চিত্ৰনত তেওঁ কৃতকাৰ্য হৈছে। কেইটামান মনত লগা গল্পৰ ভিতৰত 'গতি'ত গুৱাহাটী মহানগৰীৰ পৰিবৰ্তিত ৰূপ ফুটি ওলাইছে। মধ্যবিত্ত মানসিকতাৰ কদৰ্যৰূপ প্ৰকাশক গল্প 'প্ৰত্যাবৰ্তন'ত স্বামীয়ে নিজৰ প্ৰতিষ্ঠাৰ বাবে পত্নীক ওপৰৱালাৰ ওচৰলৈ পঠাবলৈ চেষ্টা কৰি অকৃতকাৰ্য হোৱাৰ কাহিনী বৰ্ণিত হৈছে। সকলো নাৰী যে পণ্য সামগ্ৰী নহয় তাকেই এই গল্পত দাঙি ধৰা হৈছে। 'বিষ' গল্পত পো-বোৱাৰী, নাতি-নাতিনীৰ দ্বাৰা পৰিবেষ্টিত হৈও অকলশৰীয়া অনুভৱ কৰা চাৰিকুৰি বছৰীয়া বৃদ্ধৰ মানসিক অনুভূতি প্ৰকাশ পাইছে। 'বৈদিহী আত্মাৰ উচুপনি'ত দুগৰাকী বান্ধৱীৰ অতীত স্মৰণত দুখজনক অৱস্থা চিত্ৰিত হৈছে। ফুল বৰাৰ গল্প সৰল। তেওঁ মানসিক-সংঘাত, চৰিত্ৰাঙ্কণ, কাহিনী আদিত নিখুঁত ছবি আঁকিব পৰা নাই। কলা-কৌশলৰ প্ৰতি ফুল বৰা বিশেষ ভাবে সচেতন নহয়।

উমা বৰুৱাৰ (১৯২৭-) ঔপন্যাসিকাহে। উপন্যাসৰ আৰ্হিত ৰচনা কৰা তেওঁৰ "শেষ সূৰ্যৰ বেঙুনি" (১৯৬৩) আৰু "নতুন দিগন্ত বিচাৰি" (১৯৬৬) দুটা দীঘল গল্প।

চৰিত্ৰ চিত্ৰণ আৰু কাহিনী কথনত তেওঁৰ দক্ষতা চকুত পৰে।

শীলা বৰঠাকুৰ (১৯৩৫-) ৰচিত গল্পৰ পুথি "অনন্যা" (১৯৮৬) তেওঁৰ বাচক-বনীয়া গল্পৰ সংকলন। ইয়াত প্ৰকাশিত গল্প সমূহত সমাজ-উন্নয়নক বাধাগ্ৰস্ত কৰা সমস্যাই স্থান পাইছে। আইভানে চিঠি'ত পুৰণি আৰু নতুন সমাজৰ দ্বন্দ্ব ফুটাই তুলি উচ্চ-নীচ ভেদভাৱ, অন্ধবিশ্বাস, কু-সংস্কাৰ আদিৰ বিৰুদ্ধে প্ৰতিবাদ সোচ্চাৰ হৈ উঠিছে নায়িকা আজলীৰ চৰিত্ৰত। 'ৰতনৰ চাকৰি'ত দুৰ্ভগীয়া এগৰাকী মাতৃয়ে ন-বছৰীয়া ৰতনক পেটৰ ভোকত পৰৰ ঘৰত ৰখাৰ দুখ চিত্ৰিত হৈছে। 'অনন্যা'ত বিপথগামী চন্দ্ৰপ্ৰভাৰ যোগেদি সম-সাময়িক সমাজৰ এটা উলঙ্গ ৰূপ আঁকিবলৈ সক্ষম হৈছে। 'একজিট', 'ৰঙা ফিটাৰ জোতাজোৰ', 'মনোভিৰামৰ কাহিনী' 'স্মৃতি', 'অষ্টগ্ৰহৰ', 'মৰম-অঙ্ক-মন' আদিত শীলা বৰঠাকুৰে আকৰ্ষণ ৰক্ষা কৰিব পাৰিছে। সহজ-সৰল, চুটি চুটি বাক্যৰ দ্বাৰা বৰ্ণিত গল্পবিলাকত বিভিন্ন চৰিত্ৰৰ কাৰ্য-কলাপত অৰ্থনৈতিক, সামাজিক ৰীতি-নীতিৰ পৰিবৰ্তন ঘটি নতুন দিনৰ আহ্বান প্ৰতিফলিত হৈছে।

নীলিমা বৰঠাকুৰৰ (১৯৪৪-) প্ৰথম গল্প 'সেউজ মনৰ ক্ৰন্দন'। ছিন্নমূল সমাজৰ চিত্ৰ অংকনৰ প্ৰচেষ্টা প্ৰতিফলিত হৈছে প্ৰকাশিত গল্প সংকলন "মানসী-কন্যা"ৰ (১৯৮২) গল্প সমূহত। 'এনাজৰী' তেওঁৰ এটা ভাল গল্প।

দুই-এটা গল্প ৰচনাৰে এই সময়ছোৱাত লেখিকাৰূপে আত্মপ্ৰকাশ কৰা ভালেমান মহিলাৰ নাম পোৱা যায়। পঞ্চাছৰ দশকতো এনে লেখিকাৰ সন্ধেদ পোৱা যায়। লিলি হুম্ৰা (এটা জীৱন); নিৰুপমা গোহাঁই (অনেক অশ্ৰু); আৰতি ঠাকুৰ (এক্সৰেৰ দৃষ্টি) আদি প্ৰথমতে উল্লেখ কৰিব পাৰি। তদুপৰি, কল্যানী মহন্তৰ 'পলাশৰ জুই'; জোনালী বৰুৱাৰ 'মৰুতৃষ্ণা'; এলিচ বেগমৰ 'মিথুন লগ্ন'; কল্পনা দেৱীৰ 'সক্ৰিয়াৰ ৰক্তৰাগ'; বন্দনা দুৱৰাৰ 'নিৰ্বাণ'; বিউটি মহন্তৰ 'কতৰূপ দেখাইলি' আৰু 'ব্যৰ্থ প্ৰয়াস'; মঞ্জুমালা ৰাজখোৱাৰ 'আত্মাহুতি'; বন্দনা বৰুৱাৰ 'অম্লান' 'বুদবুদ' আৰু 'বিস্মৃত'; অঞ্জলি বৰাৰ 'চিঠি'; বিণু শইকীয়াৰ 'বানপানী'; অণিমা গুহৰ 'ফাৰ্নিচাৰ' আৰু 'হস্তিৰো পিছলে পাও'; বীণা বৰবৰাৰ 'প্ৰতিশ্ৰুতি'; বেণুমালা দুৱৰাৰ 'মৰম আৰু মৰম'; অমলা শইকীয়াৰ 'ইপাৰৰ বাসনা'; আঁকেলা খানমৰ 'ধূসৰ' আদি অনেক লেখিকা আৰু গল্পৰ সন্ধান আলোচনী আদিৰ পাতত পোৱা যায়। এওঁলোকৰ বহুতৰে সম্ভাৱনা দেখা গৈছিল যদিও সাম্প্ৰতিক কালত তেওঁলোক স্তব্ধ হৈ পৰিছে। উল্লিখিত এই গল্প সমূহ মানদণ্ডৰ ফালৰ পৰা লেখত লবলগীয়া নহয়। কলা-কৌশলৰো বিশেষত্ব নাই। সত্তৰৰ দশকৰ আৰম্ভণি পৰ্যন্ত মহিলাৰ লেখাৰ ধাৰাবাহিকতাত দুই এটা উপযুক্ত গল্পৰ অৰিহণা অৱশ্যে অস্বীকাৰ কৰিব নোৱাৰি। বন্দনা বৰুৱা, অণিমা গুহ, অমলা শইকীয়া আদিয়ে তেনে পৰ্যায়ৰ অৰিহণা যোগাব পৰাৰ সম্ভাৱনা আছিল, কিন্তু অনুশীলন নহ'ল।

৮.৬. উপন্যাস

৮.৬.০১ দ্বিতীয় মহাযুদ্ধৰ পৰবৰ্তী আধুনিক অসমীয়া সাহিত্যৰ সকলোদিশৰ দৰেই উপন্যাসৰ বেলিকাও দৃষ্টি-ভঙ্গীৰ পৰিবৰ্তন ঘটি বাস্তৱমুখী তথা সমাজমুখী চৰিত্ৰ প্ৰকাশ পাবলৈ ধৰে। বীনা বৰুৱা ছদ্ম নামত ড° বিৰিঞ্চিকুমাৰ বৰুৱাৰ "জীৱনৰ বাটত" (১৯৪৫) উপন্যাস "যুদ্ধৰ মাজত ৰচিত হৈ নতুন উপন্যাসৰ শুভাৰম্ভ কৰিলে যুদ্ধৰ সামৰণিত।' তেওঁৰ পাছত মহম্মদ পিয়াৰে "প্ৰীতি উপহাৰ" (১৯৪৭), "সংগ্ৰাম" (১৯৪৮) আদি উপন্যাসে সামাজিক উপন্যাসৰ ভেটি সবল কৰি তুলিলে। প্ৰফুল্ল দত্ত গোস্বামীৰ

"কেঁচা পাতৰ কঁপনি" (১৯৫২), গোবিন্দ মহন্তৰ "শেষ পথ" (১৯৫৯), বাধিকা মোহন গোস্বামীৰ "চাকনৈয়া" (১৯৫২), প্ৰেমনাৰায়ণ দত্তৰ "নিয়তিৰ নিৰ্মালি", হিতেশ ডেকাৰ "আজিৰ মানুহ", যোগেশ দাসৰ "ডাৱৰ আৰু নাই" (১৯৫৫) আদি উপন্যাসে নতুন উপন্যাসৰ দিশত প্ৰসাৰিত কৰিছে। এই লেখক সকল উচ্চশিক্ষিত আৰু মধ্যবিত্ত শ্ৰেণীৰ হোৱাৰ বাবে এইবোৰ উপন্যাসত মধ্যবিত্ত সমাজৰ ছবি ফুটি ওলাইছে। "উপন্যাস সৃষ্টি আৰু প্ৰসাৰত শিক্ষিত মধ্যবিত্ত শ্ৰেণীয়ে সকলো দেশতে বিশেষ বৰঙণি যোগাই আহিছে। এই শিক্ষিত মধ্যবিত্ত শ্ৰেণীয়ে নগৰ আৰু উদ্যোগিক বিকাশক কেন্দ্ৰ কৰি প্ৰসাৰ আৰু প্ৰতিপত্তি লভে।"[১১] অসমত পঞ্চাছৰ দশকৰ আৰম্ভণিত গাঁও-নগৰৰ পাৰ্থক্য নাছিল আৰু উদ্যোগিক বিকাশো ঘটা নাছিল। তথাপি মধ্যবিত্ত চিন্তাধাৰাই শক্তিশালী ৰূপত উজ্জ্বলি উঠিছিল আৰু উপন্যাসবোৰত প্ৰতিফলিত হোৱাত, এনে চিন্তাধাৰাই অসমৰ মধ্যবিত্ত পাঠকক আকৰ্ষণ কৰি জনপ্ৰিয় সাহিত্য-কলাৰ মৰ্যদা লাভ কৰে।

আধুনিক অসমীয়া উপন্যাসত মহিলা লেখকৰ আগমন ঘটে ১৯৫৩ চনত। এই চনৰ পৰাই "জয়ন্তী" পত্ৰিকাত শুচিব্ৰতা ৰায়চৌধুৰীৰ "বা-মাৰলী" উপন্যাসখন হোৱা-হোৱাকৈ ওলাবলৈ আৰম্ভ কৰে। "জয়ন্তী"ৰ ১০ম-১২শ বছৰৰ (১৯৫৩-৫৪ চন) ভিতৰত প্ৰকাশ পোৱা উপন্যাসখনৰ সম্পূৰ্ণ প্ৰকাশ হ'লনে নাই জনা নাযায়। শুচিব্ৰতা ৰায়চৌধুৰীৰ এই উপন্যাস গ্ৰন্থৰূপত ১৯৫৮ চনতহে প্ৰকাশ হয়। ড° সত্যেন্দ্ৰনাথ শৰ্মাৰ মতে হিৰণ্যময়ী দেৱীৰ "জীৱন সংগ্ৰাম" (১৯৫৬) উপন্যাসখনেই যুদ্ধোত্তৰ সাহিত্যত প্ৰথম মহিলাই ৰচনা কৰা উপন্যাস।[১২] অৱশ্যে গ্ৰন্থৰূপে এইখনেই প্ৰথম প্ৰকাশ পাইছিল।

৮.৬.০২. শুচিব্ৰতা ৰায়চৌধুৰীৰ (১৯২৯-) "বা-মাৰলী" সামাজিক উপন্যাস। এই উপন্যাসত দুযোৰ প্ৰেমিক-প্ৰেমিকাৰ কাহিনী বৰ্ণিত হৈছে। ৰমন্যাসিক দৃষ্টি-ভঙ্গী পৰিহাৰ কৰিব নোৱাৰাৰ বাবেই বোধহয় কাহিনীৰ সঙ্গতি ৰক্ষা হোৱা নাই। উপন্যাসখনৰ মুখ্য চৰিত্ৰ প্ৰতাপ চৰিত্ৰবান, শিক্ষিত গ্ৰাম্য যুৱক। সৰুৰে পৰা একেলগে উমলি-জামলি সহজভাবেই পাৰস্পৰিক প্ৰীতিবদ্ধ হোৱা ৰাণীক এৰি অৱস্থাৰ বিপৰ্য্যয়ত পৰি সি বিয়া কৰালে গুৰুকন্যা বীণাক। বীণাৰ সৈতে আগৰে পৰা অজয় দত্ত নামৰ এজন চৰিত্ৰহীন যুৱকৰ লেটি-পেটি আছিল। বিয়াৰ কিছুদিনৰ পাছতে অজয়ৰ কূট-কৌশলত বীণাই স্বামীগৃহ ত্যাগ কৰি অন্তৰ্ধান হয় আৰু পাছত অজয়ৰ দ্বাৰা প্ৰতাৰিত হৈ এদিনাখন চিকিৎসালয়ত তাইৰ মৃত্যু হ'ল। আনহাতে বীণাৰ কাৰ্য-কলাপ আৰু দুৰ্ব্যৱহাৰত অতিষ্ঠ প্ৰতাপে তাইৰ মৃত্যুৰ পাছত আকৌ ৰাণীৰ কাষ চাপিছিল যদিও বৈবাহিক সম্বন্ধ স্থাপন কৰিবলৈ ৰাণী সন্মত নহ'ল। ৰাণীয়ে প্ৰতাপ-বীণাৰ বিয়াত কোনো প্ৰতিবন্ধকতাৰ সৃষ্টি নকৰাৰ দৰে এইবাৰো শৈশৱৰ সৰল কামনাৰ দৰেই তাই প্ৰতাপৰ সৈতে আত্মিক মিলনতে সন্তুষ্টি প্ৰকাশ কৰিলে। নিজ নিজ কৰ্তব্য পথেই যেন আত্মাৰ মিলন ঘটাব। কাহিনীত এনে ধৰণৰ ৰমন্যাসিক ধাৰণাৰ মাজত অবাস্তৱ আৰু বিসঙ্গতি থকাৰ বাবে কাহিনীয়ে নতুনত্ব কঢ়িয়াব নোৱাৰিলে। অপ্ৰয়োজনীয় বৰ্ণনা আৰু পৰিস্থিতি সৃষ্টিয়ে কাহিনীৰ সৌন্দৰ্যহে লাঘৱ কৰিলে। চৰিত্ৰৰ উপযুক্ত চিত্ৰন ঘটাব নোৱাৰাত বিশেষ কৃতকাৰ্যতা প্ৰকাশ নাপালে।

৮.৬.০৩. হিৰণ্যময়ী দেৱী (১৯২৯-) পঞ্চাছৰ দশকৰ উপন্যাসত লেখৰ মহিলা লেখক। তেওঁৰ প্ৰথম উপন্যাস "জীৱন সংগ্ৰাম" (১৯৫৬) ইমানেই জনপ্ৰিয় হৈছিল যে,

---

১১. সত্যেন্দ্ৰ নাথ শৰ্মা, "অসমীয়া উপন্যাসৰ গতিধাৰা", পৃ. ১

১২. সত্যেন্দ্ৰ নাথ শৰ্মা, উক্ত গ্ৰন্থ, পৃ. ২১১

এটা বছৰতে ইয়াৰ দুটা সংস্কৰণ প্ৰকাশ পাইছিল। চুটি গল্পত এই লেখিকাই লাভ কৰা মৰ্যদাৰ আসনখনৰ দৰেই উপন্যাসতো গুৰুত্বপূৰ্ণ আসন লাভ কৰিছে।

"জীৱন সংগ্ৰাম"ৰ কাহিনীত নাৰী নিৰ্যাতনৰ কথা লিপিবদ্ধ হৈছে। পুৰুষৰ আধিপত্য থকা সমাজখনত নাৰীক খেলাৰ পুতলাৰ দৰে ব্যৱহাৰ কৰাৰ বিৰুদ্ধে এই উপন্যাস এটি প্ৰতিবাদ। পত্নীৰ জীৱিতাৱস্থাতে পুৰুষে একাধিক পত্নী বা উপপত্নী গ্ৰহণ কৰিলেও সমাজে তাৰ প্ৰতিবাদ নকৰে। আনকি বহুত নাৰীয়েও এনে ক্ষেত্ৰত ইন্ধনহে যোগাবলৈ যায়। তেনে কৰুণ নিদৰ্শন যুক্ত নিৰ্যাতিতা নাৰীৰ চিত্ৰৰূপে এই উপন্যাসক ধৰিব পাৰি। অৱশ্যে কাহিনী-কথন বা চৰিত্ৰ-চিত্ৰনত লেখিকাই অভাৱনীয় সফলতা লাভ কৰা নাই। কেঁচা হাতৰ স্পৰ্শ উপন্যাসখনত বিদ্যমান। উপন্যাসৰ কাহিনীত অকালতে বৈধব্যক স্বীকাৰ কৰিব লগা হ'লেও, লক্ষ্মীপ্ৰিয়াই দাৰিদ্ৰ আৰু নানা কষ্টৰ মাজেদি দুজনী ছোৱালী বেলি আৰু কলিৰ সৈতে পুত্ৰ অমৰক উপযুক্ত শিক্ষাৰে চৰিত্ৰবান কৰি তোলে। অমৰে দেশসেৱাত আত্মনিয়োগ কৰে। বেলিক নবীন নামৰ এক আঢ্যৱন্ত ডেকালৈ বিয়া দিয়া হ'ল। কিন্তু, তাইৰ গিৰিয়েক দুশ্চৰিত্ৰ হোৱাত, মদাহী আৰু নাৰী মাংসলোভী ব্যভিচাৰী হোৱাত তাইৰ জীৱন অতিষ্ঠ হৈ পৰে। আনহাতে দয়ামায়াহীন শাহুয়েকৰ দৈনন্দিন অত্যাচাৰত অসহ্য হৈ এদিন পুত্ৰক বুকুত বান্ধি বেলি মাতৃগৃহলৈ ঘুৰি আহে। কলিক সৎ পাত্ৰলৈ বিবাহ দিয়াৰ পাছতে মাক লক্ষ্মীপ্ৰিয়াৰ মৃত্যু হয়। কেন্দ্ৰীয় চৰিত্ৰ অমৰে মাকৰ পছন্দৰ ছোৱালী বিয়া নকৰোৱাৰ কাৰণ উৰ্মিলাৰ প্ৰতি থকা গভীৰ আন্তৰিক প্ৰেম। এইজনী উৰ্মিলা এদিন সোৱনশিৰিৰ বানত উটি আহিছিল আৰু অমৰে উদ্ধাৰ কৰি দেশসেৱাত অনুপ্ৰাণিত কৰি নিজ সান্নিধ্যত ৰাখিছিল। এদিন নিজৰ এই প্ৰেমক দুৰ্বলতা জ্ঞান কৰি তাইক আনৰ হাতত অমৰে সঁপি দিছিল। উৰ্মিলায়ো তাক ভাল পাইছিল যদিও তাক প্ৰকাশ কৰিব পৰা নাছিল। প্ৰকাশ নামৰ এজন স্বেচ্ছা- সেৱকৰ সৈতে উৰ্মিলাৰ বিয়া হৈছিল যদিও পাছত মদ্যাসক্ত প্ৰকাশৰ অত্যাচাৰত উৰ্মিলাৰ জীৱন অতিষ্ঠ হৈ পৰিল। দিন যোৱাৰ লগে লগে অমৰে উৰ্মিলাৰ প্ৰতি গভীৰভাবে প্ৰেম উপলব্ধি কৰিবলৈ ধৰে আৰু অন্য গাভৰুক গ্ৰহণ কৰাৰ কথা সি পৰিত্যাগ কৰে। এই উপলব্ধিয়েই উপন্যাসখনৰ মূল আবেদন। বাকীবোৰ ঘটনা যথেষ্ট যদিও, এইটোইবোৰৰ প্ৰয়োজন কাহিনীত নাই। পাছৰ কাহিনীত বেলিৰ স্বামী নবীনৰ দ্বিতীয়-পত্নী গ্ৰহণ, সেই পত্নীৰ আত্মহত্যাৰ পাছত নবীনৰ চাৰিত্ৰিক পৰিৱৰ্তন ঘটি বেলিক উভতাই নিয়াৰ কাহিনীয়ে ঠাই পাইছে। উৰ্মিলাৰ দুঃসহ-জীৱন যাপন, প্ৰকাশৰ অত্যাচাৰ আৰু ব্যভিচাৰৰ বাবে ডেকা পুত্ৰৰ আত্মহত্যা, কগীয়া দেহেৰে উৰ্মিলাই স্বামীগৃহ ত্যাগ কৰি অমৰৰ ওচৰত উপস্থিতি আৰু পাছত মৃত্যু; শেষত ৰোগাক্ৰান্ত অমৰৰ মৃত্যু উপন্যাসখনত বৰ্ণিত হৈছে। কিন্তু, ঘটনা সমূহ সু-সংহত আৰু সুবিন্যস্ত নোহোৱাত উপন্যাসখনৰ আকৰ্ষণ কমিল। উৰ্মিলাৰ অতীত ইতিহাস, শেৱালিৰ পৰিচয়ৰ বেলিকা বিমলাৰ ঘৰৰ বৰ্ণনা আৰু লক্ষ্মীপ্ৰিয়াৰ সৈতে বন্ধুত্বৰ দীঘলীয়া বৰ্ণনাদি নথকা হলে কাহিনীভাগ সুন্দৰ হোৱাৰ অৱকাশ আছিল। নাৰী নিৰ্যাতনৰ চিত্ৰৰ বাবে বেলি-নবীন, উৰ্মিলা-প্ৰকাশ আদিৰ কাহিনীৰ মূল্য অৱশ্যে আছে। অমৰৰ চৰিত্ৰাঙ্কনত লেখিকা কিছু সফল হৈছে। নবীনৰ পৰিৱৰ্তনতো কিছু আকৰ্ষণ আছে। মৃত্যু আৰু অকাল মৃত্যুৰ ঘটনাবোৰে উপন্যাসখন ভাৰাক্ৰান্ত কৰি তুলিছে। উপন্যাসখন ৰমন্যাসধৰ্মী। "উপন্যাসখনত অসমীয়া ঘৰুৱা জীৱনৰ চিত্ৰ সুন্দৰভাবে ফুটি উঠিছে। পুৰুষৰ অবিচাৰ অত্যাচাৰৰ বিৰুদ্ধে ঠাই বিশেষে কঠোৰ সমালোচনা কৰিবলৈ লেখিকা

---

১৩. সত্যেন্দ্ৰনাথ শৰ্মা, "অসমীয়া উপন্যাসৰ গতিধাৰা", পৃ. ২১৩.

কুণ্ঠিত হোৱা নাই।"৩৩ হিৰন্ময়ী দেৱীৰ দ্বিতীয় উপন্যাস "যুগৰ যাত্ৰী" (১৯৬০) সামাজিক কাহিনীৰ উপন্যাস। এইখনতো নাৰী নিৰ্যাতনৰ বিভিন্ন ৰূপ প্ৰদৰ্শন কৰাৰ লগতে নাৰীৰ জাগৰণ সৃষ্টিৰ প্ৰচেষ্টা পৰিলক্ষিত হয়। তেওঁৰ শেহতীয়া উপন্যাস "এমুঠি আবীৰৰ ৰং" প্ৰকাশিত হৈছে। কিন্তু, এই দুখন উপন্যাস "জীৱন সংগ্ৰাম"ৰ ভুৰীলে নগ'ল।

৮.৬.০৪. প্ৰণীতা দেৱী (১৯২২-)

ষাঠিৰ দশকৰ আৰম্ভণিৰ মহিলা ঔপন্যাসিক। তেওঁৰ "ধনশিৰিৰ উচুপনি" (১৯৬১) এখনি উল্লেখ কৰিব লগীয়া উপন্যাস। এগৰাকী বিশিষ্ট লেখিকা হিচাপে প্ৰণীতা দেৱীয়ে এখন সম্মানিত আসন লবলৈ সক্ষম হৈছে। ভালেমান সুখপাঠ্য ৰচনাৰ লগতে "বাসনাৰ অতীত" আৰু "জীৱনৰ লালস" নামৰ দুজন প্ৰখ্যাত শিল্পীক কেন্দ্ৰ কৰি ৰচনা কৰা দুখন ইংৰাজী উপন্যাসৰ সুন্দৰ ভাঙনি আগবঢ়াইছে। "ধনশিৰিৰ উচুপনি" তেওঁৰ একমাত্ৰ মৌলিক উপন্যাস। এই উপন্যাসত ধনশিৰি পৰীয়া ৰূপহী নামৰ এখন গাঁৱক পটভূমিত ৰাখি, সেই গাঁৱৰ দেবেন মাষ্টৰৰ জীৱনক কেন্দ্ৰ কৰি ঘটনাক্ৰম আগবাঢ়িছে। মাষ্টৰৰ সুন্দৰী জীয়াৰী মালতী স্বামীৰ মাতালামি সহ্য কৰিব নোৱাৰি পৰিত্যক্তা হৈছে আৰু পুনৰ গাঁৱৰে যুৱক নিৰ্মলৰ প্ৰেম-পাশত আবদ্ধ হৈছে। অৱশেষত সিহঁতৰ মিলন ঘটিছে। ৰমন্যাসধৰ্মী এই উপন্যাস প্ৰণয়মূলক কাহিনী প্ৰধান। নিৰ্মলেই উপন্যাসৰ নায়ক। সি সৎসাহসী, উচ্চ-শিক্ষিত আৰু সবল চৰিত্ৰৰ অধিকাৰী। মালতীৰ দৰে এবাৰ বিবাহ হৈ যোৱা গাভৰুক জীৱন-সঙ্গিনী কৰিবলৈ যাওঁতে নিৰ্মলে বিভিন্ন বাধা অতিক্ৰম কৰি নিজৰ শক্তিশালী পদক্ষেপ প্ৰতিষ্ঠা কৰিছে। উপন্যাসৰ সফলতা ইয়াতেই প্ৰকাশ পাইছে। নিৰ্মলৰ চৰিত্ৰাঙ্কণত লেখিকাক সাফল্য লাভ কৰা দেখা যায়। উপন্যাসখনৰ ভাষাত জটিলতা নাই। উপন্যাসখন নদীৰ নামৰ সৈতে নামকৰণ কৰা হলেও নৈখন ওতঃপ্ৰোত ভাবে কাহিনীৰ সৈতে জড়িত নহয়। প্ৰাসঙ্গিক-অপ্ৰাসঙ্গিক হিচাপে উল্লেখ হলেও ৰূপহী গাঁৱৰ কঠোৰ জীৱন সংগ্ৰামৰ বাস্তৱ প্ৰকাশ 'ধনশিৰিৰ উচুপনি'ত নঘটিল। উপন্যাসখন নদীকেন্দ্ৰিক নহয়।

৮.৬.০৫. উমা বৰুৱাৰ (১৯২৭-) প্ৰধান উপন্যাস "ছীয়েন নদীৰ ঢৌ" (১৯৬১)। আনখন "লুইতৰ পাৰে পাৰে"। দুয়োখনতে নদীৰ উল্লেখ থাকিলেও কাহিনীৰ সৈতে নদী দুখনৰ সম্পৰ্ক ক্ষীণ। দুয়োখনেই ৰমন্যাসিক উপন্যাস। বিদেশৰ পটভূমিত ৰচিত "ছীয়েন নদীৰ ঢৌ"ত এজন অসমীয়া চিত্ৰকৰৰ প্ৰণয় আৰু ব্যৰ্থতাৰ কাহিনী পোৱা যায়। কাহিনী মতে ফৰাছী দেশৰ মহানগৰীত চিত্ৰ শিক্ষা লাভ কৰিবলৈ যোৱা বসন্তই ৰূপহী হ্লসৰ সৈতে প্ৰেম পাশত আবদ্ধ হৈ বিয়াৰ প্ৰস্তাৱ দিয়ে। কিন্তু, চঞ্চলামন্নী ৰূপহীয়ে দৰিদ্ৰ শিল্পী বসন্তক বিয়া নকৰাই এজন ইটালীয় কাউন্টক বিয়া কৰালে। বসন্ত স্বদেশলৈ আহি অলকাৰ প্ৰেমত পৰি বৈবাহিক প্ৰতিশ্ৰুতিবদ্ধ হয়। এনেতে, সাংস্কৃতিক দল এটাৰ সদস্য ৰূপে সি বাছিয়ালৈ যায় আৰু তাৰ পাছত ফ্ৰান্সত উপস্থিত হয়গৈ। চিত্ৰশিল্পীৰ সান্নিধ্য আৰু চিত্ৰশিল্পৰ অনুশীলনে তাক অলকাৰ প্ৰতি নিৰাসক্ত কৰি তুলিলে। ইফালে তাই সৌমেনৰ দৰে উপযুক্ত সুদৰ্শন যুৱকৰ আহ্বান উপেক্ষা কৰি বসন্তলৈ বাট চাই চাই এদিন ৰোগশয্যাৰ আশ্ৰয় ললে। সৌমেনৰ চেষ্টাত বিদেশৰ পৰা বসন্ত আহি অলকাৰ কাষ পালেহি, কিন্তু অলকা নাবাচিল। তাইৰ মৃত্যুৱে বসন্ত আৰু সৌমেনক জীৱনৰ প্ৰতি উদাসীন কৰি তুলিলে। এদিন বসন্ত অংকিত চিত্ৰত শ্ৰেষ্ঠ শিল্পকৰ্মৰ মৰ্যাদা লাভ কৰি বহু হাজাৰ ডলাৰত বিক্ৰী হোৱাতো বসন্তই আলোড়ন

অনুভৱ নকৰিলে । সি তেতিয়া সেই সন্মান আৰু অৰ্থৰ বহু নিলগত গৃহ-সংসাৰৰ প্ৰতি বিৰক্ত এক ব্যক্তি । এইখন উপন্যাসত ৰমন্যাসিক ভাবাবেগৰ প্ৰাধান্য দেখা যায় । বসন্তৰ চৰিত্ৰত আবেগ প্ৰধান শিল্পী-সত্তা বিচাৰি পোৱা যায় । "বসন্ত চৌধুৰীৰ চৰিত্ৰত শিল্পীৰ সাংসাৰিক আৰু কলাৰ প্ৰতি এচলীয়া টান ফুটাই তোলাত লেখিকা সক্ষম হৈছে বুলিব পাৰি ।"[১৪] সৌমেনৰ চৰিত্ৰত প্ৰেমৰ গভীৰতা আৰু মহত্ত্ব উপলব্ধি কৰিব পৰা যায় । পৰিণতি অবান্তৰ হ'লেও, অলকাৰ ঐকান্তিক প্ৰেম উপন্যাসখনৰ লক্ষণীয় দিশ । দুই এটা ভুল-ত্ৰুটি থাকিলেও এই উপন্যাসত উমা বৰুৱা কৃতকাৰ্য হৈছে ।

৮.৬.০৬. মায়া দেৱীৰ উপন্যাস তিনিখন প্ৰকাশ পাইছে । প্ৰথম উপন্যাস "চক্ৰৱৎ পৰিবৰ্ত্তন্তে" (১৯৬১), দ্বিতীয় "পৰিণতি" (১৯৬৫) আৰু শেহতীয়া উপন্যাস "পদ্মা বৌ" (১৯৮৯) । প্ৰথমখন ষাঠিচনৰ আগতে ৰচিত হৈ "সমাজ" নামৰ আলোচনীত ধাৰাবাহিক ভাবে প্ৰকাশ পাইছিল । উপন্যাসখনৰ সৰল কাহিনী মতে আলোকহঁতৰ গাঁৱৰ ঘৰলৈ তাৰ বন্ধু ধনীৰ সন্তান প্ৰবীন ফুৰিবলৈ আহিল আৰু আলোকৰ বায়েকৰ জীয়াৰী পূৰ্ণিমাৰ সৈতে পৰিচয় ঘটি প্ৰেম-প্ৰীতিৰ সম্পৰ্ক গঢ়ি উঠিল । প্ৰবীন বিলাতত বেৰিষ্টাৰী পঢ়িবলৈ গ'ল আৰু তিনিবছৰ থাকিব লগাত পৰিল । পত্ৰালাপ চলি থাকিল । পূৰ্ণিমাও গুৱাহাটীত পঢ়িবলৈ গ'ল । হোষ্টেলৰ কাষতে অঞ্জলিহঁতৰ ঘৰ হোৱাত পূৰ্ণিমাৰ সৈতে বন্ধুত্ব হ'ল । ঘটনাক্ৰমে অঞ্জলিক প্ৰবীনৰ মাক-বাপেকে কন্যা হিচাপে আগতীয়াকৈ ঠিক কৰি থৈছিল আৰু বাধ্যত পৰি এদিন প্ৰবীনে তাইক চাবলৈ যাওঁতে চিনিব পাৰি চকিদাৰনীৰ হাতত পূৰ্ণিমাই চিঠি এখন তালৈ পঠালে । সেই চিঠিখন অঞ্জলিহঁতৰ ঘৰত প্ৰবীনে এৰি যোৱাত তাইৰ হাতত পৰিল । বিয়াৰ আয়োজন চলিল । বিয়াৰ দিনা হোষ্টেলৰ ছোৱালীৰ সহযোগত পূৰ্ণিমাক কন্যা কৰি অঞ্জলিয়ে আত্মগোপন কৰিলে । ফুলশয্যাৰ ৰাতিহে প্ৰবীনে কন্যাযে পূৰ্ণিমা জানিব পাৰিলে । অঞ্জলিয়ে এই কাৰ্যৰ বাবে বাপেকৰ ওচৰত ক্ষমা বিচাৰিলে আৰু মানৱ সেৱাক জীৱনৰ ব্ৰত কৰি ল'লে । পাছত, সকলো জনাজনি হোৱাত পূৰ্ণিমা প্ৰবীনৰ মিলনৰ মাজেদি কাহিনীৰ সামৰণি পৰিল । কাহিনীটোৰ বহু কথাতে বাস্তৱতা নাই । সস্তীয়া আবেগৰ দ্বাৰা পৰিচালিত কাহিনীত ঔপেনত হাতৰ স্বাক্ষৰ আছে । পূৰ্ণিমাৰ চৰিত্ৰৰ বৈশিষ্ট্যকণ সামৰণিত যুক্তিহীন ভাবে কন্যা হোৱাত হেৰাই গ'ল । অঞ্জলিৰ মহানুভৱতাও অস্বাভাবিক । পূৰ্ণিমাক গোপনে কন্যা কৰাতকৈ সহজভাৱে বিবাহ প্ৰত্যাখান কৰিব পৰাৰ পথ আছিল । প্ৰবীনৰো চাৰিত্ৰিক সৌন্দৰ্য নাই । মুঠতে উপন্যাসখনে কাহিনী, চৰিত্ৰ চিত্ৰন, ৰচনা-কৌশল ক'তো বৈশিষ্ট্যৰ দাবী কৰিব নোৱাৰিলে । ভাষাৰ ক্ষেত্ৰতো উপযুক্ত হৈ নুঠিল ।

"পৰিণতি"ৰ কাহিনীভাগ গাঁৱৰ পটভূমিত নিৰ্মিত । মূল কাহিনী মতে গাঁৱৰ ধুৰন্ধৰ ব্যক্তি বুধু গায়নে ককায়েকৰ মাটি-সম্পত্তি আত্মসাৎ কৰি ধনী হৈছে । নিজৰ পুত্ৰকন্যাক নগৰত ৰাখি পঢ়ালেও ভতিজাকহঁতক পঢ়া একেবাৰে ঘৰুৱা কামতহে লগায় । এদিন সি গাঁৱৰে ধুনীয়া ছোৱালী মাধৱীক বলপূৰ্বক ধৰি নিব খুজিছিল । কিন্তু, ভদ্ৰৰাম নামৰ এজনে বাধা দিয়াত অকৃতকাৰ্য হয় । ভদ্ৰৰামে মাধৱীক বিয়া কৰোৱাত সিহঁতৰ শত্ৰুতা বাঢ়ি গ'ল । ভদ্ৰৰাম কিন্তু সৎলোক । তেওঁৰ পুত্ৰ হৰিৰামে এম. এ. পাছ কৰি গ্ৰামোন্নয়নত আত্মনিয়োগ কৰিছে । গাঁৱত থকা মাটিবাৰী চোৱাচিতাৰ বাবে উকীল দেউতাকৰ নিৰ্দেশত বন্ধু হৰিৰামৰ ঘৰলৈ অতনু আহিল । তেতিয়াহে জনাজনি হ'ল যে অতনুৰ সহপাঠী হৰিৰামৰ দেউতাকেই ভদ্ৰৰাম । অতনুৱে হৰিৰামৰ সুন্দৰী

---

১৪. সত্যেন্দ্ৰনাথ শৰ্মা, "অসমীয়া উপন্যাসৰ গতিধাৰা", পৃ. ২৬৩

ভগ্নী অনিলাক পচন্দ কৰাত প্ৰীতিৰ সম্বন্ধ স্থাপিত হ'ল। বুধু গায়নে অতনুক চেষ্টা কৰি হাত কৰিব নোৱাৰি অতনুৰ দেউতাক ফুকনক নানা ধৰণে জনোৱাত ভদৰামৰ ওপৰত মোকৰ্দমা তৰে; কিন্তু বুধু গায়নৰ অপকৌশল ওলাই পৰাত ভদৰামে খালাচ পায়। ফুকনে সকলো বুজি পাই অনিলাক বোৱাৰী ৰূপে আদৰি লয়। কাহিনীত ঘটনাৰ বাহুল্যতা থাকিলেও অবান্তৰ নহয়। চৰিত্ৰবিলাকৰ ভিতৰত বুধু গায়ন স্পষ্ট হৈছে। বাকীবিলাক কাহিনীৰ হৈ যথাযথভাৱে আগুৱাইছে। 'পৰিণতি'ৰ কাহিনী সাধাৰণ হলেও, আবেদন নথকা নহয়। মায়া দেৱীৰ তৃতীয় উপন্যাস "পদ্মা বৌ" নানা ঘটনা, উপঘটনাৰে পৰিপুষ্ট হোৱাত মূল কাহিনীৰ গুৰুত্ব কমিছে। তিনিজন ভাই-ককাইৰ পৰিয়ালৰ বৰবোৱাৰী পদ্মা ধনীৰ দুলালী হলেও এগৰাকী আদৰ্শ বোৱাৰী। স্বামীৰ পৰিৱেশ মধুৰ কৰি তুলি দুয়োজন দেওৰৰ মাতৃ স্বৰূপ হৈ পৰিল। পদ্মাৰ স্বামী বিমান সকল আৰু কোনো কথাতে ঘৰখনত হস্তক্ষেপ নকৰে। কিন্তু, সম্পৰ্কীয়া স্বৰূপ বড়েশ্বৰী আৰু সুপ্ৰিক বিমানে লগলৈ অনাৰ পৰা কাহিনীত সংঘাত সৃষ্টি হ'ল। বড়েশ্বৰীৰ কুটকীয়া স্বভাৱ আৰু সৰু দেওৰ প্ৰদীপ আৰু সুপ্ৰিৰ সম্বন্ধক কেন্দ্ৰ কৰি ঘটনাই জটিল ৰূপ লয়। ডাঙৰ দেওৰ সমৰ যথেষ্ট দায়িত্বশীল আৰু বাস্তৱমুখী। সি অমিয়াক বিয়া কৰোৱাৰ পাছতো পদ্মাবৌৰ প্ৰতি শ্ৰদ্ধা ভক্তিত অনুগত আছিল আৰু তাৰে সুবিধা গ্ৰহণ কৰি অমিয়াক নানা কথা লগাই বড়েশ্বৰীয়ে অশান্তি সৃষ্টি কৰিলে। ফল স্বৰূপে প্ৰদীপ এদিন ঘৰৰ পৰা আঁতৰি গ'ল। এনে ধৰণে নানা ঘটনা আৰু সংঘাতৰ মাজত পদ্মাই মানসিক ভাৰসাম্য হেৰুৱাই এদিন মৃত্যু মুখত পৰিল। এটা সুখী পৰিয়ালৈলে আহি পৰা দুখৰ ছবি গতানুগতিক ভাৱেই দাঙি ধৰা হৈছে। চৰিত্ৰৰ ভিতৰত পদ্মাবৌ সুন্দৰ হলেও পাছৰফালে উপাখ্যান ধৰ্মী কাহিনীয়ে চৰিত্ৰৰ মাধুৰ্য কমাই পেলালে। বাকী চৰিত্ৰবোৰ সাধাৰণ স্তৰৰ; অভিনৱত্ব নাই। বিভিন্ন দোষ-ত্ৰুটিয়ে উপন্যাসখন ভাৰাক্ৰান্ত হোৱাত লেখিকা কৃতকাৰ্য হব নোৱাৰিলে।

৮.৬.০৭. ষাঠিৰ দশকত কেবাগৰাকী প্ৰতিভাশালিনী ঔপন্যাসিকাৰ আবিৰ্ভাৱ আৰু প্ৰতিষ্ঠা সম্ভৱ হৈ উঠা দেখা যায়। ষাঠিৰ পৰৱৰ্তী উপন্যাসৰ তিনি গৰাকী প্ৰধান লেখিকা হ'ল- নীলিমা দত্ত, নিৰুপমা বৰগোহাঞি আৰু মামনি ৰয়ছম গোস্বামী। প্ৰধান ঔপন্যাসিকা তিনি গৰাকীক পৰৱৰ্তী অধ্যায়লৈ ৰখা হৈছে। এওঁলোকৰ বাদে লেখত পৰা ঔপন্যাসিকাৰ ভিতৰত কণু বৰুৱা, প্ৰবীণা শইকীয়া, চিত্ৰলতা ফুকন, হেমনলিনী গোস্বামী, অনু বৰুৱা, অমিয়া চক্ৰবৰ্তী অন্যতম। বেণুমালা দুৱৰা, অমলা শইকীয়া প্ৰমুখ্যে কেইগৰাকীমান নতুন লেখিকাৰ আবিৰ্ভাৱ লক্ষ্যণীয় হৈছে।

৮.৬.০৮. কণু বৰুৱা (১৯৩১) ষাঠিৰ দশকত "নিজান ঘাট" (১৯৬৬) উপন্যাসৰ জৰিয়তে পৰিচিতা হৈ উঠে। তেওঁৰ পৰৱৰ্তী উপন্যাস "জতুগৃহ" (১৯৭৬) আৰু আলোচনীত প্ৰকাশিত "শান্ত সৰসী" (১৯৭৫) প্ৰধান আৰু "কিংশুক মালিনী", "হিৰণ্ময়ী ঊষা" আদি উপন্যাসিকা। "নিজান ঘাট" তেওঁৰ প্ৰথম উপন্যাস হলেও কল্পনাপ্ৰবন, অনুভূতিশীল মনৰ উপযুক্ত প্ৰকাশ। মুখ্য চৰিত্ৰ অমূল্যৰ মাজত যাযাবৰী মনৰ অভিব্যক্তি প্ৰকাশ পাইছে। পথচাৰী অথবীৰ নিচিনা অমূল্যই এদিন শদিয়া চহৰত উপস্থিত হৈ পুৰণি বন্ধু-বান্ধৱীক লগ পোৱাৰ উপৰিও লগ পালে মিচিং গাভৰু চম্পা, গৌৰী, অচ্যুত আৰু লোকনাথক। গৌৰীয়ে অচ্যুতক ভাল পায়, কিন্তু গণেশ মহাজনে তাইক দৰিদ্ৰতাৰ সুযোগ লৈ দ্বিতীয় পত্নী কৰিব খোজাত অমূল্যই স্থানীয় যুৱকৰ সহায়ত অচ্যুতৰ লগত বিয়া দিয়ে। ইয়াতে বিতুষ্ট হৈ মহাজনে অমূল্যৰ ওপৰত প্ৰতিশোধ লয়। আনহাতে মিচিং গাভৰু চম্পাই পূৰ্বৰ ভৈয়ামীয়া ডেকা এজনৰ ব্যৱহাৰ

সুঁৱৰি অমূল্যক বিয়া কৰাবলৈ অস্বীকাৰ কৰে। তাই তাৰ ভালপোৱা অন্তৰতে চিৰ স্মৰণীয় কৰাবহে অভিলাষ প্ৰকাশ কৰিলে। এনেদৰেই শদিয়াৰ নিজান ঘাটৰ পৰা অমূল্য উভতি আহে। কাহিনীৰ সৌন্দৰ্য প্ৰকাশত অমূল্যৰ এষাৰ কথা দাঙি ধৰিব পাৰি। "--এপাহ বনৰীয়া ফুলৰ সুঘ্ৰাণ মোৰ মনত বৈ গ'ল। হয়তো এই সুবাসেই জীৱনৰ পাথেয় হব।" অমূল্যৰ চাৰিত্ৰিক বৈশিষ্ট্য অনুভৱ ইয়াতেই কৰিব পৰা যায়। গৌৰী আৰু চম্পা পূৰ্ণবিকশিত নহলেও দুটা আকৰ্ষণীয় চৰিত্ৰ। দুই এটা অপ্ৰয়োজনীয় আৰু অস্বাভাৱিক অন্তৰ্ভুক্তি ঘটিলেও প্ৰকৃতিৰ নৈসৰ্গিক বৰ্ণনাত লেখিকা কৃতকাৰ্য হৈছে। কণ্‌ বৰুৱাৰ 'শান্ত-সৰসী' নাতিদীৰ্ঘ হলেও আকৰ্ষণীয় বৰ্ণনাৰ বাবে মনত লগা হৈছে। ইঞ্জিনিয়াৰ গৌতমে নবৌয়েক অৰুণিমাক মাতৃ জ্ঞান কৰে। তাৰ আন এগৰাকী নবৌয়েক প্ৰতিভাই ভনীয়েকক গৌতমলৈ দিবৰ চেষ্টা কৰিছিল; কিন্তু, সি ওপৰৱালাৰ সুন্দৰী দুহিতা বিনীতাক ভাল পাই অৰুণিমাৰ সমৰ্থনত বিয়া কৰালে। প্ৰতিভাই ন-কন্যাক কৌশলেৰে বিশ্বাস কৰালে যে অৰুণিমা আৰু গৌতমৰ অবৈধ সম্পৰ্ক আছে। গতিকে, কন্যাৰ সাজ নোখোলাকৈয়ে বিনীতা পিতৃগৃহলৈ উভতি গ'ল। গৌতমে দুখতে ঘৰ এৰি অ'ত-ত'ত যাযাবৰী জীৱন কটাই কাঠমাণ্ডুত উপস্থিত হ'ল। তাতে টামাৰা নামৰ বিদেশী পৰ্যটক গাভৰুৰ সান্নিধ্যই তাক পৰিবৰ্তিত কৰিলে। টামাৰাই তাৰ লগত বৈবাহিক সম্বন্ধ স্থাপন কৰিবলৈ ইচ্ছা নকৰি ঘৰৰ ঠিকনা কৌশলেৰে হস্তগত কৰি তাই অৰুণিমাক সকলো জনালে। ইফালে টামাৰাই নিজকে কেন্সাৰ ৰোগিনী বুলি জনাই দুৰ্ঘটনাৰ দ্বাৰা আত্মহত্যা কৰিলে। টামাৰাৰ চিঠিয়ে বিনীতাৰ ভুল ভাঙিলে। ইফালে টামাৰাক কবৰ দিয়া হ'ল। "টামাৰা এতিয়া শান্তিৰে শুইছে। তাই যেন গৌতমৰ শান্তিৰ সৰসী।" উপন্যাসখন সুখপাঠ্য হলেও কাহিনী আৰু চৰিত্ৰ চিত্ৰনৰ বাস্তৱতা উপলব্ধিত ব্যাঘাত জন্মে। ইংগিতময়তাৰ মাজত অৰুণিমাই আকৰ্ষণ কৰাৰ দৰে টামাৰাইও আকৰ্ষণ কৰে। গৌতম অতি দুৰ্বল; বিনীতা সাধাৰণ আৰু প্ৰতিভা খলুতাৰ প্ৰতিভূ।

লেখিকাৰ তৃতীয় উপন্যাস "জতুগৃহ"ৰ কলেবৰ মধ্যমীয়া। ইয়াত কেইগৰাকীমান নাৰীৰ ভিন্নসুৰী জীৱন অংকণ কৰা হৈছে। জটিল বক্ৰী কাহিনীটোত তিনিটা চৰিত্ৰ অচলা পেহী, কমলা নবৌ আৰু তৰু বাইদেউৰ বৈশিষ্ট্যময় ৰূপ প্ৰকাশ পাইছে। কাহিনীৰ বক্তা মনুৱে কৈছে যে ধনী ব্যৱসায়ীলৈ অচলাপেহীক বিয়া দিছিল যদিও ল'ৰা-ছোৱালী নোহোৱাত তাক তেওঁৰ তত্ত্বৱধানলৈ নিলে। অচলাৰ জাক কমলা নবৌৱে তাইৰ সতি-সন্ততি নোহোৱাত চিন্তা কৰিছিল আৰু স্বামীৰ সৈতে অচলাৰ মনোমালিন্যৰো সন্তেদ পাইছিল। অচলা দ্বিতীয়া পত্নী আছিল আৰু প্ৰথম পক্ষৰ স্মৃতিয়ে দুয়োৰে মাজত মনোমালিন্য বৃদ্ধি কৰিছিল। ঘৰখনত অচলা ৰাণীৰ দৰে আদৰণীয়া আছিল আৰু ব্যৱসায়ী স্বামীয়ে ঘৰৰ খা-খবৰ নৰখা হৈছিল। দ্বিতীয় নাৰী চৰিত্ৰ ব্যৱসায়ী পঙ্কজ বৰুৱাৰ অভিজাত স্ত্ৰী কমলাৰ দুই পুত্ৰ আৰু এগৰাকী কন্যা। স্বামী বন্তিতাসক্ত বাবে কমলাও নবীন,অৰুণ আদি ডেকাৰ দ্বাৰা পৰিবেষ্টিত। বহুতৰ মতে কমলাৰ এটা সন্তান স্বামীৰ নহয়। সক লৰা মনু কমলাৰ সৈতে ঘনিষ্ঠ হৈ পৰিল আৰু কমলাৰ জীয়েক ডলীৰ সৈতে তাৰ প্ৰণয় আৰম্ভ হ'ল। ইতিমধ্যে মনুৰ পেহাকৰ বায়েক পুত্ৰ কন্যাৰ সৈতে ভায়েকৰ কাষ চাপিল। যোমায়েকৰ অজস্ৰ সম্পত্তিৰ মালিক মনু যাতে হব নোৱাৰে তাৰ বাবে দুশ্চৰিত্ৰ ডেকা অভয়ে মাকৰ সৈতে লগলাগি অচলাৰ অলঙ্কাৰবোৰ বাতিয়েই মনুৰ বাকচত ভৰাই থৈ পিছদিনা পুলিচত দিলে। এই অপবাদৰ পৰা মনুক ৰক্ষা কৰিলে অভয়ৰ ভনীয়েক মাধুৰীয়ে। তাই ৰাতিয়েই মনুৰ বাকচৰ পৰা অলঙ্কাৰবোৰ আতৰাই নি কমলাৰ হাতত জমা ৰাখিলে। পাছদিনা,

অপবাদৰ পৰা মনু ৰক্ষা পৰিলেও দুখতে সেইঘৰ ত্যাগ কৰি নিজ ঘৰ পালেহি। শিক্ষকতা কৰিবলৈ লোৱা মনুৱে এদিন ডলীৰ জন্মদিনত যোগ দিবলৈ গৈ তাই আনৰ অনুৰক্তা বুলি জানিলে। ঘটনাই নানা ৰূপ ললে। ডলীৰ বিয়া হৈ গ'ল আৰু ইতিমধ্যে অচলাৰ মৃত্যু হোৱাত পেহাকে তৃতীয় বিয়া কৰালে। অন্তয়ে মাধুৰীক টকাৰ বিনিময়ত বেচিব খোজাৰ পৰা উদ্ধাৰ কৰি মনুৱে তাইক বিয়া কৰালে। পেহাকৰ ঘৰলৈ এটা নতুন সন্তানৰ আগমন ঘটিল। এই মূল কাহিনীৰ লগতে ৰহমত-যশোদা, তৰু-প্ৰভাতৰ প্ৰণয়কাহিনী সংযোগ কৰা হৈছে। জটিলবন্ধী কাহিনীটোত বহুতো অপ্ৰয়োজনীয় কথা ৰৈ গৈছে। মানৱ মনৰ বিভিন্ন দিশ দাঙি ধৰিবলৈ অচলা, তৰু, কমলা, পঙ্কজ, অন্তয়, মনু, ডলী, মাধুৰী আদি চৰিত্ৰবোৰ নিৰ্বাচিত হৈছে। মনুৰ চাৰিত্ৰিক বৈশিষ্ট্যই যোগসূত্ৰৰ ভূমিকাহে গুৰুত্বপূৰ্ণ। মাধুৰীৰ চৰিত্ৰত এটা গভীৰ আবেদন আছে। বাকীবিলাক সাধাৰণ গতানুগতিক বা 'টাইপ' চৰিত্ৰ। উপন্যাসখন সুখপাঠ্য।

৮.৬.০৯ প্ৰবীনা শইকীয়াৰ (১৯৩৪-) "উত্তৰায়ণ" (১৯৬৭) আৰু শেহতীয়া "সিংহ দুৱাৰ" (১৯৮২) দুখন লেখতলবলগীয়া উপন্যাস। দুয়োখনতে ৰমন্যাসিক কাহিনীৰ বিস্তাৰ দেখা যায়। "উত্তৰায়ণ" লেখিকাৰ প্ৰথম পদক্ষেপ হোৱাৰ বাবে ভাবাবেগৰ প্ৰাধান্য আৰু কল্পনাৰ প্ৰাচুৰ্য অত্যধিক। কেন্দ্ৰীয় চৰিত্ৰ মালবিকা বিধৱা আৰু এজনী ছোৱালীৰ মাতৃ। তাই ককায়েক জয়ন্ত বৰুৱাৰ লগত থাকিবলৈ লোৱাৰ পাছত অশোক আৰু নিৰঞ্জন নামৰ দুজন ভিন্ন প্ৰকৃতিৰ ডেকা তাইৰ প্ৰণয়াসক্ত হ'ল। অশোক ধনাঢ্য আৰু কোমল অনুভূতি বিবৰ্জিত। নিৰঞ্জন দৰিদ্ৰ আৰু হৃদয়ৰ অধিকাৰী। সি মালবিকাক বিয়া কৰাবলৈ ইচ্ছা কৰে; কিন্তু কেছুৱাজনীৰ লগতে গ্ৰহণ কৰিবলৈ সাহস গোটাব পৰা নাই। ঘটনাক্ৰমে সন্তান প্ৰসৱৰ সময়ত বিশেষভাৱে সহায় কৰা ডাক্তৰ ত্ৰিদিবানন্দই প্ৰথমা পত্নীৰ মৃত্যুৰ পাছত মালবিকাক বিয়া কৰালে। কিন্তু, প্ৰথমা পত্নীৰ স্মৃতিয়ে ডাক্তৰৰ মন আচ্ছন্ন কৰি ৰখাত মালবিকাৰ লগতে মনোমালিন্য ঘটে। অলপদিনৰ পাছতে ডাক্তৰৰো মৃত্যু হয়। তাইৰ প্ৰেমিকাদ্বয় অশোকে বিয়া কৰাই আতৰি যায় আৰু নিৰঞ্জনে নিৰ্মল প্ৰেমৰ পোষকতা কৰে। গৰ্ভত ডাক্তৰৰ সন্তান থকাত তেওঁক হৃদয়ত স্থাপিত কৰিবলৈ লয়। ঘটনাবহুল এই কাহিনী লেখিকাই সুন্দৰকৈ গ্ৰন্থিত কৰিছে যদিও অস্বাভাৱিকতাই সৌন্দৰ্য হ্ৰাস কৰিছে। চৰিত্ৰবোৰ ভিন্নমুখী হলেও উপযুক্তভাৱে অংকিত হোৱা নাই। মালবিকা জটিল মানসিকতাৰ নাৰী আৰু ভাৰতীয় আদৰ্শৰ পৰিপন্থী। ডাক্তৰৰ চৰিত্ৰও উপযুক্তভাৱে প্ৰকাশ নহ'ল। তথাপি, বৰ্ণনা-শক্তি, উদ্ভাৱন-প্ৰতিভা আৰু মনোৰম ৰচনা-ভঙ্গীৰ বাবে উপন্যাসখন সুখপাঠ্য হৈ উঠিছে। "কাহিনী ৰচনাত কাৰ্য-কাৰণ সম্পৰ্ক প্ৰদৰ্শনত লেখিকা অধিক সচেতন হোৱাহেঁতেন উপন্যাসখন অধিক আকৰ্ষণীয় হ'লহেঁতেন।"[৭৫] প্ৰবীনা শইকীয়াই দ্বিতীয় উপন্যাস "সিংহ-দুৱাৰ"ত গাওঁ-নগৰৰ মিশ্ৰিত পটভূমিত কাহিনীভাগ গঢ়ি তুলিছে। কুজন কলেৱৰৰ উপন্যাসখনত গাঁৱৰ লৰা বিভূতি পঢ়িশুনি অধ্যাপক হৈ নগৰত বাস কৰে। সি সাংবাদিক আৰু সাহিত্যিকো। বিয়াৰ দুবছৰৰ পাছতো পত্নীক নিজৰ গাঁৱলৈ নিব নোৱৰা বিভূতি যথেষ্ট জটিল। যোৰহাটৰ সভা এখনত যোগ দিবলৈ যাওঁতে পত্নীৰ বান্ধৱীৰ ঘৰৰ লবলৈ গৈ ৰাত্ৰি যাপন আৰু মণিকা নামৰ সেই বান্ধৱীৰ লগতে যৌন সম্পৰ্ক স্থাপন হোৱাৰ পাছত নিজকে অপৰাধী অনুভৱ কৰি শিৱসাগৰৰ ওচৰৰ নিজ গাঁও পালেগৈ। তাৰপাছত, নবৌয়েকৰ ভনীয়েক মাধৱীৰ প্ৰতি আকৰ্ষণ অনুভৱ; কলেজীয়া ছোৱালী জয়াৰ চুলিকোছাৰ প্ৰতি আকৰ্ষণ অনুভৱ কৰি তাইক গুৱাহাটীত

---

৭৫. সত্যেন্দ্ৰনাথ শৰ্মা, "অসমীয়া উপন্যাসৰ গতিধাৰা", পৃ. ২৫

পঢ়িবলৈ মাতি আহিল। বিভূতিৰ সৈতে তিনি গৰাকী নাৰী প্ৰধানকৈ জড়িত হৈ পৰিছে। আকৌ মণিকাৰ মাকৰ মৃত্যুৰ খবৰ কৰিবলৈ গৈ মণিকা কেন্সাৰৰোগী বুলি জানিব পাৰিলে। মণিকাৰ প্ৰেমিক মহেন্দ্ৰৰ সৈতে তাইক চিকিৎসাৰ বাবে সি ডিব্ৰুগড়লৈ লৈ গ'ল আৰু তাতে তাইৰ মৃত্যু ঘটিল। জয়া গুৱাহাটীলৈ আহি বিভূতিৰ ঘৰত থাকি পঢ়িবলৈ ধৰিলে আৰু তাৰ প্ৰতি তাই আকৰ্ষিতো হ'ল। মণিকাৰ মৃত্যুৰ পাছত মহেন্দ্ৰ আহি বিভূতিৰ ওচৰত ওলোৱাত, বিভূতিয়ে জয়াক তাৰ হাতত সমৰ্পণ কৰিলে। এইবাৰ সি কন্যাদায়গ্ৰস্ত পিতৃৰ ভূমিকা ললে। অৱশেষত, বিভূতিয়ে তাৰ ওচৰত নিশ্চল প্ৰেমৰ গৰাকিনী কমলাৰ হিতিহে বিচাৰি পালে। কাহিনীৰ এই মুখ্যাংশৰ জৰিয়তে নিজৰ স্ত্ৰীৰ সমকক্ষ প্ৰেমিকা কোনো হব নোৱাৰে বুলিয়েই প্ৰদৰ্শন কৰা হৈছে। উপন্যাসখনত বহুতো অনাৱশ্যক ওপৰঞ্চি কাৰ্য-কাৰণ যোগ দিয়াত কলেবৰ বৃদ্ধি পাইছে, কিন্তু মূল ঘটনাৰ আকৰ্ষণ কমিছে। বিভূতিক কেন্দ্ৰ কৰিয়েই উপন্যাসখন ৰচিত। তাৰ গুণশীল চৰিত্ৰৰ দুৰ্বলতাই কাহিনীৰ পৰিবৰ্ধন ঘটাইছে। শেষত মানৱতাৰ জয় হলেও, বিভূতি জটিল আধুনিকতাৰহে প্ৰতিমূৰ্তি। আনহাতে মহেন্দ্ৰ-মণিকাৰ কাহিনীত এসময়ত গৰবিনী মণিকাই ভিক্ষাৰী বুলি উপহাস কৰিলেও তাৰ অবিচলিত প্ৰেম অৱশেষত মণিকাৰ মৃত্যুশয্যাত জয়ী হৈছে। মণিকা কিছু ব্যতিক্ৰমী চৰিত্ৰ। তাইৰ ওচৰলৈ অহা প্ৰতিজ্জনেই দেহটোহে কামনা কৰে বুলি ভবাৰ বাবে বিয়া হৈ নুঠিল। মণিকাই বিচাৰি ফুৰা মানুহজন বিভূতিৰ মাজতহে দেখা পাইছিল আৰু সেইবাবেই তাই সুযোগ পাই সৰ্বস্ব বিলাই দিছিল। বিভূতিয়ে তাইৰ প্ৰতি অনুভৱ কৰা আকৰ্ষণৰ মাজত লাম্পট্যহে দেখা যায়। জয়াৰ চৰিত্ৰত বৈশিষ্ট্য চকুত পৰে। বিভূতিৰ প্ৰতি তাইৰ প্ৰেম মহত্বৰ অৱস্থালৈ গতি কৰিছে। তাই অবৈধ সন্তান হিচাপে লাঞ্চনা-গঞ্জনা সহ্য কৰি আহি শৈশত বয়সত পিতৃৰ পৰিচয় লাভ কৰিছে আৰু তাইক গ্ৰহণ কৰিব খোজা পিতৃক প্ৰত্যাখান কৰিছে। কমলা উপন্যাস সবল চৰিত্ৰ। তাইৰ বৈশিষ্ট্য প্ৰকাশ পাইছে সকলো ক্ষোভ পাহৰি জয়াক যেতিয়া মাতৃৰ চকুৰে চাবলৈ লৈছে। মাধবীৰ গোপন দুখ উপন্যাসৰ এটা আকৰ্ষণ। পুৰুষ চৰিত্ৰ মহেন্দ্ৰ সংযমী আৰু সহানুভূতিশীল। বাকী চৰিত্ৰবোৰ যথাযথ। বিক্ষুব্ধ আৰু অস্থিৰ মনৰ সোণটি; সংশোধনৰ মাজেদি মহত্ব প্ৰকাশ কৰা পোনা ককাইদেউ আদি চৰিত্ৰৰ আকৰ্ষণ অনুভৱ কৰা যায়। কাহিনীৰ বাহুল্য বৰ্জন নকৰাৰ বাবে বহুতো অপ্ৰয়োজনীয় চৰিত্ৰৰ সমাগম "সিংহ-দুৱাৰ"ত ঘটিছে। সু-সংবদ্ধ কাহিনী এটা গঢ়ি তোলাৰ সকলো সমল আছিল যদিও লেখিকাই তাক আয়ত্তৰ মাজলৈ আনিব নোৱাৰিলে। ঘটনাবোৰ অবাস্তৱ নহয় আৰু মূল চৰিত্ৰ বিভূতিৰ জটিল মানসিকতা আধুনিকতাৰ পৰিচায়ক। বিয়া, সম্ভোগ আৰু প্ৰেম এই ত্ৰিধাৰাত বিভূতিৰ চৰিত্ৰটো বিভাজিত কৰি কাহিনীক নিয়ন্ত্ৰিত কৰিব পৰা গ'লহেঁতেন। কিন্তু "সিংহ দুৱাৰ"ত কমলা আৰু আবেগ নিয়ন্ত্ৰিত নোহোৱাত শ্ৰেষ্ঠত্ব দাবী কৰিব নোৱাৰিলে। তথাপিও উপন্যাসখন সুখপাঠ্য বুলিব লাগিব।

৮.৬.১০ অমিয়া চক্ৰবৰ্তীৰ উপন্যাস সংখ্যাত তিনিখন। ১৯৬৮ চনত প্ৰকাশিত "লোতক" প্ৰথম উপন্যাস। দ্বিতীয়খন "তৃপ্তি বিচাৰি" (১৯৭৬) আৰু তৃতীয়খন "দাপোন প্ৰলেপ" (১৯৮৬)। সমাজ সংস্কাৰক মন এটাৰ অধিকাৰী লেখিকা গৰাকী কিন্তু উপন্যাস ৰচনাত সফল হোৱা নাই। "তৃপ্তি বিচাৰি"ত চাৰিটা শিশুৰ মাতৃ নমিৰ লগত মলয় নামৰ যুৱকৰ অবৈধ প্ৰণয় কাহিনী; কলেজীয়া গাভৰু বীতাৰ সৈতে সম্পৰ্ক, গৰ্ভধাৰণ আৰু শেষত বিবাহ, সকলোবোৰ দৈৱৰ বিপাক বুলি নমিৰ ধাৰণা আৰু মলয়ৰ মুখ দৰ্শন নকৰাৰ সিদ্ধান্ত, অৱশেষত নমিক পাহৰিব নোৱাৰি মলয়ৰ সুৰা পানত আসক্তিৰ

মাজত কাহিনীভাগ গঢ় লৈছে। অবৈধ সম্পৰ্ক প্ৰদৰ্শনৰ জৰিয়তে মানৱ মনৰ এটা কাল দাপ্তি ধৰাৰ বাদে উপন্যাসখনৰ বৈশিষ্ট্য চকুত নপৰে। আত্মভাষণমূলক "দাপোন প্ৰলেপ"টো বজাই জনৈক ব্যক্তিক হত্যা কৰি ত্ৰিছবছৰ আত্মগোপন কৰি থকোতে কৰা হত্যা, দুনীতি, যৌন-দুনীতি আদি অসংখ্য অপৰাধ বৰ্ণিত হৈছে। ৰহস্যধৰ্মী হলেও কাহিনীৰ গঠন দুৰ্বল। নায়কৰ স্পষ্ট ছবি এখন ফুটি ওলোৱা নাই আৰু পৰিয়ালৰ চাৰিজন মানুহক হত্যা কৰা জনৈক ব্যক্তিক হত্যা কৰি সেইছবে পলাই ফুৰি নিজকে লোভ-মোহ, আশা-আকাংক্ষাৰ পৰা চিৰমুক্ত বুলি আত্ম-বিবেচনা কৰাত একো বিশেষত্ব নাই। "লোভক"টো চক্ৰৱৰ্তীয়ে কোনোধৰণৰ বিশেষত্ব দেখুৱাব পৰা নাই।

৮.৬.১১ হেম নলিনী গোস্বামীৰ (১৯২২-) প্ৰথম উপন্যাস "বহ্নিশিখা" ১৯৬৮ চনত প্ৰকাশ লাভ কৰে। তেজপুৰ চহৰত চীন-ভাৰত যুদ্ধ (১৯৬২)ৰ অস্থাৰতাৰ মাজত প্ৰদীপ আৰু শিখাৰ প্ৰেমৰ অস্পষ্ট সম্পৰ্ক এটা অংকন কৰি নানা উপকাহিনীৰ সংযোগত উপন্যাসখন গঢ় দি তুলিছে। প্ৰদীপ-শিখাৰ প্ৰণয় কাহিনী কিছু অপতানুগতিক আৰু বহু অগ্ৰগতি পৰ্যন্ত ই অব্যক্ত হৈ ৰৈছে। দুয়োৰে মিলনৰ পৰিবেশ সৃষ্টিত লেখিকাই বিবাহৰ সিদ্ধান্তৰ দ্বাৰা সফল হৈছে। কিন্তু, কাহিনীৰ নিটোল ৰূপ আৰু প্ৰকাশভঙ্গী নিখুঁত নহয়। চৰিত্ৰ চিত্ৰনতো সফলতা লাভ কৰিব পৰা নাই। তেওঁৰ দ্বিতীয় উপন্যাস "জ্বলন জোনাকী" (১৯৮৮) নাৰী হৃদয়ৰ এটি বিশ্লেষণ। নাৰীৰ লগত নাৰীৰ আৰু পুৰুষৰ লগত পুৰুষৰ তুলনাৰ দ্বাৰা চাৰিত্ৰিক ব্যৱধান দেখুৱাই ঔপন্যাসিকাৰ লক্ষ্য। অজিত-অজিতা, সুকুমাৰ-কাকলি, হিৰণ্য-যূথিকা আদিৰ যৌথ জীৱনৰ বৰ্ণনাৰ মাজত পতি-পত্নী, ল'ৰা-ছোৱালী সমন্বিতে ঘৰখনেই প্ৰকৃত আনন্দৰ স্থান বুলি স্বীকৃত হৈছে। স্বামীৰ স্নেহ নেওচা দি, নিৰ্দিষ্ট ঘৰ এৰি মুক্ত বিহঙ্গম হব খোজা নাৰীৰ প্ৰতি লেখিকাৰ সহানুভূতি নাই। চৰিত্ৰবোৰৰ মাজেদি ভিন্নধৰ্মী মানৱ-প্ৰকৃতি আৰু প্ৰবৃত্তি ফুটাই তোলাৰ যত্ন কৰা হৈছে। গোস্বামীৰ দ্বিতীয় উপন্যাসখন প্ৰথম খনৰ সমপৰ্যায়ৰ। অহল্যা, অজিতা, যূথিকা, সুব্ৰতা, ধৰিত্ৰী, অজয়, সৌমাৰ, হিৰণ্য আদি চৰিত্ৰকেন্দ্ৰিক অধ্যায়বোৰত প্ৰত্যেকৰ বৈশিষ্ট্য প্ৰকাশ কৰিবলৈ লেখিকাই যত্ন কৰিছে। সুব্ৰতাৰ সন্দেহী মনোভাৱ উপন্যাসখনৰ সামৰণিত ফুটি ওলাইছে। পোৱা-নোপোৱাৰ বেদনা, শান্তি, আনন্দ আদি সম্পৰ্কে লেখিকাৰ অভিমত উপন্যাসখনত স্পষ্ট হৈছে।

৮.৬.১২ অনু বৰুৱাৰ প্ৰকাশিত উপন্যাস "অন্তৰাত" (১৯৭০) সৰু মানুহৰ কাহিনী যোগ্যতাৰে বৰ্ণনা কৰা হৈছে। চুটি চুটি কাহিনীৰ জৰিয়তে বিভিন্ন চৰিত্ৰাঙ্কণত পাৰদৰ্শী লেখিকা গৰাকীয়ে উপন্যাসখনতো এহাল মাউৰা ল'ৰা-ছোৱালীক কেন্দ্ৰ কৰি গ্ৰাম্য-নগৰীয়া মিশ্ৰিত পটভূমিত কাহিনীভাগ সজাই তুলিছে। মাউৰা মালতী আৰু ৰঙাইক নিঠৰুৱা অৱস্থাৰ পৰা গাওঁবুঢ়াই লৈ গৈ নগৰৰ মৌজাদাৰৰৰ ঘৰত মালতীক আৰু উকীলৰ ঘৰত ৰঙাইক বন কৰিবলৈ দিলেগৈ। বহু বছৰ পাৰ হৈ যোৱাৰ পাছত মৌজাদাৰৰ সৰু পুত্ৰ চন্দনৰ দ্বাৰা অবৈধভাৱে মালতী গৰ্ভৱতী হয় আৰু শেষত গাত কেৰাচিন ঢালি আত্মদাহ কৰে। আনফালে, উকীলৰ সৰু ছোৱালী ৰাণুৰ দ্বাৰা প্ৰলুব্ধ হৈ যৌনাচাৰত লিপ্ত হোৱাৰ উপক্ৰম কৰোতে ধৰা পৰি ৰঙাই বহিষ্কৃত হব লগাত পৰে। ৰঙাই নিজৰ গাঁৱলৈ গৈ বহুদিনীয়া ইচ্ছাপূৰণ কৰিবলৈ ঘৰ এটা সাজি বায়েকক আনিবলৈ গ'ল। তেতিয়াহে সি সবিশেষ জানিব পাৰিলে আৰু তাইৰ ৰহস্যপূৰ্ণ মৃত্যুৰ পোতক তুলিবলৈ মৌজাদাৰৰ ভঁৰালত জুই দিছে। তেনে কৰিলে বায়েকৰ আত্মাই শান্তি পাব বুলি তাৰ ধাৰণা। কাহিনীটো বাস্তৱমুখী আৰু চিত্তাকৰ্ষক। বনকৰা মানুহৰ প্ৰতি ব্যৱহাৰৰ চিত্ৰ এখন ইয়াত ফুটি ওলাইছে। বনকৰা ছোৱালীৰ লগত আভিজাত্য লোকৰ

যৌন সম্পৰ্ক স্থাপন আৰু পাছত ধ্বংসাত্মক ব্যৱস্থা গ্ৰহণ, গৃহভৃত্যৰ সৈতে অভিজাত নাৰীৰ যৌনতা স্থাপন আদি সঁচৰাচৰ ঘটি থকা দুখান্তক ঘটনাক অনু বৰুৱাই সহজ-সৰল ভাষাৰে, বিশেষ দক্ষতাৰে নিনিয়াকৈ চিত্ৰিত কৰি কৃতকাৰ্য হৈছে। চৰিত্ৰবোৰ গতানুগতিক হলেও বাস্তৱানুগ। গ্ৰাম্যসৰলতা আৰু নগৰীয়া আত্মসচেতনতা উপন্যাসখনত উপযুক্তভাৱে প্ৰকাশ পাইছে। বাস্তৱবাদী উপন্যাসত মহিলাৰ এইটি এটি লেখৰ দান বুলিব পাৰি।

৮.৬.১৩ **চিত্ৰলতা ফুকনৰ** (১৯৩৬-) উপন্যাস দুখন। প্ৰথম উপন্যাস "অশ্ৰুকন্যা"ত (১৯৭০) কপালী নামৰ এগৰাকী নাৰীৰ কৰুণ কাহিনী বৰ্ণিত হৈছে। নগৰৰ কাষৰৰ পদুমণি গাঁৱৰ শইচৰ পাম খুলি স্ব-আদৰ্শ প্ৰতিষ্ঠা কৰা দেৱপ্ৰসাদে একমাত্ৰ কন্যা কপালীক বি,এ পাছ কৰোৱাৰ পাছতে মৃত্যু মুখত পৰে। কিছুদিনৰ পাছত মাকৰো অসুখ হোৱাত খা-খবৰ বখা মানুহৰ ভিতৰত কল্যাণ বৰুৱা নামৰ শিক্ষকজন অন্যতম। টুটকীয়াৰ দলে কপালী-কল্যাণৰ মাজত স্বাৰ্থ-পূৰণৰ বাবে অপবাদ সৃষ্টি কৰিলে, যাৰ ফলত গাওঁখন দুভাগ হবৰ উপক্ৰম হ'ল। দুটা দলৰ মাজৰ হাই-কাজিয়া, মেল-মোকৰ্দমাৰ অৱসান ঘটিল বৰ নৈৰ প্ৰলয়ঙ্কৰী বানপানীৰ সময়ত। কপালীহঁতৰ নগৰত ঘৰ আছিল বাবে মাকক চিকিৎসাৰ বাবে লৈ যোৱা হ'ল আৰু এদিন তাতে তেওঁৰ মৃত্যু হ'ল। পদুমণি গাঁৱৰ শিক্ষিত ডেকা পদুমৰ হাতত মাকে কপালীক গটাই গৈছিল। এদিন কপালী পদুমৰ বিয়া হ'ল আৰু দুয়ো গাঁৱৰ উন্নতিত আত্মনিয়োগ কৰিলে। চাৰিবছৰেও কপালী সন্তান সম্ভৱা নহ'ল আৰু আনহাতে ফুৰিবলৈ অহা কপালীৰ মাহীয়েকৰ জীয়েক কাকলিৰ ৰূপত পদুম মুগ্ধ হৈ বিয়া কৰাবলৈ বিচৰাত মনোমালিন্য ঘটিল। পদুমৰ দ্বাৰা অপমানিত হৈ তাই আশ্ৰমবাসী হ'ল। অনাথ শিশুক শিক্ষা প্ৰদান কৰি দহবছৰমান কটোৱাৰ পাছত কাকলিয়ে এদিন তাইক বিচাৰি আহিল। কাকলি-পদুমৰ বিয়া হলেও সতি-সন্ততি হোৱা নাছিল। ইতিমধ্যে পদুমৰো বহুত পৰিবৰ্তন হ'ল। কপালীয়ে চৰকাৰৰ পৰা 'মাতৃ' উপাধিও লাভ কৰিলে। কাহিনীটোৰ পৰিণতি স্পষ্ট অথবা ইঙ্গিত ধৰ্মী নহ'ল। সাধাৰণ ভাৱেই ইয়াৰ গতি স্তব্ধ হৈ পৰাত সৌন্দৰ্য লাঘৱ হ'ল। তদুপৰি, কাহিনীভাগত অপ্ৰয়োজনীয় সংযোজনবোৰে দীঘলীয়া কৰাৰ বাদে অন্য সফলতা আনিব নোৱাৰিলে। চৰিত্ৰ চিত্ৰনত বিশেষ মনোযোগ দিয়া নাই। কপালী চৰিত্ৰত কিছু কৃতকাৰ্যতা লাভ কৰিছে। চৰিত্ৰটোৰ সৎসাহস, নিষ্ঠা আৰু বিদ্ৰোহিনী ৰূপ প্ৰতিষ্ঠা কৰাত এই সাফল্য প্ৰদৰ্শিত হৈছে। পদুম দুৰ্বল আৰু স্বাৰ্থপৰ। কল্যাণ, কাকলি আদি স্পষ্ট নহ'ল।

দ্বিতীয় উপন্যাস "অৰুন্ধতী" (১৯৮১) গতানুগতিক কাহিনীৰ উপন্যাস। অতীত কথনভঙ্গীৰে নাৰীৰ ওপৰত পুৰুষৰ চিৰাচৰিত অবিচাৰ আৰু বঞ্চনাই ইয়াত ঠাই পাইছে, যাৰফলত নায়িকা অৰুন্ধতীৰ জীৱন অকালতে মৰহি গৈছে। সোণতলী গাঁৱৰ স্বাধীনচেতা, ন্যায়বান ইন্দ্ৰনাথৰ জীয়াৰী অৰুন্ধতীৰ নগৰৰ উকীলৰ ঘৰত থাকি মেট্ৰিক পৰীক্ষা দিবলৈ গৈ উকীলৰ লম্পট পুত্ৰৰ দ্বাৰা ধৰ্ষিতা হৈ গৰ্ভৱতী হ'ল। লম্পট বমেনে স্বীকাৰ নকৰাৰ দৰেই উকীলেও ধন, মান-মৰ্যদা আৰু জাত-পাতৰ বাবে তাইক স্বীকাৰ নকৰিলে। এদিন ইন্দ্ৰনাথৰ মৃত্যু ঘটিল। তদুপৰি, তাইৰ সন্তানটোৰো মৃত্যু ঘটিল। অৰুন্ধতীয়ে পঢ়া শুনা কৰি স্নাতক হৈ শিক্ষয়িত্ৰী হ'ল। প্ৰেমিক গৌতমেও তাইক ইতিমধ্যে এৰি গৈছিল। স্কুলৰ সভাপতি বিপুল ঠিকাদাৰেও তাইক বহু যত্নেৰে হাত কৰিব নোৱাৰি কৌশলেৰে কামৰ পৰা খেদি পঠালে। দুৰ্ঘটনাত পতিত পূৰ্ব-প্ৰেমিক গৌতমৰ কাষ চাপি গৈয়ো তাই হতাশ হ'ল। এইদৰে সকলো ক্ষেত্ৰতে লাঞ্ছিতা-প্ৰৱঞ্চিতা হৈ

এদিন অৰুন্ধতীয়ে অজ্ঞাতযাত্ৰা কৰি চিকিৎসালয়ত মৃত্যু বৰণ কৰিলে। গৌতমৰ তেতিয়াহে ভুল উপলব্ধি হ'ল আৰু তাইক পত্নীৰ মৰ্যদা দিবলৈ হাতত সেন্দুৰৰ টেমালৈ মৃতদেহৰ কাষত ঠিয় দিলেগৈ। এই সাধাৰণ কাহিনীটোৰ মূল বিষয় নাৰী-বঞ্চনা। নায়িকা অৰুন্ধতীৰ চৰিত্ৰই কিছু আকৰ্ষণ কৰে যদিও তাই সাধাৰণভাৱেই চিত্ৰিত হ'ল। বিদ্ৰোহী বা শক্তিশালী ভূমিকাত তাইক গঢ়ি তোলা নহ'ল, কিন্তু গঢ়ি তোলাৰ আৱশ্যকতা কাহিনীত আছিল। নায়ক গৌতম সাধাৰণ ভাৱেই দুৰ্বল, তাৰ সেহতীয়া কাৰ্যতো কোনো অভিনৱত্ব নাই। পিতৃ ইন্দ্ৰনাথ বিদ্ৰোহী হলেও অথৰ্ব ৰূপেহে চিত্ৰিত হ'ল। উকীল, বগেন আদি চৰিত্ৰবোৰ যথাযথ। উপন্যাসখনত সমাজৰ প্ৰগতিকমে পৰম্পৰাৰ বিৰোধী কৰি তোলাৰ যথেষ্ট সুবিধা আছিল। চিত্ৰলতা ফুকনৰ দুয়োখন উপন্যাস নাৰী-নিৰ্যাতন কেন্দ্ৰিক হলেও দুৰ্বল আৰু গতানুগতিকতাৰ সীমা অতিক্ৰম কৰিব নোৱাৰিলে।

উল্লিখিত লেখিকা সকলৰ বাহিৰেও সপ্তম দশকৰ ভিতৰত দুই এগৰাকীয়ে সৰু-সুৰা উপন্যাস ৰচনাত হাত দিয়া দেখা যায়। বেণুমালা দুৱৰাৰ "সুখদা নাৰ্চিং হোম" (১৯৬৯), অঞ্জলি দেৱীৰ "ৰহস্যৰ আঁৰত (১৯৬৯) আৰু সৰলাদেৱীৰ "বামধেনু" (১৯৭০) আদি উপন্যাস বিশেষভাৱে সফল হোৱা নাই। কেঁচাহাতৰ স্পৰ্শ এইবিলাক ৰচনাত স্পষ্ট।

দ্বিতীয় মহাযুদ্ধৰ পৰা ১৯৭০ চন পৰ্যন্ত সামৰি লোৱা এই সময়ছোৱাত অসমীয়া গদ্য-সাহিত্যত মহিলাৰ আগমন আৰু দান, সংখ্যাৰ ফালৰপৰা যথেষ্ট। কিন্তু, সৰহসংখ্যক লেখিকাই অনুশীলনৰ যত্ন নকৰাত আৰু সাহিত্যৰ বিভিন্ন আঙ্গিক সম্পৰ্কে সচেতন নোহোৱাত আধুনিকতাৰ পৰা বহুত পিছুৱাই ৰৈছে। অধিকাংশ লেখা নিম্নগামী হোৱাৰ কাৰণো এইটোৱেই। তথাপি, সময়ছোৱাৰ শেষৰ ফালে গুৰুত্ব লাভ কৰা লেখিকা কেইগৰাকী সম-সাময়িক সাহিত্যৰ নিয়মীয়া লেখিকা হিচাপে মৰ্যদা লাভ কৰিছে।

নৱম অধ্যায়

যুদ্ধোত্তৰ গল্প-উপন্যাসৰ বিশিষ্ট লেখিকা কেইগৰাকীমান

৯.১. দ্বিতীয় মহাযুদ্ধৰ পৰবৰ্তী অসমীয়া গল্প আৰু উপন্যাসৰ লেখিকা সকলৰ বিষয়ে অষ্টম অধ্যায়ত আলোচনা কৰি অহা হৈছে। কিন্তু, কেইগৰাকীমান লেখিকাৰ অৱদান সেই অধ্যায়ত আলোচনা নকৰি এই অধ্যায়লৈ অনাৰ অন্যতম কাৰণ হ'ল,- গল্প আৰু উপন্যাসত এই কেইগৰাকী লেখিকাই সন্তালনিকৈ লেখি আহি একোখন বিশিষ্ট আসন লবলৈ সমৰ্থ হৈছে। এনে পাঁচ গৰাকী লেখিকা হ'ল,- ড° নীলিমা দত্ত, নিৰুপমা বৰগোহাঞি, ড° নীলিমা শৰ্মা, স্নেহদেৱী আৰু মামণি ৰয়ছম গোস্বামী (ড° ইন্দিৰা গোস্বামী)।

চুটি-গল্পৰ লেখিকা হিচাপে স্নেহদেৱী, নীলিমা শৰ্মা আৰু নিৰুপমা বৰগোহাঞিক আলোচনাৰ বাবে ধৰা হৈছে। উপন্যাসত নীলিমা দত্ত, মামণি ৰয়ছম গোস্বামীৰ লগতে নিৰুপমা বৰগোহাঞিকো নিৰ্বাচিত কৰা হৈছে। বৰগোহাঞিৰ দৰে মামনি ৰয়ছমো এগৰাকী ভাল গল্প-লেখিকা ; কিন্তু তেওঁৰ গল্পৰ উপন্যাসধৰ্মিতাৰ বাবে এই শিতানত ধৰা নহ'ল। পূৰ্ব-অধ্যায়ত এগৰাকী প্ৰধান গল্প-লেখিকা হিচাপে ৰয়ছম গোস্বামীৰ আলোচনা কৰা হৈছে।

৯.২. চুটি-গল্পৰ তিনিগৰাকী বিশিষ্ট লেখিকা

চুটি গল্পৰ ৰচনাত বৈশিষ্ট্য দেখুৱাবলৈ সমৰ্থ হোৱা তিনিৰাকী প্ৰধান লেখিকা হ'ল স্নেহদেৱী, নীলিমা শৰ্মা আৰু নিৰুপমা বৰগোহাঞি। তিনিও গৰাকীয়ে 'ৰামধেনু'ৰ কালতে প্ৰতিষ্ঠা লাভ কৰিছে আৰু সম-সাময়িক পুৰুষ লেখক সকলতকৈ কোনোগুণে কম নহয় বুলি প্ৰতিপন্ন কৰিব পাৰিছে। কিন্তু, যুদ্ধপূৰ্ব গদ্য-সাহিত্যত এনে শক্তিশালী লেখিকাৰ উদ্ভৱ হোৱা নাছিল। স্নেহদেৱীৰ বাদে উল্লিখিত লেখিকাসকল উচ্চশিক্ষিতা আৰু দেশ-বিদেশৰ গল্প-উপন্যাসৰ সৈতে সু-পৰিচিতা। স্নেহদেৱীৰ আনুষ্ঠানিক শিক্ষা মাত্ৰ পঞ্চম শ্ৰেণী পৰ্যন্ত। কিন্তু, বাস্তৱৰ পঢ়াশালিৰ তেওঁ যে সুনিপুণা ছাত্ৰী, তাৰ তেওঁৰ প্ৰতিটো গল্পই সৌৰবাই দিয়ে।

৯.২.০১. স্নেহ দেৱী (১৯১৬–১৯৯০)

যোৰহাটৰ বজালিমেদামত ১৯১৬ চনত স্নেহদেৱীৰ জন্ম। পিতৃ নন্দেশ্বৰ বৰুৱা। পঞ্চম শ্ৰেণীত পঢ়ি থকা অৱস্থাতে ডাঃ দীনেশ চন্দ্ৰ বৰুৱাৰ সৈতে বিবাহ হোৱাত শিক্ষা-জীৱনত যতি পৰে। নিজৰ অধ্যৱসায় আৰু দৃঢ় মনোবলৰ বাবে তেওঁ ঘৰতেই বাস্তৱৰ অভিজ্ঞতা আহৰণ কৰিবলৈ সক্ষম হয়। ডাক্তৰ স্বামীৰ ওচৰলৈ অহা বহুতো ৰোগিনীৰ গোপন কাহিনী জানিব পাৰি মানব মন সম্পৰ্কে তেওঁৰ অধ্যয়ন পুৰঠ হৈ পৰে। তদুপৰি আৱাহন যুগৰ জনপ্ৰিয় গল্প-সাহিত্য আৰু সাৰ্থক গল্পকাৰ সকলৰ লেখনিৰ প্ৰেৰণাত তেওঁ গল্প জগতত প্ৰৱেশ কৰে। স্নেহদেৱীৰ সাহিত্যিক জীৱনৰ আৰম্ভণি হয় ১৯৫২ চনত প্ৰকাশিত 'প্ৰয়োজন' নামৰ এটা কবিতাৰে। তিনিচুকীয়াৰ পৰা প্ৰকাশিত আৰু প্ৰেমধৰ ৰাজখোৱা সম্পাদিত "সৌমাৰ জ্যোতি" পত্ৰিকাত কবিতাটি প্ৰকাশ পাইছিল। সেই সময়ৰে পৰা "নতুন অসমীয়া"ত নানা ৰচনা প্ৰকাশ হবলৈ ধৰে। ১৯৫৩ চনত "ৰামধেনু" পত্ৰিকাত গল্প-লেখিকাৰূপে আত্মপ্ৰকাশ কৰাৰ পৰা

জীৱনকালত প্ৰায় তিনিশ গল্প তেওঁ ৰচনা কৰিছে। "ৰামধেনু"ৰ গল্প প্ৰতিযোগিতাত 'সূচনা' নামৰ গল্পটোৱে প্ৰথম পুৰস্কাৰ লাভ কৰাৰ লগে লগে তেওঁ প্ৰতিষ্ঠিত হৈ পৰে। ১৯৮৭ চনত শ্ৰেষ্ঠ গল্প ৰচয়িত্ৰী হিচাপে অসম সাহিত্য সভাৰপৰা 'বাসন্তী বৰদলৈ বঁটা' লাভ কৰে।

স্নেহ দেৱীৰ প্ৰকাশিত গল্প-সংকলন চাৰিখন। প্ৰথম গল্প-সংকলন "কৃষ্ণা-দ্বিতীয়াৰ জোনাক" (১৯৫৭); দ্বিতীয় "স্নেহ দেৱীৰ গল্প" (১৯৬৬); তৃতীয় "স্নেহদেৱীৰ শ্ৰেষ্ঠ গল্প (১৯৮১) আৰু চতুৰ্থখন "স্নেহদেৱীৰ একুঁকি গল্প" (১৯৮৮) প্ৰকাশ হৈ ওলাইছে। তেওঁৰ সৰহভাগ গল্পই আলোচনীবিলাকৰ পাতত সিঁচৰতি হৈ আছে। বিভিন্ন লেখকৰ সম্পাদিত গল্প সংকলনতো স্নেহদেৱীৰ গল্পই স্থান পাইছে। তদুপৰি, হিন্দী প্ৰমুখ্যে কেবাটাও ভাৰতীয় ভাষালৈ তেওঁৰ একাধিক গল্প অনূদিত হৈছে।

"কৃষ্ণা দ্বিতীয়াৰ জোনাক"ত প্ৰকাশিত সাতোটা গল্প তেওঁৰ প্ৰথম পৰ্যায়ৰ ৰচনা। সম্পূৰ্ণ দোষমুক্ত নহলেও জীৱনৰ সৰু সৰু ঘটনা বুটলি গল্প কোৱাৰ ৰীতি এই সংকলনটোত ফুটি ওলাইছে। 'যাদু' নামৰ গল্পত কৰিম, তেওঁৰ পৰিয়াল আৰু বোৱাৰীয়েক লুকুৰ মাজৰ দোষ-ত্ৰুটি আৰু সুখ-দুখৰ অনুভৱ আকৰ্ষণীয় ভাৱে প্ৰকাশ পাইছে। 'সম্বল' নামৰ গল্পত মানুহৰ নীচতাই কেনেকৈ মানুহক পঙ্গু কৰি তোলে তাৰ সুন্দৰ বৰ্ণনা আছে। লেখিকাই প্ৰতিটো গল্পত কৌশলেৰে নিজৰ বক্তব্য প্ৰকাশ কৰা দেখা যায়। পৰৱৰ্তী সংকলনকেইটা আৰু আলোচনীবিলাকত সিঁচৰতি হৈ থকা গল্প সমূহতো এনে বিশেষত্ব দেখা যায়। 'পোহৰ' গল্পত ৰ'দালিৰ মন গহনৰ বেদনাৰ সৰল প্ৰকাশ ঘটাত ইন্দুৰ মন সন্দেহৰ বিষাক্ত কীট-দংশনৰ পৰা মুক্ত হৈছে আৰু সহানুভূতিয়ে মনৰ আকাশ পোহৰাই তুলিছে। 'পৰিপূৰক' গল্পত সন্তানহীনা সুস্মিতাৰ মনোবেদনা আৰু 'প্ৰভাত'ত পৰমাৰ অনুশোচনা তীব্ৰতৰ হৈছে। 'জোৱাৰৰ পাছত' স্বামী পৰিত্যক্তা অভিনেত্ৰী বিশালাক্ষীৰ মানসিক দ্বন্দ্ব ফুটি ওলাইছে। 'পুনৰ্জীৱিত'ত উত্তমৰ অন্তৰত জাগ্ৰত হোৱা পৌৰুষই পত্নী বাসনাক শান্ত কৰি পাৰস্পৰিক বুজাবুজিত উপনীত কৰাইছে। "স্নেহদেৱীৰ গল্প" আৰু "স্নেহদেৱীৰ শ্ৰেষ্ঠ গল্প"ৰ গল্পসমূহো একে পৰ্যায়ৰ। "ৰামধেনু"ৰ প্ৰতিযোগিতাত পুৰস্কৃত 'সূচনা" গল্পৰ মূল ঘটনা সপোন কেন্দ্ৰিক হলেও অৱচেতন মনৰ সন্ধান তাত পোৱা যায়। কমাই স্বামী সুব্ৰতৰ প্ৰশংসা স্বাভাৱিক ভাৱেই কৰিছিল যদিও আগৰাতিৰ সপোনত সি সূচনাক গাড়ীত তুলি ক'ৰবালৈ লৈ যোৱা ঘটনাৰ মানসিক প্ৰতিক্ৰিয়াৰ ফল স্বৰূপে তাই কমাক কথা বন্ধ কৰাৰ লোৱাৰি চৰিয়াই দিছিল। এই ঘটনাই পৰিয়াল দুটাৰ সম্প্ৰীতি বিনাশ কৰিবলৈ লৈছিল। এজন নিৰপেক্ষ ব্যক্তিৰ দ্বাৰা ঘটনাৰ মোকাবিলা কৰোতে সূচনাৰ স্বীকাৰোক্তিয়ে গল্পটোৰ আকৰ্ষণ বৃদ্ধি কৰিছে। গল্পটো মনস্তাত্ত্বিক। 'প্ৰেৰণাৰ সমাধি' গল্পত সুস্মিতাক স্বামীৰ বন্ধু প্ৰবীৰৰ সুন্দৰ চকুযুৰিয়ে গভীৰ আকৰ্ষণ কৰিছিল। কিন্তু, বসন্তৰোগত সেইযুৰি চকু নষ্ট হোৱাত অকথ্য দুখত সুস্মিতা ম্ৰিয়মান হৈ পৰিছে। 'ভাতৃত্ব মঠবাসৰ চৰিত্ৰত অতি সৰলতা আৰু ভাতৃ-প্ৰীতি সুন্দৰকৈ প্ৰকাশ পাইছে। 'মনে মনে' গল্পত ভাগি আহি আশ্ৰয় লোৱা কুকুৰা এজনীক কেন্দ্ৰ কৰি এহাল কম উপাৰ্জনৰ স্বামী-স্ত্ৰীৰ মনোভাৱ আৰু দৰিদ্ৰতাৰ কৰুণ চিত্ৰ এখন প্ৰকাশ পাইছে। চুটি চুটি বাক্যৰ এটা অনুভূতিশীল গল্প হিচাপে ই সুন্দৰ হৈছে। 'বিপত্তি' গল্পত ডাঃ আশালতাৰ চেম্বাৰলৈ অহা মণ্ডীয়া নামৰ এজনী নৱবিবাহিতা তিৰোতাই আশ্ৰয়দাতাৰ আচৰণ ঘৰত কব নোৱাৰি ডাক্তৰৰ চেম্বাৰত সুবিধা বিচাৰি স্বামী লোলকক কোৱাত স্বাভাৱিকতা নাই। বৃদ্ধ অলস গৃহপতিয়ে তাইৰ পৰা যৌনতা আদায় কৰিবলৈ যত্নবান হোৱাত বিশ্বাসৰ হল আছে, কিন্তু

গোলকৰ দৰে সৰল আৰু মালিকৰ বিশ্বাসভাজন লোকেও পত্নীৰ সুবিধা অসুবিধা য'তে ত'তে বুজিলেহেঁতেন। আশালতাৰ চেষ্টাৰত নহয় নিজ ঘৰত মতীয়াই গোলকক কোৱাহলে এটা স্বাভাৱিক অৱস্থাত গল্পটো গঢ় ললেহেঁতেন। 'কৰুণ উলাহ' গল্পৰ নায়িকা সৰযুৰ প্ৰেমৰ নৈতিকতা দেখা যায়। প্ৰেমিকে প্ৰৱঞ্চনা কৰাৰ বাৰ বছৰৰ পাছত এজনৰ লগত বিয়াত বহিব খুজি হঠাতে পত্নীৰ দ্বাৰা পৰিত্যক্ত প্ৰেমিক ত্ৰিদিবক দেখা পাই তাইৰ মন পৰিবৰ্তিত হৈছে। ইয়াৰ মাজত নাৰীৰ মনস্তত্ব প্ৰকাশ পাইছে। 'সময়ৰ শিকনি' এটা সুন্দৰ অনুভূতিপ্ৰৱণ গল্প। পুৰুষকেন্দ্ৰিক এই গল্পত বৃদ্ধ প্ৰতুলচন্দ্ৰৰ মানসিকতা সুন্দৰকৈ প্ৰকাশ পাইছে। তেওঁ নিজ পুত্ৰৰ দৰেই তুলি তালি ডাঙৰ কৰি চাকৰিত নিয়োগ কৰি দিয়া ভাগিন বযুৰ লগত এমাহমান থকাকৈ যাবৰ মানসেৰে চিঠি লেখিছিল; কিন্তু উত্তৰ নাহিল। তাকে বোৱাৰীয়েকৰ আগত চিঠিকে লেখা নহ'ল বুলি প্ৰতুলচন্দ্ৰই বযুৰ দুৰ্বলতা ঢাকি ৰাখিছে। সকলোবোৰ পৰিবৰ্তিত সময়ৰ প্ৰভাৱতে ঘটিছে বুলি তেওঁ আত্ম সান্ত্বনা লভিছে। অৰ্থনৈতিক কাৰণ এটা গল্পটোত আছে। সেইদৰে আন এটা পুৰুষকেন্দ্ৰিক গল্প 'সমৰ'ত নৰহৰি নামৰ জনৈক বৃদ্ধই নিজ পত্নী বিয়োগ হোৱাৰ পাছত য'তে ত'তে পত্নী বিজয়াক বিচাৰি ফুৰোতে বহুতে উন্মাদ বুলিয়েই ভাবিছিল। এদিন সন্ধিয়া ভ্ৰমবশতঃ বিজয়া বুলি ভতিজা-বোৱাৰীয়েকক সাৱটি ধৰিলে। পাছত জানিব পাৰি ঘৰৰ পৰা ওলাই গৈ দহবছৰমান কাশীত বাস কৰিলে। খবৰ পাই বেমাৰী অৱস্থাত ভতিজাকে ঘৰলৈ আনিলে। নৰহৰিয়ে মৃত্যুৰ আগে আগে ইমানদিনে ভুগী অহা অন্তৰ্দ্বন্দ্বৰ প্ৰকাশ ঘটাই বোৱাৰীয়েকৰ পৰা ক্ষমা বিচাৰি মৃত্যু হ'ল। এই স্বীকাৰোক্তিয়ে কিন্তু বোৱাৰিয়েকক অসুখী কৰিলে। ইমানদিনে নৰহৰিৰ সেই কাৰ্য উন্মাদৰ বাবে আছিল বুলিহে তাই ভাবি আহিছিল। শেষত সেইয়া নৰহৰিৰ যৌন-বিকৃতি বুলিয়েই প্ৰমাণিত হ'ল। আন এটা বিকৃত যৌনতাপূৰ্ণ গল্প হ'ল 'বিষক্ৰিয়া'। খনা নামৰ এজনী নাৰীৰ পাল্লাত পৰি সন্ধ্যা নামৰ এজনী গাভৰু বিপথগামী হৈ বিয়া বাৰুৰ প্ৰতি অমনোযোগী হৈ উঠিল। অৱশেষত বায়েকৰ চেষ্টাত সন্ধ্যাই বুজি উঠিল আৰু নাৰীৰ পাৰস্পৰিক গোপন সম্পৰ্কৰ কলুষতাৰ পৰা উদ্ধাৰ হবলৈ তাই বায়েকৰ লগত যাবলৈ ওলাল। গল্পটো ইঙ্গিতধৰ্মী হোৱাত আবেদন বৃদ্ধি পাইছে। 'কলঙ্ক'ত উৰ্বশীৰ চৰিত্ৰ; 'মৰম'ত যমুনা আৰু নীৰা; 'অফুৰন্ত আশা'ত বায়েকৰ দায়বদ্ধতা আদিয়ে সহজে আকৰ্ষণ কৰে। 'সংকট মুহূৰ্তত' মাধৱী অত্যাধুনিকা; শংকৰৰ লগত চিনেমা চোৱাৰ উপৰিও ৰাতি-যাপন কৰাতো যেন তাইৰ শংকা নাই। শংকৰে কিন্তু এনে সহজলভ্যা নাৰীক অৰ্ধাঙ্গিনী কৰিবলৈ নিবিচাৰে। সহজলভ্যা ৰমনীৰ প্ৰতি পুৰুষৰ কোনো আকৰ্ষণ নাই; তাকেই গল্পত প্ৰকাশ কৰা হৈছে। 'বিভিন্ন বেদনা' গল্পৰ মূল বস্তু প্ৰেম। প্ৰেম য'তে ত'তে নহয়; প্ৰেম অন্ধ। গানৰ স্কুললৈ যোৱা ৰুকণা আৰু ৰুকণৰ মাজত প্ৰীতি সম্বন্ধ গঢ়ি উঠোতে চিনাকি হ'ল অলকাৰ লগত ৰুকণৰ। অলকা ৰুকণাৰ বিধবা বায়েক আৰু এজনী ছোৱালীৰ মাতৃ। অলকাৰ বেমাৰত আলপৈচান ধৰাত সহায় কৰিবলৈ গৈ সি অলকাকহে ভাল পালে। সি এখন চিঠিৰে ইয়াকে জনাই আঁতৰি গ'ল। সুন্দৰ বৰ্ণনাৰ মাজত ভিন্নমুখী বিষাদ প্ৰকাশ পাইছে। ৰুকণৰ চৰিত্ৰই গল্পটোৰ প্ৰধান বৈশিষ্ট্য। 'কালজয়ী'ৰ অভিমানী চৰিত্ৰ কন্দৰ্পই সকলোকে আকৰ্ষণ কৰে। 'এটি আবেলিৰ স্মৃতি' গল্পত পাৰিবাৰিক বিৱৰণৰ মাজত স্বামী-স্ত্ৰীৰ খুঁটি-নাটি প্ৰকাশ পাইছে। গল্পটোত লিপিকা আৰু বিৰিঞ্চিৰ মাজত নীতিৰ প্ৰৱেশ ঘটি, নীতিয়ে বিৰিঞ্চিক আকৰ্ষণ কৰি সাহসী হবলৈ প্ৰেৰণা দি পাছত ঠাট্টা কৰাত মতলব ৰহস্যপূৰ্ণ হৈ উঠিছে। "স্নেহদেৱীৰ একুৰি গল্প"ৰ গল্পবিলাক শেহতীয়া আৰু প্ৰায়বোৰেই যোৱা দশক দুটাত ৰচিত। ইয়াৰ গল্পবিলাকতো নাৰীমনৰ নানা অভিব্যক্তি প্ৰকাশ পাইছে। 'বিচিত্ৰ' গল্পৰ

জেনী কাবেৰীয়ে প্ৰেমিক কাৰ্ত্তিক এৰি মাকৰ মতত হয়ভৰ দি বিয়া কৰালে ধনী, চৰিত্ৰহীন মৌজদাৰপুত্ৰ মহেশক। ফলত তাইৰ জীৱনটো দুৰ্বহ হৈ পৰিল, কিন্তু মাকইতে ইয়াৰ গম নাপালে। মাকৰ মতে দৰিদ্ৰতাহে মহাপাপ। ইয়াৰ পৰা মুক্তি পাবলৈকে মহেশৰ সকলো বদগুণ আওকাণ কৰি পাত্ৰ নিৰ্বাচন কৰিলে। কন্যাৰ পিতা-মাতাসকলৰ বহুতেই যে অৰ্থ-সম্পদকহে মূল্য দিয়ে, তাকেই ইয়াত ফুটাই তুলিছে। 'ফেন্দুৱানিত এজনী তোলনীয়া জীয়াৰীক জনেক ব্যক্তিয়ে পিতৃৰ ওচৰত অনৰ্থ জ্ঞান কৰিলেও, পিতৃৰ মহিমা-মণ্ডিত ৰূপক তাই নতশিৰে গ্ৰহণ কৰিছে। অজিতা নামৰ এই ছোৱালীজনীৰ মাতৃক কোনোবা দত্তই তাইৰ জন্মৰ লগে লগে প্ৰভাবিত কৰি যোৱাত, মাকক্তি বৰদলৈয়ে বিয়া কৰালে। সেইসূত্ৰে অজিতা বৰদলৈৰ দুহিতা হ'ল। কিন্তু, মাকক্তি বৰদলৈয়ে নিৰ্ভেজাল স্নেহৰ দ্বাৰা তাইৰ পৰিচয় লুকাই ৰাখিলে। তেনে মহান পিতৃৰ প্ৰতি তাইযে দায়বদ্ধ তাকেই গল্পটোৰ বক্তব্য কৰা হৈছে। 'তেওঁলোকৰ মন'ত পিতৃ-মাতৃৰ বৈবাহিক সম্বন্ধই আনি দিয়া ঘনিষ্ঠতাৰ ফলত ইজনে সিজনক এৰি থকা অসম্ভৱ, কিন্তু পো-বোৱাৰীৰ আধুনিক মানসিকতাত দাম্পত্য কলহৰ ফল বিবাহ-বিচ্ছেদ বুলি গল্পটোত অংকণ কৰা হৈছে। দুটা পুৰুষৰ ব্যৱধান গল্পটোত প্ৰকাশ পাইছে। মানুহৰ মনৰ বৈচিত্ৰ্য প্ৰকাশত স্নেহদেৱীৰ গল্পবোৰে ভূমিকা গ্ৰহণ কৰিছে। 'বক্ৰ পথ' গল্পত নিজ মাতৃৰ নৈতিক অৱনতিত ক্ষুব্ধ আৰু দুখত ভাৰাক্ৰান্ত হৈ মাধৱে লজ্জা নিবাৰণৰ বাবে এদিন মাকক মাহী-মা বুলি লগৰীয়াক কবলৈ বাধ্য হৈছে। 'কথা আছিল' গল্পত কল্যাণী আৰু বৰুণৰ সম্পৰ্ক গঢ় লৈ উঠাৰ সময়তে তিনিজনী তিৰোতাই সিহঁতৰ মাজত এবে গুৰুৰ শিষ্যৰ সম্পৰ্ক উলিয়াই বিয়াত বাধা দিলে। পাছত বৰুণৰ বিয়া হ'ল, কিন্তু কল্যাণীৰ নহ'ল। কল্যাণীয়ে ভাগিনীয়েক বিজনক আৰু পত্নীৰ মৃত্যু হোৱাত বৰুণৰ কন্যা চম্পাক ডাঙৰ-দীঘল কৰি দুয়োৰে মাজত বিয়া পাতি দিলে। বুঢ়া বয়সত ফুৰিবলৈ যোৱাৰ প্ৰসঙ্গ ওলালত কল্যাণীয়ে কৈছে, "তোমাৰ লগত ফুৰিবলৈ যোৱাৰ কথা ভাবিলেই তিনিগৰাকী তিৰোতাই মোক আগভেটি ধৰে, মনৰ চকুৰে মই দেখো।" কল্যাণীৰ এই দুখবোধ গল্পটোৰ প্ৰধান আকৰ্ষণ। অন্ধবিশ্বাস বা নৈতিকতাৰ তথাকথিত অৱস্থাই গল্পটোৰ সংঘাত সৃষ্টি কৰিছে। 'নাম দিম কল্যাণী'ত বিয়া ঘৰত জলপান খাওঁতে ছোৱালীৰ দল এটাই বিবাহ সম্পৰ্কে নিজ নিজ মত দাঙি ধৰোতে পিতৃ-মাতৃৰ অনুমোদনৰ ওপৰত নিৰ্ভৰ কৰা এজনী ছোৱালীক ভাগিনীয়েকলৈ পাত্ৰী নিৰ্বাচন কৰাত এগৰাকী বুঢ়ীৰ মানসিকতা প্ৰকাশ হৈছে। পৰস্ত্ৰীৰ প্ৰতি স্বামীক এবাৰ অনুৰক্ত বুলি জানিলে নাৰীৰ মনত কেনে ধৰণৰ প্ৰতিক্ৰিয়া সৃষ্টি কৰিব পাৰে তাৰেই উদাহৰণ 'বৰমা' গল্পটো। 'ভয়' গল্পত বাসন্তীৰ মনত স্বামীৰ বন্ধু প্ৰবীৰৰ অপ্ৰকাশ্য মানসিক ধাৰণাই তাইৰ প্ৰতি অনুৰক্তিৰ ইংগিত দিয়াত ভয়ৰ উদ্ৰেক হৈছে। 'বন্ধু তুমি মোৰ, তুমি শত্ৰু' গল্পত এগৰাকী বালবিধৱা সুন্দৰীৰ প্ৰতি এজন উচ্চ-পদবীধাৰী ডেকাৰ আকৰ্ষণ আৰু বিয়াৰ প্ৰস্তাৱ উত্থাপিত কৰা হৈছে। কিন্তু, দেশৰ পৰিস্থিতিক গুৰুত্বাৰোপ কৰা নায়িকাক দুমুখীয়া কৰি তোলাত গল্পৰ সৌন্দৰ্য হ্ৰাস পালে। গল্পটোত প্ৰকাশিত স্বদেশপ্ৰেমৰ সৈতে চৰিত্ৰকেইটাৰ অপৰিহাৰ্য সম্পৰ্ক ৰক্ষা কৰাত লেখিকা কৃতকাৰ্য নহ'ল। 'ৰমলাৰ কথা' স্নেহদেৱীৰ শেহতীয়া গল্পবোৰৰ অন্যতম। ইয়াত নিজ বৈশিষ্ট্যৰে পৰিপূৰ্ণ ৰমলাৰ মানসিক দৃঢ়তা সুন্দৰভাৱে প্ৰকাশ পাইছে। ঘৰখনক অসুখী কৰিবলৈ নাবাজ ৰমলাই সুখেনক নাপালে বিয়া নকৰাৰ সিদ্ধান্ত লৈছে। 'মনোমত স্বামী আৰু এখন ঘৰ' কামনা কৰা সকলো ছোৱালীৰ প্ৰতিনিধি ৰমলাই 'বিনোদ ভিনিদেউ'হঁতৰ গোপন অভিসাৰৰ পৰা নিজক নিৰাপদ দূৰত্বত ৰাখিব পাৰিছে। 'নিৰ্ভেজাল', 'বুভুক্ষা', 'মুদ্ৰাদোষ', 'প্ৰচেষ্টা', 'বহুৰূপী', 'কলিৰ কুন্তি' আদি অজস্ৰ সংকলিত নোহোৱা গল্পত স্নেহদেৱীৰ নিজা বৈশিষ্ট্য সংৰক্ষিত হৈছে।

স্নেহদেৱীৰ গল্পত, কলা-কৌশলৰ অভিনৱত্ব নাই। আত্মভাষণ আৰু বৰ্ণনামূলক পদ্ধতিৰেই গল্পবোৰ বৰ্ণিত হৈছে। চুটি চুটি বাক্যবিন্যাস কৰি তেওঁ অনুভূতিৰ চিত্ৰণ ঘটাইছে। অনুভূতি প্ৰকাশক হলেও ভাষা অনাড়ম্বৰ। তেওঁৰ গল্পবোৰত নাৰী মনৰ অভিব্যক্তি নানা অৱস্থাত প্ৰকাশ পাইছে। প্ৰায়বোৰ গল্পই প্ৰেম-প্ৰীতি সম্পৰ্কীয়। অৱশ্যে, প্ৰেমৰ পেন-পেনীয়া বৰ্ণনাত লেখিকা উটি-ভাহি যোৱা নাই। বিভিন্ন অৱস্থাত প্ৰেমক সমস্যা ৰূপে গঢ় দিয়া হৈছে। প্ৰতিটো চৰিত্ৰই সমস্যাৰ সন্মুখীন হৈছে আৰু লেখিকাই সহানুভূতিশীল দৃষ্টিভংগীৰে সেইবোৰ ফুটাই তুলিবলৈ যত্ন কৰিছে। মানৱ চৰিত্ৰৰ গোপন কোঠাত তেওঁ প্ৰবেশ কৰিবলৈ যত্ন কৰিছে। নাৰী চৰিত্ৰৰ এই বৈশিষ্ট্য প্ৰকাশ কৰাত তেওঁ কৃতকাৰ্য হৈছে। প্ৰতুলচন্দ্ৰ, নৰহৰি, মঠৰাম, বৰুণ, সুৰজিত আদি পুৰুষ চৰিত্ৰৰ চিত্ৰনতো স্নেহদেৱী সফল হৈছে। নাৰী চৰিত্ৰবিলাকৰ তুলনাত প্ৰতুল চন্দ্ৰ, নৰহৰি আদিৰ দ্বন্দ্ব বেছি গভীৰ হৈ উঠিছে। সমালোচক ত্ৰৈলোক্যনাথ গোস্বামীয়ে লেখিছে, "......সহানুভূতিশীল দৃষ্টিভঙ্গীৰে নাৰী-চৰিত্ৰ বিশ্লেষণৰ চেষ্টা তেওঁৰ এটা বিশেষত্ব। বস্তু উত্থাপন ৰীতি নিখুঁত নোহোৱা কাৰণে সহানুভূতিসূচক মনোভাৱৰ গভীৰতা ভালকৈ অনুভূত নহয়। জৈৱিক দুৰ্বলতাৰ প্ৰতি তেওঁ সচেতন। তেওঁৰ নাৰী চৰিত্ৰই সহজতে ভুল স্বীকাৰ কৰে। ক'তো ক'তো পুৰুষ আৰু নাৰীৰ প্ৰতি কৰা সামাজিক বিচাৰৰ পক্ষপাতিতাৰ ওপৰতো লেখিকাই গুৰুত্ব দিছে। নাৰী চৰিত্ৰবোৰৰ পাছে পাছে আছে দুৰ্বল আৰু অসহায় মনোভাৱ। ভালেমান নাৰী-চৰিত্ৰ পাৰিপাৰ্শ্বিকতাৰ দাসী কিন্তু এইবোৰ সম্ভোগ-মতলীয়া নহয়।"[১] স্নেহ দেৱীৰ নাৰী-চৰিত্ৰ সমূহৰ প্ৰতি এই মতামত প্ৰণিধান যোগ্য। কোনো কোনো ক্ষেত্ৰতে তেওঁ বাস্তৱক চেৰাই যোৱাও পৰিলক্ষিত হৈছে। 'বিপত্তি', 'সূচনা' আদি গল্পত এনে লক্ষণ প্ৰকট হৈছে। মানৱ মনৰ জটিলতা প্ৰকাশ কৰিবলৈ তেওঁ প্ৰতিটো গল্পতে যত্ন কৰিছে। সংযতভাৱে এনে দ্বন্দ্ব ফুটাই তুলি মুহূৰ্তবোৰ ৰমণীয় কৰি তুলিছে। বিশেষ বিশেষ মুহূৰ্তবোৰত মনোনিৱেশ কৰাত স্নেহদেৱী অদ্বিতীয় হৈ উঠিছে। তেওঁ সঞ্চিত কৰা জীৱনৰ অভিজ্ঞতাবোৰ প্ৰবীন বয়সৰ ভুলাচনিত ভুখি সূক্ষ্ম দৃষ্টিৰে পৰ্যবেক্ষণ কৰাত গভীৰ অৱস্থালৈ গতি কৰিছে। ঔৎসুক্য বজাই ৰখাত সফলতা লাভ কৰাৰ দৰেই মানসিক দ্বন্দ্ব ফুটাই তুলিবলৈ সক্ষম হৈছে। প্ৰেমজনিত দ্বন্দ্ববিলাক যাইকে নাৰী চৰিত্ৰবোৰত ফুটি ওলাইছে। ড° সত্যেন্দ্ৰ নাথ শৰ্মাৰ মত হ'ল,-"স্নেহদেৱীৰ ৰচনা সংযত আৰু দৃষ্টি-ভংগী কিছু পৰিমাণে ৰক্ষণশীল। ঘৰুৱা জীৱনৰ খুটি-নাটিৰে এওঁৰ গল্প উজ্জ্বল। তেওঁৰ ৰচনাত প্ৰেমৰ বিভিন্ন দিশৰ আকৰ্ষণীয় প্ৰকাশ ঘটিছে যদিও জীৱনৰ অভিব্যক্তি কেৱল প্ৰেমতে সীমিত নহয়।"[২] ড° মহেশ্বৰ নেওগেও মনোৰম কাহিনী কথনৰ জৰিয়তে ঘৰুৱা চিত্ৰ প্ৰকাশ কৰাত স্নেহ দেৱীৰ বৈশিষ্ট্য দেখা পাইছে।[৩] মুঠতে, স্নেহ দেৱীয়ে সৰু সৰু ঘৰুৱা চিত্ৰৰ মাজেদি মধ্যবিত্ত মানুহৰ মনস্তত্ব দাঙি ধৰাত সাফল্য লাভ কৰিছে আৰু অসমীয়া গল্প-সাহিত্যত এখনি বিশিষ্ট আসন লবলৈ সক্ষম হৈছে।

৯.২.০২. নীলিমা শৰ্মা

ড° নীলিমা শৰ্মা অসমীয়া গল্প-সাহিত্যৰ এগৰাকী বিশিষ্ট লেখিকা। শিলঙৰ বাসিন্দা ড° শৰ্মা গুৱাহাটী বিশ্ব-বিদ্যালয়ৰ দৰ্শনৰ অধ্যাপিকা। পঞ্চাছৰ দশকৰ পৰা গল্প ৰচনা কৰা নীলিমা শৰ্মাৰ বাচকবনীয়া গল্পৰ দুখন সংকলন প্ৰকাশ পাইছে। প্ৰথম

১. ত্ৰৈলোক্য নাথ গোস্বামী, "আধুনিক গল্প সাহিত্য" ৩য় প্ৰকাশ, ১৯৬৭, পৃ. ১৯৩

২ সত্যেন্দ্ৰ নাথ শৰ্মা, "অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত", পৃ. ৪৬৬

৩. মহেশ্বৰ নেওগ, "ৰূপৰেখা", পৃ. ৩৩৭

পৰ্যায়ৰ গল্পৰ সংকলন "অন্যসূঁতি" ১৯৬৭ চনত প্ৰথম প্ৰকাশ হয় আৰু দ্বিতীয়খন "প্ৰাণ আৰু প্ৰাচুৰ্য" ১৯৮৫ চনত প্ৰকাশ পাইছে। প্ৰথমখন গ্ৰন্থত ১৯৫৫-৬০ চনৰ ভিতৰত লেখা দহোটা গল্পই স্থান পাইছে। প্ৰথমটো গল্প 'অন্যসূঁতি'ত মিনু নামৰ এজনী ছোৱালীৰ মানসিক জগতৰ সন্ধেদ দিছে। মিনু বনৰীয়া হৰিণাৰ দৰে সকলো পৰা চঞ্চলা। পুষ্পিতা হোৱাৰ পাছত কিছুদিন বন্ধনত থাকি জবা নামৰ এজনী সাধাৰণ ছোৱালীৰ লৈতে বন্ধুত্ব হয়। জবা দেখাতো সিমান ভাল নহয়, কিন্তু স্কুললৈ ধৰকে অহা বিজ্ঞান শিক্ষক সুনীলেও তাইলৈহে প্ৰেমপত্ৰ দিয়ে বুলি মিনুক কৈছিল। মিনুৱেহে কাৰোৰ পৰা প্ৰেমপত্ৰ পোৱা নাই। তিনিমাহমানৰ পাছত সুনীলে অন্য ঠাইত কাম পাই গুচি গলত জবা গহীন হৈ পৰিল। এদিন মিনুক চাবলৈ অহা দৰাজনেই জবাৰ প্ৰেমিক সুনীল। মিনুৱে আপত্তি কৰিব খুজিও নকৰিলে। লগত অহা মহিলা এগৰাকীয়ে তাইৰ হাতত আঙঠি এটা পিন্ধাই দিলে। এইয়ে 'অন্যসূঁতি'। মিনু চৰিত্ৰৰ মনস্তাত্ত্বিক ৰহস্যত লগৰীয়া জবাৰ প্ৰতি নিশ্চয় ঈৰ্ষাভাৱ আছিল। সেইবাবে সুনীলক বিয়া কৰাই ঈৰ্ষা পূৰণ কৰাত তাই সন্মত হৈ পৰিছে। 'অনুকম্পা' গল্পত খিলঞ্জৰ কেৰাণীৰ অৰ্থনৈতিক দুৰাৱস্থাৰ লৈতে জড়িত হৈ জোৰা মাৰিব নোৱাৰা অৱস্থা এটাত এজনী ন-বোৱাৰীয়ে কৰা প্ৰচেষ্টাৰ চিত্ৰ অঙ্কিত হৈছে। আনহাতে দীপঙ্কৰ নিচিনা দায়িত্বহীন লোকৰ ছবিও প্ৰকাশ কৰা হৈছে। 'ধূলিৰ মৰম' গল্পৰ দিতিমিশ্ৰাৰ ব্যৰ্থ যুগ্ম-জীৱনৰ চিত্ৰ অংকণ কৰা হৈছে। শাহুৱেকে তাইক সন্তান জন্ম দিব নোৱাৰাৰ বাবে কুলক্ষণী আখ্যা দিছে। তাই তাক মানি লোৱা নাই। দিতিয়ে জানে দোষ শ্যামাঙ্গৰ, পিতৃ হোৱাৰ যোগ্যতা তাৰ নাই। কেবাবছৰো পাৰ হৈ গ'ল। এদিন সিহঁতৰ ভাৰা ঘৰলৈ আহিল তাইৰ একালৰ প্ৰেমিক অনন্তৰ পৰিয়াল। অনন্তৰ সৰু ছোৱালীজনীয়ে দিতিমিশ্ৰাৰ ফুল চিঙি নষ্ট কৰাত খঙতে তাই চুলিত ধৰি জোকাৰি দিলে। সম্ভৱতঃ এইয়া তাইৰ অবুজ ঈৰ্ষাহে। অনন্তহঁতে ঘৰ এৰি গুচি গ'ল। এদিন শ্যামাঙ্গৰ দুৰ্ঘটনা হোৱাত দিতিৰ সকলো খং বাগ মাৰ গ'ল আৰু তাক সোণকালে ভাল কৰি তুলিবলৈ যত্ন কৰিলে। 'মাতৃত্বৰ সহজাত মৰম তোমাৰ বাবেই থাকিব।' এইয়ে তাইৰ অনুভৱ। নাৰীৰ বাবে সন্তানতকৈ স্বামী ডাঙৰ। এই গল্পত দিতিমিশ্ৰাৰ মনস্তত্ত্ব এইদৰে প্ৰকাশ কৰা হৈছে। 'সাঁথৰ' গল্পত মানৱ চৰিত্ৰৰ ভিতৰফালৰ ইঙ্গিতময় প্ৰকাশ ঘটিছে মেঘালীৰ চৰিত্ৰত। গল্পৰ নায়কে মেঘালীক প্ৰণয় যাচি প্ৰত্যাখ্যিত হোৱাত নয়ন নামৰ আন এগৰাকীৰ লগত চিনাকি হৈ দুবছৰমানৰ পাছত বিয়া পতাৰ মানসেৰে ঘৰলৈ গ'ল, কিন্তু দেউতাকে তাক বিদেশলৈ পঢ়িবলৈহে পঠাব খুজিলে আৰু দেউতাকে ন-কৈ বিয়া কৰোৱাৰ সম্ভেদ তেতিয়াহে সি জানিব পাৰিলে। গল্পৰ সামৰণিত আকস্মিকভাৱে তাৰ 'নতুন মা' গৰাকীয়ে মেঘালী, জানিব পাৰিলে। এইয়ে সাঁথৰ। সেইদৰে 'সেতুবন্ধন'ত মালিনী খাইৰ জীয়েক দীক্ষাই বয়সীয়াল বিষয়া অমৰৰ দ্বিতীয় পত্নীৰ স্বেচ্ছাৰে গ্ৰহণ কৰি আঠবছৰীয়া পুত্ৰ কবুলৰ মাহীমাকৰ ঠাইত প্ৰকৃত মাতৃৰ ভূমিকা লোৱাত দুয়োৰে মাজত সেতুবন্ধন সৃষ্টি হয়। দীক্ষাৰ মনস্তত্ত্বই গল্পটোৰ মুখ্য আবেদন আৰু ইয়াৰ ব্যাখ্যা জটিল। 'আঁৰ পটত' সুদিক্ষা আৰু মিতালীৰ বন্ধুত্ব, ভুল বুজাবুজি আৰু ভুল সংশোধনৰ অন্তত বন্ধুত্ব গঢ়ি উঠে। সৰল হলেও গল্পটোৱে আকৰ্ষণ কৰে। 'জীৱন জীয়াই থাকে' তেওঁৰ প্ৰথম পৰ্যায়ৰ ৰচনা আৰু ১৯৫৬ চনৰ 'ৰামধেনু'ত প্ৰকাশিত। 'তৃষা', 'ওৰণি নালাগে গুচাব', 'আৱৰণ', 'মৈদান নাবান ৰ'ড', 'ব্যৱধা', 'ডাষ্টবিন', 'বঁটা', 'প্ৰতিবিম্ব', 'সহযোগ' আদি ষাঠিৰ দশকত ৰচনা কৰা নীলিমা শৰ্মাৰ লেখত লব পৰা গল্প।

নীলিমা শৰ্মাৰ গল্পৰ মনোবৈজ্ঞানিক বিশ্লেষণ মুখ্যধৰ্ম। কিছুমান গল্পত লেখিকাৰ দাৰ্শনিক মনৰ প্ৰতিফলন দেখা যায়। প্ৰকাশভঙ্গীৰ ফালৰপৰাও গল্পবোৰ উন্নত। অৱশ্যে দুই এঠাইত উজুটি খোৱাও পৰিলক্ষিত হয়। বিষয়-বস্তুৰ উপস্থাপনতো তেওঁৰ দক্ষতা আছে। 'প্ৰতিকাৰ' গল্পত দক্ষভাৱে কাহিনী উপস্থাপন কৰিছে। মনোবৈজ্ঞানিক বিশ্লেষণ আধাৰিত এই গল্পত পূৰবক কেন্দ্ৰ কৰি কাহিনী অগ্ৰসৰ হৈছে। ছাত্ৰ অৱস্থাতে সি মঞ্জুলাৰ প্ৰতি আকৃষ্ট হৈছিল, কিন্তু মঞ্জুলাৰ আনৰ লগত বিয়া হৈ গ'ল। পূৰবৰ সন্মুখত সৃষ্টি হোৱা নানা সমস্যাৰ ভিতৰত ভনীয়েক মাধাৱীও এটা। সি সমাধান কৰিবলগীয়া সমস্যাবোৰে তাক দুৰ্নীতিগ্ৰস্ত কৰি তুলিলে। অৱশেষত পূৰবে নিলোফাৰক বিয়া কৰাবলৈ দাবী জনাই এখন নতুন সংসাৰৰ সপোন দেখিলে। 'গৱেষণা' আন এটি উল্লেখযোগ্য গল্প। ইয়াত তিনি গৰাকী যুৱতী গৱেষিকাৰ কাহিনী আছে আৰু ইয়াৰ ভিতৰত ইতিহাসৰ গৱেষিকা সুনৃতা নাৰাণুক মুখ্য কৰি গল্পটো গঢ়ি তোলা হৈছে। তাইৰ দেউতাকক লাহোৰত কোনোবাই গুলিয়াই হত্যা কৰাত মানসিক দুখত ভাৰাক্ৰান্ত হৈ পৰি যুৱক চন্দনক গ্ৰহণ কৰিবও পৰা নাই, অন্যহাতে প্ৰত্যাখ্যানো কৰিব পৰা নাই। অৱশেষত তাই গাইডজনক বিয়া কৰাইছে। জটিলবৰ্ষী এই দীঘল গল্পত সুনৃতাৰ মানসিক দ্বন্দ্ব স্পষ্ট হৈ উঠিছে। 'মধুচন্দ্ৰিকা' নামৰ গল্পতো আনৰ মধুচন্দ্ৰিকা দেখি যুৱক-যুৱতী ছাত্ৰ-ছাত্ৰী এযোৰাৰ মনত যৌনাকাংক্ষাই ৰেখাপাত কৰিব বুলি সন্দেহ কৰা হৈছে। 'নেপথ্য' গল্পত মধুচন্দ্ৰিকা যাপন কৰিবলৈ অহা নৱ-দম্পতিৰ বিবাহ-পূৰ্ব নেপথ্য কাহিনী প্ৰকাশ পাইছে। জটিল মানসিকতা আৰু নিজস্ব ভাব জগতত বিচৰণ কৰা দম্পতিৰ অতীতবোৰ এটা সময়ত মৃত্যুৰ দৰে নিঃশেষ হৈ পৰে। নায়িকা জিতাৰ মনত দুখ উপলব্ধিৰ কাৰণ পূৰ্বপ্ৰেমিক অমৃতৰ পৰা তাই গুৰুত্ব লাভ নকৰিলে; ওকণো আগ্ৰহ নেদেখুৱালে; বৰঞ্চ নতুন প্ৰেমিকাৰ প্ৰতিহে আসক্ত হৈ পৰিল। এই অভিজ্ঞতাৰ উপলব্ধিয়ে তাইক স্বামীৰ আশ্ৰয় নিৰ্ভৰ কৰিলে। নায়ক দিগন্তয়ো পূৰ্ব-প্ৰেমিকাক পাহৰি পত্নীৰ মাজতে সকলো উপলব্ধি কৰিলত পূৰ্ব কাহিনী নেপথ্যত বৈ গ'ল। 'শিশু বৰ্ষৰ এটা চাৰি আলি' গল্পত শিশুবৰ্ষত শিশুৰ দুৰাৱস্থা বৰ্ণোৱা হৈছে। গল্পৰ কাহিনীয়ে অন্তঃসাৰশূন্য ব্যৱস্থাৰেই ৰূপ উদঙাই দিছে। 'ভূমিকা'ত বিবাহৰ পাছতে স্বামীহাৰা হোৱা এগৰাকী নাৰীৰ মৃত স্বামীৰ বীৰ্য গৰ্ভত ধাৰণ কৰা অৱস্থাৰ মানসিক জগতখন দাঙি ধৰিছে। তদুপৰি, স্বামী দীপকৰ মৃত্যুৰ বাবে যে মালিতাই দায়ী, এনে ভাব শাহুৱেকৰ। শাহুৱেকে পুত্ৰ সন্তান কামনা কৰিলেও মালিতাৰ কন্যা জন্ম হোৱাত অনীহা প্ৰকাশ কৰিছে। কিন্তু, কন্যা-সন্তানৰ দ্বাৰাও বংশৰক্ষা হয় বুলি গল্পটোত প্ৰতীতি জন্মাবলৈ লেখিকাই যত্ন কৰিছে। 'প্ৰতিবিম্ব' গল্পত তেইছ বছৰীয়া গাভৰু ৰাধাৰ উন্মাদনা প্ৰকাশ পাইছে এটা উৎকট ৰূপত। ৰাধা দেখা শুনাই এলাগী হোৱাৰ বাবে প্ৰথমতে পচন্দ কৰিলেও পাছত মৃন্ময়ে ভনীয়েক স্বাতীকহে বিয়া কৰাবলৈ প্ৰস্তুত হ'ল। বিয়াৰ দিনা তাইৰ মানসিক দ্বন্দ্বই উন্মাদ ৰূপ লাভ কৰিছে। শিৰত সেন্দুৰ লৈ তাই ভনীয়েকক যখিনী জ্ঞান কৰি পৃথিৱীৰ পাৰত আত্মহত্যাৰ বাবে সাজু হৈছে। 'সহযোগ' গল্পত চম্পা আৰু কৰুণৰ বৈবাহিক জীৱনৰ সংঘাতময় চিত্ৰ অংকিত হৈছে। মদ আৰু নাৰীৰ প্ৰতি আসক্ত স্বামীক সুপথলৈ আনিবলৈ মদৰ গিলাছ কাঢ়ি লৈ নিজে দৰবৰ দৰে খাইছে। এইদৃশ্য দেখি কৰুণ অসহায় আৰু স্তব্ধ হৈ কেৱল তাইলৈ চাই ৰৈছে। 'প্ৰতিবিম্ব' আৰু 'সহযোগ' এই দুটা গল্পৰ দৰেই ভালেমান গল্পৰ পৰিণতি সংকেতধৰ্মী কৰি ৰখাত কলা-কৌশলতো লেখিকাই কৃতকাৰ্যতা লাভ কৰিছে। খাছী জনজাতিৰ জীৱনৰ দুখ-বেদনাৰ পটভূমিত ৰচিত 'লেইট্ জিং লেইট' এটা প্ৰেম আৰু আশা ভঙ্গৰ মনোৰম গল্প। স্নিয়ান চি, নোৰা আৰু লিংডোৰ প্ৰণয় আৰু বিশ্বাস ভঙ্গ কাহিনীটোত স্নিয়ানেই

সংবেদনশীল চৰিত্ৰ। বিশ্বাস ভঙ্গৰ কঢ় আঘাতত তাই সহনশীল আৰু দৃঢ় হৈছে। 'ফিৰিঙতিত বেৱতী আৰু নীতা নামৰ দুজনী নলে-গলে লগা বান্ধৱীৰ ভিন্ন পৰিৱেশ বৰ্ণিত হৈছে। নীতাৰ মানসিকতা গল্পটোৰ মুখ্য আবেদন। তাইৰ ধনাঢ্য আৰু আভিজাত পিতৃ-মাতৃৰ বেটনীতিকে ভাল পায় বেৱতীহঁতৰ দৰিদ্ৰ হলেও আন্তৰিকতাপূৰ্ণ ঘৰুৱা পৰিবেশ। নীতাই মাক-বাপেকে তাইক বিদেশলৈ পঢ়িবৰ বাবে পঠোৱাত সুখী হব পৰা নাই। নীতাই বিদূষী হবলৈ নিবিচাৰে, বিচাৰে এগৰাকী গৃহিণী, মাতৃ হবলৈ। তাইৰ মাক-দেউতাকে কিন্তু বেৱতীহঁতক পাত্তাই দিব নোখোজে। এদিন নীতাই ডক্টৰেট লাভ কৰিলে আৰু বিদেশতে এজন নিগ্ৰো ডাক্তৰক বিয়া কৰাবলৈ ঠিক কৰি পেলালে। লেখিকাই সাৰ্থকতাৰে এই কাহিনী দাঙি ধৰিব পাৰিছে। কৌশলৰ কাৰণ পৰাও গল্পটো উন্নত। 'অযান্ত্ৰিক'ত গুৱাহাটীৰ পৰা যোৰহাটলৈ গলৰীকে যাত্ৰা কৰা এজন বৃদ্ধলোকক কেন্দ্ৰ কৰি ৰচিত হৈছে। একালত মাষ্টৰী কৰা বৃদ্ধই এতিয়া উচ্চ পদবীধাৰী দুই-পুত্ৰৰ নিৰ্দেশত কাম কৰিব লাগে। ফলত তেওঁৰ বিবেক দংশন হোৱা যেন অনুমান হয়। কৌতুহল ৰক্ষা কৰাত এই গল্পত লেখিকা কৃতকাৰ্য হৈছে। কলেজীয়া শিক্ষাৰ প্ৰতিচ্ছবি এখন দাঙি ধৰাত কৃতকাৰ্য হলেও 'পাৰ্ট টাইমাৰ, মচলা আৰু —' গল্প ৰসোত্তীৰ্ণ নহ'ল। 'নতুনমুখা'ত কেইগৰাকীমান আধুনিকাৰ ছাত্ৰীজীৱন, কৰ্মজীৱন আৰু বৈবাহিক জীৱনৰ নানা কথাৰ অৱতাৰণাৰে গল্পটোৰ এককধৰ্মিতা বিনষ্ট কৰা হ'ল। বাহ্যিক আৱৰণেই যে মানুহৰ একমাত্ৰ পৰিচয় নহয়, তাৰ অন্তৰালত ব্যক্তিত্ব লুকাই থাকে। জটিল চৰিত্ৰ চিত্ৰনৰ মাজত লেখিকাই যেন ইয়াকে কব খুজিছে। নমিতাৰ প্ৰেম, চম্পাৰ বিবাহ বিচ্ছেদ এই আটাইবোৰৰ মাজত পশ্চিমীয়া সভ্যতাৰ নতুন মুখা পিন্ধিলেও, পুৰণি ভাৰতীয় মনৰ পৰা আতৰি যাব পৰা নাই। 'ভনিতাৰ আঁচনি' নীলিমা শৰ্মাৰ লেখত লবলগীয়া গল্প। যাইকে ভনিতাৰ চৰিত্ৰটো ইয়াৰ কেন্দ্ৰবিন্দু। পৰিস্থিতিক স্বীকাৰ নকৰাৰ বাবেই তাই জেদী হৈয়ে ৰ'ল আৰু তাইৰ বিয়া নহ'ল। তাই পাছলৈ বিদ্ৰোহী হৈ পৰি সক ভনীয়েক দুজনীক সিহঁতৰ ইচ্ছানুসৰি অজাতি আৰু বিধৰ্মীৰ সৈতে বিবাহ পাশত আবদ্ধ হোৱাত ইন্ধন যোগাইছে। তদুপৰি, আত্ম-নিৰ্ভৰশীল হবলৈ গৈ তাই ধৰ্মান্তৰী কথাও ভাবিছে। অতি কল্পনাৰ দোষে গল্পটোৰ সৌন্দৰ্য হ্ৰাস কৰিছে। কিছু অবাস্তৱতাও গল্পটোত প্ৰকাশ হোৱা দেখা যায়। বিদেশী বিতাৰণে এই গৰাকী প্ৰবীন লেখিকাৰ গল্পত দুই এঠাইত স্পৰ্শ কৰি যোৱা দেখা যায়। 'সোণৰ ফুল' গল্পটো এই পটভূমিতে ৰচিত হৈছে। এই গল্পত এজন ছহীদৰ একমাত্ৰ আত্মীয় আইতাই নাতি পোণাকণৰ স্মৃতিত ছহীদ স্তম্ভ এটিত সোণৰ ফুল এপাহি দি আত্মাৰ শান্তি কামনা কৰিছে। কিন্তু মুকুন্দ নামৰ ল'ৰা এটাই বুঢ়ীক বাহুত তুলি নি সেই ঠাইত এৰি থৈ গৈছে আৰু বুঢ়ীৰ টকাখিনি ফাক মাৰি লৈ গৈছে। বক্তাক্ত নিৰ্বাচনৰ ছহীদ পোনাকণৰ নাম স্তম্ভত থাকিব লাগিছিল, কিন্তু নাই। বিদেশীও বিতাৰিত নহ'ল। এনেকৈয়ে আন্দোলনটো নিৰৰ্থক হৈ পৰাত জনসাধাৰণৰ আশাভঙ্গৰ ছবি এখন সবল ভাষাত ৰচিত হৈছে। 'মানস সৰোবৰ কত' গল্পত অৰ্থনৈতিক পৰিৱৰ্তনৰ পৰিপ্ৰেক্ষিতত খাই পাত ফলা মানুহৰ মনোজগতৰ সন্ধান পোৱা যায়। মহানগৰীৰ জীৱন যাত্ৰাৰ কৃত্ৰিমতা গল্পটোত সুন্দৰকৈ প্ৰকাশ পাইছে। আলোচনী আদিৰ পাতত সিঁচৰতি হৈ থকা তেওঁৰ প্ৰায়বোৰ গল্পৰে যাই লক্ষণ মধ্যবিত্ত মানুহৰ চাৰিত্ৰিক বৈশিষ্ট্য। শৰ্মাৰ গল্পবোৰ সাধাৰণতঃ মনোবৈজ্ঞানিক। "নীলিমা শৰ্মাৰ গল্প-চৰিত্ৰবোৰৰ একাংশৰ ওপৰত মনোবৈজ্ঞানিক বিচাৰ ধাৰাৰ আদৰ্শ ফুটি ওলোৱা দেখা যায়। ক'তো ক'তো বিশ্লেষণাত্মক আদৰ্শৰ প্ৰতি অধিক সচেতন হোৱা কাৰণে দুই-চাৰিটা গল্পৰ আবেদন কমিছে। তথাপিও শ্ৰীমতী শৰ্মাই অসমীয়া গল্প-সাহিত্যলৈ বৌদ্ধিক

বিশ্লেষণৰ আদৰ্শ আনিবলৈ সক্ষম হৈছে। এনে ধৰণৰ গল্পৰে তেওঁ অসমীয়া গল্প-সাহিত্য পুষ্ট কৰিছে।"[৪]

নীলিমা শৰ্মাৰ গল্পসমূহৰ প্ৰায়বোৰত নাৰী চৰিত্ৰই প্ৰাধান্য বিস্তাৰ কৰিছে। নাৰীৰ দৃষ্টি-ভঙ্গী আৰু মানসিকতাৰ দ্ৰুত পৰিবৰ্তনশীল চিত্ৰ অংকণত তেওঁ সিদ্ধহস্ত। মধ্যবিত্ত সমাজখনৰ পৰা লেখিকা আতৰি যাব পৰা নাই। যুগৰ অৰ্থনৈতিক দুৰাৱস্থাৰ চিত্ৰ তেওঁৰ গল্পত প্ৰাণময় হোৱা নাই। মনস্তত্ত্ব অধ্যয়নেই তেওঁৰ বিশেষত্ব।

৯.২.০৩. নিৰুপমা বৰগোহাঞি (১৯৩১–)

অসমীয়া গল্প আৰু উপন্যাসৰ বিশিষ্ট লেখিকা নিৰুপমা বৰগোহাঞিৰ ১৯৩১ চনত গুৱাহাটীত জন্ম। ইংৰাজী সাহিত্যত এম. এ পাছ কৰি নলবাৰী কলেজত কিছুদিন অধ্যাপনা কৰাৰ পাছত কথা-সাহিত্যিক হোমেন বৰগোহাঞিৰ লগত বিবাহ হয়। অধ্যাপনা ত্যাগ কৰি ১৯৬৮ চনৰ পৰা সাংবাদিক জগতত প্ৰবেশ কৰে। সাপ্তাহিক কাকত এখন কিছুকাল সম্পাদনা কৰাৰ লগতে কেবাখনো কাকতৰ নিয়মীয়া লেখিকা।

নিৰুপমা বৰগোহাঞিৰ কেবাখনো গল্প-সংকলন প্ৰকাশ পাইছে। ইয়াৰ ভিতৰত "অনেক আকাশ" (১৯৬১), "জলছবি" (১৯৬৬), "শূণ্যতাৰ কাব্য" (১৯৬৯), "খিৰিকি কাষৰ গছ" (১৯৮৬) আৰু "জননীৰ সন্ধানত এজন ডেকা মানুহ"। কলেজীয়া ছাত্ৰী অৱস্থাতে গল্প ৰচনাৰে সু-পৰিচিতা হৈ পৰা নিৰুপমা তামুলী (বৰগোহাঞি) পঞ্চাছৰ দশকতে অসমীয়া চুটি গল্পৰ অন্যতম লেখিকা হৈ পৰে। "অনেক আকাশ"ত প্ৰকাশিত গল্পকেইটাই ইয়াৰ নিদৰ্শন দাঙি ধৰে।

'এনপ্ৰপলজিৰ সপোনৰ পিছত' গল্পত গাঁৱৰ ছোৱালী উমা আৰু নগৰৰ বিলাসী ছোৱালী প্ৰীতিৰ বন্ধুত্ব গঢ়ি উঠাত এদিন হোষ্টেলত থাকি পঢ়া উমাৰ পৰীক্ষাৰ পাছত প্ৰীতি তাইৰ সৈতে গাঁৱলৈ গ'ল। প্ৰীতি এনথ্ৰপলজিৰ ছাত্ৰী। তাইৰ বাবে গাঁও নতুন। উমাইতৰ অতি পাছ পৰা গাওঁখনৰ পৰা তাই বহুতো অভিজ্ঞতা আৰু সম্বল আহৰণ কৰিলে। গাঁৱৰ কিছুমান কথা-কাণ্ডই তাইক আচৰিত কৰি তুলিলে। গাঁৱৰ দৰিদ্ৰতাত তাইৰ দুখ লাগিছিল। কু-শিক্ষা আৰু দাৰিদ্ৰ্যই গাঁওবিলাক আচ্ছন্ন কৰাত গ্ৰাম্য-সংস্কাৰৰ সপোন দেখে। গাঁৱৰ ছোৱালী উমাই জানে যে ভাত-কাপোৰৰ অভাৱেই গাঁৱৰ অনগ্ৰসৰতাৰ মূল কাৰণ। ইয়াক সমাধান কৰিব পাৰিলেহে গাঁৱৰ উন্নতি হব। এই উপলব্ধিৰে গল্পটো শেষ হৈছে। গল্পটো সমাজমুখী হলেও ইয়াৰ দীঘলীয়া বৰ্ণনা আমনিদায়ক। তদুপৰি চাৰিত্ৰিক দ্বন্দ্ব নথকাত আৰু শীৰ্ষবিন্দু বা অৱস্থাৰ অভাৱত গল্পীয় মৰ্যদাপ্ৰাপ্ত নহ'ল। 'উংকেন্ত্ৰিক' গল্পত বিবাহযোগ্যা ছুৱলী ছোৱালীৰ পিতৃ-মাতৃৰ মানসিক অৱস্থা এটা উপলব্ধি কৰিব পাৰি। বৰছোৱালী বাণীয়ে পাত্ৰৰ সন্মুখত পৰীক্ষা দি ভাগৰি পৰিছে। দ্বিতীয় ছোৱালী মীনা বায়েকতকৈ ৰূপৱতী, গুণৱতী আৰু কলেজীয়া ছাত্ৰী। তাই পুত্ৰহীন পিতাৰ দুখ উপলব্ধি কৰি বিয়া নকৰাবলৈ প্ৰতিজ্ঞা কৰিছে। সেইদিনা পুৱাৰপৰা ঘৰখন উদ্বেগমুখৰ, কাৰণ এজন পাত্ৰই বাণীক চাবলৈ আহিব। পাত্ৰ পক্ষ আহিল, কিন্তু পচন্দ কৰিলে মীনাকহে। দেউতাকহঁতেও উপযুক্ত পাত্ৰজনলৈ মীনাক দিবলৈ মান্তি হ'ল; কিন্তু মীনাই নামানে। অৱশেষত দেউতাকৰ দুখ আৰু বায়েকৰ বুজনিত তাই চৰ্তসাপেক্ষ মত দিলে। চৰ্তমতে বায়েকৰ বিয়া আগতে হব লাগিব। বাণি বায়েকক সাৰটি ধৰি অজ্ঞাত কাৰণত দুয়োজনী কান্দি-কাটি অস্থিৰ। লেখিকা এই গল্পত কৃতকাৰ্য হৈছে। বৰ্ণনা সুন্দৰ হোৱাৰ লগতে বাই-ভনীৰ

৪. ত্ৰৈলোক্যনাথ গোস্বামী, "আধুনিক গল্প-সাহিত্য", পৃ. ১১১

স্নেহবৎসলতাও উজ্জ্বল হৈ উঠিছে। 'অপচয়' গল্পত দৰিদ্ৰ কেৰাণীৰ জীয়ৰী ৰেবাই দেউতাকে অৱসৰ লোৱাত পৰিয়ালৰ দায়িত্ব মূৰ পাতি লৈ গৃহ-শিক্ষকতা কৰি সুখ্যাতিৰে বি, এ, পাছ কৰিলে আৰু ডাকঘৰৰ চাকৰিত সোমাল। বিয়াৰ প্ৰতি পিঠি দি কষ্ট আৰু ত্যাগৰ দ্বাৰা ভায়েক বণুক ডাক্তৰ কৰিলে। এদিন সক ভায়েকে তাৰ ওচৰত পইছা বিচাৰি গৈ হতাশ হোৱাৰ লগতে তাৰ অপকীৰ্ত্তিবোৰ জানি আহি বায়েকক ক'লে, "---এনে এটা পাষণ্ড গঢ়ি তুলিবলৈ তই তোৰ জীৱনটো ধ্বংস কৰি পেলালি, বাইদেউ।" ভায়েকৰ কথা শুনি ৰেবা পাষাণ মূৰ্ত্তিৰ দৰে থিয় দি ৰ'ল আৰু অনুভৱ কৰিলে যে তাইৰ ত্যাগ আৰু কষ্টবোৰৰ অপচয়হে ঘটিল। নিম্নমধ্যবিত্ত পৰিয়ালৰ দুখ-যাতনা গল্পটোত ফুটি ওলাইছে। 'অৱশেষত' গল্পত ডাঃ বনমালী দাসৰ অব্যক্ত দুখ প্ৰকাশ পাইছে। সি মিনতিৰ ৰূপ-গুণত মুগ্ধ হৈ তাইৰ সৈতে প্ৰতিদিনে সাহিত্যৰ আড্ডা দিবলৈ আহে। মিনতিৰ মাকে জীয়েকক ডাক্তৰৰ মতামত লবলৈ ক'লে—কাৰণ এবছৰেও পৰস্পৰে একো কথা প্ৰকাশ নকৰিলে। ডাক্তৰক জনোৱাৰ আগতে তিনিদিনৰ পিছতে ঠিক কৰি দিয়া শ্ৰম-বিষয়া এজনৰ লগত বিয়া ঠিক হ'ল। ডাঃ দাসে নিজকে সংযত কৰি 'বলিষ্ঠ প্ৰেমৰ চিনাকি' দিবলৈ বুলি বিয়া খাবলৈ আহিল। কিন্তু ডাঃ দাস যে দুৰ্বল তাৰ প্ৰমাণ গল্পটোত আছে। আন এটা মুখ্য গল্প 'মৃত্যুঞ্জয়'ত গাঁৱৰ ধনী মানুহৰ ল'ৰা খাৰেশ্বৰ মৃত্যুঞ্জয় চৌধুৰী নাম লৈ পঢ়া শুনা, চিন্তা ভাবনা আদি সকলোতে বিপৰীত হৈ উঠিল। বি, এত সংস্কৃতত অনাৰ্ছ লৈ এম, এত ফিলচফি পঢ়া ধৰণৰ মানুহ সি। চাকৰি নকৰি কৰিলে ব্যৱসায়। অৱশেষত যান্ত্ৰিক ৰবট বুলিব পৰা বিণি নামৰ ছোৱালী এজনী বিয়া কৰাই সি সুখী হ'ল। গল্পৰ চৰিত্ৰ বক্তা 'ভৱে' বিণিৰ লগত সুখী হোৱাত মৃত্যুঞ্জয়ক অসাধাৰণ জ্ঞান কৰিছে। এটা ব্যতিক্ৰমী চৰিত্ৰ হিচাপে লেখিকাই যোগ্যতাৰে ইয়াক অংকিত কৰিছে। নিৰুপমা বৰগোহাঞিৰ প্ৰথম পৰ্যায়ৰ এইকেইটা গল্পৰ ভিতৰতে দক্ষতা সুন্দৰকৈ প্ৰকাশ পাই উঠিছে। সাধাৰণতে তেওঁৰ গল্পত প্ৰগতিবাদী সুৰ এটা অনুভৱ কৰা যায়। "শূন্যতাৰ কাব্য"ৰ গল্পবোৰো একে পৰ্যায়ৰে। মধ্যবিত্ত জীৱনেই ইয়াৰ মাজেদি প্ৰকাশ পাই উঠিছে। প্ৰতিটো গল্প অৱশ্যে বৈশিষ্ট্যময় হৈ উঠা নাই। 'মোৰ আত্মজীৱনীৰ এছোৱা'- গল্পত জীৱনৰ গৰ্ব-খৰ্ব হোৱাত আত্মজীৱনী লেখা উচিত হবনে নহব, এনে এটা অস্পষ্টতাত পৰিণতি প্ৰাপ্ত হৈছে। সাংসাৰিক জীৱনৰ এখন চিত্ৰ হলেও কথনভঙ্গীৰ বাদে আন বিশেষত্ব বিচাৰি পোৱা নাযায়। সেইদৰে আন এটা আমনিদায়ক গল্প 'শিল্পী'। ইয়াত গিৰিশ নামৰ শিল্পী এজনে কৰ্মজীৱনত ব্যৰ্থ হোৱাৰ চিত্ৰ অংকণ কৰিছে। 'এটা প্ৰেমৰ গল্প'- কিছু ব্যঙ্গাত্মক। উৰ্বশীৰ দৰে সুন্দৰী দীপ্তিৰ প্ৰেমত চাৰিজন যুৱক ব্যাকুল হৈ উঠিছিল। কিন্তু, চাৰিওজনৰ ভিতৰত কম অৰ্হতাৰ পাত্ৰ সত্যেনকহে তাই বিয়া কৰালে। বিয়াৰ অলপ পাছতে ৰেল দুৰ্ঘটনাত তাইৰ মৃত্যু হোৱাত সত্যেন পাগল হৈ গ'ল। চাৰিওজনৰে এজন গল্পৰ বক্তাই কোৱামতে প্ৰকৃততে সত্যেনেই যোগ্য প্ৰাৰ্থী আছিল। কাৰণ, বাকী তিনিজন তাৰদৰে নিশ্চয় পাগল নহ'লহেঁতেন। 'ভ্ৰষ্টলগ্ন'ৰ গৃহিনী মঞ্জুলাৰ বয়সানুক্ৰমে মানসিক পৰিবৰ্ত্তন দেখুৱা হৈছে। গল্পটো বিশেষত্ব বৰ্জিত। 'অসুখ' গল্পৰ বৈশিষ্ট্য আছে। এই নতুন শৈলীৰ গল্পটোৰ খণ্ড দুটা। প্ৰথম খণ্ডত লাৱণ্যৰ ধন সম্পত্তিৰ অভাৱ নাই যদিও তিনিজনী বাইভনীৰ অৰ্থনৈতিক দুখ আৰু নিজৰ ভৰিৰ বিষেই অসুখৰ কাৰণ। দ্বিতীয় খণ্ডত লাৱণ্যৰ স্বামী ভূপেন্দ্ৰৰ কথাতো তেনে দুখেই প্ৰকাশ পাইছে। দৰিদ্ৰতাৰ দুখতকৈ তেওঁলোকৰ দুখ তুচ্ছ নহয় বুলিয়েই গল্পত দেখুৱা হৈছে। 'কণিকা' গল্পত বন্দনাৰ গাঁৱৰ প্ৰতি আকৰ্ষণ ক্ষন্তেকীয়া বুলি বৰ্ণিত হৈছে। 'মোৰ নাম চম্পাৱতী কাকতি' গল্পটোত ক্ষমতাই মানুহৰ মানসিক পৰিবৰ্ত্তন ঘটোৱাৰ

উদাহৰণ দাঙি ধৰিছে। চম্পাৱতীক ভাল পাইছিল জীৱনে। তাইৰ বাপেকৰ যত্নতে জীৱনৰ দেউতাক মুকুন্দ বিধায়ক হৈ এদিন মন্ত্ৰী হ'ল। যেতিয়া চম্পাৱতীৰ পৰিয়ালে সিহঁতৰ বিয়াৰ প্ৰস্তাব দিলে তেতিয়া ৰাজধানীমুখী মুকুন্দই কৌশলেৰে প্ৰস্তাবটো প্ৰত্যাখ্যান কৰিলে। চম্পাৱতীয়ে জানে যে জীৱনে বাপেকৰ আগত এষাৰো মাতিব নোৱাৰে। গল্পত চম্পাৱতীয়ে দেউতাকৰ কাহিনী কবলৈ যাওঁতে নিজৰ কাহিনী প্ৰকাশ কৰিছে। গল্পটোত মুকুন্দৰ দৰে ক্ষমতাবান হৈ উঠি চম্পাৱতীৰ দেউতাকৰ দৰে আপোনভোলা সৰল মানুহক ঠগ-প্ৰবঞ্চনা কৰাটো সাধাৰণ কথা বুলি সূচিত হৈছে। 'শূণ্যজৰ কাব্য' এটা লেখত লবলগীয়া গল্প। অৰুণা আৰু মাৰুণ গল্পটোৰ দুটা প্ৰধান চৰিত্ৰ। অৰুণাৰ মন মুকলি আৰু আনৰ দুখ উপলব্ধি কৰিব পৰা ক্ষমতা তাইৰ আছে। মাৰুণ সাধাৰণ ছোৱালী হলেও কাৰ্য-দক্ষতা আৰু চাৰিত্ৰিক সৰলতা হৃদয়স্পৰ্শী। তাই অৰুণাৰ পৰা চিলাই শিকি প্ৰদৰ্শনীত দেখুৱাব পৰা ক্ষমতা আয়ত্ত কৰিছিল। কিন্তু, তাইৰ দাৰিদ্ৰই দামী কাপোৰ আৰু সূতা কিনি ঘৰ সজাব নোৱাৰিব বুলি অৰুণাই সংশয় প্ৰকাশ কৰিছে আৰু দুখত ম্ৰিয়মান হৈছে। এইয়া তাইৰ মাৰুণৰ প্ৰতি চেনেহে আৰু সহানুভূতিৰেই নামান্তৰ। গল্পটো অৰুণা আৰু মাৰুণৰ চৰিত্ৰ চিত্ৰনৰ দ্বাৰা সুন্দৰ হৈ পৰিছে। নিৰুপমা বৰগোহাঞিৰ গল্পৰ কলা-কৌশলত অভিনবত্ব দেখা নগলেও বৰ্ণনাৰ স্বাভাৱিকতা আৰু উপযুক্ত ভাষাই গল্পবোৰ পঠনীয় কৰি তুলিছে। তেওঁৰ প্ৰথম দুটা দশক, পঞ্চাছ আৰু ষাঠিৰ গল্পবোৰতকৈ পাছৰ দুটা দশক, সত্তৰ আৰু আশীৰ গল্পসমূহ বেছি স্পষ্ট আৰু উন্নত। "খিৰিকি কাষৰ গছ" সংকলনৰ গল্পকেইটাকে বিচাৰ কৰি চাব পৰা যায়। অসম আন্দোলনৰ সম-সাময়িক কালত সাধাৰণ মানুহৰ অৱস্থাৰ ইংগিতধৰ্মী প্ৰকাশ ঘটা 'নকুলৰ গৃহযাত্ৰা' গল্পত চল্লিশ মাইল খোজ কাঢ়ি পত্নীৰ ওচৰলৈ যোৱা গৃহভৃত্য নকুলৰ প্ৰতি অৰুণা নামৰ গাভৰুৰ সহানুভূতি, তাইৰ প্ৰেমিকৰ তেনে ঐকান্তিকতাৰ অভাৱত মনত দুখ-উপলব্ধি, তাইৰ মাক আৰু আইতাকৰ স্বাৰ্থ-ক্ষুন্ন হোৱাৰ বাবে নকুলৰ প্ৰতি উপহাস স্পষ্ট হৈ পৰাত গল্পটোত লেখিকাৰ দৃষ্টি-ভঙ্গী স্পষ্টকৈ ফুটি ওলাইছে। আন্দোলন, বন্ধ আদিয়ে সমাজত কৰা ক্ষতিৰ পৰিপ্ৰেক্ষিতত এই গল্প এটি সমালোচনা। 'সতী' গল্পত মাক আৰু জীয়েকৰ মাজত সতীত্বক কেন্দ্ৰ কৰি এটা সংঘাত সৃষ্টি কৰা হৈছে। চম্পা নামৰ দৰিদ্ৰ ছোৱালী এজনীয়ে সতীত্ব ৰক্ষা কৰাৰ সৰ্বপ্ৰকাৰৰ চেষ্টা কৰিছে; কিন্তু মাকৰ মতে দেহ বিক্ৰী কৰি হলেও ভালদৰে চলিব লাগে। গৃহভৃত্যা চম্পাৰ মেমচাব বিমলাই তাইৰ এই মনোভাবক ইতিকিং কৰিছে– "বৰ কলিৰ সতীজনী ওলাবলৈ আহিছে" বুলি। ইয়াৰ মাজতে সতীত্বৰ প্ৰতি বিভিন্ন দৃষ্টিভঙ্গী প্ৰকাশ পাইছে। বৰ্ণনাপ্ৰধান গল্পটোৰ বৈশিষ্ট্য হ'ল চম্পাৰ চৰিত্ৰ। মাক মায়া আৰু মেমচাব বিমলা ক্ৰমে দৰিদ্ৰতা আৰু আভিজাত ব্যৱস্থাৰ অধঃপতিত সমাজৰ প্ৰতিভু। 'সোণাপুৰহাট আদৰ্শ উচ্চ-ইংৰাজী স্কুল' গল্পটোত আন্দোলনৰ সময়ৰ পৰীক্ষা প্ৰহসনত চোকা ল'ৰাৰ মানসিক দুখ প্ৰকাশ পাইছে। 'গাঁও', গল্পটো বিহু সন্মিলনৰ নামত সাংস্কৃতিক অবক্ষয় সৃষ্টিত এটা সমালোচনা। গল্পৰ সৌন্দৰ্য তথা কলাত্মক দিশ দুৰ্বল। 'গান্ধীৰৰ সোৱাদ লুণীয়া' গল্পৰ পটভূমিতো অসম আন্দোলন। সাধাৰণ মানুহৰ ওপৰত বীৰত্ব দেখুৱা নেতাৰ প্ৰতি কটাক্ষপাত কৰা হৈছে। দুটা সৰু নেপালী ল'ৰাক মাৰপিট কৰা ঘটনাত মামণি নামৰ এজনী সাধাৰণ ছোৱালীৰ অসাধাৰণ স্বৰূপ সৃষ্টি কৰি মানৱ দৰদী কৰি তোলা হৈছে। সেইদৰে আন্দোলনৰ সময়ত বজাৰত বোমা বিস্ফোৰণ ঘটাত নিহত ব্যক্তিৰ পৰিয়ালৰ চিত্ৰ, সাংবাদিকৰ দৃষ্টিৰে চিত্ৰিত কৰা হৈছে। চৰকাৰী ক্ষতিপূৰণ সাহায্যৰ ধনেৰে ভোজ-ভাত খোৱাত যোগ দিবলৈ যোৱা নেতা এজনক মৃতকৰ ভগ্নীয়ে আক্ৰমণ কৰি নিৰীহ মানুহক বিপথে পৰিচালিত কৰাৰ

বাহিৰে একো কৰিব নোৱাৰাৰ অভিযোগ সুন্দৰীকৈ প্ৰকাশ কৰিছে 'এখন অনিৰ্বচনীয় ছবি' গল্পত। 'নকুলৰ গৃহযাত্ৰা', 'সোণাপুৰহাট আদৰ্শ উচ্চ ইংৰাজী স্কুল' 'গান্ধীৰ সোৱাদ লুণীয়া'– গল্প তিনিটাৰ দৰেই এই গল্পতো আন্দোলনটোৰ খুটি-নাটি প্ৰভৃতি প্ৰকাশ পাইছে। নিৰপেক্ষ ৰূপ এটা কʼতো প্ৰকাশ নোপোৱাৰ বাবে ঘটনাৱলীত সত্যতা থাকিলেও পক্ষপাতদুষ্টতাৰ পৰা লেখিকা হাত সাৰিব নোৱাৰিলে। 'খিৰিকি কাষৰ গছ' গল্পটো প্ৰতীকধৰ্মী। বিভা নামৰ ধনীৰ দুলালীৰ উপযুক্ত পাত্ৰৰ সৈতে বিয়া হৈয়ো গ্ৰন্থ অধ্যয়ন আদি স্বভাবৰ বাবে সম্পূৰ্ণ মিল হোৱা নাছিল। শেষত বিদেশত প্ৰশিক্ষণ লবলৈ যোৱা স্বামীয়ে বিদেশিনী বিয়া কৰাই বিদেশতে স্থায়ী বাস কৰিবলৈ লোৱাত পিতৃ গৃহলৈ উভতি আহে। পিতৃ গৃহত খিৰিকিৰ কাষত থকা এজোপা সুন্দৰ গছ দেখি তাই আহত হৈছে, কাৰণ সেই মদাৰ গছজোপাৰ সৈতে তাইৰ শৈশৱ সম্পৰ্ক আছিল। এইয়া তাইৰ যৌৱনৰ কল্পনাৰ প্ৰতীকী প্ৰকাশ। গল্পটো সুখপাঠ্য। তেওঁৰ আন এটা সুখপাঠ্য গল্প 'মধ্যবৰ্তিনী'ত মধ্যবিত্ত পৰিয়ালৰ মানসিকতা প্ৰকাশ পাইছে। অনিল মিনতিৰ বিয়াৰ পাছত বিমল প্ৰথমবাৰৰ বাবে সিহঁতৰ ঘৰলৈ আহোতে অনিলৰ ভনীয়েক ৰেখাক সমৰ্পন কৰাৰ ইচ্ছা হʼল মিনতিৰ। তাই মধ্যবৰ্তিনী হৈ পাৰস্পৰিক আকৰ্ষণ সৃষ্টি কৰিবলৈ যত্ন কৰিছে। এই অপ্ৰত্যাশিত পৰিণতিয়ে ৰেখাক তীব্ৰভাৱে আঘাত কৰিলে। 'চ্যুতি' নামৰ গল্পত নাৰীৰ ৰূপৰ মূল্যায়ন কৰা হৈছে। পঢ়া-শুনা আদিত কেঁচা দীপাৰ বিয়া হʼল এজন উকীলৰ লগত। এদিন তাই মন্ত্ৰীৰ পত্নী হৈ পৰিল। আনহাতে চোকা ছোৱালী তৃপ্তি বিয়াৰ পাছত বহু পিছুৱাই গʼল। আন এজনী ছোৱালী সাৰদা ভাগ্যৰ পৰিহাসত মাতাল স্বামীক অকালতে হেৰুৱাই দুখৰ জীৱন যাপন কৰিবলগাত পৰিল। ৰূপ আৰু ভাগ্যই নাৰীৰ কিদৰে বিচ্যুতি ঘটাব পাৰে তাৰেই পৰিহাস ইয়াত ফুটি ওলাইছে। 'জননীৰ সন্ধানত এজন ডেকা মানুহ' গল্পত প্ৰণৱ নামৰ এজন যুৱকে তাৰ চাৰিবছৰ বয়সতে মৃত্যু হোৱা মাকৰ স্বভাৱ-চৰিত্ৰ দেউতাকৰ মুখত শুনি তেনে এগৰাকী নাৰীৰ সন্ধান কৰিছে। নিবিড়ভাৱে চিনাকি হোৱা মালা আৰু বন্দনাৰ মাজত মাকৰ সত্যাগ্ৰহী আৰু নৈতিকতাবিশ্বাসী ৰূপ বিচাৰি নাপালে। পত্ৰাকাৰে লেখা গল্পটোত আদৰ্শ নাৰীৰ চাৰিত্ৰিক বৈশিষ্ট্য দাঙি ধৰা হৈছে। 'এজন প্ৰবীন লেখকৰ কৈফিয়ৎ বনাম স্বীকাৰোক্তি'ত কিছু নতুনত্ব দেখা যায়। গল্পৰ নায়ক প্ৰবীন সাহিত্যিক এজনৰ আলোচনী চলাবৰ কাৰণে প্ৰয়োজনীয় লেখা প্ৰবীনৰ পৰা আনিব লগাত পৰিছে। নতুন বিলাকৰ লেখাবোৰ বক্তৃতাধৰ্মী হোৱাৰ বাবে পাঠকে নপঢ়ে। এদিন এজন নতুন ডেকাই পুৰণিসকলে উচ্চ আৰু মধ্যবিত্তসকলৰ বাদে সাধাৰণ মানুহক চিনি নাপায় বুলি সমালোচনা কৰাত ক্ষুব্ধ হৈ নানা চিন্তাত মগ্ন হʼল। নিজৰ পত্নীক বিচৰামতে নোপোৱাৰ পৰা ইংৰাজী ভাষাৰ স্কুল পতালৈকে নানা সংঘাত, ব্যৰ্থতাই বিপ্লৱৰ পৰা আতৰাই আনিলে। ফলত, তেওঁ দুৰ্বিনীত ছাত্ৰ যুৱকবো পথ এইটোৱেই বুলি কবলৈ বিচাৰিছে। বাস্তৱৰ কঠিনতা প্ৰকাশেই গল্পটোৰ লক্ষ্য। 'হায় সময়'ত চৰিত্ৰৰ জটিলতা প্ৰকাশ পাইছে। গতানুগতিকতাৰ পৰা ফালৰি কাটি যাব পৰা নাই। 'আইজনী আৰু জন বিস্ফোৰণ' উপন্যাসিকা ধৰ্মী গল্প। ইয়াত আইজনী নামৰ গাভৰুৰ প্ৰেম, ব্যৱসায় বাট চাই থকা প্ৰেমিকক বিয়া কৰাই ঘৰ সংসাৰী হৈ একে নগৰতে বাস কৰি পিতৃৰ প্ৰতিদিন খবৰ ৰাখি তাই দায়িত্বশীলতাৰ পৰিচয় দিব পাৰিছে। 'বিয়োগ ফল'ত নমিতাই পুত্ৰৰ বাবে কন্যাৰ চিন্তা কৰি প্ৰায় পঁচিছ বছৰৰ আগলৈ উভতি গৈ যেমেনীয়া প্ৰস্তাৱ এটালৈ মনত পেলাইছে। সুবিধা বুজি ছোৱালীৰ বয়স কম বেছি কৰা মাজনীৰ মাকৰ দুৰাৱস্থাটো গল্পত দাঙি ধৰা হৈছে। গল্পটোত কৰুণ-সুৰ এটা উপলব্ধি কৰিব পাৰি।

'নাৰী দশকত অকণ' গল্পত এজনী দুৰ্ভগীয়া ছোৱালীৰ কাহিনী দাঙি ধৰা হৈছে। পাগ্‌লাদিয়া নৈৰ পানীত সৰ্বহাৰা পৰিয়ালৰ মাতৃহীনা গাভৰু অকণক এখনত বান্দী কৰি দেউতাকে গুৱাহাটীত শাক-পাচলিৰ বেপাৰ কৰিছিল। কিন্তু, দুৰ্ভাগ্যবশত সি অন্ধ হৈ পৰাত জীয়েকক লৈ তীক্ষাৰ জীৱন আৰম্ভ কৰিলে। বাধ্যত পৰি তাই বেশ্যালৈ পৰিবৰ্তন হৈ পৰিল। এদিন অকণক বিয়া কৰাবলৈ বিচৰা যতীনেও ঠিকাৰ কাম অনুমোদনৰ বাবে ওপৰৱালাক যোগান দিবলৈ তাইক নিবলৈ আহিল। অন্ধ পিতৃয়ে বুজিব পাৰি পোতক তোলাৰ যত্ন কৰিলে, কিন্তু সি অসমৰ্থ। গল্পটোত নাৰী বৰ্ষত নাৰীৰ দুৰাৱস্থাৰ চিত্ৰ অঙ্কণ কৰি তথাকথিত দিৱস পালনৰ প্ৰতি ব্যঙ্গ-ভাৱ প্ৰকাশ কৰা হৈছে। এই গল্পটোৱে ইতিপূৰ্বে ৰচিত নীলিমা শৰ্মাৰ গল্প 'শিশুবৰ্ষৰ এটা চাৰি আলি'লৈ মনত পেলাই দিয়ে। দুয়ো গৰাকী লেখিকাৰ উদ্দেশ্যত কোনো পাৰ্থক্য নাই। 'উৎসৱ' গল্পত নিৰুপমা বৰগোহাঞিৰ হাতত সাধাৰণ মাছ বেপাৰী কুঁহিলা বাইৰ চিত্ৰ উজ্জ্বল হৈ উঠিছে। সেইদৰে 'উপহাৰ', 'মৃত্যু' আদি অসংখ্য গল্পৰ মাজত তেওঁৰ প্ৰতিভা নিৰ্ণয় কৰিব পাৰি।

নিৰুপমা বৰগোহাঞিৰ গল্পবিলাকত বাস্তৱ চিত্ৰন সুন্দৰ। একোটা বিশেষ পৰিস্থিতিত জীৱনৰ সুখ-দুখ, আশা-আকাংক্ষা, পোৱা-নোপোৱাৰ সংঘাত, সংগ্ৰাম উপযুক্তভাৱে বৰ্ণিত হৈছে। কেতিয়াবা সাহিত্যত প্ৰয়োজনীয় কল্পনা প্ৰয়োজনতকৈ কমি যোৱাত বাস্তৱৰ কিছুমান চিত্ৰ কঠুৱা হৈ পৰিছে। বৰগোহাঞিৰ গল্পৰ পাত্ৰ-পাত্ৰী মধ্যবিত্ত শ্ৰেণীৰ হলেও, নিম্নবিত্তশ্ৰেণীৰ পৰা লোৱা চৰিত্ৰকেইটাৰ গুৰুত্ব যথেষ্ট। নাৰী চৰিত্ৰৰ বিভিন্ন দিশ উন্মোচন কৰাত লেখিকা কৃতকাৰ্য হৈছে। কেতিয়াবা নৈতিকতাৰ প্ৰতি চৰিত্ৰবোৰ সজাগ আৰু কেতিয়াবা নৈতিকতাক উপহাস কৰাও দেখা যায়। নৈতিকতাবোধ মধ্যবিত্ত চৰিত্ৰৰে বেছি। সমাজ সংস্কাৰৰ প্ৰতি লেখিকা সচেতন। তেওঁ কিছুমান সমাজ ক্ষতিকাৰক ব্যৱস্থাৰ বিৰোধী হৈ উঠিছে। চৰিত্ৰ চিত্ৰনত দক্ষতাৰ পৰিচয় দিব পাৰিছে। তেওঁৰ সৰহভাগ চৰিত্ৰ মুক্ত হোৱাত বৈশিষ্ট্য ৰক্ষা পৰিছে। ভাষা সৰল হলেও যথোপযুক্তভাৱে ইয়াক ব্যৱহাৰ কৰা হৈছে। কলা-কৌশল নিয়মীয়া। নাৰীবাদী এইগৰাকী লেখিকা চুটিগল্পতকৈয়ো উপন্যাস ৰচনাত বেছি কৃতকাৰ্য হোৱা দেখা গৈছে।

৯.৩. তিনি গৰাকী প্ৰধান ঔপন্যাসিকা

যুদ্ধোত্তৰ অসমীয়া উপন্যাসৰ তিনিগৰাকী প্ৰধান লেখিকা হ'ল, নীলিমা দত্ত, নিৰুপমা বৰগোহাঞি আৰু মামণি ৰয়ছম গোস্বামী। উপন্যাসৰ উপৰিও প্ৰথম গৰাকী কৱি হিচাপে আৰু শেষৰ দুগৰাকী গল্পলেখিকা হিচাপে সু-পৰিচিতা লেখিকা।

৯.৩.০১. নীলিমা দত্ত (১৯২৫-)

ষাঠিৰ দশকৰ ভিতৰত দুখন উপন্যাস ৰচনা কৰি জনপ্ৰিয় হৈ পৰা নীলিমা দত্তৰ প্ৰকাশিত উপন্যাস চাৰিখন। প্ৰথমখন "আকাশবন্তি" (১৯৬৭); দ্বিতীয় "শৈল-শিখৰ" (১৯৬৯), তৃতীয় "প্ৰাণশিখা" (১৯৮৭) আৰু চতুৰ্থখন উপন্যাস হ'ল "মই আৰু আমি" (১৯৮৭)। চাৰিওখনেই সামাজিক উপন্যাস।

"আকাশবন্তি" লেখিকাৰ প্ৰথম সামাজিক উপন্যাস। এই উপন্যাসৰ কাহিনী জটিল-বন্ধী। নানা উপ-ঘটনা আৰু চৰিত্ৰৰ সংযোগত গঢ়ি উঠা উপন্যাসখন আকাশ বন্তি নামৰ এজনী ছোৱালীক কেন্দ্ৰকৰি ৰচিত হলেও বিভূতিহে প্ৰধান চৰিত্ৰ। ঘৰৰ পৰা আত্মগোপন কৰা স্বৰাজকৰ্মী বিপ্লৱী বিভূতি বৰুৱা পূৱ-বঙ্গৰ চট্টগ্ৰাম অস্ত্ৰাগাৰ লুণ্ঠনৰ বিপ্লৱী-দলৰ এজন আছিল। এদিন তেওঁ অসমৰ বাহিৰতে কুসুম নামৰ পঞ্জাবী ছোৱালী

বিয়া কৰালে। তেওঁলোকৰ সন্তি-সন্ততি নহ'ল। এনে সময়তে কলিকতাত সাম্প্ৰদায়িক সংঘৰ্ষ হ'ল আৰু কুতুবুদ্দিন নামৰ এজন গোৱালপৰীয়া মুছলমানৰ মৃত্যু হোৱাত তেওঁৰ মাতৃহীনা সৰু ছোৱালীটিক বিভূতিহঁতে লৈ আহিলে। তাইৰ মাক আছিল শান্তি নামৰ এজনী হিন্দু ছোৱালী, যাক ভাল পাই কুতুবুদ্দিনে ঘৰৰ অমতত পলুৱাই আনি কলিকতাত বাস কৰিছিল। অকণমান ছোৱালীজনীক পাছলৈ সকলোৱে বিভূতি বৰুৱাৰ জীয়াৰী বুলি জনা হ'ল আৰু নাম ৰখা হ'ল আকাশবন্তি। বিভূতিয়ে ককায়েক বস্তু বৰুৱালৈ ত্ৰিছবছৰৰ পাছত এখন চিঠি লেখিলে। চিঠি পাই বস্তু বৰুৱাই ভায়েকৰ ওচৰ পালেহি। বিভূতিয়ে ককায়েকৰ লগত আকাশবন্তিক অসমলৈ পঠাই দিলে।

ইয়াৰ পাছতে বিদ্ৰোহী কাৰ্যত লিপ্ত থকাৰ অপৰাধত বিভূতি গ্ৰেপ্তাৰ হ'ল আৰু এদিন কাৰাগাৰতে তাৰ মৃত্যু ঘটিল। পত্নী কুসুমে স্বাৱলম্বী হৈ থাকিবৰ বাবেই নাৰ্চ বৃত্তি গ্ৰহণ কৰিলে। আকাশবন্তিয়েও বস্তু বৰুৱাৰ ঘৰত অৱহেলা আৰু নানা অসুবিধাৰ সন্মুখীন হোৱাত গুৱাহাটীৰ ছাত্ৰী নিবাসত থাকি পঢ়িবলৈ ললে। ইয়াতে অজিত শইকীয়া নামৰ এজন অধ্যাপকৰ সৈতে চিনাকি হৈ দুয়ো প্ৰেমত পৰিল। আনহাতে কুতুবৰ পিতাক গিয়াচুদ্দিনৰ সৈতে তাইৰ পৰিচয় ঘটাত ওলাই পৰিল যে তেওঁলোক ককা-নাতিনীহে। আকাশবন্তি মুছলমান বুলি প্ৰকাশ পোৱাত মিলনত বাধা আহি পৰিল। অৱশেষত সকলো বাধা নেওচি অজিত-আকাশবন্তিৰ বিবাহখন সম্পন্ন হ'ল। উপন্যাসৰ মূল কাহিনীটো ইমানেই। কাহিনীটোৰ বৈশিষ্ট্য হ'ল, ই পৰম্পৰাগত কেৱল ৰমন্যাসিক প্ৰেম-কাহিনী নহয়; ই বাস্তৱবাদী আৰু প্ৰগতিবাদী চিন্তাৰ বাহকো। অন্ধ-সংস্কাৰাছন্ন ৰক্ষণশীল সমাজৰ সংকীৰ্ণতাৰ বিৰুদ্ধে এই কাহিনী এটা প্ৰত্যাহ্বান। মূল কাহিনীৰ সৈতে বহুতো উপকাহিনী সংযুক্ত কৰাত কাহিনীৰ জটিলতা বৃদ্ধি পাইছে। মানৱ চৰিত্ৰৰ বিভিন্ন দিশ উদঙাই দিয়াত চৰিত্ৰবোৰে সহায় কৰিছে ও, আটাইবোৰ চৰিত্ৰৰ প্ৰয়োজন উপন্যাসখনত নাছিল।

আকাশবন্তি উপন্যাসখনৰ কেন্দ্ৰীয় চৰিত্ৰ। কাহিনী উপস্থাপন কৰোতে বিভূতিৰ পেহীয়েক পদ্মাৱতীৰ অতীত ৰোমন্থন আৰু বিভূতিৰ আত্ম প্ৰকাশৰ সংবাদ উৎকণ্ঠাৰে চিত্ৰিত হৈছে। পদ্মাৱতীৰ সংকীৰ্ণমনাতা, ঈৰ্ষাপৰায়ণতা আদিৰ লগতে পৰচৰ্চা আৰু পৰৰ দোষ খোচৰা স্বভাৱৰ মাজত বালবিধবা বয়সস্থ নাৰীৰ গতানুগতিক স্বভাৱ প্ৰতিফলিত হৈছে। পদ্মাৱতীৰ প্ৰভুত্বশীলতাৰ ওচৰত বস্তু বৰুৱা আৰু তেওঁৰ পত্নী ফুলেশ্বৰীৰ কৰ্তৃত্ব নাই বুলিব পাৰি। বস্তু বৰুৱাৰ যি চাৰিত্ৰিক দোষৰ ফলত বৈশাখীৰ জন্ম; তেনে চাৰিত্ৰিক দোষে পুত্ৰ ৰমেনক বৈশাখী আৰু আকাশবন্তিক ভনী হিচাপে গ্ৰহণ কৰাৰ পৰা নাই। তাৰ দৃষ্টি কলুষ-কামনাপূৰ্ণহে। বস্তু বৰুৱাৰ জীয়েক ইলা, বোৱাৰীয়েক অনিমা আদি চৰিত্ৰ অপ্ৰয়োজনীয়। অৱশ্যে, এইবিলাক চৰিত্ৰত লেখিকাই গুৰুত্বাৰোপ নকৰাটো উচিত হৈছে। এনেবোৰ চৰিত্ৰৰ প্ৰাসংগিকতা ৰক্ষা কৰিবলৈ লেখিকাই যথেষ্ট যত্ন কৰিছে। উপন্যাসখনৰ বহুধা বিভক্ত ঘটনা-উপঘটনাৰ ভিতৰত কিছু গুৰুত্ব থকা বিমল-অজিত-কল্পনাৰ কাহিনী উপন্যাসখনত স্পষ্ট নহ'ল আৰু বিমল-কল্পনাৰ উল্লিখিত কথাখিনিও মূল কাহিনীৰ বাবে প্ৰয়োজনীয় নহয়। বিমল, কল্পনা আনকি অজিতৰ চৰিত্ৰও স্পষ্ট নহয়। কাহিনীমতে অজিত তৃতীয়টো গুৰুত্বপূৰ্ণ চৰিত্ৰ আছিল; কিন্তু লেখিকাই দুদোল্যমান মনৰ দৃঢ়তা প্ৰকাশ কৰি আকাশবন্তিক গ্ৰহণ কৰাৰ মানসিক দ্বন্দ্ব আৰু শঙ্কিত গুৰুত্ব নিদিয়াত অজিতৰ চৰিত্ৰ স্পষ্ট নহ'ল। অথচ, বিভূতিৰ দৰেই তাৰ চৰিত্ৰটো শক্তিশালী আৰু প্ৰগতিবাদী কৰি তোলাৰ প্ৰয়োজন আছিল। নায়িকা আকাশবন্তিয়ে আকৰ্ষণ কৰিলেও তাই কাহিনীক্ৰমত সক্ৰিয় হৈ নুঠি

ভাগ্যৰ পুতলাৰ দৰেহে চিত্ৰিত হ'ল। তাইৰ সূক্ষ্ম অনুভূতিৰ সবল প্ৰকাশেই আকৰ্ষণৰ কাৰণ। "তাই যেন ধুমুহাৰ ছাটিয়ে কোবাই লৈ ফুৰা এটি নিৰ্জু পখী।"[৫] উপন্যাসখনৰ দুটা উল্লেখযোগ্য চৰিত্ৰ হ'ল বিভূতি আৰু গিয়াচুদ্দিন। দুয়োটাই মানৱতাবাদী চৰিত্ৰ। বিভূতি অবিচলিত আৰু আত্মবিশ্বাসযুক্ত চৰিত্ৰ। সকলো ক্ষেত্ৰতে সি দৃঢ় আৰু মুক্ত। আকাশবন্তিৰ প্ৰকৃত পৰিচয় ককায়েকক কৈ দিয়াৰ মাজত বিভূতিৰ সত্যনিষ্ঠ মনৰ পৰিচয় আছে। গিয়াচুদ্দিনৰ ভুল উপলব্ধি আৰু মনৰ দ্বন্দ্বই উদাৰনৈতিক মানৱতাবাদী কৰি তোলাত সাম্প্ৰদায়িক সংকীৰ্ণতাৰ উৰ্ধত উঠিব পাৰিছে। বাকীবোৰ চৰিত্ৰ বৈশিষ্ট্যহীন আৰু সাধাৰণ হৈ ৰ'ল। কুসুমৰ চৰিত্ৰত মাতৃৰ দায়িত্ব আৰু কৰ্তব্যবোধৰ সৈতে মানসিক সংঘাত প্ৰকাশ পাইছে।

"আকাশবন্তি"ৰ কাহিনী সু-সংবদ্ধ নহয়। "কাহিনীৰ সন্ধি-অভিসন্ধি, কাৰ্যকাৰণ সম্পৰ্কৰ ইঙ্গিত আছে, স্পষ্ট ৰূপত প্ৰদৰ্শন কৰা নাই। ঠায়ে ঠায়ে লেখিকা অৱস্থাৰপৰা অৱস্থান্তৰলৈ জঁপিয়াই যোৱা যেন ধাৰণা হয়। ---- বহু চৰিত্ৰৰ সমাবেশে বহু পৰিস্থিতি আৰু ঘটনাৰ সংস্থাপনে উপন্যাসখনৰ প্লট কিছু পৰিমাণে বিক্ষিপ্ত কৰিছে।"[৬] প্ৰগতিবাদী কাহিনী বা ধৰ্মীয় বেষ্টনীতকৈ মানৱতা যে উৰ্ধত, তাৰে চিত্ৰন এই উপন্যাস। ভাষাৰ সাবলীলতাও বিশেষ লক্ষ্যণীয়। নীলিমা দত্তৰ প্ৰথম উপন্যাস হলেও সুন্দৰ বৰ্ণনাৰে সুলিখিত হোৱাত তেওঁৰ সৰ্বশ্ৰেষ্ঠ উপন্যাসৰ গৌৰৱ "আকাশবন্তি"য়েই দাভি ধৰিছে। অসমীয়া উপন্যাসৰ তালিকাত ই এটি সুন্দৰ সংযোজন।

নীলিমা দত্তৰ দ্বিতীয় উপন্যাস "শৈল-শিখৰ" আত্মবিবৃতিমূলক পদ্ধতিৰে ৰচিত আৰু পিতৃ-মাতৃহীনা নায়িকা পৰীৰ শৈশৱ-স্মৃতিচাৰণ উপন্যাস। "আকাশবন্তি"ৰ দৰে এই খন সাফল্যমণ্ডিত হোৱা নাই যদিও প্ৰথমছোৱাত বৰ্ণিত পৰীৰ শৈশৱ-স্মৃতি আৰু গ্ৰাম্য পৰিবেশ জীৱন্ত আৰু বাস্তৱ হৈ উঠিছে। কিন্তু পাছৰছোৱা কাহিনী অবাস্তৱ আৰু উপাখ্যান জাতীয় হোৱাত উপন্যাসখন সৌষ্ঠৱহীন হৈ পৰিল।

"শৈল শিখৰ"ৰ কাহিনীমতে মাতৃহীনা পৰীয়ে শৈশৱত লুইতৰ চাপৰিত থকা পিতৃৰ সৈতে পামত বাস কৰিছিল। এদিন নাও দুৰ্ঘটনাত পিতাকৰ মৃত্যু হোৱাত বৰ অকলশৰীয়া হ'ল। ইয়াৰ পাছত যৌথ-পৰিয়ালত বাস কৰোতে তাইৰ বয়োজ্যেষ্ঠা পাৰ্বতী আৰু ককাকৰ মৰম-চেনেহৰ বাহিৰে বাকীবিলাকৰ অৱহেলাৰ মাজত তাই ডাঙৰ-দীঘল হ'ল। শৈশৱ আৰু যৌৱনৰ করুণ স্মৃতি আৰু মধুৰতাৰ সৌৰৱণিত পাৰ্বতীয়ে বিশেষ ভূমিকা লাভ কৰিছে। তাই যেন পৰীৰ পথ-প্ৰদৰ্শিকা। পাৰ্বতীয়ে গাঁৱৰে শিক্ষিত যুৱক শঙ্কৰক ভাল পাই বিয়া কৰাই দাম্পত্য সুখত আত্মবিভোৰ হৈ থাকোতে পৰীৰ প্ৰতি কৰ্তব্যনিষ্ঠা কমি গৈছিল। এদিন শঙ্কৰৰ সংসাৰৰ প্ৰতি কিবা কাৰণত বিৰাগ জন্মাত নিৰুদ্দেশ যাত্ৰা কৰি পৰিব্ৰাজকৰ দৰে ঘুৰি ফুৰে। শঙ্কৰক বিচাৰি পাৰ্বতী যাবলৈ ওলোৱাত পৰী তাইৰ লগৰীয়া হ'ল। দুয়োজনীয়ে ভাৰতবৰ্ষৰ বিভিন্ন তীৰ্থস্থানত শঙ্কৰৰ অন্বেষণ কৰি অৱশেষত মহাশঙ্কৰ পীঠত সন্ন্যাসীৰূপত দেখা পালে। পাৰ্বতী বৰ দুৰ্বল হৈ পৰিছিল। আনন্দ, শঙ্কা, উৎকণ্ঠা সকলো মিলি দুৰ্বল পাৰ্বতীৰ মনত ক্ৰিয়া কৰাত তাইৰ মৃত্যু হ'ল। শঙ্কৰে পাৰ্বতীৰ দেহ কান্ধত তুলি অন্তিম সংস্কাৰৰ বাবে যাত্ৰা কৰিলে। পৰী অকলশৰীয়া হৈ ঘৰলৈ উভতি অহাৰ চিন্তাত নিমগ্ন হ'ল। "শৈল শিখৰ"ৰ এই কাহিনী অস্পষ্ট আৰু শেষাংশ অবাস্তৱ।

---

৫. প্ৰফুল্ল কটকী, "স্বৰাজোত্তৰ অসমীয়া উপন্যাস সমীক্ষা", ১৯৭৯, পৃ. ১৯০

৬. সত্যেন্দ্ৰনাথ শৰ্মা, "অসমীয়া উপন্যাসৰ গতিধাৰা", ১৯৭৬, পৃ. ২১৯-২২০

মহাদেৱে সতীক কান্ধত তুলি নিয়াৰ দৰে এই পৰিণতি ৰচনা কৰাত লেখিকাই কি তাৎপৰ্য প্ৰকাশ কৰিব বিচাৰিছে বুজা কঠিন। তদুপৰি, উপন্যাসখনৰ নায়ক বা নায়িকাৰ চৰিত্ৰৰ এটাও স্পষ্ট নহ'ল। বক্তা পৰীয়ে হয়তো পাৰ্বতীৰ কাহিনীক প্ৰধানকৈ বৰ্ণনা কৰিছে, কিন্তু তাকে কৰোতে তাইৰ অতীত স্পষ্ট হোৱাত মূল কাহিনী বাধাগ্ৰস্ত হৈছে। লেখিকাই হয়তো দাৰ্শনিক তত্ত্ব প্ৰকাশ ঘটোৱাৰ চেষ্টা কৰি অসহায় মানুহৰ জীৱন জীয়াই থকাৰ দুৰ্বাৰ সংগ্ৰামৰ দ্বাৰা ভাবাক্ৰান্ত কলত প্ৰদৰ্শন কৰিছে। তাকে কৰিবলৈ গৈ তেওঁ কাহিনীৰ বাস্তৱভিত্তি হেৰুৱাই পেলালে। "শঙ্কৰ-পাৰ্বতীৰ জীৱনৰ শেষ পৰ্যায়ৰ ঘটনাৰ যোগেদি লেখিকাই কি কথা বা তত্ত্ব প্ৰকাশ কৰিব খুজিছে সি অস্পষ্ট। বিচ্ছেদৰ মাজেদিহে প্ৰেমে সাৰ্থকতা লাভ কৰে- এইটো কথা প্ৰকাৰান্তৰে দেখুৱাৰ খোজা যেন লাগে।"[৭] পৰীৰ প্ৰশ্নৰ উত্তৰত শঙ্কৰে কৈছিল-" সেইবাবেইতো পাৰ্বতীৰ প্ৰেম যাউতিযুগীয়া হ'ল।" এনে প্ৰেম দাৰ্শনিক বা ৰমন্যাসিক বুলি গণ্য কৰা হলেও আধুনিক বৈশিষ্ট্যৰ পৰা ই বহুত আঁতৰত। ঘৰ আৰু প্ৰিয়তমা পত্নীৰ সঙ্গ ত্যাগ কৰি সন্ন্যাসীৰ জীৱন গ্ৰহণ কৰাৰ কোনো যুক্তিযুক্ত কাৰণ পোৱা নাযায়। ড° প্ৰফুল্ল কটকীৰ মতে, "মানব জীৱনৰ পৰিস্থিতিৰ কথা ইয়াত একাধিকবাৰ উত্থাপন কৰা হৈছে, কিন্তু, সেইবাবেই ইয়াক দাৰ্শনিক তত্ত্ব সমৃদ্ধ উপন্যাস বুলিলেও ভুল হব। চমু কথাত ই এক সাৰস্বত (academic) অনুশীলন মাথোন।"[৮] মুঠতে, "শৈলশিখৰ" উপন্যাস ৰচনাত নীলিমা দত্ত কাহিনী বা চৰিত্ৰ, কোনোটোৰেই সফল নহ'ল।

নীলিমা দত্তৰ তৃতীয় উপন্যাস "প্ৰাণশিখা"ও উচ্চ মানদণ্ডৰ নহয়। প্ৰথমখনৰ দৰে ইয়াতো তেওঁৰ কৃতিত্ব প্ৰকাশ নাপালে। কাহিনীৰ মূল আবেদন ফুটি নোলাল। কাহিনীত অবাস্তৱ ভিত্তি নাই যদিও জটিল-বক্ৰী কাহিনীটো উপন্যাসখনত উপযুক্ত ভাবে চিত্ৰিত হোৱা নাই। চমুকৈ কাহিনীটো হ'ল- ডাঃ লিখন বৰুৱা এগৰাকী আদৰ্শ ব্যক্তি। এবাৰ বানপানীত পৰিয়াল হেৰুৱাই মাউৰা হোৱা অৰুণ নামৰ ল'ৰা এটাক পঢ়াই শুনাই ডাঙৰ-দীঘল কৰিলে। লিখনৰ সেই ল'ৰাটোৰ সমনীয়া এহাল যমজ ল'ৰা আছিল যদিও দুয়ো পানীত পৰি মৰাত বন্দনা নামৰ ছোৱালী এজনীহে থাকিল। অৰুণ পঢ়ি শুনি অধ্যাপক হ'ল। সি ভাল পালে মানসী নামৰ এগৰাকী অভিজাত গাভৰুক। কিন্তু, পিতৃমাতৃৰ নিৰ্দেশত তাইৰ বিয়া হ'ল ডিগবৈৰ এজন ডাক্তৰৰ লগত। বন্দনাৰ বিয়া নিজ প্ৰেমিকৰ লগতে হ'ল। তাইৰ প্ৰেমিক-স্বামী বিয়াৰ আগতে এবাৰ মানসিক ৰোগত আক্ৰান্ত হৈছিল আৰু বিয়াৰ কিছুদিনৰ পাছতে সি আত্মহত্যা কৰিলে। ইয়াৰ কিছুদিনৰ পাছত বন্দনাৰ ছোৱালী এজনী জন্ম হ'ল। ইতিমধ্যে তাইৰ মাক বাপেকৰ মৃত্যু হোৱাত অৰুণেই তাইৰ একমাত্ৰ আশ্ৰয়দাতা। আনহাতে অৰুণ বৰুৱা অবিবাহিত। বাজনী এটা লৈ চলি গৈছিল। বহুতে বন্দনা আৰু অৰুণৰ মাজত বদনাম ৰটনা কৰি বন্দনাৰ সন্তান অঞ্জুৰ পিতৃ অৰুণ বুলি কৰলৈ প্ৰয়াস পালে। ইফালে লেখক বিপ্লৱী অৰুণে গাঁৱলৈ অভিজ্ঞতা বিচাৰি গৈ আত্মগোপনকাৰী দল এটাৰ সৈতে প্ৰকাৰান্তৰে জড়িত হৈ পৰিল আৰু গ্ৰেপ্তাৰ হব লগাত পৰিল। আনহাতে অঞ্জুৰ ভৱিষ্যত ভাবি বন্দনাই মানসীৰ আমন্ত্ৰণক্ৰমে ডিগবৈৰ স্কুল এখনৰ শিক্ষয়িত্ৰী হ'ল। তাতে চিনাকি হ'ল মানসীৰ স্বামী ডাঃ দুৱৰাৰ সৈতে। মানসীইতৰ সতি-সন্ততি নথকাত ৰোগক্লিষ্টা বন্দনাৰ কন্যা অঞ্জুক নিজৰ লগত ৰাখিবলৈ ইচ্ছা কৰিলে। এনেতে অৰুণৰ সবিশেষ জানি মানসীয়ে মানসিক ভাব-সাম্য হেৰুৱাই পেলালে। বন্দনাৰো

৭. সত্যেন্দ্ৰনাথ শৰ্মা, "অসমীয়া উপন্যাসৰ গতিধাৰা", পৃ. ২২০-২২১

৮. প্ৰফুল্ল কটকী, "স্বৰাজোত্তৰ অসমীয়া উপন্যাস সমীক্ষা", পৃ. ১৯১

মৃত্যু হ'ল। তেতিয়া ডাক্তৰ দুয়োবাই অজুৰ ভাৰ গ্ৰহণ কৰি মানসিক চিকিৎসাৰ বাবে মানসীক বাঁচিলে নিবৰ বাবে বেলত উঠিল গৈ। কাহিনীটো ঘটনাবহুল জটিল-বক্ৰী। ককণ ঘটনাৱলীৰ বাবে যিমান অনুভূতিশীল আৰু চিত্তাকৰ্ষক হব লাগিছিল, বৰ্ণনাৰ দুৰ্বলতাৰ বাবে সেই পৰ্যায় নেপালেগৈ। তদুপৰি, কথোপকথনৰ দুৰ্বলতায়ো কাহিনীৰ সৌন্দৰ্য নষ্ট কৰিলে। অকণ আৰু মানসী নায়ক নায়িকা হলেও, লেখিকাই চৰিত্ৰ দুটা স্পষ্টকৈ অংকণ কৰিব নোৱাৰিলে। বন্দনাৰ চৰিত্ৰটোও যথাযোগ্য হৈ নুঠিল। কাহিনী সু-সংবদ্ধ কৰিব পৰাৰ স্থল আছিল। চৰিত্ৰ চিত্ৰনত কোনো বৈশিষ্ট্য বক্ষা নপৰাত কাহিনীৰ আবেদন তল পৰিল। মুখ্য চৰিত্ৰ অকণক শক্তিশালী কৰিব নোৱাৰাটোৱেই উপন্যাসখনৰ ঘাই ব্যৰ্থতা। নীলিমা দত্তই এইখন উপন্যাসতো সফলতা লাভ কৰিব পৰা নাই।

চতুৰ্থ উপন্যাস "মই আৰু আমি" মাত্ৰ চৌত্ৰিশ পৃষ্ঠাৰ এখন শিশু উপন্যাস। নবীন নামৰ এটা ঘৰত বনকৰা সৰল স্বভাৱৰ ল'ৰাক মুখ্যৰূপে লৈ এই গ্ৰন্থ ৰচিত হৈছে। কাহিনীমতে তিনিজনীয়া শিক্ষকৰ মেচ এটাত কাম কৰিবলৈ অহা নবীনে বাট হেৰুৱাই এটা অচিনাকি পৰিয়ালত ৰাতিটো কটাবলৈ গৈ তাতে থাকিব লগাত পৰিল। এদিন মনে মনে প্ৰতিবাদ কৰি সি ওলাই আহি এটা বাঙ্কনি ল'ৰাৰ 'আমি' নামৰ দল এটিৰ সৈতে চিনাকি হৈ মাত্ৰ এৰাতি কটোৱা শিক্ষকৰ মেচটোত ওলালহি। তেতিয়া তাৰ সততাত মুগ্ধ হৈ নিজৰ কোনো আপোনজন নথকা নবীন নামৰ শিক্ষকজনে তাক ভাতৃৰ মৰ্যদাৰে গ্ৰহণ কৰিলে। চুক্তি হ'ল মাজে মাজে সি গাঁৱত থাকি অহা মাকক দেখা কৰিবলৈ যাব। কাহিনীটো শিশুৰ উপযোগী হৈছে। চৰিত্ৰবোৰ নিয়মীয়া। কিন্তু ভাষাত থকা জড়তাই উপন্যাসখনৰ সৌষ্ঠৱ যথেষ্ট হানি কৰিলে। তথাপি, অৰ্থনৈতিক দুৰাৱস্থাই সৃষ্টি কৰা শিশু-শ্ৰমিক সমস্যাত আলোকপাত কৰিবলৈ লোৱা লেখিকাৰ প্ৰচেষ্টা প্ৰশংসনীয়। চহৰীয়া পৰিবেশ, আভিজাত্য, শিক্ষাৰ প্ৰয়োজনীয়তা, শিক্ষকৰ আদৰ্শ আদি কম পৰিসৰৰ ভিতৰতে অৰ্থবহ হৈ উঠিছে। দত্তৰ প্ৰতিখন উপন্যাসৰে লক্ষ্যণীয় বিষয় হ'ল শিশুকালত আলোকপাত। শিশুৰ মনস্তত্ত্বৰ প্ৰতি লেখিকাৰ অনুৰাগ যথেষ্ট। কিন্তু, তেওঁ উপন্যাসৰ চৰিত্ৰবোৰৰ মনস্তত্ত্ব প্ৰকাশত কৃতিত্ব দেখুৱাব পৰা নাই। "শৈল-শিখৰ" আৰু "প্ৰাণশিখা"ত ব্যৰ্থ হলেও নীলিমা দত্তই "আকাশবন্তি"ৰ জৰিয়তে অসমীয়া উপন্যাসত আসন এখন লবলৈ সক্ষম হৈছে।

৯.৩.০২. নিৰুপমা বৰগোহাঞিঃ (১৯৩১–)

নিৰুপমা বৰগোহাঞি আধুনিক অসমীয়া উপন্যাসৰ এগৰাকী প্ৰধান লেখিকা। ষাঠিৰ দশকৰ আৰম্ভণিৰে পৰা উপন্যাসত আত্মনিয়োগ কৰা এই গৰাকী লেখিকাই এক ডজনৰো অধিক উপন্যাস ৰচনা কৰিছে। তেওঁৰ উপন্যাসবোৰ হ'ল,– ১। সেইনদী নিৰবধি (১৯৬৩), ২। এজন বুঢ়া মানুহ (১৯৬৬), ৩। অন্তঃস্ৰোতা (১৯৬৮), ৪। দিনৰ পাছত দিন (১৯৬৮), ৫। হৃদয় এক নিৰ্জন দ্বীপ (১৯৭০), ৬। ছায়া আৰু ছবি (১৯৭০), ৭। সামান্য-অসামান্য (১৯৭১), ৮। কেক্‌টাচৰ ফুল (১৯৭৩), ৯। নামি আহে এই সন্ধিয়া (১৯৭৮), ১০। ভবিষ্যতৰ ৰক্তসূৰ্য (১৯৮০), ১১। চিনাকি-অচিনাকি (১৯৮৭), ১২। অন্য-জীৱন (১৯৮৭), ১৩। গোঁহানী আই, গোঁসানী আই (১৯৮৭), ১৪। একেই জোন, একেই বেলি (১৯৮৯), ১৫। ইপাৰৰ ঘৰ সিপাৰৰ ঘৰ (১৯৭৮) ইত্যাদি।

নিৰুপমা বৰগোহাঞিৰ প্ৰথম উপন্যাস "সেই নদী নিৰবধি" (১৯৬৩) এখন নাৰী-কেন্দ্ৰিক আৰু কিছু পৰিমাণে নদী-কেন্দ্ৰিক উপন্যাস। পাগলাদিয়া নদীৰ পাৰৰ গাওঁ এখন এই উপন্যাসৰ প্ৰধান পটভূমি। কাহিনীত নগৰীয়া জীৱনৰ কিয়দাংশে প্ৰকাশ

পালেও গ্ৰাম্য পৰিবেশ আৰু জীৱনেহে প্ৰাধান্য বিস্তাৰ কৰিছে। চমুকৈ উপন্যাসখনৰ কাহিনীটো হ'ল,- পাগ্‌লাদিয়া নদীৰ পাৰৰ সেই গাঁওখনৰ শিক্ষিত ল'ৰা প্ৰবীনৰ নগৰত চাকৰি কৰা অৱস্থাতে মাকৰ মৃত্যু হোৱাত গাঁৱৰ সৈতে সম্পৰ্ক প্ৰায় নাইকিয়া হৈ পৰিল। বিয়া-বাৰু কৰাই ল'ৰা-ছোৱালীৰ পিতৃ হোৱাৰ পাছত দ্বিতীয় মহাযুদ্ধৰ ভয়াবহ পৰিস্থিতিৰ বাবে গাঁৱত ঘৰ-দুৱাৰ পুনৰ্নিৰ্মাণ কৰি পৰিয়াল গাঁৱত ৰাখি সি অকলে গুৱাহাটীত থাকিল। প্ৰবীনৰ সৈতে গাঁৱৰ আত্যৱন্ত মৌজাদাৰ পৰিয়ালৰ আগৰ পৰাই ঘনিষ্ঠতা আছিল। মৌজাদাৰ পৰিয়ালৰ এজনী সৰুছোৱালী লক্ষ্মীৰ সৈতে প্ৰবীন ডেকাৰ শিশু-পুত্ৰ দীপুৰ বন্ধুত্ব সোণকালে গঢ়ি উঠিল। ক্ৰমান্বয়ে দীপুক তাই গাঁওখনৰ সকলো ক্ষেত্ৰতে অভিজ্ঞ কৰি তুলিলে। লক্ষ্মী এজনী অতি চঞ্চল পঢ়া-শুনা নকৰা কিছু পৰিমাণে উদণ্ড ছোৱালী। দীপুক সেই গাঁৱৰ ওচৰৰ স্কুলত নাম লগাই দিয়া হ'ল। কিন্তু, লক্ষ্মীৰ লগত তাৰ বন্ধুত্বৰ ঘনিষ্ঠতা আৰু তলৌ-তলৌকে ঘূৰি ফুৰাৰ বাবে সি আশানুৰূপ ফল লাভ কৰিব নোৱাৰিলে। প্ৰবীন ডেকাই ইয়াৰ বাবেই পৰিয়ালটো ততালিকে নগৰলৈ লৈ গ'ল।

বহুতদিন পাৰ হৈ গ'ল। প্ৰবীনৰ পত্নী প্ৰমিলাৰ মৃত্যু হ'ল। অধ্যাপক হবলৈ ইচ্ছা কৰা দীপু মাকৰ ইচ্ছাত ইঞ্জিনিয়াৰ হ'ল। দীপুৰ বিয়াৰ কথা ভনীয়েক মামণিৰ জাবা দেউতাকে উত্থাপন কৰোৱালে। মাকৰ মৃত্যুৰ পাছত মাতৃবৎ ব্যৱহাৰ কৰি অহা 'চলিহানী মাহীদেউ'ৰ জীয়াৰী ডলী হ'ল তাৰ বাবে নিৰ্বাচিত কন্যা। এনেতে চাকৰি সূত্ৰে দীপু নলবাৰী পালেগৈ। সি এদিন নিজ গাঁওখনত উপস্থিত হ'ল গৈ। লক্ষ্মীৰ লগত তাৰ আকৌ দেখাদেখি হ'ল। এইবাৰ লক্ষ্মী আগৰ দৰে চঞ্চলমনা সৰু ছোৱালী হৈ থকা নাই। তাইৰ বিয়া হৈছিল আৰু সন্তান এটা জন্ম হোৱাৰ পাছতে তাই বিধবা হৈ ঘৰলৈ উভতি আহিল। লক্ষ্মীৰ প্ৰতি দীপু যে গভীৰভাৱে অনুৰক্ত হৈছিল তাৰ প্ৰকাশ ঘটিল পাগ্‌লাদিয়াৰ মথাউৰী বন্ধাৰ কামত গাঁওখনলৈ আহি গৈ থাকোতে তাইৰ সৈতে হোৱা মিলামিছাত। ইয়াৰ ফলত, সি ডলীৰপৰা আতৰি থকাৰ অভিপ্ৰায় কৰি বিহুতো ঘৰলৈ নগ'ল। ভনীয়েক মামণি আহি নলবাৰী পালেহি। তাই উদ্ধাৰ কৰিলে শৈশৱৰ লগৰী লক্ষ্মীৰ প্ৰতি দীপুৰ গভীৰ অনুৰক্তি। লক্ষ্মীয়েও দীপুৰ মনোভাৱ বুজিব পাৰি তাৰ ভালৰ কাৰণে নলবাৰীৰ পৰা বদলি কৰাই নিবলৈ মামণিক খাটনি ধৰিলে। মামণি ঘৰলৈ গৈ সকলো জনাই চিঠি দিছে, আনকি দেউতাকেও তালৈ বিয়াৰ তাগিদাৰে চিঠি দিলে। এনেতে দুৰ্যোগ আহিল। পাগ্‌লাদিয়াৰ পানীয়ে নীকৈ বন্ধা ত্ৰুটিপূৰ্ণ মথাউৰি ভাঙি পেলোৱাত গাঁওখনৰ দুটা ল'ৰা পানীত উটি গ'ল। ইয়াৰে এটা লক্ষ্মীৰ ল'ৰাটো। এই ঘটনাই দীপুক মৰ্মাহত কৰি তুলিছে আৰু লক্ষ্মীক পাগ্‌লাদিয়া পাৰ কৰি আনিব নোৱাৰাৰ দুখত সি আক্ৰান্ত হৈ পৰিছে। কৰুণাত্মক এই কাহিনীটোৰ বিস্তৃতি যথেষ্ট। লেখিকাই কাহিনীতকৈ চৰিত্ৰ চিত্ৰনত বেছি জোৰ দিছে। লক্ষ্মী আৰু দীপুৰ চৰিত্ৰ দুটাৰ লগতে পাগ্‌লাদিয়া নদীৰ ভূমিকাই উপন্যাসখনত প্ৰাণ পাই উঠিছে। উপন্যাসখনক পাগ্‌লাদিয়া নদীৰ দুয়োপাৰৰ জীৱনৰ সুখ-দুখ, হাঁহি-কান্দোন চিত্ৰিত হোৱাৰ বাবে আঞ্চলিক উপন্যাসৰ মৰ্যদা দিব পাৰি। যদিও লক্ষ্মী-দীপুৰ প্ৰেম-কাহিনীয়েই উপন্যাসখনৰ মূল ঘটনা, তথাপি গ্ৰাম্য সমাজৰ এখন প্ৰামাণ্য চিত্ৰ হিচাপে ইয়াৰ মূল্য অটুট বৈছে।

"সেই নদী নিৰবধি" নায়িকা প্ৰধান উপন্যাস। লক্ষ্মীক কেন্দ্ৰ কৰি উপন্যাসখন ৰচিত। দীপুৰ বিস্তৃতি যথেষ্ট হলেও লক্ষ্মীৰ আকৰ্ষণহে বাই সম্পদ। তাই 'সদায়ে সৰু হৈ থাকিব' বিচৰা এজনী প্ৰকৃতিৰ চঞ্চলা জীয়াৰী। মহজে নীতি যানি লব নোখোজা

বুদ্ধিমতী, সাহসী আৰু স্পষ্টবাদী অসাধাৰণ শৈশৱৰ লক্ষ্মীক পাগ্‌লাদিয়া নদীৰ লগত তুলনা কৰিব পাৰি। শৈশৱৰ মিলা-মিচাই অজানিতে দুয়োৰে মনত পাৰস্পৰিক তীব্ৰ আকৰ্ষণৰ সৃষ্টি কৰি ৰাখিছিল। শিক্ষা গ্ৰহণৰ বাবে দীপু বহুবছৰ আতৰি থকাৰ সময়তে লক্ষ্মীৰ বহুত পৰিৱৰ্তন ঘটিল। তাই ডাঙৰ হ'ল আৰু এদিন পৰিয়ালৰ ইচ্ছামতে বিয়াতো বহিল। ইয়াৰ পাছত পুত্ৰ এটিৰ মাতৃ হৈ তাই বিধবা হ'ল। গতিকে, যৌৱনত দীপুক লগ পাওঁতে মাজত বহুত ব্যৱধান। তাই আগৰদৰে স্বভাৱ-চঞ্চলা হৈ থকা নাই। সেইবাবে দীপুৰ মন বুজিব পাৰি তাই সাৱধান হৈ পৰা দেখা যায়। তথাপি এদিন দীপুৰ ওচৰত তাইৰ দুৰ্বলতা প্ৰকাশ পালে। তাইৰ প্ৰতি দীপুৰ মনোভাৱত ভীতিগ্ৰস্তা হৈছে, যিহেতু তাইৰ তাক পাবৰ সকলো যোগ্যতাই হেৰাই গৈছে। গতিকে তাৰ ভনীয়েক মামণিৰ আগত দীপুক বদলি কৰি নিয়াৰ সপক্ষে যুক্তি দাঙি ধৰিছে। দীপুৱে তাইক হেকৱা সাহস দিবলৈ আগবাঢ়ি অহাত তেনে পন্থা নলবলৈ সকিয়াই দি কৈছে– "তুমি সদায় ভাবিবা যে, মই তোমাৰ লক্ষ্মীয়ে, পৃথিৱীত বোধহয় এনে কাম নাই যিটো তোমাৰ কাৰণে কৰিব নোৱাৰিম কোনোদিন।" ইয়াতেই লক্ষ্মীৰ প্ৰেমৰ গভীৰতা আৰু বাস্তৱ সচেতনতা প্ৰকাশ পাইছে। তাইৰ মনৰ অপূৰণীয় কামনাক হেঁচি ৰাখিবলৈ সততে যত্ন কৰিছে। তাইৰ মানসিক সংঘাত প্ৰকাশ পোৱাত একালৰ চঞ্চল ছোৱালীজনীৰ গাম্ভীৰ্যৰূপ প্ৰদৰ্শিত হৈছে। কাহিনীৰ পৰিণতিত লক্ষ্মী সৰ্বহাৰা হৈ পৰাত উপন্যাসখন বেছি কৰুণ হৈ পৰিছে।

দীপু ভাবুক আৰু অৱস্থাৰ দাস। তাৰ মনোজগতৰ লগত কৰ্মজগতৰ মিল নাই। সকলো ক্ষেত্ৰতে সি আনৰ দ্বাৰা পৰিচালিত হৈছে। শৈশৱত পাগ্‌লাদিয়া নদীৰ পাৰত লক্ষ্মী তাৰ পথ প্ৰদৰ্শিকা আছিল। শিক্ষা গ্ৰহণত সি মাতৃৰ প্ৰদৰ্শিত পথ গ্ৰহণ কৰিছে। মাতৃতুল্য চলিহানী আৰু দেউতাকৰ ইচ্ছা পূৰণৰ বাবে সি সহজে ডলীক গ্ৰহণ কৰাৰ পক্ষপাতী হৈ পৰিছে। সেইপৰ্যন্ত তাৰ মনত শৈশৱৰ লক্ষ্মীৰ সৈতে যোগসূত্ৰ নাছিল। ইঞ্জিনিয়াৰ হিচাপে পুৰণি গাওঁখনত প্ৰৱেশ কৰি অতীতটোক সি যেন উদ্ধাৰ কৰি পেলালে। লক্ষ্মীৰ প্ৰতি দীপুৱে প্ৰবল আকৰ্ষণ অনুভৱ কৰি তাইৰ ওচৰত উপস্থিত হৈছেগৈ আৰু তাইৰ উকা কপালখন দেখি তাৰ অন্তৰ কান্দি উঠিছে। সি যেন ইমান দিনে লক্ষ্মীকে বিচাৰি ফুৰিছিল। ভনীয়েক মামণিলৈ লেখা চিঠিত সি কৈছে যে লক্ষ্মী বুদ্ধিমতী, সাহসী, প্ৰাণ-প্ৰাচুৰ্যৰে পৰিপূৰ্ণ,– জগত আৰু জীৱনৰ সৈতে তায়ে তাক পৰিচয় কৰি দিছিল। ডলীৰ লগত বিয়াৰ কথা ঠিক কৰোতে লক্ষ্মীৰ ছবিখনহে স্পষ্টকৈ মনলৈ আহিছিল। জীৱনত বিচৰামতে একোৱেই নোপোৱাৰ হাহাকাৰ এটাই তাক ম্ৰিয়মান কৰি তুলিছে। সি হব খুজিছিল অধ্যাপক, হ'ল ইঞ্জিনিয়াৰ। বিচাৰিলে লক্ষ্মীক, পালে ডলীক। এইয়া যেন তাৰেই ভাগ্যৰ পৰিহাস। দ্বিতীয়বাৰ লক্ষ্মীক লগ পাই গ্ৰহণ কৰিবলৈ প্ৰস্তুত হৈ পৰিছে আৰু সকলো বাধা অতিক্ৰম কৰি সি সাহসী হবলৈ ওলাইছে। লক্ষ্মীক সি কৈছে,– "তুমি মোক কাপুৰুষ বুলি ভাবা নেকি লক্ষ্মী। ...... আজি মোৰ সাহ আৰু জেদ বাঢ়ি গৈছে লক্ষ্মী! বহুত ঠগ খালোঁ, কিন্তু আৰু ঠগ নাখাওঁ বুলি ঠিক কৰিছোঁ। তোমাৰ কিন্তু, সাহ নাই নহয় লক্ষ্মী। এদিন কিন্তু তুমি খুব সাহসী ছোৱালী আছিলা। ..... আজি তুমি দহজনী ছোৱালীৰ দৰেই ভয়াতুৰ, সাধাৰণ হৈ পৰিছা। কিন্তু, লক্ষ্মী এইবাৰ মই তোমাক সাহ দিম, তুমি আকৌ তাহানিৰ দৰে সাহসী হৈ উঠিব লাগিব।" দীপুৰ সাহস দেখুৱাবলৈ সুবিধা নহ'ল। পাগ্‌লাদিয়াৰ ভাগি যোৱা নতুন মথাউৰিৰ ঠিকাদাৰ অভাৱচিয়াৰৰ দুৰ্নীতিৰ বাবে সিয়েই দায়ী; পাগ্‌লাদিয়াৰ পানীত উটি যোৱা ল'ৰা দুটাৰ বাবে সিয়েই দায়ী। তাৰ নৈতিকতাবোধ এইদৰে প্ৰকাশ পাইছে। সি লক্ষ্মীৰ ওচৰলৈ যাবলৈ অধিকাৰ যেন হেৰুৱাই পেলালে।

তাইৰ পুত্ৰক এইদৰে হত্যা কৰি সকলো আশা-আকাংক্ষা নদীৰ বুকুত জলাঞ্জলি দি চিৰদিনলৈ সি আঁতৰি যাব লাগিব। অব্যক্ত দুখত সি ভাবিলে,– "তোমাক মই জীৱনত আৰু সঁচাকৈয়ে পাগ্‌লাদিয়া পাৰ কৰি আনিব নোৱাৰিলো লক্ষ্মী।" ইয়াতেই ক্লান্ত থকা দীপুৰ সততা প্ৰকাশ পালেও সি দুৰ্বল মনস্তত্ত্বৰ পৰিচায়ক হৈ ৰ'ল। দীপুতকৈ লক্ষ্মী বেছি উজ্জ্বল। "উপন্যাসখনত লক্ষ্মীৰ চৰিত্ৰটোৱেই আকৰ্ষণীয় ৰূপত আত্মপ্ৰকাশ কৰিছে। অৱশ্যে দুই এঠাইত গাঁৱলীয়া বিধৱা হিচাপে তাইৰ ব্যৱহাৰ অলপ অতিৰঞ্জিত যেন লাগে। তাইৰ চৰিত্ৰত স্বকীয়তা লক্ষ্য কৰা যায়। তাই সাধাৰণ দুষ্টা ছোৱালী নহয়। তাইৰ চৰিত্ৰ আৰু ব্যৱহাৰত শিশু সুলভ দুষ্টালি, মৰম, সাহস, শাসন নমনা মনোবৃত্তি, কৰ্তৃত্বশীলতা আদি কেবাটাও বিপৰীত গুণৰ সমষ্টি লক্ষ্য কৰা যায়।"[৯]

উপন্যাসৰ অন্যান্য চৰিত্ৰ, দীপুৰ মাক-দেউতাক, প্ৰবীন আৰু প্ৰমীলা, ভনীয়েক মামণি, চলিহা-চলিহানী, ডলী, ৰাজাৰাম চৌধুৰী, কাকতি, গোস্বামী আদি যথাযথভাৱে চিত্ৰিত হৈছে। চৰিত্ৰ চিত্ৰনত, ঘাইকৈ লক্ষ্মীৰ চৰিত্ৰ সৃষ্টিত নিৰুপমা বৰগোহাঞিৰ কৃতিত্ব গৌৰৱপূৰ্ণ। পাগ্‌লাদিয়া নদীখন কাহিনীৰ আৱৰণি আৰু পৰিস্থিতিৰ পটভূমি বুলিব পাৰি। কাহিনীত নৈ খন অপৰিহাৰ্য হৈ উঠিছে আৰু এটা চৰিত্ৰৰ দৰেই সংঘাত সৃষ্টিত ক্ৰিয়াশীল হৈ পৰিছে। "নদীৰ গতিৰ লগত এটা প্ৰণয়াত্মক অথচ ব্যৰ্থতাৰ কাৰুণ্যৰ সুৰ উপন্যাসখনত ধীৰ, সংযত বৰ্ণনাৰ মাজত প্ৰবাহিত হৈ আছে।"[১০] ড° শৈলেন ভৰালীয়ে কৰৰ দৰে টমাচ হাৰ্ডিৰ "দি ৰিটাৰ্ন অব দি নেটিভ"ৰ "ইগ্‌ডন হিথ অৰণ্যৰ দৰেই" এই নদী নিৰবধি"ত "পাগ্‌লাদিয়া নদীটো এটা প্ৰধান চৰিত্ৰৰ ভূমিকাত অৱতীৰ্ণ হৈ কাহিনীৰ গতি নিয়ন্ত্ৰণ কৰিছে।"[১১] "সেই নদী নিৰবধি"ক আঞ্চলিক উপন্যাস আখ্যা দিব পাৰি। লেখিকাৰ প্ৰথম ৰচনা হলেও ই এখন সাৰ্থক উপন্যাস।

দ্বিতীয় উপন্যাস "এজন বুঢ়া মানুহ" (১৯৬৬) নিৰুপমা বৰগোহাঞিৰ আন এখন সাৰ্থক সৃষ্টি। বিজয় ভৰালী নামৰ এজন অৱসৰপ্ৰাপ্ত বৃদ্ধক মুখ্য কৰি এই উপন্যাস ৰচনা কৰা হৈছে। তেওঁ গাঁৱৰ ৰক্ষণশীল পৰিয়ালৰ ল'ৰা আছিল। গুৱাহাটীত চাকৰি কৰি থাকোতে নীহকুলীয়া ছোৱালী বিয়া কৰোৱাত ঘৰৰপৰা সম্পৰ্ক ছেদ হ'ল। একমাত্ৰ পুত্ৰক জন্ম দিয়েই পত্নীৰ মৃত্যু ঘটাত পুতেকক মানুহ কৰাৰ চিন্তাৰ বাদে অন্য একো নাথাকিল। পত্নীয়ে গুৱাহাটীত দুকঠা মাটি কিনি থৈ গৈছিল যদিও বিজয়ে ঘৰ এটা সাজিব নোৱাৰিলে। তেওঁ অৱসৰ পালে। পুত্ৰ সঞ্জয় ডাঙৰ চাকৰিয়াল হ'ল। কমলা বোৱাৰী হৈ আহিল। বিফাইনেৰীৰ ইঞ্জিনিয়াৰ হলেও সঞ্জয়ে পোৱা ঘৰটো সৰু হোৱাত কমলাই কিনি ৰখা মাটিত সাতোটা কোঠাৰ ধুনীয়া ঘৰ এটা সজা হ'ল। ঘৰটোৰ মূৰৰ কোঠা এটাত তেওঁক থাকিবলৈ দিয়া হ'ল। গ্ৰন্থ অধ্যয়নত আত্মনিয়োগ কৰা বিজয় ভৰালীৰ এদিন কেন্সাৰ হ'ল। নিঃসঙ্গ অৱস্থাত তেওঁ কিতাপো পঢ়িব নোৱাৰা হ'ল। অৱশেষত নিসঙ্গতাৰ দুখৰ পৰা তেওঁ অলপ হলেও পৰিত্ৰাণ পালে যেতিয়া পুতেক সঞ্জয়ে তেওঁৰ দুখত চকুলো টুকিলে। পুতেকৰ চেনেহ-শ্ৰদ্ধা অটুট থকাৰ উপলব্ধিতে উপন্যাসখনৰ কাহিনী সম্পূৰ্ণ হৈছে।

বিজয় ভৰালীক কেন্দ্ৰ কৰি ৰচিত উপন্যাসখনৰ এই কেন্দ্ৰীয় চৰিত্ৰটো প্ৰেমিক হিচাপে নিখুঁত। নীহকুলীয়া ইলাক সাহসেৰে বিয়া কৰাব পৰাটো তেওঁৰ প্ৰগতিবাদী বৈশিষ্ট্য। তেওঁ পত্নী বিয়োগৰ পাছত কেৱল পুত্ৰক মানুহ কৰাৰ দায়িত্বৰ বাদে আন

৯. সত্যেন্দ্ৰনাথ শৰ্মা, "অসমীয়া উপন্যাসৰ গতিধাৰা", পৃ. ২৩৬

১০. নগেন শইকীয়া, 'উপন্যাস', "বিংশ শতাব্দীৰ অসমীয়া সাহিত্য", ১৯৬৭, পৃ. ১০২

১১. শৈলেন ভৰালী, "আধুনিক অসমীয়া সাহিত্যৰ ইতিহাস", ১৯৮৯, পৃ. ১৫৫

চিন্তা নকৰাটোয়ে পত্নীৰ প্ৰতি নিখুঁত প্ৰীতি আৰু সন্তানৰ প্ৰতি দায়িত্ব সচেতনতাকে সূচাইছে। বোৱাৰীয়েক কমলাৰ সৈতে ইলাৰ অমিলখিনি তেওঁ উপলব্ধি কৰিছে। ইলা আছিল সুখী, সহানুভূতিশীল, স্বাৰ্থত্যাগী আৰু সদাসন্তুষ্ট মনৰ। কিন্তু, কমলা হ'ল আত্মকেন্দ্ৰিক, উচ্চ-অভিলাষী আৰু স্বাৰ্থান্বেষী। ইলা সামান্য শিক্ষিতা হ'লেও তাবেই জীৱনটোক গঢ় দিব পাৰিলে, কিন্তু উচ্চ-শিক্ষিতা হৈয়ো কমলাই জীৱনক জীৱিকাৰ ঠেক গণ্ডিত আবদ্ধ কৰি ৰাখিলে। কমলা কৃত্ৰিম আধুনিক মানসৰ প্ৰতিনিধি। ইলা আৰু কমলাৰ ব্যৱধান তেওঁ দেখা পাইছে। এইয়া যেন যুগৰ পৰিবৰ্তন, দুটা পুৰুষৰ মাজৰ ব্যৱধান। কমলা তেওঁ নিজ পছন্দৰ বোৱাৰী। মনে মনে অসন্তুষ্ট হ'লেও বোৱাৰীয়েকক কোনো কথাতে তেওঁ অসুবিধা দিবলৈ নিবিচাৰে। পো-বোৱাৰীৰ মাজত তেওঁৰ স্থান অস্পষ্ট বুলি অনুভৱ হৈছে। পুতেকে "মোৰ মা" বুলি উচ্চাৰণ কৰা শুনি বিজয় ভৰালী আনন্দিত হৈছে। তেওঁৰ অপ্ৰকাশ্য বেদনাবোধৰ কিছু উপশম ঘটা বুলিব পাৰি। সঞ্জয়ৰ চৰিত্ৰতো বেদনাৰ তীব্ৰ ক্ৰিয়া আছে। সি দেউতাকৰ সুখ-শান্তিৰ প্ৰতি সদা সতৰ্ক। দেউতাকৰ বাবে সি একাধিকবাৰ কমলাৰ প্ৰতি কঠোৰ হোৱা দেখা যায়। মাকৰ স্মৃতিৰ প্ৰতি আনুগত্য সঞ্জয়ৰ মনত সদায়েই আছে। তথাপি, তাৰ চৰিত্ৰৰ বিশেষ বৈশিষ্ট্য দেখা নাযায়। তথাপি, দেউতাকৰ দৰেই তাৰ অন্তৰতো দ্বন্দ্ব থকা" বুলি অনুমান কৰিব পাৰি। বিমল ভৰালীৰ অন্তৰ্দ্বন্দ্বই উপন্যাসখনৰ মূল আবেদন। "এজন বুঢ়া মানুহ" পাৰিবাৰিক উপন্যাস"। ব্যক্তিকেন্দ্ৰিক চিন্তা আৰু অহমিকাই কেনেকৈ পৰিয়ালৰ সুখ-শান্তি বিপন্ন কৰিছে সেই কথা আলোচ্য উপন্যাসত সুন্দৰকৈ ফুটি উঠিছে।"[১২] ইয়াৰ সুবিন্যস্ত কাহিনী আৰু প্ৰয়োজনীয় চৰিত্ৰ চিত্ৰনৰে এখন বাহুল্য বৰ্জিত উপন্যাস হিচাপে উন্নত মানদণ্ড ৰক্ষা কৰিব পাৰিছে। অৱশ্যে সম্পূৰ্ণ দোষমুক্ত ৰচনা হিচাপে ইয়াক ধৰিব পৰা নাযায়।

তৃতীয় উপন্যাস "অন্তঃস্ৰোতা" (১৯৬৮) গুৱাহাটী বিশ্ব-বিদ্যালয়ৰ আবাসিক অঞ্চলক কেন্দ্ৰ কৰি ৰচিত সামাজিক উপন্যাস। ৰূপে গুণে অতুলনীয়া কেৰাণীৰ ছোৱালী ৰেণু আৰু আভিজাত্য পৰিয়ালৰ ডেকা অধ্যাপক সত্যব্ৰতৰ ভনীয়েক অনিতাৰ বন্ধুত্বই উপন্যাসখনৰ কাহিনী ভাগৰ উপাদান। এই সূত্ৰতে ৰেণুৰ সৈতে সত্যব্ৰতৰ এটা সবল পৰিচয় ঘটিছিল। এদিন ৰেণুৰ কেৰাণী দেউতাকে সত্যব্ৰতৰ দেউতাকৰ ওচৰত ৰেণুৰ বিবাহ প্ৰস্তাৱ দিবলৈ গৈ পোনে পোনে প্ৰত্যাখ্যাত হৈছিল। কথাটো ৰেণুৱে জানিছিল, কিন্তু অনিতা আৰু সত্যব্ৰতে ঘূণাক্ষৰেও জনা নাছিল। বংশ-মৰ্যদা আৰু আভিজাত্যৰ গৌৰৱত ওফন্দা অৱসৰপ্ৰাপ্ত ডাঙৰ চাকৰিয়াল সত্যব্ৰতৰ দেউতাকে পুতেকলৈ শিৱসাগৰৰ চাহ খেতিয়কৰ কন্যা সুপ্ৰভাক বিয়া কৰাই অনাৰ পাছত ৰেণুৰ সৈতে বোৱাৰীয়েকৰ চিনাকি পৰ্বত নিজৰ শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰিবলৈ ৰেণুৰ দেউতাকে প্ৰস্তাৱ দিয়া আৰু তেওঁ প্ৰত্যাখান কৰাৰ কথা উল্লেখ কৰিলে। এই কথাই ন-বোৱাৰী সুপ্ৰভাৰ মনত সত্যব্ৰতৰ সৈতে ৰেণুৰ কিবা সম্পৰ্ক আছিল বুলি সন্দেহ সৃষ্টি কৰিলে। পলমকৈ সত্যব্ৰতে এই কথা জানিব পৰাত ৰেণুৰ প্ৰতি তাৰ আকৰ্ষণ জাগি উঠিল। অধ্যাপক পৰমা শইকীয়াৰ মাকৰ-অসুখত ৰেণুৱে সহায় কৰিলে। শইকীয়াই ৰেণুক বিয়া কৰাবলৈ সিদ্ধান্ত কৰিলে। শইকীয়াৰ ঘৰৰ খবৰ লবলৈ গৈ এদিন সত্যব্ৰতে গাড়ীৰে ৰেণুক ঘৰত থবলগীয়া হোৱাত, টুটকীয়া বৰানীয়ে পাছদিনা আবেলি সুপ্ৰভাক জনাই থৈ আহিল। সন্ধিয়া সত্যব্ৰত আৰু পৰমা শইকীয়াৰ ঘৰলৈ যোৱাৰ পাছত বাক্সনীযৰত নাইলনৰ সাৰীত জুই লাগি সুপ্ৰভাৰ মৃত্যু হ'ল। দেখাত স্বাভাৱিক যেন লাগিলেও সন্দেহৰ কাৰণ

১২. প্ৰফুল্ল কটকী, "স্বাধীনোত্তৰ অসমীয়া উপন্যাসৰ সমীক্ষা", পৃ. ১২২

থাকি গ'ল। ঈর্ষাৰ বাবেই এই ঘটনা হ'ল। ৰেণু এইবোৰ ঘটনাৰ প্ৰত্যক্ষ কাৰণ নহয়। তাই তলে তলে সত্যব্ৰতক ভাল পালেও কাকো ক'তো একো কোৱা নাই। আনকি প্ৰত্যাখ্যাত হোৱাৰ পাছতো তাই দুৰ্বলতা প্ৰকাশ কৰা নাই। ৰেণুৰ চৰিত্ৰই উপন্যাসখনৰ প্ৰধান আকৰ্ষণ। স্বভাৱ-চৰিত্ৰৰ মাধুৰ্য আৰু সুন্দৰ কৰি তুলিছে তাইৰ সহনশীলা ধীৰ-স্থিৰ আচৰণে। সুলতা সাধাৰণ ঈৰ্ষান্বিতা নাৰী। বান্ধৱী হিচাপে অনিতা অৰ্থবহ। সত্যব্ৰত ব্যতিক্ৰম। সি কাৰোৰ প্ৰতি জীৱনত আকৰ্ষণ অনুভৱ কৰা নাছিল যদিও ৰেণুক তাঁলৈ যচা প্ৰস্তাবটো জনাৰ পাছতহে আকৰ্ষণ অনুভৱ কৰিছে। ৰমানীৰ দৰে টুটকীয়া ঘৰভঙা নাৰী সমাজত সাধাৰণতে থাকেই। অনিতাইঁতৰ মাক অতি সাধাৰণ পৰ্যায়ৰ চৰিত্ৰ, স্বামীৰ তথাকথিত অনুগামিনী। শহকীয়ানী যথাযথ। ৰেণুৰ মাক সহনশীলা আৰু কৰ্তব্যপৰায়ণা। সুব্ৰতাৰ মৃত্যুৰ পাছত পুতেকলৈ ৰেণুক বিচাৰোতে ৰেণুৰ মাকে তাইৰ বিয়া ঠিক হৈ যোৱা আৰু এজনী অনালৈ ৰেণুক দিয়া নহব বুলি জনাই দিয়াৰ মাজত এবাৰ অপমানিত হোৱাৰ প্ৰচণ্ড ক্ষোভ লুকাই আছে। উপন্যাসৰ সামৰণি এনে ইঙ্গিত-ধৰ্মী হোৱাত কাহিনীৰ সৌষ্ঠৱ বৃদ্ধি পাইছে। মানৰ মনৰ অধ্যয়ন হিচাপে এই উপন্যাসৰ সুকীয়া মূল্য এটি আছে।

"ছায়া আৰু ছবি" (১৯৭০) এখন পাৰিবাৰিক উপন্যাস। কাহিনী মতে দেউতাকৰ শ্ৰাদ্ধ-শান্তি হৈ যোৱাৰ এমাহমানৰ পাছত কুমুদে দেউতাকৰ কাগজপত্ৰৰ মাজত জীৱন বীমাৰ প্ৰিমিয়াম উকলাৰ জাননী এখন পালে। বিশ্ব-বিদ্যালয়ত সি সোমাওঁতেই সেই পলিচিখন তাৰ নামত আৰম্ভ কৰিছিল। দেউতাক হিচাপী মানুহ আছিল। দুজনী জীয়েকক বিয়া দিয়া, ৰৰপুত্ৰক পঢ়াই-শুনাই মানুহ কৰা আৰু সৰু পুত্ৰ প্ৰদীপক পঢ়াই থকা আদি সকলো কাম নিয়াৰীকৈ কৰি গৈছিল। টকা জমা কৰাটো তেওঁৰ লক্ষ্য আছিল। কুমুদৰ মাক কিন্তু বে-হিচাপী আছিল। এবাৰ কুমুদৰ বিয়াৰ বাবে টকা-পঁচাৰ কথা কলত মাকে 'টকা জমোৱাৰ চিন্তাতে মানুহজনৰ চিৰকাল গ'ল' বুলি পাতল কৰি পেলোৱাত কুমুদে মাকৰ পৰা 'বে-হিচাপী' হোৱাত প্ৰশ্ৰয় লাভ কৰিলে। বাপেকে যেতিয়া শান্তি নামৰ ছোৱালী এজনীৰ সৈতে তাৰ বিয়াৰ কথা জনালে, মাকেও সমৰ্থন কৰাত তাৰ আচল অৱস্থাটো ওলাই পৰিল। দেউতাকে তেতিয়া ক'লে, "নিজৰ ল'ৰাক মোৰ আৰু চিনিবলৈ বাকী আছেনে? মাকৰ ধোঁৱা-ধুনীয়া স্বভাৱ লৈছে।——।" কিন্তু এইজনী মাকেই যেতিয়া পুতেকৰ বিয়াৰ বাবে সাঁচি ৰখা এহেজাৰ টকা উলিয়াই দিলে তেতিয়া দেউতাকো আচৰিত হৈ পৰিল। বিয়া হৈ গ'ল। সুখৰ সংসাৰ ৰচনা কৰি পিতৃ হ'বলৈও ওলাল— তেনে সময়তে দেউতাকৰ মৃত্যুৰ প্ৰায় এমাহৰ পাছত কাগজ-পত্ৰৰ মাজত এখন চিঠিসহ ফটো এখন ওলাল। ফটোখন বিশ্ব-বিদ্যালয়ৰ আটাইতকৈ ধুনীয়া ছোৱালী জোনালীৰ আৰু চিঠিখনে কঢ়িয়াই আনিছিল তাৰ সৈতে বিয়াৰ প্ৰস্তাৱ। এই কথা জানি সি মৰ্মাহত হৈছে আৰু মাকৰ ওচৰত ক্ষোভ প্ৰকাশ কৰিছে। শান্তিৰ প্ৰতিও সি ৰুক্ষ হৈ উঠিছে। এটা শীতল মনোমালিন্যও ঘটিল। মাকে তেতিয়া ভনীয়েক পুতলিক মতাই আনি বিশ্ব-বিদ্যালয়ত তাইৰ ৰহস্যময়ী চৰিত্ৰৰ সন্ধান দিলে, তেতিয়া সি জোনালীৰ ফটোখন টুকুৰা-টুকুৰকৈ ফালি পেলালে আৰু তাৰ মনৰো পৰিবৰ্তন ঘটিল। উপন্যাসখনত কুমুদৰ মাক-বাপেক দায়িত্বশীল পিতৃ-মাতৃ হিচাপেই চিত্ৰিত হৈছে। কুমুদ স্বাৰ্থপৰ। ধুনীয়া ছোৱালী এজনী বিয়া কৰাবলৈ নোপোৱাত তাৰ যি ক্ষোভ, তাৰ মূলত স্বাৰ্থ। অৱশ্যে বাপেকে নাৰীৰ চৰিত্ৰহে আচল সৌন্দৰ্য, সেইটো সিও প্ৰকাৰান্তে স্বীকাৰ কৰিছে। উপন্যাসখনত মানসিক বিশ্লেষণ থাকিলেও গাম্ভীৰ্যতা নাই। সুখ-পাঠ্য হলেও ই সাধাৰণ স্তৰৰ ৰচনা।

"হৃদয় এক নির্জন দ্বীপ" (১৯৭০) নিৰুপমা বৰগোহাঞিৰ এখন নিতান্ত সৰল উপন্যাস। বেবী নামৰ এজনী ধনীৰ দুলালীক অসাধাৰণ কৰি চিত্ৰায়িত কৰাৰ প্ৰয়াস দেখা যায়। দেউতাক এটা ডাঙৰ কাৰখানাৰ মেনেজাৰ। ৰাতি ক্লাবলৈ গৈ মদ্যপান কৰি আহি মৈনীয়েকৰ লগত যুদ্ধ, মাৰপিট কৰে। মাক-বাপেকৰ এই কাজিয়া শেষ নোহোৱা পৰ্যন্ত তাইৰ টোপনি নাহে। এদিন আয়াজনীয়ে কিতাপ পঢ়িবলৈ ক'লে। ঘৰত সিহঁতৰ কিতাপ নাছিল, আনহাতে দেউতাকৰ পৰা পইছাও তাই নলয়। অৱশেষত, সেই ঠাইৰ ডেকা-ল'ৰাছোৱালীবোৰে খোলা পুথিভঁৰালত কিতাপ বিচাৰি গৈ বন্দনাৰ বৈশিষ্ট্যময় চৰিত্ৰত আকৰ্ষিতা হৈ বন্ধুত্ব গঢ়ি তুলিলে। বন্দনাৰ প্ৰেমিক সাহিত্যিক মুক্তি কাকতিৰ লগত পৰিচয় হৈ কৰ নোৱাৰাকৈ ভাল পাই পেলালে। মুক্তিয়ে তাইক প্ৰশংসা কৰাত হৃদয়ত প্ৰেম-মূৰ্তি জাগ্ৰত হৈ পৰিল। কোনোবা এজনৰ কাল্পনিক সত্তাই তাইক উৱাউল কৰি তুলিলে। অপৰিসীম বিষাদ এটাত তাই শিহৰি উঠিল। এদিন ক্লাবত দেউতাকৰ লগত চিনেমা চাবলৈ যাওঁতে তাই লাভ কৰা প্ৰশংসাত দেউতাক সন্তুষ্ট আৰু পৰিবৰ্তিত হোৱা অনুভৱ কৰিলে। ভূত যেন লগা দেউতাকক তাই যেন মানুহলৈ ৰূপান্তৰিত কৰিলে। দেউতাকক তাই ভৱিষ্যতেও সংশোধন কৰিব পাৰিব, কিন্তু নিজৰ মানসিক অৱস্থাৰ পৰা তাইক উদ্ধাৰ কৰোতা যেন কোনো নাই। এই বেদনাই বেবীক মৰ্মাহত কৰি পেলাইছে। উপন্যাসখনত বেবীয়েই প্ৰধান চৰিত্ৰ। দেউতাকৰ চৰিত্ৰই তথাকথিত ক্লাব-অনুগামী জীৱনক উপহাস কৰিছে। মাক যেন অসহায়তাৰ প্ৰতীক। বন্দনা, মুক্তি কাকতি আদিৰ সততাত আকৰ্ষণ আছে। এইখন এখন বিশেষত্ব বৰ্জিত সাধাৰণ স্তৰৰ উপন্যাস।

"দিনৰ পাছত দিন" নিৰুপমা বৰগোহাঞি ৰচিত দাম্পত্য জীৱনৰ কৰুণ চিত্ৰ প্ৰকাশক উপন্যাস। সাধাৰণ এজন শিক্ষকৰ ছোৱালী অণু ৰূপ গুণৰ অধিকাৰিণী হোৱাত ধনী জজ এজনৰ হাকিম পুত্ৰ মিহিৰক স্বামীৰূপে লাভ কৰিলে। স্বামীৰ মৰম চেনেহ, সহানুভূতি আদি লাভ কৰি মিহিৰৰ সৈতে এটা সুন্দৰ ৰঙীন জীৱনৰ সপোন দেখিছিল, কিন্তু সেই সপোন জুৱাৰী স্বামীৰ অৱজ্ঞাই নিঃশেষ কৰি পেলালে। পিতৃ-মাতৃৰ আদেশ মানি লৈ বিনা প্ৰতিবাদেৰে তাই বিবাহ পাশত ভৰি দি অশান্তিৰ মাজত দিন কটাব লগাত পৰিছে। স্বামীৰ লগতে বিধবা ননদ বুনুৰ পৰাও তাই নানা অশান্তি পাইছে। সকলো মিলি তাইৰ দাম্পত্য-জীৱন বিফল হৈ পৰিছে। স্বামীৰ ধন-সম্পত্তি, পদবী -সন্মান এইবোৰ দাম্পত্য জীৱনৰ সুখ-শান্তিৰ একমাত্ৰ সম্বল নহয়। অণুৱে এই সকলোবোৰ পালেও স্বামীৰ প্ৰকৃত সহানুভূতি, মৰম আদৰৰ পৰা বঞ্চিতা হোৱাত অসুখী হৈ পৰিছে। তাই অনুভৱ কৰিছে যে যাৰ লগত বিয়া হয়, তাক আগতে জানি লোৱা উচিত। সেইবাবে, আগৰ কোনো পৰিচয় নথকা এজন ইঞ্জিনিয়াৰৰ লগত ভনীয়েকৰ বিয়াৰ আয়োজন কৰাত অণুৰ মনে বিদ্ৰোহ কৰি উঠিছে। অনুক কেন্দ্ৰ কৰি ৰচিত এইখন উপন্যাসৰ কাহিনী সৰল হয়। বিবাহৰ পাছত উদ্ভৱ হোৱা নাৰী জীৱনৰ সমস্যা দাঙি ধৰাৰ ই এক আন্তৰিক প্ৰচেষ্টা মাত্ৰ। অণুৰ মানসিক সংঘাত, বোৱাৰী আৰু পত্নীৰ ৰূপত তাইৰ আচৰণ; স্বামীৰ দায়িত্বহীনতা আৰু চাৰিত্ৰিক দুৰ্বলতা; ননদ বুনুৰ ঈৰ্ষাগত মনস্তত্ত্ব "দিনৰ পাছত দিন"ত প্ৰকাশ পাইছে। কেৱল বাহ্যিক সুখ-স্বাচ্ছন্দ্যৰ প্ৰতি দৃষ্টি ৰাখি পিতৃ-মাতৃৰ বৰ নিৰ্বাচনৰ বিষময় চিত্ৰ এখন উপন্যাসখনত উদ্ভাসিত হৈছে।

"সামান্য-অসামান্য" উপন্যাসখনত পাত্ৰৰ ধন-সম্পত্তি আদিক গুৰুত্ব নিদি চাৰিত্ৰিক গুণাৱলী আৰু মনৰ মিলৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হৈছে। সোণালী নামৰ জজ চাহাবৰ ছোৱালীয়ে গৃহ-শিক্ষক অধ্যাপকৰ প্ৰতি প্ৰণয়াসক্ত হৈ মাক-বাপেকৰ সৈতে তৰ্ক

কৰি, জেদ ধৰি বিবাহ কৰাবলৈ সক্ষম হৈছে। সোণালীক আদর্শ নাৰী চৰিত্র কৰিবলৈ যত্ন কৰা হৈছে, কিন্তু চাৰিত্রিক স্বস্থৰ অভাৱত বিশেষ আকর্ষক নহ'ল। ৰাজীৱক লেখিকাই যি মাপকাঠিৰে দাণ্ডি ধৰিছে, তাৰফলত সি নিবলল হৈ পৰিছে। খোঁচ খোৰ বিষয়াৰ সম-পর্যায়ৰ স্বচ্ছলতা নাথাকিলেও কলেজৰ অধ্যাপক এজন লেখিকাই দেখুৱাৰ দৰে অর্থনৈতিক দিশত শোচনীয় নহয়। ঔপন্যাসিকাই ৰাজীৱৰ অন্যগুণ প্রকাশ কৰি তাক যোগ্য-পাত্রৰ মর্যদা দিব নোৱাৰিলে। নায়িকা সোণালীয়ে কি কাৰণত উচ্চ-বিষয়া সৌমিত্ৰক বিয়া নকৰালে, সি স্পষ্ট হৈ নুঠিল। দ্বিতীয়টো প্ৰেম কাহিনীমতে ধনীৰ দুলালী মালাই ৰূপৰ বাবে অৰূপক বিয়া কৰি অর্থনৈতিক দুৰাৱস্থাত হাহাকাৰ কৰি ভুল কৰা বুলি ধাৰণা কৰিছে। সোণালীৰ ক্ষেত্ৰত এই অশান্তি নাই। সোণালীৰ লগত বিয়া হৈ নুঠাৰ পাছত, অৰূপৰ ভনীয়েক কমাৰ লগত ঘনিষ্ঠ হৈ সৌমিত্ৰই তাইক চাকৰি দিলে আৰু ককায়েকৰ বিয়া কৰোৱাৰ আশ্বাস দি কমাৰ লগত নিবিড় হৈ পৰিল। হঠাতে অভাৱনীয়ভাৱে ছুটী লৈ গৈ সি ঘৰত অন্য ছোৱালীক বিয়া কৰালেগৈ। সৌমিত্ৰৰ এই চৰিত্ৰ দোষৰ অন্তৰালত সুবিধাবাদী উচ্চ-বিষয়া এশ্ৰেণীৰ মনস্তত্ত্ব লুকাই আছে। কমাই সৌমিত্ৰক ভাল নাপালেও মাক-বাপেকৰ দাৰিদ্ৰতা দূৰ কৰিবৰ কাৰণে চাকৰিত মকৰল হৈ তাৰ ওচৰত গা-ঢালি দিছে। ফলত, কমাৰ চাৰিত্ৰিক বৈশিষ্ট্য হেৰাই গ'ল। কিন্তু, কমাই তলে তলে ৰাজীৱক ভালপোৱা বুলি উপন্যাসখনত প্ৰতীত হৈছে। সোণালীয়ে ইয়াক জানি গুৰুত্ব সহকাৰে তাইক লগ পাবলৈ বিচাৰে। সোণালীয়ে অৱশেষত বুজিলে- "মোক প্ৰতিবাৰ লগ পোৱাৰ সময়তে তাইৰ বুকুৰ পৰা এটোপাল তেজ ওলায়।" এই উপলব্ধি সোণালীৰ গভীৰ মননশীলতাৰ পৰিচায়ক। তিনিটা ভিন্নসুৰী নাৰী চৰিত্ৰই "সামান্য-অসামান্য" বাচি উলিওৱাত পাঠকক সহায় কৰিব। নিৰুপমা বৰগোহাঞিৰ এইনখন উপন্যাসো সাধাৰণ পঠনীয় পৰ্যায়ৰহে। দুটা সমান্তৰাল প্ৰেম কাহিনীৰ যোগসূত্ৰ শক্তিশালী নহ'ল। দুয়োটা কাহিনী বৈপৰীত্যৰ মাজত দাম্পত্য জীৱনৰ ভিন্নস্বাদ প্ৰকাশ পাইছে। সোণালীৰ দৰেই ৰাজীৱৰ অন্তৰ্দ্বন্দ্বৰ মূল্য উপন্যাসখনত আছে।

"কেকটাছৰ ফুল" আন এখন লেখত লবলগীয়া নাৰীবাদী উপন্যাস। দুজনী শিক্ষিতা ছোৱালী- মানসী আৰু পূৰ্ণিমাক কেন্দ্ৰ কৰি উপন্যাসখন ৰচিত হৈছে। এখন সৰু নগৰৰ ছোৱালী মানসী আৰু বায়েক পূৰ্ণিমাক গুৱাহাটীৰ ডাঙৰ কলেজ এখনত পঢ়া-শুনা কৰিবৰ কাৰণে মিছনাৰী হোষ্টেলত থবলৈ গৈ দেউতাক নবীন বৰা উকীলে এঘৰ মানুহৰ লগত সিহঁতৰ পৰিচয় কৰি দিলে। দেউতাকৰ বন্ধু হৰিশ বৰদলৈ চাকৰি সূত্ৰে মানসীহঁতৰ চহৰত থাকোতে ঘনিষ্ঠ হৈছিল। হৰিশৰ বৰপুত্ৰ ৰাজীৱৰ সৈতে বৰাৰ বৰজীয়াৰী পূৰ্ণিমাৰ তেতিয়াই বিয়া পতাৰ কথা খাটাং কৰিছিল। মানসীৰ লগত পূৰ্ণিমাক গুৱাহাটীলৈ পঠোৱাৰ মূল কাৰণো এইটোৱেই। মাকে মানসীক সকলো বিবৰি কৈ কাৰ্যসিদ্ধিৰ বাবে তাইক অভিভাৱক নিয়োগ কৰিলে। পূৰ্ণিমা নিৰ্জু, লাজকুৰীয়া, অৱশ্যে দেখনিয়াৰ। মানসী স্মাৰ্ট, বুদ্ধিমতী, চোকা, বৰণ গাঢ় হলেও ধুনীয়া। তাই দায়িত্ব সচেতন, গাম্ভীৰ্যময়ী আৰু পিছন-উৰণত বৈশিষ্ট্য পৰিচায়ক গাভৰু। সেইবাবে পূৰ্ণিমাই নিজকে তুলসীৰ লগত কলপটুৱাৰ মুক্তি বুলি ভাবে। ৰাজীৱে পূৰ্ণিমাক পচন্দ কৰিছিল যদিও, মানসীক দেখাৰ পাছত তাৰ মনোভাৱ সলনি হ'ল। ৰাজীৱ পূৰ্ণিমাহঁতৰপৰা আতৰি ফুৰা হ'ল। অৱশেষত পূজা বন্ধত ঘৰলৈ গৈছে সিহঁতে আচল কথা গম পালে। মানসীয়ে মাক-বাপেকক প্ৰস্তাৱত সন্মতি নিদিবলৈ কোৱাত তাকে কৰিলে। আনহাতে হোষ্টেলত ললিতবালা নামৰ বান্ধৱীৰ আগত সকলো

কথা মানসীয়ে কব লগাত পৰিল। এদিন এই ললিতবালাৰ ইঞ্জিনিয়াৰ ককায়েকৰ লৈ পূৰ্ণিমাক ঠিক কৰা হ'ল। ললিতবালা পিছন-উৰণত অতি সাধাৰণ গাঁৱলীয়া ছোৱালী। তাই অতি মেধাৱী আৰু কিতাপৰ পোক হোৱাৰ বাবেই মানসীৰ লগত বন্ধুত্ব হৈছিল। তাই বিপ্লৱী দলৰ সক্ৰিয়া সদস্যা হোৱাত মিছনাৰী হোষ্টেল ত্যাগ কৰিব লগাত পৰিল। তাই যাবৰ সময়ত ৰাজীৱক ফোন কৰি সকলো জনাই গ'ল। ৰাজীৱে ফিয়েটখন লৈ আহি হোষ্টেলৰ ওচৰত মানসীক লগ ধৰিলে। এইবাৰ ভুবনেশ্বৰী পাহাৰলৈ ৰাজীৱৰ লগত যাবলৈ তাইৰ আপত্তি নাথাকিল। উপন্যাসখনৰ মুখ্য চৰিত্ৰ কেইটাৰ ভিতৰত মানসী আৰু ললিতবালাই প্ৰধানতঃ দৃষ্টি আকৰ্ষণ কৰে। ললিতবালা প্ৰকৃততে বিদ্ৰোহী চৰিত্ৰ। মাৰ্ক্সীয় দৰ্শনৰ প্ৰতি আকৃষ্ট হৈ তাই দৃঢ়ভাৱে বিপ্লৱী ৰাজনীতিত যোগ দিছে। তাই কোনো ক্ষেত্ৰতে দুৰ্বল নহয়। ললিতবালাক মানসীয়ে কৈছে– "..... নিজৰ মুখামুখী হবলৈ খুব ভয় কৰো। এসময়ত নিজকে দৃঢ় মনৰ ছোৱালী বুলি ভাবিছিলোঁ, কিন্তু ইয়ালৈ আহি তোমাক লগ পাই আৰু তাৰ পিছত নানা অভিজ্ঞতাৰ মাজেদি মই অনুভৱ কৰিলোঁ– মোৰ অন্তৰখন কিমান দুৰ্বল........"। মানসীৰ এই বক্তব্যৰ পৰা ললিতবালাৰ চাৰিত্ৰিক বৈশিষ্ট্যও প্ৰকাশিত হৈছে। পূৰ্ণিমাৰ সহজ সৰল নিৰ্জু প্ৰকৃতিয়ে তাইকো আকৰ্ষণ কৰিছে। ৰাজীৱ বৰদলৈৰ যে কোনো দোষ নাই তাকো ললিতবালাই সকিয়াই দিছে। মুঠতে, কাহিনীৰ মিলনাত্মক পৰিণতিৰ বাবে তাইৰ ভূমিকা অপৰিহাৰ্য আৰু গুৰুত্বপূৰ্ণ।

"কেক্‌টাচৰ ফুল" এখনি সুখ-পাঠ্য উপন্যাস। সহজ সৰল বৰ্ণনাত্মক ভাষাত নিৰ্মিত কাহিনীটোত ঘৰুৱা খুটি-নাটি, হোষ্টেলৰ পৰিবেশ, লঘু আলাপ-আলোচনা আদি বসাল হৈ উঠিছে। "উপন্যাসখনত জীৱনৰ কোনো গভীৰ দিশ উদ্ঘাটিত হোৱা নাই, নাইবা কোনো পোহনীয়া মতবাদ জাপিবলৈ যোৱা নাই। ছোৱালীমনৰ এক অভিব্যক্তি ইয়াত প্ৰকাশ হৈছে। উপন্যাস হিচাপে উচ্চ-স্তৰৰ বুলি কব নোৱাৰিলেও মাৰ্জিত ৰুচিৰ, সংযত বৰ্ণনাৰ ই এক সুখপাঠ্য প্ৰকাশ।"[১৩]

"ভবিষ্যতৰ ৰঙা-সূৰ্য" নামৰ এশপিঠীয়া উপন্যাসখনত যুৱ-মানসিকতা আৰু মাৰ্ক্সীয় সমাজ প্ৰতিষ্ঠাৰ তথাকথিত ৰূপ অংকণৰ প্ৰচেষ্টা পৰিলক্ষিত হৈছে। মধ্যবিত্ত সমাজৰ পৰা অহা নৰেন, ৰজত, ৰফিক, অজিত, গণেশ, কৃপা আদি ডেকা-দলৰ আড্ডাক প্ৰগতিশীল চিন্তা-চৰ্চাৰ 'ডেৰা' ৰূপে চিত্ৰিত কৰিছে। গুৱাহাটী চহৰত সাম্প্ৰতিক কালত তেনেকুৱা বিপ্লৱীদলৰ অভাৱ নাই। উপন্যাসখনত তেনে বিপ্লৱী সকলৰ অন্তঃসাৰশূন্যতাহে প্ৰতিফলিত হৈছে। নাৰী চৰিত্ৰ বিলাকৰ কদৰ্যতাও ইয়াত প্ৰকাশ পাইছে। তৃষ্ণা বৰদলৈৰ ৰজতৰ প্ৰতি প্ৰেম এটা সাময়িক বিলাস মাত্ৰ। তাইৰ ভাষাত "মোক ক্ষমা কৰা ৰজত। গৰমৰ বন্ধত ঘৰলৈ আহি দেখোঁ আই পি এছ ৰবীন চাংকাকতিৰ লগত মাইঁতে মোৰ বিয়াৰ সকলো বন্দবস্ত কৰি থৈছে মোৰ অজানিতে। মাৰ বহুত দিনৰ পৰা হাৰ্টৰ অসুখ, মই প্ৰথমতে বহুত কন্দ-কটা কৰি প্ৰতিবাদ কৰি চালো, কিন্তু মাৰ হাৰ্টৰ অসুখ বাঢ়ি গ'ল। তেতিয়া মই ঠিক কৰি পেলালো যে মই নিজকে চেক্ৰিফাইচ্ কৰিম ....।" সাম্প্ৰতিক ঔদ্যোগিক বস্তু-প্ৰধান সমাজত প্ৰেম আৰু ভাৱাবেগৰ অৱস্থা ইয়াৰ মাজত সুস্পষ্ট হৈ পৰিছে। উপন্যাসখনৰ নায়ক নৰেন বিপ্লৱী-কামনাদীপ্ত গাঁৱৰ ল'ৰা আৰু সিয়ো অৱস্থাৰ দাস। মধ্যবিত্ত মানসিকতাৰ পৰিচয় তাৰ মাজত ফুটি ওলাইছে যেতিয়া ওপৰৱালাৰ ওচৰত প্ৰেমিক সাধনাই দেহ বিক্ৰী কৰা বুলি গম পালে। ভদ্ৰ আৰু শান্ত বুলি জনাজাত নৰেনে অশ্লীল ভাষাৰে

১৩. সত্যেন্দ্ৰনাথ শৰ্মা, "অসমীয়া উপন্যাসৰ গতিধাৰা", পৃ. ২১৮

গালি-গালাজ কৰি সাধনাক সি চৰিয়াই গ'ল; কিন্তু যুক্তিৰ বিচাৰ নচলিল। ফলত সাধনাই বেলৰ আগত পৰি আত্মহত্যা কৰিলে। পাছত নবেন মৰ্মাহত হৈছে। আত্মহত্যাৰ আগমুহূৰ্তত সাধনাই ডাকত দি যোৱা সুদীৰ্ঘ চিঠিখনত তাইৰ চিন্তাধাৰা প্ৰকাশ পালেও, চাৰিত্ৰিক বৈশিষ্ট্য নাই। ভনীয়েকৰ স্বাৰ্থত দেহবিক্ৰী কৰাটো সতীত্ব আদৰ্শ আৰু দুৰ্বল মানসিকতাৰহে উদাহৰণ। কুমাৰীৰ চিকাৰী ওপৰৱালা ভাগৱতীহঁতক নবেনহঁতে একো কৰিব পৰা নাই। আৰম্ভণিতে দেখি অহা প্ৰেমিক-প্ৰেমিকাৰ গোপন অভিসাৰত লিপ্ত হাজৰিকাৰ দুহিতাক বজতৰ লগত দেখা পাইছে, প্ৰতিকাৰ কৰিব পৰা নাই। খুৰা-খুৰুনীৰ ভোজ বজতৰ শ্ৰাদ্ধৰ ভোজ বুলি পলাধঃকৰণ কৰিলে। তাৰপাছত এদিন গাঁৱৰ নবীন কিশোৰ-বিপ্লৱী মোহনৰ আমন্ত্ৰণক্ৰমে নবেন গাঁৱলৈ ঘূৰি গৈছে। এইয়ে লেখিকাৰ "ভৱিষ্যতৰ বঙা সূৰ্য"ৰ পৰিকল্পনা। গাঁৱলপৰা অহা তৰুণ বিপ্লৱী নবেন 'এটা সম্ভাৱনা'ৰ স্তৰতে থাকি গ'ল। গাঁৱৰ চাকৰি কৰিবলৈ অহা গাভৰুৰ নৈতিক স্খলনৰ সম্যক প্ৰতিকাৰ নাইবা এই সম্পৰ্কে বিপ্লৱী আদৰ্শৰ পৰিস্ফুটনো নাই। উপন্যাসখন সাম্প্ৰতিক কালীন গুৱাহাটীৰ এটা সমালোচনা বুলিব পাৰি। সাহিত্যিকৰ দায়িত্ব আৰু কৰ্তব্যবোধহীনতা, আত্ম-প্ৰতিষ্ঠাৰ বাবে তললৈ নামি যোৱা আৰু আনৰ প্ৰতিভাক উত্তোলিত কৰিব পৰা আদৰ্শবান ব্যক্তিৰ অভাৱে গুৱাহাটীক নিঃস্ব কৰাৰ অপ্ৰিয় সত্য উপন্যাসখনত আছে। কিন্তু, বিপ্লৱ-বিপ্লৱী সম্পৰ্কীয় দীঘলীয়া কথা-বতৰাই কাহিনীৰ সৌষ্ঠৱ হানি কৰিছে। নবেনক গাঁৱলৈ পঠাই দি লেখিকাই যেন প্ৰকৃত বিপ্লৱৰ থলীখন দেখুৱাই দিছে।

"চিনাকি-অচিনাকি" উপন্যাসত তিনিপুৰুষ সামৰা কাহিনী এটি গ্ৰন্থিত কৰিছে। মাত্ৰ সত্তৰপিঠীয়া গ্ৰন্থখনত ইংৰাজী সাহিত্যৰ সৈতে পৰিচিতা স্নেহ নামৰ এগৰাকী বৃদ্ধা নাৰীৰ মানসিক অৱস্থা, অতীত ৰোমন্থন আৰু গোপন কথা পুত্ৰৰ আগত প্ৰকাশ কৰাতে এইখণ্ড সম্পূৰ্ণ হৈছে। খণ্ডটিৰ নাম দিয়া হৈছে "অতীতৰ ভূত"। দুখাত্মক পৰিণতিৰ এই প্ৰথম খণ্ডটিত স্নেহৰ অধ্যাপক পুত্ৰ প্ৰদীপ আৰু শিক্ষিতা বোৱাৰীয়েক দূৰ্বা সম্বন্ধিতে কাহিনী আগবাঢ়িছে। তেওঁলোকৰ পুত্ৰ দাদুল আৰু কন্যা লতাক লৈ এটা সুখী পৰিয়াল। প্ৰদীপৰ (সোণকণ) মাক স্নেহ যথাৰ্থতে 'স্বৰ্গাদপি গৰিয়সী' মাতৃ। সেইবাবে মাতৃ-ভক্ত পুত্ৰই ঘৰটোৰ নাম 'স্নেহ-আলয়' ৰাখিছে। বোৱাৰীয়েক দূৰ্বাই জানে যে প্ৰদীপক মাকেই মানুহ কৰিছে। গতিকে, "ভক্তি আৰু মৰমৰ লগতে মিহলি হৈ আছে এক গভীৰ কৃতজ্ঞতা, সমীহ আৰু মুগ্ধ প্ৰশংসা।" এই গৰাকী আদৰ্শ মাতৃয়ে কেন্সাৰত ভুগী মৃত্যুক আকোৱালি লোৱাৰ আগতে পুত্ৰৰ আগত গোপন কাহিনী কৈ গৈছে। প্ৰথমতে মাকৰ প্ৰেমৰ কাহিনী বৰ্ণিত হৈছে। 'প্ৰেমক পাপ' বুলি ধৰা সময়তে স্নেহই নিজৰ ঘৰতকৈ নিম্ন উপাৰ্জনকাৰী সৰু চাকৰিয়াল আৰু নীহকুলীয়া এজনক বিয়া কৰোৱাত মাক-বাপেক কেনেকৈ সন্মত হ'ল; সোণকণক কোলাত দি ব্যভিচাৰী দেউতাকৰ কেনেকৈ মৃত্যু হ'ল; ইয়াৰ পাছত গাভৰু জীৱনৰ সুখ-দুখৰ লগৰী বান্ধৱী শান্তিৰ আশ্ৰয়ত শিক্ষয়িত্ৰী পদবী লাভ আৰু সেই শান্তিৰ ঈৰ্ষাতে নিজ ৰূপ-যৌৱনৰ দ্বাৰা বিভ্ৰান্ত কৰি শান্তিৰ স্বামীক আত্মহত্যা কৰাত ইন্ধন যোগাই এখন সোণৰ সংসাৰ ধ্বংস কৰাৰ কাহিনী প্ৰকাশ কৰি স্নেহ অনুতপ্ত হৈছে। ইয়াৰ পাছত মৃত মাকৰ দেহটোক প্ৰদীপৰ কোনোবা অচিনাকি তিৰোতাৰ যেন লাগি গৈছিল। মাকৰ আচল চিনাকি সি সেই দিনাহে পাইছিল; ইমানদিন অচিনাকি হৈয়ে আছিল।

দ্বিতীয় খণ্ডৰ নাম 'বৰ্তমানৰ আশা'। এই খণ্ডত স্নেহৰ নাতি দাদুল (অম্লান) আৰু দীপিকা ভূঞা নামৰ এজনী প্ৰগতিশীল শিবিৰৰ ছোৱালীৰ প্ৰেম বৰ্ণিত হৈছে।

দীপিকা অতি বে-পৰোৱা ছোৱালী। ছাত্ৰ ইউনিয়নৰ নিৰ্বাচনত দুয়ো ওচৰ চাপি আহিল। দাদুল যেন আইতাকৰ উত্তৰাধিকাৰী, কাৰণ দিয়ো ইংৰাজী সাহিত্যৰ ছাত্ৰ। দীপিকা ৰবীন্দ্ৰনাথৰ ভক্তা। তদুপৰি, তাই শান্তিৰ নাতিনীয়েক। এই মাৰ্গিট বুলি খ্যাত প্ৰেমিক-প্ৰেমিকা যুগলৰ মাজত সংঘাত সৃষ্টি হয় যেতিয়া 'স্নেহ-আলয়'ত দীপিকাই স্নেহৰ ফটোখন দেখা পালে। তাই তেতিয়া ঘৰত বিয়া পতা বুলি অম্লানৰ পৰা আতৰি যোৱাৰ চেষ্টা কৰিছে। অম্লানে তাইক বিশ্বাস-ঘাতকিনী বুলি কোৱাত তাই অতীতৰ ভেদ ভাঙি দিছে।

উপন্যাসখনত দীপিকাক প্ৰতিশোধ পৰায়ণা কৰা হৈছে। পূৰ্ব পৰিকল্পিত হোৱাত চৰিত্ৰটো মাধুৰ্য আৰু কাহিনীৰ সৌষ্ঠৱ হানি ঘটিছে। দীপিকা গতানুগতিক প্ৰেমিকা নহয়; তাই প্ৰথমতে প্ৰতিহিংসা চৰিতাৰ্থ কৰিব খুজিলেও, পাছত অম্লানৰ প্ৰতি প্ৰকৃততে অনুৰক্তা হৈ পৰিছে। অম্লানৰ মানুহৰ মুক্তি-সংগ্ৰামত অহৰহ লাগি থকাৰ পৰিকল্পনাই তাইৰ মনত গভীৰ ৰেখাপাত কৰিছে। প্ৰতিশোধ স্পৃহাত প্ৰায় উন্মাদ প্ৰেয়সীক উদ্ধাৰ কৰিবলৈ অম্লান বদ্ধ-পৰিকৰ। পুত্ৰৰ প্ৰেমক স্বীকৃতি দি, প্ৰদীপে মাতৃৰ কৃতকৰ্মৰ বাবে পুত্ৰক দীপিকাৰ আইতাক শান্তিৰ ওচৰত ক্ষমা খুজিবলৈ পঠোৱাৰ বাবে কাহিনীৰ পৰিণতি স্পষ্ট হৈ পৰিছে আৰু প্ৰদীপ চৰিত্ৰৰ বৈশিষ্ট্যও প্ৰকাশ পাইছে। অম্লানেও পঁচা-বীজৰ পৰাই মহীৰুহ জন্ম অথবা পোৰা ধ্বংস-স্তূপৰ পৰাই ফিনিক্স পখীৰ জন্ম হোৱাৰ দৰে তাৰ প্ৰেম জয়ী হৈ উঠিব বুলি আশাবাদী।"

"গোহাঁনী আই, গোঁসানী আই" বিগত আন্দোলনৰ পটভূমিত ৰচিত উপন্যাস। বহিৰাগত খেদা অসম-আন্দোলনৰ এখন ছবি হিচাপে ইয়াৰ কিছু বস্তুনিষ্ঠ মূল্য আছে। ছবিখন আন্দোলনৰ অন্ধ সমৰ্থন নহয়। তাৰ পৰিপ্ৰেক্ষিতত সৃষ্ট ভয়, আশঙ্কা, ঘৃণা, শত্ৰুতাবোধ, সন্তীয়া দেশপ্ৰেম, বিৰোধ আদিৰ ফলত এটা পৰিয়ালত সংঘটিত কথা-কাণ্ড আৰু চিন্তাৰ প্ৰকাশ ঘটিছে। সংক্ষিপ্ত কাহিনীমতে অৱসৰপ্ৰাপ্ত গোস্বামীয়ে পত্নী লীলাৰ ওপৰত ঘৰৰ দায়িত্ব এৰি চুবুৰীয়াৰ ঘৰত আড্ডাত বহিবলৈ যায়। গোস্বামী ওলাই গলেই পুত্ৰ অপু আৰু জীয়াৰী কণীৰ মাজত তৰ্কাতৰ্কি আৰম্ভ হৈ যায়। অপু আন্দোলন সমৰ্থক ছাত্ৰ আৰু কণী সৰ্বভাৰতীয় আদৰ্শৰ বিপ্লবী-মতভুক্ত। ফলত ঘৰতেই সপক্ষে-বিপক্ষে দুটা মত। এই মতবিৰোধত শ্ৰীমতী গোস্বামী যথেষ্ট আতংকিত। চাকৰিসূত্ৰে স্বামীৰ লগত ঘূৰোতে লগ পোৱা এহাল বন্ধু ৰজব আলী আৰু হলধৰৰ কথা শ্ৰীমতী গোস্বামীৰ মানসত এই পৰিপ্ৰেক্ষিতত জিলিকি উঠিছে। তেওঁ আছিল ৰজব আলীৰ বাবে গোঁহানী আই আৰু হলধৰৰ বাবে গোঁসানী আই। আন্দোলনৰ সময়ত যেন বন্ধুত্বও এটা ক্ষুদ্ৰ কথা। ৰজব হলধৰেও যেন পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত পৰস্পৰে বুকুত ছুৰী বহুৱাই দিব পাৰিব। এই শঙ্কাৰ মাজত যেতিয়া ৰৰজী অণিমাৰ সৰু পুত্ৰদ্বয় টিংকু-বিংকুৱে এই সন্দৰ্ভত প্ৰশ্ন তোলে, তেতিয়া মাতৃ-প্ৰাণে অন্যায় অত্যাচাৰৰ বিৰুদ্ধে হাহাকাৰ কৰি উঠি জীয়েক কণীৰ মতাদৰ্শক সমৰ্থন কৰিছে। ন'বাক 'বাংলাদেশী-অসমীয়া' নামৰ তথাকথিত সন্তীয়া খেলা শিকোৱাৰ বাবে জীয়েক অণিমাক ধিক্কাৰ দিছে। এইয়া মানৱতাৰ জয়। মাতৃৰ বাবে সন্তান বিচ্ছেদৰ জুই একে। মাকৰ এই উপলব্ধিত কণীয়ে যেতিয়া কয়— "মা, মা, তুমি সঁচাকৈয়ে মা, সকলোৰে মা, হলধৰৰ মা, ৰজব আলীৰ মা— পৃথিবীৰ সকলো সন্তানৰে মা" তেতিয়াই উপন্যাসখনৰ মূল আবেদন শক্তিশালী হৈ উঠে।

মানৱতাৰ জয়গান ঘোষণাই উপন্যাসখনৰ লক্ষ্য। আৰম্ভণিৰ অপু-কণীৰ তৰ্কযুদ্ধখন আমনিদায়ক আৰু নিবন্ধধৰ্মী হোৱাত কলাত্মক গুণ হেকৰাই পেলাইছে আৰু প্ৰচাৰ-ধৰ্মী

হৈ উঠিছে। আন্দোলনৰ দুয়োটা পক্ষৰ নিৰপেক্ষ আলোকপাত নোহোৱাত ই সাৰ্বজনীন মহত্ব আনিব নোৱাৰিলে। যাকৰ চৰিত্ৰটোৰ চিত্ৰনৰ যি মহত্ব, সিয়েই উপন্যাসখনৰ বৈশিষ্ট্য। এই উপন্যাসত লেখিকাৰ জীৱন-দৰ্শনৰ এটা দিশ স্পষ্ট।

নিৰুপমা বৰগোহাঞিৰ সকবৰ উপন্যাসৰ ভিতৰত "নামি আহে এই সন্ধিয়া", "একেই জোন, একেই বেলি", "ইপাৰ-সিপাৰ", "ইপাৰৰ ঘৰ সিপাৰৰ ঘৰ", "অন্য জীৱন" আদি উল্লেখযোগ্য। শেষৰ দুখন উপন্যাস তেওঁৰ বৈশিষ্ট্য আৰু প্ৰতিভাৰ পৰিচায়ক।

"ইপাৰৰ ঘৰ সিপাৰৰ ঘৰ" (১৯৭৯) উপন্যাস সাহিত্যত এটি মূল্যবান সংযোজন। "সেই নদী নিৰবধি" উপন্যাসৰ পাছত পাগ্‌লাদিয়া নদীৰ পাৰৰ পাৰ্শ্ব এখনক কেন্দ্ৰ কৰি কাহিনী ভাগ গঢ়ি তোলা হৈছে। এই গাঁৱৰ ভিন্নমুখী দুটা জীৱন হ'ল পুলিচৰ চাকৰিৰ পৰা অৱসৰ লবলৈ ওলোৱা পৰেশ কলিতা আৰু জীৱন যুদ্ধত জুকলি-জুপুৰি পটেশ্বৰী। প্ৰথমতে কলিতাৰ গাঁৱৰ আকৰ্ষণত অৱসৰৰ পাছত উভতি অহাৰ চিন্তা উপন্যাসখনত অৱতাৰণা কৰা হৈছে। তেওঁ কচি সম্পন্ন সাহিত্যপ্ৰেমী আৰু সৰু জীয়েক অঞ্জলিৰ স্বভাবো তেওঁৰ দৰেই। সেয়ে, গাঁৱত বাস কৰাত সৰু জীয়েকৰো সমৰ্থন আছে। পৰেশ সৎ স্বভাৱৰ মানুহ আৰু অঞ্জলিও সততা আৰু আদৰ্শবাদী হোৱালী। উপন্যাসখনৰ বুজন অংশত ব্যাপ্ত অঞ্জলি কল্পনা-প্ৰৱন আৰু বাস্তৱজ্ঞান ৰহিত চৰিত্ৰ হৈয়ে ৰ'ল। অৱশেষত পৰেশ কলিতাই গাঁৱৰ অসূয়া-অপ্ৰীতি, ঠগ-প্ৰবঞ্চনা জানি শুনি গাঁৱত বাস নকৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। গাঁৱৰ অবক্ষয় দেখি নগৰত থকাই শ্ৰেয় বুলি ধাৰণা কৰিছে। পৰেশ কলিতাৰ এই কাহিনীৰ সমান্তৰালত ঘটি থকা পটেশ্বৰীৰ কাহিনীহে দৰাচলতে প্ৰধান কাহিনী। গাঁৱৰ সৰল সুন্দৰী কিশোৰী পটেক এদিন অসৎ অভিপ্ৰায়ৰ ডেকা ব্যৱসায়ীয়ে গুৱাহাটীলৈ পলুৱাই নি হোটেল এখনত এৰি থৈ গ'ল। ইয়াৰ পাছত জালুকবাৰী অনাথ আশ্ৰমত কিছুদিন থকাৰ পাছত পূৰ্বৰ হোটেলখনৰ কাম কৰা ল'ৰা এটাই তাইক পত্নী মৰ্যদাৰে ৰাখিলে। অৰ্থনৈতিক ভাবে শোষিত আৰু নিষ্পেষিত হৈ হোটেলৰ মালিকৰ হাততো তাই সতীত্ব হেৰুৱাব লগীয়া হয়। তিনিটা সন্তানৰ জননী হৈ পটেশ্বৰী বিধবা হোৱাত এদিন গাঁৱলৈ ঘূৰি আহে। ইয়াৰ পাছত অতি কৰুণ অসহায় দৰিদ্ৰ পতিতাৰ জীৱন কটাবলগাত পৰে। বৰপুতেকক মোমায়েকৰ লগত ব্যৱসায়ত লাগি ভৱিষ্যতে কিবা এটা ৰোজগাৰ কৰি খোৱাৰ আশাত পঠাইছিল। কিন্তু সি ধন চুৰি কৰি ছোৱালী এজনী লৈ মোমায়েকৰ ঘৰৰপৰা পলাই গৈছে। পটেশ্বৰীয়ে এই কাৰ্যত মৰ্মাহত হৈ তাক 'তিৰী চোৰোৰ সঁচ .... বাপ চাইহি বেটা" বুলি গালি পাৰি দুখ পশমিত কৰিছে। ইয়াৰপৰা এই সন্তানটো সেই ব্যৱসায়ী ডেকাৰহে আছিল বুলি প্ৰত্যয় জন্মে। পাছৰ ছোৱালী দুজনীহে প্ৰকৃততে তাইৰ স্বামী ছবিনৰ। সি সৎ স্বভাৱৰ কৰ্মী মানুহ আছিল। তাৰ স্বভাৱৰ ছাপ ছোৱালী দুজনীত পৰা যেন অনুমান হয়। এই দুটা সমান্তৰাল কাহিনীৰ জৰিয়তে গাঁৱৰ পৰা ওলাই যোৱা মানুহৰ সুখ-দুখ, সচল-অচল জীৱনৰ চিত্ৰ দাঙি ধৰা হৈছে। পৰেশ কলিতাই শিক্ষিত হৈ গাঁৱৰ পৰা ওলাই গৈ নগৰত আশ্ৰয় লাভ কৰিছে অৰ্থনৈতিক স্বচ্ছলতাৰ বাবে আৰু অৰ্থাভাবৰ বাবে নগৰত সততাৰে স্থান নোপোৱাৰ বাবে সন্তানসহ পটেশ্বৰী গাঁৱলৈকে ঘূৰি আহিছে। নগৰ দৰিদ্ৰৰ বাবে নহয়। উপন্যাসখনত এই প্ৰধান কাহিনী দুটাৰ লগতে চহৰলৈ প্ৰবজন ঘটা একাধিক চিত্ৰ দেখা যায়। পটেশ্বৰীৰ নগৰত গৈ নিষ্পেষণৰ বলি হোৱাৰ ঘটনাই ঔদ্যোগিক আৰু ব্যৱসায়িক সভ্যতাই গাঁৱৰ জীৱনলৈ অনা অধঃপতনৰ ছবি সুন্দৰকৈ দাঙি ধৰিছে। এই কাহিনী দুখুনী বিধবা তিৰোতাই সাধাৰণতে লাভ কৰা বঞ্চনা আৰু শোষণৰ তিক্ত কাহিনী। কাহিনী সম্পূৰ্ণভাৱে নিঠুৰ

বাস্তৱৰ কাহিনী। দুশ্চৰিত্ৰ পুৰুষৰ প্ৰৰোচনা, সুবিধাবাদীৰ কামনা চৰিতাৰ্থ, আশ্ৰয় দাতাৰ অত্যাচাৰ, অনাথ আশ্ৰমত নাৰীৰ দুৰৱস্থা ইত্যাদি নাৰী-জীৱনলৈ দাৰিদ্ৰ্যই আনি দিয়া কঠোৰ বাস্তৱ অতি নিকৰুণ হৈ উঠিছে। এইখন উপন্যাসত কোনো ধৰণৰ মতবাদ স্পষ্ট নকৰি কেৱল জীৱনৰ সংঘাতময় চিত্ৰক প্ৰাণস্পৰ্শী কৰি তোলাতে শ্ৰেষ্ঠত্ব প্ৰতিপন্ন হৈছে। "সেই নদী নিৰৱধি"ৰ দৰে ইয়াক আঞ্চলিক উপন্যাস নুবুলি গ্ৰাম্য জীৱনৰ সুখ-দুখৰ পৰিচয় জ্ঞাপক প্ৰকৃতিবাদী উপন্যাস বুলিব পাৰি। অৰ্থনৈতিক বুনিয়াদ ভাগি পৰা গাঁৱৰ চিত্ৰ হলেও লেখিকাই ইয়াক ব্যাপক কৰিব নোৱাৰিলে। উপন্যাসখনৰ দুৰ্বল দিশটো হ'ল সংলাপৰ ব্যৱহাৰ। উপভাষাৰ ব্যৱহাৰ কৰোতে লেখিকা সাৱধান হোৱা উচিত আছিল। কাহিনীটোত কৃত্ৰিম ব'লেও যোগসূত্ৰৰ অভাৱত মোহনীয় হৈ নুঠিল। পটেশ্বৰীৰ কাহিনীৰ সৈতে জড়িত নাৰীৰ ওপৰত পুৰুষৰ অত্যাচাৰৰ উপ-ঘটনাৱলীয়ে "ইপাৰৰ ঘৰ সিপাৰৰ ঘৰ"কো নাৰীবাদী ৰচনা কৰি তুলিছে। উপন্যাসখন বৰ্ণনামূলক পদ্ধতিত ৰচিত।

"অন্য জীৱন" নিৰুপমা বৰগোহাঞিৰ আন এখন সাৰ্থক উপন্যাস। গ্ৰাম্য নাৰীৰ কাৰুণ্যৰে পৰিপূৰ্ণ এই উপন্যাসৰ কাহিনীত সঁচা অভিজ্ঞতাৰ পৰশ আছে। ১৯৮৭ চনত প্ৰকাশিত উপন্যাসখনৰ প্ৰস্তাৱনাত পোৱা যায় যে প্ৰায় আঠাইছ বছৰৰ আগতে লেখিকাই স্বামীৰ গাঁৱৰ ঘৰলৈ যাওঁতে এটা কৰুণ কাহিনী শুনিছিল। "গাঁৱতে এগৰাকী তিৰোতাক তেওঁৰ গিৰিয়েকে হালৰ মৈত জুটি দি পকা চপৰাৰ ওপৰেদি চোঁচোৰাই লৈ গৈছিল। স্বামীৰ অত্যাচাৰ সহিব নোৱাৰি শেষত সেই হতভাগিনীয়ে আত্মহত্যা কৰিছিল।" এই কাহিনীটোকে কেন্দ্ৰ কৰি নিৰুপমা বৰগোহাঞে ৰচনা কৰিছে অন্যতম নাৰীবাদী উপন্যাস "অন্য জীৱন"।

উপন্যাসৰ কাহিনীমতে চহৰত জন্ম গ্ৰহণ কৰি ডাঙৰ-দীঘল হোৱা অণিমাই স্বামী মনোজৰ লগত লক্ষীমপুৰৰ ভিতৰুৱা গাঁও এখনত থকা শহুৰেকৰ ঘৰলৈ গৈছিল। অণিমাইতৰ বিয়াখন ভালপোৱাৰ পৰিপ্ৰেক্ষিতত গুৱাহাটীতে অনুষ্ঠিত হৈছিল আৰু সেইয়া আছিল বিয়াৰ পাছত শহুৰৰ ঘৰত প্ৰথম পদক্ষেপ। গুৱাহাটীৰ কলেজ এখনৰ অধ্যাপক সাহিত্যিক মনোজৰ এই বিয়াত গাঁৱৰ ঘৰখন সিমান সন্তুষ্ট হোৱা নাছিল। তথাপি, মাক-দেউতাকে পুত্ৰৰ পছন্দৰ বোৱাৰীক স্বীকাৰ কৰি লৈছিল। মনোজে অণিমাক গাঁৱৰ চাল-চলন, ৰীতি-নীতি কিছু শিকাই দিছিল। অণিমাও বুদ্ধিমতী আৰু উপযুক্তা মাতৃৰ দ্বাৰা অসমীয়া জীয়ৰীয়ে জানিব লগা সকলোবোৰ জ্ঞানৰ দ্বাৰা দীক্ষিতা আছিল। শহুৰেকৰ ঘৰখন অণিমাৰ ভাল লাগি আহিল আৰু নিজেও ঘৰখনক আপোন কৰি ললে। এই সময়ছোৱাতে অণিমাই এনে কিছুমান অভিজ্ঞতা আহৰণ কৰিলে, যাৰ ফলত তেওঁ অন্য জীৱন এটাহে কটালে বুলি অনুভৱ কৰিলে।

"অন্য জীৱন"ত নাৰীৰ ওপৰত পুৰুষৰ অত্যাচাৰ, অবিচাৰ, লাঞ্ছনা-গঞ্জনা ইমানেই প্ৰবল যে মনোজৰ দৰে উচ্চশিক্ষিত লোকেও তাক পৰম্পৰাগত ভাবে মানি লৈ ইয়াৰ প্ৰতিবাদ কৰা নাছিল। নাৰীয়ে ত্যাগৰ নামত নিৰ্যাতিতা হোৱাৰ উদাহৰণ অণিমাই প্ৰথম শাহুয়েকৰ পৰাই পাইছিল। এনে ধৰণৰ পৰম্পৰাগত নাৰীৰ অৱহেলিত অৱস্থাৰ বাহিৰেও লেখিকাই উপন্যাসখনত কেবাটাও সৰুবৰ নাৰী নিৰ্যাতনৰ কাহিনী উল্লেখ কৰিছে। গ্ৰাম্য সমাজত সকলো দোষৰ ভাগী নাৰী। ধানবানি, পানী আনি সেৰেহা খৰি ফুৰাই ফুৰাই ভাত ৰান্ধি সকলোকে খুৱাই নিজে আধাপেটী হৈ থকাৰ পৰা কেবাজনীও ছোৱালীৰ মাতৃ হোৱালৈকে নাৰীৰ বিভিন্ন অপৰাধ সমাজত যেন সাঁচুৰ খাই আছে। মনোজৰ ভনীয়েক মাজনীয়ে তিনিজনী ছোৱালী জন্ম দিয়াৰ বাবে

পিৰিয়েৰ লগোঁদৰে মদ খাই আহি মাৰধৰ কৰাৰ ঘটনা, কনদাইটিৰ বন্তাখুড়ীৰ ওপৰত কৰা অত্যাচাৰ, মৌজাদাৰনী, নস্ত্ৰীমপুৰীয়ানী, পুতলি আদিৰ পুৰুষ প্ৰধান সমাজখনত লাঞ্ছিতা হোৱাৰ কাহিনী লিপিবদ্ধ হৈছে। সমাজৰ কোনো শ্ৰেণীৰ তিৰোতাই অৱহেলাৰ হাত সাৰিব পৰা নাই। বন্তা-খুড়ীক কনদাইটিয়ে মৈড বান্ধি পকা চপৰাৰ ওপৰেদি চোঁচৰাই নিয়াৰ ঘটনা অতি মৰ্মান্তিক। ইয়াৰ পৰিণতিত পানীকেঁচুৱা এৰি বন্তা খুড়ীয়ে টুনটুনি নৈত পৰি আত্মহত্যা কৰিছে। ইয়াৰ প্ৰতিবাদ কৰোঁতা যেন নাছিল। পাপৰ ফল হিচাপে কনদাইটিৰ শেষ অৱস্থা অতি শোচনীয় হৈ পোক লাগি মৰাৰ কথা উল্লেখ কৰা হৈছে। লেখিকাই পুতলি চৰিত্ৰটো প্ৰতিবাদী কৰি তুলি ঘুণে-ধৰা সমাজখনৰ পৰিবৰ্তনত নাৰীৰ ভূমিকা অংকণ কৰিছে। পুতলিৰ মুখত নাৰী মুক্তি আন্দোলনত আগভাগ লোৱা পুৰুষসকলৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰিছে। সমাজৰ কেৰোণ গুচাবৰ বাবে, বন্তাখুড়ীহঁতৰ দুখ মোচনৰ বাবে তেওঁৰে জীয়াৰী পুতলিয়ে সাম্যবাদত দীক্ষা লৈ উত্তৰণৰ পথ বিচাৰি কৈছে,- "সমাজ ব্যৱস্থাৰ আমূল পৰিবৰ্তন নোহোৱালৈকে আমাৰ পুৰুষ প্ৰধান সমাজখনৰ পুৰুষৰ দৃষ্টি-ভংগীবো সলনি নহয়।" লেখিকাই পুতলিৰ মুখত কোৱাইছে-"-সেই যুদ্ধ আমি পুৰুষৰ বিৰুদ্ধে নকৰো, পুৰুষৰ লগত একেলগেহে কৰো"। ইয়াৰ পৰাই লেখিকাৰ নাৰীৰ মুক্তিৰ বাবে গ্ৰহণীয় পথ উপলব্ধি কৰা যায়।

"অন্য জীৱন"ত গ্ৰাম্য সমাজৰ আচাৰ-ৰীতিৰ বাহিৰেও, যাত্ৰা-কষ্ট আৰু গাঁৱৰ প্ৰাকৃতিক শোভাই আকৰ্ষণীয় ৰূপ লাভ কৰিছে। তথাপি, উপন্যাসখনত গ্ৰহণ কৰা কিছুমান অপ্ৰয়োজনীয় বক্তব্য, উদ্ধৃতি আদিয়ে কাহিনীৰ গতি ম্লান কৰি পেলাইছে। ই প্ৰায় সংবাদ-ধৰ্মী হোৱাত ঠায়ে ঠায়ে সৌন্দৰ্য হ্ৰাস পাইছে। তথাপি, নাৰীৰ মনোজগত, উপেক্ষিতা-নিৰ্যাতিতা ৰূপ আদিৰ বাস্তৱনিষ্ঠ অন্তৰ্দাহী ছবি এখন প্ৰকাশ পাইছে।

নিৰুপমা বৰগোহাঞিৰ শেহতীয়া চুটি উপন্যাস "একেই জোন, একেই বেলি"তো নাৰীৰ অৱস্থা দাঙি ধৰা হৈছে। উৰিষ্যাৰ বাসুদেৱপুৰ গাঁৱৰ নাৰী ৰুক্মিণী পাণ্ডা অথবা কলিকতাৰ ফ্লেট নিবাসী সুপ্ৰিয়া, কাৰোৰে মূলত পাৰ্থক্য নাই। "দুয়ো গৰাকী নাৰী, কেৱল নাৰী, বচ, সেয়েই দুয়োৰে একমাত্ৰ পৰিচয়।" গতিকে, কব পাৰি যে ভাৰতীয় নাৰীৰ সমস্যা মূলত একেই। উৰিষ্যাৰ ভিতৰুৱা গাওঁ অথবা অসমৰ ভিতৰুৱা গাঁও, যতেই নহওক নাৰীৰ লাঞ্ছনা-গঞ্জনা, অৱহেলা-বঞ্চনাৰ কোনো পাৰ্থক্য নাই। লেখিকাৰ নাৰীবাদী প্ৰায়বোৰ উপন্যাসতে নাৰী-মুক্তিৰ কথা ভবা হৈছে। ইয়াৰ বাবে প্ৰগতিশীল আদৰ্শ অথবা ৰাজনৈতিক পথ গ্ৰহণৰ পোষকতা কৰিছে। "অন্য জীৱন"ত সমাজ সংস্কাৰত গুৰুত্ব দিয়াৰপৰা অনুভৱ হয় যে সমাজ পৰিবৰ্তনৰ বাবে নাৰী-পুৰুষ মিলিহে বিপ্লৱ কৰিব লাগিব। সমাজৰ মনস্তত্ত্বৰ পৰিবৰ্তন ঘটিলেহে নাৰীয়ে উপযুক্ত মৰ্যদা লাভ কৰিবলৈ সক্ষম হব। এনে ধৰণৰ প্ৰগতিবাদী চিন্তাই নিৰুপমা বৰগোহাঞিৰ উপন্যাস বিলাকত ইন্ধন যোগাইছে। সমাজ আৰু ঘৰুৱা জীৱনৰ খুটি- নাটিবোৰো বাস্তৱ দৃষ্টিৰে দাঙি ধৰিছে। নাৰীৰ মনস্তত্ত্বৰ ওপৰত গুৰুত্বাৰোপ কৰি প্ৰায়বোৰ উপন্যাসেই নায়িকা প্ৰধান কৰিছে আৰু প্ৰায় বোৰৰে কথনভংগী বৰ্ণনাত্মক। অৱশ্যে বিজয় ভবানীৰ দৰে দুটা এটা পুৰুষ চৰিত্ৰই তেওঁৰ হাতত প্ৰাণ পাই উঠিছে। প্ৰতিখন উপন্যাসৰ কাহিনী বাস্তৱ-সন্মত আৰু কঠোৰ বাস্তৱ ইয়াৰ মাজত প্ৰতিফলিত হৈছে। সমাজ সচেতন মনোভংগীৰ মাজত ব্যক্তিকেন্দ্ৰিক, পৰিয়ালকেন্দ্ৰিক চিন্তা-ভাৱনাও নথকা নহয়। তেওঁৰ শেহতীয়া উপন্যাসসমূহ কিছু প্ৰকাৰে প্ৰচাৰধৰ্মী হোৱাত, কলাত্মক গুণ প্ৰথমাৱস্থাৰ উপন্যাসকেইখনতকৈ নিম্নগামী।

শব্দ-বিন্যাস, বাক্য-চয়ন আৰু সংলাপন পদ্ধতিত কিছু খুঁত বৈ গৈছে যদিও বৰ্ণনাশক্তিয়ে সেইবোৰ দোষ অতিক্ৰম কৰি নিৰুপমা বৰগোহাঞিক এগৰাকী বিশিষ্ট ঔপন্যাসিকাৰ আসনত অধিষ্ঠিতা কৰাইছে।

৯.৩.০৩. মামণি ৰয়ছম গোস্বামী ১৯৪১-)

মামণি ৰয়ছম গোস্বামী অসমীয়া মহিলা-লেখকৰ ভিতৰতে এটা গৌৰৱৰ নাম। দিল্লী বিশ্ব-বিদ্যালয়ৰ ভাৰতীয় ভাষা বিভাগৰ অসমীয়াৰ অধ্যাপিকা গৰাকীৰ প্ৰকৃত নাম ড° ইন্দিৰা গোস্বামী। ১৯৪১ চনত গুৱাহাটীত জন্মলভা মামণিৰ পিতৃ উমাকান্ত গোস্বামী আৰু মাতৃ অম্বিকা দেৱী। শ্বিলং, গুৱাহাটী, মথুৰা, দিল্লী আদি ঠাইত জীৱনৰ মূল্যবান সময় কটাবলৈ পোৱা লেখিকা গৰাকীয়ে নিজ-অভিজ্ঞতাৰ ভঁৰালৰ মণি-মুকুতাৰে ৰচনা কৰা উপন্যাস কেইখন হ'ল,-- ১। চীনাবৰ সোঁত (১৯৬৮), ২। নীলকণ্ঠী ব্ৰজ (১৯৭৩), ৩। বহ্নিকদিনৰ চকু (১৯৭০), ৪। অহিৰণ (১৯৭৬), ৫। মামৰে ধৰা তৰোৱাল (১৯৭৯), ৬। সাপৰ ছালৰ জোতা (১৯৮০), ৭। দঁতাল হাতীৰ উয়ে খোৱা হাওদা (১৯৮১-৮২), ৮। নাঙঠ চহৰ (১৯৮০), ৯। উদয়ভানুৰ চৰিত্ৰ (১৯৮৬), ১০। জখমী যাত্ৰী (১৯৮৫), ১১। বৃদ্ধ সাগৰ, ধূসৰ গাইসা আৰু মহম্মদ মুছা (১৯৮১) ইত্যাদি। তদুপৰি তেওঁৰ আত্মজীৱনী বুলি খ্যাত "আধালেখা দস্তাবেজ"ত সংলগ্ন কৰা "জীৱনৰ এক অংশৰ দস্তাবেজ" আৰু "দস্তাবেজৰ আৰু এক অধ্যায়" উপন্যাস হিচাপেই প্ৰথমতে "অসমবাণী"ৰ বিশেষ সংখ্যাত প্ৰকাশ হৈছিল।

মামণি ৰয়ছম গোস্বামীৰ প্ৰধান উপন্যাস হিচাপে- "চীনাবৰ সোঁত," "নীলকণ্ঠী ব্ৰজ", "অহিৰণ", "মামৰে ধৰা তৰোৱাল" আৰু "দতাঁল হাতীৰ উঁয়ে খোৱা হাওদা"ক ধৰা হয়। ইয়াৰে "মামৰে ধৰা তৰোৱাল"ৰ বাবে তেওঁ ১৯৮২ চনত সাহিত্য অকাডেমী পুৰস্কাৰ লাভ কৰিছে। এই উপন্যাসখনৰ লগত একত্ৰ হৈ প্ৰকাশ পাইছিল "নাঙঠ চহৰ" আৰু "বৃদ্ধ সাগৰ, ধূসৰ গাইসা আৰু মহমদ মুছা' নামৰ আন দুখন ৰচনাই। শেষৰ খনক উপন্যাসোপম ভ্ৰমণ কাহিনী বুলি কলেহে বেছি খাপ খায়।

মামণিৰ প্ৰথম উপন্যাস "চীনাবৰ সোঁত" (১৯৬৮) প্ৰত্যক্ষ অভিজ্ঞতাৰ ফলত ৰচিত হৈছে। অসমীয়া সাহিত্যত নতুন বিষয়বস্তুৰ এক অগতানুগতিক উপন্যাস হিচাপে গুৰুত্ব লাভ কৰিছে। চীনাব (চেৰ্নাব) নদীৰ ওপৰত দলং নিৰ্মাণ কাৰ্যত নিয়োজিত এদল মুনিহ-তিৰোতা শ্ৰমিকৰ সুখ-দুখৰ কাহিনী লৈ ৰচিত উপন্যাসখনত লেখিকাই কৃতকাৰ্যতা লাভ কৰিছে। চৰিত্ৰ চিত্ৰনত গুৰুত্বাৰোপ কৰা উপন্যাসখনৰ কাহিনীত ৰঘামা আৰু স্বামী সদাশিৱৰ কাহিনীৰ সৈতে সোণীৰ কাহিনীয়ে সমান্তৰালভাবে গতি কৰিছে। সোণীৰ কাহিনীৰে উপন্যাসখন সামৰণি মৰা হৈছে। দুয়োটা কাহিনীক একেটা পটভূমিয়ে সংলগ্ন কৰাৰ বাদে আন সম্পৰ্ক স্পষ্ট নহয়। বেদনাসিক্ত হৃদয়স্পৰ্শী কাহিনী দুটা যথেষ্ট গতিশীল হোৱাত উপন্যাসখন আমনি নলগা হৈছে। ৰঘামাৰ গিৰিয়েক সদাশিৱই বেষ্ট হাউচত চকিদাৰী কৰাটোত তাই ক্ষুণ্ণ হৈছে আৰু পৰিয়ালৰ লগত মিলা-মিছা কৰা আদি প্ৰাত্যহিক জীৱন-যাত্ৰাত ব্যাঘাত জন্মিছে। সবল দেহৰ গৰাকী সদাশিৱই 'বেষ্ট হাউচ'ৰ বাইচাহাবা সকলৰ সান্নিধ্য লভি নৈতিক জ্ঞান হেৰুৱাই পেলাই উচ্চিৰ হাৰ, কাণফুলি প্ৰভৃতি চিণ্ডি লৈ যোৱালৈকে কুকাৰ্য কৰিছে। দশহাৰাত ছুটী লৈ ল'ৰা-তিৰোতাক দেওখানলৈ নিয়াৰ কথা আছিল যদিও চীনাব নদীত মাছ মাৰিবলৈ যোৱা বাবুইভৰ লগত সি যাব লগাত পৰিল। ডিনামাইট দি চাহাবইতে মৰা মাছৰপৰা ভাৰ অৰ্দ্ধহাৰী পৰিয়ালৰ বাবে ডাঙৰ চাই এটা লুকুৱাই ৰাখিছিল যদিও

মাছটো উলিয়াই দি বাঃ বাঃ লবলৈ গৈ সদাশিৱই যথেষ্ট গৰিহণা খাইছে। নিজৰ ল'ৰা-ছোৱালীৰ প্ৰতি একো কৰিব নোৱাৰাত সি যথেষ্ট দুখো পাইছে। এদিন নৈশ-ভোজ এটাত ৰাজ নামৰ চাহাব এটাই উড়ীয়া চকিদাৰ এটাৰ মুখত মদ ঢালি দিয়াত, আৰু আনবোৰে সেই ঘটনাক তামাচা ৰূপে লোৱাত সদাশিৱই তীব্ৰ প্ৰতিবাদ কৰিছে। ইয়াৰ ফলত, পাছদিনা চাহাবহঁতে তাক চীনাবৰৰ ওলোমা দলংখন বাৰম্বাৰ দৌৰি পাৰ হবলৈ দিয়াত তাৰ অৱস্থা মৃতবৎ হৈছে আৰু ঘৈণীয়েক ৰাধামাই চিঞৰ-বাখৰ কৰি চাহাবহঁতক গালি-গালাজ কৰাতহে সদাশিৱ সেইবাৰলৈ কোনোমতে ৰক্ষা পৰিছে। কিন্তু, ইয়াৰ কিছুদিনৰ পাছতে ডিনামাইটত উফৰি অহা পাথৰৰ টুকুৰাই আঘাত কৰাত সদাশিৱৰ মৃত্যু হৈছে। শ্ৰমিকৰ দুৰাৱস্থা প্ৰথমটো কাহিনীত এইদৰেই প্ৰকাশ পাইছে।

দ্বিতীয়টো ঘটনাত সোণীয়ে বালকস্বামী শিৱাম্মা নিৰুদ্দেশ হোৱাৰ পাছত নানা অৱস্থাত কটোৱা কাহিনী বৰ্ণিত হৈছে। প্ৰথমতে তাই গৌৰী শংকৰক বিয়া কৰাইছিল, কিন্তু তাৰ দুৰ্ঘটনাত মৃত্যুৰ পাছত ৰামবীৰ নামৰ এজন বুঢ়াক তাই আশ্ৰয় হিচাপে ললে। এই ঘটনাৰ বাবে তাই নানাজনৰ সমালোচনাৰো সম্মুখীন হ'ল। এদিন অতি আচৰিতভাৱে শিৱাম্মা আহি সোণীৰ ওচৰত উপস্থিত হ'ল। প্ৰথমতে তাই তাক প্ৰশ্ৰয় নিদিয়াত সি এজনী বাঙ্গালী চাহেবৰ প্ৰতি অনুৰাগ দেখুৱালে। এইদৰে এটা জটিল পৰিস্থিতিৰ সম্মুখীন হৈ এদিন সোণী-শিৱাম্মাৰ পুনৰ্মিলন ঘটিল। ইহঁতৰ পাৰস্পৰিক আকৰ্ষণ অনুৰাগ আদি সৰৱ হৈ উঠাত কাহিনীটোৰ আবেদন চিত্তাকৰ্ষক হৈ উঠিছে।

"চীনাবৰ সোঁত"ত কাহিনীতকৈ বিভিন্ন অৱস্থা আৰু পৰিবেশৰ পৰা অহা শ্ৰমিক নাৰী-পুৰুষ, দৰিদ্ৰতাৰ হেঁচাত ভাগিপৰা নৈতিকতা আৰু অৰ্থনৈতিক স্বচ্ছলতাই সৃষ্টি কৰা উশৃংখলতা, অত্যাচাৰ, অবিচাৰ, ব্যভিচাৰ আদি চিত্ৰৰ সৈতে জড়িত চাৰিত্ৰৰ প্ৰাধান্য ঘটিছে। শ্ৰমিক সকল যে একেবোৰ শোষণ, বঞ্চনা, প্ৰবঞ্চনাৰ বলি তাক এই উপন্যাসত দাঙি ধৰাত লেখিকা কৃতকাৰ্য হৈছে। চীনাবৰৰ শ্ৰমিকসকল ৰাজস্থান, পঞ্জাব, মধ্যপ্ৰদেশ, উড়ীষ্যা, গাড়োৱাল আদি বিভিন্ন প্ৰান্তৰৰ পৰা আহিছে। দৰিদ্ৰতাই সিহঁতৰ পৰিচয়। সিহঁতবোৰ কোম্পানীৰ (ঠিকাদাৰ) বলি। শ্ৰমিকৰ ওপৰত চলি অহা শোষণৰ চিত্ৰ এখনো ইয়াত ফুটি ওলাইছে। লেখিকাই একাধিক ঠাইত শোষণকাৰী কোম্পানীৰ আৰু শোষণৰ যন্ত্ৰস্বৰূপ চাহাবসকলৰ বিৰুদ্ধে ক্ৰোধ উদ্‌গীৰণ কৰিছে। বনুৱাসকলে কেতিয়াবা কোম্পানী বা চাহাবসকলৰ বিপক্ষে বিদ্ৰোহ কৰিব বিচাৰিলেও প্ৰকৃত সংঘবদ্ধতাৰ অভাৱত নাইবা মালিক-শ্ৰেণীয়ে দেখুৱা সাধাৰণ অনুগ্ৰহতে সন্তুষ্টি প্ৰকাশ কৰে। চৰিত্ৰবোৰৰ ভিতৰত সোণীক লেখিকাই বিশেষ গুৰুত্ব দিছে। নায়ক-নায়িকা বিচাৰি লব নোৱাৰা বা প্ৰাধান্য নথকা উপন্যাসখনত সোণী, শিৱাম্মা, সদাশিৱ, ৰঘামা, ৰামবীৰ, পাৰ্বতীহঁতৰ চাৰিত্ৰিক বৈশিষ্ট্যই সেই অভাৱ পূৰণ কৰিবলৈ ওলাইছে। এই সৰু সৰু মানুহবোৰৰ দুখ-যন্ত্ৰনাৰ মাজত বহুতো দুৰ্বলতা থাকিলেও, মানুহৰ সন্মানবোধ নথকা নহয়। সদাশিৱৰ মাজত তেনে অনুভৱেই হয়। "লেখিকাই চৰিত্ৰাৱলী সহানুভূতিৰে অংকণ কৰিছে, কিন্তু সৰহভাগ চৰিত্ৰৰে খণ্ডিত বা পাৰ্শ্বৰূপহে দেখা পাওঁ। বনুৱাবোৰৰ, বিশেষকৈ বনুৱা নাৰীচৰিত্ৰ কেইটাৰ আচৰণ, বিশ্বাস, দন-খৰিয়াল আদিৰ বাস্তৱ-চিত্ৰ উপন্যাসখনৰ অন্যতম বৈশিষ্ট্য।"[১৪] চৰিত্ৰ চিত্ৰনত লেখিকাৰ সূক্ষ্ম-পৰ্যবেক্ষণশক্তি আৰু মননশীলতাৰ পৰিচয় আছে। তদুপৰি, চীনাব (চন্দ্ৰভাগা) নদীৰ উৎসস্থলৰ দেৱ-দেৱী, জীৱনধাৰা, সেই অঞ্চলৰ দৈনন্দিন জীৱনৰ প্ৰতিচ্ছবি আদিৰ চিত্ৰনে এই উপন্যাস কিছু পৰিমাণে আঞ্চলিকতাৰ পৰ্য্যায়লৈ লৈ গৈছে।

১৪. সত্যেন্দ্ৰনাথ শৰ্মা, "অসমীয়া উপন্যাসৰ গতিধাৰা", পৃ. ২২১

সৰ্বোপৰি, বৰ্ণনাৰ সাৱলীল গতি, ভাষাৰ পৰিমিত প্ৰয়োগ, আঞ্চলিক শব্দৰ তাৎপৰ্যপূৰ্ণ প্ৰয়োগ আৰু কাহিনীকথনৰ কৌশলে উপন্যাসখনক অনন্য কৰি তুলিছে।

"নীলকণ্ঠী ব্ৰজ" মামণি গোস্বামীৰ "নিজৰ পৰ্যবেক্ষণেৰে একপ্ৰকাৰ সামাজিক প্ৰমূল্য থকা বৃন্দাবনৰ ছবিৰে"[১৫] অনবদ্য ৰচনা। ব্ৰজধামৰ নানা আনুষঙ্গিক বৰ্ণনা সমৃদ্ধ এই উপন্যাসত তাৰ সত্তা আৰু অবয়বৰ এখন পূৰ্ণাঙ্গ দলিলৰূপে পৰিগণিত হৈছে। ইয়াত ব্ৰজধামৰ প্ৰাচীনতা, ঐতিহ্য, ধৰ্মীয় আদৰ্শ, পূজা-পাৰ্বন, পণ্ডিত-ধৰ্মাচাৰ্য, কলা-কৃষ্টি, শিল্পী, মুক্তিকামী ৰাধেশ্যামী আদিৰ সবিশেষ দাঙি ধৰাৰ লগতে লেখিকাই ব্ৰজধামৰ গোপন ব্যাধি স্বৰূপ কামনা-বাসনাৰ কুৎসিৎ ৰূপ এটাও অঙ্কন কৰিবলৈ সক্ষম হৈছে। দাৰিদ্ৰ্যৰ প্ৰকটৰূপ, পূজাৰী আৰু মন্দিৰ কৰ্তৃপক্ষৰ দুৰ্নীতি, যৌন-ব্যভিচাৰ আদিৰ মাজত বিকৃত হৈ পৰা একালৰ পবিত্ৰ তীৰ্থস্থান ব্ৰজধামত কটাবলৈ অহা নাৰীসকলৰ কাৰুণ্যই উপন্যাসখনত প্ৰাধান্য লাভ কৰিছে। ব্ৰজধামৰ এই সকৰুণ জীৱনযাত্ৰাত যোগদিয়া তিনিগৰাকী নাৰী– গাভৰু বিধবা সৌদামিনী, অবিবাহিতা প্ৰৌঢ়-বয়স্কা গাভৰু মৃণালিনী আৰু সংসাৰত আপোনবিহীন কুৰিবছৰীয়া গাভৰু শশীক মুখ্য কৰি উপন্যাসৰ কাহিনীভাগ গঢ় লৈছে। সৌদামিনীয়েই ইয়াৰ ভিতৰত মুখ্য নাৰী চৰিত্ৰ। এওঁৰ সংক্ষিপ্ত কাহিনী হ'ল– ডাঃ ৰায়চৌধুৰীৰ একমাত্ৰ কন্যা সৌদামিনীৰ স্বামীৰ অকাল বিয়োগ হোৱাত কম বয়সতে বিধবা হ'ল। স্বামীয়ে মনত বিশেষ প্ৰভাৱ পেলাব নোৱাৰাত এজন খ্ৰীষ্টিয়ান যুৱকক তাই ভাল পাবলৈ ধৰিলে। জাত-ধৰ্মৰ অমিল হোৱাৰ লগতে বিধবা জীয়েকৰ কৰ্ম বক্ষণশীল মাক অনুপমাই সমৰ্থন নকৰিলে। সৌদামিনীৰ মন পৰিষ্কাৰ কৰাৰ মানসেৰে ৰায়চৌধুৰীৰ পৰিয়াল ব্ৰজধামলৈ গৈ আজোককাকৰ দিনৰে পৰা তাত থকা হস্পিতালখন সজাই পৰাই আৰ্তজনৰ সেৱাত ব্ৰতী হৈছে। জীয়েকৰ মানসিক পৰিৱৰ্তন নোহোৱাত গাভৰুকালত যক্ষ্মাক্ৰান্ত অনুপমাৰ আকৌ অসুখ আৰম্ভ হৈছে আৰু যেতিয়াই তেতিয়াই জীয়েকৰ প্ৰেমিক খ্ৰীষ্টিয়ান যুৱকৰ আগমনৰ আশঙ্কাই বিব্ৰত কৰি ৰাখিছে। সৌদামিনীয়ে প্ৰথমে দেউতাকক সহায় কৰিলেও পাছলৈ ব্ৰজধামৰ বিভিন্ন অৱস্থা আৰু ঘটনাৰ মাজত নিজক বিচাৰি ফুৰিছে যদিও তাইৰ মানসিক অৱস্থা একেই আছে আৰু মনৰ পৰা প্ৰেমিকজন আঁতৰি নোযোৱা এটা ব্যাকুলতাত তাই অন্তৰ্দ্বন্দ্বত ক্ষত-বিক্ষত হৈ পৰিছে। নিজৰ ইচ্ছানুসৰি জীয়াই থকাৰ স্বাধীনতাৰ দাবীত পৰম্পৰাগত ব্যৱস্থাৰ প্ৰতি তাই বিদ্ৰোহ কৰিছে। ইফালে ৰায়চৌধুৰীৰ অৰ্থাভাৱ, অনুপমাৰ বেমাৰৰ তীব্ৰতা আদিৰ মাজত সেই খ্ৰীষ্টিয়ান প্ৰেমিকৰ হাতত ডাক্তৰে জীয়েকক সমৰ্পণ কৰিছে। কিন্তু, প্ৰেমিকক নিবিড়ভাৱে লগ পোৱাৰ পাছত ৰাতিৰ ধুমুহাত বাঢ়ি অহা যমুনাৰ পানীত সৌদামিনীয়ে আত্ম-বিসৰ্জন দিছে। উপন্যাসখনৰ এইটোৱেই মূল কাহিনী।

মৃণালিনীৰ কাহিনীমতে,– তাইৰ পিতাক ঠাকুৰ চাহাব ব্ৰজধামৰ এটা মন্দিৰৰ অধিকাৰী। ডেকাকালৰ ব্যভিচাৰত ধন-সম্পত্তি উৰাই দি বিক্তাৱস্থাত ব্ৰজধামলৈ আহি বাস কৰিবলৈ লৈছে। লগত দুকুৰি বছৰীয়া অবিবাহিতা জীয়েক মৃণালিনী আৰু উন্মাদ-ৰোগগ্ৰস্তা পত্নী। অৱশেষত তেওঁ অন্ধ হৈ পৰিছে। অৰ্থ-সম্পদ শেষ কৰি এদিন মন্দিৰটো বিক্ৰী কৰি দি ঠাকুৰচাহাবহঁত এটা 'ঘুণৰিত' থাকিবলৈ ললে। ঘৈণীয়েকৰ উন্মাদনা তীব্ৰতৰ হৈ উঠিল। জীয়েক মৃণালিনীৰ সকলো আকাংক্ষা বাপেকৰ বাবেই নিঃশেষ হ'ল যদিও মাতৃত্বৰ কামনা এটাই তাইক উন্নাউল কৰি তুলিলে। ব্ৰজধামৰ পৰিৱেশে তাইৰ গাভৰু মন প্ৰশমিত কৰিব নোৱাৰিলে। ৰথযাত্ৰাৰ দিনাখন অনুতপ্ত আত্ম-দগ্ধ ঠাকুৰ চাহাবে ৰথৰ চকাত পৰি আত্মহত্যা কৰিবলৈ বাধ্য হ'ল।

---

১৫. মহেন্দ্ৰ বৰা, "ৰূপৰেখা", পৃ. ৩০৫

কুৰি বছৰীয়া গাভৰু শশীৰ কাহিনীও মৰ্মান্তিক। তাই যেন ব্ৰজবাসী জীৱনৰ ঠেকহীন প্ৰতীক। তাই সকলো আত্মীয় স্বজন হেৰুৱাই আশ্ৰয়হীনা হৈছে। ব্ৰজধামতে ডাঙৰ-দীঘল হৈ তাই কুৰিবছৰীয়া হৈছে। ঠাকুৰ চাহাবৰ মন্দিৰৰ পূজাৰী আলমগড়ীৰ আশ্ৰিতা হোৱাত শশীক সকলোৱে তাৰ ৰক্ষিতা জ্ঞান কৰে। কিন্তু, সি নপুংসক আছিল। ঠাকুৰ চাহাবে মন্দিৰ বিক্ৰী কৰাত তায়ো স্বতন্ত্ৰভাৱে এটা 'খুপৰি'ত থাকিবলৈ ললে। এদিন আলমগড়ীৰ মৃত্যু হোৱাত শশী সম্পূৰ্ণ নিৰাশ্ৰয়া হৈ পৰিল। এনেতে তাই ভাল পালে নিষ্কলুষতাৰ প্ৰতীক বালক ব্ৰহ্মচাৰীক। এই ভালপোৱাত কোনো স্বাৰ্থ বা দাবী নাই। তথাপি তাই হৃদয়াবেগত বালক ব্ৰহ্মচাৰীক সদায়ে পবিত্ৰ, নিষ্কলুষ, সৎ আৰু মহান হৈ থকাৰ কামনা কৰিছে। "এইয়ে তাইৰ প্ৰিয়তম। তাইৰ প্ৰিয়তমক ঠিক এনে হোৱাই তাই বিচাৰিছিল। আপোনা আপুনি দুয়ো নয়ন ভৰি আহিল তাইৰ।" প্ৰিয়তম আৰু প্ৰেম সম্পৰ্কে গভীৰ দৃষ্টি ইয়াতেই ফুটি ওলাইছে। এইয়ে শ্ৰেয়স।

এইকেইটাৰ উপৰিও শেৰাফী শেঠনী, শিল্পী চন্দ্ৰভানু, ৰাকেশ, চৰণবিহাৰী পাণ্ডা আদিৰ কাহিনীয়ে "নীলকণ্ঠী ব্ৰজ"ক ৰমনীয় কৰি তুলিছে। এইবোৰ কাহিনী লেখিকাই বৃন্দাবনত কটোৱা দুটা বছৰত (১৯৬৮-৭০) আহৰণ কৰিছিল। এই সময়ত বৃন্দাবনলৈ দ্ৰুত পৰিবৰ্তন আহিছিল। লেখিকাৰ ভাষাত– "এজন সমালোচকৰ ভাষাত এই পৰিবৰ্তন প্ৰতিফলিত হৈছিল অনাহাৰী ৰাধেশ্যামী সকলৰ জীৱনৰ তুচ্ছতাত, গ্লানিত, অভাৱগ্ৰস্ততাত, ধৰ্মৰ নামত চলা স্ত্ৰী-সংস্ৰৱৰ অদ্ভুত কাণ্ডত, অষ্টধাতুৰ শিল্পীসকলৰ সম্বলহীনতাত, প্ৰমাণিত হৈছে দুৰ্গন্ধক নেওচা দি কিঞ্চিৎ অৰ্থৰ বাবে মৰা শ পৰ দি থকা দৰিদ্ৰ বিধৱাইতৰ যন্ত্ৰণাত। এই সমস্তই প্ৰমাণ দিছে অবক্ষয়ৰ, আৰু ইয়াৰ মূলতে আছে সমস্যা। অৰ্থনৈতিক সমস্যা। ধৰ্মক্ষেত্ৰলৈ ভাঙোন আহিছে। মোৰ উপন্যাসত দেখুওৱা বিগ্ৰহৰ গাৰ কাপোৰ টানি নি মথুৰাৰ হাটত বিক্ৰী কৰা আদি অনেক কাৰ্যই এখন শোষিত সমাজত ক্ৰমান্বয়ে পৰি যাবলৈ ধৰা ছবি আঁকি দেখুৱাবলৈ চেষ্টা কৰা হৈছিল।"[16] ঔপন্যাসিকাই দক্ষতাৰে এই চিত্ৰ কিছুমান চৰিত্ৰৰ মাজেদি প্ৰকাশ কৰিছে। চৰিত্ৰৰ ভিতৰত প্ৰধান তিনিটা নাৰী চৰিত্ৰক ব্ৰজই একো দিব পৰা নাই, আনকি শশীয়েও ব্ৰজধামত ডাঙৰ-দীঘল হৈয়ো বিশেষ একো লাভ কৰা নাই। সিহঁতৰ হাহাকাৰ অক্ষয় হৈয়ে ৰৈছে। সৌদামিনীয়ে অৱশেষত দেউতাকৰ উদাৰ মনোবৃত্তিৰ বাবে প্ৰেমিকক মাজৰাতি যমুনাৰ তীৰত লগ পাই ক্ষণিকলৈ আত্মবিভোৰ হৈছে যদিও ৰাতিৰ ধুমুহাত উদ্বাউল যমুনাৰ পানীয়ে তাইক সাৱটি লৈছে। মৃণালিনীও মাতৃত্বৰ বাবে বাউলী হৈ ৰৈছে, কিন্তু শশীয়ে বালক ব্ৰহ্মচাৰীৰ প্ৰতি গভীৰ অনুৰাগত তৃপ্ত হবলৈ যত্ন কৰিছে। ঠাকুৰ চাহাবে ৰথৰ চকাত আত্ম বিসৰ্জন দি মুক্ত হবলৈ ওলাইছে। ৰাধেশ্যামীহঁতৰ অৱস্থাও একেই। মৃত্যুৱেই যেন মুক্তিৰ পথ। সৌদামিনীৰ মাতৃ অনুপমাৰ মানসিক উদ্বিগ্নতা, মৃণালিনীৰ মাকৰ উন্মাদিনীৰূপ, শেৰাফী শেঠনীৰ সন্তান কামনাৰ তীব্ৰতা আদিৰ লগতে ভাংগী গাভৰু, আলমগড়ী, মহাদেৱ পণ্ডিত, চন্দ্ৰভানু, চৰণবিহাৰী পাণ্ডা আদি সকলৰ চৰিত্ৰৰ সমাবেশত উপন্যাসখন দুখ-যন্ত্ৰণা, ব্যভিচাৰ-অত্যাচাৰ আদি বিষাক্ত অৱস্থাৰ চিত্ৰন হৈ পৰিছে। যুগ যুগ ধৰি চলি অহা হাহাকাৰময় বিষাক্ত দুৰাৱস্থাক হজম কৰি ব্ৰজ যেন নীলকণ্ঠী হৈ পৰিছে। যিয়েই কি নহওক, "নলীকণ্ঠী ব্ৰজ" ই ব্ৰজধামৰ বাহ্যিক আৰু অন্তৰালিক সত্তা প্ৰকাশ কৰাত কৃতকাৰ্য হৈছে। ব্ৰজৰ বিভিন্ন প্ৰাকৃতিক-অপ্ৰাকৃতিক দৃশ্যাৱলীৰ চিত্ৰনৰ লগতে ব্ৰজৰ

---

১৬. মামনি ৰয়ছম গোস্বামী, "মই লিখা উপন্যাসমূহ", "জন্মভূমি", শাৰদীয় সংখ্যা, ১৯৮৩

অতীত-বৰ্তমান প্ৰাণময় কৰি তোলাত আঞ্চলিক উপন্যাসৰ শাৰীলৈ গতি কৰিছে। "নীলকণ্ঠী ব্ৰজ" এখন যথাৰ্থনামা আঞ্চলিক উপন্যাসৰূপেও স্বীকৃত হ'বৰ যোগ্য।"১৭

'নীলকণ্ঠী ব্ৰজ"ৰ ভাষা সহজ সৰল। চুটি চুটি বাক্যৰ আকৰ্ষণীয় বৰ্ণনাভংগীয়ে আৰু ইয়াৰ দ্ৰুত গতিশীলতাই অনবদ্য ৰূপ প্ৰদান কৰিছে। গণচৰিত্ৰৰ দুখ-যন্ত্ৰণাত গুৰুত্বাৰোপ কৰাত লেখিকাক প্ৰগতিশীল মৰ্যদাৰ অধিকাৰী কৰি তুলিছে।

"অহিৰণ" নামনি বয়ছম গোস্বামীৰ শ্ৰমিক জীৱনত আলোকপাত কৰা আন এখন উল্লেখযোগ্য ৰচনা। "চীনাবৰ সোঁত"ৰ দৰেই এইখন উপন্যাসতো মধ্যপ্ৰদেশৰ অহিৰণ নদীৰ একুৱাডাক্ট (aquaduct) নিৰ্মাণকাৰী কোম্পানী, কাৰ্যাধ্যক্ষ, কৰ্মচাৰী, শ্ৰমিক আদি এদল লোকৰ ঘটনা অনুধাবন কৰি কাহিনীভাগ আগবাঢ়িছে। তিনিটা চৰিত্ৰক প্ৰাধান্য দি ৰচনা কৰা "অহিৰণ"ত উচ্চপদস্থ, নিম্নপদস্থ ইঞ্জিনিয়াৰ, কাৰ্যালয়ৰ কৰ্মী, ধোবা-নাপিত, ট্ৰাক-চালক, ৰান্ধনি আদি সৰু-সুৰা চৰিত্ৰৰ বিভিন্ন সংঘাত আৰু পাৰস্পৰিক সম্বন্ধৰ খতিয়ান দাঙি ধৰা হৈছে। প্ৰধান চৰিত্ৰৰ ভিতৰত কৰ্মথলীখনৰ মেনেজাৰ হৰ্শুল চাহাব আৰু পাকিস্থানী ধোবা আজিজ মিঞাৰ মানবীয় সম্পৰ্ক উপন্যাসখনৰ ঘাই দিশ। তৃতীয়টো চৰিত্ৰ নিৰ্মলা নামৰ এগৰাকী নাৰী। এই চৰিত্ৰটো হৰ্শুল চাহাবৰ সৈতে জড়িত হোৱাত কাহিনীত স্থান লাভ কৰিছে।

প্ৰৌঢ়ত্বৰ ছাপ পৰা উচ্চ-পদস্থ হৰ্শুল চাহাবক কেন্দ্ৰ কৰি কাহিনী ধীৰ গতিৰে আগবাঢ়িছে। নিজ কৰ্তব্যৰ বাহিৰে অন্যচিন্তাত সময় খৰছ নকৰা হৰ্শুলে এদিন বিয়া-বাৰুৰ প্ৰতি আওকাণ কৰা মনোবৃত্তিৰ সলনি ঘটাই ভাটী বয়সত সংসাৰ পতাৰ চিন্তাত ব্যাকুল হ'ল। এই সংঘাতত তেওঁ অস্থিৰ হৈ উঠিল। বয়স থাকোতেই বিয়া পাতিব লাগে বুলিও তেওঁ আনক পৰামৰ্শ দিয়া হ'ল। ধীৰ-স্থিৰ, কৰ্তব্য পৰায়ণ, নিষ্ঠা, সততা আৰু মানবীয়বোধৰ দ্বাৰা পৰিচালিত হৰ্শুলৰ মনত এক গভীৰ বিষাদবোধ অনুভৱ কৰা যায়। উচ্চ শিক্ষিত এইজন লোকৰ বন্ধু হ'ল পাকিস্থানী আজিজ মিঞা। ভাৰতত থকা মাতৃৰ অসুখত দেখা কৰিবলৈ অহা আজিজে মৃতা মাকৰ অনুৰোধক্ৰমে তেওঁৰ মকবৰা নিৰ্মাণ কৰাৰ আশাৰেই কোম্পানীৰ কামত সহযোগ কৰে। আজিজ মিঞা ইতিমধ্যে বৃদ্ধ হৈ পৰিছে। তথাপি, মাকৰ ইচ্ছা পূৰ্ণ কৰি সমাধি নিৰ্মাণৰ বাবে দুই চাৰি পইচা ৰাহি কৰি আনি হৰ্শুলৰ হাতত জমা থয়হি। এনেকৈয়ে দুয়োৰ মাজত বন্ধুত্ব গাঢ় হৈ উঠিল।

এনে অৱস্থাতে হৰ্শুলৰ জীৱনলৈ নিৰ্মলা আহিল। নিৰ্মলা যথেষ্ট ব্যতিক্ৰমী চৰিত্ৰ। কলেজত পঢ়ি থকা সময়তে সহপাঠী ছাত্ৰ এদলৰ দ্বাৰা বজাৰৰ মাজত ধৰ্ষিতা হোৱা নিৰ্মলাক বাপেকে যক্ষ্মা ৰোগাক্ৰান্ত পাণ্ডে নামৰ এজন ইঞ্জিনিয়াৰলৈ বিয়া দিছিল, কিন্তু, তাৰ বেমাৰ বেছি হৈ অহা অৱস্থাতে হৰ্শুলৰ প্ৰতি তাই অনুৰাগী হৈ উঠে।

হৰ্শুল প্ৰথম প্ৰেমৰ চাকনৈয়াত পৰে আৰু পাণ্ডেৰ মৃত্যুৰ পাছত তাই আশ্ৰয় বিচৰাত আজিজ মিঞাৰ আপত্তি নামানি তাইক সি বিয়া কৰালে। হৰ্শুলৰ দ্বাৰা মাতৃত্ব লাভৰ আশা নেদেখি ডেকা অভিযন্তা মহেশ ঠাকুৰৰ প্ৰেম উপেক্ষা কৰিব নোৱাৰি নিৰ্মলাই আত্ম সমৰ্পণ কৰিলে। তাই অন্তঃসত্বা হ'ল, কিন্তু সুখী হ'ব নোৱাৰি বিবেকৰ তাড়নাত বাঢ়ি অহা গৰ্ভ ভুকুৱাই ভুকুৱাই নষ্ট কৰি পেলালে। "সনাতন সংস্কাৰ ছাৰখাৰ কৰি নতুন প্ৰথাৰ জীৱন গঢ়ি তোলাৰ সপোন" বিফলে গ'ল। উপন্যাসখনত তিনিওটা প্ৰধান চৰিত্ৰৰ আশা ফলৱতী হোৱা নাই। মাকৰ মকবৰা সজাৰ আগতে আজিজৰ মৃত্যু

---

১৭. প্ৰফুল্ল কটকী, "স্বাধীনোত্তৰ অসমীয়া উপন্যাস", পৃ. ৮৭

হ'ল। এখন সুখৰ সংসাৰ ৰচনা কৰিবলৈ গুলোৱা হৰ্ষুলৰ আশা পূৰ্ণ নহ'ল। আনকি মাতৃত্বৰ মাজত নিজৰ পূৰ্ণতা বিচৰা নিৰ্মলাৰো শেষত আশাভঙ্গ হৈছে। "-কত যে লাঞ্চনা আৰু তিতীক্ষা সহ্য কৰাৰ পাছত ভাব হৈছিল- এইবাৰ জীৱনক পালোঁ-এইবাৰ জীৱনক ধৰি ৰাখিম। ছাঁয়া হৈ মোৰ সন্তাৱ সৈতে মিহলি হৈ থকা নিঃসঙ্গতাৰ যন্ত্ৰণাৰ পৰা মুক্তি পাব পাৰিম -কিন্তু কি যে হ'ল এয়া - মই ৰাৰু 'ফেলিয়ৰ' নহয়নে ?" নিৰ্মলা আৰু হৰ্ষুলৰ চৰিত্ৰত যথেষ্ট বৈপৰীত্য দেখা যায়। উপন্যাসখনৰ পাৰ্শ্বচৰিত্ৰবোৰ যথাযথভাৱে বৰ্ণিত হৈছে। ডেকা-অভিযন্তা জীৱৰাম দাস, ড্ৰাইভাৰ যোছেফ, ৰান্ধনি মনচা, ননীবাঈ, কদম, টাইমকিপাৰ দুৰ্যোধন ঠাকুৰ আদিৰ চৰিত্ৰই কাহিনী পৰিবৰ্ধনত সহায় কৰিছে।

"অহিৰণ" কেৱল উপন্যাসৰ দাবীত ৰচনা কৰা গ্ৰন্থ নহয়। লেখিকাৰ মতে "মধ্যপ্ৰদেশৰ ভিতৰুৱা গাঁওবোৰত দৰিদ্ৰতাৰ বৰ ভয়ঙ্কৰ ছবি মই দেখিছিলো। অহিৰণৰ ওচৰত কেবাটাও উদ্যোগ ......। অহিৰণৰ ওচৰে পাঁজৰে থকা গাঁওবোৰলৈ এই কল-কাৰখানাবোৰত কাম কৰা অনেক লোকৰ যাতায়ত হৈছিল। ফল স্বৰূপে অনেক যুৱতী কু-পথে গৈছিল। ---- অনেক অবিবাহিতা যুৱতীৰ দুই তিনিটাকৈ জাৰজ সন্তান থকাৰ কাহিনী মই শুনিছিলোঁ। .....'চাইট'ৰ ওচৰত 'মহুৱা'ৰে কৰা মদৰ ভাটি এটাত শ্ৰমিক আৰু গাঁওবাসীৰ আড্ডা বহিছিল। এই ভাটিৰ ওচৰতে মই আছিলো।..."[১৮] এইবোৰ ঠাইৰ সমল আৰু অভিজ্ঞতা লৈ "অহিৰণ" ৰচনা কৰাত মধ্যপ্ৰদেশৰ অৰ্থনীতি, গ্ৰাম্য-সমাজ, ভৌগোলিক পটভূমি, অতীতৰ ইতিহাস আদিৰ আভাস পোৱা যায়। ছত্ৰীছগড়ী শাসন, দণ্ডকাৰণ্যত পুনৰ্সংস্থাপন, দেবী দন্তেশ্বৰীৰ মহিমা, শ্ৰমিক আন্দোলন, 'ৱাৰ্ক-চাইট' বা কৰ্মথলীৰ আশে-পাশে থকা মাছুৱৈ আদি মানুহৰ দুৰ্দশা, সামাজিক অনগ্ৰসৰতা, অৰ্থনৈতিক দুৰাৱস্থা, শোষণ আদি চিত্ৰৰ ইয়াত সুন্দৰকৈ পৰিস্ফুটন ঘটিছে। তদুপৰি কোম্পানীৰ চৰিত্ৰ আৰু নিৰ্মাণ কাৰ্যাদিৰ বিৱৰণ আকৰ্ষণীয় হৈছে। "অহিৰণ"ৰ প্ৰধান বৈশিষ্ট্য হ'ল গভীৰ মানবতাবোধ। ৰেখাচিত্ৰৰ দৰে সৰু সৰু মানুহৰ জীৱনচিত্ৰ মনোৰম বৰ্ণনাভঙ্গীৰে দাঙি ধৰাত লেখিকা কৃতকাৰ্য হৈছে। বাস্তবানুগ চুটি চুটি সংলাপবোৰেও উপন্যাসখনৰ সাৱলীলতা বৃদ্ধিত সহায় কৰিছে। অৱশ্যে, ঠায়ে ঠায়ে ভাষাৰ ভুল প্ৰয়োগ, উপমাদিৰ পুনৰাবৃত্তি, অপ্ৰয়োজনীয় ক্ষেত্ৰত অন্য ভাষাৰ শব্দ আহৰণ আদি দোষ পৰিলক্ষিত হয়।

"মামৰে ধৰা তৰোৱাল" মামণি ৰয়ছম গোস্বামীৰ গুৰুত্বপূৰ্ণ উপন্যাস। এই উপন্যাসৰ বাবেই ১৯৮২ চনত 'সাহিত্য অকাডেমী'ৰ পুৰস্কাৰ লাভ কৰিছে। তদুপৰি শ্ৰমিক জীৱনক লৈ ৰচিত তেওঁৰ উপন্যাসৰাজিৰ ভিতৰত এইখন সৰ্বশ্ৰেষ্ঠ। "চীনাৱৰ সোঁত"ত ঠেকহীন শ্ৰমিক জীৱনৰ দুৰ্দশা, "অহিৰণ"ত সংগঠনৰ প্ৰয়োজন আৰু "মামৰে ধৰা তৰোৱাল"ত শ্ৰমিক আন্দোলন তুঙ্গী হৈ উঠিছে আৰু নেতা-উপনেতাৰ কাৰ্যৰ দ্বাৰা ইয়াৰ স্বৰূপ-চৰিত্ৰ স্পষ্টৰূপত জিলিকি উঠিছে।

উত্তৰপ্ৰদেশৰ ৰায়বেৰেলী জিলাৰ সাইনদীৰ 'একুৱাডাক্ট' বন্ধা 'ডানকান কনষ্ট্ৰাকচন কোম্পানী'ৰ অস্থায়ী শ্ৰমিক চাটাইক কেন্দ্ৰ কৰি কাহিনীভাগ গঢ়ি উঠিছে। হৰিজন পৰ্যায়ৰ সমাজৰ অৱহেলিত শ্ৰেণীৰ দৰিদ্ৰ শ্ৰমিক সকলক সকলোফালৰ পৰা কৰা বঞ্চনাৰ কৰুণ চিত্ৰ প্ৰকাশ পাইছে। শ্ৰমিক সংগঠনত আগতে হৰিজন সকলৰ প্ৰতিনিধি নাছিল। সিহঁতৰ দীৰ্ঘদিনীয়া দাবীৰ পৰিপ্ৰেক্ষিতত যশোৱন্ত নামৰ এজন মেম্বাৰ নিয়োগ হ'ল। যশোৱন্তই এটা অসহায় অৱস্থাৰ মাজেদি ধৰ্মঘট প্ৰত্যক্ষ কৰিছে।

১৮. মামনি ৰয়ছম গোস্বামী, "মই লিখা উপন্যাসসমূহ", "জনমভূমি", শাৰদীয় সংখ্যা, ১৯৮৩

মজদুৰসকল এনেদৰে শোষিত হৈছে যে দুখন কটিৰ অভাৱত অখাদ্য ভক্ষণ, ক্ষুধাৰ বাবেই নাৰীয়ে দেহবিক্ৰী কৰাৰ দৰে নৈতিক স্খলন ঘটিছে। বছৰৰ পাছত বছৰ অস্থায়ী হৈ থাকি চাটাইৰ মুখামুখি হোৱা শ্ৰমিকৰ আন্দোলন 'লোকেল লীডাৰ'ক হাত কৰি লৈ কোম্পানীয়ে মষিমূৰ কৰাৰ কৌশলগত চিত্ৰ দাঙি ধৰা হৈছে। লোকেল লীডাৰৰ পৰামৰ্শত বিভ্ৰান্ত হৈ মূলৰ অনুমতি নোলোৱাকৈ শাখাই ধৰ্মঘট কৰাৰ বাবে ইউনিয়নে কেন্দ্ৰীয় সমিতিৰ সহায় লাভ কৰিব পৰা নাই। দীৰ্ঘদিনীয়া আন্দোলনত দুবেলা কটিৰ ব্যৱস্থা নোহোৱাত ধৰ্মঘটকাৰী হিংস্ৰ হৈ উঠিছে। অৱশেষত পৰামৰ্শদাতা লোকেল লীডাৰৰ পলায়ন আৰু ধৰ্মঘটকাৰীৰ হিংস্ৰতাৰ ভয়ত কোম্পানীৰ নিৰ্দেশ মানি ইউনিয়নৰ মেম্বাৰসকলে চুক্তিত চহী কৰি 'ফাইনাল' লৈ অন্য শাখালৈ বদলি হৈ গুচি গৈছে। হৰিজন প্ৰতিনিধি যশোৱন্তকো ফাইনাল দিয়া হৈছে। সংখ্যাত তাকৰীয়া বেৰেকত থকা হৰিজন কৰ্মীসকলকো এই সুবিধা দিয়াত, যশোৱন্তই প্ৰথমে ইয়াক গ্ৰহণ কৰিলেও, বিবেকৰ দংশনত আধা বাটৰ পৰা সি উভতি আহিছে। সি বিগত দহোটা বছৰত সত্য আৰু নীতিৰ পোহৰ দেখা নাপালে। সাধাৰণ শ্ৰমিকক প্ৰতাৰণা কৰিব নোৱৰিলে বাবেই, চাটাই হোৱা ক্ষুধাতুৰ শ্ৰমিকে সাইৰ বালিত তাক পুতি খোৱাৰ ভয় নকৰি অকলে অকলে সাইৰ বালিত ঘূৰি ফুৰিলে। তাৰ নানা অভিজ্ঞতা হ'ল। সকলোৰে প্ৰতি বিশ্বাস হেৰাল। দুবছৰৰ পাছত দেখা গ'ল ৰায়বেৰেলী চহৰৰ অভিজাত ফিৰোজ শ্বাহ কলনীত লোকেল লীডাৰ শাস্ত্ৰীয়েও এটা ঘৰলৈ আৰামৰ জীৱন কটাবলৈ লৈছে। কিছুদিনৰ পাছত দুভাগৰাতি যশোৱন্ত নামৰ ক'লা হটঙা মানুহটোৱে শাস্ত্ৰীৰ ঘৰত এখন চিক্‌মিকাই থকা তৰোৱাল লৈ উপস্থিত হ'লগৈ। "মামৰে ধৰা তৰোৱাল"ৰ এইখিনিয়েই মূল কাহিনী। নানা ধৰণৰ চৰিত্ৰ চিত্ৰনৰ দ্বাৰা উপন্যাসখনৰ বিভিন্ন দিশ ফুটাই তোলা হৈছে। যশোৱন্ত, শম্ভু পাহোৱান, শিবু ধাছলা, লিচু লেঙেৰা, নাৰায়ণী, বসুমতী বুঢ়ী, বামু-বামু, ঠাকুৰ চাহাব, লোকেল লীডাৰ শাস্ত্ৰী, বলবীৰ স্বামী আদি চৰিত্ৰক কেন্দ্ৰ কৰি কিছু উপ-কাহিনীবো সংযোজন ঘটিছে।

হৰিজন শ্ৰমিক যশোৱন্ত এই উপন্যাসৰ নায়ক। হৰিজনৰ ভিতৰত সিয়েই একমাত্ৰ পঢ়া-শুনা কৰা ল'ৰা বাবে শম্ভু পাহোৱানইতে যশোৱন্তকলৈ গৌৰৱ কৰিছিল। গোটেই জীৱন দলিত আৰু প্ৰবঞ্চিত হৈ থকাৰ পৰা ৰক্ষা পাবলৈকে পুৰণা লীডাৰইতৰ 'উৰ্দি' চিণ্ডি তাক মেম্বাৰ কৰা হ'ল। আগৰ লীডাৰবোৰে শ্ৰমিক লাইনত ৰহিবলৈ ঘিণ কৰে, কিন্তু ৰাতি মদ খাই 'ব্লাউজ পিন্ধা তিৰোতাৰ লাইনত উজ্জ্বালি কৰে'। সেইবাবে, শম্ভু পাহোৱানে যশোৱন্তক আৰম্ভণিতে মূৰ দাঙি কথা কবলৈ আৰু চিধা বাটেৰে যাবলৈ সতৰ্ক কৰি দিছিল। যশোৱন্তই নতুন অভিজ্ঞতা সঞ্চয় কৰি সঠিক উত্তৰ যেন বিচাৰি পোৱা নাই। যদিও শেষত সি শ্ৰমিকক প্ৰতাৰণা কৰিব পৰা নাই, তথাপি উপন্যাসখনত তাক বহু ঠাইত নিষ্প্ৰভ ৰূপতহে দেখা যায়। মানসিক বৃত্তিত সি যেন কিছু পিছ পৰা। যশোৱন্ত যথেষ্ট সবল। সি শাস্ত্ৰীইতৰ নিচিনা ধূৰন্ধৰ নহয়। শ্ৰমিকৰ স্বাৰ্থ সিও ৰক্ষা কৰিব পৰা নাই। লোকেল লীডাৰৰ কূট-কৌশলৰ বাবেই অকৃতকাৰ্য হোৱা বুলি সি বুজি উঠিছিল বাবেই শাস্ত্ৰীক হত্যা কৰাৰ অভিপ্ৰায়েৰে যশোৱন্ত অৱশেষত আগবাঢ়ি গৈছে।

নাৰায়ণী উপন্যাসখনৰ প্ৰধান নাৰী চৰিত্ৰ। যশোৱন্ত তাইৰ প্ৰতি আসক্ত হোৱাত তাই নায়িকাৰ মৰ্যদা লাভ কৰিছে। সুন্দৰী নাৰায়ণীয়ে গাভৰু কালত চিনেমাৰ নায়িকাৰ বিলাসী জীৱনৰ অভিলাষী আছিল। ডেকা ইঞ্জিনিয়াৰ এটাক তাই হাত কৰিছিল, কিন্তু এদিন যৌনসম্পৰ্ক সৃষ্টিত ধৰা পৰিলত কৰ্তৃপক্ষই তাক বদলি কৰি

পঠালে। ডেকাদলৰ নানা তিংকাৰী উপহাসৰ পাত্ৰী হৈ তিক্তভাৰ মাজতে শিবু খাছলাক বিয়া কৰাই মাত্ৰ হ'ল। কিন্তু শিবু যন্ত্ৰাৰোগী হোৱাত অভাৱনীয় দাৰিদ্ৰতাত ঘনে ঘনে চাটাইৰ সন্মুখীন হৈ সাইব্ৰাঞ্চ পালেহি। শিবু নবকঙ্কাল হলেও নাৰায়ণী যেন 'অৰ্জুন গছৰপৰা সৰি পৰা মৌৰ বাহ' এটাহে। নাৰায়ণীৰ এই ৰূপত যশোৱন্তও মোহিত হৈ পৰিছে। ঠাকুৰ চাহাবৰ তাই যেন বন্দিতা। বেমাৰী পিৰিয়েক, কেচুৱা আৰু নিজৰ ভৰণ-পোষণৰ বাবে পাঁচটকাৰ বিনিময়ত নিজক তাই বিক্ৰী কৰিছে। নাৰায়ণী বিদ্ৰোহীও। বিপদত তাইক সহায় নকৰা মানুহবোৰলৈ তাই মুঠেই ভয় নকৰে। আন্দোলন, শ্ৰমিক চাটাই আদি কঠিন অৱস্থাত পৰি তাই ঠাকুৰ চাহাবৰ ওচৰলৈ যায়। "মোৰ খুচি মই বাণ্ডিগীৰি কৰি খাম"– এইয়া তাইৰ যেন জেহাদ। যশোৱন্তক লগ পাই তাই কৈছে,–"...মোলায়েম কথা বহুত শুনিছো। ....এইবোৰ কথা পৰিষ্কাৰ কাপোৰ পিন্ধা মানুহেই কয়। পৰিষ্কাৰ কাপোৰ পিন্ধিলে কি হব, ভিতৰত সিহঁত চৰ নাওঠ।" আকৌ এদিন ঠাকুৰ চাহাবৰ তম্বুৰ তলত তাই সমস্ত ঘটোৱা ডেকা ইঞ্জিনিয়াৰটোক লগ পাইছিল। "এৰা এইটোৱেই মানুহ যি এসময়ত তাইৰ সমস্ত সুখ হৰণ কৰি নিছিল।" এটা সময়ত তাক ডিঙিত চেপি ধৰিবলৈ নাৰায়ণীৰ মন গ'ল। ঠাকুৰ চাহাব পৌৰুষহীন বাবে তাই দেহ সমৰ্পণ কৰিছিল। কিন্তু তাৰ বীজ ধাৰণ কৰাত তাই ক্ষুব্ধ হৈ পৰিছে। এদিন ঠাকুৰ চাহাবৰ তম্বুত দেহদান কৰি কুচিমুচি উলঙ্গ অৱস্থাত বহি থাকোতে শিবু খাছলা আৰু লিচু লেঙেৰাই তাইক বিচাৰি পাইছেগৈ। তেতিয়া তাই "মোৰ বিবেকেই তোক মাতি আনিছে" বুলি শিবুৰ হাতৰ কুঠাৰখন কাঢ়ি লৈ ঠাকুৰ চাহাবক ঘপিয়াই হত্যা কৰি প্ৰতিশোধ লৈছে। ইয়াৰ পাছত তিনিওটাই কোনো ভয় নকৰি প্ৰেতাত্মাৰ দৰে খোজ লৈছে। "জীৱনৰ কৰ্তব্য সকলো আকাংক্ষা শেষ কৰি সিহঁত যেন এক সোণালী পথত ভৰি দিছে ....।" শিবু খাছলাৰ নিৰুপায় গ্ৰস্ত মনৰ সম্ভেদ ইয়াতে পোৱা যায়। সিহঁতৰ পৰিণতি উপন্যাসত নাই। লিচু লেঙেৰাৰ পত্নী বসন্তৰোগত মৃত্যুহোৱাত আৰু পুত্ৰ জগন্নাথৰ খাৰ-বাৰুদৰ বিস্ফোৰণত মৃত্যু হোৱাত সি সাই নদীত আত্ম-হত্যা কৰিলে। শিথিলবদ্ধী কাহিনীৰ এই উপন্যাসৰ অসংখ্য উপ-ঘটনা আৰু চৰিত্ৰৰ অৱতাৰণা লেখিকাই উপযুক্তভাৱেই কৰিব পাৰিছে। ইঙ্গিতধৰ্মী পৰিণতিৰে উপন্যাসখনত ভাৰতীয় শ্ৰমিক আন্দোলনৰ স্বৰূপ, নীতাৰৰ মানসিকতা, ধৰ্মঘট পৰিচালনাত বিভ্ৰান্তি, শ্ৰমিকৰ মাজত বিৰোধ, তীব্ৰ খাদ্যাভাৱত অভক্ষ্য ভক্ষণ, অকৰ্ম-সাধন, নানা-নিৰ্যাতন, চতুৰালি, বিষয়াৰ চৰিত্ৰহীনতা, কোম্পানীৰ ছল-চাতুৰি আদিৰ বাস্তৱধৰ্মী প্ৰকাশত উপন্যাসখনৰ গুৰুত্ব বাঢ়িছে। শ্ৰমিক ধৰ্মঘটৰ আক্ৰমণি, প্ৰতিক্ৰিয়া আৰু ব্যৰ্থতাৰ চিত্ৰৰ লগতে হৰিজনসকলৰ অৱস্থা আৰু ভেওঁলোকৰ প্ৰতি কৰা অন্যায় আচৰণ, বৈষম্য আদিত গুৰুত্ব দিয়াত লেখিকাৰ প্ৰগতিবাদী মনৰ পৰিচয় ফুটি ওলাইছে। "মামৰে ধৰা তৰোৱাল" সাৰ্থক উপন্যাস হলেও, সকলো দিশতে দোষ-মুক্ত নহয়। যশোৱন্ত নায়কোচিত শক্তিশালী নহ'ল। নাৰায়ণী শেষৰ কালে নাটকীয় হৈ পৰিছে। আত্মহত্যাই লিচু লেঙেৰাক দুৰ্বল কৰি গ'ল। শিবু খাছলাক বিশেষ বিদ্ৰোহী কৰিব পৰা নাই। বৰ্ণনাতো বহুত ঠাইত উজুটি খোৱা দেখা যায়। কিছুমান অৰ্থহীন উক্তি, অন্যভাষাৰ অপ্ৰয়োজনীয় শব্দ, পুনৰাবৃত্তি আদি অনেক দোষ-ক্ৰটিয়ে ৰচনাশৈলীৰ সৌন্দৰ্য লাঘৱ কৰিছে। তথাপি, ই এখন সৰ্ৱজ্য উপন্যাস।

"দন্তাল হাতীৰ উঁৱে খোৱা হাওদা" আশীৰ দশকৰ আৰম্ভণিতে প্ৰকাশ পোৱা অসমৰ পটভূমিত ৰচিত এখন মনোৰম সামাজিক উপন্যাস। লেখিকাই দক্ষিণ কামৰূপৰ আমবাৰী সত্ৰত কটোৱা শৈশৱৰ দিনবোৰৰ অভিজ্ঞতা ইয়াত প্ৰকাশ কৰিছে। লেখিকাই প্ৰকাশ কৰা মতে–"সময়ৰ অৱক্ষয়ৰ পৰাহত পৰা অসমৰ ঐতিহ্যপূৰ্ণ সত্ৰ একনৰ ছবি

দাণ্ডি ধৰাই মূল উদ্দেশ্য আছিল। সহানুভূতি, অভিজ্ঞতা, আৰু নিৰ্ঘাত সত্য কথাখিনিৰ জুমুঠিৰ ওপৰত কল্পনাৰ প্ৰলেপ ঢালি উপন্যাসখনৰ মূৰ্ত্তি গঢ়ি তোলা হৈছে।" ("প্ৰকাশ", ফেব্ৰুৱাৰী-মাৰ্চ, ১৯৮৩)। এই দামোদৰীয়া সত্ৰখনৰ স্বাধীনতাকালীন অৱস্থা, পৰম্পৰাগত ৰীতি-নীতি, সামাজিক অৱক্ষয়, গোঁসাই-অধিকাৰৰ ক্ষমতা হ্ৰাস, বৈধব্যৰ করুণ বিননি, দাৰিদ্ৰতাৰ প্ৰকটৰূপ, যোৰাতাপলি মৰা অৰ্থনীতি, ৰায়তী-বিদ্ৰোহ, কমিউনিষ্টৰ অভ্যুদয়, কানিৰ দ্বাৰা সৰ্বস্বান্ত সমাজ, ভূ-স্বামীৰ মাটি-বিক্ৰীৰ কৌশল, চিলিং আইনৰ অসাৰতা, হাতী-চিকাৰ, সত্ৰাধিকাৰ, ভূ-স্বামীৰ মৰ্যদা, বংশগৌৰৱ, আভিজাত্য, জাত্যাভিমান আদি স্পষ্টকৈ উপন্যাসখনত ফুটি ওলাইছে। উপন্যাসখনত পৰিবৰ্তনৰ ইঙ্গিত আছে, বিশেষকৈ বিংশ-শতাব্দীৰ আগছোৱা পৰ্যন্ত অসমীয়া সমাজত মৰ্যদাৰূপে ধৰি অহা হাতীয়েই শেষত পগলা হৈ হাওদা ভাঙি পেলোৱা আৰু মাউত-ফান্দীক হত্যা কৰা ঘটনাৰ যোগেদি লেখিকাই বিপ্লৱৰ আগজাননী দিয়া বুলিব পাৰি।

আমৰাঙা সত্ৰৰ ভাঙি পৰা আভিজাত্যৰ মাজত ইন্দ্ৰনাথ এটা ব্যতিক্ৰম। তাৰ ওপৰত যুগৰ প্ৰভাৱ পৰাত সি আধুনিক আৰু সকৰেপৰা সত্ৰীয়া গোঁসাইৰ ৰীতি-নীতিৰপৰা যথেষ্ট বাহিৰত। জাত-পাত, মান-মৰ্যদাৰ প্ৰতি তাৰ বিশেষ চিন্তা নাই। ইন্দ্ৰনাথ সুন্দৰ চেহেৰাৰ এক ব্যক্তিত্বসম্পন্ন যুৱক হিচাপেই চিত্ৰিত হৈছে। সি তাঁচ খেলে, বিড়ি হুপে, ধূৰ্তলোকক বেত্ৰাঘাত কৰে। ঘোঁৰা-হাতীত নুফুৰি চাইকেল চলায়, ভূত-প্ৰেত আদিলৈ ভয় নকৰে। মুঠতে আমৰাঙা সত্ৰৰ ভাবি সত্ৰাধিকাৰ ইন্দ্ৰনাথ 'বেপেৰোৱা' লোক। ভনীয়েক গিৰিবালা বিধবা হোৱাৰ পাছত ইন্দ্ৰনাথ কিছু সংযত হৈ পৰিবৰ্তিত হয়। তথাপি, সত্ৰাধিকাৰ হোৱাৰ আসক্তি নাই। সি জোকৰাম ভাগৱতীৰ জীয়াৰী ইলিমনক মনে মনে ভাল পায় আৰু বিয়া কৰোৱাৰ কথা ভাবে। সাধাৰণতে সত্ৰীয়া গোঁসায়ে বামুণৰ ছোৱালী বিয়া নকৰায়; তাৰে তাৰ ভ্ৰূক্ষেপ নাই। আনকি ভনীয়েক গিৰিবালাই বিদেশী মাৰ্ক চাহাবক সহায় কৰিবলৈ লোৱাত আৰু তাৰ প্ৰতি তাইৰ আসক্তি বৃদ্ধি পোৱাতো সি আপত্তি নকৰিলে। তথাপি, মাৰ্ক চাহাবে তাইক যন্ত্ৰণা মুক্তিৰ অন্যপথ দেখুৱাওতে ইন্দ্ৰনাথে আপত্তি কৰিছে, কাৰণ তাইৰ শহুৰৰ পৰিয়াল 'বঙৰাৰ গোসায়ে' তাইক স্বামী-ভিঠালৈ উভতাই নিবলৈ আহিব। ফলত, ইন্দ্ৰনাথো পৰম্পৰাৰ দাস হৈ পৰিছে। দুৰ্গাৰ দৰেই নাৰীৰ প্ৰতি সহানুভূতিশীল হলেও পৰিবৰ্তনৰ বাবে সহায় কৰিব পৰা নাই। হাতীয়ে মৰা ফান্দী জালালুদ্দিনৰ মৃতদেহ ৰাতিয়েই গাঁৱলৈ নিয়াত তত- তৈয়া কৰি সি ব্যতিক্ৰমী হৈ উঠিছে। শেষত, কমিউনিষ্টে দখল কৰা মাটিত নিজৰ দখল সাব্যস্ত কৰাত সত্ৰাধিকাৰ পিতৃক সন্তুষ্ট কৰিবলৈ 'গোসাঁই সাজ' পিন্ধি হাওদা বন্ধা হাঁতীত যাত্ৰা কৰিছে। সি মাটি দখল লৈ এহাতে সত্ৰৰ মৰ্যদা ৰক্ষা কৰিবলৈ গৈছে আৰু আনহাতে নিজৰ অন্তৰৰ শুদ্ধতাৰ দৰে ৰায়তক বিশ্বাস কৰি পুলিচৰ সাহায্য প্ৰত্যাখান কৰি অকলেই পথাৰত উপস্থিত হৈছে গৈ। তাৰ মনোভাৱ ধান ছপাই শেষ হোৱাৰ লগেলগেই পূৰ্বৰপৰা দখল কৰি অহা ৰায়তক সি মাটিৰ অধিকাৰ দান কৰি কেঁচা-পট্টা দিব। ৰায়তৰ ঘৰে ঘৰে গৈ প্ৰতিখন গাঁৱৰ প্ৰতিঘৰৰ নঙলামুখত থিয় দিব। তেওঁৰ লগত বলো নামৰ এজন বন্ধুৰ বাদে অন্য কোনো নাই। ইন্দ্ৰনাথৰ এই ভাববিলাসী উদ্দেশ্য সফল নহ'ল। এটা বিক্ষুব্ধ দলে টাঙোনেৰে প্ৰহাৰ কৰি ইন্দ্ৰনাথক হত্যা কৰিলে। ত্ৰিছবছৰৰ পাছত, ইন্দ্ৰনাথৰ বন্ধু বলোৱে, 'বুঢ়াগোঁসায়ে সোণা পিন্ধাই এৰা শুদুৰীয়া তিৰীৰ জাৰজ সন্তান' বুলি জনাজাত কমিউনিষ্ট নেতাটোক লগ পাই ক্ষোভেৰে কৈছে—"তহনাই তেজৰ নদী বৱে মাটি জন্দ কৰি। কিন্তু খেতিয়ক আহোনাই ঠিকমতে মাটিৰ ভাগ পালা না ? স্বাৱলম্বী হবা পাল্লা না ? ত্ৰিছ বছৰ বাগেৰি গ'ল।" বলোৰ আন এটা কথাত ইন্দ্ৰনাথৰ চৰিত্ৰ ফুটি ওলাইছে,— "গহায়ে

কোনোপধ্যে হাওদাত উঠিব খোজা নাছিল হাওদাত বহি তাহানাই কেনেকৈ ছটফট্ কৰিছিল মই জানো। তাহানাৰ প্ৰাণৰ কথা–অবাইকে মই জানিছিলোঁ। আমাৰ বৰ প্ৰিয় গোঁসাই আছিল।" আকৌ–"হাওদাখন মযে হাতীৰ পিঠিত তুলি দিছিলোঁ– সেইখন উঁয়ে খোৱা আছিল।" বলোৰ এই বক্তব্যতে উপন্যাসখনৰ সাৰমৰ্ম পৰিছে। ইন্দ্ৰনাথৰ চৰিত্ৰ, সত্ৰৰ অৱস্থা আৰু ৰায়তী আন্দোলনৰ স্বৰূপ বলোৰ বক্তব্যতে প্ৰকাশ পাইছে। ইন্দ্ৰনাথেও মৃত্যুৰ সময়ত তাৰ পৰীক্ষা-নিৰীক্ষা সফল হৈছে বুলি প্ৰকাশ কৰি গৈছে। কিন্তু তাৰ বৈপ্লৱিক চিন্তা ভাবনা প্ৰত্যক্ষ নহ'ল।

উপন্যাসখনৰ আন এটা প্ৰধান চৰিত্ৰ হ'ল গিৰিবালা। তাই কোমল বয়সীয়া বিধবা। দহজনী আন বিধবাৰ দৰে তাই ধৰ্ম-ভীৰু আৰু অহেতুক ব্যৱস্থাৰ দাসী হ'বলৈ নামঞ্জুৰ। পাটীৰ তিৰোতা এৰি পৰ নাৰীৰ সঙ্গকামী স্বামীৰ প্ৰতি তাইৰ ঐকান্তিকতা নাই। বিধবা পেহীয়েক দুৰ্গাৰ দৰে স্বামীৰ চিতা-ভস্ম প্ৰয়াগত দিবলৈ, জগন্নাথলৈ যাবলৈ অথবা স্বামীৰ খৰমযোৰ ওবে জীৱন বুকুত সাৱটি থাকিবলৈ গিৰিবালা প্ৰস্তুত নহয়। প্ৰচলিত অন্ধ-নীতিৰ তাই পৰিপন্থী। সেইবাবে মাৰ্ক চাহাবক তাই ভাল পাই নতুন জীৱন যাপনৰ সপোন দেখিছিল। কিন্তু, শেষ মুহূৰ্তত নিজক উন্মুক্ত কৰি দিয়ো মাৰ্কৰ পৰা সঁহাৰি নাপাই স্নেহৰ লগত মাজৰাতি একেলগে থকাৰ প্ৰায়শ্চিত্ত হিচাপে প্ৰতীক দাহ কৰিবলৈ গৈ গাঁৱৰ ল'ৰাক উচটাই দি নৰাখেৰৰ ঘৰত সোমাই জুই দিয়াই মৃত্যু বৰণ কৰিছে। ইয়াৰ মাজত সমাজ ব্যৱস্থাৰ প্ৰতি ক্ষোভ, স্বজন-স্বজাতিৰ প্ৰতি বিৰোধ আৰু প্ৰেমিকৰ প্ৰতি অভিমান– যাইকৈ বিধবা নাৰীৰ ওপৰত সমাজে চলাই অহা কঠোৰ শাসনৰ প্ৰতি বিদ্ৰোহ সূচিত হৈছে।

মাৰ্ক চাহাবৰ চৰিত্ৰটোও উপন্যাসখনত লক্ষ্যনীয়। গিৰিবালাৰ প্ৰতি সহানুভূতিশীল হৈ অন্তৰত বিমল প্ৰেম-ভাবলৈ তাইক মুক্ত-জীৱন দিয়াৰ প্ৰচেষ্টা কৰিও ইন্দ্ৰনাথৰ সমৰ্থন নেপালত পিছ হুহকি বৈছে। গিৰিবালাৰ প্ৰতি আসক্তি থাকিও শেষ মুহূৰ্তত তাইৰ উন্মুক্ত ৰূপৰ প্ৰতি ৰোমাঞ্চিত নোহোৱাৰ কাৰণ হ'ল নীতি-ধৰ্মৰ প্ৰতি মাৰ্কৰ গভীৰ অনুৰক্তি। প্ৰেমিক হিচাপে মাৰ্ক দুৰ্বল। গিৰিবালাৰ পূৰ্ণ আহ্বান লাভ কৰিও সি শক্তিশালী পদক্ষেপ দিব নোৱাৰিলে। সৰু-গোঁসানীৰ অন্তৰ্দ্বন্দ্ব উপন্যাসখনৰ আন এটা দিশ। স্বামীৰ ভেটিত গিৰিয়েকৰ পাদুকা সাৱটি; সম্পত্তি পৰিচালনা কৰি শিচ ভজাই বৈধব্য জীৱন যাপন কৰা মানুহজনীয়ে নিজৰ সুবিধাৰ বাবে আশ্ৰয়ত ৰখা সুন্দৰ পুৰুষ মহীধৰৰ প্ৰতি অনুৰাগ অনুভৱ কৰাত বাবস্থাৰ দ্বন্দ্বৰ সন্মুখীন হৈছে। স্বামীৰ পুৰুষোচিত স্মৃতিৰ ওচৰত অৱশ্যে মহীধৰৰ অস্তিত্ব অসাৰ হৈ পৰিছে। মহীধৰ সুবিধাবাদী চৰিত্ৰ। সি গোঁসানীক ঠগাই সম্পত্তি আত্মসাৎ কৰাৰ যত্ন আৰু দুৰ্গাৰ অলঙ্কাৰ চুৰ কৰা বুলি জনাজাত হোৱাত তাৰ গোপন স্বৰূপ প্ৰকাশ পাইছে। উপন্যাসখনৰ অন্যান্য পাৰ্শ্বচৰিত্ৰৰ ভিতৰত সত্ৰাধিকাৰ, জোকৰাম ভাগৱতী, বলো, আই গোঁসানী আদিৰ চৰিত্ৰ যথাযথভাবে চিত্ৰিত হৈছে।

"দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা" প্ৰকৃততে এখন আঞ্চলিক উপন্যাস। সত্ৰৰ দৰে এক ৰক্ষণশীল সমাজৰ দোষ-ত্ৰুটি, সত্ৰৰ চৌৰেৰৰ মাজত সংঘটিত নানা ঘটনা, বিধবাৰ কৰুণ আৰু গোপন জীৱন, যৌন আবেদন, পৰ-নাৰীত আসক্তি, ব্ৰাহ্মণ-গোঁসাইৰ জাত-পাতৰ অভিমানৰ মাজত শূদ্ৰ নাৰীৰ প্ৰতি আকৰ্ষণ, অৰ্থনৈতিক দুৰাৱস্থা, পৰম্পৰা, মুক্তিৰ বিদ্ৰোহ আদিয়ে উপন্যাসখনত এটা অঞ্চলৰ সামগ্ৰিক ছবি দাঙি ধৰিছে। উঁয়ে খোৱা হাওদাৰ দ্বাৰা লেখিকাই ছিন্ন-ভিন্ন হ'বলৈ ধৰা সত্ৰীয়া সামন্তবাদী সমাজখন দাঙি ধৰিছে। "মামৰে ধৰা তৰোৱাল"তকৈ এই উপন্যাসৰ সাৰ্থকতা

অধিক। অৰ্থনৈতিক শোষণৰ পৰা গণজীৱনক মুক্ত কৰাৰ প্ৰচেষ্টা ইয়াতো দেখা যায়। লেখিকাৰ ব্যক্তিগত জীৱন-দৰ্শন এই উপন্যাসত মূৰ্ত হৈ উঠিছে।

"বছিকদ্দিনৰ চকু" নামণি বয়ছম গোস্বামীয়ে ৰচনা কৰা এখন উপন্যাসিকা। একেনাম্বৰ বিয়াৱালা এজনৰ চৰিত্ৰ আৰু জীৱনাভাস দাঙি ধৰি, লেখিকাই নিজৰ জীৱনৰ এটা অংশ কাহিনীৰ লগত জড়িত কৰিছে। গুৱাহাটীৰ পৰা গোৱালপাৰালৈ অহা-যোৱা কৰা লেখিকাক বিয়াত অনা-নিয়া কৰা বুঢ়া বিয়াৱালা বছিৰৰ জীৱন কাহিনী বৰ কৰুণ। ছোৱালী হোষ্টেল এটাৰ ওচৰত থকা বছিৰে এজনী কিশোৰীৰ ওচৰত ওলোৱা ভূত খেদিবলৈ গৈ ৰাতি তাইৰ ওচৰলৈ মনে মনে যোৱা নিজ পুত্ৰ জমিকদ্দিনক হত্যা কৰি মানসিক ভাৰসাম্য হেৰুৱাই পেলালে। বছিৰৰ ডেকাকালৰ কাহিনীও ইয়াত আছে। এগৰাকী চৌখিন দাম্ভিক তিৰোতা আলেয়াক এদিন সি ঘৃণা কৰিছিল। এদিন বাছত যাওঁতে বুঢ়া এজনৰ ওচৰত বহিবলৈ ইচ্ছা নকৰা আলেয়াৰ থিয় দি থোৱা থগুক দেহোপজীৱীনীৰ লগত তুলনা কৰি বাছৰ পৰা নামি যাবলৈ কোৱাত, প্ৰতিবাদ নকৰি তাই আদবাটতে নামি গ'ল। এই ঘটনাই বছিৰৰ মনত ৰেখাপাত কৰিছিল বাবে আঠবছৰৰ পাছত তাই সৰ্বস্ব হেৰুৱাই মাতৃৰ গৃহলৈ উভতি অহাত মনোভাৱ সলনি কৰি তাইক সি বিয়া কৰাইছে। অৱশেষত মৃত আলেয়াৰ স্মৃতি ৰক্ষাৰ্থে তাৰ মাটি সম্পত্তি নতুনকৈ খোলা কলেজখনক দান দি দিছে। বছিকদ্দিনৰ বক্তব্য হ'ল, 'জন্মভূমিৰ কাৰণেও মানুহৰ এটা কৰ্তব্য থাকে।" গ্ৰন্থখনত আলেয়া বেগম আৰু গাঁওবুঢ়াৰ চৰিত্ৰ দুটাও হৃদয়স্পৰ্শী। উপন্যাসিকাখনক এটি কৰুণ আলেখ্য বুলি ধৰা সমীচীন।

"সাপৰ ছালৰ জোতা"ৰ পটভূমি দিল্লী বিশ্ববিদ্যালয়। গায়ত্ৰী নামৰ গবেষিকা ছাত্ৰী এগৰাকী এই সৰু উপন্যাসখনৰ নায়িকা। বিক্ষিপ্ত ঘটনাসমূহৰ তেঁৱেই যোগসূত্ৰ। এগৰাকী বৃদ্ধ অধ্যাপকৰ দুখৰ কাহিনী, গবেষণাৰ গাইড ড° শাস্ত্ৰীৰ পৰিবৰ্তিত মানসিকতা, উচ্চ আৰক্ষী বিষয়া মিশ্ৰৰ যৌনাভিসাৰ, গায়ত্ৰীৰ ইঞ্জিনিয়াৰ স্বামীৰ চৰিত্ৰহীনতা ইত্যাদি উপকৰা কাহিনীবোৰ গায়ত্ৰীক কেন্দ্ৰ কৰি উপন্যাসখনত অন্তৰ্ভুক্ত হৈছে। গায়ত্ৰীৰ জটিল মানসিকতা উপন্যাসখনত ফুটাই তোলাই লক্ষ্য। তাইৰ স্বামীয়ে তাইক আতৰাই ৰাখি কাৰ্যালয়ৰ টাইপিষ্ট এজনীৰ লগত যৌনাভিসাৰত মত্ত হৈছে। গায়ত্ৰীয়ে হোষ্টেলত নাথাকি নিজাকৈ এটা ঘৰ ভাড়া কৰিছিল গিৰিয়েক অহাৰ আশাৰে। গিৰিয়েক নাহিল, কিন্তু তাইৰ এই অকলশৰীয়া জীৱনলৈ বহুতো ওচৰচাপি আহিছে। তাইক সহায় কৰিবলৈ অহা বিপ্লৱ বৰুৱা, কিতাপৰ অন্বেষণত অহা দাসমুন্সী আদি তাইৰ সৈতে যৌনাচাৰত লিপ্ত হবলৈ বিচৰা সকলোকে তাই বিমুখ কৰিছে। বিপ্লৱী অমৰেশক বিচাৰি অহা আৰক্ষী বিষয়াক গায়ত্ৰীয়ে দেহশ্ৰী প্ৰশংসাৰ পৰা যৌনাচাৰত লিপ্ত হোৱাৰ পূৰ্বাভাসলৈকে নিজক এৰি দি অৱশেষত ৰক্ষা কৰিছে। এদিন গাইডেও তাইক বিমুখ কৰিছে। হতাশাজনিত অৱস্থাত তাই আত্মহত্যাৰ কথাও চিন্তা কৰিছিল। এনে অৱস্থাতে অমৰেশে তাইক সাহস দিছে। সি স্বামীৰ পৰা বিবাহিতা নাৰীৰ অধিকাৰ কাঢ়ি আনিবলৈ সাহস দিলে। কিন্তু, স্বামীৰ ওচৰলৈ গৈ গায়ত্ৰী হতাশ হৈ সাপৰছালৰ জোতা পৰিহিতা টাইপিষ্টৰ হাতত স্বামীক এৰি উভতি আহিছে। মাজৰাতি অমৰেশৰ বাসস্থানৰ দুৱাৰত ঢকিয়াই বাউলী হৈ তাক সাৱটি ধৰি কৈছে,–"তুমি মোক বলাৎকাৰ কৰিব নোৱাৰা —— কৰা মোক বলাৎকাৰ কৰা –। মোৰ সতীত্ব নাশ কৰা।" এনে গভীৰ অৱস্থাই বিপ্লৱী যুৱকৰ চকু লোভকেৰে ভৰাই তুলিছে। কেইদিনমানৰ পাছত অমৰেশক গ্ৰেপ্তাৰ কৰা হ'ল। গায়ত্ৰীৰ এই অন্তৰ্দ্বন্দ্বই উপন্যাসখনৰ মূল বস্তু। বৃদ্ধ,

নির্জু, অধ্যাপক ভট্টাচাৰ্য দিপ্তীৰ বাবে উপযুক্ত নহয়। ক্ষমতাহীন বাবে তেওঁ নির্যাতন ভোগ কৰিব লগা হৈছে। নিজে ঘৰদুৱাৰ কৰিব নোৱাৰা ভট্টাচাৰ্যই ভাড়াঘৰত পৰা খেদা খাই ক'ৰবাৰ গাড়ীৰ গেৰেজ এটাত বাস কৰা, মাতৃহাৰা কম বয়সীয়া ছোৱালীজনী তাতে ধৰ্ষিতা হোৱা, তাইক আন এঠাইৰপৰা বদলি কৰি অনাৰ অনুৰোধ কৰি গায়ত্ৰীয়ে আৰক্ষী বিষয়া মিশ্ৰক প্ৰশ্ৰয় দিয়াৰ দৰে ঘটনা মহানগৰবোৰত ঘটি থাকে। দৰিদ্ৰৰ ওপৰত অত্যাচাৰ, বিপ্লৱীসকলক মৰিমুৰ কৰা, সাধাৰণ ঝুপুৰীত (স্লাম) থাকিব লগা হোৱা জন-গণক উৎখাত কৰা আদি ইন্দিৰা গান্ধী আয়োজনৰ কিছুমান ঘটনাই ঠাই পাইছে। তথাপি, জনসমুদ্ৰৰ মাজত থাকিও নিঃসঙ্গ অনুভৱ কৰা চৰিত্ৰইহে লেখিকাৰ হাতত মূৰ্ত হৈ উঠিছে।

"নাওঠ চহৰ" নামৰ সৰু উপন্যাসৰ নায়িকা দিপ্তীৰ কোনো এটা 'ৰৰসাতী'ত থকা নিঃসঙ্গ অধ্যাপিকা উৰ্মিলা "সাপৰ ছালৰ জোতা"ৰ গায়ত্ৰীৰ সমপৰ্যায়ৰ চৰিত্ৰ। এটা দীঘল গল্প বুলিব পৰা এই উপন্যাসিকাত অধ্যাপক ঠাকুৰ, সাংবাদিক ৰূপচন্দ্ৰ, অংকৰ গবেষক যশোৱন্ত আদিয়ে উৰ্মিলাৰ ওচৰত খন্তেক বহিবলৈ পালে সুখ লাভ কৰে। অংকৰ গবেষক যশোৱন্তৰ সৈতে দুবছৰ মিলামিচাৰ পাছত উৰ্মিলাই ভাবিছিল যে সিয়েই তাইৰ ভাঙি যোৱা সংসাৰক নতুন কৰিব পাৰিব। কিন্তু যেতিয়া যশোৱন্তই যৌনাকাংক্ষা পূৰণৰ বাবে তাইৰ ওপৰত জপিয়াই পৰিল, তেতিয়া টেবুলৰ ওচৰত পৰি ভাগি থকা ফুলদানি এটাৰ ইংগিতত সকলো খানবান হৈ পৰিছে। সাংবাদিক ৰূপচন্দ্ৰ, অধ্যাপক ঠাকুৰহঁতো তাইৰ মগজ খাবলৈ অহা একোটা শগুণ। মাত্ৰ তাইৰ লগুৱা স্বৰূপ জগন্নাথ হৰিজন ল'ৰা হলেও প্ৰকৃততে তাইৰ হিতাকাংক্ষী আৰু উপন্যাসখনৰ বিবেকবান চৰিত্ৰ। সকলো ঘটনাৰ প্ৰত্যক্ষদৰ্শী জগন্নাথে অৱশেষত তাইক কৈছে– "তোমাৰতো পেটত ভোক নাই! তুমি কিয় এই হাৰামজাদাইতৰ লগত ৰাতি দুপৰলৈ আড্ডা দিব লাগে? কিয়? –"জুগিগ্ জুপৰি"ত বাসকৰা সেই বেয়া তিৰোতাবোৰ আৰু তোমাৰ মাজত পাৰ্থক্য ক'ত?" এই ঘটনাৰ পাছত উৰ্মিলাক এৰি সি গুচি গৈছিল। পুনৰ তাক তাই বিচাৰি আনিলে। আন এদিন ৰাতি এপৰত যশোৱন্তক কয়েদী ধৰাৰ দৰে সি ধৰি আনি উৰ্মিলাৰ ওচৰত উপস্থিত কৰাইছে। তাৰ পাছত প্ৰচণ্ড ক্ষোভত সি কৈছে, "আপুনি ফূৰ্ত্তি কৰক .... যাৰৰ সময়ত আপোনাৰ ওচৰলৈ অহা পুৰুষবোৰে মোৰ ভগা টিং এটাত দুই এটি টকা সিকি চালি থৈ যাব লাগিব। মই চিৰিৰত বহি পহৰা দি থাকিম কিন্তু।" ইয়াতে উপন্যাসখনৰ সামৰণি মৰা হৈছে। "জন সমুদ্ৰৰ মাজত থাকিও নিঃসঙ্গ হৈ পৰা মানুহৰ ছবি আৰু মহানগৰৰ কংক্ৰিটৰ বুকুত হেৰাই যোৱা মানবীয়তাৰ ছবি মই দেখুৱাইছোঁ মোৰ উপন্যাস "নাওঠ চহৰ" (১৯৮০) আৰু উপন্যাসিকা "সাপৰ ছালৰ জোতা"ত (১৯৮০)"[১৯] লেখিকাৰ এই অভিমতে নাৰীবাদী গ্ৰন্থদুখনৰ প্ৰকৃতি নিৰ্ণয় কৰিছে।

"উদয়ভানুৰ চৰিত্ৰ" উপন্যাস এজন অতিপাত মদাহী শিল্পীৰ জীৱনক কেন্দ্ৰ কৰি ৰচিত হৈছে। জন্মজাত শিল্পী উদয়ভানু অভিজাত পৰিয়ালৰ ল'ৰা হলেও মেধাৱী নাছিল। প্ৰবেশিকা পৰীক্ষাত অকৃতকাৰ্য হৈ আত্মহত্যা কৰিবলৈ যোৱা উদয়ভানুক দুটা মদাহীয়ে ৰক্ষা কৰিলে যদিও মদ খাবলৈ শিকালে। সি যেতিয়া অমিতাচাৰী হৈ উঠে, তেতিয়া মাক শয্যাশায়ী আৰু দেউতাক মৃত্যুমুখী। উপন্যাসখনৰ চৰিত্ৰবোৰৰ স্বাৰ্থপৰতা লক্ষ্যণীয়। উদয়ৰ ককায়েক নয়নভানু মেধাৱী আছিল বাবে বিদেশলৈ গৈ বিয়াবাক কৰাই থিতাপি লৈ স্বদেশ আৰু পিতা-মাতাৰ প্ৰতি দায়িত্বহীন হৈ উঠিছে।

১৯. মামনি ৰয়ছম গোস্বামী, "মই লিখা উপন্যাসসমূহ", "জনমভূমি", শাৰদীয় সংখ্যা, ১৯৮৩

বায়েক অনিমাৰ কৌশলেৰে সম্পত্তি দখল কৰাৰ চেষ্টাতো ব্যৰ্থপৰতা স্পষ্ট হৈ পৰিছে। সেউভাক কলন্যায়মেৰ বকবাৰায়ো দুই পুত্ৰৰ ভিতৰত নয়নতানুকহে গুৰুত্ব দিছিল। উদয়তানুও ব্যৰ্থপৰ। সেউভাকৰ বেমাৰত একো চিন্তা নকৰি লগৰীয়াৰ লগত মদ খাই মাতাল হৈ থাকে। মাকক সি ভাল পায়। কিন্তু নয়নতানুক গুৰুত্ব দিয়াৰ বাবেই মাকৰ মানিব নোখোজে। সি নিজ খেয়াল খুচিত চলিবলৈ ভাল পায়। সাধাৰণ মদাহীৰ দৰে তাৰ নাৰীৰ প্ৰতি আসক্তি নাই। তথাপি, মদাহী বুলি তাক ঘিণ নকৰাৰ বাবে যামিনী নামৰ এজনী ছোৱালীক ভাল পাই বিয়া কৰাৰ খুজিছিল। কিন্তু, তাৰ মেজাজৰ বাবে সেইয়া হৈ নুঠিল।

অসম আন্দোলনৰ সম-সাময়িক কাহিনীটোত বৈপ্লৱিক ছাপ থাকিলেও আন্দোলনৰ ছবি পৰিস্ফুট হোৱা নাই। উদয়ৰ ভনীয়েক মইনা বিস্ফোৰণত মৃত্যু হোৱাৰ ঘটনায়ো প্ৰাধান্য বিস্তাৰ নকৰিলে। কাশ্মীৰৰ মুক্তিবাহিনীৰ উল্লেখ হলেও বিস্তৃত বিকাশ ঘটা নাই। সেই বাহিনীৰ কোনো বিপ্লৱী শিল্পী আৰু দিল্লীৰ অখ্যাত গলিত বাস কৰা এজনক মাধৱীলতা নামৰ ৰহস্যময়ী নাৰীৰ বন্ধু বুলি জনাৰ বাদে চৰিত্ৰটোৰ অন্য তথ্য নাই। আনহাতে উদয়ভানুক বিচাৰি উলিয়াই তাক অনুপ্ৰাণিত কৰি কিছুমান ছবি আঁকাই মাধৱী লতাই 'ধুমুহাৰ দৰে আহিল আৰু ধুমুহাৰ দৰে অদৃশ্য হৈ গ'ল।" ধনী, চাহবাগিছাৰ এজন মালিকৰ কন্যা মাধৱীলতাই চিত্ৰ প্ৰেমী হৈ উদয়ক প্ৰণয়ৰ জৰিয়তে সংশোধন কৰাৰ প্ৰচেষ্টা কৰি পাছত চিত্ৰবোৰ কৌশলেৰে হস্তগত কৰি উল্লিখিত বিপ্লৱী পলাতক বন্ধুৰ সৈতে পলাই পটিং দিছে। মাধৱীলতাৰ ৰহস্যময়তা উপন্যাস খনত উদ্ঘাটিত নহ'ল।

সৰু-সুৰা চৰিত্ৰবোৰৰ ভিতৰত উল্লেখযোগ্য হ'ল হৰেন। উপন্যাসখনৰ সমাপ্তিত এই চৰিত্ৰৰ আৱশ্যকতা দেখা যায়। হৰেন লেতেৰা মদাহী। উদয়ভানুৰ মদৰ সঙ্গী আৰু অন্যতম বন্ধু। সি মাধৱীলতাৰ কাৰ্যক সমালোচনা কৰা আৰু সমকামিতা প্ৰকাশ কৰাত উদয়ভানুৱে মদৰ বটলেৰে হৰেনক হত্যা কৰিলে। নাৰীদেহৰ প্ৰতি তাৰ বিশেষ ৰাগ নহলেও তাৰ চৰিত্ৰৰ বিপৰীতে পৰিস্থিতিয়ে তাক সমকামী কৰি তুলিছিল। এই নৈতিক পতনৰ বাবে হৰেনক জপৰীয়া কৰি এইদৰে হত্যা কৰি সি হত্যাকাৰীত পৰিণত হৈছে।

উপন্যাসখনত মদৰ অপকাৰিতা আৰু মদে প্ৰতিভাক কিদৰে নিঃশেষ কৰিব পাৰে, তাৰ অলেখ্য এটা প্ৰকাশ পাইছে। গবেষক অৰবিন্দৰ জৰিয়তে মদ সম্পৰ্কীয় তথ্যপাতিৰ অধিকভাবে প্ৰকাশ পোৱাত কাহিনীৰ ৰসভঙ্গ ঘটিছে আৰু বক্তৃতাধৰ্মী হৈ উঠিছে। গুৱাহাটীক কেন্দ্ৰ কৰি ৰচিত হলেও, ই আঞ্চলিক উপন্যাস নহয়।

"বুদ্ধ সাগৰ ধূসৰ গাইসা আৰু মহম্মদ মুছা"ক উপন্যাস বুলি কোৱা হৈছে আৰু "মামৰে ধৰা তৰোৱাল"ৰ লগত দুখন উপন্যাসৰ এখন হিচাপে প্ৰথমে প্ৰকাশ কৰা হৈছিল। দক্ষিণ পূব এচিয়া আৰু জাপান ভ্ৰমণৰ অভিজ্ঞতাক কেন্দ্ৰ কৰি ৰচনা কৰা এই গ্ৰন্থত কল্পনাৰ ৰহন সনা হলেও ই ভ্ৰমণ কাহিনী স্তৰতে বৈ গ'ল। কৰ্ণাটকৰ স্কুল শিক্ষক মহম্মদ মুছাৰ সৈতে জড়িত কাহিনী আৰু তাৰ চৰিত্ৰটোৰ বাদে আন চৰিত্ৰবোৰ নিষ্প্ৰভ আৰু অসম্পূৰ্ণ। গতিকে, উপন্যাসোপম ৰচনা হলেও ইয়াক বিশুদ্ধ উপন্যাস বুলিবলৈ টান। কল্পনাৰ অংশ নজনালৈকে এই গ্ৰন্থক ভ্ৰমণ-কাহিনীও বুলিব নোৱাৰি। ভ্ৰমণমূলক উপন্যাস হিচাপে ধৰিবলৈকো টান। কাৰণ গ্ৰন্থখনত নিবস আৰু মূলৰ সঁতে কোনো সম্পৰ্ক নথকা বহুতো বৰ্ণনা সন্নিবিষ্ট হৈছে।

"জখমী যাত্ৰী" উপন্যাসিকাৰ পটভূমি দিল্লী। হৰনাম সিং মস্তানা নামৰ এজন শিখ যুৱকৰ বৈশিষ্ট্য প্ৰকাশ কৰা হৈছে। কৰৰহান পতালৈ সৃষ্টি হোৱা সাম্প্ৰদায়িক

সংঘৰ্ষ এটাৰপৰা মুখ্য চৰিত্ৰ ৰাজবালাক হবনামে ৰক্ষা কৰিছিল। সেই হবনামক হৰিদেৱীয়ে ভাল পাইছিল, বিয়া কৰোৱাৰ মানস কৰিছিল। কিন্তু হবনামে কোনো ইঙ্গিত নাৰাখি লাহে লাহে তাইৰপৰা আঁতৰি গৈছিল। অৱশেষত সি বিদেশলৈ যাবলৈ প্ৰস্তুত হৈ পৰিল। হবনাম সিঙৰ জটিল মানসিকতা উপন্যাসিকাখনত পোৱা যায়। "সংস্কাৰ" "হৃদয়" আদিৰ নিচিনা মামণি ৰয়ছম গোস্বামীৰ সৰু সৰু লেখা বিলাক শ্ৰেণীভূক্ত কৰা কেতিয়াবা টান হৈ পৰে। লেখিকাই নিজেও কেতিয়াবা গল্প, কেতিয়াবা উপন্যাস বুলি একাধিক লেখাক দেখুৱাইছে।

মামণি ৰয়ছম গোস্বামীৰ উপন্যাসবোৰৰ সু-গভীৰ বিষাদবোধে মন-প্ৰাণ স্পৰ্শ কৰি যায়। বহুবৰ্ণী চৰিত্ৰ সমূহৰ বাস্তৱ-নিষ্ঠতা হৃদয়গ্ৰাহী আৰু সূক্ষ্ম পৰ্যবেক্ষণৰ ফলত এইবোৰত মননশীলতা প্ৰকাশ পাইছে। সামন্তযুগীয় ধ্যান-ধাৰণাৰ পৰিবৰ্তন ঘটাই নতুন সমাজ সৃষ্টিত তেওঁ এক কলাত্মক অবিহণা নিজস্ব ভঙ্গীৰে প্ৰকাশ কৰিছে। জীৱনৰ সংঘাত, অন্তৰ্দ্বন্দ্ব, সফলতা বিফলতাৰ সৰু সৰু প্ৰাণময় বিৱৰণৰ বাবে লেখাসমূহ আকৰ্ষণীয়। সাৱলীল বৰ্ণনা, ভাষাৰ ব্যঞ্জনা আদি লক্ষ্যণীয় বৈশিষ্ট্য। চৰিত্ৰবোৰৰ আধুনিক মানসিকতা ঘাইকৈ নগৰকেন্দ্ৰিক। হিন্দী, ইংৰাজী আদি ভাষাৰ শব্দৰ অবাধ অন্তৰ্ভুক্তিয়ে তেওঁৰ উপন্যাসসমূহ কেৱল উচ্চ-শিক্ষিতৰ সম্পত্তিহে কৰি তুলিছে। মধ্যবিত্ত দৃষ্টি-ভঙ্গীৰ বাবে প্ৰায়বোৰ চৰিত্ৰই সময় মুৰকত নেতিবাচক হৈ পৰে। নাৰী চৰিত্ৰ চিত্ৰনত তেওঁ গুৰুত্ব প্ৰদান কৰিছে, কিন্তু শক্তিশালী নাৰী চৰিত্ৰ চিত্ৰন কৰাতকৈ নানা বৈশিষ্ট্যৰ নাৰী সৃষ্টিতহে তেওঁ দক্ষ হৈছে। "লিখিকা হিচাপে মামণি ৰয়ছম গোস্বামীৰ দক্ষতা এতিয়া অনস্বীকাৰ্য্য। প্ৰকাশৰ উপযুক্ত মাধ্যম তেওঁ আবিষ্কাৰ কৰিছে, চিন্তন আৰু কল্পনাৰ পৰিস্ফূৰণ ব্যাপক আৰু দৃঢ়মূল হৈছে, তেওঁৰ কথাশৈলীৰ স্বকীয়তাও স্পষ্ট হৈছে।"[২০] তেওঁৰ প্ৰায়বোৰ উপন্যাসৰ পটভূমি অসমৰ বাহিৰত আৰু চৰিত্ৰবোৰ অনা-অসমীয়া। প্ৰায়বোৰ উপন্যাসৰ প্ৰধান নাৰী চৰিত্ৰৰ সৈতে লেখিকাৰ অভিন্ন সম্পৰ্ক দেখা যায়। ৰচনাবোৰ জীৱনধৰ্মী হোৱাত জনপ্ৰিয় হৈ পৰিছে। মামণি ৰয়ছম গোস্বামীয়ে আধুনিক মনস্তত্ত্ব পাৰদৰ্শিতাৰে অঙ্কণ কৰিছে। মুঠতে, "বিষয় বস্তুৰ লগত প্ৰত্যক্ষ অভিজ্ঞতা, খুটি-নাটি বিৱৰণৰ প্ৰতি সজাগ দৃষ্টি, নিম্নশ্ৰেণীৰ চৰিত্ৰৰ কাৰ্যকলাপ আৰু আশা-আকাংক্ষাৰ প্ৰতি সহানুভূতি প্ৰদৰ্শন কৰিছে।"[২১]

ঔপন্যাসিকা হিচাপে মামণি ৰয়ছম গোস্বামী অসমীয়া সাহিত্যৰ এগৰাকী আগশাৰীৰ লেখিকা। ইতিমধ্যে ইংৰাজী ভাষালৈ অনূদিত একাধিক গল্প আৰু উপন্যাস —"Shadow of the Dark God" ৰ জৰিয়তে সৰ্ব-ভাৰতীয় প্ৰশংসা লাভ কৰিবলৈকো সক্ষম হৈছে।

---

২০. প্ৰফুল্ল কটকী, "স্বাধীনোত্তৰ অসমীয়া উপন্যাসৰ সমীক্ষা", পৃ. ৯৬
২১. সত্যেন্দ্ৰনাথ শৰ্মা, "অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত", পৃ. ৫৫৩

দশম অধ্যায়

শিশু-সাহিত্যলৈ মহিলাৰ দান

১০.১ সাহিত্যৰ সকলোদিশৰ দৰেই শিশু-সাহিত্য প্ৰণয়ণতো লেখিকাসকলে আগভাগ লোৱা দেখা গৈছে। শিশুৰ কাৰণে আচুতীয়াকৈ সাহিত্য ৰচনা কৰা প্ৰবৃত্তি প্ৰাচীন অসমীয়া সাহিত্যত নাছিল। সেইকালত ৰচিত "কানখোৱা", "ভীম চৰিত" আদি পুথিৰ মাজত শিশু-উপযোগী নানা সমল বিচাৰি পালেও প্ৰকৃতাৰ্থত সেইবোৰ শিশুক লক্ষ্য কৰি ৰচনা কৰা গ্ৰন্থ নহয়। শিশুৰ বাবে আচুতীয়া গ্ৰন্থ প্ৰণয়ন পদ্ধতি আধুনিক যুগৰহে সৃষ্টি। অসমীয়া সাহিত্যত এই বিধ সাহিত্যৰ আঁত "অৰুনোদই" পত্ৰিকাত প্ৰকাশিত সাধুকথা, নীতি-কথাৰ পৰা ধৰিব পৰা যায়। ইলাইজা হুইট্‌নি ব্ৰাউনৰ ৰচিত আৰু ১৮৫০ চনত গ্ৰন্থৰূপে প্ৰকাশিত "সাধুৰ পুথি"ক সৰ্বপ্ৰথম শিশু-উপযোগী গ্ৰন্থ হিচাপে ধৰা হৈছে। ইয়াৰ পাছত প্ৰাক্-জোনাকীযুগৰ বিষ্ণুপ্ৰিয়া দেৱীৰ "নীতি কথা" আদিকো শিশু-সাহিত্যৰ পৰ্যায়ত ধৰিব পৰা যায়। বিংশ শতাব্দীৰ প্ৰথমভাগত লক্ষ্মীনাথ বেজবৰুৱা প্ৰমুখ্যে জনচেৰেক লেখকৰ ৰচনাত শিশু-উপযোগী লেখা পোৱা যায়। লেখিকাৰ ভিতৰত যমুনেশ্বৰী খাটনিয়াৰৰ কবিতাবোৰ শিশুৰ উপযোগী হৈছিল। ত্ৰৈলোক্যেশ্বৰী দেৱী বৰুৱানীৰ "সন্ধিয়াৰ সাধু" (১৯৩৭); অন্নদা দেৱী বৰকটকীৰ "সাধু কথা"; আজলীতৰা নেওগৰ "আলিবাবা আৰু দুকুৰি ডকাইত" (১৯৩৯) আদি গ্ৰন্থ; সুপ্ৰভা গোস্বামীৰ "ৰামায়ণ-মহাভাৰতৰ কথা" (১৯৪০) প্ৰভৃতি গ্ৰন্থ শিশুসকলৰ বাবেই ৰচিত হৈছে।

যুদ্ধোত্তৰ যুগত শিশুসকলৰ বাবে সুকীয়াকৈ গ্ৰন্থ ৰচনা কৰাৰ প্ৰয়োজন গভীৰভাৱে উপলব্ধি কৰা হয়। "শিশুসকলৰ বাবে সুকীয়াকৈ সাধুকথা বা গল্প কোৱাৰ সচেতন যত্ন যুদ্ধোত্তৰ যুগৰ বিশেষ এটি লক্ষণ। দেশ-বিদেশৰ পৌৰাণিক-লৌকিক আখ্যান, আমাৰ দেশৰ বুৰঞ্জী লোকগীত আদিৰপৰা গৃহীত কাহিনী, কাল্পনিক চৰিত্ৰৰ কথা আদিৰ পৰিবেশন এটি ৰীতিত পৰিণত হৈছেহি।"[1]

শিশুৰ বাবে সাহিত্য ৰচনাত যথেষ্ট কঠিনতা আছে। শিশুৰ মনস্তত্ত্ব উপলব্ধি নকৰাকৈ কোনো ধৰণৰ মৌলিক উপযুক্ত শিশু গ্ৰন্থ ৰচনাত কৃতকাৰ্য লাভ কৰিব পৰা নাযায়। সেইবাবে, পৰম্পৰাগত সাধুৰ জৰিয়তে সৰহভাগ লেখক লেখিকাই শিশু মনৰ ওচৰ চাপিবলৈ যত্ন কৰিছে। শিশুৰ বুদ্ধি বিকাশত উপযুক্ত গ্ৰন্থই সহায় কৰে। আদৰ্শনীয় বা শিক্ষনীয় মনোৰম বিষয় সমূহে তেওঁলোকৰ চৰিত্ৰ গঠনত সহায় কৰে। দয়া, মৰম, সহানুভূতি আদি মানবীয় গুণাৱলীৰ বিকাশৰ লগতে সুকুমাৰ বৃত্তি জাগ্ৰত কৰাত সাহিত্যই এইক্ষেত্ৰত গুৰুত্বপূৰ্ণ স্থান লাভ কৰিছে। ইংৰাজী সাহিত্যৰ দৰে শক্তিশালী সাহিত্যৰ সৈতে অসমীয়া শিশু-সাহিত্যৰ বিজনি কোনো ক্ষেত্ৰতে দিব পৰা বিধৰ নহয়। আনকি, বাংলা-সাহিত্য নাইবা হিন্দী-সাহিত্যতকৈও সংখ্যা আৰু মানদণ্ড উভয় ক্ষেত্ৰতে নিম্নগামী। কিন্তু, সাম্প্ৰতিক কেইগৰাকীমান লেখক-লেখিকাৰ মাজত আশাপ্ৰদ সম্ভাৱনা দেখা গৈছে। শিশুৰ মনস্তত্ত্ব আত্মনিয়োগ কৰা কেবাগৰাকীও মহিলাই খনদিয়েক সাৰ্থক শিশু গ্ৰন্থ উপহাৰ দিবলৈ সমৰ্থ হৈছে।

---

১. মহেশ্বৰ নেওগ, "ৰূপৰেখা", পৃ. ৩৩৭-৩৩৮

১০.২. পঞ্চাছৰ দশকত শিশু-সাহিত্যলৈ বৰঙণি দিয়া লেখিকাসকলৰ ৰচনাসমূহ যাইকে সাধু ভিত্তিক। এইক্ষেত্ৰত এগৰাকী উল্লেখযোগ্য লেখিকা প্ৰীতা দেৱীৰ “পৰীৰ দেশৰ সাধু” (১৯৫৬), “গ্ৰীছ আৰু ৰোমৰ সাধু” (১৯৬১) আৰু “মানদেশৰ সাধু” (১৯৬৩) নামৰ সাধুৰ পুথি তিনিখনৰ জনপ্ৰিয়তাই এইশ্ৰেণীৰ গ্ৰন্থৰ প্ৰতি শিশুৰ অনুৰাগ অনুভৱ কৰিব পৰা হৈছে। অণু বৰুৱাৰ “জাপানী সাধু” (১৯৬১) আৰু “প্ৰাচীন ভাৰতীয় সাধু”; দীপিকা গগৈৰ “আজৰি পৰৰ সাধু”; অন্নপূৰ্ণা বৰুৱাৰ “সোণমইনীৰ সাধু” (১৯৫৬); মনোৰমা দত্তবৰুৱাৰ “অকণিৰ সাধু”; তৰুলতা দত্তবৰুৱাৰ “কৈলাসৰ সাধু” (১৯৫৯); চাকিনা খাতুনৰ “পঞ্জাবৰ সাধু”(১৯৬৮); বীণা বৰ্মনৰ “বিলাতৰ সাধু”, মাণিকী মাধুৰী নেওগৰ “ফেহুজালিৰ সাধু”; মিনতি হাজৰিকাৰ “নেপাল দেশৰ সাধু”, সৰস্বতী শৰ্মা বৰুৱাৰ “সাধুৰ মালা”, কুসুম দাসৰ “সাধু কথা”, অৰূপা পটঙীয়া কলিতাৰ চীনা সাধু “মেপ'ল হাবিৰ ৰং' (১৯৮৯) আৰু জয়শ্ৰী গোস্বামী মহন্তই বিভিন্ন ভাষাৰপৰা বুটলি আনি অসমীয়া ৰূপ দিয়া সাধু বিষয়ক ৰচনা বিলাক এই শিতানত উল্লেখ কৰিব লাগিব। এইবিলাক ৰচনাই শিশু-সাহিত্যৰ কিছু অভাৱ পূৰণ কৰিলেও গ্ৰন্থবিলাক মৌলিক ৰচনা নহয়। অৱশ্যে, প্ৰায়বোৰ লেখাৰে ৰচনা-পদ্ধতি আৰু ভাষা সৰল হোৱাত ৰসাল সাধুবোৰ জুটিলগা হৈছে।

১০.৩. বিভিন্ন ধৰ্ম-গ্ৰন্থৰ পৰা কাহিনী আহৰণ কৰি শিশুৰ উপযোগীকৈ আন আন ভাষাৰ দৰেই অসমীয়া ভাষাতো ভালেমান শিশু-সাহিত্য ৰচনা কৰা হৈছে। এনেধৰণৰ শিশু গ্ৰন্থ ৰচনা কৰি কৃতকাৰ্য হোৱা লেখিকাৰ ভিতৰত মিনি এমঞ্জৰ (১৯০৮-১৯৭৭) নাম প্ৰথমতে উল্লেখ কৰিব লাগিব। তেওঁৰ “তীৰ্থযাত্ৰী”, “বাইবেলৰ সৌৰভ” আৰু “মৰমী আইতা” বাইবেলৰ কাহিনী আধাৰিত জনপ্ৰিয় শিশু সাহিত্য। প্ৰাচীন ভাৰতীয় ধৰ্ম-সাহিত্যৰ পৰা বুটলি অনা বিষ্ণুপ্ৰিয়া দত্তবৰুৱাৰ গ্ৰন্থসমূহ হ'ল,–“সত্তৰীৰ ৰহস্য”, “কৃষ্ণলীলা”, “শিশু কৃষ্ণ”, “অকণিৰ ধ্ৰুৱ”, “ভক্ত-প্ৰহ্লাদ” আৰু “সতী-কাহিনী”। ইয়াৰ ভিতৰত “কৃষ্ণলীলা” আৰু “সতী কাহিনী” চেমনীয়াৰ উপযোগী সাহিত্য। কেশদা মহন্তৰ “মহাভাৰতৰ সাধু দুটামান কণ্ঠ ”, “ৰামায়ণৰ সাধু দুটামান কণ্ঠ” (১৯৮৮) আৰু “ৰঘুবংশৰ কথা”; ৰেণু গোস্বামীৰ “মইনাৰ ৰামায়ণৰ সাধু” আদি মহাকাব্যৰ পৰা বুটলি অনা কাহিনীৰ সৰল ৰূপায়ণ। ড°নিৰ্মলপ্ৰভা বৰদলৈৰ 'কথা সৰিৎ সাগৰ' (১৯৭৫); বীণা দত্তবৰুৱাৰ “বিক্ৰমাদিত্য আৰু বেতাল”; কৃষ্ণপ্ৰিয়া হাজৰিকাৰ “বীৰ হনুমান”; অলকানন্দা ডেকাৰ “ভীমৰ কাহিনী”; নলিনীপ্ৰভা ডেকাৰ “ছটফটীয়া ভীম”, অমৃত গোস্বামীৰ “ভাগৱতৰ কথা”; হেমলতা দত্তৰ “আৰ্যাবৰ্ত্তৰ সতী”; জেবুন্নিছাৰ “পুৰণি কাহিনী”; হিৰণ্যপ্ৰভা বৰুৱাৰ “সপ্তসতী”; উলুপী বৰাৰ” “মইনাৰ ৰহঘৰা”; সাবিত্ৰী দত্তবৰুৱাৰ “চম্পাৱতী” আদি ৰূপকথা তথা ৰূপক, জাতক আদি প্ৰাচীন সাহিত্যৰ পৰা আহৰণ কৰা কাহিনীৰ আকৰ্ষণীয় ৰচনা। এনেধৰণৰ কথা কাহিনীয়ে লেখিকাসকলক সহজে আকৰ্ষণ কৰা দেখা যায়। এইবিলাক গ্ৰন্থত লেখিকাৰ মৌলিক বিশেষত্ব নাই। ৰচনা কৌশল আৰু ভাষা প্ৰয়োগত সৰলতা দেখা যায়।

১০.৪. মৌলিক শিশু-সাহিত্য ৰচনাত লেখিকাৰ সংখ্যা তাকৰীয়া। পঞ্চাছৰ দশকৰ লেখিকা সৌজন্যময়ী ভট্টাচাৰ্যৰ “মৌজোন” (১৯৫০), “কণজুল নেপূৰ বাজে” (১৯৫৭) আৰু “খেতিয়কৰ জীৱন” (১৯৬০) আদি পুস্তিকাত কল্প-কাহিনীৰ সমাবেশ ঘটাইছে। শেষৰ দুখন শিশু উপযোগী নাটিকা। হিৰণ্যময়ী দেৱীৰ “ননীচোৰ”, 'অকণিৰ গীত” আদিৰ উপৰিও বিভিন্ন গল্প, কবিতা, নাটিকা, আলেখ্য আদিৰ সংকলন “ফুল ফুলিছে আমাৰ বাগানত” লেখিকা গৰাকীৰ বাচকবনীয়া লেখাৰ সংগ্ৰহ। এইখন গ্ৰন্থতে তেওঁৰ প্ৰতিভা নিৰ্ণিত

হৈছে। ড° নিৰ্মলপ্ৰভা বৰদলৈৰ শিশু-উপযোগী "মন উৰণীয়া", "গীতি নাট্য সংকলন" আদিত প্ৰতিভাৰ স্বাক্ষৰ আছে। মৌলিক ৰচনাত লিলি ছন্নাই "অমৰ প্ৰেমী" (১৯৫৪) আৰু "সোণৰ গধুৰ বোজা"ত কৃতিত্ব প্ৰদৰ্শন কৰিছে। শুচিব্ৰতা ৰায় চৌধাৰীৰ "সুন্দৰ দেশ" (১৯৬৩), ড° মিনতি শৰ্মাৰ "শিশুৰ হাঁহি"; ড° নীলিমা শৰ্মাৰ "শিশু আৰু শুনা কথা", অণু বৰুৱাৰ "পৃথিৱীৰ পুৰণি কথা", "পৰীৰ দেশত অংশুমণি" আদি কেইখনমান সুখপাঠ্য ৰচনা। শিশু-সাহিত্যৰ এগৰাকী প্ৰসিদ্ধা লেখিকা স্বৰ্ণ গোস্বামীৰ "গধূলিতে গধূলিতে ডবা কোবায়" (১৯৬৮) আৰু "জোনবাই এ বেজি এটি দিয়া" দুখন যোগ্যতা সম্পন্ন গ্ৰন্থ। প্ৰথমখন নৱ-সাক্ষৰ সকলৰ বাবে ৰচিত আৰু ভাৰত চৰকাৰৰ দ্বাৰা পুৰস্কৃত। নামঘৰক কেন্দ্ৰ কৰি অসমীয়া সমাজ-সংস্কৃতিৰ আলেখ্য স্বৰূপ গ্ৰন্থখন আঠ-দহবছৰীয়া শিশুৰ উপযোগী হৈছে। তেওঁৰ দ্বিতীয়খন গ্ৰন্থ ১৯৭৯ চনত প্ৰকাশিত আৰু 'অসম সাহিত্য সভা'ৰ পুৰস্কাৰ ধন্য হৈছে। শিশুৰ বাবে এই গ্ৰন্থও উপাদেয়।

১০.৫. উপন্যাস আধুনিক সাহিত্যৰ এটি জনপ্ৰিয় বিভাগ। শিশুৰ বাবেও উপন্যাসৰ আদৰ আৰু প্ৰয়োজন অনুভৱ হয়। অসমীয়া শিশু সাহিত্যত কেবাগৰাকী লেখিকাই উপন্যাস ৰচনাত মনোনিবেশ কৰিছে। পঞ্চাছৰ দশকতে দুগৰাকী লেখিকাই সফলভাবে শিশু উপন্যাস ৰচনা কৰিব পাৰিছে। সৌজন্যময়ী ভট্টাচাৰ্যৰ "বন্ধু" আৰু হিৰণ্যময়ী দেৱীৰ "যুগৰ যাত্ৰী" কিশোৰ কিশোৰীৰ বাবে উপযুক্ত উপন্যাস। আধুনিক স্তৰৰ শিশু উপন্যাসৰ এগৰাকী প্ৰধান ৰচয়িত্ৰী বন্দিতা ফুকন অসমৰ প্ৰথম মহিলা কাৰিকৰী অভিযন্তা। এওঁ হিৰন্যময়ী দেৱীৰ জীয়াৰী। বন্দিতা ফুকনৰ "জুমি. ৰীমা আৰু সিহঁত" নামৰ শিশু উপন্যাসে অসম প্ৰকাশন পৰিষদ আয়োজিত শিশু-সাহিত্য প্ৰতিযোগিতাত পুৰস্কৃত হৈ ১৯৭৯ চনত প্ৰকাশ লাভ কৰে। জুমি আৰু ৰীমা নামৰ দুজনী ছোৱালীৰ সৈতে তেওঁলোকৰ নতুন বন্ধু-বান্ধবীৰ সৃষ্টি হোৱা বন্ধুত্ব আৰু তাৰপৰা হোৱা সংঘাত এখন নৈকে গঢ়ি উঠা চহৰৰ পটভূমিত ৰচিত হৈছে। উপন্যাসখন শিশুৰ উপযোগী আৰু সুখপাঠ্য হৈছে। তেওঁৰ আন এখন উপন্যাস "সোণটিৰ দিনবোৰ"ত চতুৰ্থ-শ্ৰেণীত পঢ়া সোণটি নামৰ ল'ৰা এটাক কেন্দ্ৰ কৰি ৰচিত। সোণটিৰ বন্ধু আজিজ উপন্যাসখনৰ আন এটা লেখৰ চৰিত্ৰ। এই উপন্যাসতো লেখিকা কৃতকাৰ্য হৈছে। তেওঁৰ আন এখন সফল উপন্যাস ""সিহঁতে খেলিছিল" ১৯৮৪ চনত প্ৰকাশিত হৈছে। সোণটিৰ চৰিত্ৰক কেন্দ্ৰ কৰি লেখা এইখন দ্বিতীয় উপন্যাস। তৃতীয়খন "বন্ধুৰ দিনত সোণটিহঁত" উপন্যাসে ১৯৮৪ চনত ডিব্ৰুগড় জিলা সাহিত্য পৰিষদৰ আয়োজিত প্ৰতিযোগিতাত পুৰস্কাৰ লাভ কৰিছিল। বন্দিতা ফুকনৰ প্ৰকাশিত চাৰিওখন উপন্যাস সফল হৈছে।

ড° নীলিমা দত্ত এগৰাকী প্ৰসিদ্ধ ঔপন্যাসিকা। তেওঁৰ "মই আৰু আমি" কিশোৰ-কিশোৰীৰ উপযোগীকৈ ৰচনা কৰা হৈছে। আশীৰ দশকৰ এই উপন্যাসত নবীন নামৰ বন কৰিবলৈ অহা ল'ৰা এটাই বাট হেৰুৱাই অচিনাকি পৰিয়াল এটাত আবদ্ধ হব লগাত পৰিল। মাত্ৰ এৰাতি থকা তাৰ লক্ষ্য শিক্ষকৰ তিনিজনীয়া মেছটোলৈ ৰবৈকে মনত পৰি থকাত এক অশান্তি অনুভৱ কৰিলে। শেষত বান্ধনি ল'ৰাৰ দল এটাৰ সৈতে পৰিচিত হৈ নবীনে তাৰ লক্ষ্যস্থান মেছটোত ওলালগৈ। মৰমীয়াল শিক্ষক ৰথীনে তাক ভায়েকৰ দৰে গ্ৰহণ কৰিলে। শেষত নবীন মাকৰ ওচৰলৈ যাব পৰাৰ প্ৰতিশ্ৰুতিৰ মাজত উপন্যাসখনৰ সামৰণি পৰিছে। ইয়াত চহৰৰ আভিজাত্যৰ নগ্নৰূপ, শিক্ষকৰ আদৰ্শ, বনকৰা ল'ৰাৰ প্ৰতিবাদ কৰাৰ অধিকাৰ, অন্নহীনৰ হা-হুতাশ আদি খোকোজা

নলগাঁকৈ দাঙি ধৰাত লেখিকাই সাফল্য লাভ কৰিছে। কিন্তু, কাহিনীত অভিনবত্ব বিচাৰি পোৱা নাযায়। যমুনা বৰগোহাঞিৰ "শুকুলা পখীৰ গীত" শিশু উপন্যাসৰ এটি সবল প্ৰয়াস। এইদৰেই অসমীয়া উপন্যাস মহিলাই শিশু-উপন্যাসৰ সংযোজন ঘটাইছে; কিন্তু এতিয়াও যথোপযুক্ত অবিহণা দিব পৰা নাই। মৌলিক শিশু সাহিত্য ৰচনাৰ প্ৰতি বিশেষ মনোযোগ নিদিয়াই ইয়াৰ প্ৰধান কাৰণ হব পাৰে।

১০.৬. শিশুসকলৰ বিভিন্ন-ৰঙী ৰচনাৰ উপহাৰ বিভিন্ন লেখিকাই আগবঢ়াইছে। প্ৰথমতে নিৰুপমা বৰুৱাৰ "আমাৰে মইনা শুব এ", "টিপ্ টিপ্ গুণ্ গুণ্ ভুক্ ভুক্", "ভাকুট-কুট", "মৰমৰ উপহাৰ" আদিয়ে সহজেই শিশুক আকৰ্ষণ কৰে। এইবোৰ পুথি কোমল উপাদেয় ভাষাৰে কম বয়সীয়া শিশুৰ বাবে ৰচিত। অৰ্পণা বণিক্যৰ "অকণিৰ ৰহঘৰা"; লক্ষহীৰা দাসৰ "কাজিৰঙাত সাতবিহু" নিৰুপমা ফুকনৰ "গীত গোৱা চৰাই" (১৯৬৯), "কণজুনৰ সপোন" (১৯৬৮) আৰু "বুলবুল আৰু বাদছাহ" (১৯৭০) উল্লেখযোগ্য। এলি আহমদৰ "ৰংমনৰ মন", অণু বৰুৱাৰ "পৰীৰ দেশত অক্ৰুমণি" আৰু "পৃথিৱীৰ পুৰণি কথা"; চাৰুপ্ৰভা হাজৰিকাৰ "সৰিয়হ ফুলৰ ৰণ"; বীতা খাম্নাৰ "নকল জোন" আদি গ্ৰন্থই শিশু সকলৰ মন স্পৰ্শ কৰিব পাৰিছে। প্ৰীতিশ্ৰী বসু বৰকটকীৰ "অকণিৰ চিৰিয়াখানা", চন্দ্ৰদেৱী মহন্তৰ "বন পক্ষীৰ সাধু", নলিনীপ্ৰভা ডেকাৰ "শিশুপ্ৰেম", ড°মিনতি শৰ্মাৰ "শিশুৰ হাঁহি"; ড° নীলিমা শৰ্মাৰ "শিশু আৰু শুনাকথা"; নীলিমা বৰুৱাৰ "আমাৰ গাঁও আমাৰ সৰগ", নিৰুপমা মিশ্ৰৰ "পাখিয়ে পাখিয়ে ৰং", মৃদুস্মিতা বৰুৱাৰ "বন বিৰিখৰ আঁৰে আঁৰে" শৈলবালা বৰুৱাৰ "কুঁহি সেউজীয়া মন" চিৰস্মিতা বৰাৰ "আদিম মানুহৰ সাধু" আদি ভিন্ন-ৰঙী গ্ৰন্থ বিলাকে শিশুৰ মনোযোগ আকৰ্ষণ কৰাৰ উপৰিও চাহিদা পূৰণত সহায়ক হৈছে। এইবিলাক গ্ৰন্থত মহিলাসকলৰ মৌলিক বৰঙণি সংযুক্ত হোৱাত লেখত লব পৰা হৈছে।

১০.৭. জীৱনী শিশু-সাহিত্যৰ এটি প্ৰধান বিভাগ। শিশুৰ চৰিত্ৰ গঠনত এইবিধ গ্ৰন্থই বিশেষভাৱে গুৰুত্বলাভ কৰি আহিছে। লেখিকাসকলৰ বহুতেই মহান ব্যক্তিসকলৰ জীৱন-চিত্ৰ চমু চমুকৈ দাঙি ধৰি শিশু সকলৰ প্ৰতি নিজৰ দায়বদ্ধতা প্ৰকাশ কৰিছে। ড° নীলিমা দত্তৰ "মহৎ লোকৰ লৰালি কাল" (১৯৫৫) শিশুৰ বাবে এখনি সুলিখিত গ্ৰন্থ। ছাকিনা আহমদৰ হজৰত মহম্মদৰ জীৱন আধাৰিত "হাদিছৰ গল্প" (১৯৬৭) আন এখন লেখৰ ৰচনা। প্ৰণীতা দেৱীৰ "আচাৰ্য বিনোৱা ভাবে"; হেমপ্ৰভা হাজৰিকাৰ "মহা পুৰুষ", জী-মণি চৌধুৰীৰ "স্বামী বিবেকানন্দ", লিলি হাসনাৰ "ধ্ৰুৱতৰা", নলিনী প্ৰভা ডেকাৰ "পদ্মশ্ৰী নলিনীবালা দেৱী", আৰতি হাজৰিকাৰ "ৰায় চৌধুৰীৰ জীৱন সংগ্ৰাম" আৰু "পদ্মনাথ গোহাঞি বৰুৱা", হেমলতা বৰাৰ "দালাই লামা" আদি জীৱনী প্ৰকাশ পাইছে। কিন্তু, জীৱনী ৰচনাত মহিলা সকল উপযুক্তভাৱে সফল হোৱা নাই। সংখ্যাৰ ফালৰ পৰাও এইবিলাক গ্ৰন্থ তাকৰীয়া হৈ আছে। বিশ্ব-সাহিত্যৰ পৰা অনূদিত কেইখনমান শিশু-গ্ৰন্থ সাৰ্থকভাৱে কেইগৰাকীমান লেখিকাই উপহাৰ দিছে। প্ৰথমতে প্ৰবীনা শইকীয়াই অনুবাদ কৰা লুইচ কেৰোলৰ বিখ্যাত গ্ৰন্থ "অজান দেশত এলিচ", এল, নছফৰ নিশি বৰকটকীয়ে কৰা অনুবাদ "খিচ্‌কিন, মই আৰু বহুতো" আৰু নিৰুপমা বৰগোহাঞিৰ ফৰাছী ভাষাৰ মূল গ্ৰন্থ "লা পেটিট প্ৰিন্স"ৰ ইংৰাজী অনুবাদ "দি লিটল প্ৰিন্স", গ্ৰন্থৰ অনুবাদ "অকণমানি কোঁৱৰ", তিনিখন যোগ্যতাসম্পন্ন অনুবাদ গ্ৰন্থ। সুপ্ৰভা গোস্বামীৰ "ডন কুইকচোট", অজলীতৰা নেওগৰ আৰৱ্য উপন্যাস আধাৰিত "আলিবাবা", "আলাউদ্দিন", "সিন্দাবাদ" আদিকো এই পৰ্যায়ত ধৰিব পাৰি।

অসমীয়া শিশু-সাহিত্য এতিয়াও বহুত পিছপৰি ৰৈছে। লেখক-লেখিকাবৃন্দই এতিয়াও শিশুৰ বাবে প্ৰয়োজনীয় সকলো বিষৰ গ্ৰন্থ প্ৰণয়ন কৰিব পৰা নাই। তদুপৰি, গ্ৰন্থসমূহৰ বিষয়বস্তু আৰু ভাষাৰ প্ৰতি মনোযোগ নিদিয়াত আৰু প্ৰায়বোৰ গ্ৰন্থৰ ৰচনা-ভঙ্গীৰ প্ৰতি সচেতন নোহোৱাত মূল্য কমি যোৱা দেখা যায়। চেমনীয়া আৰু শিশুৰ বাবে ৰচনা কৰা গ্ৰন্থ একেবোৰেই। অসমীয়া শিশু গ্ৰন্থবোৰৰ অধিকাংশই আঠবছৰৰ ওপৰৰ শিশুৰ বাবেহে উপযুক্ত। ড° নিৰ্মল প্ৰভা বৰদলৈ, ড° লক্ষহীৰা দাস আদিৰ দুই এখন গ্ৰন্থ কম বয়সৰ শিশুৰ উপযোগী। এনেধৰণৰ মৌলিক ৰচনা নথকাৰ বাবেই অনা-অসমীয়া প্ৰতিষ্ঠানৰ দ্বাৰা প্ৰকাশিত কিছুমান নিকৃষ্টমানৰ অনূদিত গ্ৰন্থ শিশু সকলৰ হাতত তুলি দিব লগা হৈছে। অসমীয়া লেখক-লেখিকা সকলে শিশুৰ মনস্তত্ত্ব অধ্যয়নত গুৰুত্ব দিলেহে বয়সানুযায়ী গ্ৰন্থ ৰচিত হব।

একাদশ অধ্যায়

সাম্প্ৰতিক সাহিত্যত মহিলা-লেখক

১১.১ সাম্প্ৰতিক সাহিত্যৰ গণ্ডীত সত্তৰ আৰু আশী– এই দুটা দশকৰ সাহিত্য অন্তৰ্ভূক্ত কৰা হৈছে। "ৰামধেনু"– পৰৱৰ্তী সাহিত্যৰ লক্ষণবোৰ এই দুয়োটা দশকৰ ভিতৰত স্পষ্ট হৈ পৰাত এটা নতুন ধাৰাই ক্ৰমশঃ গঢ় লৈ উঠিছে। আধুনিক সাহিত্যৰ প্ৰধান লক্ষণ বিলাকৰ লগতে বিশ্ব-সাহিত্যত জনপ্ৰিয় হৈ উঠা সমাজবাদী চিন্তাধাৰাই সাম্প্ৰতিক লেখক-লেখিকাসকলক অনুপ্ৰাণিত কৰি তুলিছে। প্ৰগতিবাদী ধাৰা ৰূপে চিহ্নিত এই সাহিত্য-ৰীতি সাহিত্যত নতুন নহলেও পূৰ্বতে হেপা-চোৰোকাকৈহে অসমীয়া সাহিত্যত প্ৰচলিত হৈছিল। দ্বিতীয় মহাযুদ্ধৰ পূৰ্বে "আৱাহন" কাকতত লক্ষ্মীধৰ শৰ্মাৰ গল্পত প্ৰগতিবাদৰ সুৰ স্পষ্ট হৈছিল। যুদ্ধৰ পাছত "জয়ন্তী" কাকতৰ মূল উদ্দেশ্যই আছিল প্ৰগতিবাদী সাহিত্যৰ প্ৰতিষ্ঠা। "জয়ন্তী"ৰ কবিতা আৰু নিবন্ধ সমূহত এই মতবাদ স্পষ্ট হৈ উঠিলেও স্বৰাজ লাভৰ পাছৰ পৰিস্থিতিয়ে ইয়াক বাধাগ্ৰস্ত কৰি তোলে। "ৰামধেনু"ৰ পাততো প্ৰগতিবাদীসকল কেৱল দুই চাৰিটা কবিতা ৰচনা কৰিয়েই ক্ষান্ত থাকিল। কিন্তু ষাঠিৰ দশকৰ মাজভাগ মানৰ পৰা প্ৰগতিবাদী কবিসকলৰ প্ৰথম অভ্যুত্থান হয় আৰু সম-সাময়িক "সাদিনীয়া নৱযুগ", "মণিদীপ", "আমাৰ প্ৰতিনিধি" আদি আলোচনীয়ে প্ৰগতিবাদী সাহিত্যৰ দুটি-এটি ৰচনা প্ৰকাশ কৰি নতুন চামক উৎসাহ যোগান ধৰে। এনে সময়তে অসমৰ চুকে-কোণে ক্ষুদ্ৰ আলোচনী কিছুমান প্ৰকাশ পাবলৈ ধৰে আৰু এইবোৰৰ সৰহভাগেই প্ৰগতিশীল আদৰ্শৰ কবিতা, গল্প, নিবন্ধ আদিক অগ্ৰাধিকাৰ দিলে। নতুনচামৰ এটা বৃহৎ অংশ সমাজবাদী আদৰ্শৰ অনুগামী হৈ পৰে। বিশ্বৰ ঘটনাৱলীৰ উপৰিও ষাঠিৰ দশকৰ পশ্চিমবঙ্গৰ বামপন্থী ৰাজনৈতিক আন্দোলনৰ প্ৰতিষ্ঠা, নক্সালবাৰী বিদ্ৰোহ আদি ঘটনাই যুৱমানস আলোড়িত কৰি তোলে। সমগ্ৰ বিশ্বৰ প্ৰতিবাদী কণ্ঠ মূলত এক বুলি স্বীকৃত হয় আৰু বিভিন্ন ধৰণৰ শোষণৰ বিৰুদ্ধে সম-মানসিকতা জাগ্ৰত হৈ পৰে। দক্ষিণ আমেৰিকা, আফ্ৰিকা, দক্ষিণ-পূব এচিয়া আদিৰ সাম্ৰাজ্যবাদী শোষণ, বৰ্ণবাদী অত্যাচাৰ, উৎপীড়ন, লাঞ্ছনা, প্ৰবঞ্চনা, অৰ্থনৈতিক শোষণ আদিৰ লগতে মানুহৰ নিম্নতম অধিকাৰকণো লুণ্ঠিত হৈ পৰাত সমগ্ৰ বিশ্বৰ কবি-শিল্পীয়ে ইয়াৰ প্ৰতিবাদ শক্তিশালী কৰি তুলিলে। ভাৰতীয় শিল্পী-সাহিত্যিকৰ ওপৰতো ইয়াৰ প্ৰভাৱ গাঢ় হৈ পৰে। যাইকে বাংলা-সাহিত্যত দেশ-বিদেশৰ প্ৰগতিশীল সাহিত্যৰ চৰ্চা হবলৈ ধৰে। বাংলা সাহিত্যৰ দ্বাৰা প্ৰভাৱিত হৈ নতুন সকলে প্ৰগতিবাদী বিষয়বস্তু গ্ৰহণ কৰি নতুন ধাৰা এটাৰ আৰম্ভ কৰে। পৰৱৰ্তী সত্তৰ-আশীৰ দশক দুটাৰ সাহিত্যত এই প্ৰগতিশীল ধাৰাৰে প্ৰাধান্য দেখা যায়। অৱশ্যে "ৰামধেনু"কালীন সাহিত্যৰ বৌদ্ধিক মননশীলতা এই সময়ছোৱাতো প্ৰতিষ্ঠিত সকলৰ লেখাত অব্যাহত আছে। জাতীয়তাবাদী লক্ষণপুষ্ট কিছুমান ৰচনাও এই সময়ছোৱাত প্ৰকাশ পাইছে, যিবোৰক এটা বেলেগ শিতানত ধৰিব পাৰি আৰু এইবোৰ হৰহবীয়া অসম-আন্দোলন কেন্দ্ৰিক।

১১.২ সত্তৰ-আশীৰ দশকৰ কবিতালৈ মহিলাৰ দান

সাম্প্ৰতিক সাহিত্যত কবিতাৰ গুৰুত্ব সৰ্বাধিক। জনগণৰ অনুভূতিক কবিতাই কম পৰিসৰত দাঙি ধৰাৰ শক্তি অটুট ৰখাৰ বাবে ইয়াৰ জনপ্ৰিয়তা সমগ্ৰ বিশ্বৰ দৰেই অসমতো অক্ষুণ্ণ আছে। এই অনুভূতিৰ প্ৰতিফলন ঘটোৱাত পুৰুষ কবিসকলৰ লগে লগে

মহিলা কবিসকলেও দক্ষতাৰে আগভাগ লৈছে। আলোচ্য দশক দুটাত মহিলা কবিৰ সংখ্যা শতাধিক হলেও যোগ্যতা সম্পন্ন কবিৰ সংখ্যা দহৰ ঘৰলৈ নামি অহাহে অনুভূত হয়। কাব্যচৰ্চা স্পষ্ট হৈ পৰা আৰু ভাবিকালৰ সম্ভাৱনা পৰিস্ফুট হৈ উঠা নতুন মহিলা কবিসকলৰ ভিতৰত মেঘালী ফুকন, মিনতি চৌধুৰী, ৰাজু বৰুৱা, দীপালিমা বৰুৱা, অৰ্চনা শৰ্মাপূজাৰী, কণুবাণী শৰ্মা ফুকন, লুটফা হানুম চেলিমা বেগম আদিৰ নাম প্ৰথম পৰ্যায়ত ধৰিব লাগিব। এইসকল কবিৰ জন্ম পঞ্চাছৰ দশকত। অৱশ্যে চল্লিছৰ দশকত কবিসকলৰ কবিতাত এই নতুন কবিতা শৈলীয়েই প্ৰাধান্য বিস্তাৰ কৰিছে।

১১.২.০১ মিনতি চৌধুৰী (১৯৫২) পঞ্চাছৰ দশকত জন্ম লাভ কৰা মহিলা-কবিৰ অন্যতম। তেওঁৰ প্ৰকাশিত কবিতাৰ পুথি "সেউজীয়া সপোনৰ থোক" (১৯৮৮) তিনিকুৰিমান চুটি কবিতাৰ সংকলন। মিনতি চৌধুৰী আত্মমুখী কবি। নিৰ্জনতাৰ শেতেলীৰ নিসঙ্গতাৰ পৰা যৌৱন আৰু স্বপ্নৰ অনন্য জীৱনৰূপ তেওঁৰ বক্তব্য। তেওঁ সুখ-দুখৰ হিচাপেৰে হুমুনিয়াহ পেলাই জীৱন মধুৰ কৰিবলৈ নিবিচাৰে। তথাপি স্মৃতিবোৰ মধুৰ আৰু কোনোবা চিনাকি মুখৰ আহ-যাহৰ দ্বাৰা সঞ্চিত সমস্ত সুখ কাঢ়ি লৈ গলেও স্মৃতিবোৰ বাৰ্ধক্য পৰ্যন্ত সযতনে সাঁচি ৰাখিবলৈ কবি ইচ্ছুক। অনুভূতিপ্ৰৱন কবিয়ে চৰম প্ৰাপ্তিৰ বাবে মৃত্যুকো শান্তি বুলি ৰমন্যাসিক কবিসকলৰ দৰে একেপথৰ যাত্ৰী হৈ পৰিছে। জীৱনটো গছৰ পাতত ওলমি থকা নিয়ৰ। এনে এটা ধাৰণাৰ মাজতে পুৰাৰ আৱৰ্তিতকৈ বিপ্লৱৰ আয়োজনৰ গুৰুত্ব বেছি বুলি দেখুৱাইছে আৰু পথাৰৰ সেউজীয়াক তেওঁৰ সপোন হিচাপে গণ্য কৰি পেটৰ লঘোণীয়া অৱস্থালৈ মনত পেলাইছে। কিন্তু, দুখ আৰু নিৰাশাই কবিৰ স্তবকবোৰ উদাস কৰি ৰখাত অৰ্ন্তমুখিতাহে প্ৰকাশ পাইছে। হীৰেন ভট্টাচাৰ্যৰ প্ৰভাব মিনতি চৌধুৰীৰ কবিতাত স্পষ্ট।

১১.২.০২ মেঘালী ফুকন (১৯৫৪-) নামেৰে খ্যাত অৰুণা গঁগৈ বৰুৱাৰ কবিতাও সাধাৰণতে আত্মমুখী। তৰোৱালত শান দি সোণৰ পিয়াহত আতুৰ সাউদৰ নাও বান্ধি ৰখাৰ আহ্বান তেওঁৰ কবিতাত আছে। "পথাৰে পথাৰে ঢেঁও ধৰি নাচক গৰ্ভৱতী সময়"ৰ দৰে গভীৰ আশাবাদক সমাজমুখী কৰাৰ প্ৰচেষ্টাত মেঘালী ফুকন ব্যৰ্থ হোৱা নাই। নতুন কৃষ্ণৰ জন্ম, সীৰলুৰ পৰা নতুন সীতাৰ উদ্ধাৰ আদি কামনা তেওঁৰ বাবে 'তেজাল সুৰৰ বাঁহী'। প্ৰকৃতিৰ ব্যঞ্জনা সমৃদ্ধ কবিতা "ক্ৰমশঃ আবেলিটো বিয়পি পৰিল সেউজীয়া"ত বুকুৰ মাজত দুই ডজন পখিলাই প্ৰতীকী অৰ্থ দিবৰ বাবেই লুকাই বৈছে। মেঘালীৰ কবিতাত নতুন দিন আৰু নতুন জীৱনৰ প্ৰত্যয় আছে। ৰাজু বৰুৱাৰ সৈতে যুগ্মভাবে সংকলিত কৰা "শ্বহীদ সুহৃদ আৰু উদিত সূৰ্য" (১৯৮৭) কাব্যগ্ৰন্থত মেঘালী ফুকনৰ প্ৰথমখণ্ডত প্ৰকাশিত কবিতা বিলাকত এই প্ৰত্যয় দেখা যায়। অন্ধকাৰ জৰায়ু ভেদি প্ৰসূতিগৃহত নতুন দিনৰ নতুন শিশুৰ আগমনৰ মাজত সমাজমুখী সচেতনতা প্ৰকাশ পাইছে। 'মাজে মাজে তুমি', 'মোৰ বহাগ', 'পকা পাতবোৰৰ ওপৰেদি', 'এই লগ্নত' আদিত এই কাব্য-প্ৰবাহ দেখা যায়। 'প্ৰতিটো দিনেই নতুন' কবিতাত সহৃদয়তাৰ কমাৰ শালত 'নতুন কাঁচিৰ আঁচনি'ত নতুন দিনৰ সুতীব্ৰ আহ্বান আছে।

> প্ৰতিটো দিনেই নতুন
> বাৰুদৰ ধোঁৱাৰ মাজেদি
> ওপঙি অহা মুখচ্ছবিৰ
> সুতীব্ৰ আহ্বানত
> প্ৰতিটো নতুন দিন'
> দুলি আছে সময়ৰ সুদৃঢ় দোলকত। (প্ৰতিটো দিনেই নতুন')

'তেজৰ আমন্ত্ৰণ', "মানুহ আটাইবোৰ দ্বীপ', 'ফেহুজালিৰ চিঞৰ', 'বোধনৰ-প্ৰতিজ্ঞা' আদি কবিতাই মেঘালী ফুকনৰ প্ৰতিনিধিত্ব কৰে। শব্দৰ ব্যঞ্জনা আৰু লোক-জীৱনৰ উল্লেখেৰে সমৃদ্ধ তেওঁৰ কবিতা ঠায়ে ঠায়ে বক্তৃতা-ধৰ্মী হোৱাত কাব্যগুণ হ্ৰাস পোৱা দেখা যায়।

১১.২.০৩. ৰাজু বৰুৱা (১৯৫৬-) সাম্প্ৰতিক মহিলা কবিৰ ভিতৰত এটা লেখত ধৰিবলগীয়া নাম। মেঘালী ফুকনৰ সৈতে যুক্তভাৱে প্ৰকাশ কৰা "স্বহীদ, সুহৃদ আৰু উদিত সূৰ্য" নামৰ সংকলনৰ প্ৰায় দুকুৰি কবিতাৰ উপৰিও তেওঁৰ কাব্য সংকলন "ব'দালি প্ৰেমৰ কবিতা" (১৯৮০) আৰু "সূৰ্য্যমুখী" (১৯৮৩)। ৰাজু বৰুৱা মূলত প্ৰগতিবাদী। শ্ৰেণীসচেতন কবিতাবোৰত মতবাদৰ (ism) প্ৰচাৰ ধৰ্মিতাই কাব্যিক সৌন্দৰ্য বহুক্ষেত্ৰত লাঘৱ কৰিছে। সাহিত্য বাস্তববাদী হলেও জীৱনৰ নাঙঠ সত্য দাঙি ধৰোতে সাহিত্য-গুণ বৰ্জিত হব নালাগে। 'বিপন্ন মানুহৰ বাবে' তেওঁ সংগ্ৰামত অবতীৰ্ণ হওঁতে কাব্যগুণৰ প্ৰতি বিশেষ দৃষ্টি ৰখা নাই। জনগণৰ মুক্তি কামনা তথা সমাজ সচেতনতাৰ বাবে তেওঁৰ কবিতাত সময়ৰ আহ্বান আৰু 'নতুন দিনৰ সূৰ্য উদিত হোৱাৰ সম্ভাৱনা দেখা পাইছে। 'সোণালী শস্যই বুকু জুৰোৱা গান' গাই জীৱন আৰু বাস্তৱৰ সত্য ধ্বনিত কবি 'সূৰ্যমুখী দেশ' প্ৰতিষ্ঠাৰ সংগ্ৰামৰ বাবে কবিয়ে নিজক উছৰ্গা কৰিছে। জনগণৰ স্বাৰ্থৰ পৰিপন্থীসকলক কবিতাৰেই সতৰ্ক কৰি দিছে। 'সাম্যবাদী' নামৰ বক্তৃতাধৰ্মী কবিতাটোৰ দুখ-যন্ত্ৰণা আৰু সমস্যাৰ শৃংখল চিঙি জীৱনৰ হৰিৎকণাৰ বাবে ঐক্যবদ্ধ সংগ্ৰাম কৰাৰ আহ্বান আছে। ৰাজুৰ কবিতাত মেহনতী জনতাই মাটি আৰু মানুহৰ বিজয় ঘোষণা কৰাৰ আশা প্ৰতিফলিত হৈছে। শোষকৰ বিৰুদ্ধে হুচিয়াৰী প্ৰকাশত তেওঁ কুণ্ঠিত হোৱা নাই। শাসকৰ বিৰুদ্ধে সোচ্চাৰ হৈ মাৰ বান্ধি থিয় দিয়াৰ আহ্বান আছে। 'ইতিহাস", 'ইস্তাহাৰ', 'ৰণুৱা পথাৰে মাতে', 'শত্ৰু চিহ্নিত কৰ শাণিত কাল' আদি এই পৰ্যায়ৰ কবিতা। সাম্যবাদী কবি গৰাকীয়ে মেৰাপানীৰ পৰা টেমচৰ পাৰলৈকে বঞ্চিত জনৰ আৰ্তস্বৰ শুনিছে আৰু ঐক্যবদ্ধ সংগ্ৰামৰ জৰিয়তেহে জনগণৰ মুক্তি আহিব বুলি তেওঁৰ বিশ্বাস। অৱশ্যে, মাজে সময়ে তেওঁক উজুটি খোৱা দেখা যায়। 'কৃষ্ণাংগ কবিৰ কবিতা পঢ়ি' ৰাজু বৰুৱাৰ উৎকৃষ্ট কবিতাৰ এটা। নিৰ্যাতনত জুৰুলা বঞ্চিত, লাঞ্ছিত মানুহৰ প্ৰতি একাত্মবোধ লক্ষণীয় হৈ উঠিছে–

> "......এৰা ময়ো-ক'লা চেতনাৰে
> বঞ্চিত অধিকাৰেৰে একো একোজন নিগ্ৰো
> ক'লামানুহ ...."

স্তবকটোত 'ক'লা-চেতনা'ৰ প্ৰতীকী অৰ্থ অস্পষ্ট আৰু আউল লগা। 'ফুলতী', 'নাৰীৰ নাম তেজীমলা', 'ভেবেলি লতা, কিমান শুনিবি', 'ব'হাগ' আদি কবিতাত কাব্যিক আবেদন দেখা যায়। ৰাজু বৰুৱা সমাজ-সচেতন কবি হিচাপে ইতিমধ্যে চিহ্নিত হৈছে।

১১.২.০৪ দীপালিমা বৰুৱাৰ (১৯৫৬-) প্ৰকাশিত কাব্য পুথি "মাটি, মানুহ আৰু নদী"। সত্তৰ-আশী দশকৰ ভিতৰত ৰচিত এইবিলাক কবিতা সৰল, সুখপাঠ্য আৰু ৰমন্যাসিক লক্ষণযুক্ত। সামাজিক আৰু ৰাজনৈতিক উদ্বিগ্নতাত অস্থিৰ হৈ যন্ত্ৰণাৰ বিষাদ লৈয়ো হেঙুল প্ৰভাতৰ বাবে তেওঁ গভীৰ আশাবাদী। মানুহৰ প্ৰতি আস্থা সম্পন্ন কবিয়ে গতিশীলতাই জীৱন-যাত্ৰাৰ ধৰ্ম বুলি সকিয়াই দিছে। বতাহত বাৰুদৰ গন্ধ আৰু শিশু পোৱা গন্ধ পৰিব্যাপ্ত হোৱা সংকীৰ্ণ সময়ত জননীক (দেশ) ধৈৰ্য ধৰিবলৈ তেওঁ

আহ্বান জনাইছে। নিষ্পেষণৰ বা-মাৰলীত জৰ্জৰিত জনগণৰ উদং হাত, বিপৰ্যস্ত অস্তিত্ব আৰু ভাবকল্পত সৃষ্ট ক্ৰোধ, প্ৰেম আদি অভিৰ্যক্ত 'বিচলিত স্বদেশ', তাত-কাপোৰ চিন্তাৰ মাজত 'যুগ-যুগান্তৰ সুযুক্তিৰ অন্তত' নতুন প্ৰত্যয় সাৰ পাই উঠাৰ বিশ্বাস 'সৃজন' কবিতাত; 'সংজ্ঞা'ত এজন দধিচীৰ জন্মৰ প্ৰত্যাশা, 'প্ৰেম-প্ৰীতি-প্ৰত্যয়'ত বিপৰ্যস্ত সময়ৰ মাজত এইবোৰৰ কৰ্ষণ আদি বিভিন্ন অৱস্থাৰ মাজত তেওঁৰ আশাবাদী মনোভাব প্ৰকাশ পাইছে। 'হৃদয়'ৰ দৰে ৰমন্যাসিক পৰ্যায়ৰ কবিতাত কাব্যগুণ যথেষ্ট। 'পৰিচ্ছেদ', 'সমন্বয়', 'পাথেয়', 'ইপাৰ-সিপাৰ', 'দুই নং কেবিনৰ পৰা' ইত্যাদি কবিতাই প্ৰতিভা নিৰ্ণয়ত সহায় কৰে। কাব্য-ভঙ্গী আৰু শব্দ চয়নত কবি ত্ৰুটিহীন নহয়। তথাপি, সমাজ সচেতন কবি হিচাপে দীপালিমা বৰুৱা সম্ভাৱনাময়ী মহিলা-কবি।

১১.২.০৫. অৰ্চনা শৰ্মা পূজাৰী (১৯৫৮-) সত্তৰৰ দশকৰ পৰা কাব্য-চৰ্চাত মনোনিবেশ কৰা এগৰাকী সমাজ সচেতন কবি। তেওঁৰ কবিতাত নিম্নবিত্ত, নিষ্পেষিত মানুহৰ বেদনা উপলব্ধিৰ মাজত তেওঁলোকৰ কল্যাণ কামনা কৰা হৈছে। 'কচিহীন মই, সি, বয়ুত', 'ইপ্সিত', 'অনিকদ্ধ', 'সেউজৰ মোহ', 'অপেক্ষা', 'মই কণ্ঠ মূক মৌনহঁতৰ' আদি নানা কবিতাত কবিৰ অনুভূতিৰ সুন্দৰ প্ৰকাশ ঘটিছে। নিঃস্ব মানুহৰ চেতনা বানপানীৰ দৰে প্ৰবল। কিন্তু, লুণ্ঠিত সময়ৰ বাধাৰ মাজতো প্ৰবল ইচ্ছা শক্তিৰ বাবে সম্ভাৱনাৰ গতি অনিকদ্ধ বুলি কবিৰ ধাৰণা। 'সেউজৰ মোহ' কবিতাত চাহবাগিছাৰ শ্ৰমজীৱী মানুহৰ বস্তি জীৱনৰ সংগ্ৰাম প্ৰতিফলিত হৈছে। 'শান্তি ভঙ্গৰ অপৰাধত' অৰ্চনা পূজাৰীৰ এটা লেখত লবলগীয়া কবিতা। কবিতাটোত তেওঁ দুখৰ আৰ্তিত প্ৰতিটো নিশা কঁপি উঠা যেন অনুভৱ কৰিছে। বিভৎস দিনবোৰ যেন নিৰীহ মানুহৰ বাবে মৃত্যু পৰোৱানাহে। এনে এটা দুখবোধত আছন্ন তেওঁৰ কবিতাৰ শব্দ চয়ন, চিত্ৰকল্প আদি কোমল।—

শুকুলা হাতীয়ে মহতীয়াই গ'ল
ইপাৰ সিপাৰ
ঠোকৰ ভৰত হাউলি পৰা সোণালী পথাৰ। ('খবৰেই নহ'ল)

অৰ্চনা পূজাৰী এগৰাকী সম্ভাৱনাময়ী প্ৰগতিবাদী কবি। কাব্য-সিদ্ধিৰ বাবে তেওঁৰ অনুশীলনৰ এতিয়াও প্ৰয়োজন আছে।

১১.২.০৬ ৰুণুবাণী শৰ্মা ফুকনৰ (১৯৫২-) কাব্যগ্ৰন্থ "সুতীব্ৰ সময়ৰ প্ৰতীক্ষাত" (১৯৭৯)। শোষণ-শোষকৰ পুলি-পোখা উভালিবলৈ কবিৰ আকাংক্ষা ইয়াত প্ৰকাশ পাইছে। মানুহৰ ইতিহাসত নতুন অধ্যায়ৰ সূচনা কৰিবলৈ 'আয়োজন' কবিতাত ঐকান্তিক আগ্ৰহ প্ৰকাশ পাইছে। কৃষিজীৱী মানুহৰ প্ৰতি 'কৃষক' কবিতাত তেওঁৰ গভীৰ দুখ ফুটি উঠিছে। 'মোৰ কবিতাৰ কণ্ঠত' মেহনতী মানুহক কবিতাৰ তেজাল ছন্দ বুলি স্পষ্ট কৰি দিছে। আদিম অন্ধকাৰ বিনাশ কৰি আকাংক্ষিত পৃথিবীৰ কামনা কৰা কবি জনগণৰ প্ৰতি প্ৰতিশ্ৰুতিবদ্ধ। 'তেওঁলোকৰ মুখ,'— শাওনৰ ছবি'ত জনগণৰ মেহনতী ৰূপ সুন্দৰকৈ প্ৰকাশ পোৱা দেখা যায়। 'নতুন বহাগ', 'তুমি', আক্ষেপ', 'আশা', 'স্বপ্ন' আদি আত্মমুখী কবিতাবোৰৰ কাব্যিক সৌন্দৰ্য আকৰ্ষণীয়। ৰহস্যময় ৰমন্যাসিক আবেশত কবিয়ে কৈছে—

কেঁচা হালধীয়া ৰঙৰ জোনাকবোৰৰ দৰে
তোমাৰ অহাৰ স্মৃতি
মোৰ হৃদয়ত
স্বপ্ন গভীৰ এখন বিশাল আকাশ। (তুমি)

প্ৰেম, প্ৰিয়তম ইত্যাদি একান্ত ব্যক্তিগত বিষয়বোৰ মাজে মাজে প্ৰকাশ পালেও কণুবাণীৰ কবিতাত শোষিত জনগণৰ দুখ-দৈন্য, আশা-নিৰাশাৰ অক্লান্ত সংগ্ৰাম আৰু তেওঁলোকক মুক্ত কৰাৰ আকাংক্ষা বৈশিষ্ট্যময় হৈ উঠিছে।

১১.২.০৭. তৰুণী মহিলা-কবিৰ ভিতৰত নুটিকা হুসনুম চেলিমা বেগম (১৯৬০-) এগৰাকী উদীয়মান সমাজ-সচেতন কবি। ৰমন্যাসিক আবেশ এটা তেওঁৰ কবিতাত দেখা গলেও কাব্য-শৈলী কিছু উন্নত পৰ্যায়ৰ। 'বানপানী', 'প্ৰসাৰিত চেতনা', 'অনন্য', 'আবেদন', 'বিসংগতি' আদি কবিতাত দুখানুভূতিৰ তীব্ৰতাৰ মাজত দীপ্ত আৰু দৃঢ়ভাবে বিপ্লবৰ প্ৰসাৰিত চেতনাত সহযোগ কৰাৰ আহ্বান আছে। তেওঁৰ 'চেতনা'ৰ দৰে কবিতা আত্মমুখী হলেও চেতনাৰ বলিষ্ঠ প্ৰকাশ ঘটিছে। নুটিকা সাম্প্ৰতিক দশকৰ (আশী) সম্ভাৱনাময় কবি।

১১.২.০৮. অন্যান্য কবিৰ ভিতৰত চন্দ্ৰপ্ৰভা বুঢ়াগোহাঁইৰ 'পলাশৰ জুই' সত্তৰৰ দশকৰ প্ৰকাশিত পুথি। ৰমন্যাসিক ভাবপুষ্ট কবিতাৰ মাজতে প্ৰগতিবাদী সুৰ প্ৰকাশ পাইছে। জ্যোতি বৰুৱা চলিহাৰ (১৯৫২-) প্ৰকাশিত "সুপ্ত-সূৰ্য" (১৯৪৮) কাব্য পুথিত ৰমন্যাসিক ধাৰণাপুষ্ট প্ৰায় ডেৰকুৰি সৰল কবিতা প্ৰকাশ পাইছে। পাৰুল তালুকদাৰৰ "আমাক এটা সূৰ্য লাগে" (১৯৮১) কবিতা সংকলনত উচ্চস্তৰৰ নিটোল আৰু সু-সংহত কবিতা পোৱা নাযায়। দিব্যজ্যোতি গোঁহাই গঁগৈৰ (১৯৫১) "মোৰ দেশ মোৰ মন" (১৯৮২) সংকলনত প্ৰকাশিত কবিতাসমূহ ৰমন্যাসিক ভাবপুষ্ট। 'কেৱল আশাৰ বাবে' তেওঁৰ এটা সাৰ্থক কবিতা। কণিমা ডেকাৰ কাব্য সংকলন দুখন। প্ৰথমখন "নতুন বাল্মীকি" আৰু দ্বিতীয়খন "সুবাসী মনৰ ছন্দ" (১৯৮৫)। তেওঁৰ কবিতাসমূহ আধুনিক শৈলীত নিৰ্মাণৰ যত্ন প্ৰতিফলিত হলেও ৰমন্যাসিক-বেষ্টনী অতিক্ৰম কৰিব পৰা নাই। 'কবি', 'আবদ্ধ দৃষ্টি', 'মোৰ দুখৰ চকুলো' আদিত আধুনিক লক্ষণ বিদ্যমান। নিৰ্মলপ্ৰভা বৰদলৈৰ ৰচনা-ৰীতিয়ে কণিমা ডেকাক প্ৰভাবিত কৰিছে। সুমিত্ৰা গোস্বামীৰ "ইপ্সিত সময়" (১৯৮৯) একমাত্ৰ কাব্য সংকলন। প্ৰায়বোৰ কবিৰ দৰেই ব্যক্তিগত ভাবানুভূতিৰ লগতে সমাজসচেতন মানসিকতা তেওঁ প্ৰকাশ কৰিছে। আশাবাদী কবিয়ে 'ইপ্সিত সময়' কবিতাত কৈছে–

> 'প্ৰেমৰ মানুহবোৰে
> শান্তিৰ চৰাইটোক
> আদৰিবলৈ
> এখন তোৰণ সাজিছে ––'

'অব্যক্ত', 'দুখ মোৰ হাঁহিৰ দিনৰ', 'সুনীল তোমাৰ হাত', 'চাতক', 'নিশাটো পুই পৰা হ'লে', 'মোৰ দেশ মোৰ সত্তা' আদি কবিতাৰাজিত তেওঁৰ প্ৰতিভা প্ৰকাশ পাইছে। সুমিত্ৰা গোস্বামীৰ শব্দচয়ন কোমল, প্ৰতীক আৰু চিত্ৰকল্পবোৰ সৰল। কবিক প্ৰগতিবাদীৰ তালিকাত ধৰাই সমীচীন। সমাজ সচেতন কবি হিচাপে কুমুদিনী ডেকা (১৯৫১-), নিজৰা বৰঠাকুৰ (১৯৫৩-), অনুপমা বসুমতাৰী (১৯৫৬-), নিবেদিতা ফুকন, অনুপমা দাস (১৯৫৮-) আদিৰ নাম মনলৈ আহে। কুমুদিনী ডেকাৰ 'মোৰ বাবে দিনবোৰ' কবিতা ধাৰদোৱা, নৰা কটা কাঁচিখনত শান দিয়াৰ ইচ্ছাই কবিক শ্ৰেণী সচেতন কবি তুলিছে। নিজৰা বৰঠাকুৰৰ 'পৰিশোধ', 'স্বদেশ বন্ত' 'প্ৰতিবাদৰ কণ্ঠ' আদিত সমাজ সচেতনতা প্ৰকাশ পাইছে। অনুপমা বসুমতাৰীৰ কাব্য সম্ভাৱনা উজ্জ্বল। 'তোমালোকে জানো শুনিছা', 'দুপৰ নিশাৰ নিনাদ', 'আহ্বান', এজন চিত্ৰকৰৰ দৰে'

আদিত ভোকাতুৰজনৰ পৰা শান্তিকামী মানুহৰ গান পৰ্যন্ত আকৰ্ষণীয় চিত্ৰ পোৱা যায়। নিবেদিতা ফুকনো শ্ৰেণী সচেতন কবি; কিন্তু মতবাদৰ (ism) প্ৰভাৱত কাব্যগুণৰ প্ৰতি যত্নবান হোৱা দেখা নাযায়। 'প্ৰগতিবাদৰ শব্দ', 'উত্তৰণৰ পথেৰে', 'ঢল', 'অসময়', 'প্ৰহৰী', আদিত শ্ৰেণীশত্ৰুৰ চিনাক্তকৰণৰ পৰা সংগ্ৰামৰ প্ৰস্তুতি পৰ্যন্ত অভিলাষ প্ৰকাশ পাইছে। অনুপমা দাসৰ (১৯৫৮-) কেইটামান কবিতা–'অন্তঃসত্ত্বা পথাৰ', 'এটা গাঁৱৰ গধূলি,' 'আৰব নিশা', 'বৰ্ষাৰ কেইটামান স্তবক' ইত্যাদি কবিতাই সমাজসচেতন মনোভাব প্ৰকাশ কৰিছে। মমতা নায়ক (১৯৬০-) আন এগৰাকী সম্ভাৱনাময় কবি। 'মোৰ মানুহ' তেওঁৰ প্ৰতিনিধি কবিতা।

পঞ্চাছৰদশকত জন্ম গ্ৰহণ কৰা আৰু কিছু সংখ্যক কবিৰ নাম উল্লেখ কৰিব পাৰি। ইলুদেৱী বৰুৱা (১৯৫১-), ধনপ্ৰভা ৰায়চৌধুৰী (১৯৫১-), ভাৰতী বৰুৱা, গুণ মহন্ত (১৯৫২-), গীতাঞ্জলী শৰ্মা (১৯৫৪-), বকুলী বৈশ্য (১৯৫৪-), দীপ্তি শৰ্মা বৰা (১৯৫৫-), ভাৰতী গগৈ বৰুৱা (১৯৫৬-); কৃষ্ণা মজুমদাৰ (১৯৫৫-), দৰ্পনা বৰা (১৯৫৭-), পদুমী গগৈ (১৯৫৭-), লীনাকুমাৰী দত্ত ডেকা (১৯৫৮-), মঞ্জু দেৱী (১৯৫৮-), ৰক্তিমা ডেকা বৰুৱা (১৯৫৮-), উৰ্মিলা দাস (১৯৫৮-), ৰশ্মি মহন্ত (১৯৫৯-), আলেয়া হুছেইন (১৯৫৯-), মিনু পাটগিৰি (১৯৬০-), কল্পনা বৰুৱা (১৯৬০-৮১), বিজু মহন্ত, স্বৰিফা খাতুন চৌধুৰী, প্ৰণীতা গগৈ (১৯৬০-) ইত্যাদিয়ে কম সংখ্যক কবিতা ৰচনা কৰিলেও দৃষ্টি আকৰ্ষণ কৰিব পৰিছে।

১১.২.০৯. ষাঠিৰ পাছত জন্ম গ্ৰহণ কৰা ভালেখিনি মহিলা কবিয়ে বিশেষকৈ আশীৰ দশকত আত্মপ্ৰকাশ কৰিছে। তেওঁলোকৰ কাব্য চৰ্চা সম্ভাৱনাময় বুলিব পাৰি। এওঁলোকৰ লেখৰসকল হ'ল–বন্দনা চহৰীয়া (১৯৬১), মামণি শৰ্মা (১৯৬১), নীলাক্ষি চলিহা (১৯৬২), হিমাদ্ৰী শৰ্মা (১৯৬২), বিভা দাস (১৯৬২), মীনা খাখ্লাৰী (১৯৬৩), চেনেহী হাজৰিকা (১৯৬৩), ইন্দিৰা ফুকন (১৯৬৪), নাজ্মা কৌছৰ (১৯৬৪), দীপাঞ্জলী বৰা (১৯৬৪), বীণা বৰুৱা (১৯৬৪), তাহেৰা পাম্বা (১৯৬৪), বিজুমণি চুতীয়া (১৯৬৪), মীৰাৰাণী পাঠক (১৯৬৪), স্নেহনাজ চুলতানা আলিম বৰা (১৯৬৪), বিভা বৰুৱা (১৯৬৬), জুলী বেগম (১৯৬৭), জুনু কোঁচ (১৯৬৭), সাবিত্ৰী শইকীয়া (১৯৬২), দীপালী বৰা (১৯৬২) আদি। আলোচনীৰ পাতৰ পৰা সংগ্ৰহ কৰা কিছুমান কম বয়সীয়া তৰুণীকবি হ'ল, ৰঞ্জনা দেৱী, পল্লৱী বেজবৰুৱা, অজন্তা দাস, ৰঞ্জিতা ডেকা, কবিতা আগৰৱালা, দীপাঞ্জলী কোঁৱৰ, অকুণ্ঠিতা হাজৰিকা, নিৰুপা পটঙ্গীয়া, সংগীতা শৰ্মা, ৰেণু শইকীয়া, দীপালী বেজবৰুৱা, মাধুৰী গোস্বামী, জয়ন্তী গগৈ, অলি বৰগোহাঞি, সুমিত্ৰা ৰাভা, ৰুলী সন্দিকৈ, টুনুৰাণী গগৈ, মেঘালী বৰুৱা, মিনু তাঁতী, অলকা শইকীয়া, সবিতা লহকৰ, কুকি পূজাৰী, স্বপ্না খাটনিয়াৰ, সবিতা বৰা, গীতাশ্ৰী তামুলী, চিৰঞ্জিতা বৰা, ৰঞ্জনা চৌধুৰী, জ্যোতিৰেখা সিন্হা, অনুপমা চৰকাৰ, ইভাৰাণী বৰগোহাঞি, ৰাস্না ৰাজখোৱা, পুষ্পলতা সোণোৱাল, প্ৰবীনা শইকীয়া আদি। আশীৰ দশকত এইসকল মহিলা কবিৰ পদক্ষেপ লক্ষ্যণীয়। এইসকল কবিৰ আধা অংশয়ো কাব্যচৰ্চা ব্যাহত নকৰি অনুশীলন কৰি গলে অসমীয়া কাব্য-সাহিত্যই গৌৰৱময় অৱস্থাত অৱতীৰ্ণ হব বুলি আশা কৰিব পাৰি।

বৰ্তমান দশক দুটা (সত্তৰ আৰু আশী) কাব্য-আন্দোলনৰ যুগ বুলিব পাৰি। ১৯৭০ চনৰ ১৫ আগষ্টত 'গোলাঘাট জিলা কবিচক্ৰ' সৃষ্টি হোৱাৰে পৰা বৰ্তমান পৰ্যন্ত বহুতো কাব্য সংগঠন সৃষ্টি হৈছে। তদুপৰি, লেখিকা সন্থা, লেখিকা সমাৰোহৰ দৰে মহিলাক উদ্গনি দিয়া অনুষ্ঠান গঢ় লৈ উঠিছে। কবিতা পত্ৰিকা প্ৰকাশৰ ক্ষেত্ৰত ১৯৭১ চনত কটন কলেজৰ পৰা প্ৰকাশিত "মাহেকীয়া কবিতা" বাটকটীয়া। "পাহ্পাদপ" আৰু "কবিতা সাময়িকী"ৰ দৰে কাব্যালোচনীয়েও প্ৰভূত অৰিহণা যোগাই আহিছে। থানেশ্বৰ

হাজৰিকা সংকলিত "অসমীয়া নাৰী কবিকণ্ঠ" আৰু ড° কামেশ্বৰ দাস আৰু নবেন্দ্ৰ শাস্ত্ৰী সম্পাদিত "সাম্প্ৰতিক অসমীয়া কবিতা" নামৰ গ্ৰন্থ দুখনত বহুতো মহিলা কবিয়ে ঠাই পাইছে। এইবোৰ সা-সুবিধাৰ ফলতে মহিলা সকলৰ প্ৰতিভা প্ৰতিষ্ঠাৰ পথত অগ্ৰসৰ হৈছে।

১১.৩. সত্তৰ-আশীৰ দশকৰ গদ্য-সাহিত্যলৈ মহিলাৰ দান

কবিতাৰ দৰেই এই দুই দশকৰ ভিতৰত গদ্য-সাহিত্যৰ বিভিন্ন ক্ষেত্ৰত মহিলা-লেখকৰ আবিৰ্ভাব মন কৰিবলগীয়া। প্ৰধানকৈ গল্প-উপন্যাসত লেখিকাসকলে প্ৰতিভাৰ স্ফুৰণ ঘটাবলৈ সক্ষম হৈছে।

১১.৩.০১ উপন্যাস

উপন্যাস ৰচনাত আগবাঢ়ি অহা মহিলা সকলৰ ভিতৰত প্ৰতিভাশালিনীৰ অভাব নহলেও অৱদান বৰ বেছি নহয়। সত্তৰৰ দশকৰ প্ৰথমভাগতে চকুতপৰা দুগৰাকী ঔপন্যাসিকা অমলা শইকীয়া আৰু আম্ৰপালীয়ে (লক্ষ্মীপ্ৰিয়া বৰদলৈ) পাছৰটো দশকত মৌনতা অবলম্বন কৰিলে। অমলা শইকীয়াৰ "দীৰ্ঘতম দিনটোৰ প্ৰতীক্ষা" (১৯৭০) আৰু "চন্দন ধূপৰ সুবাস" (১৯৭২) নামৰ দুটি উপন্যাস দুখনত নাৰীমানস ফুটি ওলাইছে। আম্ৰপালীৰ "জালুকবাৰী" (১৯৭৩) একে পৰ্যায়ৰে উপন্যাস। গুৱাহাটী বিশ্ব-বিদ্যালয়ৰ মজিয়াত বিচিত্ৰ মনৰ ডেকা-গাভৰুৰ চিত্ৰাঙ্কণৰ প্ৰচেষ্টা দেখা যায়। লেখিকাৰ বৰ্ণনাশক্তি সুন্দৰ আৰু ভাষা সাৱলীল।

আশী-দশকৰফালে ভুমুকি মৰা লেখিকাৰ ভিতৰত মিনতি চৌধুৰীৰ "তেজৰ তলৰ বাঁহী" (১৯৮২) আত্মভাষণমূলক এখনি সুখপাঠ্য উপন্যাস। গহীন-গম্ভীৰ, পিতৃ আদৰ্শত আস্থাশীল নায়িকাই জাত-বৈষম্যৰ মাজত এজন যুৱকৰ প্ৰণয়পাশত আবদ্ধ হ'ল। জাত্যাভিমান মৰিমূৰ কৰাৰ সংকল্পত পৰিবৰ্তিত সময়ে বিপৰ্যয় সৃষ্টি কৰিলে যদিও উপন্যাসখন সৰল। নায়িকা স্পষ্টবাদী, স্বাধীনমনা আৰু অসাধাৰণ হলেও অন্তৰ গভীৰতা নাই। নায়ক বিশেষত্বহীন। পিতৃৰ চৰিত্ৰ মনোগ্ৰাহী। লেখিকাৰ ভাষা নিয়মীয়া।

যমুনা শৰ্মা চৌধুৰীৰ "শিখণ্ডী" (১৯৮৬) লেখিকাৰ প্ৰথম উপন্যাস। বৃন্দাবন নামৰ চৰিত্ৰক কেন্দ্ৰ কৰি বৰ্তমানৰ জটিল গাঁৱৰ চিত্ৰ এখন অঙ্কণ কৰিছে। দায়িত্বহীন ভণ্ডুৱা বাপেকৰ বাবে মাকে পৰৰ ঘৰত কটনাকাটি পৰিয়াল পোহে। বৃন্দাবনে পৰৰ বাৰীত আম-লেচু বিচাৰি তলৌ-তলৌকৈ ঘূৰি ফুৰে। এদিন সিয়েই প্ৰবেশিকাত লেটাৰ লৈ উত্তীৰ্ণ হ'ল আৰু মাষ্টৰৰ ছোৱালী কাঞ্চনৰ প্ৰতি আসক্ত হৈ ধৰা পৰি নগৰলৈ পলাই গ'ল। তাতে মেচ এটাত ৰান্ধনি হৈ বি, এ, পাছ কৰি নিবনুৱা হৈ গাঁও পালেহি। ঘৰৰ দুৰাৱস্থাত উপায়হীন হৈ ভ্ৰাম্যমান থিয়েটাৰত যোগ দিলে। এদিন থিয়েটাৰ দলৰ লগত আহি নিজৰ গাঁওখন, পৰিয়াল আৰু প্ৰেমিকৰ ধ্বংসোন্মুখ ৰূপ দেখা পালে। অভিনেত্ৰী সুৰভীৰ প্ৰতি প্ৰেম আৰু এজন বৃদ্ধক বিয়া কৰাই উৰলি যোৱা প্ৰেমিকা কাঞ্চনৰ আহ্বানৰ মাজৰ এক জটিল অৱস্থাত সোমাই পৰিল। উপন্যাসখনৰ প্ৰধান চৰিত্ৰ বৃন্দাবন জটিল মানসিকতাত নিবদ্ধ হলেও দুৰ্বল আৰু বাস্তৱ বিমুখ। অৱস্থাৰ দাসত্ব স্বীকাৰৰ বাদে সংগ্ৰামী বৈশিষ্ট্য তাৰ নাই। জামাল, সুৰভী, কাঞ্চন আদি চৰিত্ৰবোৰ যথাযথ বুলিব পাৰি। অৰ্থনৈতিক অৱস্থাৰ জটিল শোচনীয় ৰূপ প্ৰকাশ পোৱাত উপন্যাসখনৰ বিষাদ গভীৰ হৈ পৰিছে।

অৰূপা পটঙীয়া কলিতাৰ প্ৰথম উপন্যাস "মৃগনাভি" (১৯৮৭) তুলনামূলকভাৱে উন্নত আৰু সুখপাঠ্য ৰচনা। আত্মভাষণমূলক উপন্যাসখন মোৰ শৈশৱ, মোৰ যৌৱন, মোৰ বিয়া, মোৰ দুৰ্ভাগ্য, মোৰ বাস্তৱ, মোৰ মন আৰু মোৰ জীৱন,– এই কেইটা অধ্যায়ত সোণতৰা নামৰ নায়িকাৰ মানসিকতা প্ৰকাশ কৰা হৈছে। তাই 'কবিতা-ছবি-ফুল ভালপোৱা দীৰ্ঘদেহী গভীৰ দৃষ্টিবান পুৰুষ এজনৰ কল্পনা কৰোতে পালে 'বগচুৱা বগা, শকত আৰু চাপৰ' চাহবাগিছাৰ মালিক পুত্ৰ চৰিত্ৰহীন শান্তনুক। ডেৰবছৰীয়া, যুগ্মজীৱনৰ পাছত নাৰী ঘটিত কাৰণত বাগিছাত শান্তনুক হত্যা কৰা হ'ল। এনে দুৰ্যোগতে সোণমণিৰ জন্ম হ'ল আৰু তাক সাৱটি তাই দেউতাকৰ আশ্ৰয় ল'লেহি। এদিন এম,এ পাছ কৰি অধ্যাপিকা হ'ল। তাইৰ প্ৰতি আকৰ্ষিত হৈ সহকৰ্মী আদিত্যই বিবাহৰ প্ৰস্তাৱ দিলে; কিন্তু বৈধব্যৰ পৰম্পৰাগত ৰীতি, সমাজ আৰু সোণমণিৰ বাধাই ব্যতিব্যস্ত কৰি তোলাত তাই মানসিক ভাৰসাম্য হেৰুৱাই চিকিৎসাৰ আশ্ৰয় লব লগাত পৰিল। অৱশেষত সোণমণিৰ পৰিবৰ্তনত আৰু তাইৰ সমৰ্থনত আদিত্যক গ্ৰহণ কৰাৰ ইঙ্গিতেৰে উপন্যাসৰ সামৰণি পৰিছে। নাৰীবাদী কাহিনীটোৰ মুখ্য উদ্দেশ্য বৈধব্য নাৰীৰ মুক্তি। বাকী কাহিনীভাগ গতানুগতিক। চৰিত্ৰৰ ভিতৰত আদিত্যৰ বৈশিষ্ট্য দেখা যায়। সোণতৰাৰ মানসিক দ্বন্দ্ব আন এটা আকৰ্ষণ। আনুষঙ্গিক চৰিত্ৰবোৰ গতানুগতিকতাৰ উৰ্ধত নহয়। ভাষা সাৱলীল। সম্পূৰ্ণ দোষমুক্ত নহলেও ই প্ৰগতিশীল দৃষ্টি-ভঙ্গীৰ লেখত ধৰিব পৰা উপন্যাস।

স্বৰ্ণবৰা (১৯৩৭-) বয়সত প্ৰবীনা হলেও আশীৰ দশকতহে তেওঁৰ আত্মপ্ৰকাশ ঘটাবলৈ সমৰ্থ হৈছে। "ডিয়ুং নদীৰ গীত" (১৯৮৫) নামৰ প্ৰথম উপন্যাসতে সুধীজনৰ দৃষ্টি আকৰ্ষণ কৰিছে। তেওঁৰ দ্বিতীয় উপন্যাস "চিমচাং নদীৰ হাঁহি" (১৯৮৭)। লেখিকাই উত্তৰ কাছাৰ জিলাৰ হাফলঙত শিক্ষয়িত্ৰী পদত অধিষ্ঠিত সময়ছোৱাত আহৰণ কৰা অভিজ্ঞতাৰ ফলশ্ৰুতিত পৰ্বত-ভৈয়ামৰ সম্প্ৰীতিমূলক "ডিয়ুং নদীৰ গীত" ৰচনা কৰিছে। হিন্দু-মুছলমানৰ সম্প্ৰীতিৰে ভৰা এজন গাঁৱৰ ল'ৰা ধনজিত হাফলঙত শিক্ষকৰ পদত যোগ দিবলৈ যাওঁতে ৰেল যাত্ৰাত গোবিন্দ ফংলুৰ সৈতে পৰিচয় হৈছিল আৰু ইয়াৰ ফলত ঘনিষ্ঠতা গঢ়ি উঠাত লুংমা বস্তিলৈ এদিন ফুৰিবলৈ গৈ গোবিন্দৰ জীয়েক ৰূপসীৰ প্ৰেমত পৰিল। আনহাতে সেই গাঁৱৰ ডেকা পবিনৰ সৈতে ধনজিতৰ বন্ধুত্ব হ'ল। পবিনে ভাল পায় মহেন্দ্ৰ কামপ্ৰাইৰ জীয়েক পাৰ্বতীক। এই দুটা কাহিনীৰ সমান্তৰাল গতিত ৰচিত উপন্যাসখনত ভৈয়ামৰ সমাজ এখনৰ লগতে ডিমাছা সমাজৰ এখন স্পষ্ট ছবি অংকিত হৈছে। ভৈয়ামৰ চিত্ৰখন ইমান বিস্তৃত কৰি তোলাৰ আৱশ্যকতা মূল কাহিনীত নাই। ধনজিতৰ মাক শান্তিলতা, হাতীবৰুৱা মাষ্টৰ আদিৰ প্ৰয়োজন অৱশ্যে আছে। শান্তিলতাই এটা সংঘাতৰ মাজেদি পাহাৰী ছোৱালীক গ্ৰহণ কৰাত বাস্তৱতা প্ৰকাশ পাইছে। ডিমাছা সমাজৰ ৰীতি-নীতি, আচাৰ-বিচাৰ, চিন্তা-ভাবনা, বিবাহ পদ্ধতি, কৃষি-পদ্ধতি, উছৱ-পৰৱ ইত্যাদি বৰ্ণনাত সমাজখনৰ সম্যক উপলব্ধি কৰিব পাৰি। অৱশ্যে ঠায়ে ঠায়ে বৰ্ণনাবোৰে নিৰসতাও সৃষ্টি কৰিছে। পাহাৰ-ভৈয়ামৰ সম্প্ৰীতিৰ চানেকি হিচাপে ধনজিত-ৰূপসীৰ বৈবাহিক সম্বন্ধ ঘটোৱা হৈছে। ৰূপসীয়ে ভৈয়ামীয়া সাজ-পাৰ পিন্ধি বোৱাৰী হৈ অহাৰ লগে লগে কাহিনীৰ সামৰণি পৰিছে। সেইদৰে পবিন-পাৰ্বতীৰ ঐকান্তিক নিৰ্মল প্ৰেমৰ চানেকি দাঙি ধৰাত লেখিকা কৃতকাৰ্য হৈছে। চৰিত্ৰ চিত্ৰনত ধনজিত-ৰূপসী, পবিন-পাৰ্বতী, ডাঃ ব্ৰজেন্দ্ৰ, বৰ্মন মাষ্টৰ, অৰ্চনা, মিনতি, হাতীবৰুৱা মাষ্টৰ আদি চৰিত্ৰ সবল আৰু সমাজ সংস্কাৰক হিচাপে চিত্ৰিত হৈছে। বাকী চৰিত্ৰবিলাকো সৰলতা, পবিত্ৰতা আৰু সততা গুণেৰে সমৃদ্ধ। বহমত

হিন্দু মুছলমান সম্প্ৰীতিৰ উজ্জ্বল চানেকি। মুঠতে উপন্যাসখন ঐক্য আৰু সংহতিৰ ভিত্তিত ৰচিত এক প্ৰগতিবাদী পদক্ষেপ। 'অসম সাহিত্য সভা'ৰ ১৯৮৫-৮৬ চনৰ শীতানাথ ব্ৰহ্মচৌধুৰী বঁটা এই উপন্যাসৰ বাবে স্বৰ্ণ বৰাই লাভ কৰিছে।

"টিয়ৌচাং নদীৰ হাঁহি" গাৰো পাহাৰৰ পটভূমিত পাহাৰ-ভৈয়ামৰ সম্প্ৰীতিৰ চিত্ৰাঙ্কিত উপন্যাস। ভৈয়ামৰ ডাক্তৰ দেৱজিৎ চৌধুৰী আৰু গাৰো নাৰ্চ আন্না চাংমাৰ প্ৰণয়ক মুখ্য কৰি ৰচিত কাহিনীৰ প্ৰতিবন্ধকতা সৃষ্টি কৰিছে গাৰো যুৱক ৰামকিনে। মিছনেৰীৰ লগত যীচুৰ বাণী গাঁৱে গাঁৱে বিলাই ফুৰা ৰামকিনে মনে মনে আন্নাক ভাল পাই আহিছে আৰু তাইক লাভ কৰাৰ অন্তৰায় দেৱজিৎ বুলি ধাৰণা কৰিছে। গতিকে তাক হত্যা কৰাৰ পৰিকল্পনাৰে অগ্ৰসৰ হৈছে। কিন্তু, আন্নাৰ কঠিন বেমাৰ আৰু আন্নাৰ মনোভাৱে তাৰ হৃদয়ত নিহিত মানৱতাক জাগ্ৰত কৰি তুলিলে। প্ৰতিহিংসাই তাক অন্ধ কৰিছিল, কিন্তু আন্নাই তাৰ চকু মোকলাই দিলে। সি অনুভৱ কৰিলে "প্ৰেমে ঈৰ্ষা নকৰে"। টিমচাং নদীত অস্ত্ৰ-বিসৰ্জন দি প্ৰেমৰ বাণী প্ৰচাৰকে জীৱনৰ ব্ৰত ৰূপে গ্ৰহণ কৰি 'প্ৰেমেই সত্য। সত্যই ঈশ্বৰ' মহানুভৱৰে মহীয়ান ৰামকিন প্ৰমুখ্য চৰিত্ৰ হৈ পৰিছে। প্ৰতিনায়ক হলেও ৰামকিনেই প্ৰধানত ক্ৰিয়াশীল চৰিত্ৰ। নায়ক দেৱজিৎ ধীৰ-স্থিৰ, সত্যনিষ্ঠ, সজ-চৰিত্ৰবান মানৱতাবাদী আদৰ্শনীয় চৰিত্ৰ। আন্না সৎ আৰু সাহসী প্ৰেমিকা। কিন্তু, কুষ্ঠৰোগত তাইক আক্ৰান্ত কৰাত কাহিনী কিছু দুৰ্বলহে হ'ল। বাকী চৰিত্ৰবোৰ সবল আৰু পৰিস্থিতি সাপেক্ষ। গাৰো সমাজৰ এখন আলেখ্য হিচাপে স্বীকৃত এইখন উপন্যাসৰ আবেদন আৰু উদ্দেশ্য একে হলেও "ডিয়ুং নদীৰ গীত"ৰ সম পৰ্যায়ৰ ৰচনা হিচাপে ইয়াক ধৰিব নোৱাৰি। যেই কি নহওক, স্বৰ্ণ বৰা বৰ্তমান সময়ৰ এগৰাকী গুৰুত্বপূৰ্ণ ঔপন্যাসিকা।

অৰুন্ধতী দেৱীৰ "পৰাজিতা নায়িকা" (১৯৮৫); সুৰভি গোহাঁইৰ "বেদনা উচুপি ৰয়" (১৯৮৬) আৰু মৃদুলা বৰাৰ "চন্দ্ৰ গ্ৰহণ (১৯৮৬) সাধাৰণ স্তৰৰ বৈশিষ্ট্যহীন ৰচনা আৰু কেঁচা হাতৰ স্পৰ্শ পাতে পাতে অনুভৱ কৰা যায়। স্বৰ্ণ শইকীয়াৰ "জুয়ে পোৰা সোণ" (১৯৮৭)ৰ কাহিনী নগা-অসম সীমান্তত সংঘটিত মেৰাপানীৰ ঘটনাক লৈ গঠিত। মূলত সঁচা ঘটনাৰ আলমত সৃষ্ট এই উপন্যাসিকাৰ চৰিত্ৰ বিলাকে কাহিনীৰ সঙ্গতি ৰক্ষাত ব্যৰ্থ হৈছে। এজনী নগা গাভৰুৰ সৈতে ভৈয়ামীয়া ডেকাৰ প্ৰীতিৰ ইঙ্গিত ময়তাই ইয়াত সম্প্ৰীতিৰ সাকোঁ ৰচনাত অৰিহণা যোগাব পৰা নাই। অৱশ্যে মেৰাপানীত 'মিলি জুলি' হোটেল পৰিকল্পনাত দুই ৰাজ্যৰ সম্প্ৰীতি কামনা লেখিকাৰ উদ্দেশ্য বুলি অনুভৱ হয়। "মন আকাশৰ তৰা" (১৯৮৭) শৈলবালা ডেকাৰ সবল কাহিনীৰ উপন্যাস। সোণমণি নামৰ গাভৰুক কেন্দ্ৰকৰি ৰচিত এই পাৰিবাৰিক উপন্যাসখনৰ কাহিনী আৰু চৰিত্ৰ চিত্ৰন উভয়েই দুৰ্বল। পিতৃতুল্য দীননাথৰ সৈতে তাইৰ বিয়া হোৱাৰ পাছত কাণ-সমনীয়া প্ৰথমপক্ষৰ সতি-সন্ততিবোৰক নিৰ্ভেজাল মৰম দি তথাকথিত মাহীআইৰ ছবিখনৰ ৰূপ সলনি কৰাৰ বাহিৰে অন্য বিশেষত্ব নাই। নীলিমা বৰুৱাৰ "সৰ্বংসহা" (১৯৮৭) এখনি করুণতাপূৰ্ণ উপন্যাস। মননশীল কাহিনীটোৰ মূল চৰিত্ৰৰ দুখবোধে পাঠকৰ সৈতে হৃদতা স্থাপন কৰিব পাৰিছে। বৰ্ণনা সৰল। ৰেণু মহন্তৰ "চিঠি পঢ়ি ভাল লাগে" (১৯৮৬) কাহিনী, চৰিত্ৰ, ভাষা, প্ৰকাশভঙ্গী সকলো দিশতে দুৰ্বল এখন সাধাৰণ উপন্যাস। তেওঁৰ "দুই নাৰী দুটি মন" (১৯৮৭) এজন নায়ক আৰু দুজনী নায়িকাৰ ত্ৰিভুজাকৃতিৰ কাহিনীৰে বিশেষত্ব বৰ্জিত উপন্যাস। দীপিকা বৰুৱাৰ "ইপাৰ সিপাৰ"ত নতুন হাতৰ স্পৰ্শ স্পষ্ট। প্ৰতিভাদেৱীয়ে "বাধাৰ মন" (১৯৮৭), "প্ৰতিশ্ৰুতি" (১৯৭৯) আৰু "বোৱাৰী" (১৯৮৩) নামৰ উপন্যাসৰ মাজেদি একোটা সাধাৰণ কাহিনী

দাঙি ধৰিছে। "বোৱাৰী"ত পাৰিবাৰিক মিলাপ্ৰীতিৰ গুৰুত্ব দেখুৱা হৈছে। জীৱনৰ সুখ-দুখ, আশা-আকাংক্ষা, মৰম-চেনেহ, স্বাৰ্থপৰতা আদি ফুটাই তোলাৰ যত্ন কৰা হৈছে। তিনিওখনৰে মানদণ্ড উন্নত নহ'ল। দীপালী দেৱীৰ "অনন্যা" তুলনামূলকভাৱে সাৰ্থক হৈছে। পুৰুষ প্ৰধান সমাজত পদে পদে লাঞ্ছিতা নাৰীৰ মৰ্যদা লাভ কৰাৰ বাবে কাহিনী-ভাগ নিৰ্মিত হৈছে। চৰিত্ৰ চিত্ৰনত বৈশিষ্ট্য চকুত নপৰিলেও "অনন্যা" সুখপাঠ্য ৰচনা।

এই দুটাদশকত সংঘটিত ঘটনাৱলীৰ ভিতৰত অসম-আন্দোলন বা ছবছৰীয়া বিদেশী বিতাৰণৰ আন্দোলনৰ (১৯৭৯-১৯৮৫) পটভূমিত কেইগৰাকীমান লেখিকাই উপন্যাস ৰচনাত হাত দিছে। ৰীতা চৌধুৰী, মনোমতী কাকতি, দীপালী ভট্টাচাৰ্য, হিমাদ্ৰী কুমাৰী, শৰ্মা, সাবিত্ৰী বৰগোহাঞি আদিৰ নাম এইক্ষেত্ৰত সংলগ্ন। ৰীতা চৌধুৰীৰ উপন্যাস দুখন হ'ল- "অবিৰত যাত্ৰা" (১৯৮১) আৰু "তীৰ্থভূমি" (১৯৮৮)। প্ৰথমখনত 'মাতৃসংঘ' নামৰ অনুষ্ঠান পৰিকল্পনাৰে মাৰ্ঘেৰিটা অঞ্চলৰ গাঁও, চাহবাগিছা আদিত সংগঠনৰ দায়িত্ব দিয়া হৈছে। সংগঠনৰ বাবে লগ হৈছেহি-"গুৱাহাটীৰ মানস, ডিব্ৰুগড়ৰৰ কামাল, সমীৰণ, বৰপেটাৰ কুণাল, স্বদেশ, চেতনা, নলবাৰীৰ প্ৰীতিকণা, মাৰ্ঘেৰিটাৰ অশান্ত, যোচেফ আৰু তেজপুৰৰ পৃথিৱী চলিহা।" গুৱাহাটী বিশ্ববিদ্যালয়ৰ চৌহদত সমবেত এই চৰিত্ৰসমূহৰ ভিতৰত কাহিনীৰ নায়িকা ৰূপত পৃথিৱী চলিহাক অঙ্কণ কৰা হৈছে। পশ্চাৎ-অবলোকন পদ্ধতিৰে একবিংশ শতাব্দীক স্বাগত জনোৱাৰ উৎসৱত মৰিয়ম নামৰ লেখিকাৰ স্মৃতিচাৰণত সমুদ্ৰ, কিজু, অশান্ত, যোচেফ, পৃথিৱী, বাসব আৰু মৰিয়মৰ কাহিনী প্ৰকাশ পাইছে। আন্দোলন আৰু সংগঠনৰ মাজতে 'পৃথিৱী-অশান্ত-সমুদ্ৰ'ৰ প্ৰণয়াত্মক ত্ৰিভূজ এটাও সৃষ্টি কৰা হৈছে। নায়িকা প্ৰধান কাহিনীটোৰ নায়ক অশান্ত হলেও, প্ৰতিনায়ক সমুদ্ৰহে উজ্জ্বল চৰিত্ৰ। তাৰ গুণ্ডামি আৰু নিষ্ঠুৰতাৰ মাজত সোমাই থকা মানৱতা পৃথিৱী চলিহাৰ স্পৰ্শত সাৰ পাই উঠিছে। আঁশৈশৱ অৱহেলিত, দেখাত কুৎচ অথচ পঢ়াত ভাল, চকিদাৰৰ ল'ৰা সমুদ্ৰই স্বপ্না নামৰ সহপাঠিনীৰ প্ৰেমত প্ৰত্যাখিত হোৱাত আৰু এই প্ৰসঙ্গতে সমুদ্ৰৰ মুখত এচিড পৰিলেও একো নহয় বুলি ইতিকিং কৰা এজন ডেমনষ্ট্ৰেটৰৰ গাত এচিড ঢালি দিয়াত সি কাৰাবাস খাটিব লগা হয়। এই কাৰণতে দেউতাকৰ চাকৰি যোৱাত দৰিদ্ৰতাৰ মাজতে মৃত্যু হয়। কাৰাগাৰৰ পৰা ওলাই আহি সি গুণ্ডামি আৰু অপকৰ্মৰ লগত জড়িত হৈ পৰে। কিন্তু, পৃথিৱী চলিহাৰ সান্নিধ্যই তাক পৰিবৰ্তন ঘটাই দেশপ্ৰেমিক কৰি তোলে। "দেশক সি ভাল পায়। ভাল পায় তাৰ মাকক। আৰু তাৰ পিছতেই সি ভাল পায় পৃথিৱীক- পৃথিৱীয়ে অশান্তক বিয়া কৰাবলৈ কথা দিয়াত তাৰ প্ৰেমৰ প্ৰতিদান দিব নোৱাৰিলেও সমুদ্ৰৰ প্ৰতি তাই সহানুভূতিশীল আৰু মৰমিয়াল হৈ ৰৈছে। নায়ক অশান্ত ধীৰ, স্থিৰ আৰু আন্দোলনৰ প্ৰধান নেতা। বাসবৰ ভনীয়েক মিনতিক ধৰ্ষণৰ পৰা ৰক্ষা কৰিব নোৱাৰি গ্লানিত ভাগি পৰিছে। অহিংসাৰ পথত আন্দোলন কৰি দুবছৰ কাৰাবাস খটাৰ পাছত ভগ্ন স্বাস্থ্যৰে মুক্ত হয়। এই অৱস্থাতে পৃথিৱীৰ লগত তাৰ বিবাহ হয় আৰু এদিন অশান্ত বৰুৱাৰ মৃত্যু হয়। নায়িকা পৃথিৱী চলিহা উপন্যাসখনৰ অসাধাৰণ বৈশিষ্ট্যময় চৰিত্ৰ। অশান্তৰ প্ৰতি প্ৰেম বাস্তৱনিষ্ঠ হলেও সমুদ্ৰৰ গভীৰ প্ৰেমৰ উপলব্ধিয়ে তাইৰ বুকুত অপ্ৰকাশৰ ধুমুহা সৃষ্টি কৰিছে। সমুদ্ৰৰ মৃত্যুত তাই কৰলৈ বিচাৰে "সমুদ্ৰ মৰা নাই-সমুদ্ৰক হত্যা কৰা হৈছে-পৃথিৱী চলিহা নামৰ এজনী নিষ্ঠুৰ ৰাক্ষসীয়ে তিল্ তিল্‌কৈ হত্যা কৰিছে সমুদ্ৰ নামৰ এটা সৰলতাক।" উপন্যাসখনৰ আনবোৰ চৰিত্ৰও আকৰ্ষণীয় হোৱাত সুখপাঠ্য হৈ উঠিছে। কিন্তু একপক্ষীয় ঘটনাত সীমাবদ্ধ হোৱাত আৰু বিৰোধীৰ কাৰ্য-কলাপ সক্ৰিয় নোহোৱাত অগ্নিসংযোগ, হত্যা, ধৰ্ষণ, আক্ৰমণ সকলো থাকিও কাহিনীৰ সংঘাত ব্যাপক নহ'ল।

ৰীতা চৌধুৰীৰ দ্বিতীয় উপন্যাস "তীৰ্থভূমি" প্ৰথম খনৰ সমকক্ষ নহ'ল। অদিতি চৌধুৰী নামৰ ছোৱালীজনীক এই উপন্যাসৰ কাহিনীৰ যোগসূত্ৰ কৰা হৈছে। ছুৱছৰীয়া আন্দোলনৰ সামৰণিৰ পাছত ৰচিত এই উপন্যাসক আশা ভঙ্গৰ কাহিনী বুলিব পাৰি। আন্দোলনত ক্ষত-বিক্ষত ভৰি এখনৰ চিকিৎসাৰ বাবে অদিতি চন্দনৰ সৈতে পাটনাত কিছুদিন কটাই আন্দোলনৰ বিজয় উৎসৱৰ দিনা গুৱাহাটীলৈ উভতি আহিছে। ইয়াৰ মাজতে এৰি অহা সংগ্ৰামৰ চিত্ৰাৱলী তাই ৰোমন্থন কৰিছে। আন্দোলনৰ নেতৃত্বৰ দুৰ্বলতা, আৰাম বিলাসী মনোভাৱ, পুলিচী নিৰ্যাতন, কেন্দ্ৰীয় চৰকাৰৰ লগত আলোচনা, দালালৰ ভূমিকা, বিশ্বাস-ঘাতকতা, অগ্নি-সংযোগ, বোমা-বিস্ফোৰণ ইত্যাদি ঘটনাৰ আভাস পোৱা যায়। কিন্তু, ৰচনাৰীতিৰ দুৰ্বলতাৰ বাবে বহুবিচিত্ৰ এই ঘটনাৱলীৰ সংঘাত গভীৰ আৰু প্ৰাণৱন্ত হৈ নুঠিল। সৰ্বহাৰা অদিতিৰ চৰিত্ৰত অন্তৰ্সংঘাত কম হোৱাত সৌন্দৰ্য লাঘৱ হ'ল। নিষ্ঠাৱতী হিচাপে গভীৰ কৰি তোলাৰ অৱকাশ যথেষ্ট আছিল। অৰণ্যৰ প্ৰতি তাইৰ প্ৰেম অব্যক্ত আৰু অৰণ্যৰ মনোভাৱো অজ্ঞাত। অৰণ্যক বহুতদিন তাই লগ পোৱা নাই যদিও ক'ৰবাত জীয়াই আছে বুলি তাইৰ বিশ্বাস। আনহাতে চন্দনে অদিতিৰ তীক্ষ্ণতাৰ মাজত ফুল কুমলীয়া স্বৰূপ দেখা পাইছে। কিন্তু, চন্দনৰ মহানুভৱতা আছে। তাইৰ প্ৰতি দৈহিক আকৰ্ষণতকৈ মানসিক ভাবেহে সি বেছি আকৰ্ষিত হৈছে। অদিতিক সুস্থ কৰি তোলাৰ পাছত তাইৰ জ্ঞান বিবেচনাই যি কয়, তাকে সি মানি লব। চন্দন চৰিত্ৰৰ বৈশিষ্ট্য ইয়াতেই। বাকী চৰিত্ৰবিলাক ঘটনাসংশ্লিষ্ট। অশোক-পৰীৰ উপকাহিনীটোৰ কিছু আকৰ্ষণ দেখা যায়। মাতৃভূমিয়েই তীৰ্থভূমি—ইয়াৰ স্বৰূপ প্ৰকাশ কৰিবলৈকে ৰচিত কাহিনীটো কৰুণ আবেদন-সিক্ত আৰু জটিল; কিন্তু অস্পষ্ট। "তীৰ্থভূমি"ৰ লক্ষ্যণীয় বিষয় হ'ল বিপথগামী নেতৃত্বৰ প্ৰতি সতৰ্কবাণী প্ৰদান। কাহিনীটো প্ৰচাৰধৰ্মী হলেও পাঠযোগ্য হৈ পৰিছে। দুয়োখন উপন্যাসলৈ দৃষ্টি ৰাখি ৰীতা চৌধুৰীক সম্ভাৱনাময়ী ঔপন্যাসিকা বুলিব পাৰি।

মনোমতী কাকতিৰ "অ' মোৰ চিকুনী দেশ" (১৯৮২) আন্দোলনটোৰ পটভূমিত ৰচিত উপন্যাস। বিশ্ব-বিদ্যালয়ত পাঠৰতা স্মিতা নামৰ গাভৰুৰ গভীৰ আত্মভাষণেৰে আৰম্ভ হৈছে। অসম আন্দোলনৰ প্ৰভাৱত তাই নিজকে কনকলতা, ভোগেশ্বৰী, ঝান্সীৰাণী লক্ষ্মীবাঈৰ সমকক্ষ বীৰাঙ্গনা জ্ঞান কৰিছে। অসম আন্দোলনৰ ভবানীপুৰৰ ছহিদ খৰ্গেশ্বৰ তালুকদাৰৰ পৰা আৰম্ভ হোৱা কাহিনীভাগত গাঁও সংগঠন, শোভাযাত্ৰা আৰু দেশপ্ৰেম জগাই তোলাৰ বাবে বক্তৃতা প্ৰদান আদি সংযোগ ঘটোৱা হৈছে। ফলত উপন্যাসখন বক্তৃতাধৰ্মী হৈ উঠিছে। কমা আৰু স্মিতাৰ জৰিয়তে এইবোৰৰ বিশ্লেষণ ঘটিছে। কম বয়সীয়া গাভৰু স্মিতাক ৰঞ্জন নামৰ যুৱকৰ সৈতে মাতৃ-পুত্ৰৰ সম্বন্ধ স্থাপন কৰিবলৈ গৈ কাহিনীভাগ পাতল কৰি পেলোৱা হ'ল। চৰিত্ৰ চিত্ৰনতো লেখিকাই কৃতকাৰ্যতা লাভ কৰিব পৰা নাই।

দীপালী ভট্টাচাৰ্যৰ "মাতৃ" (১৯৮৬) অসম আন্দোলনৰ পটভূমিত ৰঙাজুলি নামৰ গাঁও এখনক কেন্দ্ৰ কৰি ৰচিত উপন্যাস। এখন আদৰ্শ গাঁও ৰচনাৰ প্ৰচেষ্টাৰ মাজতে আন্দোলন হোৱাত সকলোটি আগবাঢ়ি আহিছে। বয়সস্থ কৃষক ৰংমন, চাহশ্ৰমিক বুধু, আৰু জয়ন্তইত ছহীদ হৈছে। গাঁওখনৰ ইন্দ্ৰজিৎ নামৰ ডেকা ল'ৰা এটা আন্দোলন বিৰোধী হোৱাৰ মূলত এজনী গাভৰু, যি ইন্দ্ৰজিতক ভাল নাপাই জয়ন্তকহে ভাল পাই আহিছিল। তাৰ প্ৰৰোচনাতে জয়ন্তক নিধন কৰা হৈছে। তাৰ আকাংক্ষা পূৰ্ণ নোহোৱাত ইন্দ্ৰজিতে আত্মহত্যাৰ চেষ্টা কৰি ব্যৰ্থ হৈ মাতৃময়ী প্ৰিয়ম্বদাৰ ওচৰত চেতনালব্ধ হৈছে আৰু সকলোৰে লগলাগি অসমখন সোণালীসূৰ্যৰ দেশ কৰাৰ বিশ্বাস

আৰু উপলব্ধিৰ মাজত কাহিনীৰ সামৰণি পৰিছে। উপন্যাসখনত আন্দোলনতকৈ প্ৰিয়ম্বদাৰ ব্যক্তিগত ঘটনাইহে মুখ্যস্থান লাভ কৰিছে আৰু প্ৰকৃততে তেঁৱেই এই উপন্যাসৰ নায়িকা। প্ৰিয়ম্বদাৰ পিতৃৰ চাৰিত্ৰিক দোষ আৰু পৰিবৰ্তন, মাকৰ নিৰ্যাতন আৰু মৃত্যু, গাঁওখনৰ উন্নতিৰ প্ৰচেষ্টাৰ বাবে মৌজাদাৰ পুত্ৰ জ্যোতিৰ সহযোগ, তাৰ প্ৰতি তাইৰ আকৰ্ষণ, জ্যোতিৰ বন্ধু ঋত্বিকৰ সৈতে তাইৰ বিবাহ, জ্যোতিৰ অপ্ৰকাশ্য বেদনা, জীয়াৰী চন্দ্ৰাৰ জন্মৰ পাছত দুৰ্ঘটনাত ঋত্বিকৰ মৃত্যু ইত্যাদি ঘটনা প্ৰবাহৰ মাজত চৰিত্ৰটোৰ পূৰ্ণ পৰিস্ফুটন ঘটিছে আৰু গাঁওখনত সকলোৰে মাতৃ স্থানীয়া হৈ পৰিছে। উপন্যাসখনৰ আনবোৰ চৰিত্ৰৰ ভিতৰত খল চৰিত্ৰ ইন্দ্ৰজিতৰ পৰিবৰ্তন, বিদ্ৰোহী চৰিত্ৰ জ্যোতি, নিষ্ঠাবান ঋত্বিক, সবলমতী চন্দ্ৰা, স্বদেশপ্ৰেমিক ইমতিয়াজ, জয়ন্ত আৰু সবলতাৰ প্ৰতিনিধি বুধু-ৰংমন উজ্জ্বল হৈ পৰিছে। চৰিত্ৰাঙ্কণত লেখিকা কৃতকাৰ্য হৈছে আৰু নিজ-সম্ভাৱনা দাঙি ধৰিব পাৰিছে।

হিমাদ্ৰীকুমাৰী দেৱীৰ "বনলতা আৰ্ট গিল্ড' (১৯৮৭) শৃঙ্খলাহীন, অসংযত আৰু অস্বাভাৱিক ঘটনাযুক্ত উপন্যাস। বিশ্ব-বিদ্যালয়ৰ পৰিবেশত আৰম্ভ হোৱা ঘটনাৱলী গাঁৱলৈয়ো সম্প্ৰসাৰিত হৈছে। অসম আন্দোলনৰ পটভূমিত নিৰ্মিত অসংলগ্ন কাহিনীটোত নৱদ্বীপ, সত্যকাম, প্ৰিয়ম্বদা, মালতী, প্ৰফুল্ল, বকুল, ত্ৰৈলোক্য, লীলা, কুনাল, স্বপ্নালী, ইন্দ্ৰমোহন, ঝুমেৰী, দুলু, ঘুনুচা, কপিঞ্জল, দেবাশ্ৰী, চিবিন, বাঙ্কি আদি অনেক চৰিত্ৰৰ সমাবেশ ঘটোৱা হৈছে। বনলতা আৰ্ট গিল্ডক কেন্দ্ৰ কৰি চৰিত্ৰবোৰ আহযাহ কৰিছে। কপিঞ্জলে কাহিনীভাগ দাঙি ধৰিছে আৰু দেৱাশ্ৰী, চিবিণ আদিৰ সম্পৰ্ক দেখুৱা হৈছে। দেৱাশ্ৰীৰ পিতৃ পৰিচয় নিদিয়াকৈয়ে চিবিণৰ মৃত্যু হলেও, নৱদ্বীপকে তাইৰ পিতৃ বুলি ধাৰণা হয়। সি শিল্পী হলেও ভণ্ড আৰু চৰিত্ৰহীন। বাঙ্কিক পলুৱাই নি গৰ্ভৱতী কৰিছে আৰু সন্তানটোক মমৰ কেৰাহীত পেলাই দি মূৰ্তি তৈয়াৰ কৰি প্ৰদৰ্শনীত বিক্ৰী কৰাৰ দৰে অতি অস্বাভাৱিক ঘটনাত নৱদ্বীপ জড়িত। এইবোৰ ঘটনাই উপন্যাসখন টুলুঙা কৰি পেলালে। আন্দোলনৰ কিছুমান ঘটনাৰ উল্লেখ কৰাৰ বাদে বিশেষত্ব দেখা নাযায়। ভাষাৰ ক্ষেত্ৰত প্ৰতীকীব্যঞ্জনা সৃষ্টিৰ প্ৰচেষ্টা দেখা যায়। অগতানুগতিক প্ৰচেষ্টা এটাৰ বাদে অন্য কোনো বৈশিষ্ট্য চকুত নপৰে।

বয়সত প্ৰবীনা সাবিত্ৰী বৰগোহাঞিক লেখিকা হিচাপে নবীনাৰ তালিকাতহে ধৰিব লাগিব। "হৃদয় শাশ্বত নদী" (১৯৮৭) আন্দোলনৰ পটভূমিত ৰচিত এখন চুটি উপন্যাস। সাধনী নামৰ একুৰি এঘাৰ বছৰীয়া বয়সীয়া গাভৰু শিক্ষয়িত্ৰী এগৰাকীৰ মনোবেদনাই উপন্যাসখনত প্ৰাধান্য লাভ কৰিছে। তাই সকলোফালে উপযুক্তা হৈও ঘৰখনৰ অৰ্থনৈতিক সংকটৰ বাবে অবিবাহিতা হৈ ৰ'ল। জনৈক 'বংশ, চাকৰি, প্ৰতিপত্তি' থকা দৰাৰ বাবে তাইক চাঁওতে তাইৰ চাকৰিটোক বেছি মূল্য দিয়াত সাধনী অমত হৈছিল। সময় বাঢ়ি গৈ এইদৰে জীৱনৰ মধুৰতম সময়বোৰ পাৰ হৈ চাৰিওফালে মৰুভূমিৰ সৃষ্টি হৈছিল। নগৰ আৰু গাঁৱৰ অভিজ্ঞতাৰ অন্তত গাঁৱৰ সবলতাৰ মূল্য অনুভৱ কৰিব পৰা যায়। তাই সমাজ সংস্কাৰকো। তাইৰ সকলো কথা সাঁথৰৰ দৰেই অস্পষ্ট হৈ ৰ'ল। অসম আন্দোলনৰ ছবি উপন্যাসখনত অঙ্কন কৰা হৈছে। দেশপ্ৰেম আৰু জাতীয়তাবাদী মনোভাব প্ৰকট হৈ পৰিছে। আন্দোলনৰ নানা চিত্ৰ- স্কুল-কলেজ বন্ধ, গণ-বিপ্লৱৰ প্ৰবাহ, পুলিচী নিৰ্যাতন, হত্যা, ধৰ্ষণ আদি ৰূপায়িত হৈছে। সাধনীৰ নিবনুৱা দদাই বৰ ককায়েক ৰবীনৰ আন্দোলনত যোগ দি পুলিচৰ গুলিত মৃত্যু হৈছে আৰু মাতৃ-ভগ্নীৰ হৃদয়ত একুৰা তীব্ৰ জুই জ্বলাই গৈছে। অন্যহাতে সৰু ককায়েক অৰুণলোচনলৈ অনাজাতৰ ধুনীয়া ছোৱালী বিয়া কৰোৱাৰ চিন্তা আদিয়ে সংস্কাৰকামী

সাধনীক উৎফুল্ল কৰি তুলিছে। সাধনীৰ এই বৈশিষ্ট্যসমূহ স্পষ্ট লোহোৱাত উপন্যাসখন সাধাৰণ স্তৰতে ৰৈ থাকিল।

দীপালী দেৱীৰ "অনন্যা", প্ৰণতি গোস্বামীৰ "বাঘৰ ছালৰ চোলা", আদি দুই চাৰিখন উপন্যাস প্ৰকাশ হোৱা দেখা যায়। কিন্তু, নতুন চাম লেখিকাৰ বচনাত জীৱন-বোধ আৰু অভিজ্ঞতাৰ গভীৰতা নথকাত উপন্যাসসমূহ উল্লেখযোগ্য হৈ নুঠিল। কলা-কৌশলৰ ফালৰ পৰাও এইবিলাক উপন্যাস মনত বৈ যোৱা নহয়। বৰ্ণ বৰা, নীতা চৌধুৰী আৰু অৰুপা পটঙ্গীয়াক এইছোৱা সময়ৰ সম্ভাৱনাময়ী লেখিকা বুলিব পাৰি। এই দুই দশকৰ উপন্যাস সাহিত্যতো প্ৰবীন লেখিকা সকলেই শ্ৰেষ্ঠাসন লাভ কৰি আছে।

১১.৩.০২. চুটি গল্প

উপন্যাসৰ দৰে চুটিগল্পতো এইদুটা দশকত সম্ভাৱনাময়ী লেখিকা বৰ বেছি ওলোৱা নাই। অৰুপা পটঙ্গীয়া কলিতা, পূৰবী বৰমুদৈ, মিনতি চৌধুৰী, যমুনা শৰ্মা চৌধুৰী, প্ৰণতি গোস্বামী, ৰূপশ্ৰী গোস্বামী, সাধনা নহকৰ আদিৰ নাম লব পৰা যায়।

সত্তৰৰ দশকৰ আৰম্ভণিৰ পৰা গল্প-ৰচনাত মনোনিবেশ কৰা অৰুপা পটঙ্গীয়াৰ প্ৰথম পৰ্যায়ৰ গল্প 'মুগাৰ পাঞ্জাবী' (১৯৭২), 'এৰা সুঁতিৰ ঢল' (১৯৭২), 'সমুদ্ৰ, নিয়ৰ আৰু সিঁ' আদি গল্পৰ মাজত সম্ভাৱনা উজ্জ্বল হৈ উঠিছিল। দুয়োটা দশকত তেওঁৰ ডেৰকুৰিমান গল্প প্ৰকাশ পাইছে। সম-সাময়িক সমাজ জীৱনক প্ৰভাৱিত কৰি ৰখা মধ্যবিত্ত মানসিকতা তেওঁৰ গল্পত প্ৰকট হোৱা দেখা যায়। 'বজাৰ' তেনে এটা গল্প, য'ত ৰূপ আৰু ধনৰ প্ৰতি মোহ তুলনাবিহীন বুলি অধ্যাপক বৰুৱাৰ চৰিত্ৰত ফুটাই তোলা হৈছে। সৌন্দৰ্যহীন সাধাৰণ নাৰী অধ্যাপিকা নন্দিতাক বিয়া কৰাই অন্য নাৰীৰ সৌন্দৰ্যলৈ ধাবিত বৰুৱাই তাইক অৱহেলা কৰি গ'ল। ইয়াকে লৈ নন্দিতাৰ গভীৰ দুখ উপস্থিত হোৱাৰ বৰ্ণনা গল্পটোত পোৱা যায়। 'ৰবযুগ' গল্পটো অসমৰ বিদেশী বিতাৰণ আন্দোলনৰ এখন কাষৰীয়া চিত্ৰ। নগৰীয়া চুবুৰী এটাৰ বিভিন্ন সম্প্ৰদায়ৰ বিভিন্নজনৰ সংক্ষিপ্ত ঘটনাৰ উল্লেখত আক্ৰমণ, গণহত্যা, শত্ৰুঘোষণা, সান্ধ্য-আইন আদি সংকটৰ মাজত খাটি খোৱা মানুহৰ দুৰাৱস্থা, সুবিধাবাদীৰ পলায়ন ইত্যাদি কম কথাত স্পষ্ট হৈ উঠিছে। মদন বৰুৱা আৰু ৰাজীৱৰ কথোপকথনত আন্দোলনৰ চৰিত্ৰ প্ৰকাশ পাইছে। ৰাম গোস্বামীৰ দৰে হাত-দীঘল মানুহৰ ভূমিকা, মিল-মালিক গাঙ্গুলীৰ দৰে পলাই সাৰিব পৰা লোকৰ কৌশল গল্পটোত আছে। ধনীৰাম, জেতুকী, ৰহিম মিঞা, হৰমোহন আদিৰ বাবে আন্দোলনবোৰ মৰণৰ ফান্দ। ইত্যাদি ইত্যাদি নানা দিশত লেখিকাই গল্পটোত আলোকপাত কৰিছে। 'চিকাৰ' গল্পত এজনী গাৰ বৰণ ক'লা ছোৱালীৰ বিয়াৰ বজাৰত উপেক্ষিতা হোৱাৰ পৰা নানাজনৰ তাচ্ছিল্যত ক্ষুণ্ণ হৈ মানসিক বিকাৰগ্ৰস্তা হোৱাৰ দুখাত্মক চিত্ৰ ফুটি ওলাইছে। 'বিৰিণা' গল্পটো আশীৰ দশকৰ বড়ো আন্দোলনৰ ফলত আতঙ্কগ্ৰস্ত অঞ্চল এটাৰ পটভূমিত ৰচিত হৈছে। 'ৰবযুগ'ৰ দৰেই 'বিৰিণা'ও সাৰ্থক গল্পৰ শাৰীলৈ উঠিছে। অৰুপা পটঙ্গীয়াৰ ভাষা শক্তিশালী আৰু প্ৰকাশিকা শক্তিৰ প্ৰখৰতা লক্ষ্যণীয়। তেওঁৰ লেখাবোৰ উচ্চ শিক্ষিত শ্ৰেণীৰহে সম্পদ, সাধাৰণ পাঠকৰ বাবে উপযুক্ত নহয়।

যমুনা শৰ্মাচৌধুৰীৰ গল্প সংকলন "কাদম্বৰী"ত প্ৰকাশিত গল্পসমূহৰ থাই সুৰ বিষাদ। প্ৰায়বিলাকেই প্ৰেম-প্ৰীতিজনিত হলেও তাৰ মাজতে অৰ্থনৈতিক দুৰাৱস্থা আৰু শ্ৰেণীচেতনাৰ উপলব্ধি আছে। প্ৰথমটো গল্প 'কাদম্বৰী'ত উপাসনা নামৰ এজনী বিগত

যৌৱনা ধনী গাভৰুৰ মনোজগতৰ অপূৰণীয় দুখৰ সংবাদ আছে। 'খাণ্ডৱদাহ'ত অর্থনৈতিক দুৰাৱস্থা প্রকট হৈ উঠাৰ লগতে অবাঞ্ছিত কার্য-কলাপৰ দুখজনক ছবি প্রকাশ পাইছে। 'শক্তিশেল'ত অৱসৰপ্রাপ্তলোকৰ মনোবেদনা; 'এপিটাফ'ত বিয়াৰ কিছুদিনৰ পাছতে স্বামীহাৰা হোৱা নাৰীৰ বেদনা; 'অয়নান্ত'ত বায়েকৰ সৈতে থকা প্রীতিভাৱ সলনি কৰি ভনীয়েকৰ প্রতি আসক্তি আৰু 'নীলকণ্ঠ'ত আভিজাত্যৰ অর্থহীন গৌৰৱ প্রকাশ পাইছে। 'অভিসাৰিকা' এটা জটিল-বক্রী গল্প, য'ত অৱস্থাৰ চিকাৰ হোৱা বশ্মিৰেখা নামৰ এগৰাকী নাৰীৰ মনস্তত্ত্ব প্রকাশ পাইছে। 'মই ফুলেশ্বৰী'ত আকৌ বনকৰা ছোৱালী সুৰবালাই ললিতা নাম লৈ বাওনাই চন্দ্র বিচৰাৰ নিষ্ফল সপোনৰ পৰিণতিত বিষাদ স্পষ্ট হৈ উঠিছে। 'শেলুৱৈ' নামৰ সুখপাঠ্য গল্পটোত প্রণয় আৰু বিবাহৰ ভিন্নৰূপ প্রকাশ পাইছে। 'পঞ্চতপা' গল্পত আভিজাত শ্রেণীৰ নৰ-নাৰীৰ প্রেমৰ মাজৰ অন্তঃসাৰশূন্য যৌনতাৰ বাদে অন্য গুৰুত্ব নথকাৰ চিত্র গল্পৰীৰ মাজত ফুটি ওলাইছে। জটিল অর্থনৈতিক অৱস্থাই শিবানীক অভিনেত্রী হবলৈ বাধ্য কৰাইছে 'গ্রহণ' নামৰ গল্পত। 'ধূপ'ত বৃদ্ধা নাৰীৰ মনোবেদনা; 'কাঠফুলা'ত মাতৃত্ব শক্তিহীনাৰ বেদনা আৰু তাৰ ফলত স্বামী মদ্যপায়ী হোৱাৰ দুখজনক মধ্যবিত্ত ধাৰণা প্রকাশ পাইছে। 'অগ্নিবন্যা' গল্পত নায়কে নায়িকাৰ বৃদ্ধ পিতৃৰ অর্থ-সাহার্যত উচ্চ শিক্ষা লাভ কৰি প্রতাৰণা কৰা আৰু দেউতাকৰ স্বাৰ্থত নায়িকাই ইয়াক লুকুৱাই ৰখাৰ অব্যক্ত বেদনা ফুটি ওলাইছে। 'যৌৱন' গল্পত ধনী, আভিজাত বয়স্কা মহিলাৰ দেহ-সৌষ্ঠৱ ধৰি ৰখাৰ প্রচেষ্টা আৰু নিজৰ ষোড়শী জীয়াৰীৰ ৰূপত নিজৰ যৌৱন মূল্যহীন হৈ উঠাৰ বেদনাই গভীৰ ৰূপ প্রদর্শন কৰিছে। এইদৰে যমুনা শর্মাচৌধুৰীয়ে উচ্চবিত্ত, মধ্যবিত্ত আৰু নিম্নবিত্ত শ্রেণীৰ বিভিন্ন চৰিত্ৰৰ আশা-আকাংক্ষাজনিত হতাশা, নিসঙ্গতা আৰু দুখবেদনাৰ চিত্র অংকন কৰিছে। লেখিকাৰ বিশেষত্ব দেখা যায় চৰিত্র চিত্ৰনত। কথন ভঙ্গী সেইদৰে বৈশিষ্ট্যময় হৈ উঠা হলে গল্পবোৰে অনবদ্য ৰূপ পালেহেঁতেন।

"এই যুগ এই ছবি" (১৯৮৬) হিমাদ্রীকুমাৰী শর্মাৰ গল্প সংকলন। ইয়াত প্রকাশিত ষোলটা গল্পৰ এটাতো বিশেষ উল্লেখ কৰিব পৰা বৈশিষ্ট্য দেখা নাযায়। তেওঁৰ ভাষা মনোগ্রাহী আৰু প্রকাশভঙ্গী কিছু আকর্ষণীয় হোৱাৰ বাবে কেবাটাও গল্প পাঠযোগ্য হৈ উঠিছে। 'মৰণোত্তৰ', 'কন্ধ দ্বাৰৰ শিকলি চিঙি', 'শামুকৰ খোলা', 'স্ব-প্রবাহ', 'সংক্রামক', 'অবলুণ্ঠিতা' আদি গল্পত এইবোৰ লক্ষণ প্রকাশ পাইছে।

মিনতি চৌধুৰীৰ প্রথম গল্প 'ছন্দ মিলিল' (১৯৬৭) ষাঠিৰ দশকৰ ৰচনা। কবিতা আৰু উপন্যাস ৰচনাত ইতিমধ্যে আত্মনিয়োগ কৰা লেখিকা গৰাকীৰ গল্প সংকলন চকুত পৰা নাই। পত্র-পত্রিকাতে সীমাবদ্ধ হৈ থকা গল্পৰ ভিতৰত "আঠুৱা" এটা মনত ৰৈ যোৱা গল্প। নায়ক ঠাণ্ডা প্রকৃতিৰ অৰবিন্দৰ আজিকালি পৃথিবীৰ সকলো মানুহৰ ওপৰতে খং। সকলো ক্ষেত্ৰতে দুর্নীতিৰ পয়োভৰ হোৱাত নিষ্ঠাবান কার্যালয়ৰ নিম্নবর্গৰ সহায়কাৰী অৰবিন্দ হতাশ হৈ পৰিছে। নিষ্ঠা আৰু সততাৰে কাম কৰিও সি প্রাপ্য পদোন্নতি লাভ কৰিব পৰা নাই। দুর্নীতিৰ বিৰুদ্ধে সি বিদ্রোহ কৰিব নোৱাৰি সুখ-দুখৰ লগৰী আজলী ঘৈণীয়েকৰ ওপৰত হকে-বিহকে খং কৰে। অৱশেষত পেলেপা মৰা গৰমত আঠুৱাৰ তলত বিচনী মাৰিবলৈ গৈ গালি খোৱা পত্নীৰ প্রতি সহানুভূতি জাগি উঠোতে ম'হ এটাই খোৱাত আঠুৱা তৰি ফাট্ট মাৰি শুই থকাতকৈ আঠুৱা নথকাই ভাল বুলি সি ভাবিছে। আঠুৱাক ইয়াত প্রতীক হিচাপে গ্রহণ কৰিলেও অর্থ স্পষ্ট হোৱা নাই। মুঠতে সং আৰু নিষ্ঠাবান কর্মী সকলৰ উৰলি যোৱা জীৱন-চিত্র এখন গল্পটোত প্রকাশ পাইছে। কলা-কৌশলৰ দিশতো গল্পটো লক্ষ্যণীয়। মিনতি

চৌধুৰীৰ কম সংখ্যক গল্পৰ মাজত 'অক্ষমতাৰ স্বীকাৰোক্তি', 'ইয়াত এডিয়া নিশা' আদিৰ আবেদন মনত লগা হৈছে।

পূৰবী বৰমুদৈৰ গল্প সংকলনখনিৰ নাম "শীতৰ কুঁৱলী" (১৯৭৭)। ষাঠিৰ দশকৰ পাছকালে প্ৰকাশ পোৱা 'লক্ষ্মীৰ ছবি" য়েই (১৯৬৭) প্ৰথম লেখত লবলগীয়া গল্প। তেওঁৰ 'ৰাজনীতি নুবুজা মানুহ' গল্পটো অসম আন্দোলনৰ সময়ত গহপুৰত হোৱা নাৰকীয় ঘটনাৰ এখন চিত্ৰ। দুটা ৰাজনৈতিক দলৰ সাম্প্ৰদায়িক যুঁজৰ পৰিণতি মালতী নামৰ ৰাজনীতি নুবুজা এজনী সাধাৰণ নাৰীৰ দুখৰ মাজেদি স্পষ্ট কৰি তুলিছে। গল্পটোৰ প্ৰধান বৈশিষ্ট্য হ'ল সাধাৰণ মানুহ ৰাজনীতিৰ বলিৰ-পাঠা হোৱাৰ বাহিৰে একো নাই। মালতীৰ গিৰিয়েকক হত্যা কৰা হৈছিল, ঘৰ দুৱাৰ জ্বলাই দিয়া হৈছিল। হাঙ্গামাৰ শেষত পুৰি ছাৰখাৰ হোৱা ভেটিত সজা অকণমান ঘৰটোত সোমাবলৈ গৈ বিপক্ষদলৰ বেণুমাইৰ মাজত তাই আন এজনী স্বামীহাৰা মালতীক আবিষ্কাৰ কৰিছে। ইমানবোৰ নাৰকীয় ঘটনা কিয় হ'ল মালতীয়ে নাজানে। তাইৰ বিবেকে কয় "মই কাহানিও সিহঁতৰ শত্ৰু নাছিলোঁ, সিহঁত কাহানিও মোৰ শত্ৰু নাছিল।" তথাপি সিহঁতে বহুত হেকৱাই বিষাদময় জীৱন কটাব লগাত পৰিছে। মানৱতাবাদী গল্পটোৰ কলা-কৌশল বৰ উন্নত নহলেও এটা সুখপাঠ্য গল্প। 'শীতৰ কুঁৱলী' গল্পত দাৰিদ্ৰ কবলিত মধ্যবিত্ত জীৱনৰ দুদৰ্শাৰ মাজত মানবীয় গুণৰ সমাবেশ ঘটিছে। গল্পটো গৰ্গ'লৰ 'অভাৰকোট' গল্পৰ অসমীয়াকৰণ বুলিব পাৰি। পূৰবীৰো গল্প সংখ্যা বেছি নহয়। কিন্তু কমসংখ্যক গল্পৰ ভিতৰতে তেওঁৰ সম্ভাৱনা ফুটি ওলাইছে।

প্ৰণতি গোস্বামী সাম্প্ৰতিক লেখিকাৰ ভিতৰত প্ৰগতিশীল দৃষ্টি-ভঙ্গীত অন্যতম। এই দৃষ্টি-ভঙ্গীৰ পৰিচায়ক 'তোমালোক বীৰ', 'যোদ্ধা', 'মৰণোত্তৰ', 'চোৰ' আদি গল্পলৈ আঙুলিয়াব পাৰি। 'যোদ্ধা' অসম আন্দোলনৰ পটভূমিত পুত্ৰক ছহীদ হিচাপে দান কৰা সোমনাথনী বুঢ়ীক কেন্দ্ৰ কৰি ৰচিত আৰু তেওঁৰ দুৰ্ভাগ্যক ইয়াত স্থান দিয়া হৈছে। গল্পটোৰ আবেদন কৃতকাৰ্যতাৰে লেখিকাই দাঙি ধৰিব নোৱাৰিলে। 'তোমালোক বীৰ'ত বিলাত ফেৰৎ বামুণৰ ল'ৰাই নিম্নবৰ্ণৰ ছোৱালী বিয়া কৰাই অন্ধবিশ্বাসত পোত খাই থকা গাঁৱলৈ পৰিবৰ্তন অনাৰ ইঙ্গিত আছে। গল্পটোৰ সামৰণি দুৰ্বল আৰু কলা-কৌশলত দক্ষতাৰ অভাৱ পৰিলক্ষিত হৈছে। 'চোৰ' গল্পত বয়সস্থা নাৰীৰ সন্দেহবাদী চৰিত্ৰ চিত্ৰায়ন মাত্ৰাধিক হোৱাত সৌন্দৰ্য হ্ৰাস পাইছে। প্ৰণতি গোস্বামীৰ গল্পবোৰত সামাজিক দায়বদ্ধতা থাকিলেও কেঁচা হাতৰ স্পৰ্শ এতিয়াও প্ৰকট হৈ আছে।

সাধনা লহকৰ ষাঠিৰ দশকতে গল্প-সাহিত্যত প্ৰবেশ কৰা মহিলা। সত্তৰ-আশীৰ দশক দুটাত তেওঁ কেবাটাও পৈণত গল্প ৰচনা কৰিছে। 'পৰ্দানসীন', 'দৰ্পন', আদি গল্পত লেখিকাৰ দৃষ্টি-ভঙ্গী প্ৰকাশ পাইছে। বুমন নামৰ এজনী গাভৰুৰ মানসিক অৱস্থা 'পৰ্দানসীন' গল্পত প্ৰকাশ পাইছে। সুদৰ্শন যুৱক এজনক বিয়া কৰাই বিদেশত আঠবছৰ কটোৱাৰ পাছত স্বামীয়ে অন্য এজনী বিয়া কৰোৱাত পিতৃ গৃহলৈ উভতি আহিল। কিন্তু, আচল কথা নুবুজাই পূৰ্বতে গৃহশিক্ষক প্ৰবোধৰ প্ৰতি থকা আসক্তিৰ সহায়ত, ভাবৰাবেই গুচি অহা দেখুৱালে। এই গল্পত নাৰীৰ মনস্তত্ত্বত 'দেৱাঃ ন জানন্তি' সূত্ৰৰ প্ৰয়োগ ঘটোৱা হৈছে। 'দৰ্পন' গল্পত মানৱ মনৰ স্বাৰ্থপৰতা, বিপৰীত লিঙ্গৰ প্ৰতি মোহ সহজভাৱে চিত্ৰিত হৈছে। সাধনা লহকৰৰ গল্প সাধাৰণতে সৰল আৰু মধ্যবিত্ত মানসিকতাৰ প্ৰভাৱ অত্যধিক ৰূপত দেখা যায়।

ৰূপশ্ৰী গোস্বামীৰ গল্পবিলাকতো মধ্যবিত্ত জীৱনৰ চিত্ৰ প্ৰকাশ পাইছে। এওঁ ষাঠিৰ দশকতে আত্ম প্ৰকাশ কৰা গল্প-লেখিকা। সুবৰ্ণ কোঁৱৰৰ 'ভঁকা', 'চিনাকি', 'মৰম নেওচি' আদিত মধ্যবিত্ত মানসিকতা প্ৰকাশ পাইছে। 'ভঁকা' গল্পত কুন্তলা পেহীয়ে কন্যায়েকৰ পুত্ৰক নিজপুত্ৰৰ দৰে পালন কৰিলে যদিও বাপেকৰহঁতে তাৰ মূল্য নিদিলে। নিজৰ স্ত্ৰী-পুত্ৰৰ অবিহনে আনৰ ওচৰত প্ৰকৃত আদৰ-সাদৰ পোৱা কঠিন বুলি গল্পটোৱে বক্তব্য দাঙি ধৰিছে। 'মৰম নেওচি'ত অৱসৰপ্ৰাপ্ত বসুকান্তই আনৰ ব্যৱহাৰত অতিষ্ঠ হৈ ঘৰ ত্যাগ কৰাৰ অন্তৰ্সংঘাত; 'চিনাকি'ত লোণতৰাৰ মনোজগতৰ সন্ধান দাঙি ধৰা হৈছে। চন্দ্ৰাদেৱী মহন্তৰ বাৰটা গল্পৰ সংকলন "সূৰ্যমুখী ফুল" (১৯৮৫)। 'উপলব্ধি', 'পৰশমণি', 'চাকনৈয়া' প্ৰভৃতি গল্পত লেখিকা গৰাকীৰ প্ৰতিভাৰ উপলব্ধি কৰিব পাৰি। শৈলবালা ডেকাৰ "কৃষ্ণ চূড়াৰ ৰং"ত (১৯৮২) প্ৰকাশিত সাতোটা গল্পত সাধাৰণ শ্ৰেণীৰ দুখ বেদনা প্ৰতিফলিত কৰাৰ প্ৰচেষ্টা চলাইছে। 'অবিচ্ছিন্ন', 'ছন্দ-পতন' 'সুৰৰ সমাধি' ইত্যাদি গল্পৰ মাজত মধ্যবিত্ত মানসিকতাই ফুটি ওলাইছে। ৰাহেনা শইকীয়াৰ "উদ্দীপ্ত প্ৰহৰ" (১৯৮৭) নামৰ সংকলনত প্ৰকাশিত পোন্ধৰটা গল্পৰ মাজতো মধ্যবিত্ত মানসিকতাই ঠাই পাইছে। 'এই মন এই অৱগুণ্ঠন' নামৰ গল্পত নৱনীতা নামৰ এজনী বিবাহিতা নাৰীৰ জটিল মানসিকতা প্ৰকাশ পাইছে। 'মানসী, প্ৰেয়সী নে শ্ৰেয়সী তুমি' গল্পটো ডায়েৰীৰ কেইখিলামান পাতত নিবদ্ধ হোৱাত সুখপাঠ্য হৈ উঠিছে। 'সময়ৰ ধোঁৱাৰ খুৰাত', 'এইমন, এই ক্ষণ,' এটি সৰু পকীঘৰ' আদি গল্পত ৰাহেনা শইকীয়াৰ কৃতিত্ব দেখা যায়। সুনীতি সোণোৱালৰ "ৰৰষুণ" (১৯৮৭) নামৰ গল্প পুথিত এঘাৰটা গল্পই স্থান পাইছে। নাৰীৰ অন্তৰৰ আবেগ-অনুভূতি, দুখ-বেদনা প্ৰকাশি উঠিছে। 'মক্তৰুণ, বিৰি'ত দুগৰাকী বন্ধ্যা নাৰীৰ অন্তৰ্বেদনা উপস্থাপন কৰিছে। 'ভিক্ষা'ত সন্তানহাৰা মাতৃৰ ভয়, 'ৰূপমতীৰ ৰূপকথা'ত বিধবা নাৰীৰ চিত্ৰ প্ৰকাশ পাইছে। 'ৰৰষুণ', 'সপোন' আদি গল্পৰ আকৰ্ষণ আছে।

দুই-চাৰিটা গল্পৰে নিজ প্ৰতিভাৰ চিনাকি দাঙি ধৰা লেখিকাৰ সংখ্যাও যথেষ্ট। গায়ত্ৰী কোঁৱৰৰ 'আৰণ্যক'; অৰুণা চৌধুৰীৰ 'অৱশেষত তাই আত্মহত্যা কৰিলে'; নিবেদিতা শৰ্মাৰ 'মন গহ্বৰৰ বিবক্ষা'; অঞ্জুমা দাসৰ 'প্ৰস্তুতি'; বীণা পাটোৱাৰীৰ 'এনাজৰী'; অনুভা ব্ৰহ্মৰ 'দুটা মাছ এটা ল'ৰা' আদি গল্পই আকৰ্ষণ কৰে। অৱশ্যে গতানুগতিক পদ্ধতিৰ ভিতৰতে এওঁলোকো আবদ্ধ হৈ আছে। 'যোৰহাট লেখিকা সন্থা'ই প্ৰকাশ কৰা "অৰ্দ্ধ আকাশ" (১৯৮৮) গল্প সংকলনত কেইগৰাকীমান প্ৰধান লেখিকাৰ লগতে এচাম নতুন লেখিকাৰ গল্প প্ৰকাশ হৈছে। এওঁলোকৰ দুই একৰ নানা কাকতত দুই এটা গল্প প্ৰকাশো পাইছে। নীলিমা বৰঠাকুৰ, পূৰ্ণিমা শৰ্মা, হৰপ্ৰিয়া বৰগোহাঞি, নিশিপ্ৰভা ভূঞা, অমৃত গোস্বামী, দীপিকা পূজাৰী, পূণ্য দেৱী, মীৰা দত্ত, লক্ষ্মী ভট্টাচাৰ্য, ৰবিতা ফুকন, প্ৰভা চাংকাকতি, ডিম্বেশ্বৰী দাস, যোগমায়া গগৈ, স্বৰ্গীয় কণিমা ভৰালী আদিৰ গল্প "অৰ্দ্ধ আকাশ"ত আছে। গল্পবোৰত নাৰীৰ স্বাধীকাৰৰ পৰা নাৰী ধৰ্ষণলৈ, দৰিদ্ৰতাৰ পৰা লাহ-বিলাহীলৈকে, মানৱতাৰ প্ৰতি অনীহা, সামাজিক বৈষম্য আদিয়ে ঠাই পাইছে। অৱশ্যে গল্প সমূহৰ সৰহভাগেই মানবিশিষ্ট হোৱা নাই। "অসম লেখিকা সন্থা"ৰ দ্বাৰা সংকলিত "লেখিকাৰ গল্প"ত (১৯৮৯) প্ৰকাশিত নিৰ্বাচিত গল্পত সম-সাময়িক দশক দুটাৰ আধাডজনমান লেখিকাৰ গল্প প্ৰকাশ পাইছে আৰু সংকলনটোৱে বিগত তিনিকুৰি বছৰৰ লেখিকাসকলৰ গল্প সাহিত্যলৈ দান সম্পৰ্কে আভাস এটা দাঙি ধৰিছে। এই দুখন সংকলনৰ পৰা সাম্প্ৰতিক সাহিত্যত নাৰী-জাগৰণৰ উৎকৃষ্ট ছবি এখন পোৱা গৈছে। সাহিত্যৰ বাবে এই জাগৰণ এটা শুভ লক্ষণ।

১১.৩.০৩ অন্যান্য গদ্য-সাহিত্য

অন্যান্য গদ্য-সাহিত্যৰ ভিতৰত নিবন্ধ, ৰসৰচনা, জীৱনী, ভ্ৰমণ, কাহিনী আদি ধৰা হৈছে। এইবিলাক দিশত যোৱা দশকদুটাত প্ৰবীন লেখিকা সকলকহে আন্তৰিকতাৰে লাগি থকা দেখা গৈছে। নতুন চাম লেখিকাৰ দুই-চাৰিয়ে সাংবাদিক ধৰ্মী নিবন্ধ অথবা নাৰীসমস্যা বিষয়ক নিবন্ধ ৰচনা কৰা দেখা যায়। কিন্তু, সাহিত্যত অন্তৰ্ভুক্ত কৰিব পৰা লেখা অতি তাকৰীয়া।

আলোচ্য দশক দুটাতো ড° নিৰ্মল প্ৰভা বৰদলৈ, ড° লক্ষহীৰা দাস, ড° নীলিমা দত্ত প্ৰমুখ্যে প্ৰবীন লেখিকা সকলেই নিবন্ধ-সাহিত্যত বহুমূলীয়া বৰঙণি আগবঢ়াই আছে। নতুন চামৰ ভিতৰত ড° লীলাৱতী বৰা শইকীয়া আৰু ড° কৰবী ডেকা হাজৰিকাই এই ক্ষেত্ৰত বৰঙণি দিবলৈ সক্ষম হৈছে। কবিতা আৰু গল্প-উপন্যাসত নতুনচামে গ্ৰহণ কৰা ভুমিকাৰ সমকক্ষ আসন এখন নিবন্ধ সাহিত্যত লব পৰা নাই। কাকত-আলোচনীত বৰ্তমান সময়ত বিভিন্ন ধৰণৰ নিবন্ধ মহিলাৰ দ্বাৰা ৰচিত হৈছে। প্ৰায়বিলাক নিবন্ধই সাহিত্য-বৰ্হিভূত হোৱাত ইয়াত বিস্তৃত আলোচনা কৰাৰ প্ৰয়োজনীয়তা উপলব্ধি নহ'ল। তথাপি, নতুন চামৰ ভিতৰত চন্দ্ৰলেখা দাস, ঊষাৰাণী বৰুৱা, শশী দাস, দীপ্তি ফুকন পাটগিৰি, বিউতি মহন্ত, জেউতি বৰুৱা, দৰ্পনা বৰা, ৰাজু বৰুৱা, সুলেখা চক্ৰৱৰ্ত্তী, যোগমায়া শইকীয়া, নমিতা ডেকা, অগ্নিশিখা মেধি, পদুমী গাজলু, মিনু পাটগিৰি, কল্পনা ভৰালী আদিয়ে নানা বিষয়ত নিবন্ধ ৰচনাত মন দিছে। এওঁলোকৰ প্ৰতিভাৰ পূৰ্ণবিকাশ এতিয়াও ঘটা নাই। চিন্তা-চৰ্চা অব্যাহত ৰাখিলে দুই চাৰিগৰাকী লেখিকাৰ পৰা উপযুক্ত অৱদান পাবলৈ আশা কৰিব পাৰি।

সত্তৰ-আশীৰ দশক দুটাত লেখিকাৰ সংখ্যা দ্ৰুতগতিৰে বৃদ্ধি পালেও, গুণগতভাৱে আশাপ্ৰদ বুলিব নোৱাৰি। পুৰুষসকলৰ সমকক্ষ দক্ষতা প্ৰদৰ্শনত মহিলা সকল ব্যৰ্থ হৈছে। যি কেইগৰাকী লেখিকাই কবিতা আৰু গল্প-উপন্যাসত দক্ষতা প্ৰদৰ্শন কৰিছে তেওঁলোক এই দুটা দশকৰ আগতেই সু-প্ৰতিষ্ঠিতা। নিৰ্মল প্ৰভা বৰদলৈ, স্নেহদেৱী, নিৰুপমা বৰগোহাঞি, মামণি ৰয়ছম গোস্বামী আদি লেখিকাৰ সমকক্ষ প্ৰতিভা এই দুটা দশকৰ পৰা নোলাল।

১১.৪. সামৰণি

“অসমীয়া সাহিত্যলৈ মহিলা লেখকৰ দান” শীৰ্ষক গবেষণাৰ সামৰণিত উপনীত হৈ কেইটামান কথাৰ অৱতাৰণা কৰিবলৈ ইচ্ছা কৰিছোঁ। এই গ্ৰন্থৰ আলোচ্যকাল আৰম্ভ হৈছে অসমীয়া সাহিত্যৰ জন্মলগ্নৰ পৰা আৰু শেষ হৈছে নৈৰেচনৰ প্ৰথমাৰ্ধত। মুঠ এঘাৰটা অধ্যায়ত এই বিশাল বিষয়টো সামৰা হৈছে। প্ৰথমটো অধ্যায়ত পটভূমিৰ বিশ্লেষণ কৰা হৈছে। দ্বিতীয় অধ্যায়ত অসমীয়া সাহিত্যৰ প্ৰথম লেখিকা পদ্মপ্ৰিয়াৰ জীৱন আৰু গীত ৰচনাৰ প্ৰাপ্ত তথ্যভিত্তিক আলোচনা আগবঢ়োৱা হৈছে। পদ্মপ্ৰিয়াৰ পাছত আধুনিক কালৰ মিছনেৰী মহিলাসকলৰ আগমনৰ আগলৈকে লেখিকাৰ সম্ভেদ ওলোৱা নাই। ইয়াৰ সম্ভাব্য কাৰণ অধ্যায়টোত আলোচিত হৈছে। তৃতীয় অধ্যায়ত অৰুণোদই যুগৰ মিছনেৰী মহিলাৰ অৱদান আলোচনা কৰা হৈছে আৰু প্ৰকৃত অসমীয়া ভাষী লেখিকাৰ আগমন নিশ্চিত হৈছে প্ৰাক্‌জোনাকীৰ সময়ছোৱাত (১৮৭১-৮৯)। ভাবিনী দেৱী, বিধু-প্ৰিয়া দেৱী আদিৰ সাহিত্য-কৃতিত্বকৈ ঐতিহাসিক গুৰুত্ব অধিক। সাম্প্ৰতিক বিচাৰত তেওঁলোকৰ প্ৰতিভাৰ মূল্যায়ন ঘটোৱা নাই। প্ৰাক্‌জোনাকী আৰু জোনাকীযুগৰ লেখিকাৰূপে আলোচিতা পদ্মাৱতী দেৱী ফুকননী আৰু স্বৰ্ণলতা বৰুৱাৰ

(দেৱী) দান মৌলিকভাবে বিচাৰ কৰা হৈছে। ৰমন্যাসিক যুগৰ কবিতা আৰু গদ্য ক্ৰমে চতুৰ্থ আৰু পঞ্চম অধ্যায়ত আলোচিত হৈছে। দুয়োটা অধ্যায়ৰ আলোচ্য-কাল ১৯৪০ চনত শেষ হৈছে। বিংশ শতাব্দীৰ এই সময়ছোৱা অসমীয়া সাহিত্যৰ বাবে অতিশয় গৌৰৱৰ সময়ৰূপে চিহ্নিত হৈছে। অসমীয়া লেখিকাৰ শক্তিশালী ভূমিকাও যুগটোৰ বৈশিষ্ট্য। কবিতা জগতত নলিনী বালা দেৱী এক বিস্ময়কৰ প্ৰতিভা। যমুনেশ্বৰী খাটনিয়াৰ আৰু ধৰ্মেশ্বৰী দেৱী বৰুৱানী আন দুটি লেখৰ কাব্য-প্ৰতিভা। উপন্যাসত স্নেহলতা বৰুৱা (ভট্টাচাৰ্য) আৰু চন্দ্ৰপ্ৰভা শইকীয়ানী; চুটি গল্পত সুধা বৰুৱা আৰু সুপ্ৰভা গোস্বামীৰ নাম লবই লাগিব। নাট্য ৰচনা, ভ্ৰমণ কাহিনী, নিবন্ধ আদি অন্যান্য বিষয়সমূহতো এই সময়ছোৱাত মহিলাৰ আগমন ঘটিছে।

ষষ্ঠ অধ্যায়ৰ পৰা যুদ্ধোত্তৰ সাহিত্যত মহিলাৰ স্থান নিৰূপনৰ প্ৰচেষ্টা আৰম্ভ হৈছে। এইকালৰ (১৯৪০চনৰ পৰবৰ্তী) কবিতাক তিনিটা পৰ্যায়ত সামৰা হৈছে। এক-ৰমন্যাসিক পৰম্পৰাৰ কবিতা; দুই-দোমোজাৰ কবিতা আৰু তিনি–আধুনিক ধাৰাৰ কবিতা। লেখিকাসকলৰ কবিতাৰ গুণাগুণলৈ লক্ষ্যৰাখি এইদৰে বিভাজন ঘটোৱা হৈছে। নিৰ্মলপ্ৰভা বৰদলৈ এইছোৱা সময়ৰ নিসন্দেহে শ্ৰেষ্ঠ কবি। অষ্টম অধ্যায়ত যুদ্ধোত্তৰ গদ্যত মহিলাৰ স্থান বিচাৰ কৰা হৈছে। নৱম অধ্যায়ত স্নেহ দেৱী, নীলিমা শৰ্মা আৰু নিৰুপমা বৰগোহাঞিৰ গল্প প্ৰতিভাৰ বিশ্লেষণ কৰা হৈছে। এই অধ্যায়তে নীলিমা দত্ত, নিৰুপমা বৰগোহাঞি আৰু মামনি ৰয়ছম গোস্বামীৰ উপন্যাস সাহিত্যলৈ দান বিশেষভাবে বিচাৰ কৰা হৈছে। বিশ্লেষণ সমূহ সংক্ষিপ্তভাবে দাঙি ধৰাৰ অন্যতম কাৰণ হ'ল গ্ৰন্থৰ স্থানাভাব। তদুপৰি, গল্প, উপন্যাস আদি প্ৰধান বিষয়সমূহ গবেষণাৰ একোটি স্বতন্ত্ৰ বিষয় হব পাৰে। দশম অধ্যায়ত শিশু-সাহিত্যলৈ মহিলাৰ দান নিৰ্ণয়ৰ প্ৰচেষ্টা আছে। এই ক্ষেত্ৰত মৌলিক ৰৰঙণি যথেষ্ট কম। নিৰ্মল প্ৰভা বৰদলৈ, সৌজন্যময়ী ভট্টাচাৰ্য, বন্দিতা ফুকন আদিয়ে কিছু উন্নত মানৰ মৌলিক ৰচনা আগবঢ়াইছে। একাদশ অধ্যায়ত অতি-সাম্প্ৰতিক কাল অৰ্থাৎ বৰ্তমানৰ সত্তৰ আৰু আশীৰ দশক দুটাৰ সাহিত্যিক বৈশিষ্ট্যৰ বিচাৰ কৰা হৈছে। কিন্তু,, দশক দুটাত লেখিকাৰ সংখ্যা যিদৰে বাঢ়িছে, গুণগত উত্তৰণ সেইদৰে হোৱা নাই। পঞ্চাশ আৰু ষাঠিৰ দশকৰ লেখিকাসকলৰ সমকক্ষ হবলৈ এওঁলোকক বহুতো অনুশীলনৰ দৰকাৰ হব। চেষ্টা অব্যাহত ৰাখিলে আগন্তুক দশকটোত ইয়াৰে কেইগৰাকীমানৰ ৰচনা উচ্চ মানদণ্ডত উপনীত হোৱাৰ সম্ভাৱনা অৱশ্যে নথকা নহয়। কেৱল সংখ্যাত বৃদ্ধি পালেই নহয়; লেখা সমূহৰ মানদণ্ড উন্নত হলেহে অৱদানৰ মূল্য বাঢ়িব।

পৰিশিষ্ট -১

পদ্মপ্ৰিয়াৰ গীত

প্ৰথম গীত

ৰাগ-ৰামকিৰি (ৰামগিৰি)

॥ধ্ৰু॥ গুৰুপদ নুভুলিবি মন ভই
গতি মোৰ গুৰুৰ দুহু পায়ে।
ভৱ বৈতৰণী তৰিতে তৰণী
আনমতে কেবা পাৰে॥

॥পদ॥ পুত্ৰ পতি ধন সবে অকাৰণ
যেন জলবিম্ব ভাসে।
এই আছে নাই সবে হৱে ছাই
সকলো কালে গৰাসে॥
জীৱন যৌৱন দুয়ো অকাৰণ
যেন সপোনৰ নিধি।
মিছা দুখ লাগি ব্ৰহ্মক তিয়াগি
নৌভেল কিছুই সিদ্ধি॥
বিষয়ত মন সুদৃঢ় বন্ধন
মায়া মহাপাপ জৰী।
পদ্মপিৰিয়াই কহে অভিপ্ৰায়
গোপালৰ পায়ে পৰি॥* ॥

* কালিদাস খাটনিয়াৰৰ সংগ্ৰহ অনুসৰি এই গীতটি গ্ৰহণ কৰা হৈছে।
ড° মহেশ্বৰ নেওগৰ "ভক্তি গীত সংকলন" গ্ৰন্থত ৫৫৬ নংত থকা গীতটিৰ পদ অংশত দ্বিতীয় স্তৱক 'জীৱন যৌৱন ----- নৌভেল কিছুই সিদ্ধি' অন্তৰ্ভুক্ত হোৱা নাই। তদুপৰি মাজৰণি চৰণৰ 'গোপালৰ পায়ে পৰিব' পাঠান্তৰ 'গোপালৰ পায়ে ধৰি'।

দ্বিতীয় গীত

ৰাগ-ৰামক্িৰি

||ধ্ৰু|| জয় জয় ৰাম কৰোহো প্ৰণাম
গোপালৰ পাৱে পৰি ।
গোপাল আসিলা ধৰ্ম প্ৰচাৰিলা
নিজ মায়া বশ্য কৰি ॥

||পদ|| নৰুৰূপ ধৰি (হৰি) ভৈলা অৱতাৰ
হৰিলা পাপীৰ ভাৰ ।
অতি অজ্ঞানীক জ্ঞানদানে তুমি
কৰিলা ভক্তি প্ৰচাৰ ॥
শঙ্কৰ স্বৰূপে প্ৰদীপক থৈলা
মাধবেসে বঢ়াইলন্ত ।
তৈল বত্তি দিয়া সম্পূৰ্ণ কৰিয়া
গোপালেসে জ্বলাইলন্ত ॥
কহে পদ্মপ্ৰিয়া ভক্তিদান দিয়া
গোপাল কৃপাল স্বামী ।
পাৱত আৰিয়া নিয়োক গোপাল
শৰণ পশিলো আমি ॥

খাটনিয়াৰ সংগৃহীত এই ৰূপৰ সৈতে ড° নেওগৰ সংগৃহীত আৰু "ভক্তি গীত সংকলন"ত প্ৰকাশিত ৫৫৫ নং গীতৰ (পৃ. ৫১৯) পাঠান্তৰ দেখা যায় ।–

জয় জয় ৰাম কৰোহো প্ৰণাম
শঙ্কৰৰ[১] পাৱে ধৰি ।
মাধৱ[২] আসিয়া ধৰ্ম প্ৰকাশিলা
নিজ মায়া বশ্য কৰি ॥ধ্ৰু॥
গোপাল স্বৰূপে সেহি অনুৰূপে
ভকতি কৰিলা হৰি ।
পদ্মপিৰিয়াই কহে অভিপ্ৰায়
গোপালৰ পাৱে ধৰি ॥[৩]

পাঠান্তৰ– ১। শঙ্কৰৰ – মাধৱৰ
২। মাধৱ – গোপাল
৩। গোপাল – পৰি ॥

নৰৰূপে হৰি ভৈলা অৱতাৰ
হৰিলা পাপীৰ ভাৰ।
অতি অজ্ঞানীক জ্ঞান দানে তুমি
সঙ্গতি দিলা সত্বৰ॥
শঙ্কৰ স্বৰূপে প্ৰদীপক ভৈলা
মাধৱেসে বঢ়াইলন্ত।
তৈল বৰ্ত্তি দিয়া সম্পূৰ্ণ কৰিয়া
গোপালেসে জ্বলাইলন্ত
কহে–পদ্মপ্ৰিয়া ভক্তি দান দিয়া
গোপাল কৃষ্ণক স্বামী,
পাৰত পৰিয়া নিয়োক গোপাল
শৰণ পশিলো আমি ॥২॥

তৃতীয় গীত

ৰাগ-ৰামকিৰি (ৰামগিৰি)

॥ধ্ৰু॥ জয়তি শঙ্কৰ জগত ঈশ্বৰ
পৰম পুৰুষ দেৱবৰ।
কায়স্থ কুলত কুসুম গৃহত
পূৰ্ণব্ৰহ্ম অৱতাৰ॥

॥পদ॥ গুৰু ৰূপে আসি ভৈলা অৱতাৰ
কৰিলা মানৱ লীলা।
অতি অজ্ঞানীক জ্ঞান দানে তুমি
সত্বৰ সঙ্গতি দিলা॥
অসঙ্গী জীৱক সংগ কৰাইলেক
শঙ্কৰ স্বৰূপে হৰি।
মাধৱ স্বৰূপে ভকতি বঢ়াইল
নিজ মায়া বশ্য কৰি।
গোপাল স্বৰূপে সেহি অনুৰূপে
ভকতি পালিলন্ত।
আনন্দ সমুদ্ৰ ৰস মাজে মজি
ৰহিলা যত মহন্ত॥
অনাদি অনন্ত প্ৰভু ভগৱন্ত
তোমাৰ অনন্ত লীলা।
শঙ্কৰ মাধৱ গোপাল স্বৰূপে
নিজ যশ প্ৰচাৰিলা॥

মই হীন মতি নামে পদ্মপ্ৰিয়া
নাজানো ভক্তি তোমাৰ ।
কায় বাক্য মনে তোমাৰ চৰণে
শৰণ কৰিলো সাৰ ॥*

* কালিদাস খাটনিয়াৰ সংগৃহীত মতে ॥

আন এটি প্ৰচলিত গীত (হেমাৰ ৰবী সত্ৰ)
ৰাগ-কলি

॥ধ্ৰু॥ জয় জয় ৰাম কৰোহো প্ৰণাম
পূৰ্ণ ব্ৰহ্ম অৱতৰং ।
কায়স্থ কুলত কুসুম গৃহত
পৰম পুৰুষ দেৱৱৰং ॥

॥পদ॥ নৰৰূপে আসি ভৈলা অৱতাৰ
হৰিলা ভূমিৰ ভাৰ ।
বালক কালতে সাম্বক মৰ্দিলা
কৰিলা বিনন্দ বিহাৰ ॥
পূৰ্বৰ সাধন কহিতে গুপুত
সাধু সঙ্গে পায়ে তাক ।
গোপীসকলক মৰ্দ্দিলা যিহেতু
বসত মগ্ন ভৈলেক ॥
শঙ্কৰ স্বৰূপে প্ৰদীপক থৈলা
মাধৱেসে লগাইলন্ত ।
সেহি প্ৰদীপক নিৰ্ব্বাণ নাযায়
গোপালেসে বঢ়াইলন্ত ॥
কহে পদ্মপ্ৰিয়া ভক্তি দান দিয়া
গোপাল কৃপাল স্বামী ।
পাৱতে আঁৰিয়া নিয়োক গোপাল
শৰণে পশিলো আমি ॥
মই হীন মতি নামে পদ্মপ্ৰিয়া
নাজানো ভক্তি তোমাৰ ।
কায় বাক্য মনে তোমাৰ চৰণে
শৰণ কৰিলো সাৰ ॥০॥

* এইটো গীত নগাওঁ জিলাৰ চামগুৰি অঞ্চলৰ হেমাবৰবী সত্ৰৰ প্ৰাক্তন সত্ৰাধিকাৰ প্ৰয়াত শ্ৰীশ্ৰী গোলোকচন্দ্ৰ মহন্তৰ দ্বাৰা সংগৃহীত। শ্ৰীযুক্তা ভবানী মহন্তৰ সৌজন্যত এই গীত পোৱা গৈছে। ড° মহেশ্বৰ নেওগৰ সংগৃহীত ৫৫৭ নং গীত ("ভক্তি গীত সংকলন" পৃ.৫২০-৫২১) আৰু কালিদাস খাটনিয়াৰৰ সংগৃহীত দুটা গীতৰ স্তৱক এই গীতত দেখা যায়। তদুপৰি, স্তৱকবোৰৰ মাজত অৰ্থৰ সঙ্গতিত খেলিমেলি দেখা যায়। ড° নেওগ সংগৃহীত গীতটি হ'ল,-

॥ধ্ৰুং॥ জয় জয় ৰাম কৰোহো প্ৰণাম
পূৰ্ণব্ৰহ্ম অৱতাৰং।
কায়স্থ কুলত কুসুম গৃহত
পৰম পুৰুষ দেৱবৰং ॥ ধ্ৰুং ॥

॥পদ॥ নৰ ৰূপে হৰি ভৈলা অৱতাৰ
হৰিলা ভূমিৰ ভাৰ।
বালক কালত ষাণ্ডক মৰ্দ্দিলা
বিনোদ কৰি বিহাৰ ॥
পূৰ্বৰ সাধন সহিতে গুপুত
সাধু সঙ্গ লাগ লৈলা।
গোপী সমস্তক যিমতে মোহিলা
ৰসত মগন ভৈলা ॥২॥
অসঙ্গী জীৱক সঙ্গ কৰাইলেক
শঙ্কৰে স্বৰূপে হৰি।
মাধৱ স্বৰূপে ভকতি বঢ়াইলা
নিজ মায়া বশ্য কৰি ॥
গোপাল স্বৰূপে সেহি অনুৰূপে
ভকতিক পালিলন্ত।
আনন্দ সমুদ্ৰ ৰস মাজে মজি
ৰহিলা মত্ত মহন্ত ॥
অনাদি অনন্ত প্ৰভু ভগৱন্ত
তোমাৰ অনন্ত লীলা।
শঙ্কৰ মাধৱ গোপাল স্বৰূপে
নিজ যশ প্ৰকাশিলা।
ভাৰতে আসিয়া অৰণ্য কাটিয়া
নাম ধৰ্ম প্ৰকাশিলা।
দেৱৰূপে আসি ভৈলা অৱতাৰ
কৰিলা মানৱ লীলা ॥

শঙ্কৰ স্বৰূপে প্ৰদীপক হৈলা
মাধৱে বঢ়াইলন্ত।
তৈল বৰ্ত্তি দিয়া সম্পূৰ্ণ কৰিয়া
গোপালদেৱে জ্বলাইলন্ত॥
কহে পদ্মপ্ৰিয়া ভক্তিদান দিয়া
গোপাল কৃপাল স্বামী।
পাৱত পৰিয়া নিয়োক গোপাল
শৰণে পশিলো আমি॥
মই হীন মতি নামে পদ্মপ্ৰিয়া
নাজানো সেৱা তোমাৰ।
কায় বাক্য মনে তোমাৰ চৰণে
শৰণ কৰিলো সাৰ॥ ০॥

হেমাৰবৰী সত্ৰত পোৱা গীতটোৰ সৈতে মিলাই চাই আৰু কালিদাস খাটনিয়াৰে কাল্জাৰ-ভবানীপুৰৰ পৰা উদ্ধাৰ কৰা মূল গীত তিনিটাৰ স্তৱক বিলাক বিজাই চাই এটা নতুন গীতৰ আভাস পাব পাৰি। ক'তো নথকা স্তৱক কেইটা হ'ল,–

নৰৰূপে আসি হৈলা অৱতাৰ
হৰিলা ভূমিৰ ভাৰ।
বালক কালতে সাম্বক[1] মৰ্দ্দিলা
কৰিলা বিনন্দ বিহাৰ॥[2]
পূৰ্বৰ সাধন সহিতে[3] গুপুত
সাধু সঙ্গ লাগ লৈলা।
গোপী সমস্তক যিমতে মোহিলা
বসন্ত মগন ভৈলা।
ভাৰতে আসিয়া অৰণ্য কাটিয়া
নাম ধৰ্ম প্ৰচাৰিলা।
দেৱৰূপে আসি হৈলা অৱতাৰ
কৰিলা মানৱ লীলা॥

এই গীতৰ 'ধ্ৰুং' হিচাপে গ্ৰহণ কৰিব পৰা স্তৱক এটি হ'ল–

অনাদি অনন্ত প্ৰভু ভগৱন্ত
তোমাৰ অনন্ত লীলা।
শঙ্কৰ মাধৱ গোপাল স্বৰূপে
নিজ যশ প্ৰকাশিলা।

পৰিশিষ্ট –২

তাৰিণী দেৱীৰ ৰচিত গীত

“জখলাবন্ধা সত্ৰ-গীত” পুথিত পোৱা তাৰিণী দেৱীৰ এটি অন্যতম গীত

অ' মনিকূট গৃহবৰে
গোবিন্দ বিৰাজে
অৰুণলোচন কমল বদন
শশধৰ অবিৰাজে
অ' মণিকূট গৃহবৰে
গোবিন্দ বিৰাজে ।
কতবৰ বেশ ধৰি বসি আছে হৰি
পৰিষদ গণে আসি সেৱিছে মুৰাৰি
অ' মণিকূট গৃহবৰ
গোবিন্দ বিৰাজে ।
লক্ষ্মী-সৰস্বতী দুয়ো দুপাশে সেৱিছে
ব্ৰহ্মা আদি দেৱগণে উপাসন্তে আছে
অ' মণিকূট গৃহবৰে
গোবিন্দ বিৰাজে ।
ললিত বলিত দুয়ো পাদ অৰবিন্দ
মহা মহা পাপী তৰে বুলিয়ো গোবিন্দ
অ মণিকূট গৃহবৰে ——— ।
শ্ৰীবৎস পেখিয়া পাত্তি অননি জুৰাই
কিমতে চিন্তিবো তাক হৃদয়ে থিয়াই
অ মণিকূট ———— ।
কিদিয়া পূজিম মই চৰণে মুৰাৰি ।
তাৰিণী দেৱীয়ে কয় কৃপা কৰা হৰি ।

আৰতিৰ গীত

দেখ মাই বন হইতে আৱৱে গোপালা ।
ঘৰে ঘৰে আৰতি সাজি চলে ব্ৰজবালা ।।
দেখ মাই বন হইতে আৱৱে গোপালা ।।
মধুৰ মধুৰ ধ্বনি বংশী বজাৱে ।
গকুলে আনন্দ অধিক বঢ়াৱে ।।
ধূলেৰ ধূচন আঙ্গিনা পঠাৱে ।
গোপ বালক সঙ্গে নিৰিখি আৱে ।।
কনক ঠাল ভৰি অন্ন সৰ সাজে ।
গকুলে আনন্দ অধিক বঢ়াৱে ।।

ঝুলনৰ নাম

প্ৰথমতে ব্ৰহ্মাদেৱে কৃষ্ণক কৰিয়া সেৱা
জুলাই অতি নম্ৰভাৱে হে ৰাম ।
তাৰ পাচে হাসি হাসি সাৱিত্ৰী গোসানী আসি
ৰঙ্গমনে কৃষ্ণক জুলাইলা হে ৰাম ।।
তাৰ পাছে ইন্দ্ৰে আসি কৃষ্ণক জুলাইছে বসি
শচী সমে চৰণত পৰি হে ৰাম ।
তাৰ পাছে গৌৰী আসি কৃষ্ণক জুলাইছে বসি
নিৰ্জ স্বামী মহেশ্বৰ সঙ্গে হে ৰাম ।।
ৰোহিনী সহিতে চন্দ্ৰে আসিয়া পৰমানন্দে
নম্ৰ শিৰে কৃষ্ণক জুলাইছে হে ৰাম ।
এহিমতে দেৱগণে কৃষ্ণক জুলাইছে ঘনে
নিজ নিজ পত্নী লই হে ৰাম ।।
গোপী গণে ৰঙ্গ মনে কৃষ্ণক জুলাইছে ঘনে
কৃষ্ণ মুখ নিৰিখি নয়নে হে ৰাম ।
গোপ শিশু গণে আসি কৃষ্ণক জুলাইছে হাসি
ৰঙ্গমনে শকত আজোৰে হে ৰাম ।
ভিনে ভিনে ঋষিগণে কৃষ্ণক জুলাইছে ৰঙ্গে
কৃষ্ণৰ চৰণ শিৰে লই হে ৰাম ।।*

* নীলা দেৱীয়ে "লেখিকাৰ জীৱনী গ্ৰন্থ"ত লেখা "ভাৱিণী দেৱী"ৰ পৰা উদ্ধৃত ।

গ্ৰন্থ-পঞ্জী

অসমীয়া

অৰ্জুন চন্দ্ৰ দাস, — মহাপুৰুষীয়া ধৰ্মৰ পৰম্পৰা, গুৰুতত্ত্ব কাৰ্য, হাউলী, ১ম প্ৰকাশ, ১৯৬৬

আব্দুছ ছাত্তাৰ, — বাহাদুৰ গাঁওবুঢ়া, যোৰহাট, ১ম প্ৰকাশ, ১৯৬৯

———— (সম্পা.), — সপ্তম দশকৰ অসমীয়া ভাষা-সাহিত্যৰ ইতিবৃত্ত, অভ্যৰ্থনা সমিতি, অসম সাহিত্য সভাৰ তিতাবৰ অধিৱেশন, ১৯৭৫

উপেন্দ্ৰ চন্দ্ৰ লেখাৰু, (সম্পা.), — কথাগুৰু চৰিত, দত্তবৰুৱা, গুৱাহাটী, ২য় প্ৰকাশ, ১৯৬৪

উপেন্দ্ৰ নাথ গোস্বামী, — ভাষাবিজ্ঞান, নিউ বুকষ্টল, গুৱাহাটী, ২য় সংস্কৰণ, ১৯৭০

———— — ভাষা আৰু সাহিত্য, মণি-মাণিক প্ৰকাশ, গুৱাহাটী, ৪ৰ্থ সংস্কৰণ, ১৯৮৫

এ. কে. গাৰ্গি — কামিনীকান্ত, (প্ৰফুল্ল দত্ত গোস্বামী সম্পাদিত), অসম সাহিত্য সভা, যোৰহাট, ২য় প্ৰকাশ, ১৯৬০

কামেশ্বৰ দাস আৰু নৰেন্দ্ৰ দেৱশাস্ত্ৰী (সম্পা.), — সাম্প্ৰতিক অসমীয়া কবিতা, তেজপুৰ সাহিত্য কলা পৰিষদ, ১ম প্ৰকাশ, ১৯৮৬

গুণাভিৰাম বৰুৱা, — আনন্দৰাম ঢেকিয়াল ফুকনৰ জীৱন চৰিত, কলিকতা, ১ম প্ৰকাশ, ১৮৮০

চন্দ্ৰধৰ বৰুৱা, — চন্দ্ৰধৰ বৰুৱা ৰচনাৱলী, অসম সাহিত্য সভা, যোৰহাট

ডিম্বেশ্বৰ নেওগ, — অসমীয়া সাহিত্যৰ বুৰঞ্জী, পূৰ্বী প্ৰকাশ, যোৰহাট, চতুৰ্থ প্ৰকাশ, ১৯৫৭

ত্ৰৈলোক্য নাথ গোস্বামী, — আধুনিক গল্প-সাহিত্য, বাণী প্ৰকাশ, গুৱাহাটী, ৩য় প্ৰকাশ, ১৯৬৭

থানেশ্বৰ হাজৰিকা (সম্পা.) — অসমীয়া নাৰী কবিকণ্ঠ, প্ৰফুল্ল শৰ্মা, বোকাখাত, ১ম প্ৰকাশ, ১৯৮৫

দুৰ্গাধৰ বৰকটকী, — নীতি পাঠ, ৫ম ভাগ, যোৰহাট, (!)

দেবেন্দ্ৰনাথ বেজবৰুৱা, — অসমীয়া ভাষা আৰু সাহিত্যৰ বুৰঞ্জী, ১৯৩৩

নগেন শইকীয়া (সম্পা.), — আসাম-বন্ধু, একত্ৰ সংকলন, প্ৰকাশন পৰিষদ, গুৱাহাটী, ১ম সংস্কৰণ, ১৯৮৪

নন্দ তালুকদাৰ, — কবি আৰু কবিতা, দত্তবৰুৱা এণ্ড কোং, গুৱাহাটী, ১ম প্ৰকাশ, ১৯৬৯

———— — জীৱন স্মৰণ, ভবানী পাবলিচিং, কলিকতা, ১ম প্ৰকাশ, ১৯৭৮

———— — সংবাদ পত্ৰৰ বুকুত কীচলিত অসমীয়া সাহিত্য, বৰুৱা এজেন্সী, ১ম প্ৰকাশ, ১৯৭৫

নন্দ তালুকদাৰ, (সম্পা.), — আনন্দৰাম ঢেকিয়াল ফুকনৰ ৰচনা সংগ্ৰহ, গুৱাহাটী, ১ম প্ৰকাশ, ১৯৭৭

নলিনীবালা দেৱী, — এৰি অহা দিনবোৰ, গুৱাহাটী, ১ম প্ৰকাশ, ১৯৭৬

——————— — শান্তিপথ, গুৱাহাটী, ১ম প্ৰকাশ, ১৯৭১

পৰীক্ষিত হাজৰিকা, — অসমীয়া প্ৰবন্ধ মঞ্জৰী, শকৰতন কাৰ্য, হাউলী, কামৰূপ ; প্ৰথম সংস্কৰণ, ১৯৬৪

——————— — স্বাধীনোত্তৰ অসমীয়া উপন্যাসৰ সমীক্ষা, বীণা লাইব্ৰেৰী, গুৱাহাটী, ১ম প্ৰকাশ, ১৯৭৯

প্ৰীতি বৰুৱা (সম্পা.), — লেখিকাৰ গল্প, অসম লেখিকা সন্থা, গুৱাহাটী, ১ম প্ৰকাশ, ১৯৮৯

বাণীকান্ত শৰ্মা, — অসমীয়া ভাষা সাহিত্যলৈ মিছনেৰীসকলৰ অৱদান, অসম সাহিত্য সভা, যোৰহাট, ১ম প্ৰকাশ, ১৯৮১

বিৰিঞ্চি কুমাৰ বৰুৱা, — অসমীয়া ভাষা আৰু সংস্কৃতি, জাৰ্ণাল এম্পৰিয়াম, নলবাৰী ; ৫ম প্ৰকাশ, ১৯৮৫

———————(সম্পা.), — অৰুণোদইৰ ধলফাট, অসম সাহিত্য সভা, যোৰহাট ; ১ম প্ৰকাশ, ১৯৬৫

———————(সম্পা.), — শ্ৰীৰাম আতা আৰু ৰামানন্দ দেৱৰ গীত, সাহিত্য প্ৰকাশ সমিতি, গুৱাহাটী, ১ম সংস্কৰণ, ১৯৫৪

বীৰেন বৰকটকী, — অসমীয়া সাহিত্য-সংস্কৃতিৰ দুটি-এটি, ডেকা এজেন্সী, শিৱসাগৰ, ১ম প্ৰকাশ, ১৯৭০

বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য, — তেৰশ বছৰৰ অসমীয়া সংস্কৃতিত এভুমুকি, অসম প্ৰকাশন পৰিষদ, গুৱাহাটী ; ১ম প্ৰকাশ, ১৯৭৮

বেণুধৰ শৰ্মা, — অৰ্ঘ্যাৱলী

——————— — দূৰবীণ

ভবানন্দ দত্ত, — অসমীয়া কবিতাৰ কাহিনী, লয়াৰ্ছ বুক ষ্টল, গুৱাহাটী ; ২য় প্ৰকাশ, ১৯৬৮

মহেন্দ্ৰ বৰা, — ৰহস্যবাদ, ষ্টুডেণ্টছ এম্পৰিয়াম, ডিব্ৰুগড় ; ১ম প্ৰকাশ, ১৯৮৭

———————(সম্পা.), — অসমীয়া কবিতা চয়ন, ডিব্ৰুগড় বিশ্ববিদ্যালয়, ডিব্ৰুগড় ; ১ম প্ৰকাশ, ১৯৭৮

———————(সম্পা.), — নতুন কবিতা, বনলতা, ডিব্ৰুগড়, ৩য় প্ৰকাশ, ১৯৮৭

মহেশ্বৰ নেওগ, — অসমীয়া সাহিত্যৰ ৰূপৰেখা, চন্দ্ৰ প্ৰকাশ, গুৱাহাটী, ৫ম তাঙৰণ, ১৯৮৭

——————— — আধুনিক অসমীয়া সাহিত্য, নিউ বুক ষ্টল, গুৱাহাটী, ১ম প্ৰকাশ, ১৯৬৫

মহেশ্বৰ নেওগ, --- শ্ৰীশংকৰদেৱ, বাণী মন্দিৰ, গুৱাহাটী, ৫ম প্ৰকাশ, ১৯৮৫

——————— (সম্পা.), --- অকনোদই, পুনঃ সংকলন, প্ৰকাশন পৰিষদ, গুৱাহাটী, ১ম প্ৰকাশ, ১৯৮৩

——————— (সম্পা.), --- ভক্তিগীত সংকলন, গুৱাহাটী, ১ম প্ৰকাশ, ১৯৪৯

——————— (সম্পা.), --- সঞ্চয়ন, সাহিত্য একাডেমী, নতুন দিল্লী, ২য় প্ৰকাশ, ১৯৬৩

মোহনচন্দ্ৰ মহন্ত আৰু নবীন বৰদলৈ (সম্পা.), --- মহাপুৰুষ শ্ৰীশ্ৰীগোপালদেৱৰ চৰিত্ৰ, গোপালদেৱ প্ৰকাশন সমিতি, যোৰহাট, ১ম প্ৰকাশ, ১৯৭৮

যতীন্দ্ৰনাথ গোস্বামী, --- জাগৰণ আৰু জোনাক, অসম সাহিত্য সভা, যোৰহাট, ১ম প্ৰকাশ, ১৯৮৯

লক্ষ্মীনাথ বেজবৰুৱা, --- মহাপুৰুষ শ্ৰীশংকৰদেৱ আৰু শ্ৰীমাধৱদেৱ, সাহিত্য প্ৰকাশ, গুৱাহাটী, ৩য় সংস্কৰণ, ১৯৮৮

——————— --- মোৰ জীৱন সোঁৱৰণ, অসম সাহিত্য সভা, যোৰহাট, ৩য় প্ৰকাশ, ১৯৬৮

লীলা গগৈ, --- অসমীয়া লোক-সাহিত্যৰ ৰূপৰেখা, নবীন পুস্তক ভাণ্ডাৰ, গোলাঘাট, ১ম প্ৰকাশ, ১৯৬৮

শিৱনাথ বৰ্মন আদি (সম্পা.), --- ভবানন্দ দত্ত, জীৱন আৰু প্ৰতিভা, বৰুৱা এজেন্সী, গুৱাহাটী ; ১ম প্ৰকাশ, ১৯৯০

শীলা বৰঠাকুৰ (সম্পা.), --- লেখিকাৰ জীৱনী, সদৌ অসম লেখিকা সমাৰোহ সমিতি, তেজপুৰ ; ১ম প্ৰকাশ, ১৯৮৭

শৈলেন ভৰালী, --- আধুনিক অসমীয়া সাহিত্যৰ ইতিহাস, চন্দ্ৰ প্ৰকাশ, গুৱাহাটী ; ১ম প্ৰকাশ, ১৯৮৯

সত্যেন্দ্ৰনাথ শৰ্মা, --- অসমীয়া সাহিত্যৰ ইতিবৃত্ত, বাণী প্ৰকাশ, গুৱাহাটী ; ষষ্ঠ প্ৰকাশ, ১৯৭১

——————— --- অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত, সৌমাৰ প্ৰিণ্টিং, গুৱাহাটী ; ৩য় প্ৰকাশ, ১৯৮৬

——————— --- অসমীয়া উপন্যাসৰ ভূমিকা, অসম বুক ডিপো, গুৱাহাটী ; ১ম প্ৰকাশ, ১৯৬৫

——————— --- অসমীয়া উপন্যাসৰ গতিধাৰা, গুৱাহাটী, ১ম প্ৰকাশ, ১৯৭৬

——————— --- অসমীয়া নাট্য সাহিত্য, নিউ বুক ষ্টল, গুৱাহাটী, ১ম প্ৰকাশ, ১৯৬২

——————— (সম্পা.), --- মৌ, পুনৰ সংকলন, প্ৰকাশন পৰিষদ, গুৱাহাটী, ১ম প্ৰকাশ, ১৯৮০

হৰিশ্চন্দ্ৰ ভট্টাচাৰ্য, --- অসমীয়া নাট্য সাহিত্যৰ জিলিঙনি, বৰুৱা এজেন্সী, গুৱাহাটী, ১ম প্ৰকাশ, ১৯৬৮

হেমচন্দ্র গোস্বামী, (সম্পা.), --- অসমীয়া সাহিত্যৰ চানেকি, কলিকতা বিশ্ববিদ্যালয়, ১ম প্ৰকাশ, ১৯২৮

হেমন্ত কুমাৰ শৰ্মা, --- অসমীয়া সাহিত্যত দৃষ্টিপাত, বীণা লাইব্ৰেৰী, গুৱাহাটী ; ৫ম প্ৰকাশ, ১৯৮৭

————— (সম্পা.), --- নলিনীবালা দেৱী, অসম সাহিত্য সভা, যোৰহাট ; ১ম প্ৰকাশ, ১৯৭৯

হোমেন বৰগোহাঞি (সম্পা.), --- বিংশ শতাব্দীৰ অসমীয়া সাহিত্য, অসম সাহিত্য সভা, যোৰহাট, ১ম প্ৰকাশ, ১৯৬৭

বিশেষ সহায়ক নিবন্ধ-পঞ্জী

অতুলচন্দ্ৰ হাজৰিকা, --- 'একেষাৰ' "অশ্ৰুধাৰা আৰু জীৱন তৰী" (ধৰ্মেশ্বৰী দেৱী বৰুৱানীৰ কাব্য পুথি), গুৱাহাটী, ১৯৬৩

————— --- 'কাব্য-ভাৰতী ধৰ্মেশ্বৰী দেৱী বৰুৱানীৰ গৌৰৱণত', "অসম সাহিত্য সভা পত্ৰিকা", ৩৩শ বছৰ, ২য় সংখ্যা, ১৯৬৬

আনন্দচন্দ্ৰ আগৰৱালা, --- 'অসমীয়া সাহিত্য সেৱকিনী', "আৱাহন" ৪ৰ্থ বছৰ, ৫ম সংখ্যা, ১৯৩২

কালিচৰণ দাস, --- 'নলিনী কাব্যৰ সুৰ', "নলিনীবালা দেৱী" (হেমন্ত কুমাৰ শৰ্মা সম্পাদিত), অসম সাহিত্য সভা, যোৰহাট, ১৯৭৯

কালিদাস খাটনিয়াৰ, --- 'পদ্মপ্ৰিয়াৰ গীত', "অসম সাহিত্য সভা পত্ৰিকা", যোৰহাট, ১৯৫৬

জিতেন্দ্ৰনাথ বুজৰবৰুৱা, --- 'সুধৰ্মাৰ উপখ্যান', "কামৰূপ ৰত্নমালা"

ত্ৰৈলোক্যনাথ গোস্বামী, --- 'অসমীয়া চুটি গল্পৰ বিকাশ', "প্ৰকাশ" গুৱাহাটী, ১৯৮৪

নলিনীবালা দেৱী, --- 'মুখবন্ধ', "সন্ধিয়াৰ সুৰ", ১ম প্ৰকাশ, ১৯২৮

নন্দ তালুকদাৰ, --- 'অলকানন্দাৰ কবি নলিনীবালা', "প্ৰহৰী", ২য় বছৰ, ২য়, '৬৯

নবীন শৰ্মা, --- 'শান্তিপথ', "নলিনীবালা দেৱী", যোৰহাট, ১৯৭৯

নীলিমা দত্ত, --- 'কবি নলিনী দেৱীৰ কবিতাৰ দাৰ্শনিকতা আৰু সৌন্দৰ্য', "প্ৰবন্ধ পল্লৱ", আমৰণি সমিতি, অসম সাহিত্য সভাৰ পাঠশালা অধিবেশন, ১৯৮৭

বাণীকান্ত কাকতি, --- 'পাতনি', "ফুলৰ শৰাই" (দেৱী বৰুৱানীৰ কাব্য পুথি), ১৯২৯

বেণুধৰ শৰ্মা, --- 'মতামত', "জীৱনৰ প্ৰথম পুৱাত" (সুধা বৰুৱাৰ গল্প), ১ম, ১৯৮৪

ভবেন বৰুৱা, --- 'নিৰ্মলপ্ৰভা বৰদলৈৰ নতুন কবিতা', "দিনৰ পাছত দিন" (নিৰ্মলপ্ৰভাৰ কাব্য-পুথি), ১ম সংস্কৰণ, ১৯৭৭

মহেশ চন্দ্ৰ গোস্বামী, --- 'ভবানন্দক সুঁৱৰি', "ভবানন্দ দত্ত জীৱন আৰু প্ৰতিভা", বৰুৱা এজেন্সী, ১৯৯০

মহেশ্বৰ নেওগ, — 'পাতনি', "প্ৰাণৰ পৰশ" (দেৱী বৰুৱানীৰ কাব্য-পুথি), ১ম প্ৰকাশ, ১৯৫২

———————— — 'পটভূমি ঊনবিংশ শতিকা', "বিংশ শতাব্দীৰ অসমীয়া সাহিত্য", অসম সাহিত্য সভা, যোৰহাট, ১৯৬৭

মামনি ৰয়ছম গোস্বামী, — 'মই লিখা উপন্যাসসমূহ', "জন্মভূমি" শাৰদীয়, ১৯৮৩

হিৰণ মহন্ত, — 'বৈদিক সাহিত্যত নাৰী', স্মৃতিগ্ৰন্থ, লেখিকা সমাৰোহ সমিতিৰ অধিৱেশন, বৰপেটা, ১৯৮৮

হীৰেন গোহাঁই, — 'চিনাকি', "বিশ্বৰূপা" (কাব্য-পুথি), ১ম প্ৰকাশ, ১৯৭৫

আলোচনী, স্মৃতিগ্ৰন্থ আদি

অধিনায়ক — যোগেশ দাস (সম্পা), ১ম বছৰ ৭ম সংখ্যা, গুৱাহাটী, ১৯৮৯

অৰুনোদই — পুনঃ সংকলন, মহেশ্বৰ নেওগ (সম্পা), 'ভূমিকা', গুৱাহাটী, ১৯৮৩
নবেম্বৰ, ১৮৪৮ ; ৫ম চোআ, ১৯৫০ ; ফেব্ৰুৱাৰী, মাৰ্চ, মে, জুলাই, আগষ্ট, ১৮৫১ ; মাৰ্চ, এপ্ৰিল, মে, ১৮৫২ ; জানুৱাৰী, মাৰ্চ, এপ্ৰিল, মে, জুন, জুলাই, মে, ১৮৫২ ; জানুৱাৰী, মাৰ্চ, এপ্ৰিল, মে, জুন, জুলাই, আগষ্ট, চেপ্তেম্বৰ, অক্টোবৰ, ১৮৫৪ ; শিৱসাগৰ ।

অসম সাহিত্য সভা পত্ৰিকা — ২য় বছৰ ৩য় সংখ্যা, ১৯২৮ চন । যোৰহাট ।
১৫শ বছৰ ১ম সংখ্যা, বহাগ ১৮৭৮ শক (ইং ১৯৫৬)
৩৩শ বছৰ ২য় সংখ্যা, ১৯৬৬

আৱাহন — দীনাথ শৰ্মা (সম্পা), ১৯২৯–১৯৪০
৪ৰ্থ বছৰ ৫ম–১১শ সংখ্যা, ১৯৩২ ; ৫ম বছৰ, ১৯৩৩
৮ম বছৰ ৪ৰ্থ, ৫ম, ষষ্ঠ, ৭ম সংখ্যা ১৯৩৭ ;
১১শ বছৰ, ৮ম সংখ্যা, ১৯৪০ ইত্যাদি ।

আসাম বন্ধু — গুণাভিৰাম বৰুৱা (সম্পা), কলিকতা, ১৮৮৫-৮৬
নগেন শইকীয়া একত্ৰিত, 'ভূমিকা', ১৯৮৪
প্ৰথম খণ্ড–১ম, ৩য়, ৭ম সংখ্যা, ১৯৮৪
দ্বিতীয় খণ্ড–১ম, ২য়, ৩য়, ৪ৰ্থ সংখ্যা, ১৮৮৬ ।

আসাম বিলাসিনী — কৃষ্ণকান্ত ভট্টাচাৰ্য (সম্পা), যোৰহাট, কাতি সংখ্যা, ১৯১৯ ।

ঊষা — পদ্মনাথ গোহাঞি বৰুৱা (সম্পা), ৩য় ভাগ, ১৯০৯

ঘৰ জেউতি — কমলালয়া কাকতি আৰু কনকলতা চলিহা (সম্পা), শিৱসাগৰ (১৯২৬-৩০)

জন্মভূমি — যোৰহাট, শাৰদীয় সংখ্যা, ১৯৮৩

জয়ন্তী — সুৰেশ্বৰ ৰৰা সম্পাদিত, গুৱাহাটী, ১০ম বছৰ, ১৯৫২

জোনাকী ---- লক্ষ্মীনাথ বেজবৰুৱা সম্পাদিত, ৩য় ভাগ, ১০ম, ১১শ সংখ্যা, ১৮৯১ ; কলিকতা ।

ধনশিৰি ---- হেম বৰা সম্পাদিত, অসম সাহিত্য সভাৰ গোলাঘাট অধিবেশন, স্মৃতিগ্ৰন্থ, ১৯৭৮

পূবালী ---- যদু বৰপূজাৰী সম্পাদিত, অসম সাহিত্য সভাৰ ডুমডুমা অধিবেশনৰ স্মৃতিগ্ৰন্থ, ১৯৮৯

প্ৰকাশ ---- চন্দ্ৰপ্ৰকাশ শইকীয়া (সম্পা), ১০ম বছৰ ১ম সংখ্যা, ১৯৮৪ আৰু অন্যান্য, গুৱাহাটী ।

প্ৰহৰী ---- যোগেশ দাস সম্পাদিত, ২য় বছৰ ২য় সংখ্যা, ১৯৬৯, গুৱাহাটী ।

বাঁহী ---- লক্ষ্মীনাথ বেজবৰুৱা আদি (সম্পা), ১ম বছৰ ১১শ সংখ্যা, ১৯১০, ৬ষ্ঠ বছৰ ১ম আৰু ৫ম সংখ্যা, ১৯১৪ ; ১৮ শ বছৰ, ১৯২৯ ; ১৯শ বছৰ, ১৯৩০, ২০শ বছৰ ৬ষ্ঠ আৰু ৭ম সংখ্যা, ১৯৩১ ।

মিলন* ---- ডিম্বেশ্বৰ নেওগ (সম্পা), ১৯২৩-২৬ ; বিনন্দচন্দ্ৰ বৰুৱা (সম্পা) ৬ষ্ঠ ভাগ, ১৯২৬-২৭ আৰু অতুল হাজৰিকা সম্পাদিত ৭ম ভাগ, ১৯২৭-২৮ ।

মৌ ---- বলি নাৰায়ণ বৰা (সম্পা), ডিচেম্বৰ, ১৮৮৬, কলিকতা ।

ৰামধেনু ---- মহেশ্বৰ নেওগ (সম্পা), ৩য় বছৰ ৮ম, ১০ম আৰু বঙালি বিহু সংখ্যা, ১৯৫০ ; গুৱাহাটী ।

বিঃদ্ৰঃ লেখিকাসকলৰ বিভিন্ন লেখা প্ৰকাশ হোৱা প্ৰায়বিলাক আলোচনী বাতৰি কাকতৰ সহায় লোৱা হৈছে। সেইবিলাকৰ ভিতৰত– অৰুণ ; অকন ; আলোচনী ; চেতনা ; জয়ন্তী (১৯৪৪) ; পছোৱা ; ৰামধেনু (বীৰেণ ভট্ট সম্পাদিত) ; মণিদীপ ; সাদিনীয়া নৱযুগ ; প্ৰহৰী ; অসমীয়া ; ছুমহীয়া নীলাচল ; আমাৰ প্ৰতিনিধি ; অসমীয়া ; নতুন প্ৰতিনিধি ; সাতসৰী ; সাৰথি ; জোনবিৰি ; উকনি ; দৈনিক অসম (আলোচনী) ; প্ৰকাশ আদি বিশেষভাৱে উল্লেখনীয় ।

ইংৰাজী গ্ৰন্থ

Bani Kanta Kakati,	···	Assamese, Its Formation and Development, Lawyer's Book Stall, Gauhati, Second Edition, 1962
Birinchi Kumar Barua,	···	History of Assamese Literature, Sahitya Akademy, New Delhi, First Edition, 1964
D.C. Sircar,	···	Select Inscriptions, cited by M.M. Sarma in Inscriptions of Ancient Assam, Gauhati University, 1978
D.C. Sircar and P.D. Choudhury,	···	Epigraphia Indica, Vol. XXXI, Part II, April, 1965, cited by M.M. Sarma in Inscriptions of Ancient Assam, 1978
Dimbeswar Neog,	···	New Light on History of Asamiya Literature, Xuwani Prakash, Gauhati, First Edition, 1962
Govt. of Assam,	···	Statistical Hand Book, Assam 1976, Gauhati, Assam
H.H. Wilson,	···	Rig-Veda Sanhita, Vol. III. Cosmo Publication, New Delhi, Cosmo Reprint, 1977
Hans Raj Aggarwal,	···	A Short History of Sanskrit Literature, Munshi Ram Monohar Lal, Delhi, Revised Edition, 1963
Hem Borua,	···	Assamese Literature. National Book Trust, New Delhi, 1st Edition, 1965
Mukunda Madhab Sarma		Inscriptions of Ancient Assam, Publication Department, Gauhati University, Gauhati, 1978
M. Winternitz, (Trans. by Subhadra Jha)	···	History of Indian Literature, Vol. III. Part-I Motilal Banarasi Das, Delhi, 1st Edition, 1963
S. Jha,	···	The Formation of Maithili Language, 1st Edition, 1958
Sahitya Akademi,	···	The National Biliography of Indian Literature, 1901–1953, 1st Vol., Sahitya Akademi, New Delhi, 1st Edition, 1962
————————	···	Who's who of Indian Literature; 1983, Sahitya Akademi, New Delhi, 1st Published, 1983
Suniti Kumar Chatterji	··	The Place of Assam in the History of Civilization of India, Gauhati University, 1st Edition, 1970
————————	···	Language and Literature of Modern India, 1st Edn., 1963
Watters,	···	Hiun-Ts'ang, Vol. II

বাংলা গ্রন্থ

অসিত কুমার বন্দোপাধ্যায়, ... বাংলা সাহিত্যের সম্পূর্ণ ইতিবৃত্ত, মডার্ণ বুক এজেন্সী, কলিকতা, ৪র্থ সংস্করণ, ১৯৭৮

উপেন চন্দ্র ভট্টাচার্য, ... ভারতের নারী, মডার্ণ বুক, কলিকতা, ৩১শ সংস্করণ

দীপ্তি ত্রিপাঠী, ... আধুনিক বাংলা কাব্য পরিচয়, নাভানা, কলিকতা, ২য় প্রকাশ, ১৯৫৯

বুদ্ধদেব বসু, ... আধুনিক বাংলা কবিতা, কলিকতা

রমেশ চন্দ্র দত্ত (অনু) ..... ঋকবেদ সংহিতা, হরফ প্রকাশনী, কলিকতা, প্রথম প্রকাশ, ১৯৭৬

সুকুমার সেন, ... ভাষার ইতিবৃত্ত, ইষ্টার্ণ পাবলিশার্স, কলিকতা, নবম সংস্করণ, ১৯৬৫

সংস্কৃত গ্রন্থ

কালিদাস, ... রঘুবংশম্

বল্লভ দেব ..... সুভাষিতাবলী

হিন্দী গ্রন্থ

গুলাব রায়, ... হিন্দী সাহিত্যকা সুবোধ ইতিহাস, সাহিত্য রত্ন ভাণ্ডার, আগ্রা, ৩য় প্রকাশ, ১৯৬৫

ভাগবত চরণ উপাধ্যায়, .. ভারতীয় ব্যক্তিকোষ, আর্য বুক ডিপো, নতুন দিল্লী, ১ম প্রকাশ, ১৯৭৬

নিৰ্ঘণ্ট – ১

লেখিকা আৰু অন্যান্য প্ৰাসঙ্গিক ব্যক্তি

অ

অওবৈয়াৰ, ৮
অকুণ্ঠিতা হাজৰিকা, ২৩৪
অগ্নিশিখা মেধি, ২৪৫
অজন্তা দাস, ২৩৪
অঞ্জলি ডেকা, ১৫৬
অঞ্জলি দেৱী, ১৭৯
অঞ্জলি বৰা, ১৬৮
অঞ্জলি বৰুৱা, ১২৯, ১৩০
অঞ্জুমা দাস, ২৪৪
অণিমা গুহ, ১৬৮
অণিমা চৌধুৰী, ১৫২
অণিমা দত্ত (ভৰালী), ১৬০, ১৬৩, ১৬৪, ১৬৫
অনিৰুদ্ধ দেৱ, ২০, ২১
অত্ৰি, ৭
অতুল চন্দ্ৰ হাজৰিকা, ১০৫, ১১৯
অনু বৰুৱা, ১৫৭, ১৫৯, ১৬৩, ১৭৩, ১৭৮, ২২৫, ২২৬, ২২৭
অনুপমা চৰকাৰ, ২৩৪
অনুপমা দাস, ২৩৪
অনুপমা বসুমতাৰী, ২৩৩
অনুভা ব্ৰহ্ম, ২৪৪
অনুৰাধা দাস, ১২৪
অন্নদা দেৱী বৰকটকী, ৫৬, ৯০, ৯৪, ৯৫, ২২৪
অন্নদা শইকীয়া, ১১৯, ১২৫
অন্নপূৰ্ণা বৰুৱা, ২২৫
অপালা, ৭
অমলপ্ৰভা দাস, ১৫৬
অমলা কটকী
অমলা শইকীয়া, ১৬৯, ১৭৩, ২৩৫
অমিয়া চক্ৰৱৰ্তী, ১১৯, ১২৩, ১৫৯, ১৭৩, ১৭৭
অমূল্য বৰুৱা, ১১৯, ১২৭
অমৃত গোস্বামী, ২২৫, ২৪৪
অমৃতপ্ৰিয়া দেৱী, ৫৬, ৯৪
অম্বিকাগিৰি ৰায়চৌধুৰী, ৫৩, ৭১, ৮১, ৯২, ১২৬
অম্বিকা দেৱী, ২৩
অম্বিকা দেৱী গোস্বামী, ১১৯, ১২৪, ২১০
অৰুণা গগৈ বৰুৱা, ২৩০
অৰুণা চৌধুৰী, ২৪৪
অৰুণা বৰদলৈ, ১২৭
অৰুণা মুখাৰ্জী, ১৫২
অৰুণিমা ভৰালী, ১৫৯
অৰুন্ধতী আগৰৱালা, ৯৪
অৰুন্ধতী দেৱী, ২৩৭
অৰূপা পটঙ্গীয়া, ২২৫, ২৩৬, ২৪১
অৰ্চনা শৰ্মা পূজাৰী, ২৩০, ২৩২
অৰ্জুন চন্দ্ৰ দাস, ১৪, ১৮
অৰ্পণা বণিক্য, ১২৪, ১৫৭, ১৫৯, ২২৭
অলকা চৌধুৰী, ১৫২, ১৬১
অলকানন্দা ডেকা, ২২৫
অলকা পটঙ্গীয়া, ৫৫, ৫৬, ১০৪
অলকা শইকীয়া, ২৩৪
অলি বৰগোহাঞি, ২৩৪
অলিভাৰ টমাচ কট্টাৰ, ২৫, ২৭
অশোকা দেৱী, ৫৫
অসিত কুমাৰ বন্দোপাধ্যায় (ড°), ৩

আ

আইকণ শইকীয়া, ৮৯
আইনষ্টাইন, ১২৭
আকেলা খানম, ১৬৯
আজলী ভৰা নেওগ, ৫৬, ৯০, ৯৪, ৯৫, ৯৬, ১১৬, ১১৭, ২২৪, ২২৭

আনন্দ চন্দ্ৰ আগৰৱালা, ৩৬, ৫২, ৬০, ৬১, ৯১, ৯৪
আনন্দ চন্দ্ৰ বৰুৱা, ১১৯
আনন্দৰাম ঢেকিয়াল ফুকন, ৩০, ৩১, ৩২, ৩৩, ৩৮, ৩৯, ৪৬
আব্দুল মালিক, ১১৯, ১৫০
আম্ৰপালী, ২৩৫
আৰতি ঠাকুৰ, ১৫১, ১৬৮
আৰতি দাস বৈৰাগী, ১৫৭, ১৬৩, ১৬৬
আৰতি দেৱী, ৫৬, ১০৪, ১১৪
আৰতি শইকীয়া, ১১৯, ১২৫
আৰতি হাজৰিকা, ১৫১, ২২৭
আলিমুন নিছা পিয়াৰ, ১২৫, ১২৮, ১৫১, ১৬২
আলেয়া হুছেইন, ২৩৪

ই

ই এম লেছলি, ৪১
ইকবাল কৌৰ, ১৬৩
ইন্দিৰা গোস্বামী (ড°), ২১০
ইন্দিৰা ফুকন, ২৩৪
ইন্দিৰা মিৰি, ১৫৬
ইন্দুলেখা, ৮
ইভাৰাণী বৰগোহাঞি, ২৩৪
ইলাইজা হুইটনি ব্ৰাউন, ২৬, ২৭, ৩৪, ৯৪, ২২৪
ইলুদেৱী বৰুৱা, ২৩৪

ঈ

ঈশ্বৰ চন্দ্ৰ বিদ্যাসাগৰ, ৩৩

উ

উইলিয়াম ৱাৰ্ড, ২৮, ২৯
উত্তম সুন্দৰী দেৱী, ৮৯
উদিতৰাম দেৱ, ১৫৩
উমাকান্ত গোস্বামী, ১১৬, ২১০
উমা বৰুৱা, ১২৮, ১৬৮
উমেশ্বৰী গোস্বামী, ৯০
উমেশ ফুলাচুং, ১০৭
উৰ্মিলা দাস, ২৩৪
উলুপী বৰা, ১৫২, ১৫৭, ২২৫

ঊ

ঊষা গগৈ, ১২০
ঊষা দেৱী, ৫৬, ১০৪, ১১৪
ঊষা বৰঠাকুৰ, ১৫৬
ঊষা ভট্টাচাৰ্য, ৯০, ৯৩, ৯৪, ১৫৬
ঊষাৰাণী বৰুৱা, ২৪৫

এ

এ কে, গাৰ্নি, ২৬, ৪১
এড্‌ৱাৰ্ড ক্লাৰ্ক, ২৮
এম এচ ডব্লিউ ক্লাৰ্ক, ২৮
এল নছক, ২২৭
এলি আহমদ, ১৩২, ১৩৬, ২২৭
এলিচ বেগম, ১৬৮

ঔ

ঔৰংজেব, ৯

ক

কথিতা হাতীবৰুৱা, ১৩৭
কনকলতা, ১২, ১৫০
কনকলতা চলিহা, ৫৪, ৫৬, ৮৬, ৯১, ৯৩
কনকলতা নেওগ, ১৫৩, ১৫৬
কনকেশ্বৰী ৰাজখোৱা, ৮৬
কন্দৰ্পেশ্বৰ সিংহ, ৬১
কবিতা আগৰৱালা, ২৩৪
কবিৰত্ন সৰস্বতী, ৪, ৫
কমল গগৈ (ডাঃ), ১২০
কমল চন্দ্ৰ কাকতি, ৯৩
কমল নাৰায়ণ দেৱ, ১১৮
কমলপ্ৰিয়া, ১২
কমললোচন, ১৪, ১৫
কমলাকান্ত ভট্টাচাৰ্য, ৩১, ৬০, ৮১, ৯৩, ৯৭, ৯৮

কমলা দেৱী, ৫৫, ৯২
কমলা বৰুৱা, ৯২, ১৩২
কমলাভিৰাম, ৩৪, ৩৫
কমলা ৰয় (ড°), ১৫৯
কমলা ৰাভা (কমলা সুন্দৰী), ৫৫, ৯১
কমলালয়া কাকতি, ৫৪, ৫৬, ৮৬, ৯১, ৯৩
কমলিনী বৰবৰা, ১২৩, ১৫৫, ১৬১
কমলেশ্বৰ সিংহ, ২৪
কমন, ৮
কৰবী ডেকা হাজৰিকা (ড°), ১৩২, ১৩৫,
    ১৩৬, ১৫৫, ২৪৫
কৰুণাভিৰাম, ৩৪, ৩৫
কল্পনাথ বৰদলৈ, ৬৭
কল্পনা দেৱী গোস্বামী, ১৫৬
কল্পনা বৰুৱা, ২৩৪
কল্পনা ভবানী, ১২৭, ১৫৬, ২৪৫
কল্যাণী দেৱী, ৩২, ১৬৮
কল্যাণী মহন্ত, ১৬৮
কক্ষিবান ঋষি, ৭
কাঞ্চনবালা ভূঞা, ৫৫
কাঞ্চনলতা, ১২০
কাদম্বিনী বৰুৱা, ৫৫
কামাখ্যা কুমাৰ পদ্মপতি, ১২০
কামেশ্বৰ দাস (ড°), ২৩৫
কামেশ্বৰ ভূঞা, ১২
কাৰ্ত্তেন্টিচ, ১১৭
কালিদাস, ১
কালিদাস খাটনিয়াৰ, ১৯
কালিন্দী, ১২, ১৬
কালীচৰণ দাস (ড°), ৭১, ৭৫
কালীপ্ৰসাদ চলিহা, ৮৬, ৯৩
কিৰণালা চৌধুৰী, ৫৫
কিৰণবালা দেৱী, ৫৫
কীৰ্ত্তিনাথ বৰদলৈ, ৮৭
কুকি পূজাৰী, ২৩৪
কুন্দ কুমাৰী মহন্ত, ৫৬, ১০৪, ১১৫
কুন্দ বৰি (ড°), ১৩২, ১৩৩
কুঞ্জলতা চহৰীয়া, ১৫৭
কুঞ্জলতা দেৱী, ৫৬, ৯৬, ১২৪
কুন্তী ফুকননী, ৫২, ১০৮
কুমুদিনী দেৱী, ৫৫
কুলধৰ চলিহা, ১২৫
কুসুম উজীৰ, ১৫৯
কুসুম কাকতি, ৫৬, ১০৪, ১১৩
কুসুম দাস, ২২৫
কুসুম ভাগৱতী, ১২৪
কৃত্তিবাস, ৯
কৃষ্ণকান্ত ভট্টাচাৰ্য, ৫৭, ৫৮
কৃষ্ণকান্ত সন্দিকৈ, ৯৫
কৃষ্ণা মজুমদাৰ, ২৩৪
কৃষ্ণানন্দ হাতীকাকতি, ১২২
কৃষ্ণপ্ৰিয়া হাজৰিকা, ১১৯, ১২৩, ২২৫
কেথাৰিণ মূলান, ২৯, ৪০
কেন্ডেইন ওৱেলচ, ২৪
কেশদা মহন্ত, ১৫৩, ২২৫
কেশৱ মহন্ত, ১১৯
কেশৱতী দাস, ৮৬

খ

খগেন্দ্ৰনাথ শইকীয়া, ১২৫
খনা, ১৫০
খেৰপুতী, ১২

গ

গঙ্গাগোবিন্দ ফুকন, ৪৯
গঙ্গাধৰ বৰকটকী, ৯৫
গঙ্গাপ্ৰিয়া শইকীয়া, ১০১
গজলা যদুমণি, ১৭
গণেশ গগৈ, ১২০
গন্ধমৰী দেৱী, ৯০
গদাধৰ কোঁৱৰ, ২৪
গাৰ্গী বাচক্নৱী, ৭, ৮৯, ১৫০
গায়ত্ৰী কোঁৱৰ, ১৩২, ১৩৪, ২৪৪
গায়ত্ৰী সেন, ১৩২, ১৩৪
গিৰিজা দেৱী, ৩৯
গিৰিবালা বৰুৱা, ৫৫

গীতা উপাধ্যায়, ১৫৯
গীতাঞ্জলি শৰ্মা, ২৩৪
গীতাশ্ৰী তামুলী, ২৩৪
গীতা হাতীকাকতি, ১২৫
গুণ মহন্ত, ২৩৪
গুণাভিৰাম বৰুৱা, ৪, ৩০, ৩১, ৩৩, ৩৪, ৩৫, ৪৪, ৫৫
গোপাল আভা, ১২–২২
গোপাল কৃষ্ণ দে, ৬৭
গোপীনাথ বৰদলৈ, ৮০
গোবিন্দ মহন্ত, ১৬৯
গোলোক চন্দ্ৰ মহন্ত, ১৯
গৌৰী, ৮
গৌৰীনাথ সিংহ, ২৪
গৌৰীপ্ৰভা চলিহা, ৫৬
গৌৰী শইকীয়া, ৮৮

ঘ

ঘনকান্তি দত্ত, ৫৫
ঘনকান্তি বৰকাকতি, ৮৮
ঘনশ্যাম বৰুৱা, ৫৭, ৫৮
ঘোষা, ৭, ১৫০

চ

চক্ৰেশ্বৰ ভট্টাচাৰ্য, ১১৮
চণ্ডিচৰণ তালুকদাৰ, ১২৬
চন্দৰী, ১২, ১৫
চন্দ্ৰিকা দত্তকৌৱৰ, ১৩২, ১৩৭
চন্দ্ৰকুমাৰ আগৰৱালা, ৩১, ৫০, ৫১, ৭১, ৮১
চন্দ্ৰদেৱী মহন্ত, ২২৭, ২৪৪
চন্দ্ৰধৰ বৰুৱা, ৩৯
চন্দ্ৰধৰ ৰাজখোৱা, ৮৬
চন্দ্ৰপ্ৰভা চৌধুৰী, ১৫২
চন্দ্ৰপ্ৰভা বৰুৱা, ৯০
চন্দ্ৰপ্ৰভা বুঢ়াগোহাই, ২৩৩
চন্দ্ৰপ্ৰভা ভুঞা (হাজৰিকা), ৮৯
চন্দ্ৰপ্ৰভা শইকীয়ানী, ৫৫, ৫৬, ৯০, ৯৭, ১৫২, ১৫৬, ২৪৬
চন্দ্ৰবালা বৰুৱা (পটগীয়া), ১০৯
চন্দ্ৰলেখা দাস, ২৪৫
চন্দ্ৰাৱতী, ৯
চন্দ্ৰাৱতী দেৱী কটকী, ৯০
চন্দ্ৰাৱতী বৰুৱানী, ৮৪
চপলা দাস, ১৬৩
চম্পেশ্বৰী বৰা, ৫৫
চম্পে নুৰজাহান বেগম, ৫৬, ১০৪, ১০৭, ১০৮, ১০৯
চাকিনা খাতুন, ১১৯, ১২৫, ১২৬, ১৫৫, ১৫৬, ২২৫
চাৰুপ্ৰভা দাস, ৮৯
চাৰুপ্ৰভা হাজৰিকা, ২২৭
চিত্ৰলেখা ফুকন, ১২৯, ১৩০, ১৬৩, ১৬৭, ১৭৩, ১৭৮
চিদানন্দ শইকীয়া, ১২৫
চিৰজিতা বৰা, ২২৭, ২৩৪
চিলাৰায়, ১২
চুচান আৰ ৱাৰ্ড, ২৬, ২৮, ২৯
চেম্বপিয়েৰ, ১৩৯
চেনেহী হাজৰিকা, ২৩৪

ছ

ছাকিনা আহমদ, ২২৭

জ

জগদিশ মিত্ৰ, ১১
জগন্নাথ বৰুৱা, ৪৯, ৯৪
জন বুনিয়ান, ৪০
জৰ্জিনা দত্ত, ১৫৬
জৱাহৰলাল নেহৰু, ১৩৯
জয়ন্তী গগৈ, ২৩৪
জয়মতী, ১৫০
জয়মালা মহন্ত, ১২৪
জয়শ্ৰী গোস্বামী মহন্ত, ২২৫
জুলী বেগম, ২৩৪
জাদুৰাম ডেকা বৰুৱা, ৮৫, ১০৪
জাহ্নবী দেৱী, ৯৩

জ্ঞানদাভিৰাম বৰুৱা, ৩৩, ৩৫, ৯৫
জ্ঞানবালা বৰুৱা, ৮৬, ১৫৯
জীমণি চৌধুৰী, ১৫১, ২২৭
জীৱনমাধুৰী নেওগ বৰা, ১৫৬
জীৱেশ্বৰ চাংকাকতি, ৬৮
জুনু কোঁচ, ২৩৪
জেউতি বৰুৱা, ১৫৬, ১৫৭, ২৪৫
জেউতি মহন্ত, ১২৪
জেন অষ্টেন, ৪১, ৪৪
জে বি প্ৰিষ্টলি, ১৫৯
জেবুন্নিছা, ৯, ২২৫
জোৱান অব আৰ্ক, ১৫০
জোনালী বৰুৱা, ১৬৮
জ্যোতিপ্ৰসাদ আগৰৱালা, ১৪১
জ্যোতি বৰুৱা চলিহা, ১৫৬, ১৫৭, ২৩৩
জ্যোতিৰেখা সিন্‌হা, ২৩৪
জ্যোতিষ চন্দ্ৰ দাস (ডাঃ), ৯২

ট

টুনুৰাণী গঁগৈ, ২৩৪
টমাচ কট্টাৰ, ২৬

ড

ডলী তালুকদাৰ, ১৬৩, ১৬৪
ডিম্বেশ্বৰ নেওগ, ২৭, ২৯, ৪১, ৪৪, ৯৫, ১০৫
ডিম্বেশ্বৰী দাস, ২৪৪
ডিম্বেশ্বৰী দেৱী, ৯৫
ডেনফোৰ্থ, ৪০

ত

তাৰাপ্ৰসাদ চলিহা, ৯৩
তাৰিণী দেৱী, ৩১, ৩২, ৩৩
তাহেৰা পাশা, ২৩৪
তিলক শৰ্মা, ১২৫
তিলোত্তমা দত্ত, ৮৭, ৯৭
তিলোত্তমা দাস, ৫৫
তিলোত্তমা বৰকাকতি, ৫৫
তিলোত্তমা ৰায়চৌধুৰী, ৮৭
তৰুণৰাম ফুকন, ৩৯, ৪০, ৮০
তৰুলতা দত্ত, ১২৪
তৰুলতা দত্তবৰুৱা, ২২৫
তৰুলতা দাস, ১১৯, ১২৫, ১২৬, ১৫৬, ১৫৯
তৃপ্তি গোস্বামী, ১৬৩
ত্ৰৈলোক্য নাথ গোস্বামী, ১০৪, ১১২, ১৮৪
ত্ৰৈলোক্যেশ্বৰী দেৱী বৰুৱানী, ৫৬, ৯৪, ৯৫, ২২৪
তোষপ্ৰভা কলিতা, ১২৯, ১৩০

থ

থানেশ্বৰ হাজৰিকা, ২৩৪, ২৩৫

দ

দণ্ডিনাথ কলিতা, ১০২, ১০৪
দৰ্পনা বৰা, ১৫৬, ১৫৭, ২৩৪, ২৪৫
দক্ষেশ্বৰী ব্ৰহ্ম, ৫৫
দাবাজ আলি চৰকাৰ, ১২৬
দামোদৰ, ১৪, ১৫
দামোদৰ বৰুৱা, ৮৬
দিব্যজ্যোতি সোঁহাই গঁগৈ, ১৬০, ২৩৩
দিব্যপ্ৰভা ভৰালী, ১১৯, ১২০, ১২১, ১২২, ১৫৬, ১৫৭
দিব্য মহন্ত ফুকন, ১৩২
দিব্যলতা বৰুৱা, ৫৫
দিলীপ কুমাৰ দত্ত (ড°), ১৪৩, ১৪৮
দীননাথ শৰ্মা, ৮৯
দীনেশচন্দ্ৰ বৰুৱা (ডাঃ), ১৮০
দীপাঞ্জলী কোঁৱৰ, ২৩৪
দীপাঞ্জলী বৰা, ২৩৪
দীপান্বিতা চৌধুৰী, ৫৬, ১০৪, ১১৪
দীপালিমা বৰুৱা, ২৩০, ২৩১, ২৩২
দীপালী কাকতি, ১১৬
দীপালি ডেকা, ১৬৩, ১৬৭
দীপালী দেৱী, ২৩৮, ২৪১
দীপালী বৰা, ২৩৪
দীপালী বেজবৰুৱা, ২৩৪
দীপালী ভট্টাচাৰ্য, ২৩৮, ২৩৯

দীপিকা বৰুৱা, ১২৬
দীপিকা গগৈ, ২২৫
দীপিকা পূজাৰী, ২৪৪
দীপিকা বৰুৱা, ২৩৭
দীপেশ্বৰী গোহাঁই, ৫৫
দীপ্তি ত্ৰিপাঠী (ড°), ১২৭, ১৫৫
দীপ্তি শৰ্মা বৰা, ২৩৪
দীপ্তি ফুকন পাটগিৰি (ড°), ২৪৫
দুতিৰাম বৰুৱা, ৫০
দুতিৰাম হাজৰিকা, ১২৪
দুৰ্লভ নাৰায়ণ, ৪, ৫
দুৰ্গানাথ বৰুৱা, ৬২, ৬৬
দুৰ্গাপ্ৰভা, ৯২
দুৰ্গাপ্ৰসাদ মজিন্দাৰ বৰুৱা, ৮৮
দুৰ্বাসুন্দৰী গগৈ, ৫৫
দুৰ্গাৱতী, ১৫০
দেৱকান্ত বৰুৱা, ১৩০
দেৱবালা দেৱী, ৫৬, ১১৪
দেবানন্দ ভৰালী, ১২০
দোঁৱকা শইকীয়া (ড°), ১১৯, ১২৫, ১২৬
দেৱীপ্ৰভা ভূঞা, ৯২
দেবেন্দ্ৰনাথ বেজবৰুৱা, ২৮
দৈত্যাৰি ঠাকুৰ, ২০

ধ

ধনদা কুমাৰী শইকীয়া, ৫৫, ৯৭
ধনদা দেৱী, ৫৫
ধনপ্ৰভা ৰায়চৌধুৰী, ২৩৪
ধন্যা দলৈ, ১২
ধৰ্মলতা বৰুৱা, ৮৭
ধৰ্মেশ্বৰ শৰ্মা বৰদলৈ, ১৪৩
ধৰ্মেশ্বৰী দেৱী, ৫৫
ধৰ্মেশ্বৰী দেৱী বৰুৱানী, ৫৪, ৫৬, ৬১–৬৭, ৭১, ১১৯, ১২০, ২৪৬
ধৰ্মেশ্বৰী বৰুৱা, ৫৫

ন

নকুল চন্দ্ৰ ভূঞা, ১০৪
নগেন বৰবৰা, ১২৩
নগেন শইকীয়া (ড°), ৩৭, ৪৫
নগেন্দ্ৰ নাৰায়ণ চৌধুৰী, ৯১
নন্দকুমাৰ ৰায় (ডাঃ), ৩৫
নন্দ তালুকদাৰ (ড°), ২৭, ৭০
নন্দীশ্বৰ ফুকন, ৩৯
নন্দেশ্বৰ বৰুৱা, ১৮০
নৰকান্ত বৰুৱা, ১১৯, ১২৮
নবীনচন্দ্ৰ বৰদলৈ, ৬৭, ৬৮, ৬৯, ৮০, ৮২, ১৫০
নমিতা ডেকা (ড°), ২৪৫
নৰকাসুৰ, ১
নৰ নাৰায়ণ, ১৩
নৰেন্দ্ৰ দেৱ শাস্ত্ৰী, ২৩৫
নৰ্মদা, ১২২
নলিনী ডেকা, ১৬০, ২২৫, ২২৭
নলিনীবালা দেৱী, ৫৪, ৫৬, ৬২, ৬৭–৮৪, ১১৯, ১২০, ১৩৯, ১৪১, ১৫০, ১৫১, ১৫২, ১৫৯
নাচিকেতা, ১১৮
নাজমা কৌচৰ, ২৩৪
নাথান ব্ৰাউন, ২৫, ২৬, ৪০
নাৰায়ণ চন্দ্ৰ দত্ত, ৮৮
নাৰায়ণ ঠাকুৰ, ১৩
নাৰায়ণ ঠাকুৰ আতা, ২০
নিকুঞ্জলতা চলিহা, ৫৬, ৮৬, ৯০, ৯৩
নিজৰা বৰঠাকুৰ, ২৩৩
নিবেদিতা ফুকন, ২৩৪
নিবেদিতা শৰ্মা, ২৪৪
নিৰঞ্জনা ভূঞা, ১৩৭
নিৰু গোস্বামী, ১২৪
নিৰুপমা দেৱী, ১১৭
নিৰুপমা কটকী, ১৫৯
নিৰুপমা গোহাঁই, ১৮৬
নিৰুপমা ফুকন, ১৫৯, ১৬৩, ২২৭
নিৰুপমা বৰগোহাঞি, ১৬০, ১৬৩, ১৭৩, ১৮০, ১৮৮–১৯২, ১৯৬–২১০, ২২৭, ২৪৫, ২৪৬
নিৰুপমা বৰুৱা, ১৫৭, ১৫৯, ২২৭
নিৰুপমা মিশ্ৰ, ২২৭
নিৰুপমা হাগজেৰ, ১৫৭

নিৰুপা পটঙীয়া, ২৩৪
নিৰ্মলপ্ৰভা বৰদলৈ (ড°), ১২৮, ১৩২, ১৩৪, ১৩৬, ১৩৮, ১৪৩–১৪৯, ১৫৩, ১৫৬, ২২৫, ২২৮, ২৩৩, ২৪৫, ২৪৬
নিৰ্মলা দেৱী, ১১৫
নিৰ্মলা দত্ত, ৫৫
নিশি বৰকটকী, ২২৭
নিশিপ্ৰভা ভূঞা, ৫৬, ৮৯, ২৪৪
নীৰদা মহন্ত, ১২৬
নীৰু বৰুৱা, ১৬০
নীলমণি ফুকন (বাগ্মীবৰ), ৫৩, ৮৫, ১৪৫
নীলাম্বৰ দত্ত, ৮৬
নীলাক্ষী চলিহা, ২৩৪
নীলিমা দত্ত (ড°), ১২৮, ১৩২, ১৩৮, ১৩৯, ১৪০, ১৫১, ১৫৬, ১৫৭, ১৭৩, ১৮০, ১৯২, ২২৬
নীলিমা বৰঠাকুৰ, ১২৭, ১৫৫, ১৫৬, ১৫৯, ১৬৮, ২৪৪
নীলিমা বৰুৱা, ২২৭, ২৩৭
নীলিমা শৰ্মা (ড°), ১৬০, ১৬৩, ১৮০, ১৮৪–১৮৮, ১৯২, ২২৬, ২২৭, ২৪৫, ২৪৬

প

পঙ্কজী ভট্টাচাৰ্য, ২৪৪
পদুমী গগৈ, ২৩৪
পদুমী গাজলু, ১৫৬, ২৪৫
পদ্মকুমাৰী বৰগোহাঁই, ১১০
পদ্মচন্দ্ৰ গোস্বামী, ৮৯
পদ্মনাথ গোহাঞিবৰুৱা, ৫৩, ৮৬
পদ্মহাস গোস্বামী, ৪৪
পদ্মপ্ৰিয়া, ৯–২৩, ২৪৫
পদ্মাৱতী, ৮
পদ্মাৱতী দেৱী, ৫৬
পদ্মাৱতী দেৱী ফুকননী, ৩১, ৩৭, ৩৮, ৩৯, ৪০, ৪১, ৪৪, ৪৫, ৪৬, ৪৭, ৪৮, ৫৪, ৫৬, ৯০, ৯৭, ২৪৫
পবিত্ৰ প্ৰাণ, ৬৮
পৰশুৰাম বৰুৱা, ৩৩
পহাঁৰা আতা, ১৪
পল্লৱী বেজবৰুৱা, ২৩৪
পশুপতি ফুকন, ৩৮
পাৰ্বতীপ্ৰসাদ বৰুৱা, ৫৪, ৮৫
পাৰুকুটি বৰুৱা (ড°), ১৫১
পাৰুল তালুকদাৰ, ২৩৩
পাৰুল শৰ্মা, ১২৪
প্যাৰীচাঁদ মিত্ৰ, ৪২
পিটাৰ পাৰ্লি, ২৭
পিয়লি ফুকন, ২৪
পীতাম্বৰ, ৪
পুন্য দেৱী, ২৪৪
পুন্যপ্ৰভা দাস, ৫৫, ৫৬, ৮৭, ৮৮, ৯৪
পুন্যপ্ৰভা বৰুৱা, ৫৫
পুৰন্দৰ সিংহ, ১১০
পুৰুষোত্তম ঠাকুৰ, ২০, ২১, ২২
পুষ্পলতা দত্ত, ১১৯, ১২৪
পুষ্পলতা দাস, ১৫২, ১৫৬
পুষ্পলতা সোণোৱাল, ২৩৪
পুৰবী বৰমুদৈ, ২৪১, ২৪৩
পূৰ্ণকান্তি, ৮৮
পূৰ্ণানন্দ দ্বিজ, ১৩
পূৰ্ণানন্দ বৰদলৈ, ১২৪
পূৰ্ণানন্দ শৰ্মা বৰুৱা, ৯৪
পূৰ্ণবালা বৰুৱা, ৫৫
পূৰ্ণিমা শৰ্মা, ১২৬, ২৪৪
প্ৰেমদা বালা চক্ৰবৰ্তী, ৫৫
প্ৰেমধৰ ৰাজখোৱা, ১২৪
প্ৰেমনাৰায়ণ দত্ত, ১৬৯
প্ৰভাসুন্দৰী দেৱী, ৫২, ৫৫, ৫৬, ৯২, ৯৭
প্ৰতিভা দেৱী, ৯৭, ১১৬, ১১৭, ২৩৭
প্ৰতিমা ডেকা, ১৩২
প্ৰণতি গোস্বামী, ২৪১, ২৪৩
প্ৰণীতা গগৈ, ২৩৪
প্ৰণীতা দেৱী, ১০৮, ১৫১, ১৫৬, ১৫৭, ১৬২, ১৭১, ২২৫, ২২৭
প্ৰফুল্ল কটকী (ড°), ১৯৫
প্ৰফুল্ল দত্ত গোস্বামী (ড°), ১২৪, ১৬৯
প্ৰফুল্ল বালা দেৱী, ৫৫
প্ৰফুল্ল বালা বৰুৱা, ৫৫

প্ৰবীনা শইকীয়া, ১২৮, ১৬৩, ১৭৩, ১৭৫, ১৭৬, ২২৭
প্ৰবীনা শইকীয়া (সৰু), ২৩৪
প্ৰভা চাংকাকতি, ২৪৪
প্ৰভাতচন্দ্ৰ ৰায়চৌধুৰী (ডাঃ), ৮৭
প্ৰমিলা দেৱী, ৫৫
প্ৰসন্ন কুমাৰ বৰুৱা, ৫২
প্ৰসূতি দেৱী, ৩২
প্ৰিয়ৰাম ভূঞা, ৮৯
প্ৰিয়লতা কাকতি, ৫৫, ৫৬
প্ৰিয়লাল বৰুৱা, ৪৯
প্ৰীতি বৰুৱা, ১৬১
প্ৰীতিশ্ৰী বসু, ২২৭

ফ

ফল্গু হস্তিনী, ৮
ফাতেমা খাতুন, ১১৯, ১২২
ফুল বৰা, ১৬৩, ১৬৮
ফুল শইকীয়া (ফুলেশ্বৰী দত্ত), ৫৬, ৮৯, ১০৪, ১১২, ১১৩
ফুলেশ্বৰী (প্ৰমথেশ্বৰী, বৰৰজা), ২৩
ফ্ৰয়েড, ১২৭
ফ্ৰেজাৰ, ১২৭

ব

বকুলী বৈশ্য, ২৩৪
বগাৰাম শইকীয়া, ৮৯
বঙ্কিম চন্দ্ৰ, ৪০
বংশী দাস, ৯
বন্দনা চহৰীয়া, ২৩৪
বন্দনা দুৱৰা, ১৬৮
বন্দনা বৰুৱা, ১৬৯
বন্দিতা ফুকন, ২২৬, ২৪৬
ববিতা ফুকন, ২৪৪
বৰ মজুমণি, ২০, ২১
বৰদা কুমাৰী বৰা, ৫৩, ৫৬
বসন্ত কুমাৰ ভূঞা, ১২০
বসন্তলতা হাজৰিকা, ৯৪
বড়ু চণ্ডীদাস, ৪
বাক্‌ ১৫০
বাণীকান্ত কাকতি (ড°), ৩, ৪, ৬৩, ১৫০
বাণীকান্ত শৰ্মা, ২৭
বাণী পাঠক, ১১৯, ১২৪
বাৰ্কাৰ, ২৫
বাসন্তী বৰুৱা, ১৬৩, ১৬৪
বিউতি মহন্ত, ১৩২, ১৩৬, ১৫৫, ১৫৭, ১৬৮
বিকট নিতম্বা, ৮
বিজু মহন্ত, ২৩৪
বিজুমণি চুতীয়া, ২৩৪
বিদ্যাকান্ত বৰুৱা, ১০৪
বিনন্দ চন্দ্ৰ বৰুৱা, ৫৪, ১০৪, ১০৫, ১১৯
বিনু শইকীয়া, ১৬৮
বিন্দুপ্ৰভা হাজৰিকা, ১৩২, ১৩৭, ১৫৭
বিভা দাস, ২৩৪
বিভা বৰুৱা, ২৩৪
বিমল ৰাজখোৱা, ১১৯, ১২৪
বিমলাপ্ৰসাদ চলিহা, ৮৬
বিমলি গোস্বামী, ১২৪
বিৰিঞ্চি কুমাৰ বৰুৱা (ড°), ২০, ১১৯, ১৫০, ১৫৯, ১৬৯
বিষ্ণুপ্ৰিয়া, ১৭
বিষ্ণুপ্ৰিয়া দত্তবৰুৱা, ২২৫
বিষ্ণুপ্ৰিয়া দেৱী, ৩১, ৩৪, ৩৫, ৯৪, ২২৪
বিষ্ণুৰাম বৰুৱা, ৮৪
বীণা বৰ্মন, ২২৫
বীণা বৰুৱা, ১১৯, ১৬৯
বীণাপাণি দাস, ১২৭, ১৫৯
বীৰবালা বৰুৱা, ৫৫
বৃন্দাৱতী, ১২, ১৪, ১৭
বুদ্ধদেৱ, ৮৩
বুদ্ধদেৱ বসু, ১২৭
বেণুধৰ ৰাজখোৱা, ৮৬, ৯১, ৯৫
বেণুধৰ শৰ্মা, ২৮, ১০৫, ১৫০
বৈকুণ্ঠনাথ ভট্টাচাৰ্য (ভট্টদেৱ), ১২, ১৮
ব্ৰজ সুন্দৰী, ৩৩
ব্ৰজাঙ্গী, ১২, ১৩, ১৪

ব্রজবালা দেবী, ১৫৯
ব্রজেন বরুৱা, ১২৩

ভ

ভগৱতী প্রসাদ বরুৱা, ৮৫, ১০৪
ভদবাম শইকীয়া, ৫৭, ৮৮
ভবানন্দ দত্ত, ১১৮, ১১৯, ১৩৮
ভবেন বরুৱা (ড°), ১৪৪
ভাৰতী গগৈ বৰুৱা, ২৩৪
ভাৰতী দেৱী, ১৫৭
ভাৰতী বৰুৱা, ২৩৪
ভুবনেশ্বৰী গোস্বামী, ৯৭
ভুবনেশ্বৰী দেৱী, ৫৫, ৯২
ভুবনেশ্বৰী ৰবদলৈ, ৫৫
ভুবনেশ্বৰী ৰৰা, ৫৬, ৯০
ভুবনেশ্বৰী বৈশ্য, ১৫২
ভৈৰৱ চন্দ্ৰ খাটনিয়াৰ, ৫৭, ৫৮
ভোলানাথ দাস, ৩১

ম

মঞ্জু দেৱী, ২৩৪
মঞ্জুমালা ৰাজখোৱা, ১৬৮
মনকৰ, ৪
মণিৰাম দেৱান, ৪৯, ৮৬
মনোমতী কাকতি, ২৩৮, ২৩৯
মনোৰমা দত্তবৰুৱা, ২২৫
মনোৰমা দাস, ১২৭, ১৫৬
মনোৰমা দেৱী, ৫৫
মনোৰমা বৰগোহাঁই, ১৩৭
মনোৰমা বৰুৱা বৰঠাকুৰ, ১৩২, ১৩৭
মনোৰমা ভট্টাচাৰ্য, ৫৬, ৮৯
মফিজুদ্দিন আহমদ হাজৰিকা, ১০৭
মফিদা আহমদ, ১৫১, ১৫৬
মমতা নায়ক, ২৩৪
ম. ৰ. ৰ. (মেৰী আৰ ব্ৰনছন), ২৯
মহম্মদ পিয়াৰ, ১২৫, ১৬৯
মহাত্মা গান্ধী, ৩৯, ৮৩, ৯২, ৯৯, ১০২
মহাদেৱ শৰ্মা, ৫৬, ৯৬
মহাদেৱী বৰ্মা, ৮২, ৮৩
মহামাণিক্য, ৫
মহেন্দ্ৰনাথ দত্ত, ১২৩
মহেন্দ্ৰনাথ ৰৰা, ১২৩
মহেন্দ্ৰ ৰৰা (ড°), ৩১, ৫১
মহেশ্বৰ নেওগ (ড°), ৪, ৫, ৬, ১৯, ২০, ২৬, ২৮, ২৯, ৪০, ৪১, ৬৩, ৭১, ৭৯, ১৫০, ১৮৪
মাইলছ ব্ৰনছন, ২৮, ২৯
মাধৱ কন্দলি, ৫
মাধৱচন্দ্ৰ দাস, ১১৯
মাধৱচন্দ্ৰ বৰদলৈ, ৬৭, ৬৮
মাধৱচন্দ্ৰ বেজবৰুৱা, ১০৪
মাধৱ দেৱ, ১১, ১২, ১৩, ১৬, ১৮, ২০
মাধুৰী কলিতা চৌধুৰী, ১৩২, ১৩৬
মাধুৰী গোস্বামী, ২৩৪
মানবেন্দ্ৰ ভূঞা, ৯২
মাণিকচন্দ্ৰ বৰুৱা, ৪৯
মাণিকচন্দ্ৰ দত্ত, ৮৭, ৯৭
মাণিকী মাধুৰী নেওগ, ২২৫
মামনি গোস্বামী (ৰয়ছম), ১২৮, ১৬০, ১৬৩, ১৬৫, ১৬৬, ১৭৩, ১৮০, ১৯২, ২১০–২২৩, ২৪৫, ২৪৬
মামনি শৰ্মা, ১৫৭, ২৩৪
মালতী বৰুৱা, ১৫৭
মালবিকা দেৱী, ৫৬, ১১৫, ১১৬
মাহিস্ৰী, ১০৯
মাহিস্ৰী দেৱী, ৩৮
মায়া দেৱী, ১৭২
মায়াশ্ৰী বৰকটকী, ১২৮
মিনতি চৌধুৰী, ২৩০, ২৩৫, ২৪১, ২৪২
মিনতি শৰ্মা (ড°), ১৫৬, ২২৬, ২২৭
মিনতি হাজৰিকা, ১৫৫, ১৬৩, ১৬৭, ২২৫
মিনি এমপু, ২২৫
মিনু তাঁতী, ২৩৪
মিনু পাটগিৰি, ২৩৪, ২৪৫
মিহিৰ ভোজ, ৭
মীন নাথ, ৪
মীনধৰ হাজৰিকা, ৮৯

মীনা খাখ্‌লাৰী, ২৩৪
মীৰা ঠাকুৰ, ১৩২, ১৩৭
মীৰা দত্ত, ২৪৪
মীৰা দেৱী, ১৫৭
মীৰা বাঈ, ৮, ৯, ৬৯, ৮২, ১৫০
মীৰাৰাণী পাঠক, ২৩৪
মৃদুলা বৰা, ২৩৭
মৃদুস্মিতা বৰুৱা, ২২৭
মুকেশ, ১২৩
মুক্তাৱলী, ৯৪
মেঘালী ফুকন, ২৩০
মেঘালী বৰুৱা, ২৩৪
মেৰিণা বেগম, ১৬০
মেৰী এক লৰেন্দ (শ্ৰীমতী গাৰ্গি), ২৬, ২৯
মৈত্ৰেয়ী, ৭, ১৫০
মোক্ষদা প্ৰসাদ বৰুৱা, ৫৪, ৮৫, ১০৪

য

যজ্ঞেশ্বৰ দেৱশৰ্মা, ৬১
যজ্ঞেশ্বৰী বৰকাকতিনী, ৫২
যজ্ঞোৰাম পণ্ডিত, ৯৫
যতীন্দ্ৰনাথ দুৱৰা, ৬৬, ৭৪, ৮১, ১২৩
যমী, ১৫০
যমুনা বৰগোহাঁই, ১৩২, ১৩৭, ১৬০, ২২৭
যমুনা শৰ্মা চৌধুৰী, ২৩৫, ২৪১, ২৪২
যমুনেশ্বৰী শইকীয়া (খাটনিয়াৰ), ৫৪, ৫৬–৬১, ৭১, ৮৮, ২২৪, ২৪৬
যাজ্যবল্ক, ৭
যাদৱ প্ৰসাদ চলিহা, ৮৬
যোগমায়া, ১৪
যোগমায়া গগৈ, ২৪৪
যোগমায়া শইকীয়া (ড°), ১৫৭, ২৪৫
যোগানন্দ লেখাৰু, ১২৫
যোগেশচন্দ্ৰ বৰগোহাঁই, ১১০
যোগেশ দাস, ১৬৯

ৰ

ৰঞ্জিমা ডেকা বৰুৱা, ২৩৪
ৰঘুদেৱ গোস্বামী, ৩২
ৰঘুনাথ চৌধাৰী, ৬০, ৬২, ৬৫, ৮১, ১২১, ১৩৯
ৰজনীকান্ত বৰদলৈ, ৭১, ৮৬
ৰজনীনাথ ৰয়, ৩৫
ৰজনীপ্ৰভা, ১০১
ৰঞ্জনা চৌধুৰী, ২৩৪
ৰঞ্জনা দেৱী, ২৩৪
ৰঞ্জিতা ডেকা, ২৩৪
ৰত্নকান্ত বৰকাকতি, ৮৮
ৰত্নকুমাৰী ৰাজখোৱা, ৫৫, ৯১, ৯৫
ৰত্নপ্ৰভা বৰুৱা, ৫৫
ৰত্নাৱলী দেৱী, ৫৫
ৰত্নাৱলী বৰুৱা, ৯৬
ৰত্নেশ্বৰ মহন্ত, ৩১, ৪৬
ৰবীন্দ্ৰ নাথ, ৮১, ৮২, ৮৩, ১২১, ১৩৯, ১৫৯
ৰমাকান্ত বৰুৱা, ৯২
ৰামনন্দ দ্বিজ, ১৪
ৰমানন্দ, ১৪, ১৮
ৰম্ভাপ্ৰিয়া, ৬১
ৰশ্মি মহন্ত, ২৩৪
ৰাজবালা, ৮৬
ৰজবালা দাস, ৫৬, ৯২, ৯৪, ৯৬, ১৫১, ১৫৬
ৰাজলক্ষ্মী দাস, ১৫৯
ৰাজু বৰুৱা, ২৩০, ২৩১, ২৪৫
ৰাতিৰাম শইকীয়া, ১০১
ৰাধানাথ হাজৰিকা, ৮৯, ১২৩
ৰাধিকা শান্তি, ১৫
ৰাধিকাপ্ৰসাদ বৰুৱা, ৮৫, ১০৪
ৰাধিকামোহন গোস্বামী, ১৬৯
ৰামগোপাল দ্বিজ, ১৩
ৰামচৰণ ঠাকুৰ, ৪, ২০
ৰামচন্দ্ৰ দ্বিজ, ১৩
ৰাম ৰায়, ১২
ৰামৰূপ বৰুৱা, ৮৭
ৰামাই পণ্ডিত, ৪
ৰাম্না ৰাজখোৱা, ২৩৪
ৰামেশ্বৰী খাটনিয়াৰ, ৫৭, ৮৮, ১১৭
ৰাহেনা শইকীয়া, ২৪৪

ৰিণি বৰুৱা, ১৬৩
ৰিয়াজউদ্দিন আহমদ, ১০৮
ৰীতা খান্না, ১২৭
ৰীতা চৌধুৰী, ২৩৮, ২৩৯, ২৪১
ৰীণা দত্তবৰুৱা, ২২৫
ৰীণা পাটোৱাৰী, ২৪৪
ৰীণা বৰা, ১৫৭
ৰীণা বৰবৰা, ১৬৮
ৰীণা বৰুৱা, ২৩৪
ৰুচি নাৰায়ণ শৰ্মা (ড°), ১১৫
ৰুণিমা ডেকা, ২৩৩
ৰুণিমা ভৰালী, ২৪৪
ৰুণু বৰুৱা, ১৬২, ১৬৩, ১৭৩, ১৭৪,
ৰুণুৰাণী শৰ্মা ফুকন, ১৩০, ২৩২
ৰুণুমী ঠাকুৰ, ১৩২, ১৩৬
ৰুদ্ৰঋষি, ৬৭
ৰুমী সন্দিকৈ, ২৩৪
ৰূপশ্ৰী গোস্বামী, ২৪১, ২৪৪
ৰেণু গোস্বামী, ২২৫
ৰেণু দেৱী (ড°), ১৫৭
ৰেণু মহন্ত, ১৩০, ২৩৭
ৰেণু শৰ্মা, ১২৪
ৰেণু শইকীয়া, ২৩৪
ৰেণুকা দেৱী, ১৫২
ৰেণুপ্ৰভা শইকীয়া, ১৫৬, ১৫৭, ১৫৯
ৰেণুমালা দুৱৰা, ১৬৮, ১৭৩, ১৭৯
ৰেৱকান্ত গোস্বামী, ১১৫
ৰোমশা, ৭
ৰোহিতাশ্ব শইকীয়া, ৯৭
ৰোহিনীকুমাৰ বৰুৱা, ৯৬
ৰৌচন আৰা খাতুন, ১৫৬

ল

লদহচন্দ্ৰা, ৮
লতিকা বৰুৱা, ১১৭
লম্বিতা বৰুৱা, ৮৬
লম্বোদৰ কটকী, ৩৩
ললিতচন্দ্ৰ বৈশ্য সাউদ, ১৪০
ললিতা ফুকন, ১৫২
লক্ষহীৰা দাস (ড°), ১২৮, ১৩২, ১৩৮, ১৪০, ১৪১, ১৪২, ১৪৩, ১৫১, ১৫৬, ১৫৭, ১৬৩, ২২৭, ২২৮, ২৪৫
লক্ষেশ্বৰ শৰ্মা, ১২৪
লক্ষেশ্বৰী ভূঞা, ৮৯
লক্ষেশ্বৰী হাজৰিকা, ১৫৭
লক্ষীকান্ত দাস, ৮৬
লক্ষীধৰ শৰ্মা, ২২৯
লক্ষীনাথ ফুকন, ১০৪
লক্ষীনাথ বেজবৰুৱা, ৩১, ৩৪, ৩৫, ৩৮, ৪৩, ৪৭, ৪৯, ৫০, ৫২, ৫৬, ৬০, ৮১, ৯৪, ৯৫, ৯৬, ১০৩, ২২৪
লক্ষীপ্ৰিয়া দাস, ৯৬
লক্ষীপ্ৰিয়া বৰদলৈ, ১৩২, ১৩৬, ২৩৫
লক্ষী বাঈ, ১৫০
লক্ষীৰাম বৰুৱা, ৯৩
লালদেদ বা লালযাই, ৮
লাৱণ্যপ্ৰভা বৰবৰা, ৫৫
লাৱণ্য দেৱী, ১৫৯
লাৱণ্যময়ী দেৱী, ৫৫, ৯১
লাৱণ্যময়ী বৰকাকতি, ৮৮
লিলিছম্মা, ১৬৮, ২২৬, ২২৭
লিলি মজিন্দাৰ বৰুৱা, ১৫৭
লিলি ৰাজবংশী, ১২৯, ১৩০
লীলাকুমাৰী দত্ত ডেকা, ২৩৪
লীলা দেৱী, ৯৬, ১৫৬
লীলাৱতী বৰা শইকীয়া (ড°), ১৩২, ১৩৪, ১৩৫, ২৪৫
লুইচ কেৰল, ২২৭
লুটফা হানুম চেলিমা বেগম, ২৩০, ২৩২
লোকেশ্বৰী সন্দিকৈ, ১৩২, ১৩৬

ৱ

ৱিজ্জা, ৮
ৱিশ্বৰাবা, ৭

শ

শৰৎ কুমাৰ দত্ত, ৮৬

শৰৎ কুমাৰী দেৱী, ৫৫
শৰৎ কুমাৰী বৰদলৈ, ১১৯, ১২২
শৰৎচন্দ্ৰ গোস্বামী, ৫৭, ১০৪, ১১০, ১১৬, ১১৭
শৰৎচন্দ্ৰ বৰুৱা, ৯৭
শৰৎচন্দ্ৰ বৰদলৈ, ১২২
শশীপ্ৰভা দত্ত, ৫৬, ৮৮
শশীপ্ৰভা দাস, ১৩২, ১৩৩, ১৩৪, ১৫৫, ১৫৬, ১৫৭, ২৪৫
শশীপ্ৰভা বৰুৱা, ৫৫
শান্তিপ্ৰভা হাতীবৰুৱা, ৫৫
শাৰদা দেৱী, ১৫৬, ১৫৭
শ্বৰিকা খাতুন চৌধুৰী, ২৩৪
শিৱকান্ত বৰুৱা, ১০৯
শিৱপ্ৰসাদ বৰুৱা, ৮৪
শীলা বৰঠাকুৰ, ১৫৭, ১৬৮
শীলা ভট্টাৰিকা, ৭
শ্বেহনাজ চুলতানা, ২৩৪
শুচিব্ৰতা ৰায়চৌধুৰী, ১২৫, ১২৬, ১২৮, ১৫৯, ১৬২, ১৬৯, ২২৫
শৈলধৰ ৰাজখোৱা, ৮৬
শৈলবালা ডেকা, ২৩৭, ২৪৪
শৈলবালা বৰুৱা, ২২৭
শৈলেন ভৰালী (ড°), ১৯৯
শ্ৰীধৰ স্বামী, ১১
শ্ৰীৰাম আতা, ২০, ২১
শ্ৰীশংকৰদেৱ, ৫, ১১, ১৩, ১৪, ১৮, ২১

স

সঙ্গীতা শৰ্মা, ২৩৪
সংঘামিত্ৰা, ১৫০
সত্যনাথ বৰা, ৩১, ৫৬, ৯০
সত্যপ্ৰভা দাস, ১১৯, ১২৪
সত্যাভিৰাম, ৩৪
সত্যেন্দ্ৰনাথ শৰ্মা (ড°), ৪, ২৭, ৪১, ৬৩, ১০২, ১৪৮, ১৬৯, ১৮৪
সৰ্বশৰী ৰাধাকৃষ্ণ (ড°), ৯৪
সবিতা কৌৰৱ, ১৩২, ১৩৭
সবিতা বৰা, ২৩৪
সবিতা লহকৰ, ২৩৪
সমীৰণ দাস, ১৫৬, ১৫৭
সমুদ্ৰ গুপ্ত, ১
সৰলা দেৱী, ১৭৯
সৰস্বতী শৰ্মা বৰুৱা, ২২৫
সৰোজ বালা দত্ত, ৫৬, ৮৬, ১১৬, ১৫৯
সৰোজ কুমাৰী পদ্মপতি, ১১৯, ১২০
সৰোজিনী নাইডু, ১৫০
সাধনা লহকৰ, ২৪১, ২৪৩
সান্ত্বনা বৰুৱা, ১২৯, ১৩০
সাবিত্ৰী দত্ত বৰুৱা, ২২৫
সাবিত্ৰী বৰগোহাঁই, ১১৯, ১২৪, ১৫৬, ২৩৮, ২৩৯
সাবিত্ৰী শইকীয়া, ২৩৪
সাৰদাবালা দাস, ১১৯
সিদ্ধেশ্বৰ গোহাঁই, ১১০
সুধা বৰুৱা, ৫৪, ৮৫, ১০৪–১০৭, ২৪৬
সুনীতি কুমাৰ চট্টোপাধ্যায় (ড°), ৩, ৪
সুনীতি দেৱী, ১৫২
সুনীতি সোণোৱাল, ১৫৭, ২৪৪
সুপ্ৰভা গোস্বামী, ৫৬, ৯০, ৯৪, ৯৬, ১০৪, ১১০, ১১২, ১১৭, ২২৭, ২৪৬
সুপ্ৰভা দত্ত, ১৫৯
সুবৰ্ণ কোঁৱৰ, ২৪৪
সুব্ৰতা বৰুৱা, ১৫৯
সুৰিতা, ১৩
সুভদ্ৰ ঝা (ড°), ৩, ৪
সুভদ্ৰা কুমাৰী চৌহান, ৮৩
সুভদ্ৰা ৰাজকুমাৰী, ১১০
সুভাগী, ১৪
সুমতি ডেকা, ১৩২, ১৩৭
সুমালিনী বুঢ়ী, ১৫
সুমিত্ৰা দেৱী, ৯৩, ৯৭
সুমিত্ৰা ৰাভা, ২৩৪
সুৰুচি গোহাঁই, ২৩৭
সুৰেন্দ্ৰনাথ শইকীয়া, ৫৭
সুলেখা চক্ৰবৰ্তী (ড°), ২৪৫
সূৰ্যকান্ত ত্ৰিপাঠী 'নিৰালা', ৮২, ৮৩
সূৰ্যকুমাৰ ভূঞা (ড°), ৪৬, ৮৯

সূৰ্য্যা, ৭, ১৫০
সোণাৰাম পটঙীয়া, ১০৯
সৌজন্যময়ী ভট্টাচাৰ্য, ৯০, ১৫৯, ১৬০, ২২৫, ২২৬, ২৪৬
স্নেহ দেৱী, ১৬০, ১৮০–১৮৫, ২৪৫, ২৪৬
স্নেহলতা ভট্টাচাৰ্য (বৰুৱা), ৫৪, ৯১, ৯৩, ৯৭, ১০১, ২৪৬
স্বপ্না খাটনিয়াৰ, ২৩৪
স্বপ্না বৰুৱা, ১৬১
স্বৰ্ণ গোস্বামী, ১২৭, ১৬০, ২২৬
স্বৰ্ণ ঢেকিয়াল ফুকন, ১৩৬
স্বৰ্ণ ৰৰা, ২৩৬, ২৩৭, ২৪১
স্বৰ্ণময়ী দেৱী, ১১৫
স্বৰ্ণলতা দত্ত, ১০৮
স্বৰ্ণলতা দেৱী (বৰুৱা), ২৪৬
স্বৰ্ণলতা বৰুৱা, ৩১, ৩৪, ৩৫, ৩৬, ৩৭, ৫২
স্বৰ্ণলতা শইকীয়া, ৫৫, ৯৪
স্বৰ্ণ শইকীয়া, ২৩৭

হ

হবিবুৰ ৰহমান, ১২২
হৰদত্ত-বীৰদত্ত, ২৪
হৰপ্ৰসাদ শাস্ত্ৰী, ৩
হৰপ্ৰিয়া বৰকিয়াল (বৰগোহাঞি), ২৪৪
হৰিবৰ বিপ্ৰ, ৪, ৫
হৰিবল্লভ, ১৬, ১৮
হৰিবল্লভ দ্বিজ, ১৩
হৰিৰাম কায়স্থ, ১৪
হৰিশ্চন্দ্ৰ ভট্টাচাৰ্য (ড°), ১১৫
হলিৰাম ঢেকিয়াল ফুকন, ৩১, ৩২
হৰেকৃষ্ণ দাস (ডাঃ), ৮৭, ৯২
হাজী আকবৰ আলি, ১০৭
হিউৱেন চাং, ১, ৩
হিতেন্দ্ৰ বৰুৱা (ড°), ১৫১
হিতেশ ডেকা, ১৬৯
হিমন্য বৰুৱানী, ৫৪, ৫৫, ৫৬, ৮৪, ৮৫, ১০৪
হিমাদ্ৰী কুমাৰী শৰ্মা, ২৩৮, ২৩৯, ২৪২
হিমাদ্ৰী দেৱী, ১২৯, ১৩০, ১৩২
হিমাদ্ৰী শৰ্মা, ২৩৪
হিৰণ্ময়ী দেৱী, ১১৯, ১২৫, ১৫৯
হিৰণ্যময়ী দেৱী, ১৬৯, ১৭৯, ২২৫, ২২৬
হিৰণ্যপ্ৰভা বৰুৱা, ৫৫, ২২৫
হীৰাপ্ৰভা গোস্বামী, ৫৫, ৯০
হীৰাপ্ৰভা বৰুৱা, ৯০
হীৰাৱতী গোঁহাই বৰুৱা, ৫৬, ৮৬, ৮৭
হীৰেন গোঁহাই (ড°), ১৩০
হীৰেন ভট্টাচাৰ্য, ১৩৪, ১৩৬, ১৪৬, ২৩০
হীৰেশ্বৰ দাস, ৮৯
হেমচন্দ্ৰ গোস্বামী, ৩১, ৫০, ৫৯
হেমচন্দ্ৰ বৰুৱা, ২৮, ২৯, ৩০, ৩১, ৪০, ৪১, ৪৪, ৪৬
হেম নলিনী গোস্বামী, ১২৭, ১৭৩, ১৭৭
হেমন্ত কুমাৰী দেৱী, ৬৭
হেমপ্ৰভা গোস্বামী, ৯০
হেমপ্ৰভা দাস, ৫৫, ৮৭, ৯২, ৯৭, ১০৮
হেমপ্ৰভা ৰৰা, ১৯৯, ১২৬
হেমপ্ৰভা শইকীয়া, ১১৯, ১২৪
হেমপ্ৰভা হাজৰিকা, ৮৮, ৯০, ১৫৭, ২২৭
হেম বৰুৱা, ১২৮
হেমলতা দত্ত, ১২৫, ১২৬, ১৫৬, ১৫৯, ২২৫
হেমলতা দেৱী, ৩৬
হেমলতা ৰৰা, ১২৫, ১৫১, ১৫২, ১৫৬, ১৫৯, ২২৭
হেমলতা বৰুৱা, ৫৫, ৯০, ৯৭
হেম সৰস্বতী, ৪, ৫
হেৰিয়েট বি এল কট্টাৰ, ২৬, ২৭, ২৮
হেলেন কেলাৰ, ১৫০
হৈতন তালুকদাৰ, ১৩
হৈমৱতী দেৱী, ৫৫
হোমেন বৰগোহাঞি, ১৮৮

ক্ষ

ক্ষিৰোদচন্দ্ৰ ৰায় চৌধুৰী, ৩৫
ক্ষীৰদা ভুঞাবৰুৱা, ১৫৩

নিৰ্ঘণ্ট – ২

লেখিকাসকলৰ ৰচিত গ্ৰন্থ আৰু অন্যান্য উল্লিখিত গ্ৰন্থ

অ

অংকণ, ৪৬, ৫৮, ৮৯, ১১৩
অকনিৰ গীত, ২২৫
অকনিৰ চিৰিয়াখানা, ২২৭
অকনিৰ প্ৰশ্ন, ২২৫
অকনিৰ বহুৰূপা, ২২৭
অকনিৰ সাধু, ২২৫
অকণমানি কোঁৱৰ, ২২৭
অগ্নিকোন, ১৬২
অগ্নিৰেখা, ১২২
অগ্নিস্নান, ১৩০
অচিন পখীৰ কাকলি, ১৩৭
অজান দেশত এলিচ, ২২৭
অতুল কথামালা, ৫৬, ১১৭
অন দি ভল্গা, ১১৭
অনন্যা, ১৬৮, ২৩৮, ২৪০
অনেক ঋতুৰ ছবি, ১৩০
অনেক আকাশ, ১৮৮
অন্য এক উপত্যকা, ১৩২
অন্য জীৱন, ১৯৬, ২০৮, ২০৯
অন্য সুঁতি, ১৮৫
অন্তৰ্গত নদী, ১৪১
অন্তৰঙ্গ, ১৪৩, ১৪৬, ১৪৭
অন্তঃস্ৰোতা, ১৯৬, ২০০
অন্তিম সুৰ, ৬৯, ৭৭, ৮১
অন্ধকূপ, ১৩৮, ১৩৯
অপৰাজেয়, ১৫৯
অবিৰত যাত্ৰা, ২৩৮
অভিজ্ঞান লিপি, ১৩০
অভিমানিনী, ১৬০
অভিলাষ, ১৫৯
অভিযান, ১৫৯
অভিযাত্ৰী (আ), ১০৩
অভিযাত্ৰী, ১৫৯
অমৰ নাৰী, ১৫৭
অ' মোৰ চিকুনী দেশ, ১৪১, ২৩৯
অবিহণা, ১১১, ১১৭
অৰুণ (আ), ৬১
অৰুণ (গ্ৰ), ৫৪, ৫৭, ৫৮, ৫৯, ৬১, ৭১, ৮৮, ৯৭
অৰুণাচলৰ মহিলা, ১৫৭
অৰুণোদই (আ), ৬, ২৫, ২৭–৩০, ৩৩, ৪০, ২২৪
অৰুন্ধতী, ১৭৮
অৰ্ধ আকাশ, ২৪৪
অৰ্পণা, ১২০, ১২১
অলকানন্দা, ৬৯, ৭৭, ৭৮, ৮০, ৮১, ৮৩
অলকানন্দাৰ পৰা সাগৰ তীৰ্থলৈ, ১৫৯
অৱগাহন মুহূৰ্ত, ১৪৩
অশ্ৰুকন্যা, ১৭৮
অশ্ৰুধাৰা, ৬২, ৬৫, ৬৬
অসম বাণী (আ), ১৬৪, ২১০
অসম সাহিত্য সভা পত্ৰিকা (আ), ৪৫, ৪৬
অসমৰ লোক-কবিতা, ১৫৩
অসমৰ লোক-সংস্কৃতি (বৰুৱা), ১৫৪
অসমৰ লোক-সংস্কৃতি (বৰদলৈ), ১৫৩, ১৫৪
অসমৰ শিক্ষা ব্যৱস্থা, ১৫৭
অসমীয়া (আ), ৯৫
অসমীয়া নাৰী কবি কণ্ঠ, ২৩৫
অসমীয়া উপন্যাসৰ ভূমিকা, ৯৯
অসমীয়া নাট্য সাহিত্যৰ জিলিঙনি, ১১৫
অসমীয়া সাহিত্যৰ ৰূপ ৰস, ১৫৪
অসমীয়া ৰামায়ণী সাহিত্য, ১৫২
অস্তভৰা, ১৭৮
অস্পৃশ্যতা, ১৫৯
অশ্ৰুকন্যা, ১৭৮
অহিৰণ, ২১০, ২১৪, ২১৫

আ

আইলাম, ৯০
আকাশবন্তি, ১৯২, ১৯৩, ১৯৪, ১৯৬
আকাশী পথেদি বিদেশীলৈ, ১৫৯
আকাশী পথেদি দূৰ বিদেশীলৈ, ১৫৯
আকুল পথিক, ১০২
আচাৰ্য বিনোৱা ভাবে (জী), ১৫১, ২২৭
আৰ্হিঘৰ, ১৬৩
আজৰি পৰৰ সাধু, ২২৫
আজি মোৰ মন, ১৬০
আজিৰ মানুহ, ১৬৯
আদৰ্শ নাৰী, ১৫১
আদি কবি, ১১৫, ১১৬
আজিৰ মানুহৰ সাধু, ২২৭
আধালেখা দস্তাবেজ, ২১০
আধুনিক অসমীয়া গল্প সাহিত্য, ১০৪
আধুনিক কবিতা, ১৫৩
আধুনিক বাংলা কাব্য পৰিচয়, ১২৭
আধুনিকা, ১৫৯
আনন্দৰাম ঢেকিয়াল ফুকন, ৯৫, ৯৬
আন্দামান নিকোবৰ দ্বীপপুঞ্জৰ মাজে মাজে, ১৫৯
আমাক এটা সূৰ্য্য লাগে, ২৩৩
আমাৰ গাঁও, আমাৰ সৰগ, ২২৭
আমাৰ প্ৰতিনিধি (আ), ২২৯
আমাৰ বিহু, ৯৮
আমাৰে মইনা শুব এ, ২২৭
আৰ্যাবৰ্তৰ সতী, ২২৫
আৰ্হি তিৰোতা, ৩৫, ৩৬, ৩৭
আলাউদ্দিন, ২২৭
আলাউদ্দিন আৰু এটা আচৰিত চাকি, ৯৫, ১১৭
আলালেৰ ঘৰেৰ দুলাল, ৪০, ৪২
আলি বাবা, ২২৭
আলিবাবা আৰু দুকুৰি ডকাইত, ৯৫, ২২৪
আলোচনী (আ), ৫৩, ৫৫, ৫৮, ৬১, ৯১, ১০৪
আৱাহন (আ), ৫৩, ৫৬, ৮৯, ৯০, ৯১, ৯৬, ১০৪, ১০৫, ১০৭, ১০৮, ১০৯, ১১১, ১১২, ১১৩, ১১৪, ১১৭, ১৬০, ২২৯
আসল পতা নাম, ৯০
আসাম ট্ৰিবিউন (আ), ১২০
আসাম বন্ধু (আ), ৩১, ৩৫, ৩৬, ৩৭, ৪৫, ৪৬, ৫১
আসাম বান্ধৱ (আ), ৯২
আসাম বিলাসিনী, ৫৭
আসাম হিতৈষী (আ), ৮৯
আহুতি, ১৫৯

ই

ইউৰোপ ভ্ৰমণৰ মধু সৌৰভণ, ১৫৯
ইংৰাজী অসমীয়া খণ্ডবাক্য, ২৭
ইংৰাজী অসমীয়া খণ্ডবাক্য কোষ, ২৯
ইংৰাজী অসমীয়া শব্দকোষ, ২৮
ইন্দ্ৰমালতী, ১২৪
ইপাৰ সিপাৰ, ২০৭, ২৩৭
ইপাৰৰ ঘৰ, সিপৰৰ ঘৰ, ১৯৬, ২০৭
ইঙ্গিত সময়, ২৩৩

ঈ

ঈশ্বৰলৈ অভিযোগ, ১৫৬

উ, ঊ

উত্তৰা, ১৬০
উত্তৰায়ণ, ১৭৫
উদয়ভানুৰ চৰিত্ৰ, ২১০, ২২১
উদীচ্য গ্ৰহৰ, ২৪৪
উকলি (আ), ১১১
উষা (আ), ৫৩

ঋ

ঋকবেদ, ৭
ঋকবেদ সংহিতা, ৬
ঋতু সংহাৰ, ১২৪

এ, ঐ

এই পথ, ১৫৯
এই যুগ এই ছবি, ২৪২

একেই জোন একেই বেলি, ১৯৬, ২০৭, ২০৯
এখন প্ৰেমৰ চিঠি ঃ আকাশলৈ, ১৩১
এ প্ৰিমচেজ অৱ আসাম, ২৯
এংলো আচামিজ ভকেবুলাৰি, ২৯
এজন বুঢ়া মানুহ, ১৯৬, ১৯৯, ২০০
এটি উৰি যোৱা প্ৰজাপতিলৈ, ১২৯
এমুঠি আবিৰৰ ৰং, ১৭১
এমুঠি কবিতা, ১২৫
এমুঠি মানুহ, এখন দেশ, ১৫৯
এবি অহা দিনবোৰ, ৭২, ১৫১
এল্যোকেশী বেশ্যাৰ কথা, ৪১
ঐতৰেয় ব্ৰাহ্মণ, ৭

ক

কইনা, ১৬৬
কণিকা, ১১১, ১১৭
কথা গীতা, ১২
কথা গুৰু চৰিত, ১২, ১৩
কথা ভাগৱত, ১২, ১৬
কথা সৰিৎ সাগৰ, ২২৫
কবিতা কুঁহি, ১২৪
কবিতা দেশী বিদেশী, ১৫৩
কবিতা মঞ্জৰী, ১২০
কবিতা সংবোজ, ১২০
কবিতা সাময়িকী, ২৩৪
কবিতাৰ কথা, ১৫৩
কবিতাৰ মালাধাৰি, ১২৬
কবিতাৰ ৰূপৰেখা, ১৫৪
কবিতাৰ হাৰ, ১১৯
ক'লা বজাৰ, ১৫৯
কলিজাৰ সুৰ, ১১৯
কাকলি, ১১৯
কাজিৰঙাত সাতবিহু, ২২৭
কাণখোৱা, ২২৪
কাদম্বৰী, ২৪১
কামনা, ১৫৯
কামিনীকান্ত, ২৯, ৪১
কালিকা পুৰাণ, ১
কিংলিয়েৰ, ৫৯
কিংশুক মালিনী, ১৭৪
কুঁহি সেউজীয়া মন, ২২৭
কৃষ্ণচূড়াৰ ৰং, ২৪৪
কৃষ্ণলীলা, ২২৫
কৃষ্ণা দ্বিতীয়াৰ জোনাক, ১৮১
কেক্‌টাচৰ ফুল, ১৯৬, ২০৩, ২০৪
কেক্‌টাচৰ গীত, ১২৬
কেকো ভাণ্ডৰীয়া, ১১৭
কেঁচা পাতৰ কঁপনি, ১৬৯
কৈলাসৰ সাধু, ২২৫
কোন বাটে, ১৫৯

খ

খেতিয়কৰ জীৱন, ১৫৯, ২২৫
খনিকৰ, ১৫৯
খিৰিকি কাষৰ গছ, ১৮৮
খোৱা-বোৱা, ৯৭

গ

গঙ্গা যমুনাৰ উৎস বিচাৰি, ১৫৯
গণনাৰ পুথি, ২৬
গধূলিতে গধূলিতে ভৰা কোবায়, ২২৬
গাঁৱলৈ, ১১৬
গীত গোৱা চৰাই, ২২৭
গীত মোৰ চিত, ১২৬
গীতাঞ্জলি, ৮২, ৮৩, ১২১
গীতা বচন, ৯৩
গীতাৰ্থ্য, ১৪১
গীতি-নাট্য সংকলন, ২২৫
গুণমালা, ৯০
গুণাভিৰাম বৰুৱা (জী), ৯৬
গুৰু আহিল তোমাক মাতিছে, ২৯
গুৰু চৰিত, ৪
গৃহিনী, ১৫৯
গৃহিনীৰ সাৰথি, ৯৭
গোঁহানী আই গোঁসানী আই, ১৯৬, ২০৬
গ্ৰীছ আৰু ৰোমৰ সাধু, ২২৫

ঘ

ঘৰ চিৰিকাৰ কান্দন, ১৬৪
ঘৰ জেউতি (আ), ৫৪, ৫৫, ৬১, ৮৫, ৮৬, ৮৮, ৮৯, ৯১, ৯৩, ৯৫, ৯৭, ১০২, ১০৪, ১০৯
ঘৰ জেউতি (হাতেলিখা), ১০৪, ১০৫
ঘৰৰ লখিমী, ১১০

চ

চক্ৰবৎ পৰিবৰ্তন্তে, ১৭২
চন্দন ধূপৰ সুবাস, ২৩৫
চন্দ্ৰগুপ্ত, ১৫৯
চন্দ্ৰ গ্ৰহণ, ২৩৭
চম্পাৱতী, ১১৫, ১১৬, ২২৫
চৰ্দাৰ বল্লভ ভাই পেটেল (জী), ১৫৯
চৰ্যাপদৰ বিনিশ্চয়, ৪
চাকনৈয়া, ১৫৯, ১৬৯
চিঠি পঢ়ি ভাল লাগে, ২৩৭
চিত্ৰ তুৰগ, ১৬৩
চিনাকি অচিনাকি, ১৯৬, ২০৫
চিনাকি মৰম, ১৬৬
চিমচাং নদীৰ হাঁহি, ২৩৬, ২৩৭
চীনাবৰ সোঁত, ২১০, ২১১, ২১৫
চুইজাৰলেণ্ড ভ্ৰমণ, ১৫৯
চেতনা (গ্ৰ), ১২৫, ১৬০
চেতনা (আ), ৫৩, ৫৫, ৯১, ১০২

ছ

ছটফটীয়া ভীম, ২২৫
ছয় ঋতু, ১২৪, ১৫৭
ছায়া আৰু ছবি, ১৯৬, ২০১
ছীয়েন নদীৰ ঢৌ, ১৭১, ১৭২

জ, ঝ

জখমী যাত্ৰী, ২১০, ২২২
জখলাবন্ধা মন্ত্ৰ গীত, ৩২
জনম জোনাকী, ১৭৭
জতুগৃহ, ১৭৪
জননীৰ সন্মানত এজন ডেকা মানুহ, ১৮৮
জন্মযাত্ৰা, ১৬
জলছবি, ১৮৮
জয়ন্তী (আ), ৮৯, ১০৪, ১১১, ১১৩, ১১৮, ১১৯, ১২৪, ১২৭, ১২৮, ১৩২, ১৩৮, ১৫০, ১৫৩, ১৬০, ১৬১, ১৬৯, ২২৯
জয়মতী, ৫৬, ৯৬
জয়হিন্দ, ১৬২
জানমালা, ৯২, ৯৭
জাগৃতি, ৬৯, ৭৭, ৮০
জাগৃহি, ১১৫
জাত্ৰিকৰ যাত্ৰা, ৪০
জাপানী সাধু, ২২৫
জালুকবাৰী, ২৩৫
জীৱনজ্যোতি, ১২৩
জীৱন তৰী, ৬২, ৬৬, ৬৭
জীৱন সংগ্ৰাম, ১৬৯, ১৭০, ১৭১
জীৱনৰ এক অংশৰ দস্তাবেজ, ২১০
জীৱনৰ চাবিসুঁতি, ১৬০
জীৱনৰ প্ৰথম পুৱা, ১০৫
জীৱনৰ বাটত, ১১৯, ১৬৯
জীৱনৰ লালসা, ১৭১
জুমি, বীমা আৰু সিহঁত, ২২৬
জুয়ে পোৰা সোণ, ২৩৭
জেতুকা পাত, ১৬০
জোনবাই এ বেজি এটি দিয়া, ২২৫
জোনাকী (আ), ৩০, ৩১, ৩৫, ৩৬, ৩৭, ৪৩, ৪৫, ৪৭, ৪৯, ৫০, ৫১, ৫২, ৫৭, ৫৮, ৮৬, ৮৯, ১০৮
ঝংকাৰ, ১২৩

ট, ড

টিপ্ টিপ্ গুণ গুণ ভুক ভুক, ২২৭
ডন কুইক্সোট, ১১৭, ২২৭
ডাৱৰ আৰু নাই, ১৬৯
ডিমাছা, ১৫৭
ডিব্ৰুং নদীৰ গীত, ২৩৬, ২৩৭

ত, থ

তত্ত্বমালা, ৯০
তৰাবহা বাতিৰ আকাশ, ১২৬
তাপসী, ১৬৩
তিনিকুৰি গীত, ১২৬
তিনিকুৰি দহ বছৰৰ স্মৃতি, ৯৩, ১৫১
তীর্থ পথিক, ১৫৭
তীর্থভূমি, ২৩৮, ২৩৯
তীর্থযাত্রী, ২২৫
তুফান যাত্রা, ১৫৯
তুমি, ৭১
তুমি আৰু মই, ১২৬, ১২৮
তেজৰ তলৰ বাঁহী, ২৩৫
তৃপ্তি বিচাৰি, ১৭৭

দ

দঁতাল হাতীৰ উঁইয়ে খোৱা হাওদা, ২১০, ২১৭, ২১৯
দস্তাবেজৰ আৰু এক অধ্যায়, ২১০
দাপোন প্রলেপ, ১৭৮
দালাই লামা, ১৫১, ২২৭
দিনৰ পাছত দিন (কা), ১৪৩, ১৪৪, ১৪৫
দিনৰ পাছত দিন (উ), ১৯৬, ২০২
দি লাষ্ট ডে অব দি উইক, ২৯
দি লিটল প্রিন্স, ২২৭
দিল্লীৰ ভুখৰীয়া ছবি, ১৫৭
দীপশিখা, ১০৯
দীর্ঘতম দিনটোৰ প্রতীক্ষাত, ২৩৫
দুই নাৰী দুটি মন, ২৩৭
দুঃস্বপ্ন, ১৫৯
দুর্গেশ নন্দিনী, ৪০
দেৱভূমি শ্রীনাথৰ পৰা কন্যাকুমাৰীলৈ, ১৫৯
দেৱী, ১৫৩, ১৫৪
দেশৰ কথা, ১৫৭
দৈনিক অসমীয়া (আ), ৯০
দোক্‌মোকালিৰ গীত, ১৩৬
দোষ কাৰ, ১৫৯

ধ

ধনশিৰিৰ উটুপনি, ১৭১
ধ্রুৱতৰা, ২২৭

ন

নকল জোন, ২২৭
নটীৰ পূজা, ১৫৯
নতুন অসমীয়া (আ), ১৮০
নতুন কবিতা আৰু প্রকৃতি, ১৫৩, ১৫৪
নতুন দিগন্ত বিচাৰি, ১৬৮
নতুন বাল্মীকি, ২৩৩
নদী মাথো বয়, ১৩৭
নদীৰ নাম ভৃকা, ১৬৬
ননীচোৰ, ১৫৯, ২২৫
নলিনীবালা দেৱী, ১৫৯
নৱঘোষা, ২১, ২২
নাওঠ চহৰ, ২১০, ২২১
নামাঞ্জলী, ৯০
নামঘোষা, ২১
নাম মালা, ৯০
নাম মন্দাকিনী, ৯০
নাম সুধা, ৯০
নামতী শৰাইঘৰ, ৯০
নামি আহে এই সন্ধিয়া, ১৯৬, ২০৭
নাৰীৰ কথা, ১৫৬
নাৰী মনৰ পথেদি, ১৫৬
নাৰীৰ অধিকাৰ, ১৫৭
নাৰীৰ বীৰত্ব, ১০৯
নিজান ঘাট, ১৭৪
নির্জনৰ সোণালী আৱর্ত, ১৩২
নির্জাৰিণী, ১২০
নির্মলপ্রভাৰ গীত আৰু নাৰীৰ জীৱন নদী, ১৪৩, ১৪৮
নিৰৰ্থক, ১৬১
নিৰুপায়, ১৫৯
নিয়তিৰ নির্মালি, ১৬৯
নীতিকথা, ৩৪, ৩৭, ২২৪

নীলকণ্ঠী ব্ৰজ, ২১০, ২১২
নেপাল দেশৰ সাধু, ২২৫

প

পহোৰা (অা), ১২৪, ২২৫
পদ্মনাথ গোহাঞি বৰুৱা (জী), ২২৭
পদ্মশ্ৰী নলিনীবালা দেৱী (জী), ২২৭
পদ্মা বৌ, ১৭২, ১৭৩
পৰশমণি (গ্ৰ), ১১৯
পৰশমণি (কা), ৬৯, ৭৫, ৭৬, ৭৭, ৭৯, ৮০, ৮১
পৰাজিতা নায়িকা, ২৩৭
পৰিণতি, ১৭২, ১৭৩
পৰিবৰ্তন, ১৫৯
পৰিমল, ১২৪
পৰীৰ দেশৰ সাধু, ২২৫
পৰীৰ দেশত অজুমণি, ২২৬, ২২৭
পলাশৰ জুই, ২৩৩
পলাশৰ পাপৰি, ১৬১
পষ্ট মৰ্টেম, ১৬০
পাখিয়ে পাখিয়ে ৰং, ২২৭
পাঞ্জাবৰ সাধু, ২২৫
পাহু পাদপ, ২৩৪
পাপ ক্ষেমা পোৱা এজনী, ২৯
পাৰিজাত অভিষেক, ১৫৯
পিতৃভিঠা, ১০১, ১০২, ১০৩
পিলগ্ৰিমছ্ প্ৰগ্ৰেছ, ৪০
পুৰণি কাহিনী, ২২৫
পূৰবী, ১২৪
পৃথিৱীৰ পুৰণি কথা, ২২৬, ২২৭
পোহৰৰ পথ, ১৫১
পৌৰসভাৰ সভাপতি, ১৫৯
পৌৰাণিক আদৰ্শ কাহিনী, ৯৩
প্ৰকাশ (অা), ২১৮
প্ৰচাৰক, ১০৮
প্ৰগতিশীলা, ১৫৭
প্ৰতিধ্বনি, ১৫৯
প্ৰতিভাময়ী, ১৫৭
প্ৰতিশ্ৰুতি, ২৩৭
প্ৰথমা, ১৪১
প্ৰভাকৰ, ১৩৮, ১৩৯
প্ৰভাত (অা), ৫৭, ৫৮, ৯০, ১১৩, ১১৬
প্ৰভাতী পখীৰ গীত, ১৬০
প্ৰলয় কাহিনী, ৮৬
প্ৰয়াস, ১৫৯
প্ৰয়াস চৰিত, ৪
প্ৰাচীন ভাৰতীয় সাধু, ২২৫
প্ৰাণ গঙ্গা, ১৪১, ১৪২
প্ৰাণ গঙ্গাৰ ঢৌ, ১২৬
প্ৰাণ আৰু প্ৰাচুৰ্য, ১৮৫
প্ৰাণশিখা, ১৯২, ১৯৫, ১৯৬
প্ৰাণৰ পৰশ, ৬২, ৬৩
প্ৰায়শ্চিত্ত, ১৫৯
প্ৰীতি উপহাৰ, ১৬৯
প্ৰেম যুগে যুগে, ১৬৮

ফ

ফৰাছী বৃটেনীৰ শ্যামলী উপকূল, ১৫৯
ফুল আৰু দুবৰি, ১৫৯
ফুল কলি, ৮৭, ১৬০
ফুল ফুলিছে আমাৰ বাগানত, ২২৫
ফুলমণি আৰু করুণাৰ বিৱৰণ, ২৯, ৪১
ফুলমণি ও করুণা, ২৯, ৪০
ফুলৰ শৰাই, ৬১, ৬২, ৬৩, ৬৭
ফেঁচুজ্জানিৰ সাধু, ২২৫
ফ্ৰেজেচ ইন ইংলিচ এণ্ড আচামিজ, ২৮

ব

বহ্য বহা ফুল, ১০২
বাহ্নিকদিনৰ চকু, ২১০, ২২০
বন পখীৰ সাধু, ২২৭
বন ফৰিঙৰ ৰং, ১৪৩, ১৪৪
বন বিবিধৰ জীৱে জীৱে, ২২৭
বনলতা আৰ্ট পিন্স, ২৪০
বহ্নি শিখা, ১৭৮

বৰষৰ দিনত সোণটিইত, ২২৬
বন্ধু, ২২৬
বৰদৈচিলা (আ), ১১১
বৰফুল, ২৪৪
বাইবেলৰ সৌৰভ, ২২৫
বাঘৰ ছালৰ চোলা, ২৪০
বাতৰি (আ), ৯৫
বা-মাৰলী, ১৬৯
বাঁধীৰ মিত্র, ২৯
বাসনাৰ অতীত, ১৭১
বাহিৰে ৰং-চং ভিতৰে কোৱাভাতুৰী, ৪০, ৪১,
বাঁহী (আ), ৪৫–৪৮, ৫৩, ৫৪, ৫৬, ৫৮, ৬১,
৮৭, ৮৯–৯২, ৯৪, ৯৬, ১০২, ১০৪, ১১৩
বিক্রমাদিত্য আৰু বেতাল, ২২৫
বিচিত্র মিজোৰাম, ১৫৭
বিচিত্র ৰামায়ণী কথা, ১৫৩
বিজুলী (আ), ৫২
বিজ্ঞান আৰু বৈজ্ঞানিক, ১৫১
বিননি, ৮৫, ১০৪
বিপদৰ সীমা, ১৫৯
বিৰিণা পাতৰ আঙঠি, ১৫৯
বিলাতৰ সাধু, ২২৫
বিশ্বদীপ বাপুজী, ১৫১
বিশ্বদীপা, ১৫০
বিশ্বকণা, ১৩০
বিশ্ব-সাহিত্যৰ মণি-মুকুতা, ১৫২
বিষ্ণু পুৰাণ, ১
বিহু কুঁৱৰী, ১৫৯
বিয়া নাম, ৯০
বীণা, ৫৪, ৯৭, ৯৮, ৯৯, ১০১
বীৰ হনুমান, ২২৫
বুদ্ধ সাগৰ ধুসৰ গাইসা আৰু মহম্মদ মুছা,
২১০, ২২২
বুলবুল আৰু বাদছাহ, ২২৭
বৃহৎ আৰণ্যক, ৭
বেদনা উটুপি বয়, ২৩৭
বেমেজালি, ৯৮, ৯৯
বেলিফুলৰ সপোন, ১৬৫
বৈকুণ্ঠানন্দ লহৰী, ১৫৩
বৈষ্ণৱ যুগৰ অসমীয়া সাহিত্য, ১৫২
বৈষ্ণো দেৱী, ১৫৯
বোৱাৰী, ২৩৭, ২৩৮

ভ

ভক্ত প্ৰহ্লাদ, ২২৫
ভক্তি গীত সংকলন, ১৯
ভক্তিদীপা, ১৫৭
ভৱিষ্যতৰ ৰঙা সূৰ্য, ১৯৬, ২০৪, ২০৫
ভাকুট কুট, ২২৭
ভাগৱত পুৰাণ, ১১
ভাগৱতৰ কথা, ২২৫
ভাগৱতীৰ নাম, ৯০
ভাৰত তীৰ্থ, ১২০, ১২২
ভাৰত তীৰ্থৰ ঘাটে ঘাটে, ১৫৯
ভাৰতীয় দৰ্শন, ১৫৭
ভাস্কৰ লগ্ন, ১৪২
ভীম চৰিত, ২২৪
ভীমৰ কাহিনী, ২২৫
ভকেবুলাৰি এণ্ড ফ্ৰেজেচ, ২৭
ভূগোলৰ বিৱৰণ, ২৬
ভ্ৰমৰ (আ), ৯৫

ম

মই আৰু আমি, ১৯২, ১৯৬, ২২৬
মইনা (আ), ৯৪
মইনাৰ বহঘৰা, ২২৫
মইনাৰ ৰামায়ণৰ সাধু, ২২৫
মৰুদীপ, ১৬০
মণিমালা, ১৫৩
মণিদীপ (আ), ১২৮, ২২৯
মধুপৰ্ক, ১৬২
মধুলেখা, ১৬৪
মন আকাশৰ তৰা, ২৩৭
মন উৰণীয়া, ২২৫
মনৰ ঢৌ, ১৬০

মনসা মঙ্গল, ৯
মমতাৰ বাতৰি, ১৬৭
মৰম মৰীচিকা, ১৫৯
মৰমী আইতা, ২২৫
মৰমৰ উৎস, ১৬০
মৰমৰ উপহাৰ, ২২৭
মলয়া, ১৬০
মহৎ লোকৰ ল'ৰালি কাল, ২২৭
ময়ূৰ পংখী, ১৪১
মহাচীনৰ বিজয় যন্ত্ৰ, ১৫৭
মহাপুৰুষ, ১৫৭, ২২৭
মহাপুৰুষৰ শ্ৰীশ্ৰী গোপালদেৱৰ চৰিত, ১৩
মহাভাৰত, ১
মহাভাৰতৰ কথা, ৯৩
মহাভাৰতৰ সাধু দুটামান কওঁ, ২২৫
মহিলা নিবাস, ১৫৮, ১৫৯
মাছ নহয় জিজি, ১৬০
মাজ নিশা তৰাই উচুপে, ১৬২
মাটি মানুহ আৰু নদী, ২৩২
মাটিৰ চাকিৰ শিখা, ১২৫
মাতৃ, ২৩৯
মাদাৰ টেৰেচা, ১৫১
মাধৱদেৱ, সাহিত্য কলা আৰু দৰ্শন, ১৫৫
মাধুৰী, ১১০
মান দেশৰ সাধু, ২২৫
মানসী কন্যা, ১৬৮
মামৰে ধৰা তৰোৱাল, ২১০, ২১৫, ২১৭, ২১৯
মালঞ্চ, ১২০, ১২১
মালাৱতী, ১৫৯
মাসিক পত্ৰিকা (আ), ৩৮
মাহেকীয়া কবিতা, ২৩৪
মিনতি, ১৫৯
মিলন (আ), ৫৩, ৫৪, ৫৫, ৮৭, ৯১, ১০৪, ১০৫
মীৰাবাঈ, ১৫৯
মীৰাবেন, ১৫১
মুক্তামালা, ১৬০
মৃণনাভি, ২৩৬
মৃন্ময়ী (আ), ৩৫
মেঘৰ হাবিৰ ৰং, ২২৫
মোৰ জীৱন কথা, ২৫১
মোৰ জীৱন সোঁৱৰণ, ৩৪
মোৰ দেশ মোৰ মন, ২৩৩
মৌ (আ), ৪৬
মৌচুমৰ বেতিয়া নামে, ১৬২
মৌজোন, ১৬০, ২২৫

য

যাত্ৰী, ১২৪
যুগ দেৱতা, ৬৯, ৭৫, ৭৬, ৭৯, ৮১
যুগৰ যাত্ৰী, ১৭১, ২২৬
যোগমায়া, ১৪
যোগিনীতন্ত্ৰ, ১

ৰ

ৰক্তজবা, ১৬০
ৰংমনৰ মন, ২২৭
ৰঘুবংশ, ১
ৰঘুবংশৰ কথা, ২২৫
ৰত্না, ৰাসন্তী প্ৰিয়া, ১৬৬
ৰ'দালি প্ৰেমৰ কবিতা, ২৩১
ৰত্না-বড়া, ৫৬, ৯৭, ১১৭
ৰহস্যৰ আঁৰত, ১৭৯
ৰাইট ভাতৃদ্বয়, ১৫১
ৰাজসূয়, ১৩
ৰাজা ৰামমোহন ৰয় (জী), ৯৬
ৰাধাৰ মন, ২৩৭
ৰাণী দুৰ্গাৱতী, ৫৬, ৯৬
ৰাত্ৰনী, ৫৬, ৯৭
ৰামকৃষ্ণ দেৱৰ চৰিত, ১৬
ৰামধেনু (আ), ৬, ১১৯, ১২৪, ১২৮, ১৩৮, ১৪৩, ১৪৪, ১৫০, ১৫২, ১৬০, ১৬১, ১৬৩, ১৮০, ১৮১, ১৮৫, ২২৯
ৰামধেনু (গ্ৰ), ১৭৯
ৰাম নৱমী, ৩৩

ৰামায়ণ, ১, ৫, ৮
ৰামায়ণ কথা, ৯৩
ৰামায়ণ মহাভাৰতৰ কথা, ৯৬, ২২৪
ৰামায়ণৰ কথাবস্তুৰ আঁতিগুৰি, ১৫৩
ৰামায়ণৰ সাধু দুটামান কাণ্ড, ২২৫
ৰায়চৌধুৰীৰ জীৱন সংগ্ৰাম, ১৫১, ২২৭
ৰুণজুন নেপুৰ বাজে, ১৫৯, ২২৫
ৰুণজুন নেপুৰৰ ধ্বনি, ১২৪
ৰুণজুনৰ সপোন, ১১০, ২২৭
ৰূপ আৰু ৰেখা, ১২৫
ৰূপকন্যা, ১৩০
ৰূপৰেখা, ১২২
ৰেখাঙ্ক, ১৬০

ল

লক্ষহীৰাৰ গীত, ১৪১
লা-প্ৰেটিট প্ৰিন্স, ২২৭
লুইতৰ পাৰে পাৰে, ১৭১
লুইতৰ মোহ, ১১১
লেখিকাৰ গল্প, ২৪৪
লোতক, ১৭৭

শ

শকুন্তলাৰ ডায়েৰী, ১৬২
শৰ্বৰীৰ স্বপ্ন, ১৬২, ১৬৩
শহীদ, সুহৃদ আৰু উদিত সূৰ্য, ২৩০, ২৩১
শান্ত সৰণী, ১৭৪
শান্তি পথ, ১৫২
শান্তিৰ সন্ধান, ৮৬, ১১৬, ১৫৯
শিখণ্ডী, ১৩৫
শিঙীৰ সপোন, ১২৬
শিশু আৰু পৰিবেশ, ১৫৭
শিশু আৰু শুনা কথা, ২২৬, ২২৭
শিশুকৃষ্ণ, ২২৫
শিশু গান্ধী, ১১৬
শিশুপ্ৰেম, ২২৭
শিশুৰ বিকাশ, ১৫৭
শিশুৰ হাঁহি, ২২৬, ২২৭
শিক্ষা মনোবিজ্ঞান, ১৫৭
শিচ্‌কিন মই আৰু বয়ুডো, ২২৭
শীতৰ কুঁৱলী, ২৪৪
শ্ৰীকৃষ্ণ কীৰ্ত্তন, ৪
শ্ৰীশ্ৰী গোপালদেৱৰ শেষ লীলা, ১৩, ১৬
শুকুলা পখীৰ গীত, ২২৭
শুকুলা পাহিৰ সুবাস সিঁচি, ১২৪
শূন্য পুৰাণ, ৪
শূন্যতাৰ কাব্য, ১৮৮
শেক্সপীয়েৰৰ গল্প, ৯২
শেষ সাঁই, ১৩৮, ১৩৯
শেষ পথ, ১৬৯
শেষ পূজা, ১৫৯
শেষ সূৰ্যৰ ৰেঙণি, ১৬৮
শেড অব দি ডাৰ্ক গড, ২২৩
শৈল শিখৰ, ১৯২, ১৯৪, ১৯৫, ১৯৬

স

সঙ্গম, ১২৬
সংগ্ৰাম, ১৬৯
সংসাৰ পুথি, ১১৭
সংস্কাৰ, ২২৩
সন্তকথা, ৯২
সন্তাৰ পখী, ১৫৯
সতী কাহিনী, ২২৫
সতী বহিমা, ১০৯
সন্তিয়াৰ সাধু, ৯৫, ২২৪
সন্তিয়াৰ সুৰ, ৫৪, ৬৮, ৬৯, ৭১–৭৫, ৭৭, ৭৯,
৮০, ৮২, ৮৩
সপোন, ১৫৯
সপোনৰ সুৰ, ৬৯, ৭৫, ৭৯, ৮০
সপ্তপৰ্ণা, ১৬২
সপ্তবীৰ ৰহস্য, ২২৫
সপ্তসতী, ২২৫
সঁফুৰা, ১০৩
সময়ৰ পাণ্ডুলিপি, ১২৪
সমাজ (অ), ১৭২

সমাজ সেৱিকা, ১৬০
সমন্বয় পাণ্ডুলিপি, ১২৪
সমীপেষু, ১৪৩, ১৪৫
সৰ্বংসহা, ২৩৭
সৰা ফুলৰ সুবাস, ১৬৮
সবিস্ময়ৰ ফুলৰ ৰূপ, ২২৭
সৰ্বোদয় আৰু ভূদান, ১৫৭
সাগৰ তীৰ্থ আৰু পূৰ্ণকুম্ভ, ১৫৯
সাগৰ দেখিলোঁ, ১৫৯
সাঁথৰ, ৯৮
সাদিনীয়া অসমীয়া (আ), ৯৪
সাদিনীয়া নৱযুগ (আ), ১১৩, ২২৯
সাধনা, ১০২
সাধুকথা, ৯৫, ২২৪, ২২৫
সাধুৰ পুথি, ২৭, ৩৪, ২২৪
সাধুৰ মালা, ২২৫
সাপৰ ছালৰ জোতা, ২১০, ২২০, ২২১
সাবিত্ৰী, ৫৯
সামান্য অসামান্য, ১৯৬, ২০২, ২০৩
সাম্প্ৰতিক অসমীয়া কবিতা, ২৩৫
সাহিত্য আৰু সংস্কৃতি, ১৫৩, ১৫৪
সাহিত্য পাঠ, ৯২, ৯৭
সিংহ দুৱাৰ, ১৭৫, ১৭৬, ১৭৭
সিন্দবাদ, ২২৭
সিন্দবাদৰ সাতোটি জলযাত্ৰা, ৯৫
সিহঁতে খেলিছিল, ২২৬
সুখদা নাৰ্চিং হোম, ১৭৯
সুতীব্ৰ সময়ৰ প্ৰতীক্ষাত, ২৩২
সুদীৰ্ঘ দিন আৰু ঋতু, ১৪৩, ১৪৭
সুধৰ্মাৰ উপাখ্যান, ৩৭, ৪০, ৪১, ৪২, ৪৩
সুন্দৰ দেশ, ২২৬
সুন্দৰৰ ৰূপ, ১২৩
সুন্দৰৰ সৌন্দৰ্য বিচাৰি, ১২৬
সুপ্ত সূকৰ, ২৩৩
সুবাসিত বিষ যন্ত্ৰণা, ১৩৫
সুবাসী মনৰ ছন্দ, ২৩৩
সুভাষিতাৱলী, ৮
সুৰভি (কে), ১২৪
সুৰভি (আ), ১১১
সুৰৰ ছবি আৰু প্ৰাণৰ সুৰ, ১৩৮, ১৪০
সুৰসেতু, ১৪১
সুৰীয়া মাত, ১৪৩, ১৪৮
সুৰুযমুখী, ১৪৩, ১৪৮
সূৰ্যমুখী, ২৩১
সূৰ্যমুখী ফুল, ২৪৪
সূৰ্যোদয়, ১৬০
সেই নদী নিৰবধি, ১৯৬, ১৯৭, ১৯৯, ২০৭
সেই মৃত্যু অপৰাজেয়, ১৬০
সেউজীয়া পাহাৰৰ কাহিনী, ১৫৭
সেউজী পথাৰৰ মাজে মাজে, ১৫৭
সেউজীয়া সপোনৰ খোজ, ২৩০
সেতু, ১৫৯
স্নেহদেৱীৰ একুৰি গল্প, ১৮১, ১৮২
স্নেহদেৱীৰ গল্প, ১৮১
স্নেহদেৱীৰ শ্ৰেষ্ঠ গল্প, ১৮১
সোণটিৰ দিনবোৰ, ২২৬
সোনবৰণী আই, ১৪৩, ১৪৮
সোণ মইনাৰ সাধু, ২২৫
সোণৰ গধুৰ বোজা, ২২৬
সোণালী দুখ, ১৩২
সোণালী পৃথিৱী, ১৩৪
সৌমাৰ জ্যোতি, ১৮০
স্তুতিমালা, ৮৬, ৯০
স্ত্ৰীশিক্ষাৰ বাবে কেই আখ্যায়মান, ৯২
স্বামী বিবেকানন্দ (জী), ১৫১, ২২৭
স্মৃতি অৰ্ঘ্য, ১২৬
স্মৃতি তীৰ্থ, ১৫০
স্মৃতি লিপি, ১২৪
স্মৃতি লেখা, ১৫৯

হ

হজৰত মহম্মদ (জী), ১৫১
হৰগৌৰী সংবাদ, ৪
হৰিবংশ, ১
হাজাৰ বছৰেৰ পুৰাণ বাঙ্গালা ভাষায় বৌদ্ধ গান ও দোহা, ৩

হাদিছর গন্ধ, ২২৭
হিত সাধিকা, ৩৭, ৪৪, ৪৫
হিন্দু নারী, ১১০
হিমতীর্থ বদ্রীনাথ, ১৫৯
হিরণ্ময়ী উষা, ১৭৪
হিয়ার হেমহার, ১২০
হৃদয়, ২২৩
হৃদয় এক নির্জন দ্বীপ, ১৯৬
হৃদয় এক নদীর নাম, ১৬৬
হৃদয় শাশ্বত নদী, ২৪০
হৃদয় বিচারি হৃদয়, ১৩০
হৃদয়ের গান, ১৩৩
হৃদয়ের সুর, ১২৬
হেকেরা প্রাণের সুর, ১৩০